ERKELEY
BRARY
IVERSITY OF
ALIFORNIA

Scarce

£2-15-0

R PROBSTHAIN

Digitized by the Internet Archive
in 2007 with funding from
Microsoft Corporation

http://www.archive.org/details/dictionaryinassa00bronrich

R. E. Neighbor.
Nowgong

A

# DICTIONARY

IN

## ASSAMESE AND ENGLISH.

অসমিয়া আৰু ইংৰাজি

# অভিধান।

COMPILED

BY

M. BRONSON,

AMERICAN BAPTIST MISSIONARY.

First Edition.

AMERICAN BAPTIST MISSION PRESS.

SIBSAGOR.

[800 *copies.*] 1867.

LOAN STACK

*W. Ward, Printer.*

PK1556
B8

# PREFACE.

ASSAMESE is the language usually spoken by the entire population of the Brahmaputra Valley, and in most cases it is the only medium of intercourse with the bordering Hill Tribes. There is nothing to show that the Assamese race and their language have not existed in this Valley from time immemorial; and it is surprising that, during the change of rulers, the oppression and misrule to which they have been subjected, there are so few traces of any material change in their language. The Ahoms, a branch of the great Shan or Tai race, conquered Assam at an early period, and governed it for many hundred years, until it passed into the hands of the present Government; but scarcely a trace of their language is found in the present dialect of the Assamese. The Burmese, the Mohammedans, and powerful Cachari Tribes have in turn waged war upon Assam without affecting the language. This may serve to show the love of a people for their own tongue, and that if we would confer upon them the blessings of science and the true Religion, the most direct and successful medium is their own vernacular.

Unfortunately an impression has prevailed that Assamese and Bengali are identical or nearly so. Hence all the Schools, Courts, and official business of every kind are conducted in Bengali. This has greatly retarded the cause of education and general progress among the masses They have no inclination to abandon their own for a foreign dialect. The higher classes, seeing their own language ignored, strive to obtain a sufficient knowledge of Bengali to fill Government offices; but they never feel at home in the language. In the family and social circle, nothing but the vernacular is spoken. Were Government now to abandon the country, Assamese would supersede all other dialects simply because it is the language of the masses.

That eminent linguist Max Muller tells us, that "there is hardly a language that in some sense may not be called a mixed language. No nation or Tribe was ever so completely isolated as not to admit a certain number of foreign words." Again, "It matters not how many words may be derived in common from another language,

it does not prove the identity of any two dialects. It is to the *grammar* that we must look, to decide their identity."

Now in regard to the supposed identity of Assamese and Bengali, let it be borne in mind that wherever Hinduism goes, it takes its sacred language, the Sanscrit, along with it. In all the dialects of India, spoken by Hindoos, religious and scientific terms are mostly of Sanscrit origin, modified more or less by the peculiarities of each dialect. But the grammars of these dialects are different; hence they are distinct languages, notwithstanding they have many words in common. So in the case before us. Both Assamese and Bengali borrow largely from the Sanscrit, but the grammars are quite different, as will be readily seen by comparing them together. It might as well be said that French and Italian are one language, because both are sprung from the Latin, as that Bengali and Assamese are one, because they borrow in common from the Sanscrit.

After thirty years familiar acquaintance with the people, I am fully persuaded that it is a mistake to ignore their language. It ought rather to be cultivated. If suitable encouragement were given, the educated Assamese would soon supply vernacular School Books, and a new impulse in favor of education would manifest itself among the masses. In no other way can education ever be popularized among them.

In regard to the present work, it is the first Dictionary of the language ever published, and has necessarily been a difficult task. In the fourteen thousand words here collected, will be found many in daily use by the people, that no Bengali scholar will understand. Many of these words have been written as they dropped from the lips of the people. While I have thus endeavored to give the spoken language, I have also inserted the more common Sanscrit words that are used in the *Puthis*, and therefore known to the people. These words are also used in our School Books, and Scripture Translations. But it should be borne in mind that they are often used in Assamese, with a modified meaning, and a different pronunciation. A few words are used with a slight difference of form and pronunciation. These have been placed together as one word, and coupled by a bracket. English definitions have been simplified and

varied as much as space will allow, for the sake of those who are learning English. As the language has hitherto had no standard, and has been used vaguely, I am aware that this first edition, like all other first attempts of the kind, must be left more or less imperfect. No word however has been allowed to pass without careful examination; and when doubts have existed, the oldest and best informed of the people have been consulted.

I am greatly indebted to the Rev. Dr. Brown, for a valuable list of words, and definitions partly given, all in the vernacular. The Rev. Mr. Whiting also printed a list of words as far as the letter ব, without definitions.

The system of Orthography adopted in this work, is that of *Jodurám Borua*, a learned Assamese Pundit, which it is believed much better corresponds with the actual pronunciation of the people than any other system met with. ( See "Introduction to Brown's Grammatical Notices," Page IX. )

Suggestions from every quarter for the improvement of the work will be thankfully received, and borne in mind in the revision for a second Edition.

For the liberal contributions received, I beg to return many thanks. Should health and means permit, a second Volume, the corresponding English and Assamese, will follow.

M. Bronson.

Nowgong, Aug. 12th 1867.

# আভাস ।

সকলো জাতি মানুহৰ মাজত নিজ মাত্রি ভাসা আদৰনিয় । সেয়ে জিমান কি খিন আৰু অসোভিত নহওক, তেও আপোন ভাসা বুলি নেৰে । ৰন বিগ্রহ, ৰাজ্য ভগা আৰু নতুন ৰাজ্য পতা, এনে দুঘটনাৰ পৰা, বা নানা বিদেসি ভাসা সিকাতে মাত্রি ভাসাক গুচাব নোআৰে । আমাৰ এই অচম দেসত ইয়াৰ প্রমান দেখা গৈচে । পুর্ব্বে আহোম ৰজা সকলে এই দেস জই কৰি, স স বচৰ ভোগ কৰিলে । তেওঁবিলাকৰ ভাসা খাম্‌তি জাতিৰ সমন্ধিয় এক ভাসা আচিল; কিন্তু এনে অতি আচৰিত জে ৰজা সকলৰ ভাসাই অচমিয়া ভাসাৰ একো হানি নকৰি, এতিয়া প্রাই সেই ভাসা আপুনি লোপ হল । এই দৰে, মান আৰু মচলমানৰ সৈন্যে বাৰে বাৰে এই দেসত ৰন কৰি দেসৰ বহু উত্‌-পাত কৰিলে; তথাপি ভাসাৰ একো লৰ নহল । আৰু বর্ত্তমান কালত এই দেস ইংলণ্ডিয় সকলৰ অধিন হোআত, তেওঁবিলাকে অচমিয়া ভা-সাৰ প্রতি বিসেস সহাই নহৈ, বঙ্গালি ভাসাক নিজ মাত্রি ভাসা বুলি, গবর্নমেণ্টৰ সকলো কৰম আৰু স্কুল আদিতো সেই ভাসাকে বেৱহাৰ কৰে; তাতে আমাৰ অচমিয়া মানুহ এভাগে জিবিকাৰ উপাইৰ নিমিত্তে বহু স্রমেৰে বিদেসি ভাসা সিকে; আৰু কিচু বঙ্গালি কথা লিখিব বুজিব পাৰিলে, কাচা-ৰিলৈ গৈ, তাত বঙ্গালি অচমিয়া দুয়োকো মিহলাই আৰজি আদি লিখি জিবিকাৰ উলিয়াই । কাচাৰি ঘৰত দিনৰ দিণ্টো হিন্দুস্থানি, বঙ্গালি আৰু কেতিয়াবা কেতিয়াবা কিচু অচমিয়া কথাও মিহলাই কাম কাজ কৰে; কিন্তু আপোন ঘৰ পৰিয়াল পোআ মাত্রে, সুধ ৰুপে নিজ মাত্রি ভাসাৰে আ-লাপ কৰে । এই দৰে প্রাই ৩০ ত্রিচ বচৰ গল, কিন্তু অসমিয়া ভাসা ব্রহ্মপুত্র নদিৰ সোঁতৰ নিচিনাকৈ ৰাজ্যৰ মাজত একে দৰে চলি আচে, আৰু আগলৈকো চলিব ।

এতেকে, এই দেসৰ উনতিৰ নিমিত্তে নিজ মাত্রি ভাসা উত্তম কৰিব লাগে । পুর্ব্বে বঙ্গালি আদি অনেক ভাসা অতি খিন আচিল; কিন্তু এতিয়া উত্তম কৰা হৈচে; এই ৰুপে আমাৰ এই দেসি গ্যানি লোক সকলেও নিজ মাত্রি ভাসাক উত্তম কৰিব পাৰে; বিসেসকৈ জি সকলে ইংৰাজি ভাসাৰে ন ন গ্যান বিদ্যা সিকিচে, তেওঁবিলাকে একে আলচেৰে সেই গ্যান বিদ্যাৰ দ্বাৰাই অচমিয়া ভাসাৰে নানা বিধ স্কুলৰ পুথি চাপিলে দেসত গ্যান বিদ্যা বাৰ্হিব, আৰু ক্রমে ক্রমে ভাসাও উত্তম আৰু সকলোৰে মান্যৱন্ত হৈ জাব,

সকলো পুথিৰ মাজত অভিধান অতি প্রয়োজনিয় । অনেক ইংৰাজি লোকে অচমিয়া ভাসা সিকিবলৈ ইচা কৰে, আৰু অনেক অচমিয়া লো-কেও ইংৰাজি ভাসা সিকিবলৈ স্রম কৰি আচে । সকলোৰে উপকাৰৰ নিমিত্তে অচমিয়া ভাসাৰে এই প্রথম অভিধান সমাপ্ত কৰিলোঁ । ইয়াত

১৪০০০ চৈধ্য হেজাৰ মান সব্দ আচে, তাৰ অৰ্থ অচমিয়া আৰু ইংৰাজি, এই দুই ভাসাৰে দিয়া হল। উত্তম উত্তম পণ্ডিত, আৰু জনা লোকৰ সহাই লৈচিলোঁ, আৰু অনেক বচৰৰ পৰা সব্দ গোটাই, তাৰ অৰ্থ লিখা হৈচে; তাতো কোনো কথাৰ সন্দেহ লাগিলে, অন্য অনেক জনা লোকে সৈতে বিচাৰ কৰা গল; তেও ইয়াত জি অসুধ ওলাই, পণ্ডিত সকলে তাত দোস নধৰি, আমাক জনালে বৰ উপকাৰ মানিম; আৰু পুনৰ্বাৰ চাপোঁতে তাক সংসোধন কৰা জাব।

ইংৰাজি আৰু অচমিয়া ভাসাৰে, এই পুথিৰ দুভিয় ভাগো আৰম্ভন কৰা গৈচে। ইতি ॥

জিলা নগাওঁ আচাম,<br>সন ১৮৬৭ ইং তাং ১২ আগস্ট। }

এম ব্ৰন্সন।

# ASSAMESE ALPHABET.

| | | | | | |
|---|---|---|---|---|---|
| অ | | o (*or* a) | ঐ | ৈ | oi (ai) |
| আ | া | a (á) | ও | ো | ó |
| ই | ি | i | ঔ | ৌ | ou |
| উ | ু | u | অং | ং | ong |
| এ | ে | e | | | |

| | | | | | | |
|---|---|---|---|---|---|---|
| ক | | k | ড | ḍ | ব | | b |
| খ | | kh | ঢ | ḍh | ভ | | bh |
| গ | | g | | | ম | | m |
| ঘ | | gh | ত | t | য় | ্য | y |
| ঙ | ং | ng | থ | th | ৰ | ৰ্ ্ৰ | r |
| চ | | s (ch) | দ | d | ল | | l |
| জ | | j | ধ | dh | ৱ | | w |
| ঞ | ঁ | n̤ | ন | n | স | | s, h |
| ট | | ṭ | প | p | হ | | h |
| ঠ | | ṭh | ফ | ph | | | |

## COMPOUND FORMS.

| | | | | | |
|---|---|---|---|---|---|
| ক্ৰ kr, | ক্ত kt, | গ্ন gn, | ঙ্ক ngk, | ঞ্চ ns, | ঞ্জ nj, |
| ণ্ট nṭ, | ণ্ঠ nṭh, | ণ্ড nḍ, | ত্ন tn, | ত্ম tm, | ত্ৰ tr, |
| ত্ৰু tru, | দ্ধ ddh, | দ্ম dm, | দ্ভ dbh, | দ্ব dw, | ন্ত nt, |
| ন্ত্ৰ ntr, | ন্তু ntu, | ন্থ nth, | ন্দ nd, | ন্দ্ৰ ndr, | ন্দ্ৰু ndru, |
| ন্ধ ndh, | ন্ব nb, | ন্ম nm, | ন্স ns, | প্ত pt, | প্ন pn, |
| প্ল pl, | ব্দ bd, | ভ্ৰু bhru, | ম্প mp, | ম্ব mb, | ম্ভ mbh, |
| ল্প lp, | ষ্ট sṭ, | ষ্ঠ sṭh, | স্ক sk, | স্ত st, | স্ত্ৰ str, |
| স্তু stu, | স্থ sth, | স্ন sn, | স্প sp, | স্ব sw, | স্ম sm, |
| স্ৰু sru, | ৰু ru, | হু hu, | দ্ৰু dru, | হ্ম hm. | |

# A

# DICTIONARY,

## ASSAMESE AND ENGLISH.



অ, The first vowel in the Alphabet. In Assamese the sound fluctuates between long and short o, as in the two syllables of the word *morrow*. It is inherent in every consonant; but the mark ( ্ ) placed underneath suppresses the vowel sound. Native writers denote the long sound of অ, by a circumflex, as কঁলা *black*; মঁহ a *buffalo*. Before a vowel অ becomes অন. As a prefix it is equivalent to *un*, *no*, *not*.

অ আই, *interj.* আচৰিত হবা মাত, a particle expressing surprise.

অংশ, *s.* ভাগ, ভোখৰ, খণ্ড, a share, division, piece.

অংশি, *s.* ভাগি, ভাগৰ গৰাকি, a partner, a sharer.

অঁকৰা, *a.* আঁকৰা, কথা কব নোৱৰা, নিৰ্বোধ, dumb, having an impediment in the speech; *s.* a dunce, a stupid fellow.

অঁকা, *a.* আঁক দাঁক কৰা, চিন দিয়া; এক পৰ্ব্বতিয়া জাতি, marked, tattooed; *s.* a hill tribe of Assam.

অঁকা দঁকা, *a.* নানা ৰবনিয়া, আঁক্ দাঁক্, of diverse colours, striped.

অঁকিওৱা, *a.* আঁচ দিয়া, অঁকা, চিটাচিট কৰাৰ চিন, marked, striped, tattooed.

অঁটা, *a.* জোৰা, কুলুআ, enough, sufficient.

অটোআ, *s.* সৰা পোঁচা, পৰিপাটি, নজ কৰা, ভগা চিগা বঢা, the act of putting in order, mending, repairing.

অঁৰা, *a.* গণ্ডা, চাইটিয়াকৈ লেখ কৰা, a term used in counting by fours.

অঁহ, *interj.* খঙ উঠা মাত, an exclamation of anger or indignation.

অঁহিয়া, *a.* আঁহ থকা, stringy, fibrous.

অকঁটলা, *a.* ঠাল ঠেঙুলি নকটা, আখি নকঁৰলা, not pruned, not trimmed.

অকটা, *a.* কেহা তিতা লগা, ঘিন ঘান নাইকিয়া, unpalatable, without disgust or aversion.

অকটুৰ, *a.* কঠিন নোহোআ, কোমল, not cruel or unfeeling, not harsh, insipid or disagreeable to the ear, mild, soft.

অকঠিন, *a.* টান নোহোআ, উজু, ঢিল, সুগম, soft, easy to do, not abstruse.

অকণ্টকা, *a.* জেঙ্গা নাইকিয়া, অচিন্তা, সুকলম, free from any thing that occasions anxiety, at ease, without an enemy.

অকথনিয়, *a.* কবলৈ অজোগ্য, কৈ ওৰ পেলাব নোঅৰা, unspeakable, beyond expression.

অকথা, *s.* হব নলগা কথা, অনিয়াই, দুষ্কৰম, improper talk, obscene language, misconduct, injustice.

অকপট, *s.* কপট নাইকিয়া, সাধু, sincerity, frankness, honesty.

অকপটি, *a.* সৰল, হোজা, পোন, অকুটিল, without hypocrisy, sincere, frank, honest, open-hearted.

অকম্পন, *a.* নকঁপা, থিৰ, নৰলা, not agitated, quiet, unmoved.

অকৰুনা, *a.* নির্দয়া, কঠিন মন, নিমৰমিয়াল, unmerciful, unpitying, hard-hearted.

অকর্ম, *s.* কুকৰম, দুস্ক্রিয়া, a bad action, wickedness.

অকর্মন্য, *a.* অকামিলা, কোনো কামৰ জোগ্য নোহোআ, fit for nothing, worthless, useless.

অকল, *a.* গুটিয়া, অকলসৰিয়া, কেৱল, মাত্র, single, alone, only.

অকলঙ্ক, *s.* নির্দোস, অপজস নোহোআ, সুধ, purity, immaculateness.

অকলঙ্কি, *a.* চেকা নলগা, নির্দুসি, বাদ নাইকিয়া, spotless, untarnished, without blemish, stainless.

অকলসৰিয়া, *a.* লগ নাইকিয়া, alone.

অকলে, *ad.* লগ সঙ্গ নোহোআকৈ, separately, singly, by one's self.

অকল্যান, *s.* অমঙ্গল, অসুভ, আপদ, a misfortune, adversity, evil.

অকস্মাত, *ad.* হঠাত, আচম্বিত, গিৰিসাই, ঘুপুৰাই, চমক্কৈ, suddenly, abruptly, unexpectedly.

অকহি পুৰুস, *s.* আদি পুৰুস, এৰৈচ পুৰুস, ancestors, forefathers, progenitors.

অকাজ, *a.* অকাৰন, অকার্জ্য, অকাম, useless, without cause.

অকাবু, *a.* চল নোপোআ, কৰিবলৈ আচল, difficult, perplexing, intricate.

অকামিলা, *a.* একো কামৰ জোগ্য নোহোআ, আবাল্চন্দ, unserviceable, useless, worthless.

অকাৰন, *a.* কাৰন নথকা, বেথা, এনেই, without cause or reason, fruitless, in vain.

অকাৰ্য্য, *s.* অনুচিত কৰম, অজুগুত কাম, an improper work or action, wickedness, wrong.

অকাৰ্য্য ভাগি, *a.* অকৰ্ম্মা, কাম কাজ কৰিব নজনা, কোনো কামৰ বুজ নোপোআ, worthless, useless, stupid.

অকাল, *a.* অসমই, কাল পুৰ নোহোআ, অনিয়মিত বেলা, premature, out of season.

অকাল মিৃত্যু, *s.* অকালত মৰা, আদবয়সতে মিৃত্যু হোআ, premature death, early or accidental death.

অকিৰ্ত্তন, *a.* অপ্ৰকাস, প্ৰচাৰ নকৰা, unpublished, unpromulgated.

অকিৰ্ত্তি, *a.* জসস্যা হিন, দূৰ্নাম, অখ্যাতি, without renown, infamous.

অকিৰ্ত্তিম, *a.* সুধ, ভাঁজ নাইকিয়া, দ্ৰিঢ়, genuine, real, unalloyed, pure.

অকুটিল, *a.* অকপট, সুধ, পোন, sincere, honest. guileless.

অকুমাৰ, *s.* ডেকা লৰা, ডেকা, a boy under the age of puberty.

অকুমাৰি, *s.* গাভৰু চোআলি, ছেকেৰি, a girl under the age of puberty.

অকুলন, *a.* কম, নটা, deficient, wanting, insufficient.

অকুলিন, *a.* অজাতি, নিচ জাতিয়া, আন কুলিয়া, of low caste, unprivileged, untitled, ignoble.

অক্ৰম, *a.* লেটিপেটি, বেমেজালি, অনিয়মিত, want of order, irregularity.

অক্ৰিতগ্য, *a.* সলাগ নোলোআ, উপকাৰ নমনা, unthankful, ungrateful.

অক্ৰিপা, *s.* নিৰ্দয়া, কাঠচিত, নিমৰম, hardheartedness, unmercifulness.

অক্ৰিয়া, *s.* অকৰম, অধৰম, inaction, improper action, irreligion.

অক্ৰোধ, *a.* খঙ্গ নাইকিয়া, স্থৰ, dispassionate, placid, tranquil; *s.* the restraint of anger, dispassionateness, calmness.

অক্লেস, *s.* দুখ নাই, অনায়াস, the absence of distress, fatigue or difficulty, well being.

অক্লেসে, *ad.* সুচলে, উজু কপে, দুখ নোহোআকৈ, with facility, easily.

অখটি, *s.* আওখটি, লৰা আদিৰ পেঁচাল, আহুকাল, a childish whim, fancy, caprice.

অখণ্ড, *a.* গোটেইটো, ভাগ নকৰা, নভগা নিচিগা, সৰ্ব্বকাল থকা, whole, unbroken, undivided, continuous.

অখণ্ডন, *s.* নুগুচা, সৰ্ব্বতিকাল থকা, নখণ্ডা, the non removal of a difficulty or evil, whole, unbroken, non refutation, continuity.

অখাদ্য, *a.* খাব নোপোআ বেহানি, নোখোআ, not fit for food, forbidden food, not eatable.

অখালড়াঁৰ, *s.* বিনা দোসত ভৰনি, the payment of an unjust demand.

অখিওআ, *s.* থোকৰ পৰা আখি খহোআ, the act of separating the several clusters of a bunch of fruit.

অখিচ, *s.* অসিষ্ট, লেতেৰা, নিচ মানুহ, a low untidy slovenly person.

অখিন, *a.* নিখিনোআ, পুৰ, মঙ্গহিয়াল, পুষ্ট, not lean, fat, fleshy.

অখিয়া, *a.* আখি থকা, having fruit in clusters.

অখিল, *s.* সমস্ত, গোটেই জগত, every thing, the world; *a.* whole, entire.

অখ্যাই, *a.* খ্যাই নোহোআ, অবিনাসি, জাউতিজুগিয়া, unwasting, imperishable, undecaying, everlasting.

অখ্যাই অব্যাই, *a.* ৰাহিয়াল, নুটুকুআ, unfailing, inexhaustable.

অখ্যাত, *a.* ঘা নলগা, খুন নোহোআ; আৰৈ চাওল, undamaged, unbroken, unbruised. *s.* sun-dried rice.

অখ্যাতা, *s.* এঁৱা চোআলি, কুমাৰি, a virgin.

অখ্যাম, *a.* অসমৰ্থ, সক্তিহিন, নোঅৰা, unable, insufficient, impotent.

অখ্যাৰ, *s.* আখৰ, a letter of the alphabet, a type.

অখ্যাতি, *s.* কুজস, অমৰ্জতা, দুৰ্নাম, disrepute, dishonor.

অখ্যেমা, *a.* দাই দোস নেৰা, খেমা নকৰা, unforgiving, implacable.

অখ্যোহিনি, *s.* সৈন্যৰ সংখ্যা বিসেস, a complete army, consisting of 109,350 foot, 65,640 horse, 21,870 chariots, and 21,870 elephants.

অগতি, *a.* নিৰাসুই, নৰ্কি, destitute of a refuge, without remedy, lost to all hope of final happiness.

অগতিৰ গতি, *s.* অনাথৰ নাথ, helper of the helpless.

অগনন, অগন্য, *a.* অলেখা, গনিব নোঅৰা, বিস্তৰ, অসিমা, uncounted, incalculable, innumerable, countless.

অগম, *a.* নিচৈ নাইকিয়া, অসঞ্চাৰ, নেদেখা নুমুনা, without conception hint or suspicion.

অগম্য, *a.* জাব নোঅৰা, বুধিৰ অগোচৰ, impassable, impenetrable, impracticable, beyond conception.

অগম্যাগমন, *s.* জাব নলগালৈ জোআ, আপোনাৰ সমন্ধিয়া তিৰোতাক গমন কৰা, unlawful cohabitation, incest.

অগৰ বগৰ, *a.* ইফাল সিফাল, লৰ চৰ, ই সি বস্তু, this way and that way, wavering, unsettled, unsteady, this and that.

অগৰু, *s.* আগৰ কাঠ, এবিধ চন্দন, a species of sandal wood.

অগৰ্বি, *a.* গৰ্বি নোহোআ, নিৰহঙ্কাৰি, not proud, not arrogant.

অগৰ্হি, *a.* কুৰুপ, অসুবনি, ভাঁজ লগা, ill-formed, mis-shapen, ugly.

অগৰ্হিত, *a.* নিন্দাৰ বা ঘিনাৰ নোঅৰা, not despicable, irreproachable.

অগাধ, *a.* অতি গহিন, বৰ দ, বৰ গম্ভিৰ, আথাউনি, very deep, profound, fathomless.

অগা পিচা, *s.* আগ পাচ, first or last, sooner or later.

অগা বগা, *s.* আগচি ধৰা, বাট ভেঁটি ধৰা, বাধা জনমোআ, hindrance, obstruction, the act of hedging up a way.

অগিয়া বগিয়া, *s.* একেটা বনকে উটা পুটাকৈ দুটাই কৰা, emulation, rivalry, evasion, subterfuge.

অগুন, *a.* গুন নাইকিয়া, নিস্ফল, bad, useless, worthless.

অগুৰুআ *a.* গুৰু গোঁসাই নাইকিয়া, গোঁসাই নমনা, অনৰনিয়া, অভকতিয়া, not discipled, not obeying a priest, or the rules of the Hindoo religion.

অগুনকাৰি, *a.* উপকাৰ নমনা, অমলাগি, ungrateful, unthankful.

অগোচৰ, *a.* নে দেখা নুসুনা, সাখ্যাত নোহোআ, unseen, unheard of, not under the cognizance of the senses.

অগ্নি, *s.* জুই, অগনি, হুতাসন, বহ্নি, fire; any violent passion or emotion, as *kam ogni*, *prem ogni*, *krudh ogni*.

অগ্নি কনা, *s.* ফিৰিঙটি, জুই আঙনি, a spark of fire.

অগ্নিকলাই, *s.* বৰ খঙ, কলাই খাবৰ দৰে উঠা, চোকা, irascibility, quick tempered, hasty.

অগ্নিকাঁৰ, *s.* অগ্নিসৰ, অগ্নিবান, বজ্ৰ, a fiery dart, a thunderbolt.

অগ্নিকুণ্ড, *s.* হোমৰ জুইৰ গাঁত, জুইসাল, নৰক, a sacrificial pit, a fiery furnace, hell.

অগ্নিকোন *s.* পুবৰে দখিনৰে মাজৰ চুক বা দিস, the southeastern point of the compass.

অগ্নিজ্বাল, *s.* জুইৰ তাপ, the heat of fire.

অগ্নিমই, *a.* অগ্নিৰ নিচিনা, খঙাল, উগ্ৰ, like fire, fiery, high tempered, passionate.

অগ্নিসিখা, *s.* জুইৰ জিবা বা আগ, a flame, a tongue of fire, a blaze.

অগ্যাত, *a.* নজনা, নুবুজা, unknown.

অগ্যাতি, } অগিয়াতি, } *a.* নিজ বঙহ পৰিয়াল নোহোআ, destitute of relations, not related to.

অগ্যান, } অগিয়ান, } *s.* গ্যান হিন, নিৰ্বোধ, মুৰ্খ, নজনা, ignorant, want of knowledge.

অগ্যানি, } অগিয়ানি, } *a.* পৰ্হিব মুনিব ন জনা, নিৰ্বোধ, মুৰ্খ মানুহ, ignorant, unlearned.

অগ্র, *s.* আগ, পূর্ব, আগালি, মুৰ, the point, the top, head, front, peak or pinnacle, a preliminary; *a.* first, preliminary.

অগ্রগনি, *a.* প্রথম, আগ বনুআ, first in place, first in order of precedence whether in a good or bad sense; *s.* a leader.

অগ্রাহ্য, *a.* লব নলগিয়া, পতিয়াব নলগিয়া, unacceptable, unworthy to be received or believed.

অঘটন, *s.* নঘটা, নোহোআ কথা, নর্জা, the non occurrence of an event, the non accumulation of property; *a.* unusual, not happening.

অঘাইত, *a.* বৰ, অতিসই, মহা, দুষ্ট, ভয়ানক, very great, monstrous, enormous, frightful.

অঘিন, *s.* ঘিন নাই, বিকচিনা ন লগা, without antipathy or disgust, without abhorrence or aversion.

অঘোৰ, *a.* স্নিগ্দ, খঙ্গ ৰাগ নাইকিয়া, not gloomy, cheerful, lively.

অঘোৰি, } *s.* ঘৰ নাইকিয়া, জুগি জাতি বিসেস, without a house or
অঘৰি, } fixed habitation, a class of wandering mendicants.

অঘ্রান, *a.* ঘ্রান নোহোআ, গন্ধ নোলোআ, inodorous, destitute of smell.

অঙ্ক, *s.* সংখ্যা, গননা বিদ্যা, a numerical figure, the science of arithmetic.

অঙ্কিত, *a.* চিন দিয়া, আঁক দিয়া, marked, paged.

অঙ্কুৰ, *s.* গাজ, গজালি, ফুল আদিৰ কোঁহ, a sprout, a seed bud, a germ.

অঙ্কুস, *s.* গজাঙ্কুস, লাংচিং, আঁকুহি, an elephant goad, an iron hook used in driving elephants.

অঙ্গ, *s.* হাত ভৰি আদি সৰিলৰ ভাগ, a member of the body, a limb,a part.

অঙ্গ প্রত্যঙ্গ, *s.* হাত ভৰি আদি সৰু বৰ সৰিলৰ সকলো ভাগ, the body and its members, the whole body.

অঙ্গত্র, *a.* দৰিদ্র, একো নাইকিয়া, খিনোআ, ভাগি চিগি জোআ, having nothing, stripped of every thing, emaciated, dilapidated.

অঙ্গিকাৰ, *s.* প্রতিগ্যা, দিম বা কৰিম বুলি গাত লোআ, a promise, agreement, engagement.

অঙ্গিভঙ্গি, *s.* গা হাত ভেঙ্গুৰা কৰা, a distortion of the body.

অচত্র, *a.* চত্র নাই, ৰজা ভগা দেস, অৰাজ, without a royal umbrella, *i. e.* without a king or ruler.

অচন্দ্রাই, *s.* বায়ুৰ বেদনা, মুৰ ফুৰনি, ৰাই জাঁই, vertigo, giddiness.

অচম্বিত, *a.* অকস্মাত, আচৰিত, astonishing, surprising, sudden.

অচর্ধা, *s.* অস্রধা, অমান্য, আমনি, হেলা, incredulity, disregard.

অচল, *a.* লৰ চৰ নকৰা, ঠৰ, অলৰ, immovable, torpid, fixed.

অচলা, *a.* বহু সম্পত্তিৰে চহকি, ধনি, wealthy, rich, opulent, affluent.

অচাৰ সঁচাৰ, *s.* নাইকিয়া, নুমুনা নেদেখা, অহা জোআ নকৰা, not to be found, without trace or vestige.

অচিদ্র, *a.* চিদিৰ নাইকিয়া, নিবিন্ধা, নির্দসি, not pierced, faultless, irreproachable.

অচিন, *s.* চিন নোহোআ, আচহুআ ঠাই বা মানুহ, without sign or vestige, a strange place or person.

অচিনাকি, *s.* চিনাকি নোহোআ, a stranger.

অচিন্তন, *s.* চিন্তা ন কৰা, ন ভবা, carelessness, indifference, without reflection.

অচেতন, *a.* সাৰে ন থকা, বিচেষ্টা, তত গ্যান নাইকিয়া, unconscious, void of reflection, senseless, inanimate.

অচেদ অভেদ, *a.* ন কটা, প্রিথক নোহোআ, নেবা নেপেবা, undivided, incessant.

অচেষ্টা, *s.* পুৰুসার্থ বা কার্য্যৰ ন কৰা, হেলা, without exertion, inaction, trifling.

অজই, *a.* জিনিব নোআৰা, unconquerable, invincible.

অজগৰ, *s.* বৰ সাপ, a large serpent, (the boa constrictor.)

অজগৌ, *a.* একো ন জনা, অজলা, গোটগৰু, stupid, ignorant, *s.* a dunce.

অজতন, *a.* জতন নকৰা, কার্য্যৰ নাইকিয়া, without endeavor, at ease.

অজতনে. *ad.* অজতনে, সহজে, সুগমে, easily, with facility, without effort.

অজৰ অমৰ, *a.* ৰোগ বা মৰনৰ অধিন নোহোআ, চিৰজিবি, not subject to the infirmities of age or death, immortal.

অজলা, *a.* নির্ব্বোধ, নজনা, foolish.

অজাচিত, *a.* নোখোজা, নিবিচৰাকৈ পোআ, এনেই পোআ, obtained without asking, unrequested, unsought.

অজাত, *a.* নোপজা, জাত কুল নোহোআ, unproduced, unborn, having no caste.

অজাতবিয়া, *a.* জাত এবা, ভালৰ পৰা বেয়া হোআ, বেয়া, unlike the original, deteriorated, of bad origin, bad.

অজাত সত্রু, *s.* প্রধান সত্রু, নোহোআ নোপজা সত্রু, a chief enemy, an enemy that has no equal.

অজাতি, *a.* জাত কুল নাইকিয়া, ভিন জাতিয়া, without caste, belonging to another caste.

অজান, *a.* ভাল বেয়া নজনা, বিবেচনা ৰহিত, devoid of reason, irrational, unreasonable.

অজামিল, *s.* পূর্ব্ব কালৰ এটা দুর্জ্জন বামুনৰ নাম, দুষ্ট স্বভাৱৰ লোক, the name of an ancient notoriously wicked brahmin; applied also to persons notoriously wicked.

অজিগ্যাস, *s.* নোসোধা নোপোচা, আগ গুৰি নোচোআ, the doing of a thing regardless of consequences, a rash imprudent action.

অজিগ্যাসি, *a.* অবিবেচক মানুহ, not inquisitive, rash, imprudent.

অজিন পাতকি, } অজিনাহি, } *s.* দুর্জন মানুহ, অমিল, বিৰুধি, a quarrelsome litigious person; *a.* discordant.

অজির্ন, *s.* জির্ন নোজোআ, পেটৰ অজিন, not in tatters, indigestion.

অজুক্তি, *a.* অমিল, অজুগুত, অনুচিত, illogical, inconsistent improbable.

অজুত, *a.* দহ হেজাৰ, ten thousand.

অজোগ্য, *a.* অপাত্র, অনুচিত, নোঅৰা, unworthy, unfit, incompetent.

অজোত্র, *s.* সম্পতি হিন, অসমর্থ, বিভুতি নোহোআ, without subsistence, or competence.

অজোধ্যা, *s.* তির্থ থান, শ্রীৰাম থকা নগৰ, name of a sacred city.

অঞ্জলি, *s.* আঁজলি, দুই হাতে জোখা, হাত জোৰ, the hands joined together with the palms upward; as much as can be held with the hands so joined.

অটালিকা, *s.* পকি ঘৰ, ইটা বা সিলেৰে সজা, an edifice of brick or stone.

অটুট, *a.* আটুট, কম বেচ নোহোআ, মুৰে মুৰে হোআ, not deficient, full measure.

অঠিক, *a.* বিঠিক, অস্বৰূপ, অনিচই, not exact, uncertain.

অঠিক বিঠিক, *a.* ঠাক ঠিক নোহোআ, আচল, not in order, not exact, nothing in place, nothing in readiness.

অচলিয়া, *a.* এফলিয়া, একতিয়া, আওগৰিয়া, one sided, aslant.

অণ্ঠেকণ্ঠে, *s.* ডিঙ্গিৰ নেলিএ সৈতে, টেটুএ সৈতে, the whole inside of the mouth and throat.

অণ্ড, *s.* কনি, ডিমা, ডিম্ব, an egg.

অণ্ডকোস, *s.* মুস্ক, মানুহ আদিৰ কনি, a testicle.

অত, *pron.* ইমান, এইমান, এতেক, বহুত, so much, so many, so great.

অতক, *ad.* ইমান সৰহ, ততোধিক, বিস্তৰ, so many, so great, so much.

অতনা, *ad.* এতেক, ইমান, বিস্তৰ, বহু, so many, so much.

অতপা, *a.* বৰকৈ বৰ্হা, মুৰে বাট বুলা, obstreperous, audacious, impudent.

অতপালি, *s.* অবিচাৰ কৰম কৰোঁতা, ডেও পৰা, audacity, impudence, turbulence.

অতমান, *ad.* ইমান, ইয়াৰ সমান, অধিক বা অলপ, so much or so little.

অতৰ চেলাই, *a.* অটাঙ্গৰিয়া, খিনকটিয়া, হাৰে চালে লগা, নিচলা, wasted away, emaciated, thin, gaunt.

অতৰন, *s.* আতৰন, নিৰুপাই, পাৰ হব নোঅৰা, impassableness, without the means of getting through a difficulty, irremediableness.

অতল, *a.* তলি নোহোআ, অগাধ, পাতাল বিসেস, bottomless, in Hindoo cosmography the first of the infernal spheres or worlds.

অতাঙ্গৰিয়া, *a.* দুৰ্বলি, weak, feeble.

অতি, *ad.* অধিক, অতিসই, very, exceedingly.

অতি অলপ, *ad.* নিচেই তাকৰ, এচিকটা, very little, very few.

অতিকাই, *a.* থুলন্তৰ, সকত, ডাঙ্গৰ গা, large bodied, gigantic, huge.

অতিক্ৰম, *s.* অতিচাৰ, লংঘন, সিমা ভঙ্গা, আগ্যা নমনা, transgression, the passing a prescribed boundary, disobedience.

অতিকৈ, *ad.* অধিককৈ, বৰ্হীকৈ, সৰহকৈ, greatly, exceedingly, excessively.

অতিত, *a.* জোআ, হৈ জোআ, past, gone, by-gone.

অতিথি, *s.* আলহি, প্ৰবাসি, অথিতি, a guest, a stranger.

অতিথি সেৱা, *s.* আলহি সোধা, hospitality.

অতিসই, *a.* সৰহকৈ, বৰকৈ, বহুলকৈ, much, excessive; *ad.* exceedingly.

অতিসাৰ, *s.* গুহনি, বৰকৈ পেট চলা, dysentery, violent purging.

অতুল্য, *a.* তুলনা কৰিব নোঅৰা, অনুপম, unequalled, unsurpassed.

অত্যন্ত, *ad.* অতিসই, বৰকৈ, very, excessive, much.

অত্যাচাৰ, *s.* অন্যাই, অনুবি, দুৰ্জনালি, violence, oppression, lawlessness.

অত্যাচাৰি, *a.* অন্যাই অনুবি কৰোঁতা, oppressive, overbearing, dissolute.

অত্যুত্তম, *a.* অতি উত্তম, ভালতকৈ ভাল, very good, excellent.

অত্ৰ, *ad.* ইয়াত, এই ঠাইত here, in this place.

অত্ৰিপ্তি, *a.* ত্ৰিপিতি নোহোআ, হেপাহ নপলোআ, unsatisfied.

অথচ, *conj.* আৰু, অধিকন্তু, পাচত, হেঁ থৈ, also, and, moreover.

অথন, *ad.* অথোন, কিচু বেলিলৈ, এতিয়া, now, a short time.

অথনি, *ad.* অলপৰ আগেয়ে, a little before, previous.

অথনিকৈ, *ad.* কিচু পলমকৈ, a little afterwards, bye and bye.

অথন্তৰ, *s.* আপদ বিপদ, দুখ, কস্ট, লৈলৈ থৈথৈ, calamity, distress.

অথবা, *ad.* নতুবা, নাইবা, কিম্বা, otherwise, or, else.

অথৰ, *a.* থিৰ নাই, বিচেস্টা, কঁপি থকা, unsteady, tremulous.

অথৰ্ব্ব, *s.* চাৰি বেদৰ সেস খনৰ নাম, the last of the four Veds.

অথালি পথালি, *a.* দিঘে পুত্তলে, length and breadth.

অথিতি, *s.* থিতি নাইকিয়া, আলহি, প্ৰবাসি, without a fixed abode, a stranger, a guest.

অথিৰ, *a.* চঞ্চল, লৰচৰ, unsteady, giddy, volatile.

অথিৰ অবিৰ, *a.* থান থিত নাইকিয়া, জোজা নোহোআ, disarranged, not in order.

অদই, *a.* অভুদই; নুটুকুআ, বিস্তৰ, দন্য ন পৰা, unfailing, inexhaustible.

অদতা, *a.* অবিবাহিতা, নিদিয়া, not given in marriage, ungiven.

অদমন, *s.* অবস, অধিনত নথকা, সাসন বা বস নকৰা, the not subduing an enemy, not subjecting taming or restraining; *a.* unsubdued.

অদৰিসন, } *s.* নেদেখা, লুকাই থকা, disappearance; *a.* hidden, out
অদৰ্সন, } of sight.

অদাচিত, *ad.* অৱস্যে, নিসংসয়ে, certainly, doubtless, of course.

অদানি, *a.* দান নকৰা, দানসিল নোহোআ, not benevolent, not liberal.

অদিতি, *s.* ইন্দ্ৰ আদি দস দিগপাল দেৱতাৰ মাতাৰ নাম, the mother of the inferior gods.

অদ্য, *ad.* আজি, আজিৰ দিন, to day.

অদ্যাপি, *ad.* আজিলৈকে, আজিও, এতিয়ালৈকে, to this day, as yet, still.

অদ্যাবধি, *ad.* আজিৰে পৰা, এতিয়াৰে পৰা, from to-day.

অদ্রিষ্ট, *a.* নেদেখা, কঁপাল, ভাগ্য, unseen; *s.* fate, destiny.

অদ্রিস্য, *a.* নেদেখা, লুপ্ত, গুপুত, invisible.

অদ্বিতিয়, *a.* দুতিয় নহই, প্ৰধান, অনুপম, একেটা, without a second, unrivaled, having no equal.

অদ্ভূত, *a.* আচৰিত, আগে পাচে নোহোআ, supernatural, marvelous.

অধঃ, *ad.* তল, অধোভাগ, নাম, beneath, below, down.

অধঃ পতন, *s.* তললৈ পৰা, নৰকে গমন, a falling, falling into hell.

অধম, *a.* নিচ, পাসণ্ড, খেৰেচ, পাপিষ্ট, vile, base, mean, wicked.

অধৰ, *s.* তলৰ ওঁঠ, the lower lip.

অধৰম, *s.* পাপ, অন্যাই, দোস, wickedness, irreligion, sin.

অধৰমি, *a.* অধৰ্মি, পাপিষ্ট, দুৰাচাৰি, wicked, ungodly, sinful.

অধম্য, *a.* নিচেই বেয়া, খেৰেচ, very vile, low, contemptible.

অধিক, *a.* সৰহ, বিস্তৰ, বহুত, more, abundant, much.

অধিক্কৈ, *ad.* সৰহকৈ, বৰ্হাকৈ, বহুলকৈ, abundantly, plentifully.

অধিকন্তু, *conj.* বিসেসত, তথাপি, অথচ, moreover, in addition to.

অধিকাৰ, s. অধিপতি, গৰাকি, গিৰিএক, প্ৰভু, lord, owner, possessor.

অধিকাৰি, *s.* গৰাকি, সত্ৰৰ অধিকাৰি, a proprietor, the head of a Hindoo religious establishment.

অধিকাৰিনি, *s.* গৰাকিনি, গিৰিহঁতনি, wife of the above.

অধিদেৱতা, s. ইষ্ট দেৱতা, a guardian deity.

অধিদৈৱত, s. খুদ্রু দেৱতা, ইন্দ্র আদি দস দিগপাল দেৱতা, an inferior deity, a demi-god.

অধিন, a. বস হোআ, আগ্যা মনা, তল হোআ, subject to, dependent.

অধিপতি, s. প্রভু, মহা ৰজা, ছত্রি, গৰাকি, Lord, sovereign, king, owner.

অধিবাস, s. সুভ কৰমৰ আগেয়ে কৰা ক্রিয়া, a preliminary ceremony on festive occasions.

অধিৰাজ, s. ৰাজাধিৰাজ, Lord of the world, King of kings.

অধুনা, ad. এতিয়া, ৰর্তমান সময়ত, এই প্রস্তাৱত, at present, now, lately.

অধোগতি, s. তললৈ জোআ, নৰকলৈ জোআ, descent, the going to hell.

অধোগামি, a. তললৈ জোআ, descending, sinking.

অধোদ্রিস্টি, s. তললৈ চোআ, a downcast look, a looking down.

অধোভাগ, s. তলৰ ভাগ, the lower part.

অধোমুখ, a. তল মুৰ, লাজুক, downcast, of sad countenance, bashful.

অধৌত, a. নোধোআ, অসুচি, unwashed, unclean.

অধৈর্জ্য, s. নসহা, ইন্দ্রিয়ক দমন নকৰা, impatience, not restraining one's self.

অধ্যয়ন, s. পর্হা, পাঠ আওৰোআ, reading, repeating a lesson, study.

অধ্যাপক, s. সিখাক, ওঝা, পর্হোআ পণ্ডিত, a teacher, an instructor.

অধ্যায়, s. আধ্যা, ভাগ, কাণ্ড, a chapter, division, section.

অন্ন, s. ভাত, অন, আহাৰ, boiled rice, food in general.

অনঙ্গ, a. অঙ্গহিন, কাম দেও, without body; *kam deu*, the Indian Cupid.

অনন্ত, a. অন্ত নাই, অসেস, সর্বতিকাল থকা, নিত্য, অনন্ত নামে সর্প, eternal, endless; s. the name of a fabulous serpent with a thousand heads on which the world is supposed to rest.

অনন্ত কাল, s. এবেও, সদাকাল, eternal ages, eternity.

অনন্তৰ, ad. ইয়াৰ পাচে, পাচত, অনুক্রমে, afterwards, succeeding.

অনপৰাধি, a. দুসি নোহোআ, নিৰপৰাধি, not guilty, faultless.

অনৱৰত, a. সদাই, খতিখন নোহোআকৈ, incessant, perpetual, constant

অনর্গল, a. সৰসৰিয়া, খঁকজা নলগা, খোঁচৰ নোখোআ, fluent, glib, ready of speech.

অনর্থক, a. অকাৰন, বেথা, বিয়র্থ, বিফল, to no purpose, fruitless, in vain.

অনল, s. জুই, অগ্নি, বহ্নি, fire.

অনা, part. লগত লৈ অহা, চৰতিয়া, brought; s. one anna.

অনাআভুআ, ad. বুজবাজ নোপোআ, ঠিকঠাক নজনা, নেদেখা, not fully informed, doing any thing ignorantly or at venture.

অনাচাৰ, *s.* বেয়া আচাৰ, ৰিতি আচাৰ এৰা, improper conduct, not according to rule.

অনাচাৰি, *a.* ৰিতি আচাৰ নমনা, দুৰাচাৰি, lawless, contrary to usage.

অনাথ, *a.* ৰখিয়া নোহোআ, নিৰাস্রই, unprotected, orphan, helpless.

অনাথকৈ, *ad.* নিৰাস্রইকৈ, উদঙ্গিয়াকৈ, helplessly, forlornly.

অনাদৰ, *s.* আদৰ ন কৰা, অৱহেলা, অস্রধা, disrespect, inattention, incivility, impoliteness, irreverence.

অনাদি, *a.* আদি নাইকিয়া, without beginning, from eternity.

অনাদি পাতন, *s.* জগতৰ সৃজন, পৃথিৰ নাম, the creation of the universe; a Hindoo shaster that treats of the creation.

অনা নিয়া, *s.* নিএ আনে, the act of taking away and bringing back.

অনাবৃিষ্টি, *s.* বৰখুন নোহোআ, খৰ টনা, a drought, want of rain.

অনায়ক, *a.* স্বামিহিন, অধিকাৰ নাইকিয়া, without an owner master or leader, unclaimed.

অনায়াস, *s.* পৰিস্রম নোহোআ, ease, facility, readiness.

অনায়াসে, *ad.* সহজে, এনেই, দুখ নকৰাকৈ, সুগমে, easily, with facility, without difficulty.

অনাৰি, *a.* বেয়া হোআ, নস্ট কৰা, injured, damaged, destroyed.

অনাৱস্যক, *s* আৱস্যক নোহোআ, অকাৰন, unnecessary, needless.

অনাহাৰ, *s.* আহাৰ নোখোআ, ব্রত, লঘোন, abstinence from food, fasting.

অনাহাৰি, *a.* লঘোনিয়া, উপবাসি, abstaining from food.

অনিচই, *a.* ঠিকনা নাই, অঠাৱৰ, uncertain, doubtful, unsettled.

অনিচা, *s.* ইচা নাই, মন নোজোআ, অৰুচি, disrelish, aversion, reluctance.

অনিতি, *s.* নিতিৰ দৰে ন হই, অবিহিত, immorality, injustice.

অনিত্য, *a.* সদাই নথকা, খন্তেকিয়া, অসাৰ, temporary, transitory, unsubstantial.

অনিন্দিত, *a.* নিন্দিত নোহোআ, not despised, not censured.

অনিন্দিয়, *a.* নিন্দা কৰিবৰ জোগ্য নোহোআ, not despicable, not censurable, irreproachable.

অনিদ্রিত, *a.* জাগৰিত, সাৰে থকা, wakeful, watchful, sleepless.

অনিয়ম, *a.* নিয়ম নাই, বিদস্তৰ, বিধিমতে নোহোআ, irregular, without rule or order.

অনিয়মিত, *a.* নিয়মিত নোহোআ, থিৰ নকৰা, not regulated, not determined, indefinite.

অনিৰ্বচনিয়, *a.* কবৰ সাধ্য নাইকিয়া, কৈ এঁটাব নোৱৰা, unspeakable, unutterable, indescribable.

অনির্বন্ধ, *a.* অনিয়ম, নির্বন্ধ নকৰা, ঠাক ঠিক নকৰা, without order, unsettled, unregulated.

অনির্ভই, *s.* সাহস, ভই নাইকিয়া, boldness, courage, fearlessness.

অনিস্ট, *a* অবাঞ্চিত, অমঙ্গলিয়া, অপকাৰ, undesired, ominous, evil.

অনিস্টকাৰি, *a.* অপকাৰি, হানি কৰোঁতা, occasioning evil to another.

অনু, *prefix.* উপসর্গ বিসেস, used only in composition, it usually conveys the idea of following, agreeing, according to.

অনুকুল, *a.* সহাই, সাৰথি, coinciding, acting in concert with, assisting.

অনুক্রম, *s.* ক্রম, ইটোৰ পৰা সিটোলৈ, succession, order, a series.

অনুক্রমে, *ad.* ক্রমে ক্রমে, orderly, successively.

অনুখ্যন, *ad.* সর্বদাই, ওবেও কালে, সঘনে, perpetually, continually.

অনুগত, *a.* পাচত জোআ, অহা জোআ কৰা, gone after another.

অনুগমন, } *s.* পাচে পাচে জোআ, সতি জোআ, a following after, the
অনুগামি, } act of a woman burning herself on the funeral pile of her husband, a follower, a *Suttee.*

অনুগ্রহ, *s.* প্রসন্ন, ক্রিপা, দায়া, mercy, grace, favour.

অনুচৰ, *s.* আলধৰা, লগুআ, an attendant, a page.

অনুচিত, *a.* কৰিব ন লগা, অযোগ্য, improper, unfit, unsuitable.

অনুতাপ, *s.* সোক, বিসাদ, repentance, regret, remorse.

অনুপকাৰি, *a.* উপকাৰি নোহোআ, সহাই নোহোআ, unprofitable, not helpful.

অনুপম, *a.* অতুল্য, অতি উত্তম, বিত্তোপম, unequalled, unsurpassed, incomparable.

অনুপান, *s.* ঔসধৰ লগত খোআ দ্রব্য, a substance in which medicine is taken.

অনুভও, *s.* অনুমান, প্রমান লোআ, ভুল বুজা, an inference, experimental knowledge.

অনুমত, } *a.* উম্মত, বিভ্রত, বলিয়া, মত্তোবাল, deranged, intoxicated,
অনুমতালি, } beside one's self.

অনুমতি, *s.* সম্মতি, আদেস, আজ্ঞা, consent, permission, direction.

অনুমান, *s.* জুক্তিৰ দোআৰাই নিচই কৰা, মনে ধৰা কথা, an inference, a hypothesis, a supposition, a guess.

অনুমানিক, *a.* মনেৰে জনা, পঙ্গা, ভৰা কথা, probable, inferable, supposable.

অনুৰূপ, *a.* সদ্রিস্য, তুল্য, নিচিনা, নিয়মিয়া, resembling, corresponding, similar, a little less, inferior.

অনুসন্ধান, *s.* বিচৰা, বুজ বিচাৰ, ভুলোআ, বুজ বাজ, search, investigation, enquiry, scrutiny.

অনুসাৰে, *ad.* নিচিনাকৈ, ভাৱে, according to, like.

অনুস্বাৰ, *s.* নাকৰ পৰা উচাৰিত বিন্দু, the nasal character (ং).

অনেক, *a.* বিস্তৰ, বহু, সৰহ, many, much, abundant.

অনোআ, *a.* লোকৰ দোআৰাই অনা, brought, causing to be brought.

অন্ত, *s.* মৰন, সেস, ওৰ পৰা, an end, a limit, death.

অন্তঃকৰন, *s.* মন, অন্তৰ, চিত, বিদই, the heart, mind, the inner part.

অন্তঃপুৰ, *s.* ভিতৰ ঘৰ, ভিতৰ খোঁটালি, a zenana, an inner apartment.

অন্তক, *a.* নাসক, মাৰোঁতা, জম ৰজা, deadly, mortal; *s.* Jom, the fabulous king of death.

অন্তকাল, *s.* সেস কাল, মৰন কাল, the end, the time of death.

অন্তৰ, *s.* মন, আঁতৰ, দুৰ, নিলগ, বেলেগ, the mind; *a.* distant, different, unlike.

অন্তৰত, *ad.* আঁতৰত, সেসত, মুৰত, পাচলৈ, subsequently, afterwards.

অন্তৰা অন্তৰি, *a.* আঁতৰা আঁতৰি, প্ৰিথক, নিলগ হোআ, mutually separated, disunited.

অন্তৰিখ্য, *s.* আকাস, গগন, the sky, the firmament.

অন্তৰিপ, *s.* সাগৰলৈ সোমাই জোআ কিলাকুটিয়া মাটি, a headland, a cape.

অন্তৰ্জামি, *a.* মন জানোঁতা, knowing the heart.

অন্তৰ্ধান, *s.* অদৰ্সন, হৰলুক হোআ, a disappearance, a vanishing.

অন্তৰ্হিত, *a.* লুকুআ, নেদেখাকৈ থকা, হৰলুক, disappeared, vanished.

অন্তি, *s.* উন্তি, কানৰ অলঙ্কাৰ, an ear-ornament.

অন্তিম, *a.* সেস, last, ulterior.

অন্ত্যেষ্টি ক্ৰিয়া, *s.* দাহ দহা কাজ আদি মৰাৰ কৰম, প্ৰেতক্ৰিয়া, funeral obsequies, offerings to the manes of deceased ancestors.

অন্ধ, } *a.* কনা, অন্ধলা, দ্ৰিষ্টিহিন, blind, sightless.
অন্ধক, }

অন্ধকাৰ, *s.* এন্ধাৰ, পহৰ নাইকিয়া, darkness, gloom; *a.* dark.

অন্ধকুপ, *s* একো নেদেখা ঘোঁপ ঠাই, এন্ধাৰ দ গাঁত, a dark deep well or pit.

অন্ধলা, *a.* অন্ধক, ধেন্দেলা, কনা, blind.

অন্ধি সন্ধি, *s.* উপাই, বুধি, বাট, চল, চিদ্ৰ, a means, way or chance of doing a thing, a crevice, a flaw in one's conduct.

অন্ন, *s.* আহাৰ, ভাত আদি খোআ দ্ৰব্য, boiled rice, food in general.

অন্নজল, *s.* জিবিকাৰ উপাই, subsistence, maintenance, a living.

অন্নপূর্ণা, *s.* অন্ন দিয়ঁতি গোঁসানিৰ নাম, a godess, the Hindoo Ceres.
অন্ন প্ৰাসন, *s.* কেঁচুআ লৰাক প্ৰথমে ভাত খুউআ, a Hindoo ceremony on giving a child boiled rice for the first time.
অন্য, *pron.* আন, পৰ, ভিন, বেলেগ, another, different, other.
অন্যথা, *s.* ভিন ভাও, বিৰোধ, বেলেগ, the contrary, the reverse.
অন্যাই, *s.* ন্যাই নোহোআ, অধৰম, অবিচাৰ, injustice, wrong.
অপ, *prefix.* উপসৰ্গ, অন্যথা বা বেয়া, contrary to, to take from, bad.
অপকৰ্ম, *s.* কুকৰম, দুষ্কৰম, a mean action, improper conduct.
অপকাৰ, *s.* হানি, বেয়া কৰা, হিংসা, injury, detriment, loss.
অপকাৰি, *a.* হানি কৰোঁতা, অনিষ্টকাৰি, injurious, detrimental.
অপথ্য, *a.* বিৰোধ, অপথ্য, ৰোগ বৃদ্ধি কৰা বস্তু, inimical, hostile, hurtful, producing disease.
অপঘাত, *s.* হনন কৰা, অকস্মাত মৰন, murder a tragical or sudden death.
অপজস, *s.* কুজস, দুৰ্নাম, disgrace, dishonor, infamy.
অপথ, *s.* আওবাট, অবাট, কুপথ, a wrong road, an evil course.
অপ দেৱতা, *s.* ভুত পিসাচ প্ৰেত আদি, an apparition, a ghost, hobgoblin.
অপবাদ, *s.* মিচাকৈ দোস দিয়া, অখ্যাতি, কলঙ্ক, a false accusation, libel.
অপবাদি, } *s.* বাদ দিওঁতা, a false accuser, a defamer.
অপবাদক, }
অপবিত্ৰ, *a.* অসুচি, অসুধ, impure, unclean, unholy.
অপব্যয়, *s.* অকাৰনে খৰচ কৰা, ধন বস্তু উৰুউআ, prodigality, wastefulness, profuse expenditure.
অপমান, *s.* অমৰ্জ্জতা, নিন্দা, গালি, dishonor, indignity, insult, abuse.
অপমৃত্যু, *s.* অকাল মৰন, an untimely death.
অপৰাধ, *s.* দগৰ, দোস, দণ্ড জোগ্য কৰম, a fault, guilt, sin.
অপৰাধি, *a.* দুসি, দগৰিয়া, পাপি, guilty, criminal, faulty, sinful.
অপৰিচই, *s.* অচিনাকি, নিচিনা মনুষ্য, a stranger; *a.* unacquainted.
অপৰিমিত, *a.* অসংখ্য, লেখ জোখ নাইকিয়া, বহুত, unlimited, measureless, immoderate, excessive.
অপৰিস্কাৰ, *s.* নিকা নোহোআ, অনিৰ্মল, not clear, not transparent, unclean, vague.
অপৰূপ, *a.* বিচখন, অদ্ভুত ৰূপ, preternatural, strange, distorted.
অপঢ়্আ, *a.* নপঢ়া, অপণ্ডিত, চহা, unlearned, ignorant.
অপহৰন, *s.* চলকৈ নিয়া, লোকৰ বস্তু নিয়া, a plundering, a purloining.
অপাই, *s.* আপদ, অমঙ্গল, a hindrance, a misfortune, a calamity, an accident, an evil.

অপাঠক, *a.* পাঠ কৰিব নোঅৱা, অজ্ঞানি, unable to read, ignorant.
অপাত্ৰ, *a.* অজোগ্য, অকামিলা, unfit for, unworthy of, incapable.
অপাৰ, *a.* পাৰ নাইকিয়া, অসিমা, shoreless, boundless.
অপাৰ্গত, *a.* পাৰ্গত বা নিপুন নোহোৱা, unskilled, incompetent.
অপাৰ্থক, *a.* একো কাম কৰিব নোঅৱা, সক্তিহিন, incapacitated, enfeebled, weak.
অপালক, *a.* পোহ পাল ন কৰা, আগ্যা ন মনা, not cherishing, not maintaining, disobedient.
অপি, *conj.* আৰু, আৰুও, পুনৰপি, and, also, moreover.
অপুত্ৰক, অপুত্ৰকা, } *a.* পুত্ৰ নাইকিয়া, without offspring, childless.
অপুজনিয়, *a.* পুজনিয় নোহোৱা, মান্য কৰিব ন লগা, not worthy of reverence or respect.
অপুৰ্ন, *a.* অসম্পুৰ্ন, আদখনিয়া, not full, incomplete, unaccomplished, unfulfilled.
অপুৰ্ব, *a.* আগেয়ে নজনা, নুসুনা, পুৰ্বে নোহোৱা, অতি উত্তম, unheard of, unprecedented, excellent, uncommon, remarkable.
অপেখ্যা, *s.* বাট চোৱা, বৈ থকা, আসা, expectation, waiting for, hope.
অপেস্বৰা, *s.* অপেস্বৰি, স্বৰ্গ বেস্যা, স্বৰ্গৰ নাচনি, উপদেবি, a female demi-god; the fabled dancers and courtezans of heaven.
অপ্ৰকাস, *a.* প্ৰকাস নোহোৱা, নে দেখা, গুপুত, লুকুআ, অফুট, unpublished, secret, unrevealed, hidden.
অপ্ৰমাদ, *s.* নিৰ্বিঘ্নি, সুকুসল, আপদ আদি নোহোৱা, well-being, safety.
অপ্ৰমান, *s.* প্ৰমান বা চিনচাব নোহোৱা, without proof, of doubtful authority.
অপ্ৰমানিক, অপ্ৰমান্য, } *a.* সাখি বাদি নোহোৱা, অস্বৰুপ, without proof, untrue, improbable.
অপ্ৰয়াস, *s.* দুখ সুম বিনা, এনেই, সুচল, without effort, ease; *ad.* easily.
অপ্ৰয়োজন, *s.* আৱস্যক নোহোৱা, নলগা, without necessity; *a.* unnecessary.
অপ্ৰানি, *a.* নিৰ্জিব, অচেতন, without life, inanimate.
অপ্ৰিতি, *s.* প্ৰিতি নাইকিয়া, চেনেহ নোহোৱা, want of love.
অপ্ৰিয়, *a.* মৰম বেথা নাইকিয়া, ভাল নোপোৱা, unamiable, not beloved.
অপ্ৰৌচিক, *a.* গুপুত, প্ৰকাস নোহোৱা, unrevealed, not made known.
অফলা অফলি, *ad.* আচৰা আচৰি, থেকেচা থেকেচি, dashing to and fro, throwing this way and that.
অফুট, *a.* অপ্ৰকাস, গুপুত, without trace, knowledge, or intimation.

অবগ্যা, s অৱহেলা, অনাদৰ, disregard, contempt, despite
অবচন, s. দুৰ্বাক্য, অমান্য কথা, কুবচন, scurrilous or profane language.
অবস, s. অধিন নোহোআ, নদমা, ভল নোহোআ, not under control. unsubjugated, insubordinate.
অবস্তু, a. বেয়া বস্তু, অসাৰ, অনৰ্থক, worthless, unsubstantial, unreal,
অবাক, a. নিমাত, বোবা, নিৰুত্তৰ, mute, speechless, unable to reply.
অবাচ্য, s. বেয়া মাত, অভব্য মাত, কুবচন, obscene language, obscenity.
অবাট, a. বাট নোহোআ, আওবাট, বিপথ, pathless, a wrong way, an evil course of conduct.
অবাধ্য, a. বাধ্য নুসুনা, হাক বচন নমনা, দগা, stubborn, disobedient.
অবাৰ, a. অকাৰন, এনেই, মুদাই, নাহক, causeless, to no purpose.
অবালচন্দ, a. বন বাৰি কৰিব নজনা, অকামিলা, incompetent, having no skill at work, worthless, useless.
অবিকল, s. দুখ কেলেস নাইকিয়া, the absence of trouble or evil.
অবিচাৰ, s. অন্যাই, ভালকৈ বিচাৰ নকৰা, injustice, wrong.
অবিচেদ, s. চেদ ভেদ নোহোআ, নেৰা নেপেৰা, খণ্ডিখন নোহোআ, union, connection of parts, continuity.
অবিদিত, a. ন জনা, প্ৰকাস নোহোআ, unknown, invisible.
অবিধি, a. বিধি বা সাস্ত্ৰৰ বিপৰিত, বেআইনি, unlawful, illegal.
অবিনাস, s. নষ্ট নোহোআ, অমৰন, imperishableness, indestructibility.
অবিনাসি, a. অমৰ, অখ্যই, আউতি জুগিয়া, indestructible, imperishable.
অবিবাহিত s. বিয়া নোহোআ পুৰুস, আবিঐ, an unmarried man, a bachelor.
অবিবাহিতা, s. বিয়া ন কৰোআ চোআলি, আবিঐ তিৰোতা, a maid, a spinster, a virgin.
অবিবেচক, a. বিবেচনা ন কৰা, inconsiderate, thoughtless, careless.
অবিবেচনা, s. বিবেচনা ন কৰা, বুজি বাজি নোচোআ, want of consideration, discrimination or investigation.
অবিলম্বে, ad. সিঘ্ৰে, লগতিলেই, অদাচিতে, quickly, without delay.
অবিসেস, a. অভেদ, সাধাৰন, like, similar; s. similarity, resemblance.
অবিস্ৰাম, s. আজৰি নাইকিয়া, নিজিৰোআ, without cessation or rest.
অবিস্বাস, s. বিস্বাস নাই, অসঙ্কাত, ন পতিওআ, unbelief, incredulity, distrust.
অবিস্বাসি, a. অসঙ্কাতি, সত্যক নমনা, incredulous, unbelieving, unfaithful.
অবিহন, s. অবৰ্তমান, ন থকা, নোহোআ, absence, non-existence.
অবুজ, a. বুজ বিচাৰ ন কৰা, অবোধ, stupid, inconsiderate; s. stupidity.
অবেয়াল, a. অসম্মত, কথা নু সুনা, অভাৰি, unwilling, dogged, obstinate.
অবোধ, a. নিৰ্বোধ, অজলা, dull, foolish, stupid, ignorant.

অব্যক্ত, *a.* অপ্রকাস, অদ্রিস্য, latent, invisible, imperceptible.

অব্যবহাৰ, *a.* চলাচল ন কৰা, out of use, obsolete.

অব্যয়, *a.* ব্যই নোহোআ নুটুকুউআ, undiminishable, undeclinable.

অব্যর্থ, *a.* সাঁফল, গুন ধৰা, সিধি হোআ, efficacious, effectual, infallible.

অবিত্তি, *a.* ব্রিত্তি বা জিবিকাৰ উপাই হিন, without occupation or means of living.

অভই, *s.* ভই নাইকিয়া, the absence of fear; *a.* secure, fearless.

অভংকথা, *s.* নিলাজ মাত, অবাচ্য কথা, filthy obscene conversation.

অভকতিয়া, *a.* অসৰনিয়া, গুৰু গোঁসাইক ন মনা, not discipled.

অভক্ত, } *a.* ভক্তিহিন, অভকতিয়া, ইস্বৰক প্রেম ভক্তি ন কৰা, not
অভকত, } devoted to, destitute of piety, irreligious.

অভখ্য, *a.* খাব নোপোআ, not eaten; *s.* forbidden food.

অভগন, *a.* ন ভগা নিচিগা, খৰচ নোহোআ, সদাই থকা, unbroken, whole, entire, unexpended, perpetual.

অভদ্র, *a.* বেয়া, কুচিত, সামান্য, evil, bad, common, of low rank.

অভাও, *s.* নাটনি, অকুলন, নোহোআ, lack, destitution, want, deficiency, failure.

অভাগ্য, *s.* দুর্দসা, দুর্বাসনা, দুৰ্কঁপাল, ill-fortune, adversity.

অভাজন, *a.* অকামিলা, অপাত্র, অজোগ্য, unfit, unworthy.

অভিচাৰ, *s.* হাৰা কৰম, মন্ত্র আদিৰ দ্বাৰাই প্রান মৰা, an incantation to injure or destroy.

অভিচাৰি, *s.* হাৰা কৰম কৰোঁতা, কুকৰমি, হাৰামি, a person who destroys by incantation.

অভিধান, *s.* সব্দৰ অর্থ ভেদ কৰা পুথি, সব্দৰ সংগ্রহ, অমৰ, a treasury of words and their meanings, a dictionary.

অভিন, *a.* বেলেগ নোহোআ, একে, not separated, alike.

অভিপ্রাই, *s.* আসই, মনৰ ইচা, তাতপর্জ্য, scope, design, object, intention; the moral of a fable.

অভিমান, *s.* আপোনাক বৰ বুলি মনা, অহঙ্কাৰ, বিৰকতি, pride, self-esteem, the sullen resentment of an affront.

অভিৰুচি, *s.* হাবিয়াহ, মনৰ ইচা, inclination, earnest desire, taste, relish.

অভিলাস, *s.* ইচা, হেপাহ, কামনা, মন জোআ, a wish, desire, lust.

অভিলাসি, *a.* ইচা কৰোঁতা, desirous, covetous, sensual.

অভিসিক্ত, } *s.* সান্তি কৰা, প্রধান কামত নিজোজন কৰা, ৰজা পতা,
অভিসেক, } the induction into a kingly or priestly office; installation.

অভিস্ট, *a.* অভিৰুচি, মন জোআ, বাঞ্ছিত, wished for, desired.

অভেদ, *a.* বেলেগ নোহোআ, একে, alike, *s.* oneness, similarity, identity.
অভ্যন্তৰ, *a.* আন্তৰিক, মাজ, ভিতৰ, inward, internal, within.
অভ্যাগত, *s.* আলহি, অথিতি, a guest, a visitor.
অভ্যাস, *s.* সদাই আচৰন কৰা, সহজ, আখৰা, habit, custom, practice, study.
অভ্যাসি, *a.* অভ্যাস কৰি থাকোঁতা, studious, practicing.
অভ্যদই, *s.* বৰ্হা, অধিক হোৱা, বাহুল্য, abundance, prosperity, plenty.
অমঙ্গল, *s.* দুৰ্দসা, আপদ, অসুভ, disaster, calamity, an evil omen.
অমঙ্গলিয়া, *a.* আপদিয়া, অমঙ্গল জনক, hurtful, injurious, calamitous.
অময়া, *a.* মায়া হিন, সত্য, পৰম, free from illusion, real, perfect.
অময়াপুৰি, *s.* সুখৰ স্থান, স্বৰ্গ, a place of true happiness, heaven.
অময়া সুখ, *s.* অতি সুখ, পৰম সুখ, true happiness.
অমৰ, *a.* কেতিয়াও ন মৰা, চিৰজিবি, অভিধান বিসেস, undying, immortal, permanent; *s.* the name of a dictionary.
অমৰন, *s.* সদাই জিয়াই থকা, অনন্ত পৰম আয়ুস, নমৰা, নুচুকুআ, immortality, eternal life; *a.* eternal, unending.
অমৰা, *s.* একিধ টেঙ্গা গচ, the name of a tree and its fruit.
অমৰাৱতি, *s.* ইন্দ্ৰপুৰি, ইন্দ্ৰৰ নগৰ, the residence of Indra.
অমৰ্জতা, } *s.* মান্যহিন, লঘু কৰা, disrespect, incivility, dishonor.
অমৰ্জাত, }
অমৰ্জতালি, *s.* অনাদৰ, অসম্ভ্ৰম, disrespect; *a.* dishonorable, mean.
অমা, *s.* জোনৰ সোল ভাগৰ একভাগ, চন্দ্ৰ কলাৰ নাম, edge of the new moon.
অমাত, *a.* অবাক, মাতিব নোৱৰা, silent, speechless.
অমান, *s.* অমৰ্জতা, মান আদৰ ন কৰা, dishonor, want of respect.
অমান্য, *a.* মান পাবৰ অজোগ্য, not worthy of respect or regard.
অমানুহ, *s.* নিচ মানুহ, নিন্দা বিকৰ্থনাৰ মাত, not human; a term of abuse.
অমাস্থি, *s.* অসম্মত, সৈমান নোহোআ, not consenting to, dissentient.
অমাবাস্যা, *s.* আওঁসি, জোন মৰা তিথি, day of the new moon, change of the moon.
অমাৰি, *s.* একিধ গচৰ নাম, a species of tree.
অমিয়া, *s.* অমৃত, সুস্বাদ, nectar, the water of life.
অমিল, *a.* মিল নোহোআ, বিৰুধা বিৰুধি, discordant, at variance, differing.
অমিলন, *s.* মিল নোহোআ, নিমিলা, নোপোআ, disagreement, disunion, discord, the not obtaining.
অমুক, *s.* আমুকা, নাম প্ৰকাস ন কৰি নিচই ৰূপে কোআ, such a thing, such an one, a certain one.
অমুৰি, *s.* উপদ্ৰৱ, দুষ্টালি, উদ্ভণ্ডালি, violence, wickedness, mischief.

অমুৰ্খ, *a.* জ্ঞানি, not stupid, wise.

অমুল, } *a.* মুল সিপা নাইকিয়া, অকাৰন, মিচা, destitute of root or
অমুলক, } origin, without foundation, groundless, false.

অমুল্য, *a.* দৰ নাইকিয়া, বহু মুল্য, অতি উত্তম, priceless, invaluable, excellent.

অমোচন, *s.* নখওা, নুগুচা, non-liberation, non-removal.

অম্ৰিত, *s.* দেৱতাৰ আহাৰ, পঞ্চাম্ৰিত, অতি সোআদ বা উত্তম, nectar, food of the gods, the five sweets, viz. honey, sugar, milk, curds and ghee; any thing supremely excellent.

অম্ৰিতা, *s.* এবিধ গচ আৰু তাৰ গুটিৰ নাম, name of a tree and its fruit.

অম্ৰিতি, *s.* পান পাত্ৰ, লোটা বিসেস, an oblong drinking vessel.

অম্বিকা, *s.* গোঁসানি, দুৰ্গাৰ এক নাম, one of the names of Doorga.

অম্বুবাচি, *s.* সাঠ লগা, হিন্দু মতে আহাৰ মাহৰ সাদিন জোআত, প্ৰিথিৱি চুআ বা অসুচি হই, the three days in the month of *Ahar* believed by the Hindoos to be unclean.

অয়ন, *s.* গতি, সুৰ্জৰ উত্তৰ আৰু দখিন গতি, motion, the sun's course north or south of the equator.

অৰখ্যক, *a.* উদঙ্গিয়া, গৰাকি ন থকা, without a keeper or master.

অৰখ্যিত, *a.* ন ৰখা, উদঙ্গ, not preserved, not kept or restrained.

অৰন্য, *s.* হাবি, কাঠনি জাৰনি, a forest, a wilderness, a thicket.

অৰা, *a.* আৰি থোআ, ওলোমাই ৰখা, suspended, hanged; *s.* the act of suspending or hanging.

অৰাজক, *a.* ৰজা নাইকিয়া, অচত্ৰ, without a king or ruler; *s.* an interregnum.

অৰাজ্য, } *a.* প্ৰজা নাইকিয়া ঠাই, নৰসুন্য, অৰন্য, নিজান, without inhab-
অৰাজ, } itants, without subjects, a desolate place.

অৰি, *s.* সত্ৰু, বৈৰি, an enemy.

অৰিয়া অৰি, *s.* বাগি হাঙ্গি ধৰা, বিৱদা বিৱদি, emulation, rivalry.

অৰিহনা, *s.* দখিনা, দান, religious offerings.

অৰিতিয়া, *a.* অনাচাৰি, ৰিতি নমনা, not conformed to rule or custom.

অৰুচি, *s.* অনিচা, ভাল নোপোআ, ঘিন, disrelish, disgust, aversion.

অৰুন, *s.* সুৰ্জ্যৰ সাৰথি, সুৰ্জ, ৰঙ্গা বৰন, the dawn, the sun, Aurora, the sun's charioteer; *a.* the red or purple color of the dawn.

অৰুনোদই, *s.* প্ৰাতহ, পুৱে ৰেনু দিয়া সমই, নিচেই পুআ, the dawn.

অৰুন্ধতি, *s.* তৰা বিসেস, বসিষ্ঠ নামে মুনিৰ ভাৰ্জ্যাৰ নাম, the name of a star; in mythology the wife of Bohistho muni who is said to have been turned into a star.

অৰোগি, *a.* নিৰুগি, স্বস্থ সৰিল, not diseased, healthy.
অৰ্ঘ, *s.* পুজাৰ উপচাৰ, আসা এৱা, the act of presenting an oblation.
অৰ্ঘা, *s.* পুজাৰ পাত্ৰ বিসেস, a sacrificial vessel.
অৰ্চন, } *a.* অৰ্চা, পুজা, সেৱা, আৰাধনা, respect, honor, worship.
অৰ্চনা, }
অৰ্জা, *s.* আৰ্জন, ঘটন, পৰিস্ৰমৰ লাভ, earnings, gain; *a.* acquired.
অৰ্জাকোৰ্জা, *s.* ঘটনপিটন, স্ৰমৰ লাভ, obtained by one's own labour.
অৰ্জুন, *s.* পাণ্ডু ৰজাৰ এক পুত্ৰ, এবিধ গচ, name of one of the sons of Pandoo, famous in the story of the Mahabharat; name of a tree.
অৰ্থ, *s.* ধন বস্তু, বোধ, অভিপ্ৰাই, কাৰন, wealth, meaning, purport.
অৰ্থনা, *s.* প্ৰাৰ্থনা, নিবেদন, জাঘা কৰা, a prayer, a petition, a request.
অৰ্থহিন, *a.* কঙ্গাল, নিধনি, poor, needy, destitute.
অৰ্থবাদ, *s.* অৰ্থ বিচাৰ, অৰ্থ কৰা, the investigation of a meaning.
অৰ্থবান, *a.* ধনি, চহকি, rich, wealthy.
অৰ্থাত, *ad.* বিসেসত, বাস্তৱত, namely, that is to say.
অৰ্থান্তৰ, *s.* অন্য অৰ্থ, another meaning.
অৰ্থি, *a.* ধনি, প্ৰাৰ্থনাকাৰি, মগনিয়াৰ, rich; *s.* a petitioner, a beggar.
অৰ্থে, *ad.* কাৰনে, নিমিত্তে, হেতুকে, about, for the sake of.
অৰ্ধ, *a.* আধা, আধখিনি, সমানে, এফাল, half, a moiety.
অৰ্ধচন্দ্ৰ, *s.* জোনৰ আধখিনি, a half moon, a crescent.
অৰ্ধ ৰাত্ৰি, *s.* দুপৰ ৰাতি, মাজনিসা, midnight, half the night.
অৰ্ধাঙ্গ, *s.* আধা সৰিল, ভাৰ্য্যা, half of the body, a wife.
অৰ্ধেক, *a.* আধেক, এফাল, আদুটি, half, the half of any thing.
অৰ্পন, *s.* সোধাই দিয়া, গতাই দিয়া, সমৰ্পন কৰা, উচৰ্গ কৰা, the act of making over, surrendering, or dedicating an oblation.
অৰ্পনা, } *s.* দিয়া, আৰপি থোআ, given, dedicated.
অৰ্পা, }
অৰ্পিত, *a.* অৰ্পন কৰা, সোধোআ, idem.
অৰ্ব্বুদ, *a.* দহ কোটি, a hundred million.
অৰ্স, *s.* ৰোগ বিসেস, the hemorrhoids or piles.
অৰ্হ, *affix.* জোগ্য, উপজুক্ত, implying liability, subjection.
অৰ্হৰ মাহ, *s.* মিৰি মাহ, a kind of pulse.
অলখ্য, *a.* অলেখ, বিস্তৰ, অনেক, innumerable, countless, many, much.
অলগৰ্ধ, *a.* অকামিলা, মুৰ্খ, একো ন জনা, এলেহুআ, stupid, lazy, good for nothing.
অলঙ্কাৰ, *s.* আভৰন, খাৰু মনি আদি ভুসন, a jewel, an ornament.

অলঙ্কৃত, *a.* ভুসিত, অলঙ্কাৰ পিন্ধি থকা, সজোআ পৰোআ, adorned, ornamented, decorated.

অলপ, *a.* তাকৰ, কিচু এফেৰিমান, a few, a little, a small quantity.

অলপ অচৰপ, *a.* তাকৰ তুকৰ, অলপিয়া, a very few, a very little.

অলপতে, *ad.* সোন কালে, কিচু পলমে, soon, shortly, in a little while.

অলপ ধতুআ, *a.* অলপ সাহেৰে, ভয়াতুৰ, timid, fearful.

অলপাই, } *a.* অলপ বয়সত মৰা, সাও দিয়া মাত, short lived, a term
অল্পায়ুস, } of abuse.

অলপিয়া, *a.* এফেৰিমান, তাকৰিয়া, few, a little.

অলম, *ad.* আলম, আসুই, সহাই, under the protection of, by the assistance of.

অলৰ, *a.* অচল, লৰচৰ নোহোআ, থিৰ, fixed, stable, unchangeable.

অলাভ, *a.* লাভ নাইকিয়া, অকাৰন, ব্ৰেথা, unprofitable, useless, in vain.

অলিয়া বলিয়া, *a.* থৰকাচুটি এৰা, অথিৰ অবিৰ, বিচেষ্টা, crazy, delirious, out of one's wits, beside one's self.

অলেখ, *a.* অসংখ্যক, বিস্তৰ, অনেক অনেক, innumerable, very many.

অলৈ তলৈ, *ad.* ইফাললৈ সিফাললৈ, this way and that way, to and fro.

অলৌকিক, *ad.* চলাচল নোহোআ, অচলিত, unpopular, not current, not according to common usage.

অলৌ ভলৌ, *a.* অথিৰ, অঠাৰৰ, বিহৰ, going this way and that way, confused.

অৱতাৰ, *s.* ৰূপ ধৰা, আকাৰ ধৰা, an incarnation, assuming a form.

অৱতীৰ্ন, *a.* অৱতাৰ হোআ, ওলোআ, incarnate, descended as a deity to assume an earthly form.

অৱধান, *s.* মন দিয়া, কান পতা, সুনা, attention, care, regard.

অৱসৰ, *s.* জিৰনি, আজৰি, বিস্ৰাম, rest, leisure, opportunity, spare time.

অৱসান, *s.* অন্ত, ওৰ পৰা, সমাপ্তি, extinction, end, decline.

অৱসিষ্ট, *a.* অৱসেস, খাই এৰা, বাকি থকা, left, remaining.

অৱসেস, *s.* বাহি থকা, আগলিকা, a residue, remainder, remnant, surplus.

অৱসেসে, *ad.* পাচে, মুৰকত, finally, at last, last of all.

অৱস্য, *a.* নিচয়, স্বৰূপ, ঠিক কথা, certain; *ad.* certainly, to be sure.

অৱস্থা, *s.* দসা, গতি, বিতৈ, condition, situation, state, plight.

অৱহেলা, *s.* হেলা কৰা, উলাই কৰা, অমান্য কৰা, disregard of authority, contempt, disrespect.

অষ্টম, *a.* আঠ, the eighth.

অষ্টমি, *s.* চন্দ্ৰৰ অষ্টম দিন, তিথি বিসেস, the eighth of a lunar day.

অষ্টাকষ্টা, *a.* ধৰকাচুটি, চেষ্টা মেষ্টা, reduced to the last extremity.

অষ্টাঙ্গ, *s.* সৰিলৰ আঠ অঙ্গ, the eight principal members of the body on which the Hindoos make religious marks, viz. the two hands, the eyes, the breast, the forehead, the throat and the middle of the back.

অষ্টাঙ্গ প্ৰনাম, *s.* দণ্ডৱত কৰা, দিঘল দি পৰা, prostration, touching the ground with eight parts of the man, viz. the hands, feet, thighs, breast, eyes, head, words and mind.

অস, *interj.* দুখ পোআ মাত, খেদ কৰা, হাই হাই, an exclamation of distress, sorrow or regret.

অসংখ্য, } *a.* অলেখ, অগনন, বিস্তৰ, unnumbered, innumerable,
অসংখ্যা, } many.

অসক্তি, *s.* দুৰ্বল, অসমৰ্থ, weakness, want of power; *a.* powerless, weak.

অসঙ্গত, *a.* সঙ্গত নোহোআ, অমিল, অসম্ভৱ, inconsistent, incongruous.

অসচিয়া, *a.* অসুচি হোআ, অসৌচ লগা, unclean, impure.

অসত, *a.* সত নোহোআ, বেয়া, বিসম, bad, mean, evil.

অসক্ষাৰ, *s.* নথকা, নেদেখা, দুৰ্লভ, নাইকিয়া, without trace or intimation.

অসপ্ৰাত, *s.* অবিস্বাস, সপ্ৰাত ন কৰা, unbelief, incredulity, distrust.

অসপ্ৰাতি, *a.* অবিস্বাসি, বিস্বাসঘাতকি, incredulous, unbelieving, faithless, treacherous.

অসতি, *a.* দুষ্টালি, বেস্যালি তিৰি, not virtuous, unchaste; *s.* a licentious woman.

অসত্য, *a.* মিছা, অস্বৰূপ, untrue, false, feigned.

অসত্যবাদি, *s.* মিছলিয়া, সঁচা নোকোআ, a liar; *a.* untruthful.

অসন্তুষ্ট, *a.* বিতুষ্ট, বেজাৰ, displeased, dissatisfied.

অসন্তুসিয়া, *a.* দুখিয়া, দুখিত. sad, sorrowful, displeased.

অসন্তোস, *s.* সোক, বেজাৰ, বিসাদ, sorrow, sadness, grief, displeasure.

অসভ্য, *a.* সভাৰ জোগ্য নোহোআ, অসিষ্ট, বনৰিয়া, আবৰি, wild, barbarous, savage, uncivilized.

অসম্পুৰ্ন, *a.* কম হোআ, সিদ্ধি নোহোআ, incomplete, unfulfilled.

অসম্ভৱ, *a.* হব নোৱাৰা, অতি আচৰিত, অসাধ্য, improbable, inconsistent. unreasonable, strange, odd, uncommon, extraordinary.

অসম্ভ্ৰম, *s.* অমৰ্জাত, মান্য ন কৰা, a neglect, an affront, an indignity.

অসম্মত, *a.* অমান্তি, অটেৰাল, reluctant, averse, unconsenting.

অসম্মান, *s.* অমান্য, অমৰ্জাত, সম্ভ্ৰম ন কৰা, a dishonor, an indignity, an affront, incivility.

অসৰনিয়া, *a.* সৰন নোহোৱা, গুৰু গোসাইক নমনা, অভকতিআ, without a priest or religious teacher, undiscipled.

অসলাগ, *s.* গুন নোহোৱা, উপকাৰ ন মনা; ingratitude, unthankfulness.

অসলাগি, *a.* সলাগ নোহোআ, উপকাৰ ন মনা, ungrateful, unthankful.

অসহন, *s.* নসহা, বেজাৰ লগা, impatience, non-endurance.

অসহনিয়, *a.* সহিব নোৱৰা, ধৌর্জ ন কৰা, unendurable, unbearable.

অসাখ্যাত, *a.* নে দেখা, অগোচৰ, নিলগ, not present, behind one's back.

অসাদৰ, *s.* অনাদৰ, প্রিতি ন থকা, disregard, disesteem.

অসাধু, *a.* অধর্মি, দুর্জন, পাপি, unrighteous, immoral, bad.

অসাধ্য, *a.* নোৱৰা, দুষ্কৰ, দুসাধ্য, impossible, impracticable.

অসান্তি, *s.* অসুখ, আশাঁতি, অথিৰ, unhappiness, discomfort, restlessness.

অসাৰ, *a.* সাৰ নাইকিয়া, নিস্ফল, unsubstantial, worthless.

অসার্থক, *a* নিস্ফল, অনর্থক, ব্যর্থ, fruitless, in vain, ineffectual.

অসাৱধান, *a.* মন নিদিয়া, তত্তৈ ন থকা, সাস্টম নোহোআ, not vigilant, careless, unwary.

অসিধ, *a.* সিধি নোহোআ, অসম্পুর্ন, অপ্রমানিক, unaccomplished, uncompleted, unsubstantiated.

অসম, } *a.* অতুল্য, সমান নোহোআ, আচাম দেস, unequaled, unparal-
অচম, } leled; *s.* the country of Assam.

অসময়, *s.* অকাল, আবতৰ, out of season; *a.* untimely, inopportune.

অসমন্ধ, *s.* সমন্ধ ন লগা, সম্পর্ক ন থকা, the want of connection, or agreement; want of relation to; without fitness or propriety.

অসমর্থ, } *a.* সক্তিহিন, অপার্গত, অজোগ্য, incompetent, unable, incapable.
অসমৰ্থ }

অসমান, *a.* অসম, খলা বমা, uneven, undulating.

অসমিয়া, } *a.* আচাম দেসিয়া, belonging to Assam, Assamese.
অচমিয়া, }

অসিম, } *a.* অসেস, অপাৰ, অপৰিমিত, unbounded, unlimited, endless.
অসিমা, }

অসিস্ট, *a.* অভদ্র, আচাৰ ন জনা, impolite, unpolished, vulgar, rude.

অসুখ, *s.* দুখ, কেলেস, suffering, affliction, distress.

অসুখিয়া, *a.* অসন্তুসিয়া, সুগিয়া, unhappy, sad, uncomfortable.

অসুচি, *a.* অপবিত্র, চুআ, মলিন, ceremonially impure, unclean.

অসুধ, *a.* ভুল থকা, ভাঁজ দিয়া, কপট থকা, incorrect, inaccurate, alloyed, insincere.

অসুভ, *a.* অমঙ্গলিয়া, বিসম, unpropitious, bad, evil.

অসুয়া, *s.* খিয়াল, হিংসা, পৰৰ সুখ দেখিব নোঅৰা, malice, hate, envy.

অসুৰ, *s.* দৈত্য দানৱ, a fabulous race of demons or evil spirits; *fig.* a very wicked person.

অসুৱনি, *a.* দেখিবলৈ বেয়া, অসোভা, আলাগি, ugly, ill-favored, unsightly,

অসোক, *s.* এবিধ ফুল, সোক ন কৰা, a species of flower, free from grief.

অসোভন, *s.* অসৌন্দৰ্য্য, দেখিবলৈ বেয়া, the want of elegance or beauty.

অসোভা, *a.* সোভা নোহোআ, অসুৱনি, দেখিবলৈ বেয়া, ill-favored, ugly, inelegant, uncomely.

অসোৱাদ, *a.* সোআদ নাইকিয়া, সেৰেকা, tasteless, insipid.

অসৌচ, *s.* ওপজা আৰু মৰাৰ চুআ, the ceremonial uncleanness of birth and death.

অসৌচিয়া, *a.* অসুচি হোআ, চুআ লগা, unclean, impure, (ceremonially.)

অস্ত, *s.* মাৰ জোআ, বহা, the setting, of the heavenly, bodies.

অস্তগিৰি, অস্তাচল, } *s.* সুৰ্য্য মাৰ জোআ পৰ্বত, the fabled western mountains behind which the sun sets.

অস্ত্ৰ, *s.* দা, কটাৰি আদি কটা চিঙ্গা অস্ত্ৰ, a weapon, an edge tool, a missile, arms.

অস্ত্ৰ সস্ত্ৰ, *s.* জুধৰ আঁহিলা, arms, weapons of war, armor offensive and defensive.

অস্ত্ৰাঘাত, *s.* অস্ত্ৰৰ কোব, the blow of a weapon.

অস্থায়ি, *a.* অনিত্য, অলপ দিনিয়া, transitory, temporary, fleeting.

অস্থি, *s.* হাৰ, a bone.

অস্থিৰ, *a.* অথিৰ, চঞ্চল, লৰচৰ, unstable, wavering, unsettled.

অস্ৰধা, *s.* অচৰ্ধা, অমান্য, হেলা, distrust, disregard, the treating any thing with contempt as incredible.

অস্ৰু, *s.* চকুৰ পানি, চকুৰ লো, লোতক, a tear.

অস্ৰুত, *a.* নুনুনা, নাস্ৰুত নাভুত, unheard of.

অস্ৰুপাত, *s.* চকুৰ লো ওলোআ, চকুৰ পানি বোআ, shedding tears, weeping.

অস্ব, *s.* ঘোঁৰা, a horse.

অস্বত্থ, *s.* আহঁত গচ, a species of tree; the *Ahant.*

অস্বমেধ, *s.* ঘোৰা বলি দিয়া জগ্য, the offering of a horse in sacrifice.

অস্বিনি, *s.* ঘুঁৰি, সাতাইচ নখ্যত্ৰৰ প্ৰথম নখ্যত্ৰ, a mare; in Hindoo mythology the first of the twenty seven stellar mansions.

অস্বিনি কুমাৰ, *s.* দেৱতাৰ বেজ, দেৱতা বিসেস, the fabulous physicians of heaven; twin gods said to be begotten of *Hurjyo* the sun, and his wife *Honjoya* in the shape of a mare.

অহ, *interj.* অস, দুখ বেজাৰৰ মাত, an exclamation of pain or displeasure.

অহঙ্কাৰ, *s.* গৰ্ব, আপোনাকে আপুনি বৰ বুলি মনা, pride, self esteem, egotism, self-conceit.

অহঙ্কাৰি, *a.* গৰ্ব্বি, মইমতালি, গঁফাল, দৰ্পি proud, haughty, scornful, disdainful, self conceited.

অহম, *s.* জাতি বিসেস, আঠ ঘৰিয়া আহোমৰ বঙ্গহ, the Assamese race.

অহৰ্নিস, *ad.* সদাই, খতিখন নাইকিয়া, continually, day and night, without cessation.

অহা, *s.* আহি থকা, coming, approach.

অহা জোআ, *s.* গমনা গমন, coming and going.

অহি, *s.* সৰ্প, সাপ, a serpent, a snake.

অহিংসক, *a.* অপকাৰ ন কৰোঁতা, হিংসা ন কৰা, not injurious, harmless, inoffensive.

অহিংসা, *s.* নিৰপকাৰ, harmlessness.

অহিত, *a.* বিৰোধ, সত্ৰু ভাও, against, inimical, opposed to.

অহিফেন, *s.* সাপৰ ফেন, আফিঙ্গ, opium, the poppy, said to have sprung from the venom that fell from Maha-Deu's serpents.

অহিফেনা, *s.* সাপৰ ফেঁট, the hood of a serpent.

অহোপুৰুসাৰ্থ, *ad.* অতি জতনেৰে, বৰ সুমেৰে, very zealously, by every means.

অহোৰাত্ৰ, *ad.* দিন ৰাতি, দিনে ৰাতিএ, by day and by night.

অহোহোআ, *a.* ভোলোঙ্গা, নিয়ম দস্তুৰ নাইকিয়া, simple, foolish, shallow in intellect, aimless, haphazard.

## আ

আ ব্যঞ্জন বৰ্নত গোট খালে আকাৰ এই ৰূপে লিখে, (া) the proper sound of this vowel is that of *a* in *father*, but it is often shortened and has the sound of *a* in *America*, especially when unaccented, as in the word আটাই, *all.* It never has the broad sound of *a* in *hall*, so common in Bengali. When joined to a consonant it is expressed by the symbol, (া) placed on the right hand. As a prefix, it is equivalent to *even to, up to.*

আই, *s.* মাত্ৰি, মাক, চেনেহৰ মাত, গুটি ওলোআ বা বসন্ত ৰোগ, mother, a term of affection, the small pox.

আইঐ, *interj.* দুখৰ মাত; অকস্মাত ভই পাই চিঁয়ৰা, an exclamation of suffering or of sudden alarm.

আইকুঁৱৰি, *s.* ৰজাৰ ঘৈনি, মাদৈ, কুঁৱৰি, ৰাজমাও, a queen, a king's consort.

আইচ দেউতা, *s.* আহোম ডাঙ্গৰিয়াৰ তিৰোতা, address of any respectable woman among the Ahoms.

আইটি, *s.* জিয়েকক মৰমেৰে মাত, a term of affection used in addressing daughters.

আইদেও, *s.* ৰজাৰ জি, বৰ লোকৰ জিয়াৰি, চেনেহ দেখুআ মাত, a term used in addressing the daughters of the king, also the daughters of all respectable people, affectionate address.

আইদেউতা, *s.* ভদ্ৰ লোকৰ তিৰোতা, আইচু, a respectable woman.

আউটি, *s.* টাঙ্গনি, চুৰ, একদিস, a part, a particular quarter or side.

আউনি পান, *s.* হাবিত থকা এবিধ পান, the wild pan.

আউল, *s.* লেটপেট, জোঁট, জেঙ্গ, গাঁঠ নো লোআ, জঞ্জাল, a snarl, a tangle, an involvement in difficulty.

আউল আপচু, *a.* নেউচা কেউচা, নিন্দা কৰা মাত, a term of abuse.

আউল বাউল, *s.* সান মিহলি, জোঁট পোট, বেমেজালি, a medley, confusion, disorder.

আউলি জাউলি, *a.* দুখ বেজাৰত চুলি আদি মেলি ধোৰ্জ্যা এৰা, reeling to and fro with hair disheveled as in distress, or when half asleep.

আউলি বাউলি, *a.* কানি কাপৰ এৰি বলকি ফুৰা, ধোৰ্জ্যা এৰা, wandering about in a distracted manner, insane.

আউলিয়া, *a.* আউল বাউল হোআ, snarled, tangled, confused.

আউলুআ, *s.* আউল কৰা, গাঁঠ হেকআ, the act of snarling or tangling; *a.* confused, tangled.

আও, *prefix.* বেয়া, নিচ, ওভোতা, পাচ, বাঁও, আচৰিত মাত, evil, base, bad, contrary to, the left; *interj.* an exclamation of surprise.

আওকচু, *s.* বনৰিয়া কচু, বিজাতৰিয়া, a species of wild yam, an evil disposed person, base born.

আওজা, *s.* আওহা, পিঠিৰে ভৰ দি থকা, ভেঁজা দি থকা, the act of leaning against any thing.

আওটা, *s.* ধাতু জোল কৰা, পগোআ, the melting or refining of metals.

আওকঠিয়া, *s.* বেয়া গঁচ, বেয়া জাত, bad seed, base origin.

আওকথা, *s.* বেয়া কথা, ওভোতা কথা, evil communication, contradiction.

আওকথিয়া, *a.* অন্যাই বা অসঙ্গত কথা কওঁতা, contradictory or unreasonable in speech, disagreeing, adverse.

আওকনিয়া, *a.* মন নি দিয়া, কান সৰালি মৰা, আওহেলা কৰা, turning away the ear, heedless, inattentive.

আওকাঠ, *s.* বেয়া কাঠ, সাৰ ন থকা কাঠ, wood of an inferior quality, soft sappy wood.

আওকান, *s.* সুনিও নুসুনা ভাও ধৰা, অমনোজোগ, অসুধা, the turning a deaf ear, turning away from what is spoken, pretending not to hear.

আওকাল, *s.* বেয়া কাল, সাবট, an unpropitious time, an embrace; *a.* ill-omened, inauspicious.

আওখটিয়া, *a.* গৰিয়া গৰু, নিচালি কৰা, obstinate, stubborn, refusing to work, dogged.

আওখলা, *s.* ধোআ পখলা, the washing and rinsing of any thing.

আওগৰিয়া, *a.* এঢলিয়া, এফলিয়া, হলনিয়া, not level, aslant, lopsided.

আওঘটনা, *s.* দুঘটনা, ন হব লগা হোআ, misfortune, mishap.

আওটনি, *s.* চুআ পাতনি, জাবৰ জোথৰ পেলোআ ঠাই, গেৰেকনি, a place where filth and refuse are thrown.

আওটা ওলগা, *s.* নৰিয়া পৰিয়াত আল ধৰা, আল পৈচান ধৰা, the act of ministering in sickness.

আওঠি, *s.* কাপৰৰ দাঁতি, the selvedge of cloth.

আওডলা, *s.* পানি লবোআ, পানিত কাপৰাদি জোকাৰি ধোআ the act of paddling, rinsing or moving any thing to and fro in water.

আওডুবি, *s.* দহ দ পানি, কুই, a deep place in the channel of a river.

আওঢলিয়া, *a.* হলনিয়া অবেৰিয়া, একানপতিয়া, not perpendicular, aslant.

আওনা আউনি, *s.* অনিয়া অনি, বাদ বিবাদ, বগিয়া বগি, contention, strife, emulation, rivalry.

আওফাল, *s.* বাঁওফাল, the left side, the wrong side.

আওফাল মৰা, *s.* আফাল মৰা, ঠেলা মৰা, a side blow, a slap, a shove.

আওবৰ, } *s.* আহোম ৰজাই সিঙ্গৰি ঘৰ পাট ঘৰত উঠিবলৈ জাঁওতে
আয়ুবৰ, } ৰাটত ৰোআ স্বৰ্নবট, a species of tree in great repute among the Ahoms.

আওবৰিয়া, *a.* অসুভ বা বেয়া বৰিয়া, অঢলিয়া, pertaining to an unlucky day, aslant.

আওবাট, *s.* কুবাট, কুৰিতি, a wrong way, an evil course of conduct.

আওবাৰ, *s.* বেয়াবাৰ, কুদিন, a prohibited or unlucky day.

আওভাও, *s.* উআদিহ, ঢ়ুজ, ভাও ভঙ্গি, the manner or method of doing any thing, gesticulation.

আওমৰন, *s.* বৰ দুখ পাই মৰা, নিৰাসুই হৈ মৰা, an unnatural or very painful death.

আওৰাই, *v.* অভ্যাস কৰা, মনত ৰবলৈ ঘনে ঘনে পৰ্হা, to practice, to learn, to commit to memory.

আওৰোআ, *s.* মনত থাকিবলৈ শিকা, মুখত অহোআ, সৰ্মৰিয়া কৰা, the act of practicing or of committing to memory; *a.* committed to memory, practiced, learned.

আওলা, *s.* পানি পাচ, ঘৰৰ পানিপাচৰ খুঁটাৰ পৰা বাহিৰ ডোখৰ চাল, the lower portion of a roof, the eaves of a house.

আওহতিয়া, *a.* বাঁওহতিয়া, লেবেৰাহতিয়া, এমুৰিয়া, left handed, out of the way, at one side.

আওহা, *s.* আঁওজা, the act of leaning against.

আওহাত, *s.* বাঁওহাত, লেবেৰাহাত, the left side, the left hand.

আওহেলা, *s.* অৱহেলা, আওকান, অশ্রদ্ধা, contempt, disregard of authority, neglect.

আওহোআ, *s.* আঁওজাই থোআ, আওহাই, the act of placing one thing against another in a leaning position.

আঁউজি, *v.* আঁওহি, পিঠিৰে ভৰদি, to lean against, to lean or rest on.

আঁওকলিয়া, *a.* দুই হাতৰ বেৰে পোআ, a measure of size, as much as can be clasped by both arms.

আঁওচ, *s.* হাল বোআত আঁচ দি বৰ্হোআ মাটি, a piece of land surrounded by a furrow for ploughing.

আঁওচা, *s.* খাই মুখ ধোআ, the act of washing the mouth; *a.* washed.

আঁওজা, *s.* আওহা, পিঠিৰে ভৰদি থকা, ভেজাদি থকা, leaning against.

আঁওৰ পাঁওৰ, *s.* পেট পকোআ, নাৰি লুটিয়ালুটি কৰা, griping pain, colic.

আঁওসি, } *s.* অমাবস্যা, জোন মৰা তিথি, the disappearance or last
আওহি, } change of the moon.

আঁ কৰা, *s.* বেত মেলি থকা, মুখ মেলা, the act of opening the mouth.

আঁক, *s.* আঁচ, চিন, ৰেখা, চিৰদিয়া, ফাট লোআ, অঙ্ক, a mark, point, line, crack, a numerical figure.

আঁকনি বাৰি, *s.* আঁকটনা বাৰি, an instrument for marking lines.

আঁকবাঁক, *a.* অঁকাবঁকা, নানা বৰনিয়া, striped, variegated, spotted.

আঁকমচা, *s.* বাট মৰা, নোজোআ নেমেলা, বৰ সক্রু, the breaking off of friendly intercourse, an enemy.

আঁকৰা, *a.* অঁকৰা, মাত ফুটাই কৰ নোআৰা, having an impediment in the speech, tongue tied.

আঁকলা, *s.* চিনিব বুজিব পৰা, the act of perceiving or understanding; *a.* perceived, understood.

আঁকলুআ, *a.* খাবলৈ লবলৈ নোপোআ, বস্তু বৰ হাঁপাহ কৰা, not plentiful, scarce, hankering after, greedy.

আঁকি, *v.* আঁক দি, চিন দি, চিৰদি, to rule, to mark, to stripe.

আঁকুহি, *s.* হাঁকুটি, আগ ঘোৰ খোআ বাৰি, a hooked instrument used to seize and draw with.

আঁকোৰ বাঁকোৰ, } *a.* কেঁকোৰা বেঁকোৰা, বেঁকা বেঁকি, crooked, curved,
আঁকোৰা, } bent, turned.

আঁকোৰ্গোজা, *a.* একখিয়া, ন কৰিলে নেথোঁতা, of one word, obstinate, self-willed, head-strong, determined.

আঁকোৱাল, *s.* দুই হাতৰ বেৰ, সাবট মৰা, a double armful, as much as can be clasped by both arms; with মাৰি to embrace, to clasp.

আঁচ, *s.* ৰেখা, আঁক, ফাট মেলা. a mark, a point, a line, a crack.

আঁচল, *s.* কাপৰৰ আগ, ৰিহাৰ আগ ফুল, the end or flowered border of a cloth.

আঁচলা, *s.* এতৰপিয়া এৰিয়াৰ কাপৰ, an *Eria* cloth worn single.

আঁচু, *s.* ৰঙনিয়া সুতা, colored thread.

আঁচুঅলি, *s.* আগত ফুল দিয়া কাপৰ, a cloth with a flowered border.

আঁচুওআ, *s.* মুখ ধুওআ, আচমন কৰা, causing the mouth to be rinsed.

আঁচুকৰি, } *s.* দাৰু হৰিদ্ৰা, আঁচু বোলোআ গচ, a tree the root of
আঁচুকাঠ, } which is used in coloring yellow.

আঁচুৰি, *v.* নখেৰে আঁচোৰা, মুৰ ফনিওআ, to scratch, to comb.

আচুৰি পিচুৰি, *v.* নখেৰে অথালি পথালিকৈ আঁচোৰা, to scratch, to lacerate, to use every means to obtain a livelihood.

আঁচোৰ, *s.* চিন, নখৰ ঘা, a mark, a scratch.

আঁচোৰা, *s.* মুৰ ফনিওআ, আঁচুৰি পেলোআ, the act of combing the hair, scratching.

আঁজলি, *s.* অঞ্জলি, দুই হাতৰ জোখ, a double handful.

আঁজোৰ, *s.* চোঁতকৈ টানি অনা, a short sudden pull, a twitch.

আঁজোৰ পিঁজোৰ, *s.* টনাটনি, আজোৰা আঁজুৰি, pulling back and forth, scuffling, scrambling to obtain.

আঁজোৰা, *a.* চোঁতকৈ বলদি একৰাই অনা, কৰিবলৈ আচল, সুৰলা নহই, jerked, twitched, pulled suddenly, intricate, difficult.

আটাল, *s.* ওপৰ চাঙ্গ, an upper floor, a platform, a scaffolding.

আঁঠা, *s.* এঁঠা, কৰাল, লাগি ধৰা বস্তু, gum, any sticky substance.

অাঁঠিয়া, *s.* সৰহ গুটিএৰে এবিধ কল, a species of plantain having seeds.

অাঁঠু, *s.* জানু, কলা ফুলৰ ওপৰ গাঁঠি, the knee; constructed with কাহি or পাৰি, to kneel.

অাঁঠুঅনিয়া, অাঁঠুমুৰিয়া, } *a.* অাঁঠুৰ সমান, এৰুঁঠু, knee deep, reaching to the knee.

অাঁঠুআ, *s.* মহে খাব নোঅৰা আবৰন, মচৰি, a musquito curtain.

অাঁঠু কৰ্হা, *s.* হাতে আঠুৰে জোআ, আঠু পাৰি বহা, the going about on the hands and knees, creeping, kneeling.

অাঁঠুচাঙ্গাই, *v.* ৰজাৰ আগেদি জোআত অাঁঠু চপৰাই মান কৰা, to repeatedly touch the ground with the knees when entering the presence of the king.

অাঁঠু জোঙ্গ, *s.* অাঁঠু মাটিলৈ জোৰ কৰা, touching the ground with joined knees as a token of respect.

অাঁঠু মুৰ, *s.* অাঁঠুৰ ঘিলা, the knee pan.

অাঁঠু লোআ, *s.* অাঁঠু পৰা, অাঁঠু কৰ্হা, the act of kneeling.

অাঁত, *s.* পেটৰ নাৰি, ওঁত, সুতাৰ মুৰ, the entrails, the end of a thread.

অাঁতকৰালি, *a.* কিৰ্পিন, কট্‌কিন, আক্ৰোহি, ধৰিলে নেৰা, penurious, miserly, grasping.

অাঁতৰ, *a.* নিলগ, আলেঙ্গ, দূৰৈ, প্ৰিথক, removed, separate, distinct, apart.

অাঁতে অাঁতে, *ad.* পেটে পেটে, ভিতৰে ভিতৰে, অাঁহে অাঁহে, privately, secretly.

অাঁধৰা, *s.* জুই লাগি থকা খৰি, এডাঙৰ পোৰা খৰি, a fire brand.

অাঁৰ, *s.* বেঁকা, ভাঙ, হেটামেচা, কল বিগৰা, a bend, a crook, an obstruction or derangement in machinery.

আহৰ, *s.* এবিধ ৰোগ, lunacy, epilepsy.

অাঁহৰিয়া, *a.* অাঁহৰ ৰোগে ধৰা মানুহ, lunatic, epileptic.

অাঁহ, *s.* মঙ্গহ আদিৰ খুদুসিৰ, সুত, পেটকথা, অাঁত, a muscle, a thread of a spider's web, the fibres of wood, the secrets of the heart.

অাঁহত, *s.* অশ্বত্থ বিৰিখ, the name of a sacred tree.

অাঁহপাহ, *s.* সিৰ, মঙ্গহ আদিৰ সুত, the fibrous or coarse part of anything.

অাঁহিয়া, *a.* কেঁচা মঙ্গহৰ নিচিনা গোন্ধ, কেচেমা কেচেম, having the smell of raw meat.

অাঁহিলা, *s.* সঁজুলি, জুদ্ধৰ অস্ত্ৰ সস্ত্ৰ, implements, edged tools, weapons, munitions of war.

আকঙ্খা, *s.* ইচা, ভাৰসা, প্ৰত্যাসা, desire, wish, expectation, hope.

আকচা, *s.* আকোৰ্গোজা, ঘিন ঘান নোহোআ, audacious, having neither antipathy nor aversion.

আকটা, *a.* ঘিন ঘান নাইকিয়া, খাবলৈ বেয়া, without disgust fear or aversion, unpalatable.

আক্ তাক, *pron.* ইটক সিটক, this and that.

আকন, *s.* বৃিখ্য বিসেস, the name of a shrub.

আকৰ, *s.* সোন ৰুপ আদিৰ খনি, অৰ্থাত উতপনৰ ঠাই, ঘাই কাৰন, মুল, a mine, a quarry, origin, source.

আকৰ্সন, *s.* টনা, বলেৰে অনা বা ধৰা, attraction, the act of drawing; with কৰি, to attract, to draw, to influence.

আকলন, *a.* কেঁচুআ, অবোধ নিচেই সৰু, not come to the age of reason, young, immature.

আকলি বাকলি, *s.* ই সি, অকামিলা বস্তু, জাবৰ জোথৰ, this and that, things of no value.

আকাজি, *a.* বব কাটিব নজনা, not knowing how to weave or spin.

আকাঠু, *a.* জাবৰনি হোআ, আঁঠুঅনিয়া, এক আঁঠু, covered with rubbish, knee deep.

আকাৰ, *s.* আক্ৰিতি, ঠগ, shape, figure, form, appearance.

আকাল, *s.* এঁকাল, দুৰ্ভিখ্য, খাবলৈ নাইকিয়া সময়, a famine, dearth.

আকাস, *s.* সুন্য, গগন, ওপৰ, the sky, space, firmament, above.

আকাস বাতি, *s.* কাতি মহিয়া বাতি আকাসত লগোআ চাকি, a lantern suspended on high by the Hindoos in October and November, a beacon.

আকাস মণ্ডল, *s.* আকাস মৰল, গোটেই আকাস, the circle of the heavens.

আকাসি, *a.* আকাসত থকা, আকাসৰ, aerial, celestial.

আকাসি গঙ্গা, *s.* স্বৰ্গ গঙ্গা, গঙ্গা নদিৰ আকাসত থকা ভাগ, the milky way; the heavenly Ganges of Hindoo mythology.

আকাসি বানি, *s.* স্বৰ্গ বানি, ওপৰৰ পৰা কোআ বাক্য, a voice or sound from heaven, or from above.

আকোৰ বাকোৰ, *a.* বেঁকেৰো, কেঁকোৰা, বেকাঁ বেকি, crooked, bent, curved.

আকৌ, *ad.* পুনৰাই, আকৰাৰ, দুনাই, again, a second time, once more.

আক্ৰমন, *s.* পৰাক্ৰম কৰি লোআ, আপোন বাহু বলে লোআ, আটকি ধৰা, a seizure, an invasion; with কৰি, to capture, to seize.

আক্ৰিতি, *s.* ৰুপ, গঢ়, আকাৰ, মুৰ্ত্তি, shape, form, appearance.

আক্ৰোহি, *a.* পাবলৈ বৰ আসা কৰা, দিবলৈ টান পোআ, কিৰ্পিন, কঠিন, grasping, miserly, avaricious.

আখজা, *a.* অনভ্যাস, নচলা, খোকোজা লগা, unpracticed, unskilled, unaccustomed to.

আখটি, *s.* অমুৰি কৰা, সৰু লৰাৰ পেঁচ পতা, লৰাৰ দৰে ন নকৈ চিদ্ৰ ধৰা, caprice, a childish whim; *a.* childish, silly, whimsical.

আখৰ, *s.* অখ্যৰ, বৰ্ন, a letter of the alphabet, type.

আখৰা, *s.* গান বাজনা, নাচ সিকা বা অভ্যাস কৰা, গায়ন জোৰা, the act of learning and practicing music and dancing.

আখৰুআ, *a.* আখৰ থকা, অতি বুৰা, marked, written, wrinkled, aged.

আখল, *s.* ৰান্ধনি সাল, ভাত ৰন্ধা ঠাই, a kitchen, a cooking place.

আখা, *s.* চৌকা, উধান পতা ঠাই, চৰু বহোআ খুঁটি বা চপৰা, a support on which a cooking vessel is placed while over the fire.

আখাপতিয়া, *a.* আখাৰ দৰে চুকিয়া চুকিকৈ বহা বা থোআ, seated or stationed about like the three supports on which a cooking vessel is placed.

আখি, *s.* কাঠ বাঁহৰ চকু, কলৰ আসি, কঠিয়াৰ মুঠা, a knot, a bunch of plantains, a bundle of sprouted paddy for transplanting.

আখিয়া, *s.* আখি থকা, গাঁঠি থকা, bearing fruit in clusters, knotty.

আখেজ, *s.* হিংসা, অসুআ ভাও, খিয়াল, hate, ill will, a grudge.

আখৈ, *s.* ভজা ধান, parched corn.

আখৈয়া গোম, *s.* সৰ্প এবিধ, a species of venomous snake.

আখৈ লাৰু, *s.* আখৈৰ মিঠৈ, a sweet-meat composed of parched corn and treacle.

আখ্যান, *s.* বিবৰন, ইতিহাস, a story, a description, a relation.

আগ, *s.* প্ৰথম, ওপৰ, ঘাই, মুৰ, সাখ্যাত, first, prior, chief, the first part, the front, the point or end of any thing; with বাৰ্হি to meet, to welcome, to accompany a short distance at parting.

আগ কৰি, *v.* সাখ্যাত কৰা, লেখত প্ৰথম কৰা, দিবলৈ অঙ্গিকাৰ কৰা, to present before, to introduce, to place at the head, to present as a religious offering, to vow.

আগচি ধৰি, *v.* আগ ভেঁটি ধৰা, জাব নিদিয়া, to obstruct or hedge up a way.

আগচেকআ, } আগচেউৰা, } *s.* আগ পিৰা দুটা, আগ ঠেঙৰ মঙহাল ভাগ, a shoulder, a fore leg.

আগতিয়া, *a.* আগেয়ে হোআ, হব লগা কালৰ আগেয়ে হোআ, prior, before the proper time.

আগত, } আগতে, } *prep.* সাখ্যাত, মুৰত, প্ৰথমত, সমুখত, before, in the presence of, at the top, at first.

আগনি, *a.* প্ৰথমে হোআ, the first.

আগনি খাৰনি, *s.* প্ৰথমে ওলোআ খাৰনি, the first and strongest ley.

আগন্তুক, *s.* পাওনিৰ আসা, হব লগা, expectation, anticipation, about to be, arrived, come.

আগপাচ, } *a.* আগ অন্ত, গৰ্ই গতি, অগা পিচা, আলপৈচান, first and
আগপিচ, } last, preceding and succeeding, serving, ministering.

আগফাল, *s.* পোনৰ ফাল, মুৰ ভাগ, সোঁ ফাল, ঘাই চোঁতাল, the first part, top, the right side, the front side.

আগবৰ্হা, *s.* আগলৈ জোআ, আগ বাৰ্হি জোআ, জোখতকৈ দিঘল হোআ, growth, progress, advancement; *a.* advanced, grown, gone to meet another, exceeding the proper measure.

আগ বৰ্হাই, *v.* আগ বৰ্হাই বাটত থোআ বা অনা, আগ ভাগ কৰা, to go to meet or accompany a person a short distance.

আগ বাৰ্হি, *v.* আগবৰ্হা, আগধৰি, প্ৰথমে, to grow, to increase, to go to meet or accompany another; *ad.* first of all, in advance.

আগ ভাগ, *s.* প্ৰথম ভাগ, দিম বুলি নিয়ম কৰা, আগ কৰি টোপোলা বন্ধা, the first part; with কৰি, to present as a religious offering, to vow.

আগম, *s.* সাস্ত্ৰৰ নাম, তন্ত্ৰ সাস্ত্ৰ, the Veds; a large class of writings treating of the ceremonial part of the Hindoo religion.

আগ মঙ্গহ, *s.* কলিজা, the liver, sometimes used for the heart.

আগমন, *s.* অহা জোআ, an arrival, a coming or going, an occurrence.

আগহতিয়া, *a.* থিয়ৈ হাত মেলি ঢুকি পোআ জোখ, a measure, as high as one can reach standing up.

আগহাত, *s.* সোঁ হাত, the right hand.

আগাৰ, *s.* পৰিমানতকৈ সৰহ, অতি বৰ্হা, more than sufficient, excess.

আগাৰি, *a.* খাই বৈ ঢুকুআব নোৱৰা, super-abundant.

আগালি, *s.* নদিৰ আগ, সেসত লগা, গচৰ ওপৰ ভাগ, পাচতিয়া, the source of a river, an after crop, fruit out of season.

আগালি চিগা, *s.* আগ চিগা, আগলৈ আসা নথকা, disappointment; *a.* broken off, disappointed, hopeless.

আগিয়া চিত, *s.* ঔসধিয় বন গচ, উপৰিহ, a medicinal tree.

আগিয়া ঠুঁটি, *s.* নৈলৈ আগ বাৰ্হি থকা গৰা, a high bank projecting into the river, a promontory.

আগুআ, *s.* আগেয়ে জোআ, আগ বৰ্হা, উজুআ, the act of going forward, advancing, taking the lead, ascending a stream.

আগুৰা, *s.* ঘেৰি ধৰা, আৱৰি ধৰা, আগচ, the act of surrounding; *a.* surrounded, enclosed, encompassed about.

আগুল পাগুল, *s.* অটিয়া মটিয়াকৈ চোবোআ, পাগুলা, ঘুৰাই ঘুৰাই চোবোআ, the act of chewing the cud, mastication.

আগে, *ad.* পুৰ্বে, প্ৰথমে, আগেয়ে, তাহানি, at first, before, forward.

আগৈ, *ad.* আগেয়ে, পোনেই, জোআ কালত, previously, formerly.

আগোআল, *s.* গলুয়া, নাৱৰ আগ ধৰা, a boatman stationed on the prow of a boat.

আগ্যা, *s.* আদেস, বিধি, হুকুম, command, order, direction.

আগ্যাবেস, *a.* তল, অধিন, তলপিয়া under, subject to, dependent.

আগ্ৰহি, *a.* আক্ৰোহি, eager, desirous, zealous.

আঘাত, *s.* ঘা মৰা, কোবোআ, কোব মৰা, a blow, a knock, an injury.

আঘেৰ, *a.* অষ্ট বিসেস, eleven.

আঘোন, *s.* হেমন্তৰ প্ৰথম মাহ, অষ্টম মাহ, the eighth month, corresponding to part of November and December.

আঘোনিয়া, *a.* আঘোন মাহত হোআ, born made or produced in the month of *Aghun.*

আঘ্ৰান, *s.* ঘ্ৰান, বাচ, সুঙ্গা, scent, smell, fragrance.

আঙ্গঠা, *s.* জুই থকা এঙ্গাৰ, এবিধ জাল, a coal of fire, a fishing net.

আঙ্গঠি, *s.* আঙ্গুলিৰ অলঙ্কাৰ, a ring for the toe or finger.

আঙ্গনি *s.* তামোল আদিৰ থোকৰ সৰু সৰু ডাল, জুইৰ আগ ফিৰিঙ্গটি, the branch stems of a cluster of fruit, a spark of fire.

আঙ্গ বাঙ্গ, *a.* কাম কৰিব নজনা, আঁকৰাৰ দৰে কোআ বা গোআ, awkward, at work, stupid, incoherent.

আঙ্গমৰা, *a.* অঙ্গমৰা, কাম সক্তি হিন, without power of procreation.

আঙ্গৰখা, *s.* দিঘল চোলা, হলৌ চোলা, চাপকন, a long jacket, a long native garment.

আঙ্গামুৰি, *s.* গাভঙ্গা, গামুৰি দিয়া আঙ্গি, the act of stretching and yawning.

আঙ্গি ভুঙ্গি, *s.* হাতেৰে টাই টুই কৰা, মুখ ইকটা বিকটা কৰা, a distortion of the face or body, contortion, grimace.

আঙ্গুল, } অঙ্গুলি, } *s.* হাত ভৰিৰ সাখা, আঙ্গুলিৰ পথালি জোখ, a finger, a finger's width in measure.

আচক, } আচোক, } *a.* থাওক, নিবলৈ বাধা কৰা, enough, sufficient, no more.

আচন্দ্ৰাই, *s.* অচন্দ্ৰাই, মুৰ ঘুৰুওআ, vertigo, giddiness.

আচমন, *s.* আঁচোআ, মুখ ধোআ, বামুনৰ নিত্য কৰ্ম্মৰ ৰিতি, a braminical custom of washing the mouth and touching the eight principal parts of the body.

আচম্বিত, *ad.* হঠাত, অকস্মাত, ঘুপুৰাই, suddenly, unexpectedly.

আচৰন, *s.* প্ৰবৰ্ত্তন, আচাৰ, বিত্তি, বেৱহাৰ, conduct, behaviour, habit.

আচৰা, *s.* আচাৰি, আচৰন কৰা, a switch, a stick, habit, practice.

আচৰা আচাৰি, *v.* ঠেকেচা ঠেকেচি, তালফাল কৰা, to throw back and forth with violence, to throw any thing down in anger.

আচৰিত, *a.* অদ্ভুত, আচৰ্য্য, বিস্মই মনা, astonishing, surprising, wonderful.

আচৰোআ, *s.* চলোআ, প্ৰবৰ্ত্তোআ, the causing to do, or to be done.

আচৰ্য্য, *a.* আচৰিত, wonderful, miraculous, astonishing.

আচল, *a.* অকাটু, ঘাই, স্বৰুপ, নিভাঁজ difficult, without means of doing, genuine, original, true.

আচল বিচল, *a.* চল বুধি নো পোআ, difficult, intricate.

আচহুআ, *a.* অনাআভুআ, নিচিনা নজনা, unfamiliar, unacquainted with.

আচাত বিচাত, *s.* ইচাত বিচাত, হাত ভৰি আচৰা, tossing in distress.

আচান, *a.* সহাই বা বন্ধু হিন, অকলে থকা, friendless, alone, solitary.

আচাম, *s.* অসম দেস, the country of Assam.

আচামাৰি, *s.* ফকিৰ সন্যাসিৰ ভেঙ্গুৰিয়া লাখুটি, a crooked staff used by travelling mendicants.

আচাৰ, *s.* আচৰন, প্ৰবৰ্ত্তন, বেৱহাৰ, তেলত পেলাই থোআ আম আদি খোআ বস্তু, conduct, usage, practice, pickled fruit.

আচাৰ খাই, *v.* পিচল খাই পৰা, লেটামুৰি খোআ, to slip and fall.

আচাৰ মৰা, *s.* এফাললৈ বেগেৰে মাৰি পঠিওআ, a slap, a side blow, a shove, the dashing of any thing down violently.

আচাৰি, *s.* গৰু আদি কোবোআ চেকনি, তিনি আৰু আধা (৩॥), আচাৰ মাৰি, আচৰন কৰি, a twig, a switch, three and a half; *v.* to strike, to switch, to throw down, to toss aside, to practice.

আচাৰেকনি, *s.* পানি ওফৰা, জলকনিকা, চিটিকি পৰা, a driving rain.

আচাৰ্য্য, *s.* বেদ অধ্যাপক, ভটাচাৰ্য্য, a teacher of the Veds, a philosopher, a prophet.

আচিনাই, *s.* আজিনাই, গাৰ চালত হোআ খহুৰ নিচিনা গুটি, a wart.

আচুতিয়া, আচুতে, } *a.* সাঁচতিয়া, গোটাই থোআ, ব্যয় ন কৰা, unexpended, laid up, put aside not to be touched.

আচোক চাৰি, *ad.* থাওক চাৰি, নোজোআ নোহোআ কথাত বুজাই, instead of, so far from; as in the phrase, *Instead of* giving to you, I have not enough for myself. *So far from* speaking to him, I have not even seen him.

আজ, *a.* হোজা, পোন, simple, artless, undesigning, without duplicity.

আজন্ম, *ad.* জনমৰ পৰা, ওপজাৰ পৰা, from one's birth.

আজৰক জৰোৱা, *a.* ৰোগ জন্মোৱা বা বঢ়োৱা, unwholesome, producing or increasing disease.

আজৰি, *s.* আহৰি, কাম এঁটোৱা, সাং কৰা, নাইকিয়া কৰা, leisure, the act of finishing or completing; with কৰি, to make bare, to denude, to lay waste to complete.

আজৰি বতৰ, *s.* একো কাম নাইকিয়া দিন, উদঙ্গিয়া কাল, a time of leisure, or the absence of pressing work.

আজৰিয়া, *ad.* উদঙ্গিয়া, বন বাবি নোহোৱা, at leisure, unoccupied, unemployed.

আজৰোৱা, *s.* আজৰি কৰা, উদঙ্গ কৰা, the act of finishing up, the making empty or bare.

আজলমথালি, *s.* আজলালি, নজনা ভাও ধৰা, টেঙৰালি, pretending or feigning ignorance, craftiness, cunning, subtilty.

আজলা, *a.* অজলা, foolish, dull, stupid.

আজলালি, *s.* আজল মঠালি, একো ন জনা নুবুজা ভাবে থকা, the feigning ignorance of work.

আজলি, *s.* বুধি হিন তিৰোতা, a foolish woman; *a.* dull, stupid.

আজানু, *ad.* আঁঠুলৈকে, reaching to the knee.

আজাৰ, *s.* বৃক্ষ বিশেষ, a species of tree.

আজাৰ বিজাৰ, *s.* খঙেৰে কোৱা, টেঙা মাত, anger, peevishness, the uttering of angry words, crossness.

আজি, *ad.* এই দিন, এতিয়া, to day.

আজি কালি, *ad.* এই কাল, now a days, the present time.

আজোককা, *s.* ককাকৰ বাপেক, প্ৰপিতামহ, a paternal great grandfather.

আজোখ, }
আজোখা, } *a.* বিজোখ, জোখ পোত নোহোৱা, not according to measure, disproportionate, unmeasured.

আজোঁট, *a.* কৰিবলৈ টান, difficult to do.

আজোনাতি, *s.* নাতিৰ নাতি, পৰিনাতি, a great grandson.

আজোবুৰি আই, *s.* আজো ককাৰ তিৰোতা, আজো বুৰিমাক, a maternal great grandmother.

আঞ্জা, *s.* দিহ, সিজোৱা সাক পাচলি মাচ আদি, a vegetable or meat curry.

আট, *s.* টানকৈ বন্ধা, আট খোৱা, টান হোৱা, গোট মৰা, a girting, tightening or compressing; with খাই, to draw tight, to girt; with মাৰি, to thicken, to coagulate, to congeal.

আটক, } a. পাবলৈ টান, দুসাধ্য, মবগিয়, difficult to obtain, scarce,
আটকিয়া, } deficient.

আটকাল, s. অনুমান, গম, মনেৰে প্ৰমান্ পোৱা, পঁজাল পোৱা, উমান, a guess, a surmise, an intimation, conception.

আটন্টিয়াৰ, a. সকলোএ আঁটোটা, চহকি, having abundance, wealthy.

আটা, s. এঁটাগুৰি, ঘেঁহু ধান আদিৰ গুৰি, flour, meal.

আটাই, a. সমুলি, সকলো, সমস্ত, all, the whole.

আটাঙ্গৰিয়া, a. নিৰ্বল, নিসকতিয়া, weak, enfeebled by disease.

আটাল, s. ওপৰ চাঙ্গ, a platform, a scaffolding.

আটাহ, s. চিঁয়ৰ, এটাহ, a call, a scream, a cry; with পাৰি, to call, to cry out, &c.

আটি, s. পোলা, আউটি, ভাগ, a bundle, a portion, a division.

আটি ধৰা, a. টানি ধৰা, compressed, tightened, closely bound; s. the act of compressing, tightening &c.

আটি ধৰি, v. টানি ধৰি বা বান্ধি, to tighten, to compress.

আটি মুটি, v. টাই টুই কৰা, ভাও দেখুউআ, to express by signs, to gesticulate.

আটিল, a. টান, ঢিলা নোহোআ, hard, tough, firm, compact.

আটুট, a. সমান, বৰ্হা টুটা নোহোআ, খৰিচ, even, full, entire, wanting nothing.

আটেঙ্গটিঙ্গা, } a. বৰ ওখ, সম জোখতকৈ ওখ, টিঙ্গটিঙ্গিয়া, চুকি নোপোআ,
অটেঙ্গা, } very high, disproportionately high, out of reach.

আটোপ টঙ্কাৰ, s. বৰকৈ উচও কৰা, বজনজনা, গপ মৰা, display, show,

আটোম টোকাৰি, a. ঠাক ঠিক, আৰ ন লগা, ভাঁজ নলগা, without imperfection, faultless.

আঠ, a. আঠোটা, দুই অঁৰা, eight.

আঠকুনিয়া, a. আঠ চুকিয়া, eight cornered, octagonal.

আঠখাৰি, s. আঠ বিধ খাৰৰ ঔসধ, a medicine composed of eight alkalies.

আঠচলিচ, a. দুকুৰি আঠ, forty eight.

আঠত্ৰিচ, a. একুৰি ওঠৰ, thirty eight.

আঠ মঙ্গলা, s. বিয়াৰ পৰা আঠ দিনত কন্যাৰ ঘৰত দৰাক খুউআ, a feast for the bridegroom at the house of the bride, on the eighth day after marriage.

আঠ সত্তৰ, a. তিনি কুৰি ওঠৰ, seventy eight.

আঠসষ্টি, a. তিনি কুৰি আঠ, sixty eight.

আঠাহ্ন, *a.* দুকুৰি ওঠৈৰ, fifty eight.

আঠে পসে, *ad.* কেতিয়াবা কেতিয়াবা, মাজে সময়ে, now and then, occasionally, sometimes.

আডম্বৰ, *s.* খিতাপ, ফিতাহি, গঁফেৰে ফুৰা, show, display, ostentation, pride.

আতৰ, *s.* গোলাপ আদিৰ ফুলৰ তেল, the otto or distilled oil of roses &c.

আতৰন, *s.* আপদ, তৰনৰ উপাই নাইকিয়া, a remediless evil, calamity.

আতলচ, *s.* এবিধ কঁঠাল, the custard apple.

আতা, *s.* বাপ, গোঁসাইৰ আৰু বৃদ্ধ লোকৰ সম্বোধন, a respectful title, addressed to priests and to elderly men.

আতাই তাই, *a.* বিহ্বল, বিচেষ্টা, বিবুধি হোআ, driven to desperation, distracted.

আতাবি, *a.* বিৰোধা বিৰুধি, দেখিব নোঅৰা, ভাল নোপোআ, at variance, out of favour, disliked.

আতাল পতাল, *ad.* তল ওপৰ, above and below.

আতি, *ad.* অতিসই, বৰকৈ, very, exceedingly, greatly.

আতিহা কাতিহা, *s.* গঁফ, গন্দলিকা, নিজ প্ৰসংসা, গৰ্ব, pride, haughtiness, self-conceit.

আতৃম্ভৰি, *a.* আপোন পেটা, আত্মভৰি, selfish, voracious.

আতুৰ, *a.* পিবিত, বিচেষ্টা, ভই পোআ, distressed, distracted, frightened.

আতুলি, *v.* বাঁতি আহিব খোজা, ওকালি, to retch, to gag, to heave as when about to vomit.

আতুলিয়া, *a.* আধা তোলিয়া, weighing or worth eight annas.

আতুলিয়া পেঁচ, *s.* বৰ ধুন মৰা, অহঙ্কাৰ কৰা, display, show, parade.

আতৈ, *s.* ভকতৰ সম্বোধন, লগৰ সেৱকিয়া, respectful address of a co-religionist or brother disciple.

আতোল তোল, *s.* বৰ আদ্ৰিক, আদৰ সাদৰ, any demonstration of affection and respect.

আতোলা, *s.* আধা তোলা, আঠ অনাৰ ভৰ, a rupee in weight.

আতৌ পিতৌ, *s.* মৰম পতিওআ, আলো ছলো, প্ৰেম দেখুউআ, affectionate expressions of sympathy in suffering, condolence.

আত্ম, *a.* স্বয়ং, নিজ, আপোন, self, one's self.

আত্মক্ৰিত, *a.* আপুনি কৰা, নিজে কৰা, done by one's self.

আত্মা, *s.* জিৱ, প্ৰান, spirit, self, the soul.

আত্মাঘাত, *s.* আপোন ঘাত, আপুনি মৰা, আত্মা হত্যা, self-murder, suicide, self destruction.

আত্মাঘাতি, *s.* আপোন ঘাতি, one who commits suicide.

আত্মাধিন, *a.* স্বতন্ত্র, স্বাধিন, independent, not subject to another.

আত্মিয়, *a.* আপোন, নিজ, belonging to one's self.

আথবেথ, *s.* চেনেহ, আস্তিক, respect, reverence, love.

আথৰ, *a.* আলৰ, বৰ বুৰা, decrepit, palsied, old.

আথলিয়া, *s.* অতি ডাঙ্গৰ, সকত, থুলন্থৰ, large, stout, corpulent.

আথাউনি, *a.* অথাউনি, থাউনি নোপোআ, দ, beyond one's depth. deep, unfathomable.

আথাও পুথাও, *s* উপৰি পুৰুস, ককাকৰ বাপেক, আজো ককাক, ancestors; an old Ahom term.

আদ, } *s.* আধা, এফাল, সমভাগ, a moiety, a half.
আদখন,

আদকপলিয়া, *a.* দুখ সুখ সমানে পোআ, হত ভগিয়া, alternate good and bad fortune, ill-fated.

আদকপালি, *s.* একলিয়া মুৰৰ বিস, ৰোগ বিসেস, a disease in which the pain is confined to one side of the head.

আদখনিয়া, *a.* আধা আধি, এফাল, a part of any thing, one half.

আদখৰিয়া, *s.* অলপ খাৰনি দি ৰন্ধা আঞ্জা, food slightly seasoned with an alkali.

আদ বয়স, *s.* সম বয়স, middle-age.

আদবয়সিয়া, *a.* আদহিয়া, সম বয়সিয়া, middle-aged.

আদ মহা, *s.* আদ মহিয়া, দুই চৰতিয়া, টকাৰ আঠ ভাগৰ এভাগ, one eighth of a rupee, two annas.

আদৰ, *s.* সন্মান, মৰ্য্যাত,চেনেহ, মৰম, মাস্তা, respect, honor, veneration, esteem; *a.* cheap, low-priced.

আদৰনিয়, *a.* মান্যৱন্ত, আদৰ কৰিবৰ জোগ্য, estimable, honorable, worthy of respect.

আদৰ সাদৰ, *s.* চেনেহ, বেথা, আস্তিক, love attended with respect.

আদৰাই, *v.* আদৰি অনা, মান্যেৰে আগ বঢ়াই অনা, to go to meet and bring any one on the way with welcomes and demonstrations of respect,

আদর্স, *s.* নিদর্সন, আৰ্হি, দেখুওআৰ উপাই, চিন, an original from which a copy is to be made, a specimen, a pattern, a sign.

আদহিয়া, *s.* আদ বয়স জোআ, middle-aged.

আদা, *s.* এদা, ginger.

আদাই, *s.* উচল, বাকি ন থকা, a complete payment or fulfilment of an obligation.

আদালত, *s.* সোধৰ সমাজ, a court of justice.

আদাল্তলি, *s.* অব্রিতি বা হাবি মাটি, unproductive or uncultivated land.

আদি, *a.* প্রথম, আগ, পুৰ্ব, ঘাই, গুৰি, initial, prior, first; *s.* commencement, beginning, first cause.

আদি অন্ত, *s.* পূর্বাপৰ, আগ গুৰি, first and last, beginning and end.

আদি কৰি, *a.* প্রভ্রিতি, ইত্যাদি, et cetera, and so forth, &c.

আদিত্য, *s.* সুর্জ্য, বেলি, the sun.

আদি দেও, *s.* নাৰায়ন, বিষ্ণু, Narayon, Vishnoo.

আদি বাসি, *s.* কোনো দেসৰ আদি লোক, the first settlers of a country, aborigines.

আদুটি, *s.* আদখান, কেতুটি, a part, some.

আদেস, *s.* আগ্যা, অনুমতি, বিধান, a command, law, precept, ordinance.

আদোল, } *a.* লোকৰ তলে থকা, আগ্যাৰ অধিনত থকা, subject to,
আদল, } dependent on.

আদোস, *a.* নির্দোস, আনাদোস, জেন্সা নাইকিয়া, faultless, innocent.

আদ্যন্ত, *a.* আদি অন্ত, আগ গুৰি, from first to last; *s.* the beginning and the end.

আদ্যস্রাধ, *s.* প্রথমে কৰা সৰাধ, অসৌচৰ অন্তৰ সৰাধ, the first funeral ceremony; giving the funeral cake preparatory to the principal *shradh*.

আদ্যা প্রক্রিতি, *s.* আদিতে হোআ প্রক্রিতি, দেবি, original and unformed matter, called in Hindoo mythology the female principle from which the world is said to have sprung.

আদ্যোপান্ত, *ad.* আদিৰ পৰা অন্তলৈ, আগৰ পৰা গুৰিলৈ, সবিসেস, from first to last, from beginning to end.

আধলি, *s.* আঠ অনা, টকাৰ এফাল, eight annas, a half rupee.

আধলিটিয়া, } *a.* আধলিলৈ পোআ, আঠ অনিয়া, obtainable for
আধলিয়া, } eight annas.

আধা, *a.* অৰ্ধ, আদখনি, one half, a part.

আধা আধি, *ad.* সমানে, সম ভাগে, half and half, equal shares.

আধা কটা, *a.* দুষ্ট, নিলাজ, টটাটিঙ্গা, নিচ, আদখনি কটা, base, shameless, wicked; cut half through.

আধাখুন্দা, } *a.* খৰচিয়া পিঠাগুৰি আদি, ভালকৈ নুখুন্দা, coarse
এধাখুন্দা, } rice flour; *a.* half pounded, coarse.

আধানাৰ্জি, *s.* আদখন পেলোআ, হানি, আথানি, loss, waste of one half.

আধা পোৰা, *a.* এডোখৰ পোৰা, আধৰা, আধা সিজা, half burnt, half roasted or cooked.

আধা মৰা, *a.* প্ৰাই মৰা, half dead.

আধামুৰি, *s.* ৰাতি মাটিৰ পৰা ওলোআ জুই, বনত ভত মাইকিয়া, a phosphorescent light supposed by the natives to be an evil spirit; bustling about, moving to and fro like the above light.

আধাৰ, *s.* বস্তু ধৰা পাত্ৰ, পিয়াহ, স্তন, আসন, that which holds, supports or sustains; the breast from which the child is nourished, a seat.

আধাৰ কঁটিয়া, *a.* পিয়াহ খোআ লৰা, ভালকৈ পিয়াহ খাবলৈ নোপোআ, a sucking child, stinted in nourishment from the breast.

আধাৰ বঁটা, *s.* কাউৰিএ আহাৰ খুউআ খুই কৰা, the circumstance of crows feeding each other, supposed to be ominous of the coming of a guest, or of some other event.

আধাৰি, *s.* বকটুৰ কৰা চৰু আদি থোআ ৰিৰিয়া, a coil of any soft substance to support the bottom of earthern vessels.

আধাৰি পতা, *s.* মেৰৰ পতা, the act of coiling.

আধাসাৰি, *a.* বৰ দুখ পোআ, হাৰাসাস্তি, jaded, spent, wearied.

আধি, *a.* সমভগিয়া, আদভাগ, half, half shares.

আধিক্য, *s.* অধিক, সৰহ, বিস্তৰ, বৰ্হা, abundance, excess, overplus.

আধি দিয়া, *s.* সমান ভাগলৈ দিয়া, আধি লগোআ, the hiring, letting or working anything at half shares.

আধিপত্য, *s.* প্ৰভুত্ব, অধিকাৰ, lordship, sovereignty, government.

আধুনিক, *a.* এতিয়াৰ কাল, ইদানিক, recent, modern, relating to the present time.

আধেক, *s.* অৰ্দ্ধেক, a part.

আধেৰ, *s.* আদসেৰ, দুই পোআ, half a seer, two *puas.*

আধেৰিয়া, *a.* আদসেৰিয়া, আদসেৰ ধৰা, half a seer.

আধ্যা, *s.* মুৰ, অন্ত, অধ্যাই, a chapter, the end.

আন, *a.* অন্য, ভিন, পৰ, other, another, different.

আনখন, *a.* আন দিন, আন বস্তু, another day or time, a different thing.

আনন্দ, *s.* হৰিষ, হৰ্ষ ৰঙ্গ, joy, pleasure, delight, happiness.

আনন্দিত, *a.* হৰ্ষিত, পুলকিত, সুখি, joyful, happy, delighted.

আনা আভুৰা, *a.* নজনা নুসুনা, নেদেখা নুবুজা, অচিনাকি, unknown, unheard of, unseen, ignorant of, unacquainted with.

আনাৰি,
আওনাৰি, } *a.* নাৰ, ভ্ৰষ্ট, আতাৰি, deteriorated, corrupted, ravished, depraved, hateful to the sight, with কৰি, to spoil, to waste, to put out of favour.

আনুজ,
আনজ, } *s.* এক সন্তানৰ জনমৰ পৰা আন সন্তানৰ জনমলৈকে, the interval from one birth to another.

আনেকা দিনা, *s.* পাচ দিনা, আন দিন, an after day, hereafter.

আনে বানে, *a.* জতে তজে বস্তু পোৱা, successful in acquiring wealth.

আন্তৰিক, *a.* ভিতৰৰ, মাজৰ, inward, internal, within.

আন্দোলন, *s.* আন্দোলা আন্দোলি, থোপা থোপে গুটি লাগি ভিৰ খোৱা, a swinging or oscillating motion, bending down with fruit, the agitation or investigation of a subject.

আন্ধাৰ, *s.* এন্ধাৰ নিসা, সূৰ্য্যৰ ৰশ্মি ন পৰা, অন্ধকাৰ, darkness, gloom, night; *a.* dark, gloomy.

আপ, *s.* ককা, বাপেকৰ বাপেক, বুঢ়া মানুহৰ সম্বোধন, grandfather, a respectful term used in addressing elderly men.

আপঁইতা, *a.* কুমলিয়া, পূৰঠ নোহোৱা, পৈনত নোহোৱা, not full grown, unripe, immature.

আপচু, *a.* বিগৰ্হি, আউঁকা, ugly, ill favoured.

আপটৰ পট, *s.* দেসত নাইকিয়া, নোপোৱাক পোৱা, খঙ্গ বা নিন্দাৰ মাত, a rarity, a curiosity, used as a term of abuse.

আপত্তি, *s.* ওজৰ, a reply in defence, an objection, a remonstrance.

আপদ, *s.* বিপদ, দুখ, বিপত্তি, calamity, misfortune, evil, accident.

আপদাহ, *s.* দোষ, চিদ্ৰ, a fault, an imperfection with সাৰি to escape censure.

আপদিয়া, *a.* আপদে পোৱা, unfortunate.

আপদেও, *s.* বাপেক, ককাক, আৰু বুঢ়া মানুহৰ সম্বোধন, father, a respectful term used in addressing elderly men.

আপা, *s.* সৰু লৰা, address of a small child, a term used by the Ahoms in addressing an uncle's wife.

আপাৰ, *a.* see অপাৰ, boundless.

আপালি, *s.* প্ৰমাদ, দুখ, বিপদ ঘটা, নৰিয়া, misfortune, adversity.

আপাহ, *s.* উপকাৰ, এপাহ, ফুলৰ পাহি, assistance, petal of a flower.

আপাহ্ মৰা, *s.* এপাহ মৰা, খন্তেকিয়া উপকাৰ, পাল সুটুআ, doing work slightly, eye service, passing time in mere pretence of work.

আপি, *s.* সৰু চোআলিৰ সম্বোধন, a term used in addressing the daughters of any respectable person.

আপিট, *a.* বন বাৰিত ভাল, নিপুন, skillful, accomplished, serviceable.

আপুটি, *s.* বোপাই, আপদেও, সৰু লৰাক বাপেক মাকে চেনেহেৰে মতা, a familiar address to a father, sometimes used to a child.

আপুনি, *pron.* মই, নিজে, তুমি, অৰ্থাত ভাল লোকক মতা সব্দ, নিজে, স্বয়ং I myself, thou thyself, used in respectful address to superiors.

আপুৰুগ, *a.* দেখিবলৈ নাই, পাবলৈ টান, আটক, not to be seen or found, wanting.

আপুৰুগিয়া, *a.* আটকিয়া, নোপোআক পোআ, scarce, difficult to obtain.

আপোন, *a.* নিজ, স্বকিয়, সম্বন্ধি, one's own, peculiar, proper.

আপোনা আপুনি, *pron.* স্বয়ং, নিজে, আপোন ইচাতে, এনেই হোআ, of one's own accord, spontaneously.

আপোনাৰ, *pron.* মোৰ, তোমাৰ, নিজৰ, one's self, your or his own.

আপ্ত, *a.* আপোন, মিত্ৰ, one's own, familiar, trustworthy, confidential.

আপ্লাবন, *a.* পানিএ তল নিয়া, উটাবুৰা, a flood, an inundation.

আপ্লাবিত, *a.* তল জোআ, overflowed, inundated.

আফৰ, } *s.* কমাৰ সালৰ হাতিনা নলাৰ মুখৰ ডিলা, the mouth of a
আফৰি, } native blacksmith's bellows.

আফৰি, *a.* বৰ ধুনিয়া, সকলোতে খৰ খেদাকৈ ফুৰা, bustling, sprightly, active, lively.

আফাল, *s.* আস্ফালন, আচাৰ মৰা, a side blow, a slap; with খাই, to slip and fall; with মাৰি, to toss aside, to slap.

আফিঙ্গ, *s.* আফু গচৰ এঁটা, অহিফেন, opium, said to have sprung from venom that dropped from the mouths of the serpents that encircle the head of Hoda Hiwo, hence the name অহিফেন, as applied to opium.

আফু, *s.* কানিৰ গচ, আফিঙ্গৰ গচ, the poppy plant.

আফুআ, *a.* কানি খোআ, কানিয়া, addicted to the use of opium; *s.* an opium eater.

আফুট, *a.* অস্ফুট, গুপ্ত, অপ্ৰকাস, hidden, secret, concealed.

আফুটনি, *s.* ওকনিৰ জগা কনিৰ চোকোৰা, the shell of a nit.

আফুটা, *a.* নুফুটা, নিবিন্ধা, unbored, unpierced.

আফুতলি, *s.* আফু অৰ্জা মাটি, a poppy field.

আবতৰ, *a.* অবতৰ, অকাল, out of season, untimely.

আবতৰিয়া, *a.* অকালত হোআ, produced out of season.

আবনুআ, *a.* বন বাৰি ন কৰা, বনত ন লগোআ, one who does not work or who has not been put to work.

আবৰ, *s.* এবিধ পৰ্ব্বতিয়া জাতি, the name of a hill tribe in northern Assam.

আবৰন, *s.* ঢাকন, আচ্চাদন, ৰাখন, a covering, a veil, the act of screening or covering.

আবৰ বিবৰ, *a.* অসভ্য পৰ্ব্বতিয়া জাতি বিসেস, promiscuous barbarous tribes spoken of collectively.

আবলুখা, *s.* এমাডিমা, সৰু লৰা, a child two or three years of age.

আবৰি, *a.* বৰাৰ নোঅৰা, অসভ্য জাতি, independent, uncivilized.

আবৰি ধৰা, *s.* চাৰিও ফালে বেৰি ধৰা, the act of shutting in or surrounding on all sides.

আবৰি ভাবৰি, *s.* জেঙ্গ জাবৰ, নাম নাইকিয়া মিহলি বস্তু, rubbish, trash, a collection of unspecified worthless things.

আৱস্যক, *s.* প্রয়োজন, কাৰন, ন হলে ন হই necessity, expediency; *a.* necessary, expedient.

আবাং, *a.* একো ন জনা, stupid, worthless, idiotic.

আবাল, *a.* লৰা কালৰ, childish, belonging to childhood.

আবাল চন্দ, *a.* একো ন জনা, একো কামৰ পাত্র ন হই, stupid, good for nothing, useless.

আবাল বৃদ্ধ, *s.* লৰাৰ পৰা বুঢ়ালৈকে, from youth to old age.

আবাহন, *s.* আহ্বান, নিমন্ত্রন, মতা, an invitation, a call.

আবিঐ, *a.* বিয়া নোহোআ, অবিবাহিতা, unmarried, applied to both sexes.

আবিৰ, *s.* ফাকু গুৰি, a red powder, which the Hindoos throw at each other at the *Fákuá* or *Doul Játrá.*

আবির্ভাব, *s.* প্রকাস, অধিষ্ঠান, a revelation, an unfolding, a developement.

আবুজন, *a.* অবুজন, নুবুজা, ignorant, dull of comprehension.

আবুৰ, *s.* আপোনাৰ মান মর্য্যাদ ৰখা, the maintaining of one's proper dignity or state.

আবুৰি ভাবুৰি, *s.* বিংবাং, বুজ নোপোআকৈ মতা, আং বাং, talking incoherently or wildly.

আবেদন, *s.* জনোআ, নিবেদন, মিনতি, the representation of a circumstance, making a thing known, a petition.

আবেলি, *s.* বিয়লি, ভাটিবেলা, the afternoon.

আবোধ, *a.* গ্যান নোহোআ, অজান, ফুকলিয়া, ignorant, senseless, stupid.

আবৃত, *a.* বেৰা, ঢকা, লুকুউআ, concealed, covered, with কৰিব, to enclose, to cover.

আভকত, } a. অসৰনিয়া, অগুৰুআ, ভকত নোহোআ, without a gooroo,
আভকতিয়া, } undiscipled, (a term of abuse.)

আভজন, a. ইশ্বৰত নভজা, ভজিব ন জনা, not a worshipper, ignorant of the mode of worship.

আভঁজা, a. আগৰ্হি, অকামিলা, ভাঁজ নাইকিয়া, ill formed, ugly, unsightly.

আভঁজুআ, a. ভাঁজ নাইকিয়া, মিহলি নোহোআ, অনুঅনি, without mixture or alloy, offensive to the sight, ugly, deformed.

আভৰন, s. অভৰন, ভুসন, খাৰু মনি আদি অলঙ্কাৰ, an ornament, a jewel, attire.

আভা, s. পহৰ, কিৰন, sunshine, splendor, brightness, glossiness.

আভাল ভাল, a. ভাল বেয়া হোআ, good or bad.

আভাস, s. নাম মাত্ৰ, ভুমিকা, an introduction, a preface, a preamble.

আভুআ, a. ন জনা, অচিনাকি, ভু নো পোআ, ignorant of, unacquainted with.

আভুআ মৰা, s. এপাহ মৰা, ভুআ দিয়া, ফাঁকি দিয়া, the act of deceiving, counterfeiting or pretending.

আভোক, s. ভোক ন থকা, অনিচা, without hunger, satiety.

আম, s. টেঙ্গা বিসেস, আমু, সাঁও, the mango, a disease of the bowels, diarrhea.

আম কাহুন্দি, s. আমগুৰি, আমহি, a kind of pickle made of mustard and green mangoes.

আমহু, s. পহু আদিৰ বুকুৰ মঙ্গহ, চৰাই আদিৰ ঘিলা, the fleshy portion of the breast of beasts, the crop or first stomach of a fowl.

আমতা, s. পকা আম আদি চালি সুকুআ, the dried pulp of the mango prepared as an article of food.

আমন জিমন, a. অসন্তোস ভাও, মন মাৰি ফুৰা, নিৰানন্দ মুখ, of a sad countenance, sorrowful, disconsolate.

আমনা, s. ৰঙ্গা বাও ধানৰ নাম, a species of paddy, winter rice.

আমনি, s. অনিচা, ভাগৰ, বেজাৰ, aversion, satiety, disgust.

আমনিউআ, v. আমুউআ, হেপাহ পলোআ, অনিচা, ত্ৰিপ্তি পোআ, to cloy, to satiate, to disgust.

আমন্ত্ৰন, s. নিমন্ত্ৰন কৰা, মতা, মাতি অনা, a call, an invitation, a welcome, courtesy.

আমন্ত্ৰিত, s. মতা, নিমন্ত্ৰিত, called, invited, welcomed.

আম পোতনি, s. এবিধ পোক পলু, a species of silk worm.

আমৰক্ত, s. তেজ সাঁও, গ্ৰহনি, the dysentery.

আমৰা, *s.* অমৰা গুটি, এবিধ ফল, the name of a tree and its fruit..

আমলখি, *s.* এবিধ গুটি আৰু তাৰ গচ, a species of tree, and fruit, (phyllanthus emblica.)

আমসুল, *s.* পেট বন্ধ হৈ খোচা বিষ্কা, পেটৰ বেদনা, the colic.

আমি, *pron.* আমি সকলোটি, মই, we; used occasionally for the singular.

আমিন, *s.* মাটি জোখা বা পিয়ল কৰোঁতা, বিচাৰ কৰা, a surveyor, a supervisor, an investigator.

আমুআই, *v.* আমনিউআ, অনিচা হোআ, বিৰক্তি লগা, to cloy, satiate, disgust.

আমুক, *a.* কোনো বিসেস মানুহ বা বস্তুক বুজুউআ, such an one, such a person place or thing.

আমৈ, *s.* সখিএকৰ মাক, বাপেকৰ সখিএকৰ ভাৰ্য্যা, a friend's mother, the wife of a father's friend.

আমৈলতা, *s.* ঔসধিয় লতা বিসেস, মগুনি লতা, a species of vine, used in medicine.

আমোদ, *s.* হস, আনন্দ, ৰঙ্গ, ধেমালি, enjoyment, pleasure, festivity; with কৰি, to enjoy.

আমোদি, *a.* ৰঙ্গুআল, সুৱলা, সুস্বাদু, gratifying, enlivening, pleasurable, jovial, pleasant to the taste.

আমোল, *s.* কোনো অধিপতিএ অধিকাৰ কৰা দিন, কোনো বিসয়ৰ ফল পোআ, the period of a ruler's administration; the gains of an office.

আমোল টেঙ্গা, *s.* এবিধ টেঙ্গা, an acid fruit.

আমোলদাৰ, *s.* চিপাহিৰ এক অধিপতি, an under officer in a regiment of native soldiers.

আমোলমোল, *a.* গন্ধ ব্যাপ্ত, বিচখ্যন, সুগন্ধ, fragrant, sweet scented, odorous.

আমোলা, *s.* চিৰিস্তাদাৰ আদি আদালতৰ কৰ্ম্ম কাৰি, a shristadar of a court of justice and his officers.

আমোলাই, *v.* মন মাৰি, বিমাদ লগা, নিৰাস দেখুআ, to look disappointed, downcast, sad, melancholy or dejected.

আয়, *s.* বৰ্হী, উফুউআ, লাভ, gain, profit, receipts.

আয়ত, *a.* বস, তল হৈ থকা, আগ্যাধিন, subject to.

আয়তন, *a.* বহল, বিস্তাৰ, পথালি জোখ, breadth, dimension.

আয়তি, *s.* স্বামি থকা তিৰোতা, a woman who has a living husband.

আয়ষ, *s.* ভেম, গঁফ, ফিতাহি, মান্য ৰূপে থকা, আপোন মান সৎকাৰ হথা, pride, affectation of former greatness, style.

আয়স, *interj.* ভাল বা বেয়াকৈ সলগা মাত, হেঁপাহৰ মাত, দুখ বা সুখৰ মাত, an exclamation of pain, pleasure, or desire.

আয় সকল, *s.* বসন্ত, গুটি ওলোআ, তিৰোতা লোকক মতা সম্বোধন, the small pox; a term used in addressing a company of women'

আয়া, *s.* দাসি, সৰু লৰাৰ আল ধৰা দাসি, a nurse, a waiting maid.

আয়াজাত, *s.* গতায়ত, অহা জোআ, চিনা চিনি, মিল, familiar communication, friendly intercourse.

আয়াস, *s.* প্রয়াস, পৰিস্রম, দুখ, labor, effort, fatigue.

আয়ুধ, *s.* জুধৰ অস্ত্র, আঁহিলা, armor, arms.

আয়ুর্বেদ, *s.* বেজালি পুথি, নিদান পুথি, a Hindoo treatise on medicine.

আয়ুস, *s.* আয়ু, জিৱনৰ কাল, দুখ পোআ মাত, a period of life, age, a life time; *interj.* An exclamation of pain or suffering.

আয়ুস্বান, *a.* দির্য জিবি, অনেক দিনিয়া মানুহ, long-lived, of long duration.

আয়ৈ, *interj.* পুতৌ কৰা মাত, দুখ বেজাৰ বা ভই খোআ মাত, an exclamation denoting affection distress or fear.

আয়োজন, *s.* জুগুত, গোটোআ, উদ্যোগ, থিৰ কৰা, provision, preparation, arrangement, (as for a journey or any undertaking.)

আয়ৌ, *interj.* ভই বা চঁক খোআ মাত, বিস্মই মনা মাত, an exclamation of terror or surprise.

আৰ, *s.* আবৰন, ঢাকনি, বেৰ, গুপুত, a screen, a shade, with কৰি, to screen, with কাটি, to clear new land for cultivation.

আৰ কাপৰ, *s.* আৰ দিয়া কাপৰ, ঢাকনি কাপৰ, a cloth screen, a curtain.

আৰজি, *s.* দৰখাস্ত, নিবেদন পত্র, গোচৰ, a written petition, a request.

আৰতি, *s.* দিপ দর্সন, সন্ধ্যা সেৱা, the waving of a lamp before an idol, a wave offering.

আৰনি, *s.* পিয়াহ খোআ সৰু লৰাৰ ৰোগ বিসেস, a disease peculiar to nursing infants.

আৰনি পুৰনি, *s.* বহু দিনিয়া, অতি পুৰনি, ancient, very old.

আৰপি, *v.* অলপকৈ লগাই থোআ, ৰাখি থোআ, to slightly put together preparatory to completion.

আৰবি, *a.* আৰব দেসৰ লোক, আৰবি ভাসা, Arabic, Arabian.

আৰবেৰ, *s.* আবৰন, বেৰ, ঢাকনি, a wall, fence, partition.

আৰম্ভন, *s.* আৰম্ভ, কৰিবলৈ ধৰা, a beginning, a commencement.

আৰাও, *s.* এটাহ, চিয়ৰা, হাই, a noise, a scream, a tumult.
আৰাধনা, *s.* উপাসনা, একাগি চিন্তন, ভজনা, ভাবনা, worship, adoration, with কৰি, to worship, to adore, to honor.
আৰাধনিয়, *a.* আৰাধনা কৰিবৰ জোগ্য, worthy of reverence and worship.
আৰাল, *s.* এৰাল, গৰু চাগলি চৰিবলৈ বান্ধি দিয়া দিঘল লেজু, a tether.
আৰি, *s.* এবিধ মাচ, কথা বন্ধা, অৰা, ওলোমোআ, a species of scaleless fish, a bet, a wager; *v.* to suspend, to hang.
আৰিমুৰি, *s.* গা মুৰ ভঙ্গা, গা পোনোআ, মেৰেটা মেৰেটি, the act of stretching or straightening the body when weary from long confinement in one position.
আৰিয়া, *s.* ফটাকানি মেৰাই তেল দি লগোআ মলা, a torch, a flambeau.
আৰিকুঁজা, *a.* অলপ কুঁজা, পিঠি পোন নোহোআ, hump-backed, crooked.
আৰি বন্ধা, *s.* কথাবন্ধা, অৰিয়াঅৰিৰ নিয়ম, a bet, a wager, a stake.
আৰু, *conj.* অধিক, বাকি থকা, আকৌ, and, also, again, furthermore.
আৰুবাৰ, *ad.* আনবাৰ, আকৌ, পুনচ, পুনৰ্বাৰ, দুনাই, again, a second time, yet again, once more.
আৰুবেলি, *s.* জোআ বচৰ, আকৌ, পুনৰাই, the past year, again.
আৰু বেলিলৈ, *s.* আগৰ বচৰলৈ, অহা বচৰ, afterwards, next year.
আৰে, *s.* গিতৰ প্ৰাস, গিতৰ ভঙ্গিতা, the prolonging of a musical note in singing or chanting.
আৰেৰুচন্দ, *s.* এবিধ বন, দৰবৰ নাম, a jungle plant used as a medicine in eruptive diseases.
আৰৈচাউল, *s.* নিসিজোআ ধানৰ চাউল, rice cleaned from the husk by simply drying previous to being pounded out.
আৰৈগুৰিয়া, *s.* ভালকৈ নিসিজা ধানৰ চাউল, rice but partially boiled before being cleaned from the husk.
আৰৈয়া, *a.* সুকান দ্ৰব্য, কিচু নৰম, সুদাই, dry, inferior.
আৰোআন, *s.* ৰজাৰ চত্ৰ বিসেস, a sort of umbrella or screen used only by the king.
আৰোআন ধৰা, *s.* ৰজাৰ আৰোআন ধৰা, the king's umbrella bearer.
আৰোগ্য, *a.* নিৰুগি, ৰোগ নথকা, নিঘুনিয়া, healthy, in health.
আৰোপন, *s.* থাপন কৰা, বখা, অৰ্পন কৰা, the act of appointing or placing in office.
আৰোহন, *s.* উঠা, চৰা, ওপৰত উঠা, the act of mounting upon, getting into a vehicle, ascending or climbing.
আৰ্চি, *s.* দৰ্পন, দাপোন, a mirror, a looking glass.

আৰ্জ্জন, *s.* ঘটন, উপাৰ্জ্জন, earnings, savings, accumulation of any thing.
আৰ্জ্জা, *s.* গৰ্হ, সাদৃস্য, আৰ্হি, ঠগ, a likeness, pattern.
আৰ্জ্জি কুৰ্জ্জি, *v.* সুমেৰে লাভ কৰা, to acquire by one's own labour.
আৰ্জ্জিত, *a.* অৰ্জ্জা, ঘটা, acquired, gained, accumulated.
আৰ্থিক, *a.* গ্যানি, নিপুন, বিবেকি, wise, skillful, versed in any science.
আৰ্হি, *s.* ঠগ, আৰ্জ্জা, নকচা, নিচিনা, গৰ্হ, a pattern, an example, a likeness, a picture.
আৰ্হৈ, *a.* দুভাগ আদ ভাগ, two and a half.
আল, *s.* খুঁটাৰ কান, কুকুৰা আদি চৰাইৰ ঠেঙ্গৰ কাঁইট, the tenon of a post, a spur, a sharp point.
আলগ, *a.* নিলগ, বেলেগ, apart, distant, distinct.
আলগতিয়া, *a.* আচুতিয়া, নিলগত থকা, distinct, uncommon, separate.
আলগা, *a.* নলগা, প্ৰিথক, unaccordant, separate, distinct.
আলগোআ, *s.* বেলেগোআ, গা নলগোআ, the act of separating; *a.* separated.
আলচ, *s.* মন্ত্ৰনা, পৰামৰ্স, counsel, a plot, with কৰি, to plan, to plot.
আলজাল, *s.* নো চোআ ভাও ধৰি চোআ, সুনিও নুসুনা ভাও, আওকনিয়া ভাও, hearing or seeing while pretending not to hear or see.
আলজিবা, *s.* তালুত থকা জিবা, the uvula.
আলতা, *s.* লাৰ পানি, ৰঙ্গা বৰন, lac, leaves impregnated with lac.
আলধৰা, *s.* পৰিচাৰক, দাস, লগুআ, কিঙ্কৰ, সেৱক, an attendant, a servant, the act of serving or waiting upon.
আলনি, *s.* আজোখ, লনি নোহোআ, অনুৰনি, not symmetrical, ill favored.
আলপৰিচান, } আলপৈচন, } *s.* লগুআলি, পৰিচৰ্জ্জা, বন কৰা, service, attendance, respect, with ধৰা, to serve, to attend upon.
আলম, *s.* আসুই, সহাই, protection, refuge.
আলম বিলম, *a.* পলম কৰা, গহৰি কৰা, বেলি কৰা, not punctual, not exact in time, late.
আলপিন, *s.* গাঁতি সলা, কাপৰত মৰা সলা, a pin.
আলৰ, *a.* বৰ বুৰ্হা, নৰলা নচৰা, জঠৰ, decrepit, palsied, aged.
আলসনি, *s.* অকস্মাত পেট কামোৰনি ধৰা, পিসাঁচি, a sudden pain in the bowels supposed to be caused by an evil spirit.
আলসুআ, *a.* কোমল, আতোলতোল, দুখ সহিব নোআৰা, অতি সুখি, soft, delicate, tenderly nourished, petted, indulged.
আলফুল, *a.* ঢিল, কোমল, দুখ নোপোআকৈ, আলসুআ, tender, delicate, easily injured or broken by handling.

আলই, *s.* ঘৰ, নিবাসৰ থান, থকা ঠাই, a house, habitation, abode.
আলবি, *a.* বুৰি, লবিৰ নোঅৰা তিৰোতা, a decrepit old woman.
আলস্য, *s.* এলাহ, বনলৈ ইচ্ছা নোহোআ, সৰপালি, laziness, indolence, idleness, sloth.
আলহউদগ, *s.* বৰ সাদৰ, আতৌ পুতৌ, বৰ আনন্দ, the treating a person with great respect and love.
আলাই জাবৰি, *s.* আকাজ ভাগি, ভাঁৰ্কৰি, unskillful, untidy.
আলাউ, *s.* অলাউ, ডিঙ্গি নোহোআ লাও, a bottle-shaped gourd.
আলাইআথানি, *s.* অকাৰন হানি, নেসামৰি পেলোআ, waste or death from utter neglect.
আলাই জাবৰ, *s.* বন ন জনা, গৰ্হপিট নোহোআ, unskillful, ill-favored, untidy.
আলাগত, } *ad.* ওপৰত, সুন্যত, নিলগত, আলাসত, in empty space,
আলাগতে, } resting on nothing, out of reach.
আলাগি, *a.* এলাগি, অসুৱনি, গিৰিএকে দেখিব নোৱৰা তিৰোতা, unsightly, a woman who is hateful in the eyes of her husband.
আলাঙ্কু, *s.* ধুঁআৰ মল, এলাঙ্কু, soot.
আলাপ, *s.* কথা বাত্রা, কথোপকথন, চেনেহ আদিৰে কথন, conversation, intercourse, discourse, familiarity as friends.
আলাপাক, *s.* কথা বাত্রা আদি ন জনা, আওপাক, হোজা, ফাকিফুকা ন জনা, absence of artifice, stratagem or cunning.
আলাপি, *a.* সজ কথা কব পৰা, বৰ কথকি, social, chatty, affable, familiar.
আলাবাদু, *a.* একো নজনা, অপাত্র, ignorant of work, useless.
আলাসতে, *s.* ওপৰতে, মাটিত নলগা, আলাগতে, above, unsupported, in empty space.
আলাহেদা, *a.* প্রিথক, নিলগ, বাহিৰ, separate, distinct, different.
আলি, *s.* পথ, বাট, ৰাজ বাট, a path, a road, a highway.
আলিঙ্গন, *s.* সাবটি ধৰা, কোলাকোলি, আঁকোআলি ধৰা, the act of hugging, embracing, or clasping.
আলু, *s.* মুল, দাঁতৰ গুৰি, a tuberous root, the gums of the teeth.
আলুউঠা, *a.* মাটিৰ ওপৰলৈ গচৰ মুল উঠা, পিৰি উঠা, উচন হোআ, rooted up, completely destroyed, applied to persons as well as plants
আলেখলেখ, *s.* চেগ, চল, লখ্য, গতি, a stealthy watching, laying in wait to injure or destroy.
আলেঙ্গে আলেঙ্গে, *ad.* নিলগে নিলগে, আঁতৰে আঁতৰে, বাহিৰে বাহিৰে, not close at hand, outwardly.

আলেজালে, *ad.* অকার্জত বহি থকা, বেথাতে, idly, to no purpose.
আলৈআহুকাল, *s.* পৰিয়ালৰ জঁজাল, domestic strife, family jars.
আলৈপালৈ, *s.* পোহাপলা, বন্ধ বান্ধৱ, মিতিৰ কুটুম, অঙ্গহিৰঙ্গহি, a supporter, one's own friends and relations.
আলৈবিলৈ, *s.* আলাই বিলাই, আচানত বৰ দুখ পোআ, আলাইআথানি, alone, forsaken, desolate.
আলো, *s.* পহৰ ৰশ্মি, দিপ্তি, মহিমা, light, brightness, brilliancy.
আলোকন, *s.* দিৃষ্টিপাত কৰা, চোআ, the act of looking at, seeing.
আলোচনা, *s.* বিবেচনা, গুনি চোআ, বিচাৰ কৰা, আলচ কৰা, an investigation, a view.
আলৌআপচু, *a.* নিন্দিত মাত, ঘিন কৰা, আহুকলিয়া, a term of abuse.
আলৌলৌআ, *a.* আলমুআ, বৰ চেনেহেৰে তোলা, tender, delicate, tenderly brought up.
আৱস্যক, *s.* ন হলে নহই, লাগতিয়া, কামিলা, প্ৰয়োজনিয়, লগা, necessity, expediency; *a.* necessary, indispensable, expedient.
আস, *s.* আসা, হেঁপাহ, ইচা, মন, desire, thirst, intention, mind.
আসই, *s.* মন, অভিপ্ৰাই, চিত, intention, object, scope, aim, mind.
আসংসা, *s.* আসিৰ্বাদ, a blessing.
আসকত, *a.* ঢিলা, নিৰ্বল, লেতুসেতু, weak, feeble.
আসকতিয়া, *a.* দুৰ্বলি, পিৰিত, খিন, weak feeble, lean.
আসক্ত, *a.* মন মজা, ৰতি, মন বহা, অনুৰাগ, devoted, attached, enamoured.
আসংকা, *s.* সংসই, ভই, ঠাৱৰ কৰিব নোআৰা, উগুলথুগুল, doubt, hesitation, incertitude.
আসন, *s.* চকি আদি বহা বস্তু, a seat, a throne, a seat of any kind.
আসন্ন, *a.* সেস, অৱসান, ওচৰ চপা, near, at hand, approaching.
আসন্নকাল, *s.* আৱসান কাল, মৰন কাল, সেস কাল, the close of life, the time of death.
আসপাস, *ad.* আগ পাচ, চাৰিও ফালে, চৌমেৰে, around, on every side.
আসৰাধি, *s.* অপিণ্ডক, স্ৰাধ হিন, সৰাধ নকৰা, one who does not perform the ceremony of *shradh* for his ancestors.
আসলসলাই, *s.* ঢেঁকিৰ সলা, ঢেঁকিৰ কঁতৰাত থকা পথালি মাৰি, the pin of a foot pestle for pounding out paddy.
আসা, *s.* ভাৰসা, ইচা, অপেখ্যা, হেঁপাহ, হাবিয়াহ, hope, wish, expectation, longing, trust.
আসাঁতি, *a.* অসান্তি, বিচেস্টা, অসুখ, ধৰফৰ, restless, discomposed, tossing about in pain.

আসাঁতি আবাতি, *a.* অসুখ অসান্তি, স্বস্থ নোপোআ, restless, unquiet, uneasy, tossing about.

আসাধাৰি, *a.* আসাকৈ থকা, লুভি, expectant, eager to obtain.

আসাপতিয়া, *a.* আখাপতিয়া, তিনি চুকিয়া, triangular, trigonal.

আসাবচাৰেক, *a.* গোটাচাৰেক দুই এক আসাব কথা, a few words more.

আসামুখিয়া, *a.* উদাৰচিত, অকপটিয়া, sincere, guileless, without hypocrisy.

আসি, *a.* চাৰি কুৰি, eighty.

আসির্বাদ, *s.* বৰ দিয়া, আসিস, a blessing, a benediction.

আসুৰি, *a.* অসুৰৰ দৰে প্ৰবর্তী, দুৰাচাৰি, মেলেচ, diabolical, barbarous.

আসৈ কৰা, } *s.* মিচা মতা, নুই কৰা, হোআক নোহোআ বোলা, the
আসৈ মতা, } act of denying, contradicting, refusing to acknowledge.

আসোঁআহ, *s.* কাৰন, বাধা, কাম, কাজ, an excuse, hindrance or reason for not doing work.

আসোভা, *s.* অসোভা, see অসোভা.

আস্তব্যস্ত, *s.* আদৰ সাদৰ, লৰালৰি, উতাউৱা, hastening to show demonstrations of love and respect.

আস্তিক, *s.* ভক্তি, সুধা, আদৰ সাদৰ, believing, trusting, confiding in. a term applied to God, and to individuals.

আস্ফাল, *s.* আফাল, ঢোলোকনি, কোব, আচাৰ, a side stroke or slap. the dashing of a wave.

আস্বাদ, } *s.* চাকি চোআ, সোআদ লোআ, স্তুতি চোআ, কথা বা পর্ব্বা,
আস্বাদন, } সুনাত সোআদ লগা, taste, savour, intellectual relish.

আস্বাসা, } *s.* আস্তিক কৰা, পতিয়৾আ, মৰমেৰে সোধন পোচন,
আস্বাস বিস্বাস, } আদৰ সাদৰ, treating with honour and respect.

আস্রম, *s.* ধৰম বিসেস, ব্রহ্মচাৰি, গিৰস্থি, বনবাসি, ভিখ্যাৰি, এই চাৰি আস্রম, তপসিৰ থকা ঠাই, a state or condition of life, a hermitage or religious retreat.

আস্রমি, *a.* আস্রম, সমন্ধিয়, আস্রম কৰা মানুহ, pertaining to the above.

আস্রই, *s.* সহাই, ৰখ্যাৰ থান, আলম, a refuge, a shelter.

আস্রিত, *a.* আস্রই কৰা, ভাৰসা কৰি থকা, secured, sheltered, protected.

আহজাহ, *s* অহা জোআ, coming and going, going back and forth.

আহডলিয়া বাহডলিয়া, *a.* লতা পতা, অলপ মিতিৰ লগা, remotely related.

আহৰি, *s.* আজৰি, খতি, সমাপ্ত, চুকুউআ, leisure, cessation from, with কৰি, to complete, to finish, to draw to a close.

আহাৰ, *s.* খোআ বস্তু, ভোজনৰ দ্ৰব্য, এক মাহৰ নাম, food of all kinds, a Hindoo month corresponding to parts of June and July.

আহাৰি, *a.* খাওঁতা, খাৱৈআ, greedy, gluttonous.

আহাৰুআ, *a.* আহাৰ মাহত হোআ, এবিধ পোক, produced in or belonging to the month of Ahar, a species of insect.

আহিন, *s.* সৰত কাল, বচৰৰ সষ্ট মাহ, the Hindoo month, corresponding to the last half of September and first half of October.

আহিনিয়া, *a.* আহিনত হোআ বা ওপজা, produced in, or belonging to the above month.

আহু, *s.* বাম ধান, অলপ বেয়া, a species of paddy grown on high land, inferior in quality.

আহুকাল, *s.* বেজাৰ, আপদ, আমনি, a time of perplexity or trouble.

আহুত, *a.* নিমন্ত্রন কৰা, মতা, called, invited.

আহুতি, *s.* হোম, হৱন কৰা, a burnt offering, a sacrifice.

আহুদি, *s.* মন মোহোআ দৰৱ বা মন্ত্র, হৰা দৰৱ, জাদু কৰা, an incantation, a charm, with কৰি, to charm, to bewitch &c.

আহুনিয়া, *a.* আওগৰিয়া, এঢলিয়া, কতিয়া, on one side, aslant, bent.

আহোন, *s.* হাতিৰ গলধন, ডিঙ্গিৰ ওপৰ ফাল, বৃিখ্যাদিৰ হলা চেপেটা ডাল, any elevated seat, the elephant's neck on which the driver sits, a steersman's seat on the stern of a boat, a natural seat formed by the branches of a tree.

আহোন মাৰি, *v.* আহোন্ডিৰি বহা, to sit cross-legged.

আহোন্ডিৰি, *v.* আসন মৰা, দুই ঠেঙ্গ জুটি বহা, to sit with the feet drawn up and crossed.

আহোম, *s.* ইন্দ্র বংসি, কুল বিসেস, descended from Indra, the Ahom race.

আহোম, বগৰি, *s.* এবিধ গচৰ গুটি, a species of plum.

আহৌ, *interj.* সামান্যক নিলগৰ পৰা মতা, a word used in calling to a person at a distance.

আহ্নিক, *a.* দিনটিয়া, দিনে দিনে, কৰা, daily, diurnal.

আহ্বান, *s.* নিমন্ত্রন, মতা, an invitation, a call.

আহ্লাদ, *s.* হর্স, আনন্দ, তুস্ট, joy, gladness, delight, mirth, festivity.

আহ্লাদিত, *a.* ৰঙ্গ পোআ, হর্সিত, সন্তুস্ট, glad, joyful, mirthful.

## ই

ই, ঈ, ব্যঞ্জনৰ লগত গোট খালে ইকাৰ আৰু দির্ঘিকাৰ এই ৰুপে লেখে, (ি, ী,) These two vowels are used indiscriminately to express the sound of *i*, in *pique*, *pin*, *pity*. The Assamese language knows no distinction between them except what is produced by accent, to which the Sanscrit and Bengali distinction of long and short denoted

by those two characters have no reference. Hence for all practical purposes the first character only need be retained. ই, is often used as an emphatic affix, equivalent to *even, indeed.* It is sometimes used for *he, it, this, that, this one.* It is used in speaking of an inferior, and in pointing out the nearest of two things.

ইঃ, *interj.* ইহ্, অৱহেলা গেজেৰা মৰা বিস্ময়ৰ বা কোপৰ মাত, a particle expressing disgust, scorn, surprise, sorrow or anger.

ইকটা সিকটা, *s.* মুখ ভেঙ্গুৰা কৰা, বেয়া গোন্ধত মুখ ইফাল সিফাল কৰা, the making a wry face, distortion of the features.

ইকৰা, *s.* ঘৰৰ বেৰ আদি দিয়া তিন বিসেস, a jungle reed.

ইকাতি সিকাতি, *ad.* ইমুখ সিমুখ, ইলুটি সিলুটি, ইফাল সিফাল, from side to side, this way and that way.

ইঙ্গিত, *s.* কথা বুজা ঠাৰ, চিয়াৰ, চকু টিপুউআ মুৰ দুপিওআ আদি সঙ্কেত কৰম, a signal, a hint, a wink, a nod, with কৰি, to beckon &c.

ইচ, *interj.* বেয়া পোআ বা উপলজ্বা, কৰা মাত, a particle expressive of pain, surprise, anger or sorrow.

ইচা, *s.* মন, বাঞ্চা, কামনা, wish, desire, will, choice, inclination.

ইচাক্রমে, ইচামতে, } *ad.* ইচা কপে, মনৰ জোখাৰে, spontaneously, according to the will or desire.

ইচাট বিচাট, *s.* চাটি ফুটি, জৰত গাৰ পোৰনিএ ধৰা, tossing about in pain, restlessness, inquietude.

ইচাপুৰ্ব্বক, *ad.* আপোন মনেৰে, আপোনা আপুনি, voluntarily; *a.* voluntary.

ইজা, *a.* ইপাতৰ মুঠ হিচাব সিপাতত দিয়া, brought over, carried forward in accounts.

ইটা, *s.* ইষ্টক, পকা মাটি, a brick.

ইটাগুৰিয়া, *a.* চৰাই এবিধ, ইটাৰ নিচিনা বৰন, the name of a bird; *s.* reddish like brick.

ইটি, *a.* এইটি, আগত থকা সৰু বস্তু, বেথাৰ মাত, this one, this little one, expressing affection.

ইটে সিটে, *pron.* এইটোএ সেইটোএ, পৰস্পৰ, ইয়ে সিয়ে, দুয়ো, to this and that, to each other.

ইটো, *pron.* ই, এইটো, ওচৰত থকাটো, this, this one, the nearest of two, this fellow or inferior thing.

ইতৰ, *a.* আন, পৰ, সামান্য, নিহ, other, different, ordinary, low, mean.

ইতি, *ad.* সমাপ্ত, অন্ত, ওৰ পৰা, the end, finis.

ইতিকিঙ্গ, *s.* নিন্দা, অৱহেলা, উলাই, detraction, reviling, contempt.

ইতিখ্যন, *ad.* এতিয়াই, নিমিসতে, just now, quickly, at this moment.

ইতিমধ্যে, *ad.* এনেতে, ইয়াৰ মাজতে, ইতি সময়ে, meanwhile, during this time.

ইতিয়াই, *ad.* এতিয়াই, খন্তেকত, ইতিখ্যনে, just now, this very instant.

ইতিহাস, *s.* বিবৰন, বুৰঞ্জি, আখ্যান, a relation, a history, a narrative, a story.

ইত্যাদি, *ad.* ইয়াকে আদি কৰি, et cetera, and so forth.

ইদানিক, *ad.* এতিয়া, এই কালত, now, at this time.

ইদিকি সিদিকি, *ad.* ইফালে সিফালে, ইপোনে সিপোনে, this side and that side.

ইনুআ বিনুআ, *s.* ইনাই বিনাই কন্দা, বিলাপ কৰা, গুন বৰ্নাই কন্দা, a lament, a dirge, lamentation, wailing.

ইন্দু, *s.* চন্দ্ৰ, জোন, the moon.

ইন্দুৰ, *s.* এন্দুৰ, মাটিত গাঁত লৈ থকা জন্তু, a ground rat.

ইন্দ্ৰ, *s.* দেৱতাৰ অধিপতি, সুৰপতি, পুৰন্দৰ, the Hindoo god said to preside over the atmosphere, and to whom the other gods are subordinate.

ইন্দ্ৰজাল, *s.* মায়াজাল, টাটক কৰা বিদ্যা, the net of illusion, jugglery.

ইন্দ্ৰজিত, *s.* ৰাৱনৰ পুত্ৰ, এবিধ সৰ্প, the son of Rawan, the king of Lonká or Ceylon, a species of snake.

ইন্দ্ৰদ্যুম্ন, *s.* জগনাথ তিৰ্থ থাপন কৰোঁতা এক ৰজাৰ নাম, name of the king who founded the shrine of Juggernath.

ইন্দ্ৰমায়া, *s.* ইন্দ্ৰজাল, legerdemain, jugglery.

ইন্দ্ৰমালতি, *s.* বগা আৰু হালধিয়া ফুল এবিধ, a species of flower.

ইন্দ্ৰানি, *s.* ইন্দ্ৰৰ ভাৰ্য্যা, Indra's wife.

ইন্দ্ৰায়ুধ্য, *s.* ইন্দ্ৰৰ অস্ত্ৰ, মেঘধেনু, Indra's bow, the rainbow.

ইন্দ্ৰাসন, *s.* ইন্দ্ৰৰ আসন, the throne of Indra.

ইন্দ্ৰিয়, *s.* সৰিৰৰ অঙ্গ, চেতনা, the organs of sensation and perception.

ইন্দ্ৰিয় দমন, *s.* কাম আদি ইন্দ্ৰিয়ক বস কৰা, self denial, self control.

ইন্দ্ৰিয় দোস, *s.* ইন্দ্ৰিয়ৰ বস হৈ কুকৰম কৰা, evil propensity, concupiscence, evil desire.

ইপৰিয়া, *a.* ইপাৰত থকা, এই ফলিয়া, on this side (of a river or road) belonging to this party or army.

ইপাৰ, *s.* এইপাৰ, এই দাঁতি, this side, the nearest side.

ইপিনে, ইপোনে, } *ad.* এইপোনে, এই দিসে, এই ফাল, this direction, this way.

ইফলিয়া, *ad.* এই ফলিয়া, ইপৰিয়া, ইভগিয়া, on this side, of this party.
ইবাই সিবাই, *ad.* ঘনে ঘনে অহা জোআ, ইবাৰ সিবাৰ, again and again, constantly coming and going.
ইবাৰ, *ad.* এই বেলি, এই বাৰ, this time, this once.
ইমান, *ad.* এইমান, এই পৰিমান, so little or so much.
ইমুখ সিমুখ, *s.* ইফাল সিফাল কৰা, লাজত মুখ ঘুৰুউআ, turning this way and that way, with কৰি, to avert the face from shame &c.
ইয়াত, *ad.* এই ঠাইত, in this place, here.
ইয়ে, *pron.* এয়ে, এইটোএ, ই, this one, (this very person emphatic.)
ইর্ষা, *s.* হিংসা, সত্রু ভাও, কপট, পৰঅপকাৰ চিন্তা, envy, malice, spite, ill will.
ইলাচি, *s.* এলাচি, গন্ধ দ্রব্য, মচলা বিসেস, cardamons.
ইলিহি, *s.* মাচ এবিধ, the *ilihi*, or *hilsa* fish.
ইস্ট, *a.* বাঞ্চিত, প্রিয়, বন্ধু, সুহৃদ, desired, wished for, cherished, beloved.
ইস্টকর্ম, *s.* সুভকাম, বাঞ্চিত কাম, আপোন কাম, a favorite or cherished work, work according to one's desire.
ইস্ট গুৰু, *s.* আপোন গুৰু, নিজ গুৰু, one's own chosen religious teacher.
ইস্ট দেৱতা, *s.* আপোন দেৱতা, কুল দেৱতা, the god of special choice and worship.
ইস্টান্বিত, *a.* মিত্রিবালি, চিনাকি, ইস্ট থকা, intimate, friendly, attached.
ইস্টার্চন, *s.* পূজা কৰা, ইস্বৰক অর্চনা কৰা, worship, homage, adoration.
ইস, *interj.* দুখ খঙ বেজাৰ আদিৰ মাত, আচৰিত মনা মাত, ইহ, a particle expressing anger, scorn, disgust.
ইসাদ, *s.* সাখি, জনা দেখা প্রমান, witness, evidence, an eye witness.
ইসান, *s.* উত্তৰ পুবৰ মধ্য কোন, সদাসিব, the north east point of the compass, one of the names of *Hoda Hiwo* or *Moha Deo*.
ইস্তাহাৰ, *s.* ৰজাৰ আগ্যা প্রকাস কৰা, ঘোসনা, a proclamation, a notice.
ইস্তাহাৰ নামা, *s.* জাননি পত্র, ঘোসনা পত্র, a written proclamation &c.
ইস্ত্রি, *s.* ধোবাই কাপৰ ঘঁহা জন্ত্র, an instrument for ironing cloth.
ইস্বৰ, *s.* সৃজন পালন সংহাৰ কর্তা, প্রভু, God, the supreme being, Lord.
ইস্বৰি, *s.* দেবি, গোসানি, আদ্যা প্রকৃতি, a goddess, original unformed matter.
ইস্বৰিয়, *a.* ইস্বৰ সম্বন্ধিয়, divine, godlike.
ইহ, *s.* নাঙ্গলৰ ডিলা, ইস, the beam of a plough.
ইহ, *a.* এই, বর্তমান, this, present.
ইহকাল, *s.* জিৱন কাল, বর্তমান কাল, the present time, the present state.

ইহঁত, *pron.* ইবিলাক, এই সকল, these, they, (spoken of inferiors.)

ইহলোক, *s.* এই জগত, মৰ্ত্যলোক, এইপুৰি, the present life, this world or state of existence.

ইহলোক পৰলোক, *s.* ইহকাল পৰকাল, here and hereafter, this world and the next.

উ

উ, ঊ, উকাৰ আৰু দিৰ্ঘূকাৰ, ব্যঞ্জনৰ লগত গোট খালে এই ৰুপে লিখে, ( ু ূ ) আচৰিত মনা মাত, বিঙ্গিউআ. These two vowels when joined to consonants are represented by the symbols ( ু ূ ) placed under the letter. They are indiscriminately used in Assamese to represent the sound of *u* in *rule* or *oo* in *poor*. Hence the first character only need be retained. উ, is used interjectively, to express surprise, and in calling or replying to a person at a distance.

উআ, } *ad.* মিচা, অকাৰন, সুদা, without cause, needlessly.
উআতে, }

উআই, *interj.* আচৰিত মাত, বিস্ময় মনা মাত, নে দেখাক দেখা, a particle expressing surprise, or astonishment.

উআদিহ, *s.* আগগুৰি, বুজ, ভুভটং, a full understanding or certain knowledge of an affair.

উঁই, } *s.* বগা পোক এবিধ, the termite or white ant.
উইপৰুআ, }

উঁইচিলা, *s.* উয়ে মাটি তোলা ভেঁটি, উই হাঁফলু, a heap of earth thrown up by white ants.

উইবাহ, *s.* উই কৰ্কৰা, a nest of white ants.

উই হাঁফলু, *s.* see উইচিলা.

উকটপাকট, *s.* পেট পকোআ, a griping of the bowels.

উকটিঅহা, *s.* বাঁতি আহিব খোজা, retching as when about to vomit.

উকটি পেলোআ, *s.* দন্দত গোপন কথা বাহিৰ কৰা, গোকাটনি অঁতোআ, the act of divulging a secret, of making a hidden matter public, stirring up an old difficulty.

উক্দিয়া, *s.* ৰোগ উজাৰ খোআ, গুচা ৰোগ পুনৰ হোআ, the breaking forth afresh of an old disease or pain.

উক্মুকনি, *s.* ঘামত গা পোৰা, গপগপনিত উসাহ নোপোআ, a burning sensation of the body, a stifling suffocating sensation.

উকলা, *s.* অৱসেস, লেখ জোখত বাহিঁ থকা, excess, surplus, remainder.

উকহ, *s.* এবিধ কুকুআ চৰাই, a species of eagle.

উকহে খোআ, *s.* তত নোপোআ, ধৰ্ফৰোআ, ভেঃপৰা, the doing anything hastily, rashly, or without regard to consequences.

উকা, *a.* বৰন ফুল নোহোআ কাপৰ আদি, plain, colorless, unornamented.

উকাই, *v.* পুনৰপি হোআ, to break forth afresh (as of a disease.)

উকি, *s.* ৰিঙ, এটাহ, a call, a cry, with মাৰি, to call, to cry aloud.

উকিআই, *v.* ৰিঙিউআ, ৰিঙিয়াই মতা, to call out to a person at a distance.

উকিল, *s.* গোচৰ কৰিবৰ নিমিত্তে প্ৰতিনিধি, মুক্তিয়াৰ, an attorney, an agent, a pleader in a court, a mooktear.

উকুউআ, *s.* ভাল হোআ ৰোগ দুনাই হোআ, উকদিয়া, a relapse into disease from a convalescent state.

উকুলিয়াই, *v.* উকুলিউআ, মুখৰ পৰা উলিয়াই পেলোআ, to spit out, to eject from the mouth.

উক্ত, *a.* কোআ, কথন, আগত কোআ, said, spoken, related.

উক্তি, *s.* কোআ কথা, a saying, expression, sentence.

উখনা উখনি, *s.* বাদ বিবাদ, mutual abuse, disputation.

উখৰা, *a.* একো গচ বন নগজা ঠাই, নুকান ঠাই, খঙাল; *s.* a dry, barren place, quick tempered.

উখল মাখল, *ad.* উলহমালহ, খৰখেদা, quickly, expeditiously.

উখহা, *s.* দেহনাত মঙহ উঠা, মঙহ ওফোন্দা, ডাঙৰ হোআ, a swelling, enlargement, inflation; *a.* swollen, inflated, enlarged.

উখামুখা, *a.* মনবৰ্হা, নেচাই নিচিন্তি কাম কৰা, audacious, inconsiderate, rash.

উখাহ, } *s.* উসাহ, নিশ্বাস, the breath, respiration.
উসাহ,

উখুআ, } *s.* উহুআ, পানি দি সিজোআ, the act of boiling; *a.* boiled,
উসুআ, as rice boiled in the husk preparatory to pounding out.

উখুমা, } *a.* তিতা বস্তুত গাপ লগা, মলঙা, ভেঁকুৰা, heated, swollen,
উসুমা, mouldy, mildewed.

উখুমাগলা, *a.* উখহামুখ, লেতা সেৰেলুআ, চেপাগাল, full face, having high cheek bones.

উগাৰ, *s.* উদ্গাৰ, হেঁকটি বিশেষ, ওপৰলৈ পেটৰ বায়ু উঠা, eructation, the act of belching wind from the stomach.

উগাৰ চৰা, *s.* উগৰা, হুমিউআ, heaving a sigh, the expression of a determination to punish or revenge.

উগাৰি, *v.* উগাৰ মৰা. to eructate, to belch up wind.
উগুলথুগুল, *s.* বিবুধি, অথিৰ অবিৰ, consternation, perplexity, trouble.
উগ্ৰ, *a.* অতি, চোকা, নিপুন, খঙ্গাল, very, very much, very great, passionate, pungent.
উগ্ৰকঁপালি, *a.* ভাগ্যৱন্ত, সুখি, বৰ কঁপালি, fortunate, lucky, prosperous.
উগ্ৰবুধি, *s.* বৰ বুধি, চোকা বুধি, a good understanding, a quick perception.
উগ্ৰসাস্তি, *s.* বৰ সাস্তি, নানা জাতনা দিয়া, জিয়াতু, torture, torment, agony.
উঘলা, *s.* উভলা, গুৰিএ সৈতে তোলা, the act of eradicating or uprooting.
উঘা, *s.* সুতা লোআ জন্ত্ৰ, সিপিনি তাঁতিৰ সঁজুলি, a reel for winding thread.
উঘালি, *v.* গুৰিএ সৈতে তুলি, উভালি, to uproot, to eradicate, to overthrow.
উঘুআই, *v.* উঘাত সুতা মেৰোআ, to wind thread on a reel.
উচও, *s.* উৎসৱ, বৰ ৰঙ্গ, ৰহস্য, পৰ্ব, বিবাহাদি, a festival, a holiday, a joyful occasion.
উচটাই, *v.* মন বৰ্হোআ, উচাহ বৰ্হোআ, to persuade, to encourage, to influence, to embolden.
উচটুআ, *s.* প্ৰসংসাৰে মন বৰ্হোআ, the act of persuading by flattery.
উচন, *a.* উবাব, নাস, ঠাই উদঙ্গ হোআ, ruined, devastated, laid waste.
উচপিচ, *s.* মনৰ উদ্যোগ, খৰ্মৰ, ধৰফৰ, hurry, bustle, restlessness.
উচৰ্গ, } *s.* উৎচৰ্গ, দান, আগ কৰা, a gift, an offering, with কৰি,
উচৰগ } to offer in sacrifice, to dedicate.
উচৰ্গা, *s.* উচৰ্গি দিয়া, জৌতকত দিয়া, alms giving, offering as a sacrifice; *a.* given, offered.
উচল, *s.* চুকুআ, আদাই, সমুলি দিয়া, the bringing to a close, completion, full payment of a debt or obligation.
উচলপাচল, *a.* উলহমালহ, আনন্দত বিভত হোআ, intoxication with joy, delighted.
উচলা, *a.* উলাহ দিয়া, ওপৰলৈ দঙ্গা, elevated, lifted up, prominent.
উচাটমাৰি, *v.* খঙ্গত কথা নুসুনি গুচি জোআ, to go away in anger and refuse to listen.
উচাৰ, *s.* চঁক, ভই খাই গা জোকাৰ মৰা, a sudden start, a shudder.
উচাৰন, *s.* কথন, মাত, গোআ, utterance, pronunciation.
উচালমৰা, *s.* উকাল মৰা, ওপৰলৈ বল দিয়া, an upward force or pressure, a sudden spring or bound.
উচালি, *v.* বলেৰে ওপৰলৈ দাঙ্গি, উলাহি, to lift upward, to raise.
উচাহ, *s.* উৎচাহ, উদ্যোগ, মন উঠা, zeal, enterprise, readiness, forwardness, eagerness to engage in an undertaking.

উচাহি, *a.* উৎচাহি, বঙ্গুআল, মন বহা, zealous, eager, enterprising.
উচুটিয়া, *s.* উচটোআ, মিচাকৈ প্ৰসংসা কৰোঁতা a flatterer, a sycophant.
উচুপি, *a.* সবহিয়া, বহুত, তেনেই, very many, very much, the whole.
উচুপিকন্দা, *s.* ফেঁকুৰি কন্দা, লৰাই হেঁকটিয়াই কন্দা, suppressed crying, sobbing.
উজনি, *a.* নদিৰ ওপৰ ভাগৰ পোনে, up country, up stream.
উজনিমুআ, *a.* উজনি ফালে মুকৈ থকা, with face turned up stream.
উজনিয়া, *a.* উজনিৰ, উজনিত থকা, upward, belonging to an up country.
উজৰা, *s.* খানি খোআ মাটি, জুৰ্জুৰিয়াকৈ খোচবা, পুৰনি কথা উলিউআ, mellowing or stirring up ground for seed, the reviving or agitating an old affair; *a.* mellowed, agitated.
উজৰি উটা, *s.* খঙ্গকৈ কোআ, খঙ্গত গুঁজৰি উটা, the using of harsh angry words or speech, a sudden rising of anger.
উজলা দতা, *a.* দঁতুআ, বাহিৰলৈ দাঁত ওলোআ, prominent front teeth.
উজাই, *v.* উজনিলৈ জোআ, আগ বহা, to go up stream, to advance.
উজাগৰ, *s.* সাৰে থকা, অনিদ্ৰিত, wakefulness, watchfulness, vigilance.
উজান, *s.* উজনি ঠাই, সবহ মাচে লগ ধৰি উজাই জোআ, an upland country, up stream, the moving of fish in shoals up stream.
উজাৰ, *s.* চঁক খোআ, ৰোগ উক দিয়া, sudden flight or dispersion from fear, the breaking out of disease afresh.
উজাৰ খাই, *v.* ত্ৰাকে ভই খাই উটা, উক দিয়া, to startle or disperse; *a.* startled, frightened, broken out afresh as of disease.
উজাৰি, *v.* খুঁচৰি দিয়া, গুপুত কথা উলিয়াই দিয়া, উজাৰ খুআই, to pulverize or mellow the soil, to expose or make public.
উজু, *a.* চিল, কোমল, সুগম, easy to do or to understand.
উজুআ, *s.* উজাই জোআ, ওপৰলৈ টনা, the act of ascending or causing to ascend.
উজুঁটি, *s.* জুঁটি, ভৰিৰ আঙ্গুলিত খুন্দা খোআ, a mis-step, a mistake.
উজ্জল, *a.* প্ৰকাস, কান্তি, নিৰ্ম্মল, luminous, clear, bright, transparent.
উট, *s.* জন্তু এবিধ, উষ্ট্ৰ, a camel.
উটনিয়া, *a.* চিয়াৰেৰে কথাত নিন্দা কৰা, উপলুঙ্গা কৰা, খেনি কৰা, ironical, abusive.
উটা, *s.* ওপঙ্গা, পানিৰ ওপৰত উটি জোআ, the being sustained or carried on the surface of a fluid; *a.* floating, buoyant.
উটাপুটি, *s.* অগিয়াবগি, ওপৰাওপৰি, অনিয়াঅনি, dispute, emulation, strife, rivalry.

উটাৰুৱা, *s.* বান পানি অহা, চল, ভগনিয়াৰ মানুহ, a flood, an inundation; *fig.* a person who wanders about like drift wood, without any fixed habitation; *a.* overflowed, inundated, laboring under some heavy calamity.

উটি, *v.* ওপঙ্গি, পানিত উটি জোআ, to float, to drift, to move on the surface of a fluid.

উটিবুৰি, *v.* পানিত এবেলি উটি এবেলি তল জোআ, থানথিত নোলোআকৈ বাগৰি ফুৰা, to float and sink alternately, to wander about without fixed abode.

উটুআই, *v.* উটাই দি, ওপঙ্গাই দি, to cause to float, to carry away by the force of a current.

উঠঙ্গা, *a.* অলপ ওখ, মাজ ওখ, prominent, slightly elevated.

উঠঙ্গাই, *v.* বৰ বৰ কথা কোআ, গপাই কোআ, কথাৰে বৰটো কৰা, to make one's self prominent, to boast, to brag.

উঠঙ্গাউঠঙ্গি, *a.* ওখ চাপৰ, খাল বাম, undulating, uneven.

উঠন, *s.* বৰ্হা, সকত হৈ অহা, উঠি অহা, growth, increase, elevation, a rising up, ascension.

উঠনা, *s.* আগলৈ মুল্য দিবলৈ কিনা, the purchasing on credit.

উঠা, *s.* বৰ্হা, ওপৰলৈ জোআ, সাৰ পোআ, গা দঙ্গা, growth, ascent, awaking from sleep, rising, standing up.

উঠামেলা, *a.* বাৰে বাৰে উঠা বহা, alternate rising up and sitting down.

উঠি, *v.* গা দাঙ্গি, ওপৰলৈ জোআ, to rise, to grow, to wake from sleep, to mount, to ascend.

উঠি অহা, *s.* বাৰ্হি জোআ, ডাঙ্গৰ হৈ জোআ, a springing up, growth.

উত্কট, *a.* আহুকাল, বৰ কষ্ট, কৰিবলৈ কঠিন, annoying, disagreeable, troublesome, difficult.

উত্খাত্, *s.* উবাৰ, উচন, সৰ্বনাস, overthrow, destruction, ruin.

উতঙ্গুআ, *v.* উতলোআ, উচটোআ, urge a person to any course good or bad.

উতনুআ, *s.* জন্তু এবিধ, উত্রাৱল, তত নাইকিয়া, a small ground animal; *a.* restless, unstable, excitable.

উত্পতি, *s.* ওপজা, হোআ, ওলোআ, a production, result, consequence, fruit, development.

উত্পন, *a.* জন্ম, ওলোআ, ঘটন, produced, arisen from, with কৰি, to produce, to beget, to bear.

উত্পাত, *s.* অদ্ভুত ঘটনা, অমঙ্গল ঘটাৰ চিন, a calamity, a portent.

উত্পাৰি, *v.* উবাৰি, সমুলি তুলি, to waste, to ravage, to turn upside down.

উত্তম, *a.* অতি ভাল, শ্রেষ্ঠ, প্রধান, best, chief, super-excellent.

উত্তৰ, *s.* উত্তৰ, সমিচাৰ, সিধান্ত, সন্নিধান, একদিস, an answer, a defence, a reply, the northern point of the compass.

উত্তৰ কাল, *s.* অহা কাল, ভবিস্যত কাল, আগলৈ, the coming time, hereafter.

উত্তৰ প্ৰত্যুত্তৰ, *s.* কথোপকথন, প্ৰশ্নোত্তৰ, বাৰে বাৰে উত্তৰ কৰা, a dialogue, a conversation.

উত্তৰাধিকাৰ, *s.* পৈত্রিক ধন আদিৰ গৰাকি বা ভাগ, an inheritance, a title, a right in a patrimonial estate, a government, a privilege, a possession.

উত্তৰাধিকাৰি, *s.* পৈত্রিক ধন আদিৰ গৰাকি হোআ, an heir, a successor.

উত্তৰায়ন, *s.* মাঘৰ পৰা চমাহ সূৰ্জে উত্তৰলৈ গতি কৰা পথ, the sun's path north of the equator.

উত্তৰি, *s.* বাগৰি গতিয়াকৈ লোআ কাপৰ, কায়স্থৰ লগুন, সন্নিধানি, a cloth worn over the left shoulder and under the right arm so as to leave the latter exposed, the sacred thread of the Kayosth caste, a person skilled in argument.

উতলা, *a.* তাপত ওপৰলৈ উফন্দি অহা, boiled, ruffled, agitated, heated.

উতলি, *v.* থকবকোআ, জুইৰ তাপত উথাল্ ধৰা, to boil, to melt, to bubble up.

উত্সৰ্গ, *s.* উচৰ্গা, দান, আগ কৰা, an offering, oblation, gift, with কৰি, to present as an oblation, to sacrifice.

উত্সৱ, *s.* উচও, see উচও.

উত্তাপ, *s.* অতিসই তাপ, মনৰ উচাহ, warmth, heat, ardor, zeal.

উত্তির্ন, *a.* উঠা, পাৰ পোআ, উধাৰ পোআ, rescued, crossed over, extricated from a difficulty.

উত্ৰাৱল, *s.* উথপথপ, উন্মত্ত, বিহ্বল, ecstasy, enthusiasm, distraction; *a.* delighted, excited, overjoyed.

উথপ্থপ্, *s.* খদম্দম্, খৰখেদা, লৰাত কৰা, উত্ৰাৱল, excitement, hurry, bustle.

উথাপন, *s.* কথা উলিউআ, উচাৰন, প্ৰস্তাৱ, introducing a subject for conversation, discussion.

উথাল, *s.* থকবকোআ, তাপত ওফন্দি অহা, boiling or bubbling up.

উদ, *s.* পানিত মাচ ধৰি খোআ জন্তু, an otter.

উদক, *s.* জল, পানি, a fluid, water.

উদগাই, *v.* উচটাই, উত্লাই, উচাহ দৰ্হাই, to exhort, to animate, to incite, to urge forward.

উদঙ্গ, *a.* মুদা, মুকলি, লাঙ্গট, নাইকিয়া, base, naked, empty, stripped, open, uncovered, let loose.

উদঙ্গ মুৰিয়া, *a.* মুকলি মুৰিয়া, অধিন নোহোআ, স্বতন্ত্র, free, independent.

উদঙ্গিয়া, *a.* উদঙ্গ মেলা, অৰখ্যক, let loose to wander about without a keeper, unowned, unprotected, stripped of every thing.

উগুন্ত, *a.* স্বতন্ত্র, অবস, অদমন, উদঙ্গিয়া, independent, uncontrolable, unrestrainable.

উদফাঁই, *s.* ওপৰলৈ উসাহ টনা ৰোগ, ঘুমুৰোগ, the asthma.

উদই, *s.* প্রকাস, ওলোআ, the coming into view, rise, appearance, applied to the rising of the heavenly bodies, and to the introduction of knowledge.

উদইগিৰি, } *s.* সুৰ্জ্য ওলোআ পর্বত, the fabled eastern mountains
উদয়াচল, } over which the sun rises.

উদৰ, *s.* পেট, the belly, the bowels.

উদাঁত, *s.* দাঁত ন ভগা গৰু, উদঁতিয়া, cattle whose second teeth have not grown.

উদাপদুমা, *a.* উমইহতিয়া, বিচাৰ নাইকিয়া common to all, having no separate owner, any thing done or shared in common.

উদাৰ, *a.* ভঙ্গভঙ্গিয়া, অকপটিয়া, হোজা, simple, open, candid, frank, guileless, unreserved.

উদাস, *s.* একান্ত ভাৱে ইস্বৰক চিন্তা, সংসাৰত বিৰক্তি হোআ, religious abstraction, misanthropy, retirement from the world, asceticism.

উদাসিন, } *s.* কেৱলিয়া, বৰলা ভকত, বৰাগি এবিধ, a religious men-
উদাহিন, } dicant, a recluse, a celibate.

উদাহৰন, *s.* দিৃস্টান্ত, উপমা, পাটুআ, an example an illustration, a parable.

উদি, *a.* উদঙ্গ, মুকলি, ঢাকনি নোহোআ, bare, open, uncovered, naked.

উদিয়াই, *v.* উদঙ্গকৈ ঢাকনি গুচাই, মুকলি কৰি, to bare, to uncover, to expose, to open.

উদিত, *a.* উদই হোআ প্রকাসিত, risen, come into notice, come into vogue, newly introduced.

উদুলিমুদুলি, *s.* তোলপাৰ, হুলথুল, confusion, disorder, tumult.

উদগতি, *s.* উন্নতি, উর্ধগতি elevation, ascent.

উদগাৰ, *s.* উগাৰ, see উগাৰ.

উদ্দেস, *s.* ভুভালোআ, অভিপ্রাই, কাৰন, an object, view, motive, reason.

উদ্ধাৰ, *s.* ৰখ্যা, মুক্তি, ত্রান, আপদ বা পাপৰ পৰা তোলা, rescue, deliverance, salvation, purification from ceremonial uncleanness.
উদ্ধিত, *a.* ওপৰলৈ তোলা, মুক্ত কৰা, delivered, rescued, saved, extricated.
উদ্বাউল, *a.* উজৰি উঠা, খঙত ব্যাকুল হোআ, beside one's self with anger, furious, raving, distracted with passion.
উদ্বিগ্ন, *a.* উগুলথুগুল, ব্যাকুল, উত্রাৱল, troubled, perplexed, anxious.
উদ্বিৰাল, *s.* উদ, মাচ খোআ এবিধ জন্তু, an otter.
উদ্ভণ্ডালি, *s.* দুষ্টালি, অমুৰি, wickedness, outrage.
উদ্ভৱ, *s.* ওলোআ, উত্পত্তি, জন্ম, the coming into existence, production.
উদ্যত, *a.* সন্টম, কৰিবলৈ ধৰা, স্মুগুত হোআ, ready to undertake, about to do, commenced, engaged, ready.
উদ্যম, *s.* পৰিস্রম, কার্ঘ্যৰ, উদ্যোগ, effort, exertion, labor.
উদ্যান, *s.* বাগিচা, ফুলনি বাৰি, a grove, a park, a flower garden.
উদ্যানপাল, *s.* বাৰি চোআ, মালি, a gardener.
উদ্যোগ, *s.* কার্ঘ্যৰ, জতন, পুৰুসার্থ, উচাহ, endeavour, exertion, labor, effort, zeal, fervor.
উদ্যোগি, *a.* কার্ঘ্যৰি, উচাহি, নুমি, active, industrious, energetic.
উধও, *ad.* সাম্ফল নোহোআ, ব্যর্থ, to no purpose, futile.
উধনিয়া, *a.* উধানৰ সমান ডাঙৰ, very large, *i. e.* large as an *udhan* or earthen support for a cooking vessel.
উধ্মুধ, *s.* আগ গুৰি, ভাল বেয়াৰ বুজ, from top to bottom, all the particulars, a full understanding of the merits of a case.
উধাই, *v.* ওপৰলৈ উঠি জোআ, গঁপাই, to mount, to ascend as a bird.
উধাতু, *a.* নিবাতু, বিচেষ্টা, নিশ্বাস, বিতত, out of breath from sudden fright or running.
উধান, *s.* তিনি খুঁটি বা চপৰা ডলিৰ চোকা, চৰু বহাবৰ নিমিত্তে মাটিৰ সজা চুলা, a cooking place or support for a cooking vessel.
উধামুধা, *s.* আগ গুৰি নো চোআ, ভাল বেয়াৰ বিচাৰ ন কৰা, the doing any thing at random without understanding or investigation.
উধাৰ, *s.* উদ্ধাৰ see উদ্ধাৰ, deliverance, salvation.
উধাৰপলা, *s.* দিয়া দি কৰা, উপকাৰৰ সলনি উপকাৰ কৰা, the returning favor for favor, the reciprocation of a kindness.
উধাৰি, *v.* উধাৰ কৰি, নিস্তাৰি, to deliver, to extricate, to save.
উধুআ, *s.* ওপৰলৈ তোলা, the act of ascending, or causing to ascend.
উধুতে, *ad.* উমইহতে, আটাইৰে মাজতে, বাজহতে, in common, common to all.

উধেউধে, *ad.* মাজে মাজে, কাকো লগ নোপোআকৈ, মাজেমুধে, at random, as a bullet aside from the mark, or as irrelevant speech.

উন, *affix.* হিন, এটা কম, কিচু তাকৰ, one less than, less.

উনত্রিচ, *a.* একুৰি ন twenty nine; *i. e.* one less than thirty.

উনস, *a.* এটা কম এস, নিৰানবৈ, ninety-nine.

উনা, *a.* অলপ কম হোআ, কথালৈ কান পতা, a little deficient; *s.* deficiency, listening to hear the conversation of others.

উনাই, *v.* কান পাতি থকা, সাৰ লৈ থকা, মন কৰা, to listen to catch what is said at a distance.

উনি, *s.* পাট সুতা কটা জন্ত্র, a reel for winding silk.

উনিআপ্রানি, *a.* দৰিদ্র, সামান্য, নিহকিন, poor, mean, insignificant.

উনিউনি, *a.* অলপ অলপ, কুহুমিয়া তপত, very little, lukewarm, tepid.

উনিয়াই, *v.* সুতা লোআ, অহা জোআ কৰা, to wind thread, to frequently go and come.

উনিসলা, *s.* সুতলাহি ভঙ্গা সলা, a reel for thread.

উনুই, *s.* ভুমুক, পুঙ্গ, উহ, a spring, a fountain.

উনুকিয়াই, *v.* অলপকৈ কথাৰ মুৰ উলিউআ, to obtain a clue to a matter from a word, hint or intimation.

উনৈচ, *a.* এটা কম একুৰি, nineteen.

উনৈচত বাবলোআ, *a.* অকাৰনে বলকা, ৰৰকৈ দন্দ হাই কৰা, quarrelsome, contentious, litigious.

উন্তি, *s.* অন্তি, কানৰ অলঙ্কাৰ, an ear ornament worn by men.

উন্নতি, *s.* ব্রিদ্ধি, বৰ্হা, increase, prosperity, elevation, exaltation.

উন্মত, *a.* বলিয়া, পাগল, উত্রাহল, deranged, insane, intoxicated.

উপ, *prefix.* উপসর্গ বিসেস, আন কথাৰ আগত থাকিলে মন্দ অর্থ প্রকাস বা হিন বা কম বুজাই, with the idea of vicinity, resemblance.

উপকথা, *s.* সাধু কথা, পুৰান কথা, উপলুঙ্গা কথা, a proverb, an adage, a common saying.

উপকৰন, *s.* উপাহাৰ, উপাধি বস্তু, a side dish, any thing added, as vegetables or sauces, to a meal.

উপকাৰ, *s.* সহাই ভজা, হিত কৰা, এপাহ, assistance, help, aid, benefit.

উপকাৰি, *a.* উপকাৰ কৰোঁতা, হিতকাৰি, হিতৈসি, beneficial, advantageous, helpful, useful.

উপক্রম, *s.* আৰম্ভন, কৰিবলৈ ধৰা, a beginning, an attempt.

উপগত, *a.* আহি পোআ, সাখ্যাত হোআ, উপনিত, arrived, present.

উপগৰু, *s.* পটোল দাতা, বিধি সিখ্যক, an inferior *gooroo* or teacher.

উপচ, *a.* পুৰ, চপ্‌চপিয়া, full, even measure.
উপচক্ৰ, *s.* উতপাত, অকস্মাত আপদ ঘটা, calamity, sudden evil.
উপচাৰ, *s.* পূজাৰ বস্ত, the attire, furniture &c. used at poojas.
উপচি পৰা, *a.* পুৰ হৈ পৰা, অধিক, full and running over, abundant.
উপজি, *v.* জন্মি, হৈ, to bear, to give birth to, to be.
উপজিবিকা, *s.* পোহনৰ উপাই, প্ৰবৰ্ত্তন, জিবিকা, livelihood, support.
উপজিব্য, *a.* জিবিকাৰ উপাই, yielding maintenance or support.
উপজিহ্বা, *s.* আলজিবা, the epiglottis, the uvula.
উপযুক্ত, *a.* উচিত, জোগ্য, বিহিত, fit, proper, qualified.
উপতন, *s.* উতপন, আৰ্জ্জন, ঘটন, লাভ, production, savings, profit.
উপতাপ, *s.* তাপ, বেজাৰ, পিৰা, সোক, heat, distress, mental suffering.
উপদিপ, *s.* সৰু দিপ, মাজুলি, মাজুলি চাপৰি, an island.
উপদেৱতা, *s.* ভূত পিশাচ আদি, a demigod, an evil spirit, an apparition.
উপদেস, *s.* সিখ্যা, গ্যান দিয়া, instruction, advice, teaching.
উপদেসক, *s.* উপদেস দিওঁতা, সিখ্যা গুৰু, সিখ্যক, an instructor, a teacher, a preacher.
উপদ্ৰৱ, *s.* বিঘিনি, অমুৰি, অন্যাই আচৰন, calamity, oppression.
উপদ্ৰৱি, *a.* উপদ্ৰৱ কৰোঁতা, অন্যাই আচৰন কৰোঁতা, calamitous, ruinous, oppressive, tyrannical.
উপনয়ন, *s.* লগুন দিয়নি, the investiture of the sacred thread.
উপনাম, *s.* আন নাম, উপলুকা নাম, a surname, a nickname.
উপনিত, *a.* উপস্থিত, আহি পোৱা, arrived, present.
উপনিসদ, *s.* বেদৰ এভাগ, a portion of the Veds.
উপন্যাস, *s.* প্ৰস্তাৱ কৰা, উপকথা, সাধু কথা, an exordium, a tale, a story.
উপপতি, *s.* বটুআ গিৰিএক, চুৰকৈ লোৱা পৈ, one who practices whoredom, a pimp, a panderer.
উপপত্নি, *s.* চাপনি তিৰি, বাটসু, a kept mistress, a concubine.
উপবন, *s.* উদ্যান, ফুলনি বাৰি, a garden, a flower garden, a grove.
উপবাস, *s.* লঘোন, ব্ৰত, a religious or voluntary fast.
উপবাসি, *a.* লঘোন দিয়া, নিৰাহাৰি, one who observes a voluntary or religious fast.
উপবিত, *s.* জগ্য সুত্ৰ, উতৰি, the sacred thread.
উপবিতি, *a.* লগুন উতৰিকৈ লোৱা, invested with the sacred thread.
উপবিদ্যা, *s.* সামান্য বিদ্যা, সিল্প বিদ্যা আদি, an inferior art or science, such as sleight of hand, dancing, basket work &c.
উপবেদ, *s.* আয়ুৰ্বেদ আদি, one of the inferior Veds.

উপভোগ, *s.* বিসই ভোগ, সুখ ভোগ, worldly enjoyment, gratification.
উপমা, *s.* তুলনা, দ্রিষ্টান্ত, পটন্তৰ, a comparison, simile, metaphor.
উপমাত্রি, *s.* ধাই, তোলনিয়া মাক, a wet nurse, a foster mother.
উপৰি, *a.* ওপৰৰ, আগৰ, পুৰ্ব্বৰ, তাৰ বাহিৰে, above, former, besides.
উপৰি জন্ম, *s.* পুৰ্ব্বৰ জন্ম, প্ৰথমৰ জন্ম, a former birth.
উপৰি পুৰুস, *s.* পুৰ্ব্বপুৰুস, আদি পুৰুস, ancestors, progenitors, forefathers.
উপৰুআ, *a.* সম্পৰ্ক ন থকা, আলাগতিয়া, not belonging to, not connected with or related to.
উপলখ্য, উপলখ্যন, *s.* চিন, অনুমান, কেৰাহিকৈ চোআ, an indication, an inference, a deduction, a glance, a clue.
উপলঙ্ঘা, *s.* উলঙ্ঘা কৰা, নমনা, আগ্যা ভঙ্গা, contempt of an order, disobedience.
উপলভ্য, *s.* কিঞ্চিত লাভ, অলপ উত্পন, a small profit or yield.
উপলুঙ্গা, *s.* মিচা জেন মনা, উটনিয়া, ইতিকিঙ্গ, jesting, raillery, ridicule.
উপসাম, *s.* ৰোগ আদি কম হোআ, সাম কটা, লঘু কৰা, alleviation, abatement of pain or distress.
উপসৰ্গ, *s.* অব্যই সব্দ, an inseparable preposition.
উপসান্ত, *a.* অলপ সান্ত, ৰোগ আদি কমি জোআ, alleviated, abated.
উপস্থিত, *a.* আগ হোআ, আহি পোআ, সাখ্যাত, arrived, present, at hand.
উপহাস, *s.* পৰিহাস, খেনি, উপলঙ্গা, a jest, ridicule, a smile.
উপাই, *s.* কৌসল, বুধি, জিহৰ দ্বাৰাই কোনো কৰম সিধি হই, means or way of doing, help, an expedient, device.
উপাক পাক, *a.* পাক লগা, আঁৰ লগা, বিমোৰ, reversing, turning upside down, involved in difficulty, perplexed.
উপাখ্যান, *s.* ইতিহাস, ব্রিত্তান্ত, বিবৰন, সজা কথা, a narrative, a history, a fable, fiction.
উপাঙ্গ, *s.* খুদ্ৰ অঙ্গ, অপ্ৰধান ভাগ, চুলি, আঙ্গুলি আদি, a subordinate part, a subdivision.
উপাধি, *s.* বিসই সম্বন্ধিৰ নাম, উপহাৰ বস্তু, a title, an attribute, any light food.
উপাৰ্জ্জন, *s.* ঘটন, আৰ্জন, সুমৰ লাভ পোআ, gain, savings, accumulation of property.
উপাৰ্জ্জিত, *a.* আৰ্জ্জিত, পোআ, accumulated, gained, amassed.
উপালম্ভা, *s.* অমৰ্জতা, নিন্দা, গলিয়াগলি কৰা, দুৰ্ব্বাক্য, abuse, reproach.
উপাসক, *s.* আস্ৰিত, সেৱক, লগুআ, আৰাধনা কৰোঁতা, a worshipper, an attendant, a servant.

উপাসনা, *s.* আৰাধনা, ভাৰসা, সুস্ৰুসা, supplication, prayer, service.

উপাসা, *s.* আসা কৰা, ভাৰসা, hope, expectation, service, worship.

উপাস্থি, *s.* কোমল হাৰ বিসেস, a cartilage.

উপহাৰ, *s.* ফল মুল আদি, সামান্য আহাৰ, উপাধি দ্ৰব্য, any light food, as fruit vegetables &c.

উফৰা উফৰি, *v.* চিটিকাচিটিকি, উফৰি পৰা, খলক ডেও পৰা, to bound as a ball, to spring, to hop about as parched corn.

উফাল মাৰি, *v.* আচাৰ মৰা, ওপৰলৈ আঁজোৰ মৰা, উচাল মৰা, to wrench one's self away from the grasp of another.

উফি, *s.* মুৰৰ খজতি ধৰা ৰোগ বিসেস, a scab or scurff, dandruff.

উফিউআ, *s.* চুলি ডাল ডাল কৰি মেলি চোআ, examining the hair of the head hair by hair.

উবৰা, *a.* অবস হোআ, নমনা, obstinate, uncontrollable, disregardful.

উবাঙ্গ, *a.* বেয়া কথা, নিলাজ মাত, অবাচ্য, obscene, shameless in speech.

উবাৰ, *a.* উচন, বিনাস, সাঙ্গ কৰা, নাইকিয়া হোআ, made desolate, laid waste, with কৰি, to lay waste, to destroy.

উবুৰি, *a.* তললৈ পেট কৰা, তললৈ মুকৈ পৰা, prostrate, prone, with হৈ, to lie prostrate on the face.

উবুৰিওআ, *s.* তললৈ মুখ কৰা, ওলোটোওআ, লুটিওআ, prostration, turning upside down, somerset.

উবুৰি খাই, *v.* লুটি খোআ, বাগৰ খোআ, উভতি পৰা, to turn topsy turvy, to pour forth, as a multitude of people, or as a running stream.

উচ, *a.* টাচ কোৰ নাঙল আদিৰ জোখতকৈ খিয় হোআ, খিয় ঘৰ, the beam of a plough or the handle of an adze or hoe &c. if set too steep is thus called.

উভদ, *s.* অভং, কুবাক্য, লাজ কথা, obscenity, unchaste language.

উভতি, *v.* উলটি, ঘুৰি, উভতি যোআ, to turn back, to return, to retrace one's steps.

উভয়, *a.* দুই প্ৰকাৰ, দুয়ো, both, two as distinct from others.

উভয়তে, *ad.* দুয়োৰো মাজতে, দুয়ো ফালে, mutually, on both sides.

উভলা, *s.* উঘলা, তুলি অনা, the act of uprooting or overthrowing; *a.* uprooted, eradicated, overthrown.

উভলি, *s.* হাল বোআ মাটিৰ মুৰ, the ends of a piece of ploughed land.

উভহাঁ, *a.* খহটা, নিমজ নোহোআ, coarse, rough, uneven.

উভি, *v.* ঘৰৰ খুঁটা পুতি চাল তোলা, ঘৰ থিয় কৰা, মনেৰে কথা ঠিক কৰা to erect as the frame of a house, to decide upon, to purpose.

উভিয়া, *a.* কপাহৰ ডাঙৰ সুতা, লাগবাৰ্ক নোহোআ বন, ঠৈহ ধৰা, coarse (applied to thread or work,) stubborn.

উভিয়া উত্তৰ, *s.* অমিল মাত, খঙ্গ উঠা মাত বা উত্তৰ, an uncivil answer, defiant or disrespectful speech.

উভৈনদি, *s.* সৰহ, বিস্তৰ, অসংখ্য, abundant like an unfailing stream.

উম, *a.* অলপ তাপ, warm, moderately heated, tepid.

উমইহতিয়া, *a.* ৰাজহুআ, সকলোৰে, belonging to all in common.

উমঘাম, *s.* বুজ বিচাৰ, চিন্তা, desire, concern, warmth; with a negative, lukewarmness, indifference, listlessness.

উমনি দি, *v.* অলপ তপতে ৰখা, চৰাইএ কনিত উম দিয়া, to impart warmth, to place eggs under a fowl for hatching.

উমা, *s.* দুৰ্গা, পাৰ্বতি, সিৱৰ ভাৰ্য্যা, one of the names of Doorga.

উমাকান্ত, *s.* সিৱ মহাদেৱ, পাৰ্বতিৰ স্বামি, Hiwo, the husband of Doorga.

উমান, *s.* গম, আটকাল, বুজ, an intimation, an inference, a guess.

উমানন্দ, *s.* গুআহাটিৰ ব্ৰহ্মপুত্ৰৰ মাজত থকা সিৱৰ দল, a rocky island near Gowhatty on which stands a shrine of Hoda Hiwo.

উমুউআই, *v.* উমদিয়া, উমনি লোআ, to cause to give warmth, to set a fowl on eggs.

উৰগ, *s.* সৰ্প আদি বুকেৰে ফুৰা জন্তু, a reptile, creeping things.

উৰন, *s.* খুঁটা আদিৰ পোতৰ ওপৰ ভাগ, উৰি ফুৰা চৰাই জাতি, উৰিব পৰা, the portion of any thing above the ground, as of a post, tree or wall, whatever flies, ability to fly.

উৰনিয়া, *a.* উৰিব পৰা, খুঁটি খাব পৰা, fledged, able to fly, old enough to provide for itself, applied to a bird or child.

উৰবান্ধি, *s.* পেট ওফন্দা, নাৰিএ পাক লোআ, nausea, sickness.

উৰহ *s.* চাৰি পাতি আদিত থকা এবিধ পোক, a bed-bug.

উৰহা, *s.* দেওৰা ৰস, চুপা, scorched, a burnt liquid.

উৰহি, *s.* এবিধ পাচলি, a species of bean.

উৰাই, *s.* উৰুআই, চুকুআই, আকাৰ্য্যত খৰচ কৰা, to sweep away, to scatter, to disperse, to waste.

উৰাল, *s.* ধান আদি বনা জতন, মাৰিএৰে ধান আদি খুন্দা কাঠৰ পাত্ৰ, a wooden mortar for pounding rice.

উৰাল মাৰি, *s.* উৰালত খুন্দা মাৰি, মুখল, a pestle for the above.

উৰি, *v.* ডেউকাৰে বা দি জোআ, to fly, to soar in the air, as a bird.

উৰি আপ্ৰনি, *a.* দুখিয়া সমান্য, নিধনি, poor, ordinary, destitute.

উৰিআম, *s.* এবিধ গচ, a species of tree.

উবিদল, *s.* পানিত হোআ এবিধ বন, a species of grass.
উৰিধান, *s.* দল ধান, wild rice.
উৰিপুৰি, *v.* চৰাইৰ দৰে নানা ঠাই ফুৰা, থানথিত নাইকিয়া, to wander about without fixed place or habitation.
উৰু, *s.* কৰঙন, জঙ্ঘা, জানু, the thigh.
উৰুআই, *v.* বতাহৰ বলত উৰি জোআ, উৰাই দিয়া, to blow away, to scatter or sweep away as by a tempest.
উৰুকা, *s.* বিহুৰ আগ দিন, বিহুৰ সঁকৰাতি, the day previous to the *Behoo* festivals.
উৰুখনি, } *s.* ঘৰখুনত চাল ফুটি পানি পৰা, leakage, the dropping of
উৰুখা, } water through the roof; *a.* leaky.
উৰুঙা, *a.* বিঙা, পাতল লগা, নিমাওমাও, cheerless, sad, lonely.
উৰুমি, *s.* বিসাদ, অসন্তোস, সোক, sorrow, grief, sadness, depression.
উৰুলি, *s.* তিৰোতাই সুমঙ্গলৰ নিমিত্তে জিৰা কঁপাই সদ্দ কৰা, a loud trilling sound uttered by women in concert as a blessing on any joyful occasion, as a marriage or the birth of a child.
উৰুলিপুঙা, *s.* বিবেচনা ন কৰা, তৰল, পাতল মন, a rambler, an idler.
উৰ্দ্ধ, *a.* ওখ, ওপৰ, high, lofty.
উৰ্দ্ধবাহু, *s.* ওপৰলৈ হাত দঙ্গা সন্যাসি, দিঢ়কৈ কোআ, the lifted arm, either in solemn asseveration or as an act of merit by a devotee.
উৰ্ব্বৰা, *a.* সকলো সহ হোআ মাটি, সাৰুআ, ৰসাল, a fertile or rich soil.
উৰ্মাল, *s.* হাতত লৈ ফুৰুআ হাঁচটি, বুকুৰ নোম, a pocket handkerchief, the hair of the breast.
উলঙ্গট, *a.* নাঙ্গট, বিবস্ত্ৰ, উদঙ্গ, naked, unclothed, bare.
উলঙ্ঘন, } *s.* আগ্যা বা সিমা ভঙ্গ, উলাই কৰা, transgression, dis-
উলঙ্ঘা, } obedience, the passing a limit or boundary, trespass.
উলটি, *a.* ঘুৰি পালটি, উভতি, to turn back, to return, to retrace one's steps, with দি, to give back, with আহি, to come back again, with কৰি, to do the same thing over again.
উলমুলাই, *v.* মনত ৰঙ্গ লগোআ, চুকচুকুআ, ভুৰুকিওআ, to amuse, to entice, to gull, to inveigle, to deceive with false promises.
উলমুলুআ, *s.* কথাৰে মন ভাল কৰোআ, উচটোআ, ভুৰুকিউআ, deceiving or putting off with false promises; *a.* deceived, &c.
উলহমালহ, *s.* আনন্দেৰে খৰখেদা কৰা, bustle, hurry, joyful haste.
উলহৰ মাদলি, *s.* ৰঙ্গত উগ্ৰাৱল হোআ, সুনা মাত্ৰে মন উচটা, exultation. ecstasy, rapture, sudden transport.

উলহা, *a.* ওপৰলৈ দঙ্গা, অলপ দঙ্গা, উলাহি দিয়া, lifted up, elevated, transported with delight.

উলাই, *v.* ন মনা, মিচা মতা, উপলুঙ্গা কৰা, to disregard, to disbelieve, to treat as unworthy of belief or confidence.

উলামুলা, *s.* লোকক সামান্য জেন দেখা, এলাপেচা কথা, অসাৱধানে ফুৰা bold, audacious, rash, impertinent, insolent.

উলাহ, *s.* ওপৰলৈ দঙ্গা, আনন্দ, a lifting up, joy.

উলাহি, *v.* ওপৰলৈ তুলি ধৰি, আনন্দিত হোআ, to lift up, to rejoice; *a.* joyful, elated.

উলিয়াই, *v.* বাজ কৰি, বাহিৰ কৰি, প্ৰকাস কৰি, to bring out, to expose, to make public, disclose.

উলু, *s.* এবিধ বন, a species of coarse grass used as thatch.

উলুঅনি, *s.* উলু বননি, খেৰনি, a patch of *uloo* grass.

উলুআ গোম, *s.* এবিধ বিসাল সাপ, a species of venomous snake.

উলুঙ্গপলুঙ্গ, *s.* হেলাত কাম কাজ ন কৰা, সাৰিবলৈ উপাই চিন্তা, wasting time in mere pretence of doing, staring about and doing nothing watching for opportunity to escape.

উলুফিচিকা, *s.* উলুৰ পোনেই ওলোআ গজালি, the sprouts of the *uloo* grass.

উলুমজুলুম, }
উলুমধুলুম, } *s.* উদুলিমুদুলি, উলহমালহ, হুলথুল, hubbub, tumult, confusion, hurly burly.

উল্কাপাত, *s.* ওপৰৰ পৰা পৰা জুই, ধুমকেতু পৰা, পপিয়া তৰা, the falling of a meteor, a meteor or falling star.

উল্লাস, *s.* আনন্দ, হৰিস, exultation, joy, rapture, ecstatic pleasure.

উল্লাসিত, *a.* আনন্দিত, হৰ্সিত, হৰিসিত, joyful, glad, enraptured.

উৱঁই, *s.* কাঠ এবিধ, a species of tree.

উৱলা, }
উৱলি জোআ, } *a.* খহা, গেলা, গেলি পৰা, suppurated, rotted or sloughed off.

উস, *interj.* দুখ পোআ মাত, ভাগৰৰ মাত, আচৰিত মাত, an exclamation expressive of pain, surprise, disappointment.

উস্আস, *interj.* দুখ পোআ মাত, টান পোআ মাত, a particle expressing intense pain, suffering.

উসা, *s.* প্ৰাতঃ, পুআ বেলা, অৰুনোদই কাল, the dawn, the early morning, twilight.

উসাজাত্ৰা, *s.* পুআতে জোআ, বেলি নৌ ওলাওঁতেই জোআ, the setting out on a journey in the early morning.

উসাহ, *s.* নিস্বাস, the breath, respiration.

উসাহতে, *ad.* খন্তেকতে তিলেকতে, বেগতে, in a breath, in a moment.

উসুউআ, *s.* পানিৰে সিজোআ, সিজুউআ ধান, the act of boiling, the rice of boiled paddy; *a.* boiled.

উস্নিঙ্গা, *s.* উইচিৰিঙ্গা, এবিধ পোক, an insect resembling the cricket.

উস্নিঙ্খল, *a.* পাতল মন, বিতত, তৰল, shallow, flighty, pliable, fickle.

উহ, *s.* ভুমুক, পিটনিৰ গাঁত, কথাৰ বুজ বা প্ৰকাস, a spring or source, the facts or merits of a case.

উহদিয়া, *s.* জৰনি পানিৰ ভুমুক ওলোআ, মাচে উসাহ লোআ, the springing up of water, the rising of aquatic animals to the surface of the water to breathe.

উহনি, *s.* পিটনিৰ উহ থকা ঠাই, a place of springing water, a spring.

উহ্নুহনি, *s.* নিশ্বাস বন্ধ গা গপগপোআ, a sense of suffocation, a choking stifling sensation.

উহ লোআ, *s.* উহ দিয়া, বুজ লোআ, the thorough investigation of a matter, the springing up of water.

উহুআ, *a.* উসুউআ, লোন তেল নিদি পানিৰে সিজোআ, boiled without condiments.

উহুআজৰা, *s.* বাৰে মিহলিকৈ নুন৷ পানিৰে সিজোআ সাক, greens of sorts boiled together without seasoning.

ঋ, ৠ, ঌ, ৡ, এই চাৰি আখৰ অসমিয়া ভাসাত প্ৰাই ন চলে, these four compounds of ৰ, *r*, ল, *l*, and ই, *i*, used in the Sanscrit and Bengali, are seldom used in writing Assamese.

এ

এ, একাৰ ব্যঞ্জন, বৰ্নৰ লগত গোট খালে এই ৰূপ লিখে ( ে ), আন কথাৰ আগত থাকিলে এটাক বুজাই, this vowel is pronounced like *e* in *men*; in composition it is expressed by the symbol ( ে ) placed on the left side of the letter. In composition with a noun it generally means *one.*

এঁ, *interj.* ভুল খেদ অসন্তোস আদি প্ৰকাস কৰা, an exclamation expressing displeasure regret or disgust.

এই, *pron.* আগত থকাটো, this, the one nearest.

এই জন্যে, *ad.* এই হেতুকে, এতেকে, therefore, for this cause.

এইটো, এইয়া, } *pron.* সাখ্যাতে দেখাই দিয়া বা বুজুউআ, this particular person or thing pointed out.

এই নিমিত্তে, *ad.* এই কাৰনে, এই হেতুকে, for this reason, therefore.

এইমান, *a.* ইমান, ইয়াৰ সমান, so much, so many, so long.

এইলেখিয়া, *ad.* এনেকুআ, ইয়াৰ নিচিনা, thus, in like manner.

এই হেতুকে, *ad.* এতেকে, এই কাৰনে, for this cause, wherefore.

এঁ, *interj.* সোঁট সোঁৱৰোআ মাত, স্কথা; এঁ, কেনে পালি, হেঁকাই, a particle expressing satisfaction at having retaliated or returned like for like.

এঁও, *pron.* এই জন, সাখ্যাতে থকা জন, he or she, (honorific.)

এঁওআ, *a.* কোমল, কেঁচা, নাকলৈ তেজ উঠা ৰোগ, not hard or tense, fresh, soft, immature; *s.* a polypus of the nose.

এঁওআ গাখিৰ, *s.* দুগ্ধ, দৈ ন বন্ধা গাখিৰ, milk, sweet milk.

এঁওআ চৰু, *s.* পাগত নিদিয়া চৰু, an unbaked earthern vessel.

এঁওআ চোআলি, *s.* গাভৰু বা বিয়া নোহোআ চোআলি, অকুমাৰি, a girl that has not reached the age of puberty.

এঁওআপকিয়া, *s.* ভালকৈ পাক নোখোআ, সেৰেপাগুনিয়া, slack twisted.

এঁওআ সুতা, *s.* কপাহৰ কেঁচা সুতা, নিসিজোআ কপাহি সুতা, cotton thread that has not been boiled.

এঁকাল, *s.* আঁকাল, খাবলৈ নোহোআ, দুৰ্ভিখ্য, dearth, scarcity, famine.

এঁটাই, *v.* হৈ, সাং কৰি, সমাপ্ত কৰি, to complete, to bring to a close.

এঁটাগুৰি, *s.* ঘেঁহু ধানৰ পিঠাগুৰি, flour, meal.

এঁটাহ, *s.* চিয়ৰ, হাই, a loud cry, a scream, with পাৰি, to cry out.

এঁটোআ, *a.* সমাপ্ত কৰা, মুৰ পেলোআ, finished, completed, done.

এঁঠা, *s.* লাগি ধৰা বস্তু, আঁঠা, কঁৰাল, gum, any adhesive substance.

এঁঠাএঁঠি, *a.* লাগি ধৰা, জেকেটমেকেট, glutinous, adhesive, gummy.

এঠাই, *v.* আঁঠা লগোআ, কঁৰাল দিয়া, to glue or join by a viscous substance.

এঁহ, *inter.* কেঁকনিৰ মাত, বেজাৰ বা অমান্যৰ মাত, a particle expressing distress, suffering, disgust or disrepect.

এক, *a.* এটা, one, one of two, single; *article.* a, an.

একজেতিকা, / একজেতিয়া, *a.* এক প্ৰকাৰ, কেনেবা লগা, বিকৃচিনা লগা, বেয়া পোআ, peculiar, singular, sickening, nauseous.

একঠা / একঠি, *s.* এক কঠা, আদসেৰ, half a seer, or one pound.

একঠিয়া, *a.* আদসেৰিয়া, এক কঠা ধৰা, half a seer in measure.

একতিয়া, *a.* এফলিয়া, হেলনিয়া, এঢলিয়া, separate, aside, aslant, oblique.

একত্ৰ, *a.* এক লগ, গোট খাই থকা, together, in one place.

এককথিয়া, / একেকথিয়া, *a.* এক কথাৰ মানুহ, অঙ্গিকাৰ নেৰা, of one word, truthful, keeping one's promise.

একদৃষ্টি, *a.* একাললৈ ঠৰে চাই থকা, looking steadily in one direction.

একনিয়া, *a.* এটিঁয়া, বিজোৰ, single, not one of a pair.

এক প্ৰকাৰ, *a.* এবিধ, একৰূপ, one kind, one sort, one way or manner.

এক মুৰিয়া, *a.* এফলিয়া, এচুকিয়া, on one side, out of the way.

একা, *ad.* অকলসৰিয়া, নিচই বা ভই দেখুআই কোআ মাত, alone, single, a word often used as a threat to express determination, as মাৰিম একা, *I will certainly strike you.*

একাকাৰ, *s.* একে হোআ, একে জাত হোআ, of one form or shape, of one caste or religion.

একাখৰিয়া, *a.* এমুৰিয়া এদাঁতিয়া, এফলিয়া, কোআ কথা নেৰা, on one side, out of the way, of one word.

একাগি, একেআগি, *a.* একে বিধিয়া, ভিন ভাও নোহোআ, একে জাত, undivided, agreeing, of the same material.

একাচৰিকাচ, *s.* ঘিনঘান, আচাৰ বিচাৰ, disregard of the ceremonial rules of caste.

একাঁচলা, *a.* কাপৰৰ এক মুৰ, a cloth having one embroidered end.

একাচি, *a.* এজোখ, এগুনা, one step, one degree.

একাচেকা, *a.* বেয়া, একজেতিয়া, আনই নোপোআ, peculiar, uncommon.

একাজি, *s.* আকাজি, বব কাটিব ন জনা তিৰোতা, একাজভাগি, বস্তু আৰি থোআ জতন, ignorant of weaving or spinning, a suspended triangular bamboo frame used as a shelf.

একাতি, *s.* এফলিয়া, নিসগ, one sided, not horizontal, separate.

একাদস, *a.* আঘেৰ, eleven.

একাদসি, *a.* চন্দ্ৰৰ আঘেৰ কলা পুৰ হোআ দিন, তিথি বিসেস, the eleventh day of the moon.

একানবৈ, *a.* চাৰি কুৰি আঘেৰ, ninety one.

একান্ত, একান্তিক, *a.* সৰ্বদাই, একাগি, একমন, অতিসই, tending to one result, excessive.

একান্ত ভক্ত, একান্ত ভকত, *s.* ইস্বৰৰ এক চিত্তিয়া সেৱক, a devout worshiper of God.

একান্ত ভক্তি, *s.* একে মনেৰে সেৱা কৰা, supreme regard or worship.

একান্ত মন, *s.* এক মন, সুধ চিত্ত, the whole mind, fixedness of mind.

একাপ, *s.* বেঁত পাঁচ ডাল বা দহ চিৰা, a bundle of five whole or ten split rattans.

একুচিয়া, *a.* একে খন কাপৰকে তলে ওপৰে গাত মেৰাই পিন্ধা, enveloped in one cloth wound round and round the body.

একুৰা, } s. এমুঠি, এমুঠি খেৰ বা খৰিত অনা জুই, a small bundle.
একুৰি, } a lighted wisp or bundle of sticks.

একুৰি, a. কুৰি, পাচ গণ্ডা, twenty, a score.

একুলিয়া, a. একে কুলিয়া, এক জাতৰ of the same caste.

একে, a. বেলেগ ন হই, সদৃস, নিচিনা, the same, alike.

একেকঠি, a. সমান, একে দৰ, একাকাৰ, even, uniform, level, one expanse or sheet, as of water.

একে কলেৱৰ, a একে দেহ, একে লগ, মিহলি, one, united, mingled.

একে চিত, a. একে মন, একান্ত ভাও, unanimous, fixed in purpose.

একেটা, a. অকলসৰিয়া, এটা, one, only one.

একেঠৰে, ad. লৰ চৰ ন কৰাকৈ, থিৰ দৃষ্টি, একে পোনেই থকা, fixedly, steadfastly.

একেতিলে, ad. খন্তেকতে, বেগতে, quickly, speedily, in a moment.

একে দৰ, a. একে ৰুপ, একে দাম, alike, as before, of the same price.

একে লগ, a. একে সঙ্গে, একে ঠাই, joined, united, in the same place.

একে সঙ্গি, s. লগৰ মানুহ, an associate, a companion.

একেসাৰ, s. এক বচন, একে কথা, a word, a sentence, the same word.

একৈচ, a. একুৰি এক, twenty one.

একৈয়া জৰ, s. এদিন এৰি এদিন উঠা জৰ, a fever that returns every other day, a tertian fever.

একো, a. কোনো, অলপো, কিচু, even one, one thing, with নাই, not any thing, nothing, not even one.

একো একো, a. কোনো কোনো, একোটা, some, certain persons or things.

একোঁচ, s. বুকৰ কাপৰেৰে কোনো বস্তু এবাৰ ভৰাই লোআ, as much of any thing as can be taken in the end of a shoulder cloth.

একোচা, s. এমুঠা, এপোলা, an armful.

একোটা, a. কোনোটো, এটা, some.

একোসৰিয়া, a. এদাঁতিয়া, এফলিয়া, aside, apart from.

একোহালি, s. তাঁত বোআত হাতে চুকি পোআলৈকে, ডেৱ হাত মান, as much cloth as can be woven at once before winding it on the cylinder of the loom.

এখন, } a. এটা, এপাট বা এচলা, one, applied to any thing spread
এখান, } out or extended.

এখন্তেক, s. অলপ বেলি, তিলেক, a moment, a very short space of time.

এখুজিয়া, a. এখোজ এখোজকৈ খোজ কৰ্‌া, slow paced.

এখেত, ad. ইয়াত, এই ঠাইত, here, in this place.

এখেপ, *s.* এবেলি গৈ অহা, এবাৰ, the going and returning once.
এখেলৈ, *s.* ইয়ালৈ, এই ঠাইলৈ, here, to this place, hither.
এগলধা, *s.* ডিঙ্গিলৈকে ভৰা পৰিমান, a vessel full up to the neck.
এগাৰ, *a.* আগাৰ, ওগাইৰহ, সৰহ, abundant, plentiful.
এগাৰি, *v.* খাই বাৰ্হি থকা, দঁয়াই, to remain in excess after eating.
এগাল, *s.* এবেলি গাল মাৰি খাব পৰা, এগৰাহ, কেতেটি, অলপমান, a mouthful, a small quantity, a little.
এগুন, *s.* এক ভাগ, এডলিয়া, one part, one strand of a rope.
এগোট, *a.* এক, এটা, one, one thing, an integer.
এঘাৰ, *a.* একাদস, আঘেৰ, eleven.
এঘৈয়া, *a.* একলিয়াকৈ কটা জোঙ্গ, pointed by cutting only on one side.
এঙ্গাই, *v.* খাবলৈ ইচা নোজোআ জেন দেখুআ, বেয়া বুলি মিচাকৈ লব নোখোজা, to feign disinclination in purchasing or eating.
এঙ্গাজেঙ্গা, *a.* আউল বাউল, ওভতা ওভতি, confused, snarled, tangled.
এঙ্গামুৰি *s.* হামিও গামুৰি দিয়া, the act of stretching and yawning.
এঙ্গাৰ, *s.* আঙ্গাৰ, কইলা charcoal.
এঙ্গেৰুআ, *a.* এঙ্গাৰৰ নিচিনা, আধা পোৰা, coal-black, half burnt.
এচলিয়া, *a.* এচাল থকা, এচলা কাঠৰ সজা বস্তু, কাতি, a roof with one side only, any thing made of one piece of board, slanting.
এচাম, *s.* এতৰপ, এজাঁপ, এবেলি হোআ, a thickness, layer, fold, grown or produced in the same season, a stage of disease.
এচাৰি, *s.* বাঁহৰ আচাৰি, a switch, a twig.
এচিকটা, *s.* একেৰিমান, একন, a little, the smallest possible quantity.
এচুকিয়া, *a.* এমুৰিয়া, এচুকত থকা, one cornered, on one side.
এচোআ, *s.* এডোখৰ, এক ভাগ, a part, a piece, a portion.
এজন, *a.* মানুহ এটা, one person.
এজাঁই, *s.* এবেলি হিলৈ মৰা, one discharge, one shot.
এজান, *s.* এবিধ চৰাই, ন জনা, a species of bird; *a.* not come to years of discretion.
এজাৰ, *s.* আজাৰ, এবিধ গচ, এক জাৰ কাল, a species of tree, one cold season.
এজেৰা বেজেৰা, *a.* বেজাৰ লগা কেটেৰা কেটেৰি, কেটেৰ জেঙ্গৰ, cross, snappish, surly, petulant.
এজোৰ, *s.* দুটা, এহাল, two, a pair, a brace, a couple.
এটকিয়া *a.* এক টকালৈ পোআ, এটকাৰ, one rupee in price or weight.
এটা, *a.* এক, এগোট, one; *article.* a, an.

এটাল, *s.* আটাল, ওপৰ চাঙ্গ, one floor or story of a house.
এটি, *a.* এটা, সৰু বা মৰম লগা মাত, one, a little or beloved one.
এটি কৰিৰ মান, *a.* অতি তাকৰ, অলপমান, a cowrie's worth, a very little.
এটুপলি, *s.* এটা সৰু টোপোলা, a small bundle.
এটুপি, *s.* এটোপা, কিচুমান, a drop, a small quantity of any liquid.
এঠলিয়া, *a.* এডলিয়া, এডাল থকা, having only one branch or stem.
এডাল, *affix.* এটা ডাল, এটা, used in connection with the names of things that are long and round, as a tree, a bamboo, a rattan.
এঢলিয়া, *a.* এফলিয়া, একতিয়া, এফালে কাতি হোআ, aslant, oblique.
এঢাল, *s.* এফাল, এপোন, in one quarter, in one direction.
এত, *ad.* ইমান, অতনা, so much, so many.
এতিখ্যন, *ad.* ততালিক, এতিয়াই, বেগতে, just now, in a moment.
এতিয়া, *ad.* এই খেনত, সম্প্ৰতি, now, at present.
এতেক, *ad.* ইমান, বহুত, সৰহিয়া, so much, so many, so abundant.
এতেকতে, এতেকে, } *ad.* এই হেতুকে, এই কাৰনে, তাৰ হন্তে, therefore, for this cause.
এতখনি, *ad.* এতেক, ইমান, এই পৰিমান, so much, so large.
এথানি, *s.* আধানাৰ্জি, নষ্ট হোআ, দুৰ্দসা, waste, misfortune, calamity.
এথানি এবানি, *s.* প্ৰতিপালক ন থকাত দুখত পৰা, অনাস্তিক, বিপদ, a state of helplessness, suffering from neglect.
এথালগেথাল, এথালথেথাল, } *s.* থেকেচা থেকেচি, ধুমধুপাল, খঙ্গত বস্তু আদি থেকেচা মাৰি দিয়া, throwing any thing down with violence.
এথুঁতৰি, *a.* থুঁতৰিলৈকে তল জোআ, chin deep, up to the chin.
এদতিয়া, *a.* এফলিয়া, বাকি ন থকা, acquitted from a claim, paid in full.
এদা, *s.* আদা, আৰ্দ্ৰক, ginger.
এদাকৰি, *s.* এবিধ গচ, মেজাংকৰি গচ, a species of tree.
এদাঁতি, *a.* এক মুৰ, এক পাৰ, one end or side.
এদিনিয়া, *a.* এদিন থকা, দিনটিয়া, অনিত্য, existing for a day, transient.
এদোৰোল, *s.* এতৰপ, এজাপ, of one thickness or fold.
এধৰিয়া, *a.* এফালে ধাৰ থকা, এদাঁতিএ কটা, having a straight edge like a chisel or adze, ground or beveled on one side.
এধা, *a.* আধা, আদখন, এফাল, half, a part.
এধাকটা, *a.* আধা কটা, see আধা কটা.
এধাখুন্দা, *a.* খৰচিয়া, অলপকৈ খুন্দা, half-pounded or pulverised, coarse.
এধান, *a.* এটি ধানৰমান, এচিকটা, অতি তাকৰ, the size of a grain of paddy, a small amount.

এধানার্জি, *s.* আধানার্জি, আফাল নষ্ট, আদখন হানি, the waste or loss of one half of any thing.

এধাপকা, *a.* ভালকৈ নপকা, ডেমেহিয়া, half-ripe.

এধামৰা, *a.* প্ৰাই মৰা, নিধাতু কৰা, half dead, almost exhausted.

এধামুৰি *s.* ধনগুলৈ, ভত হেৰাই জোআ, বৰ দুখত পৰা, the ignisfatuus; *a.* agitated, frightened, tossed about like the ignisfatuus.

এধাৰ, *s.* আধাৰ, পিয়াহ, এসুঁতি, the breast, a stream.

এধাৰকঁটিয়া, *a.* পিয়াহকঁটিয়া, ভালকৈ পিয়াহ খাবলৈ নোপোআ, stinted in growth for want of proper nourishment from the breast.

এধাৰি, *s.* আধাৰি, বিৰিয়া, a wisp of straw or other soft material used to set earthern vessels on.

এধাসাৰি, *a.* হাৰাসাস্তি, বৰ দুখ, overcome with fatigue, exhausted.

এনগেন্দাই, *v.* এঙ্গাই, অনিচা দুকুআ, to feign disregard or aversion.

এনাই, *s.* আহোমৰ বুৰি মাক, নাই তল জোআ, a grandmother, (an Ahom term,) a measure, up to the waist in height.

এনিহেনি, *ad.* এই ফালে সেই ফালে, অলৈতলৈ, this way and that way, thus and thus.

এনুআ, *ad.* এনেকুআ, এই নিচিন, such, like, likewise.

এনে, *ad.* এই ৰুপ, এই দৰ, in like manner, thus.

এনেই, *ad.* সুদাই, বিনা মূল্যে, অকাৰনে, ওপৰতে, without difficulty expense or cause, gratis.

এনেকুআ, *ad.* এই নকচাৰ, এই নিচিনা, এই বিধৰ, of this sort kind or shape, thus, such like.

এনেকৈ, *ad.* এই দৰে, এই স্বৰুপে, thus, so, like, in this manner.

এনেতে, *ad.* এই সময়ত, এনে কালত, meanwhile, at this or that time.

এনেতেনে, *ad.* ই সি, এই ৰুপ, সেই ৰুপ, this and that, thus and thus.

এপৰ, *s.* তিনি ঘন্টাৰ পৰিমান, দিন বা ৰাতিৰ চাৰি ভাগৰ এভাগ, the fourth part of a day or night, three hours.

এপৰিয়া, *a.* এপৰ বেলিৰ বাট, নদিৰ এপাৰ, এৰনিয়া, of three hours duration, belonging to this side.

এপল, *s.* এক দণ্ডৰ সাঠি ভাগৰ এভাগ. a minute, the sixtieth part of an hour.

এপলিয়া, *a.* এবাৰ পালত থকা, এবেলি পৰ দিব লগা, a time or turn in rotation, having one lot or turn.

এপাদ, *s.* এভৰি, এঠেঙ্গ, চাৰি ভাগৰ এভাগ, a foot, a leg, a fourth part.

এপাৰ, *a.* নৈ আদি পানি থকা ঠাইৰ এদাঁতি, one side of a river &c.

এপাৰি, *s.* এসাৰি, a row, a line.

এপাহ, *s.* উপকাৰ, ফুল বা জালৰ এটা এটা পাহি, help, the interstices of a net a flower leaf or petal.

এপাহ মৰা, *s.* উপকাৰ ৰখা, ভালকৈ ন কৰা, mere pretence of doing.

এপিঠিয়া, *a.* এক মনে, দৃঢ় ভাৱে, একে ফালে, fixed in purpose, determined, firm, resolute.

এপিনে, *a.* এদিসে, এফালে, this way, this direction.

এফলিয়া, *a.* এচলিয়া, আঁতৰ, one side of, oblique, apart.

এফাল, *a.* দুভাগ, আদখন, one half.

এফেৰা, } *a.* কিচুমান, অলপ, a very little.
এফেৰি, }

এবাহ, *s.* সৰহ, অধিক, জুম, a nest full, a swarm, a multitude.

এবিধিয়া, *a.* এক প্রকাৰৰ, এক ভাৱৰ, of one size, sort or kind, alike.

এবুলিয়া, *a.* এবোল খোআ, এবেলি ৰবন দিয়া, placed in dye once only, half-colored.

এবেলি, *a.* এবাৰ, এবৈচা, once, one time.

এবেলিয়া, *a.* এবেলা কৰা, এবেলি হোআ, during part of the day, belonging to a part of a day.

এভৰি, *s.* এটা ভৰি, এক ঠেঙ্গ, এবেলি অনা, এভাৰ, one foot, a load.

এভৰিয়া, *a.* এঠেঙ্গিয়া, এবেলি আনিব পৰা, one footed, bringing one load.

এমাডিমা, *s.* নিচেই সৰু লৰা চোআলি, চালুকিয়া, a very young child.

এমুৰিয়া, *a.* এমুৰত থকা, এদাঁতিয়া, দোন আদিৰ জোখৰ আদখনিয়া অর্থাত মুৰিয়া, belonging to one end, an even measure.

এয়ে, *pron.* ইয়ে, আগত থকাক বুজাই, this, this person or thing.

এয়েই, *pron.* এয়েই, এইটোয়েই, emphatic the of above.

এয়েৰে, *pron.* ইয়াৰে সৈতে, with this.

এৰন, *s.* এৰি দিয়া, মুকলি, গা সৰা, liberation, release, escape.

এৰা, *s.* এৰি পোহা গচ, ত্যাগ কৰা, সলাগি হই বোলা, the castor oil plant, a term of assent, yes; *a.* left, abandoned, deserted.

এৰাই, *v.* বন্ধনৰ পৰা মুকলি হোআ, মুলকি, সাৰি, to leave, to loosen, to break away, to fall off as leaves or fruit.

এৰাও, *s.* হাই, এটাহ, হুৰামুৰা, a noise, a tumult.

এৰা চৰাই, *s.* এবিধ সৰু চৰাই, a species of bird.

এৰাপৰলিয়া, *a.* ভাগি অহা, বহু দিন মানুহ ন থকা, জাবৰনি হোআ, deserted, abandoned, covered with rubbish.

এৰালি, *s.* বন ঘাঁহ এবিধ, a species of grass.

এৰি, *s.* পলু, এৰাপাত খাই সুতা দিয়া পোক, ত্যাগি, the silk worm that feeds on the castor oil plant; *v.* to leave, to abandon.

এৰিয়া, *a.* এৰি পোক বা জোথাৰ সুতা আৰু কাপৰ, relating to the *eri-polu,* the silk obtained from the *eri-polu.*

এৰুআই, *v.* মুকলি কৰা, খহোআ, গুচুউআ, to separate, to part, to loosen, to strip off, to put a stop to, to bring to an end.

এলাইজাপৰি, *a.* ধুনধান নাইকিয়া তিৰি, মৰপি, a woman that is negligent in adorning herself, indolent.

এলাগতিয়া, *a.* প্ৰিথকে থকা, কামত ন লগা, separate, distinct, different, unfit for, unsuited to.

এলাগি, *a.* অসুন্দৰি, দেখিবৰ মন নোজোআ, unsightly, ugly.

এলাচি, *s.* ইলাচি, সুগন্ধি ফল, মচলা বিসেস, cardamons.

এলান্ধু, *s.* আলান্ধু, ধুঁআৰ মল, soot.

এলাপেচা, *a.* ইতৰ, সমান্য, অকামিলা, low, common, worthless, mean.

এলাহ, *s* আলস্য, বনলৈ মন নোজোআ, হেলা, সৰপালি, laziness, indolence, inactivity, sloth.

এলেকৰপেলেক, *a.* একো সমন্ধ ন থকা, মিতিৰ বংস নোহোআ, without relations or friends, a term of abuse.

এলেন্ধুআ, *a.* এলান্ধু কলিয়া, ধুঁআ বৰনিয়া, sooty, smoky dark.

এলেহুআ, *a.* মৰপা, বনলৈ ভই কৰা, idle, lazy, indolent, slothful.

এসঁজিয়া, *a.* এসাঁজ এবি এসাঁজ খোআ, এসাঁজলৈ আঁটা, eating only once a day, sufficient for one meal.

এসা, *s.* কলৰ আথি, ভাত বন্ধা ঘৰা, আসা, a bunch of fruit, a cooking place, hope, expectation.

এসাঁজ, *s.* এবাৰ খোআ, ভোজন কৰা, one meal.

এসাৰ, *s.* এটি কথা, একেসাৰ, আসা থকা, one word, having hope.

এসাসুধিয়া, *a.* আসাসুধিয়া, পেটত কথা ন ৰখা, অকপটিয়া, without guile or hypocrisy, sincere.

এহতিয়া, *ad.* এহাতে কৰা, এহাত জোখ, এহাত থকা, done with one hand, one cubit in measure, having only one hand.

এহি, *a.* এই, this, this one, (poetic.)

এহেত, *ad.* ইয়াত, চমুতে, here, in this place.

এহেৰুআ, *a.* আহাৰ মাহত হোআ, born or produced in the month of *Ahar.*

এহেলৈ, *pr.* ইয়ালৈ, এই ঠাইলৈ, ইফাললৈ, this, to this, to this place.

এহোলোকা, *s.* এচোলোকা, হেলেপনিত পানি সোমোআ, the washing of water over the sides of a boat or bank.

ঐ

ঐ, ঐকাৰ ব্যঞ্জনৰ লগত গোট খালে এই ৰূপে লিখে (ৈ) হেৰ, সামান্য মাত, sounded like *oi*, in *going*. When connected with a consonant it is expressed by the mark (ৈ) preceeding it. It is also an exclamation used in calling to an inferior.

ঐআই, *interj.* আচৰিত বা লৰা চোআলিক মৰম পতিউআ মাত, an exclamation of wonder or surprise, a term used in fondling or caressing.

ঐয়াহৈয়া, *ad.* বিৰোধাবিৰুধি, ইফালে সিফালে টনাটনি কৰা, অমিল কথাত লাগি থকা, mutually discordant, disunited, hostile.

ঐৰাৱত, *s.* ইন্দ্ৰৰ হস্তি, Indra's elephant.

ঐৰাৱতি, *s.* মান দেশৰ প্ৰধান নদি, the river Irrawaddy.

ঐশ্বৰ্য্য, *s.* সম্পতি, বিভুতি, গৌৰৱ, মহিমা, state, grandeur, glory, wealth.

ঐশ্বৰ্য্যৱন্ত, *a.* ধনৱন্ত, প্ৰতাপি, glorious, majestic, great, grand.

ঐহিক, *a.* ইহকালৰ, মৰ্ত্য লোকৰ, pertaining to this life, pertaining to the present world.

ও

ও, ওকাৰ, ব্যঞ্জনৰ লগ হলে এই ৰূপ লিখে, (ো) কোনো কথাৰ সেসত জুক্ত হলে আৰু বুজাই, লো ঘঁহা জত্ৰ, this vowel is pronounced nearly like *u* in *bull;* with a consonant it is expressed by the mark (ো) the (ে) being placed on the left side of the letter and the (া) on the right. It is used as a conjunctive affix meaning, too, also ; *s.* a file, a rasp.

ওআইডাঙ্গ, *s.* ফিতাহি কথা, বৰ কথা, egotism, vaunting, boasting.

ওআদানি, *a.* সৰহিয়া, বিস্তৰ ওগাইৰহ, abundant, much, many.

ওঁ, *interj.* সলগা মাত, হই বোলা, সোঁঅৰা, an expression of assent and approval, yes.

ওঁক, *s.* ওকালিৰ সদদ, the noise made in retching or vomiting.

ওঁঠ, *s.* ওঁঠ, a lip.

ওঁঠ চেলেকোআ, *a.* আসা ভঙ্গ কৰি পঠিওআ, লাজ পেলোআ, মাতিব নোঅৰা কৰা, struck dumb by disappointment or shame.

ওঁত, *s.* আঁত, বুজ, সুতাৰ মোৰ, the end of a thread, a clue.

ওঁহ, *interj.* বাধা কৰা, ধৰ বা কৰ বোলা, জৰত নেথোআ, a prohibitive or negative particle, a stifled groan or sound of distress; sometimes equivalent to the expression come on, hasten &c.

ওঁহোওঁহ, *interj.* অনিচাৰ মাত, ন হই, বাধা কৰা মাত, a particle expressing unwillingness negation or prohibition.

ওকটপাকট, *s.* ওকলমাকল, পেট পকোআ, বাঁতি আহিব খোজা, sickness of the stomach, nausea.

ওকনি, *s.* চুলিৰ পোক, কাপৰত থকা পোক, a louse.

ওকালি, *s.* বাঁতি আহিব খোজা, a retching or heaving with nausea.

ওকোটা, *s.* উজৰা, লৰোআ, বেয়া গালি, the stirring up of filth, a term of abuse.

ওকোটাঘোঁকোটা, *s.* নানা ৰূপে বেয়া গালি পৰা, বিকথনা, excessively abusive language, scurrility.

ওকোলমোকোল, *s.* খাবৰ মন নোজোআ, আমুউআ, অনিচা, satiety, eating to the full, cloyed.

ওকোলা, *a.* মুখৰ পৰা উলিওআ বস্তু, ejected from the mouth.

ওখ, *a.* ওপৰ, উৰ্দ্ধ, থিয় জোখ, high, elevated, lofty, tall; *s.* height.

ওখ চাপৰ, *a.* খলাবমা, অসমান, uneven, undulating, hilly.

ওখনাওখনি, *s.* বদিয়াবদি কৰা, উতৰা উতৰি, strife, quarrel, dispute.

ওখল, *s.* মলি, টাটৰি, filth, dirt.

ওখোন, *s.* ধান খেৰ লুটিওআ বাবি, an instrument used for stirring or turning grain when threshing or drying.

ওখোনিয়াই, *v.* ওখোনেৰে মৰনা লুটিওআ, to open out, to stir up, as grain on a threshing floor.

ওখোৰা, *a.* দোদোবা, খলাবমা, হেঁটা মেচা, দ বাম, uneven, not level.

ওগাইবহ, *a.* বহুত, অনেক, মবহ, plentiful, abundant.

ওচমোচ, *s.* বুজ, বিবেচনা, আগ গুৰি, উচিত বা অনুচিত হোআৰ বুজ, understanding, consideration, sense of propriety.

ওচৰ, *a.* সমিপ, কোস, চমু, near, at hand, close to.

ওচৰঘৰিয়া, *a.* ওচৰত থকা, সমিপত থকা, চুবুৰিয়া, neighboring, adjacent.

ওচৰ চুবুৰিয়া, *s.* প্ৰতিবাসি, ঘৰৰ ওচৰত থকা মানুহ, a neighbor.

ওচৰাউচৰি, *a.* লগালগি, দেখা দেখি, near to each other, adjacent.

ওচৰিয়া, *a.* চুবুৰিয়া, ওচৰত থকা, সমন্ধিয়া, near, neighboring, related.

ওজ, *s.* সামগ্ৰি, ধন সোনৰ বাহিৰে সামান্য বস্তু, wealth of all kinds except gold and silver.

ওজন, *s.* জোখ, গধুৰৰ পৰিমান, weight, measure.

ওজবাজ, *s.* সামগ্ৰি আদি, বস্তু বেহানি, things in general.

ওজৰ, *s.* গোচৰ, জেন্ৰা, আপত্তি, a complaint, an objection, a murmur.

ওজৰাউজৰি, *a.* গোচৰাগুচৰি, উতৰাউতৰি, mutually complaining.

ওজা, *s.* সিল্প বিদ্যাত বা লিখা পৰ্হাত পাৰ্গত, a teacher of art or science.

ওজানি, *s.* ওজাৰ তিৰোতা, সিখ্যকিনি, wife of the above.

ওজালি, *a.* বেজালি, relating to the office or work of an *uja*; *s.* an exorcist.

ওটা, *s.* ঘৰৰ পানি বাজ হোআ নলা, a spout or drain for conducting water out of a house.

ওটাৰোকা, *s.* নিন্দনিয় মাত, গেৰেকনি ওকটা, a term of abuse.

ওঠাল বতিহাল, *s.* মাচ ধৰা বৰ জাল, a large fish net.

ওঠৈৰ, *a.* অষ্টাদহ, eighteen.

ওথোৰগোঁথোৰ, *s.* ঠেহ পতা, মুখ ওফোন্দোআ, ন মতাকৈ গপ কৰা, sulkiness, pouting, sullenness, moroseness.

ওদা, *a.* সেমেকা, পাগ ঢিলা, ডকৰা, ভজাত বা সুকুউআত এধা কেঁচা হোআ, untempered, soft, half roasted.

ওদাইদাৰি, *s.* অধিকাৰ, গৰাকি কৰ্ত্তা, a master, an owner, a ruler.

ওদাল, *s.* লেজু আদি কৰা এবিধ গচৰ চাল, a tree the bark of which is used for making ropes.

ওনা, *s.* ওৰা ধৰা, আৰম্ভ, কৰিব ধৰা, উপাই কৰা, এ:বেলি খোলাত ভাজিবলৈ জোৰা বস্তু, a beginning, a commencement.

ওনাওন, *s.* সৰহ, বিস্তৰ, abundance, plenty.

ওন্দোলা, *a.* মেঘে আবৰন কৰা, মুখ ওলোমোআ, cloudy, dark, lowering, overcast, of a downcast look.

ওন্দোলোআ, *a.* মেঘে ঢাকি ধৰা, গাল ওফোন্দোআ, খঙ্গ মুখে থকা, overhung with clouds, having an angry expression of countenance, clouded.

ওপঙ্গি, *v.* পানিত উটি ফুৰা, to float on the surface of a fluid.

ওপচ, *s.* দোন আদি পাত্ৰৰ মুৰে মুৰে হৈ বৰ্হা, a measure heaped up.

ওপচ মুৰিয়া, *a.* জুৰুলিয়া, দোন বা কঠাৰ ওপৰ মুৰিয়া, heaped up, copious, abundant.

ওপজা, *a.* জন্মা, হোআ, উতপন কৰা, born, begotten, produced.

ওপজা দিন, *s.* জনম দিন, a birth day.

ওপজোআ, *s.* জনমোআ, উলিউআ, প্ৰসও কৰা, the act of begetting, bringing forth; *a.* begotten, born.

ওপৰ, *a.* উৰ্দ্ধ, আগৰ, ওখ, high, above, lofty; *s.* height.

ওপৰচৰিয়া, *a.* তাৰ বাহিৰেও, ওপৰঞ্চি, চৰাঙ্গ চোআ, over and above, chief, principal; *s.* one who acts a conspicuous part, a spy.

ওপৰঞ্চি, *s.* প্ৰধান মানুহ, a prominent person, a leader.

ওপৰা উপৰি, *a.* ইটোৰ ওপৰত সিটো, হৈচা হৈচি, one above the other, in close succession, pressed together, packed, jammed.
ওফন্দি, *v.* উথহি, ফুলি, অহঙ্কাৰ কৰি, to swell, to inflate, to be puffed up.
ওফৰা, *s.* উফৰি জোআ, চিটিকি পৰা, the act of springing or bounding off to a distance, separating and falling off.
ওফৰাপিঙ্গলা, *s.* এবিধ খজু, ৰোগ বিসেস, a cutaneous disease.
ওভটগোৰে নচা, *s.* ওপৰলৈ ঠেঙ্গ তুলি নচা, ডেও পৰা, উত্রাৱল, দুষ্টালি কৰা, shamelessness, indecent behaviour.
ওভতসোভত, *s.* ওলটাউলটি, ওভোতাই দি আকৌ অনা, repeated orders and counter orders concerning the same thing.
ওভোতা, *a.* লুটি খোআ, তল ভাগ ওপৰ হোআ, ঘূৰি অহা বা জোআ, inverted, turned upside down, turned back.
ওম্, *s.* ওঁ৲, ॰, the sacred syllable A. U. M. denoting the hindoo trinity, which is never to be repeated in the hearing of one who does not wear the sacred thread.
ওমলা, *s.* খেলা, ৰঙ্গ, ধেমালি, কেলি, play, sport, frolic, fun.
ওমলাই, *v.* ৰঙ্গ কৰাই, খেলাই, to entertain another by play, to amuse.
ওৰ, *s.* সেস, সিমা চুকুউআ, ৰঙ্গা ফুল এবিধ, end, boundary, termination, a species of flower.
ওৰ জোআ, *s.* গৰ জোআ, জন্তু আদিএ সিঙ্গাৰ কৰা, copulation, sexual intercourse.
ওৰনি, *s.* মুখ ঢকা কাপৰ, a veil, a covering for the face.
ওৰনিয়া, *a.* ওৰনিৰ দৰে, like a veil.
ওৰবাটে, *ad.* গোটা বাটে, বাটৰ সকলোতে, the whole way or distance.
ওৰ লোআ, *s.* কোনো কথাৰ বুজ লোআ, কাৰন বুজা, ascertaining the cause of any thing.
ওৰাধৰা, *s.* আৰম্ভন, জোকৰা, কৰিবলৈ ধৰা, an attempt, a beginning.
ওৰেও, *ad.* সদাই, নিৰন্তৰ, always, continually, at all times.
ওৰেদিন, *ad.* গোটেই দিন, দিনটো, the whole day, all day long.
ওৰেৰাতি, *ad.* গোটেই ৰাতি, the whole night, all night long.
ওল, *s.* এবিধ কচুৰ নাম, a species of yam.
ওলগ, *s.* ভৰিত ধৰা, সেৱা, falling at the feet, prostration, worship.
ওলগনি, *s.* মিৰন, আগ্যা সুনুউআ বাবে টেকেলাক দিব লগা ধন, the legal fee of a messenger sent to deliver an official order.
ওলগ লোআ, *s.* সেৱা কৰা, প্রনাম কৰা, worship, prostration, touching the foot of a superior in token of homage or respect.

ওলটপালট, *a.* ওভতাউভতি, ওলোটাই দিয়া, লুটিয়ালুটি, upside down topsy turvy, turned back, disordered, confused.

ওলটাই, *v.* ওভোতাই, লুটিয়াই, to turn back, to give back any thing.

ওলমি, *v.* ডোল বা কোনো বস্তুত লাগি সুন্যত থকা, নেৰি লাগি ফুৰা, to hang to suspend from some thing above, to depend upon.

ওলা, *s.* মিচিৰিৰ লাড়ু, a kind of sugar in balls.

ওলাই, *v.* বাঁহিৰ হৈ, প্ৰকাস হৈ, উতপন হোআ, to come out, to appear, to become visible, to be known or exposed.

ওলোআ, *s.* বাজ হোআ, প্ৰকাস হোআ, appearance, publicity, visibility.

ওলোটাই, *v.* ওভোতাই, ঘুৰাই, লুটিয়াই, দুনাই অনা, বা দিয়া, to overturn, overthrow, subvert, to turn back, to do a second time.

ওলোমধোলোম, *a.* লটংপটং, ওলমি জোকাৰ খাই জোআ, swaying to and fro, oscillating.

ওলোমা, *a.* তললৈ পৰা, অৰা, pendent, hanging down, suspended.

ওলোমাই, *v.* তললৈ আৰি থোআ, তললৈ ওলমি পৰাকৈ লগোআ, to suspend, to attach to something above so as to hang down.

ওলোমাবাদুলি, *s.* তললৈ মুখ কৰি ওপৰত হাতে ভৰিএ লাগি থকা, hanging by the feet and hands with head downwards.

ওহাৰ, *s.* গৰু আদিৰ গাঁখিৰৰ বাহ, the bag or udder of animals.

ওহালপুতল, *s.* দিঘল পুতল, দিঘ পুতল, length and breadth.

ঔ

ঔ, ঔকাৰ ব্যঞ্জনৰ লগত গোট খালে এই ৰুপে লিখে ( ে ৗ ) টেঙ্গা এবিধ, মাতিলে উতৰ দিয়া বা ৰিঙ্গিওআ মাত, this vowel is generally considered as a compound of *o* and *u*, but the sound in Assamese is that of long *o* in *more*. Joined to a consonant it is expressed by the symbol ( ে ৗ ), the ( ে ) on the left hand and the ( ৗ ) on the right.

ঔচ, *interj.* কুকুৰক ৰিঙ্গিওআ মাত, a word used in calling dogs.

ঔ·টেঙ্গা, *s.* ঔ গচৰ গুটি, the fruit of the *ou* tree.

ঔৰস, *a.* স্বদেহৰ পৰা হোআ, born of one's own body, lawfully begotten.

ঔৰস জাত, *a.* স্ববিৰ্জ্য জাত, legitimately born, of natural descent.

ঔসধ, *s.* ঔসধ, দৰব, দেওআই, medicine, a remedy, a specific.

ঔসধি, *a.* ঔসধ সমন্ধিয়া, medicinal, relating to the science or practice of medicine.

ক

ক, ব্যঞ্জনৰ প্ৰথম আখৰ, the first consonant, it has the invariable sound of *k* in *king*.

কইদ, *s.* বন্দিকৈ থোআ, বন্ধা, imprisonment, confinement.

কইদি, *s.* ফাটেকিয়াল মানুহ, বন্দিয়াৰ, one who is placed in arrest, a prisoner, a captive.

কইৰ, *s.* চৰাই এবিধ, a species of bird, the name of a tree.

কওক, *v.* বোলোক, কোআ, কবলৈ দিয়া, speak, say, (honorific.)

কংস, *s.* ক্রিষ্ণৰ মোমাএক, মথুৰা দেসৰ পুৰ্ব ৰজাৰ নাম, the name of Khrishnu's maternal uncle, the king of Mothura.

কঁইটা, *s.* পিৰালিৰ দাঁতি, পানি পোতাৰ ওচৰ; মঁহ পোআলিৰ মুখত বান্ধি দিয়া জোঁটা সলা, the outer side of the embankment of a house, a muzzle to prevent calves from sucking.

কঁকলুআ, *a.* কঁকালৰ সমান, up to the waist.

কঁকাল, *s.* কঙ্কাল, সৰিলৰ মোঁ মাজ ভাগ, the loins, the waist, the middle.

কঁকালি, *s.* কঁকালত পিন্ধা কটি সুত্র, টঙ্গালি, a cord or ornamented band worn around the waist.

কঁকিলা, *s.* দিঘল মাচ এবিধ, a species of fish.

কঁকিলাদাঁৰ, *s.* কঁকিলা মাচৰ দিঘল দাঁৰ, the snout of the *konkila* fish.

কঁকিলাসৰিয়া, *a.* পিলপিলিয়া গা, গা নাইকিয়া, লেঙ্গপেঙ্গ কৰে, long and slender like the snout of the above fish, spindling.

কৰুআ, *s.* সুক্ষ্ম থকা ধান এবিধ, a kind of rice.

কঁটলা, *s.* কেঁটেলা পহু, দাঁহ কাঠৰ আগি গুচুউআ, a porcupine, trimming, pruning, straitening out the feathers as a bird.

কঁটালি, *v.* কঁৰালি সলসলিয়া কৰি, পানিৰ ঢলৰ বন, to prune, to trim, to smooth; *s.* a species of grass.

কঁটিঅৰি, *s.* জালোআ, মাচ বেচা ডোম, a fish-monger, a fisherman.

কঁটিয়াই, *v.* গৰুৰ ঢপিনাত আচাৰিবে খোচাই, মুখত হেঁচি খুউআ, to urge forward with a goad, to force any thing into the mouth.

কঁটিয়া, *a.* সৰু হৈ থকা, চুঁটি, চাপৰ, stunted, dwarfed.

কঁঠাল, *s.* ফল এবিধ, কন্টকি, the jacktree and fruit.

কঁতবা, *s.* ঢেকিৰথা খুঁটা, জয়ন্তা কচাৰি ৰজাৰ মোহৰ, the post of a pedal used in cleaning rice, a coin of the Cachari kings.

কঁথ, *s.* খদিৰ গচৰ এঁঠা, a species of gum.

কঁথা, *s.* ফটা কানিবে সিয়া নিহালি, a quilt made of several thicknesses of old cloth.

কঁপজৰ, *s.* কঁপনি জৰ, an ague and fever.

কঁপনি, *s.* কঁপা, থিৰ নোহোআ, a shaking, a trembling.

কঁপলিয়া, *a.* কঁপালি, সুখি, fortunate, lucky, prosperous, happy.

কঁপাল, *s.* চকুৰ চেলাউৰিৰ ওপৰ ভাগ, ললাট, বাসনা, ভাগ্য, the forehead, fate, destiny.

কঁপাল ফুটা, *a.* অভাগ্য, দুৰ্কঁপাল, এবিধ লতা গচ, unfortunate, unlucky; *s.* a species of climbing plant.

কঁপালি, *s.* কঁপালৰ ভুসন, an ornament for the forehead.

কঁপি, } *v.* থৰথৰ কৰি, কঁপি, অথিৰ হৈ, জোকাৰি, to tremble, to
কঁপি জঁপি, } shake, to quiver, to be agitated.

কৰলা, *a.* কঁটলা, বাঁহ কাঠৰ আখি গুচুউআ, pruned, trimmed.

কঁৰা, *a.* চাউল আদি নিকা কৰা, cleaned, pounded out as rice.

কঁৰালি, *v.* এঁঠাই, আখি গুচাই, to glue, to stick, to prune.

কঁৰাসলি, *s.* মুগা কটা ভাঁউৰি মাৰি, the spindle on which *muga* thread is wound.

কঁৰিয়াই, *v.* কাঁৰ মৰা, সৰ প্ৰহাৰ কৰা, to shoot with a bow.

কৰিয়া, *s.* কানৰ অলঙ্কাৰ, গাখিৰ খিৰুআ চুঙ্গা, an ear ornament, a joint of bamboo used as a milk jug.

কৰোঁতা, *s.* জি জনে কৰে, কাৰি, an agent, a doer.

কঁহকঁহিয়া, *a.* নিচেই জিয়া, গেলা নোহোআ, অতি ভাল, living, lively, excellent, fresh applied to fish newly caught.

কঁহাৰ, *s.* কাঁহৰ বন কৰা মানুহ, a brazier, a worker in brass.

কঁহুআ, *s.* এবিধ বন, কাঁহেৰে সজা, a species of grass, any thing made of bell-metal.

কক্কক, *s.* কুকুৰা চৰাইৰ মাত, a cackling noise as made by fowls.

ককৰ্তনিয়া, *a.* কাঠ পতান, খিন, immature, not perfectly grown, dwarfed, blasted, shriveled.

ককৰ্থনা, *s.* নিন্দা, কুবচন, বিকৰ্থনা, গালি, reproach, calumny, abuse.

ককা, *s.* মাক বা বাপেকৰ বাপেক, পুথাও, a grandfather.

ককাই, *s.* জেষ্ঠ ভাই, সমন্ধ লগোআ মাত, an elder brother, used also as a term of respect and friendship.

কক্ষা, *s.* আখেজ, খিয়াল, পেটৰ কপট, কথা বান্ধি লগা, hate, ill will, hypocrisy, a fixed resolution.

কঙ্কন, *s.* হাতৰ অলঙ্কাৰ, a bracelet worn by men.

কঙ্কন, *s.* কাঁকৰ, সিল গুৰি বা টান মাটি, gravel, pebble, broken brick.

কঙ্গাল, *a.* দৰিদ্ৰ, ভিকহু, দুখিয়া, poor, needy, necessitous, indigent.

কচ, *s.* মাচ এবিধ, a species of fish.

কচ্কচ, *s.* বেজবেজাই ঘাৰ খজুতি ধৰা, an itching twinging sensation.

কচ্কচনি, *s.* খচ্খচনি, ধৰফৰ, খজুতি uneasiness, fretfulness, grumbling.

কচকচাই, *v.* ধৰফৰাই, হাতেৰে লাৰিচাৰি ভাঙ্গিচিঙ্গি থকা, অশাঁতি, to be restless, meddlesome, worrying, mischievous.

কচ্কচিযা, *a.* কচ্কচাই থকা, সান্ত ভাৱে ন থকা, fretful, restless, teazing, mischievous.

কচৰকামোৰ, *s.* খোজা বস্তু নে পালে নেৰা, বল্টৈক ধৰা, অতি ইচাৰে খোজা, persistence, not to be put off or denied.

কচাৰি, *s.* এক জাতি বিসেস, a tribe of people, the Cachari race.

কচাৰি ঘৰ, *s.* ৰজাৰ সোধ কৰা ঘৰ, a court house.

কচালনি, *s.* কচালি থকা, জোকাৰনি, the act of swaying back and forth, swaggering or reeling to and fro.

কচালি, *v.* জোকাৰি, to move back and forth, to sway to and fro.

কচি, *v.* ঘনকৈ আঁক দি কটা, টানকৈ বন্ধা, to make frequent incisions in anything, to girt or draw tight.

কচি বান্ধি, *s.* টানি বন্ধা, টোপোলা বান্ধি ধন সঁচা, to draw tight, to girt, applied often to the tying up of money in bags.

কচু, *s.* এবিধ সাক, বা তাৰ মুল, an edible root of the arum class.

কচুআগাম, *s.* এবিধ খজুআ ৰোগ, the name of a cutaneous disease.

কচুআ ফৰিঙ্গ, *s.* এবিধ বৰ ফৰিঙ্গ, খগা ফৰিঙ্গ, a species of the locust.

কচুগুটি, *s.* কচুৰ টেপু, কচ্কচিয়া, the small sprouts that grow on the parent root, a troublesome worrying person or child.

কচুঘোঁটা, *s.* বৰকৈ জোকৰা, বৰ দুখ দিয়া, the act of beating up and reducing to a soft consistency, hence the bringing under subjection by hard discipline.

কচোআ, *s.* মাচৰ পেটত থকা পোক, a worm found in the flesh and intestines of fish.

কচ্ছপ, *s.* কাচ, কুৰ্ম, a tortoise, a turtle.

কজলা, *a.* কলা বেঙ্গেনাৰ বৰন, purple.

কজুআ, *s.* বাজ বেপাৰি, সজাই, an under or travelling trader, a pedlar.

কটক, *s.* উৰিয়া দেসৰ এক নগৰ, সেনা, the city of Cuttack, a soldier.

কট্কটিয়া, *a.* টান, কচ্কচাই থকা, বেস্যালি, hard, restless, lustful.

কটকি, *s.* কথা জোগোআ, কথা বাত্ৰা লৈ জোআ মানুহ, an ambassador, a messenger, a spokesman.

কট্কিনা, *a.* চিকটা, কিৰ্পিন, আটকিয়া, illiberal, hard, stingy, scarce.

কটনা কাটি, *v.* বেচৈল লোকৰ সুতা কটা বা কাপৰ বোআ, to spin or weave for others.

কটবিয়া, *a.* চাউলিয়া, সান নোজোআ, not well softened or mixed.

কটা, *a.* কম কৰা, চেদ কৰা, গালিৰ মাত, অস্ত্রেৰে কটা ঘা, diminished, cut, severed; *s.* a term of abuse, a gash, a wound.

কটাক্ষ, *s.* চকু কেৰাহিকৈ চোআ, দর্শন, a side look, a significant glance.

কটা চিঙ্গা, *s.* কাটকুট, নিচেইকৈ এৰা, ঠিকঠাককৈ কোআ, a cutting, a final separation, a positive declaration; *a.* severed, final, uttered once for all, irreversable.

কটাবান্ধ, *s.* পাচলৈ হাতকৈ বন্ধা, binding the hands behind the back.

কটাৰি, *s.* কটা চিঙ্গা সৰু অস্ত্র, a knife.

কটাৰি ডবুআ, *a.* কটাৰি ডাবৰ নিচিনা, কটাৰি ডবুআ ধান মাহ আদি, grain or fruit &c. shaped like the handle of a *tamul* knife.

কটাহি, *a.* কেটেহা কেটেহ গোন্ধোআ, having an offensive smell.

কটিবন্ধ, *s.* কঁকালি, প্রিথিবিৰ জাৰ ঘাম আদিৰ বিসেস বিসেস ভাগ, a girdle worn about the loins, a zone or division of the earth.

কটিসুত্র, *s.* কঁকালি জৰি, কন্ধর্নি, a cord worn about the loins.

কটু, *a.* বেয়া লগা, জলা, বেজেৰা, disagreeable to the taste, abusive, scurrilous, acrimonious.

কটুবাক্য, *s.* কঠিন মাত, কেটেৰজেঙ্গেৰ, খঙ্গৰ মাত, provoking language, spiteful angry speech.

কটুৰ, *a.* টান, নিৰস, কঠিন, hard, dry, without feeling or sympathy.

কঠ, *s.* মুথা বন আদিৰে কৰা আসন, a thick soft mat for sitting &c.

কঠ খোআ, *s.* কষ্ট খোআ, সময়ত প্রসও নোহোআকৈ থকা, exceeding the proper period of gestation.

কঠনা, *s.* এবিধ বগা ফুল, a species of flower.

কঠনিয়া, *a.* একঠা ধৰা, আদ সেৰিয়া, containing a *kotha* or half seer.

কঠলুআ, *s.* কাঠ এবিধ, টান বোকা, a species of tree, stiff clay.

কঠা, *s.* চই মুঠি ধৰা পাত্র, আদ সেৰ, কুৰি লোচা মাটি, half a seer in measure, a measure of land.

কঠাকঠ, *a.* একঠা একঠা কৰা, সহহ, divided into *kothas* or half seers.

কঠিন, *a.* টান, কটুৰ, নির্দয়া কিৰ্পিন, hard, severe, unfeeling, difficult to do or to understand, illiberal.

কঠিয়া, *s.* সঁচ, বিজ, ৰুবলৈ পচোআ পুলি ধান, seed, semen, also grain sown for transplanting.

কঠিয়ানি, *s.* কঠিয়া তলি, কঠিয়া সিঁচা ঠাই, a place where seed is sown for transplanting.

কঠুআ, *a.* টান, বিৰস, সোআদ ন থকা, কাঠৰ সৰু পাত্র, juiceless, dry, insipid; *s.* a small wooden vessel.

কঠুআ মাত, *s.* বেজেৰা মাত, টেঙ্গা মাত, harsh angry language or tone.
কত, *ad.* কিমান? ওজন বা সংখ্যা সোধা, how much? how many?
কত্, *ad.* কোন ঠাইত? কোন খিনিত? where? in what place?
কতক, *a.* সৰহ, অধিক, কেতখনি, many, very much, some few.
কতক্ষন, *ad.* কিমান কাল? কিমান পৰলৈ? how long a time?
কতখনি, *ad.* কিমান? কতেক বস্তু? how much? how abundant?
কতপা, *s.* আঙ্গুলি কতপা, প্ৰমানৰ নিমিত্তে আঙ্গুলিৰ চিন দি খত লিখা, the impression or mark of a finger, used in the old Assamese form of witnessing a deed of the sale of slaves or lands.
কতবা, *ad.* কিমান? how much?
কতবা, *ad.* কোনোবা ঠাইত, in some place unknown or not specified.
কতা, *ad.* কত? কোন ঠাইত? where? in what place?
কতিয়াকৈ, *ad.* কাতিকৈ, obliquely, slantingly.
কতু, *ad.* কোনো ঠাইত, (with a negative) nowhere, in no place.
কতুবা, *ad.* কঁতবা, কোনোবা ঠাইত, in some unknown place.
কতেক, *ad.* কেতবোৰ, কেতেক, কেতেটি, a few, somewhat.
কতো, *ad.* খেনো, কোনো, কেতো, some, a portion.
কথকি, *s.* কথা কব জনা, বাক্যপটু, কথা বাহি, a speaker, an eloquent person, a great talker, an orator.
কথন, *s.* কথা হোআ, কোআ, conversation.
কথনমথন, *s.* কথা বাৰ্ত্তা, কোআ মেলা, a conference, mutual intercourse or consultation.
কথনিয়, *a.* কব লগা, কবৰ উচিত, proper to be spoken.
কথমপি, } *ad.* অলপতে, কেনেতেন, কোনো মতে, barely, somehow,
কথম কথমপি, } by some means.
কথম কথমপি মৰা, *a.* মুৰে মুৰে মৰা, escaped by the narrowest chance.
কথা, *s.* বাক্য, বিত্তান্ত, বিসই, a word, a sentence, discourse, saying, a story, an affair, a matter.
কথাই ধৰা, *s.* কথাকে চিন্তি থকা, চিন্তা সোমোআ, laying to heart, realizing any fact or truth.
কথা কিনি, *v.* চলেৰে আপোনাৰ কথা জনাই অন্যৰ কথা বুজা, to find out another's wish or plans by craft.
কথা দি, *v.* বুধি দিকোআ, উচটোআ, ভাঙ্গোআ, to entice, instigate or inveigle.
কথা পিন্ধাই, *v.* অপ্ৰকাস কথা লোকৰ আগত সৈ কৰোআই প্ৰমানিক কৰোআ, to obtain an open acknowledgement of a matter previously kept secret or having no witness.

কথা বন্ধা, *s.* আৰি বন্ধা, নিয়ম কৰা, a wager, a bet, a stake.

কথা বাত্ৰা, *s.* কথনমথন, কোআকুই, conversation, familiar talk.

কথাবাহি, *a.* কথকি, বহু কথা কোআ, full of words, loquacious, garulous.

কথা সুনুউআ, *s.* আগ্যা সুনুউআ, প্ৰচাৰ কৰা, making known a decree, publishing, proclaiming.

কথা হোআ, *s.* কথোপকথন কৰা, কথা বাত্ৰা হোআ, conversation, conference, consultation.

কথিত, *a.* কোআ, উক্ত, spoken, uttered.

কথিমথি, *v.* বুজি বাজি, সুধি পুচি, বিবেচনা কৰি, to talk over a matter.

কথিয়া, *a.* কথা কওঁতা, ভাসি, talkative, garulous.

কথোপকথন, *s.* কথা বাত্ৰা, আলাপ প্ৰলাপ, দুয়ো কোআ মেলা কৰা, কোআকুই কৰা, conversation, dialogue.

কদাঞ্চিত, *ad.* কেতিয়াবা, কোনো ৰূপে, কেনেবাকৈ, somehow, at sometime perchance.

কদম, *s.* গাম ধৰা, খোঁৰাৰ এখুজিয়া খোজ, a step, a pace or gait.

কদম্ব, } *s.* বৃিখ্য এবিধ, ৰঘু ব্ৰিখ্য, a species of tree.
কদম,

কদৰ্জ্য, *a.* কুচিত, বেয়া, লেতেৰা, loose, bad, abominable, filthy.

কদৰ্থনা, *s.* বিকৰ্থনা, নিন্দা বিটন্দা, reproach, abuse, contempt.

কদলি, *s.* কলা গচ, কল, the plantain tree and fruit.

কদাকাৰ, *a.* কুৰূপ, কুচিত আকাৰ, আলাগি, অসুৰনি, ill shapen, ugly, deformed.

কদাচ, *ad.* কেতিয়াবা, প্ৰাই কোনো কালে, rarely, seldom, scarcely ever.

কদাচাৰ, *s.* কুআচাৰ, বেয়া প্ৰবৰ্ত্তন, কুকৰম, immorality, profligacy, rascality, misconduct.

কদাচিত, *ad.* কেতিয়াবা, কেনেবাকৈ, occasionally, seldom, perchance.

কদাপি, *ad.* কেতিয়াও, কদাচিতো, seldom if ever.

কন, *s.* গুটিৰ জি খুদ্ৰ অংসৰ পৰা গজালি মেলে, অতি খুদ্ৰ, the eye or germ of a seed, that which germinates or reproduces, an atom.

কনক, *s.* সোন, সুবৰ্ন, gold.

কনকনিয়া, *a.* জুনজুনিয়া, অতি সুকান, sharp, shrill, dry.

কন্কনোআ, *s.* গনগনোআ, বহু মানুহৰ সবদ, হাই, a loud tumultuous sound, a buzz, the hum of a distant multitude.

কনক চম্পা, *s.* সোন বৰনিয়া সুগন্ধি ফুল এবিধ, a species of flower.

কননিয়া, *s.* কান ফটা চৰু, কান ফটা, ঠেনঠেনিয়া, a cracked earthen vessel, the sound of such a vessel when struck.

কন মৰা, *a.* বিজ মৰা, কন গেলা, ধান আদি গুটিক গজিব নোৱৰাকৈ সিজোৱা, নষ্ট কৰা, loss of the power of vegetation or procreation, the destruction of vitality.

কনা, *a.* চকুএ নে দেখা, অন্ধক, কুঁহিয়াৰ আদিৰ পোলা, blind; *s.* a person who is blind, a bundle of sugar-cane or reeds.

কনাই, *s.* ক্রিষ্ণৰ এক নাম, বিয়াত দৰা কন্যাই দলিয়া দলি কৰা টোপোলা বিসেস, Khrishnu as a child; a small bundle containing a guava betelnut panleaf *aroi* rice and *dubori* grass, bound with thread and passed back and forth between the bride and bridegroom at a marriage expressive of a wish that she may have offspring.

কনাইমলথু, *s.* এবিধ ধানৰ নাম, a species of paddy.

কনাকনি, *s.* কানে কানে ফুচফুচুআ, মনে মনে কোআকুই কৰা, whispering in the ear.

কনামাকৰি, *s.* কানৰ ভিতৰৰ মল, ear wax.

কনামুচৰি, *s.* এবিধ মাচ খোআ চৰাই, সৰু বিধ বগলি, the name of a small bird that preys on fish.

কনামুনা, *s.* একো নে দেখা, চকুমুদি বগা বগি দিয়া, seeing nothing, a play of closing the eyes and striking back and forth pretending to be blind.

কনাৰি, *s.* নাৱৰ গোঁজ মৰা বিবিৰা ডোল, ফুল এবিধ, নগৰা, a noose or fastening to a boat or basket, a lilly.

কনি, *s.* ডিমা, অণ্ড, অণ্ডকোস, an egg, a testicle.

কনিকলি, *a.* বিন্দুহেন, সৰু, খুদ্র, very little, minute.

কনিকা, *s.* নিচেই সৰু বস্তু, ৰেনু, বিন্দু, a particle, an atom, a drop.

কনিকিওআ, *s.* বিন্দু বিন্দু বৃিষ্টি পৰা, drizzling, falling in fine mist.

কনি ধান, *s.* এবিধ সৰু ধান, a species of small grain.

কনি বিহ, *s.* এবিধ বিসাল গচৰ গুটি, a tree bearing a poisonous fruit.

কনিয়া, *s.* বিয়া দিবলৈ নোওআ ধুউআ চোআলি, a bride.

কনিষ্ট, *a.* বয়সত সৰু, নুমলিয়া, least, youngest, junior.

কনিষ্ঠাঙ্গুলি, *a.* কেঁৱা আঙ্গুলি, the little finger.

কনিয়াই, *v.* একন একন বৃিষ্টি অনা, কনিকিওআ, to rain in very small drops, to mist.

কনুআ, *s.* এবিধ মাচ খোআ চৰাই, a species of bird that preys on fish.

কন্যা, *s.* কুমাৰি, দুহিতা, সষ্টৰাসি, a young girl, a virgin, daughter, a bride, the sign Virgo.

কন্যাদান, s. চোআলি বিয়া দিয়া, the giving a daughter in marriage.
কন্যাৰাসি, s. সষ্ঠ ৰাসি, the sign Virgo.
কণ্টক, s. কাঁইট, হুল, জোঙ্গ, সত্রু, a thorn, a prickle, any thing pointed, any cause of pain or trouble, an enemy.
কণ্ঠ, s. ডিঙ্গি, গল, টেটু, the throat.
কণ্ঠমালা, s. কণ্ঠা, ডিঙ্গিৰ মালা, a necklace.
কণ্ঠা, } s. ডিঙ্গিত পিন্ধা সোনৰ মালা, a species of neck ornament.
কণ্ঠি, }
কণ্ঠাগত, a. জিৱ ডিঙ্গিৰ গুৰিত থকা, মৰিবলৈ চিপ লোআ, coming to the throat as life, ready to tear the body, about to expire.
কন্দনামুআ, a. কান্দোঁ কান্দোঁ হোআ, বিসাদ মন দেখুউআ, of sad countenance, about to cry.
কন্দল, s. দন্দ, বিৰোধ, a dispute, contention, quarrel.
কন্দলি, s. কলা গচ, a plantain tree.
কন্দা, s. ক্রন্দন, বিলাপ, weeping, loud lamentation.
কন্দাকটা, s. দুখৰ ৰাও, ইননি বিননি, বিলাপন, loud wailing, lamentation.
কন্দুআই, v. ক্রন্দন কৰাই, to cause to cry.
কন্ধ, s. কান্ধ, কান, মুৰ নাইকিয়া ভুত, পুথিৰ ভাগ, the shoulder, a ghost or apparition, a chapter, a division.
কন্ধা, s. পোলা, আটি, an armful, a bundle.
কপ, s. কঁপনি, কম্পন, কঁপা, a trembling, shaking, agitation.
কপ্‌কপনি, s. বলকনি, অনর্থক ৰূপে বহু কথা কৈ থকা, লপ্‌লপনি, idle talk, prating verbosity.
কপ্‌কপিয়া, a. লৰ্‌চৰ্‌ কৰিব নোআৰা, খাঁজে খোপে খোআ, fitted to, made to fit, as an article of dress, a tenon and mortice.
কপ্‌জপ্‌, a. থৰকবৰক, কঁপি উঠা, কপজপোআ, tremulous, quivering.
কপট, s. চল, পেটত ক্রোধ থকা, আখেজ, hypocrisy, deceit, ill will.
কপটবেস, s. চদ্মবেস, ভাও ধৰা, an assumed form or character, acting a feigned part.
কপটি, } a. খিয়লিয়া, পেটত কপট ৰখা, hypocritical, dissembling.
কপটিয়া, }
কপৰা, s. কপাহৰ চুপহি, আফু কলি, সেত কপৰা, the unopened pod of cotton and poppy plants, the name of a medicinal plant.
কপর্দ, s. সিৱৰ জঁটা, the matted hair of Hoda Hiwo.
কপর্দুল, s. উত্তম সিহি কাপৰ এবিধ, a kind of fine silk gauze.
কপাট, s. দুআৰ, a door.

কপাহ, *s.* কপাহৰ গচ বা তুলা, the cotton plant, cotton.

কপাহগুটিয়া, *s.* এবিধ বন গচ, a jungle plant.

কপাহনি, *s.* কপাহৰ তলি, কপাহ গচৰ ঠাই, a place where cotton is grown.

কপাহি, *a.* কপাহৰ কৰা, কপাহৰ পৰা হোআ, made of cotton.

কপি, *s.* বানৰ, বান্দৰ, a monkey, an ape.

কপিং, } *s.* লেঙ্গটি, পোকৰটনা, a narrow strip of cloth worn around
কপিন্স্, } the loins.

কপিদা, *s.* আগ নোহোআ দিঘল দা, a large knife or razor-shaped instrument.

কপিল, *a.* পিঙ্গল বৰ্ন, ৰিসি এজনৰ নাম, copper coloured, the name of an ancient Sage.

কপিলা, *a.* কপিল বৰনিয়া, copper coloured

কপিলি, *s.* কপিল বৰনৰ গাই গৰু, নগাঁৱৰ এক নৈৰ নাম, a mythological cow said to bestow whatever any one asks, a river in tho Nowgong District.

কপৌ, *s.* পাৰৰ নিচিনা বনৰিয়া চৰাই, a wild pigeon.

কপৌলতা *s.* এবিধ বনৰিয়া লতা, a wild creeping plant.

কপৌজপৌ, *s.* অথিৰঅবিৰ, আপদত পৰি ভত হেৰোআ, unsteadiness, without self possession or presence of mind.

কফ, *s.* শেঁকাৰ, phlegm.

কব্কবাই, *v.* বলকি থকা, সৰহকৈ কথা কৈ থকা, to prate, to babble, to be loquacious.

কবচ, *s.* বনৰ জাপৰ, মন্ত্ৰ কবচ, ঔসধৰ মাদলি, defensive armor, an amulet or charm worn as a protection against evil.

কবনি, *s.* কাকুতি, মিনতি, বলকনি, earnest entreaty, supplication.

কবন্ধ, *s.* মুৰ নাইকিয়া ভুত, গাঁৰিডোখৰ, an apparition said to resemble a headless trunk.

কবাৰি, *a.* কিৰ্পিন, কট্কিন, tight fisted, stingy, miserly.

কবি, *s.* কবিতা কৰোঁতা, কাব্য কৰা পণ্ডিত, সাক এবিধ, a poet, one who is skilled in metrical composition, a cabbage.

কবিতা, *s.* পদ, শ্লোক, চন্দ, a poem, poetry, verse.

কবুল, *s.* সৈ কৰ্হা অঙ্গিকাৰ কৰা, an acknowledgement, agreement.

কবুলতি, *s.* নিবৰ্ন্ধ পত্ৰ, অঙ্গিকাৰ কৰা পত্ৰ, a written acknowledgement or agreement.

কম, *a.* তাকৰ, অপুৰ্ন, deficient, incomplete.

কমনি, *a.* বিকল হৈ ফুৰা, মাচে পানিত তেল গুপঙ্গা দি ফুৰা, bewildered, perplexed, confused; applied also to fish when paralyzed by poison cast into the water.

কমনিয়াই, *v.* দুখত ঢেলেঙ্গ পেলেঙ্গকৈ ফুৰা, বেজাৰত বিকল হোআ মাচৰ কমনি লগা, to wander about bewildered and perplexed, to paralyze fish by casting poison into the water.

কমণ্ডলু, *s.* সন্যাসিৰ জল পাত্ৰ বিসেস, the drinking vessel of an ascetic.

কমল, *s.* পদ্ম, পদুম, the lotus or water lilly.

কমলা, *s.* লক্ষ্মি, বিষ্ণুৰ ভাৰ্জা, a name of Lokhmi, wife of Vishnu.

কমলিনি, *a.* পদুম ফুলৰ নিচিনা সুৱনি তিৰি, পদুমনি, a woman beautiful as the lotus.

কমাই, *v.* তাকৰাই, কপাহৰ তুলা কমোআ, to diminish, to clean cotton.

কমাইকুটাই, *v.* আৰ্জিকুৰ্জি, ঘটিপিটি, to earn, to acquire property.

কমাৰ, *s.* লোৰ কাম কৰোঁতা, a blacksmith.

কমি, *v.* টুটি, তাকৰ হৈ, to diminish, to abate, to lessen.

কমোআ, *s.* তাকৰোআ, বালি ধুই সোন উলিওআ, কপাহৰ তুলা অঁতোআ, অৰ্জা, the act of diminishing, washing for gold, the cleaning of cotton, gain, earnings.

কম্পন, *s.* কঁপন, থৰ্থৰ, জোকাৰ খোআ, a trembling, shaking, agitation.

কম্পমান, *a.* কঁপি থকা, থৰ্থৰ ৰৰৰৰ কৰা, অথিৰ হোআ, trembling, quaking, vibrating, agitated.

কম্প্যাচ, *s.* দিস বিদিস নিৰূপন কৰা জন্ত্ৰ, a compass.

কম্পিত, *a.* কঁপি থকা, থৰ্থৰ ৰৰ্ৰৰ লগা, made to tremble, agitated.

কম্বল, *s.* নোমৰ কাপৰ, কামলি, থঙ্গা, a coarse woollen blanket.

কম্বু, *s.* তিনি ৰেখিয়া সামুক, a shell with three convolutions.

কম্বুগ্রিৱা, *a.* তিনি ৰেখা থকা ডিঙ্গি, having a neck marked with three lines like the conch shell, a sign of beauty and of good fortune.

কৰ, *s.* হাত, ৰাজকৰ খাজানা বা গুৰুক দিয়া ধন, হাত গাৰ চালত ঘহঁনি খাই কাঠ হৰ্কা, a hand, revenue whether of a king or priest, callosity, callousness.

কৰ্, *ad.* কোন ঠাইৰ, কঁত থকা, whence? from what place?

কৰৈ, *s.* বৃখ্য বিসেস, কাঠ বিসেস, a species of tree.

কৰকচ্, *s.* লোন এবিধ, ৰৰ কঠিন, a kind of salt; *a.* harsh, rough, hard.

কৰ্কৰ, *s.* দাঁত চোৰোআৰ সৱদ, কৰচনি, the noise of gnashing or grinding the teeth together.

কৰকোষ্টি, *s.* হাতৰ তলুআৰ আঁক, the lines in the palms of the hands

কৰঙ্গন, *s.* উৰু, আঁঠুৰ ওপৰ ভাগ, the thick part of the leg, the thigh.

কৰঙ্গনিয়া, *a.* কৰঙ্গনৰ সমান, এটা পৰিমান, up to the waist, a measure.

কৰঙ্গা, *s.* এবিধ দল বন, a species of wild grass.

কৰচনি, } *s.* দাঁত কামোৰা, দাঁত চোবোআ, কৰচা, the act of gnashing
কৰচা, } or grinding the teeth together as in rage or great pain.

কৰচলি, *s.* হেঁতা, a large spoon or ladle.

কৰচাই, *v.* দাঁত চোবোআই, দাঁত কৰকৰোআই, to cause to gnash or strike the teeth together.

কৰজা, *s.* ধাৰ, ৰিন, a loan, a debt, (Hindee.)

কৰজোৰ, *s.* কৃতাঞ্জলি, হাত জোৰ, the joining of the palms of the hands together as in respectful address.

কৰত, *s.* কাঠ ফলা অস্ত্ৰ, a saw.

কৰতল, *s.* হাতৰ তলুআ, the palms of the hand.

কৰতলিয়া, *a.* অধিন হোআ, খাজানা দিব লগিয়া, কৰনিয়া, tributary, subject to, under tribute to a *gooroo*, discipled.

কৰতাল, *s.* এবিধ বাদ্য, a rude instrument of music composed of a piece of notched bamboo and a cowry on which it is rapidly moved back and forth.

কৰতি, *s.* মাচ এবিধ, মন্ত্ৰৰ শক্ত কটা পুথি, a species of fish, a book that teaches how to destroy the power of muntras.

কৰতিয়া, *s.* কামৰুপৰ পচিম সিমাৰ কৰতিয়া নামে নৈ, কৰতিয়া গঙ্গা, কৰতৰ কাম কৰোঁতা, the name of a river that forms the western boundary of Kamroop, a sawyer.

কৰন, *s.* কৰা, ক্ৰিয়া, a work, an action, a deed.

কৰনি, *s.* কাপৰ আদি থোআ কাঠ বাঁহৰ পাত্ৰ বিসেস, a sort of native clothes box or basket.

কৰনিয়া, *a.* গুৰুক কৰ দিব লগা, কৰতলিয়া, discipled, tributary to a priest or spiritual guide.

কৰপ, *s.* গাত মলি বন্ধ জোআ, লেপ, টাটৰি, গৰু মহৰ সিঙ্গত কৰপ বন্ধা, a streak stripe or line, the mark of a vine growing around a tree, stripes or wrinkles on the horns of cattle.

কৰপল্লব, *s.* হাতৰ চিয়াৰ, আঙ্গুলিৰ ঠাবেৰে কোআ, talking by signs, conversation by the fingers.

কৰপাত্ৰ, *s.* চলু, হাতৰ ঠোলা, the hand used as a cup.

কৰবন্ধা, *s.* হাতৰ চাল টান মৰা,কাঠ বন্ধা, callousness on the hands.

কৰবিৰ, *s.* পুস্প বৃক্ষ বিসেস, the sweet scented oleander or rose bay.

কৰম, *s.* কাজ স্রাদ্ধ, সৰাধ, a work, an action, funeral obsequies or offerings to the manes of the dead.

কৰমকঁপাল, *s.* দসা, বাসনা, কঁপালত লিখা, destiny, fate, condition.

কৰমকাৰি, *s.* কাজ কৰম কৰোঁতা, পোৰোহিত, one who performs the funeral rites, a priest.

কৰমা, *s.* হৰা দিয়া, কুক্রিয়া, মন্ত্র কৰি মানুহ মৰা, one who injures or destroys others by incantations.

কৰমালা, *s.* জপমালা, মালা গুটি, a bead roll or rosary.

কৰলিপয়ন, *a.* সিঁচৰতি, বেমেলি, লেটপেট, scattered about in disorder, mixed promiscuously together.

কৰলিয়া, *a.* সুকান, নিৰস, dry, unseasoned, juiceless, without flavor.

কৰাল, *s.* এঁঠা, লেই, gum, paste, any sticky substance.

কৰি, *v.* কৰা, to do, to act, to perform.

কৰি, কৌৰি, } *s.* ধনৰ মুৰে বেহহাৰ কৰা সাগৰৰ সামুক বিসেস, কপৰ্দ্দক, a cowry.

কৰাই, *s.* ভজা চাউলৰ গুৰি, সান্দহ; লোকৰ দোআৰাই কাৰোআ, the flour of parched rice, called *hándoh*; *v.* to cause to do.

কৰাইচ, *a.* কট্‌কিনা, কিৰ্পিন, চিকটা, penurious, stingy, miserly.

কৰাইমুৰিয়া, *s.* লেজু আদি পকোআত পাক খাই গাঁঠি লগা, খৰ পাক, a kink or twist in a rope or thread.

কৰুআ, *s.* নুফুটা কপাহ, মুনিয়া, cotton not well opened from the pod.

কৰুনা, *s.* ক্রিপা, দয়া, টেঙা এবিধ, mercy, pity, a species of acid fruit.

কৰুনাকৰ, কৰুনাধাৰ, } *s.* ক্রিপাকৰ, দয়ানিধি, ক্রিপাৰ আধাৰ, a mine of pity, a receptacle of mercy.

কৰুনাময়, *a.* দায়ালু, ক্রিপাময়, pitiful, tender hearted, merciful.

কৰুনাসাগৰ, *s.* প্রেমসাগৰ, ক্রিপাসিন্ধু, the ocean of mercy.

কৰৈ, *s.* এবিধ সুকাঠি গচ, a species of tree.

কৰোআ, *a.* লোকৰ হতুআই কৰা, done, caused to be done.

কৰ্কচ, *a.* কঠিন, কেটেৰা, কঠুআ, harsh, rough, hard.

কৰ্কচবাদ, *s.* কেটৰা কেটেৰিকৈ উত্তৰ কৰা, sharp angry contention.

কৰ্কট, *s.* কেঁকোৰা, চতুৰ্থ ৰাসি, a crab, the sign Cancer.

কৰ্কৰা, *s.* পানি নিদিয়াকৈ থোআ ভাত, cooked ricekept for after eating.

কৰ্কৰনি, *s.* দাঁত কামোৰাৰ সবদ, the noise of gnashing the teeth.

কৰ্কৰাই, *v.* দাঁতেৰে সবদ কৰি দাঁত চোবাই, to gnash the teeth.

কৰ্কৰি জল, *s.* স দাহনৰ পাচে সৰিল চেঁচা হবলৈ পানি আদি দিয়া, libations of water poured out for the dead.

কৰ্কৰিয়া, *a.* সুকান, খৰ্খৰিয়া, নিৰস, dry, parched, arid, juiceless.
কৰ্চন, *s.* বৰ চৰাই এবিধ, a species of large bird.
কৰ্জা টেঙ্গা, *s.* এবিধ টেঙ্গা, an acid fruit, the coronda, ( Carissa Carodas.)
কৰ্ত্তব্য, *a.* কৰিব লগা, উচিত, proper to be done, fitting.
কৰ্ত্তা, *s.* কৰোঁতা, অধিকাৰ, গৰাকি, a doer, a master, a governor.
কৰ্দ্দ, *s.* পাঁচ সিৰিয়া টেঙ্গা বিসেস, a species of acid fruit.
কৰ্দ্দ সিৰিয়া, *a.* ধঁতুৰা পহিয়া, কৰ্দ্দ টেঙ্গাৰ নিচিনা সিৰ থকা, carved or shaped like the above fruit.
কৰ্দ্ধনি, *s.* সোন ৰুপৰ গুনাৰে গঁথা কঁকালৰ অলঙ্কাৰ, a gold or silver threaded girdle.
কৰ্ন, *s.* কান, স্রুৱনেন্দ্রিয়, একন বিৰৰ নাম, the ear, the sense of hearing. the name of a hero mentioned in the Mahábhárat.
কৰ্নগোচৰ, *s.* কানত পৰা, সুনা, falling on the ear, hearing distance.
কৰ্নবেধ, *s.* কান বিন্ধনি দিয়া, কান ফুটুআ, the ceremony of piercing the ears of a male child observed by the brahmins and kaisths.
কৰ্নাতকৰ্নি, *ad.* ইকান সিকানকৈ passing from ear to ear.
কৰ্নাট, *s.* এক দেসৰ নাম, the country of Mysore.
কৰ্পুৰ, *s.* কাফুৰ, সুগন্ধি দ্ৰব্য, হাবিৰ এবিধ সুগন্ধি গচ, camphor.
কৰ্পুৰ মনি, *s.* এবিধ সিলৰ মনি, কৰ্পুৰানি, a species of bead.
কৰ্কাল, *s.* আচাৰ, আস্ফাল, a side blow or slap.
কঁৰ্বাৰ, } *ad.* কঁৰবাৰ, কোনোবা ঠাইৰ, from some unknown place.
কৰুবাৰ, }
কৰ্বাৰ কোনোবা, } *ad.* নিচেই অচিনাকি, somebody from somewhere.
কৰুবাৰ কোনোবা, }
কৰ্ম, *s.* কৰম, কাম, বন, a work, an action, an affair.
কৰ্মকৰ্ত্তা, *s.* কাম কৰোঁতা, an overseer or agent.
কৰ্মনাসা, *s.* এক নদিৰ নাম, পুন্যখয়ই নদি, a river in Hindustan the very sight of which is said to destroy religous merit.
কৰ্মন্য, *a.* কামৰ জোগ্য, লাগতিয়াল, কামিলা, fit for work, useful.
কৰ্মফল, *s.* আৰ্জ্জিত কৰমৰ ভোগ, বেচ, the result of an action, reward, consequence.
কৰ্মবন্ধ, *s.* বাসনা, কৰমৰ ভাল বেয়া ভোগ কৰা, the inevitable consequences of an action.
কৰ্মভোগ, *s.* ফল ভোগ, আৰ্জ্জিত কৰমৰ ভোগ, experience of results &c.
কৰ্মসাধন, *s.* কাম সিদ্ধি কৰা, কৰি এঁটোআ, completion of a work.
কৰ্সাল, *s.* নাৱৰ বিন্ধা মৰা সাল, a plug in the bottom or side of a boat.

কৰ্হা, *a.* বলেৰে নিয়া, হেঁতাৰে চৰুৰ পৰা তোলা, আঁজুৰি তোলা, taken away by force, snatched, plucked out, dipped out of a dish.

কৰ্হোআ, *s.* এবেলি হালবাই থোআ, এচাহ দিয়া, a first plowing, an iron cooking dish.

কৰ্হালি, *s.* ডৰা নাৱৰ আগ চোআ, the prow of a pleasure boat.

কৰ্হিওআ, *s.* এঠাইৰ পৰা আন ঠাইলৈ নিয়া, the act of carrying away.

কৰ্হোআ, *a.* হেঁতাৰে কৰ্হাই নিয়া, এবেলি হাল বোআ, dipped out, taken forcibly away, once ploughed.

কল, *s.* কলা, কদলি ফল, জন্ত্র, মাচৰ ফুল, a plantain, an engine or machine, the gills of fish, the lower part of the human jaw.

কলক্দান, *s.* সাঁফৰ, খুৰা লগা বানবাটি, a covered metal dish with feet attached.

কলকলাই, *v.* মাত ফুটিবলৈ ধৰা, পানিৰ সবদ কৰা, to utter a low sound as of children beginning to talk, to make a rippling sound as of water or the din and buzz of a distant multitude.

কলকলনি, *s.* পানিৰ কলকল সব্দ, মাত ফুটিবলৈ ধৰা, a rippling sound, the cooing noise of little children when beginning to talk.

কল্কি, *s.* বিষ্ণুৰ দসম অৱতাৰ, the tenth and last Hindoo incarnation.

কলগচিআ, *s.* ভৰিৰ ৰোগ বিসেস, a disease of the leg.

কলগুহ, *s.* ডিঙ্গিৰ পৰা নেৰা লেঠা, আপদ, an insurmountable difficulty, a dilemma.

কলঙ্ক, *s.* চেকা, মামৰ, অপবাদ, দুৰ্নাম, a spot or mark, iron rust, defamation, abuse.

কলঙ্কি, *a.* অপবাদি, দুৰ্নামি, stained, blemished, stigmatized.

কলং, *s.* এখন নৈৰ নাম, the name of a river in the Nowgong District.

কলচি, *s.* দৌল আদিৰ ওপৰত সজা কলাডিল, পানি তোলা টেকেলি, ঘঁট, টেকেলি, a pinnacle, a point, a small water jar.

কলনি, *s.* কলাবাৰি, a garden of plantain trees.

কলপ, *s.* গাৰ মোট, সাঁফৰ, the cast off skin of a snake or other reptile.

কলপ কলপ, *s.* কাপ কাপ কৰা, মৰিবলৈ উসাহ টনা, panting, gasping.

কলপতিয়া, *a.* কলাপাতৰ বৰনিয়া, like the plantain leaf in colour.

কল্প, *s.* ব্ৰহ্মাৰ এদিন, ৪৩২০০০০০০ বচৰ, a kolpo, a period of 432000000 years, termed a day and night of Brohmo.

কল্পতৰু, *s.* ইন্দ্ৰপুৰিৰ অভিলাস সিদ্ধি কৰা দেৱ বৃক্ষ, দানি, a fabled tree of Indra's paradise said to yield whatever fruit is desired, a liberal person.

কলপন, } s. উপাই, মনত ভবা, মনেৰে পঙ্গা, a scheme, a settled
কল্পনা, } purpose, a plan, a device.

কল্পান্ত, s. জুগৰ অন্ত, প্ৰলই কাল, the end of a kolpo, the final dissolution of the world.

কল্পিত, a. মিচা, নজা কথা, কিৰ্ত্তিম, feigned, spurious, counterfeit.

কলম, s. কাপ, লিখনি, গচৰ ডাল ধৰা, a pen, a cutting or stem of a plant, a scion, a graft.

কলমলাই, v. দুখেৰে বনাই ফুৰা, টোপনিত চকু মুদাই নিয়া, to be oppressed with sleep or borne down with sorrow.

কলমটিয়াই, v. কলমলাই, টোপনিয়াই, to slumber, to sleep, to doze.

কলমুআ, a. পানিত সিপাৰ নোআৰি বগাই ফুৰা, floating about like a plant without root, wandering without fixed habitation.

কলহ, s. পানিৰ পাত্ৰ, ঘঁট, a water pot, a pitcher, a jar.

কলহিয়া, a. কলহ জেন ডাঙ্গৰ, কলহৰ পৰিমান, pertaining to a *koloh*, the measure of a *koloh*.

কঁলা, a. ক্রিষ্ণ বৰন, এন্ধাৰ, black, dark; s. darkness

কলা, a. কানে নুসুনা, কল, চন্দ্ৰৰ সোল ভাগৰ এভাগ, deaf; s. a plantain, a sixteenth part of the moon's disc.

কলাই, s. কলামাহ, কান্দি ঠৰ হোআ, leguminous seeds, pulse or vetch of kinds, exhausted with crying.

কলাইখাৰ, s. হিলৈ মৰা খাৰ, বৰ চোকা, gunpowder; a. pungent, piercing, passionate.

কলাগুটিয়া, a. কলা গুটিৰ নিচিনা, এধা সুকান ধান আদি, like a plantain seed, half dried applied to paddy and other grain.

কলা ঘুমটি, s. অল্প নিদ্ৰা, কান জাগি থকা টোপনি, a light sleep half asleep and half awake, dozing.

কলাচহুৰা, s. কলা পাতৰ ঠাৰি, the stems of the plantain leaf.

কলাডিল, s. কল গচৰ ডিল, বুকুৰ ডিলা, the flower of the plantain tree, the heart.

কঁলামাটি, s. নাগমাটি, কলা বৰনৰ মাটি, stone or fossil coal.

কলামাহ, s. খেচাৰি মাহ s. a species of pease or pulse.

কলাফুল, s. আঁঠুৰ তল ভাগ, কলৰ ফুল, the calf of the leg, the fruit of the plantain tree.

কলাফুলিয়া, a. কলাফুলৰ সমান হোআ, reaching to the calf of the leg.

কলামলা, a. অলপ নিদ্ৰা, চিন্‌মিন, drowsy, dozy, heavy, sluggish.

কঁলামঁলা, a. মলিন, soiled, dirty.

কল্যান, *s.* কুসল, সুভ, welfare, prosperity, happiness.
কল্যানি, *a.* ভাগ্যৱন্তি, সুখি, prosperous, fortunate, happy.
কলি, *s.* চতুর্থ জুগ, নুফুটা ফুল আদি, ক্লমলিয়া গুটি, অমঙ্গল, কঁলা বৰনিয়া মাইকি, কোনো বস্তুৰ মুৰত দিয়া বেট্‌, the so called fourth or present age of the world, the iron age or age of vice, which commenced 3000 years before the Christian era, and is to continue 432000 years when the world is to be destroyed; the calix of a flower, an unblown flower, a bud, calamity, dissention; *a.* dark colored.
কলিয়া, *a.* কঁলা বৰনিয়া, কালসমন্ধিয়া, blackish, relating to a period.
কলিয়াই কলিয়াই, *a.* অতি দুখে নৰিয়াত বহু দিনে স্বস্থ হোআ, gradually recovered after long illness.
কলিয়াকচু, *s.* এবিধ কলা কচু, a species of the *kosu* plant.
কলিয়াবৰ, *s.* খৰঙ্গিৰ দেস, the name of a district in Nowgong.
কলিকা, *s.* কলি, নুফুটা ফুল, চুপহি, a flower bud.
কলিজা, *s.* বুকৰ কলাডিলৰ বোখা, আগ মঙ্গহ, the liver.
কলিজুগ, *s.* কলিকাল, চাৰি জুগৰ সেস জুগ, the fourth and last age of the world. see কলি.
কলিজুগিয়া, *a.* কলিজুগত হোআ, relating to the *Koli jug* &c.
কলিতা, *s.* জাত বিসেস, one of the Hindoo castes.
কলেৱৰ, *s.* সৰিল, একে কঠি, the body, complete in all its parts.
কলৈ, *ad.* কোন ঠাইলৈ, whither? to what place? in what direction?
কলৌ, *s.* কন্দল, বিবাদ, contention, altercation, quarrel.
কলৌজপৌ, *a.* আউলজাউল, থৰকবৰক অথিৰ, থানথিত নোহোআ, unsettled, unsteady, running this way and that, fickle, wavering.
কৱচ, *s.* লোৰ জাখৰ, চোলা, ৰনৰ সাজ, defensive armor, a covering for the body in battle.
কষ্ট, *s.* ক্লেস, দুখ, আটক, পিৰা, pain, suffering, distress, trouble.
কসটি, *s.* উত্তম সিল, সোনপৰিক্ষা কৰা সিল, a touchstone, a test for gold.
কষ্টসাধ্য, *a.* কৰিবলৈ টান, difficult to accomplish.
কসিপুৰি, *v.* অহো পুৰুসার্থ কৰি, গা দাঙ্গি কোআ, বৰকৈ ধৰা, to earnestly strive for, to affirm in the strongest possible manner, to earnestly importune, to press a suit.
কষ্টা, *s.* কপিঙ্গ, সৰু চুৰিয়া, a narrow waist cloth.
কস্তুৰি, *s.* গান্ধ পহুৰ নাই, গান্ধ কলাই, musk, the perfume so called.
কহ, *s.* কেহেটা গুন, তামৰ মামৰ, verdigris.

কহুৰা, } *a.* কাহি থকা, having a cough, expectorating.
কহুআ, }

কাইলৈ, *s.* কালিলৈ, পৰ দিন, বৰ্ত্তমান দিনৰ পাচত অহা দিন, tomorrow.

কাউচা, *s.* চৰাই এবিধ, দুষ্টস্ত্ৰি, a species of bird, a licentious woman, a termagant.

কাউচালি, *a.* দন্দ হাই কৰা, দুষ্টালি, restless, quarrelsome, licentious.

কাউথেকেৰা, *s.* এবিধ থেকেৰা, an acid fruit.

কাউৰি, *s.* কাকপক্ষি, a crow. a raven.

কাওন, *s.* সোল পোন, 16 *puns* or 1280 *cowries.*

কাউনিয়া, *a.* একাওনলৈ পোআ, worth or obtainable for one *kaun.*

কাওবাও, *s.* কাকুতি মিনতি, entreaty, earnest supplication.

কাঁইট, *s.* কন্টক, শুল, a thorn, a prickle, a foe, a cause of anxiety.

কাঁইটনি, *s.* বহুকাঁইট থকা ঠাই, a place full of thorns or difficulties.

কাঁইটিয়া, *a.* কাঁইট থকা, thorny, prickly.

কাঁইবাই, *s.* মাচ এবিধ, a fish resembling the eel.

কাঁও কাঁও, *s.* পানি আদিৰ সবদ, বৰ বেগে জোআ, a roaring rumbling sound as of water or of anything in rapid motion.

কাঁক, *s.* সৰু ডোম. a loosely platted basket.

কাঁকবাক, *s.* কাওবাও, কাকুতি, বিনাই কৰা, the throwing about the hands by way of entreaty or supplication.

কাঁকিবোল, *s.* এবিধ বিসল কেবেলা, a kind of esculent vegetable.

কাঁকৈ, *s.* চুলিৰ জঁট ভঙ্গা ফনি বিসেস, a very coarse bamboo comb.

কাঁকৈচিৰা, *s.* চিৰাচিৰ, বিষলে বিষলে ফটা, গা ফটা, cracks in the feet or other parts of the body like the prongs of a comb.

কাঁচমাটি, *s.* খেহ আদি বেসৰ উত্তম পাত্ৰ বগা মাটি এবিধ, the clay from which china ware is made.

কাঁচল, *s.* কাপৰৰ আঁচল ভাগ, the edge or border of a cloth.

কাঁচলি, *s.* বিহা, তিৰোতাৰ গা ঢকা কাপৰ, অলপ ৰঁদ পৰা, a woman's shoulder cloth, mild sunshine.

কাঁচি, *v.* মঙ্গহ আদিত ঘনকৈ আঁক দি কঁচা, ভালকৈ দৈ নোহোআ, to gash meat or fish preparatory to roasting.

কাঁজিৰিবলি, *s.* সৰু সাপ এবিধ, a species of snake.

কাঁজিয়া, *s.* দন্দ, গালিয়াগালি, হুজৰ, contention, disputation, a squabble.

কাঁটল, *s.* তৰ্জুৰ কাঁইট, আল, the index of a pair of scales, a spur.

কাঁটল ফুটা, *a.* আল ফুটা, জৌৱনৱস্থা হোআ, grown, mature, virile, as an ox when horns are grown or a fowl when spurs appear.

কাটলুআ, *a.* ধন লগা, ধনুআ, laid under tribute, subject to taxation.
কাঁটি, *s.* হালোআ আচাৰিৰ মুৰৰ জাঙ্গ, the point of an ox goad.
কাঁতৰি, *s.* কুঁহিয়াৰ সালৰ ঘুৰুউআ মাৰি, the beam of a native sugar mill
কাঁৰ, *s.* বান, সৰ, an arrow, a dart.
কাঁৰ মাৰি, *v.* সৰ মৰা, to discharge an arrow.
কাঁৰি, *s.* কাৰ মাৰোঁতা, হজুআ, চাউল আদি নিকা কৰি, an archer, a class who in the days of the Assam Kings were appointed to do cooley work; *v.* to pound out, to clean of husks.
কাঁৰ্ফাই, *s.* ফাঁকেৰে ধেনু, চুটিয়া ধেনু, a cross-bow, a sutia bow.
কাঁহ, *s.* মিহলি ধাতু বিসেস, বৰ কাঁহ, bell-metal, a gong.
কাঁহি, *s.* ভাত খোআ পাত্র, কাঁহ পিতলৰ থাল, বন এবিধ, a platter of white brass or bell-metal, a species of grass.
কাক, *pron.* কোন জনক, কাউৰি, whom? *s.* a crow.
কাকচৰিত্র, *s.* কাউৰিৰ মাতৰ দোআৰাই মঙ্গল চোআ পুথি, a shaster that teaches how to divine by the cawing of crows, divination.
কাকত, *s.* চিঠি, খত আদি পত্র, a letter, an official paper or writing.
কাকতি, *s.* লিখক, মহৰি, লেখাৰু, a writer, a clerk, a secretary.
কাকতিয়া, *a.* কাকত কৰি বেচা, বা লোআ, আঁক কাকত জনা, anything bought or sold by written agreement, anything mentioned in a written list.
কাকতি ফৰিঙ্গ, *s.* পাখিত আখৰৰ দৰে চিন থকা ফৰিঙ্গ, a species of locust.
কাক্‌বা, *ad.* কোন জনক, some one, (indefinite.)
কাকবন্ধ্যা, *a.* বিঐবাজি, এটাৰ মাইকি হৈ আৰু নোহোআ, barren after the first child.
কাকিনি, *a.* লেঙ্গা, অতি দিঘল, very tall and slender, spindling.
কাকা, *s.* কউৰিৰ মাত, the cawing of crows.
কাকুতি, *s.* মিনতি, কাবৌকোকালি, entreaty, supplication.
কাকোন, *s.* সোনাৰিৰ চেপেনা, a goldsmith's pincers.
কাখ, *s.* কোস, কাখৰ, দাঁতি, ওচৰ, the side; *a.* near, close to.
কাখৰি, কাসৰি, } *ad.* কাসৰ, দাঁতি, ওচৰ, near to, bordering on, by the side of.
কাখৰিয়া, কাসৰিয়া, } *a.* ওচৰিয়া, দাঁতিঅলিয়া, adjacent, proximate, bordering close upon.
কাখলতি, কাসলতি, } *s.* বাহুৰ মুল, বগল, কুক্ষি, the arm pit.
কাগজ, *s.* তুলাপাত, paper.

কাঙ্গু, *s.* নৰম চাহ এবিধৰ নাম, a quality of tea, the *congou.*
কাচ, *s.* কূৰ্ম, কস্যপ, a tortoise, a turtle.
কাচনমতি, *a.* সুন্দৰি তিৰোতাৰ নাম, ধুনমাৰঁতি, fond of dress and finery, elegant.
কাচৃবৰন, *s.* কাচৃবৰনিয়া, কজলা, a brownish or brindle colour.
কাচাৰি, *s.* কচাৰি, বিচাৰস্থান, a court house.
কাচি, *s.* ধান দোআ কটাৰি, নাও বন্ধা লেজু, a sickle, a boat rope.
কাচি পাৰি, *v.* পিন্ধি উৰি, to equip, to attire, to make ready.
কাচুটি, *s.* চুৰিয়া, a waist cloth.
কাচুটিয়া, *a.* চুৰিয়া লোআ, old enough to wear a waist cloth.
কাচুটি হেরুউআ, *s.* বিচেষ্টা, তত হেৰোআ, *lit.* one who throws off the waist cloth, *i.e.* one who is beside himself.
কাজ, *s.* কাম, বন, বেৱসাই, সকাম, work, employment, personal concern.
কাজ কৰম, } *s.* মৰাৰ কৰ্মক্ৰিয়া, স্ৰাদ্ধ, funeral obsequies, offerings
কাজ দহা, } made to deceased ancestors.
কাজভাগি, *a.* অতি কামত নিপুনা, কামিলা, skilled, accomplished, qualified.
কাজল, *a.* কজলা বৰন, brownish.
কাজলি, *s.* আঁজলি, কজলা বৰনিয়া, a double handful; *a.* brownish.
কাজলিফোঁহা, *s.* খুদ্ৰ খহু বিসেস, a pimple.
কাজি, *s.* বৰ কাটিব পৰা তিৰোতা, নিপুনা, a woman skillful at work.
কাজুআ, *a.* নিপুন, কাঠিয়ক, কামিলা, skillful, able, accomplished.
কাঞ্চন, *s.* সুবৰ্ন, ফুল এবিধ, gold, a species of flower.
কাটকুট, *s.* কটা চিহ্না, অসুধ আদি কটাৰ চিন, marks of correction in a writing, a cutting, a clipping.
কাটন, *a.* কাটোন, চোকা, কটা, cutting, sharp, keen.
কাটনি, *s.* জুগি, কাটিব লগা, কাজি, the *jugi* class, a cutting, clipping or paring, a skillful woman.
কাটিল ফুটিল, *a.* লবচৰ নকৰা, দগা, indolent, inactive, slow.
কাঠ, *s.* কাষ্ট, কটাগচ, দাৰু খৰি, wood, timber.
কাঠকটিয়া, *s.* কাঠ কটা মানুহ, বাৰৈ, a carpenter, a woodman.
কাঠকঠুআ, *a.* টান, বিৰন, নিচৈ কলি, hard like wood, juiceless, unripe; *s.* a small wooden bowl.
কাঠকলি, *s.* কঠিন কলি, ফুল কলি, hard unripe fruit, a fruit germ.
কাঠচলি, *s.* চাঁচ আদিৰ মুখৰ সৰু পাতল চলা, a small chip of wood.
কাঠচিত, *a.* কঠিন মন, hard hearted, unfeeling like a piece of wood
কাঠনি, *s.* জাৰনি, গচনি, a wood, a forest.

কাঠফুলা, *s.* পচা কাঠ আদিৰ পৰা ওলোআ ফুল, a mushroom, a fungus.
কাঠবাঁজি, *a.* অপুত্ৰাস্ত্ৰি, বন্ধ্যাতিৰি, বাঁজি, barren, without offspring.
কাঠবুকু, *a.* কঠিন চিত্ত, see কাঠচিত্ত.
কাঠবিয়া, *s.* কাঠ বেচা লোক, কাঠকটিয়া, a dealer in wood.
কাঠসংস্কাৰ, *s.* খৰি দিয়া, স দাহ কৰা, the act of giving wood for the burning of a dead body.
কাঠসৰ, *s.* বৰ হৰিনা পহু, কাঠ খোআ পহু, a species of large deer.
কাঠি, *s.* দুহতিয়া জোখ, বাঁহৰ পাতলকৈ তুলুআ চেপেটা সলা, পেৰাৰ চাবি, a measure of two cubits, a splint of bamboo, a key.
কাঠিজাল, *s.* মাচ মৰা জাল এবিধ, দান মৰা, a fishing net, an obstruction of split bamboo placed across a stream to catch fish.
কাঠিয়ক, *a.* পাৰ্গত, নিপুন, বুধিয়ক, expert, clever, skillful, able.
কাণ্ড, *s.* ভাগ, চেদ, a portion, division, a limb, a member.
কাণ্ডাৰি, *s.* গুৰিয়াল, নাৱৰ মাজি, a pilot, a helmsman, a steersman.
কাতৰ, *s.* কাকুতি, কাতৰাও, ব্যাকুল, entreaty, supplication.
কাতৰি সোনা, *s.* বৰ আস্থিকৰ বস্তু, মৰমৰ দ্ৰব্য, anything rare or highly valued.
কাতৰোক্তি, *s.* বিনই বচন, কেঁকনি, entreaty, an expression of distress.
কাতি *s.* কেঁচি, সপ্তম মাহ, হলনিয়া, এৰবিয়া হোআ, a pair of scissors, the seventh month, corresponding to the last part of October and the first part of November; *a.* aslant.
কাতিকুতা, *a.* ইফাল সিফাল, লুটিবাগৰ, লৰচৰ, ইবাগি সিবাগি, this way and that way, turning from side to side.
কাতিনেউলি, *s.* ধান এবিধ, a species of paddy.
কাতিহা নকৰা, *a.* মাত্ কথা নসহা, irritable, impatient, excitable.
কাতো, *ad.* কোনো মানুহত, (with a negative,) to no one.
কাতোবা, *ad.* কোনোবাত, to some one.
কাথ, *s.* কায়স্থ জাত, a person of the *kayosth* class or caste.
কান, *s.* কৰ্ন, কান্ধ, দাঁতি, চৰু কলহৰ ওপৰৰ মোটোকোআ ভাগ, the ear, the shoulder, the edge or shore, the rim of a vessel or cup.
কানকটা, *a.* কান চেদ কৰা, নিলাজ, দুৰ্জন, ear-cropped, a term of reproach arising from the custom of cropping the ears of offenders practiced by the Assam Kings.
কানকলা, *a.* কানে নুসুনা, কলা, deaf, dull of hearing.
কান কৰি, *v.* মন দি, সুনি, to listen, to hear, to attend.
কানকুৰিকা, *s.* পখি এবিধ, a species of bird.

কানখৰিকা, *s.* কান খজুউআ হাঁকোটা, an ear pick.
কানগাঁৰ, *s.* কানৰ ভিতৰত হোআ খহু, a discharge from the ear.
কানতাল, *a.* মহা সবদে কানত সোপা মাৰি ধৰা, deafening, stunning.
কানপতা, *s.* লোকৰ সলনি কামৰ ভাৰ লোআ, মন দিয়া, the taking a burden from another's shoulder, bearing another's burden, the giving heed, paying attention, listening.
কানপাহ, *s.* কোৰৰ কানত লো জঁপা, মোধ দিয়া, the welding a strip of iron about the eye of a hoe.
কানবিন্ধনি, *s.* কানবিন্ধোআ, কর্ন বেধ, the ceremony of piercing the ears.
কানমৰা, *s.* ভাৰত কান সলোআ, shifting from shoulder to shoulder.
কানমাৰি, *s.* ভাৰ নিয়া মাৰি, a pole or bamboo for carrying burdens.
কানমুৰালি, *s.* কানৰ বেদনা, a disease of the ear.
কানসমনিয়া, *v.* কানৰ সমান ওখ, up to the shoulder in height or depth.
কানৰলতি, *s.* কানৰ তল ভাগ, the lobe of the ear.
কানসৰালি, *s.* আওকনিয়া দবে সুনা, নিজম দি থকা, hearing while pretending not to hear.
কানসাৰ, *a.* ভুভা, চেতন, সতর্ক, wide awake, alert, vigilant.
কানসোঁতা, } *s.* কানৰ পাচ ভাগ, the portion of the head just behind
কানসটা, } the ear.
কানাই, *s.* ক্রিষ্ণৰ এক নাম, কনাই, a name of *Krishna.*
কানি, *s.* আফিঙ্গ, চিগা কাপৰ, opium, a rag.
কানিদুঅৰি, } *a.* অলপকৈ মেলা দুআৰ, standing ajar as a door &c.
কানিদুঅৰিয়া, }
কানিয়া, *v.* কানি খোআ, addicted to the use of opium.
কানিমুনি, *s.* দেখি নেদেখা ভাও ধৰা, এন্ধাৰত ভালকৈ নেদেখা, the feigning of blindness, indistinctly seeing on account of darkness.
কানে কানে, *a.* মুৰে মুৰে, নিয়মিত সময়ৰ মুৰতে, full to the brim, at the exact time, with কোআ, whispering, speaking in the ear.
কানে কানমাৰিএ, *ad.* কথঞ্চিপ, মুৰে মুৰে হোআ, just sufficient, barely.
কান্ত, *s.* প্রিয়, স্বামি, beautiful, beloved, dear, desirable; *s.* a husband.
কান্তা, *s.* ভার্জ্যা, সুন্দৰি স্ত্রি, a beloved wife; *a.* beautiful.
কান্তি, *s.* সোভা, প্রকাস জেউতি, glory, brilliance, splendor.
কান্তিময়, *a.* সোভাময়, প্রকাসজুক্ত, glorious, glowing with light.
কান্তিমন্ত, *a.* সোভিত, দিপ্তিমন্ত, beautiful, sparkling with gems.
কান্দন, } *s.* ক্রন্দন, বিলাপ, weeping, crying.
কান্দনি, }

কান্ধ, *s.* কান, বাবিচনিৰ ওপৰ ভাগ, the shoulder.

কান্ধুলি, *s.* মাচ এবিধ, a species of fish.

কাপ, } *s.* কলম, লেখনি, বেঁতৰ অাটি, a pen, a bunch of rattans.
কাপকাঠি,

কাপ কাপ, *a.* নানা বৰনিয়া অাঁচ থকা, বৰ দুখ পোঅা, striped with different colors, variegated, distressed.

কাপ ঢেকিয়া, *s.* এবিধ বৰ ঢেকিয়া, ঢেকিয়া সলি, a small reed sometimes used for making pens.

কাপৰ, *s.* কাপোৰ, বস্ত্র, বসন, cloth.

কাপৰ কানি, *s.* বস্ত্র, পিন্ধা বসন, wearing apparel in general.

কাপুৰুস, *a.* কুপুৰুস, সাহহিন, অকামিলা, cowardly, timid, worthless.

কাফুৰ, *s.* কর্পুৰ, camphor.

কাপোৰৰ ঘৰ, *s.* তাম্বু ঘৰ, a tent, a tabernacle.

কাফি, *s.* চাহৰ দৰে খোঅা এবিধ গচৰ গুটি, coffee.

কাবনি, *s.* কাকুতি, মিনতি, কাবৌ, supplication, entreaty.

কাবাজ, *s.* সৈন্যৰ সিক্ষা, military drill.

কাবু, *s.* চল, উপাই, the means or way of doing anything.

কাবৌ, *s.* কাবনি, কাকুতি, entreaty, supplication.

কাবৌ কাকুতি, } *s.* অতিসই মিনতি, অতি দুখৰ মিনতি, স্তুতি নতি, earnest entreaty, worship.
কাবৌকোকালি,

কাব্য, *s.* কবিতা, স্লোকৰ পুথি, a poem, poetry, verse.

কাম, *s.* কামনা, মনৰ ইচা, বন, কার্জ, বৰন এবিধ, desire, lust, work, business, an affair, a light blue colour.

কামচৰাই, *s.* কাম বৰনিয়া চৰাই, a species of bird.

কামদেউ, *s.* ক্রিষ্ণৰ পুত্র, the Indian Cupid, the god of love.

কামধেনু, *s.* পুৰানিক গাই গৰু, a fabulous cow said to grant whatever is desired.

কামনা, *s.* অভিলাস, বাঞ্চা, ইচা, wish, desire, lust.

কামবৰনিয়া, *a.* নিল বৰনিয়া, light blue.

কামবান মৰা, *a.* কামসৰ হনা, কাম দেৱে সৰ হনা, মন জোঅা, love-struck, smitten by the arrow of Cupid.

কামভাও, *a.* তিৰোতালৈ ইচা হোঅা, lustful, libidinous.

কামৰুপ, *s.* অসম দেসৰ এভাগ, ইচাৰুপ, সুন্দৰ, a district in the western part of Assam; *a.* pleasing, beautiful.

কামাখ্যা, *s.* দেবি, the name of a sacred shrine and hill near Gowhatty.

কামাগ্নি, *s.* কামানল, কাম বান, the fire of lust, lechery.

কামৰুপি, *a.* ইচাৰুপি, কামৰুপৰ, according to desire, beautiful, belonging to the district of Kamroop.

কামলি, *s.* নোমৰ কাপৰ, কম্বল, থঙ্গা, a coarse woollen blanket, a carpet.

কামাসক্ত, *a.* ৰমনলৈ মতি, লুম্পট, lewd, wanton, amorous, lascivious.

কামি, *s.* ফলা বাঁহৰ সৰু চলা, a long narrow piece of split bamboo.

কামিনি, *s.* সুন্দৰি, মন মোহা তিৰি, a beautiful woman; *a.* fascinating, lascivious.

কামিলা, *a.* কাৰ্য্যত লগা, লাগতিয়াল, serviceable, useful, skillful.

কামিহাৰ, *s.* বুকুৰ পথালি হাৰ, a rib.

কামুক, *a.* লুম্পট, কামাতুৰ, কাঁৱৰা, lascivious, lustful, wanton.

কামুকি, *s.* বেস্যা, কামাতুৰি, কাঁৱৰি, a prostitute, a strumpet; *a.* lascivious.

কামুৰি, *v.* দাঁতেৰে চিঙ্গি, মুৰ বা পেট বিষাই, to bite, to lacerate with the teeth, to ache, to pain, to twinge, to throb.

কামুৰি ফুৰা, *s.* কাবনি কৰি পাচে পাচে ফুৰা, কামোৰ মাৰি ধৰা, the following after with persistent entreaty for some favour.

কামোৰ, } *s.* দাঁতেৰে চেপাদি ধৰা, পেট মুৰৰ বেদনা, a bite, a
কামোৰনি, } wound made by the teeth, a griping pain, twinging.

কামোৰা, *a.* দাঁতেৰে চোবোআ, বহি খোআ, নাৱৰ পথালি ডাঙ্গ, bitten, aching; *s.* a brace in a building extending from the beam to the roof, a transverse support of a boat.

কামোৰাকামুৰি, *s.* খোআখুই, খুঁটিয়াখুঁটি, বিবাদ, contention, fighting or devouring each other.

কাই, *s.* দেহ, সৰিল, the body endued with sensibility and thought.

কায়স্থ, *s.* কাথ, জাতি বিসেস, one of the hindoo castes, a person who has a *Khetrio* father and a *Soodra* mother.

কাইক, *a.* সাৰিৰিক, দৈহিক, bodily, corporeal, belonging to the body.

কাৰ, *pron.* কোন জনৰ, whose?

কাৰক, *s.* কৰোঁতা, a doer, an agent.

কাৰন, *s.* নিমিত্ত, হেতু, a cause, a reason.

কাৰ্বাৰ, *s.* পুৰুসাৰ্থ, উপাই, কাৰ্সনা, an effort, an exertion, pains.

কাৰ্বাৰি, *a.* কাৰ্বাৰ কৰা, সুমি, pains taking, assiduous.

কাৰিকৰ, *s.* খনিকৰ, সিল্প কৰ্ম্ম জনা, a mechanic, a workman.

কাৰিকা, *s.* ৰত্ন মালাৰ সুত্ৰৰ পুথি, the name of a hindoo shaster.

কাৰেও, *ad.* কোনোৰেও, (with a negative) belonging to no one.

কাৰেঙ্গ, *s.* ৰজাৰ অতি ওখ ঘৰ, ৰঙ্গ ঘৰ, a castle, an amphitheater.

কাৰ্য্য, *s.* কাজ, বন, সকাম, work, business, affair.

কাৰ্ত্তিক, *s.* সিৱৰ পুত্ৰ, কাতি মাহ, a son of Hiwo, the seventh month.
কাৰ্সনা, *s.* উপাই, কাম, exertion, effort, contrivance.
কাৰ্হনি, *s.* তাতৰাতি কৰা জন্ত্ৰ, ধান আদি কৰ্হা হেঁতা, an instrument used in warping thread for weaving, a scoop or ladle.
কাৰ্হি, *v.* এক পাত্ৰৰ পৰা আন পাত্ৰলৈ নিয়া, বলেৰে আঁজোৰ মাৰি অনা, to lade out from one dish to another, to take by force, to take; when preceded by হৈ, to own, to confess.
কাল, *s.* সময়, ৰিতু, মৰন, time, the seasons, the time of death.
কালক্ৰম, *s.* গতিকে, সময় বিসেস, order of time, in process of time.
কালখ্যন, *s.* বিসমখ্যন, জোগিনিৰ দ্ৰিষ্টি পৰা কাল, an unpropitious time, a time of evil omen.
কালচক্ৰ, *s.* কাল ৰূপ চকা, সময়ৰ গতি, revolution of the seasons.
কালজিৰা, *s.* সুগন্ধি, সৰু সৰু কলা গুটি এবিধ, a small aromatic seed.
কাল নিয়াই, *v.* দিন বা সময় খেদোআ, আয়ুস চুকুউআ, to spend time.
কাল্পনিক, *a.* মিচা, সজা, অস্বৰূপ, feigned, fictitious, imaginary, forged.
কালমুৰ্ত্তি, } কালৰূপ, } *a.* দেখিবলৈ ভই লগা, ভয়ানক মুৰ্ত্তি, terrible, terrific, awful.
কালসত্ৰু, *s.* প্ৰধান সত্ৰু, অজাত সত্ৰু, মৰা বা দুষ্ট পুত্ৰ, a deadly enemy, also applied to a son who has by misconduct or untimely death disappointed the hopes of his parents.
কাল সৰ্প, *s.* কাল সাপ, বিসাল সাপ, the black and most poisonous species of the cobra de capello.
কালাগ্নি, *s.* প্ৰলয়াগ্নি, কালৰূপ জুই, the final and universal conflagration of the world.
কালান্তক, *s.* মৰন, জম ৰজা, death, *Jom* the fabled regent of death.
কালি, *s.* জোআ দিন, মহি, গোঁসানি, পেঁপা বিসেস, yesterday, ink, the goddess Kali, a kind of wind instrument.
কালিয়ন, *s.* মুল্য পাচে দিবলৈ অনা দ্ৰব্য, ধাৰ, the buying on credit.
কালিকা, *s.* কালি গোসানি, হাতি মহ আদিৰ খেত্ৰৰ, the goddess Kali the imaginary guardian divinity of wild beasts.
কালিন, *a.* কালত হোআ, of a particular time.
কালিহি, *a.* অলপ অলপ পহৰ হৈ অহা, a little, growing a little light, applied to the early morning.
কাবৈ, *s.* মাচ এবিধ, a species of fish.
কাষ্ঠ, *s.* কাঠ, খৰি, wood, timber.
কাস, *s.* কোস, কাখ, দাঁতি, the side, edge, border.

কাসি, *s.* তির্থ খেত্র বিসেস, বানারচ্, সিৱপুৰি, the city of Benares.

কাস্যপ, *s.* মুনি এজন, গোত্র বিসেস, the name of a former sage, also of a noted family.

কাহ, *s.* কঁফৰ বেদনা, কঁফ, a cough.

কাহানি, *ad.* কেতিয়া, কোন দিনা, when? on what day?

কাহিনি, *s.* চিন্, অগৰ, কাৰন, evil report, a story, cause of an evil.

কি, *pron.* সোধা মাত, interrogative: what? when doubled (কি—কি) it has the force of either—or? whether—or? which?

কিঐ, *ad.* কি হল, কি কৈচা, what is the matter? what do you say?

কিঙ্কৰ, *s.* দাস, বন্দি, সেৱক, ভৃত্য, a servant, a slave, a worshipper.

কিঙ্কিনি, *s.* ঘুগুৰা আদি সৰু ঘন্টা, a small bell, a girdle of small bells, any tinkling ornament.

কিচকিচাই, *v.* বিজ্‌বিজাই, ধুলি বালি গাত লাগি বেয়া লগা, to feel the disagreeable sensation caused by dust and perspiration.

কিচ্‌কিচনি, *s.* ঘামত গা খজুউআ, বিজ্‌বিজনি, an itching sensation from dust and heat.

কিচ্‌মিচ্, *s.* দ্রাক্ষা, সুকান পনিয়ল বিসেস, a raisin, a dried grape.

কিচু, } *a.* অলপ, তাকৰ, কিঞ্চিত, a little, a few, a small quantity.
কিচুমান, }

কিচুতে, *ad.* অলপেত, shortly, in a little while, narrowly, applied to an escape from danger.

কিঞ্চিত, *a.* কিচু, অলপ, a very little.

কিট, *s.* পোক, an insect, a worm, a maggot.

কিট্‌কিট্‌কৈ, *ad.* অতি কঁলা বা টান, very hard or very black.

কিট্‌কিটিয়া, *a.* হিংহিংয়া, কেটকেটিয়া, tearing, petulant, querulous.

কিটিপ, *s.* গোপন কল, কৌসল, a puzzle, a secret, a device, a snare.

কিটিব, *s.* লাহেকৈ টেকা লগা, লাহেকৈ কামোৰা, the noise of a gentle knock, a slight bite or sting; *ad.* slightly.

কিতাপ, *s.* পুস্তক, বহি, পুথি, a book, a volume.

কিন্‌কিননি, *s.* অলপ অলপকৈ বৰখুন পৰা, বা গুনা আদি বজাৰ সব্দ, the sound of a gentle dropping of rain or water, the twang of a stringed instrument.

কিন্‌কিনিয়া, *a.* বৰখুন থিৰ্থিৰোআ, drizzling, falling in very small drops.

কিনা, *a.* ধন দি লোআ, purchased, bought; *s.* the act of buying.

কিনি, *v.* মুল্য দি, ক্রই কৰি, to buy, to purchase.

কিন্তু, *conj.* তথাচ, কিয়নো, তাত বাজে, but, moreover, furthermore.

..ৰ, *s.* স্বৰ্গগায়ক, a kind of fabulous beings with horses heads on a human figure, celestial choristers or musicians.

কিবা, *a.* নজনা কথা, নেদেখা বস্তু, something unseen or unknown.

কিবাকিবি, *n.* ইসি, নানা বিধ নেদেখা বস্তু, অমুলক, this and that, various things of little value, something or other.

কিমান | *pron.* কেতেক, কেইটামান, পৰিমান বা সংখ্যা সোধা, how many? how much? how large? what price?

কিয়, *ad.* কেলেই, কিকাৰন, why? for what reason? on what account?

কিয়নো, *conj.* কাৰন, because, for.

কিৰকিৰিয়া, *a.* টান, গা নাইকিয়া, লাহি, hard, not friable, (as applied to soil;) stinted in growth.

কিৰন, *s.* ৰশ্মি, প্ৰকাস, দিপ্তি, a ray of light, a sunbeam, refulgence.

কিৰাঙ্গ, *s.* ৰঙ্গ, ধেমালি, আনন্দ, sport, pastime, play.

কিৰাট, *s.* ম্লেচ লোক, অসভ্য জাতি, কচাৰি জাতি, a savage, generally applied to the Cachari race.

কিৰিঙ্গা, *s.* মগনা হাঁতি, সৰু জাতৰ দঁতাল হাঁতি, a species of small elephant.

কিৰিচ, *s.* জোঙ্গাল খড়্গ এবিধ, a small pointed sword, a dagger.

কিৰিটি, } *s.* মুকুট, মুৰৰ ভুসন, a crown, a diadem, a tiara.
কিৰিট, }

কিৰ্কিৰিয়া, *a.* গানাইকিয়া, লাহি, slender, thin, small.

কিৰিলি মৰা, *s.* ৰৰকৈ হাই দিয়া বা হাঁহি উঠা, a scream or loud laughter.

কিৰ্ত্তন, *s.* প্ৰচাৰ কৰা, গুন বৰ্নোআ, শ্ৰী সঙ্কৰে কৰা পুথি এখন, the act of singing the praises of any one, celebrating, chanting, proclaiming, preaching; the name of a shaster written by Shree *Hongkor* the founder of the *Maha Puruhia* sect.

কিৰ্ত্তনিয়া, *s.* কিৰ্ত্তন গোআ, a singer, a proclaimer, one who reads or chants the *Kirton.*

কিৰ্ত্তি, *s.* সুখ্যাতি, জসস্যা, খ্যাতি, renown, celebrity, fame.

কিৰ্ত্তিকা, *s.* নক্ষত্ৰ বিসেস, the name of a star.

কিৰ্ত্তিম, *a.* মিচা, ভাঁজ দিয়া আভুআ ভঁৰা, fictitious, false, counterfeit.

কিৰ্ত্তিমন্ত, *a.* জসস্যাৱন্ত, খ্যাতিমন্ত প্ৰসংসিত, renowned, illustrious.

কিৰ্ত্তিমালি, *a.* ভাওনা কৰা, এপাহ মৰা, আভুআ ভঁৰা, deceitful, counterfeit; *s.* deceiving counterfeiting, imposing upon.

কিৰ্পিন, *s.* কিৰ্পন, কৰাইচ, দিব খাব নোঅৰা, penuriousness, closeness.

কিৰ্পিনালি, *a.* কৰাইচালি, কিৰ্পনালি, stingy, miserly, parsimonious.

কিল, *s.* কিলাকুঁটিৰে মৰা, a blow given with the elbow.
কিল্‌কিল কৰে, *ad.* সিলসিলিয়াকৈ বৰ্হা, পানিৰ বেগৰ সব্দ, rapidly growing up tall and slim, flowing with a rippling sound.
কিল্‌কিলাই, *v.* পানিএ কিল্‌কিল সব্দ কৰা, to flow with a rippling noise.
কিলাই, *v.* প্ৰহাৰ কৰি, কিল মাৰি, to beat, to strike with the elbow.
কিলাকিলি, *s.* মৰা মৰি কৰা, pugilism, striking back and forth.
কিলাকুঁটি, *s.* বাহুৰ মাজ গাঁঠি, the elbow.
কিলাকুঁটিয়া, *a.* চুকিয়া, চুক বৰ্হা, বেঁকা, elbow shaped, angular.
কিস্তি, *s.* দৰৰ পিহা পটা, ধন দিয়াৰ নিয়মিত কাল, a stone mortar, an instalment, money due at a particular time.
কিহেতু, *ad.* কি কাৰন, কি নিমিত্তে, কেলেই, for what reason?
কু, *prefix.* কুচিত, বেয়া, অধম, bad, mean, contemptible.
কুঅভিলাস, *s.* বেয়া মন, মন্দ বাঞ্ছা, evil inclination, wicked desire, lust.
কুআচৰন, } *s.* বেয়া আচাৰ, দুষ্ট আচাৰ, অধৰম, wickedness, evil
কুআচাৰ, } conduct, bad practices.
কুঁঅৰি, *s.* ৰানি, ৰজাৰ ঘৈনি, পটেশ্বৰি, a queen, a king's consort.
কুঁঅলি, *s.* অন্ধকাৰ কৰি পৰা নিয়ৰ, a mist, a fog, haze.
কুঁআকুঁই, *a.* ধুঁআধুঁই, ধুঁঅলি কুঁঅলি, smoky, hazy, foggy.
কুঁচি, *v.* কোঁচখাই জোআ, পাচ হোঁহোঁকা মৰা, to shrink, to contract, to shrink back, turn back as in sudden fright.
কুঁচিয়া, *s.* সৰ্পাকাৰ জল জন্তু এবিধ; an eel.
কুঁজ, *s.* উঠঙ্গা পিঠি, a hump, a curvature of the spine, hump-back.
কুঁজা, *a.* কুঁজ থকা, উঠঙ্গা পিঠিয়া, চাপৰি কুৰা মানুহ, curved, crooked, hump-backed, bowed over.
কুঁজা কেনা, *a.* পোকে বিন্ধি বেঁকা কৰা গুটি, fruit deformed by the boring of insects.
কুঁজি থেকেৰা, *s.* টেঙ্গা এবিধ, কুঁই থেকেৰা, a species of acid fruit.
কুঁআ, *a.* পানিত মাচ আদি গেলি গোন্ধোআ, পানি পিয়া, rotten, putrid, applied to stagnant water, or animals thrown into the water.
কুঁৱৈ লতা, *s.* লতা এবিধ, a species of creeping plant.
কুঁহকুঁহিয়া জৰ, *s.* অলপিয়া জৰ, পানি লগা জৰ, a slight fever occasioned by taking cold.
কুঁহি, *s.* কোমল পাত, মঞ্জৰি, কোঁহ, a young tender leaf.
কুঁহিয়াৰ, *s.* ইখু, গুৰ চেনিৰ গচ, sugar cane.
কুঁহিলা, *s.* পানিত হোআ বন এবিধ, a species of plant that grows in marshy places and from which mats are made.

কুঁহুলিয়াই, *v.* ভুরুকিয়াই, ফচুলিয়াই, to deceive, to lure, to inveigle.
কুকথা, *s.* বেয়া কথা বা কৰম, a bad word or action.
কুকৰম, *s.* কুকর্ম, কুআচাৰন, বেয়া কাম, evil doing, wickedness, vice.
কুকর্ম্মি, *a.* দুষ্কর্ম্মা, হৰাকৰম কৰা লোক, wicked, profligate, dissolute.
কুকলঙ্ক, *s.* দুর্নাম, অপজস, বদনাম, obloquy, infamy, disgrace.
কুকাম, } *s.* কুচিত কাম, অকাজ, an evil deed, viciousness.
কুকার্জ, }
কুকামনা, *s.* কুঅভিলাস, বেয়া বাঞ্চা, কুইচা, evil desire, lust.
কুকি, *s.* এবিধ পর্ব্বতিয়া জাতি, বাঁহৰ ফুল তোলা পাত্র, পর্ব্বতিয়া লোকৰ খোৰা, a mountain tribe of north Cachar Assam; a basket used by hill people for carrying burdens on the back, a small flower basket.
কুকিল, *s.* কুলি চৰাই, the Indian black cuckoo.
কুকুৰ, *s.* পোহনিয়া জন্তু বিসেস, বেৰৰ বেৰেটা ধৰা খুঁটি, a dog, a stake used in fastening the bottom of a partition.
কুকুৰসুতা, *s.* গচ এবিধ, a species of tree.
কুকুৰা, *s.* পক্ষি বিসেস, a gallinaceous fowl, a hen, a cock.
কুকুৰিকনা, *s.* গধুলি কনা, a temporary blindness at evening.
কুকুৰিকান, *a.* দেখিবলৈকে নোহোআ, not to be seen, found or obtained.
কুকুৰিবাহি, *s.* ঘন পোঁআতি, টুনি চৰাই আদিৰ জাক, frequently bearing young, a flock of small birds.
কুকুহা, *s.* পক্ষি বিসেস, খেৰৰ জুই উৰি জোআ, a species of small bird, bits of burning grass carried about by the wind.
কুখ্যাতি, *s.* কুজস, অখ্যাতি, দুর্নাম উঠা, dishonor, infamy, evil report.
কুগতি, *s.* দুখত পৰা, দুর্গতি, কুআচৰন, calamity, distress, misery, the coming to a bad end, evil conduct, wickedness.
কুঘ্রান, *s.* বেয়া গোন্ধ, দুর্গন্ধ, an offensive smell or odour, stench.
কুচকুচ, *s.* খজুৱতি, ধৰফৰ, an itching, restlessness, uneasiness.
কুচকুচিয়া, *a.* সাঁতিৰে নথকা restless, uneasy.
কুচি, *s.* সুতা তাহোনিয়া জন্ত্র, এবিধ বন গচ, a brush used by weavers to size a web in the loom, a jungle plant.
কুচিত, *a.* বেয়া, মন্দ, কুরূপ, evil, bad, abominable, ugly, deformed.
কুজাত, *s.* বেয়া জাত, আওজাত, a low caste, a bad sort or species.
কুজাতৰিয়া, *a.* অজাতি, দুষ্ট, বেয়া বিধৰ, base-born, inferior, bad.
কুট, *s.* পুথিৰ সাৰিৰ মাজত বোআৰ চিন, ( . । ) a mark of punctuation.
কুটকুটনি, *s.* হাত ভৰিৰ জোৰাৰ সিৰত কামোৰা, a pain in the joints.

কুটকুটিয়া, *a.* খুটখুটিয়া, দন্দ লগাই থকা, quarrelsome, contentious.

কুটকুৰা, *a.* কুটুলা, বোন্দোৰা, short, dwarfed, stinted.

কুটনা, *s.* ভাঙ্গ কুটা গৰ, a block on which *bhang* is cut.

কুট্নাট, *s.* টাটক নাটক, ফাঁকি, লগোৱা ভঙ্গোৱা, a mischief maker.

কুট্নি, *s.* লগনিয়া, টুটকিয়া, মাচ এবিধ, চিন দিয়া মাৰি, a tale bearer, a whisperer, an instrument for ruling lines, a species of fish.

কুটসাল, *s.* অজিনপাতকি, জিনজাব নোৱৰা, লোকে দেখিব নোৱৰা, one who stirs up strife or is always at variance with others; *a.* odious, hateful, offensive to the sight.

কুটস্থালি, *s.* টুটকালি, নাৰদালি, a tale bearer, *Narod*-like.

কুটা, *s.* চিগা খেৰ, সৰুকৈ কটা, a bit of straw, a small bit of anything; *a.* cut into small pieces, chopped.

কুটাচিঙ্গা, *s.* সমস্ত চিঙ্গা, দিচইকৈ এৰা, (*lit.*) the breaking in two of a bit of straw, *i. e.* complete separation, sundering, parting.

কুটি, *v.* সৰু সৰুকৈ কাটি, হাঁহি উঠা, বা অৰ্থ বুজিব নোৱৰা কথা, হাতৰ আঙ্গুলি নাইকিয়া তিৰি, নাঙ্গলৰ মুঠি, to cut into small pieces; *s.* a ludicrous story, a woman without fingers, the tip end of a plough handle.

কুটি কথা, *s.* ধেমেলিয়া কথা, a ludicrous story or narrative.

কুটিল, *a.* কুচুটিয়া, কপটি, সৰল নাহোৱা, বেঁকা, insincere, hypocritical, disingenuous, insidious.

কুটুম, *s.* মিতিৰ, লগা ভগা, a relative, a family, a kinsman, a connexion.

কুটুলা, *a.* কুটকুৰা, চুঁটি, short.

কুটুহ, *s.* কেটেৰা মাত, ইহ্, gruffness, sharp retort.

কুঠ, *s.* কুষ্ঠ ৰোগ, পখৰা ৰোগ, the leprosy.

কুঠৰি, *s.* খোঁটালি, কোঠা, an apartment, a room.

কুঠাৰ, *s.* কটা ফলা অস্ত্র বিসেস, পৰসু, an axe, a battle axe.

কুঠি, *s.* চাহ আদি মাৰি থোৱা ঠাই, গোলা ঘৰ, a factory, a shop, a house of merchandise.

কুঠিয়া, *a.* কুঠ ৰুগিয়া, a leper; *a.* leprous.

কুঠুনি, *s.* কুঠ ৰুগিয়া তিৰি, বুৰি মানুহক গালি পৰা মাত, a leprous woman, a term of abuse meaning indolent, torpid, inactive.

কুণ্ড, *s.* জগ্য জুইৰ সাল, গাঁত, a pit, a sacrificial pit, a pool.

কুণ্ডল, *s.* কঁৰিয়া, কানৰ ভূসন, an ear ring.

কুচিত, *a.* নিন্দিত, বেয়া, অসুৱনি, low, mean, ugly, uncomely, deformed, evil, despicable.

কুতর্ক, *s* মন্দ বিচাৰ, অন্যাই বাদানুবাদ, false reasoning, unsound argument.
কুতুহল, *s.* আনন্দ, ধেমালি, play, sport, pastime.
কুদর্সন, *s.* অসুভ দর্সন, an evil appearance, the sight of an evil omen.
কুদ্রিষ্টি, *s.* বেয়াকৈ চোআ, দেখিব নোঅৰা, বেয়াৰে চোআ, imperfect vision, an evil look or desire, a look of disfavour or aversion.
কুন্‌কি, *s.* চিকাৰি মাইকি হাঁতি, মাখুন্দি হাঁতি, a female decoy elephant.
কুন্‌কুন, *s.* সৰু সব্দ, a low suppressed sound as of crying or singing, the twang or vibrating sound of a stringed instrument.
কুন্‌কুনাই, *v.* গুনগুনাই, মনে মনে কন্দা বা গোআ, to utter a low suppressed or humming sound.
কুনাম, *s.* দুর্নাম, বেয়া নাম, a bad name, disrepute.
কুনিতি, *s.* মন্দ ৰিতি, বেয়া আচৰন, low or perverted morals.
কুন্তি, *s.* পাণ্ডু ৰজাৰ ভাৰ্জ্যা, the wife of king Pandoo.
কুন্দ, *s.* ফুল এবিধ, a species of flower.
কুন্দমালতি, *s.* এবিধ বগা ফুল, the Indian jessamine.
কুন্দসাল, *s.* কাঠ কুন্দা জন্ত্ৰ, a turner's lathe.
কুন্দা, *s.* নিগনি আদি ধৰা জন্ত্ৰ, অপৰাধি মানুহৰ হাত ভৰি সুমাই কইদ কৰা বিন্ধা দিয়া কাঠ, a trap, stocks for confining criminals.
কুন্দাৰ, *s.* কুন্দৰ কাম কৰোঁতা, a turner.
কুন্দুআ, *a.* কুন্দেৰে চঁচা, সমান কৰা, turned; *s.* the act of turning.
কুৎচ, *a.* আগৰ্হি, কুচিত, বেয়া, ঘিনিত, repulsive, disgusting, hateful.
কুন্ধি, *s.* নাৱৰ খোটালি, a portion of a boat between two cross beams, a room in a boat.
কুপ, *s.* নাদ, দ গাঁত, a well, a reservoir of water.
কুপৰ্কিতি, *s.* দুষ্ট স্বভাও, বেয়া আচৰন, evil disposition or conduct.
কুপা, *s.* চপি, তেল থোআ সৰু পাত্ৰ, a joint of bamboo or any small vessel for holding oil.
কুপিত, *a.* ক্রোধিত, খঙাল, angry, wrathful, enraged, provoked.
কুপুত্ৰ, *s.* অগিয়ান বা দুষ্ট পুত্ৰ, বেয়া লৰা, a wicked or undutiful son.
কুপুৰুস, *s.* বেয়া স্বভাৱেৰে মানুহ, an evil minded person.
কুবচন, *s.* নিন্দা বচন, গালি, abuse, obscenity, scurrillity.
কুবাট, *s.* আওবাট বিপথ, a wrong way, evil conduct.
কুবাসনা, *s.* বিপদ, দুৰ্দসা, ill fate, adversity, misfortune.
কুবিওআ, *s.* অস্ত্ৰেৰে কোব মৰা, আচাৰিৰে মৰা, the act of striking a blow with a stick or some instrument; *a.* struck, smitten.
কুবুধি, *s.* বেয়া বুধি, কুআলচ, a perverted understanding, bad advice.

কুবেৰ, *s.* ধনৰ অধিপতি দেৱতা, the Indian Plutus or god of wealth.

কুবেৱহাৰ, *s.* কুপ্ৰবৰ্ত্তন, দুষ্ট আচাৰ, evil conduct, wickedness, vice.

কুভাবনা, *s.* কুমতি, কুচিন্তা, evil thoughts, wicked desires.

কুম, *s.* কঁপালৰ ওপৰ ভাগ, ঘৰৰ মুধ আৰু পানি পাচৰ মাজ ভাগ. the frontal lobes of the forehead, the portion of a roof midway between the ridge-pole and the eaves.

কুম্‌কুম, *s.* গন্ধ দ্ৰব্য, অকণ্টকা সুখ, a fragrant substance, ease, with কৰে living free from anxiety or trouble.

কুমটি, *s.* গালেৰে মাটি খনা কিট এবিধ, the name of an insect.

কুমটিয়া, *s.* হাতৰ তলুআৰ ব্যাধি বিশেষ, a disease in the palms of the hands.

কুমতি, } *s.* দুৰ্বুদ্ধি, বেয়া মন, কুগ্যান, evil desire, evil inclinations,
কুমন, } a wicked mind, an evil heart.

কুমন্ত্ৰনা, *s.* দুৰ্মন্ত্ৰনা, বেয়া বুদ্ধি, চল, evil advice, conspiracy, intrigue.

কুমন্ত্ৰি, *s.* দুষ্ট মন্ত্ৰি, an evil adviser, an intriguer.

কুমৰ, ৰাজ পুত্ৰ, কোঁঅৰ, a prince, the king's son.

কুমৰ খুঁটা, *s.* মাজ পাচৰ খুঁটা, the post midway between the ridge pole and eaves of a house.

কুমৰধনি, *s.* অনেকট গোট খাই ধেমালি কৰি হাই কৰা, an uproar, the tumult of a multitude assembled on any joyful occasion.

কুমলি, *v.* পানিত তিতি, কোমল কৰি, to soften by soaking in water.

কুমলিয়া, *a.* মৰু, কোমল, আপঁইতা, young, tender, soft, immature.

কুমাৰ, *s.* লৰা, কুম্ভকাৰ, a small child, a potter.

কুমাৰসম্ভৱ, *s.* কালিদাসে লিখা কাব্য এখন, a poem written by Kalidas.

কুমাৰনি, *s.* কুমাৰৰ তিৰি, এবিধ পোক, a potter's wife, a species of insect resembling a wasp.

কুমাৰ মাটি, *s.* চক্ৰ গৰ্হা মাটি, potter's clay.

কুমাৰি, *s.* বিয়া নিদিয়া বা সাম্প্ৰতি বিয়া নোহোআ ছোআলি, a virgin, a young girl.

কুম্পাচ, *s.* কম্প্যাচ্, দিশবিদিশ নিৰোপন কৰা যন্ত্ৰ, a compass.

কুম্পানি, *s.* বেহেকআৰ সমাজ, এস সৈন্যৰ সেখ, a firm, persons united for trade, a division of a regiment of soldiers.

কুম্ভ, *s.* কলহ, কুম, একাদশ ৰাশি, an earthern water-jar, the sign Aquarias.

কুম্ভকাৰ, *s.* কুমাৰ, চক্ৰ গৰ্হা, a potter.

কুম্ভিপাক, *s.* নৰক বিশেষ, one of the hells of hindoo mythology.

কুম্ভিৰ, *s.* ঘঁৰিয়াল বিসেস, an alligator, a crocodile.

কুৰ্কুৰিয়া, *s.* ছুদ্ৰ এবিধ, a species of bird.

কুৰ্মুৰা, *s.* তাঁতৰ খুঁটি, a post of a native loom.

কুৰল, *s.* পল জাপি আদিৰ বাওসলি, ফুল এবিধ, a splint of bamboo bound on the edge of any braided work, a species of flower.

কুৰা, *s.* জাঁঠিৰ নাল, একোচা, the shaft or handle of a spear, a small bundle of fire wood, জুইকুৰা, a lighted bundle.

কুৰাও, *s.* সুনিবলৈ বেয়া ৰাও, any disagreeable sound.

কুৰি, *s.* বিংসতি, কোৰেৰে খানি, twenty; *v.* to hoe, to dig with a hoe.

কুৰিতি, *s.* কুনিতি, দুৰাচাৰ, a bad custom, an evil habit.

কুৰিয়া, *a.* ৰুগিয়া, ভাগত একুৰি থকা, কুৰি টকালৈ পোআ, having a chronic disease. a twentieth part, worth twenty rupees.

কুৰুআ, *s.* এবিধ মাচ ধৰা চৰাই, উজনিয়া বতাহ, a species of fish bird, a wind that blows up stream.

কুৰুআবাহি, *s.* এখন সত্ৰৰ নাম, the name of one of the leading hindoo religious establishments of Assam.

কুৰুকি কুৰুকি, *v.* কাপৰ আদিৰ ভিতৰত হেঁচি হেঁচি সোমোআ, to nestle close to another.

কুৰুখেত্ৰ, *s.* কুৰুপাণ্ডৱৰ ৰনৰ থলি, the famous battle field of Kooroo Pandoo.

কুৰুচ্ কুৰুচ্, *s.* পেটৰ বুকৰ অলপ কামোৰনি, a slight pain in the breast or bowels.

কুৰুচা, *s.* কুৰুচিয়া, কাঁচি দৈ, milk slightly curdled; *a.* curdled.

কুৰুপ, *a.* বেয়া ৰুপ, আগৰ্হি, কুচিত, uncomely, deformed, ill favoured.

কুৰুলি, *s.* এবিধ বাদ্য, ফেঁচাৰ মাত, an instrument of music, the screech of an owl.

কুচুঁট, *s.* কপট, চল, অহিত কথা, craft, cunning, intrigue, hypocrisy.

কুচুঁটিয়া, *a.* কপটিয়া চলবাদি, হিংসক, crafty, cunning, deceitful.

কুৰ্তা, *s.* চোলা এবিধ, a loose native jacket.

কুবুঁধিয়া, *a.* দূবুঁধিয়া, বেয়া বুঁধি দিওঁতা, stupid, crafty, subtle; *s.* a bad adviser, rogue.

কুৰ্ম, *s.* কাচ, কচ্যপ, a tortoise.

কুৰ্মঅৱতাৰ, *s.* বিষ্ণুৰ দস অৱতাৰৰ দুতিয় অৱতাৰ, the second of the ten incarnations of Vishnoo in the shape of a turtle.

কুৰ্হি, *s.* এক মাচৰ নাম, a species of fish.

কুল, *s.* গোত্ৰ, জাত, বংস, family, race, tribe, lineage, caste.

কুলকৰ্ম, *s.* জাতি ধৰ্ম, কুল ক্ৰিয়া, the religious rites and observances peculiar to any particular caste.

কুলকুলিয়াই, *v.* মুখত পানি লৈ ধোআ, to gargle.

কুলখ্যান, *s.* দুৰ্লখ্যান, বেয়া চিন, কুম্ভাণ্ড, an evil omen or sign; *a.* inauspicious, unlucky, ominous.

কুলখ্যানিয়া, *a.* বেয়া লখ্যনৰ মানুহ, হুতাসিন, ominous of evil.

কুল দেৱতা, *s.* ইস্ট দেৱতা, the tutelar deity of a particular caste.

কুলিয়া, *a.* সজ কুলিয়া, of good lineage or descent, of good family.

কুলসিল, *s.* নিজ কুলৰ ধৰ্মত থকা, কুলৰ সজ আচাৰি, conduct by which the honor of a tribe, family or class is advanced.

কুলা, *s.* ধান চাউল জৰা পাত্ৰ, সাপৰ ফেঁট, a fan for winnowing grain, the hood of a snake.

কুলাঙ্গাৰ, *s.* কুলাধম, বংসৰ মাজত নিন্দিত, conduct contrary to the rules of caste, a term of abuse.

কুলাচল, *s.* এক অসুৰৰ নাম, এটা পৰ্বতৰ নাম, the name of a powerful demon, name of a mountain.

কুলাচাৰ, *s.* কৌলিক আচাৰ, কুলধৰ্ম, the customs of a caste or family.

কুলাধম, *s.* বংসৰ মধ্যত অধম, one contemptable among his people.

কুলি, *s.* এবিধ কলা চৰাই, হজুআ, the Indian cuckoo, a coolie.

কুলিন, *a.* উত্তম বংস জাত, of high descent, noble, honorable, of a good family, belonging to the highest caste of Brahmuns.

কুলিয়া, *a.* জাত সম্বন্ধিয়া, জতিয়া, relating to caste.

কুস, *s.* হিন্দু মতে সাত দিপৰ এক দিপ, ৰামৰ এক পুত্ৰ, জগ্যত লগা এবিধ ত্রিন, one of the seven hindoo continents, name of one of the sons of Ram, a species of sacred grass used in religious ceremonies and sacrifices.

কুসল, *s.* কৈল্যান, সুভ, মঙ্গল, নিৰাপদ, happiness, welfare, safety, good fortune, prosperity.

কুসলি, *a.* কঁপালি, ভাগ্যৱান, সুখি, prosperous, happy, fortunate, lucky.

কুসাৰি, *a.* বিতুস্ট, বেয়া লগা, আসঙ্কা, ক্ৰোধ, displeased, dissatisfied, discontented, reluctant, piqued, unwilling.

কুসাসন, *s.* কুসবনৰ আসন, a mat made of the *kuh* or sacred grass.

কুসাহ, *s.* মন্দ সাহ, আপদ ঘটনাসৈ ভই ন কৰা, audacity, impudence, boldness, presumption.

কুসাহিয়াল, *a.* দুসাহসি, ভই নকৰা, audacious, presumptious.

কুসি, *s.* সৰু কোসা, a spoon shaped vessel used in religious ceremonies.

কুস্বভাৱ, *s.* দুৰ্মতি, বেয়া মন, কুমন, an evil disposition, a corrupt nature, depravity.

কুহু, *s.* কুলিৰ মাত, কুকু, the note of the Kuli or Indian cuckoo.

কুঁহুম, *s.* কনিৰ মাজত থকা হালধিয়া ভাগ, ফুল এবিধ, the yolk of an egg, the saffron flower.

কুহুম বুলিয়া, *s.* কুহুম ফুলেৰে বোলোআ, the colour of the saffron flower.

কুহুমিয়া, *a.* অলপ তপত, warm, tepid.

কুহুৰকুহুৰ, *s.* ঘনে কহাৰ সব্দ, the noise of prolonged coughing.

কেইটা, *a.* লেখত কিমান, কেই জন, how many.

কেইবাটাও, *a.* অনেকটি, several persons or things.

কেঁউ কেঁউ, *s.* কেৎকেৎ, কুকুৰৰ মাত, the yelping of a dog.

কেউটিয়া চৌৰা, *s.* চোৰা সাপ, a species of snake.

কেঁও, *s.* কুঁহি, কোনো, a tender leaf or shoot; *pron.* any body, (with a negative) no one, nobody.

কেঁকনি, *s.* দুখৰ মাত, নৰিয়াত কেঁকোআ মাত, নেথনি, a groan.

কেঁকাই, }
কেঁকাই গেঁথাই, } *v.* কেঁকনি ধৰা, নেথাই, to groan, to moan, to grunt.

কেঁকুৰি, *a.* কুঁচি থকা, বেঁক, সঙ্কোচিত, bent, bowed, curved.

কেঁকোআ, *s.* দুখ বা নৰিয়াৰ মাত, নেথোআ কেঁকনি, a groan, a moan.

কেঁকোজেঁকো, *ad.* জেনতেনকৈ, কোনো প্ৰকাৰে ভাৰ অনা, barely, after some sort or manner, at the utmost stretch of one's strength.

কেঁকোৰা, *a.* বেঁকা, ভাঁজ লোআ, কৰ্কট, নাৱৰ বাৰত দিয়া, বাঁহৰ চুঙ্গা, crooked, bent; *s.* a crab, a joint of bamboo attached to the sides of small boats to support the covers or roof.

কেঁকেঁৰাই, *v.* কেঁাচাই, ভিৰ খুআই, to curve, to bend.

কেঁকোৰা কেঁকুৰি, *a.* ভেঙ্গুৰিয়া, বেঁকাবেঁকি, curved, crooked, bent.

কেঁকোৰা দোলা, *s.* অসম ৰজাৰ দোলা, বেঁকোৰা মাৰিবে দোলা, a royal sedan used only by the kings of Assam.

কেঁকোৰা বিচা, *s.* এবিধ বিচা, a poisonous reptile, the scorpion.

কেঁচ, *s.* বিহাত কতিয়া আক্ৰিতিৰে দিয়া ফুল, বেঁকা ফুল, oblique stripes in the border of a cloth.

কেঁচা, *a.* নপকা, নিসিজা, অবিবেচক, unripe, raw, uncultivated, stupid.

কেঁচাই খাতি, *s.* কালি দেবিৰ এক নাম, a name of the Goddess Kali.

কেঁচাই খোআ, *s.* কেঁচাই খাব পৰা বস্ত, খঙ্গত বলিয়া হোআ, anything that may be eaten raw or unripe; *a.* of ungovernable temper.

কেঁচাসাল, *a.* অবিবেচক মানুহ, বুজালেও নুবুজা, obstinate, self-willed, one who refuses to listen to others.

কেঁচি, *s.* কেঁচা বৰন, কাতি, a colour, a pair of shears or scissors.

কেঁচিয়া, *a.* দুই চুক হেঁকেৰা, কতিয়া, out of square, oblique, slanting.

কেঁচু, *s.* ভুমি লতা, মাটিত থকা দিঘল পোক এবিধ, the earth worm.

কেঁচুআ, *s.* পিয়াহ খোআ লৰা চোআলি, a babe, an infant.

কেঁচুমটী, *s.* কেঁচুএ তোলা মাটি, mud thrown up by the earth worm.

কেঁচুমুৰিয়া, *s.* অর্সৰোগ বিসেস, the piles or hemorrhoids.

কেঁচুসাপ, *s.* কেঁচুৰ নিচিনা এবিধ সাপ, মাটিসাপ, a species of snake resembling the ground worm.

কেঁচেনুআ, *a.* এধাপকা, এধাসিজা, half-ripe, half-cooked.

কেঁতকুৰি, *s.* চেবেপা, দামদুম, a species of flying insect.

কেঁতুৰি, *s.* হালধিৰ নিচিনা গচ এবিধ, a species of tree of light yellow colour.

কেঁতুৰিয়া, *a.* অলপ হালধিয়া বৰন, light yellow.

কেঁয়া, *s.* পাতত কাঁইট থকা গচ এবিধ, সদাগৰ, মাৰোআৰি দেসৰ বেপাৰি, a species of prickly shrub, a Marwari trader.

কেঁয়াবন, *s.* সিপাত আলু থকা বন এবিধ, a species of coarse 'grass.

কেঁৰা, *a.* বেঁকা, একলিয়া, কাতি, aslant, sloping, oblique, one sided.

কেঁৰাকেঁৰি, *a.* বেঁকাবেঁকি, পকোআপকি, turning this way and that, glancing to and fro.

কেঁৰাচকু, *s.* বেঁকা চকু, একলিয়া চকু, squint eye, squinting.

কেঁৰাচকুআ, *a.* বেঁকা চকু থকা, একলিয়া চকুআ, squint eyed.

কেঁৰি টেকেলি, *s.* ডিঙ্গি দিঘলিয়া সৰু টেকেলি, a small long necked earthern jar.

কেঁৰু, *s.* কর্নভুসন, কানৰ অলঙ্কাৰ, an ear ornament.

কেঁহেৰু, *s.* ত্রিন এবিধৰ পমৰ মুল, a species of esculent root.

কেংকেং, *s.* কুকুৰে দুখ পাই চিয়ৰা মাত, the cry of a dog when beaten.

কেচ্‌কেচিয়া, *a.* সদাই কথাৰে খঙ্গ কৰি থকা, কিটকিটাই থকা, teasing, vexatious, annoying, troublesome.

কেচেমাকেচেম, *a.* কেঁচা মস্যহৰ গোন্ধৰ দৰে, having the smell of raw fish or meat.

কেচেৰ, *s.* কেঁচা গুটি আদি চোবোআৰ সবদ, the noise made by the teeth when eating hard or unripe fruit.

কেচেৰু, *s.* এৰি পলুএ পাত খোআ গচ এবিধ, a species of tree the leaves of which are sometimes used for feeding silk worms.

কেচেলাকেচেল, *s.* কঁকাল লৰাই বেঁকাকৈ খোজ কৰা, the swaying the body as under a heavy load or from diseased limbs.

কেট্‌কেটিয়া, *a.* চোবাই ভাঙ্গিব নোঅৰা টান বস্তু, কটুকৈ মতা, জেঙ্গৰা, hard to break with the teeth, peevish, fretful.

কেট্‌কেটোআ, *s.* খিঙ্গখিঙ্গোআ, খঙ্গেৰে দোস ধৰি থকা, scolding, finding fault.

কেটাইজেঙ্গৰিয়া, *a.* অলপতে খঙ্গ উঠা মানুহ, কেটেৰিয়া, কেটাইজেৰিয়া, irritable, peevish, cross, fretful, snappish.

কেটেৰজেঙ্গেৰ, *s.* টেঙ্গা মাত, টান মাত, crossness, angry speech.

কেটেৰা মাত, *s.* খঙ্গৰ মাত, a sharp angry way of speaking.

কেটেলা, *a.* হাৰ চাল থকা, lean, thin in flesh.

কেটেলা পহু, *s.* এবিধ জন্তু, a porcupine, a hedgehog.

কেটেহা, *s.* আঁহিয়া গোন্ধোআ, disagreeable odour of animals or of urine or of the body unbathed, any rank smell.

কেত্‌কেতোআ, *s.* পানি ঘোদালি থকা, পানি বোকা কৰা, the act of roiling or rendering turbid by stirring up the dregs &c.

কেতখনি, *s.* কেতেটি, কেতবোৰ, some, a part, a portion.

কেতসন্ধানে, *ad.* কাচিত, অলপতে, lacking but a little, narrowly, barely.

কেতিয়া, *ad.* কোন সময়ই, কাহানি, when ?

কেতিয়াও, *ad.* কোনো সময়তো, (with a negative) never, at no period.

কেতিয়াবা, *ad.* কাহানিবা, কোনো সময়ত, sometimes, at some time.

কেতু, *s.* নৱ গ্ৰহৰ সেস গ্ৰহ, the ninth planet.

কেতুটি, *a.* কেত্‌বোৰ, কেতখনি, few, a little.

কেতেক, *a.* কিমান, কেতেখনি, how much? how many?

কেতেইকঁঠাল, *s.* মাটি কঁঠাল, the pineapple plant.

কেতেকি, *s.* এবিধ সুগন্ধ ফুল, এবিধ চৰাই, a species of fragrant flower, a bird.

কেতেৰিয়া, *s.* একে কথাকে কৈ থকা, কথা নিচিগা, the reading the same thing over and over, repetition.

কেতো, *a.* কোনো, কেত্‌বোৰ, some.

কেদাৰ, *s.* সিৱৰ থান, তিৰ্থ খেত্ৰ, a shrine of Hiwo.

কেনকেন, *s.* নেৰাকৈ বৰখুন দিয়া, লৰাই ঠেহ লাগি কান্দি থকা, the sound of a constant dropping of rain or crying of a child.

কেন্‌কেনিয়া, *a.* অলপ্‌ অলপকৈ বৰখুন দি থকা, continuous, applied to rain or any continuous sound of dropping.

কেনকেননি, *s.* লৰা চোআলিএ সদাই কান্দি থকা, a continual crying.

কেনা, *s.* পোকে ধৰা, মোৰ নলগা, fruit bored by insects, a mistake in weaving or platting.

কেনা লগা, *s.* মোৰ নলগা, কথাত খোঁচৰ খোআ, a mistake made in weaving or braiding, so that the proper figure or regular order attempted is not preserved, a mistake in speaking.

কেনি, *a.* কোন পোনে, কোন দিগে, which way?

কেনিও, *a.* এপোনেও, কোনো পোনেও, no way whatever.

কেনিবা, *a.* কোনোবা ফালে, somewhere, in some way.

কেনে, *ad.* কি ৰূপ, কেনেকুআ, how, in what condition, in what way.

কেনেকৈ, *ad.* কি দৰে, কি ৰূপে, how, by what means.

কেনেবা, *a.* বেয়া লগা, অসোভা, একজেতিয়া, bad, disagreeable.

কেনেবাকৈ, *ad.* কোনো ৰূপে, কোনো উপায়েৰে, somehow, in some way.

কেনেৰিয়া, *a.* মাত সুনিব নোআৰা, কেনকেনাই উঠা, nervous, irritable.

কেন্দাই, *v.* অলপ দুখতে কন্দা, to whimper, to whine.

কেন্দু, *s.* এবিধ গচ, a tree producing a gum used in calking boats.

কেন্দ্ৰ, *s.* চিদ্ৰ, কাহিনি, প্ৰিথিৱিৰ বা গোলাকাৰ বস্তুৰ দুই মুৰ, a fault, a stigma, the north and south poles.

কেপ, *s.* পেঙ্গ, a two pronged contrivance made of two bamboos, used in raising timbers, or supporting a heavy body.

কেপ্‌কৰা, *s.* ৰজাৰ বহা আসন, *a* নিচ, কেলেহুআ, a cushioned seat, used only by the king and his nobles, a person without house, friends or means of support.

কেপাকানি, *s.* ফটা কানিত লিপি থোআ আফুৰ এঁঠা, a kind of opium.

কেৰ্‌কেৰনি, *s.* সৰহকৈ বলকি থকা, loquacity, idle talk, palaver.

কেৰ্‌কেৰাই, *v.* কৰকৰাই থকা, বলকি, to talk, to prate, to be loquacious.

কেমটাই, *s.* বনবৌ পহু, এবিধ মাচ বাকলিয়া পহু, a species of land animal that has scales like a fish.

কেৰ্‌কেৰ, } *s.* কুঁহিয়াৰ সাল আদিৰ সবদ a creaking sound.
কেৰকেৰ্‌নি, }

কেৰ্‌কেৰিয়া, *a.* টান, কটুৰ, নিৰস, hard, dry, without moisture.

কেৰ্‌জেৰ, *s.* দৰ ভাঙ্গত কম বেচ কৰা, a bantering about the price of anything.

কেৰ্‌মেৰ, *s.* বেঁকাবেঁকি হোআ, সাপ আদিৰ গতি, a tortuous motion, as of a snake.

কেৰামতালি, *a.* দম্ভালি, অবস, boastful, independent, self willed.

কেৰুনিয়া, *a.* কেৰোনে বিন্ধা, চিদ্ৰ থকা, bored by insects, faulty.

কেৰেক, *s.* দুআৰ আদিৰ কেৰ্কেৰিয়া সবদ, a creaking sound.
কেৰেচ, *s.* জোৰাৰ মাজত অকস্মাত বিস উঠা, a pain in the joints, a cramp, a spasmodic affection of some part of the body.
কেৰেচিয়া, *a.* বেঁকা, চলিয়া, টেৰিয়া, slanting, oblique.
কেৰেচি, *a.* এধা বনৰিয়া, half tamed.
কেৰেয়া, *s.* ভেৰোন, নাও বা ঘৰৰ বেচ, hire, rent.
কেৰেলা, *s.* কেৰোলা, পাচলি বিসেস, a well known vegetable.
কেৰেলুআ, *s.* এস ঠেঙ্গিয়া পোক, a hundred legged worm.
কেৰোন, *s.* কাঠ খোৱা পোক এবিধ, a species of insect, an excrescence on a tree caused by the boring of an insect.
কেলিকেন্দেলি, *s.* ৰঙ্গ ধেমালি, লাহে ধিৰে, sport, play; *ad.* slowly, surely.
কেল্কেলনি, *s.* কাকৰ মাত, আগ গুৰি নোহোআ কথা, বলকনি, the cawing of crows, words without meaning, idle talk.
কেল্ফেদ, *s.* লেতেৰা, কথা কব নজনা, a person of offensive habits; *a.* untidy, unclean, foolish, stupid.
কেলেই, *ad.* কিয়, why? for what reason?
কেলেংখা, *s.* জহ জগৰ, লেঠা, the involving one's self in difficulty.
কেলেস্, } *s.* দুখ, জাতনা, distress, suffering, affliction.
ক্লেস, }
কেলেহুআ, *a.* লোকৰ ঘৰত চাপি থকা, নিজ মাটি ভেঁটি নাইকিয়া মানুহ, indigent, dependent on others.
কেলৈবা, *a.* কি সকামে, কি হেতু, why? wherefore?
কেৱল, *ad.* অকল, মাত্র, only, merely, simply.
কেৱলিয়া, *s.* ডঙ্গুআ ভকত, উদাসিন, an ascetic, a religious recluse, a disciple of shri *Honkor* head of the Mahá Puruhiá sect.
কেৱাৰ, *s.* বন্দিকাম, গেবাৰ, চাকৰ, menial service, any low occupation.
কেৱাৰি, *a.* কটুৰ, সাৰ নাইকিয়া, not mellow or friable, exhausted by cultivation as applied to land.
কেস, *s.* মুৰৰ চুলি, the hair of the head.
কেসবেস, *s.* চুলি ভালকৈ মেলাই ধুন কৰা, a tress of hair, a ringlet.
কেসৰ, *s.* ফুলৰ পাহিৰ মাজৰ মঞ্জৰি, the stamen of a flower.
কেসৰি, *a.* সিংহৰ দৰে গল্ধনত চুলি থকা, shaggy, having a mane.
কেসৱ, *s.* বিষ্ণু, a name of Vishnoo.
কেহা, *a.* অলপ তিতা, বিৱস হৈ বেয়া লগা, astringent, harsh to the taste.
কেহেটা, } *a.* কেহা লগা, astringent, bitterish, harsh tasted.
কেহেটি, }

কেহেলাই, কেহেলিয়াই, } *v.* ভৰঙ্গাই, ধুন লগাই, to loiter in doing or obeying.

কেহেলৈ, *ad.* কোন ঠাইলৈ, কলৈ, whither? to what place?

কৈ, *v.* to say, to speak, to tell, to declare.

কৈতপ, *s.* খঙ্গ, ক্রোধ, কপট, a grudge, secret ill will, hate.

কৈলাস, *s.* সিৱৰ থকা ঠাই, সিৱপুৰি, the fabled abode of Hiwo.

কোঁঅৰ, *s.* কুমৰ, ৰাজ পুত্র, a king's son, a prince.

কোঁচ, *s.* বুকৰ কাপৰ কোঁচাই জোলোঙ্গাৰ দৰে ধৰা, জাত এবিধ, the gathering together of the ends or sides of a shoulder cloth to receive anything, a caste or division of people.

কোঁচ খোআ, *a,* চুঁটি হোআ, shrunken, contracted, drawn together.

কোঁচাই, *v.* কোঁচ খাই, চপাই, to gather in folds, to plait.

কোঁটা, *a.* আঙ্গুলি হিন মানুহ, destitute of fingers.

কোঁঠ, *s.* গৰ বান্ধি সেনা থকা ঠাই, a fort, a fortification.

কোঁহ, কোঁহা, } *s.* মৌৰ বহ ঘৰা, মাজৰ গুপুত বা কোমল ভাগ, গজালি, honey comb, a fruit or seed in two or more lobes, a tender sprout, a shoot.

কোঁহকাল, *s.* দন্দবাদ, হাই উকমি, কেলেংখা, contention, discord.

কোঁহাকোঁহি, *a.* ভালকৈ নপকা, ভালকৈ নিসিজা, half ripened, half cooked.

কোকমোক, *s.* অতি পুআ, প্রাতস, the early dawn.

কোকাই, *v.* লেনিয়াই, কাবৌ কৰি, to teaze, to importune, to entreat.

কোকানলে, *s.* পানি বেগেৰে বৈ থকা, অতি বেগেৰে থিয় হৈ পানি পৰা, the rapid flowing of water as from a spout or a break in an embankment, a purging from the bowels.

কোকিল, *s.* কুলি চৰাই, the Indian cuckoo.

কোকোহা, *a.* আসকত, দুৰ্ব্বল, খিন, emaciated, lean, shrivelled.

কোঙ্গা, *s.* হাত ভৰিৰ আঙ্গুলি মোটোকা খাই থকা, a disease of the toes and fingers caused by the contraction of the muscles.

কোচাকোচ, *s.* লেচেৰা লেচেৰ, মুঠামুঠা, the gathering up in clusters, or binding in bundles or separate tresses.

কোটকুৰি, *s.* বনৰিয়া মুগা পোক পলু, a species of wild silk worm.

কোটকোৰা, *s.* টেঙ্গা এবিধ, a species of tree and its fruit.

কোটৰ, *s.* খোবোঙ্গ, খোন্দ, পৰ্ব্বতৰ গুহা, a hollow in a tree, a cave.

কোটাই জামু, *s.* সৰু জামু এবিধ, a species of fruit.

কোটাইআঙ্গন, *s.* বনৰিয়া সৰু বেঙ্গেনা এবিধ, a species of the egg plant.

কোটি, *v.* এন লক্ষ, দহ নিজুত, ten million, a crore.

কোটোহা, *s.* এবিধ ঘন গঁঠিয়া বাহ, a species of bamboo.
কোঠা, *s.* সৰু সৰু খোটালি, a small room, an apartment.
কোঠাকোঠা, *s.* খোঁটালি খোঁটালি, separate sections or apartments.
কোত, *s.* চকুৰ ৰোগ, a disease of the eye.
কোতঘৰ, *s.* বন্দিসাল, a prison for criminals before trial.
কোতমনি, *s.* সোন ৰুপৰ গিহিকৈ কৰা সৰু মনি, ফুটি মনি, তিৰোতাৰ অলঙ্কাৰ বিসেস, a small kind of bead.
কোদো, *s.* বিসাল কলা পতঙ্গ এবিধ, a hornet.
কোদোআ, *a.* খঙ্গ দিৃষ্টি, মেঘ ওলোমোআ, angry visaged, frowning, dark, cloudy.
কোন, *s.* চুক, কোনা, মানুহক সোধা, কোন জন, a corner; *pron.* the interrogative who?
কোন কোন, *pron.* নে দেখা নজনাকৈ সোধা, who or which of several persons or things.
কোনাকোনি, *ad.* চুকিয়াচুকি, cornerwise, diagonally.
কোনো, *pron.* কেও, এটাও, some, some one, any one, when used with a negative particle it signifies no one, nobody.
কোনো কালে, *ad.* কেতিয়াও, কদাপিও, (with negative) never, at no time.
কোনো কোনো, *ad.* দুই এক, several, a few.
কোনোবা, *pron.* নিচিনা নজনা মানুহ, some one, somebody.
কোন্ধ, *s.* চিন মাত্র, আর্জা, a rough model, an outline.
কোন্ধা, *s.* কোচা, পোলা, a bundle of sticks, reeds or sugar cane.
কোন্ধোআ, *v.* চিন মাত্র কৰা, আক্রিতি মাত্র কৰা, to fashion, to model, to shape, to reduce to proper size.
কোপ, *s.* ক্রোধ, খঙ্গ, anger, rage.
কোপাল, *a.* খঙ্গাল, angry, cross, wrathful.
কোপিত, *a.* খঙ্গাল, ক্রোধিত, wrathful, furious, raging.
কোব, *s.* বেগ, অস্ত্র আদিব কোব, ঘা মবা, a rapid motion, a blow.
কোবা, *s.* বেৰত বন্ধা থিয় কামি, a perpendicular support to a partition.
কোবাই, *v.* হাঁতুৰি আদিৰে পিটা, আচাৰিৰে মবা, to strike, to beat, to hammer, to flog.
কোবাকুবি, *ad.* তৰাতবি, খৰখেদা, বেগাবেগি, quickly, rapidly, swiftly.
কোবাল, *a.* বলি, কাটন, খৰতকিয়া, বেগি, strong, skillful, swift.
কোমল, *a.* ঢিলা, মিৃদু, থুহথুহিয়া, soft, gentle, tender, mild.
কোমল চাউল, *s.* জলপনিয়া চাউল, তিয়াই চোবোআ চাউল, a kind of rice that is eaten without cooking.

কোমলোৱা, *a.* কোমল কৰা, softened; *s.* the act of softening.
কোমোৰা, *s.* লতা এবিধৰ গুটি, পাচলি বিসেস, a species of pumpkin.
কোৰ, *s.* কোদাল, মাটি খনা অস্ত্র বিসেস, ৰোগ, a hoe, disease in general.
কোৰকোৰাই, *v.* পেটে গজা, ভেঁকুলি আদিৰ মাত, to croak, to rumble, to utter a low harsh sound as a frog, or the bowels.
কোৰা, *s.* সাঙ্গি ভাৰ, কোৰেৰে খনা, a heavy load carried by poles on men's shoulders; *a.* hoed, dug over.
কোৰাই, *v.* কোৰেৰে খনাই, to dig.
কোৰান, *s.* মচলমানৰ সাস্ত্র, কোৰ্আন, the Koran.
কোৰোক, *s.* ক্রোক, ৰাজ আজ্ঞাৰে ঘৰৰ সম্পত্তি লোৱা, a legal attachment of property.
কোৰোকা, *s.* নাৰিকলৰ খোলা, a ladle made of the cocoanut shell.
কোৰোকানি, *s.* খলা বমা হাবি, কোৰোকা কুকৰি মাটি, a dense uneven jungle, undulating ground.
কোৰোটাকুকটি, *a.* ওখ চাপৰ, খলাবমা, uneven, undulating.
কোৰোলা, *a.* একাৰি, পৰলিয়া, only partially cleaned from the husk.
কোৰ্কোৰনি, *s.* পেটৰ গাজনি, ভেঁকুলিৰ মাত, a croaking, rumbling.
কোৰ্হাল, *s.* কোৰ্হাল, হাই, অনেকৰ মাত, the noise of a crowd of people.
কোৰ্হোনা, *s.* ধান আদি চপোআ কাঠৰ পাত্র, কোৰৰ নিচিনা বস্তু, an implement for gathering up and spreading grain to dry.
কোল, *s.* লোৰ ওভোতা জোঙ্গ, চেপা আদিত দিয়া মাচ ধৰা জন্ত্র, a barbed spear, a sort of bamboo fish trap.
কোলঠি, *s.* চিতল আদি মাচৰ পেটৰ তল ভাগ, the belly part of a fish.
কোলা, *s.* কোস, বহি আসন পতা, the lap, applied also to the hip or side on which the natives carry children.
কোলাকুলি, *s.* ইটে সিটে সাবটাসাবটি কৰা, a mutual embracing.
কোলাহল, *s.* হাই, কোৰ্হাল, a tumultuous noise.
কোৱা, *ad.* বোলা, কোআ, কাউৰি, said, spoken, uttered; *s.* a crow.
কোৱাথ, *s.* নানা বিধ ঔসধ গোটাই সিজোআ পানি, কথ, a decoction.
কোৱাৰি, *s.* মুখৰ দুই চুক, the corners of the mouth.
কোৱামোআ, *s.* ধুঁঅলি কুঁঅলি, চাৰিও ফালে কলা হৈ থকা, haziness.
কোস, *s.* দাঁতি, ওচৰ, কাস, nearness, proximity, side, edge; *a.* near, close, at hand.
কোসৰকটা, *s.* দাঁতি কটা the trimming off of an edge of anything.
কোসা, *s.* পূজাৰ জলাধাৰ, a sacrificial vessel.
কোষ্টি, *s.* জন্ম পত্রিকা, সোঁঅৰনি, a horoscope.

কৌটাল, }
কৌটালি, } *s.* দন্দ, খৰিয়াল, contention, disturbance, strife.

কৌতুক, *s.* ৰহস্য, ৰঙ্গ, ধেমালি, a spectacle, show, fun, sport.

কৌতুকিয়া, *a.* ৰঙ্গুআল, ধেমেলিয়া, jocose, sportive playful.

কৌমুদি, *s.* জোন, এক পুথিৰ নাম, the moon, the rays of the moon, an astronomical book of the Hindoo.

কৌস্তুভ, *s.* সাগৰ-মথনত পোআ বিষ্ণুএ পিন্ধা মনি, a breast jewel worn by Vishnu at the churning of the ocean.

ক্রন্দন, *s.* কন্দা, বিলাপ, বিনাই কন্দা, weeping, crying, lamentation, wailing.

ক্রম, *s.* গতি, এটাৰ পৰা আন এটালৈ, order, succession, a series.

ক্রমাগতিক, *a.* ক্রমে ক্রমে in order, in succession ; *ad.* consecutively.

ক্রমে ক্রমে, *ad.* লাহে লাহে, ক্রমাগত, gradually, successively.

ক্রই, *s.* কিনা, a purchase.

ক্রইবিক্রই, *s.* কিনা বিকা, বেপাৰ, বানিজ্য কৰম, trade, commerce.

ক্রান্তি, *s.* একৰাৰ তিনি ভাগৰ এভাগ, the third part of a cowry.

ক্রিডা, *s.* ধেমালি, বিহাৰ, কেলি, ৰতি, play, a game, wantonness.

ক্রিষ্ণ, *a.* কলা, নিল বৰন, নাৰায়ন, black or a dark blue; *s.* Krishna.

ক্রিষ্ণপখ্য, *s.* এন্ধাৰ পখ্য, জোন খ্যই হোআ সমই, the wane of the moon, the fortnight of the moon's decrease.

ক্রিত, *a.* কৰা, কৰম কৰা, made, done, performed.

ক্রিতগ্য, *s.* উপকাৰ মনা, সলাগ লোআ, gratitude, thankfulness

ক্রিতাঞ্জলি, *s.* কৰজোৰ, হাত জোৰ, the joining the hands in supplication.

ক্রিতান্ত, *s.* সকলো কামৰ সেস কৰোঁতা, জম, the universal destroyer, Jom the fabled regent of death.

ক্রিতার্থ, *a.* ক্রিত কার্জ, কর্ম সাফল, successful, prosperous.

ক্রিত্তিকা, *s.* ত্রিতিয় নখ্যত্র, the third of the stellar mansions, the Pleiades.

ক্রিত্রিম, }
কির্তিম, } *a.* ভাগুনা, ভাঁজ, আভুআ ভঁৰা, feigned, counterfeit, alloyed, artificial.

ক্রিপন, *a.* কির্পিন, চিকটা, খৰচ কৰিব নোঅৰা, miserly, penurious.

ক্রিপা, *s* অনুগ্রহ, কৰুনা, দায়া, grace, mercy, favor, good will.

ক্রিপাদ্রিষ্টি, *s.* মৰমকৈ চোআ, পুতৌ কৰা, a gracious look, a look of favor or of pity.

ক্রিপানিধি, *s.* ক্রিপাসাগৰ, ক্রিপাসিন্ধু, the sea of mercy.

ক্রিপামই, *a.* দায়ামই, কৰুনামই, merciful, gracious.

ক্রিপালু, *a.* দায়ালু দায়াজুক্ত, মৰমিয়াল, pitiful, merciful, gracious.

ক্রিপাসন, *s.* করুনাসন, অনুগ্রহৰ আসন, the mercy seat.

ক্রিমি, *s.* পোক, পেলু, কেঁচু, a worm, a maggot, an earth-worm.

ক্রিয়া, *s.* কৰম, বন, কাৰ্য্য, জাগজগ্য আদি কৰ্ম, an act, a deed, a work, the performance of a religious rite or ceremony.

ক্রিস, *a.* খিন, চেৰেলা, lean, thin, wasted, emaciated.

ক্রিসক, } *s.* খেতিয়ক, হালোআ, চহা, a cultivator, a farmer, a
ক্রিসিয়ক, } husbandman, a peasant.

ক্রিসি, *s.* খেতি, সহ, cultivation, agriculture, husbandry, tillage.

ক্রুৰ, *a.* নিৰ্দ্দয়া, কাঠচিত, নিমৰমিয়াল, cruel, pitiless, hard-hearted.

ক্রোস, *s.* চাৰি উঁমৰ বাট, চাৰি হেজাৰ হাত পৰিমিত, a measure of distance equal to four thousand cubits or nearly nine furlongs.

ক্রোধ, *s.* খঙ্গ, কোপ, anger, wrath, fury, rage.

ক্রোৰ, *s.* কোটি, এস লখ্য, ten millions, a crore.

ক্লান্ত, *s.* সুমজুক, ভাগৰুআ, ক্লান্ত, weariness, languor.

ক্লান্তজুক, *a.* বৰ ভাগৰুআ, মৰাৰ দৰ হোআ, হেৰাথৰিয়া, weary, languid.

ক্লিব, *s.* নপুংসক, স্ত্রি পুৰুসৰ চিন হিন, neuter, a hermaphrodite.

ক্লেস, *s.* বৰ দুখ, জাতনা, নাৰ্কি, distress, affliction, suffering.

ক্লেসদায়ক, *a.* দুখ দিওঁতা, afflicting, distressing.

কচিত, *ad.* কাচিত, কেতিয়াবা, কদাচিত, sometimes.

ক্বাথ, *s.* ঔসধৰ সিজোআ পানি, a decoction.

খ

খ, খকাৰ, আকাস, সুন্য, the aspirate *kh*, sounded uniformly like *kh*, as in the compound word *brickhouse.* It is often incorrectly pronounced like *h*; the sky, the atmosphere.

খই, *s.* খ্যই, অলপ অলপ টুকুআ, wasting, wearing away by attrition.

খঁক, *s.* বৰ ভোক, হেপাহ, excessive hunger or desire.

খঁকুআ, *a.* ভুকিয়া, লুভিয়া, বাখ্যস, voracious, gluttonous, covetous; *s.* a glutton, a gormandizer, avariciousness.

খঁটাসুৰ, *s.* দুৰ্জ্জন, অতি দুস্ট, এক অসুৰৰ নাম, fiendish, devilish; *s.* the name of a demon.

খঁতিৰা, *s.* ঠিক দিয়া, নিয়মৰ বেলা, a fixed or appointed time.

খঁৰখাই, *v.* খঁৰ মাৰি, লুটি খাই, to turn summerset.

খঁৰ মৰা, *s.* খঁৰ খোআ, মুৰ ওভোতাই বাগৰা, a tumbling over, turning summerset; *a.* turned topsy turvy, inverted.

খঁৰা, *a.* আগ চিগা, লটা, ডিঙ্গি নোহোআ খালৈ, topped, having the end cut or broken off; *s.* a species of narrow mouthed basket.

খঁৰামুৰা, *a.* আগ মুৰ কটা, mutilated, cropped, lacking the top or end.
খঁৰিয়া, *s.* চিতল মাচৰ পোআলি, a species of fish.
খকজা, *a.* খগজা, অসহজ অনভ্যাসি, unaccustomed to, unpracticed.
খকন্দ, *s.* কন্দল, বৃক্ষ এবিধ, contention, a species of tree.
খক্মকৈ, *ad.* খচমচৈকে, অতি খৰ্খেদাকৈ, confusedly, hurriedly.
খক্মকাই, *v.* লৰালৰি কৰি, বেগাবেগি কৰি, to do quickly or confusedly, to start suddenly.
খকৰমকৰকৈ, } *ad.* আগ গুৰি নোচোআকৈ, in a bungling confused
খকা মকা, } manner, rashly, without caution.
খকৰাই, *ad.* ঘপুৰাই, বেগাই, একেবেলিএ, rapidly, quickly, suddenly.
খকৰামুকুটি, *s.* হাত মুঠি মাৰি গালত মৰা, the act of smiting on the cheek with a clenched fist.
খকাখুন্দা, *s.* দন্দ হাই, খুঁচিয়াখুঁচি, contention, quarrelsome speech.
খকাৰ, *s.* খ বৰ্ন, the letter খ, or its sound.
খগজা, *s.* আখজা, খকজা, অনভ্যাস, a little wanting, not perfect.
খঙ্গ, *s.* ক্ৰোধ, কোপ, anger, wrath, sharpness.
খঙ্গাল, *a.* খঙ্গ থকা, ক্ৰোধি, কোপজুক্ত, angry, wrathful, cross.
খচক, *s.* ভৰিৰ গচকা, খোজ দিয়া, a footstep, or impression of the foot.
খচকা, *a.* গচকা, ভৰিৰে ফেনেকা, trampled under foot, trodden.
খচকি, *v.* গচকি, ভৰিএৰে মোহাৰি, to trample, to mix by treading.
খচ খচ, } *s.* চকুত কুটা আদি পৰি দুখ দিয়া, বন আদি কৰোঁতে
খচ্ খচনি, } ভত নিদিয়া, an itching irritating sensation, as from a mote in the eye, annoyance, irritation.
খচ্খচ্ কৰে, *ad.* আগ গুৰি নোহোআকৈ কৰা বা কোআ, বালিৰ দৰে লগা, doing or saying things without regard to consequences.
খচ্খচাই, *v.* খচ্খচোআ, to itch, to annoy, to irritate.
খচ্খচিয়া, *a.* বালি জেন লগা, rough, hard, uneven to the touch.
খচ্মচকৈ, *ad.* খৰখেদাকৈ, খপৰ জপৰকৈ, quickly, expertly.
খচা, *a.* আটুট, ভৰিএৰে ফেনেকা, full, not deficient, mixed by treading.
খচি, *v.* গৰকি, মোহাৰি, to tread, to mix by treading, to trample.
খচিকটা, *s.* একো নেৰাকৈ সমুলি কটা, the act of clearing or cutting away entirely, cropping the top and branches.
খচি খোআ, *s.* একো নেৰাকৈ খোআ, eating every thing set before one, eating to the full.
খজতি, *s.* খজুৰতি, গাৰ বিজ বিজনি, an itching sensation.
খজা, *a.* এফাল নপকা, সম্পুৰ্ন নোহোআ, imperfect, half.

খজিনা, *a.* তৰহ বিচাৰি চৈহ ধৰা, fastidious, notional, particular.
খজুঅতি, *s.* খজতি চোআ, see, খজতি.
খজুআ, *a.* খজতি ধৰা, scratching slightly.
খঞ্জৰি, } *s.* বাদ্য এবিধ, বালিমাহি চৰাই, a musical instrument,
খঞ্জৰিট, } a species of bird.
খটখটি, *s.* শিল, কাঠ, বা ইটাৰ জখলা, a flight of steps.
খটখটিয়া, *a.* শুকান, টান, dry, hard.
খটবান্ধ, *s.* নেবানেপেৰা, বাদতি, doing or giving reluctantly.
খটা, *s.* খাটনি কৰা, ভক্তি কৰা, serving, doing, rendering religious homage.
খটিয়াই, *v.* ঘনে ঘনে কৈ থকা, to urge, to command again and again.
খণ্ড, *s.* ডোখৰ, চেও, ভাগ, প্ৰকৰন, আধ্যা, a portion, a piece, a fragment, a division, a section, chapter.
খণ্ড খণ্ড, *ad.* ডোখৰ ডোখৰ, piece by piece, in pieces, with কৰি, to cut into pieces, to divide into portions.
খণ্ডন, *s.* গুচন, দুৰ হোআ, মোচন, removal of a difficulty, refutation, the expiation or removal of sin.
খণ্ডমুণ্ড, *s.* কাটি চিৰি খাণ্ডাং কৰা, cutting up, destroying utterly.
খণ্ডা, *a.* গুচা, হেৰুৱাং, removed, expiated, refuted; *s.* the king's sword.
খণ্ডাই, *v.* গুচাই, to destroy, to remove, to expiate.
খত্, *s.* নিৰ্বন্ধন পত্ৰ, কৰজ পত্ৰ, a bond, a writing, a promissory note.
খতৰ, *a.* আপোন কথাৰেই ঘাটি খোআ, উত্তৰ হেৰোআ, self convicted, condemned by one's own words, unable to reply.
খতি, *s.* অনুপস্থিত, খতিয়া, জিৰনি, absence, interruption, cessation from usual work, rest, stoppage.
খতিখন, *s.* সৰ্ব্বদাই, চেৰভেদ নাই, (with a negative,) without cessation.
খতিয়নি, *s.* অনেক ঠাইৰ পৰা গোটোআ, হিচাপৰ বহি, gathering together from all sources, summing up accounts, a ledger.
খতিয়া, *a.* খতি হোআ, নকৰা বা নহা, absent, minus, deficient.
খদখদিয়া, *ad.* খৰকৈ কথা কোআ, speaking rapidly.
খদমদম, *s.* লৰালৰি, উদুলমুদুল, bustle, haste, hurry.
খদাবান, *s.* খুঁৰা লগা বাটি, বানবাটি, a vessel with feet.
খন, *affix.* পৰিবৰ্ত্তি অব্যয় শব্দ, শব্দৰ পাচত জোগ হলে কেতিয়াবা এক, কেতিয়াবা বহু বচন বুজাই, an affix, generally applied to any thing spread out or extended, as কাপৰ খন, *i. e.* a cloth.
খনকে, *a.* আটাইকে, সকলোকে, গোটেইখন, all, the whole.
খনখন, *ad.* ভাগ ভাগ, বেলেগ বেলেগ, খান খান, one by one, severally.

খনা *a.* গাঁত কৰা, কোৰা, dug, hoed; *s.* the act of digging or hoeing.

খনি, *s.* গাঁত, খলি, কথাৰ পাচত জোগ হলে, মৰমেৰে এখানক বুজাই, a quarry, a mine, a burrow, a hole.

খনিওআ, *s.* ডোখৰ ডোখৰ কৰা, the act of cutting into pieces.

খনিক, *ad.* খানিক মান, অলপ বেলি, a little while.

খনিকৰ, *s.* চিত্ৰকৰ, মুৰ্ত্তি আদি সজা লোক, an engraver, a sculptor.

খনিয়া, খনিয়া কাপৰ, *s.* দোদোৰলিয়া কপাহি কাপৰ এবিধ, a kind of cloth worn double.

খনিলোআ, *s.* মাচ আদিএ গাঁত লোআ, ঠাই লোআ, the gathering together of fish &c. in shoals, frequenting a place of resort.

খনেই, *a.* আটাই, গোটেই, সমুলি, the whole.

খনেকতে, *ad.* বেগতে, নিমিসতে, অলপতে, instantly, immediately.

খনোআ, *s.* লোকৰ দ্বাৰাই খনা, the causing to be dug or hoed.

খন্তক, *s.* নিমিস, অলপ বেলি, খেনেক, a moment, an instant.

খন্তি, *s.* খন্তা, ধান চিকনোআ বা মাটি খোচৰা অস্ত্ৰ, a spud, a small implement used in weeding or loosening the earth about plants.

খন্তিয়া, *s.* গোধা ৰোগ এবিধ, সাপ এবিধ, a disease of the hands and feet, a species of snake.

খন্তিয়া খুঁচুৰিয়া, *a.* অলপ অপৰপ, তাকৰ তুকৰ, small, inferior, mean.

খন্তেক, *s.* চকুৰ প্ৰচান মৰা বেলা, তিলেক, ঘৰিৰ এঘণ্টাৰ সাঠি ভাগৰ এভাগ, a moment, the twinkling of an eye, a minute.

খন্তেকত, *ad.* খনেকত, ততালিকত, তিলেকত, in a moment.

খন্তেকিয়া, *a.* নিমিসিয়া, অলপ দিনিয়া, brief, evanescent.

খন্দমৰা, *s.* এবচৰলৈ নিৰ্ব্বন্ধ কৰা, an engagement of one year.

খন্দা, *a.* সিমা দি ভাগ কৰা, divided, portioned off.

খন্দিওআ, *s.* আলি দি মাটি ভাগ কৰা, নেচাৰে সুতা গাঁথি থোআ, বেলিএ বেলিএ কথা সোধা, dividing land into portions by paths, looping skeins of thread together, questioning and cross questioning.

খন্দুআ, *s.* এবচৰ গোট নেলাগি এবচৰ লগা, ধন দি এবচৰলৈ মাটি খোআ, producing every alternate year, hiring land for one year.

খপ, *s.* সাঁফৰ, সোপা, ঢাকন, a cover, a lid.

খপ্খপাই, *ad.* অতি খৰকৈ, very quickly.

খপ্জপ, *a.* থৰকদৰক, অথিৰ, without presence of mind, unsteady.

খপৰাই, *ad.* খচৰাই, গিৰিসাই, immediately, instantly.

খপা, *a.* জালত দিয়া, জালত দি সোন ৰুপৰ ভাঁজ নথকা কৰা, প্ৰবাসত ৰাতি নিউআ, refined, freed from dross; *s.* refining metals.

খপা সোন, *s.* জালত দিয়া সোন, নিভাঁজ সোন, refined gold.

খপি, *v.* জালত দি, খচি কাটি, প্ৰবাসত ৰাতি নিয়াই, to refine metals, to cut down a tree or forest leaving nothing remaining, to sojourn temporarily, to pass a night.

খপিউআ, *s.* কনাৰ দৰে হাতেৰে বিচাৰ কৰা, হেটিউআ, groping, feeling about for something in the dark, searching by feeling.

খপিয়া, *s.* চপনিয়া, খপিয়া পৰা, sojourning in the house of another in the hope of marriage or gain, passing a night.

খপিয়াই, *v.* নেদেখাকৈ হাতেৰে বিচাৰি, হেটিয়াই, to feel about for something unseen.

খপিয়া পৰা, *s.* চপনিয়া পৰি থকা, লোকৰ ঘৰত আসুই লৈ থকা, see, খপিয়া.

খপুআ, *s.* ঠায়ে ঠায়ে খাপ দিয়া, ভাগ ভাগ, belonging to a relay; *s.* waiting for a person at different stages, lying in wait.

খপোআ, *s.* নিভাঁজ কৰোআ, causing to be refined or freed from alloy.

খবঙ্গ, *s.* ভোৰতাল আদিৰ মাত, পানিত খোজৰ মাত, a deep heavy sound as of a gong or of anything dropped into deep water.

খবৰ, *s.* ৰন বিগ্ৰহ আদিৰ সম্বাদ, বাৰ্ত্তা, news of war or any important event, general intelligence.

খবৰজবৰ, *s.* অথিৰ, খবদবেক, doing anything confusedly, without order or exactness.

খবিচ্, *a.* খচা, ঠিক, আটুট, exact, true, complete, neither more nor less.

খবুআ, *s.* বেৰ আদিৰ দাঁতিত লগোআ খোলা বাঁহ, a bamboo grooved to receive the lower edge of a reed or bamboo wall or partition.

খমখমাই, *v.* নতুন কাপৰ আদিৰ সবদ কৰা, to make a rustling sound as of new cloth.

খমখমিয়া, *a.* খমখম সব্দকৈ উঠা, rustling, as of silk cloth when rubbed.

খমলা, *a.* হখলা, গোট মৰা, thickened, turned from a fluid to a solid state, loppered, coagulated, clotted.

খমিৰ, *s.* আটাগুৰি ওফন্দিবলৈ দিয়া তাল বা খজুৰৰ ৰস আদি দ্ৰব্য, কপট, yeast, leaven, figuratively used to mean hypocrisy.

খয়, *s.* ক্ষয়, টুটি জোআ, হানি, diminution, attrition, wearing away.

খয়ঙ্কৰ, *a.* খয়, খাস্তাং এটা নাইকিয়াকৈ গুচুউআ, utterly wasted.

খৰ, *s.* গ্ৰহনি, বেগ, পাগ টান হোআ, অনা ব্ৰিষ্টি, চালৰ ৰোগ, dysentery, swiftness, brittleness, parchedness, a cutaneous disease; *a.* quick, dry, brittle, parched.

খৰকিউআ, *s.* মলি আদি গুচাই বিন্ধা বহল কৰা, clearing out afresh an opening that has been closed up.

খৰকৈ, *ad.* বেগাই বেগাই, সিঘ্রে, খৰখেদাকৈ, quickly, hastily, speedily.

খৰ্খৰাই, *v.* সুকান পাত আদি লৰাই সবদ কৰা, কানৰ ভিতৰত সবদ উঠা, to make a rustling noise, to rustle.

খৰ্খৰিয়া, *a.* সুকান, জুনজুনিয়া, very dry, parched.

খৰ্খেদা, *s.* বেগাবেগি কৰা, লৰালৰি কৰা, খৰপোচ, তভাতৈয়া, the act of hastening, hurrying, expediting, with কৈ, rapidly, hastily.

খৰগ, *s.* গঁৰৰ নাক ডেওনাত হোআ সিঙ্গ বিসেস, the horn of the rhinoceros.

খৰচ, *s.* ব্যয়, ধন চুকুউআ, expenditure, expense, cost.

খৰচনা, *s.* দঙ্গা বাহ বা কাঠ, চোকা, a temporary prop or support.

খৰচি, *a.* ব্যই, এধাখুন্দা গুৰি, prodigal; *s.* the coarse portion of anything that remains after sifting.

খৰচিয়া, *a.* এধাখুন্দা, মিহি নোহোআ, coarse, not pulverised.

খৰ্ধৰ, } *ad.* লৰালৰি, লৰাত কৰা, বেগাবেগি, quickly, the doing a
খৰ্পচ, } thing quickly, used as a noun and an adverb.

খৰম, *s.* কাঠৰ, পাদুকা, a sandal.

খৰ্মৰ, } *s.* লুটিয়ালুটি, ধৰফৰনি, ডেও পাৰনি, tossing about in
খৰ্মৰনি, } distress, restlessness, uneasiness whether of mind or body.

খৰমৰা, *s.* অনা বৃষ্টি, বদ টনা, scorching heat; *a.* scorched, parched.

খৰ্মৰোআ, *s.* ধৰফৰোআ, লৰি ফুৰা, tossing about, restlessness.

খৰলা, *s.* ঘোঁৰাৰ ফনি বিসেস, a curry comb.

খৰলি, *s.* নিৰসকৈ ৰন্ধা সাক, the leaves of vegetables cooked very dry.

খৰলি পাক, *s.* পাক মাৰি ঘূৰি অহা, উচাট মৰা, খঙ্গেৰে ঘূৰি ফুৰা, going and returning quickly, going round and round in anger.

খৰলিপিটা, *s.* ডেও পৰা, ধৰফৰোআ, grumbling, fretting, complaining.

খৰলিয়া, *s.* ডোখৰা ডুখৰি, নিমজ নোহোআ, broken, rough.

খৰাই, *v.* খাৰ মচলা দি সুকুআই, ঘনে ঘনে সৰু পানি চোআ, to bleach, to expel the alkaline qualities of new cloth, to urinate frequently.

খৰাঙ্গ, *a.* ৰৰখুন নোহোআ, নিৰস মাটি, এলাহ নকৰা, without moisture, dry, parched, expert, quick, active.

খৰালি, *s.* খৰ্কালি, পানি নোহোআ কাল, the dry season.

খৰাহি, *s.* চাউল আদি ধোআ বাঁহৰ পাত্র, a small bamboo basket used for rinsing rice.

খৰি, *s.* জুই ধৰা কাঠ, firewood, fuel of all kinds.

খৰিয়া, *a.* খৰ থকা, খৰ ৰোগে ধৰা, having a cutaneous disease.
খৰিকটিয়া, *s.* খৰি কটা মানুহ, a wood cutter.
খৰিকা, *s.* খেৰৰ ঠাৰি বা গোটা ভাগ, নলা কাঠি, মুগা কনি ধৰা জুৰি, a grass tooth pick, a roasting spit, a spire of dry grass to which the eggs of the silk worm is attached.
খৰিকাজাঁই, *s.* এবিধ সুগন্ধি বগা ফুল, the Indian Jessamine.
খৰিকা দিয়া, *s.* মলাত দিব্ধি জুইত সুকুআ, putting upon a spit for roasting.
খৰিকা বটালি, *s.* সৰু বটালি, a small chisel.
খৰিচা, *s.* বাঁহ গাজৰ কৰা সুকান টেঙ্গা গুৰি, a pickle made of the tender shoots of the bamboo.
খৰি দিয়া, *s.* মৰা মানুহ পোৰা, কাঠ সংস্কাৰ, burning a dead body.
খৰিমাটি, *s.* বগা মাটি, খৈ মাটি, chalk.
খৰিয়াল, *s.* দন্দ বিবাদ, হাই উকমি, wrangling, angry dispute.
খৰুআ, *a.* পিৰ ওঁঠৰ মাজে চিগা, খাৰ দি ৰন্ধা, খৰে ধৰা, hare-lipped, seasoned with alkali.
খৰুআ বেঙ্গেনা, *s.* কাঁইটীয়া বেঙ্গেনা, a thorny species of the egg plant.
খৰে ধৰা, *a.* গুহনি, তেজ সাও পৰা, খৰিয়া, having the dysentery, a cutaneous disease called *khor.*
খৰোআ, *s.* ৰোগ এবিধ, খাৰেৰে সুকুউআ, খাৰ ৰস কৰ্হা, a disease of the urinary organs, bleaching or expelling the alkaline qualities.
খৰোহৰ, *a.* খৰ্খেদা, বেগাল, ডিখামখৰা, very quick, swift.
খৰ্ঠকিয়া, *a.* আলস্য হিন, খৰোহৰ, কোবাল, বেগাই কৰিব পৰা, expert, active, quick at work.
খৰ্ব, *v.* এন অৰ্বুদ, ten thousand millions.
খৰ্ব নিখৰ্ব, *a.* অতি খৰকৈ কোআ, খৰোহৰ. expert, speaking rapidly.
খৰ্মুজা, *s.* তৰ্মুজা, এবিধ লতাৰ ফল, a watermelon.
খল, *s.* খলি, লোৰ, a drill for sowing seeds.
খলক, *s.* পানিৰ ঢৌৰ আস্ফালনৰ শব্দ, এৰাও, কোলাহল শব্দ, হাই, the noise of agitated water, a tumult, a hubbub.
খলকনি, *s.* খলক লগা, পানিৰ শব্দ, a roaring tumultuous sound, a sudden moving of waters to and fro.
খলখল, *s.* হাঁহিৰ শব্দ, পানিৰ কলকল মাত, the sound of loud laughter or of agitated water.
খল্খলনি, *s.* হঁহা বা লৰোআ পানিৰ শব্দ, পেটৰ গাজনি, the noise of loud laughter or of agitated water, rumbling of the bowels.
খল দিয়া, *s.* লোৰ কটা, trenching, preparing ground for sowing in drills.

খলপা, *s.* তহপ, থাক, a layer, a fold of cloth, a story or floor of a house, a succession of things one above another.

খলপাই, *s.* তৰপেই, ত্তেনেই, সমুলি, খেলেপাই, the whole (collectively,) the entire assemblage of parts.

খলপা খলপি, } *ad.* তৰপিয়া, জাঁপজাঁপ, থাক থাক, divided into
খলপিয়া, } layers, layer upon layer.

খলম, *s.* কঁহাল, ভাত আদিৰ মাৰ, তাঁতৰ তাহোন, starch, sizing.

খলমলাই, *v.* আওখলা, পানিত জোকাৰি ধোআ, to rinse in water, to slightly agitate water.

খলমা বান্ধি, *v.* এঁঠাল বস্তু সুকাই চপৰা মৰা, বখলাবখল হোআ, to dry into a hard consistence.

খলা, *s.* প্ৰবাসত ভাত ৰন্ধা ঠাই, মাহ সৰিয়হ মৰা থলি, a temporary cooking place, guests or lodgers, a threshing floor, (generally the ground,) used also for spreading grain to dry.

খলাবমা, *a.* ওখ চাপৰ, দ বাম, uneven, undulating.

খলি, *s.* লোৰ, ঠাই লোআ, a furrow or drill in which seed is sown, a place of resort or rest.

খলিত, *a.* খতি পৰা, নাইকিয়া, absence, loss, deprivation, cessation.

খলিহনা, *s.* সৰু মাচ এবিধ, a species of fish.

খলিহৈ, *s.* সৰিয়হ আদিৰ তেল পেৰা মিটা, oil cake, the mass of compressed seed that remains after the oil has been extracted.

খলুআ, *a.* টেঙৰ, চতুৰ, কথাৰ খেল কৰি ফুৰা, shrewd, observing, of great observation and experience.

খহটা, *a.* নিমজ নোহোআ, হাতত লাগি জোআ, rough to the touch, harsh, not smooth.

খহন, *s.* এৰাই পৰা, খহি পৰা, breaking or dropping off as the leaves or fruit of a tree, caving off as a bank.

খহনিয়া, *a.* খহি থকা, এৰাই পৰা, মঁহৰ ৰোগ এবিধ, caving, falling off; *s.* a disease of cattle by which the flesh sloughs off.

খহমহিয়া, *a.* মটমটিয়া, খহটা, লেতুসেতু নোহোআ, stiff, rigid, inflexible, starched.

খহা, *a.* খহি জোআ, সুলকি পৰা, caved off, loosened, broken away.

খহি, *v.* এৰাই তললৈ পৰাই সুলকি, to loosen, to cause to fall off, to cut away as a stream does a bank.

খহু, *s.* ফোঁহা, বিহফোঁহোৰা, পুজ পানি ওলোআ ঘা, an abscess, a pustule, a boil, the itch, a general name for cutaneous diseases.

খহুআ, } *a.* খহু থকা, having warts, blotches, or any eruptive disease.
খহুলা, }

খহুলা ভেঁকুলি, *s.* চুক ভেঁকুলি, a toad.

খহোআ, *a.* এৰোআ, সোলোকোআ, caused to be loosened, caved off.

খাই, *v.* ভোজন কৰি, মিলি, to eat, to fit.

খাওনি, *s.* খোআ বস্তু, সমল, eatables, food in general.

খাওন্দ, *s.* ৰজাৰ অস্থি গঙ্গাত পেলাবলৈ নিওঁতে লগৰ সঁজাতি, ৰজাৰ গুপ্ত চৰাঙ্গ চোআ, an officer of the king's household who accompanies the dead body of the king to the Ganges to see that the necessary ceremonies are performed; a spy.

খাকৰ, *s.* খোকাউৰি, গাঁত খন্দা বাঁহৰ অস্ত্ৰ, a bamboo instrument for digging holes.

খাকৰু, *s.* নাকৰ মুকান সেঙ্গুন, the mucous discharge from the nose.

খাঁকি, *s.* [illegible]ৰা, আখি, the fork or parting of the legs, a crotch.

খাঁজ, *s.* খোপ, দুটা বস্তু মিলাবলৈ বা ধৰিবলৈ খোপ কটা, a notch or mortise for the support or joining of two pieces of timber.

খাঁজ খাই, *v.* কামোৰ খাই ধৰা, জোৰা মিলি পৰা, খোপে খোপে খাই জোআ, to fit two pieces of timber together.

খাঁজি খাজি, *v.* ঠাহি ঠাহি ভৰোআ, খুন্দি খুন্দি ভৰোআ, to stuff, to cram, to drive or ram down with violence.

খাৰি, *a.* নাক চুটি তিৰোতা, নেজ খঁৰা মাইকি জন্তু, a woman having a short or mutilated nose, a beast having the tail mutilated.

খাঁৰি ওৰনি, *s.* মুখ নঢকা আনখনিয়া ওৰনি, a short veil.

খাজি খোআ, *s.* ৰজাৰ বাটত খোআ ঠাই, a temporary place of rest and refreshment for the king on a journey.

খাটলা, *s.* চাৰি চুকিয়া দোলা, a palankeen used by kings and priests.

খাগৰি, *s.* তৃন এবিধ, খাগৰা, a species of coarse grass or reed.

খাজনা, *s.* ৰাজকৰ, ৰাজধ, কৰ, revenue, ground rent, tribute.

খাজাঞ্চি, *s.* ধন ভঁৰালি, ৰাজ ভঁৰালি, a treasurer, a cash keeper.

খাজুৰ, *s.* খজুৰ বৃক্ষ বিশেষ, the date tree and its fruit.

খাট, *s.* পালেঙ্গ, কাঠৰ খুৰা লগা সজ্যা, a bedstead.

খাটনি, *s.* চাকৰ আদিৰ কৰিব লগা কাম, পাবৰ আসাৰে লোকৰ আগত সুম বা নিবেদন কৰা, service whether of god or man, special efforts to obtain a desired good through another person.

খাটনিয়াৰ, *s.* খাটনি লগোআ, চেনেহ বা বিশ্বাসৰ পাত্ৰ, a favorite attendant, one who has the confidence and esteem of another.

খাটাঙ্গ, *a.* চিদাং, মুৰ মৰা, নিচয়, true, certain, final, unalterable.
খাটাংকৈ, *ad.* নিচইকৈ, চিদাংকৈ, truly, certainly, unalterably.
খাটি, *v.* বেচলৈ কাম কৰি, খাটনি ধৰি, to serve, to work for wages, to curry favor by officious civilities.
খাটি লুটি, *v.* পৰৰ সন্তোসলৈ বহু সুমকৈ খাটনি লগোআ, to labour earnestly and unremittingly to obtain another's favor.
খাটুআ, *a.* দিঘলো নহই চুঁটিও নহই, মধ্যম, of medium size.
খাত, *s.* পাম, নিলগত পতা বাৰি ঘৰ, a farm, a distant cultivation.
খাতি, *s.* সোনা ৰুপা আদিৰ সৰু সৰু ডুখৰি, the cuttings of gold, silver, or any of the metals.
খাতিখুতা, *s.* সৰু সৰু ডুখৰি, খণ্ডিয়া খুঁচুৰি, small cuttings or pieces.
খাতোআল, *s.* খাতত থকা মানুহ, belonging to a farm, a laborer on a *khat*.
খাদ্য, খাদ্য সামগ্রি, *s.* খোআ সমল, আহাৰ, খাব পৰা বেহানি, food of all kinds; *a.* edible, esculent, good for food.
খান, *s.* খন, ডোখৰ, টো, টা, a piece, an individual thing, generally applied to anything spread out or extended.
খান খান, *ad.* এপাত এপাত, খন খন, পাহ পাহ, সিচৰতি, here and there, one here and another there, with কৰি, to scatter about.
খানচাৰেক, *ad.* দুখন মান, খান দেওক, a few, as many as three or four.
খানি, *v.* গাঁত কৰি, কোৰেৰে চাহ কৰি, to dig, to hoe.
খানিক, খানিকমান, *s.* অলপ মান, নিমিস, এফেৰি মান বেলি, a little, a moment, a brief period of time.
খানিকুৰি, *v.* খানি, লুটিয়াই চাহ কৰি, to dig up jungle land and bring under thorough cultivation.
খান্ধৰি, খান্দি, *s.* গুনঠি খুউআ ডোল, কথাৰ বাঙ্গ, a noose, a loop.
খান্দিদিএক, *s.* খন্দিয়াই থোআ নেচাদিএক, a bunch of several skeins of thread looped together.
খাপ, *s.* গুপুতে পৰ দিয়া, বাট চোআ, খলপা, a lying in wait, an ambush, an ambuscade, a story of a house, a layer or division of things placed one above another, a cascade.
খাপ দি, *v.* লুকাই পৰ দিয়া, জোপা লোআ, to lie in wait.
খাপৰ, *s.* বৰ জাঠি, a large spear.
খাপৰি, *s.* খলপিয়া ৰোগ, জৰ খাপৰি, খলপিয়া ইটা, the spleen, a tile.
খাপি, *s.* মনিৰ চেও, খলপাখলপ, a division in a string of beads of different colours; several layers or divisions.

খাবৈচ, *s.* খাবৈয়া, বহু আহাৰি, সৰহ খাওঁতা, a glutton, a gormandizer.

খাম, *s.* গোট মৰা, জাপ, লেফাফা, a coagulated mass, several layers adhering together. an envelope,

খাম্‌তি, *s.* এক জাতি লোক, the Kampti or Shan race.

খাম্‌তি দা, *s.* দিঘলিয়া দা, খামতিৰ অস্ত্ৰ, a long knife, a Kampti sword.

খামপুতি, *v.* } খোপনি পুতি, থিৰে থাকি, to stand fixed and un-
খাম্‌পুতি ধৰি, } moved, to set down the foot determinedly.

খাম্‌বন্ধা, *a.* গোট খোআ, খমলা, coagulated, thickened, clotted.

খামবান্ধি, *v.* গোট খাই থকা, to adhere, to stick, to change from a liquid to a solid state.

খামি, *s.* বুকু, সাহ, পিত, মন, the breast, the heart, the mind.

খামিদাঠ, *a.* বুকু ডাঠ, সাহিয়াল, পিত ৰৰ্হা, মন ৰৰ্হা, courageous, bold.

খামুচি, *v.* খামোচ মাৰি ধৰি, to grip, to clutch, to grasp.

খামোচ, *s.* মুঠি মাৰি ধৰা, হাতৰ চমকাৰ জোখ, a grip, a grasp, as much as can be grasped in the hand at once.

খামোচা খামোচে, *ad.* মুঠিএ মুঠিএ, handful by handful.

খাৰ, *s.* কল গচ আদিৰ পোৰা চাই, কলাই খাৰ, খাৰ দি ৰন্ধা আঞ্জা, an alkali obtained from the ashes of the plantain and other trees, food seasoned with the above, gunpowder.

খাৰ কাঢ়ি, *v.* বস্তুৰ চোকা গুন বাহিৰ কৰি, to extract alkali &c.

খাৰধি, *s.* সাক পাচলি আদি, vegetables, a side dish.

খাৰনি, *s.* খাৰৰ পানি, চাইৰ সৰোআ পানি, lye, alkali.

খাৰনি সঁতা, *s.* খাৰনি চটা, খাৰ সৰোআ পাত্ৰ, a vessel used in obtaining lye from ashes, a leach.

খাৰি বন্ধ জোআ, *a.* সংস্কাৰ বন্ধা, মনত কৈতপ লাগি থকা, ক্ৰোধ নেপাহৰা, habituated, not forgetting an injury, holding a grudge.

খাৰচাৰ, *a.* নিৰুত্তৰ, speechless, put to silence.

খাৰচাই, *s.* নটিনি, চোকা, গালি পৰা মাত, a public prostitute, a term of gross abuse.

খাৰু, *s.* কঙ্কন, হাতৰ ভূষন, a bracelet.

খাৰুআ, *s.* ৰঙ্গা কাপৰ এবিধ, খাৰ দিয়া, a kind of red cotton cloth, an iron handle and chain for securing a box or chest.

খাৰে ধৰা, *a.* বাঁহ কাঠ আদিত মল ধৰা, বৰমোহা, mildewed, rusty, timeworn, weather beaten.

খাল, *s.* বহল গাঁত, খাবৈ, মাজ চাপৰ ঠাই, খোল, a gulf or bay, a deep ditch or pit, a deep hollow, ravine or defile.

খাল পৰা, *a.* বহি জোআ, সোমাই জোআ, কমি জোআ, diminished, settled down, reduced.

খালি, *a.* সুদা, উদঙ্গ, সৰাধৰ কলাপটুআৰ অন্ন পাত্র, empty, void blank; *s.* the outer section of the plantain tree, used for presenting the offerings at funeral ceremonies.

খালৈ, *s.* মাচ থোআ বাঁহ আদিৰ কলহ আক্রিতিৰ পাত্র, a small basket for holding fish, shaped like a water jar.

খালৈপেটা, *a.* খালৈৰ দৰে পেট, having a belly shaped like the above.

খালোন, *s.* খাৰনি পানি পগাই গোট কৰা চোকা দ্রব্য, a coarse potash.

খাৱন, *s.* খোআ, ভোজন কৰা, the act of eating.

খাৱৈ, *s.* দ লোৰ, জান, খাল, a broad deep excavation or trench.

খাস্তাং, *s.* উবাৰ, নষ্ট, নাইকিয়া, wasting, destruction, with কৰি, to destroy utterly or lay waste.

খাহ, *s.* নৈ নাইকিয়া চহা ঠাই, বৰখুনত পানি হোআ দ পথাৰ আদি ঠাই, a place destitute of running water, a sparsely populated place.

খাহৰাজ্য, *s.* চহা গাওঁ, the inhabitants of the above place.

খাহি, *s.* কনি কৰ্হা জন্তু, কটা গচৰ গজালি, পোসা, a castrated animal, a gelding, the sprout of a tree that has been cut.

খাহি ধৰা, *s.* কটা গচৰ গজালি ওলোআ, পোসা মেলা, the sprouting out afresh after cutting.

খিক্‌খিকাই, *v.* হাঁহিৰ মাত, বৰকৈ হাঁহি থকা, খিল্‌খিলাই, to giggle, to titter, to laugh boisterously.

খিকিন্দালি, *s.* ধেমালি, ৰঙ্গ, হাঁহনি, sport, fun, frolic.

খিখিউআ, *s.* অলপকৈ হঁহা, the act of laughing gently.

খিঙ্গ্‌খিঙ্গাই, *v.* কুকুৰৰ দৰে গেঙ্গেৰি দিয়া, অলপতে খঙ্গ কৰা, to speak in a cross, surly or snappish manner.

খিঙ্গখিঙ্গিয়া, *a.* অলপতে খঙ্গ উঠা, কেটাই জেঙ্গেৰিয়া, cross, surly, irritable.

খিচ, *s.* গৰুৰ মুত্ৰৰ বোকা, খেচ, dirt, filth, the excrements of cattle.

খিচ্‌খিচাই, *v.* গা বিজবিজাই, to feel an uneasy prickling sensation.

খিচনি, *s.* গেৰেকনি, গেকেটনি, a filthy place.

খিচিৰা, *a.* নালিয়া, গা নিচই সৰু, পিল্‌পিলিয়া, small and spare, the puny one in a family of children or brood of animals.

খিচিৰাই *v.* সাৰ নোপোআকৈ, নজনাকৈ, to cut slightly, imperceptibly or without pain.

খিচিৰি, *s.* মাহ চাউল আদি মিহলিকৈ সিজোআ আহাৰ, a dish composed of rice, ghee, pulse and spices cooked together.

খিট্খিটনি, *s.* অলপ অলপ দন্দ লগা, দুই নাৱৰ ঠেকাৰ সবদ, bickering, the noise made by boats striking against each other.

খিতপিয়া, } *a.* মৰ্জ্জতাৱন্ত, বৰ প্ৰতাপ বুজুআ, খ্যাতিমন্ত, having an
খিতাপ, } honorable name or title, ostentatious, showy, pretentious.

খিতাপ, *s.* জসস্যা, খ্যাতি, প্ৰতাপ, show, display, ostentation.

খিতি, *s.* ক্ষিতি, প্ৰিথিবি, ধৰনি, ভূমণ্ডল, the earth.

খিতিপতি, *s.* ক্ষিতিপতি, ৰজা, ভূপতি, a king, a sovereign.

খিন, *a.* ক্ষিন, মঙ্গহ নাইকিয়া, কেটেঙ্গা, dried up, lean, thin in flesh.

খিনকটিয়া, *a.* হাৰ চাল থকা, নিচলা, emaciated, wasted away.

খিনাই, *v.* খিন হৈ, গাৰ মঙ্গহ আদি সুকাই, to grow thin or emaciated.

খিনি, *affix.* অব্যয় সব্দ, আন সব্দৰ পাচত জোগ হলে বহু বুজাই, জথা, জিমান, জেতেখিনি, an affix of place or quantity, meaning here, there, yonder, some, a few.

খিনিতে, } *affix.* স্থান বুজুআ অব্যয় সব্দ, ঠাইতে, here, used also as
খিন্তে, } an affix of time and place.

খিয়লাখিয়লি, *s.* হিংসা হিংসি, বিৰোধাবিৰুধি, mutual hate.

খিয়লিয়া, *a.* হিংসক, কুচুটিয়া, বিৰুধি, hating, wishing evil to others.

খিয়াতি, } *s.* ক্ষাতি, সকলোএ জনা, খিতাপ, জসস্যা, fame, celebrity,
খ্যাতি, } rumour, report.

খিয়াল, *s.* হিংসা, আখেজ, দ্ৰোহ, অহিত চিন্তা, hatred, malice, spite.

খিৰ, *s.* ক্ষিৰ, এঁৰা গাঁখিৰ, দুগ্ধ, milk.

খিৰতি, *s.* গাঁখিৰ ওলোআ গাই বা মঁহ, a milch cow or buffalo.

খিৰন, *s.* খিৰুআ, গৰুৰ ওহাৰ চোঁচা, দোহন, the act of milking.

খিৰ সাগৰ, *s.* ক্ষিৰ সাগৰ, দুগ্ধ সমুদ্ৰ, the milk ocean, according to hindoo cosmogony the second of the seven circular oceans.

খিৰাই, *v.* গাঁখিৰ চোঁচা, গাঁখিৰ খিৰোআ, দোহা, to milk.

খিৰিক, *s.* খিৰিঙ, অলপিয়া সবদ, any low ringing sound.

খিল্খিলনি, *s.* পানিৰ সৰু মাত, a low rippling sound of water.

খিলস্থি, *a.* একে ঠাইতে অনেক কাল থকা, অনেক পুৰুসিয়া ঠাই, ancient, remaining in one place for many generations.

খিলা, *s.* এপাত, খন, বিৰা, a single leaf of a tree or paper.

খিলি, *s.* লোহাৰ চেপেটা গজাল, a flat kind of nail used in joining two pieces of wood together.

খিলিকি দুআৰ, *s.* বেৰৰ সৰু দুআৰ, a window.

খিলোআ, *s.* খিলি মৰা, গজাল মৰা, nailing or fastening with nails.

খুআই, *v.* মানুহক ভোজন কৰাই, লগাই, to feed, to attach, to fasten.

খুউআ, *a.* ভোজন কৰোআ, জোৰা মিলোআ, লগোআ, fed, fastened &c.
খুকুন্দা, *s.* খদুঅনি, চিন্তা, খুঁকুৰি, doubt, mistrust, hesitation.
খুকুৰা, *a.* ভগা চিগা, গুৰি হোআ, ডুখৰা ডুখৰি, broken to pieces.
খুঁকুৰি, *s.* আসঙ্কা, সন্দেহ, hesitation, doubt, apprehension, mistrust.
খুঁচৰি, *v.* ভৰিৰে মাটি আঁচুৰি, নিৰাই, উজাৰি, হুৰুকি, to scratch or loosen the ground, to stir up, to investigate a matter.
খুঁচি, *s.* বিন্ধি, খোঁচ মাৰি, to pierce, to stab, to punch.
খুচমুচাই, *v.* মিচামিচিকৈ বন কৰি দিন নিউআ, to idle away time in mere pretence of doing, or in mere preliminaries.
খুচুৰ, *ad.* অলপ অলপ, লাহে লাহে, very little, slowly.
খুচুৰ মুচুৰ, *s.* খুচমুচাই, এটা বনত দিন নিউআ, spending much time in accomplishing little.
খুচুৰাই, *ad.* লাহেকৈ সৰুকৈ, slowly, gently, with a low voice.
খুচুৰিয়া, *a.* জোঁট, সৰু সৰু, পিলিকি পিলিকি থকা কাম, small, insignificant, mean, diminutive.
খুজি, *v.* মাগি, জাচ্না কৰ, ইচা কৰি, to beg, to ask for, to desire.
খুজিয়া, *a.* খোজৰ আক্রিতি বা গতি কৰা ভাও, like unto, in size and shape of foot, or in gait.
খুঁটখুঁটিয়া, *a.* সঘনে দন্দ কৰা, কমোৰাকামুৰি কৰা, mutually picking, biting or devouring each other, contentious, quarrelsome.
খুঁটা, *s.* কাঠ আদিৰ স্তম্ভ, ঘৰৰ চাল ধৰা খুঁটা, a post, a pillar.
খুঁটা মাৰি, *v.* খুঁটা পুতি সিমা বন্ধ, চিন দিয়া, to place a pillar or post in order to mark a boundary.
খুঁটি, *v.* ঠোঁটেৰে খোঁট মাৰি বা কামুৰি, গোঁজ, চিদ্রু ধৰা, to peck, to pick up with the bill, to spring or strike at as a snake in biting or a fish at a hook; *s.* a small stake, fault finding.
খুঁটি খোআ, *a.* আপুনি খুঁটি খাব পৰা, বুজন বা সিয়ান হোআ, capable of providing for ones self, applied to a young child or bird.
খুঁটিতলিয়া, *s.* খুটিতাল বজাওঁতা, a player on a kind of small cymbal.
খুঁটিতাল, *s.* সৰু তাল, a small cymbal.
খুঁটিয়াই, *v.* খুঁটি, জোকাই, খোঁট মাৰি, ভালকৈ আখৰ নিচিনাকৈ পৰ্হা, to peck, to pick a quarrel, to read hesitatingly.
খুঁটিয়াখুঁটি, *s.* কামোৰা কামুৰি, ঠোতামোজা, বাদ বিবাদ, wrangling.
খুতুৰা, *s.* ডোখৰ, খণ্ড, সৰু সৰু ভাগ, a piece, a bit, a slice, a shred.
খুতুৰাখুতুৰ, *s.* অনেক ডোখৰ, খণ্ডা খণ্ড, সৰু সৰু, ডুখৰি, a very small piece or bit; *a.* very small.

খুতুৰিয়া, *a.* দা কটাদিৰ ধাৰত অলপ ভগা, মুমুৰিয়া, মেলা, nicked or notched, as the edge of an instrument.

খুদ, } *s.* চাউলৰ কনিকা, refuse of broken rice or other grain.
খুদু, }

খুদখুদনি, *s.* উগুলথুগুল, খুদুআনি, চিন্তনি, consternation, perplexity, anxiety.

খুদিয়া, *a.* খুদৰ সমান, সৰু সৰু, কনিকা কনিকা, খুদু, very small, minute, little or slender.

খুদুঅনি, } *s.* সৰহ চিন্তা, ধিধিঅনি, চিন্তনি, ভই, আসঙ্কা, fear, con-
খুদু লগা, } sternation suspicion, uncertainty.

খুদ্র, *a.* ক্ষুদ্র, সৰু সুক্ষ্ম, তাকৰ, কনিকা, small, little, minute.

খুদ্রসৌচ, *s.* ক্ষুদ্রসৌচ, সৰুপানি, মুত্র, the discharge of urine.

খুধা, *s.* ক্ষুধা, ভোক, খাবলৈ মন জোআ, hunger, appetite.

খুধাতুৰ, *a.* ক্ষুধাতুৰ, ভোক লগা, লঘোনিয়া, hungry.

খুধিত, *a.* ক্ষুধিত, খাব খোজা, ভোক লগা, an hungered.

খুন কৰা, *a.* ঘা লগা, কটা, তেজ উলিউআ, maimed, wounded, mutilated.

খুনখুনিয়া, *a.* কনকনিয়া, মোহাৰত গুৰি হোআ, very dry, crumbling.

খুনি, *s.* খুন কৰোঁতা, খোনা তিৰি, one who maims or wounds, a woman who stammers in her speech.

খুন্দ, *a.* নিসন্ধি, packed closely without interstices.

খুন্দকন, *s.* খুদ চাউল, খুদকন, the refuse of pounded rice.

খুন্দন, *s.* খুন্দা ধৰা, হাঁতুৰি আদিৰে মাৰিয়াই চেপেটা বা গুৰি কৰা, the act of pounding beating or bruising.

খুন্দনা, *s.* তামোল খুন্দা সৰু উৰল, a small mortar for pounding and mixing together betelnut, pan, lime &c. for a quid.

খুন্দা, *a.* শিল আদি ধুমেৰে মৰা, ঠেকা লগা, beaten with clubs or stones, smitten, struck, pounded; *s.* the act of beating &c.

খুন্দাখাই, *v.* ইহত সিহত টানকৈ লগা, ঠেকা খোআ, to strike against, to bump, to collide.

খুন্দামৰা, *s.* খুন্দা মাৰি ধৰা, ঠেকা লগোআ, cramp in the stomach, striking against, coming into collision, butting as sheep.

খুন্দি, *v.* গুৰি বা চেপেটা হবলৈ খুন্দি, পিটি, মাৰি, ঠাহি, টানকৈ, বৰকৈ, to beat, to pound, to bruise, to press any thing into a vessel to its utmost capacity; *ad.* strongly, greatly, tightly, quickly.

খুন্দিয়াখুন্দি, *a.* ঠেকাঠেকি ধিধিয়নি, striking back and forth, bumping against each other.

খুন্দুআ, *a.* গুৰিটৈক খুন্দি পেলোআ, মৰোআ বা কিলোআ, beaten, struck.

খুপখুপিয়া, *a.* পিচল, ভুকভুকিয়া, slippery, muddy.

খুপৰি, *s.* সৰু ঘোপ খোঁটালি, a small dark room.

খুপি, *v.* ভৰিৰ আঙ্গুলিৰে বোকা পানি ঠাইত টিপা মাৰি ধৰা, to press in the toes when walking in a slippery place.

খুবলি, *s.* গাঁৰিসলি, ধান চাউল আদি খুন্দা পাত্ৰ, a foot pestle or mortar in which grain is pounded.

খুম, *s.* কাপৰ আদি মেৰাই দুই মূৰ বান্ধি টোপোলা কৰা, a bundle bound in a cloth at the two ends forming a bag.

খুম মৰা, *s.* ৰঙ্গেৰে মূৰে মূৰে খুন্দা মৰা, জুঁজত মূৰেৰে চাগ আদিএ খুন্দা, butting, as sheep or cattle.

খুৰ, *s.* ক্ষুৰ, মূৰ খুৰুআ অস্ত্ৰ, a razor.

খুৰখুৰৰিয়া, *a.* চুলেই ভগা বস্তু, পতান ধানৰ নিচিনা হাতত লগা, ready to crumble at the touch, light and empty like chaff.

খুৰসিল, *s.* ক্ষুৰসিল, খুৰ ধৰোআ সিল, এবিধ জাবোন, a stone on which razors are sharpened, a hone, a strop.

খুৰা, *s.* মঁহ গৰুৰ ঠেঙৰ নখ, পিৰা চন্দুকৰ ঠেঙ, দদাএক, the hoof of cattle, the feet of furniture, a junior paternal uncle.

খুৰাই, *v.* খুৰেৰে মূৰৰ চুলি কটা, to shave with a razor.

খুৰি, *s.* দদায়েকৰ ঘৈনিএক, গোটোঙ্গ বাটি, লেঙ্গুৰি, the wife of a junior paternal uncle, a small oval dish; *a.* lame.

খুৰুপ, *s.* বাঁহৰ চেপেটা সলা, জাপি চৈ আদিত মৰা চেপেটা সলা, thin splints of bamboo, used in making boat covers &c.

খুলখালি, }
খুলসালি, } *s.* ঘৈনিয়েকৰ ভাই ভনি, a wife's younger brother or sister.

খুলখুলাই, *v.* পানিত মাচ সৰা বা জোকৰাত সবদ উঠা, to make a splashing or rippling sound as of fish passing through the water.

খুলি, *v.* খোলনি বিন্ধা দি গাঁত কৰা, to hollow out, to mortise.

খুলিয়া, *s.* খোল মৃদং বজাওঁতা, one who plays on a drum called *khoul.*

খুলুঙ্গমুলুঙ্গ, *s.* পানি জোকৰা মাত, a splashing or rippling sound.

খুহমুহাই, *v.* খুচমুচাই, to spend time in trifling, to loiter.

খেও, *s.* তাঁতত মাকো এবেলি মৰা, নৈত নাৱেৰে পাৰি দিয়া, জাল বোআ, a throw, a cast, a crossing over; *e.g.* throwing a shuttle, casting a net, crossing a stream in a boat.

খেকাউৰি, *s.* খাকৰ, a bamboo implement for digging holes.

খেকাৰ, *s.* কাহত ওলোআ কঁফ, phlegm.

খেকেটিয়া, *a.* আহুকলিয়া, difficult, perplexing.

খেক্খেক, *s.* শিয়াল বান্দৰ আদিৰ মাত, ৰবকৈ হঁহাৰ মাত, the cry of a monkey or jackal, boisterous laughter.

খেঁকেৰু, *s.* গচত চৰাই ধৰা ফান্দ, গচ এবিধ, a bird snare, a species of tree.

খেঁকেৰুপতিয়া, *a.* খেঁকেৰু পাতৰ নিচিনা, চুলিৰ খোপিয়া বান্ধ, like the leaf of the khenkeru tree, a mode of dressing the hair.

খেঁজালনি, *s.* মিচাই ৰবকৈ মলাগি হঁহা, নিন্দা, making sport of a person, jeering, bantering, deriding.

খেঁজালি, } *v.* খেলি কৰি, মিচাই ৰবকৈ মলাগি, বিগতি কৰি, to
খেঁজেলিয়াই, } make sport of, to joke, to jest, to jeer, to mock.

খেতৰ, *s.* উপদ্ৰৱতা, ক্ষেত্ৰ পাল, পিশাচ, a fiend, an imp, an imaginary malignant demon, supposed to destroy little children.

খেতৰসাইজ, *s.* চাঁয়া বাজি, মায়া বাজি, magic, sleight of hand.

খেতৰি, *s.* খেঁতৰৰ মাইকি, পিশাচনি, feminine of the above word.

খেঙ, *s.* কুকুৰৰ মাত, the cry of a dog.

খেঙ্খেঙাই, *v.* খিংখিঙাই, ৰবকৈ কুকুৰে ধৰা, to snarl, to snap, to cry out as a dog, applied to contentious angry persons.

খেচ, *a.* বেয়া, অধম, নিচ, low, mean, vile.

খেচ্খেচ, } *s.* চোকা মাত, সদাই একে কথাকে কৈ থকা, ধাৰ সাধি
খেচ্খেচনি, } থকা, importunity, teasing, sharp cutting speech, repeated dunning for a debt.

খেচ্খেচিয়া, *a.* বালিৰ দৰে লগা, খহটা, gritty, rough, teasing, annoying.

খেচ্মেচ, *s.* অকাৰণে পলম বা বেলি কৰা, needless delay, spending time on mere preliminaries.

খেচালত, *s.* ঘনে কৈ থকা, হেকহেকনি, annoyance, irritation.

খেচালনি, *s.* খেচ্খেচাই থকা, কৈ কৈ বেজাৰ লগোৱা, the causing irritation or annoyance, vexing with importunity.

খেচেৰ, *d.* একে বেলিএ কটা বা কোৱা, cutting or speaking rashly.

খেচেৰা, *s.* অলপ ডাঙৰ লৰা, এখনিয়া কাচুটি পিন্ধা লৰা, a lad, a boy of ten or twelve years of age.

খেচেৰাই, *v.* খচৰ কৰে কটা, বেগতে উত্তৰ দিয়া, to slash, to cut suddenly, to give a quick tart reply.

খেট্মেট, *s.* বাৰ্তি কৰা, যকপ কথাত মিচাই দৰ হাই কৰা, higgling about the price of an article or in making a bargain.

খেটেংমেটেং, *s.* ঘেটমেট, অনিয়াঅনি, ঐয়াহৈয়া, dispute, wrangling.

খেত, } *s.* সস্য কৰা, পথাৰ, কৃষি, সস্য, a cultivation, a field, a
খেতি, } farm, the crop of standing grain.

খেতিয়ক, *s.* খেতি কৰা মানুহ, ক্ৰিসক, হালোআ চহা, a cultivator, a farmer, a husbandman, a peasant.

খেত্ৰ, *s.* ক্ষেত্ৰ, পথাৰ, তিৰ্থ থান, খেতৰ, a field, a sacred place, a place of pilgrimage, a fabulous fiend supposed to destroy children.

খেত্ৰপাল, *s.* ক্ষেত্ৰপাল, খেতৰ জাক বা সমুহ, a fabled family of demons.

খেত্ৰিয়, *s.* ক্ষেত্ৰিয়, জাত এবিধ, one of the four principal hindoo castes.

খেদ, *s.* বেজাৰ, সোক, দুখ, চিন্তা, sorrow, distress, penitence, regret.

খেদখেদিয়া, *a.* মলিন, বোকাজুক্ত, besmeared, bedaubed.

খেদমেদ, *s.* খোঁচৰ বন, আলপৈচান, light work of a domestic kind, chores.

খেদা, *s.* খেদি জোআ, চোঁচা মৰা, লৰ, বেগে জোআ, the act of driving, chasing away or expelling; preceded by খৰ, it means to hasten; followed by মাৰি, to run after.

খেদা খেদি, *ad.* লৰালৰি, বেগাবেগি, pursuing in turn, rapidly, quickly.

খেদালি, *v.* কেদেলা, পানি বোকা কৰা, to roil, to stir up, to muddle.

খেদি, *v.* দুৰ কৰি, লগ ধৰিবলৈ লৰি অহা বা জোআ, to drive away, to pursue; with অহা, to rush towards, to advance.

খেদিত, *a.* দুখিত, চিন্তিত, সোকাকুল, distressed, grieved, sorrowful.

খেদোআ, *a.* খেদাই দিয়া, দুৰ কৰা, নিলগকৈ পঠিওআ, ত্যাগ কৰা, driven off, expelled, banished, chased away.

খেন, *s.* ক্ষন, নিৰুপিত সময়, বেলি, পৰ, a fixed time or period.

খেনকতে, *ad.* ততালিকে, বেগতে, তিলেকে, in a moment, quickly.

খেনি, *s.* উলাই, নিন্দা, উপলুঙ্গা, a taunt, a jeer, a joke.

খেনি কৰা, *s.* উপহাস্য কৰা, খেজালি থকা, taunting, jeering.

খেনেক, *s.* খন্তেক, অলপ, তিলেক, a moment of time.

খেনেকতে, *ad.* ততালিকে, খন্তেকতে, মুহুৰ্তকতে, in a moment of time.

খেনো, }
খেনো খেনো, } *a.* কোনো, কেতবিলাক, some one, several, some.

খেপ, *s.* খিয়াল, আখেজ, এবেলি বেহা কৰি অহা, এখেপ, এবাৰ, a grudge, secret ill will, hate, going and returning once, one time, once.

খেপাখেপি, *a.* বিবোধাবিৰুধি, feeling mutual ill will, discordant.

খেপিওআ, *s.* হাতেৰে চাৰিও ফালে বিচৰা, feeling about, searching.

খেপে খেপে, *ad.* বাৰে বাৰে, সঘনে, again and again, repeatedly.

খেমা, *s.* দাই এৰা, পাপ মোচন, সহন কৰা, উধাৰ, forgiveness, pardon, remission, forbearance.

খেমাধেমা, *s.* দাই ধৰিব বা এৰিবও পৰা, power to pardon or to punish.

খেমাৱন্ত, } *a.* খেমা কৰা স্বভাওজুক্ত, খেমাৱান, সহনিয়, forbearing,
খেমাৱান, } forgiving, ready to pardon, gracious, lenient, patient.

খেমি, *v.* দাই দোস এৰি, সহি, to pardon, to forgive, to remit.

খেৰ, *s.* ধান উলু আদিৰ সুকান তিন, thatch, dry grass, straw.

খেৰনি, *s.* খেৰ থকা ঠাই, উলুৱনি হাবি, a jungle where thatch grows.

খেৰেউ, *a.* জোথা সুতা, coarse and short thread.

খেৰেচ, *a.* নিচ, সামান্য, লেতেৰা, low, vile, mean, filthy, untidy.

খেৰেপাখেৰেপ, *a.* মুতৰ নিচিনা দুৰ্গন্ধ, offensive in smell like urine.

খেল, *s.* ৰজাৰ বিসেস বিসেস কামৰ নিৰ্ধাৰিত মানুহৰ ভাগ, তাচ পাস আদি ওমলা বস্তু, a class, a division of the people set apart by the king for some particular work; a game, a play.

খেল্ কৰা, *s.* ওমলা, ধেমালি কৰা, কথা গমা, play, sport, a game of chance.

খেলখেদা, *s.* চাল পাহ আদিৰ খেল কৰা, playing a game of chance.

খেল্খেলকৰে, *ad.* খল্খল কৰি, চেক্চেক্ কৰে, ৰবৈকে, loudly, boisterously, vociferously.

খেলখেলাই, *v.* ৰবৈকে হাঁহি, to laugh boisterously.

খেলনা, *s.* লৰাই ওমলা বস্তু, playthings, toys.

খেল্নাও, *s.* পানিত ৰঙ্গ কৰি ফুৰা পাতল নাও, a pleasure boat.

খেল্মেল্, *a.* লেটপেটি, অলপ আওঢ়ালি ধোৱা, বেমেজালি, confused, mixed, thrown together in disorder, half washed, roiled.

খেলা, *s.* ৰঙ্গ ধেমালি, play, sport, amusement.

খেলি, *v.* উমলি, ধেমালি কৰি, খেলত পাৰ্গত হোৱা, কথা গমি মানুহ, to play, to sport; *a.* expert at play or games, far seeing.

খেলিমেলি, *s.* ভুল লগা, উগুলথুগুল লগা, অথিৰঅবিৰ, confusion, perplexity, uncertainty.

খেলুআ, *a.* একে খেলৰে, খেলি, belonging to a khel or class, playful.

খেলেপাই, *a.* সমুলি, আটাইবোৰ, every, each.

খেলোআ, *a.* খেল কৰা, ধেমালি কৰা, engaged in play, sporting &c.

খেৱা, *a.* পাৰি দিয়া, খোআ, পাৰ হোআ, crossed, passed over.

খেৱালি, *s.* খেও দিয়া জাল, a cast net or one thrown by hand.

খেহ, *s.* পুৱ ফালৰ এক দেস, চিনা দেস, খেহ লোক, China, the Chinese.

খেহকগিয়া, *a.* কহুৱা, ঘনে কাহি থকা, having a cough.

খেহৰজিয়া, *s.* চহা মানুহ, সমান্য মানুহ, a common labourer who lives at the house of another.

খেহেটা, *a.* লেতেৰা, জেগেলা, unclean, untidy, slovenly.

খেহেৰ খেহেৰ, *s.* কাহি থকা সব্দ, the noise of continuous coughing.

খৈমাটি, *s.* বগা মাটি, chalk.

খৈয়া, *s.* ভাত কাপৰিয়া চাকৰ, বনুআ, a labourer who works for food and clothes, a labourer.

খৈৰ, *s.* এবিধ জগাঁ কাঠ, a tree held sacred by the hindoos.

খোআ, *a.* ভোজন কৰা, মিলি পৰা, নিপাৰলৈ পাৰি দিয়া, eaten, fitted, joined or matched, crossed over a stream.

খোআলোআ, *s.* সংসৰ্গ, গৃহ বাস, cohabiting, living together.

খোআবোআ, *s.* প্ৰবৰ্ত্তন, ভোজন, manner of living, eating and drinking.

খোআখুই, *s.* কামোৰা কামুৰি, দুয়ো একে লগে ভোজন কৰা, fighting or devouring each other, eating together.

খোক, *s.* চুক, সৰু খোঁটালি, a corner, a recess.

খোঁকা, *s.* বাঁহৰ মাচ ধৰা সৰু জন্ত্ৰ, a small bamboo trap for catching fish.

খোকা পতা, *s.* মাচ ধৰিবলৈ খোকা পতা, পাবলৈ আসা কৰা, setting the above, figuratively the hope of obtaining anything.

খোঁকোজা, *s.* সংসই, আসঙ্কা, খুঁকুৰি, মুখত ভালকৈ নহা, fear, doubt, hesitation in reading or repeating anything.

খোঁচ, *s.* জোঙ্গা মাৰিবে বিন্ধা, হান মৰা, a stab, a thrust.

খোঁচনি বাৰি, *s.* মানুহ খৰি দিয়াত লৰোআ মাৰি, a bamboo stake used in turning dead bodies when burning.

খোঁচনি বিন্ধনি, *s.* পেট কামোৰা ৰোগ, a griping pain in the bowels.

খোচৰ, *s.* কৰিবলৈ টান, জোঁট বন, difficult, requiring close application.

খোঁচৰা, *a.* উজৰা, মাটি চহোআ, stirred, loosened, investigated.

খোঁচা, *a.* হান মৰা, খোঁচ মৰা, জোঙ্গ আদিৰে গোঁজ মৰা, pierced, punched, thrust through.

খোঁচা মৰা, *s.* চালত খেৰেৰে বিন্ধা মৰা, মাজে মাজে কৰা বন, গোঁজা মৰা, inserting thatch to repair a roof, piercing, thrusting &c.

খোঁচাৰি, *v.* উজাৰি, তলৰ পৰা জোকাৰি, পিট খাই থকা বস্তু উজাৰি, to stir up, to loosen, to open out.

খোঁচোনা, *s.* মেটেলি, কঁকালত চুৰিয়া টানি পিন্ধা খোঁচ, the fastenings or ends of the waist cloth.

খোঁচোৰা, *s.* উজৰা, খোঁচাৰি পোলোআ, গোঁজা মৰা, digging or scratching the ground, as fowls.

খোঁট মৰা, *a.* ঠোঁটেৰে কামোৰা, খোঁটা, bitten, pecked.

খোঁটালি, *s.* খোঁটালি, ঘৰৰ ভিতৰৰ ভাগ, a room, an apartment.

খোকোৰা দোদোৰা, *a.* বৰকৈ ভগা ফুটা, broken, defaced, battered, dinted.

খোখোআই, *v.* খোনাই খোখোকৈ থকা, to stammer from anger or an impediment in speech.

খোচখোচাই, *v.* খৰ্খৰাই, খোচমোচাই, to make a low rustling sound.

খোজ, *s.* ভৰিৰ তলুআৰ চিন, ভৰিৰ গতি, a foot print, the space passed over by the foot in walking or running.

খোজ কাৰ্হি, *v.* বাট বোলা, গতি কৰা, গমন, to walk, to go afoot.

খোজনিয়াৰ, *s.* মগনিয়াৰ, পৰৰ বস্তু খুজি খোআ, a beggar, a supplicant, one who lives on alms.

খোজলৰা, *s.* জাক ফুৰা, গৰুএ স্রিঙ্গাৰ কৰা, পথাৰ ফুৰা, having the range of a flock, as a bull or ram.

খোজা, *s.* মগা, জায়া কৰা, ইচা কৰা, begging, desiring; *a.* asked for, requested in marriage.

খোজাৰ্হী, *s.* ধন বস্তু দি চোআলি খোজা, খাড় মনি পিন্ধাই থোআ, asking for a girl and placing on her the usual ornaments.

খোদ্‌খোদাই, *v.* অলপ পানিত ভৰিৰে খচকি ঘোদলা, to roil, to stir up, to make muddy.

খোদালনি, *s.* ঘোদালি পেলোআ পানি, ঘোলা কৰা পানি, ঘোদা, muddiness, turbidness, foulness.

খোনা, *a.* কথা কওঁতে খোখোআই কোআ, তেঁটটিয়াই কোআ, stammering; *s.* a stammerer, a stutterer.

খোনো, *pron.* খোনো, কোনো, some one, some body.

খোপ, *s.* খাঁকি, আখি, টেহ, a shoulder or notch cut in one timber to hold another, the notches in a stick used as a ladder, anger or secret revenge.

খোপনি, *s.* নখ পুতি ধৰা, pressing in the toes in walking with care not to slip.

খোপনি পুতি, *v.* ভৰিৰ নখেৰে খামোচ মাৰি ধৰা, সদাই একে ঠাইত থকা, to stand one's ground, to make a stand, to press down the toes and guard one's self from slipping.

খোপা, *s.* চুলি গোটাই বন্ধা, a bunch of hair bound in a knot on the crown or behind the head, a crest.

খোৰ লগা, *s.* মুখ লগা, বস্তুত পৰৰ লোভ লগা, the looking with an evil eye on the things of others, supposed to be attended with evil to the latter.

খোৰ, *s.* সৰু খাল, তৰঙ্গুআ গাঁত, a shallow pit, a cavity.

খোৰ লোআ, *s.* বুজ লোআ, জন্তু আদিএ ঠাই লোআ, the understanding of an affair, the act of burrowing, making a place of resort.

খোৰা, *a.* লেঙ্গেৰা, পেঙ্গা, lame, crippled, unsound in limb.

খোৰাই, *v.* লেকেচিয়াই, ভালকৈ খোজ কাৰ্হিব নোঅৱা, to limp, to walk lame, to halt.

খোৰোঙ্গ, *s.* গুহা, খোৰ. খোন্দ, a cavity, a hollow in a tree, a fissure.

খোৰোচা, *s.* চোঁচনি গাঠি, a slip knot.

খোল, *s.* বাদ্য বিসেস, কল পটুআৰ পাত্র, a kind of drum, a dish extemporized from the stalk of the plantain, a hollow.

খোলনি, *s.* কাঠ বাহত দিয়া বিন্ধা, a hollowing out, a mortise.

খোলা, *s.* মাটিৰ পাত্রৰ ভগা ডোখৰ, সাহ নাইকিয়া বাহ বা গুটি, a bit of broken earthen vessel, blasted or immature grain, an empty cocoon, mortising or hollowing out.

খোলাকটি, *s.* মাটিৰ পাত্রৰ সৰু সৰু ডুখৰি, pieces of broken earthen vessel.

খোলাচপৰিয়া, *s.* তিল গুৰ দিয়া পিঠা, a kind of pastry.

খোলাগুলোআ, *a.* টকলা, একো নাইকিয়া হোআ, empty, having nothing.

খোহমোহ, *s.* অন্ত, আঁত গুৰি, উৰাদিহ, the particulars from first to last; with লগা, doubt, indecision, perplexity.

খোহা, *s.* এডখৰ জোৰা, দিয়া, খোঁচা মৰা, a splice, lengthened by &c.

খো, *s.* খোক, খাঙ্গ, সৰু টোম বিসেস, a kind of small basket.

খোখো, *ad.* চোচো কৰে, পানি বৰকৈ পৰা, pouring rapidly.

খ্যত, *s.* ঘা, কটা ঘা, a cut, a wound, a hurt.

খ্যত বিখ্যত, *a.* বহু ঘা লগা, covered with wounds, sorely wounded.

খ্যতি, *s.* হানি, অপকাৰ, নষ্ট কৰা, injury, loss, hurt, damage.

খ্যন, *s.* নিমিস, অতি অলপ কাল, a period of four minutes, also a moment of time, an instant.

খ্যনিক, *a.* খন্তেকিয়া, অলপিয়া, brief, evanescent, momentary.

## গ

গ, গকাৰ, অহঙ্কাৰ, গঁফ, the letter *g*. It has uniformly the hard sound as in *gun*.

গইনা, *s*, আসুই, সহাই, a refuge, protection, a place of safety.

গঁঠিয়া, *a.* গাঠি থকা, বাৰ্হিব নোঅৱা, গাঁঠিৰ ৰোগ, knotty, having joints, stinted in growth; *s.* a disease of the joints.

গঁতা, *a.* ডিঙ্গিত ধৰি হাতেৰে ঠেলা, seized by the neck and thrust violently.

গঁতিয়াই, *v.* ডিঙ্গিত ধৰি হেঁচি নিয়া, to sieze by the neck and thrust.

গঁফ, *s.* অহঙ্কাৰ, ঠেহ, pride, scorn, disdain, haughtiness.

গঁফাল, *a.* ঠেহাল, গৰ্বি, proud, scornful, haughty.

গফিয়াগঁফি, *s.* ঠেহেৰা ঠেহেৰি, গপিআগপি, mutual scorn, estrangement.

গঁৱা, *s.* গাঁৱলিয়া, গাঁৱত থকা, a villager; *a.* belonging to a village.

গঁৰ, *s.* এবিধ বন জন্তু, a rhinoceros.
গঁৰলিয়া, *a.* গঁৰলে ধৰা, ডিঙ্গি ডাঙ্গৰ হোৱা, having a large neck.
গঁৰাল, *s.* জন্তু আদি থোৱা বেৰা ঠাই, a fold, an enclosure, a pen.
গঁৰলা, *s.* বেৰৰ খৰুআৰ তলত দিয়া বাঁহ, a bamboo placed under a partition to prevent rotting.
গ কৰি, *v.* অহঙ্কাৰ কৰা, গৰ্ব কৰা, to indulge in pride, arrogance &c.
গকাৰ, *s.* গবৰ্ন, the letter গ, or any character representing its sound.
গগন, *s.* আকাস, সুন্য, the sky, the firmament, space.
গগন মণ্ডল, *s.* আকাস মণ্ডল, the circle of the heavens.
গগনা, *s.* বাঁহৰ মুখ বাদ্য বিসেস, a small musical instrument of bamboo.
গগলা, *s.* আঙ্গুলি উখহা ৰোগ এবিধ, a disease of the fingers.
গগৈ, *s.* আহোম ডাঙ্গৰিয়াৰ পুত্র নাতিৰ সম্বোধন, a title or address of persons of rank among the Ahoms.
গঙ্গা, *s.* ভাগিৰথি নদি, the river Ganges, said in the hindoo shasters to run in three streams, viz, the heavenly Ganges, the earthly Ganges, and the Ganges of the lower regions.
গঙ্গাজলিয়া, *a.* জলজলিয়া, নির্মল, বগা, sparkling, glistening, clear, white.
গঙ্গাধৰ, *s.* সিৱৰ এক নাম, literally the holder of the Ganges, a name of Hiwo, given because he is said to have held the Ganges a thousand years in the matted hair of his head.
গচ, *s.* ব্রিক্ষ, অদ্যেই সব্দ, a tree, applied to things long and slender.
গচকনি, *s.* গৰকনি, ভৰিৰে খচকা, the act of trampling under foot.
গচকা, *a.* খচকা, গৰকা, খোজ পৰা, trampled under foot, trodden down.
গচকি, *v.* ভৰিৰে খচকি, to tread, to trample.
গচনি, *s.* কাঠনি, জাৰনি, a woodland, a forest, a thicket.
গচা, *s.* চাকি থোৱা পাত্র, দিপাধাৰ, সিঙ্গাৰ কৰা, a candlestick, copulation.
গচাই, *v.* চিকোনাই, হেৰন ভগন দিবলৈ গতাই দিয়া, to weed out, to fix a valuation in case of loss or injury and make it over.
গচাল, *a.* সকত, ডাঙ্গৰ, গধুৰ, stout, large, heavy.
গচি, *s.* মুঠিধান, গচে সৈতে থোৱা, paddy in the straw.
গচিভঁৰাল, *s.* ধানৰ ডাঙ্গৰি থোৱা ভঁৰাল, a granary for unthreshed grain.
গচোৱা, *a.* নিৰোৱা, গতাই দিয়া, thinned or weeded out.
গচোৱাই, *s.* গচত উঠিব পৰা মানুহ, গচুআ, নিৰোৱাই, one who can climb; *v.* to cause to be weeded.
গজ, *s.* হাঁতি, দুহতিয়া, মাৰি বা লোৰ সলি, an elephant, a yard, a yard measure, a roasting spit.

গজগজিয়া, *a.* উহভহিয়া, ভাঠ, খামপোতা, firm, stiff, decided.

গজগতি, *a.* স্থিৰ গমন, হাতিৰ খোজ, গইনকৈ গতি কৰা, having an elephant's slow and measured gait, slow paced.

গজঙ্গ গজঙ্গ, *s.* গুমুহ গুমুহ খোজ, গোবোৰোআ মাৰি জোআ a stately gait.

গজদন্ত, *s.* হাঁতি দাঁত, an elephant's tusk, ivory.

গজন, *s.* মাটিত গজা গচ আদি, গজালি ওলোআ, sprouting, a general term for whatever sprouts and grows out of the earth.

গজমুকুতা, *s.* হাঁতি দাঁতত হোআ মুক্তা, a very large pearl fabulously said to be produced in the head of an elephant.

গজমুৰা, } *a.* হাঁতি মুৰা, সিঙ্গ নাইকিয়া, দুৰ্কপলিয়া, খাইমুৰা, having
গজমুৰিয়া, } an elephant shaped head; *s.* a hornless cow, a bad omen, a term of abuse.

গজলা, *a.* গজাল মৰা, nailed, fastened with nails, pegs &c.

গজলিয়া, *a.* ডেকা, নতৈ হোআ, youthful, fresh.

গজা, *a.* গাজ মেলা, গুটি ফুটি ওলোআ, sprouted, germinated.

গজাগোমৰা, *s.* মেঘে গিৰ্গিৰি সব্দ কৰা, গাজনি মৰা, thunder, bellowing, a rumbling of the bowels.

গজাল, *s.* লোৰ খুঁটি, a nail, a tack, a peg.

গজালি, *s.* কোঁহোৰা, কুঁহি, গজাল মৰা, a sprout, a twig; *v.* to nail.

গজি, *v.* গাজ ধৰি, ফুটি ওলোআ, to sprout, to germinate, to shoot forth.

গজিন্দ্ৰ, *s.* গজেন্দ্ৰ, বৰ হাঁতি, বৰ সকত, the name of a fabulous elephant.

গজিন্দ্ৰ পুৰুস, *s.* হাঁতি জেন মানুহ, a person of great size and strength.

গজোআ, *s.* পটোআ, গজিবলৈ দিয়া, causing to sprout.

গঞ্জ, *a.* ডাঠ, ঠাহ, নিসন্ধি, thick, close together, packed.

গণ্ড, *s.* গঁৰল, গলৰ হটিকা, the goitre, the cheek bone, the cheek.

গণ্ডগোল, } *s.* গোলমাল, হুলস্থুল, a tumult, an uproar, a mob, an
গণ্ডঘোল, } insurrection, a mutiny.

গণ্ডপ, *s.* গপ, অহঙ্কাৰ, দম্ভ, pride, arrogance, ostentation.

গণ্ডপি, *a.* গঁফাল, অহঙ্কাৰি, arrogant, boastful, obstreperous.

গণ্ডলিকা, *s.* বৰ কথা, দম্ভালি, arrogant, boastful or defiant language.

গণ্ডা, *s.* চাৰি কৰা, চাইটা, আঁৰা, four, four cowries, counting by fours.

গণ্ডুকি, *s.* ভাৰত বৰ্সৰ উত্তৰ ভাগত সালগ্ৰাম উত্পন হোআ নদি, a river in hindoostan famous for the Halogram or sacred stone found in it which is worshipped as the representation of Vishnoo.

গণ্ডুস, *s.* আচমনত হাতৰ তলুআত ধৰা পানি চলু, a handful of water held in the palm of the hand to wash the mouth.

গত, *a.* জোআ, ভুত, স্বভাও, পৰ্কিতি, past, gone, transpired; *s.* natural disposition, manner of doing.

গতকাল, *s.* জোআ সময়, ভুত কাল, time gone by, the past.

গতাই, *v.* সোধাই, লগাই, অৰ্পন কৰি, to make over, to deposit.

গতায়ত, *s.* অহা জোআ, আহি গৈ থকা, intercourse, coming and going.

গতি, *s.* গমন, আসুই, আচৰন, দসা, মুক্তি, motion, progress, condition in life, a means of deliverance, fate, final condition, the attainment of eternal bliss after death.

গতিক, *s.* ক্ৰম, মত, উপাই, order, succession, manner, means of doing.

গতিকে, } *ad.* দসাৰে, ক্ৰমে, দস্তৰেৰে, somehow, some way, by some
গতিক্ৰমে, } means.

গতিমতি, *s.* স্বভাও, ভাল বেয়া স্বভাও, a good or bad disposition as manifested by the actions.

গতিহিন, *a.* গতি ৰহিত, motionless, helpless, without relief.

গতে গতে, *ad.* ঠিকেঠাকে, বুজিবাজি, আঁতে আঁতে, exactly, carefully.

গতোআ, *a.* সোধোআ, সমৰ্পন কৰা, deposited, made over, delivered up.

গদ্গদ্ বাক্য, *s.* আনন্দত বা দুখত মাত ফুটাই কৰ নোঅৰা, speech interrupted by sobs or extreme joy.

গৰ্দভ, *s.* গাধ, an ass, a donkey.

গদলা, *a.* মেটা, সৰপা, দগা, হাতি ঘোঁৰাৰ পিঠিত দিয়া দলিচা, dilatory, slow, a cloth spread under a saddle or elephant's guddy.

গদহা, *a.* ডাঠ, মঙহ থকা, fat, plump, fleshy.

গদহা গদহ, *s.* ডোখৰ ডোখৰ, গেধেৰা, a chunk, a short thick piece.

গদা, *s.* অস্ত্ৰ বিসেস, চিতল মাচৰ পিঠি, a mace, a club, the back of the *sitol* fish.

গদাধৰ, *s.* আচাম দেসৰ এক ৰজাৰ নাম, ক্ৰিস্নৰ এক নাম, the name of a king of Assam, a name of Khrishna the bearer of a club.

গদিয়াই, *v.* হাতৰ কোস বা দাৰ পিঠিৰে মৰা, to beat with the back of a knife or sword or the lower part of the hand.

গদ্যৰচনা, *s.* চন্দ নোহোআ কথা, জোঁটোআ, prose writing, prose.

গধুৰ, *a.* পাতল নোহোআ, ভাৰি, গহিন, গম্ভিৰ, চিন্তিত, heavy, weighty, momentous, serious, sad.

গধুৰালি, *a.* গহিন ভাও, sedate, sober, staid, grave.

গধুলা, } *s.* সন্ধ্যা, বেলি মাৰ জোআ, evening, sunset.
গধুলি, }

গধুলি গোপাল, *s.* ফুল এবিধ, a flower that blossoms at evening.

গধুলি বেলিকা, *s.* মুনিচুনি সময়, গধুলি, towards evening, dusk, twilight.

গন, *s.* বর্ন, প্রকাৰ, সমুহ, বিলাক, a genus, a class, a multitude.

গনক, *s.* জোতিসিয়া, জাতি এবিধ, a fortune teller, an astrologer, a calculator of nativities.

গনগন, *s.* পকা ঘৰত মাতিলে কন্কনাই জোআ সব্দ, a reverberation, a concussion of sound.

গনতি, *s.* নেওতা, গননা, হিচাব, a numbering, reckoning; with কৰি, to count, to number, to reckon.

গননা, *s.* গনন, গনতি, লেখ, arithmetic, a calculation, a number.

গনপতি, *s.* সিৱ পুত্র, গনেস, a ringleader, a name of Gonesh.

গনা, *a.* লেখা, ভৰা, মনা, reckoned, counted, esteemed.

গনাগন, *a.* গননা কৰা, মনা বা মান্য কৰা, reckoned, counted, esteemed; with a negative regardless of fear or favour.

গনাগুথা, *s.* ভৰা, চিন্তা, গুপ্ত ভাৱে কোআকুই কৰা, secret conversation about the probabilities of some rumour or event.

গনি, *v.* গনন কৰি, লেখি, গোটাই, মানি, to count, to add up, to enumerate, to calculate, to esteem, to account.

গনিকা, *s.* বেস্যা, নটি, a harlot.

গনিত, *s.* লিখিত, লেখ কৰা, জোতিস পুথি, আঁকৰ পুথি, enumerated, counted; *s.* the title of a treatise on astrology, arithmetic.

গনেস, *s.* সিৱ পুত্র, বিঘিনি নাসক, the elephant headed deity, Gonesh.

গন্ধক, *s.* খজুআ গন্ধক, brimstone, sulphur.

গন্ধকলাই, *s.* কস্তুৰি, গান্ধ পহুৰ নাভিৰ তলত থকা সুগন্ধি বস্তু, musk.

গন্ধচন্দন, *s.* জাতি চন্দন, বগা চন্দন, a kind of sandal wood or perfume.

গন্ধতেল, *s.* সুগন্ধি তেল, আতৰ আদি, perfume in general.

গন্ধৰস, *s.* সুঘ্রানি ৰস, myrrh.

গন্ধর্ব্ব, *s.* উপদেৱতা, স্বর্গৰ গায়ন, a demigod, the fabled choristers of the hindoo heaven.

গন্ধর্ব্বি, *s.* অপেস্বৰা, গন্ধর্ব্বৰ তিৰোতা, fem. of the above, the female dancers or courtesans of the hindoo heaven.

গন্ধসৰই, *s.* গোন্ধোআ কাঠ এবিধ, the Sassafras tree, the timber of which is much used for boats.

গন্য, *a.* গননিয়, লেখ লব লগা, প্রধান, numerable, calculable.

গপ, *s.* অহঙ্কাৰ, গর্ব্ব, অনর্থক কথা, বোহ, an idle tale, vain boasting, idle talk, mere chitchat.

গপগপিয়া, *a.* একে বাহে থকা, মধ্যম ৰুপ তাপ, burning, raging.

গপগপনি, *s.* গুলগুলনি, a burning sensation as in fever.
গপা, *a.* চিন্তা কৰা, গুনা ভবা, considered, thought over or reflected upon.
গপাই, *v.* গাপ দি, আবুৰকৈ, গ-কৰি, to swell or sprout seed previous to sowing, to be reserved or sullenly silent.
গপাগপি, *s.* দুইকো দুয়ে গপ কৰা, a mutual estrangement.
গপি, *v.* বিবেচনা কৰি, গঁফাল, to think, to consider; *a.* boastful, proud.
গপিপিঠি, *v.* চিন্তি, ভাবি, আগপাচ চাই, বিবেচনা কৰি, to think over, to revolve in the mind, to look at on all sides.
গপিয়া, *a.* অহঙ্কাৰি, গোঙ্গৰা, disdainful, scornful, reserved.
গপিয়াগপি, *a.* গেঁথেলা গেঁথেলি, ঠেহেৰা ঠেহেৰি, disdainful, estranged.
গপোআ, *a.* গাপ দিয়া, আবুৰ কৰা, swollen, sprouted, reserved, secret.
গভাইত, *s.* প্ৰত্তোজক, চুৰ আদি কৰিবলৈ পাটোঁতা বা উপাই দিওঁতা, an instigator, aider or abettor of crime.
গভুৰা, *s.* মতা লৰা, মুনিহ লৰা, a male child.
গম, *s.* সঁজান, উমান, বুজ, an intimation, a hint, a perception, an indistinct idea or conception, apprehension.
গমগমিয়া, *a.* গহিন লগা, ভয়ঙ্কৰ, cheerless, gloomy, dismal.
গমন, *s.* খোজ কৰা, গতি, সঙ্গম, স্ত্ৰি ভোগ, the act of going, motion, march, progress, coition.
গমনাগমন, *s.* জোআ অহা, intercourse, going and coming.
গমহ, *s.* গধুৰ খোজৰ সব্দ, a stamping, the sound of heavy footsteps.
গমা, *a.* ভবা, চিন্তা, অনুমান কৰা, thought over, reflected upon, imagined, conceived in the mind.
গমাৰি, *s.* কাঠ এবিধ, an ornamental tree, (gmelina arboria.)
গমি, *v.* ভাবি, চিন্তি, অনুমান কৰি, to think, to reflect, to conceive of.
গম্য, *a.* ভাবিব লগা, accessible, practicable, attainable, passable.
গম্ভৰ, *s.* ভিতৰ, গহ্বৰ, অন্তঃপুৰ, an enclosed and sheltered place.
গম্ভিৰ, গভিৰ, *a.* গহিন, দ, গধুৰ স্বভাও, deep, profound, grave, sober, stern.
গয়া, *s.* তিৰ্থ থান বিসেস, a city in Behar, a place of pilgrimage.
গৰ, *s.* ধাম, ধৰনি, বৰ চাপ, আস্ৰয়ৰ ঠাই, a sleeper or support of a superstructure, a wall, a breast work, a fort, a stronghold.
গৰকা, *a.* খচকা, তাঁতৰ ভৰি দিয়া বাবি, কেৰ্কেটুআ আদি মৰা চিটিকা, trodden down; *s.* the treadles of a loom, a trap.
গৰকি, *v.* খচকি, হেঁচি, to trample, to tread down.
গৰখাৰ্নি, *s.* বৰ চাপৰ খাল, a trench about a fortification.

গৰখিয়া, *s.* গৰু ৰখা লোক, a cow keeper.

গৰ্‌গৰনি, *s.* হোহোঅনি সব্দ, পানি ডকাৰ মাত, a roar, as of a tempest or of falling water.

গৰগৰ্হা, *s.* লো কঁাহ আদিৰ সঁজুলি কৰা, a worker in metals.

গৰঙ্গ, *s.* পানি অনা বঁাহৰ দিঘলিয়া চুঙ্গা, a piece of bamboo of several joints, used for carrying water.

গৰজোআ, *s.* মৈথুন কৰা, লগ খোআ, the sexual embrace, copulation.

গৰল, *s.* ডিঙ্গি ডাঙ্গৰ হোআ ব্যাধি, গলগণ্ড, the goitre.

গৰলবিহ, *s.* বৰ বিহ, a deadly poison.

গৰা, *s.* থিয় চাপ আদি, নৈৰ পাৰ, steep, precipitous; *s.* a bank.

গৰাই, *v.* গোটাই, চপাই, থুপাই, হেঁচুকি, দমাই, to gather together, to heap up, to pile up.

গৰাকান, *s.* গৰাৰ দঁাতি, গৰাৰ কাস, the side of a bank or steep place.

গৰাকি, *s.* অধিকাৰ, স্বামি, পতি, owner, proprietor, keeper, head.

গৰাগৰ, *a.* গোটাগোট, নভগা নিচিগা, whole, entire, unbroken rice.

গৰাহ, *s.* ভাতৰ গ্ৰাস, গ্ৰাস, as much rice or other food as may be pressed together by the fingers for a mouthful, swallowing.

গৰিয়া, *s.* মচলমান, জবন, বন কৰিব নোআৰা গৰু আদি, নুফুটা ধান, a mussulman or follower of Mahommed, an ox that wont work, paddy that remains unparched over strong heat.

গৰিয়া আলু, *s.* ৰঙ্গা আলু এবিধ, a species of sweet potato.

গৰিহনা, গৰিহা, *s.* নিন্দা, বেয়া বোলা, নেওচা দিয়া, rebuke, reproof, reprehension; with কৰি, to upbraid, to reproach, to chide.

গৰু, *s.* গো, ধেনু, মুৰ্খ, a cow or ox, a simpleton.

গৰুআ, *s.* মাচ এবিধ, a species of fish.

গৰুআ গলা, *a.* বৰ গাল, ওফোন্দা গাল, sullen, morose, surly.

গৰুড, গৰুণ্ড, *s.* পক্ষিৰাজ, বিষ্ণুৰ বাহন, in hindoo mythology the bird and vehicle of Vishnoo, being something between a man and a bird, and regarded as the regent of birds.

গৰুনপখি, *s.* গচত হোআ কাঠফুলা, গৰুণ্ড, ধান এবিধ, a vegetable fungus on plants or trees, the vehicle of Vishnoo.

গৰুনগৰুন, *a.* দেখিলেই দুৰ হবলৈ কোআ, দেখিব নোআৰা, ordered out of sight, detestable, hateful to the sight.

গবৈ, *s.* মাচ এবিধ, a species of fish.

গবৈমুৰি, *s.* নাৱৰ তলত পৰা গৰ, গৰমুচি, the moveable supports of a floor in the bottom of a boat.

গৰোআ, *a.* গোটোআ, দমোআ, gathered together, heaped, piled.
গৰ্গৰিয়া, *a.* গৰগৰাই উঠা, খাই বৈ সকত বা ত্রিপ্তি হোআ, boisterous, roaring, satisfied and strengthened by eating.
গৰ্জন, *s.* মেঘৰ সব্দ, বৰ ডাবি, thunder, tumult, roaring or bellowing.
গৰ্জা, *a.* গৰ্জা, মেঘে সব্দ কৰা, thundering, roaring, bellowing, growling.
গৰ্জি, *v.* গাজি, সবদ কৰি, to roar, to thunder, to rumble, to rage, to scold.
গৰ্ত, *s.* গাঁত, খাল, a cave, an excavation, a pit.
গৰ্ব, *s.* অহঙ্কাৰ, গপ, pride, arrogance, haughtiness, scorn.
গৰ্বি, *a.* অহঙ্কাৰি, গপি, arrogant, haughty, scornful.
গৰ্বালি, *a.* গঁফ কৰা, অহঙ্কাৰি, proud, vain-glorious, haughty.
গৰ্ভ, *s.* পেট, পেটত থকা লৰা চোআলি, ত্রিনৰ গজালি বা কেঁচ, ভিতৰ, মাজ, a foetus, embryo or unborn child, the belly, the womb, the spatha of a plant, the inside, the middle.
গৰ্ভধাৰন, *s.* পেট হোআ, গাভিনি হোআ, conception, pregnancy.
গৰ্ভনাবেঙ্গা, *s.* পেটৰ বোগ, abscess, a disease of the bowels.
গৰ্ভপাত, *s.* গৰ্ভস্ৰাব, গৰ্ভ নষ্ট হোআ, a miscarriage, an abortion.
গৰ্ভাৱতি, *a.* গৰ্ভ হোআ ত্রি, গা নবিয়া, গা পৰসিয়া, pregnant, with child.
গৰ্ভাসয়, *s.* মনৰ ভাব, বা আসই, the secrets of the mind.
গৰ্হ, *s.* ঠান, আক্রিতি, নিচিনা, ৰূপ, নক্সা, likeness, similarity, resemblance.
গৰ্হনি, *s.* গৰ্হাৰ বেচ, বস্তু সজাৰ বেচ, the price paid for making or repairing brazen or metal vessels.
গৰ্হা, *a.* নিন্দা বা বিগতি কৰা, সজা বা নিৰ্মান কৰা, censured, forged.
গৰ্হিত, *a.* নিন্দনিয়, নিন্দিত, সুঅনি, দেখিবলৈ ভাল, টিগি, despicable, handsome, comely, beautiful.
গৰ্হিয়া খোআ, *a.* গালি খাই ফুৰা, treated with scurrility and abuse.
গৰ্হোআ, *s.* কৰোআ বা সজোআ, forging, working in metals.
গল, *s.* কণ্ঠ, ডিঙ্গি, টেটু, the neck.
গলগণ্ড, *s.* গঁৰল, ডিঙ্গি ডাঙ্গৰ হোআ, the goitre.
গলগ্ৰহ, *s.* কলগ্ৰহ, ডিঙ্গিৰ পৰা নেৰোআ, *lit.* fastened to the neck, *i. e.* involvement in difficulty.
গলগলিয়া, *a.* গহিন মাত, বৰ পৰা, speaking in the throat, hoarse.
গলচেপা, *s.* ডিঙ্গি চেপা, টেটুত টেপা মৰা, throttling or strangling.
গলধন, *s.* চুঁট, গলৰ ওপৰ ভাগ, নাৱৰ টিঙ্গৰ গুৰি, the upper part of the neck, the prow of a boat.
গল্ধা, *s.* ফুঁহিয়াৰ সালৰ ভিমৰ ওপৰ ধৰা কাঠ, the beam in which the screw of a sugar mill revolves.

গলধাপবি, *s.* গলকম্বল, গৰুৰ গল বিচনি, the dewlap of cattle.

গলপতা, *s.* স্ত্রিৰ কণ্ঠৰ অলঙ্কাৰ, a neck ornament worn by women.

গলবেৰা, *s.* গলত হোআ ব্যাধি, a disease of the neck.

গলমনিকা, *a.* কণ্ঠৰ ৰেখা, ভাটৌ এবিধ, having a stripe around the neck; *s.* a species of parrot.

গলয়া, *s.* নাৱৰ আগোআল, one who manages the prow of a boat.

গলহুঙ্কাৰ, *s.* গলৰ সব্দ, গল হেঁকাৰি, the sound of hemming or hawking from the throat.

গলহেঙ্গেৰা, *s.* ডিঙ্গিত হোআ ৰোগ, a disease of the throat.

গলহেঙ্গোআ, *a.* ডিঙ্গিত খোআ বস্তুএ ধৰা, খজুউআ, a choking or strangling, caused by some obstruction in the throat.

গলাগোপা, *s.* ভবা চিন্তা, পৰামর্স কৰা, মনে মনে আলচা, holding secret consultation.

গলিয়াই, *v.* গাল মাৰি, to toss food into the mouth.

গলিয়াগলি, *s.* গালি পৰাপবি, mutual abuse.

গহৰা, *a.* নপচোআকৈ গজা, অপুনি গজা, self sown, self produced.

গহন, *a.* অতি হাবি, গহিন, নিবিভবন, impervious, thick; *s.* a forest.

গহ্বৰ, *s.* গম্ভিৰৰ পর্বতৰৰ গুহা, a cave, a deep valley, a secluded arbor.

গহৰি, *s.* বিলম্ব, হেলা, delay, procrastination.

গহিন, *a.* গম্ভিৰ, গধুৰ, deep, grave, profound.

গহিনালি, *a.* গধুৰালি, থিৰ স্বভাও, slow in answering deciding or doing.

গাঁও, *s.* গ্রাম, a village.

গাঁওপৰিয়া, *a.* গাঁৱৰ সমন্ধিয়া, গাঁৱৰ পদপি বিসেস, belonging to or holding an office in a village.

গাঁওবাৰিক, *s.* গাঁৱৰ মাজত টেকেলাৰ দৰে কাম কৰা বিসয়া, the *tekela* of a village.

গাঁওবুৰা, *s.* গাঁৱৰ মাজত প্রধান বা মুখ্য মানুহ, the head man of a village.

গাঁজি দিয়া, *a.* হেঁচি দিয়া, ঠাহি ভৰোআ, pressed down.

গাঁঠলু, *s.* টোপোলা, চুঁটিমুটি, a bundle; *a,* short and thick, chunked.

গাঁঠি, *s.* দেহৰ অঙ্গৰ জোৰা, বান্ধ, a joint of the body, a knot, a fastening; *v.* to knit, to knot, to string, to gather, to arrange.

গাঁত, *s.* গর্ত, খাল, a cave, a hole, an excavation, a cavity.

গাঁতি, *s.* কাপৰৰ বান্ধ, a knot made in tying the two ends of a cloth together.

গাঁতিয়াল, *s.* ভুত পিসাঁচৰ নিচিনা, বুৰা ডাঙ্গৰিয়া, an imaginary inferior class of evil spirits.

গাঁথন, *s.* মনি আদি গঁথা, knitting, knotting or stringing together, orderly arrangement.

গাঁব, *s.* ঢৰ ফোঁহোৰা, a large boil or abscess.

গাঁৰি, *s.* ৰথ, গাড়োখৰ, কাপৰৰ আগত ডিয়াই দৈ দিয়া ডাঙ্গৰ সুতা, a cart, a wheel carriage, a headless trunk, the rows of coarse thread woven into the ends of a cloth.

গাঁৰি পৰা, *s.* চেলেঙ্গ কাপৰৰ মাজে মাজে ডাঙ্গৰ সুতাৰে দুই তিনি আঙ্গুলকৈ বোআ, a barred or checkered cloth having coarse threads interwoven at regular intervals throughout.

গাঁৰিমলি, *s.* খুৰলি, ধান বনা কাঠৰ খোল, a large mortar for pounding out rice or paddy.

গাঁক, *s.* সিতানে লোআ, a pillow.

গাঁক গিলিপ, *s.* গাঁকৰ মোট, a pillow case.

গাঁকচাক, *s.* গাঁকৰ তলা, the embroidered end of a round pillow.

গাঁবো, *s.* পৰ্বতিয়া জাতি এবিধ, a mountain tribe of Assam.

গাঁবোখোৰা, *s.* বাটি এবিধ, a kind of large metal dish.

গাঁৱলিয়া, *s.* গাঁৱত থকা, গাঁৱৰ, a villager; *a.* belonging to a village.

গা, *s.* শৰিল, দেহ, the body.

গাই, *s.* মাইকি গৰু, নিজে, পৰ্হি বা গান কৰি, a cow, each one personally; *v.* to sing, to chant, to repeat from memory.

গাইগোটা, *a.* আপুনি, সুকিয়া, নিজ, নিজা, separate, distinct.

গাইপতি, *a.* প্ৰত্যেকে, জনে জনে, প্ৰতিজনে, each, every one, severally.

গাইমুআ, *a.* ডাঁৰি নগজা মানুহ, beardless.

গা উঠা, *a.* উত্ৰাৱল, কাকো নমনা, উলহমালহ, frenzied, insubordinate.

গাওনি, *s.* গান গোআ বেচ, লোকৰ ভাল বেয়া কৈ ফুৰা, গ্লানি গোআ, wages paid to a singer; proclaiming the good or evil of others.

গাখিৰ, *s.* দুগ্ধ, ক্ষিৰ, দৈ, milk.

গাখিৰতি, *a.* দুগ্ধৱতি, বহু গাখিৰ ওলোআ, milch, giving milk plentifully.

গাজ কথা, *s.* মনত লাগি থকা কথা, গুপুত কথা, the secret thoughts.

গাজৰ ৰিহা, *s.* পাটৰ বঙ্গালি ৰিহা বিসেস, তিৰোতা লোকৰ গাত লোআ বস্ত্ৰ বিসেস, a scarf of fine silk.

গাগৰি, *s.* এবিধ জল পাত্ৰ, a kind of water jar, a pitcher.

গাগৰি মৰা, *s.* কোনো আনুই পাই উভতি সাহ ধৰা, courage derived from the sense of support or protection.

গাগিনি, *s.* ঢৰ ফৰিঙ্গ এবিধ, a species of grass-hopper.

গাগিনিপেটা, *a.* দিঘল পেটা, পেটুআ, long-bellied like the above insect.

গা ঘৰ, *s.* নিজ ঘৰ, কোস ঘৰ, one's own house, an adjoining house.

গাঙ্গঠি, *s.* ব্যাধি এবিধ, চিকত গুটিৰ দৰে ব্যাধি হোআ, a glandular swelling.

গাজ, *s.* গচৰ সিপাৰ গজালি, এবিধ পাতল কাপৰ, আঁত, ভিতৰ, a tender sprout, gauze; *a.* inner, secret.

গাজখৰিচা, *s.* গাজৰ খৰিচা, গাজ টেঙ্গা, a pickle of bamboo sprouts.

গাজনি, *s.* মেঘৰ গৰ্জন, thunder, any rumbling sound.

গাজি, *v.* গৰ্জন কৰি, to thunder, to rumble, to roar.

গাজি গুমৰি, *s.* ডাবি হুকি, মেঘে গাজি থকা, হুম্‌হুম্‌ গিৰ্গিৰ, a roaring, as of a tempest or of an angry person.

গাজি গুজা, *s.* সঁহাৰি, মানুহৰ অব্যক্ত সৰু সৰু সব্দ, an intimation, a low murmur of voices.

গাজি মাহ, *s.* চোকোৰা গুচুউআ গজা মাহ, sprouted pulse from which a kind of food is prepared.

গা জোৰা, *a.* অঁটা, সম্পুৰ্ন হোআ, sufficient to satisfy the desire.

গাঠিয়ন, *s.* গন্ধ দ্ৰব্য বিসেস, a perfume for anointing the body.

গাদল, *a.* সৰপা, ধোদা, দগা, lazy, inactive, sluggish, mopish.

গা দাঙ্গি কোআ, *s.* গাতুলি কোআ, ঠিককৈ কোআ, affirming positively.

গাদি, *s.* দাৰ পিঠি, হাঁতিৰ ওপৰত পৰা আসন, ৰজাৰি বহা ঠাই, হাতৰ তলুআৰ কোস, the king's seat, an elephant's pad or howdah, the back of a knife, *daw*, &c. the lower edge of the hand.

গাদিয়া, *s.* ডাঙ্গৰ হোআ, মন দি কাম কৰা, ability to help, giving the mind to any work.

গাদুখাই, *v.* দুখ হোআ, বেজাৰ পোআ, to regret, to be sorry or vexed with one's self.

গাধ, *s.* গৰ্দ্দভ, ভাৰি, an ass, a donkey.

গাধৈ, *s.* চাঙ্গত পৰা থেঁতালি বোআ বাঁহ আদি, crushed bamboo or reeds braided for a floor or platform.

গাধোআ, *s.* স্নান কৰা, bathing or washing the body in water.

গান, *s.* গিত, singing, a song, vocal music; with কৰি, to sing, to chant.

গানিকা, *s.* গান কৰা লোক, জোৰা গোআ, a chorister, one who sings and plays on an instrument.

গান্ধকলাই, *s.* গন্ধকলাই, কস্তুৰি, musk.

গান্ধবিৰিঙ্গা, *s.* সুঘ্ৰানি বন এবিধ, lemon grass.

গান্ধি, *s.* ধান খোআ, দুৰ্গন্ধি পোক এবিধ, a species of bug.

গাপ, *s.* তাপ, তিতা বস্তু হেঁচা খালে উঠা তাপ, heat, warmth, heat from fermentation or pressure of damp substances.

গাপ লগা, *a.* গাপে ধৰা, তাপে ধৰা, heated by fermentation.
গাভৰু, *s.* ডেকেৰি, জুৱতি, a grown up girl; *a.* grown up.
গাভৰু কাল, *s.* ডেকেৰি কাল, জৌৱন কাল, the age of puberty.
গাভৰুদেও, *s.* ৰজাৰ পুত্ৰ ভাই আদিৰ তিৰোতা, a respectful title used in addressing the wives of the sons or brothers of the king.
গা ভৰুন, *a.* গৰ্ব্ভজুক্ত, গা ভাৰি, pregnant.
গাভি, *a.* গাভিয়াল, সৰুত, চহকি, wealthy, great.
গা ভাৰি, *a.* গা ডাঙৰ, গা পৰমিয়া, গৰ্ভৱতি, corpulent, pregnant.
গাম, *s.* ঘোৰাৰ খোজ, মিৰি ডফলা আদিৰ বিষয়া, the pace of a horse, the headman of several mountain tribes of Assam.
গামখাৰু, *s.* মুনিহ খাৰু, a bracelet worn by men.
গা মুৰি, *v.* গা ভঙা, গা মেৰেটামেৰেটি কৰা, to stretch, to yawn.
গামোচা, *s.* গা টোকা, মুখ মচা, a towel, a napkin, a handkerchief.
গায়ন, *s.* গায়ক, গান কৰোঁতা, গানিকা, a singer, a chanter.
গায়ত্ৰি, *s.* বেদৰ গুপ্ত শ্লোক, ব্ৰহ্ম মন্ত্ৰ, চন্দ বিশেষ, a sacred verse of the Rig Veda, generally repeated mentally, and considered by the brahmins too sacred to be repeated in the hearing of persons not wearing the sacred thread.
গাল, *s.* কপোল, চকুৰ তল ভাগ, কিচুমান, এবেলি গলিয়াই খোআ, the cheek, a little, a mouthful.
গাল ফলা, *s.* ফটা গাল, মাচ ধৰা জন্ত্ৰ এবিধ, a bamboo fish trap.
গাল মৰা, *s.* মুখলৈ হাতেৰে নি খোআ, putting food into the mouth.
গালি, *s.* নিন্দা মাত, বেজাৰ পোআ মাত, abusive language.
গাহৰি, *s.* বৰা, সুকৰ, a hog, swine.
গাহিলা, *s.* লেহেম বা গহিন, সঞ্চয় থকা, সম্পতি থকা, indifferent in regard to others, wealthy, opulent.
গিজগিজাই, *v.* ঠিহঠিহাই, নসহা, নমনা, খং কৰা, to feel a sharp cutting pain in the bowels, to be impatient, to teaze.
গিত, *s.* গান, কবিতা, a hymn, a song.
গিত বাদ্য, *s.* গোআ বোআ, chanting and playing on instruments.
গিতা, *s.* সাস্ত্ৰ এখনৰ নাম, a celebrated hindoo poem.
গিদ, *s.* গিদা, পোকৰ, মলদ্বাৰ, জোনি, the anus.
গিদকুমলি, *s.* মুলাধাৰ, a disease of the anus.
গিদাউদি, *a.* নাঙঠ, bare, naked.
গিয়াতি, *s.* একে লগে খোআ বোআ, those who eat and drink together.
গিয়াতি কুটুম, *s.* friends, relations, kindred.

গিৰি, *s.* পৰ্ব্বত, স্বামি, অধিকাৰ, a mountain, an owner, a husband.
গিৰিএক, *s.* স্বামি, a husband.
গিৰিঙ্গ, *s.* বৰকৈ পৰা সব্দ, a loud report as of anything falling heavily.
গিৰিস, *ad.* গিৰিসাই, সিঘ্রে, বেগতে, immediately, quickly.
গিৰিহঁত, *s.* গ্রিহস্থ, গৰাকি, husband, head, proprietor, owner.
গিৰিহঁতনি, *s.* গ্রিহস্থৰ ঘৈনি, a wife, the mistress of the house.
গিৰ্গিৰনি, *s.* মেঘৰ মাত, পেটৰ মাত, a rumbling or rolling sound.
গিৰ্জনি, *s.* অনেকৰ হাই, বহু লোকৰ গোট, the noise of a multitude.
গিৰ্জা, *s.* ভজনা, আৰাধনা, ইস্বৰ সেৱা, the public worship of God.
গিৰ্জাঘৰ, *s.* খ্রিষ্টিয়ান লোকৰ সেৱা কৰা ঘৰ, নাম ঘৰ, a place of worship.
গিলি, *v.* খাই, গ্রাস কৰি, to swallow.
গিলিপ, *s.* মোট, ঢাকনি, a case or cover of skin or cloth.
গিলিপ মৰা, *a.* ঢাকনি মৰা, covered; *s.* the act of covering &c.
গু, *s.* বিষ্টা, মল, গোবৰ, dung, filth.
গুৱা, *s.* গুৱা, তামোল, the betelnut.
গুআকটা, *s.* তামোল কটা, the office of betelnut cutter to a priest.
গুআমৰি, *s.* এবিধ তামোলৰ মচলা, a fragrant seed eaten with the betelnut.
গুআল, *s.* মঁহ গৰু ৰখিয়া, a herdsman, a milkman.
গুআলি, *s.* গোপস্ত্রি, গোপিনি, a milkmaid.
গুঁই, *s.* গোধিকা, জন্তু বিসেস, a reptile of the lizzard tribe.
গুঁজৰি, *v.* খঙ্গ কৰি, ডাবি দি, চিঁয়ৰি, to roar, to bellow, to rumble.
গুঁজি, *v.* পুতি, খোঁচা মাৰি, to thrust into, as a stake into the ground.
গুঁফিয়া, *a.* গোফ থকা মানুহ, having a mustache.
গুচৰিয়া, *s.* গোঁচৰ কৰা মানুহ, a complainant.
গুচাই, *v.* হেয়া কৰি, দুৰ কৰি, to spoil, to remove, to put away.
গুচি, *s.* কুৰিপাত পানৰ জোকা, আঁতৰি জোআ, a bunch containing twenty leaves of the *pan;* with গৈ, to go away, to depart.
গুচুআ, *a.* দুৰ কৰা, নিলগ কৰা, নষ্ট কৰা, taken away, removed.
গুজুৰকৈ, *ad.* সৰুকৈ, briefly.
গুজুৰিয়া, *a.* সৰুকৈ কোআ, in a word, brief.
গুটি, *s.* বিজ, বাটলু গুটি, seed, fruit.
গটি ওলোআ, *s.* আই ওলোআ, বসন্ত ৰোগ, the small pox.
গুটিমালি, *s.* ফুল এবিধ, a species of flower.
গুটিয়া, *a.* অকলসৰিয়া এটিয়া, *a.* single, one.
গুটিওআ, *s.* গুটি মৰা, the shooting of clay balls with the bow.
গুটি ভঁৰাল, *s.* গটি ধানৰ ভঁৰাল, a granary for unwinnowed grain.

গুঢ়, *a.* গুপ্ত, অপ্রকাস, secret, concealed, abstruse.

গুদগুদনি, *s.* মনৰ ধান্দা, চিন্তনি, মনত পৰি থকা, reflection, impression.

গুদগুদাই, *v.* খুদুআই বা ধিধিয়াই থকা, চিন্তা কৰি, to feel an impression or conviction.

গুদাম, *s.* ধাতু আদিৰ নির্ম্মিত চোলাৰ গুনঠি, ভঁৰাল, বেহা কৰা ঠাই, a button, a storehouse, a warehouse, a magazine.

গুধিয়া, *a.* বদিয়া, দোস থকা, নিন্দিত, of evil report, infamous.

গুন, *s.* বিদ্যা, উপকাৰ, স্বভাও, সত্ত্ব ৰজঃ তম, সমান জোখ, জস, এডলিয়া জৰি, নাও টনা লেজু, a quality, a property, an attribute, a virtue, power, effect, knowledge; the three properties of matter, as *Sotwo* or principle of existence or truth, the *Rojo* or that of passion, and *Tomo* that of darkness and ignorance; a strand of a rope, the track rope of a boat; preceeded by a numeral it signifies fold, as চাৰি গুন, four fold.

গুন কথন, *s.* জস কোআ, গুন কোআ, praise, eulogy, panegyric.

গুনকৰ, *a.* উপকাৰক, ফলদায়ক, উপকাৰি, improving, advantageous, profitable, effectual, beneficial.

গুনগুন, } *s.* ভুনভুন, সৰু সব্দ, ভুনভুননি, the humming of bees, a
গুনগুননি, } low murmuring sound.

গুন জুগুতি, *s.* গাৰ গুন, জসস্যা, আগ গুৰি, natural quality whether good or bad, virtues or defects as shown by the conduct.

গুনঠি, *s.* পঘাৰ গাঁঠি, খান্দৰি, a loop in the end of a rope or string.

গুনন, *s.* ভাবন, চিন্তন, reflection, thought, consideration, solicitude.

গুননি, *s.* ভাবনি, চিন্তনি, concern, anxiety, solicitude.

গুনমলা, *s.* ক্রিষ্ণৰ গুন থকা পুথি, Khrishna's life written by Shree Hongkor.

গুনৱতি, *a.* গুনজুক্ত স্ত্রি, কান্তি, virtuous, talented, accomplished, (feminine.)

গুনৱন্ত, *a.* গুনজুক্ত, পার্গত, accomplished, estimable, talented, skillful.

গুনসিন্ধু, *s.* গুনৰ সাগৰ, the ocean of good qualities or goodness.

গুনা, *s.* ভাবি চোআ, সোনা ৰুপাৰ সৰু তাৰ, reflecting upon, wire.

গুনাকটা, *s.* গুনা কটিয়া, গুনাৰ ফুল দিয়া, one who inserts the gold or silver border; *a.* having such a border.

গুনাকটিয়া, *s.* জি সোন ৰুপৰ গুনা কৰে, a maker of wire.

গুনাকৰ, *s.* সর্ব গুন থকা, the mine of goodness.

গুনাগঁথা, *s.* ভবা চিন্তা, ভাবি ভাবি চোআ, arranging the thoughts in order, revolving in mind.

গুনাগুন, *s.* ভাল বেয়া উপকাৰ অপকাৰ, virtues and defects.
গুনাটনা, *s.* জি গুনা টানে, অলঙ্কাৰ আদিত গুনা লগোআ, the person who pulls wire; *a.* ornamented with gold or silver wire.
গুনা টানি, *v.* উবাৰি কোআ, বৰ সাহ দিয়া, গুনাবল্দি, to speak out definitely, to reassure, to declare, to draw out wire.
গুনানুচৰিত্ৰ, *s.* গুন চৰিত্ৰ, ভাল বেয়া গুনৰ বৰ্ননা, a relation of the good or bad qualities of any one.
গুনানুবাদ, *s.* গুনউক্তি, গুন কথন, praise, adoration.
গুনা পৰা, *s.* কাপৰৰ আগত গুনাৰ খেও দিয়া, the parallel lines in a gold or silver border.
গুনি, *v.* ভাবি, গুনজ্ঞ, বিদ্বান, এবিধ আহুধান, to think, to reflect; *a.* possessed of good qualities; *s.* a species of paddy.
গুপগুপাই, *v.* ধুম্ধুমাই, দপদ্পাই লৰি ফুৰি, গুমুহ গুমুহ সব্দ কৰি, to make a confused clattering noise, as in running.
গুপগুপিয়া, *a.* দপদপিয়া, অতিসই, very, excessively.
গুপুত, *a.* আবুৰ থকা, লুকুউআ, secret, in disguise, incog.
গুপুতে, *ad.* গুপুত ভাৱে, নজনাকৈ, covertly, secretly, privately.
গুপ্ত, *a.* গোপন, গুপুতে, নজনা আৰ, secret, private, concealed.
গুপ্তবেস, *s.* চদ্মবেস, কপট বেস, a disguise, a mask, hypocrisy, covertness.
গুপ্তবেসি, *s.* চদ্মবেসি, বহুআ, one who wears a mask, an actor, a player, a hypocrite.
গুমগুমনি, *s.* গুমগুম সব্দ, হুমহুমনি, a roaring rumbling sound.
গুমাই, *ad.* বেগাই, খৰকৈ, quickly, without delay, speedily.
গুমুনি, *s.* সাপে খোআৰ ঔসধৰ গচ, a species of tree famous as a specific for the bite of snakes.
গুৰ, *s.* চুৰা, পগাই টান কৰা কুঁহিয়াৰৰ ৰস, raw sugar, molasses treacle.
গুৰা, *s.* জাল আদিত দিয়া সিহৰ গুলি আদি, চুৰ্ন, গুৰি, the sinking weights attached to a net.
গুৰি, *s.* মুল, আদি, চুৰ্ন, নিকট, ওচৰ, নাৱৰ পাচ টিঙ্গ, the root or beginning, the first cause or source, the trunk of a tree, any powdered substance, the stern of a ship or boat, proximity.
গুৰি কথা, *s.* মুল কথা, কাৰনি, আদি কথা, cause, origin, the root.
গুৰিকৰাই, *s.* ভজা চাউলৰ গুৰি, the flour of parched rice.
গুৰি কুন্ধি, *s.* নাৱৰ গুৰিৰ খোঁটালি, the stern division of a ship or boat.
গুৰিগচ, *s.* মুলৰ ঠাই, গৰাকি, আদি কাৰন, the root, owner, first cause.
গুৰিচালনি, *s.* পিঠা গুৰি চলা বাহৰ সৰু সৰু বিন্ধাৰে জন্ত্ৰ, a fine sieve.

গুৰিপৰুআ, *s.* সৰু সৰু পিপৰা, a species of small ant.
গুৰিয়াই, *v.* গোৰ মাৰি, লথিয়াই, to kick, to stamp with the foot.
গুৰিয়াল, *s.* নাৱৰ গুৰি ধৰা, কর্ণধাৰ, কাণ্ডাৰি, a helmsman, steersman.
গুৰু, *s.* শিক্ষক, ধর্ম্ম উপদেশক, a religious teacher, a spiritual guide.
গুৰুতৰ, *a.* প্রধান, বৰ, great, heavy, important.
গুৰুলাগুৰুল, *a.* বৰকৈ পকা, বৰকৈ কিলোআত বা খুন্দাত জোল হোআ, reduced to pulp or jelly as from over ripeness or from beating.
গুলগুলনি, *s.* গপগপনি, an inward burning sensation.
গুলগুলাই, *v.* গাপ লগা, to feel an inward burning sensation.
গুলগুলিয়া, *a.* বৰকৈ পকা, দুবিভুত, fully ripe.
গুলচি, *s.* পহি দোলাত হাতেৰে ধৰিবলৈ দিয়া জৰি, an ornamental loop or tassel belonging to a sedan or *japi.*
গুলঞ্চ, *s.* এবিধ ফুল, a species of flower.
গুলপিয়া, *a.* গোলাপ ফুলৰ বৰনিয়া, like a rose, rose coloured.
গুলাই, *ad.* অতি সৰহকৈ, পাৰে মানে, plentifully, as much as possible.
গুলাল, *s.* ফুল এবিধ, a species of flower.
গুলি, *s.* সিহৰ বাটলু গুটি, বস্তু জোল কৰি, a ball, a pill, a bullet; *v.* to mix, to dissolve in water.
গুলিউআ, *s.* গুলি মৰা, shooting or causing to be shot, dissolving in water.
গুলিয়াই, *v.* হিলৈ মাৰি, to shoot.
গুলুম, *s.* যোপ, গপগপনি, close, confined, pent up, without air.
গুলুম দশা, *s.* যোপ মৰা, গপগপনি ধৰা, want of ventilation and light.
গুলৈ, *s.* মুই লগা বায়ু, মিচা পহৰ, জাক এই দেশৰ [illegible] নহে ধনগুলৈ বোলে, the ignis fatuus, supposed by the [illegible]se to be an evil spirit, that points out where money is buried.
গুলৈয়া নাও, *s.* বৰ হোলোঙ্গ নাও, a large canoe.
গুহা, *s.* গহ্বৰ, পর্ব্বতৰ গাঁত, a cave, a cavern, a grotto.
গুহ্যদ্বাৰ, *s.* পোকৰ, বহিৰ্দ্বাৰ, মলদ্বাৰ, the anus.
গেঁৰ, *s.* চৰাই পোআলিৰ নাই, গৰ্ভত থকা ধানৰ থোক, the umbilical cord of young birds, the umbilical vessels of plants.
গেৰা, *s.* মঁহৰ মতা পোআলি, a buffalo male calf.
গেঙ্গৰি, *s.* গুঁজৰি উঠা, ডাঠ দেখুউআ, to snarl, to show the teeth.
গেজগেজাই, *v.* হুলে ফুটাৰ বেদনা কৰা, to feel pain from a thorn.
গেজা, *a.* হেঁচা, ঠেলা, pressed, shoved, pushed.
গেজি, *s.* গেজেঙ্গ, দা কটাৰিৰ নালত সোমোআ ভাগ, the pointed end of an instrument that is inserted in a handle.

গেজপনি, *a.* ডাঠ, হলি পৰা হাবি, thick, dense, (as forest or jungle.)
গেজেৰা, *s.* ঠেহেৰা মাত, জোকোৰা মাত, angry retort, cutting words.
গেঠেলা, *a.* তেনেই থকা, নবৰ্হা নুটুটা, inactive, torpid, stationary.
গেঠেলা গেঠেলি, *a.* ঠেহেৰা ঠেহেৰি, ভাল মাতেৰে নমতা, mutually displeased, speaking in an angry fault finding manner.
গেঠেলুৱা, *a.* গেঠেলা মৰা, নপকা, সিধি নোহোআ, hard and unripe, applied to fruits, boils, &c. ineffectual.
গেদ, } *s.* মেদ, মেদেনি, ভেৰ, lees, dregs, sediment.
গেদনি, }
গেদগেদিয়া, *a.* মেদমেদিয়া, এলেহুআ, roiled, turbid, inactive, stupid.
গেদেৰি, *s.* ৰহৰ ভেৰ মেদ, scum, refuse.
গেধেমা, *s.* ডাঠ, লেদ লেদিয়া, thick, blocked out, indolent.
গেনগেনোৱা, *a.* মাত ভগা, পানি লগাৰ মাত, hoarseness, a heavy voice.
গেনা, *a.* ভালকৈ মাত নুফুটা, নাকে মতা, nasal, speaking through the nose.
গেনি, *a.* ভালকৈ মাত নুফুটা তিৰোতা, a woman who speaks do. do.
গেন্ধ, *s.* গোন্ধ, গন্ধ, odor, smell, fragrance.
গেন্ধালি, *s.* এবিধ দুৰ্গন্ধিয়া, পোক, an insect of offensive smell.
গেন্ধালি সালি, *s.* সালিধান এবিধ, a species of paddy.
গেন্ধেলা, *a.* ঘিনলগা, disagreeable, hateful.
গেবাৰ, *s.* চাকৰ, কাম কৰা দাস, menial, slave, a term of abuse.
গেবাৰি, *s.* চাকৰি, দাসকৰ্ম্ম, গোলাম কাম, menial service.
গেৰগেৰ, *a.* নিচেই উম নথকা, একেবাৰে অনেক হিলৈ আদি মৰা সব্দ, cold, chilly; *s.* a loud report as of thunder orheavy artillery.
গেৰগেৰাই, *v.* গৰ্গৰাই, to roar, to make a loud noise.
গেৰগেৰিয়া মাত, *s.* কঁফজুক্ত মাত, ডিঙ্গিত লাগি জোআ মাত, a wheezing.
গেৰাই, *v.* দমাই, কাৰ মন নে থাকিলেও হেঁচি দিয়া, to pile up, to offer, to urge the acceptance of a thing not asked for.
গেৰেকনি, *s.* বেয়া ঠাই, খিচনি, a place for refuse and filth.
গেৰেওগেথেও, *a.* খাই বৈ ভাগৰ লগা, gluttonous, eating to excess so as to feel a sense of weariness and loathing.
গেৰেকুআ তামোল, *s.* এবিধ বন তামোল, a species of small betel.
গেৰেপ, *a.* দম, ওপৰাওপৰি, ডাঠ, thick, dense, as forest or jungle.
গেৰেপনি, *s.* ডাঠ হাবি, গেজেপনি, a dense, jungle.
গেৰেম, *a.* এলেহুআ, এবিধ আহুধান, indolent; *s.* a species of paddy.
গেৰেলা, *a.* পেটাল, জন্তু এবিধ, stout, pot-bellied; *s.* a species of pole cat.
গেৰেলি, *s.* পেটুলি, a corpulent girl or woman, a term of abuse.

গেৰেহা, *a.* ভালকৈ নুশুকুৱা, half-dried.
গেলগেলিয়া, *a.* ভিতৰে ৰৰকৈ পকা, পচাৰ দৰে, over ripe, rotten, putrid.
গেলা, *a.* পচা, বিৰস হোৱা, rotten, decayed, putrid.
গেলি, *v.* পচি, to rot, to decay, to putrify.
গেলেপা, *a.* গাপ লগা, হেচনি খাই থকা, heated from fermentation.
গেলোৱা, *s.* গেলিবলৈ এবিধ বন মাহ, causing to rot, a species of bean.
গৈ, *v.* গমন কৰি, to go.
গৈগৈ, *v.* গমন কৰি কৰি, গৈ থাকি, to go continuously.
গৈথৈ, *ad.* মুৰকত, শেসত, পাচত, finally, lastly.
গোঁগোঁআই, *v.* ভোমোৰা আদিৰ সদ্দ কৰা, খঙেৰে বেগাই জোআ, to make a buzzing sound.
গোঁজ, *s.* জোঙ্গ, বাঁহৰ কাঠৰ খুঁটি, a stake, a peg, a pin.
গোঁজৰনি, *s.* হুমহুমনি, গুজৰি উঠা, a roaring sound as of beasts.
গোঁজা, *a.* গুজি থোআ, পোত, তললৈ ভিকআ, stuck into the ground, half buried, bent down, bowed over.
গোঁজা খোআ, *a.* তললৈ মুখকৈ থকা, of downward look, downcast.
গোঁজা মাৰি, *v.* পুতি থোআ, খোঁচ মাৰি থোআ, to partly bury in the ground, as setting out a plant or sticking a stake.
গোঁঠনি, *s.* জৰিৰ সিয়নি, tying, stringing, arranging in rows.
গোঁঠা, *a.* গোঠনি দিয়া, জৰিবে গথা, braided, platted, strung together.
গোঁফ, *s.* পুৰুসৰ ওপৰ ওঁঠত গজা নোম, a mustache.
গোঁফাল, *a.* গোঁফ থকা মানুহ, having a mustach
গোঁৰা, *a.* বগা, a fair complexion, white, Euro
গোঁৰা চিপাহি, *s.* ইংৰাজি সেনা, European or white soldiers.
গোঁসাই, *s.* ইশ্বৰ, দেৱতা, গুৰু, মহাজন, a hindoo name for God; a gooroo or religious teacher, the head of a religious sect.
গোঁসানি, *s.* দেৱি, দুৰ্গা, দেৱি মুৰ্ত্তি, মহন্তৰ ভাৰ্য্যা, a goddess, the wife of a gooroo.
গোঁহাই, *s.* চাৰি ঘৰিয়া আহোম ডাঙ্গৰিয়া, উপাধি বিসেস, a title given by the Assam kings to certain families of royal descent.
গো, *s.* গৰু, মুৰ্খ নজন, an ox, a cow, a stupid fellow.
গোআ, *s.* গান কৰা, পাঠ কৰা, singing, chanting, reading.
গোআই, *v.* গান কৰাই, to cause to read, repeat or sing.
গোআল, *a.* অহঙ্কাৰি, কথা নুমুনা, haughty, self conceited, obstinate.
গোকাট, *a.* বেয়া, বৰ কুচিত, vile, filthy, unclean.
গোকাটনি, *s.* গেৰেকনি, মলিন ঠাই, চুঅনি, a filthy place.

গোহায়নি, s. গোহাইৰ ভাৰ্য্যা, গাভৰুদেও, the wife of the above.
গোখৰকটা, s. এবিধ ঔসধি গুটি, a kind of medicinal seed.
গোখুঁৰা, s. গৰুৰ খুঁৰা, the hoof of cattle.
গোগা, s. হাবিৰ মাজৰ দ খাল, গোগ, low jungle where water stands.
গো-গা কৰা, s. কোনো কথাৰ অলপ ওলোআ, a rumor, a slight intimation, the talking over any matter of mere rumor.
গোগোল, s. মুঠাৰ নিচিনা এবিধ বন, a grass of which mats are made.
গোঙ্গা, s. মাত ভালকৈ নুফুটা, having an impediment in the speech.
গোঙ্গোৰা, a. খঙ্গাল, আসই নোপোআ, angry, cross, reserved.
গোচ, s. ঠেঙ্গৰ তল ফালৰ সিং, মঙ্গহ, ধানৰ পুলি বা কঠিয়াৰ গোচা, the muscles of the lower part of the leg; flesh, meat; a bunch of grass or green grain; a tuft of grass.
গোচলোআ, s. ধান ৰুবলৈ প্ৰথম আৰম্ভ কৰাৰ ৰিতি, a ceremony performed at the beginning of transplanting paddy.
গোচৰ, s. মকদ্দমা, নিবেদন, দৰ্সন, a law suit, a petition; anything perceptible by the senses.
গোচৰাগুচৰি, s. পৰস্পৰ গোচৰ কৰা, mutual litigation.
গোচা, s. কঠিয়াৰ মুঠি, a bunch of grass or grain for transplanting.
গোচাৰক, s. গৰু ৰখিয়া, a herdsman, a cowherd.
গোজগোজ কৰে, ad. কালৈকো নেচাই বেগাই জোআ, steadily going forward regardless of anything.
গোজগোজাই, v. গুজৰি, খঙ্গ কৰি, to rage, to be furious.
গোজিহ্বা, s. আলজিৰা, দোজিবা, the palate.
গোজোংগোজোংকৈ জোআ, s. কলৈকো নেচাই, তললৈ মুকৈ জোআ, to walk in an abstracted manner.
গোজেৰাই, v. গেজেৰা মাৰি, to cause to roar.
গোট, s. গুটি, ফল, এটা, নভঙ্গা বা ডেনেই থকা, থুপ, seed, fruit, one thing, a whole; a. unbroken, entire.
গোট কৰা, a. লগ কৰা, চপোআ, মুঠ কৰা, gathered together, summed up.
গোট কাঠ, a. একো নজনা, knowing nothing, *lit.* like a log of wood.
গোট খাই, v. লগ খাই, একে লগেই, to gather together, to assemble.
গোট গৰু, s. একো নজনা, মুৰ্খ, a fool, an idiot, like a beast.
গোট্গোট্, a. এটা এটা, one by one, scattered, dispersed.
গোট্ ধৰা, a. গুটি ধৰা, ফল ধৰা, bearing fruit, fruitful.
গোট মৰা, a. টান মৰা, ডাঠ মৰা, hardened, congealed, solidified.
গোটা, a. নকটা, অচেদ, undivided, whole, entire, unbroken.

গোটাই, *v.* লগ লগাই, থুপাই, একে লগ কৰা, মুঠ কৰি, সাঁচি থৈ, to collect, to gather up, to assemble.
গোটকৰাই, *s.* ভজা চাউল, parched rice.
গোটাচাৰেক, } *a.* কিচুমান, দুটামান, some, several, a few.
গোটাদেউক,
গোটে, *a.* নভগাকৈ, সমূলি, unbroken, whole, entire.
গোটেই, } *s.* তেনেই, অটাইবোৰ, নভগা আটাই, the whole.
গোটেইখন,
গোটোঙ্গ, *a.* মেলাহি নহই, থিয়, precipitous, steep.
গোটোআ, *a.* চপোআ, সঁচা বা মুঠ কৰা, gathered, collected.
গোথোৰামুআ, *a.* বেজাৰেৰে থকা, অসন্তোস মুআ, sad, sober, displeased.
গোত্র, *s.* বংস, আদি পুৰুস, a family, a clan, lineage, race, pedigree.
গোনগোনাই, *v.* পেটত বেজাৰ অপ্রকাস ৰূপে কোআ, to mutter, to grumble.
গোদাবৰি, *s.* এক নদিৰ নাম, the name of a river, the Godavery.
গোধ, *s.* বদনাম, ঠেঙ্গ ডাঙ্গৰ হোআ ৰোগ, ill repute, a bad name, the elephantiasis or swelled leg.
গোধা, *a.* ভৰি ডাঙ্গৰ হোআ, having the elephantiasis.
গোনা, *s.* অকলসৰিয়া মতা মহ, অবস, a solitary male buffalo; *a.* solitary, unsubdued.
গোনাই, *v.* খুজি, মাগি, আস্না কৰি, to ask for, to request.
গোনোআ, *a.* খুজি অনা, খোজা, মগা, obtained asking, asked for.
গোন্ধ, *s.* গন্ধ, ঘ্রান, scent, smell, odor.
গোপ, *s.* গুআল, গৰখিয়া, a herdsman, a milkman, a cow-keeper.
গোপগৰু, *s.* কাঠৰ সজা গৰু, মুর্খ, যুপ, a wooden cow erected for sacrificial purposes, hence fig. a stupid person, a dunce.
গোপন, *v.* গুপ্ত, নজনা, অপ্রকাস, unknown, unrevealed, secret.
গোপনিয়, *a.* অপ্রকাস্য, লুকাই ৰাখিব লগা, গুপুত, concealable, what may or ought to be concealed.
গোপাগোপ, *a.* গোবাগোব, অতিসই, বহুত, much, abundant.
গোপাল, *s.* গুআল, গোৰক্ষক, কৃষ্ণৰ এক নাম, a herdsman, a dairyman, an epithet of Krishnoo.
গোপি, } *s.* গোপৰ তিৰি, গোপিকা, গোপি, গুআলৰ স্ত্রি, wife of the
গোপিনি, } above, a female cowherd, a milkmaid.
গোপিনাথ, *s.* গোপিবিলাকৰ নাথ, কৃষ্ণ, lord of the *gupis*, Krishnoo.
গোবৰ, *s.* গো বিষ্টা, গোমই, cowdung, manure.
গোবৰথুঁটি, *s.* সুকান গোবৰ, dry cowdung.

গোবৰুআ, *s.* গুপোতা পোক, an insect of the beetle species.

গোবৰ্দ্ধন, *s.* জি পৰত ক্রিষ্ণই হাতেৰে দাঙ্গিলে, the fabled mountain that Khrishnoo held on the end of his finger to shelter the milkmen and maids of Brindabon in a tempest.

গোবাঙ্ক, *a.* বৰ বেয়া, লেতেৰা, অকামিল, bad, contemptible, worthless.

গোবিন্দ, *s.* ক্রিষ্ণৰ এক নাম, a name of Krishnoo.

গোমগুমুনি, *s.* সাপে খোআৰ ঔসধিয় লতা এবিধ, a species of vine used as an antidote to the bite of snakes.

গোমধান, *s.* এবিধ ধান, খাদ্য দ্রব্য বিসেস, maize, Indian corn.

গোম সাপ, *s.* বিসাল সাপ এবিধ, a species of poisonous serpent.

গোমা, *a.* গোমোঠা বৰন, মলিন বৰ্ন, dingy, soiled, sullied, dusky.

গোমাই, *v.* মেঘে ঢাকি থোআ, to be overcast with clouds.

গোমোঠা, *a.* গোমা, বিবৰ্ন, faded, tarnished, soiled.

গোমোআ, *a.* গোমাই থোআ, overcast, darkened, cloudy.

গোৰ, *s.* গুৰি, আদি, the foot, the base, foundation or beginning.

গোৰ, *s.* লাথি, পদাঘাত, a kick, a stroke of the foot.

গোৰ খোআ, *a.* অনেক দিন পানি আদিত পৰি থকা, দম হোআ, buried in mud and water, amassed.

গোৰগোৰাই, *v.* গোৰগোৰনি সব্দ কৰা, ভোৰভোৰাই, পেটে মতা, to roar to rumble, to mutter.

গোৰাই, *v.* পানিত পুতি থৈ, to submerge, to put under mud and water.

গোৰালি, *a.* গুৰিৰ, belonging to the root or larger end; *s.* the blunt end of a thing, the tree near the root.

গোৰোআ, *s.* ভৰিৰ পাচ গাঁঠি, পানি আদিত পুতি বা পেলাই থোআ, the heel; *a.* placed under mud and water.

গোৰোঙ্গ, *a.* বৰ দ, থিয় দ, গোটোঙ্গ, precipitous, steep, perpendicular.

গোৰচনা, *s.* হালধিয়া বৰনিয়া গন্ধ দ্রব্য এবিধ, a bright yellow pigment.

গোৰোহনি, *s.* ভৰিৰ গোৰোআৰে মৰা, stamping with the foot.

গোৰোহা, *s.* গেৰেহা, তল জোআ, পানি থকা, submerged in water, soggy.

গোৰ্হাল, *s.* গৰখিয়া লৰা গোট খাই সাও দিআ, সাও সপনি, a curse, a curse of cowboys employed for the purpose, they being considered especial favourites of Krishnoo.

গোলা, *a.* পানি দি জোল কৰা, বস্তু বেচা ঘৰ, mixed or dissolved in water; *s.* a merchant's shop, a storehouse, a granary.

গোলাপ, *s.* ফুল এবিধ, a rose.

গোলাপি জামু, *s.* গোলাপৰ ঘানেৰে এবিধ বৰ জামু, the rose apple.

গোলাম, *s.* দাস, বন্দি, বহতা, a servant, a slave.

গোলামি, *s.* দাসি, বান্দি, বহতানি, the female of the above.

গোলোআ, *s.* গোলা, মিহলি কৰোঁতা, দ্ৰৱ কৰোঁতা, causing to dissolve; *a.* dissolved, mixed.

গোলোক, *s.* বৈকুণ্ঠ, ক্রিষ্ণৰ থকা ঠাই, the paradise of Krishnoo.

গোষ্ট, গোষ্টি, } *s.* বংস, একে বঙ্গহৰ, গ্যাতি, lineage, descent, family, clan, race.

গোসাই, *s.* দেৱতা, মহাজন, গুৰু, a god, a religious teacher, the head of a religious sect.

গোসিন্ধা, *s.* লতা এবিধ, a species of vine.

গোস্বামি, *s.* সিস্য ভক্তোআ, গোঁসাই, বেদাধিকাৰ, lord of the Veds, a title given to brahmins as teachers of the Veds.

গোহাৰি, *s.* গোচৰ, নিবেদন, প্ৰাৰ্থনা, a request, making known a desire.

গোহালি, *s.* গৰু বন্ধা ঘৰ, a house or shed for cattle.

গৌতম, *s.* এক ৰিসিৰ নাম, মান আদি কোনো কোনো জাতিৰ বৌদ্ধ অৱতাৰ বুলি পূজা কৰা দেৱমূৰ্ত্তি, the fourth incarnation of Boodh, now worshipped by the Burmese and Buddhists generally.

গৌঠালি, *a.* অহঙ্কাৰি, proud, haughty.

গৌৰ, *s.* হালধিয়া, বগা মিহলি বৰন, of fair complexion, pale red.

গৌৰও, *s.* মান্য, আদৰ, majesty, glory, greatness, adoration, honor.

গৌৰৱান্বিত, *a.* মহিমাযুক্ত, মান্যৱন্ত, glorious, majestic.

গৌৰাঙ্গ, *a.* বগা, সুন্দৰ, ৰূপহ, white bodied, fair.

গৌৰি, *s.* দুৰ্গা, আঠ বচৰিয়া ছোআলি, a name of Durga.

গ্ৰন্থ, *s.* সাস্ত্ৰ, পুথি, a book, a writing, a volume.

গ্ৰন্থন, *s.* গাঁথা, the act of bringing together, compiling, arranging.

গ্ৰন্থি, *s.* গাঁঠি, সন্ধি, জোৰা, a joint, a knot.

গ্ৰস্ত, *a.* গিলা, আপদ আদিত পৰা, swallowed, eclipsed, seized, involved in some evil.

গ্ৰহ, *s.* সূৰ্জ আদি, a planet.

গ্ৰহন, *s.* চন্দ্ৰ সূৰ্জৰ গ্ৰহন, লোআ, চন্দ্ৰ সূৰ্জক টায়াই চকা, an eclipse, a seizure, an acceptance.

গ্ৰহনি, *s.* তেজ সাঁও পৰা ৰোগ, the dysentery.

গ্ৰহনিয়, *a.* লব লগা, worthy of being received, accepted or regarded.

গ্ৰহজাগ, গ্ৰহজজ্ঞ, } *s.* গ্ৰহৰ উদ্দেসে কৰা হোম পূজা, propitiatory offerings to the planets.

গ্ৰহপতি, *s.* সূৰ্জ, the sun.

গ্ৰহপিৰা, *s.* গ্ৰহে কৰা পিৰা, গ্ৰহে কৰা দুখ, sickness supposed to be caused by the adverse influence of a planet.

গ্ৰহ সান্তি, *s.* গ্ৰহৰ নামে কৰা কৰ্ম্ম, designed to propitiate the planets.

গ্ৰাম, *s.* গাঁও, a village.

গ্ৰামি, *a.* গাঁৱলিয়া, pertaining to a village, rural, rustic.

গ্ৰাস, *s.* গৰাহ, খোআ, a mouthful, the act of swallowing a mouthful.

গ্ৰাহক, *s.* লোআটো, লওঁতা, one who takes or receives.

গ্ৰাহ, *s.* জলজন্তু, লোআ, a reception, an acceptance, a seizure, fabled monster of the deep, any large fish or marine animal.

গ্ৰাহ্য, *a.* গ্ৰহন কৰিব লগা, acceptable, worthy of acceptance or belief.

গ্ৰিস্ম, *s.* তাপ, জহ, ঘাম, জেঠ আহাৰ মাহ, heat, warmth, June and July.

গ্ৰিস্মকাল, *s.* ঘাম কাল, জহ কাল, the hot season.

গ্ৰিহ, *s.* ঘৰ, a house, a habitation.

গ্ৰিহিনি, *s.* ঘৈনি, অধিকাৰিনি, the mistress of a house.

গ্ৰিহস্থ, *s.* ঘৰৰ অধিকাৰ, গিৰিহঁত, the master or owner of a house.

গ্ৰিহস্থি, গ্ৰিহাস্ৰমি, } *a.* গ্ৰিহাস্ৰম ধৰমি, doing the duties of a householder; *i.e.* not an ascetic; *s.* a person who has a house and family.

গ্লানি, *s.* ৰটনি, চিন্তা, সোক, depreciation, depression, dejection.

ঘ,

ঘ, ঘকাৰ, the aspirate of the letter গ, pronounced like, *g-h* in *log-house.*

ঘঁচাল, *s.* অনেক মানুহ আহি গৈ, আমনি বা জঞ্জাল কৰা, hindrance or annoyance from constant calls and interruptions.

ঘঁট, *s.* বিবাহ আদিত পানি তোলা টেকেলি, পুজাৰ জল পাত্ৰ বা কলহ, ঘঁৰিয়াল আদিৰ টকা বা ঠোঁটৰ ওপৰত থকা ওখ ডোখৰ, a jug, a waterpot, a sacrificial vessel, the protuberance on the snout of the crocodile, the prominent part of the throat.

ঘঁটি, *s.* জল পাত্ৰ এবিধ, a small metal water vessel.

ঘঁটিকা, *s.* ডিঙ্গিৰ নামৰ ওখ ডোখৰ বা ঘঁট, the prominent part of the throat or adam's apple.

ঘঁটিয়া, *a.* দুৰ্জন, টেঙ্গৰ, বেয়া, নানা ঠাইত বাগৰি বুধিয়ক হোআ, wicked, artful, cunning, bad, wary.

ঘঁটিয়া সিঙ্গৰা, *s.* এবিধ সৰু মাচ, a species of fish, so called from its caution in biting at the hook.

ঘঁৰিয়াল, *s.* এবিধ জলৰ জন্তু, an alligator.

ঘঁৰিয়া, *s.* এবিধ মাচ, a kind of fish.

ঘহন, } *s.* ঘঁহা, চোঁচোৰা, ঘৰ্ষন, মাৰ্জন, friction, attrition, the rubbing
ঘঁহনি, } of one body against another.

ঘঁহা, *a.* গাৰ মলি গুচুউআ বা তেল লগোআ, rubbed, anointed, oiled.

ঘঁহাই, *v.* ঘৰ্ষন কৰাই, চোঁচোৰাই, to cause to anoint or rub.

ঘঁহি, *v.* ঘঁহা মাৰি, মাজি, তেল আদি মলি, to rub, to anoint, to oil.

ঘঁহোআঘঁহিকৈ, *ad.* ইটে সিটে গা ঘঁহোআ, চোঁচৰাচুঁচৰি, থেৰোকেৰো, দিওঁ নিদিও কৰা, mutually rubbing, acting with hesitation.

ঘকচা লগা, *s.* ঘোকোঁচা, খুন্দা লগা, কথা কওঁতে লাগি ৰৈ থকা, striking or dashing against, speaking disconnectedly or hesitatingly.

ঘকৰকৰে, *ad.* আগ পাচ নেচাই বেগত কৰা, at once, rashly, without thought or consideration.

ঘকৰাই, *ad.* গিৰিসাই, বেগেডিলে, হঠাত, quickly, immediately.

ঘকাৰ, *s.* ঘ বৰ্ন, the letter, ঘ or any character that represents that letter.

ঘগৰা, *s.* এবিধ মাচ ধৰা জন্ত্ৰ, a bamboo fish trap.

ঘঘকৰে, *a.* পোৰা আহুটাৰ তাপ, সদাই একে দৰে থকা তপত, having continual or a burning heat.

ঘঢ়ঘঢ় কৰে, *ad.* আগ গুৰি নোচোআকৈ doing or saying things without regard to consequences inconsiderately.

ঘচৰাই, *ad.* বেগেডিলেই, ঘচ ঘচ কৰে, quickly, at once.

ঘট্‌ঘট, *s.* লৰোআ সদ্দ বিসেস, লৰা, ঢপা, a rattling or rumbling.

ঘট্‌ঘটিয়া, *a.* ৰৰকৈ লৰা, loose, tumbling about ready to fall, tottering.

ঘটং, *s.* সদ্দ বিসেস, the sound of anything falling into a deep place.

ঘটংমটং, *s.* ঠেকা লাগি সদ্দ কৰি জোআ, আহুকলিয়া, the noise of things striking against each other, tumbling about in disorder.

ঘটন, *s.* আৰ্জন, কোনো বিসই হৈ উঠা, the act of bringing together, acquiring, earning, happening, occurring.

ঘটনা, *s.* আপদ বা সম্পদ ঘটা, an event, an occurrence, an accident.

ঘটমট্‌, *s.* আহুকাল, জোকাৰি লৈ ফুৰুআ, shaking, pulling about.

ঘটা, *a.* হৈ উঠা, সিধি হোআ, হৰা, আৰ্জন কৰা, happened, occurred, acquired, gained.

ঘটাই, *v.* সিধি কৰি, হৰুআই, to cause, to effect, to occasion.

ঘন, *a.* ডাঠ, গোট খোআ, ওচৰাওচৰি, thick, dense, crowded, close, near, inspissated; *s.* thickness, solidity, density.

ঘনচিৰিকা, *s.* ঘৰত বাহ লোআ সৰু চৰাই এবিধ, the house sparrow.

ঘনজুৰি, *s.* এবিধ গাৰি দিয়া বঙ্গালি কাপৰ, এবিয়াৰ বঙ্গা হালধিয়া, গুতাৰে বোআ কাপৰ এবিধ, a kind of colored silk cloth.

ঘনাই, *v.* ডাঠ কৰি, এচৰাওচৰিকৈ, বাৰে বাৰে আহি, to thicken, to set close together, to frequently come or do anything.

ঘন্নি, *s.* মাচ ধৰা বাঁহৰ সলিৰ এক জন্ত্ৰ, a bamboo fish trap.

ঘনে, *ad.* সিঘ্ৰে, বাৰে বাৰে, quickly, repeatedly, frequently.

ঘনে ঘনে, *ad.* বেলিএ বেলিএ, বাৰম্বাৰ, repeatedly, frequently.

ঘনেপতি, *ad.* বেলিএ পতি, again and again, often.

ঘনোআ, *a.* ডাঠ কৰা, ঘনকৈ ভৰা, thickened, pressed together, coagulated, curdled, congealed; *s.* the act of thickening &c.

ঘন্টা, *s.* কাঁহৰ বাদ্য বিসেস ঘৰি, দুই ডাঁৰ, a bell, a clock, an hour.

ঘপকৰে, *ad.* ঘপুৰাই, পোনেই, at once, quickly, suddenly.

ঘপ্‌ঘপাই ফুৰা, *s.* আগ পাচ নোচোআকৈ ধুমধুমাই ফুৰা, the running about heedlessly.

ঘপঙ্গ, *s.* বেগাই পৰাৰ সব্দ, the noise of anything falling suddenly.

ঘপৰাই, *ad.* বেগতিলেই, খপৰাই, suddenly, immediately.

ঘপিয়াই, *v.* কুবিয়াই, to give a blow, to strike, to slash.

ঘমঘন্টা, *s.* হুলস্থুল, গোলমাল, confusion, tumult.

ঘম্‌ঘমাই, *v.* ঘম্‌ঘম্ সব্দ কৰি, ভোৰ্তালৰ উঠা সব্দ, to make a loud noise like that of striking large cymbals together.

ঘমা, *s.* ঘাম ওলোআ, জুৰুলি বোআ, sweating, perspiring.

ঘমাই, *v.* ঘাম উলিয়াই, to cause to perspire.

ঘৰ, *s.* গ্ৰিহ, থকা ঠাই, পৰিয়াল, a house, dwelling, home, family.

ঘৰগিৰি, *s.* ঘৰৰ গৰাকি, ফুকন ডাঙ্গৰিয়াৰ ঘৰৰ সকলো কাম চলোআ মানুহ, a person who manages the concerns of another's household or estate, a steward.

ঘৰ্‌ঘৰনি, *s.* ডিঙ্গিৰ সব্দ, পেৰা আদিৰ সব্দ, the sound of snoring, a rumbling, roaring creaking sound as of wheels in motion.

ঘৰচি, ঘৰচিয়া, } *a.* ঘৰত পোহা জন্তু, পোহনিয়া, remaining in or about a house, tame.

ঘৰ নিৰন্তৰ, ঘৰমুৰি, } *ad.* ঘৰে ঘৰে, প্ৰতি ঘৰে, at every house.

ঘৰভঙ্গা, *s.* স্বামি তিৰোতা বিৰোধাবিৰুধি হোআ বা মিৃত্যু হোআ, ঘৰ গচুউআ, the breaking up of a family by death or family disputes, the breaking down of a house.

ঘৰা, *s.* চৌকা, আখা, নাদ আদিত দিয়া বাঁহৰ মেৰ, মৌ বস আদিৰ ভঁৰাল, a cooking place, a bamboo curb or frame serving as a well, a honey comb.

ঘৰাঘৰি, *ad.* নিজ নিজ ঘৰলৈ, each one's own house, to every house.
ঘৰামুটি, *a.* লুটিখাই পৰা, বা ডিঙ্গিত ধৰি মাৰি পঠোৱা, fallen or pitched over from a height.
ঘৰি, *s.* কাল পৰিমান কৰা জন্ত্ৰ, ঘণ্টা, a clock, a watch, an hour.
ঘৰিনি, *s.* গ্ৰিহিনি, ঘৈনি, the mistress of a house.
ঘৰিসনা *s.* ঘঁহনি খোৱা, চোঁচোঁৱাই থকা, friction, rubbing, filing, polishing.
ঘৰুআ, *a.* ঘৰৰ, ঘৰৰ লোক, আপোন, belonging to a house, home-made or produced at home, one's own.
ঘৰুআলি, *a.* ঘৰৰ নিচিনাকৈ, ঘৰৰ দৰে বন কৰা, like to one's own, working for another as for one's self.
ঘৰে ঘৰে, *ad.* প্ৰতি ঘৰে, each house, from house to house.
ঘৰে পৰে, *ad.* ঘৰে বাজে, at home and abroad, in one's own family and out of it.
ঘৰোআহ, *s.* সপুত্ৰাবান্ধব, পৰিয়াল, the whole household.
ঘৰোআহি, *a.* গ্ৰিহস্থি, সংসাৰি, having a family.
ঘলা, *s.* গালি পৰা, abuse, abusive language, reproach.
ঘলাই, *v.* গালি পৰাই, নিন্দা কৰাই, to cause to abuse or reproach.
ঘা, *s.* খন্থ আদি হৈ ঘা লগা, কটা বা ঘা লগা ঠাই, a wound, a sore.
ঘাই, *s.* মূল, প্ৰধান, বনৰিয়া চৰাই আদি ধৰিবলৈ সিকোআ চৰাই, a mark or point, to run to in a race, a leader, a bird used as a decoy to ensnare other birds; *a.* chief, principal.
ঘাইমুৰিয়া, *s.* প্ৰধান, ডাঙ্গৰ, a chief, the head man of a village.
ঘাঁটি, *v.* ঘোঁটনিৰে ঘূঁটি, to stir about, to mix by stirring.
ঘাঁহ, *s.* বন, গৰু আদিএ খোআ তিন, meadow or pasture, grass, grazing.
ঘাঁহনি, *s.* ঘাহ থকা ঠাই, বননি, a place where grass grows, a pasture.
ঘাঁহি, *s.* ঘাঁহ কটিয়া, a grass cutter.
ঘাগৰি, *s.* গাগৰি, পিতলৰ থুঁৰা নোহোআ কলহ, a water jar.
ঘাগৰিগতিয়া, *a.* কতিয়া, গাত কাপৰ কতিয়াকৈ বন্ধা বা লোআ, a term applied to the manner of winding a cloth about the body.
ঘাগি, *s.* আসুই, কোনো বস্তু জত বহুতকৈ পাব পাৰি, a place of refuge, a place where the necessaries of life are abundant.
ঘাঘৰ, *s.* এবিধ অলঙ্কাৰ, an small tinkling ornament.
ঘাট, *s.* নৈৰ পাৰ হোআ বা পানি অনা বাট, a ferry, a landing place, a flight of steps leading down to the water.
ঘাট মাউৰা, *s.* সৰুতে মাক বাপেক মৰা, a child bereaved of both parents in infancy.

ঘাটি, *s.* দাই, জগৰ, হাৰি, জিকিব নোআৰি, a fault, a crime, an offence.

ঘাটি খোআ, *a.* আপোন কথাৰে দাইত পৰা, হৰা, condemned by one's own words or actions, conquered.

ঘাটি লগা, *a.* অপৰাধ লগা, চিদ্র লগা, faulty, criminal.

ঘাটৈ, আটোআল, } *s.* ঘাটৰ গৰাকি, পাৰোআই, a ferryman.

ঘাত, *s.* তালে খোলে একেবাৰে বাজনা মৰা; আঘাত, কটা, a flourish or blast with musical instruments, a blow, a hurt, murder.

ঘাতকি, *s.* হত্যা কৰ্ত্তা, হনন কৰা জন, বিশ্বাস ন ৰখা, one who strikes or destroys, a murderer; preceded by বিশ্বাস, treacherous, destroying confidence.

ঘাতন, *s.* ঘাত মৰা, টকা, the act of striking cutting or killing.

ঘাতি, *v.* বধ কৰি, কথাৰে অমৰ্জ্জাত কৰি, to strike, to hurt, to kill, to reproach.

ঘানাকঘুনুক, *s.* হুনু বাত্ৰা, কনাকনি, অলপ বাত্ৰা ওলোআ, a slight rumor, uncertain information.

ঘাম, *s.* ঘৰ্ম, তাপ, জহ, তাপত ওলোআ গাৰ পানি, perspiration.

ঘাম কাল, *s.* ঘাম কালি, জহ কালি, the hot season, summer.

ঘামচি, *s.* ঘামত হোআ ঘন ফোঁহা, the prickly heat.

ঘামি, *v.* ঘাম ওলাই জুকলি হৈ, to sweat, to perspire.

ঘাৰ, *s.* গলধন, ডিঙ্গি, the nape of the neck.

ঘাৰ মোচোৰা, *s.* ডিঙ্গি মোচোৰা, ডিঙ্গি পকোআ, the act of wringing the neck.

ঘা লগা, *a.* গাত ঘা লাগি, খোঁচ আদিত বা খহু হৈ গাৰ মঙ্গহ বিদৰা, wounded, covered with sores; *s.* the act of wounding.

ঘালিনিয়া, *s.* গালি পৰা, অমৰ্জ্জাত কৰা, abuse, reproach, defamation.

ঘিউ, *s.* ঘৃত, মুৰৰ মাজৰ কোমল ভাগ, clarified butter, ghee, vulgarly used for the brains also.

ঘিট্‌ঘিটাই, *v.* ঠেকা লাগি সব্দ কৰা, to reverberate, to make a sound as of things striking together.

ঘিট্‌ঘিটনি, *s.* ঘিট ঘিট সব্দ, বহুত লোকৰ হঙ্গম, reverberation, confusion, hubbub.

ঘিটিং, *s.* মেঘ আদিৰ এবেলি উঠা সব্দ, any sudden sound, as clap of thunder.

ঘিটিৰা, *a.* কঁটিয়া, বাৰ্হিব নোআৰা, চুঁটি, short, dwarfed.

ঘিন, *s.* ঘিনা, বিকচিনা, aversion, hate, antipathy, dislike.

ঘিনলগা, *a.* দেখিবলৈ বেয়া, দেখিলে ঘিন লগা, কুৰূপ, নিন্দনিয়, ugly, hateful, detestable.

ঘিনাই, *v.* ঘিন কৰি, to hate, to detest.

ঘিনোআ, *a.* ঘিন কৰা, hated, disliked, detested.

ঘিমৰু, *s.* বনৰিয়া গুটি এবিধ, a species of wild fruit.

ঘিলা, *s.* এবিধ লতাৰ গুটি, চক্ৰ, আঁঠুৰ গাঁঠি, চৰাইৰ আমঠু, a large round seed used as marbles in play, a wheel, the kneepan, a bird's gizzard.

ঘিলাখেলা, *s.* ঘিলা খেলা, a favorite play in which *ghilas* are used.

ঘিলাডাঙ্গিয়া, *a.* নৈৰ মাজত ঠাইতে দ, ঠাইত দাম হোআ, alternately deep and shallow, the sudden deepening of water in a river.

ঘিলাহাঁহ, *s.* এবিধ বনৰিয়া সৰু হাঁহ, a species of wild duck.

ঘুঁকটি, *v.* বিন্ধাত মাৰিএৰে হোবোকা, ডালকৈ বিচাৰি, to insert or thrust into an orifice, to penetrate, to search carefully.

ঘুঁকি, *v.* খোঁকমাৰি, হাত সুমুৱাই, to gouge out, to dig out with the finger or nails.

ঘুঁকুচা, *a.* কুঁজা, কেঁকোৰা হৈ থকা, bowed, bent over, crooked.

ঘুঁকুটিউআ, *s.* আঙ্গুলিৰে খোচা মাৰি দিয়া, thrusting with the finger, as when calling attention &c.

ঘুঁটি, *s.* নাকৰ ভিতৰৰ নোম, ঘোটোনাৰে পিহি, the hair inside the nostrils; *v.* to stir up, to mix.

ঘুঁৰি, *s.* মাইকি ঘোঁৰা, a mare.

ঘুগুৰা, *s.* সৰু জুনুকা, a small bell.

ঘুগুলা, *s.* পচা ধূলা, খেৰ আদিৰ ধূলা, a small bit, a particle, a mite.

ঘুগুলিকথা, *s.* ফটাকঁথা, a quilt or covering made of old pieces of cloth stitched together.

ঘুঙ্গুৰ, *s.* উদ্‌কাই, দিঘি বজা কফ ৰোগ, the asthma.

ঘুঙ্গুৰিয়া, *a.* ঘুঙ্গুৰ ৰুগিয়া, asthmatic.

ঘুটমুট, ঘুটমুটিয়া, *a.* সমান জোখৰ, মানি, দৰ দিঘল বা চুটি নহই, well proportioned, comely.

ঘুটুৰমুটুৰ, *a.* চুটিচাপৰ, লনি, small and short, well proportioned.

ঘুন, *s.* কাঠ বাঁহত ধৰা পোক, অঙ্গহিন, ছিদ্ৰ থকা, a small destructive insect that bores timber &c. *a.* broken, defaced, bored.

ঘুনগুৰি, *s.* ঘুনে খোআ গুৰি, the dust made by the above insect.

ঘুনিয়া, *a.* ঘুন হোআ, হাত ভৰি আদি খুন হৈ চিন থকা, ছিদ্ৰ থকা, pierced, bored, defaced, disgraced, crippled.

ঘুনুক ঘানাক, *s.* সাহসেস নুসুনা খবৰ, ঘানাক ঘুনুক, কৰ্ণাত কনি, an uncertain report, vague rumor.

ঘুনুচা, *s.* জগনাথৰ এজনা ভাৰ্য্যা, কঁকালত পিন্ধা জৰি এবিধ, the name of one of the wives of Juggernath, an ornamented cord worn about the loins.

ঘুনেখোআ, *a.* ঘুনলগা বস্তু, bored by insects.

ঘুপঘুপিআ, *a.* অতিসই নেদেখা, ঘোৰাল, extreme, very, generally applied to darkness as ঘুপঘুপিয়া এন্ধাৰ, dense darkness.

ঘুপিয়া, *a.* আলি আদিৰ মেচ লোআ, বেঁকা, চুক সোমোআ, curving inward as of a road or river, deep set, as eyes in the head.

ঘুপুৰাই, *ad.* বেগেতিলৈ, হঠাত, suddenly, immediately.

ঘুম, *s.* মুৰে গাই ঢাকি কাপৰ লোআ, বৰ তোপৰ নিচিনা সবদ উঠা, enveloping the head and body with a cloth; some distant sound.

ঘুমটি, *s.* টোপনি, নিদ্রা, এবিধ কাপৰ, sleep, drowsiness, a kind of cloth.

ঘুমনি, *s.* ভাবনি, চিন্তিনি, abstractedness, being lost in thought.

ঘুঁমাই, *v.* সুই, টোপনিয়াই, মন মাৰি থকা, to sleep, to be abstracted or lost in thought.

ঘুমুৰ, *s.* উদফাই, হাঁইফাই, অব্যক্ত বৰ সবদ, the asthma, a distant sound.

ঘুমুৰাই, *ad.* বেগতিলৈ, হঠাত, ততখনাত, quickly, immediately.

ঘুমুৰিয়া, *a.* ঘুমুৰে ধৰা, asthmatic.

ঘুমুহাই, *ad.* ঘপুৰাই, গিৰিনাই, বেগতে, suddenly, unexpectedly.

ঘুৰঘুৰনি, *s.* গাঁৰি আদি জোআৰ সব্দ, any rolling rumbling sound.

ঘুৰন, *s.* ঘুৰনিয়া গতি, পাক, ঘুৰি অহা, দুৰ, বেকা, a circuit, a whirling, the motion of a body on its axis or center; *a.* circuitous, round about, indirect.

ঘুৰনিয়া, *a.* চুক নথকা, গোল, circuitous, round, circular.

ঘুৰাই, *v.* মেৰাই, পাক দি লুটিয়াই, to wind around, to twist, to whirl, to turn about; with অনা, to bring back, to turn back.

ঘুৰাই পকাই, *v.* ঘুৰিপকি, লুটিয়াই বগৰাই, to turn from a straight line, to wind or turn in a course or passage, to go in a zig zag course.

ঘুৰি, *v.* উভতি বা পাক দি, জেমা বা গন, to turn back, to revolve, to move round a center; *s.* a garment worn by females, a gown.

ঘুৰিয়া, *s.* কাপৰ আঁঠুআৰ দৰে তৰা, a cloth used as a temporary musquito curtain.

ঘুৰুআ, *a.* ওভোতোআ, পাক দিয়া, পালটোআ, turned, altered, reformed.

ঘুৰ্ঘুৰি, *s.* চকৰি, দুআৰৰ তলত দিয়া চুঙ্গা, ধঁপাত খোআ পাত্র বিসেস, a wheel, a joint of bamboo used as a socket in which a mat door revolves; a *hooka* or apparatus for smoking.

ঘুৰ্ন, *a.* ঘুৰি থকা, ভ্রমি, whirling, turning, revolving.

ঘুৰ্ন বায়ু, *s.* ঘুৰনি বায়ু, বামাৰলি, a whirlwind.

ঘুৰ্নায়মান, *a.* বৰকৈ ঘুৰি থকা, whirling, rapidly revolving.

ঘুলা, *s.* পচা খেৰ আদিৰ ধুনা, ধান্যাদি সস্যৰ মলি, the chaff or dust of grain, anything light and worthless.

ঘুলি, *s.* মঁহ আদি পৰি থকা গাঁত, নৈৰ ঘুপিয়া দ ঠাই, ঘোল কৰি, মিহলাই, a place of mud and water where buffaloes and other animals wallow, a harbor; *v.* to stir up, to make muddy.

ঘেও, *s.* জতৰত এবেলি হাত দাঙ্গি সুতা কটা, an arm's length of thread in spinning.

ঘেঁচ, *s.* মনিৰ খন্দা, দাই, চিদ্র, a division in a string of beads, a fault.

ঘেচাল, } *s.* আমনি, খচনি, একে কথাকে ঘনেকৈ থকা, annoyance,
ঘেঁচালনি, } trouble, importunity.

ঘেঁচালি, *v.* খচি, আমনি কৰি, to tease, to worry by importunity.

ঘেঁতা, *s.* গায়নে একেবাৰে তাল খোল বজোআ, the simultaneous striking of musical instruments.

ঘেঁহনি, *s.* মৰন সময়ত ডিঙ্গিএৰে কৰা সব্দ, the death rattle.

ঘেঁহাই, *v.* ডিঙ্গিৰে সব্দ কৰি, ঠিককৈ ইচা অনিচা প্রকাস নকৰা, to rattle in the throat as when dying; to speak indefinitely.

ঘেঁহু, *s.* এবিধ ধান, wheat.

ঘেঁহোআ, *s.* দিবলৈ বা কৰিবলৈ টান ধৰা, খেবোগেবো কৰা, a reluctance to do or to give, hesitation, indecision.

ঘেকেচ, *s.* বাধা, খতৰ খোআ, দাই দোস, an obstacle, a hindrance, a fault; speaking in a cautious manner.

ঘেকেটমেকেট, *a.* খেটেংমেটেং, কৰিবলৈ টান, difficult to do or to perform, perplexing, trying.

ঘেকেটা, *a.* বেয়া, ঘিন লগা, bad, hateful, despicable.

ঘেকেটা খোআ, *a.* অনেক ঠাইত বাগৰি অহা, passed around from place to place and rejected.

ঘেকেৰ, *s.* একে কোবে কটা বা কামোৰা, one stroke, one bite.

ঘেকেৰাই, *ad.* একে কোবেই, খচৰাই, cut or bitten at once.

ঘেকেটিয়া, *a.* ঘোকোটত থকা, কৰিবলৈ টান, troublesome, difficult.

ঘেঙ্গ, *s.* কুকুৰৰ হেঙ্গনি, কুকুৰে কেঙ্গকৈ উঠা, the yelp of a dog.

ঘেঙ্গোআ, *s.* গোঁজধ্বনি মৰা, জিবা উলিয়াই লেলোআ, the act of snarling, growling, lolling.

ঘেঙ্গাই, *v.* গৰু কুকুৰ আদিএ জিবা উলিয়াই লেলাই থকা, to loll, to to thrust out the tongue, as a dog, from heat or exertion.

ঘেট্‌মেট্‌, *a.* খেটেংমেটেং, কৰিবলৈ টান, difficult, perplexing.

ঘেতোআ, *s.* লাভ কৰা, ঘাত মৰা, finding, obtaining, the striking together as of musical instruments.

ঘেদ, } *s.* গেদ, মলি, the settlings, lees, dregs, roiled water.
ঘেদনি, }

ঘেদঘেদিয়া, *a.* ঘেলঘেলিয়া, ঘোদনি, মলিন, roiled, mixed with impurities.

ঘেদালি, *v.* ঘোল্ল কৰি, বোকা কৰি, to roil, to stir up, to make muddy.

ঘেনেকা, *a.* বোকা কৰা, ফেনেকা, muddy, roiled.

ঘেনেকি, *v.* ফেনেকি, খচি, ভালকৈ বিচাৰি, to make muddy by treading, to search carefully.

ঘেঁৰ, *a.* বহুত, ঢেঁৰ, অনেক, much, many, abundant.

ঘেৰ্ঘেৰনি, *s.* ফফ্‌জুক্‌ সব্দ, the sound of wheezing or of snoring.

ঘেৰ্ঘেৰাই, *v.* ডিঙ্গি বজাই, টোপনিত নাক বজাই, to wheeze, to snore.

ঘেলঘেলিয়া, *a.* বৰকৈ পকা, বোকা জেন জোল্ল, over ripe, suppurated, of thick consistence.

ঘেলনি, *s.* ঘেদনি, তলত পৰা বোকা, the settlings, dregs.

ঘেলাই, *v.* ধুন মাৰি ফুৰা, to strut, to walk with affected dignity.

ঘেলেঙ্গঘেটেং, *s.* পানি গাখিৰ আদি জোকাৰ খাই জোআ সব্দ, ঘটং মটং সব্দ, the sound of fluids shaken in a vessel.

ঘৈনি, } *s.* গিৰিহিনি, ভাৰ্য্যা, তিৰোতা, wife, a housewife.
ঘৈনিএক, }

ঘৈয়াই, *v.* ঘামাৰি, কুবিয়াই, to cut, to slash, to hack, to knock.

ঘোঁকা, *s.* গাঁত কৈ অনা, হাতেৰে সোপা মাৰি অনা, a hollow made by digging or scooping out.

ঘোঁকাজালি, *s.* ঘোঁকা ঘোঁকেনিয়া, চল পাই দঁমাদঁমে নিয়া, scooping out handful by handful by stealth.

ঘোঁকাঘোঁক, *ad.* খামোচা খামোচ, handful by handful.

ঘোঁকোটা মৰা, *s.* হাতৰ আঙ্গুলিৰে খোচ মৰা, a thrust with the finger.

ঘোঁৰা, *s.* ঘোটক, a horse.

ঘোঁৰা চোআ, *s.* ঘোৰা ৰখিয়া, চহিচ, a horse keeper, a groom.

ঘোঁৰা সাল, *s.* ঘোঁৰা বন্ধা ঠাই, ঘোৰা ঘৰ, a horse stable.

ঘোঁকট, *a.* খোচৰ, আচল, ঘেকেটিয়া, puzzling, difficult, abstruse.

ঘোকট মাকট, *a.* বৰ জঞ্জাল, কৰিবলৈ টান, inconvenient, intricate.

ঘোকোচ, ঘোকোচা, *s.* কথাত আঁৰ লগা, চিদ্ৰ লগা, the committing an offence in speaking, a fault, misdemeanor.

ঘোকোটা, *a.* বেয়া, নিচই সৰু, mean, small.

ঘোকোটানি, *s.* জাবৰনি, আওটনি, আচন ঠাই, a filthy place, a labyrinth, an intricate place, entanglement.

ঘোকোৰ কন্দনি, *s.* উধমুধ নেচাই কৰা, acting without regard to consequences.

ঘোগ, *s.* নৈৰ কুৰ, ঘোলোং, a very deep place in a river.

ঘোগা, *s.* পানি লাগি মাত ভালকৈ নুফুটা, মাচ আদি থকা ঘোলোং, hoarseness; a deep place where shoals of fish &c. are found.

ঘোগোলা, *a.* ভাগি উঅলি জোআ, লাজ গুচা, broken, old, shameless.

ঘোঙ, *s.* বাঘৰ নিচিনা এবিধ কঁলা জন্তু, a wild beast little known but said to be black and to resemble the tiger.

ঘোচাম, *s.* মায়া মোহ, চোআ গচৰ মুত, মেলিব নোঅৰা গাঁঠি, কলগুহ, worldly illusion, a dilemma, a gordian knot.

ঘোচামৰ জৰি, *s.* চোআ মুতৰ জৰি, চিঙিব নোঅৰা খোবোচা জৰি, বিবাহ সম্পৰ্কিয় বান্ধ, an indissoluble bond, the matrimonial tie.

ঘোচোঙ, ঘোচোঙা, *a.* সকত, ডাঙৰ, large, stout.

ঘোটক, *s.* ঘোঁৰা, a horse.

ঘোটঘোট, *s.* পানি আদি পিয়াৰ শব্দ, the noise of swallowing liquids.

ঘোটন, *s.* ঘোঁটা, মন্থন কৰা, the act of churning, stirring or agitating.

ঘোটনা, *s.* পিহনা, পিহা বা মথা পাত্ৰ, a mortar, any instrument for grinding substances.

ঘোটনি, *s* ঘোঁটা মাৰি, a pestle.

ঘোটা, *a.* পিহা, মথন কৰা, ground in a mortar, rubbed, stirred up.

ঘোদনি, *a.* বোকা উঠা, ঘোলা, mixed with sediment, roiled, filthy.

ঘোপ, *s.* গুপুত ঠাই, ঘুলি, হঠাত নোপোআ ঠাই, a secluded place, the socket of the eye, a place difficult of ingress or egress.

ঘোপমৰা, *a.* বৰ এন্ধাৰ, বাট নাইকিয়াকৈ বেৰ দিয়া, মেঘে ঢকা, enshrouded, closed in on all sides, overshadowed, gloomy.

ঘোপা, *a.* কোটৰত সোমোআ, বৰ দ, sunken, deep.

ঘোপাচকুআ, *a.* সোমোআ চকুআ, sunken eyed or deep set in the head.

ঘোৰ, *a.* ভয়ানক, ভই লগা, বৰ, অতিসই, এন্ধাৰময়, terrible, dreadful, horrible, formidable, dark, gloomy; with খাই, to bend, to curve.

ঘোৰখোআ, *a.* বেঁকা হোআ, দোঁখোআ, bent, curved, bowed.

ঘোৰঘোৰাই, *v.* টোপনিত ডিঙ্গি বজাই, মেকুৰিএ ডিঙ্গি বজাই, to snore, to purr as a cat.

ঘোৰতৰ, *a.* বৰ ভয়ানক, অতি ভয়ঙ্কৰ, very large; *ad.* exceedingly.

ঘোৰদ্রিষ্টি, *s.* ভয়ানক দ্রিষ্টি, বৰ খঙ্গেৰে চোআ, a stern angry look.

ঘোৰমুর্ত্তি, *a.* ভয়ানক আক্রিতি, terrible in shape or aspect.

ঘোৰাই, *v.* মেৰখুআই, ভিৰাই, to bend, to curve, to turn about.

ঘোল, *s.* মাখন লোআ দৈ গাখিৰৰ তলনি, তক্র, buttermilk, a mixture of buttermilk and water.

ঘোলঘুলিয়া, *a.* বৰকৈ পকা, over ripe.

ঘোলনি, *s.* গুৰ ঘোলা কাঠৰ পাত্র, a trough, a vat, a boat-shaped vessel into which hot syrrup is poured after boiling.

ঘোলা, *a.* কনি আদি গেলা, বোকাৰে মিহলি পানি, rotten, muddy.

ঘোলোঙ্, *s.* নৈৰ ডুবি, দ পাত্র, a deep place in a river.

ঘোস, *s.* সব্দ, ধ্বনি, দোস, গুআল জাতি, a sound, a cry, a proclamation, a loud muttering sound as of thunder.

ঘোসক, *s.* দোস দিওতা, প্রকাসক, one who proclaims or publishes a matter, a public crier, a preacher.

ঘোসনা, *s.* সকলোকে জনোৱা, ৰটনি, প্রচাৰ কৰা কথা, a proclamation, a public statement, a sermon.

ঘোসা, *s.* ঘোসনা কৰা, নামৰ এক পুথি, পদৰ চন্দ বিসেস, the act of proclaiming &c. a shaster of the *Maha Puruhia* sect.

ঘৌ ঘৌ, } *s.* বৰ টান, powerful, strong, violent.
ঘৌঘৌআ, }

ঘৌঘৌ কৰে, *a.* বৰকৈ, টানকৈ, কোৰেৰে, strong, violently, powerfully.

ঘ্রান, *s.* গোন্ধ, বাচ উঠা, fragrance, smell, perfume; with কৰি, to smell.

ঘ্রানেন্দ্রিয়, *s.* নাক, the sense of smell.

ঘ্রিত, *s.* ঘিঙ, butter.

ঘ্রিনা, *s.* ঘিন, বিকচিনা, hate, hatred, ill will.

## ঙ,

ঙকাৰ, the nasal *ng*, usually expressed by the compound character ঙ্গ ng, (ঙ and গ,) equivalent to *n* in *wink* or *ng* in *sing*. In cases where this letter requires the mark ( ্ ) underneath, it is written ঙ্. It never begins an Assamese word, as is often the case in the Singpho and other dialects; and is seldom used except when compounded with another letter.

চ,

চকাৰ, চই, চগোট, চটা, this letter corresponds with the English *s*. Placed before a noun it is used as a numeral prefix, meaning six; as চ, ন six hundred; চ কুৰি, six twenties; চ গোট বা চটা, six things.

চই, *a.* চটা, চগোট, আসঙ্কা, six.

চইতান, *s.* মহা সত্ৰু, পতিত প্ৰধান দুত, ভূতৰ ৰজা, পৰিখ্যা কৰোঁতা, an adversary, Satan, the devil or prince of darkness.

চই দেখা, *s.* সংসই, মিচা মন, অবিশ্বাস কৰা, doubt, mistrust, suspicion, lack of confidence.

চঁক, *s.* অকস্মাত ভই, উচাব খোআ, sudden terror, fright.

চঁক ধৰা, *s.* জন্তু আদিএ ভই খাই বৈ থকা, the being petrified with fear.

চঁক, *a.* ভই খোআ, frightened, startled, terror stricken.

চঁকি, *v.* চঁক খাই, ভই খাই, to be terror stricken, to be overpowered by fear.

চঁচ, *a.* সমান, সিতল, চচঁালি, উকা, even, level, smooth; *s.* long strips of bamboo strung together.

চঁচল, *a.* চঞ্চল, সমান, অকপটি, smooth, level, sincere, guileless.

চচা, *a.* কাঠ বাঁহ আদি সিতল কৰা, smoothed, evened; *s.* the act of smoothing with a plane, adz or other instrument.

চঁচালি, *s.* গেঠা কামি, চঁচ, long strips of split bamboo strung together.

চপা, *s.* চম্পা. সুগন্ধি ফুল এবিধ, a tree bearing fragrant yellow flowers.

চঁকল, *a.* ডব ডেকা, উঠি অহা, সুঅনি, grown up, beautiful, ruddy, fair.

চঁয়া, *s.* তিৰোতাই পিন্ধা ঘূৰি, চাঁ, মায়া, a petticoat, a shadow.

চয়া পুতলা, *s.* চাঁয়া বাজি, চকুৰ পুতলা, a picture cast upon the side of a wall or sheet, a panorama.

চঁয়া ময়া, *s.* দেখা নেদেখা, অলপৈক দেখা, a mere glance, a partial view.

চঁৰাল, *s.* চাণ্ডাল, অতি নিহ জাতি, an outcast, the lowest of the mixed tribes, born from a *soodra* father and brahmin mother.

চক, *s.* গাৰুৰ মুৰৰ তলা, বস্তু ভৰোআ, বাঁহৰ পাত্ৰ, the embroidered end of a pillow, a kind of basket.

চক্চক কৰে, *ad.* বৰ সোআদ, অতিসই, very juicy, very sweet, exceedingly, very.

চক্চকিয়া, *a.* জিলিকনি উঠা, অতি সোআদ বা আনন্দ দিওঁতা, bright, glittering, shining, delicious, exquisite, pleasurable.

চকঠিয়া, *a.* বাবে হতিয়া, চকাঠিৰ পৰিমান, তিনি সেৰিয়া, six yards in length; holding three seers dry measure.

চক্মক খাই, *v.* উচাব খাই টোপনিৰ পৰা উঠা, to start in sleep, to twitch, to make a sudden motion of the body from alarm.

চক্মকাই, *v.* তৰ্বৰাই, জিলিকি, to burst suddenly forth as a a flash of lightning, to glitter, to sparkle.

চক্মকিয়া, *a.* জিলিকনি উঠা, উজল, bright, shining, sparkling.

চকৰ, *s.* গাত থকা ঘুৰনিয়া চিন, চক্র, a round spot or figure on the body, (as on a snake,) a circle, a wheel.

চকৰা, *s.* এবিধ মুগাৰ মতা পখিলা, the butterfly produced from the chrysalides of the silk worm.

চকৰি, *s.* এবিধ মুগাৰ মাইকি পখিলা, চক্র, ঘিলা, the female of the above; a wheel.

চকল, চকলা, } *s.* পাতল বা ঘুৰনিয়া খুঁতুৰা, a slice, a round thin bit of anything.

চকলাচকল, *s.* পাতল পতহা, গাত ঘুৰনিয়া ঘুৰনিয়া হৈ অলপ উখহি উঠা, blotches or slight swellings in patches covering the body.

চকলা টেঙ্গা, *s.* এবিধ টেঙ্গাৰ নাম, an acid fruit.

চকলিয়া, *a.* চেপেটা ঘুৰনিয়া বা ডুখৰিয়া, round and thin.

চকলিয়াই, *v.* পাতলকৈ ডোখৰ ডোখৰকৈ কাটি, পতহিয়াই, to cut in round thin slices.

চকা, *a.* চাকি নির্মল কৰা, নিভাঁজ কৰোঁআ, সোআদ চোআ, পদুমৰ চাক, আঙ্গঠি আদিৰ ওপৰৰ মেৰ, refined, strained, filtered, tasted; *s.* the seed vessel of the water lily; the signet of a ring.

চকাই, *v.* সোআদ চোআই নিভাঁজ কৰাই, চাকনিৰে চাকি, to cause to refine, to taste or to strain.

চকাচন্দা, *a.* ভালকৈ নেদেখা, চকামকা, having only a partial view or a mere glance.

চকা জোআ, *a.* চঁহা জোআ, চকু আদি জুইত ফুটি তলি এৰোআ, flaked off, falling off in scales.

চকামকা, *a.* অলপকৈ দেখা, মুনিচুনি বেলা, dusky, obscure, applied to the evening, twilight.

চকাৰ, *s.* চ বর্ন, the letter চ.

চকাৰবকাৰ, *s.* কাৰো একো ভাল বেয়া কোআ, (with a negative) not saying anything either good or bad of a person.

চকাহ, *s.* অৱসৰ, বতৰ দঙ্গা, বৰখুন আনিবলৈ এবি হঁদ দিব খোজা, rest, cessation, alternation, as from rainy to fair weather or from sickness to health.

চকি, *s.* বহা পিৰা এবিধ, মাচিয়া, ৰজা গৰৰ চাৰি আলি আদিত পৰ দি থকা ঠাই, a chair, a place where a sentry is stationed.

চকিদাৰ, *s.* পৰ দিয়া মানুহ, পৰিয়া, ৰখিয়া, a guard, a watchman.

চকি পিৰা, *s.* চকি, খুঁৰা লগা পিৰা বিসেস, a stool, a bench.

চকিয়াল, *a.* বাঁজ চকিত থকা মানুহ, চকিদাৰ, relating to a sentry.

চকু, *s.* নেত্ৰ, নয়ন, দৰ্শনেন্দ্ৰিয়, দিৃষ্টি, চকু বাঁহ আদিৰ গাঁঠি, the eye-sight, a knot or part of a tree where a branch shoots out, the protuberant bud of a plant.

চকুআ, *a.* চকু থকা, গঁঠিয়া কাঠ বাঁহ আদি, having eyes, knotty.

চকুকোত, *s.* চকুৰ ৰোগ বিসেস, a disease of the eye.

চকুচকু, *a.* সৰু সৰু, very small.

চকু পকোআ, *s.* খংেৰে চকু পকাই থকা, a surly look of displeasure.

চকু পোৰা, *s.* চকু চৰহা, পৰৰ শ্ৰী দেখিব নোআৰা, খিয়লিয়া, looking with envy on the prosperity of another; *a.* envious.

চকুৰ পানি, *s.* চকুৰ লো, লোতক, a tear, tears.

চকুৰ মনি, *s.* চকুৰ পুতলি, চকুৰ তৰা, the pupil of the eye.

চকু ৰোআ, *a.* বৰ সুন্দৰ, চাই থাকিবৰ মন গোআ, চকু লগা, fascinated, charmed, entranced by the sight.

চকু লগা, *a.* মনোহৰ, অতি সুন্দৰ, pleasing to the eye, beautiful.

চকোআ, *s.* টাটি, বাঁজ বেৰ, জলপনিয়া চাউল এবিধ, a fence, a species of rice that is eaten uncooked.

চকোলা, *a.* উঠি লৰি ফুৰিব নোআৰা, unable to rise or move about.

চক্ৰ, *s.* অস্ত্ৰ বিসেস, গাঁৰিৰ ঘিলা, চাক, মণ্ডল, বিষ্ণুৰ হাতৰ অস্ত্ৰ, the discus or weapon of Vishnoo, a circle, a wheel, the convolutions in the Halograin or sacred stone of the Hindoos.

চক্ৰগতি, *s.* ঘূৰি ফুৰা, চাক পতা, ঘূৰনিয়া গতি, revolving round a center or on an axis, a whirl.

চক্ৰপানি, *s.* চক্ৰ হাতত থকা, বিষ্ণু, Vishnoo the wielder of the discus.

চক্ৰবাক, *s.* হাঁহৰ নিচিনা চাকৈচকোআ চৰাই এবিধ, the ruddy goose (anas casarca) called the Brahmani duck, said to have received the curse of Ram, not to produce more than two young in twelve years.

চক্ৰবান, *s.* বাঁহৰ চাক কৰি ঘূৰাই মৰা খাৰ বাজি বিসেস, a bamboo wheel made to revolve by the ignition of gunpowder.

চক্ৰাকাৰ, } *a.* চক্ৰৰ নিচিনা, ঘূৰনিয়া, circular, round, of the shape
চক্ৰাকৃতি, } of a wheel or discus.

চখু, *s.* চক্ষু, চকু, লোচন, the organ of vision, sight.

চখুগোচৰ, *a.* চক্ষুৰ্গোচৰ, চকুৰে দেখা, দেখিব পৰা, within seeing distance, *s.* an object of sight.

চখুপাত, *s.* চকু পৰা, চকু দিয়া, fastening the eye upon, looking.

চখুৰ্জল, *s.* চকুৰ লোতক, tears.

চগা, *s.* এবিধ উৰি ফুৰা দুৰ্গন্ধিয়া পোক, a flying insect of offensive smell.

চগা চোৰোকা, *a.* কেতিয়াবা কেতিয়াবা, মাজে মাজে, sometimes, seldom, at intervals, here and there, now and then.

চঙ্গ, *s.* খোপা বন্ধা চিগা চুলিৰ মুঠা, চেঙ্গ, false hair.

চঞ্চনিয়া, *a.* বেগতে ফটা বা ভগা, চনকা, easily broken, brittle, frail.

চঞ্চল, *a.* অকপট, সৰল, অকুটিল, sincere, honest, without hypocrisy.

চঞ্চাপ, *s.* চোলা আদিৰ দাঁতিত লগোআ, টেৰেচিয়াকৈ কটা কাপৰ, the facing of a garment.

চট, *s.* মৰাপাটৰ বোআ থৈলা, নৈৰ অলপ তল জোআ বালি, sackcloth, a sandbar.

চট্চটনি, *s.* ধৰফৰনি, কাঠৰ জুই আদিৰ সব্দ, ফট্ফটনি, a flapping, floundering as a fish out of water, a crackling rustling sound.

চট্চটাই, *v.* ধৰফৰাই, ডেওপাৰি, ফট্ফটাই, to flounder, to pop.

চট্চটিয়া, *a.* ধুমধুমাই ফুৰা, ডেওপাৰি ফুৰা, fluttering, hopping about.

চট্পহৰ, *s.* ধল পহৰ, ৰাতি পুআই অহা, the early dawn, day-break.

চট্ফটাই, *v.* চাটিফুটি কৰি, ধৰফৰাই, to flounder, to hop about, to struggle as in the agony of death.

চট্ফটিয়া, *a.* ডেওপাৰি ফুৰা, restless, uneasy, hopping about, bustling.

চটা, *a.* চই গোট, মেৰাই বন্ধা বা গোঁঠা, চাউল আদি কাঁৰি নিকা কৰা, কোনো সব্দৰ পাচত বেৱহাৰ কৰিলে চটা বুজাই, six, wound about, girt, cleared, cleaned; an affix denoting anything flat or extended, as পাত চটা, সিল চটা, a board &c.

চটাই, *v.* আপোন বৰ্হাই কৰা, গৰ্ব কৰি, to be proud or conceited.

চটাই চৰা, *s.* বাঁহৰ বহা আসন বিসেস, a bamboo seat, a sitting mat.

চটাক, *s.* পাঁচ টকা, পাঁচ তোলা, the weight of five rupees or two ounces avoirdupois, the sixteenth part of a seer.

চট্চট, *a.* ফালফাল, চলাচল, দিঘল চেপেটাচেপেট, long and thin; *s.* a slit.

চটিওআ, *s.* চাটি মৰা, সিঁচি দিয়া, sprinkling, sowing broadcast.

চটিয়াচটি, *s.* ইটে সিটে চটিওআ, সিচাসিচি, to sprinkle or dash water on each other.

চণ্ডি, *s.* এক সাস্ত্ৰ, দুৰ্গাৰ এক নাম, the name of a shaster; Doorga.

চত, *s.* দ্বাদস মাহ, বসন্তৰ প্ৰথম মাহ, the twelfth month, corresponding to part of March and April.

চত, *a.* অধিন, তলপিয়া, subject to, dependent.

চতৰতাই, *v.* মিচাই সঁচাই কোআ, চেল্বেলাই, to talk at random, to prate.

চতৰতিয়া, *a.* মিচাই সঁচাই কোআ, ধূৰ্ত্ত, চেল্বেলিআ, garulous, cunning.

চতৰবতৰ, *a.* লআলপা, অঠিক কথা কোআ, চেল্চেলোআ, deceitful, talking regardless of truth.

চতহ, *s.* স্বাধিন, আপোন অধিন, স্বতন্ত্ৰ, independence; with কাল, a period of peace and tranquility.

চতা, *s.* খাৰ জহোআ পাত্ৰ, খাৰনি সতা, an earthern leach for making lye.

চতি, *s.* খুঁটাৰ ওপৰত পথালিকৈ দিয়া ডাঙ্গ বিসেস, a beam, a support of a roof or any superstructure.

চতিয়না, *s.* এবিধ গচ, a species of tree.

চতুৰ, *a.* কথা জনা, চৈমৰ, shrewdness, cunning, sharpness.

চতুৰালি, *a.* চৈমৰালি, বুধিয়ক, cunning, shrewd.

চতুৰ্থ, *a.* চাৰিৰ সেখ, the fourth.

চতুৰ্থি, *s.* জোনৰ চাৰি দিন, তিথি বিসেস, the fourth day of a lunar month, a certain festival.

চতুৰ্দস, *a.* চৈধ্য, চাৰি অধিক দহ, the fourteenth.

চতুৰ্দসি, *s.* চন্দ্ৰৰ চৈধ্য দিন, তিথি বিসেস, the fourteenth day of a lunar month.

চতুৰ্দিস, *s.* চাৰি দিস, চৌদিস, the four cardinal points.

চতুৰ্পাস, *a.* চাৰিও ফাল, চৌমেৰ, all sides, all around.

চতুৰ্বৰ্গ, *s.* ধৰ্ম্ম, অৰ্থ, কাম, মোখ্য, the four objects of human pursuit, said to be sensual enjoyment, wealth, virtue, and final beatitude.

চতুৰ্বৰ্নিয়া, *a.* চাৰি জতিয়া, চাৰি বৰনিয়া, relating to the four principal castes; the four principal colors, white, black, blue and red.

চতুৰ্ভুজ, *a.* চাৰি হতিয়া, বিষ্ণুৰ এক নাম, four armed, as Vishnoo.

চতুস্কোনি, *a.* চাৰি চুকিয়া, quadrangular, four cornered.

চতুস্পাদ, *a.* চাই ঠেঙ্গিয়া four footed, quadruped.

চত্ৰ, *s.* চাতি, an umbrella.

চত্ৰধৰ, *s.* ৰজা, চাতি ধৰোঁতা, a king; (*lit.*) the carrier of an umbrella.

চত্ৰভঙ্গ, *s.* ৰজা ভগা, অৰাজ, the subversion of dominion, loss of empire.

চদকা, *a.* নিন্দিত, গৰ্হিয়া খাই ফুৰা, despicable, universally despised.

চন, *s.* নিৰ্জান ঠাই, মাচ মৰা জক বিসেস, a waste or desert place; a rope used to frighten fish into a net.

চনকা, *a.* বেগতে ভগা, brittle, easily broken.

চন্‌পৰা, *a.* চন হোঅা, খেতি দইন পৰা, fallow, lying waste; generally applied to land left unsowed after ploughing or without a crop.

চন্‌মুৰ, *s.* ধুম্‌ধুপাল, খৰলি পিটা, মুৰ কঁপাল ভুকুআই অতি বেজাৰ কৰা, worrying, fretting, irritation; storming about.

চন্তৰি, *s.* ৰখিয়া, পৰিয়া, a sentry, a guard, a watch.

চন্দ, *s.* শ্লোক, গৰ্হ, verse, poetry, poetic measure, shape, symmetry.

চন্দন, *s.* জাতিকাঠ আদি, sandal wood, several other kinds of fragrant wood are thus called.

চন্দনা, *s.* ৰঙ্গা আঁচ থকা ভাটৌ চৰাই, a species of parrot.

চন্দৰতাপ, *s.* চন্দ্ৰতাপ, ওপৰত অৰা কাপৰ, an awning, a canopy.

চন্দলা, *a.* ফেট্‌লেঙ্গা, বহল, বাও ভাগি মুকলি হোঅা, broken and flattened out, squat.

চন্দলাই, *s.* বাও ভগা খৰাহি আদি, to flatten out.

চন্দলিয়াই, *v.* ভাঙ্গি পেলাই, বখলিয়াই, to break down, to strip off.

চন্দা, *s.* মাচ এবিধ, ফেটলেঙ্গা, a species of fish; *a.* flat, as roof &c.

চন্দিয়াই, *v.* নেউঠিবলৈ কপাহ বাচি, to tear apart, to open out, as cotton preparatory to spinning.

চন্দুক, *s.* পেৰা, কাঠৰ ঢাকনি লগা পাত্ৰ বিসেস, a chest, a box.

চন্দুআ, *s.* লাজ পৰা, লজুআ, shame, mortification; *a.* mortified &c.

চন্দুআলি, *a.* মিচা হৈ লাজ পৰা, mortified by the exposure of one's own misdeeds.

চন্দোআৰ, *s.* চন্দ্ৰতাপ, ওপৰত তৰা কাপৰ, a canopy, an awning.

চন্দ্ৰ, *s.* জোন, চন্দ্ৰমা, the moon.

চন্দ্ৰকান্ত, *s.* এবিধ বহু মুলিয়া মনি, আচাম দেসৰ এক ৰজাৰ নাম, a precious stone, the chrysolite, the name of an Assam king.

চন্দ্ৰগ্ৰহন, *s.* প্ৰিথিবিৰ চাঁ চন্দ্ৰত পৰা, an eclipse of the moon.

চন্দ্ৰতাপ, *s.* চন্দোআৰ, an awning, a canopy.

চন্দ্ৰবদন, *a.* চন্দ্ৰৰ দৰে সুআঁনি মুখ, moon-faced, beautiful as the moon.

চন্দ্ৰবিন্দু, *s.* অনুনাসিক বৰ্ন, আখৰৰ ওপৰত (ঁ) এই ৰুপে লিখে, the nasal character, (ঁ).

চন্দ্ৰমণ্ডল, *s.* চন্দ্ৰৰ মেৰ বা মৰল, the lunar orb, the moon's disc.

চন্দ্ৰমা, *s.* জোন, চন্দ্ৰ, নিসাকৰ, নিসাপতি, the moon, the queen of night.

চন্দ্ৰমুখি, *a.* জোনমুই, সুমুখি, moon-faced, beautiful as the moon.

চন্দ্ৰহাৰ, *s.* এবিধ ডিঙ্গিৰ অলঙ্কাৰ, a kind of necklace.

চন্দ্ৰিকা, *s.* জোনাক, জোনৰ পহৰ, moonlight, moonshine.

চন্দ্রোদই, s. জোন ওলোৱা, চন্দ্র প্রকাশ, the rising of the moon.

চপ্‌চপ্‌, } s. পিয়াহ আদি চুপি খোৱাৰ শব্দ, the noise of sucking
চপ্‌চপনি, } or of drawing liquids into the mouth.

চপ্‌চপাই, v. চপ্‌চপ্‌ শব্দ কৰি খাই, to make a sound with the lips as when sucking or eating.

চপ্‌চপিয়া, a. পূৰ, ভৰা, মুখলৈকে হোৱা, full to the brim.

চপনিয়া, } a. পৰৰ ঘৰত চাপি থকা, ভাত কাপৰ আদিলৈ চাপি
চপনিয়াৰ, } থকা, লেনেদৰা, living in common at the house of another for food and clothes or in hope of marriage or gain.

চপৰা, s. ডোখৰ, ডুখৰিয়া মাটি, a clod, a clump or shapeless mass.

চপৰাই, v. দোঁআই, চাপৰ কৰি, নমাই, to bow, to bend the head, to lower, to let down.

চপৰাচপৰ, a. ডোখৰডোখৰ, দখলাদখল, in clods or pieces.

চপৰিওৱা, s. চাপৰি মৰা, থাপৰ মৰা, the act of clapping the hands, knocking or rapping at a door.

চপৰিয়াই, v. চাপৰ মাৰি, থপৰিয়াই, to clap the hands, to knock, to rap at a door for admittance.

চপা, a. লগলগা, গোট খোৱা, সাঁচত মৰা, ওচৰ হোৱা, assembled, collected together, printed, pressed.

চপাই, v. গোটাই, লগলগাই, আখৰ চপোৱা, to draw, to collect together, to approach, to print, to press, to stamp; with কাটি, to cut close to the ground.

চপাখানা, s. পুথি আদি আখৰ চপা জন্ত্রৰ ঘৰ, a printing office.

চপোৱা, a. গোটোৱা, লগলগোৱা, নামৰা, সাঁচত আখৰ মৰা, caused to be gathered together, pressed, printed or stamped.

চপিনা, } s. আগ্যা পত্র বিশেষ, ৰাজ মেললৈ সাখি অনা পত্র, a subpoena
চফিনা, } or writ, commanding presence in court.

চবি, s. লেখা মূর্তি, পদৰ চন্দ বিশেষ, a picture, a metrical measure.

চবিআই, v. নাও মাৰি, দঠা কোবাই, to strike with an oar or hoe or with the paw as a tiger.

চবিওৱা, s. দঠা কোবোৱা, ডাঁৱ মৰা, striking with an oar or hoe &c.

চভাও, s. স্বভাও, চৰিত্র, দস্তুৰ, disposition, quality, temper.

চমক, s. অকস্মাত জিলিকনি, ৰশ্মি, উচাৎ, a flash, a glance, a twinkling, a starting back from fear; with খাই, to start back &c.

চমকা, s. পাঁচো আঙুলি মেলা হাতৰ জোখ, a measure; as much as can be embraced by the hand with the fingers extended.

চমকিত, *a.* সচকিত, উচাৰ খোআ, হঠাত ভই খোআ, startled, smitten with sudden fear.

চম্‌চমনি, *s.* বুকু আদিত পিতৰ বেদনা, টেঙ্গা পানিৰ বেদনা, heartburn, a disorder of the stomach caused by bile or acidity.

চমটা, *s.* চালৰ চেপেটা চাবুক, a scourge, an instrument of punishment used by the Assam Kings.

চমটিয়াই, *v.* চমটাৰে মাৰি, to strike with the above instrument, to scourge.

চমত্‌কাৰ, *s.* দেখিবলৈ আচৰিত, বিস্মই, astonishment, surprise, amazement; *a.* wonderful, surprising, astonishing.

চমত্‌কৃত, *a.* চমত্‌কাৰ কৰা, আচৰিত, astonished, surprised, amazed.

চমন, *s.* তলব চিঠি, পদকিয়াক মতা ৰজাৰ আগ্যা পত্ৰ বা কোনো বিসয়ত মতা পত্ৰ, a summons or official notice to appear in court.

চমৰা, *s.* মচলাৰে গোঁৰাই শুকুউআ, চাল, a skin, a tanned hide, leather.

চমৰা মৰা, *s.* গোট বন্ধা, সুকুউআ, নিসন্ধি হৈ হোআ ঘা, skinned over, (as a healed wound or sore.)

চমহিয়া, *a.* চমাহত হোআ, চমাহ জোআ, চই সিকিয়া, done in six months, six months old, six *hikis* in weight or value.

চমাৰ, *s.* চুন বেচা মানুহ, মুচিয়াৰ, a dealer in lime, a tanner, a shoemaker.

চমু, *a.* ওচৰ, টাইতে, near, close at hand.

চমুআ, *s.* ৰজাই নখটোআ ধন নোলোআ এখেল লোক, a class in the days of the Assam Kings exempted from service and tribute.

চম্পক, }
চম্পা, } *s.* চঁপা, সুগন্ধি ফুল এবিধ, a species of yellow flower, the michelia champaca.

চম্বুক সিল, *s.* লো আকৰ্সন কৰা সিল এবিধ, loadstone.

চম্ভালি, *v.* ভাৰ গ্ৰহন কৰি, সামৰি, সতৰ্ক হৈ, to receive in charge, to preserve with care, to keep in safety.

চৰ, *s.* মুকলি হাতেৰে গালত মৰা, a slap on the cheek.

চৰগ, *s.* স্বৰ্গ, আকাস, heaven, the firmament.

চৰগ পৰা, *s.* ব্ৰজপাত হোআ, a stroke of lightning, a thunderbolt.

চৰঠ, *s.* নাৱৰ আগ গুৰি টিঙ্গৰ ওচৰত পাৰি দিয়া কাঠৰ পাট বা ফলিয়া বাঁহ, the flooring of the two ends of a boat beyond the cover on which the boat is worked.

চৰতিয়া, *s.* অনা, চাৰি পইচা, an anna.

চৰন, *s.* ভৰি, পদ, a foot, the feet, used figuratively for favor, protection.

চৰনামৃত, }
চৰনোদক, } *s.* গুৰুৰ ভৰি ধুউআ পানি, পাদোদক, পাদ জল, the water in which a brahmin or gooroo's foot has been washed.

চৰম, *s.* লাজ, স্রম, দুখ, shame, labor, fatigue.

চৰমা, } *s.* আই সকল পকি চোকোৰা এৰাই জোআ, the drying up
চৰমি, } of a sore and falling off of the scab.

চৰহা, *s.* মুখেৰে চৰহি খোআ, চোপা, the act of sucking or drawing into the mouth as fluids.

চৰহা মৰা, *s.* টান মাৰি ধৰা, নেবোআ, suction, sticking, adhering.

চৰহি, *v.* মুখেৰে চুহি, টানি ধৰি, to suck in with the mouth, to adhere by suction, to stick fast.

চৰা, *a.* বৰ্হা, অধিক, বজাৰ খেল নাও, exceeding in length, more than; *s.* a royal barge, a pleasure boat.

চৰাই, *s.* পখি, উৰন, চৰমাৰি, বৰ্হাই দি, ঘাঁহ আদি আহাৰ খুআই, a bird; *v.* to slap, to exceed, to drive to pasture, to feed.

চৰাঙ্গ চোআ, *s.* লুকাই দেস সৈন্য আদি চোআ দুত, গুপ্ত চৰ, চৰিয়া, a spy, a secret informer, an emissary.

চৰাচৰ, *a.* চলাচল, এই জগত, moveable and immovable, *i. e.* the world.

চৰি, *s.* নাও ঠেলা বাৰি বা লগি, বাৰ্হি, a setting pole used in propelling boats; *v.* to exceed, to pass beyond a line or limit.

চৰিত্ৰ, *s.* স্বভাও, নিতি, বেৱহাৰ, বিবৰন, natural disposition, manner, description, history.

চৰিয়া, *s.* মুখ আদি ধোআ পাত্ৰ, চৰাঙ্গ চোআ, a wash-bowl or basin, a spy, a secret informer.

চৰু, *s.* ভাত আদি ৰন্ধা মাটিৰ পাত্ৰ, an earthen cooking vessel.

চৰূপ, *a.* স্বৰূপ, সত্য, নিচই, true, real, exact, not imaginary or fictitious.

চৰূপে, *ad.* নিচয়ে, সত্যে, যথাৰ্থে, truly, certainly, in like manner.

চৰ্কাৰ, *s.* গৱৰ্নমেণ্ট, অধিকাৰ, government.

চৰ্কাৰি, *a.* গৱৰ্নমেণ্টৰ, গৱৰ্নমেণ্টৰ বা অধিকাৰৰ সম্বন্ধিয়, উমৈহতিয়া, relating to government, public, common to all.

চৰ্চৰনি, *s.* সুঁই লগা, উসাহ খুন্দা খোআ, চুঁচৰি জোআৰ সবদ, a choking, strangling, the noise of any thing being dragged.

চৰ্চৰিয়া, *a.* নিৰহ, নিৰহকৈ ভজা, dry, juiceless, dried up in cooking.

চৰ্চাকৰা, *s.* লোকৰ কথা উলিওআ, প্ৰস্তাও কৰা, আখ্যান কৰা, making others a subject of conversation, meddling &c.

চৰ্দাৰ, *s.* কাজ কাম চলাওঁতা প্ৰধান জন, অধিকাৰ, an overseer, a head-man, a chief, a chieftain.

চৰ্ধা, *s.* আন্তিক. প্ৰিতি, মৰম, স্ৰধা, reverence, love, respect.

চৰ্মচেদন, *s.* চুমি কৰা, circumcision.

চল, s. প্ৰবঞ্চনা, ফাঁকি, সুজোগ, উজু, a stratagem, a device, trick, pretence, artifice, fraud, forgery; a. easy to do.

চলকচৌ, s. অস্থিৰ, মন পাতল, unsteady, unstable, volatile.

চলকৰ, a. চলাচল, আয়াজাত, having intercourse.

চলম, s. কাচৰ পিঠিৰ ধাঁতিৰ কোমল ভাগ, the joining or soft part between the upper and lower shell of the turtle.

চলঙুআ পানি, s. ডৰাঙ্গ পানি, বাম পানি, shallow water.

চলচন্দ্ৰ, s. চল বুধি, ফাঁকিফুকা, intrigue, trickery.

চল্‌চল্‌ কৰে, ad. একে বেলিএ বাকি দিয়া, ৰুপৰ দৰে বগা, poured forth at once or abundantly, of silvery whiteness.

চল্‌চলিয়া, a. অধিকৈকৈ বাকি দিয়া, পানিৰে খাল বাম সমান হোআ, poured out to overflowing, of one even surface or expanse, silver-coloured, applied to water and to fish.

চলতি, a. চলা, প্ৰবৰ্ত্ত, চলন্তি, in common use, current, popular.

চলন, s. প্ৰবৰ্ত্তন, গমন, আচৰন, walk, conduct, custom, habitual practice.

চলনা, s. চল কৰা, ফাঁকি দিয়া, deception, trickery.

চলা, a. চলতি হোআ, গমন কৰা, ফাঁকি দিয়া, কোনো কথাৰ পাচত বেৱহাৰ কৰিলে চলা বুজাই, current, in common use, moved, tricked, deceived; as an affix, as বাঁহ চলা, (a bamboo.)

চলাই, v. প্ৰবৰ্ত্তাই, গমন কৰাই, সমান কৰি, চালনিৰে চলোআ, to cause to move or to do, to superintend, to manage, to sift.

চলাচল, a. জোআ অহা, আয়াজাত, চলতি, ফাল ফাল, going and coming, having intercourse, in common use, current, in slits or strips.

চলাহ, s. বুধি সিকোআ, লোভ দেখুঁউআ, the act of deceiving, misguiding, duping, tricking.

চলাহি, a. মিচা মহলা মাৰি ফুৰোঁতা, ফাঁকি দিওঁতা, tempting, misleading.

চলি, v. গতি কৰি, আচৰি, খৰিৰ সৰু চলা, to act, to go, to pursue a particular course of conduct; a. chip, a small bit of wood.

চলিত, a. চলন হোআ, চলা, moved, agitated, gone, current, customary.

চলিহা, s. চলিচা, প্ৰাই চলিচ বচৰ হোআত চকুএ ভালকৈ নেদেখা, আদহিয়া, উঁহচিয়া, impaired sight that generally comes at about forty years of age; a. dim-sighted, immature, not ripe.

চলিহা হবা, a. আদহিয়া মানুহৰ চকুএ ভালকৈ নমনা হোআ, dim-sighted.

চলু, s. হাতৰ ঠোলা, গণ্ডুস, a handful of water for rinsing the mouth.

চলে বলে, ad. চলেৰে বা বলেৰে, কোনো উপায়ে, by artifice or by strength, by any means whatever, somehow.

চলোপানি, } a. চলকটো, সঁচাই মিচাই কৈ কুবা, volatile, talkative,
চলোভলো, } garulous, speaking without regard to truth.

চৱাল, s. চাৱাল, সৰু লৰা, a child of four or five years of age.

চহকি, a. সামৰথ, ধনি, আঢ্যৱন্ত, জোৰস্তাৰ, rich, wealthy, opulent.

চহ দিয়া, s. কথা দিয়া, মিচা আসা দেখুউআ, finding out a secret by flattery or false promises, the holding out false inducements.

চহৰ, s. গ্ৰাম, বহ গাওঁ, a thickly settled place, a village.

চহৰিয়া, } s. চহৰত থকা মানুহ, a villager, an inhabitant of a thick-
চহকআ, } ly settled place.

চহল, a. ফুৰিবলৈ চল, সমান ঠাই, level, passable, easy of access.

চহলামহলা, s. চলবাদি, কাঁকিফুকা, টাটক নাটক, fraud, imposition.

চহা, a. নজনা, গঁয়া, হালোআ, unlearned, unpolished, rustic.

চহাই, v. ঠাই চাহ কৰি, খানিকুৰি, to till, to plough, to cultivate.

চহি, v. চাহ কৰি, আবাদ কৰি, বাই বা কুৰি, দস্কত বা হাতৰ লেখা, to cultivate, to till; s. a signature, a sign, a mark.

চহিচ, s. ঘোঁৰা চোআ, a groom, a horse keeper.

চহোআ, a. চাহ কৰা, খনা কোৰা, tilled, cultivated.

চাই, v. দেখি, দৰ্শন কৰি, ভস্ম, to see, to look; s. ashes.

চাইচিতি, v. বিবেচনা কৰি, আগ গুৰি চাই, to carefully observe.

চাইটা, a. চাৰি, চাৰিৰ লেখ, four.

চাইমাকটি, a. চাইচুই, চাই মাটি আদি বেয়া বস্তু, worthless, as ashes &c.

চাইমুআ, a. কলা মুখেৰে, বেজাৰ মুআ, fierce, cross or surly looking.

চাউডাঙ্গ, s. মানুহৰ প্ৰান দণ্ড কৰিবলৈ বজাই লোআ খেল এবিধ, a class appointed by the Assam Kings as public executioners.

চাউনি, s. সেনাৰ কোঁঠ, সৈন্য থকা ঠাই, a military camp, a barrack.

চাউল, s. তণ্ডুল, ধানৰ নাহ, rice, husked rice.

চাউল চুকুআ, s. জিবিকাৰ বা আয়ুস চুকুআ, the loss of means of support or the loss of life.

চাউল মৰা, s. জিবিকাৰ গুচা, without a living or means of support.

চাওনি, s. খেৰেৰে ঘৰ চোআ, the giving a coating of grass, thatching.

চাঁ, s. চায়া আঁৰ, বদ নপৰা, a shadow, a shade, darkness, obscurity.

চাঁচ, s. কাঠ চঁচা অস্ত্ৰ; চাঁচোন, a carpenter's adz.

চাঁচৰি, s. সঁচাই মিচাই কোআ, equivocation, speaking without strict regard to truth.

চাঁচি, v. মিহল কৰি, চাঁচন মাৰি, to shave, to hew, to smooth.

চাঁচোন, s. কাঠ চঁচা অস্ত্ৰ, চাঁচ, a carpenter's adz.

চঁাতকৰে, *ad.* অকস্মাত, বেগতে, at once, suddenly.

চঁাদ, *s.* চন্দ্ৰ, জোন, the moon.

চঁায়া, *s.* চাঁ, চিন মাত্ৰ, চাৰ নিচিন, a shade, a shadow, a type.

চাক, *s.* চক্ৰ, চকা, কুমাৰৰ কলহ আদি সজা চক্ৰ, a potter's wheel, a circle, a discus.

চাকচিকন, *a.* নিকা, পৰিষ্কাৰ, দেখিবলৈ ভাল, neat, tidy, particular as to personal appearance, beautiful.

চাকনি, *s.* চেৱা বস্তু, চকা পাত্ৰ বা মানুহ, one who tastes, a person appointed to taste of the King's food, a strainer.

চাকনৈয়া, *s.* সেঁাতত পানি ঘূৰি থকা, a whirlpool, an eddy.

চাকৰ, *s.* বেচলৈ কাম কৰা মানুহ, a servant, a hired domestic.

চাকৰি, *s.* বেচলৈ কৰা কাম, domestic service, business, employment.

চাকৰিয়া, *a.* চাকৰি কৰা, relating to service, doing service.

চাকলি, *s.* চকলিয়া, ডিঙ্গিৰ অলঙ্কাৰ, a flat circular body, a small round gold neck ornament worn by females.

চাকি, *v.* সোআদ চাই, প্ৰদিপ, দিপ জলোআ পাত্ৰ, বন্তি, ফুলৰ সৰু মালা, আঙ্গঠি আদিৰ ওপৰৰ চকা, to taste, to strain or filter; *s.* a lamp, the signet of a ring, an ornament of flowers.

চাকি চোআ, *s.* সোআদ চোআ, চেলেকি চোআ, testing by the taste.

চাকি পড়া, *s.* কাপৰত ঘূৰনিয়াকৈ ফুল তোলা, the inserting round figured flowers into the border of a cloth.

চাকৈ চকোআ, *s.* এবিধ বনৰিয়া চৰাই, a species of bird, the bartavelle or red-legged partridge.

চাগল, *s.* চাগ, মতা চাগ, a he-goat.

চাগলি, *s.* মাইকি চাগলি, a she-goat.

চাকৈ, *ad.* কিজানি, হবলা, জানোঁ, probably, perhaps, possibly.

চাঙ্গ, *s.* আটাল, পাভটি আদি চাঙ্গ, a platform, a scaffolding, a stage.

চাঙ্গ ঘৰ, *s.* চাঙ্গৰ ওপৰত সজা ঘৰ, a house with a raised floor.

চাঙ্গটি, *s.* সিংহাসন আদিৰ ওপৰত তৰা খলপিয়া চন্দ্ৰতাপ বিসেস, a royal canopy.

চাঙ্গমাই, *s.* ৰজাৰ ভাত ৰন্ধা লোক, men who prepare the king's food.

চাঙ্গি, *s* মাটি আদি কৰ্হিওআ পাত্ৰ, a contrivance for carrying earth &c. on the shoulders of two men.

চাঙ্গিন, } *s.* হিলৈৰ মুৰত লগোআ তিনি সিদিয়া অস্ত্ৰ, চাঙ্গেৰি, a bayonet.
চাঙ্গিৰি, }

চাঙ্গেৰি, *s.* বনৰিয়া টেঙ্গা সাক এবিধ, an acid esculent plant.

চাট, s. বাক আদিৰ কোব, চকা বা জল জোআ, অলপ চটিওআ, গুৰ ঘোলা মাৰি, গৰু ধুউআ হালধি আদি সিয়া জুৰিয়া সলা, a side blow, submerging, covering, overshadowing; a small quantity, a sprinkling, an implement for stirring treacle; a stick on which turmeric &c. are strung at the ceremony of washing cattle.

চাটন, s. এবিধ পাট কাপৰ, a kind of silk cloth, satin.

চাটনি, s. গোঁঠনি, খোআ বস্তু এবিধ, any kind of cane work, a kind of sauce, *chutney*.

চাটমৰা, s. ঢাক মৰা, ভৰি পৰা, পানিএ তল নিওআ, the act of submerging, filling to overflowing, covering; *a.* submerged &c.

চাটি, v. পানি চটিয়াই, কাপৰ চাটি মাৰি, ঢাকি, পাৰ বুৰি, মেৰাই গুঁঠি বা বান্ধি, to splash, to dash, to give a side blow, to envelope or hide from sight as a vine does a tree, to submerge, to girt, to wind round and round.

চাটিফুটি, s. ধৰফৰনি, ইচাটবিচাট, to toss about as when in distress.

চাটি মৰা, s. চটিওআ, নেজেৰে কোব মৰা, কাপৰ চাটি মৰা, the act of splashing or dashing water, striking with the tail, tossing the end of a cloth over the shoulder.

চাটু, s. ভাৰসা বা মুখ বখা, hope, expectation, distinction or deference.

চাটু নকৰা, s. ভাৰসা নকৰা, মুখ নৰখা, not having respect of persons.

চাতৰ, s. পৰ্হা লৰা, চাত্ৰ, a scholar, a pupil, a learner.

চাতৰসালি, s. পৰ্হাসালি, চাত্ৰসালি, a school-house, or place of instruction.

চাতি, s. চত্ৰ, an umbrella.

চাতুৰি, a. চতুৰালি, craftiness; *a.* artful, sly, roguish.

চাদ, s. সৰু লৰাৰ পিয়াহৰ বাঁতি, throwing up milk after nursing.

চাদৰ, s. চেলেঙ্গ কাপৰ, a shoulder cloth, a sheet.

চাদি, v. পিয়াহ বঁতিয়াই, to eject from the stomach, as nursing infants.

চান কৰ্হা, s. ভাগৰ অলপ কটা, filching, purloining, keeping back &c.

চানক্য, s. প্ৰসিদ্ধ মুনি বিসেস, the name of a sage, and author of a work compiled from various other works.

চান্দ, s. চন্দ্ৰ, জোন, গোস্কোআ সাক এবিধ, the moon, a species of esculent plant.

চান্দনি, s. গচত উঠা ভৰিৰ কৰাবি ডোল, a loop used for the feet in climbing trees.

চান্দ বদন, a. জোনৰ দৰে মুখ, moon-faced, beautiful as the moon.

চান্দি, *v.* চল চাই, খাপ দি, ভাল কপ, to roam about in search of, to lie in wait for as a beast of prey; *s.* silver.

চাপ, *s.* আখৰৰ সাঁচ, a stamp, a die, a press a block for printing cloth.

চাপকন, *s.* দিঘল চোলা, a long native coat.

চাপনি, *s.* আপুনি সোমোআ বা বিয়া নকৰোআকৈ অনা তিৰোতা, a woman who lives with a man unmarried.

চাপ মৰা, *s.* চাব দিয়া, সাঁচত মৰা, the act of stamping, pressing, or printing; *a.* pressed, printed, stamped.

চাপৰ, *a.* চুঁটি, ওখ নোহোআ, হাতেৰে মৰা শব্দ, low, short, of small stature, a clapping of hands, a blow with the open hand.

চাপৰাই, *v.* চাপৰ কৰি, দোঁআই, নমাই, to bend down, to bow, to lower.

চাপৰি, *s.* হাততালি, চাপৰ হৈ, নৈএ মেৰাই থোআ ওখ মাটি, ওখ টিঙ্গনা মাটি, বলি ঘূৰনিয়াকৈ থোআ এৰি বা মুগাৰ সুতা, an island, high table land, raw silk drawn out from the cocoon ready for twisting, a clapping, a bending of the body.

চাপৰা, *s.* চাপৰ হোআ, কুঁজা হোআ, তলৈসে নমা, the act of stooping down, lowering anything.

চাপাচি, *a.* লুকুউআ, গুপুতে থোআ, চুৰ কৰা, concealed, suppressed, hidden, kept back clandestinely.

চাপি, *v.* সাঁচত মাৰি, কোনৰৈলে আহি, ওচৰ হৈ, to print, to stamp; with আহি to come near, to approach.

চাব, *s.* চিন, কোৰ বঠা আদি ঘুপুহাই মৰা, বেগতে অনা বা কৰা, নাঙ্গলৰ আগত উঠা জাবৰ মাটি, a stamp, an impression, a mark a stroke with a hoe or oar; with ধৰা to seize, to clutch; with মাৰি, to stamp, to print, to press, to row, to hoe.

চাব্ কটা, *s.* নাঙ্গলৰ আগত লগা জাবৰ মাটিৰ দম কাটি সমান কৰা, মাটি কটা, the levelling of uneven places made by the plough, cutting the ground with a stroke of the hoe.

চাবতিয়াল, *a.* চাবত আনিব পৰা, বেগাই কৰিব পৰা, খৰ কৰা, dexterous, expert, adroit, apt, quick, nimble.

চাব দিয়া, *s.* চাব মৰা, মিচাকৈ কথা ধৰা, the affixing a stamp or seal, charging with a crime without proper proof.

চাবন, *s.* চাবোন, কাপৰ আদি ধোআ খাৰ দ্ৰব্য, soap.

চাবাইচ, *interj.* ভাল বোলা মাত, বাকু, সলগা মাত, a word expressing approbation; well done! bravo!

চাবি, *s.* সঁচাৰ কাঠি, a key.

চাবুক, *s.* চাম্‌ৰে গোঁঠা চেকনি, a whip, a scourge.

চাবুক ধৰা, *s.* চাবুক লোআ, a class who in the days of the Assam Kings inflicted punishment by scourging.

চাম, *s.* গচ এবিধ, একে লগে এবেলি হোআ গুটি বা ৰোগ আদি, a tree valuable for timber, succession, order, the produce of one season, a crop, a stage of a disease.

চাম কঠাল, *s.* চাম গচৰ গুটি, the fruit of the above tree.

চামচেকুৰা, *s.* বিচাৰ নিচিনা কলাপডিয়া বৰনৰ পোক এবিধ, a species of caterpillar.

চামনি, *s.* জোল বস্তুৰ ওপৰত উঠা চটা, সৰ, the cream or thick part that rises to the surface of liquids.

চামনি মাৰি, *v.* জোল বস্তুৰ ওপৰত চটা বান্ধি, সৰ বান্ধি, চমৰা মাৰি, to rise to the surface as cream on milk, to scab over, as a sore.

চামৰ, *s.* চৌঅৰ, a or whisk made of the tail of the *Yak* or Tartar cow.

চামৰি, *s.* চুঁঅৰি পহু, the Tartar cow.

চামুচ, *s.* সৰু হাতা বিসেস, a spoon.

চামোন, *s.* ভুত এবিধ, উপদেৱতা, a spirit, a ghost, an apparition.

চাৰ, *a.* অধিক, বৰ্হা, গৰু আদিএ ঘাঁহ খাই তৃপ্তি পোআ, sufficient, abundant, excessive; *s.* pasturage, plenty, overplus.

চাৰখাৰ, *s.* ধ্বংস, লোপ, নষ্ট, কথাত মুখ হৰা, ruin, destruction, complete alienation of friendship, extinction.

চাৰন পোআ, *s.* লোকৰ পৰা অলপ উপাই পোআ, the receiving of slight assistance from another.

চাৰ পোআ, *a.* ঘাঁহ খাই তৃপ্তি হোআ, filled, satisfied, finding abundance of pasturage or food.

চাৰি, *v.* বাৰ্হি, অধিক হৈ, এৰি, চাৰি গোট, চাইটা, to exceed, to go beyond, to leave, to abandon; *a.* four.

চাৰিও ফাল, *ad.* চতুৰ্দ্দিক, চৌদিস, সকলো ফালে, on all sides, all around.

চাৰুলি, *s.* বনৰিয়া খুঁডৰা সাক, a species of wild esculent vegetable.

চাৰেক, *affix.* পৰবৰ্ত্তি অব্যয় সব্দ, আন সব্দৰ পাচত জোগ হলে বহু বুজাই, দিএক, গোটাচাৰেক, a particle or affix meaning several, a few.

চাৰেঘাৰে, *ad.* বৰ্হাকৈ, জোখত অধিককৈ, more than a given measure.

চাৰেঙ্গদাৰ, *s.* এবিধ বাদ্য, a stringed instrument, a violin.

চাৰেঙ্গদাৰি, *s.* চাৰেঙ্গদাৰ বজাওঁতা, a player on the above instrument.

চাল, *s.* চৰ্ম্ম, বাকলি, কুআ বা কামি বোআ ঘৰৰ হেদালি, the skin, the bark of a tree, the husk or covering of a nut, a roof.

চালকাপৰ, *s.* এবিধ নোমৰ বহু বুলিয়া কাপৰ, a shawl, generally applied to Cashmere shawls.

চালকুঁঅৰি, *s.* ঘৰৰ ওপৰত চকৰে থোআ ঔসধিয় বন এবিধ, a medicinal plant.

চালচিগা, *a.* অতি দুখিয়া, নিচলা, very poor, utterly destitute.

চালটানি খোআ, *s.* দুখিয়াবোৰ ধন বস্তু টানি অনা, the act of oppressing the poor, filching or extorting from the needy.

চালনি, *s.* চাউল বা পিঠাগুৰি আদি বস্তু চলা পাত্ৰ, a sieve.

চালপিৰা, *s.* সোআ হব পিৰা, a broad plank with feet, used for sleeping.

চালান, *s.* দ্ৰব্য পঠোআ, বচিন্দ বিসেস, an invoice, a bill of lading, a list of articles or letters despatched.

চালি, *v.* চালনি মাৰি, তামোলৰ লগত খোআ গচৰ চাল, এচলিয়া ঘৰ, to winnow, to sift; *s.* the bark of certain trees chewed with betelnut, a roof with one side.

চালি জাৰি, *v.* কুলা চালনি লগাই, চাইচিতি, উবাৰ কৰি, to investigate, to search, to ventilate, to winnow, to sift, to pick out.

চালি ধৰা, *s.* চৰায়ে নেজ তোলা, কেৰ মেলা, the act of strutting, spreading out the tail as a peacock.

চালু, *s.* এবিধ ৰঙ্গা কাপৰ, a kind of red twilled cloth.

চালুকিয়া, *a.* সৰু লৰা চোআলি, small, young, applied to children of two or three years of age.

চাহল, *a.* চহলিয়া, হলা, কতিয়া, slanting, oblique.

চাহ, *s.* এবিধ গচৰ পাত, বিধি হৈ জোআ, হাল বোআ বা কোবা, tea, the tree or the manufactured leaf; *a.* profitable, mellowed, made ready for seed.

চাহ এৰা, *s.* ক্ৰমে ক্ৰমে এৰা, the temporary abandonment of a work.

চাহনি, *s.* চহোআ ঠাই, চাহ বাৰি, a cultivation, a tea garden.

চাহপোআ, *a.* ফাইপোআ, লাভ পোআ, উপকাৰ পোআ, উফুউআ, profitable, advantageous.

চাহমৰা, *s.* চাহ পাত মোহৰা ভজা আদি কাম, manipulation &c. of tea.

চাহাব, *s.* ইংৰাজি আদি প্ৰধান লোকক মান্যেৰে মতা, a title of honor addressed to Europeans and other respectable persons.

চাহি, *s.* এবিধ অতি সৰু পোক, a species of small insect.

চাহিনি, *a.* ভাগৰ অলপ ভাকৰ, a very little, a part.

চাহিনি খোআ, *s.* লোকৰ কিনা বস্তুৰ অলপ চান কাৰ্হি লোআ, pilfering or abstracting a small quantity.

চি, *interj.* নিন্দাৰ মাত, ঘিন কৰা, চিহ, an exclamation of contempt &c.
চিঁউচিঁউ, *s.* পোআলি চৰাইৰ মাত, the chirping of young birds.
চিঁচিঁয়াই, *v.* চিঁচিঁ সব্দ কৰি, to chirp as young birds.
চিঁয়ৰ, চিঁয়ৰনি, } *s.* এটাহ, বিঙ্গ, হাই, ৰবটৈ সব্দ কৰা, a scream, a yell, a loud cry.
চিঁয়ৰাই, *v.* এটাহ পৰাই, হাই কৰাই, to cause to scream or roar.
চিঁয়ৰি, চিঁয়ৰি বাখৰি, } *v.* এটাহ পাৰি, ৰবটৈ হাই কৰি, বিঙ্গিয়াই, কোহাল কৰি, to scream, to cry aloud, to yell, to roar.
চিঁয়া, *a.* আগলৈ সৰু হৈ জোআ বা মাজ সৰু, tapering, contracted in the middle.
চিক, *s.* দুই কৰঙ্গনৰ জোৰাৰ চুক, চিকাৰ মাত, the groin, the screech of the *sika* or musk-rat.
চিক্‌চিকাই, *v.* চিকাই মতা, to screech, as the musk-rat.
চিক্‌চিকিয়া, *a.* তৰবৰিয়া, চিক্‌মিকিয়া, চাকচিকন, shining, glossy, sleek.
চিকটা, *a.* লিকটা, সেটেকা, কির্পিন, tough, tenacious, tight, stingy.
চিকন, *a.* সুন্দৰ, উত্তম, পুস্ট, beautiful, excellent, nice, fine, sleek, fat.
চিক্‌নকৈ, *ad.* ভাল ৰূপে, নিকা কৰি, nicely, handsomely.
চিকনাই, *v.* আওঁতাই, ভাল কৰি, নিকা বা সুন্দৰ কৰি, to clear away, to put in order, to beautify, to make smooth, even or glossy.
চিকনোআ, *a.* চিকন কৰা, আওঁতোআ, ভাল কৰা, cleared, put in order.
চিক্‌মিক, *s.* দেখ্‌নেদেখ, এফেৰিমান কাল, জিল্‌মিল, a glance, a momentary view, a twinkle, glitter.
চিক্‌মিকাই, *v.* জিল্‌মিলাই, তৰবৰাই জিলিকি, to twinkle, to glitter.
চিকৰা, *s.* গৰু আদিৰ গাত কামুৰি থকা কিট, চাল গুকনি, a tick, a small insect that infests animals, a species of skin-louse.
চিকা, *s.* এন্দুৰৰ নিচিনা এবিধ গোন্ধোআ জন্তু, a species of musk-rat that makes a screeching sound, whence its name.
চিকাচন্দা, *s.* ঘিন, অৰুচি, চুৰ খাবলৈ বেয়া পোআ, disgust, dislike.
চিকাফুৰা, *a.* চিকাই চোআত গোন্ধোআ, বদনাম, দুৰ্নাম, (lit.) anything passed over by the *sika* rat; *i. e.* having a bad odor or name.
চিকামাৰলি, *s.* এবিধ সাপ, a species of snake.
চিকাৰ, *s.* পশু চৰাই মাৰি ফুৰা মৃগয়া, hunting; with কৰি, to hunt.
চিকাৰি, *s.* চিকাৰ কৰি ফুৰা, ব্যাধ, a sportsman, a hunter.
চিকাৰূপ, *s.* কম্পানি ৰূপ, stamped coin.
চিকি, *a.* চিকুটি চিকুটি, হাত ধৰি তাকৰকৈ, a very little; *ad.* stintedly doing, giving, eating &c.

চিকোট, *s.* দুই নখৰ টিপা, a pinch, a nip.
চিকুটি, *v.* চিকোট মাৰি, দুই নখেৰে টিপি, to pinch, to nip.
চিগা, *a.* ডোল আদি দোডোখৰ হোআ, broken, cleft, parted asunder.
চিগাভগা, *a.* অনেক ডোখৰ হোআ, broken in pieces, shattered.
চিগি পৰা, *a.* সৰি পৰা, তললৈ সৰা, parted and fallen off, scaled off.
চিঙ্গ, *s.* হিন্দুস্থান দেসৰ এক জাতি বিসেস, a race of people in Hindustan.
চিঙ্গা, *a.* খণ্ড কৰা, চিগা, দোডোখৰ কৰা, broken, parted, divided.
চিঙ্গি, *v.* চিগি, ডোল আদি দোডোখৰকৈ খণ্ড কৰি, ভেদ কৰি, to break, to part asunder.
চিট, *s.* ফুলৰ চাপ মৰা এবিধ কপাহি কাপৰ, printed calico, chintz.
চিট্‌চিটনি, *s.* গাৰ খজতি, পোৰনি, বিজবিজনি, an itching sensation.
চিট্‌চিটাই, *v.* বিজবিজাই, খজতি পোৰনি ধৰা, to itch.
চিটা, *s.* চটিওআ, চেকা, মাটি আদিৰ দিঘলিয়া খণ্ড, দিঘল ডোখৰ, the act of sprinkling, a splint, a slice, a long strip of cloth or land, a mark, a stain.
চিটাগুলি, *s.* হিলৈৰ সৰু গুলি, shot, buckshot.
চিটাচিট কৰা, *a.* দিঘলকৈ ভাগ ভাগ কৰা, divided into strips.
চিটাদিয়া, *s.* আই ওলাবলৈ দাগ দিয়া, innoculation, vaccination.
চিটামাৰি, *v.* সান্তি কৰি, এচাটি মাৰি, চটিয়াই, to sprinkle.
চিটি, *s.* পত্ৰ, কাকত, লেখা, a note, a letter.
চিটিকনি, *s.* উৰুৱি সোআ পানি আদি, rain driven into the house by the wind.
চিটিকা, *s.* চৰাই ধৰা জন্ত্ৰ, মোটোকাই দিয়া বাঁহ, উফৰি পৰা, পোক এবিধ, a bird-trap, a strip of bent bamboo used as a support to the covering of a boat, an insect.
চিটিকি, *v.* উফৰি, পানি আদি এঠাইত পৰি আন ঠাইত পৰা, to bound in or drive in, as drops of rain.
চিটিখেল, *s.* নামলেখা তুলাপাতৰ গুলি বাঁটি খেল কৰা, গুটি বুজুআ বুজি কৰা, চুৰ্ত্তি খেল, a kind of raffling, casting lots, lottery.
চিঙাল, *s.* চিঁৰাল, এবিধ লতাৰ ফল, a species of melon.
চিত, *s.* মন, আসই, the thoughts, feelings and affections.
চিতপতিওআ, *s.* মন পতিওআ, আসা কৰা, confidently hoping, expecting, anticipating.
চিতহৈ, *v.* ওপৰলৈ মুকৈ দিঘল দি পৰি, to lie with the face upwards.
চিতল, *s.* মাচ এবিধ, a species of fish.
চিতা, *s.* মৰা মানুহ পুৰিবলৈ সজা চাঙ্গ, a funeral pile.

চিন্তাচৰ্চ্চা, *s.* ভাবনি চিন্তনি, বেজাৰ কৰি ভাবি থকা, trouble, anxiety, concern ; *a.* troubled, anxious.

চিত্ৰ, *s.* চবি, পট আদি লেখা মুৰ্ত্তি, নানা বৰনিয়া, a picture, a painting, printed linen ; *a.* many colored, variegated.

চিত্ৰকৰ, *s.* খনিকৰ, a painter, a carver.

চিত্ৰ গুপ্ত, *s.* কঁপালৰ দসা লিখোঁতা জম ৰজাৰ কাকতি, the registrar of *Jom* the regent of death, said to write the fates of men.

চিত্ৰবিচিত্ৰ, *a.* নানা বৰনিয়া, আঁকাবঁকা, variegated, checkered, gaudy.

চিদাঙ্গ, *a.* নিচই, ঠিক, খাটি, certain, final ; with টক, certainly.

চিদানন্দ, *a.* মনত সদাই আনন্দ থকা, ever joyful, applied to God.

চিদ্ৰ, *s.* বিন্ধা, অপৰাধ, দাই, চল, a hole,a perforation, a fault, a blemish, a chance, an occasion.

চিন, *s.* চিহ্ন, চাব, লখ্যন, প্ৰমান, a sign, a mark, a token.

চিনা, *s.* খেহ দেস, বা মানুহ, চিনি ধৰা, পৰিচই থকা, China, the Chinese, recognition ; *a.* recognised, known, acquainted with.

চিনা আলু, *s.* এবিধ আলু, a species of sweet yam.

চিনাই, *v.* চিনি পোআই, চিনাকি কৰাই, দেখুআই, to introduce, to point out, to make acquainted with.

চিনাকি, *s.* চিনি পোআ, পৰিচই থকা, আগেএ দেখা বা জনা, an acquaintance or person well known.

চিনাচিনি, *a.* দুয়োকো দুয়ো চিনি পোআ, acquainted.

চিনা জোক, *s.* হাবিত থকা সৰু জোক, a species of leech.

চিনি, *v.* পৰিচই কৰি, বুজি, দেখি, to know, to be acquainted with.

চিনোআ, *s.* পৰিচই দিয়া, চিনাকি কৰোআ, causing to know &c.

চিন্তনি, }
চিন্তা, } *s.* ভাবনা, গুননি, ধিধিয়নি, thought, meditation, anxious thought, solicitude.

চিন্তাকুল, *a.* চিন্তাবে ব্যাকুল, চিন্তাত বলিয়া হোআ, distracted with anxious thought, perplexed.

চিন্তামনি, *s.* কাল্পনিক মনি বিসেস, a fabulous gem, said to give the possessor whatever he desires.

চিন্তি, *v.* ভাবি, ধ্যান কৰি, গুনি গাঁথি, to think, to meditate, to be anxious, to have great solicitude.

চিন্তিত, *a.* ভাবিত, anxious, perplexed.

চিপ, *s.* খোবোচা জৰি, বেগাই মৰা আঁজোৰ, মৰিবলৈ ধৰাত আঁজুৰি লোআ উসাহ, a slip knot, a sudden pull upward ; with খোআ, a heaving of the breast as when laboring for breath.

চিপতচিপে, } *ad.* প্ৰতি চিপে, বেগত বেগে, in rapid succession.
চিপেচিপে, }

চিপ্‌ৰাং, *s.* মাটি খনা অস্ত্ৰ, a crowbar, an iron implement for digging.

চিপ লোআ, *s.* মৰিবলৈ ধৰাত সেসৰ উসাহ টনা, laboring for breath as when dying.

চিপাত্‌ মনি, *s.* সিলিখা মনি, a kind of bead.

চিপাদাৰ, *s.* এস চিপাহিৰ অধিকাৰ, the native commander of a company of sepoys; the head of a hundred.

চিপাহি, *s.* সেনা, জুধাৰু, a native soldier, a sepoy.

চিপোআ, *s.* চিপ মৰা, দুখেৰে গিলা, laboring to breathe or to swallow.

চিয়া, *s.* নাম, আগলৈ নাম থকা কৰম, পদবি, আগ সৰু, a name, a work or event by which one's name is perpetuated.

চিয়াই, *v.* ধৰ্ম্ম আদিলৈ চাই কৈ, সপত কৰি, to asseverate, to swear.

চিয়াৰ, *s.* সঙ্কেতকৈ কোআ, কথাৰ ঠাৰ, an intimation by sign or word.

চিৰ, *s.* আঁচ দি কটা, পাগুৰিৰ কাৰ্চিপি বন কৰা পটি বিসেস, a rent, a slit; as an affix, meaning long continuance.

চিৰকলিয়া, *a.* বহু দিনিয়া, জুগমিয়া, জাওতি জুগিয়া, ancient, of long standing, perennial, lasting, always.

চিৰকাল, *s.* বিস্তৰ কাল, অনেক দিন, সদাই, বাৰেও কাল, a long period, during all time, forever.

চিৰ্‌কালি, *s.* সিয়াল, সৃগাল, ধুৰ্ত্ত a jackal.

চিৰ্‌কালি সহ, *a.* মহা ধুৰ্ত্ত, টেঙ্গৰ, sly, acute, crafty like the jackal.

চিৰ্‌চিৰাই, *v.* অলপ অলপকৈ বৈ থকা, to flow gently.

চিৰজিবি, *a.* বহু দিন জিয়া, সদাই থকা, long lived, ever living.

চিৰলি, } *a.* চিটাচিট, ফটা, তেঁতেলিপতিয়া, rent, ragged, tattered,
চিৰলুআ, } torn into strips.

চিৰস্থাপি, } *a.* বহু দিনিয়া, সদাই একে ঠাইতে থকা, থিতাপি, durable,
চিৰস্থাই, } lasting, perennial, steadfast, ever the same.

চিৰা, *a.* ফলা, ফটা, চেপেটা চলা, ধান ভাজি খুন্দি খোআ বস্তু, split, divided; *s.* a splint, food made of parched rice pounded.

চিৰাচিৰ, *a.* চলাচল, চিটাচিটে ফটা, ডোখৰ ডোখৰ, split, into strips.

চিৰাফ, *s.* প্ৰধান স্বৰ্গিয় দুত, a seraph, an angel of the highest order.

চিৰাল, *s.* চিগুাল, এবিধ খোআ গুটি, a kind of muskmelon.

চিৰি, *v.* ফালি, নাও আদিত উঠা জখলা, তাঁতৰ সুতা ধৰা সিতল কামি, to tear in pieces, to split; *s.* a board used in passing to and from a boat; the rod used in a native loom to raise the warp.

চিৰিক্‌চিৰিক্‌কৈ, *ad.* অলপ অলপকৈ, লাহে লাহে, little by little, slowly.

চিৰিকা, *a.* সৰু, খুদ্ৰ, little, very small.

চিৰিঙ্গ, *s.* আহোমৰ পূজাৰিৰ খেল বিসেস, পৰ্ব্বতৰ টিঙ্গ, সিৰৰ বেদনা, a class of priests among the old Ahoms, a mountain peak, a sharp darting pain of the muscles or nerves.

চিৰিঙ্গনি, *s.* টন্‌টননি, একেৰাহে টন্‌টনাই বিসাই থকা, a continuous darting pain or throbbing.

চিল্‌চিলিয়া, *a.* পাতলকৈ পৰা বা বৈ জোআ, চিৰ্‌চিৰিয়া, flowing in a shallow stream or falling in scattering drops.

চিলনি, *s.* চিলা চৰাই, a hawk, a kite.

চিলমিল, } *a.* অলপ টোপনি অহা, কলা ঘুমটিএ ধৰা, drowsy; *s.*
চিলমিলিয়া, } drowsiness.

চিলা, *s.* চিলনি, তুলা পাতৰ সাজি উৰুআ বস্তু, a hawk, a paper kite.

চলিঙ্গা, } *s.* কামিৰে জখিয়াকৈ বোআ সেৰেঙ্গা বেৰ, a bamboo lattice
চিলিঙ্গি, } work.

চিলিম, *s.* হোঁকাৰ মুৰত দি ধঁপাত খোআ পাত্ৰ, the bowl of a *hooka*; a tobacco pipe.

চিলিম চিগা, *a.* মুৰ চিগা, সমুলি নষ্ট হোআ, মুৰ মৰা, (*lit.*) loss of the head; *i. e.* having no way left for accomplishing an object.

চিহ, *interj.* নিন্দা বাক্য, ঘিন কৰা মাত, চিকো, fie! fie! for shame!

চিহ্‌চাহ কৰা, *s.* মনৰ অসন্তোস বেজাৰ আদি কথাৰে প্ৰকাস কৰা, expressing disgust, displeasure or regret.

চিহা, *s.* সংখেপকৈ লিখা, an abstract, a summing up, an epitome.

চুঅনি, *s.* আওটনি, চুআ পেলোআ ঠাই, a place where filth and refuse are thrown.

চুআ, *a.* খাই এৰা ভাত আদি, অসুচি, left of a meal, uneaten, ceremonially unclean, polluted by the touch.

চুআই, *v.* অলপকৈ লগাই, পৰ্স কৰাই, to touch or to cause to touch, to handle or touch slightly.

চুআ হোআ, *s.* অসুচি হোআ, ৰজস্বলা, ceremonial uncleanness of any kind, menstruation.

চুই, *v.* পৰ্স কৰি, হাত দি, গাত লগাই, to touch, to come in contact with, to meddle with.

চুঁচৰি, *v.* চেঁাচোৰাই, ঘঁহনি খাই, to crawl, to drag, to creep.

চুঁচি, *v.* অঙ্গুঠেৰে বা আঙ্গুলি আদিৰে চেঁাচা মাৰি, to scrape off, to press out with the thumb and fore finger as in milking.

চুচি মৰা, *s.* আগলৈ সৰুকৈ চচা, সেস নথকাকৈ খোৱা, the act of tapering or reducing to a point, leaving nothing of a meal.

চুচিয়া নাও, *s.* সৰু নাও, চেলেঙ্গি নাও, a very small canoe or fishing boat.

চুঁট, *s.* মতা গৰুৰ গলধনৰ কুঁজ, a bullock's hump.

চুঁৱৰি, *s.* এবিধ পহু, the yak or Tartar ox.

চুক, *s.* কোনা, ভুল, a corner, an angle, an error.

চুকচুকিয়া, *a.* অলপ অধিক সোআদ বা চোকা হোআ, overseasoned with salt or other condiments.

চুকমিয়া, *s.* বচৰেকলৈ খাজানা দি মাটি খোআ, an under tenant.

চুকা সাক, *s.* টেঙ্গা সাক এবিধ, a species of sorrel.

চুকিয়া, *a.* চুক লগা, কুনিয়া, having an angle, cornered.

চুঙ্গা, *s.* ফোঁপোলা বাহ আদিৰ পাত্ৰ, a pipe, a funnel, a joint of bamboo used as a vessel for holding fluids.

চুঙ্গি, *s.* এখেল মানুহ, পাচি আদিৰ মেৰ বহোঁআ চুটি কাঠি, a class of people, short splints of bamboo used in shaping or widening baskets or any braided work.

চুঙ্গি বাখৰ, *s.* এবিধ সৰু ডালিমা বাখৰ, a silicious stone or gem; the sardonyx.

চুঙ্গিয়া, *a.* চোঙ্গত থকা, belonging to a camp, head quarters.

চুচঙ্গ, *s.* এবিধ চাহ, a quality of tea, Souchong.

চুচুকচামাক্‌কৈ, *a.* ভই বা লাজ ভাৱে ভুমুক ভামাককৈ, timidly, hesitatingly, modestly.

চুটা পৰা, *a.* তাকৰ হোআ, কমা, অলপ থকা, deficient; *s.* a deficiency.

চুঁটি, } *a.* দিঘল বা ওখ নোহোআ, কঁটিয়া, চমু, ঘোঁৰাৰ লৰ, short,
চুঁটিমুটি, } low, dwarfed, stinted in growth.

চঁটি কাপৰ, *a.* মেখেলা, তিৰোতাৰ অধোবস্ত্ৰ, a woman's lower garment.

চুঁটিচাপৰ, *a.* ঘুটুমুটিয়া, অতি চাপৰ, short, very short.

চুঁটিয়া, *s.* হিন্দু জাতিৰ এবিধ, সালিকা চৰাই, লফা সাক এবিধ, a caste of people, a species of bird, a vegetable.

চুন, *s.* পোৰা সিল বা সামুকৰ গুৰা, lime.

চুনখাৰ, *a.* বৰ চোকা উগ্ৰ, piercing, corroding, pungent; with কৰি, to pierce, to cut, to wound by cutting words.

চুনচাত, *s.* উবাৰ, ধ্বংস, নষ্ট, তোলাং, destruction, overthrow.

চুনৰি, *s.* জন্তুৰ পেটৰ ঘিলা, the kidneys.

চুনি কৰা, *s.* চৰ্মচেদন কৰা, circumcision.

চুপ্‌চুপাই, *v.* কথাৰে ভুলাই, মুখৰ মিঠা দি উচটাই, to flatter, to persuade by flattery or soft speech.
চুপতি, *s.* মুখৰ দন্দ, মুখ জুঁজুআ, mutual retort.
চুপহি, *s.* কাঠ কলি, ফুল আদিৰ বেটু, the calyx of a flower.
চুপি, *v.* ওঁঠেৰে চুহি, তেলৰ টিপা, to suck; *s.* an oil vessel.
চুৱা, *s.* চুচৰি, পৰবৰ্ত্তি সব্দ বিসেস, আন কথাৰ পাচত জোগ হলে কেতিয়াবা বহু বচন বুজাই, a division, a portion, a heap, a clump, a tuft; as an affix meaning many, much.
চুবুৰিয়া, *s.* ওচৰ ঘৰিয়া, প্ৰতিবাসি, a neighbor.
চুমা, *s.* চুম্বন, মৰমেৰে মুখত মুখ দিয়া, a kiss.
চুমৈকৈ, *ad.* মিহিকৈ টাহি কুটা, finely, in minute parts.
চুৰ, চুৰ কৰা, } *s.* অপহৰন কৰা, আনৰ বস্তু নেদেখাকৈ নিয়া, stealing, theft, clandestinely taking another's goods.
চুৰ দিয়া, *s.* টিপনি দিয়া, মন্ত্ৰেৰে বাঢ়িব নোআৰাকৈ ৰখা, the preventing of growth or increase by incantations.
চুৰা, *s.* গুৰ, coarse or unrefined sugar, treacle.
চুৰিয়া, *s.* ধুতি, পুৰুসৰ অধোবস্ত্ৰ, a man's waistcloth.
চুৰুকি, *v.* কোৰেৰে চিকনাই, to scrape off the surface of the ground with a hoe.
চুৰুনা, *s.* অপহৰন কৰা জন, a male thief.
চুৰুনি, *s.* চুৰ কৰা তিৰোতা, a female thief.
চুৰুপা খোআ, *s.* সোআদ বিচাৰি খাই ফুৰা, an epicure, a voluptuary.
চুৰুপা চুৰুপি, *s.* স্ৰুব স্ৰুচ হোমকৰা যাৰি, a sort of ladle used in making burnt offerings.
চুৰ্কি, *s.* ইটা গুৰি, brick dust, mortar.
চুৰ্চুমৈ, *a.* ভাঙ্গি গুৰি কৰা, চুৰ্নাক্ৰিত, broken into fragments.
চুৰ্চুৰিয়া, *s.* মাটি উন্নৰা সৰু পোক এবিধ, এবিধ ত্ৰিন, পাতলকৈ, a species of worm, a kind of grass; *ad.* slightly, thinly, sparsely.
চুৰ্ত্তি, *s.* গ্যান, তত, স্ৰুতি সাস্ত্ৰ, sensation, knowledge, the *Smritti* or that portion of the Veds written from report or memory.
চুৰ্ত্তিভং, *a.* গ্যান হেৰোআ, বিতত, distracted, perplexed, confounded.
চুৰ্ন, *s.* গুৰি, flour, any powdered substance.
চুৰ্নাক্ৰিত, *a.* গুৰি কৰা, চুৰ্চুমৈ কৰা, pulverized, reduced to powder.
চুলা, *s.* খৰমৰ খুঁটি, জাপিৰ মুৰত দিয়া সোন আদিৰ টুপ, the knob or toe-piece of a wooden sandal, the tip of a *japi*.
চুলি, *s.* কেস, the the hair of the head.

চুলিয়াচুলি, *s.* দুয়োৰ চুলিত দুয়ে আঁজোৰা, pulling hair, contention.

চুলুঙ্গ, *s.* মন পাতল, চেলেপু, a shallow minded person, unchaste.

চুলুঙ্গালি, *a.* চেল্‌চেলিয়া, ফুচুৰি, unsteady, volatile, unchaste.

চুহি, *v.* চুপি, মুখেৰে ৰস টানি, to suck, to draw into the mouth.

চেই, *v.* কাপৰ আদিৰে চাকি, কাঠ বাঁহ আদি ডোখৰ ডোখৰ কৰি, কুকুৰক খেদোৱা মাত, to strain or filter, to cut into portions, to chip for hewing; *interj.* a word for driving away dogs.

চেও, *s.* হাতৰ অলঙ্কাৰ বিসেস, ভাগ, খণ্ড, a kind of bracelet, a division, a piece, a portion of a tree, bamboo &c.

চেওপাত, *s.* ঘুৰনিয়াকৈ কটা কলা পাত, a piece of plaintain leaf cut round or in scallops.

চেঁই, *s.* মাহ আদিৰ চিৰা, the pod of beans and all leguminous plants.

চেঁউৰি, *s.* গৰু আদিৰ মাইকি পোআলি, the female young of cattle.

চেঁকুৰ, *s.* জন্তু আদিৰ লৰ, চাপলি, running, rapidly moving.

চেঁকুৰি, *v.* জন্তু আদিএ লৰ মাৰি, চাপলি মেলি, to run, to bound.

চেচনি, *s.* সান্তনা, জুৰ কৰা, চেঁচা পৰা, respite from heat, coolness, the cold stage after fever.

চেঁচা, *a.* তাপ নথকা, জুৰ, জাৰ লগা, সুথিল, cold, without zeal or spirit.

চেঁচু, *s.* বাঁহৰ ধাৰ থকা চলা, a sharp splinter of bamboo.

চেঁচুআ, *a.* চেঁচুৰ দৰে ধাৰ থকা, thin and sharp like the above.

চেঁচুক, *s.* ৰদ নপৰা, সদাই চাঁ পৰা ঠাই, a cool shady place.

চেঁচুকিয়া, *a.* চেচুকত থকা বা হোআ, shady, cool, out of the sun.

চেঁকুৰা, *a.* তেজ আদি গোট বন্ধা, চেই বা চিৰা, coagulated, clotted, thickened, the pod of leguminous plants.

চেঁকুৰিয়া, *v.* দিঘল ডুখৰিয়া, long and narrow like a pod, generally applied to ingots of gold or silver.

চেচেঁ, *s.* চৰাই পোআলিৰ ঘন মাত, the cry of young unfledged birds.

চেঁচেআই, *v.* চৰাই পোআলিএ ঘনে মাতি, to peep as young birds.

চেঁচেৰা, *s.* চট পানিৰ হামোৰনি, rapid shoal water running over an uneven surface of shifting sands.

চেচেৰাপোৰা, *a.* এফাল পুৰি জোআ, charred or half burnt.

চেঁচোৰ, *s* এবিধ বনৰ আলু, an edible jungle root.

চেক, *s.* মচলমানৰ এক জাত, বা উপাধি, a mussulman class or titular prefix to a name.

চেক্‌চেকাই, *v.* বেজবেজাই, ভুকভকাই, বৰকৈ কৈ, to twinge, to suffer a sharp pain, to smart, to teaze.

চেক্‌চেকি, *s.* কোকলোদা চৰাই, a species of bird.
চেক্‌চেকিয়া, *a.* বেজবেজিয়া, বৰ টেঙ্গা, very acid.
চেকনি, *s.* সৰু আচাৰি, সিৰিপনি, a small switch or whip.
চেকা, *s.* চিন, দাগ, অপবাদ, দুর্নাম, a stain, a blot, a blemish.
চেকি. *v.* চেই, চাকি, to strain, to sift, to filter.
চেকেৰা, *s.* এবিধ টেঙ্গা, a kind of acid fruit.
চেগ, *s.* চল, উপাই, a chance, a good opportunity, artifice, pretext.
চেগ চাই, *v.* চল চাই, to watch for an opportunity of deceiving.
চেগ মৰা, *s.* চল চাই কাম কৰা, চল পাই অহা বা কৰা, doing slightly or quickly, seizing an opportunity for doing anything.
চেগাচোবোকা, *ad.* মাজে মাজে এবি কৰা, কেতিয়াবা কেতিয়াবা, here and there, now and then, some times, occasionally.
চেঙ্গ, *s.* চুলিৰ চঙ্গ, ধুন, false hair.
চেঙ্গচেঙ্গনি, *s.* জুয়ে পোৰাৰ দুখ, ভদ্‌ভদনি, the smarting pain of a burn.
চেঙ্গচেঙ্গিয়া, *a.* বৰ উপত, very hot.
চেঙ্গ মৰা, *s.* এবিধ সাক, ধুন মৰা, a kind of greens, the act of adorning with false hair.
চেঙ্গা, *s.* মাচ এবিধ, গাত হাত দিব নিদিয়া বনৰিয়া জেন জন্তু আদি, a species of fish; *a.* wild, untamed.
চেঙ্গালুটি পাৰি, *v.* দুখত ভত নেপাই বাগৰা বাগৰি কৰি, ধৰফৰাই, to writhe, to distort or throw the body about in agony.
চেঙ্গেলি, *s.* এবিধ সৰু মাচ, a species of fish.
চেঙ্গেলিয়া, *a.* ভজবজিয়া, চেঙ্গা, trifling, puerile, boyish, resembling a child in manner and opinions.
চেতন, } *s.* জিব, গ্যান, সাৰ পোৱা, ভত পোৱা, the understanding,
চেতনা, } intelligence, sensation, life, feeling, perception.
চেতন পাই, *v.* সাৰ পাই, গ্যান পাই, ভত পাই, জাগি, to be awakened, aroused or admonished, to come to one self.
চেদ, *s.* সিমা, কটা, ভেদ, প্রিথক, a boundary, the end of a division.
চেদন, *s.* কাটন, ভেদ কৰা, প্রিথক কৰা, the act of severing or dividing.
চেদভেদ, *a.* খতিখন, সদাই, having no space between, incessant, continuous.
চেদি, *v.* কাটি, ভেদ কৰি, to sunder, to sever, to divide.
চেদেলদেল, *a.* ভাগি চিগি উঅলি জোআ, broken and flattened out.
চেন, *s.* লৰাই খেদা খোলাকটিৰ খেল, a play of tossing and catching several things simultaneously in the hand.

চেনা, *s.* সোন ৰূপ আদি কটা চুঁটি বটালি, নৰনি, ওপত গাখিৰত টেঙা দি কৰা দৈ, দিঘলে ফালি সুকুউআ মাচ বা মঙহ, a chisel for cutting metals, the curds of milk, fish or flesh dried in strips, a native blood-letting instrument.

চেনাই, *v.* চেনাৰে কাটি, নৰনিৰে তেজ উলিয়াই, to cut with the above chisel, to draw blood with a native blood-letting instrument.

চেনাবেনা, *ad.* জাক ভাঙ্গি এটা এটা হৈ জোআ, scattered one by one.

চেনি, *s.* কুঁহিয়াৰ আদিৰ ৰসেৰে কৰা সোআদ বস্তু, sugar.

চেনিজোক, *s.* এবিধ সৰু বাম জোক, চিনা জোক, a species of leech.

চেনিমাচ, *s.* এবিধ, মাচ, a species of fish.

চেনু, *s.* গালত ফুটফুটকৈ কলা পৰা ৰোগ, a disease of the skin.

চেনেহ, *s.* স্নেহ, মৰম, ৰেথা, প্ৰিতি, আস্তিক, love, affection, fondness, regard; with কৰি, to love, to regard with affection.

চেনেহা চেনেহি, *s.* মৰমা মৰমি, mutual affection, love or regard.

চেনেহি, *a.* মৰমিয়াল, চেনেহ লগাৰ পৰা, dear, beloved.

চেনেহুআ, *a.* চেনেহৰ, চেনেহত দিয়া বা কৰা, given or done from affection or good will.

চেনোআ, *a.* তেজ কটা, নৰনিৰে কটা, bled, lanced.

চেপ, *s.* ঠেক, চেপা, narrow, confined.

চেপা, *s.* পকাই পানি উলিওআ, দুই বস্তুৰ মাজত দি হেঁচা, মাচ ধৰা জন্ত্ৰ, the act of wringing out water from a cloth, of pressing out juice of sugar cane &c. a bamboo fish trap.

চেপা মৰা, *s.* হেঁচা বা টিপা মৰা, নিচেই ঠেক, the act of squeezing, compressing or pinching; *a.* compressed, narrowed, squeezed.

চেপি, *v.* চেপা দি, হেঁচি, পকাই পানি উলিয়াই, to compress, to squeeze, to pinch, to press, to wring out.

চেপি অনা, *s.* নিৰম বা ঠেক্‌কৈ অনা. a gradual compress, narrowing or pressing toward one side.

চেপি ধৰা, *a.* চেপা মাৰি ধৰা, হেঁচি ধৰা, stuck fast, held firmly.

চেপেট্ কলাই, *s.* মাহ এবিধ, a species of flat bean.

চেপেটা, *a.* হেঁচা খাই সমান বা পাতল হোআ, পাতল, খিন, flat, flattened, compressed, lean, thin.

চেপেনা, *s.* চেপা মাৰি ধৰা, জন্ত্ৰ, সঁৰাহ, তামোল খুন্দা পাত্ৰ, pincers, tongs, an instrument for bruising the betelnut.

চেফেৰা, } *a.* বিজতবিয়া, ভালৰ পৰা ক্ৰমে বেয়া হোআ, সম্পুৰ্ন ডেকা
চেফেৰিয়া, } কাল, deteriorated from the original stock.

চেৰা, *a.* উচাৰ খোআ, ভই লগা, startled, terrified.
চেৰাই, *v.* চঁক ধৰি, চঁকি, ভই লাগি, to fear, to shudder, to fall back
চেমনিয়া, *a.* মাজ বয়সিয়া, সমান, of medium size or age.
চেমাহি, *a.* চমহিয়া হিচাব, half yearly, a six month's account.
চেৰ, } *a.* সেসত হোআ, পাচতিয়া, the last of all.
চেৰনিয়া,
চেৰ্চেৰনি, *s.* অগ্নি তাপত তেল ঘিঁও আদিত পানি পৰি উঠা সব্দ, any sputtering or hissing sound, as of water dropped into hot oil.
চেৰ্চেৰাই, *v.* তপত তেল আদিত পানি পৰাত সব্দ উঠি, to make a sputtering or hissing sound.
চেৰা, *a.* এৰা, হৈ জোআ, পাচতিয়া, abandoned, left, passed by, after.
চেৰাই, *v.* ডেই গৈ, চেৰেঠ কৰি, পাচ পেলাই বা এৰি, to step over a person, to leave behind, to pollute, to foul.
চেৰাচুলি, *s.* ওপজা চুলি, the hair of a new-born infant.
চেৰাসলিয়া, *a.* অসচিয়া, প্ৰসৱৰ চুআ থকা, unclean, applied to the period of ceremonial uncleanness after child-birth.
চেৰাসালি, *s.* প্ৰসৱৰ ঠাই, a lying-in chamber or place of child-birth.
চেৰাপ, *s.* ফটিকা, মদ, সুৰা, spirituous liquor, intoxicating drink.
চেৰুআ, } *s.* জন্তু আদিৰ পিৰা, a shoulder or quarter.
চেউৰা,
চেৰেক্ কৰে, *ad.* বেগতে, একে বেলিএ, at once; applied to cutting &c.
চেৰেকা, *s.* প্ৰথম ডেকা কাল বুধি থিৰ নোহোআ, পানি আদি মাৰি পঠিওআ চুঙাৰ জন্ত্ৰ, not arrived at years of discretion; a rude kind of syringe made of a joint of bamboo.
চেৰেকি, *s.* সুতা মেৰাই থোআ বাঁহৰ পাত্ৰ, a reel for winding thread.
চেৰেঙ্ কৰে, *ad.* অকস্মাত মনত পৰা, খটং, suddenly recollecting.
চেৰেঙ্দাৰ, *s.* বাদ্য এবিধ, a stringed instrument resembling the violin.
চেৰেঙ্বেৰেঙ্, *s.* পোৰনি ডেগুনি, গাৰ বেদনা, a burning sensation.
চেৰেঙা, *s.* ডাৱৰৰ মাজত বঁদ দিয়া বা বঁদ অতি টান হোআ পৰ, বঙালি বৰ নাও, an interval of the sun's shining in a cloudy day or of intense heat, a large Bengali boat.
চেৰেঙাই, *v.* অকস্মাতে মনত পৰা, to fall suddenly into the mind.
চেৰেঠ, *a.* মলিন হোআ, বেয়া হোআ, covered with filthy blots, stains or blemishes, spoiled.
চেৰেপা, *s.* কেঁতকুৰি, উৰি ফুৰা খুদ্ৰ কিট, a small biting insect; a gnat.
চেৰেমা, *a.* বৰ টেঙা বা সোআদ, খিনোআ, too acid or sweet, lean.

চেৰেলা, *a.* হাৰ চাল থকা, খিন কটিয়া, lean, emaciated.

চেৰেলিয়া, *a.* পেট বৈ থকা, ঢিলা, lax, having a looseness of the bowels.

চেৰৌ চেৰৌ কন্দা, } *s.* ৰবৃকৈ কন্দা, চিয়ৰ বাখৰ্ কৰা, bawling, crying out as in pain or when calling to a person.
চেৰৌ ফেৰৌ,

চেল্চেলাই, *v.* সঁচাই মিচাই সদাই কৈ ফুৰি, to babble, to blab, to prate, to talk idly or to let out secrets in a thoughtless manner.

চেল্চেলিখাই, *v.* পানিৰ ওপৰে ওপৰে চলি জোআ, to skip or glide along on the surface of water, as a flat stone thrown with force.

চেল্চেলিয়া, } *a.* সঁচাই মিচাই কৈ ফুৰা, চুলুঙ্গালি, loquacious, babbling, blabbing.
চেল্বেলিয়া,

চেল্মেঠ, *s.* চালাংচুলুঙ্গ, গা সাৰিবলৈ ভাও ধৰা, সাতি সুতা, doing in mere pretence; listlessness, unconcern, indifference.

চেলা, *s.* বহু ঠেঙ্গিয়া বিসাল পোক, a centipede.

চেলাই, *v.* বখলিয়াই, চাল গুচাই, to strip off, to skin, to make bare.

চেলাউৰি, *s.* চকুৰ ওপৰৰ ভ্ৰুব, the eyebrows.

চেলা জৰি, *s.* তিনি ডলিয়াকৈ গোঁঠা জৰি, চেলাৰ নিচিনা গোঁঠা জৰি, a cord of three strands so braided as to resemble a centipede.

চেলাপেটি, *s.* পানি জোক, a species of leech.

চেলাম, *s.* নমস্কাৰ, প্ৰনাম, a salutation.

চেলামি, *s.* ৰৰ তোপ মৰা আদিৰে সন্মান কৰা, সেৱা ও প্ৰনামি, a ceremony of respect, as firing a military salute, presenting arms &c.

চেলু, *s.* ধৰিবৰ ঠাই, চল, a chance, means, facility.

চেলেকনা, *s.* এবিধ মাচ, a species of fish.

চেলেকা, *a.* জিবাৰে চোঁচা, licked; *s.* the act of licking.

চেলেকাচোবোৰা, *ad.* মাজে মাজে এৰি মাজে মাজে কৰা, here and there, doing in one place and omitting in another.

চেলেকি, *v.* জিবাৰে চুঁচি, to lick.

চেলেকি খোআ, *s.* জিবাৰে চুঁচি খোআ, lapping, licking up.

চেলেঙ্গ, *s.* এতৰপিয়া গাত লোআ কাপৰ, a shoulder cloth.

চেলেঙ্গি নাও, *s.* অতি সৰু পাতল নাও, a very small light boat.

চেলেপু, *a.* সদাই মিচা কথা কৈ থকা, চুলুঙ্গ, garulous, prating, speaking regardless of the truth.

চেলো, *ad.* কেতিয়াও, a word denoting denial, negation or refusal.

চেলোআ, *s.* চাল বখলিউআ, নিকটোআ, the act of skinning an animal or of removing the scales of a fish.

চেলোআ লগা, *a.* নিৰাস হোআ, লাজত পৰা, disappointed, put to shame.

চেৱা দিয়া, *a.* ভাপত সিজোআ, steamed, cooking by steam.

চেস্টা, *s.* জতন, সুয়, কাৰ্য্যৰ, তত, exertion, effort, endeavor, search, pursuit; with নাই, without mitigation, rest or relief.

চৈ, *s.* টকৌ পাত আদিৰে চোআ নাৱৰ ঢাকনি, জলা লতা এবিধ, a light moveable cover of a boat; a species of aromatic vine, much used by natives as medicine for bruises or internal injuries.

চৈতন্য, *s.* চেতনা, গ্যান, জিৱাত্মা, sensation, feeling, knowledge, the soul, spirit; God.

চৈত্য, *s.* সিন্ধু গচ, the date tree.

চৈত্র, *s.* চঁত মাহ, a hindoo month being part of March and April.

চৈধ্য, *a.* চৌধ, fourteen.

চো, *s.* ভাও দেখুউআ মুৰ্ত্তি বিসেস, a mask, an assumed form.

চোআ, *s.* ঘৰৰ চালত খেৰ মেলি বন্ধা, পৰ্স কৰা, দেখা, গচ এবিধ, দিঘল বস্তুৰ বা বাটৰ এক ভাগ, thatching, touching, seeing; the sago palm; a portion of anything long and narrow; a portion of a road.

চোআলি, *s.* কুমাৰি, কন্যা, a young girl.

চোঁচ, *s.* থেঁতেলোআ বাঁহ, বাহ কচুৰ ছাৰি আদিৰ ওপৰৰ চাল, crushed bamboo, the outer covering of the bamboo; the fibrous outer covering of plants; scrapings.

চোঁচনি, *s.* খোৰোচা জৰি, a noose, a slip knot; with খাই, to tighten, to draw up, to compress.

চোঁচ পৰা, *s.* ঘা আদি সুকুউআ, সুকাই সমান হোআ, the drying up of water or healing of a sore; *a.* leveled, dried up.

চোঁচা, *s.* চুচিনিয়া, চোৰোকা, scraping off the surface of anything.

চোঁচা মাৰি, *v.* অতি সিঘ্রে, চুঁচি, to go or do quickly; to scrape off.

চোঁচোৰা, *s.* চুঁচৰি ফুৰা, ঘঁহনি, dragging, crawling, creeping, scraping.

চোঁচোৰাই, *v.* মাটি আদিত টানি নি, to drag along on the ground.

চোঁত কৰে, *ad.* বেগতবেগে, বেগতে, quickly, speedily, in a moment.

চোঁতাল, *s.* দুআৰ মুখৰ বাহিৰ সমান ঠাই, the open space in front of a dwelling, a court-yard.

চোতালবাঘ, *s.* চোতালত গাত কৈ থকা এবিধ পোক, a species of insect.

চোৱৰ, *s.* চুৰবি পহুৰ নোমেৰে বন্ধা চামৰ, a fly-brush, a fly-flap.

চোক, *s.* ধাৰ, খাৰ বা লোনৰ সোআদ, sharpness, as of an edge, saltness, pungency, acridness.

চোকচুকিয়া, *a.* সোআদ নাইকিয়া, তুহৰ দৰে, without sweetness, tasteless.

চোকা, *a.* কাটন, উগ্ৰ, পাৰ্গত, sharp, cutting, keen, pungent, spicy.

চোকোটা, *s.* দুখ বেজাৰ পাই সিকা, learning by painful experience.

চোকোৰা, *s.* গুটি আদিৰ বাকলি, খচুৰ চাল, the shell of a nut or egg, a scab.

চোঙ্গ, *s.* জন্তু থকা হাবি, মুগা আদি পোহা ঠাই, a place where the mooga silk worm is fed; a resort of wild beasts.

চোঙ্গাই, *v.* আলি অলপকৈ বান্ধি অলপ অলপ দি থকা, to make a mere outline as of a road, to render slight assistance.

চোপনি, *s.* মুখৰ সবদ, কেঁচুয়াই পিয়াহ খোআ সবদ, the noise made by the mouth in sucking.

চোপা, *s.* চুপি খোআ, চোহা, the act of sucking.

চোবা, *s.* তামোল কুঁহিয়াৰ আদি খাই পেলোআ সিটা, anything chewed and ejected from the mouth.

চোবাই, *v.* দাঁতেৰে কামুৰি, দাঁতেৰে গুৰি কৰি, to bite, to masticate, to chew, to grind with the teeth.

চোবোআ, *a.* দাঁতেৰে গুৰি কৰা, masticated, chewed.

চোভা, *s.* সঙ্কা, মনেৰে ভৰা, doubt, mistrust, suspicion, lack of confidence.

চোম, *s.* মুগা পোহা গচ, গাৰ চালত চগা পৰি জোআ এবিধ ৰোগ, a tree on which the mooga worm is fed, a disease of the skin.

চোমনি, *s.* চোম গচনি, a grove of the above trees.

চো মাৰি, *v.* বেগৃতে কোনো কাম কৰা, চেগ মাৰি, to do quickly, to sieze an opportunity of doing or going.

চোৰ, *s.* হৰন কৰোঁতা, চুৰ কৰোঁতা, a thief.

চোৰচাঙ্গ, *s.* ঘৰৰ খোটলিয়া চাঙ্গ, চুৰ কৰিব নোআৰাকৈ সজা চাঙ্গ, a raised room in a house secured against thieves.

চোৰাঙ্গকৈ, *ad.* নেদাখাকৈ, চুৰকৈ, গুপুতে, clandestinely, thievishly, privately, secretly.

চোৰাত, *s.* গাত ডকা এবিধ গচ, a species of nettle.

চোৰোকা, *s.* চুকুকি পেলোআ, কোৰেৰে বন চাঁচি পেলোআ, hoeing or clearing off the surface of the ground.

চোৰোকানি, *s.* চোৰোকা ঠাই, a cleared place.

চোৰোহা, *s.* এবেলি চুহি খোআ, গুটি এবিধ, sucking; an edible fruit.

চোৰ্চোৰ, *s.* চোঁচৰাৰ সব্দ, the noise of dragging anything along.

চোলা, *s.* গাত পিন্ধা কুৰ্তা আদি সিয়া বস্ত্ৰ, a coat, a jacket.

চোলোক, *s.* স্লোক, পদ্য, a metrical composition, a stanza, a verse.

চোহা, *s.* ৰস খোআ, চুহি থকা, sucking, drawing into the mouth.

চোহোঙ্গাচোহোঙ্গ, চোহচুহিয়া, } *a.* সোআদ বা বস নোহোআ, নিৰস, juiceless, tasteless, insipid, without flavor.

চৌ, *prefix.* চাৰিও, চতুঃ, কুকুৰক ফেটোআ, four, used in composition.

চৌকচ, *a.* সকলোতে পাৰ্গত, কাঠিয়ক, পটু, নিপুন, able, vigilant.

চৌকা, *s.* আখা, চৰু বহোআ উধান পতা, a cooking place.

চৌকাঠ, *s.* দুআৰ মুখৰ চাৰি ডলিয়া কাঠ, (lit.) the four timbers forming the wooden frame of a door or window.

চৌকি, *s.* চকি পিৰা, খুঁৰা লগোআ বহা আসন, a chair, a stool.

চৌখাম *s.* জগৰ ধৰি লোকৰ দ্বাৰাই সোধা, কটকি, enquiring into a matter through a second party.

চৌচলিচ, *a.* দুকুৰি চাৰি, forty-four.

চৌচলিয়া, *a.* চাৰি খন চালেৰে ঘৰ, four sided, as a roof.

চৌচালি, *s.* চাৰি চালেৰে, a four sided roof.

চৌচোআই, *v.* পানি আদি বৰ সৰদেৰে পৰি, to pour out, to flow in a rapid stream.

চৌচৌকৰে, *ad.* পানি আদি জোৰ বন্ধ ববকৈ বৈ পৰা, flowing rapidly in a stream, violently purging.

চৌচৈঙ্গিয়া, *a.* আসা ভঙ্গ হোআ, নিৰাস হোআ, disappointed, deceived.

চৌডুলি, *s.* চৰাই ধৰা ফান্দ এবিধ, a snare for catching birds.

চৌতাঙ্গ, *s.* নগাৰ দোঅনিয়া, পৰৰ দুত, বজাত কথা জনাওঁতা কটকি, an informer, a class who explained to the King the affairs of others; a Naga interpreter.

চৌত্ৰিচ, *a.* একুৰি চৈধ্য, thirty-four.

চৌদিস, *s.* পুব পচিম উত্তৰ দখিন, চাৰিও দিস, the four cardinal points.

চৌদিসে, *ad.* চাৰিও ফালে, সকলো দিসে, on all sides, all around.

চৌপট, *s.* খেল এবিধ, চাৰিও পোনে অঁতোআ, পাৰ্গত, a game resembling dice; *a.* cleared on all sides; expert, skillful.

চৌপৰ, *s.* দিন বা ৰাতিৰ চাৰি পৰ, fourth watch of the day or night.

চৌপাস, *s.* চাৰিও ফাল, চাৰিও দিস, four ways or sides.

চৌফলিয়া, *a.* বঁদ টান, টিকাফুটিয়া, very hot, scalding, applied to the sun.

চৌবিচ, *a.* একুৰি চাৰি, twenty-four.

চৌৰাঙ্গ, চৌৰাঙ্গি, } *a.* উঠিব নোঅৰা হৈ পৰি থকা, prostrated, unable to rise, as from sickness or fatigue.

চৌৰান্নবৈ, *a.* চাৰি কুৰি চৈধ্যটা, ninety-four.

চৌৰাসি, *a.* চাৰি কুৰি চাৰি, forty-four.

চৌৱন, *a.* দুকুৰি চৈধ্য, fifty-four.

চৌসত্তৰ, *a.* তিনি কুৰি চৈধ্য, seventy-four.
চৌসষ্টি, *a.* তিনি কুৰি চাৰি sixty-four.
চৌহদ, *s.* মাটি বা বাৰিৰ চাৰি সিমা, a quadrangle.
ছ, ছকাৰ, এই আখৰ হলে অসম ভাসাত কোনো কথাত উচাৰিত নহই, This letter is properly an aspirate of the preceding letter, *s*, and as used in the Bengali and Sanscrit alphabets may be represented by the English letters *chh*; but in Assamese both forms of the letter are pronounced like simple *s*. Therefore for all practical purposes the first form only need be retained.

জ,

জ, জকাৰ, চৰাইৰ মুৰৰ ফুল, ধান এবিধ, this letter is pronounced like *zy*, or *si* in *vision*, (vizyun,) corresponding to French *j*. At the end of words the sound of the y is scarcely perceptible, as মেজ, তেজ, pronounced *mez*, *tez*. It is used in composition to mean *born from*, *produced by*, as অণ্ডজ, *i. e.* produced from an egg, oviparous; জলজ, *i. e.* sprung from water, produced in water, aquatic; a cock's comb, a species of rice.

জই, *s.* জুধত জিকা, পৰাজই কৰা, কাৰ্জ সিধি, victory, conquest, triumph, success; with কৰি, to conquer, to overcome, to subdue, to succeed in an undertaking.

জইঘঁটা লৰা, *s.* গোটেই গা জোকাৰি বা দুখ দি থকা, troubling, disturbing, (lit.) shaking the whole body as a bell the building in which it is hung.

জই জই, *s.* জিকাৰ ধনি, আনন্দৰ বাও, the shout of victory, hosanna, an exclamation of praise to God, or of exultation; with হওক, an invocation of blessings.

জই জই মই মই, *a.* সকলোতে সিধি হৈ ফুৰা, বৰ প্ৰতাপি, successful in every thing, illustrious.

জইধনি, *s.* জই জই সব্দ, মঙ্গল ধনি, হৈধনি, a shout of victory, a loud blessing, hosanna.

জইন, *ad.* কাৰন, মুল কাৰন, cause, reason.

জঁই, জঁই পৰা, } *a.* সুকাই লেৰেলা পৰা, বিবৰন হোৱা, লাজ পৰা, wilted, faded, dried up, out of countenance, abashed.

জঁক, জঁক উঠা, } *s.* খঙ্গ, বলিয়া জাঁই উক দিয়া, madness, frenzy, fury, hydrophobia.

জঁকা, *s.* লো পিতল আদিৰ বৰ কেৰাহি, হাৰ মাঁহ আক্ৰিতি, a large cooking vessel; a skeleton; *a.* reduced to skin and bones.

জঁকাল, *a.* জঁক উঠা, খঙ্গাল, জক্মকিয়া, furious, raving, foaming with rage or as in spasms of hydrophobia.

জঁকি, *v.* গুঁজৰি, খঙ্গ উঠি, নোম শিয়ঁৰি, to rage, to storm, to fume, to stand erect as the hair from fright.

জঁকিউআ, *s.* জাঁকি দিয়া, জুইত ধান শুকুউআ, drying paddy over the fire preparatory to being pounded out.

জঁকিয়াই, *v.* জিকাৰ খাই উঠা, গাৰ নোম শিয়ঁৰা, মাচে জাঁকি মৰা, to stand erect, (applied to the bristling of the hairs of the body;) to leap up, as a shoal of fish from the water.

জঁজলিত, *a.* বৰ খঙ্গ, জাজ্বল্যমান, angry, wrathful.

জঁজলুআ, *a.* জঞ্জাল থকা, আহুকলিয়া, disturbed, involved in difficulty, harassed with care.

জঁজা, *s.* দুটিয়া, জুৰিয়া, জোঁটা, twins; two of a sort growing together.

জঁজাল } জঞ্জাল, } *s.* আহুকাল, জেন্দা, বনত আহৰি নোহোআ, আউল বা জোঁট, disorder, confusion, press of business, hindrance, difficulty.

জঁট, *a.* চুলি আদি আউল বা গাঁঠি লাগি জোআ, tangled hair, intertwined or matted roots.

জঁট লগা, *a.* আউল লগা, matted, clotted, tangled.

জঁটলা, *a.* জঁট বন্ধা, snarled, intertwined as a bunch of bamboos.

জঁটা, *s.* শিৱৰ বা সন্যাসিৰ দুৰৰ জঁট বন্ধা চুলি, the long matted hair of Hiwo and of ascetics; *a.* tangled, matted.

জঁটাধাৰি, *s.* জঁটিয়া, সন্যাসি বা শিৱ, a wearer of matted hair; an ascetic, an epithet of Hoda Hiwo.

জঁটায়ু, *s.* সিতাক ৰাখিবলৈ ৰাৱনেৰে জুধ কৰা ৰামায়নত লিখা চৰাইৰ নাম, the name of a famous bird that strove to save *Sita* the wife of *Ram*, as recorded in the Ramayan.

জটিয়া, *a.* জট থকা মানুহ, জটাধাৰি, having matted hair.

জঁতৰ *s.* কপাহৰ সুতা কটা জতন, a native spinning wheel.

জতৰি, *s.* কপাহৰ গুটি গুচুআ জন্ত্ৰ, নেওটনি, a machine for cleaning cotton of the seeds.

জতৰিকেটি, *s.* এবিধ সাপ, a species of serpent.

জপিয়াই, *v.* জাপ মাৰি, ডেও দি, to skip, to leap, to bound, to jump.

জক্মক, *a.* প্ৰফুলিত, ভালকৈ ফুল আদি ফুটা, full blown, blooming, showy, sparkling, gorgeous.

জকমকাই, *v.* সোভা কৰি, প্রফুলিত হৈ, to glitter, to sparkle, to bloom.

জকাই, *s.* জাকৈ, মাচ ধৰা উপাই, a bamboo scoop for catching fish.

জখাৰিয়া, *s.* জখাৰ কৰা মানুহ, a manufacturer of saltpetre.

জখলা, *s.* খাপ বা খোপ থকা ওপৰলৈ উঠা উপাই, চিৰি, a ladder, a flight of steps.

জখলা খুপিয়া, *a.* জখলাৰ দৰে খোপ থকা, having notches or steps like a ladder.

জখাৰ, *s.* খাৰ এবিধ, saltpetre, nitre, nitrate of potash.

জখিনি, *s.* ভুতুনি, পিসাঁচিনি, জখ্যৰ তিৰি, a fabulous creature, a fairy; wife of the demon *Jokh.*

জক্ষ্মা, *s.* কাহত তেজ ওলোআ এবিধ ৰোগ, a disease, pulmonary consumption.

জখ্য, *s.* ধন সম্পতি বাখোতা উপদেৱতা বিসেস, কুবেৰৰ ধন আদি ৰখ্যক, জখ, a kind of fabled beings said to superintend wealth.

জগত, *s.* সংসাৰ, ভুবন, the world, the universe considered as passing away or transitory.

জগতাধাৰ, *s.* জগতক ৰাখোতা, the support or supporter of the world.

জগতপতি, *s.* জগতৰ কৰ্ত্তা, পৰম ইস্বৰ, the Lord or Governor of the world.

জগন্নাথ, *s.* জগতৰ গৰাকি, বিষ্ণু, উৰিয়া দেসৰ তিৰ্থ বিসেস, Juggernaut, an epithet of Vishnoo; (lit. the Lord or master of the universe.)

জগৰ, *s.* দোস, অপৰাধ, দাই, চিদ্ৰ, a fault, a crime, a blunder.

জগৰিয়া, *a.* দুসি, অপৰাধি, faulty, criminal, guilty.

জগা, *a.* জনমা, ওপজা, born, hatched, produced.

জগাই, *v.* সাৰ পোআই, জন্মাই, to wake, to give birth to, to produce.

জগাকাঠ, *s.* পানিত গোঁৰ খাই ওলোআ পচা কাঠ, wood long submerged and brought again to the surface.

জগি, *v.* সাৰ পাই, উপজি, to be wakeful; to give birth to; to produce.

জগোআ, *s.* সাৰ পোওআ, জন্মোআ, the act of watching or of producing.

জগ্য, *s.* হোম, জাগ, পুজা, a sacrifice, an oblation, worship.

জগ্যকুণ্ড, *s.* হোম পোৰা গাত, a sacrificial pit or place for making burnt offerings.

জগ্যসুত্র, *s.* লগুন, উপবিতি, the sacred thread or *logun.*

জংঘল, *s.* (হাবি বননি, অৰন্য,) বৰ্ন বিসেস, a forest, a wilderness, a place overgrown with grass; a bluish colour.

জংঘলি, *a.* বনৰিয়া, হাবিঅলিয়া, wild, uncultivated.

জংঘা, *s.* কৰঙ্গন, উৰু, আঁঠুৰে তপিনাৰে মাজ ভাগ, the thigh.

জচা, *s.* নোখোজাকৈ দিয়া, উপজাচি দিব খোজা, the giving without asking, offering for acceptance; *a.* offered.

জজন, *s.* জজ্ঞা, পূজা আদি কৰা, the performing of worship or sacrifice.

জজমান, *s.* জি জজনে কৰাই, sacrificing, one who brings an offering and for whom the sacrifice is made.

জজুর্ব্বেদ, *s.* চাবি বেদৰ দুতিয় বেদ, the second of the four Veds.

জগ্ম, *a.* জঁজা, লগ লগা, united, paired as two seeds growing together.

জটামাংসি, *s.* এবিধ সুগন্ধি মচলা, the Indian spikenard; an ointment.

জঠৰ, *a.* নবলানচৰা, ঠৰ, not flexible, stiff, immoveable.

জঠৰ, *s.* হাত ভবি ঠৰ হোআ বোগ, the palsy.

জত, *pron.* জি ঠাইত, জি থান, at what place.

জত, } *a.* জিমান, জি পৰিমান, জতেক, as much as, as many as.
জতক, }

জতন, *s.* চেষ্টা, কার্য্যৰ, উপাই, labor, effort, pains, care, exertion, endeavor, diligence, means of doing.

জতাই, *v.* জুগুত কৰি, জতনাই, থিৰ কৰি, to get ready, to prepare.

জতুআ, *a.* জাতৰ নবে থকা, একে জাতৰ, সজ, conformed to the rules of caste, of the same caste.

জতেক, *a.* জিমান, জত, how much, how many, how long.

জতোআ, *s.* উপাই কৰা, জুগুত কৰা, preparation, making ready; *a.* prepared, made ready.

জথা, *conj.* জেনে, জেই প্ৰকাৰে, as, like as, for instance.

জথাজোগ্য, *ad.* জেনে উচিত, as is proper, as is worthy or capable of.

জথার্থ, *a.* স্বৰূপ, উচিত, ন্যাই, ঠিক, true, accurate, genuine, fit, proper.

জথাসক্তি, } *ad.* জিমান সক্তি, জি উচিত, পাৰে মানে, as much as is
জথাসাধ্য, } possible or proper, to the utmost ability.

জথেষ্ট, *a.* ইচা মতে, according to desire, enough, sufficient.

জথোচিত, *ad.* জি উচিত, জেনে প্ৰকাৰ, as is fitting, proper or lawful.

জদি, } *conj.* জানোচা, জদ্যপি, if, if so be, though, although.
জদিস্যাত, }

জদু, *s.* দনু দেৱৰ বংস, জজাতি ৰজাৰ পুত্ৰ, a famous king, the eldest son of Jujati and an ancestor of Krishnoo.

জদুপতি, *s.* শ্ৰী ক্ৰিষ্ণ, an epithet of Krishnoo.

জদুবংস, *s.* জাদৱ বংস, ক্ৰিষ্ণৰ ভাই পৰিয়াল আদি, the family of Jodu.

জদুমনি, *s.* ক্ৰিষ্ণৰ এক নাম, গাল উখহা বোগ, an epithet of Krishnoo, a disease of the face.

জদ্যাপি, *conj.* জদিস্যাত, জদি, if, also, although, even if.
জধবা, *a.* লেতেৰা, বিচাৰ নথকা, জধলা, nasty, of filthy habits, disorderly.
জধল মধল, *a.* গাৰ কাপৰ নেসামৰি ফুৰা, untidy, slovenly.
জধামুৰ্খ, *s.* অতি মুৰ্খ, একো নজনা, a fool, a stupid fellow, a dunce.
জন, *s.* মানুহ, লোক, পুংলিঙ্গ সব্দ, a person, a man, a generic affix, as দুজন, two persons, two men; দুজনি, two females.
জনক, *s.* পিত্রি, মিথিলা দেসৰ ৰজা, সিতাৰ পিত্রি, ৰূপ আদি পৰা সব্দ, an ancestor, the father in law of Ram, any jingling sound.
জনচাৰেক, *a.* কেই জনমান, অলপিয়া মানুহ, a few or several persons.
জনজনাই, *v.* সৰহিয়া ৰুপ আদিৰ সব্দ উঠি, নাকত পোৰনি ধৰি, to jingle, to rattle, to clash, to tingle.
জননি, *s.* মাত্রি, দৰা ঘৰলৈ কনাই পঠোআ, a mother; with দি, to send the কনাই, to the house of the bridegroom.
জননি দিয়া, *s.* বাত্রা দিয়া, informing, giving word.
জনম, *s.* জন্ম, ওপজা, উত্পন হোআ, birth, production, result, fruit.
জনমি, *v.* উপজি, হৈ, জন্মি, to bear, to bring forth, to produce.
জনলোক, *s.* মিত্যু হোআ ধাৰ্মিকৰ থান, হিন্দু মতৰ সাত খন স্বৰ্গৰ পঞ্চম স্বৰ্গ, সুখ ভোগৰ থান বিসেস, in Hindoo cosmography a division of the universe called the paradise of good men.
জনা, *a.* গ্যাত, বুজা, ভুপোআ, গিয়ানি, known, heard of, public, acquainted with, having knowledge of, skilled, learned.
জনাই, *v.* কৈ, বুজাই, to inform, to acquaint, to make known, to tell.
জনাজনি, *a.* প্রকাস হোআ, সকলোএ জনা বুজা, mutually known, public.
জনাৰ্দন, *s.* ক্রিস্নৰ এক নাম, an epithet of Krishnoo.
জনি, *s.* সৰু গুটিৰে সুগন্ধি মচলা, পৰবৰ্তি সব্দ, জথা, মানুহ জনি, হাঁহ জনি, an aromatic seed; a generic affix, as মানুহ জনি, a woman.
জনিয়া, *a.* জলা জলা বা জনি গুটিৰ দৰে গোন্ধ থকা, aromatic, fragrant.
জনোআ, *s.* সুনুউআ, বুজুউআ, কোআ, the act of making known, informing; *a.* told, informed, reported.
জন্তু, *s.* প্রানি, পসু আদি, an animal, whether man or brute.
জন্ত্র, *s.* কল, সঁজুলি, ফান্দ, কুন্দা আদি, a machine, an engine, an implement, an instrument, a trap.
জন্ত্রবাদ্য, *s.* আপুনি বজা বাদ্য, an instrument of music.
জন্ম, *s.* জনম, উত্পত্তি, birth, production.
জন্মতিথি, *s.* জনমা তিথি, ওপজা দিন, a birth day.
জন্মান্তৰ, *s.* আন জন্মা সিহ জনম, a succeeding birth, another state &c.

জন্মি, *v.* উপজি, হৈ, to bear, to produce, to be.
জন্মোআ, *s.* ওপজোআ, প্রসও কৰা, birth, production; *a.* born, produced.
জন্য, *s.* কাৰন, হেতু, নিমিত্তে, cause, motive, reason.
জপ, *s.* মন্ত্র আদিৰে পুনঃ পুনঃ দেৱতাৰ নাম লোআ, the frequent repetition of the name of a deity audibly or otherwise on a rosary or the joints of the fingers, muttered repetitions.
জপঙ্গজপঙ্গ, *ad.* ঠেঙ্গ মিঘলিয়াকৈ পেলাই খোজ কৰা, striding, taking long steps, (used adverbially.)
জপজপাই, *v.* ব্যাকুল হৈ ফুৰা, to run about distractedly.
জপজপিয়া, *a.* পাতেৰে ভৰা হোআ গচ, leafy, covered with leaves.
জপটিয়াই, *ad.* মহটিয়াই, ভাল বেয়া সকলোকে গোটাই, as a whole good and bad together.
জপনা, *s.* পদুলি মুখৰ দুআৰ, the outside door or gate of an enclosure.
জপমালা, *s.* জপমালা, জপ কৰা মাটিৰ মালা, a rosary or bead roll.
জপৰ-কৰি, } *v.* পানিত জাঁপ মাৰি শব্দ কৰা, to make a noise as of
জপঙ্গ-কৰি, } a sudden plunging into water or of falling.
জপৰজলৌ, *a.* ভালকৈ নজনা, আবালচন্দ, stupid, slovenly, inefficient.
জঁপৰা, *a.* ডাঁৰি চুলি নুখুৰুউআ বা নফনিউআ, unshaven, uncombed, having disordered or dishevelled hair.
জঁপা, *s.* কাপৰ থোআ বাঁহৰ পাত্র, জাঁপি থোআ, জপ কৰা, a bamboo clothes basket, repeating the names of the gods, packing, or folding up; *a.* packed, piled, folded, shut.
জঁপাই, *v.* বন্ধ কৰি, জপোআই, মামৰি, to close, to shut (as a door or book,) to fold, to repeat a prayer or name of a god.
জঁপাই বনমাৰি, *v.* ভাল বেয়া নিবিচাৰি, যেনেই সোপা মাৰি, to take or eat without regard to kind, quality or person.
জঁপি, *v.* জপ কৰি, আৰাধনা কৰি, to skip, to leap, to bound, to jump.
জঁপোআ, *s.* দুআৰ আদি বন্ধ কৰা, মামৰা, causing to be shut, packed &c.
জৱ, *s.* জ ধান, barley.
জবকা, *s.* জাবৰ আদি গোটোআ জতন, a rake.
জবকিয়াই, *v.* জবকাৰে জাবৰ গুচাই, to rake.
জবন, *s.* গৰিয়া, মচলমান, a foreigner, a mussulman.
জবৰখবৰকৈ, *ad.* খপজপকৈ অথিৰ ভাবে, hesitatingly, tremblingly.
জবৰা, *s.* জাবৰৰ নিচিনা, লোন নিদি সিজোআ সাক, rubbish, greens boiled without salt.
জবলা, *a.* আবালচন্দ, একো নজনা, worthless, stupid.

জবা, *s.* ফুল এবিধ, a species of flower.
জম, *s.* মিত্যু, অন্তকাৰি, death, Jom, the fabled regent of death.
জমকাল, *a.* মৰন কাল, জমৰজাৰ সদৃিস ভয়ানক, the time of death, a time terror, terrible; *s.* an epithet of Jom the regent of death.
জমকিঙ্কৰ, *s.* জম দুত, a messenger of Jom.
জম্‌জমাই, *v.* জন্‌জনাই অহা, গোটেই গাত বেদনা হৈ অহা, to feel a burning painful sensation in the whole body.
জমদ্বাৰ, *s.* দুআৰ দলিৰ কোন, হাত-ভৰিৰ দুই আঙ্গুলিৰ গুৰি, the gate of death; the threshhold of a door; the forks of the fingers.
জমপুৰি, *s.* জমালই, জম নগৰ, the fabled abode or city of Jom.
জমলাখুটি, *s.* এবিধ ঔসধিয় গচ, a medicinal plant, used in fevers.
জমলাৰ্জুন, *s.* জঁজা অৰ্জুন গচ, a species of tree.
জমা, *s.* মুঠ কৰা, গোট খাই থকা, গোট বন্ধা, a collection, an accumulation, amount, sum total; in book keeping the creditor's side; *a.* collected, gathered, congregated, summed up.
জমালই, *s.* জমৰ ঘৰ, দুখ, কষ্ট, the abode of Jom, (*fig.*) torment.
জম্বুদিপ, *s.* সাত দিপৰ এক দিপ, ভাৰত বৰিস, জগত, the hindoo central division of the earth, which includes the whole of Hindustan.
জম্ভাসুৰ, *s.* এক দৈত্যৰ নাম, a notorious demon slain by Bheem one of the five Pandoos.
জয়, *s.* জই, see জই.
জয়জুক্ত, *a.* জই হোআ, জিনা, victorious.
জয়ন্তা, *s.* জঁইন্তা, কচাৰি দেস, Jyntia; the Cachari country.
জয়ন্তি, } *s.* দুৰ্গা, এবিধ ফুল, Doorga; a species of flower.
জয়া, }
জয়াৰ, *a.* ভুত পিসাঁচ থকা ভই লগা ঠাই, ভয়ানক, possessed by evil spirits, enchanted, haunted.
জয়ি, *a.* জিকোঁতা, জিনা জন, victorious, conquering, triumphant, successful.
জৰ, *s.* তাপ, ৰোগ, a fever.
জৰক, *s.* হাবিয়নিৰ সবদ, a rustling noise.
জৰখাপৰি, *s.* পেটৰ ৰোগ বিসেস, the spleen.
জৰজৰকৰি পৰি, *v.* সৰু বস্তু আদি সৰহিয়াকৈ পৰা, টোপাটোপে সৰা, to spill, to drop plentifully, to shower.
জৰজৰিয়া, *a.* সুকুউআ, গোট গোট, পানি সামৰা, dry, separate, mealy.
জৰথ, *s.* হালধিয়া ৰৰনৰ এবিধ গচ আৰু গুটি, a tree the seeds of which are used in coloring yellow.

জৰনি, *s.* অলপ অলপকৈ বৈ থকা, oozing, dropping, falling in small drops.
জৰপুৰ, *ad.* অতি টানকৈ গাঁঠি দিয়া, tightly, firmly, (applied to binding.)
জৰা, *s.* টেঙ্গা এবিধ, মন্ত্ৰ কৰা, ঘুলা পতান গুচুউআ, a citron; the making passes over the body accompanied by incantations; winnowing; *a.* old, aged, winnowed.
জৰাই, *v.* জৰোআ, তাপে ধৰা, to have fever; to make incantations &c.
জৰি, *s.* ডোল, গচ এবিধ, a string, a cord, a species of tree.
জৰিমনা, *s.* অপৰাধৰ ধন লোআ, অৰ্থ দণ্ড, a legal fine.
জৰিয়া, *a.* জৰ উঠা, জৰে ধৰা, having fever, feverish.
জৰু, *s.* ডোল, লেজু, জৰি, a cord, a string.
জৰোআ, *a.* জৰ তোলা, জৰ উঠি থকা, causing or subject to fever.
জৰোবোআ, *a.* অনেক বিন্ধা ওলোআ, সেৰেঙ্গা, broken through, full of holes, (applied to a broken roof.)
জল, *s.* পানি, উদক, water, a liquid.
জলক-টকক, *a.* চকুৰে ভালকৈ নেদেখা, seeing imperfectly, indistinct.
জলক লগা, *a.* বৰ ৰশ্মি লগাত চকুএ দেখিব নোআৰা, একে টৰে চাই থকা, dazzled by intense light; staring in silent amazement.
জলকা, *a.* মন মাৰি ফুৰা বা থকা, বদ নিদিয়া, sad, melancholy, overcast with clouds.
জলকা লগা, *s.* ৰোগ বা অসন্তোসত মন মৰা, melancholy, depression.
জলকিয়া, *s.* জলা গুটি, মৰিচ, pepper.
জল-কুঁঅৰি, *s.* জলকোঅৰৰ ভাৰ্য্যা, an imaginary river goddess; (masculine জল কোঁঅৰ, a river god.)
জল খোআ, *s.* জলপান কৰা, উপাহৰ বস্তু খোআ, luncheon, tiffin.
জলগুঁই, *s.* মাইকি ঘঁৰিয়াল, the female crocodile.
জলঙ্গনি, *s.* বেৰ আদিৰ ফুটা, বিন্ধা ওলোআ, a window, any aperture in a partition to admit light.
জলঙ্গা, *s.* ফটফটিয়া, ফটিকৰ নিচিনা নিৰ্ম্মল, বেৰৰ বিন্ধা, clear, transparent, crystal; *s.* a window.
জলচৰ, *a.* পানিত থকা, aquatic, living in the water.
জলজ, *a.* পানিত জন্মা, পদুম আদি, produced in water; water lily &c.
জল্‌জলিয়া, *a.* ফট্‌ফট, নিৰ্ম্মল, clear, pellucid, crystal.
জলজলাই, *v.* অতি খং উঠি, to be furious, to rage.
জলজিৱ, *s.* মাচ মগৰ আদি, a fish or any aquatic animal.
জলথল, *s.* মাটি পানি, বোকা, land and water, moist soft earth.
জলদ, *a.* পানি দিওঁতা, মেঘ, water-giving; *s.* a cloud.

জল-দিয়া, *s.* তর্পন কৰা, সমুলি আসা এৰা, (*lit,*) giving water to the manes of the dead; hence, hopelessness, discouragement.

জলধৰ, *s.* মেঘ, সমুদ্র, a cloud, the sea.

জলধা, *a.* লেতেৰা, বন বাৰি কৰিব নজনা, incompetent, unskillful.

জলধি, *s.* সমুদ্র, the sea, the ocean.

জলন, জলনি, *s.* জলি থকা, পোৰা, দহন, a flaming up, burning.

জলন্ত, *a.* জলি থকা, পুৰি থকা, burning, flaming, fierce.

জলন্ধৰ, *s.* অসুৰৰ নাম, ৰোগ এবিধ, the name of a demon; the dropsy.

জলন্ধৰিয়া, *a.* সুবিয়া, জলন্ধৰ ৰোগে ধৰা, dropsical.

জলপনিয়া, *a.* জলপানৰ সম্বন্ধিয়, উপহাৰ দ্রব্য, suitable for a light meal or luncheon; *s.* light food.

জলপাত্র, *s.* লোটা, কলহ আদি, a water vessel.

জলপান, *s.* পানি খোআ, কৰাই পিঠাগুৰি আদি উপাধি দ্রব্য, the drinking of water; a tiffin or luncheon; with কৰি, to take a lunch.

জলপ্রাই, *a.* পানিৰ নিচিনা চেঁচা, উম্ঘাম নাইকিয়া, watery, cool like water, dispassionate, not easily provoked.

জলপ্লাবন, *s.* পানিৰে তল জোআ, মহা প্রলই, an inundation, a deluge.

জলফাই, বেলফৈ, *s.* টেঙ্গা এবিধ, the olive tree and fruit.

জলবিসুব সংক্রান্তি, *s.* তুলাৰ সংক্রান্তি, কাতি বিহু, the autumnal equinox.

জলভৰথ, *a.* চেচা, নিৰ্জ্জ, dispassionate, cool, not irascible.

জলম, *s.* বহুআই পিন্ধি ৰঙ্গ দেখুউআ মৰা পাটৰ বৰৈ, দিঘল সাজ, a long coarse garment worn in making sport.

জলমই, *a.* পানিৰ সদৃস, watery.

জলম-জথম, *s.* গাত কাপৰ নেমামৰাকৈ ফুৰা, the wearing of apparel loosely or untidily.

জলমল, *s.* ফটিক আদিৰ জিলিকনি, brilliance, lustre, glitter.

জলমলিয়া, *a.* জল্মল্লাই থকা, কান্তিমই, sparkling, glittering, brilliant.

জলয়া, *s.* লোটা ভৰি নিয়া মৰা পাটৰ জালৰ মোনা, a coarse netted bag used in carrying brass dishes &c.

জলবজপৰ, *a.* জলোপলো, অথিৰ, হাত ভৰি কঁপা, unsteady, trembling, shaking, (applied to old persons.)

জলসাই, *s.* সমুদ্রত সয়ন কৰা বিষ্ণু, an epithet of Vishnoo, represented as sleeping on the ocean.

জলসাৰ, *s.* ঘনে সৰু পানি চোআ ৰোগ, the diabetes.

জলসুৰিয়া, *a.* সেত্সেতিয়া, সোৰা সেৰেলুআ, dropsical.

জলহমলহ, } *a.* কাপৰ ভাল ৰূপে পিন্ধিব নজনা, বনবাবি ভালকৈ নজনা
জলছ, } slovenly, negligent of order or neatness.

জলছুআ, *a.* সাক আঞ্জাত অধিক পানি হোআ, পনিয়া, having too much water, (a culinary term.)

জলা, *a.* জলি থকা, জলকিয়া আদিৰ পোৰনি, বিন্ধা, blazing, burning, pungent, spicy, perforated.

জলাকটা, *s.* সৰহকৈ বিন্ধা দিয়া হাঁতা আদি পাত্র, a skimmer.

জলাধাৰ, *s.* জলপাত্র, সমুদ্র, পুখুৰি, a reservoir of water, the ocean &c.

জলাহ, *s.* পানিত তল গৈ থকা ঠাই, a fen, a swamp, a bog.

জলাহি, *a.* পনিয়া গাখিৰ দিয়া মহ গৰু আদি, watery, diluted.

জলি, *v.* জুই লাগি, জহি, জিলিকি, প্রকাস হৈ, খঙ উঠি, to burn, to to blaze, to glow, to be inflamed with anger or desire.

জলি উঠা, *a.* জুই লাগি উঠা, ৰবকৈ খঙ উঠা, flaming, raging &c.

জলুকা, *s.* পানিৰ সৰু পোক, a small water insect.

জলৈ, *ad.* জি ঠাইলৈ, জতে, whither.

জলোদৰি, *a.* গর্ভৰোগ, কালিৰ এক নাম, dropsical, big-bellied; an epithet of Kali.

জলোপলো, *a.* ৰৰ দুখ পোআ, দুখ কষ্ট, থানথিত নাইকিয়া, troubled, afflicted, driven about from place to place.

জলোলথো, *a.* ঢেঙ্গ ঢেঙ্গিয়া পানিময়, watery, diluted.

জস, } *s.* খ্যাতি, গুন প্রকাস, celebrity, praise, renow, glory,
জসস্যা, } reputation, fame.

জহ, *s.* ঘাম, ফিতাহি, দাই, জগৰ, warmth, heat, boasting, a fault.

জহকাল, *s.* ঘাম কাল, গ্রিস্ম কাল, the hot season, summer.

জহনি, *s.* মাউৰ, পেট বোআ ৰোগ, the cholera.

জহৰ মহৰ, *s.* সাপে খোআৰ ঔসধ বিসেস, an antidote for poison.

জহৰা, *a.* আনৰ পৰা হোআ লৰা, জাৰজ, illegitimate, *s.* a bastard.

জহা, *s.* গোন্ধোআ সৰু ধান এবিধ, কোমোৰা এবিধ, a species of fragrant rice, a species of pumpkin.

জহাই, *v.* গপাই, ফিতাহিকৈ, to boast, to brag, to vaunt.

জহামাল, *s.* জন্তু এবিধ, a species of wild animal.

জহালি, *s.* খেতি কৰা চাহ মাটি, land thoroughly subdued by cultivation.

জহি, *v.* পমি, দ্রও হৈ, (ফিতাহি কৰোঁতা,) to dissolve, to melt; *s.* a braggart, a boastful person.

জহুল, *a.* সর্ব প্রকাস, জঞ্জাল, known of all, public.

জহোঅা, *a.* জাহ জোআ, পচি জিন জোআ, জহ কৰা, decomposed, rotted.

জা, *s.* দেওৰ বা জেঠালৰ তিৰোতা, an appellation used between the wives of an elder and younger brother.

জাইফল, *s.* সুগন্ধি মচলা গুটি, জাতি ফল, the nutmeg plant and fruit.

জাউৰি, *s.* জুম, এবেলি সবহকৈ গুটি আদি হোআ, অনেকে একে বেলিএ কৰা, a crowd, a multitude, what is done at one time by a crowd of people, a crop of fruit, the produce of one season.

জাঁই, *s.* খঙ, জক, মাইকি মেকুৰি, হিলৈ মৰা, anger, frenzy, hydrophobia; a female cat; the discharge of a gun or a volley.

জাঁও, *s.* এবিধ ত্রিন, পাগত উতলি জোআ ইটা, জাৰ খোজা, a species of plant, (tamarix indicus,) a burnt brick used in preparing the *Sasi pat,* on which the *puthis* are written.

জাঁকি, *v.* জিকাৰ মাৰি, জুই ধৰি ধান সুকুউআ, গুৰৰ গেদ কটা চালনি, to leap from the water as fish; to dry paddy by the fire for pounding; *s.* a bamboo skimmer.

জাঁজ, *s.* জঞ্জাল, নৈত গোট খাই থকা জেঙ্গ জাবৰ, ঠাহ খোআ, confusion, pressure of work, difficulty, annoyance; driftwood.

জাঁজৰি, *s.* লুকমা হাবি, land covered with patches of low jungle.

জাঁজি, *s.* খাগৰি কাঠ আদি নৈত উটি অহা জাজ, এক নদিৰ নাম, driftwood; the name of a river in upper Assam.

জাঁটলি, *a.* কুটকৰা চুলিৰে, জট বন্ধা ডিৰি, আউলি বাউলি, short haired, frizzled, curly headed.

জাঠি, *s.* লোৰ সেল, বৰচা বিসেস, a spear.

জাঁত, *s.* মাহ ঘেঁহু আদি পিহা জন্ত্র, a millstone, a hand mill.

জাঁতজাত কৰে, } *ad.* গিৰিপ গিৰিপ, একে লগে উঠা সব্দ, in concert,
জাঁউতজাউত কৰে, } in unison or time.

জাঁতি, *s.* চৰু আদি বহোআ লোৰ তিনি ঠেঙ্গিয়া বেৰা, an iron tripod for supporting cooking vessels over the fire.

জাপ, *s.* ডেও মৰা, লাফ, লম্ফ, a jump, a bound, a spring, a leap.

জাপতজাপে, *ad.* অতি সিঘ্রে জোআ, জপিয়াই জপিয়াই জোআ, going with a bound, going rapidly.

জাপমাৰি, *v.* ডেওদি, জপিয়াই, to bound, to leap, to jump.

জাক, *s.* সৰহিয়া মানুহ বা জন্তু, বাহ, a drove, a flock, a multitude.

জাকৈ, *s.* জকাই, মাচ ধৰা উপাই, a bambooh fish trap.

জাকৈয়া, *s.* জকাই বাওতা, জকয়া, one who fishes with above instrument.

জাখৰ, *s.* লোৰ চোলা, কৱচ, বনৰ সাজ, a coat of mail, defensive armor.

জাগ, *s.* হোম, চরু কলা আদিত তাপ বা মঁহ নিবাৰনৰ নিমিত্তে গৰু গোহালিত ধুঁআ দিয়া, an offering, an oblation, an act of worship.
জাগ দিয়া, *s.* কল আদি গাঁতত থৈ তাপ ধুঁআ দিয়া, the ripening of fruit by artificial warmth.
জাগন, } *s.* সাৰ পোআ, চেতনা, জগি থকা, an awaking from sleep,
জাগৰন, } watchfulness, vigilance.
জাগোন, *s.* নাৱৰ গবৈ মূচি চঁচালি, the lower floor of a boat.
জাঙ্গ, *s.* কৰঙ্গন, জানু, the thigh.
জাঙ্গথনিয়া, } *a.* কৰঙ্গনিয়া, up to the thigh in depth.
জাঙ্গ থোআ, }
জাঙ্গফাই, *s.* মনি কেঁচ আদি কটা এবিধ মাটি, amber.
জাঞ্জি, *s.* চৰাই ধৰা খোৰোচা ফান্দ, a snare for birds.
জাঙ্গুল, *a.* সৰহিয়া, বহুত, অনেক, many, much.
জাঙ্গুল খাই, *v.* সৰহিয়াকৈ, উদুৰি খাই, to assemble in a body.
জাঙ্গুল খাই উঠা, *s.* সকলোৱে বৰ খঙ্গ উঠা, the angry excitement of a multitude.
জাঙ্গুলখাই ধৰা, *s.* সৰহিয়াই বেৰি ধৰা, surrounding in a crowd.
জাঙ্গুলখাই লগা, *s.* সৰহিয়াকৈ গোট ধৰা, bearing abundantly.
জাচক, *s.* খোজনিয়াৰ, ভিখ্যুক, a petitioner, a suitor, a beggar.
জাচি দিয়া, *s.* আপোন ইচাতে দিয়া, নোখোজাকৈ দিয়া, the giving without being asked, offering for acceptance.
জাজক, *s.* পোৰোহিত, পূজাৰি বামুন, a priest, one who offers sacrifices.
জাত, *s.* জন্মা, কুল, বিধ, a caste, a species, a class.
জাতনা, *s.* দুখ, কষ্ট, জিয়াতু, উগুসাস্থি, pain, agony, anguish, torment.
জাতি, *s.* কুল, বিধ, এবিধ বাঁহ, নম্র, জুৰ, caste, a family, race or nation; a kind, species, genus; a species of bamboo; mild.
জাতি কাঠ, *s.* সুগন্ধি কাঠ, চন্দন কাঠ, sandal wood.
জাতিভ্রষ্টা, *s.* জাত জোআ, অজাতি হোআ, the loss of caste; *a.* outcast.
জাতিহিন, *a.* অজাতি, অকুলিন, without caste.
জাতেই, *ad.* নিচয়ে, নিচেই, সমুলি, truly, certainly, very, altogether.
জাতো, *conj.* কিয়নো, কাৰন, for, because.
জান, *s.* বুজ, গ্যান, পানি জোআ লোদ, খাবৈ, জুৰি, perception, understanding, a drain, a trench, a channel, a creek.
জানি, *v.* বুজি, to known, to understand, to perceive.
জানিবা, *ad.* বিসেসত, নিচিনা, কোনো প্রকাৰে, (lit.) understand, for instance, after a fashion, something like to.

জানিয়োক, *v.* poetical form of জানোক, let him know.

জানিসুনি, *v.* বুজ বাজ পাই, বুজি বাজি, to know and to hear, *i. e.* to have full knowledge of.

জানু, *s.* কৰঙ্গন, উরু, আঁঠুৰ ওপৰ ভাগ, the thigh.

জানু পাৰি, *v.* আঁঠু পাৰি, কৰঙ্গন পেলাই, to kneel, to bend the knee.

জানেক, *s.* মিথিলা দেসৰ ৰজাৰ নাম, the famous King of Mithila.

জানেকি, *s.* ৰামৰ ভাৰ্জা সিতা, Hita the wife of Ram.

জানোঁ, জানোঁচা, *ad.* বুজোঁ, কিজানি, অনিচই বা হব নোঅৰা মাত, অসাধ্য, (lit.) I understand; used also to express doubt, uncertainty, indecision, impossibility: forsooth.

জাপ, *s.* জাপি থোআ, তৰপ, a pile, a layer, a portion.

জাপতগৰ, *s.* এবিধ গচ আৰু ফুল, a flowering plant.

জাপৰ, *a.* খুৰাব লগিয়া চুলি, having the hair unshorn or uncut.

জাপৰি, *s.* চুলিৰ আল নধৰা তিৰোতা, বৰ বিহ, a woman who neglects to dress her hair; a poison.

জাপি, *s.* বাঁহৰ সলিৰ চত্ৰ, ভাগে ভাগে থাঁজি, a broad brimed hat serving as an umbrella; *v.* to fold, to pile one thing on another.

জাবৰ, *s.* খেৰ কুটা আদি পেলনি জোআ ঘুগুলা বস্তু, rubbish, trash, refuse, litter, sweepings, debris.

জাবৰনি, *s.* আঁকাঠু হোআ ঠাই, খেৰ কুটা পৰা ঠাই, a place covered with rubbish.

জামদগ্নি, *s.* এক ৰিসিৰ নাম, one of the sages of the hindoo shasters.

জামৰা, *s.* উখহা মৰা, টোটোৰা, the reducing of a swelling; *a.* reduced.

জামৰি, *v.* উখহা কমি, টোটোৰা হৈ বা পৰি, to diminish in size.

জামাক জিমিক, *ad.* চুচুক চামাক, লাজ ভাৱে ভুমুকা ভুমুকি, লাহে লাহে, doing confusedly as if ashamed or frightened.

জামাদাৰ, *s.* বিসয়া বিসেস, a muster-master, a chief.

জামিৰ, *s.* টেঙ্গা এবিধ, a kind of citron.

জামু, *s.* জম্বু, জামু ফল বিসেস, a species of fruit, (Eugenia Jambolana.)

জামুকি, *s.* বৰ তোপৰ জুই দিয়া মাৰি, a match used in firing artillery.

জামুদাঁত, *s.* দুই ফালৰ গুৰি দাঁত, the double teeth.

জাৰ, *s.* সিত, চেঁচা লগা, জি জনৰ, coldness; *pron.* who, of whom.

জাৰ কঁইটা, *s.* জাৰত নোমৰ গুৰিত উঠা সৰু সৰু ফোঁহা, roughness of the skin caused by cold, (vulgarly called goose-pimples.)

জাৰকাল, *s.* সিত কাল, সিসিৰ, the cold season, winter.

জাৰজ, *a.* জহৰা, উপপতিৰ সন্তান, illegitimate, base-born; *s.* a bastard.

জাৰন, *s.* কঠিন শিল, জাৰোন, ঔসধলৈ ধাতু আদিৰ পোৰা চাই, a kind of stone used for sharpening edged instruments, calcination.

জাৰনি, *s.* অৰন্য, বৰ হাবি, কাঠনি হাবি, a forest, a wood, a wilderness.

জাৰি, *v.* গুন মন্ত্ৰ কৰি, ঘুলা পতান গুচাই, মুখ নলাৰে লোটা, to make incantations and passes over the body; to winnow; *s.* a small drinking vessel with a spout.

জাৰিফুঁকি, *v.* গুন মন্ত্ৰ কৰি, ফুঁআই, ভুহ পতান আদি গুচাই, to repeat incantations, simultaneously breathing upon and making passes over the body; to winnow.

জাল, *s.* মাচ পছু আদি ধৰা উপাই, জুই জলা, তাপ, জলকিয়া আদিৰ পোৰনি, a net, a web, a snare; a flame of fire, heat whether of fire or spices.

জালমৰা, *s.* মেলিব নোঅৰা, জলকতৰক কৰা, তাপ বা পোৰনি গুচা, imperfect vision, seeing as through a net or film indistinctly, the diminution of heat, coolness.

জালি, *v.* জুই লগাই বা ধৰি, ধাতু আদি পাত্ৰৰ দিহা বা জোৰা মাৰি, কোমল গুটি, এৰি মুগাৰ বাহ বন্ধা মুকান পাটৰ বোজা, জালৰ নিচিনা, to kindle a fire, to unite the surface of metals by means of a more fusible composition; *s.* the young tender fruit of vines, the nest of silk worms; *a.* netted.

জালিকটা, *a.* জালৰ দৰে পাহ কটা, having interstices like network.

জালিকাপৰ, *s.* জাল কাপৰ, a netted cloth, netting.

জালিগাঁত, *s.* জুই দিবলৈ খনা গাঁত, a furnace.

জালিমখাই, *v.* জাঙ্গুল খাই, সিয়ঁৰি উঠা, to rouse in sudden passion.

জালুক, *s.* এবিধ জলা গুটি, black pepper.

জালুকিয়া, *v.* জালুক দি বন্ধা, spiced, seasoned with pepper.

জালোআ, *s.* জাল বাঁওতা, ডোম, a fisherman, the Doom caste.

জাম্না, *s.* খোজা, নিবেদন, প্ৰাৰ্থনা, a request, prayer, petition.

জাহ জোআ, *a.* পমি বা খই হৈ জোআ, জিন জোআ, dissolved, digested, decomposed.

জাহদিয়া, *a.* খাৰ আদিত পানি দি সবোআ, অপবাদ দিয়া, leached, passed through ashes, defamed.

জাহাজ, *s.* সাগৰৰ বৰ নাও, a ship, any large masted vessel.

জাহাজি, *a.* জাহাজত থকা, জাহাজ চলোআ লোক, belonging to a ship; *s.* a sailor, a mariner.

জাহিঙ্গ, *s.* এবিধ লাহি ধান, a species of paddy.

জাহ্নবি, *s.* গঙ্গা নদি, ভাগিৰথি, an epithet of the river Ganges; (lit. the daughter of *Jahnoo.*)

জি, *pron.* জিটো, জি জন, জিএক, who, whatever, that which; *s.* a daughter.

জিউ, *s.* প্ৰান, জিৱ, ধাতু, অতি চেনেহৰ মাত, the life, the soul, the heart; used also as a term of endearment.

জিউআ, *s.* জিৱন দিয়া, প্ৰান দিয়া, ৰখ্যা কৰা, the causing to live; restoring to life; preserving from great calamity.

জিএক, *s.* জি, চোআলি, দুহিত্ৰি, a daughter, a girl.

জিঁয়া, *s.* উৰি ফুৰা পতঙ্গ বিসেস, a species of winged insect, a dragon fly.

জিকজিকাই, *v.* খঙ্গ কৰি, সিঁয়ৰি, to be angry at the hearing of or sight of anything, to rise in sudden rage.

জিক্‌মিক্‌, *a.* জিলিকনি, চিক্‌মিক্‌, shining, glossy, sparkling.

জিকা, *s.* এবিধ পাচলি, জিনা, জই কৰা, a species of vegetable; conquering, overcoming; *a.* conquered.

জিকাৰ, *s.* গা•জোকাৰি উঠা, a jerk, a twitch, a start.

জিকাৰু, *s.* জিকোঁতা, জয়ি, a victor; *a.* victorious, triumphant.

জিকি, *v.* জিনি, জই হৈ, to conquer, to overcome.

জিগ্যাস, *s.* সোধা, বুজ লোআ, a question, an inquiry.

জিঙ্গজিঙ্গাই, *v.* see, কেট্‌কেটাই,

জি জি, *pron.* জি কোনো, জিবিলাক, whoever, whatever.

জিজিৰি, *s.* লোৰ সিকলি a chain, a fetter.

জিজিৰি মুৰা, *s.* জিন্‌জিনোআ, খুন্দা খাই মুৰ গা জন্‌জনোআ, numbness occasioned by a blow.

জিঠিঐ, *s.* গিৰিএকৰ বায়েক, a husband's sister.

জিন্টি, *s.* এবিধ হালধিয়া ফুল, a species of yellow flower.

জিন, *s.* জিৰ্ন, খই, জাহ, মিল, decomposition, digestion, agreement.

জিন্‌জিননি, *s.* মুৰ হাতত খুন্দা খাই জিন্‌জিনোআ, numbness, a twinging sensation as of a limb asleep.

জিন্‌জিনাই, *v.* জিন্‌জিননি ধৰি, তেজ নচলি ফৰফৰাই, to twinge, to be numb.

জিনা, *a.* জই কৰা, জিকা, conquered, overcome; *s.* the act of conquering.

জিনাৰু, *s.* জিকাৰু, জই কৰোঁতা, a conqueror.

জিপ, *s.* গচ মাটি আদিত থকা ৰস, moisture, sap.

জিপজিপিয়া, *a.* অলপকৈ তিতা, জেকা, moist, damp.

জিপনি, *s.* ভগা বস্তুৰ ওপৰত জাপি বন্ধা, জোৰা দিয়া, a splice, a splint used to confine or strengthen anything limber or broken.

জিবা, *s.* জিহ্বা, ৰসনা, the tongue.

জিবিকা, *s.* পোহনৰ উপাই, উপজিব্য, a livelihood, maintenance.
জিম, *s.* ঘোঁৰাৰ পিঠিৰ আসন, এৰিয়া আদি কাপৰৰ আঁহ, টেঙ্গাৰ মাহ, a saddle; the nap of cloth, the pulp of an orange &c.
জিমান, *a.* জত, জি পৰিমানে, as many, as much.
জিয়া, *a.* নমৰা বা নেগেলা, জি, living, fresh, not stale; a daughter.
জিয়াই, *v.* নমৰি, নমৰাকৈ ৰাখি, to revive, to restore to life; with আচোঁ, to live, to be alive; with ৰাখি, to preserve alive.
জিয়াৰি, *s.* জি, জিএক, a daughter.
জিৰ্‌জিৰ্ কৰে, *ad.* অলপ অলপকৈ বোআ, gently flowing.
জিৰনি, *s.* বিস্রাম, সঁত, খতি, rest, cessation, repose, respite.
জিৰনিয়া, *a.* খতি কৰা, জিৰোআ, reposing, resting, recovering &c.
জিৰা, *s.* সুগন্ধি মচলা এবিধ, cummin seed.
জিৰাই, *v.* বিস্রাম কৰি, সঁতাই, to rest, to repose.
জিৰাই সঁতাই, *v.* বিস্রাম কৰি, বৈবৈ, ভাগৰ বা চিন্তা নকৰাকৈ, to take one's ease, to go or do leisurely, to rest from care or solicitude.
জিৰিলি, *s.* অনেক ঠাইত ফটা, tattered, torn to strips.
জিৰোআ, *s.* বিস্রাম কৰা, সান্ত হোআ, rest, quietude, freedom from care.
জিৰ্ন, *a.* পুৰনি, জিন, বহু দিনিয়া, old, worn out, rotten, decomposed.
জিল্‌জিলিয়া, *a.* see জেল্‌জেলিয়া.
জিল্‌মিল, *s.* এবিধ বনৰিয়া সাক, জিলিকা, a species of wild plant used for food; brightness, glitter.
জিল্‌মিলিয়া, *a.* জিলিকি থকা, তিৰবিৰিয়া, glittering, shining, sparkling.
জিলা, *s.* ৰাজ্য মেল থকা থান, a town or township, a district.
জিলি, *s.* এবিধ উৰি ফুৰা পোক, a species of cricket.
জিলিকনি, জিলিকা, *s.* জিলিকি উঠা, টলবলিয়া ৰশ্মি, glitter, sparkle, effulgence.
জিলিকি, *v.* তিৰবিৰাই, ৰশ্মি উঠি, জ্বলি, to shine, to glitter.
জিলিঙ্গনি, *s.* জেউতি, বেৰ আদিৰ বিঙ্কাই দি অহা ৰশ্মি, the shining of the sun through a crevice, or as obscured by clouds.
জিৱ, *s.* প্ৰান, ধাতু, জিৱাত্মা, life, existence, the sentient soul, an animal, a living creature, the vital principle.
জিৱন, *s.* জিয়াই থকা, নমৰাকৈ থকা, life, existence.
জিৱন্ত, *a.* জিয়াই থকা, জিয়া, living, alive, extant.
জিৱন্তে, *ad.* জিয়াই থাকোঁতে, জিয়াতে, during one's existence.
জিৱাত্মা, *s.* জিৱ, প্ৰান, the vital principle, the sentient soul, vitality.
জূই, *s.* অগ্নি, বহ্নি, fire.

জুই আঙ্গনি, *s.* জুইকিৰিঙ্গটি, জুইৰ তাপত সাঁচ ৰোআ, a spark of fire.

জুইচাই, *ad.* অতিসই, বৰ, (lit. fire and ashes,) used adverbially for very, greatly, exceedingly.

জুইগলা, *a.* জুয়ে পোৰা, হানি হৈ জোআ, দুৰকঁপলিয়া, consuming, wasting, unfortunate, unsuccessful.

জুঁজ, *s.* জুধ, সমৰ, ৰন, a battle, a combat, a fight, contest, conflict.

জুঁজাই, *v.* জুঁজ কৰাই, to cause to fight.

জুঁজাৰু, *s.* জুধাৰু, ঢালি, বিৰ, a combatant, a champion.

জুঁজি, *v.* জুধ কৰি, to fight, to contend.

জুঁটি, *a.* সাঙ্গুৰি, উজুটি, চৰাই ধৰা ফান্দ, to tie or string together; with খাই, to trip, to stumble; a bird snare.

জুঁঅলি, *s.* মহ গৰুৰ কান্ধত দি জোঁটা কাট, পানিৰ দাঁতি, a yoke, the water's brink.

জুক্ত, } জুত, } *a.* জোগ হোআ, লগ খোআ, মিলিত, সলগ্ন, yoked, joined to, united with, possessed of.

জুক্তি, } জুগুতি, } *s.* বিচাৰ, ন্যায়, পৰামৰ্স, উচিত, a deduction, an inference, a demonstration; *a.* right, proper, fitting.

জুখি, *v.* জোখ কৰি, পৰিমান কৰি, to weigh, to measure.

জুগ, *s.* সত্য, দ্বাপৰ ত্ৰেতা, কলি, এই চাৰি কাল বিসেস, an age of the world, of which the Hindoos reckon four, viz, the *Hotyo*, *Dwapor*, *Treta*, and *Koli*.

জুগজোআ, } জুগমিয়া, } *a.* অনেক দিন জোআ, বহু কলিয়া, lasting, enduring.

জুগি, *s.* সাপ মেলা বা পাট পলু পোহা জাতি, a juggler, a serpent charmer, a caste of people whose occupation is to rear the mulberry silk worm.

জুগি এৰি, *s.* পোক এবিধ, গচ এবিধ, a kind of insect, a tree.

জুগুত, *a.* প্ৰস্তুত, জোজা, থিৰ, উচিত, ready, prepared, fitting.

জুটুলা, *a.* চুটি, চাপৰ, short, low.

জুতি চোআ, *s.* চাকি চোআ, সোআদ লোআ, ভাল বেয়াৰ প্ৰমান বুজা, the act of tasting, trying or testing the quality of anything.

জুথৰি, *s.* জোথা সুতা, আঁহ ওলোআ সুতা, the outside and imperfect silk of a muga cocoon.

জুনজুনাই, *v.* নেপুৰ বা ঘুগুৰা আদিৰে সবদ কৰি, to make a low tinkling sound as of small bells or feet ornaments.

জুনজুনিয়া, *a.* বৰ সুকান, কনকনিয়া, very dry, sonorous.

জুনা, *s.* বিহু গাঁওতে পদ খুউতা, the introductory stanza to a song, forming afterward the chorus of each verse.

জুনিয়া, *s.* সোআদ বিচাৰি খোআ, জুতি বিচাৰি খোআ, dainty, squeamish, fastidious.

জুনুকজুনুক, *s.* নেপুৰ আদিৰ সদদ, the tinkling sound of feet ornaments.

জুনুকা, *s.* কাঁহ পিতল আদিৰ জুনজুনকৈ বজা বাদ্য, a rattle, a small bell.

জুপি, *v.* জুমি, খাপ দি, to peep, to look slyly.

জুপুৰজুপুৰ কৰে, *ad.* লাহে লাহে বুৰাৰ দৰে খোজ কৰ্হা, walking slowly and tremblingly like an old man.

জুপুৰা, *a.* চাপৰ, low,. short.

জুবত কাল, *s.* ডেকা বয়স, জৌৱন কাল, the period of youth, adult age.

জুবতি, *a.* ডেকেৰি, গাভৰু চোআলি, young; *s.* a young woman.

জুবৰাজ, *s.* ডেকা ৰজা, প্ৰথম ৰাজ পুত্ৰ, a prince, an heir apparent.

জুবা, *a.* ডেকা, জৌৱন, young, youthful; *s* a young man.

জুবুৰিয়াই, *v.* পানিত তল নিয়াই, বুৰাই, to dip in a liquid, to submerge.

জুম, *s.* সমুহ, জাক, বাহ, a multitude, a crowd, a flock, a gang.

জুমাজুম, } *ad.* জাক জাক, বাহ বাহ, in multitudes, in crowds.
জুমাজুমি, }

জুমি, *v.* চকু দি চাই, জুপি, খাপ দি, to peep, to look through a crevice.

জুমুকা, *s.* সোক বেজাৰত মনে মনে বহি থকা, the sitting down in silent grief; *a.* pensive, sad, dejected.

জুমুধি, *s.* জুই বখা ধান খেৰৰ জৰি, a braided wisp of straw.

জুমুধি পোৰা, *s.* মৰা মঙৰ সলনি হিন্দু লোকে মিচাই খেৰৰ স গা জ পোৰা, the burning in effigy where the real body of a deceased hindoo cannot be obtained.

জুমুৰা, *a.* বাৰ্হিব নোঅৰা, চুটি, কঁটিয়া, stunted in growth.

জুমুৰি, *s.* লেঠা, বেবুজ, পদৰ চন্দ, distraction, perplexity from a multiplicity of objects &c. a style of native chanting.

জুৰ, *a.* ঠেঁচা, সিতল, সান্ত, লেহেম, cool, dispassionate, tranquil, placid.

জুৰজুৰ কৰে, *ad.* সুকান গুৰি বস্তু আদি অলপ অলপকৈ পৰা, dropping little by little; (applied to things dry or pulverized.)

জুৰজুৰিয়া, সুকান গুৰি বস্তু, dry, pulverised.

জুৰনি, *s.* ঠেঁচা ঔসধ, কাথ পানি, a cooling draught, a decoction.

জুৰা, *a.* গুৰি হোআ মাটি, চাহ মাটি, pulverised, ploughed, friable.

জুৰাই, *v.* ঠেঁচা কৰি, সান্ত কৰি, লাহে লাহে, to cool, to tranquilize; to go or do leisurely, to comfort, to refresh.

জুৰি, *v.* আৰম্ভ কৰি, হাবি কাটি, আঁটি, ব্যাপি, পৰ্ব্বতৰ জৰনা, to make ready, (applied to ploughing or clearing jungle;) to satisfy; to diffuse, to spread, to fill, to cover; *s.* a rill, a rivulet.

জুৰি ধৰা, *s.* বেৰি ধৰা, আগুৰি ধৰা, the act of surrounding, hemming in.

জুৰি বন্ধা, *s.* গোটাই আগ বন্ধা, মুগা গচত মেৰাই বন্ধা, the binding together by the top as of grass &c. binding a green wisp around a tree to prevent the muga silk worm descending.

জুৰিয়া, *a.* দুটিয়া, জোৰ, belonging or relating to a pair.

জুৰুআ, *a.* চেঁচা কৰা, সান্ত কৰা, cooled, refreshed or comforted.

জুৰুলাজুৰুল কৰি, *v.* টেপাটেপ কৰি, সমুলি তিতা, to be drenched.

জুৰুলিজুপুৰি, *s.* বৰকৈ তিতা, soaked or saturated.

জুৰুলি, *s.* ঘাম বৈ জোআ, তিতিবুৰি, the flowing of perspiration.

জুৰুলিয়া, *a.* ওপচমুৰিয়া, পুৰ নোহোআ, বল হিন, wanting, deficient in measure or strength, feeble.

জুলই, *s.* বুৰা আঙ্গুলি আৰু তৰ্জনি আঙ্গুলিৰ বহল জোখ, দহ আঙ্গুল, পৰিমান, the distance between the thumb and fore finger extended, equal to the width of ten fingers.

জুল্জুলিয়া, } *a.* পনিয়া, জুলিয়া, ৰসাল, liquid; of thin consistency.
জুলিয়া,

জুলনি, *a.* জলি থকা উপাই, a swing.

জুলা, *s.* জুলি থকা, আন্দোলন, the act of swinging.

জুলাপ, *s.* পেট চলোআ ঔসধ, a purgative, a cathartic medicine.

জুলি, *s.* এবিধ জোলোঙ্গা, আন্দোলন কৰি, হেন্দুলি, a kind of bag; *v.* to oscillate, to swing.

জুলুকজালাক, *a.* মিজিঙ্গ মাজাঙ্গকৈ ফুৰা, idiotic in look and manner.

জুলুকা, *s.* মুৰ ঘুমাই থকা, জুমুকা, hanging the head as from grief.

জুলুকি, *s.* এবিধ মাচ ধৰা জতন, a contrivance for catching fish.

জুলুকি জুলুকিকৈ, *ad.* বাৰে বাৰে, ঘনে ঘনে, again and again, repeatedly.

জুহাল, *s.* জুই ধৰা ঠাই, জুইসাল, a fire-place.

জে, *conj.* জি জিহেতু অৰ্থই সব্দ, that, as to, in regard to.

জেই, *pron.* জি সব নাম বিসেস, which, (the emphatic form.)

জেউতি, *s.* কান্তি, দিপ্তি, সোভা, light, splendor, brightness.

জেউতিয়া, *a.* সোভা থকা, জিলিকা, luminous, splendid, brilliant, bright.

জেউৰ, *s.* কেঁচুআৰ ঠেহ, ঘনে কান্দি থকা, কন্দল, the peevishness or capriciousness of children.

জেওৰা, *s.* সেৰেঙ্গাকৈ বোন্ধা বেৰ, a fence, a hedge.

জেকনি লগা, } *a.* জেকজেকিয়া, তিতা, wet, damp, moist.
জেকা, }

জেকাই, *v.* সেমেকাই, তিতি, to dampen, to moisten.

জেকি, *v.* সেমেকি, তিয়াই, to be damp or moist.

জেকেটমেকেট, *a.* এঁঠাএঁঠি, এঁঠা লগা, sticky, viscid, gluey, gummy.

জেকেৰা, } *s.* খঙ্গেৰে ডাবি দিয়া, গেজেৰা, ভেকাহি, crossness, snappishness, tartness.
জেঙ্গেৰা, }

জেগেলা, *a.* লেতেৰা, খেহেটা, মলিন, untidy, squalid, of filthy habits.

জেঙ্গ, *s.* বাঁহ আদিৰ ঠাল ঠেঙ্গুলি, brushwood, rubbish.

জেঙ্গজেঙ্গিয়া, *a.* কাঁইটিয়া ডাল, thorny, prickly, bushy.

জেঙ্গা, *s.* অপৰাধ, দাই, লেঠা, জগৰ, an offence, anything at which exception is taken; a fault.

জেঙ্গাই, *v.* জেঙ্গোআ, জেঙ্গ দি, to obstruct a passage with thorns &c.

জেঙ্গেৰিয়া, *a.* অপৰাধি, দুসি, জগৰ থকা, লেঠা লগা, faulty, blameworthy, exceptionable.

জেটুকা, *s.* গচ এবিধ, a species of myrtle.

জেঠ, *s.* দুতিয় মাহ, জৈষ্ঠ, a hindoo month corresponding to a part of May and June.

জেঠপা, *s.* জেঠায়েকৰ গিৰিএক, the husband of a father's or mother's elder sister.

জেঠা, *s.* বৰ দোপাই, বাপেকৰ ককাএক, a father's elder brother.

জেঠাই, *s.* বাপেক বা মাকৰ বায়েক, a father or mother's elder sister.

জেঠাল, } *s.* বৰজনা, গিৰিএকৰ ককায়েক, a husband's elder brother.
জেঠোত, }

জেঠি, *s.* এবিধ জন্তু, মুৰ হাড়ৰ সিৰ, চাল আদিৰ গোঁঠনি, the house-lizard; the pulse; a splint of bamboo to which the reeds of a partition or roof are separately fastened.

জেঠুআ, *a.* জেঠত হোআ, relating to, born or made in the month of *Jeth.*

জেঠেৰি, *s.* ঘৈনিএকৰ ককায়েক, a wife's elder brother.

জেতিয়া, *ad.* জি সময়, জি কাল, when, whenever, at whatever period.

জেতুটি, } *a.* জিমান, জত, জি পৰিমান, as many, as much.
জেতেক, }

জেন, *ad.* জি ৰুপ, জাদৃস, that, in order that, to the end that.

জেনতেন, } *ad.* কোনো প্ৰকাৰ, কথমপি, somehow, in some way or manner, with difficulty.
জেনতেনকৈ, }

জেনি, *ad.* জি ফালে, জি দিসে, whatever way or direction.

জেনে, জেনেকুআ, } *a.* জি ৰুপ, জিহৰ নিচিনা, জেনুআ, as, like as, like.

জেনেকৈ, *ad.* জি ৰুপে, জি দৰে, as, just as, in like manner.

জেবা, *s.* তিনি আঙ্গুলিত ধৰাৰ সমান কোনো দ্ৰব্য, as much as can be taken up between the thumb and two fingers, a pinch.

জেমা, *s.* ঘূৰি, গাওন, a skirt, a petticoat, a gown.

জেৰা, জেৰিয়া, } *a.* জেপেটি ধৰা, লেচেৰা বন্ধা, adhering, sticking together, as of threads in a warp.

জেৰেপা, *a.* ফালিবলৈ টান, কেতেৰিয়া, cross grained, having the grain twisted or gnarled.

জেৰেপি ধৰি, *v.* এঁঠা লাগি, জেপেটি, to adhere, to cling together, to stick.

জেৰোআ, *s.* জেওৰা, a fence.

জের্জেৰিয়া, *a.* জেল্জেলিয়া, সেৰেঙ্গা, পাতল, sparse, scattering.

জেল্জেলিয়া, জেলাইলাই, } *a.* পাতল, ৰৰকৈ ফটা, জিৰিলি, thin, slazy, loosely woven, torn and hanging in shreds.

জেলাম, জেলেম, } *s.* এৰি মুগাই পকিবলৈ উলিউআ লাদ পানি, the purging of the silk worm preparatory to forming the cocoon.

জেলুক, *s.* কুমজেলুকা, a slug or snail without a shell.

জেলুকিয়া, *a.* জেকি পিচল হোআ, slimy, sticky, clammy like the slug.

জেলেপ, *s.* বিচনি আদিৰ চঞ্চাপ বা চেলা জৰি, a narrow binding to secure the edge of plaited or braided work.

জেলেপি, *s.* সোআদ পিঠা বিসেস, a kind of sweetmeat.

জেষ্ঠ, *a.* ৰৰজনা, ৰৰটো, প্ৰথম ওপজা, the eldest, the first born.

জেসাহু, *s.* যৈনিএকৰ বায়েক, a wife's elder sister.

জোঁআই, *s.* জিএকৰ গিৰিএক, a son in law.

জোআহি, *s.* ধাতুৰ পাত্ৰ বা অলঙ্কাৰ আদি, gold and silver ornaments, valuable vessels and such like personal property.

জো, *s.* উপাই, আৰম্ভ, সক্তি, preparation, power, ability.

জোআ, *s.* গতি কৰা, চলা, the act of going or moving in any manner.

জোআথোআ, *s.* মৰনৰ মুখত থকা, মৰিব লগা, lying at the point of death.

জোআৰ, *s.* পানিৰ আস্ফালন, ঢৌ, পানি বাইনি, a tide; the ebb and flow of the sea.

জোঁত, *s.* জুৱলিৰ ডোল, কৰিবলৈ আচল বন, আউল, the tie of a yoke, anything difficult to do, a tangle.

জোঁৰ, *s.* জুই লগোআ খৰিৰ বন্ধা মুঠা, ধেনুৰ জৰি, a flambeau, a fire-brand used as a torch; the string of a bow.

জোক, *s.* এবিধ তেজ খোআ পোক, a blood sucker, a leech.

জোকা, *s.* দুটা তিনটা গোটাই ঠাৰি বা ডিঙ্গিত বন্ধা, জোঁটা, the tying of several things together so as to hang down like a cluster.

জোকাই, *v.* খঙ তোলাই, to provoke, to vex, to excite to anger, to stir up.

জোকাৰ, *s.* লৰা, কঁপা, জিকাৰ, a shaking, a trembling.

জোকাৰ খাই, *v.* লৰি, কঁপি, to shake, to tremble.

জোকাৰ মাৰি, } *a.* লৰাই, কঁপাই, to shake, to cause to shake.
জোকাৰি, }

জোকোআ, *s.* খঙ তোলোআ, teasing, provoking to anger.

জোকোৰা, *s.* গেজেৰা, ডাবি, ভেকাহি, an angry retort.

জোখ, *s.* ওজন, পৰিমান, weight, measure.

জোগ, *s.* ধ্যান, তপ, একে লগ কৰা, মিলন, একান্ত মনে ইশ্বৰক ভৰা, abstract and religious meditation, contact, conjunction, deep meditation on the Divinity.

জোগনিয়াৰ, *a.* জোগাওঁতা, supplying necessary things, providing.

জোগ্মায়া, *s.* ভগৱতি, দুৰ্গা, an epithet of Doorga.

জোগাই, *v.* জুগুত কৰি, আগত আনি দি, to supply, to furnish, to provide.

জোগান, *s.* নিয়মিত ৰূপে দি থকা, a stated or regular supply of anything.

জোগাসন, *s.* ধ্যানাসন, a particular posture supposed to be favourable for abstract meditation.

জোগি, *s.* সন্যাসি, ধ্যান কৰোঁতা, an ascetic, one whose mind is fixed on a single object or on God.

জোগিনি, *s.* জোগ কৰা তিৰি, গোসানিৰ পাৰিসদ, a female ascetic, a companion of a deity.

জোগিনি তন্ত্ৰ, *s.* এক পুথিৰ নাম, one of the hindoo sacred books.

জোগ্য, *a.* উচিত, পাত্ৰ, অৰ্হ, কাৰিসা, worthy, capable, suitable, fit, proper.

জোঙ্গ, *s.* কাঁইটৰ দৰে আগ জোঙ্গা, হুল, a thorn, anything pointed.

জোঙ্গলা, *s.* আগ চিঁয়া কৰা, জোঙ্গা কৰা, the act of sharpening to a point.

জোঙ্গা, } *a.* আগ চিঁয়া, কাঁইটৰ দৰে জোঙ্গা হোআ, pointed, having
জোঙ্গাল, } a sharp point.

জোঙ্গা-পিঠিয়া, *s.* মাচ এবিধ, a species of fish.

জোঙ্গালি, *v.* জোঙ্গাকৈ কাটি, পঁজালি, to sharpen to a point.

জোজন, *s.* এপৰ বেলিৰ বাট, চাৰি ক্ৰোস, a measure of distance equal to four *Krus*, which, reckoning 8000 cubits or 4000 yard to the *Krus*, will be *nine miles*.

জো-জা, *a.* থিৰ, জুগুত, ready, prepared.

জোজোনা, *s.* দৃিষ্টান্ত, উপমাৰে পদ খুআই কোআ, a simile, an allusion, example or illustration, a charade.

জোটন সুদ্ধি, *s.* দৰা কন্যাৰ ৰাসিৰ মিল্ল চোআ, the comparing of the nativities of bride and bridegroom, matching, pairing.

জোঁটা, *s.* সাঙ্গোৰা, দুটাক একে কৰি বন্ধা, yoking, joining, tying together.

জোঁটাই, *v.* গোটাই, লগলগাই, সাঙ্গুৰি, স্বৰবর্ন জুক্ত কৰি, to associate, to join together, to yoke or harness, to unite the letters and vowels of a word in spelling.

জোঁটামৰি, *s.* এবিধ টেঙ্গা, a species of acid fruit.

জোঁটাসালি, *s.* জুঁটিয়াৰ, দুই তিনি জনে লগ লাগি কৰা বা ফুৰা, a co-partnership, doing in concert.

জোঁটোআ, *s.* গোটোআ, স্বৰবর্ন জুক্ত কৰা, joining together, spelling.

জোতা, *s.* চালৰ পইজাৰ, a pair of shoes or slippers.

জোতিঃ, *s.* পহৰ, কান্তি, ৰশ্মি, সুর্জ চন্দ্র আদি, light, splendor, a luminary, the heavenly bodies.

জোতির্ময়ই, *a.* বৰ প্রতাপি, তেজস্বি, luminous, brilliant, glorious.

জোতিস বিদ্যা, *s.* গ্রহ আদি গনিত বিদ্যা, the science of astronomy including astrology.

জোতিসিয়া, *a.* জোতিসৰ সম্বন্ধিয়া, জোতিস জনা, astronomical; *s.* versed in astronomy, an astronomer.

জোত্র, *s.* সম্পত্তি, সমর্থ, বিভুতি, power, wealth, greatness, prosperity.

জোথা, *s.* মুগাৰ চৰিয়া সুতা, the coarse fibrous part of a silk cocoon.

জোন, *s.* চন্দ্র, নিসাপতি, the moon.

জোনদিয়া, *s.* বুটি কোৰত লো খুউআ, কোৰত মোধ দিয়া, to renew a hoe by welding on a new circular piece of iron.

জোনমৰা, *s.* আমাবস্যা, আওঁসি, the waning of the moon.

জোনাক, *s.* চন্দ্রৰ পহৰ, moonlight.

জোনাকিপৰুআ, *v.* ৰাতি পহৰ কৰি ফুৰা পোক, the glow-worm.

জোনালি, *a.* ৰাতি জোনাকৰ দৰে পহৰ হোআ, illuminated by the moon, or other lights.

জোনি, *s.* স্ত্রি চিহ্ন, আকৰ স্থান, the vulva, the place from which anything originates, a source.

জোপা, *s.* জোমা, ডালে পাতে থকা গচ বা সৰু হাবি, the act of looking slyly, a bush or bushy tree, a clump or cluster of jungle.

জোপাজোপ, *a.* এজোপা এজোপা, অনেক জোপা, bushy, covered with bushes, full of branches.

জোপামৰা, *s.* মনে মনে ৰহি চাই থকা, staring idly about.
জোপোহা, *a.* ঠাল ঠেঙ্গুলি ৰহলকৈ মেলা, thick and wide spreading.
জোমা, *s.* জুপি চোআ, জুমি থকা, টৰ চাই থকা, peeping or looking slyly.
জোৰ, *s.* হাল, দুটা লগ লগা, সমান, a pair, a couple, a match; with কৰি, to match, to pair; পাতি, to cohabit, to live with.
জোৰ তামোল, *s.* গোৰোআ তামোল, betelnut that has been buried.
জোৰন, জোৰোন, } *s.* বিয়াৰ পূৰ্বে পিন্ধোআ খাৰু মনি আদি, ornaments sent to the bride previous to marriage.
জোৰা, *s.* সন্ধিস্থান, অটা, গায়ন বায়নৰ খেল, জোটন, a pair, a suit of clothes, a joint, union, musical harmony, a sufficiency; with দি, to splice, to reunite.
জোৰাই, *v.* জোৰা দি, অঁটাকৈ দি, to join, to unite, to give a sufficiency, to mend.
জোৰাই জোখাই, *ad.* সমান ভাৱে, উচিত ৰূপে, as, equal to, of the same status, or measure.
জোৰা চোআ, *s.* দৰা কন্যাৰ ৰাসিৰ মিল চোআ, comparing nativities of bride and bridgroom.
জোৰোআ, *s.* জোৰা মৰা, সংজোগ কৰা, the act of joining, fitting or framing together, giving a sufficiency.
জোল, *s.* ৰস, দ্ৰৱ, আঞ্জা আদিৰ পানি, a fluid, a liquid, soup, broth.
জোলা, *s.* তাঁতি, ফুটা কপাহ, a weaver, a section of a cotton pod.
জোলোঙ্গা, *s.* মোনা, a bag, a satchel.
জৌজৌআ, *a.* নিৰস হৈ গোট গোট হোআ, dry, separated, not adhesive.
জৌজৌআই, *v.* সৰহিয়াকৈ পৰি সব্দ কৰা, to shower or fall in separate streams, to pour down abundantly.
জৌজৌ কৰে, *ad.* সৰহিয়াকৈ পৰা, গোট গোটকৈ পৰা, singly or separately falling, as water from a vessel full of holes.
জৌতক, *s.* বিবাহত উচৰ্গা বস্তু, a dowry, a marriage portion.
জৌতকিয়া, *a.* জৌতকত দিয়া, pertaining to a dowry.
জৌৱন, *s.* ডেকা, গাভৰু, a youth, youthfulness, maturity.
জৌৱন কাল, *s.* ডেকা কাল, গাভৰু কাল, youth, adult age.

ঞ

ঞ, ঞকাৰ, this letter is commonly used in Assamese manuscripts to denote the nasal *n*, or French, *n*, in *l' enfant*, as in গোসাঞ guhain; bnt in printing the symbol ˜ is used instead, thus গোসাঁই.

## ট

ট, টকাৰ, this letter corresponds with the English *t*, as in, *talk*, *toe*; pronounced by bringing the tongue far back against the palate; or by applying the tip of the tongue to the roots of the teeth.

টঁকি, *v.* পুৰ হৈ, গৰাই সৈতে সমান হৈ, to be full to overflowing.

টকচালি, *s.* গা জোকাৰি ধুন ধান মাৰি ফুৰা, the putting on airs, strutting about, showing contempt or incivility.

টক চোআ, *s.* দিম দিম বুলি তুতুউআ, the putting off with mere promises.

টক্টক্করে, *ad.* বেগিকৈ জোআ সব্দ, বেগেৰে, rapidly, continuously, as of rapid footsteps, or any similar oft repeated sound.

টকটকিয়া, *a.* নৰিয়াৰ পৰা উঠি সক্তি পোআ, restored to health.

টকমৰি, *a.* টকলা, একো নাইকিয়া হোআ, bare, destitute, reduced from abundance to want; *s.* a bankrupt.

টকয়া, *s.* কান ঢকা টুপি, ৰনত পিন্ধা মুৰৰ সাজ, a cap, a helmet.

টকৰ, *s.* কোব মৰা বা পৰা সব্দ, a small sharp sound or sounds.

টকৰাই, *ad.* বেগতে, হঠাতে, quickly, suddenly.

টকলা, *a.* হাবি বন একো নথকা হোআ, মুৰত চুলি নথকাকৈ খুৰুউআ, bare, applied to land or to the head when shaven.

টকলিউআ, *s.* জিবাৰে টকালি মৰা, the making a sharp clicking noise with the tongue, in token of delight or approbation.

টকলিয়াই, *v.* টকালি মাৰি, সলাগি, একো নাইকিয়া কৰি, to make the above noise, to express satisfaction, to make bare.

টকা, *s.* ৰুপৰ মুদ্ৰা, ধন, ফলা বাঁহৰ বাদ্য, ঠেক চুৰিয়া আদি, a rupee, money, a bamboo clapper, a narrow waistcloth.

টকালি, *s.* জিবাৰ সব্দ, সলাগ, a sharp clicking noise of the tongue.

টকিয়া, *s.* সৰু তুল, এটকাৰ ভৰ, এটকালৈ পোআ, a pair of small scales for weighing up to a rupee; worth or weighing one rupee.

টকৌ, *s.* তাল গচৰ দৰে এবিধ গচ, মকৰাৰ নিচিনা এবিধ জন্তু, a species of fan palm, a species of spider.

টগ্বগাই, *v.* থৰক্বৰক্ কৰি, কঁপনিত থিৰে থাকিব নোআৰি, to stagger, to totter, to tremble.

টগবগোআ, *s.* থৰকবৰক কৰা, a shaking as from extreme debility.

টগ্বৰগ্ৰ, *a.* টাঙ্গটালি, লৰকফৰক, unsteady, unstable, trembling.

টঙ্কাৰ, *s.* ধেনুৰ জোৰৰ সব্দ, the twang of a bowstring or of any stringed instrument.

টঙ্গ, *s.* তামোল গামোচাৰ তলিচা, a receptacle for carrying betelnut &c.

টঙ্গনা, *s.* মাটিৰ চিটা বা কাঠৰ ডাঙ্গৰ ডোখৰ, a piece of land or a large piece of wood.

টঙ্গনা টঙ্গন, *a.* সকত বা ডাঙ্গৰ ডোখৰ ডোখৰ, bulky, in a large piece.

টঙ্গনিয়াই, *v.* টাঙ্গোন মাৰি, to beat with a club, to pound.

টঙ্গলতি, *s.* এবিধ গোন্ধোআ গচ, a species of tree.

টঙ্গা, *s.* বিৰিঙ্গাৰ নিচিনা এবিধ বন, a species of coarse grass.

টঙ্গালি, *s.* কটি বন্ধন, কঁকালি গামোচা, a girdle, a sash.

টঙ্গি, *s.* খেতি আদিত পৰ দিয়া ওখ পজা, a high watch-house.

টঙ্গিয়াল, *s.* টঙ্গিত থকা মানুহ, one who occupies a *tongi* or watch-house, a watchman.

টঙ্গূআ, *a.* অকলসৰিয়া, উঙ্গূআ, দিগবাস, solitary, stripped of everything.

টটঙ্গা, *a.* নৈ পুখুৰি আদি সুকাই জোআ, dried up; applied to streams, &c.

টটৰিয়া, *a.* ৰস বা জোল নথকা, সুকাই জোআ, dried up, as food in cooking.

টটঙ্গ, *a.* বিচুৰ্তি, ভই পোআ, disconcerted, abashed.

টটাটিঙ্গা, *a.* দুষ্ট, ধুৰ্ত্ত, depraved, wicked, annoying, cunning, crafty.

টটাৰি, *a.* কট্‌কিন, কৰাৰি, আটকিয়া, penurious, tight-fisted, scarce.

টটিঁ, *s.* বিৰোধ, অমিল, contention, hostility, discordance.

টনকিয়াল, *a.* দুখ সহিব পৰা, টান, able to bear suffer or endure.

টন্‌টনাই, *v.* বৰকৈ বিসাই, চিৰিঙ্গনি পাৰি, to throb with pain, to pulsate.

টন্‌টনিয়া, *a.* ঢিলা নোহোআ, বল দিয়াত টান হোআ, drawn tight, stretched, strained, tense.

টন্‌হ, *s.* ডোল আদি চিগা বা বাঁহ আপুনি ফটাৰ শব্দ, a sound of sudden snapping or cracking as of a cord or heated bamboo.

টনহা, *s.* কঁকাল আদিৰ জোৰাত দুখ পোআ, a strain or sprain of the joints of the body.

টনা, *s.* বল দিয়া, আকর্ষন কৰা, কপিন্স, pulling, drawing or attracting, a narrow waistcloth; *a.* drawn, attracted.

টনাটনি, *s.* ইটে সিটে টনা, pulling back and forth.

টনি, *s.* জাল ধৰা বা বোআ মাৰি, the bamboo frame to which a scoop net is attached.

টনোআ, *s.* বল দিউআ, the causing to draw.

টপটপনি, *s.* বলকনি, কৈ থকা কথা, talkativeness, loquacity.

টপ্‌টপাই, *v.* বলকি, অনেক কথা কৈ, to be loquacious, to talk incoherently.

টপটলৌ, *a.* মুখ খৰ, কথা বাত্রাত বুধিয়ক, fluent in speech, flippant, glib.

টপৰাই, *ad.* সিঘ্রু, অকস্মাতে, পোনেই, quickly, suddenly, rapidly.

টভঙ্, *s.* পানিত বুৰ মৰা সব্দ, a plunging sound.
টলকা মৰা, *s.* নিজম দিয়া, মনে মনে থকা, the hearing or seeing in silence.
টল্টল্ কৰে, *ad.* গচৰ গুটি বা বৰখুন আদি গোট গোট হৈ সৰা বা পৰা, in a scattered manner, sparsely.
টল্টলাই, *v.* টিলটিলাই, টোপাটোপে পৰি, to fall sparsely.
টল্টলোআ, *s.* এটা এটাকৈ সৰা বা পৰা, falling in scattering drops.
টল্বল্, *s.* জল্মল্, বৰ জিলিকনি, অথিৰ হোআ, glitter, splendor, tremulousness, unsteadiness.
টলবলাই, *v.* জল্মলাই, ডগ্মগাই, অথিৰ হৈ, to glitter, to quiver.
টলি, *v.* দেখি, গমি, বিবেচনা কৰি, to see, to search, to thoroughly investigate or understand a matter.
টলৌটলৌ, } *ad.* সুদাতে ফুৰা, going needlessly or to no purpose.
টলৌভলৌ,
টহ্টহাই, *v.* বহাত কঁকাল ঠৰ হৈ, সুনাত বেয়া লাগি, to be stiff from remaining long in one position; to be offended by the hearing of a thing.
টহ্টহোআ, *s.* বহি থকাত কঁকাল কুটকুটুআ, সুনাত বেয়া লগা, stiffness from long sitting &c. anything offensive to the hearing.
টাইটুই, *s.* হাতেৰে টাৰ্বাৰ কৰা, আঙ্গি ভঙ্গি কৰা, motioning, pointing, speaking by signs.
টাৰ, *s.* মাটি জোখা আঁঠ হতিয়া মাৰি, a 12 foot measuring rod.
টাৰি, *s.* টাৰ মাৰোঁতা, one who measures with the above.
টাকনি, *s.* নাৱৰ টৈ বন্ধা ডোল, বাধা বা হাক দিয়া, the binding of a boat cover, an interdiction, a refusal.
টাকি, *v.* পাৰ সমান হৈ, মন বাৰ্হি, সাহ দি, to fill to the brim, to be bold or regardless of danger.
টাকুৰি, *s.* সুতা কটা বা পকোআ জন্ত্ৰ, a hand spindle.
টাগবটাল, *a.* চলাহি, ধূৰ্ত্ত, cheating, swindling, crafty.
টাঙ্গগুটি, *s.* লৰাই খেমালি কৰা টাঙ্গোন গুটি, ভটাগুটি, a small wooden ball used in children's play.
টাঙ্গটালি, } *a.* চলবাদি, মিচলিয়া, crafty, cunning; *s.* equivocation,
টাঙ্গটিঙ্গালি, strategy, craftiness; with কৰি, to scheme &c.
টাঙ্গটিঙ্গ, *s.* নিয়াৰিত লো পিতল আদি খুন্দা সব্দ, the ring of an anvil.
টাঙ্গন, } *s.* টোকন, লাঠি, a club, a bludgeon.
টাঙ্গোন,
টাঙ্গনি, *s.* চুবা, চুবুৰি, খিনোআ, a section of country; *a.* emaciated.

টাঙ্গনি জাল, *s.* এবিধ মাচ ধৰা জাল, a kind of fishing net.
টাঙ্গৰাঙ্গ, *s.* টাঙ্গটালি, মিচা কথা কৈ ফুৰা, intriguing, plotting.
টাঙ্গি, *s.* শিল কটা বটালি, a stone cutter's chisel.
টাটক, *s.* মিচা, মায়া কৰা, খেতৰ সাইধ, jugglery, legerdemain.
টাটক নাটক, *s.* লগনিয়া কথা, লোকৰ কথা অন্যত কোআ, intrigue, backbiting, talebearing.
টাটকিয়া, *s.* টাটক কৰা, মায়া কৰিব জনা, লগনিয়াৰ, a juggler, one who practices slight of hand, an intriguer.
টাটৰি, *s.* গাত মলি বহু জোআ, মলিৰে চমৰা মৰা, squalor, filthiness.
টাটি, *s.* খাগৰি আদিৰে ঘনকৈ বোআ জেওৰা, a fence of braided reeds.
টান, *a.* কঠিন, আটল, কটুৰ, কিৰ্পিন, দুৰ্মুল্য, টনটনিয়া, hard, difficult, severe, cruel, inflexible, stingy, dear, tense, rigid.
টান মৰা, *s.* গোট মৰা, ঠেৰহা মৰা, a hardening or drying up.
টানি, *v.* বল দি নি, আকৰ্ষন কৰি, to pull, to draw, to attract.
টানি টুনি, } *ad.* জেনতেনকৈ, মুৰে মুৰে, কথম কথমপি, somehow,
টানি মানি, } with difficulty, hardly.
টাপিটুপা, *s.* অলপিয়া বস্তুৰে কাৰ্য্য সিধি কৰা, কাঁকিফুকা, the making a little suffice, pretence.
টাপ, *s.* নকটা খুঁৰা, বাধা কৰাৰ চিন বা খুঁটা, the unclipped hoof of horses &c. a post as a sign of interdiction or boundary.
টাবুৰিভাবুৰি, *s.* মিচামিচিকৈ কৰা, pretending to do; pretence.
টামনিটুমান, *a.* মধ্যম আক্রিতিৰে দেখিবলৈ ভাল, of medium size and well proportioned.
টাবি, *s.* তেল থোআ মাটিৰ সৰু পাত্ৰ, a small oil vessel.
টাৰ্বাৰ, *s.* হাতেৰে কোআ বা দুমুআ, motioning with the hand, beckoning, gesticulating.
টালিটোপোলা, *s.* টোপোলা টুপলি, অনেক টোপোলা, a bundle or number of bundles bound up in one cloth.
টালিবাজি, *s.* চল কৰা, কথাৰে ভুলুআ, the taking by stealth &c.
টালিভুলি, *s.* চালুকিয়া লৰাৰ ৰঙ্গ, childish frolic, prattle or glee.
টালিমৰা, *s.* মুৰ জোকাৰি কোআ, a significant nod of the head &c.
টাহ, } *s.* সাল বা খোচ মাৰি ধৰা, a sharp cutting pain in the
টাহনি, } back or chest.
টাহি, *v.* কঁকাল বা বুকুত সালি ধৰি, হেঁচি বা খুন্দি ভৰাই, ঠাহি, খাজি, to feel a sharp pain as above; to press together; to ram down as in loading a gun.

টি, *affix.* পৰবৰ্ত্তি সব্দ, সৰু মৰমিয়াল বস্তুৰ এটিক বুজাই জেনে লৰাটি, বস্তুটি, affixed to nouns, and denoting diminutiveness or affection.

টিঁয়া, *s.* সৰু, এবিধ ভাটৌ চৰাই, small, a species of parrot.

টিক, *s.* মুৰৰ মাজ, গচ আদিৰ আগ, টিঁকা, the crown, the tip.

টিক্চালি, *a.* টটাটিঙ্গা, দুস্ট, mischievous.

টিক্টিকাই, *v* জেঠিএ বা সৰু মাৰি আদিৰে কৰা সব্দ, to make a ticking sound as a lizzard.

টিক্টিকিয়া, *ad.* অতি খঙ্গাল বা ৰঙ্গা, very, exceedingly; applied to anger or redness.

টিকনি, *s.* মাজ মুৰৰ চুলি, a tuft of hair left on the shaven crown.

টিঁকা, *s.* সাস্ত্ৰৰ টিপনি, নিচইকৈ ভাবি আচো, প্ৰমান পোআ, ওখ মাটি, কোমৰ তল ভাগ, a commentary; certainty; definite knowledge; elevated land; the hip.

টিকাসঁকাকৈ, *ad.* বুজি বাজি, ঠিক ৰুপে, understandingly, intelligently.

টিকি, *v.* মনেৰে বুজি, টিঁকা কৰি, উকি, to investigate, to ascertain; *s.* a call, a scream; with মাৰি, to call.

টিকিৰা, *a.* কঁটিয়া, চুঁটি, ধঁপাত খোআ এঙ্গাৰৰ ঘিলা, কানি পানৰ সৰু ভাগ, short; *s.* a ball of powdered charcoal or a preparation of opium and the *pan* leaf, used in smoking.

টিঙ্গ, *s.* নাৱৰ আগ গুৰি, পৰ্ব্বতৰ ওপৰ ভাগ বা সিঙ্গ, the ends of a boat; the peak or summit of a mountain.

টিঙ্গটিঙ্গ, *s.* ধাতু আদিৰ টিঙ্গ টিঙ্গ সব্দ, a tinkling sound.

টিঙ্গটিঙ্গাই, টিনটিনাই, *v.* টিঙ্গটিঙ্গ সব্দ কৰি, মুৰ কামুৰি বা বিসাই, to tinkle; to feel a throbbing pain.

টিঙ্গটিঙ্গিয়া, *a.* বেগতে খঙ্গ উঠা, of a quick temper, spirited.

টিঙ্গনা, *s.* ওখ মাটি, elevated land.

টিঙ্গনাসালি, *s.* সৌচৰ স্থান, অসুচি ঠাই, a privy or other unclean place.

টিঙ্গালি, *a.* ওপৰাওপৰিকৈ জাঁপি থোআ, ওখ, piled, heaped up, high.

টিঙ্গিৰি, *s.* পানি আদি কৰ্হিওআ, দেওঁৰ সিকিয়া, জুই তোলা তিখা, an instrument for carrying water jars suspended from the shoulder, a steel for striking fire.

টিঙ্গিৰি তুলা, *s.* জুই তোলা বৰ সুকান বস্তু, চোআ গচৰ তুলা, tinder; (fig.) a passionate person.

টিপ, *s.* চকুৰ প্ৰচাৰ, চকুৰ ইঙ্গিতেৰে কোআ, a hint, a wink.

টিপচি, *s.* এবিধ খুদু চৰাই, a species of small bird.

টিপনি, *s.* সাস্ত্ৰৰ টিকা, টিপা, a note of explanation; a pinch, a squeeze.

টিপ মৰা, *s.* নিদ্ৰা জোআ, অলপ টোপনি অহা, চকু জঁপোআ, the act of closing the eyes as in sleep or of winking significantly.

টিঁপা, *s.* সৰু টেকেলি, হাতৰ চেপা, a small earthern vessel, a squeeze &c.

টিপাই থকা, *s.* দিম বা কৰিম বুলি পলমকৈ থকা, তুতুআই থকা, the putting off with mere promises.

টিঁপি, *v.* আঙ্গুলি পুতি, টিপা মাৰি, to press with the toes or fingers, to squeeze, to pinch.

টিপিঙ্গ টেপাঙ্গ, *ad.* অলপ অচৰপ, at small cost, lightly.

টিপিটাপি, *v.* হাতেৰে হেঁচি পুটকি, to press or squeeze together.

টিমক, *a.* বুধিয়ক, টেঙ্গৰ, কথা জনা, quick of understanding, intelligent.

টিল্‌টিলনি, *s.* বৰখুন এটোপা এটোপাকৈ পৰা, falling in scattering drops.

টিলটিলাই, *v.* টোপাটোপে বৰখুন পৰি, to fall in scattering drops.

টিলা, *s.* মহ পোআলি বন্ধা খুঁটি, সৰু, টিলিকা, a post to which buffalo calves are bound; *a.* very small, dwarfed.

টিলাটিপা, *a.* সৰু সুৰা, টিলো টপো, small, (used collectively.)

টিলিকা, *a.* চুঁটি চাপৰ, বাঢ়িব নোৱৰা, সৰু, short, small, dwarfed.

টিলিকি, *s.* আঙ্গুলিৰ বাদ্য, the snapping of the fingers; with মাৰি, to snap the fingers.

টিলিঙ্গ, *s.* সৰু তাল বা টিলিঙ্গাৰ সব্দ, a tinkling sound.

টিলিঙ্গা, *s.* সৰু ঘন্টা, a small bell.

টিলিটিপা, } *a.* নিচেই সৰু, very small.
টিলোটিপো, }

টুঁটলি, *s.* থোঁতোৰাৰ তল ভাগ, টেঁটোলা, the pendant skin of the neck.

টুকৰিয়া, *s.* লতা এবিধ, টোকাৰি বোআ মানুহ, a species of vine; a performer on the native guitar.

টুকি, *v.* পানি নথকাকৈ মচি, এপাত এপাতকৈ চিঙ্গি, to wipe dry, to pick off leaf by leaf.

টুকুৰটুকুৰ, *ad.* লাহে লাহে জোআ বা কটা, slowly, gently; (applied to going or cutting.)

টকুৰা, *s.* খুঁতুৰা, ডোখৰ, a piece.

টুকুৰাটুকুৰ, *ad.* খুঁতুৰাখুঁতুৰ, ডোখৰ ডোখৰ, in several small pieces.

টুট, *s.* } কম, ভাকৰ, ন্যুন, deficiency.
টুটনি, }

টুটকিয়া, *s.* লগনিয়াৰ, কৰ্ণাটিয়া, কথা লগাই ফুৰা, a whisperer, a back-biter, a slanderer, a mischief maker.

টুনটুনিয়া, *a.* পুৰ হোআ ওখ হোআ, full, puffed out, applied to the belly.

টুনি, *s.* এবিধ সৰু চৰাই, a species of small bird.

টুপ, *s.* আগ ঘৰ, জ.পি আদিৰ মূৰ, নৈৰ চুকিয়া বলুকা, a high projecting point; a high sand bank in the bend of rivers.

টুপটুপিয়া, *a.* ৰসাল মুখ, ৰস থকা, moist; applied to the mouth.

টুপলি, *s.* সৰু টোপোলা, a very small bundle.

টুপাই, *v.* টুপ খুআই, টুপ লগাই, to tip, to sharpen to a point.

টুপাই বুৰ মৰা, *s.* সমুলি মিচা মতা, the utterance of downright falsehood.

টুপি, *s.* মুৰত পিন্ধা বস্ত্ৰ, এটোপা, a cap, a hat; a drop of liquid.

টুপিওআ, *s.* টোপাটোপে পৰা, মাচে বৰশিত খোঁটা, the falling in drops; dripping; the nibbling of fish at bait.

টুপিটুপি, *ad.* এটোপা এটোপা, in drops.

টুপিয়াই, *v.* টোপাটোপে পৰি, মাচে বৰশিত খুঁটি, to drip, to nibble &c.

টুমনি, *s.* নদিএ পেলোআ চাপৰি, a high sand bank.

টুমনিটামনি, *a.* চুটিচাপৰ, দেখিবলৈ ভাল, ঘুটুঘুটিয়া, well proportioned.

টুলটুলিয়া, *a.* পেট পুৰ হোআ, পুৰ, বৰকৈ পকা, full, fully ripe.

টুলুঙ্গভুলুঙ্গ, *a.* নাবে কতিয়াকতি হোআ, টলঙ্গ ভলঙ্গ, swaying to and fro; rocking, (as a boat.)

টেইটুকি, *ad.* কথমপি, মুৰে মুৰে, barely, just sufficient.

টেঁটনি, *s.* মহৰ মাত, টেঁটোআ, the bellowing of buffaloes.

টেঁটু, *s.* ডিঙ্গি, নেলু, the throat.

টেঁটুআ, *s.* ডিঙ্গিত চেপা খাই ধৰা, tight about the neck, choking, strangling.

টেঁটোআ, *s.* মহে টেঁটনি মৰা, দিবলৈ বা কৰিবলৈ টান পোআ, the bellowing of buffaloes; reluctance in doing or giving.

টেঁৱা, *s.* নিচেই কেঁচুআই কন্দা সব্দ, the cry of a new born child.

টেক, *s.* নৈৰ মোচৰৰ মুৰ, the middle of a bend in a river.

টেকটেকনি, *s.* মাইকি হাঁহৰ মাত, খঙ্গেৰে ঘনে কৈ থকা কথা, the quacking of ducks; continual angry disputation.

টেকেলা, *s.* দুত, a messenger.

টেকেলাবৰা, *s.* টেকেলাৰ বিসয়া, an officer over twenty *tekelas*.

টেকেলি, *s.* মাটিৰ ডিঙ্গি থকা সৰু পাত্ৰ, a small earthern water jar.

টেঙ্গটেঙ্গাই, *v.* জেঙ্গজেঙ্গাই থাকি, to scold, to speak crossly.

টেঙ্গৰ, } *a.* বুধিয়ক, চতুৰ, ফন্দিয়ক, wild, shy, cunning.
টেঙ্গৰালি, }

টেঙ্গা, *a.* অম্ল ৰস বিসেস, sour, acid, cutting; *s.* acid fruit.

টেঙ্গাপানি, *s.* পিত পানি, কুঁহিয়াৰ আদি ৰসৰ কৰা এবিধ টেঙ্গাপানি, চিৰ্কা, acidity of the stomach; vinegar.

টেঙ্গামুৰিয়া, *a.* লঘোনত দুখ পোআ, ভিতামুৰিয়া, famished, disgusted.
টেঙ্গা লগা, *a.* বেজাৰ লগা, আমনি লগা, soured, displeased, disgusted.
টেঙ্গুচিয়াই, *v.* খোৰাই খোৰাই, দুপিয়াই খোজ কাঢ়ি, to limp, to.
টেঙ্গেচি, *s.* চাঙ্গেৰি টেঙ্গা, টেঙ্গা লতা এবিধ, a kind of acid vine.
টেঙ্গোআ, *s.* টেঙ্গা হোআ, বিৰক্তি লগা, বেয়া পোআ, the act of souring, offending or displeasing; setting the teeth on edge.
টেট্কুটি, *s.* ফুৰ্তি কথা, ধেমালি কথা, কুটি কথা, fun, wit, humor.
টেটকুটিয়া, *a.* কুটি কথা বা ফুৰ্ত্তিৰ কথা কওঁতা, exciting mirth, *s.* a humorist.
টেটেৰা, } *a.* সুকাই জোআ, খিনোআ, dried up, thin, emaciated.
টেটেৰিয়া, }
টেটোনটামন, *a.* চল কৰোঁতা, টেঙ্গৰ, চিৰ্কালি, ধূৰ্ত্ত, টেঁথৰ, knavish, false, unfaithful, untrustworthy, deceitful.
টেন্টেনাই, *v.* ঠেন্ঠেনাই, ভগা চক আদিৰ সদ্দ উঠি, to sound inharmoniously or as a cracked instrument.
টেন্টেনিয়া, *a.* ঠেন্ঠেনিয়া, having the above sound.
টেপটেপাই, *v.* বহুতকৈ কথা কৈ, to talk much and incoherently.
টেপটেপিয়া, *a.* পানিৰে ববকৈ ভিতা, filled to overflowing, saturated.
টেপৰ, *s.* এবিধ টেঙ্গা বা গচ, a species of acid fruit and the tree.
টেপা, *a.* জোল বস্তুৰে লদা বস্তা, পোটোকা পৰা, চেপা, মুখত দিয়া গৰাহ, indented, hollowing, squeezed, pressed; *s.* a mouthful.
টেপাইচেলাই, } *s.* আহুআ কৰা, কিৰ্টিমালি, চল কৰা, the doing
টেপাই মৰা, } anything imperfectly; *a.* counterfeit, imperfect.
টেপা কৰা, *a.* বটি লাড বকা, গুন্দি জোল কৰা, powdered, pulverized, beaten to a soft consistency.
টেপাখাই, *v.* ভয়ত কোঁচ খাই, চেপা খাই, to crouch or shrink with fear, to recoil in terror.
টেপা খোআ, *s.* চেপা খোআ, ভয়ত কোঁচ খোআ, a crouching &c.
টেপাটেপ, *a.* বোকাৰ নিচিনা দুৱ হোআ, moist, of soft consistency.
টেপাটেপে, *ad.* গৰাহে গৰাহে, সোপা সোপে, mouthful by mouthful.
টেপা মাৰি, *v.* চেপি, টেপা কৰি, to sieze, to grasp, to pinch.
টেপু, *s.* কচুৰ সৰু আলু, কচুগুটি, মুলবিজ, the small sprouts that grow from the parent *kosu* plant; *a.* small, diminutive.
টেমা, *s.* ঢাকৰ থকা সৰু পাত্ৰ, a small round box.
টেমি, *s.* চুন থোআ সৰু টেমা, a small box for holding lime eaten with the *pan* leaf.
টেমুনা, *s.* চকুৰ তলৰ টিকা, উখহা, মেটুৰ, the cheek bone, a swelling.

টেমুনাটেমুন, *ad.* ঠায়ে ঠায়ে উখহা, মেটুৰামেটুৰ, covered with swellings.
টেৰা, *a.* বেঁকা, কঁতিয়া, ভাঁজ লোআ, askew, slanting, oblique.
টেৰাবেঁকা, *a.* কতিয়াকতি, হেকেনাহেকেন্, ভেঙ্গুৰিয়া, circuitous, winding, crooked, distorted.
টেল্টেল কৰে, *ad.* ঘনে ঘনে, বেলিএ বেলিএ, গোট গোটকৈ, often, frequently, in rapid succession.
টেল্টেলিয়া, *a.* পেট বা চকু ওপৰত থকা, উঠঙ্গা, puffed or bulged out, applied to the belly or eyes.
টেলেকা, *a.* ওপৰ চকুআ, having prominent eyes.
টেলেঙ্গনি খোআ, *s.* উফৰি বাগৰি জোআ, টেলামুৰি খোআ, falling and rolling over and over.
টেলেৰা, *a.* জোক পোক আদিএ খাই সকত হোআ, swelled out, distended, full, (applied to leeches &c.)
টেঁয়াটোকা, *ad.* মুৰে মৰে, কথমপি, জেনতেনকৈ, somehow, scarcely.
টো, *affix.* পৰবৰ্ত্তি সব্দ, কথাৰ সেসত থাকিলে বিসেসকৈ এটাক বুজাই, জেনে মানুহটো, বস্তুটো, nearly equivalent to the article *the* in English; it is also placed after the genative to distinguish one individual from another, as বৰটো, the largest.
টোঁআই, *v.* মাৰিবলৈ দাঙ্গি বা পোনাই, to take aim, to raise the hand or a weapon in a threatening manner.
টোওআ, *s.* মাৰিবলৈ দঙ্গা বা পোনোআ, the act of pointing or raising the hand as in shooting or striking.
টোটোলা, *s.* চৰাই মাচ আদিৰ আহাৰ মোনা, the crop or first stomach of birds or fish.
টোক্টোকাই, *v.* সব্দ কৰি মৰিয়াই, to rap, to knock.
টোকনি, *s.* সৰু পুখুৰি, এবিধ জন্তু, দুখুনি তিৰি, a small tank; a small animal resembling the ground rat.
টোকৰ, *s.* তেজ উলিউআ অস্ত্ৰ, এক আঙ্গুলিৰে মৰা, an instrument for blood-letting; a snap or tap with the finger.
টোকা, *s.* পানি আদি টুকি পেলোআ, the act of wiping dry or entirely removing a blot or any liquid.
টোকাৰি, *s.* এবিধ বাজনা, a native instrument of music played with the fingers like a guitar.
টোকোন, *s.* লাখুটি, টাঙ্গোন, a club, a cudgel.
টোকোনা, *a.* একো নথকা, দুখিয়া, নিন্দাৰ বচন, poverty-stricken, worthless.
টোকোৰা, *s.* এবিধ সৰু চৰাই, a species of small bird.

টোকোৰা পজা, *s.* সৰু ঘৰ, পজা ঘৰ, a small native hut.

টোটা, *s.* তুলাপাতেৰে বন্ধা বন্দুকৰ খাৰ আদি, টোনা, a cartridge.

টোটোৰা, *a.* সুকাই পোটোকা পৰা, গুটি আদি সুকাই সেৰেলা পৰা, shriveled up; wilted.

টোন, *s.* কাঁৰ থোআ চুঙ্গা, a quiver or sheath for arrows.

টোনা, *s.* মাচ ভৰাই লোআ পাত্র, a small long necked fish basket.

টোপ, *s.* বৰখিত দিয়া বা, চৰায়ে খুউআ আহাৰ, a bait for catching fish, the food of an unfledged bird.

টোপনি, *s.* নিদ্রা, ঘুমটি, sleep, drowsiness.

টোপনি অৰা, *a.* মাজতে আৰি থোআ, suspended, hung up; *s.* suspension.

টোপনি বঙ্গা, *s.* সাৰে থকা, জাগি থকা, sleeplessness, wakefulness.

টোপনি বোআ, *s.* পাম পাম বুলি আসা কৰা, the waiting in hope.

টোপনিয়াই, *v.* কলমটিয়াই, টোপনিএ ধৰ, to sleep, to nod, to drowse.

টোপ লোআ, *s.* আহাৰ কৰা, আসা পালি থকা, taken, as a fish seizes a hook and bait; *s.* a confident expectation.

টোপা, *s.* পানি বা জোলৰ অতি তাকৰ ভাগ, বিন্দু, a drop; a very small quantity.

টোপাই, *v.* বৰশি পেলাই, পাম পাম বুলি আসাৰে থাকি, to let down a baited hook; to wait in confident expectation.

টোপা গাঁঠি, *s.* এটা এটাকৈ দিয়া গাঁঠি, a particular method of knotting or tying at long intervals.

টোপাটোপে, *ad.* এটোপা এটোপাকৈ, in drops or continuous drops.

টোপাল, *s.* হিম বা বৰখুনত গচৰ পাতৰ টোপাটোপে সৰা পানি, the droppings of rain or dew from trees.

টোপোআ, *s.* বৰশি টুপিউআ, পাম বুলি আসা কৰা, baiting; hope &c.

টোপোৰা, *s.* খজুৰ দৰে উখহি পৰা, টোবোৰা, সুতাৰ গাঠি, a blotch, a swelling, a protuberance, a knot &c. in a thread.

টোপোলা, *s.* পাত বা কাপৰেৰে মুঠকৈ বন্ধা, a bundle, package, parcel.

টোপোলাবন্ধা, *s.* গোটাই মুঠকৈ বন্ধা, আগ কৰা, the act of binding in bundles, also of setting apart for a religious offering.

টোৰটোৰ, *s.* বেঙ্গ, বা ধুঁআ খোআৰ সব্দ, a croaking or rumbling sound.

টোৰটোৰাই, *v* বেঙ্গ বা ধোঁআ খোআৰ সব্দ উঠি, to croak, to rumble.

টোল, *s.* বাৰিৰ চৌ সিমা, বাৰি ঘৰ, বাহৰ, a homestead, a house with the grounds attached.

টোলোঠা, *s.* তাঁতসালৰ সুতা বা কাপৰ মেৰোআ কাঠ, the two parts of a native loom on which the warp and woven cloth are wound.

টোহটোহাই, *v.* ভোৰভোৰাই, মনে মনে খঙ্গ কৰি, to mutter, to grumble.
টৌ, *s.* অন্ন আদি সিজোআ পিতলৰ পাত্ৰ, a brass cooking dish.
টৌটৌকৰে, *ad.* বৰ সব্দেৰে, বৰকৈ, loudly, vociferously.

ঠ

ঠ, ঠকাৰ, the aspirate of the preceding letter, and is sounded like *th* in *hot-house.*
ঠকঠক কৰে, *ad.* বৰকৈ, অতিকৈ কঁপা, very, tremblingly, unsteadily, in an agitated manner.
ঠকঠকাই, *v.* বৰকৈ বৈ বা কঁপি, to flow rapidly, to quiver, to shake.
ঠকৰাই, *v.* ঠকৰ কৰে লগা, to strike against.
ঠকুৰা, *s.* পাগ বা পাগুৰি বন্ধা কাঠৰ পাত্ৰ, a wooden block, used in shaping the *paguri* or native turban.
ঠগ, *s.* আক্ৰিতি, চল, shape, form, cheating, swindling.
ঠগা, *s.* পুথি থোআ কাঠৰ পাত্ৰ, a small wooden stand.
ঠগি, *v.* চলি, চল কৰি, কাঠৰ সৰাই, to cheat, to deceive; *s.* a round wooden vessel or tray.
ঠগিত, *a.* গহুত, সুঅনি, দেখিবলৈ ভাল, comely, beautiful, well proportioned.
ঠটা, *a.* কেৱল সুদা, একো নাইকিয়া, empty, bare, void.
ঠন্ঠন্কৰে, *ad.* চনকা বস্তু ভগাৰ দৰে অকস্মিতে ভাগি চিগি জোআ, suddenly snapped or broken asunder.
ঠন্ঠনিয়া, *a.* চনকা, বেগতে ভগা, easily broken, frail, brittle.
ঠন্ ধৰা, *a.* লেৰেলা গুচা, জিপ হবা, revived to freshness, as a plant.
ঠৰ, *a.* লৰচৰ নকৰা, পোন হৈ থকা, motionless, rigid, stiff; *s.* rigidity, stiffness.
ঠৰঙ্গা, *a.* ঠৰ হোআ, ভিৰাব নোআৰা, লম্দন নোহোআ, stiff, rigid.
ঠৰমৰ, *a.* অচেতন, বিগ্যান, বিমুৰ্চ্ছিত, insensible, stunned, writhing, distorted; *s.* distortion of the body from pain.
ঠৰিয়া, *a.* ঠাৰি থকা, এটিয়া, having a stem; one, single.
ঠৰুআ, *s.* কলপাত আদিৰ মাজৰ ঠাৰি, the middle rib of a leaf.
ঠল্ঠলাই, *v.* ঠলঠল সব্দেৰে সিল বৰখুন আদি পৰা, to fall thickly with a rattling sound as of rain or hail.
ঠলৰ, *s.* গুটি আদি অকস্মাতে পৰাৰ সব্দ, the sound of sudden dropping.
ঠলৰা, *a.* খুদ্ৰ বস্তুৰ ডাঙ্গৰ, large, grown; applied to maggots &c.
ঠলামুৰি, *s.* মূৰত হাতেৰে চাপৰ মৰা, চপৰাৰ ওপৰে ওপৰে কোৰা, a slap on the head; the breaking of clods or lumps of earth.

ঠহ, ঠহ ধৰা, } *s.* বিন্ধা আদিত সৰকিবলৈ টান ধৰা, পাচিলে জাব নোখোজা বা গপ ধৰা, tightness, narrowness, reluctance, obstinacy.

ঠহৰ, *s.* অকস্মাত ফুটা বা হাঁচি আদিৰ সব্দ a sound of sudden explosion.

ঠহৰকৰে, ঠহৰাই, } *ad.* হাঁচি আদিৰ সব্দ, বেগাই, অকস্মাতে, suddenly, at once.

ঠাই, *s.* থান, ভুমি, চল, a place, a situation, means or chance.

ঠাইঠাই, *ad.* বেলেগ বেলেগ, গোটে গোটে, scattered, dispersed.

ঠাইতে, *ad.* ওচৰতে, চমুতে, near, close at hand, proximate.

ঠাঁচকৰে, *ad.* অকস্মাতে, বেগতে, গিৰিসাই, suddenly, instantly, generally applied to breaking, falling or striking.

ঠাক্‌ঠিক, *a.* নিয়মত, লৰচৰ নোহোৱা, কামৰ আঁৰ নথকা, exact, prompt, nice, accurate, conformed to rule, methodical.

ঠাকুৰ, *s.* দলৰ পুজাৰি, দেৱতা ব্রাহ্মনক মান্যকৈ মতা, the officiating priest of a temple; a term of respectful address, like *sir*.

ঠাকুৰানি, *s.* গোঁসানি, a goddess.

ঠাকুৰিয়া, *s.* গোঁসানি পুজা আদি নমনা ধর্ম্মাচাৰি, a sect of *hindoos* who, rejecting idols, worship the one God.

ঠাচ, *s.* গঢ় ঢগ, shape, form.

ঠাট, *s.* আডম্বৰ, ঐশ্বৰ্য্য, প্রভাও, pomp, show, parade.

ঠাটকটক, *s.* সেনা বা জুদ্ধৰ সামগ্রি আদি, the paraphernalia of war &c.

ঠাটমৰা, *a.* গধ মৰা, নিসন্ধি হোৱা, compacted, pressed closely together.

ঠাৰ, *s.* চিয়াৰ, ইঙ্গিত, অকলসৰিয়া, a sign, a signal, a nod, a wink.

ঠাৰি, *s.* পাত গুটি আদি ধৰি থকা ভাগ, বৃন্ত, ঠেক, a stalk or stem; the petiole or leaf stem.

ঠাক, *a.* ঠিক, নিচই, certain, true, ascertained.

ঠাল, ঠালি, } *s.* গচৰ সাখা, ডাল, a branch, a twig.

ঠাৱৰ, *a.* নিচই, থিৰ, settled, established, fixed; with কৰি, to ascertain, to determine, to resolve upon.

ঠাৱৰি, *v.* থিৰ হৈ, নিচই কৰি, to settle upon, to ascertain, to fix.

ঠাৱৰকৈ, *ad.* স্বৰূপকৈ, নিচইকৈ, certainly, in a settled manner.

ঠাৱঠিক, ঠাৱেঠিক, } *ad.* অতি স্বৰূপ, নিচয়ে, settled as true; fully resolved upon, certainly.

ঠাহ খোৱা, *a.* নিসন্ধি হোৱা, হেঁচা চেপা, ঠাট মৰা, pressed closely together, stuffed, pressed down.

ঠাহ মৰা, *s.* ঠাহ মাৰি ধৰা, বুকুত খোচ মাৰি ধৰা, sharp cutting pain.

ঠাহি, *v.* হেঁচি চেপি, নিসন্ধিকৈ, to stuff, to press together, to ram down, as a cartridge.

ঠিক, *a.* স্বৰুপ, নিচই, নিয়মিত, certain, true, exact.

ঠিক্কৈ, *ad.* স্বৰুপকৈ, নিয়মিত ভাৱে, certainly, positively, exactly.

ঠিক্ঠাক, *a.* স্বৰুপ, লৰচৰ নোহোআ, exact, correct, accurate, in place.

ঠিকনা, *s.* নিচই ঠিক, প্ৰমান পোআ, certainty, certitude.

ঠিকা, *s.* বেচ ঠিক কৰি কোনো কাম লোআ, working or paying at a definite rate.

ঠিকা কৰি, *v.* কাম বা তাৰ বেচৰ নিচই কৰি, to make a contract.

ঠিকা কাম, *s.* বেচৰ আৰু জিমান কাম কৰিব তাৰ নিৰ্বন্ধ কৰা কাম, job work.

ঠিলা, } *s.* বিন্ধা মৰা সাল, সোপা, a stopple.
ঠিহা, }

ঠিহঠিহাই, *v.* পেটৰ বেদনা কৰি, খুঁচি বিন্ধি, to feel a sharp cutting pain in the bowels.

ঠিহনি, *s.* নিসন্ধি, ঠাহ খোআঁ, গঞ্জ খোআ, the act of crowding, pressing or beating to compactness.

ঠিহাই, *v.* নিসন্ধি কৰি, বৰকৈ পেট পুৰাই, to press down; to eat to excess, to cram.

ঠিহিৰা, *a.* খিটিৰা, কঁটিয়া, short, dwarfed, stinted.

ঠুঁটি, *s.* নিচেই, দাঁতি, আগ বা মুৰ, the end or edge of anything.

ঠুঁটিয়াই, *v.* অলপ গাজ মেলি, to sprout, to grown.

ঠুক্ঠুক্কৰে, *ad.* জাৰত বৰকৈ কঁপা, shivering, shaking, as from cold.

ঠকমৰা, *s.* অকস্মাত দেখাদি জোআ, a brief interview, a casual meeting.

ঠুকিঠুকি, *ad.* সৰু সৰুকৈ কটা বা ফলা, small, in fine pieces.

ঠুঙ্গুৰি, *s.* এবিধ নেপলিয়া অস্ত্ৰ, a Nepaulese knife.

ঠুহা, *s.* মাচ ধৰা এবিধ জন্ত্ৰ, ঠেক, a fish trap; *a.* narrow, contracted.

ঠেটু, *s.* হাত ভৰিৰ জোৰা বা গাঁঠি, নিচেই মুৰ, the joints of the hands or feet, the end.

ঠেঁটুআ, } *a.* জাৰত কোচাই নিয়া, benumbed, stiff from cold.
ঠেঁটুৱৈ, }

ঠেটুভগা, *s.* হাত ভৰিৰ জোৰাতে ভগা, a dislocation of the joints.

ঠেক, *a.* সঙ্কিৰ্ন, চেপ, সৰু, কষ্ট বা টানত পৰা, narrow, contracted, difficult; *s.* a difficulty, a strait, intricacy.

ঠেক পোআ, *a.* দুখ কষ্ট পোআ, টানত পৰ, troubled, involved in difficulty, straitened, perplexed.

ঠেকা, *s.* ঢোকা, ইটৰ সিটৰ খুন্দা লগা, a prop; the striking of two things together, a stake, a stanchion.

ঠেকাই, *v.* ওচৰ চপাই, চেপ কৰি, to draw near, to contract, to narrow.

ঠেকি, *v.* ঠেক কৰি, হেঁচি, চেপি, to contract, to press together.

ঠেঙ, *s.* ভৰি, পদ, চৰন, কৰনি আদিৰ খুঁৰা, the leg; a support.

ঠেঙ নামনি. *s.* সোআত ঠেঙ মেলা ফাল, ভৰি পথান, the foot of a bed.

ঠেঙা, *s.* ঠেঙত পিন্ধা বস্ত্ৰ, পাইজেমা, pantaloons, drawers.

ঠেঙাল, *s.* এক জাত কচাৰি, a class of Cacharis.

ঠেঙুল, ঠেঙুলি, } *s.* আদা আদিৰ ফেনা, সৰু সৰু ডাল, a small sprout or shoot.

ঠেনমেঠেন, *s.* এট্‌কেন মেট্‌কেন, অনিচা ভাও, হেলা, indifference, carelessness, sluggishness, unconcernedness, indecision, irresolution.

ঠেনমেঠেনকৈ, *ad.* হেলাকৈ, carelessly, unconcernedly, sluggishly.

ঠেফ, *s.* ধৰাৰ উপাই, চল, ঠাৰি, আসুই, a chance, a way, a means or opportunity; a stem, a refuge, an abode.

ঠেৰেঙা, *a.* ঠৰঙা হোআ, লন্দন নোহোআ, stiff, rigid, numb, not pliable.

ঠেল্‌ঠেল্‌কৰে, *ad.* সহিয়া গুটিএৰে, abounding in seeds, seedy.

ঠেলা, ঠেলামৰা, } *s.* ঠেলি নিয়া, হেঁচা, a push, a shove; a setting aside; *a.* shoved, pushed, set aside.

ঠেলাঠেলি, *a.* হেঁচাহেঁচি, হিঁহনি, mutually pushing, swaying back and forth, as of a crowd of people.

ঠেলি, *v.* হেঁচুকি, হেঁচি নি, to push, to shove, to thrust aside.

ঠেলিয়াঠেলি কৰা, *s.* ইএ সিএ দাই পেলোআপেলি, হাঙ্গি বাগি, a mutual recrimination, competition, emulation.

ঠেহ, *s.* বোঁহ, পেঁচ, অভিমান, sullenness, moroseness, the sullen resentment of an affront, pouting.

ঠেহধৰা, ঠেহপতা, } *s.* বোঁহ পতা, পেঁচ, বা গপ কৰা, sulkiness, stubbornness, sullenness, thrusting out the lips sullenly.

ঠেহাল, *a.* ঠেহ ধৰা, ওফোন্দ বা বোঁহ পতা, গঁফাল, sullen, morose, sulky.

ঠেহেৰকৰে, *ad.* অকস্মাত বেগতে সদ্দ কৰি, suddenly, abruptly.

ঠেহেৰা মৰা, *s.* কটু বাক্য, গেজেৰা মৰা, sharp, cutting, incisive language.

ঠোঁট, *s.* চৰাইৰ মুখৰ আগ ডোখৰ, চঞ্চু, the bill or beak of a bird.

ঠোঁট আচৰা, *a.* ঠোঁটেৰে আচাৰ মৰা, অনিচা দেখুআ, খাই অসলাগ কৰা, ungrateful, unthankful.

ঠোঁটা, *a.* ঠোঁটত নিয়া, নৈৰ কিনাকুঁটিয়া গৰা, having a defect in the speech; *s.* a projecting point in the bank of a river.

ঢৌটামোজা, *s.* খুঁটিয়াখুঁটি বা অলপ দন্দ, contention, disputation.
ঢৌঙ্গোনা, *s.* হাতেৰে অলপকৈ মৰা, মুঠিৰে গালত মৰা, the giving a blow on the cheek with the fist.
ঢোলা, *s.* কোঁচ খাই খাল পৰা, a hollow, an indentation.
ঢোলা পৰা, *a.* খাল পৰা, hollow, shrunk or shrivelled.
ঢোহঢোহাই, *v.* বেজাৰেৰে মনে মনে কৈ কৈ, to mutter, to grumble.
ঢৌঢৌআ, *a.* ভাত আদি টান হোআ, জৰজৰিয়া, detached, separate; (applied to dryly cooked rice.)

ড

ড, ডকাৰ, this letter corresponds with the English *d* in *day*; pronounced by bringing the tip of the tongue for back against the palate.
ডঁৰ, *s.* দণ্ড, সাস্তি, a fine, a punishment.
ডঁৰক লোআ, *s.* একে ঠৰে মাচ আদিএ ৰৈ থকা, the rising and remaining stationary as fish on the surface of water.
ডঁৰকাল, *a.* পোন, বেঁকা নোহোআ, straight, direct, undeviating.
ডঁৰিক, *s.* বনৰিয়া চৰাই এবিধ, a species of the pheasant.
ডঁৰিকনা, *s.* সৰু মাচ এবিধ, a species of small fish.
ডঁৰিকা, *s.* এক নদিৰ নাম, দিঘল লাউ উৰহি আদি, a river in upper Assam, a species of long gourd and bean.
ডঁৰিয়লি, *a.* পোন, বেঁকা নোহোআ, অধিন, without a bend (as a straight section of a river;) subject to.
ডঁহচিয়া, *a.* ডকৰা, পকিবলৈ বৰন ধৰা, ডাঁহেকিয়া, beginning to ripen, approaching maturity.
ডঁহাচকুআ, *a.* হালধিয়া বা বগা চকুআ, ডাঁহৰ চকুৰ নিচিনা চকু থকা, having light or grey eyes.
ডকডকিয়া, *a.* কেঁচুল ফিয়া, তেজৰ বৰন, fresh, living, red, as the gills of newly caught fish.
ডকৰা, ডকৰিয়া, } *a.* দপা, আধাপকা বা মুকুউআ, half ripe or half dry, approaching maturity.
ডকা, *s.* নৈৰ চটত পানি ফুটনি, কাৰ্হি লোআ, মতা, the noise of a rapid current over and uneven surface, robbing, pillaging.
ডকাই, *v.* সকলোকে চপাই, খেদি আনি, মাতি, to drive or collect together in a drove.
ডকাইত, *s.* ডকা দিওঁতা, a robber, a highwayman.
ডখৰ ডখৰকৈ, *ad.* ডোখৰ ডোখৰকৈ, in several pieces or parts.

ডখৰিয়া, *a.* ডুখৰিয়া, গোট মৰা, lumpy, hard.

ডগডগি, *s.* জল পাত্র এবিধ, লোটা, a kind of drinking vessel.

ডগমগ, *s.* জলমল, ৰৱ কান্তি, a glow or sparkle as of liquor.

ডগমগাই, *v.* জলমলাই, ৰৱ কান্তি উঠি, to sparkle as liquor poured out

ডগমগিয়া, *a.* কান্তিমন্ত, sparkling.

ডগৰ, *s.* বাদ্য এবিধ, দিঢ়, অতি ডাঠ, a sort of drum; *a.* firm, strong.

ডঙ্গুআ, *s.* অকল সৰিয়া, লগ নাইকিয়া, a bachelor; *a.* single, alone.

ডঠ, *s.* লোৰ কাঁইটেৰে ভাঁৰ, a goad, a prick, a spur.

ডঢাই, *v.* দিঢ় ৰূপে নিচইকৈ কই, to caution.

ডফলা, *s.* পৰ্বতিয়া জাতি মানুহ এবিধ, Duffola, a mountain tribe in the north of Assam.

ডৰকমৰা, *a.* একে ভাৱেৰে থকা, remaining stationary or silent.

ডবিউআ, *s.* তামোল আদিৰ থোক মেলা, ছকিউআ, ডাবি দিয়া, the putting forth of new leaves, applied especially to palms; rebuking, reproving.

ডবুআ, *a.* ডাব লগোআ, having a handle that serves also for case; as a pocket knife &c.

ডম্বৰু, *s.* বাদ্য এবিধ, শিৱৰ বাদ্য, a small drum, shaped like an hour-glass; *Hoda Hiwo's* insignia.

ডৰ, *s.* ভই, শঙ্কা, ত্রাস, fear, alarm, panic, terror, fright.

ডৰপদুৰা, *a.* ভয়াতুৰ, সাহ নোহোআ, fearful, timid; *s.* a coward.

ডৰা, *s.* আলি দি ভাগ ভাগ কৰা মাটি, land with a well defined boundary.

ডৰাই, *v.* ভই কৰি, to fear, to be alarmed.

ডৰাডৰকৰা, *a.* অনেক ডৰা কৰা, কোৰোআত সেৰাসেৰ দি সাঁচ বহা, ridged, as from flogging or as a rice field divided by ridges.

ডৰুআ, *s.* ভই খুউআ, the causing of fear or alarm.

ডল্‌ডল্ কৰে, *ad.* নিজম দি লৰচৰ নোহোআকৈ কেঁচআই নকন্দাকৈ পৰি থকা, quietly, without crying, applied to an infant.

ডল্‌ডলিয়া, *s.* জুই থকা আঙ্গঠাৰ কান্তি, the glow of burning coals.

ডলা, *s.* বাঁহৰ বহল পাত্র, মাহ আদি ঘঁহি কলা, ডাল কটা, a bamboo tray or fruit-basket, the act of grinding in a hand mill, the lopping off branches.

ডলি, *v.* মাহ আদি ঘহি কালি, ডাল কাটি, to rub or grind, to lop off branches.

ডলিয়া, *a.* ডাল থকা, গোটা, having branches, not split, round.

ডলুআ, *a.* ডালৰ, ডালত থকা, of or relating to a branch.

ডহডহিয়া, *a.* লৰচৰ নোহোআ, নৰলা, stable, firm, decided.

ডাইন, *a.* সোঁফাল, the right hand, applied to musical instruments.

ডাইনি, ডাকিনি, } *s.* ভুতুনি, পিসাঁচি, জোগিনি, a female imp or evil spirit, a witch.

ডাইল, *a.* অতি বিসাল, চোকা, venomous, virulent, poisonous, pungent, as applied to medicine.

ডাউক, *s.* নৈৰিয়া চৰাই এবিধ, a species of bird.

ডাঁৰ, *s.* সৰু দিঘল বাহ, দণ্ড, সাঠি পল, নাল খুউআ বঠা, a pole or small straight bamboo, the sixtieth part of a day or 24 minutes, an oar with a spliced handle.

ডাঁৰি, *s.* ডাঁৰ মাৰোঁতা, বৰখি বোআ দিঘল মাৰি, থোঁতোৰাৰ চুলি, জৰিমনা কৰি, an oarsman, a fisherman, the beard; *v.* to fine, to lay damages.

ডাঁহ, *s.* এবিধ তেজ খোআ বৰ মাখি, a gad fly.

ডাঁহনখিয়া, ডাঁহেকিয়া, } *a.* পকিব খোজা, ডুঁহচিয়া, beginning to ripen.

ডাঁহি, *s.* বিসাল সৰ্প এবিধ, a species of poisonous serpent.

ডাক, *s.* কাকত অনানিয়া কৰা, মতা কুকুৰাৰ মাত, a letter carrier, a part, the crowing of a cock.

ডাক দিয়া, *s.* কুকুৰাই পৰে পৰে মতা, cock crowing.

ডাকি, *v.* সাপ আদিএ খুঁটি, চোৰাত চুন আদিএ ধৰি, ৰিঙ্গ মাৰি, to sting or bite as a serpent, to corrode, to call.

ডাকু, *a.* সাহসিক, চোকা, ডকাইত, overreaching, active, sharp; *s.* a person who steals or overreaches.

ডাকুৰ, *s.* চাগলি আদিৰ ডিঙ্গিত দিয়া পথালি মাৰি, a poke for beasts.

ডাখৰি, *s.* ডোখোৰা খৰি, খুঁৰা নোহোআ পিৰা, a short thick piece of wood, a chunk or piece of wood used as a seat.

ডাঙ্গ, *s.* দুআৰ বন্ধ কৰা মাৰি, a bur used in fastening a door &c.

ডাঙ্গৰ, *a.* সকত, ব্যাগম, বৰ, প্ৰধান, great, large, stout, chief, noble.

ডাঙ্গৰদিঘল, *a.* ওখ সকত, full grown.

ডাঙ্গৰি, *s.* ধানৰ মুঠি গোটাই বন্ধা মুঠা, a sheaf, several small bundles bound in one.

ডাঙ্গৰিয়া, *s.* দেউতা, ভদ্ৰ লোকৰ মান্যৰ মাত, a term of respect; *a.* great, honorable, noble.

ডাঠ, *a.* পাতল নোহোআ, ঘন, নিসংসই, thick, dense, inspissated, close, crowded, stable, bold.

ডাঠুআ, ডাঠুআল, } *a.* ডাঠ ধৰি থকা, সাহিয়াল, দুকু ডাঠ, fearless, dauntless, courageous.

ডাফলি, *a.* সকত বা মঙ্গহাল, (*fem.*) fat, fleshy, stout.

ডাব, *s.* কুমলিয়া নাৰিকল, কটাৰিৰ এফাল ঢকা ফাঁক, ঘোঁৰাৰ খোজৰ চিন, an unripe cocoanut, a handle that serves also as a case of an instrument, the impression of a horse's hoof.

ডাবকটাৰি, *s.* ডাব লগা কটাৰি, তামোল কটাৰি, a knife with the above handle.

ডাবৰ, *s.* মুখ ধোআ পাত্ৰ, a brass vessel, a wash-hand bason.

ডাবৰি, *s.* কুঁহিয়াৰৰ ৰস লোআ সিটা, the refuse of pressed sugar cane.

ডাবি, *s.* খঙ্গেৰে ভই দেখুউআ, হুমিয়নি, তামোল আদিৰ ডাব, threatening, chiding, scolding, reproof; with দি, to rebuke, to reprove, to threaten, to remonstrate.

ডাল, *s.* ঠাল, গচৰ সাখা, পৰৱৰ্ত্তি সব্দ, a bough, a branch; a generic affix, applied to things long and slender, as এডালি চুলি, লাখুটি এডাল, one hair, one staff or a staff.

ডালচেনি, *s.* নেলুকা গচৰ নিচিনা এবিধ সুগন্ধি গচৰ চাল, cinnamon.

ডালডঙ্গুৱা, *a.* অকল সৰিয়া ৰবলা, এটিয়া, destitute of friends, lonely.

ডালি, *s.* গচৰ সক ঠাল, a small branch or twig.

ডালিখৰাহি, *s.* খুঁটা লগা খৰাহি, a bamboo tray with feet.

ডালিম, *s.* খোআ, গুটি এবিধ, the pomegranate tree and fruit.

ডালিমা, *s.* এবিধ বগ্না বাখৰ, চুন্নি বাখৰ, a precious stone, amber.

ডাৱৰ, *s.* মেঘ, a cloud, floating vapors.

ডাৱৰিয়া, *a.* মেঘ হোআ, বৰখুন আনিবলৈ গোমাই থকা, cloudy, dark, lowering, overcast with clouds.

ডিকনি, *s.* আঁক টনা মাৰি, an instrument for drawing straight lines.

ডিকা, *s.* আঁক দিয়া, কল কৰা, drawing lines with do. do.

ডিঙ্গৰা, *s.* হুকুমা, মাচ ধৰা জতন, a bamboo fish trap.

ডিঙ্গৰি, *s.* চালনিত ৰোআ খৰচি, the coarse past of anything sifted.

ডিঙ্গৰিয়া, *a.* ৰৰকৈ উখহা, swollen, puffed out.

ডিঙ্গি, *s.* গল, টেটু, কণ্ঠ, the neck, the throat.

ডিঙ্গিয়া, *s.* ডিঙ্গি থকা, ডিঙ্গিলৈকে হোআ, up to the neck, neck deep.

ডিঠক, ডিঠিক, } *s.* চকুৰ আগত, সাখ্যাত, visible appearance, bodily presence.

ডিঠকতে, ডিঠিকতে, } *ad.* সাখ্যাতে, আগতে, in sight, present bodily.

ডিমৰু, *s.* এবিধ গচ বা তাৰ ফল, a fig, a figtree.

ডিমা, } *s.* কনি, অণ্ড, an egg, spawn.
ডিম্ব, }

ডিম্বজ, *a.* কনিৰ পৰা জন্মা, produced from an egg, oviparous.

ডিম্বাক্রিতি, *a.* কনিৰ দৰে ঘূৰনিয়া, অণ্ডাক্রিতি, egg-shaped, oval.

ডিৰা, *a.* সন্ততি নোহোৱা, অকল সৰিয়া চকৰি আদি, without offspring, without a mate.

ডিৰাই, *v.* ফিতাহি কৰি, সৰুকে বৰটো কৰি কহাই, to boast, to exaggerate, to misrepresent.

ডিল, *s.* কলৰ ওলাই অহা থোক, তেজ চলোৱা বুকুৰ কলাডিল, সাহ, the flower of the plantain, the heart, courage.

ডিলা, *s.* কঁঠাল আদিৰ ফুট লাগি থকা আধাৰ, নাঙ্গলৰ ইহ, ঘিলা ঘূৰা মাজৰ মাৰি, a cob, pin, or spike, around which fruit grows, as the jack fruit, maize &c. an axis, the beam of a plough.

ডুকি, *v.* ডলা আদিৰে জোকাৰি, to separate the coarse part of anything from the fine by shaking.

ডুখৰিয়া, *a.* ডোখৰ ডোখৰ হোৱা, গোট মৰা, খৰচিয়া, not pulverised, coarse, lumpy.

ডুবডুবিয়া, *a.* চপচপিয়া, মুখলৈকে হোৱা, পূৰ, suffused, full to overflowing, full to the brim.

ডুবাই, *v.* বুৰাই, পানিত তলৈ নিয়াই, to overflow, to inundate.

ডুবি, *s.* নদিৰ দ ডুবি, কুই, পানিত তল গৈ, a deep place in a river or harbor; *v.* to submerge, to sink.

ডুমুনি, *s.* ডোমৰ তিৰোতা, a woman of the fisherman caste.

ডুৰি, *s.* বন এবিধ, চঙ্গাপৰ মাজত দিয়া ডোল, a species of native grass, a loop or fastening of a garment.

ডুৰিকানি, *s.* চোলাৰ কঁকালত দিয়া ঠেক কাপৰ, a narrow strip of cloth used as a stay in the waist of a native garment.

ডুলি, *s.* মাহ সৰিয়হ আদি থোৱা বাঁহৰ বৰ পাত্র, a sort of large basket for storing grain.

ডুলিমৰা, *ad.* নৰহিয়াকৈ, বৰকৈ, in great numbers, thickly, plentifully.

ডেইজোৱা, *a.* পুৰি কলা হোৱা, চেৰি জোৱা, বস্তু বা মানুহৰ ওপৰে জোৱা, scorched, stepped over, passed by as a thing of no consequence.

ডেউকা, *s.* চৰাইৰ বাৰিচনিৰ পাখি, a wing, a pinion.

ডেউনা, *s.* নাকৰ ওপৰ ডোখৰ, the bridge of the nose.

ডেও, *s.* জঁাপ, জঁাপ মৰা, a leap, a bound; with দি or মাৰি, to leap to jump, to bound.

ডেওনা, *s.* বাটৰ ড়েই জোআ জেওৰা, a stile, a low place in a fence.

ডেওপৰা, *a.* জঁপিয়াই ফুৰা, ধুমধুপাল কৰা, তহ্ নাইকিয়া, restless, uneasy; *s.* uneasiness, restlessness.

ডেকা, *s.* জুবা, জৌৱন, গজলিয়া, ভদ্র লোকৰ সন্তানৰ সম্বোধন, a youth, a title of respect; *a.* young.

ডেকাকহে জোআ, *s.* ডেকাত মৰা, সাও দিয়া, a term of abuse, imprecating an early death.

ডেকাদেও, *s.* বৰুআ ফুকনৰ লৰাৰ সম্বোধন, বপা, a title of respect addressed to the children of the nobility.

ডেকেৰি, *a.* জুবতি, গাভৰু চোআলি, young; *s.* a young girl.

ডেকেকআ, *a.* প্রাই ডেকা চৰাই বা ওকনি আদি, approaching maturity, (applied to birds, insects &c.)

ডেগ, *s.* মাজ ডাঙৰ মুখ বহল হোআ পাত্র, a large earthern vessel.

ডেঙ্গুৰ, *s.* ডিঙ্গিৰ ডাকুৰ, a poke for unruly cattle &c.

ডেডনি, } *s.* বৰকৈ চিঁঞৰা, বাঘ আদিৰ মাত, a loud scream or growl,
ডেডাউৰি, } any roaring sound as of a tempest or fire.

ডেফা, *a.* ডেকা, জুবা, young, thrifty, rapidly growing.

ডেম্ডেউকা, *s.* বিজলৰ গচ, a species of plant, a flower.

ডেম্ডেমিয়া, *a.* বৰ বস থকা, কেঁচা, green, sappy, unripe.

ডেমেহা, } *a.* পৈনত বা বয়স নোহোআ, not fully grown or ripe,
ডেমেহিয়া, } immature.

ডেৰ, *a.* এক আৰু আধা, one and a half.

ডেঁৰধৰা, *s.* গচ প্রবল হৈ বৰ্হা, luxurious vegetation, the full foliage of trees and plants; *a.* covered with leaves and foliage.

ডেৰিয়া, } *a.* সমান নহই, এডোখৰ আগ বৰ্হা, ডেৰ ভাগ থকা, of unequal
ডেৰ্হিয়া, } length or measure, one part and a half.

ডেৱা, *s.* মাচ ধৰা উপাই, গচ এবিধ, ড়েই জোআ, a platform across a stream for catching fish; a species of tree; *a.* scorched.

ডোঁআৰ, *s.* নদিএ এৰা দ হৈ থকা সুঁতি, an old channel of a river where water stands.

ডোঁআৰবন্ধা, *s.* কাপৰ, বওঁতে তঁাতৰ মুৰ বন্ধা, the lengthening out of a warp in the loom for weaving.

ডোখৰ, *s.* খণ্ড, খুঁতুৰা, চিটা, a piece, a bit, a parcel.

ডোখৰ ডোখৰ, } *ad.* খণ্ড খণ্ড, খুঁতুৰাখুঁতুৰ, in pieces, in small
ডোখৰ ডোখৰকৈ, } partitions, parcels or bits.

ডোঙ্গ, *s.* খোল, খাল পৰা ঠাই, a hollow or low place.

ডোঙ্গা, *s.* তাকৰ পানি ৰোআ ঠাই, কলাপটুয়াৰ খোল, a puddle, a place of standing water, an extemporized dish of the plantain stalk.

ডোঙ্গাডোঙ্গি, *ad.* তাকৰ তাকৰ পানিৰ ঠাই, places of standing water.

ডোবা, *s.* ডুবি, নদিৰ দ কুঁই, পানি ৰোআ খাল, মাটিৰ তৰা, a pond, a standing water.

ডোবাডোব, } *ad.* ভাগ ভাগ, চিটাচিট, parceled out, divided
ডোবোলাডোবোল, } into sections.

ডোম, *s.* জালোআ, মাচ মৰিয়া জাত, a fisherman, a caste of people.

ডোৰাকানি, *s.* ফাটি ওলোমা কাপৰ, a cloth torn or worn to shreds.

ডোল, *s.* জৰি, লেজু, পঘা আদি, a string, a rope, a cord.

ডোলাই, *v.* ডোল লগাই বান্ধি, to attach cords for the purpose of binding, suspending or carrying.

ঢ

ঢ, ঢকাৰ, সৰহিয়াকৈ এক বাৰে জোখা, জোখ, this letter is the aspirate of ড and is sounded like *dh*, in *good hope*; with মাৰি, to weigh or measure in the gross.

ঢক, *s.* দাহ, সৰদ, ৰচি, swooning, fainting; rumour.

ঢকেধৰা, *s.* দাহে ধৰা, জৰ তাপ আদিত বিমুৰ্চ্চিত হোআ, the being siezed with faintness or swooning.

ঢকঢক্কৰে, *ad.* কলহৰ পানি বকাত মাত উঠি, flowing with a purling or gurgling sound.

ঢকফুটা, *s.* ৰচি উঠা, কথা ওলোআ, a rumour, report.

ঢকা, *s.* ঢাকি থোআ, হাতৰ চাপৰ, the act of covering; a slap or blow with the open palm; *a.* covered.

ঢকাডিঙ্গৰা, *s.* গৰু আদিৰ পেট উখহা ৰোগ, inflamation of the bowels.

ঢকামৰা, *s.* হাতেৰে চাপৰ মৰা, striking with the open hand.

ঢকিয়াই, *v.* ঢকা মাৰি, চাপৰ মাৰি, to strike with the open palm.

ঢকিসকিকৈ, *ad.* ঘনকৈ কটা, থকাসৰকাকৈ কাপৰ আদিৰ বল মৰা, thickly gashed or hacked; badly worn, as applied to cloth.

ঢকুআ, *s.* তামোল আদিৰ পাতৰ ঠাৰিৰ বোখা, a sheath or membrane investing the young leaf or branch of of palm.

ঢঙ্গা, *a.* সস্য আদিৰ অধিক বস হোআ বা সেৰসেৰিয়া, lean, thin, poor, imperfect, applied to grain and fruits.

ঢঢকৰে, *a.* মুদা, আৰ বেৰ নাইকিয়া, মুকলি, entirely open or unenclosed, wide open, wholly destitute.

ঢঢৈয়া, *a.* খনেই মুকলি, বেয়া কঁপলিয়া, wide open, unfortunate.

ঢপঢপাই, *v.* পাখিএৰে সদ্দ কৰি, ডেউকা কোবাই, to flap the wings, to make the noise of flapping.

ঢপলা, *a.* বহল পাত আদি, দন্দত মৰা চাপৰ, broad, wide, as a leaf.

ঢপলামৰা, *s.* দন্দত তিৰোতাই উৰুত চপৰিউআ, the slapping the thighs, as by Assamese women when quarreling.

ঢপলিয়াই, *v.* লৰি, লৰ মাৰি, চাপলি মেলি, to run, to bound, to canter.

ঢৰা, *s.* বাঁহ আদিৰ বহা আসন, মুদা, a sitting mat; *a.* without seasoning, or seasoned with খাৰ only.

ঢৰালঘোন, *s.* একো নোখোআকৈ থকা লঘোন, abstinence from eating and drinking.

ঢৰিয়া, *a.* মোটা, ডাঙৰি সুতা, মিহি নোহোআ, coarse, applied to thread, or work of any kind.

ঢল, *s.* বৰ পানি বৰ্হা, জাক, a freshet, a flood, a multitude.

ঢলকনি, *s.* ঢোলোকনি, ঢৌত পানি সোমোআ, the dashing of waves over the side of a boat or vessel.

ঢলখাই, *ad.* আটাইবোৰ, সৰহিয়াকৈ, in multitudes, abundantly.

ঢলখোআ, *a.* দম হোআ, বহু গোট খোআ, heaped together, piled up.

ঢলঙপলঙ, *s.* থিৰ নোহোআ, নাও আদি ইকাতি সিকাতি কৰা, swaying to and fro, rolling, rocking, as a boat.

ঢলা, *s.* সাঁচ আদিত বকা, বাকি দিয়া, the act of pouring out or of casting melted metals in a mould; *a.* poured, cast.

ঢলাই, *a.* সকলোকে একাললৈ কাতিকৈ পেলাই, to cast down, to prostrate.

ঢলি, *a.* কাতি হৈ, হলি, leaning, prostrated, cast down.

ঢলি পৰা, *s.* হলি পৰা, কাতি হৈ পৰা, ঢাক মাৰি পৰা, কাতি, falling together promiscuously; *a.* aslant, leaning, inclining.

ঢলিয়াই, *v.* একাললৈ হনাদি, to tend to one side, as the channel of a river, or a boat.

ঢলুআ, *s.* ঢলা মানুহ, ঢলা পাত্র, a founder, a caster; *a.* cast, moulded.

ঢাঁচ, *s.* অকস্মাত পৰাৰ সদ্দ, the sound of sudden falling.

ঢাঁচঢাঁচ কৰে, *ad.* ঘনে ঘনে অকস্মিতে পৰা, in quick repetition.

ঢাঁহিঢুঁহি, *v.* আঁজুৰি পিঁজুৰি, কাৰ্হি আনি, to take by violence.

ঢাক, *s.* বৰ ঢোল, a kind of large drum.

ঢাকচাল, *s.* মাখি চালৰ তল চাল, the cutis or second skin.

ঢাকনি, } *s.* সাফৰ, আবৰন, a cover, a lid, a covering, a screen.
ঢাকোন, }

ঢাকমৰা, *s.* সৰহিয়াকৈ ঢাকি পৰা, উবুৰি খাই পৰা, the covering of a place or field by a flock or crowd of people; *a.* covered.

ঢাকি, *v.* আবৰি, আৰ্ দি, গুপুত কৰি, to cover, to hide, to conceal.

ঢাট্‌কঁপলিয়া, *a.* দুৰ্ভগিয়া, হিন কঁপলিয়া, unfortunate, unsuccessful.

ঢাটকঁপাল, *s.* দুৰ্ভাগ্য, মন্দ কপাল, misfortune, ill-fate.

ঢাপ, *s.* মাটিৰে বন্ধা গৰ, a mud wall, an embankment.

ঢাপৰ, *s.* নাৱৰ চাল বা চৈ, the covering of a boat.

ঢাপলি, *s.* লৰ, চুঁটি, speed, as applied to quadrupeds.

ঢাপলিকা, *s.* চাপৰ পৰ্বত, আৰ দিয়া খেৰ আদিৰ পবলি, a hill, a low range of hills, a screen or covering of coarse grass.

ঢাৰি, *s.* কাঠিৰে বোঁআ চবা, a bamboo mat.

ঢাৰিপাটি, *s.* সোআ সজ্যা, ঢাৰি আৰু পাটিদৈৰ পাটি, a native bed.

ঢাল, *s.* বাৰু, জুধত অস্ত্র আদি নিবাৰন কৰা জতন, a shield, a buckler.

ঢালখোআ, *a.* কাতি হোআ, কতিয়া হোআ, leaning, aslant.

ঢাল লৈ, *ad.* এফলিয়া হৈ, on one side, towards, in one course.

ঢালি, *v.* বাকি, জুধত, নিপুন, to pour out; *a.* powerful, warlike.

ঢাহিমুহি, *v.* চলে বলে কাৰ্হি নি, to accomplish by strength or stratagem.

ঢিল, } *a.* কোমল, লোলা, সুগম, উজু, লঘু, soft, light, (as a burden,)
ঢিলা, } not difficult, thin, loose, unstable, slack.

ঢিলা সোলোকা, *s.* টানি নধৰা, সোলোক ঢোলোক, looseness, slackness.

ঢুঁহি, *v.* আঁজুৰি, বল দি আনি, to pull.

ঢুঁহিমুহি, *v.* টানি আঁজুৰি, ডকা হকা দি, to do or take by violence.

ঢুকাই, *v.* খ্যই হৈ, নাইকিয়া হৈ, হানি হৈ, মৰি, to consume, to waste away, to exhaust, to die.

ঢুকি পোআ, *a.* হাত মেলি পোআ, বুজিব পৰা, within reach or comprehension.

ঢুকুআ, *s.* খ্যই হোআ, নাইকিয়া হোআ, a consuming, wasting, destruction, extinction, death.

ঢুকুচি, } *ad.* কথমকথমপি, জেনতেনকৈ, somehow, by the greatest
ঢুকুচিমুকুচি, } effort.

ঢুপুকিয়া, *a.* উখহা, আধা পকা, not plump or full, applied to grain.

ঢুল্‌ঢুলিয়া, *a.* চকুৰ লো ওলাওঁ ওলাওঁ হোআ, ready to burst into tears.

ঢুলি, *v.* গা দোলন কৰি, লৰাই, to sway to and fro, to oscillate.

ঢুলিয়া, *s.* ঢোল বজাওঁতা, a drummer.

ঢুলকি, *s.* এবিধ ঢোল, a kind of drum struck with the fingers.

ঢেঁকৰ, *s.* দোলাৰ বেঁকা লোৰ মাৰি, হেঁকট ফুটাই হঁহা, the foot of a dhooly or litter, the noise of violent laughter.

ঢেঁকি, *s.* ভৰিৰে ধান বনা জতন, a pedal for cleaning rice.

ঢেঁকিসাপ, *s.* ডাঙ্গৰ সাপ এবিধ, a species of large snake.

ঢেঁকিসাল, *s.* ঢেকি পতা ঘৰ বা ঠাই, where a rice pedal is placed.

ঢেঁকেৰ, *s.* উগাৰৰ সব্দ, eructation, the noise of belching wind from the stomach.

ঢেঁকেৰি, *s.* কামৰূপৰ পৰগনাৰ লোক, a class of people in Kamroop.

ঢেঁকেৰিয়া, } *s.* ফুট নথকা কঁঠাল, imperfect fruit of the jack tree.
ঢেঁকেৰুআ, }

ঢেঁৰা, *s.* চৰাই এবিধ, সুম কৰিব নোঅৰা সকত গাৰে মানুহ, a pelican, flaccidity.

ঢেঁৰুআ, *s.* আলু নথকা মূলা সাক এবিধ, a species of vegetable.

ঢেকঢেকনি, *s.* গঁৰ ঘোঁৰা আদিৰ মাত, বৰকৈ হঁহা, the sound of neighing, also of violent laughter.

ঢেক্‌ঢেকাই, *v.* গঁৰ ঘোঁৰা আদিএ ঢেক্‌ঢেক্ সব্দ কৰি, বৰকৈ হাঁহি, to neigh, to whinny as a horse, to laugh boisterously.

ঢেকনিমৰা, *a.* পানিএ তলৈগৈ থকা, submerged, overflowed.

ঢেকিয়া, *s.* বন সাক এবিধ, a fern of the genus petris, a general name for several species of the brake.

ঢেকিয়াপতিয়া, *a.* ঢেকিয়া পাতৰ দৰে কলা আঁচ থকা, বাঘ এবিধ, having long stripes, striped; *s.* a species of tiger.

ঢেকিয়াল, *s.* এক খেল মানুহ, an office or class of people in the days of the Assam Kings.

ঢেঙ্গঢেঙ্গিয়া, } *a.* সৰহ পানি থকা, পনিয়া, অস্বাদু, জলো থলো হোআ
ঢেঙ্গা, } watery, without richness or flavor, insipid.

ঢেপ্‌ঢেপিয়া, *a.* টানকৈ নবজা, ঢিলা, having a dull sound, as of unbaked earthen ware, or a loose drumhead when struck.

ঢেপা, *a.* আটিল নোহোআ, কোমল, নিৰ্বলি, not firm, flabby and weak.

ঢেপেলা, } *a.* নিয়মতকৈ ডাঙ্গৰ বহল, বহল পাতেৰে, wide or
ঢেপেলা ঢেপেল, } broad, applied to leaves, or the hem of a garment.

ঢেমেকা, *a.* ডাৱৰিয়া, ভালকৈ বদ নোলোআ, cloudy, shady, murky.

ঢেৰ, *a.* অনেক, বহুত, সৰহ, দম, much, many, abundant.

ঢেৰাই, *v.* দলাই, সৰহ কৰি, to collect in abundance.

ঢেৰাঢেৰ, *ad.* ঢেৰনেঢেৰ, দমাদম, heaps upon heaps, abundantly.

ঢেৰেকনি, *s.* মেঘৰ গাজনি, বজ্রপাতৰ সব্দ, thunder, the reverberating or rolling sound of thunder.

ঢেলওপোঙ্গা, *s.* আধা মৰা হৈ ওপঙ্গি ফুৰা, floating half dead on the water.

ঢেল্‌ঢেলিয়া, *a.* তেজ নাইকিয়া, সেতা সেৰেলুআ, pale, wan, not ruddy.

ঢেলা, *a.* তেজ নথকা, প্রাই বগা, ডাৱৰিয়া, pale, obscure, cloudy.

ঢেলাচকুআ, *a.* সকত, ওপৰ চকুআ, having the white of the eye large.

ঢেলুকাঢেলুক, *s.* মৰিবলৈ ধৰাত চকু লুটিয়ালুটি কৰা, the setting of the eyes in death.

ঢেলেঙ্গপেলেঙ্গ, *s.* হেলেঙ্গপেলেঙ্গ, ধাঁইজাঁই, staggering, swaying.

ঢোঁৰা, *s.* পানি সাপ এবিধ, বৰ জাত কাউৰি, a species of water snake.

ঢোঁৰাকাউৰি, *s.* বৰ বিধ কাউৰি, a species of crow, a raven.

ঢোঁহা, ঢোঁহাঢোঁহ, } *a.* আউলিয়া, আউল লগা, আউলবাউল, বল দি আউল ৰুপে আঁজুৰি অনা, snarled, tangled.

ঢোঁহোৰ মোঁহোৰকৈ, *ad.* আগ গুৰি নাইকিয়াকৈ, বিস্রুনিকৈ, doing in a disorderly or irregular manner.

ঢোঁহোৰা, *a.* আউলিয়া, আত হেৰোআ, snarled, tangled.

ঢোকা, *s.* ঠেকা, আসুই, পানি আদি গিলা, a prop, a stay, a support, propping of anything, the swallowing any liquid.

ঢোকাঢোক, *ad.* অনেক বাৰ পানি আদি খোআ, drinking excessively.

ঢোকা পৰ্বত, *s.* পৰ্বতৰ গুৰিত থকা চাপৰ পৰ্বত, a hill or low range of mountains.

ঢোকোৰ, *s.* উগাৰ বা পানি গিলা সব্দ, a gulping sound, or sound of swallowing liquids.

ঢোপ, *s.* লৰাই খেলোআ বৰৰ এঁঠাৰ বা ফটাকানিৰ টোপোলা, মহন্তৰ নিৰ্মালিৰ মালা, a ball used in a well known play, a wreath of sacred leaves given by the priests to their disciples as a blessing.

ঢোপ্‌ঢোপিয়া, *a.* বৰকৈ উখহা, hard, swollen, inflated.

ঢোপাকলি, *s.* ফুলিব লগা ফুলৰ কলি, a flower bud ready to open.

ঢোপাচালি, *s.* মেঘ আদিএ এন্ধাৰকৈ ধৰা, enshrouding, overshadowing.

ঢোপাবৰ, *s.* এঁঠা ওলোআ এবিধ বৰৰ গচ, the caoutchouc or Indian rubber tree.

ঢোপোকা, *s.* সোপোকা, হেঁচিলেই সোমাই, এৰিলে পুৰ হই, elastic, yielding to pressure and recovering the original form.

ঢোৰোহা, ঢোৰোকা, } *a.* হোৰোহা, পেট বা কঁকাল ডাঙ্গৰ হোআ, big-bellied, large waisted.

ঢোল, *s.* বাদ্য এবিধ, ধান আদিৰ জোখ a drum, a measure.

ঢোলোকনি, *s.* ঢৌত সোমোআ, হোলোকনি, তেল আদি লৰি উপচি পৰা, the swallowing of water by a drowning man, the dashing of waves into a boat.

ঢোলোকাঢোলোক, *ad.* ঘনে পানি খোআ বা সোমোআ, হোলোকাহোলোক, repeatedly swallowing water, repeatedly shipping waves

ঢৌ, *s.* বতাহ বা সোঁতৰ কোবত উঠা পানি, a wave, a billow, a swell.

ঢৌআই, *v.* পানি লৰাই, ঢৌ তুলি, ববকৈ পানি পেলাই, কথা প্ৰকাস কৰি, to raise in waves, to agitate.

ঢৌআ বক্কা, *s.* গাত পানি জোলা বক্কা, the rising of blisters; *a.* blistered.

ঢৌউঠা, *s.* বতাহত পানি উঠা, কথা প্ৰজলিত হোআ, the rising of waves, a report, rumor.

ঢৌজোআৰ, *s.* দুআৰ গৰিলা, আস্ফাল, waves, the raging of the sea.

ঢৌঢৌআ, *a.* গাখিৰ আদিৰ সুদা পানি, বগা জেন দেখি, white, whitish, as a large sand bank appears at a distance.

ঢৌঢৌকৰে, *ad.* সুদা পানি কেৱল মুকলি, widely, extensively, wide open.

ঢৌ মাৰ জোআ, *s.* পানি সান্ত হোআ, the subsiding of waves, a calm.

ণ

ণ, ণকাৰ, this letter is pronounced in Assamese words precisely as ন, *n.* It is never used as the initial of a word.

ত

ত, তকাৰ, the first of the dental class, pronounced like *t* in *water*; applying the tip of the tongue to the roots of the teeth, as when about to utter the word *think*; or *t*, in *Mat-thew.*

তই, *pron.* সামান্য বা তলপিয়াক মতা সৰ্বনাম, you, (addressed to inferiors.)

তঁক, *s.* খঙ্গ, বেগ, জঁক, anger, haste, excitement.

তঁক উঠা, *s.* মনৰ বেগ উঠা, the rising of anger, excitement.

তকতকিয়া, *a.* খৰতকিয়া, বেগাই কোআ বা কৰা, quick, expert, active.

তগৰ, *s.* সুগন্ধি পস্প এবিধ, a species of tree and fragrant flower.

তজ্‌বজাই, *v.* লৰি ফুৰি, থিৰ নে থাকি, to be restless, unstable, fickle.

তজ্‌বজিয়া, *a.* তৰল, অথিৰ, অসান্তি, restless, unstable, fickle.

তজু, *pron.* তোমাৰ, আপোনাৰ, thine.

তণ্ডুল, *s.* চাউল, uncooked rice.

তত, *s.* গ্যান, বুজ, অৰ্থ, তত্ত্ব, sensation, feeling, consciousness, knowledge obtained through the senses, the import &c.

তত, *ad.* সেই ঠাইত, তাত, in that place, there, yonder.
ত—ত, *ad.* তিমান, সেইমান, so much, so many, a correlative.
ততকৰা, *s.* অনুমান কৰা, বুজ কৰা, understanding, perceiving, the doing a thing understandingly.
ততকাল, *ad.* সিমান কাল, তেতিয়াই, সেই কাল, so long a time, so long.
তত্খ্যনাত, *ad.* ততালিক, বেগাই, সেই খেনকতে, at once, at that instant, immediately, suddenly.
তত্দিয়া, *s.* চেষ্টা দিয়া, সান্ত হোআ, the giving time to do understandingly or in a cool and collected state of mind.
ততনাইকিয়া, *a.* বিগ্যান হোআ, বিচেষ্টা, বিতত হোআ, আহৰি নোপোআ, without consciousness or knowledge, not self possessed.
তত্পোআ, *s.* গ্যান বা বুজ পোআ, জিৰনি পোআ, the becoming conscious or self collected, self possession, understanding.
তত্লোআ, *s.* চেতন হৈ থকা, গ্যান কৰা, বুজ বা সান্ত হোআ, জিৰোআ, the being on the alert, knowing, being self possessed.
তত্ হেৰোআ, *s.* গ্যান হেৰোআ, বিবুধি হোআ, the losing ones's consciousness, being at one's wits ends, perplexed, confounded.
ততাতৈয়া, *ad.* তৰাতৰি, বেগাবেগি, লৰালৰি, quickly, hastily, hurriedly.
ততালিক, } *ad.* তেতিয়াই, নিমিসত, অতি সিঘ্রে, quickly, speedily,
ততালিকত, } in haste.
ততোআল, *a.* ততেৰে থকা, বিচেষ্টা নোহোআ, cool, deliberate.
ততোধিক, *ad.* তাতকৈ অধিক বা সৰহ, more than that, more.
তত্র, *ad.* তাত, সেই ঠাইত, there, therein, in that place.
তত্রস্থ, *a.* তাত থকা, situated there, of that place.
তথাপি, *ad.* তথাপি, তেও, তথাচ, even, even though, yet, still.
তত্ত্ব, *s.* জথার্থ, স্বৰুপার্থ, an accurate idea, reality, truth, nature, the first principle, reason.
তত্ত্বগ্যান, *s.* জথার্থবোধ, ব্রহ্মবোধ, knowledge nature, truth &c.
তথা, *ad.* সেই দৰে, সেই ৰুপে, তেনে, thus, there, the same, ditto.
তথাই, } *ad.* তাতে, সেই ঠাইতে, in that place, there.
তথাতে, }
তথাচ, } *conj.* তেও, তত্রাপি, notwithstanding, nevertheless, yet,
তথাপি, } still, even.
তদকাৰ, *a.* তাৰ নিচিনা, পৰিপাটি, সুন্দৰ, উত্তম, like to, in order, elegant, neat.
তদনন্তৰ, *ad.* তাৰ পাচত, তাত বাজে, afterwards, after, then, next.

তদন্ত, *s.* বুজ বিচাৰ, সেস নথকা অনুসন্ধান, investigation, inquiry, aim.

তদনন্তৰ, *ad.* তাৰ পাচে, তাত বাজে, afterwards, moreover, besides.

তদপি, *ad.* তেও, তথাপি, although, notwithstanding.

তদুত্তৰ, *s.* তাৰ উত্তৰ, সমিধান, his or her answer or reply.

তদ্ৰূপ, *ad.* সেই ৰূপ, তাৰ নিচিনা, like unto, of the same shape or kind.

তধা, } *s.* বিচুৰ্ত্তি হৈ একে ঠৰে চাই থকা, ৰ লগা, টক লগা, stare-
তধালগা, } ing in silent amazement, fixed in a gaze of astonishment.

তন, *s.* পিয়াহ, এধাৰ, স্তন, the breast, suck, nourishment.

তনপান, *s.* পিয়াহ খোআ, এধাৰ খোআ, স্তনপান, sucking; drawing nourishment from the breast.

তনই, *s.* পুত্ৰ, সন্তান, পো, a son or male descendant.

তনয়া, *s.* জি, পুত্ৰি, ছোআলি, জিয়ৰি, a daughter; *fem.* of the above.

তনু, *s.* সৰিল, দেহা, ভেল, পাতল, সেৰেঙ্গা, the body; *a.* minute, delicate, thin, lean, slender.

তনুজ, *a.* সৰিলৰ পৰা জাত হোআ, produced from the body; *s.* a son.

তন্ত্ৰ, *s.* দেৱতা পূজাৰ মন্ত্ৰ আদি বিতি বুজা শাস্ত্ৰ এবিধ, a *tontro* or religious treatise, teaching formulas and rites for worship in the form of a dialogue between Hiwo and Doorga.

তন্ত্ৰমন্ত্ৰ, *s.* ফাঁকিফুঁকা, মিচাই কোনো উপাই কৰা, peculiar and mystical formulas and rites for the worship of the deities; a charm for the cure of diseases and the prevention of evil.

তন্দ্ৰা, *s.* কলা ঘুমটি, চিলমিলিয়া টোপনি, drowsiness, lassitude.

তন্দ্ৰালু, *a.* তন্দ্ৰাই ধৰা, অল্প নিদ্ৰালু, ক্লান্ত, drowsy, sleepy.

তপ, } *s.* ইন্দ্ৰিয়ক নিগ্ৰহ কৰি ইশ্বৰ আৰাধনা কৰা, তপস, penance,
তপস্যা, } religious austerity.

তপত, *a.* উষ্ম, চেঙ্গচেঙ্গিয়া, তাপ লগা, hot, warm.

তপতোআ, *a.* তপত কৰা, warmed, heated.

তপসি, *s.* তপস্বি, সন্যাসি, ধ্যান কৰোঁতা, an ascetic, a devotee.

তপা, *a.* তালুৰ চুলি সৰি টকলা হোআ, bald.

তপিনা, } *s.* জানুৰ ওপৰ কঁকালৰ পাচ ভাগ, কৰঙ্গনৰ বাজ ফাল, the
তপিলা, } rump, the buttock, the outside of the thigh.

তবধ, *a.* অবাক হৈ থকা, বলগা, তধা লগা, dumb, silent from astonishment.

তবলা, *s.* বাদ্য এবিধ, a musical instrument, a tabor.

তম, } *s.* অন্ধকাৰ, মোহ আদি অহঙ্কাৰ, সত্ত্ব ৰজ তম তিনি গুনৰ সেস
তমস, } গুন, darkness, gloom; in hindoo philosophy, the third and lowest of the three natural qualities.

তমলুআ, *a.* আপঁইতা বাঁহ, তমাল তুলাব পৰা বাঁহ, unripe, applied to bamboos not too ripe to split into strips for strings or withes.

তমাল, *s.* কুমলিয়া বাঁহ বা তাৰ কাঠি, a withe of green bamboo.

তমোগুনি, } *a.* ডেওপৰা, অহঙ্কাৰি, তামচকিয়া, proud, arrogant, boast-
তমোগুনিয়া, } ing, insulting, inert, stupid, ignorant.

তম্বরু, *s.* বাদ্য এবিধ, a drum.

তভি, *v.* জিৰাই, উসাহ লৈ, জিৰাই সঁতাই থাকি, to rest, to stop a while to take breath, to take one's ease.

তয়াতোকা, *s.* তয়াইঁয়া, অমান্য মাত, incivility in address.

তয়াময়া, *a.* অতিসই, বৰ টান, কঠিন, exceeding, great, very, severe, hardly contested, as a race or battle.

তয়েই, *pron.* তুমিএই, you yourself, (emphatic) addressed to inferiors.

তৰ, *a.* বাম, তৰাঙ্গ, দ নোহোআ, shallow, not deep.

তৰ, *a.* সেই ঠাইৰ, of or belonging to yonder place.

তৰঙ্গ, *s.* ঢৌ, পানিৰ জোআৰ, a wave, a billow, a rapid current.

তৰঙ্গনি, *a.* তজবজিয়া, বৰ চোকা, অতি বেগিকৈ বোআ পানি, quick, fierce, sharp, flowing swiftly.

তৰন, *s.* পাৰ হোআ, নিস্তাৰ, উধাৰ, the crossing over a stream, surmounting a difficulty, overcoming, surmounting.

তৰনি, *s.* নিস্তাৰ, নাও, উপাই, ত্ৰান, ৰখ্যা, the means of crossing a stream or of overcoming a difficulty; hence, a boat, salvation, deliverance.

তৰপ, *s.* জাপ, বিধ, a layer or thickness; a kind or sort.

তৰপৰা, *a.* পানি সুকাই বাম হোআ, লাজত পৰি মাতিব নোআৰা, dried up or shallow; confounded, unable to reply.

তৰপাতৰপকৈ, *ad.* জাপে জাপে, ওপৰাউপৰিকৈ, in layers, of sorts &c.

তৰপিয়া, *a.* জাপ বা তৰপ থকা, having folds or several thicknesses.

তৰফ, *s.* ফলিয়া, পখ্য, side, party.

তৰল, *a.* অথিৰ, পাতল বা লঘু মন, unstable, inconstant, fickle.

তৰহ, *s.* ৰকম, বিধ, প্ৰকাৰ, a kind, a sort, a manner.

তৰহেতৰহে, *ad.* অনেক প্ৰকাৰ, variously, of many kinds.

তৰা, *s.* নখ্যত্ৰ, আকাসৰ সৰু সৰু পহৰ, গচ এবিধ, নিস্তাৰ হোআ, a star, a constellation, an asterisk.

তৰাই, *v.* পাৰ কৰি, নিস্তাৰি, to deliver, to extricate, to save.

তৰাগচ, *s.* এবিধ ত্ৰিন, a species of plant.

তৰাডাঁহি, *s.* ডাইল সাপ এবিধ, a species of venomous snake.

তৰাতৰি, *ad.* লৰা লৰি, বেগা বেগি, খৰ খেদা, quickly, at full speed.
তৰানৰা, *s.* হাবাসাস্তি, তত এৰি লৰি ফুৰা, fleeing at full speed.
তৰানি, *s.* তৰা গচনি, a place covered with the *tora* plant; see তৰা গচ.
তৰাস, *s.* ত্ৰাস, ভই, সঙ্কা, fear, terror, dread, alarm, trepidation.
তৰাহি, *s.* পিতলৰ কাঁহি, আঠধতুআ থাল, a metal dish, a tray, a plate.
তৰি, *v.* নিস্তাৰ হৈ, আপদ সাৰি, পাল আদি মেলি লগাই, to cross over, to escape, to be saved, to spread out, as a sail.
তৰু, *s.* ব্রিখ্য, গচ, a tree, a plant.
তৰুআহি, *s.* ধান বিস্তাৰ নাল, the handle of an instrument used in thinning out a field of newly sprouted grain.
তৰুআকদম, *s.* এবিধ ফুল, a species of flower.
তৰুন, *s.* ভৰ বয়স, ডেকা, যুবত, ন, a young man; *a.* young, new.
তৰুনি, *s.* ডেকেৰি, গাভৰু, জুবতি, *fem.* of the above, a young woman.
তৰে, *ad.* বাটে, by land.
তৰোআ, *a.* উধাৰ কৰা, উপকাৰ কৰা, saved, helped over a difficulty.
তৰোআল, *s.* খড়্গ, বনৰ অস্ত্ৰ, a sword, a cimeter.
তৰ্ক, *s.* সাস্ত্ৰ এবিধ, বাদ, কথাৰ জুক্ত, বিচাৰ, the science of reasoning, logic, discussion, disputation, investigation, search, inquiry.
তৰ্কি, *v.* বিবেচনা কৰি, বুজি বাজি, বিচাৰ কৰি, to investigate, to look into a subject, to reason, discuss.
তৰ্জন, *s.* ডাবি, গৰ্জন, threatening, scolding, storming.
তৰ্জনি, *s.* বুৰা আঙ্গুলিৰ ওচৰৰ আঙ্গুলি, the fore finger.
তৰ্জু, *s.* জোখ কৰা সৰু তুল, a balance, a pair of small scales.
তৰ্তৰিয়া, *a.* চুলুঙ্গ, পাতল, ধৌৰ্জ নোহোআ, ফুচুৰি, fickle, volatile, light-minded, shallow.
তৰ্ষাস্তি, *s.* হাবাসাস্তি, খাস্তাং, বগু ভগু, হাইৰাং, great suffering, loss or trouble; with কৰি to give trouble and anxiety; with হৈ, to be troubled, afflicted or anxious.
তৰ্পন, *s.* মৃতকক দিয়া জলাঞ্জলি, the ceremony of pouring out water to the manes of deceased ancestors; libation to the dead.
তৰ্বৰাই, *v.* জিল্মিলাই, জিলিকি, to glitter, to dazzle, to sparkle.
তৰ্বৰিয়া, *a.* জিল্মিলোআ, জিলিকি থকা, sparkling, glittering.
তৰ্মুজা, *s.* এবিধ লতা গচৰ ফল, the watermelon plant and fruit.
তল, *a.* অধঃ, নাম, অধোভাগ, অতি সেস, বস, অধিন, under, beneath, below, subject to, dependent; *s.* the bottom, subjection.
তলওপৰ, *a.* লুটিয়ালুটি, ছুলস্থুল, ভোলপাৰ, upside down, confused.

তল খুঁচুৰিয়া, *a.* অলপিয়া, গুপুতে দিয়া বা কোআ, secret, clandestine.
তলগৰিয়া, *a.* পানিত নোপোঙ্গা, গধুৰ, not buoyant, heavy.
তলগৈ, *v.* ডুবি, বুৰি, আপ্লাবিত হৈ, to sink, to be submerged.
তলচৰিয়া, } *a.* তলত সৰি থকা, সেসতিয়া, আগ্যাৰ তল, অধিন, dropped
তলচিয়া, } off, as ripe fruit; last or youngest, dependent, subject to.
তলচা, *s.* তলত পাৰি দিয়া আসন, anything spread out to sit on.
তল জোআ, *a.* তল গৈ থকা, বুৰা, ডুবা, sunk, submerged, overflowed.
তলধৰা, *s.* দাঙ্গি ধৰা, তাঁতৰ গৰকাৰ জৰি, a cord attached to the treadles of a native loom.

তলনি, *s.* গেদ, গেদনি, সেহনি, lees, dregs, sediment, refuse.
তলপৰা, *s.* তলত থকা, তলত পাৰি দিয়া, falling under, spread down.
তলপিয়া, *a.* বসবৰ্ত্তি, অধিন হৈ থকা, subject to, under.
তলপেট, *s.* পেটৰ অধো ভাগ, নাইৰ তল ভাগ, the lower part of the belly.
তলসৰা, *s.* তলত সৰা, গুটি আদি গচৰ তলত সৰি থকা, the shedding or falling off of fruit or leaves; *a.* fallen off.
তলা, *s.* কলহ লোটা আদিৰ তলি, গাঁৰু চাক, অনুসন্ধান, the bottom of water vessels &c. the embroidered end of a native pillow; a padlock; an understanding of a matter.

তলাতল, *s.* খলপাখলপ, খাপ খাপ, the third of the seven hells of the hindoo shasters; *a.* high and low, above and below.
তলানলা, *s.* বুজ বিচাৰ, আগ গুৰি, a thorough knowledge of an affair.
তলামৰা, *s.* লোটা আদিৰ তলা খুউআ, সঁচাৰ মৰা, the inserting the bottom piece of brass water vessels, locking with a padlock.
তলি, *s.* তল ভাগ, the bottom, base, foundation.
তলিয়ৰি, *a.* তলি বহল, তলত দিয়া, having a broad base.
তলিচা, *s.* দলিচা, তলৱ, a rug, a carpet, any cloth spread for sitting.
তলিয়া, *s.* কাঠৰ ভাত বৰ্হা পাত্ৰ, ভাতৰ চৰুৰ ঢাকনি, a wooden cover of a cooking vessel.

তলুআ, *s.* হাত ভৰিৰ তল ভাগ, the palm of the hand or sole of the foot.
তলে, *ad.* তল ফালে তল ভাগে, beneath, under, below.
তলেতলে, *ad.* নজনাকৈ, গুপুতে, মনে মনে, আৰকৈ, secretly, slyly.
তলৈ, *ad.* সেই ঠাইলৈ, তালৈ, to that place, there.
তস্কৰ, *s.* চোৰ, টটাটিঙ্গা, a thief, an unruly, mischievous person.
তহঁত, *pron.* তোমোলাক, তুচাৰ্থক সৰ্ব নাম, you, (inferior.)
তহ্বহকৈ, *ad.* থান থানকৈ, লিৰিকি বিদাৰি সিচৰিকৈ, here and there, meddling with this and that, as a mischievous child.

তাই, *pron.* সামান্যৰ তিৰোতাক মতা সৰ্ব নাম, she, (applied to inferiors.)

তাইলুকিয়া, *s.* মান্য হিন, বিশ্বাস জোগ্য নোহোআ, নিহ, লগনিয়াৰ, a low minded person; *a.* double tongued, untrustworthy, mean.

তাও, *s.* থান কাপৰ, কমাৰ আদিয়ে ভাতিৰে দিয়া তাপ, a roll of cloth; a welding heat.

তাওকিন, *s.* ভোগজৰা, নাল খুউআ লোটা, a drinking vessel with a spout.

তাওদিয়া, *s.* জুইত তাপ দিয়া, লো আদি বৰকৈ তপতোআ, the heating, welding, or uniting metals by intense heat.

তাং, *s.* তাৰিখক বুজাই, an abbreviation for তাৰিখ, or day of the month.

তাঁত, *s.* বৰৈত তাঁত সালত লগোআ সুতা, a warp in the loom.

তাঁতসাল, *s.* কাপৰ বোআ জন্ত্ৰ, a loom.

তাঁতি, *s.* পাট কাপৰ বোআ এখেল মানুহ, a weaver, a class of people called the weaver caste.

তাক, *pron.* সেইটক, সামান্যক কোআ মাত, him, it.

তাকৰ, *s.* অলপ, নোজোৰা, কম, a little; *a.* insufficient, lacking.

তাকৰাই, *v.* কমাই, টুটাই, অলপ কৰি, to diminish, to lessen.

তাকৰিয়া, *a.* অলপিয়া, কম হোআ, less, reduced in quantity or size.

তাচ, *s.* এবিধ খেল, এবিধ সোনোআলি কাপৰ, a card or game of cards.

তাজিয়া, *s.* মচলমানৰ মুৰ্তি লৈ ফুৰুআ উত্চৱ, a mussulman observance.

তাত, *a.* সেই ঠাইত, there, in that place.

তাত্কৈ, *ad.* সিমান্তকৈ, above that, more than that.

তাতপৰ্জ্য, *s.* মৰ্মাৰ্থ, অভিপ্ৰাই, scope, object, design, a moral.

তাতে, *ad.* সেই ঠাইতে, এই হেতুকে, in that place, therefore.

তাতো, *ad.* সেই ঠাইতো, সিমানতো, there also, over and above that.

তাপ, *s.* উষ্মতা, 'বন আদিৰ তাপ, জ্বৰ, মনৰ পিৰা, heat, fever, distress, sorrow, pain, mental agony.

তাপদিয়া, *s.* তপতোআ, দুখ বেজাৰ লগোআ, heating, the giving annoyance, vexation or sorrow; *a.* annoying, vexatious.

তাপৰি, *v.* সোক দুখ সামৰি, সহি, to bear up under grief, to endure, to repress one's desire.

তাপলি, *s.* এটটা জোৰা দিয়া কানি আদি, জোৰা মৰা, a patch; with মাৰি, to patch, to mend; তাপলি মৰা, *a.* patched, mended.

তাপি, *a.* তাপজুক্ত, দুখি, সোকাকুল, distressed, afflicted, suffering.

তাপুঙ্গ, *a.* দাঁত্ চুলি সৰা, খিনাই জুমুৰা হোআ, toothless, bald, infirm.

তাবিজ, *a.* সকলোতে পাৰ্গত, ready, accomplished, skilled.

তাম, *s.* তাম্ৰ, ধাতু এবিধ, copper.

তাম কঁহ, *s.* তাম আৰু কাঁহ, টান, সকত, an alloy of brass and copper; *a.* firm, strong (as the above alloy.)

তাম বৰনিয়া, *a.* তাম্র বৰ্নেৰে, অলপ ৰঙ্গা, copper colored.

তামসিক, *a.* তম গুনিয়া, dark, dull, inert, stupid, see তম.

তামি, *s.* তামৰ বাটি, a copper cup.

তামুলি, *s.* গুআ কটা, a class who prepare tamul for the nobility.

তামুলি ফৰিঙ্গ, *s.* এবিধ ৰঙ্গা ফৰিঙ্গ, a species of grass-hopper.

তামোল, *s.* তাম্বুল, গুআ, the tamul or arica nut.

তামোল পান কটা, *s.* চোআলি খোজাৰ নিৰ্বন্ধ, the ceremony of eating *tamul pan* together at asking a girl in marriage.

তাম্বু, *s.* কাপৰৰ ঘৰ, a tent.

তাৰ, *s.* বিন আদিৰ গুনা, উচ্চ স্বৰ, সেইটোৰ, the string of a musical instrument, a shrill note; *pron.* his.

তাৰক, *s.* নিস্তাৰ কৰোঁতা, ত্ৰান কৰ্ত্তা, তাৰোতা, a saviour, a deliverer; *a.* effectual for salvation or deliverance.

তাৰন, *s.* পাৰ হোআ, নিস্তাৰ, crossing a river, getting through a difficulty, the act of saving, salvation.

তাৰনা, *s.* দুখ, ক্লেস, জাতনা, suffering, persecution, threatening, expulsion.

তাৰাপতি, *s.* চন্দ্ৰ, নিসাপতি, the moon.

তাৰামণ্ডল, *s.* তৰা সমূহৰ থান, the starry region or firmament.

তাৰি, *v.* নিস্তাৰি, উধাৰি, বোআত ঘন কৰি, to save, to deliver, to extricate, to press the splints of braided work or the woof in the loom close together.

তাৰিখ, *s.* মাহৰ দিনৰ সংখ্যা, the date or day of month.

তাৰিনি, *s.* উধাৰ কৰ্ত্ৰি, দুৰ্গা, মাত্ৰি, a female deliverer, a mother.

তাৰে, *a.* সেই ঠাইৰ, সেইটোৰ, belonging to that person place or thing.

তাৰোঁতা, *a.* উধাৰ কৰোঁতা, ত্ৰানকৰ্ত্তা, saving, delivering; *s.* a saviour.

তাল, *s.* গচ এবিধ, কাঁহৰ জোৰ বাদ্য, হাত চাপৰি বোআ, গানৰ পৰিমান, the fan palm or palmyra tree; with বোআ, the striking together of the hands, or of cymbals, beating time.

তাল জুৰিয়া, *ad.* সমনিয়া, একে সমান দুটা, in unison, together.

তালব্য, *s.* তালুত উঠা আখৰ, a palatal.

তাল মৰা, *a.* তাল বাদ্য বজোআ, কানত সোপা মাৰি ধৰা, stunning or overpowering the organs of hearing by any loud noise, stunned.

তাল মাৰি, *v.* নিজম দি, কানত সোপা মাৰি, to be silent, to be deafened or stunned by a loud noise; *a.* deafened, stunned.

তাল মাৰি ধৰা, *a.* কান আদিত সোপা মাৰি ধৰা, deafening, pungent.
তালি, *s.* হাত চাপৰি বোআ, তাপলি, clapping the hands; a patch.
তালি ধৰা, *a.* জলা আদিএ বৰকৈ কানত ধৰা, pungent, piercing.
তালি মৰা, *s.* কাপৰত তাপলি মৰা, লোটা আদিৰ তলা মৰা, patching, mending, inserting the bottom piece of a brass water vessel.
তালু, *s.* জিবাৰ ওপৰ ঠাই, মুৰৰ ব্ৰহ্ম ৰন্ধ্ৰ, the palate, the roof of the mouth, the crown of the head.
তালৈ, *pron.* সেই ঠাইলৈ, মানুহলৈ বা কামলৈ, to that place, person &c.
তাৱৈ, *s.* বাপেকৰ সখিএক, সখিএকৰ বাপেক, address of a father's friend, or of the father of a son's friend.
তাসম্বাৰ, *pron.* সিবিলাকৰ, তেওঁবিলাকৰ, their, ( poetic. )
তাইঁতৰ, *pron.* সিহঁতৰ, সিবিলাকৰ, their.
তাহাতে, *d.* তাতে, সেই ঠাইতে, there, upon that.
তাহানি, *ad.* ভালে দিনৰ আগেয়ে, কেতিয়াবা, formerly, a long time ago.
তাহোন, *s.* তাঁতৰ সুতাৰ আঁহ গুচুআ মাৰ এবিধ, a kind of glutinous preparation or sizing, applied to the warp in weaving.
তিঁয়হ, *s.* এবিধ লতাৰ গুটি, তিহুঁ, a cucumber.
তিখা, *s.* টান কৰা সুধ লো, উগ্ৰ, খঙাল, steel, *a.* sharp, keen, spirited.
তিখামখৰা, *a.* চোকা খৰোহৰ, sharp, spirited, lively, quick.
তিখাল, } *s.* চোকা, কাটোন, sharp, keen, edged.
তিখ্ৰ, }
তিত্‌কাল, *ad.* সিঘ্ৰে, তত্তালিক, তুৰন্ত, quickly, shortly.
তিতা. *a.* জেকা, ভিজা, তিক্ত স্বাদ এবিধ, damp, wet, bitter.
তিতাই, *v.* পানিত তিয়াই, ভিজাই, জেকাই, to wet, to dampen.
তিতাফুল, } *s.* এবিধ তিতাৰ গচ বা ফুল, a medicinal, plant and
তিতাবাহক, } flower.
তিতামুৰিয়া, *a.* বদ বা লঘোনত দুখ পাই গা বহ', faint from heat &c.
তিতালগা, *a.* তিতা পোআ, বেজাৰ পোআ, embittered, unpleasant.
তিতালাও, *s.* এবিধ লাও, a species of gourd.
তিতি, *v.* পানিৰে ভিজি বা জেকি, to moisten, to wet, to dampen.
তিতিকি, *a.* অলপ তিতা লগা, slightly bitter.
তিথি, *s.* প্ৰতিপদাদি পোন্ধৰ তিথি, a lunar day, a day of lunar change.
তিন্‌টা, *a.* তিনি গোট বস্তু বা মানুহ, three persons or things.
তিনি, *a.* তিন, ত্ৰিসংখ্যা, ত্ৰি, three.
তিনিওপ্ৰসঙ্গ, *s.* পুআ দুপৰিয়া, গধূলি, সদাই, morning noon and evening, continually.

তিনিমুনি, *s.* তিনটা বাটৰ মুৰ লগ লগা, a place where three roads meet.

তিনিৰতিয়া, *a.* তিনি ৰাতিৰ ভৰ, দুই পইচাৰ মুল্য, তিনি ৰাতি থকা আচাম ৰজাৰ মোহৰ, a small coin of the Assam kinsg.

তিফাই, *s.* জুই ধৰা পাত্ৰ, তিপাহি, a movable furnace or fire place.

তিব্র, *a.* উগ্র, অতিসই খৰ, চোকা, pungent, sharp, keen, quick.

তিমান, *ad.* সেইমান, so much, (a correlative.)

তিমানকৈ, *ad.* সেইমানকৈ, at that particular rate or proportion.

তিমি, *s.* সাগৰৰ অতি ডাঙ্গৰ মাচ, a fabulous fish of enormous size, applied also to the whale.

তিমিৰ, *s.* অন্ধকাৰ, এন্ধাৰ, darkness, obscurity, blindness.

তিয়নি, *s.* গা ধোআত তিতা চুৰিয়া, the cloth wet at bathing.

তিয়াই, *v.* তিতাই, ভিজাই, to wet, to moisten.

তিয়াগ, *s.* ত্যাগ, এৰা, চাৰি দিয়া, relinquishment, separation, abandonment, desertion; with কৰি, to forsake, to abandon &c.

তিয়াগি, *v.* এৰি, চাৰি দি, to leave, to forsake, to abandon.

তিৰ, *s.* পাৰ, নদিৰ দাঁতি, a shore or river's edge, margin, verge.

তিৰবিৰাই, *v.* জিলমিলাই, চিকমিকাই, to spangle, to sparkle, to dazzle.

তিৰস্কাৰ, *s.* নিন্দা, বিতণ্ডা, গালি, abuse, reviling, insult, reproach.

তিৰি, *s.* নাৰি, স্ত্রি, মাইকি মানুহ, a woman, a female.

তিৰোতা, *s.* ভাৰ্জা, ঘৈনিএক, তিৰি, a wife.

তির্থ, *s.* গঙ্গা আদি পুন্য খেত্ৰ, a place of pilgrimage, any sacred spot, especially a sacred bathing place.

তির্থগামি, } *a.* তির্থলৈ জোআ, going on pilgrimage; *s.* a traveler,
তিৰ্থজাত্রি, } a pilgrim.

তিৰ্থজাত্ৰা, *s.* তির্থ গমন, তির্থলৈ জোআ, the going on pilgrimage.

তিল, *s.* সস্য বিসেস, অতি অলপ, গাৰ সৰু সৰু কলা চিন, a plant the seeds of which are oleaginous, (Sesamum Orientale;) a moment, a very little of any thing, a freckle, a mole.

তিলক, *s.* ফোঁট, an mark on the forehead made of earth or sandal, a freckle, a mole.

তিলকাঞ্চন, *s.* তিল সোন, মৰাৰ সময়ত গোটাই উচৰগ কৰা তিল সোন, তামৰ বাটি, an offering of *teel* seed and gold made to a brahmin in the hour of dying.

তিলনি, *s.* তিলৰ খেত্ৰ, মৰাৰ তিন দিনত কৰা কৰম, a field of the sessamum plant, a ceremony on the third day after a person's decease.

তিলেকত, *ad.* খন্তেকত, চকুর প্রচাৰত, অতি সিঘ্রে, quickly, in a moment, in the twinking of an eye.
তিহ্তিহিয়া, *a.* বৰ চোকা, অতি জোঙা, very sharp or pointed.
তিহ্ৰলি, *s.* এবিধ ফুল, বা তাৰ গচ, a species of flower.
তুআ, *pron.* আপোনাৰ, তোমাৰ, your, (poetical.)
তুঁহ, *s.* বনা ধানৰ বাকলি, chaff, refuse, light worthless matter.
তুকতুকিয়া, *a.* বৰ পিচল, very slippery.
তুখ্কুঙ্গ, *a.* পৰিপাটি, বস্তু আদি ভালকৈ বন্ধা, জুগুত হোআ, in order, repaired, packed and bound up, ready.
তুঙ্গতুঙ্গাই, *v.* চুপচুপাই, মিচাকৈ আসা দেখুউআই, to deceive by false hopes or promises, to allure.
তুঙ্গতুঙ্গুআ, *s.* চুপচুপুআ, ভাৰসা বা কথা দিয়া, the act of deceiving &c.
তুঙ্গাই, *v.* উচটাই, মন বঢ়াই, তুলি দি, to encourage or stimulate.
তুচ্ছ, *a.* অধম, খুদ্ৰ, নৰম, অকামিলা, হেলা, insignificant, low, mean, despicable; with কৰি, to despise.
তুচ্ছগ্যান, *s.* নিচেই সৰু হেন মনা, অৱহেলা, হেয়গ্যান, contempt, disesteem.
তুতি, *s.* স্তুতি, গুন বনোআ, প্ৰসংসা, প্ৰাৰ্থনা, praise, worship, eulogy; with কৰি, to praise, to worship.
তুতিয়া, *s.* এবিধ কঙ্কলা বা খকুআ দ্ৰব্য, blue vitriol.
তুতুআই, *v.* দিম দিম বুলি নিদিয়া, to promise and not perform.
তুমৰলি, *s.* বৰকৈ তেজ বৈ জোআ, blood flowing, bleeding copiously.
তুমি, *pron.* মধ্য নাম, সম্বোধন মাত, এক বচন, you, thou.
তুমিতুমা, *s.* মমনিয়াক মানোহে মতা মাত, তুমি সম্বোধন কৰা, mutual address of respectable people.
তুৰন্তে *ad.* সিদ্রে, তত্তালিকে, নিমিষে, quickly.
তুৰি, *s.* বাদ্য বিশেষ, ভেঁৰি, a trumpet.
তুৰিমুৰি, *s.* ইফাল সিফাল, নিয়ম নৰখা, আজ্ঞা মস্তবত নোবোআ, rudeness, incivility, disregarding rules of propriety, coarseness.
তুৰ্তুৰিয়া, *a.* পাতলা, সৰু, লঘু, পাতল মুখেৰে, thin, light, shallow.
তুল, *s.* বস্তু জোখা পাত্ৰ, তুলাচনি, তুলাচালনি, a balance or pair of scales.
তুলনা, *s.* সমান কৰা, উপমা, equality, similarity, comparison, likeness.
তুলসি, *s.* এবিধ সৰু বৃখ্য, বৃন্দা, *tulohi*, the basil plant, held sacred and worshipped by the hindoos; (ocymum sanctum.)
তুলা, *s.* গুটি গুচুউআ কপাহ আদি, সপ্তম ৰাসি, cotton &c. divested of the husk and seeds, the sign Libra.
তুলাই, *v.* বাঁহ আদিৰ কাঠি উলিয়াই, to split into thin strips or splints.

তুলাচনি, *s.* নালত আঁক থকা জোখৰ, পাত্ৰ, an instrument for weighing.
তুলাতুল, *a.* বৰকৈ সিজা, অতি কোমল, মিদু, cooked soft; soft like cotton, mild, gentle.
তুলাপাত, *s.* কাকত, কাগজ, paper.
তুলাপ্ৰাই, *a.* তুলাৰ নিচিনা কোমল বা লঘু, like cotton, soft or light.
তুলি, *s.* তুলা ভৰোআ সজ্যা, উভালি, ওপৰলৈ দাঙ্গি, থিয় কৰি, a quilt or mattrass; *v.* to uproot, to raise, to erect.
তুলিধৰা, *a.* দাঙ্গি ধৰা, সুআনি হোআ, supported, attired, adorned.
তুলুআ, *s.* কাঠি বা তমাল আদি কৰা, splitting into long thin splints.
তুল্য, *a.* সমান, নিচিনা, সদৃস, equal, alike, similar; *s.* similarity, analogy; with কৰি, to liken to, to compare with.
তুল্যগ্যান, *s.* সমান মনা, একে ভবা, the esteeming different persons or objects alike.
তুল্যাতুল্য, *a.* সমান অসমান, similar and dissimilar, like and unlike.
তুষ্ট, *a.* সন্তুষ্ট, হৰ্সিত, pleased, gratified, glad, acceptable, pleasing.
তুষ্টি, *s.* তুষ্ট হোআ, আনন্দ, আহ্লাদ, pleasure, delight, enjoyment.
ত্বৰিত, *ad.* সিঘ্ৰে, বেগাই, now, immediately, at once.
তেও, *conj.* তথাপি, yet, notwithstanding.
তেওঁ *pron.* সেই জন, মান্যৰ মাত, he, (honorific.)
তেজ, *s.* ৰক্ত, সোনিত, blood.
তেজ গোঁৰা, *a.* অলপ ৰগা, ৰঙ্গচা, having a ruddy complexion.
তেজ পৰা, *a.* সৌচত তেজ পৰা, গ্ৰহনি ৰোগ, dysentery, bloody flux.
তেজপাত, *s.* এবিধ সুগন্ধি পাত, the leaf of a tree, (laurus cassia,) used as a condiment.
তেজমুই, *s.* এবিধ গচ, a species of tree.
তেজসাঁও পৰা, *s.* সৌচত তেজে সাঁৰে পৰা, খৰ গ্ৰহনি, mucous and bloody discharges from the bowels.
তেজস্বি, *a.* প্ৰতাপি, দিপ্তিমান, splendid, illustrious.
তেজি, *v.* ত্যাগি, এৰি, ৰব ৰঙ্গা, to leave, to forsake, *a.* very red.
তেজিৰঙ্গা, *a.* ৰৰ ৰঙ্গা, টিক্‌টিকিয়া, red like blood, blood-red.
তেতিয়াখনে, } *ad.* তেখনে, বেগতে, সেই সময়তে, then, immediately.
তেতিয়াই, }
তেতেক, *ad.* সেইমান, তিমান, ততখিনি, so much, so many, (a correlative)
তেঁতেলি, *s.* এবিধ টেঙ্গাৰ গচ বা ফল, the tamarind tree and fruit.
তেঁতেলি পতিয়া, *a.* তেঁতেলি পাতৰ দৰে চিৰাচিৰ, বা চেপেটা, narrow and thin like the leaf of the tamarind.

তেধৰ, *a.* টেঙ্গৰ, বুধিয়ক, সিয়ান, চতুৰ, cunning, sly, artful.
তেনে, *a.* সেই ৰূপে, তেনেকুৱা, so, thus.
তেনেই, *a.* সেই ৰূপেই, সমূলঞ্চে, আটাইখিনি, exactly so, all, the whole.
তেনেকুৱা, *a.* সেই ৰূপ, তেনে, তাৰ নিচিনা, তেনেহে, like, similar.
তেনেকুৱাকৈ, *ad.* সেই দৰে, তাৰ নিচিনাকৈ, in like manner, thus.
তেনেকৈ,
নেতেহলে, *conj.* তেবে, সেয়ে হলে, if so, in that case, then.
তেন্তে,
তেৰ, *a.* ত্ৰয়োদশ, thirteen.
তেৰান্নৈ, *a.* চাৰি কুৰি তেৰ, ninety-three.
তেৰাসি, *a.* চাৰি কুৰি তিনি, eighty-three.
তেৰেজ, *s.* অঙ্কৰ হিচাব গোটোৱা, যোগ, addition, a summing up.
তেৰেটা, *a.* তেৰ জন বা গোট, thirteen.
তেল, *s.* সৰিয়হ আদিৰ পেৰাৰস, জন্তু আদিৰ তেল, oil, vegetable or animal.
তেল ঘঁহি, *v.* তৈল মাৰ্জন কৰি, তেল সানি, to anoint.
তেলটুপি, *s.* নক চৰাই এবিধ, the swallow.
তেলনি, *a.* তেলেৰে মিহলি বা ভজা, oily, cooked or eaten with oil.
তেলমৰা, *s.* তেল উতপত কৰি আঞ্জাত দিয়া, the putting vegetables &c. into hot oil for cooking.
তেলাল, *a.* তেলেতিয়া, বৰ তেলেৰে, তেল থকা, fat, greasy, oily.
তেলি, *s.* তেল বেচোঁতা, তেলুআই, an oilman, a class of people
তেলিয়া, who sell oil.
তেলিচাই, *s.* তেলেৰে মিহলি চাই, a mixture of oil and ashes.
তেলিয়াসাৰেঙ্গ, *s.* দৰ চৰাই এবিধ, the Indian crane.
তেলিশাল, *s.* তেল পেৰা যন্ত্ৰ বা ভৱন, an oil press.
তেলেতিয়া, *a.* খাওঁতে মুখত তেলৰ দৰে লগা, having an oily taste.
তেহে, *ad.* তেবে, তেন্তে, then, in that case, being thus.
তেহেত, *ad.* আঁতৰত, নিলগত, দূৰৈত, at a distance, yonder.
তেহেলৈ,
তোক, *pron.* সামান্যক মতা সৰ্ব নাম, you, (inferior.)
তোচখোৱা, *a.* কোঁচ খোৱা, হোঁহোকা মৰা, headed off, turned back.
তোচদান, *s.* কলাই খাৰৰ তোতা থোৱা পেৰা, a cartridge box.
তোমাই, *v.* তোমত বান্ধি, তোমেৰে টোপোলা বান্ধি, to bind up in the above.
তোৰা, *s.* দিঘল মাচ এবিধ, a species of fish.
তোলনি, *s.* প্ৰথম ঋতুমান হোৱা বিয়া, a ceremony perform-
তোলনি বিয়া, ed on a daughter's reaching the age of puberty.

তোলনিয়া, *a.* তুলি লোআ, তোলা, পোস্য, adopted, reared, raised.
তোলপাৰ, *s.* হুলস্থুল, হুআদুআ, confusion, noise, hubbub.
তোলা, *s.* উভলা, ওপৰলৈ দঙা, সন্তান আদি ডাঙৰ দিঘল কৰা, টকাৰ ভৰ, tearing up by the roots; rearing children or animals; *a.* lifting, raising, gathering up; eight annas in weight.
তোলাই, *v.* লোকৰ দ্বাৰাই তুলি, to cause to be raised, lifted &c.
তোলাও, } *a.* নিপাত, উটাৰ, নাস, উচন, laid waste, destroyed, strip-
তোলাঙ্গ, } ped.
তোসা, *s.* তুষ্ট কৰা, সন্তোস কৰা, the giving pleasure or gratification.
তৌতৌআই, *v.* খৰখেদা কৰি, বৰ আহুতেৰে ঘনে ঘনে কৈ কৈ, to do or speak in a flurried or confused manner.
ত্যাগ, *s.* see তিয়াগ,
ত্রয়, *a.* তিনটা, ত্রিতয়, three, a triad, used mostly in composition, as বেদত্রয়, the three veds; লোকত্রয়, the three worlds.
ত্রয়োদস, *a.* তেৰ, thirteen.
ত্রয়োদসি, *s.* চন্দ্ৰ ওলোআৰ পৰা তেৰ তিথি, তিথি বিসেস, the thirteenth day of a lunar month, a festival.
ত্রস্ত, *a.* ভয়জুক্ত, আকুল, ভয়াতুৰ, terror stricken, frightened.
ত্রাতা, *s.* ত্রানকর্তা, ৰাখোঁতা, a saviour, a deliverer.
ত্রান, *s.* উধাৰ, নিস্তাৰ, ৰখ্যা তৰন, মুক্তি, salvation, deliverance.
ত্রানকর্তা, *s.* উধাৰ কর্তা, নিস্তাৰোঁতা, ৰাখোঁতা, saviour, deliverer.
ত্রান পোআ, *a.* মুক্তি বা নিস্তাৰ হোআ, saved, delivered, rescued.
ত্রানোপাই, *s.* মুক্তিৰ উপাই, তৰনৰ উপাই, a way of salvation.
ত্রাস, *s.* ভই, ডৰ, সঙ্কা, fear, terror.
ত্রাসি, *a.* ভয়াতুৰ, ভয়জুক্ত, fearful, cowardly; *s.* a coward.
ত্রাসিত, *a.* ভয়জুক্ত, চিন্তিত, কম্পিত, terrified, affrighted, horror stricken.
ত্রাহি, *interj.* ত্রান কৰা, ৰখা, save! deliver! (Sanscrit.)
ত্রি, *a.* তিনি, ত্রিতয়, three, in composition, as ত্রিজগত, the three worlds.
ত্রিকাল, *s.* ভুত, ভবিস্যত, বর্তমান, জোআ থকা অহা কাল, তিনি বেলা, present past and future; morning noon and evening.
ত্রিকালগ্যঁ, *a.* সর্বগ্যানি, সর্বজান, knowing the past present and future.
ত্রিকুট, *s.* খিৰসাগৰৰ মাজৰ এক পর্বত, a fabulous mountain with three peaks.
ত্রিকুল, *s.* পিত্রি, মাত্রি, সহুৰ, এই তিনি বংস, the three families of one's father, mother and wife.
ত্রিকোন, *s.* তিনি চুক, a triangle.

ত্রিকোনিয়া, *a.* তিনি চুক থকা, তিনি চুকিয়া, triangular, trigonal.

ত্রিগুন, *s.* সত্ত্ব, রজ, তম অংসব তিনি গুন, the three inherent natural qualities of matter; threefold, thrice, triple.

ত্রিচ, *a.* ডেব কুৰি, thirty.

ত্রিজগত, *s.* স্বৰ্গ, মৰ্ত্য, পাতাল, the three worlds; the universe; heaven, earth and hell.

ত্রিতিয়, *a.* তিনিৰ সংখ্যা, তিনি সংখ্যক, তিনটাৰ সেসৰটো, the third.

ত্রিতিয়া, *s.* উদই চন্দ্ৰৰ তিন দিনৰ তিথি, the third day of a lunar month.

ত্রিদস, *s.* দেৱতা, a deity or god subject to birth, being and destruction.

ত্রিদেৱ, *s.* ব্ৰহ্মা, বিষ্ণু, সিৱ, ত্রিমুৰ্ত্তি, the hindoo triad, Brahma, Vishnoo, and Maheswor.

ত্রিধা, *ad.* তিনি প্ৰকাৰ, of three kinds, three fold.

ত্রিন, *s.* বন, ঘাঁহ, grass, a shrub.

ত্রিনময়, *a.* সৰহকৈ বন থকা, ত্রিন জেন, অতি তুচনিয়, abounding with grass, grassy; worthless as straw, insignificant.

ত্রিনয়ন, } *a.* তিনি চকুআ, মহাদেও, three eyed, an epithet of
ত্রিলোচন, } Hoda Hiwo.

ত্রিপত্র, *a.* তিনি পাত থকা, বেল পাত আদি, three leaved, trifoliate; three pronged, as of the hindoo trident.

ত্রিপথগা, *s.* গঙ্গা, the Ganges, as supposed to flow through heaven, earth and the infernal regions.

ত্রিপদি, *s.* তিনি ঠেঙ্গিয়া, চন্দ বিসেস, a tripod; a three legged table or stand; a kind of metre, consisting of two lines, each divided into three parts.

ত্রিপুৰাৰি, *s.* সিৱ, মহেস, Hoda-Hiwo, Mahadeo.

ত্রিপ্ত, *a.* সন্তুষ্ট, হৰ্সিত, satisfied, gratified, pleased.

ত্রিপ্তি, *s.* হেপাহ পলোআ, তুষ্ট, the satisfaction of appetite thirst &c.

ত্রিবৰ্গ, *s.* ধৰ্ম, অৰ্থ, কাম, the three objects of human pursuit, viz, love, wealth, and duty.

ত্রিবেনি, *s.* তিৰ্থ বিসেস, সৰস্বতি, জমুনা, গঙ্গা, এই তিনি নদিৰ জোগ, a confluence of three streams, applied to the junction of the Ganges, Soraswoti, and Jumuna Rivers.

ত্রিভুবন, } *s.* স্বৰ্গ মৰ্ত্য পাতাল, the universe, heaven, earth and the
ত্রিলোক, } infernal regions.

ত্রিমুৰ্ত্তি, *s.* তিনি আকাৰ, ব্ৰহ্মা, বিষ্ণু, মহেস, the hindoo triad or the united form of Brahma, Vishnoo and Maheswor.

ত্রিসন্ধ্যা, *s.* পুআ, দুপৰিয়া, গধুলি, morning, noon, and evening.
ত্রিসা, *s.* পিয়াহ ত্রিষ্ণা, thirst, appetite, strong desire.
ত্রিসুল, *s.* সিৱৰ অস্ত্র, তিন ডলিয়া অস্ত্র বিসেস, a trident, a three pronged weapon, generally regarded as Hiwo's insignia.
ত্রেতা, ত্রেতাজুগ, *s.* হিন্দুমতে ১২৯৬০০০ বচৰ পৰিমিত দুতিয় জুগ, the second *jug* or age, in the mythological chronology of the hindoos, consisting of 1,296,000 years.
ত্রৈৰাসিক, *s.* অঙ্কৰ প্ৰকৰন বিসেস, the rule of three in arithmetic.
ত্রৈলোক, *s.* তিনি ভুবন, স্বৰ্গ, প্ৰিথিবি, পাতাল, the three worlds, heaven, earth and the infernal regions.
ত্র্যাখ্যৰ, *a.* ওঁকাৰ, অ, উ, ম, এই তিনি আখৰ, triliteral; *s.* the three letters অ, উ, ম, the sacred and mystic syllable, O, U, M, which represents the hindoo trinity.

থ

থ, থকাৰ, থৰ দিয়া, this letter is the aspirate of the dental ত, and has the sound of *th*, in *Mat-thew*; the imperative of থৈ, to put, to place; it is also the termination of some ordinal numerals, as চতুৰ্থ, the fourth, from চতুৰ, four.
থকবক্, *s.* ফুটধৰি বৰ্কৈ উতলা, ভুমুক্ ভমুক্ কৰা, a bubbling or boiling up; with কৰি, to boil or bubble up.
থকবকব, *a.* অথিৰ অবিৰ, কঁপি থকা, trembling, shaking, quivering, having an unsteady gait; *s.* tremor, tremulousness.
থকা, *a.* থিতি হোআ, নিবাস কৰা, অৱসেস, existing, dwelling, living, continuing, remaining in excess.
থকাঠাই, *s.* নিবাসৰ থান, ঘৰ, a dwelling place, residence, home.
থকাথৈয়া, *a.* দুই মন হৈ এবেলি বই এবেলি জাই, hesitating, undecided.
থকাসৰকা, *a.* অনেক ঠাইত বিন্ধা বা কটা, cut or pierced through and through in many places.
থগিত, *a.* বিবুধি হৈ বৈ থকা, তব্ধা, confounded, brought to a stand.
থঙ্গা, *s.* নোমৰ বহা কাপৰ, কম্বল, a blanket, a cloth used to sit upon.
থপথপাই, *v.* পানি খচি ফুৰি, বিয়াকুল হৈ ফুৰি, থপিয়াই, to flounder or splash about in water, to be flurried or agitated.
থপথপিয়া, *a.* থিৰ, জোল নোহোআ ডাঠ, বোকা আদি, thick and tenacious.
থপৰাই, *ad.* বেগতে, থুপুৰাই, suddenly, quickly, unexpectedly.
থপৰিউআ, থপামৰা, *s.* চপৰিউআ, হাতেৰে লাহেকৈ মৰা, the act of gently patting with the hand.

থপিউআ, *s.* থাপ মৰ, হাতৰ তলুআৰে মাৰি সমান কৰা, চিলনি আদিএ থাপ মৰা, the act of clutching; the beating of a mass into shape by patting.
থপিয়াই, *v.* থাপমাৰি, থাপি, to clutch, to pat, to pounce down upon.
থপিয়াথপিকৰি, *v.* থাপ মৰামৰি, to mutually peck, pat or slap.
থমক, *s.* ৰোআ, থগিত হোআ, stopping, standing still.
থমকা, *a.* ভয়ত বিস্মই হৈ ঠাৰে ৰৈ থকা, surprised and brought to a sudden stand.
থমকি, *v.* ৰৈ ৰৈ, তম্বি, to come to a sudden stand.
থমকাখোআ, থমকিৰোআ, *s.* তম্বা, ৰৈ থকা, the standing motionless as from fear or surprise.
থমথমকৰে, *ad.* থুপথুপকৰে, থুলন্তৰ কপ, একো বন নকৰাকৈ, with loss of vigor in old age, without work, sitting idle.
থমথমিয়া, *a.* থুলন্তৰ, সকত, corpulent, stout, (principally in old age.)
থমালৈ, *s.* পানি নোহোআ দৈ গাখিৰ, solid milk curds.
থৰ, *s.* ধৌৰ্জ্য, ধানৰ চটা বা আঠোটা মুঠি, six or eight handfuls of reaped grain, a term used in counting grain.
থৰকৰৰক, *a.* গাৰ গতি এৰা, অথিৰ, unsteady, tremulous, shaking.
থৰকাচুটি, *s.* তজ্ঞুৰি, গ্যান বুধি, self-possession, self-control.
থৰকাচুটিএৰা, *s.* বিচেস্টা হৈ, চুৰিয়া পিন্ধিবলৈ তত নোহোআ, বিতত, ধৌৰ্জ এৰা, insensibility, the loss of consciousness or self-control.
থৰথৰকৰে, *ad.* অতি কম্পনেৰে, অথিৰ ভাৱে, tremblingly, unsteadily.
থৰথৰিবান, *a.* ভয়ত কম্পমান, exceedingly terrified, trembling with fear.
থল, *s.* থান, ঠাই, বাস, a place, a station, dry lands, a low land.
থলআখৰ, *s.* পাতৰ বৰনেৰে তোলা আখৰ, a letter formed in outline on a dark ground.
থলথলিয়া, *a.* জুলজুলিয়া, থলে বহল হৈ থোআ, লেউলেউআ, neither fluid nor solid; of soft consistence.
থলপদ্ম, *s.* এবিধ ফুল, a flowering plant, (Hibiscus mutabilis.)
থলি, *s.* থকা ঠাই, থান, ভৈয়াম, an abode, a place, a low land.
থলিদাঙ্গি, *v.* উচলকৈ, থকা ঠাই এৰি, to wholly abandon an abode.
থলুআ, *a.* থলত থকা, relating to a valley or low land.
থহা, *s.* থাহি পেলোআ, ঘনকৈ খোঁচা বা কটা, the act of thickly piercing or cutting in small bits; *a.* chipped, minced.
থাই, *v.* তল নাগে, থাউনি পাই, to touch bottom, within one's depth.

থাউনি, *s.* মুৰ তল নোজোআ পানি, গা থোআ, water within one's depth; bottom.

থাউকাল, *a.* নিয়মিয়া, সমান, দিঘল বা চুঁটি নোহোআ, of ordinary size, of good proportion.

থাওকতে, *ad.* মুঠতে, সমুলি, থোপতে, by wholesale, in the gross.

থাক, *s.* জখলা আদিৰ খাপ, বৰ দিয়া, মানা কৰা, জাব নিদিয়া, an interstice, a layer, a step in a flight of stairs; one of a series.

থাকি, *v.* ৰৈ, বাস কৰি, থিতি হৈ, to remain, to stay, to abide, to wait.

থাকোঁতা, *s.* থকা জন, নিবাসি, an inhabitant, a dweller, a resident.

থাঙ্গবাঙ্গ, } *ad.* ডাল ডাল, নৰ্বাঙ্গ ভৰ্বাঙ্গ, in confusion, thrown about
থাঙ্গলাঙ্গ, } in disorder.

থান, *s.* ঠাই, ইশ্বৰক সেৱা কৰা ঠাই, a place, a dwelling, an abode, a sacred place or place of worship.

থান কাপৰ, *s.* ডাও কাপৰ, a roll of cloth.

থানথিত, *s.* থাকিবলৈ ঘৰ বা ঠাই, থিতি লগা, a permanent or fixed abode, fixedness, permanence.

থানবান, *a.* থানথান, গোট গোট, সিমুতি, scattered about in disorder.

থানা, *s.* চকি পহৰাৰ ঘৰ, a police station, a watch-house.

থানান্তৰ, *s.* আন ঠাই, দেসৰ পৰা অন্তৰ, another place, a foreign country; with হোআ, removed; with কৰি, to remove &c.

থানিকা, *s.* থকা ঠাই বা ঘৰ, থিতি, a residence, an abode.

থানেথানে, *ad.* নানা ঠাইত, অনেক থানত, ঠায়ে ঠায়ে, here and there, in various places.

থাপ, } *s.* তত্ নোপোআকৈ থাপতে ধৰি নিয়া, থপা, থাপৰ, the
থাপমৰা, } act of clutching, grasping or snatching; *a.* grasped &c.
থাপত, } *ad.* থিতাতে ততালিকতে, বেগতবেগে, as with a sudden
থাপতথাপে, } clutch, suddenly.

থাপনা, *s.* পতা, থিতি কৰা, a placing, fixing or setting up (as an idol,) appointing, establishing, (as a law or ordinance.)

থাপি, *v.* থাপন কৰি, থৈ, পাতি, চপাই, অলপকৈ হেঁচি, to establish, to set up, to place, to ordain, to appoint.

থাপিত, *a.* সাঁচতিয়াৰ, থোআ, পতা, fixed, established, set up, appointed.

থাপিথুপি, *v.* সমান কৰি, হাতেৰে হেঁচি সমানকৈ, to pat, to smooth or make compact by patting.

থাল, *s.* পিতল আদিৰ বহল পাত্ৰ, কাঁহি, ভৰাহি, a metalic flat dish or tray.

থালি, *s.* বৰ চৰু, a large earthen boiling vessel.
থাহি, *v.* ঘনকৈ কাটি বা থুঁচি, মিহিকৈ কুটি, to cut fine, to chip, to mince.
থিত, *a.* থিতি হোৱা, থকা, situated, being, established.
থিতাতে, *ad.* ওচৰতে, ততালিকে, তেতিয়াই, at hand, near, suddenly, at once.
থিতানতে, *ad.* ততালিকে, তুৰন্তে, at once, quickly, speedily.
থিতি, *s.* ৰোৱা, আহিপোৱা, থকা, থানিকা, an abiding, continuance, residence, durability, permanence; with কৰি, to establish, &c.
থিপথিপিয়া, *a.* অলপ পানি হোৱা, moist, as weather or land.
থিয়, *a.* পোন, ওখ, চন্দা নোহোৱা, perpendicular, erect, precipitous; with কৰি, to place upright; with হৈ, to stand erect.
থিয়কিল, *s.* কিলাকুটি থিয়কৈ মৰা, a downward stroke with the elbow.
থিয়গোৰ, *s.* থিয়ৈ ভৰিৰে মৰা, প্ৰহাৰ, a downward stamp of the foot.
থিয়দঙ্গা, *a.* থিয় হোৱা, থিয় হব পৰা, upright, able to stand erect.
থিয়াথিয়ৈকে, *ad.* নবহাকৈ থকা বা ফুৰা, without sitting or waiting.
থিয়ৈ, *ad.* থিয় হৈ, পোন হৈ, in an upright, erect or standing position.
থিৰ, *a.* অলৰ, অচল, গোট মৰা, সান্ত, নিচই, জুগুত, fixed, steady, firm, unshaken, certain, placid, cool, calm, ready.
থিৰ কৰা, *a.* জুগুত কৰা, নিচই কৰা, নিয়ম কৰা, prepared, made ready &c.
থিৰজুৰ, *a.* সান্ত, নিৰ্জু, ধিৰ, চেঁচা, calm, collected, cool, dispassionate.
থিৰথিৰাই, *v.* অলপকৈ বৰষুন কনিয়াই, সিমসিমাই, to rain in small drops.
থিৰাঙ্গ, *a.* নিচই, স্বৰূপ, ঠিক, true, certain; with কৈ, *ad.* truly &c.
থিৰিকনি, *s.* কনিওআ বৰষুন, কিনকিননি, mist, small rain-drops.
থিৰেজুৰে, *ad.* লাহে লাহে, ক্ৰমে ক্ৰমে, ধিৰেৰে, slowly, gently, gradually.
থু, } *s.* সেপ, মুখৰ ওলোআ পানি, spittle, saliva.
থুই, }
থুআই, *v.* থুই পেলাই, to spit, to eject saliva from the mouth.
থুইপেলোআ, } *s.* সেপ পেলোআ, ঘিন দেখুউআ, spitting, a way of
থুউআ, } expressing disgust.
থুঁতৰি, *s.* থোঁতোৰা, তল ওঁঠৰ তল ভাগ, the chin.
থুতৰিয়া, *a.* থুতৰিলৈকে হোৱা, থোঁতোৰাৰ সমান, chin-deep, up to the chin.
থুকিথুকিকৰি, *v.* কাটি কাটি, ডোখৰ ডোখৰ কৰি, to cut into small pieces, to mince, to hack.
থুকিয়া, *a.* থোকেৰে থকা, of a branch or a cluster.
থুকু, *s.* সৰু চুঁটি টেকেলি, a small earthen jug.
থুকুচি, *v.* কাপৰ আদি হাতেৰে থেকেচি খচি ধুই, to press or squeeze cloth as in washing.

থুকুৰিয়াই, *v.* চোৱাই থুথুকৈ পেলাই, to taste and eject from the mouth.

থুনথুনাই, *v.* অলপকৈ কান্দি, কুনকুনাই, to whine, to utter a low cry.

থুনথুনিয়া, *a.* কুনকুনাই কান্দি থকা, whining, whimpering, complaining.

থুনপাক, *s.* ধন থোৱা সৰু মোনা, a money purse, a small bag.

থুনুকথানাক, *s.* থেনাকথুনুক, সৰু লৰাৰ অথিৰ খোজ বা মাত, imperfect utterance or a tottering gait, as of a child.

থুপ, *s.* গোট, মুঠ, লগ লগা, a collection, a heap, an assemblage; with থাই, to gather together, to assemble.

থুপথুপিয়া, *a.* অলপ পানি থকা, থপথপিয়া, moist, soft.

থুপৰি, *s.* বন বাৰি নজনা তিৰোতা, একাজভাগি, ভাকৰি, a woman ignorant of work; *a.* worthless, ignorant, stupid.

থুপাই, *v.* গোটাই, চপাই, to assemble, to collect in groups or clusters.

থুপি, *s.* আঙনি, গুটিৰ জোঁটা, one bunch of a cluster of fruit.

থুপুআ, *s.* গোটোৱা, চপোৱা, মুঠ কৰা, the act of collecting or gathering together in groups.

থুপুৰ কৰে, *ad.* লাহেকৈ, থেকেচা নোখোআকৈ, gently, applied to falling or laying anything down.

থুপুৰি, *a.* জুম, গোট, মুঠ, a collection, a group.

থুৰি, } *s.* কলা পাত আদিৰ থোৰ, the sheath of the plantain,
থুৰিপাত, } the young ear of corn or grass before it shoots forth.

থুৰিউআ তামোল, *s.* পানৰ থোৰ সাজি ভৰোৱা তামোল, tamul enclosed in pan leaf.

থুৰিয়া, *s.* তিৰোতাৰ কৰ্ন ভুসন, an ear ornament worn by women.

থুৰিয়াই, *v.* থোৰ সাজি, চুৰিয়াৰ থোৰ কৰি, to roll up, to lay in folds or plaits, as the end of a *suria* or waistcloth.

থুৰিয়াৰখা, *s.* পোআলি মৰা মহৰ গাখিৰ ৰখা, the retaining or holding up of the milk by a Buffalo that has lost her calf.

থুৰুহি, *s.* নিমিস, খন্তেক, অলপকাল, a moment, a short time.

থুল, *s.* সমাজ, সভা, a meeting, an assemblage of persons.

থুলথুলিয়া, *a.* অতি পকা, fully ripe, soft, mellow.

থুলন্তৰ, *a.* গা গতিএ সকত, সুঅনি, large and well proportioned.

থুহথুহ কৰে, } *ad.* অতি কোমল, কুঁহি পাতৰ দৰে, very soft, tender,
থুহথুহিয়া, } as applied to young leaves, sprouts or fruit.

থেতালি, } *v.* খুন্দি বা ফালি চেপেটা কৰি, আধাখুন্দা কৰি, to
থেতেলা খুআই, } crush, to split and spread out, as bamboos or reeds.

থেতেলা, *a.* খুন্দা খাই আধা ভগা বা চেপেটা হোৱা, crushed, bruised.

থেকেচা, *s.* থেকেচনি, ঠাইতে এফাল মৰা, বিকৰ্ষন, the throwing down violently &c. speaking reproachfully.

থেকেচামাৰি, } *v.* তললৈ এচাৰ মাৰি, to throw down violently, to
থেকেচি, } slam down.

থেকেৰনেকেৰ, *ad.* বিস্তুনি ৰূপে বৰ সুমেৰে, scarcely able, with the greatest effort.

থেকেৰা, *s.* এবিধ টেঙ্গা, a species of acid fruit.

থেন্থেনাই, *v.* ভগা পাত্রে শব্দ কৰি, আমনিকৈ কান্দি, to make a jarring sound, as of a broken vessel or a monotonous cry.

থেন্থেনিয়া, *a.* পানিৰে মিহলি হৈ থকা, পেন্পেনিয়া, clammy.

থেপ্থেপিয়া, *a.* জোল বা টান নোহোআ, বোকাৰ দৰে ঘন, ডাঠ, thick, dense, compact.

থেপা, } *a.* ঘন, ডাঠ, এতে ঠাইতে আটাইবোৰ গোট খোআ, close
থেপাথেপ, } together, thick, crowded, in clusters.

থেৰেঙ্, *s.* এবিধ টেঙ্গা, a species of plumb.

থেৰেহা, } *a.* ভালকৈ নপকা বা নিসিজা, নিচপতি নপৰা, not well
থেৰেহা মৰা, } ripened or cooked.

থেৰোগেৰো, *s.* কৰিম নে ন কৰিম, মনৰ খুঁকুৰি, আসঙ্কা অথিৰ, indecision, doubt, a dilemma.

থেলথেলিয়া, *a.* লেপ্লেপিয়া, বোকাৰ দৰে কোমল, soft like mud.

থৈ, *v.* এ ঠাইত ৰাখি, to put, to place.

থৈয়াথৈ, } *a.* শব্দত মান ধৌৰ্য নৰখা, অতি বৰ শব্দ হোআ, without
থৈয়ানথৈয়া, } restraint, fierce, applied only to quarreling.

থৈলা, *s.* মৰা পাটৰ মোনা, বা জোলোঙ্গা, a bag, a sack.

থোআ, *a.* ৰখা, থিতি কৰা, থাপন কৰা, set, placed, put, laid.

থোঁতা, *a.* ভালকৈ মাত নুফুটা, খোনা, having an impediment in the speech, stammering.

থোঁতোৰা, *s.* থুঁতৰি, the chin.

থোক, *s.* কলা আদিৰ আখিএ মধুনাই লাগি থকা থোকা, a bunch, as of plantains or other fruit.

থোক্থোকনি, *s.* এঁঠাৰে বস্তুৰ উতল, থকৰকনি, the noise of boiling &c.

থোক্থোকাই, *v.* এঁঠাৰে বস্তু উতলি, থকৰকাই, to make the sound peculiar to glutinous substances when boiling.

থোক্থোকোআ, *a.* এঁঠাৰে বস্তুৰ উতল ধৰা, boiling, bubbling up.

থোকাথুকি, *a.* ভালকৈ মাত নুফুটা, কাপৰৰ ঠায়ে ঠায়ে সুতা গোট খোআ, having an imperfect articulation; uneven, as of threads.

থোকাথোক, *a.* কেইবা থোক, অনেক থোকা, abounding with clusters.
থোপ, থোপা, } *s.* গুটি আদিৰ জোটা, মুঠ, একে ঠাইতে গোট খোআ, a bunch, a cluster, a tassel.
থোপতে, *ad.* মুঠতে, থাওকতে, all together, in the gross.
থোপাথোপ, *a.* অনেক থোপা হৈ লগা, জোঁটাজোঁট, hanging in clusters.
থোপেথাপে, *ad.* মুঠতে, তেনেই, থাওকতে, as a whole.
থোপোৰা, *a.* বাৰ্হিব নোঅৰা, একো কামৰ নোহোআ, ভোতা, ঘুৰনিয়া, short, dwarfed, worthless, blunt.
থোৰ, *s.* মুকলি নোহোআ কোমল পাত, ইঙ্গিত কথা, চুৰিয়াৰ থুৰিউআ, আগ, a new tender leaf or the spathe of palms, a secret, an intimation, the plaits in a *suria* or waistcloth.
থোৰতে, *ad.* কথা নভঙ্গাকৈ, মুঠতে, ইঙ্গিততে, indefinitely, vaguely, secretly or by mere intimation.
থোৰভঙ্গা, *s.* গুপুত কথা প্ৰকাস কৰা, চুৰিয়া থুৰিউআ, the unraveling of a secret, the act of plaiting a *suria* or waistcloth.
থোৰা, *s.* ধান আদি বনা ঢেঁকিৰ মাৰি, the pestle of a foot pedal.
থোৰালি, *a.* থোৰাৰ নিচিনা আগলৈ চিঁয়া, plump, like the above.
থোৰ্থোৰবাটি, *ad.* নিৰসা আৰু লাজ পাই উভতি, returning ashamed and disappointed.
থোলগোল, *a.* ভালকৈ পকা বা সিজা, গস্নিয়ন, ripe, soft cooked.
থোলোকা, *a.* মঙ্গহাল, পুষ্ট, fat, fleshy, stout.
থোহ্মোহ, *s.* নিৰুত্তৰ, বিবুদ্ধি, speechless; with খাই, to be confounded.
থৌকিবাথৌ, *ad.* বৰকৈ, অতিসই ৰুপে, violently, excessively, applied to boiling or to anger.

দ

দ, দকাৰ, গম্ভিৰ, অগাধ, তল, the letter *d*, dental, pronounced like *d*, in the word *breadth*; *a.* deep, *s.* the deep, depth.
দইন, *s.* হানি, দন্য, লোকচান, loss, damage, harm, failure in business.
দইন পৰা, *s.* খেতি বা কাম আদিৰ হানি হোআ, the failure of a crop, loss in business or trade.
দংসন, *s.* সাপ আদিএ খোটা, বা কামোৰা, the act of biting or stinging.
দংসি, *v.* কামুৰি, খুঁটি, দাহ কৰি, to sting, to bite, to burn.
দঁতা, *a.* দাঁত গজা, having teeth, applied to beasts.
দঁতাল, *s.* মাটি বালি খনা জন্ত্ৰ, বৰ দাত থকা, ডাঙ্গৰ, an instrument used in excavating a passage for a boat; *a.* having tusks.
দঁতুআ, *a.* উজলাদঁতা, having prominent teeth.

দকদক, } a. জিয়া, তেজাল, বঙ্গা, fresh, as applied to fish or flesh;
দকদকিয়া, } reddish, glowing.

দখ, s. জুবা, ডেকা, জৌবন, the period or age of maturity.

দখডাঙ্গৰ, a. জুবত হোআ, দুই বিয়াৰ, past the age of puberty.

দখিন, s. দখিন দিস বা ফাল, the south; a. south, southern.

দখিন পাট, s. আচামৰ চাৰি সত্ৰৰ মাজৰ এক সত্ৰ, name of one of the leading hindoo religious establishments in Assam.

দখিনা, s. কৰ্ম্ম প্ৰতিষ্টা কৰা দান, মৃতকৰ নিমিত্তে দিয়া দান, a fee, a present to a priest or a preceptor, a funeral gift.

দখিনায়ন, s. উত্তৰৰ পৰা সুৰ্য্যে দখিনে গতি কৰা কাল, the period of the sun's declination from north to south.

দখিনিয়া, s. দখিন ফলিয়া, দখিনাৰ, southern, relating to a gift.

দখ্য, a. পাৰ্গত, ব্ৰহ্মাৰ পুত্ৰ প্ৰজাপতি জনা, active, dexterous, skilful, able; s. a son of Brahmá sprung from the thumb of his right hand.

দগধা, } a. মেটা, সোৰোপা, inactive, lazy, sluggish, slow, stubborn.
দগা, }

দগৰ, s. এবিধ বাদ্য, দৃঢ়, অতি সকত, a kind of musical instrument; a. very, very strong.

দগ্ধ, a. পোৰা, পুৰি চাই কৰা, দাহ কৰা, burnt, calcined, scorched.

দগ্ধা, a. অমঙ্গলিয়া তিথি বিসেস, unlucky, s. an unlucky lunar day.

দঙ্গা, s. ওপৰলৈ তোলা, থিয় কৰা, lifting up; a. raised, lifted, elevated.

দঙ্গাই, v. তোলাই, ওপৰলৈ তুলি, to lift up, to raise or straighten.

দঙ্গাপৰা, s. বাৰম্বাৰ দঙ্গা, দাঙ্গি থকা, the lifting or moving about.

দণ্ড, s. লাখুটি, টাঙ্গোন, ডাঁৰ, অপৰাধৰ সাস্তি, a staff or sceptre, punishment, chastisement, a fine, an hour of twenty four minutes.

দণ্ডকৰ্ত্তা, s. সাস্তি কৰোঁতা, one who inflicts punishment.

দণ্ডধৰ, s. দণ্ড ধৰোঁতা, এবিধ সন্যাসি, ৰজা, জম, holding or swaying a staff or sceptre; hence a pilgrim, a king, Jom.

দণ্ডনিয়, } a. সাস্তিৰ, জোগ্য, দণ্ডৰ পাত্ৰ, punishable, worthy of punish-
দণ্ডাৰ্হ, } ment.

দণ্ডবত, s. দিঘল হৈ পৰা, অষ্টাঙ্গ প্ৰনাম, prostration, the falling flat on the ground; *lit.* like a staff; with কৰা, a. fallen &c.

দণ্ডি, s. লাখুটি লওঁতা, সন্যাসি বিসেস, bearing a staff, a pilgrim.

দত্ত, a. দান কৰা, দিয়া, given away, bestowed.

দত্তা, a. বিয়া দিয়া চোআলি, given in marriage; s. a betrothed damsel.

দদাই, *s.* বাপেকৰ ভায়েক, মুদ্রাদিৰ বাঁৰি মাকৰ অন্য পতি, a father's younger brother, a stepfather.

দদা, *s.* ককাএক, জেষ্ট জন, an elder brother.

দদাসহুৰ, *s.* ঘৈনিয়েকৰ দদায়েক, a wife's uncle.

দধি, *s.* দৈ গাখিৰ, গোট মৰা গাখিৰ, curdled milk.

দধিমথন, } *s.* দৈ ঘোটা, এখন অচমিয়া নাটৰ নাম, churning milk,
দধিমন্থন, } the title of a popular Assamese drama.

দধিসাগৰ, *s.* হিন্দু মতে দৈ গাখিৰৰ এক সাগৰ, the ocean of curds, the fifth ocean in hindoo mythology.

দন, *s.* জালৰ জৰি, the large rope of a fishing net.

দনা, *s.* ঘোঁৰাৰ মুখত খুউআ লেগাম বা সিকলি, লেজু, a bridle, a curb, a bit, a rein; with ওলোমা, *a.* hanging in tatters.

দন্ত্য, *a.* দাঁতৰ পৰা উচাৰন হোআ আখৰ, dental, (as of a letter.)

দন্দ, *s.* হাই উকমি, খৰিয়াল, strife, a quarrel; with কৰি, to quarrel.

দন্দবান্দ, } *s.* হাই হুই, কামোৰা কামুৰি, থোটা মোজা, a quarrel,
দন্দাবন্দা, } contention.

দন্দুৰা, *a.* সদাই দন্দকৈ ফুৰা, a contentious, quarrelsome man.

দন্দুৰি, *s.* দন্দ কৰা তিৰি, a quarrelsome woman.

দন্য, *a.* দইন, ঢুকুআ, হানি, see দইন,

দপদপনি, *s.* ভেও পাবনি, ধুম ধুপাল, restlessness, boisterousness.

দপনা, *a.* সকত ডোখৰ বা চলা, a large piece, (as of a meat or wood.)

দপনাদপন, *ad.* ডোখৰা ডোখোৰ, চলাচল, in large pieces.

দপা, *a.* পকিবলৈ ধৰা, ডাবি হুকি দিয়া, partially ripened; reproving, rebuking; with মানুহ, a reprover.

দপালি, *v.* দপনি কৰি, গালি সপনি কৰি, ডাবি হুকি দি, to reprove, to rebuke, to revile.

দপি, *v.* আধাপকা হৈ, উকৰি, ডাবি দি, to be half ripe, to rebuke &c.

দবক্, *a.* নিমাত, নবঢ়া নুটুটা, তবক, বৈ থকা, silent, without increase or diminution, stationary.

দবনি, *s.* দবা কোবোআ, ধুম ধুমনি, বৰকৈ খোআ, the sound of a large drum, (the দবা,) eating to satiety.

দবৰাদবৰি, *s.* হতাহতি, কিলা কিলি, quarreling, striking back and forth.

দবা, *s.* বাদ্য এবিধ, a large drum.

দবাদি, *v.* বলেৰে আনি বা নি, to sieze and take away by violence.

দবাপৰলি, *s.* ঘৰৰ চালৰ দাঁতিত বন্ধা বেচা, বা পৰলি, the first or undermost layer of a thatched roof.

দম, *s.* দল, থোপ, সমহ, ঢেৰ, a heap, a pile, a multitude, *a.* much &c.

দমকা, *s.* কচকা, দোপ, গাঁকালত দুখ পোৱা, a strain, a pain in the joints caused by a strain; with খাই, to receive a sprain.

দমদমিয়া, *a.* ওপচ, ভৰা, নদিএ ওখকৈ বালি পেলোৱা, heaped up, full to overflowing, cast up as a sand bank.

দমন, *s.* সাসন, দমা, বস কৰা, keeping in order, bringing into subjection.

দমনা, *s.* এবিধ সুগন্ধি সৰু গচ, a species of fragrant tree.

দমনিয়, *a.* দমিব পৰা, দমিব লগিয়া, capable of being tamed or subdued.

দমৰা, *s.* গৰুৰ মতা পোৱালি, চতিত লগোৱা মুধৰ ভাঙ্গ, the male calf of a cow, an upright support in the frame of a roof.

দমলা, *s.* চকলা ৰূপে বহল হৈ উখহা, a swelling; with বান্ধি, to swell.

দমলাদমলি, *s.* উখহা উখহি, বখলা বখলি, a blotch of swellings.

দমাই, *v.* দম কৰি, সমহকৈ গোটাই, to heap together, to collect in heaps.

দঁমাদম, *ad.* দলাদল, সমহেকৈ সমহ, in heaps, abundantly, excessively.

দমি, *v.* জিনি, বস কৰি, to subdue, to subject, to check or suppress.

দম্ভ, *s.* গৰ্ব, অহঙ্কাৰ, গপ, গঁফ, pride, arrogance.

দম্ভালি, } *a.* গঁফাল, গৰ্বি, দৰ্পি, বৰটো হোৱা, গোআল, proud, arro-
দম্ভি, } gant, conceited, boastful.

দৰ, *s.* বস্তুৰ মুল্য, ভাও, নিচিনা, প্ৰকাৰ, price, cost, likeness, similarity.

দৰঙ্গ, *s.* আচামৰ মাজৰ এক প্ৰদেস, Durrung, a District of Assam.

দৰ্‌দৰাই, *v.* চেঁচা লাগি, জ্বৰ লাগি, to feel a chilly sensation.

দৰব, *s.* ঔসধ, ৰোগ নাসক বস্তু, medicine.

দৰমহা, *s.* মাহিলা কৰা কামৰ বেচ, monthly wages, salary.

দৰা, *s.* বৰ, বিবাহ কৰোঁতা জন, যাবি, a bridegroom, one who leads a marriage procession; hence আদৰাই, which see.

দৰালিঘৰিয়া, *s.* দৰা ঘৰৰ, the attendants of a bridegroom.

দৰিউআ, *s.* মাচৰ দাবেৰে কপাহ চন্দিউআ, the straightening out of cotton with the jaw of the borali fish.

দৰিদ্ৰ, *a.* দুখিয়া, কঙ্গাল, নিধনি, poor, needy, indigent; *s.* poverty &c.

দৰিয়াই, *v.* দাবেৰে কপাহ চন্দিয়াই, to comb out cotton; see চন্দিওআ.

দৰোৱা, *s.* দৰ কৰা, ভাও কৰা, the pricing an article.

দৰ্প, *s.* অহঙ্কাৰ, দম্ভ, মইমত, pride, vanity, conceit.

দৰ্পন, *s.* আৰ্চি, দাপোন, a mirror, a looking glass.

দৰ্পি, *a.* অহঙ্কাৰি, গৰ্বি, মই মতালি, গঁফাল, proud, boastful, arrogant.

দৰ্বাৰ, *s.* ৰাজ সভ', ৰাজ মেল, a court, a hall of audience.

দৰ্সন, *s.* দেখা, দ্ৰিস্তি কৰা, চোৱা, a sight, a view; with দি, to appear.

দর্চাই, *v.* দেখাই, চিনাই, to show, to point out.

দৰ্হাই, *v.* বাধা কৰি, ভই লগাই, to prevent, to intimidate.

দৰ্হোআ, *s.* ভই লগোআ, বুজুআ, নিচইকৈ কোআ, intimidating, deterring.

দল, *s.* দ মাটিত হোআ এবিধ বন, ভাগ বা জুম, a species of aquatic grass, a portion, a gang, a party, a body of troops.

দল, *s.* দৌল, মঠ, সৰহ, দম, a shrine, a temple; *a.* abundant, much.

দলই, } *s.* কৰ্মানুসাৰে প্ৰধান গনক সোনাৰি আদি, a leading person,
দলৈ, } a chief artificer, an astrologer.

দলকচু, *s.* এবিধ ৰঙা ধান, a species of red rice.

দলঙ্গ, *s.* বহল সাঁকো, পানি পাৰ হোআ উপাই বিসেস, a bridge.

দলঙ্গা, *s.* মাচ মৰা জতন এবিধ, a fish trap.

দলচা, *s.* ঘোঁৰা আদিৰ পিঠিত দিয়া কাপৰ, a saddle cloth.

দল্দল্ কৰে, *ad.* কেঁচুআই নকন্দাকৈ পৰি থকা, contentedly, without crying, (applied to infants.)

দল্দলনি, *s.* ভৰি দিলে লৰা বোকা ঠাই, পিটনি, a bog, a miry place.

দল্দলিয়া, *a.* দ বোকা থকা, দলনি দোপনি, miry, yielding or shaking like boggy ground.

দলন, *s.* পিহা, মোহৰা, ঘঁহা, grinding or rubbing, as with mill stones.

দলনি, *s.* দল থকা ঠাই, a place covered with the দল grass.

দলনি দোপনি, *s.* ওপৰে ফুৰিব পৰা ডাঠ দলনি, দ বোকাৰ পানি, boggy ground, a deep mire.

দলমা, *s.* উখহা, বোবোৰা, a swelling; with বস্থা, *a.* swollen, blotched.

দলমাদলম, *s.* বোবোৰা বোবোৰ, a collection of swellings or ridges.

দলমাদলমি, *ad.* বহু ঠাইত উখহা, thickly ridged or blotched.

দলাই, *v.* অনেক গোটাই, দমাই, to gather together, to heap up.

দলাদল, *a.* দমাদম, অনেক অনেক, অধিকাধিক, very many.

দলি, *s.* চপৰা, দুখৰিয়া মাটি বা সিল আদি, মোহাৰি, ঘঁহি, a clod, a clump, a throw from the hand; *v.* to grind or rub on a stone; with মৰিয়াই, to break clods.

দলিচা, *s.* নোমৰ বহা আসন, a rug, a carpet.

দলি মৰা, *s.* দলিউআ, throwing to a distance.

দলিমৰিয়া, *s.* দলি ভঙ্গা কাঠৰ হাঁতুৰি বিসেস, a long handled mallet for breaking clods.

দলিমাৰি, } *v.* নিলগলৈ মাৰি পঠাই, to throw to a distance, to fling,
দলিয়াই, } to cast aside.

দলিয়নি, *s.* চপৰানি, দলি থকা ঠাই, a place abounding with clods.

দলিয়াদলি, *v.* পৰস্পৰে দলিয়াই, to throw back and forth.

দসন, *s.* দন্ত, দাঁত, a tooth, a tusk.

দসম, *a.* দহৰ সম্বন্ধিয়, হিন্দুৰ এক সাস্ত্ৰ, a tenth; *s.* a shaster, being the substance of the tenth division of the Bhagawat, translated into Assamese by Shree Hongkor.

দসমাংস, *a.* দসম পুৰক ভাগ, দহ ভাগ, the tenth part, a tithe.

দসমি, *s.* তিথি বিসেস, the tenth day of the moon's increase and wane.

দস মুখ, দসানন, } *a.* দহমুখিয়া, ৰাৱন, having ten faces; *s.* an epithet of Rawon.

দসৰথ, *s.* ৰাম চন্দ্ৰৰ পিত্ৰি, অজোধ্যাৰ ৰজা, *lit.* fighting with ten chariots; a sovereign of Oude, the father of Ram.

দসা, *s.* কঁপাল, ভাগ্য, অৱস্থা, গতি, কাপৰৰ দহি, state, fate, lot, condition.

দসাৱতাৰ, *s.* বিস্নুৰ পৰা হোৱা দহ অৱতাৰ, an epithet of Vishnoo; *lit.* he who became ten times incarnate.

দসাহিন, *a.* অভাগ্য, দুৰ্কপলিয়া, টাট কঁপলিয়া, unlucky, unfortunate.

দস্তক, *s.* দস্তখত, হাত আখৰ, চহি, a signature.

দস্তা, *s.* ৰাৰে মিহলি ধাতু, an alloy, an amalgam, pewter.

দস্তুৰ, *s.* ৰিতি, মত, ভাও, custom, practice, habit, usage.

দস্তুৰ মতে, *ad.* ৰিতি মতে, ভাৱেৰে, সাধাৰন মতে, according to usage.

দহ, *a.* দস, সংখ্যা বিসেস, ten.

দহন, *s.* পোৰন, দাহ কৰা, combustion, conflagration.

দহনখিয়া, *a.* দুই হাতৰ খামোচে পোৱা, as much as can be clasped with the ten fingers.

দহন বহন, *s.* মৰা নি খৰি দিয়া, কাঠ সংস্কাৰ, the bearing away and burning a dead body.

দহঁৰা, *s.* দহ গণ্ডা, দকুৰি, চলিচ, in arithmetic ten *gondas* or forty.

দহা, *s.* পোৰা, মৰাৰ দহ দিনত কৰা কাম, a burning, a ceremony for the dead performed ten days after death.

দহি, *v.* পুৰি, আঁচলৰ আগৰ দিঘ সুতা, to burn; *s.* the fringe of a cloth.

দহিকচু, *s.* এবিধ খোৱা কচু, a species of the *arum* plant, the stalks of which are edible.

দহোটিয়া, *s.* দহ জনৰ ওপৰত ৰবা, an overseer of ten; *lit.* having ten.

দা, *s.* কটা চিঙ্গা নালেৰে অস্ত্ৰ বিসেস, a *da* or long knife used also as a sword.

দাই, *s.* অপৰাধ, দোস, চিদ্ৰ, জগৰ, ধান আদি সস্য কাটি, a fault, a crime, an error; *v.* to reap.

দাইনি, *s.* ভুতুনি, পিসাঁচিনি, a witch, an evil spirit.

দাউনি, *s.* ধান দোআ মানুহ, কাচি ধৰোঁতা, a female reaper.

দাউৰাদাউৰি, *s.* লৰ, বেগা বেগি, haste, speed; with কৈ, *ad.* hastily.

দাউৰি, *v.* লৰ মাৰি, লৰি, অতি শিঘ্ৰে, to run; *ad.* speedily.

দাঁত, *s.* দন্ত, দসন, a tooth, a tusk, a fang.

দাঁতকৰচনি, *s.* দাঁত চোবোআ, the gnashing or grinding of the teeth.

দাঁতকৰচি, }
দাঁতচোবাই, } *v.* দাঁতেৰে সব্দ কৰি, to grate or gnash the teeth.

দাঁতকামুৰি, *v.* দাঁতে দাঁতে বা দাঁতে ওঁঠে চেপি ধৰি, ডাবি দি, to bite or grind the teeth, to rage, to scold.

দাঁতচোবোআ, *s.* দাঁতেৰে সব্দ কৰা, সদাই খঙ্গকৈ থকা, the grating or grinding of the teeth.

দাঁতিৰি, *s.* চাঙ্গ আদিৰ দাঁতি বা কান, the edge, side or margin.

দাঁতসৰাহিদিয়া, *s.* বিচেস্টা হৈ দাঁতে দাঁতে চেপি বা আটি ধৰা, the lock-jaw, the setting of the teeth as in convulsions.

দাঁতসিৰা, *s.* দাঁতৰ আলু উখহা ৰোগ, a disease of the gums.

দাঁতি, *s.* কোসৰ, কান, পাৰ, a border, a margin, an edge, a side.

দাঁতিনি, *s.* উজলা দঁতা তিৰি, a woman having prominent teeth.

দাঁতিপাৰ, *s.* পৰ্বত আদিৰ সিমা বা কোসৰ, a country bordering on the base of hills and mountains.

দাঁতিয়াল, *s.* দাঁতি পাৰত থাকোঁতা, গাঁতিয়াল, দুহা ডাঙ্গৰিয়া, ভুত বিসেস, a resident of the above, an imaginary evil spirit.

দাগ, }
দাগি, } *s.* মাটিৰ ভাগ, চিন, খেল, a portion of land, a class, a spot, a blemish.

দাঙ্গদোলা, *s.* হাতেৰে ধৰি মানুহ আদি দাঙ্গি নিয়া, the bearing or carrying in the hands or arms.

দাঙ্গি, *v.* তুলি, ওপৰলৈ নি, to raise, to lift up.

দাঙ্গমাৰি, *s.* তাঁত ধৰা মাৰি, a rod of a native loom to which the warp is fastened.

দাতা, *s.* দিওঁতা, দানি, a giver, a liberal person.

দাদৰি, *s.* হেলা, নেওচা, a term of abuse or insult.

দাদৰিখোআ, *a.* সৰপা, নেওচা খোআ, lazy, stupid, mean, low.

দা ধৰা, *s.* অস্ত্ৰ বাহক এক খেল, the king's body guard.

দান, *s.* উচৰগ, দিয়া, an alms, a gift, a present, a donation.

দানকটা, *s.* বেপাৰি আদিৰ ৰাজ কৰ লোআ, a tax or duty levied by the Kings of Assam.

দানকৰা, *a.* দান দখিনা দিয়া, বিনা মূল্যে দিয়া, given, bestowed, betrothed.
দান পত্র, *s.* দানৰ নির্বন্ধ পত্র, a will, a testament, a legacy.
দানৱ, *s.* অসুৰ, দেৱতাৰ অৰি, দনুজ, দৈত্য, a demon, a fiend, a giant.
দানসাগৰ, *a.* হিন্দুৰ এক প্রধান দান, এখন পুথিৰ নাম, benevolent, giving generously, the name of a shaster.
দানি, *a.* দান কৰা মানুহ, দিব পাৰোঁতা, bountiful, liberal, benevolent.
দানিখোৱা, *s.* বেলিএ বেলিএ লাভ পোৱা, খেল আদিত জিকা, one who wins a prize or game.
দাপন, *s.* দাপোন, কাঁহৰ মুখ চোৱা পাত্র, a metalic mirror.
দাপনি, *s.* ডাবি, হাক, বাধা, reproof, rebuke; with কৰি, to rebuke; with খোৱা, reproved, rebuked.
দাপি, *v.* ডাবি দি, দাপনি কৰি, to reprove, to rebuke.
দাব, *s.* খুঁৰা লগা ঘোঁৰা আদিৰ খোজ, a hoof print of a horse; with মৰা, the making an impression with the hoof.
দাম, *s.* হাদাম, সৰহ, বহু, a heap, much, many.
দামকলা, *s.* বন কলা এবিধ, a species of plantain.
দামনুম, *s.* চেৰেপা, কেঁড়কুৰি, ধুম ধাম সদ্দ, a small stinging insect, a loud continuous noise.
দামবন্ধা, *a.* হাদাম বন্ধা, অধিক হোৱা, collected together, heaped up.
দামুৰি, *s.* গৰুৰ পোৱালি, দমৰা বা কাইলি, a sucking calf.
দামোদৰ, *s.* ক্রিষ্ণৰ এক নাম, an epithet of Krishnoo.
দাম্ভিক, *a.* দম্ভালি, দর্পি, গর্বি, proud, imperious, overbearing.
দায়ক, *a.* দানি, দিওঁতা, bountiful, liberal, giving; *s.* a giver; used also in composition, as ভইদায়ক, causing fear.
দায়া, *s.* মৰম, ক্রিপা, অনুগ্রহ, compassion, tenderness, mercy, favour.
দায়ামই, } *a.* মৰমিয়াল, দায়া কৰোঁতা, merciful, gracious.
দায়ালু, }
দায়াৱান, *a.* দয়াৱন্ত, ক্রিপালু, merciful, compassionate, gracious.
দাৰ, *s.* মাচ আদিৰ মুখৰ ঘন দাঁত, the teeth of fish or reptiles.
দাৰন, *s.* বিদাৰন, ফলা, চিৰা, the act of tearing, rending or splitting.
দাৰমুখ, *s.* ফিটকিৰি, এবিধ খাৰ বাখৰ, alum.
দাৰা, *s.* ভার্জা, তিৰোতা, ঘৈনি, a wife.
দাৰুক, *s.* ক্রিষ্ণৰ সাৰথি, Krishnoo's charioteer.
দাৰুন, *a.* ভয়ানক, কঠিন, নিষ্ঠুৰ, terrific, awful, horrible, cruel.
দাৰোগা, *s.* চকিয়াল বৰুআ, থানা ফাটক আদিৰ কর্ম চলোৱা প্রধান বিষয়া, a native head officer of police, a superintendent.

দাস, *s.* বন্দি, কিঙ্কৰ, সেৱক, আলধৰা, a slave, a servant, a worshiper.
দাসি, *s.* বেটি, সেৱকিনি, আলধৰতি, a female servant or worshiper.
দাস্য, *a.* দাস সম্বন্ধিয়, servile, slavish.
দাস্যকাম, *s.* বন্দিৰ কাম, আলপৈচান, menial service or occupation.
দাহ, } *s.* পুৰি নিয়া, পোৰা, a burning, combustion, conflagration
দাহন, }
দাহেধৰা, *a.* নবিয়াত হোআ ভিতৰৰ পোৰনি, তাপে ধৰা, বদত স্ৰান্ত হোআ, faint; *s.* fainting, swooning.
দাহোন, *s.* সম্পতি, সাহোন, property, whether inherited or acquired.
দি, *v.* দান কৰি, দিয়া হৈ, to give, to bestow, to present.
দিউআ, *s.* পৰৰ দ্বাৰাই দিয়াই, the causing to give.
দিওঁতা *s.* দান কৰোঁতা, দিব পৰা, দি থকা, a giver, giving habitually.
দিক, } *s.* দিস, ফাল, পোন, কোনা, a point of the compass, quarter, direction.
দিগ, }
দিকচৌ, *a.* বৰ দুৰৈ, very long; (applied to a road or journey.)
দিগ্গজ, *s.* প্ৰিথিৱিৰ চুক ধৰি থকা হাঁতি, one of the eight elephants said in hindoo mythology to support the earth.
দিগজোআ, *s.* দিঘল কল এবিধ, a species of very long plantain.
দিগ্দৰ্সন, *s.* সকলো ফাললৈ দেখি থকা, চাৰিও পোনে চোআ, a looking on every side, a general survey.
দিগপতি, } *s.* দিসৰ অধিপতি দহ জনা দেবতা, দিগেস্বৰ, a protector of the quarters of the globe.
দিগপাল, }
দিগবাহ, *a.* উলঙ্গট, বিবস্ত্ৰ, দৰিদ্ৰ, naked, poverty stricken.
দিগবিজই, *a.* সকলো দেস জিকোঁতা, প্ৰিথিৱিক জিনোঁতা, all-conquering everywhere victorious.
দিগবিদিগ, *ad.* সকলো ফাল, আঠ দিস, everywhere, on all sides.
দিগম্বৰ, *a.* নাঙ্গট, বিবস্ত্ৰ, সিৱ, সন্যাসি, naked, stripped, an epithet of Hoda Hiwo, a naked mendicant.
দিঘ, *s.* দিৰ্ঘ, দিঘল, length, extension; *a.* long.
দিঘল, *a.* দিৰ্ঘ, দিঘ, দুৰৈ, long, extended; *s.* length, extension.
দিঘলদিপৰি, *v.* দণ্ডৱত হৈ, অষ্টাঙ্গ প্ৰনাম কৰি, to fall prostrate.
দিঘলা, *a.* দিঘল হোআ, long, applied only to man.
দিঘলিয়া, } *a.* দিঘল চানেকি, দিঘল, tall, long, (used comparatively.)
দিঘলেচাৰি, }
দিঘা, *s.* দিঘৰ জোখ, দিৰ্ঘ, length, extension.
দিঘে, *ad.* দিৰ্ঘে, দিঘলে, in length, lengthwise.

দিন, *s.* সুর্জ ওলাই থকা কাল, দিবস, কাল, day time, a day, time.
দিনকৰ, *s.* see দিবাকৰ.
দিননাথ, *s.* সুর্জ, দিনপতি, the sun; *lit.* the lord of day.
দিননিউআ, *s.* কাল নিউআ, আয়ুস চুকুউআ, সময় খেদোআ, the spending of time, living.
দিননিয়াই, *v.* কাল বা সময় খেদাই, to spend time, to live.
দিনবন্ধু, *s.* দুখিয়াৰ মিত্র, the helper of the needy.
দিনমনি, *s.* সুর্জ, বেলি, the sun, the eye of day.
দিনৰদিন্টো, *ad.* ওৰে দিন, গোটেই দিন, all the day long.
দিনহিন, *a.* দুখিয়া, দৰিদ্র, কঙ্গাল, দুখিত, poor, needy, destitute.
দিনান্ত, *s.* দিনৰ সেস, গধূলি, the close of the day, evening.
দিনে দিনে, } *ad.* নিতৌ নিতৌ, ওৰেও, প্রতিদিনে, daily, each day,
দিনে পতি, } every day, continually.
দিনে ৰাতি, *ad.* ৰাতিএ দিনে, সদাই, day and night, continually.
দিনৌ, *ad.* নিতৌ. সদাই, daily, continually.
দিপ, } *s.* প্রিথিবিৰ বৰ খণ্ড, হিন্দূ মতে জম্বুআদি সাত দিপ, চাকি, a
দ্বিপ, } continent, in hindoo mythology one of the seven circular divisions of the world; a lamp.
দিপচকু, *s.* বিত চকু, a pair of spectacles.
দিপলিপ, *a.* সোভিত, অতি সুন্দৰ, beautiful, comely. well proportioned.
দিপাধাৰ, *s.* চাকি থোআ পাত্র, গচা, a candlestick, a lamp holder.
দিপান্বিত, } *a.* চাকিএৰে ভূসিত, চাকি সমূহ, কাতি মাহৰ অমাবস্যাৰ
দিপাৱলি, } তিথি দিবস, clear, luminous, effulgent.
দিপিকা, *s.* এক সাস্ত্রৰ নাম, a native book of prophecies.
দিপ্তি, *s.* দিপিতি, পহৰ, প্রকাস, light, brightness, effulgence.
দিপ্তিকৰ, *a.* প্রকাস কৰোঁতা, সুর্জ, giving light, illuminating; *s.* the sun.
দিপ্তিমন্ত, } *a.* প্রকাস যুক্ত, সোভিত, radiant, shining, illustrious.
দিপ্তিমই, }
দিপ্তিমান, *a.* দিপ্তি কৰোঁতা, প্রকাসময়, bright, shining, effulgent.
দিফলু, *s.* এখন সত্রৰ নাম, এক নদিৰ নাম, one of the principal hindoo religious establishments in Assam; the Difoloo River.
দিবস, } *s.* দিন, সুর্জৰ পহৰ থকা কাল, a day, the period of time
দিবা, } between the rising and setting of the sun.
দিবাকৰ, *s.* সুর্জ, ৰবি, ভানু, ভাস্কৰ, the sun, *lit.* the maker of day.
দিব্য, *a.* উত্তম, সুন্দৰ, মনোহৰ, সু, স্বৰ্গিয়, সপত, পবিত্রা, beautiful, celestial, divine.

দিব্যগ্যান, *s.* সুগ্যান, excellent or supernatural knowledge.
দিব্যবস্ত্র, *s.* অতি সুন্দৰ বস্ত্র, fine raiment.
দিয়া, *s.* দিয়ন, দান কৰা, দি থক, a-giving, bestowing, granting.
দির্ঘ, *a.* দিঘল, long.
দির্ঘজিবি, *a.* অনেক দিন জিয়া, চিৰজিবি, long lived.
দির্ঘ দর্সি, *a.* দুৰদর্সি, গ্যানি, পণ্ডিত, বহুদর্সি, far seeing, prudent, having forecast; *s.* a wise or prudent person.
দির্ঘনিস্বাস, *s.* দিঘল্কৈ উসাহ চৰা, হুমুনিয়াহ, a sigh, a long breath.
দির্ঘাকাৰ, *a.* দিঘল হোআ, দিঘলিয়া, oblong, lengthwise.
দির্ঘায়ু, *s.* দির্ঘজিবি, দিঘল আয়ুস, long life, longevity.
দিস, *s.* উত্তৰ দখিন আদি দিগ, course, direction a point of the compass.
দিহ, *s.* আঞ্জা, সাক আদি বেঞ্জন, উপাই, পাত্র আদি, curry of varieties.
দিহা, *s.* বুজ, সিকোআ, বুজুআ, বেৱস্থা, a way or means of doing or going, direction, order; with দি, to direct, to supervise.
দিহাদিহি, *ad.* ঠায়ে ঠায়ে, চাৰিও ফালৈ, this way and that, all about.
দু, } *a.* দুটা সংখ্যা বিসেস, ২, two.
দুই, }
দুআৰি, *s.* দুআৰ ৰখা মানুহ, a door keeper, a porter.
দুআৰ, *s.* ঘৰ আদিত সোমোআ বাট, ঘৰৰ বাট ঢাকনি, a passage, an entrance, a way, a door.
দুআৰ গঁৰিলা, *s.* পানিৰ ঢৌ, সোঁতত উঠা পানি, a ripple, a wave.
দুআৰডলি, *s.* দুআৰ মুখৰ পথালি গৰ, a threshhold.
দুআৰডাঙ্গ, *s.* দুআৰ বন্ধ কৰা মাৰি, a bar for fastening a door &c.
দুআৰমুখ, *s.* ঘৰৰ দুআৰ থকা ফাল, the entrance or door of a house.
দুই এক, *a.* দুটা এটা, অলপিয়া, one or two, a few.
দুইপৰিয়া, *a.* দুই পাৰত থকা, on both sides, as of a river.
দুইপ্রহৰ, *s.* দিন বা ৰাতিৰ দুপৰ বেলা, দুই পৰ, half of a day and night or 12 hours; with দিন, noon; with ৰাতি, midnight.
দুইবাৰ দুবাৰ, *ad.* দুবেলি, twice.
দুই মন, } *a.* থেৰোগেৰো, দিধা, কৰোঁ নকৰোঁ, ঠিক নোহোআ,
দুই মনা, } undecided, hesitating, vacillating.
দুকুৰি, *a.* চলিচ, দুকুৰি, forty.
দুখ, *s.* টান পোআ, কষ্ট, সুম, অসন্তোস, affliction, trouble, pain, suffering, distress, want, indigence.
দুখনিয়া পিন্ধা, *a.* ডেকা বা ডেকেৰি হোআ, *lit.* wearing two cloths, *i. e.* having reached the age of maturity.

দুখান, *a.* দুখনি, দুইখন, two.

দুখি, } *a.* দুখত থকা, ক্লেসিত, দিনহিন, afflicted, miserable, wretched.
দুখিত, }

দুখিয়া, *a.* দরিদ্র, কঙ্গাল, দুখত পৰা, poor, needy, destitute, afflicted.

দুগদুগি, *s.* ডিঙ্গিৰ অলঙ্কাৰ বিসেস, দুক্দুকি, a neck ornament, a brooch.

দুগ্ধ, *s.* এঁআঁ গাখিৰ, milk.

দুটা, *a.* জোৰা, দুজন, দুই গোট, two things.

দুডলিয়া, *a.* দুডাল থকা, having two limbs or branches.

দুত, *s.* টেকেলা, বাত্রা আনোঁতা, পাঁচনি, a messenger, an angel.

দুতৰ, *s.* আপদ, দুখ, ততৰ, জোঁট, misfortune, suffering, trouble, perplexity.

দুতৰপিয়া, *a.* দুই তৰপ থকা, দুদবোলিয়া, double, in two folds or layers.

দুতলিয়া, *a.* দুই কথা কওঁতা, দুমুখিয়া, পকি ঘৰৰ দুতাল থকা, double tongued, two stories high, as a house.

দুতিয়, *a.* দুই সংখ্যক, the second.

দুতিয়া, *s.* তিথি বিসেস, চন্দ্রৰ সুক্ল বা ক্রিষ্ণ পখ্যৰ দ্বিতিয় দিন, the second day of the moon's increase and decrease.

দুদমোৰ, *s.* কেঁচুআৰ এবিধ মোৰ ৰোগ, cholera infantum.

দুধৰিয়া, *a.* দুই দাঁতিএ ধাৰ থকা, double edged.

দুধাৰ, *a.* দুই সোঁতা, দোখোপা দিয়া মনি, a double channel.

দুধেনুআ, *a.* দুজনি গৰুএৰে, pertaining to a cow and calf given as an atonement.

দুন, } *a.* দুগুন, আৰুও, দুনাই, two; *ad.* twice, again.
দুনা, }

দুনৰি, *s.* বিয়া আদিৰ আগত নিয়া দিপ পাত্র, a kind of lantern used on festive occasions.

দুনাই, *ad.* আকও, পুনৰাই, ঘূৰি, again, a second time, repeatedly.

দুনিয়া, *a.* পাঁচ সেৰিয়া, holding a *doon* or five seers.

দুনুআ, *s.* দুই বাৰ কৰা, the act of doing twice.

দুন্দুভি, *s.* নাগেৰা বাদ্য, দবা, a kind of large drum.

দুপতিয়া, *a.* দুপাত মেলা, দুইপাত থকা, having the second leaf, as of a seedling; *fig.* applied to an early death.

দুপ্দুপাই, *v.* গোৰোআৰ সদ্দ কৰি, লৰি, ডেওপাৰি, ধুমধুমাই, to run or walk with a heavy tread.

দুপৰ, *s.* দুই প্রহৰ, দিন বা ৰাতিৰ মাজ, two parts of the day, mid-day, midnight.

দুপৰিয়া, *a.* দুইপৰৰ সম্বন্ধিয়া, দুপৰ বেলিত, relating to midday or midnight.

দুপাল দুপালি, *ad.* দুবাৰ, দুবেলি, twice, two turns.

দুপিয়াই, *v.* মুৰ লৰাই সলাগি, দোপদি, to nod assent, to press downward as with a lever.

দুফলিয়া, *a.* দুফাল হোআ, দুয়ো ভাগত হোআ, divided into two parts, belonging to two ways.

দুফাল, *s.* দুইফাল, দুচিটা, দুই দিস, two parts or divisions, two ways.

দুবৰি, *s.* বন এবিধ, a fine grass, a species of *dhan.*

দুভঁজিয়া, *a.* দুই ভাঁজ থকা, দুবিধ, দুই প্ৰকাৰ, double curved, of two kinds or sorts.

দুমদুমনি, *s.* বৰকৈ খোজ কৰ্হাৰ সবদ, গিৰগিৰনি, a sound of heavy footsteps, any heavy rumbling sound.

দুমদুমিয়া, *a.* মুখলৈকে হোআ, চপচপিয়া, বৰকৈ উথহা, full to overflowing, swollen.

দুমুৰি, } *s.* পুৰনি কাপৰ জোৰা মৰা সিয়নি, the turning and
দুমুৰি মৰা, } sowing together the ends of two cloths.

দুয়ো, *a.* দুইটাই, both.

দুৰ, *a.* নিলগ, আঁতৰ; distant, far off, bad, evil; with কৰি, *v.* to remove, to send or drive away.

দুৰবিন, *s.* দুৰৈলৈ দেখা জন্ত্ৰ, a telescope, a spyglass.

দুৰঅৱস্থা, *s.* দুখ, আপদ, দুৰ্দসা, adversity, calamity, evil condition.

দুৰাকাচ, *s.* এবিধ সৰু কাচ, a species of small turtle.

দুৰাচাৰ, *s.* অনিতি, কুআচাৰ, profligacy, wickedness, dissoluteness.

দুৰাচাৰি, *a.* নিতিত নথকা, পাপি, কুবেৱহাৰি, profligate, vicious &c.

দুৰুলিউআ, *a.* জপা, দুতৰপ কৰা, দোমোকোট কৰা, folded or folding.

দুৰৈ, *a.* দুৰ, নিলগ, দুৰনি, far off, distant; *s.* remoteness, distance.

দুৰ্কপলিয়া, *a.* হিনকঁপাল, অভাগি, ill fated, unfortunate.

দুৰ্গতি, *s.* দুখ, ক্লেস, দুৰ্দসা, distress, poverty, wretchedness, misery.

দুৰ্গন্ধ, *s.* বেয়া বাচ, কুঘ্ৰান, stench, disagreeable odor.

দুৰ্গন্ধিয়া, *a.* দুৰ্গন্ধ থকা, stinking, offensive in smell, fetid.

দুৰ্গম, *a.* জাব বা তৰিব নোআৰা, জাবলৈ কঠিন, difficult of entrance or approach, narrow, strait.

দুৰ্গা, *s.* পাৰ্বতি, হিমালইৰ কন্যা, সদা সিৱৰ স্ত্ৰী, the goddess Durga.

দুৰ্গুন, *s.* বেয়া গুন, কুস্বভাও, a bad quality, an evil disposition.

দুৰ্ঘটনা, *s.* দুঘটন আপদ অমঙ্গল, mishap, misfortune.

দুৰ্জই, *a.* দুৰ ডাঙৰ, বলৱন্ত, জিনিবলৈ কঠিন, gigantic, powerful, difficult to be subdued

দুর্জন, *a.* দুষ্ট, বেয়া, কুকর্ম্মি, wicked, base, cruel, malevolent.
দুর্জনালি, *s.* দুষ্করম, বেয়া করম, উদ্ভণ্ডালি, wickedness, malevolence.
দুর্জস, } *s.* বেয়া নাম, কুখ্যাতি, অপবাদ, নিন্দা, ill fame, reproach, a
দুর্নাম, } bad character.
দুর্দসা, *s.* হিন কঁপাল, দুর্গতি, অভাগ্য, ill fortune, adversity.
দুর্বল, *s.* অসমর্থ, নির্বল, impotence, weakness, feebleness; *a.* feeble &c.
দুর্বলি, *a.* নির্বলি, আসকতিয়া, সামৰথ নোহোআ, weak, feeble, impotent.
দুর্বাক্য, *s.* দুর্বচন, নিন্দা, গালি, harsh, abusive or obscene language.
দুর্বাসনা, *s.* মন্দ কঁপাল, দুর্ভাগ্য, দুর্দসা, evil fate or condition.
দুর্বুধি, *s.* কুমতি, কুবুধি, evil inclination or advice, bad counsel.
দুর্বুধিয়া, *a.* দুষ্ট বুধি থকা, কুবুধিয়া, subtle, crafty.
দুর্ভগা, *a.* ভাগ্যহিন, এলাগি তিৰোতা, hateful to the sight, despicable, as a woman hated by her husband.
দুর্ভগিয়া, *a.* টাটকঁপলিয়া, ভাগ্যহিন, wretched, unfortunate, miserable.
দুর্ভাগ্য, *s.* বেয়া কঁপাল, দুর্বাসনা, misfortune, ill fate.
দুর্ভিক্ষ্য, *s.* আঁকাল, এঁকাল, খাবলৈ নাইকিয়া, a famine, dearth, scarcity.
দুর্মতি, *s.* দুষ্ট মতি, কুস্বভাও, দুর্বুধি, an evil desire, evil inclination.
দুর্মুল্য, *a.* বৰ মৰগ, মহঙ্গা, exorbitant in price, dear.
দুর্লখ্যন, *s.* কুলখ্যন, বেয়া চিন, an evil omen, a bad sign.
দুর্লভ, *a.* দুসাধ্য, পাবলৈ টান, scarce, rare, obtained with difficulty.
দুলিয়া, *s.* দোলা ভাৰ বওঁতা, দোলা স্তাৰি, a palkee bearer.
দুৱচি, *v.* পুনৰাই হৈ, দুনাই উক্ দি, to do or to break forth a second time, as of disease.
দুষ্ট, *a.* দুর্জন, পাপি, অধম, wicked, depraved, vicious, low, vile, mean.
দুষ্টালি, *s.* দুষ্ট করম, দুর্জনালি, vilfany, wickedness, meanness.
দুসাধ্য, *a.* কঠিন, কৰিবলৈ টান, দুষ্কৰ, difficult, impracticable.
দুসি, *a.* দোস কৰা, অপৰাধি, ভগৰিয়া, guilty, criminal, sinful, faulty.
দুসুতিয়া, *a.* দুডলিয়া সুতাৰে বোআ, double threaded.
দুসুঁতিয়া, *a.* দুই সোঁতা থকা, having a double channel.
দুষ্কৰ, *a.* দুসাধ্য, কঠিন, আচল, difficult, not easy.
দুষ্করম, } *s.* বেয়া কাম, পাপ করম, অধর্ম্ম আচৰন, an evil act, a
দুষ্কর্ম, } crime, misconduct.
দুষ্কর্ম্মি, *a.* পাপি, অধর্ম্মি, দুষ্করম কৰোতা, evil, wicked, sinful.
দুহতিয়া, *a.* দুটা হাত থকা, দুই হাত পৰিমিত, দুটাই কৰ্বা, দুই হাতেৰে কৰিব পৰা, two cubits in measure, having two hands, work that requires both hands.

দুহিতা, } *s.* জি, জিয়াৰি, a daughter.
দুহিত্রি,

দেই, } *s.* ভাল ৰূপে কোআ বা সোধা মাত, a word used in making familiar requests, as, *you will, wont you? Do, please!*
দেইব',

দেউ, *s.* বামুন বা পণ্ডিতৰ সম্বোধন, term used in addressing a bramin.

দেউতা, *s.* ডাঙ্গৰিয়া লোকৰ সম্বোধন, a term of respect used in addressing the Assamese nobility.

দেউৰি, *s.* দেৱালইত নিজুক্ত দেৱলিয়া বিসেস, প্রসাদ আদি বস্তু বিলাওঁতা, an attendant on an idol temple.

দেও, *s.* দেৱতা, মান্যৰ সম্বোধন, a god, a demon, respectful address, Sir.

দেওধনি, *s.* বৰকৈ কঁপা, দেৱতাই লম্ভা, the trembling of one supposed to be possessed by an evil spirit.

দেওঁধাই, *s.* আহোমৰ পুজাৰি, আহোমৰ জোতিসিয়া, a class of priests among the Ahoms, an Ahom astrologer.

দেওপুজক, *s.* প্রতিমা বা দেৱতা পুজা মানুহ, a worshiper of idols.

দেওপুজা, *s.* প্রতিমা বা দেৱতাক অর্চা, idolatry, the worshiping of images or imaginary deities.

দেওবাৰ, *s.* ৰবিবাৰ, সপ্তাহৰ প্রথম দিন, বিস্রাম বাৰ, Sunday, the first day of the week.

দেওৰ, } *s.* পৈএকৰ ভায়েক, a husband's younger brother.
দেৱৰ,

দেকদেকিয়া, *a.* তেকতেকিয়া, ঘা আদিৰ পানি ওলাই থকা, suppurating.

দেখনিয়াৰ, *a.* দেখিবলৈ ভাল, সুঅনি, ঠগিত, beautiful, comely, pretty.

দেখনেদেখ, *s.* দেখিলতে আঁতৰ হোআ, আধা দেখা আধা নেদেখা, a gleam, a glimpse, a partial view.

দেখা, *s.* দর্সন, চোআ, seeing, sight, a view; with দি, to appear.

দেখাই, *v.* দর্সাই, চিনাই, বুজাই, দেখুআই, to show, to point out.

দেখাদেখি, *s.* সমুখা সমুখি, চোআচুই, an interview, seeing face to face.

দেখাসুনা, *a.* জনাবুজা, স্বৰূপ, seen and heard, certain.

দেখি, *v.* দর্সন কৰি, চাই, বিবেচনা কৰি, বুজি, to see, to look, to understand, to perceive.

দেখুউআ, *s.* লোকৰ হতুআই চোওআ, the causing to see &c.

দেদেৰাখাই, *v.* ঘঁহনিত অলপ চাল চিগি, to chafe, to break the skin.

দেবি, *s.* গোসানি, a goddess.

দেৰদেৰিয়া, *a.* বৰ চেঁচা, চোকা, very cold, chilly, pungent.

দেৱগর্জন, *s.* মেঘৰ গর্জন, মেঘ গাজনি, thunder.

দেৱতা, *s.* দেও, ইন্দ্র আদি, a god, a deity.
দেৱবানি, *s.* আকাসি বানি, a voice from above, an oracle.
দেৱমাতা, *s.* অদিতি, দেৱতাৰ মাক, Oditi, the mother of the gods.
দেৱলিয়া, *s.* দেৱালইৰ পুজাৰি আদি নিজুক্ত মানুহ, a priest &c. attendant on an idol.
দেৱস্ব, *s.* দেৱতাৰ বস্তু, দেও পূজাৰ নিমিত্তে দিয়া ধন আদি, property consecrated to the gods.
দেৱাল, *s.* দেৱতাৰ ঠাই, পকিগৰ আদি, a heathen temple, a wall.
দেৱালই, *s.* দেৱতাৰ থান, an idol temple.
দেৱোত্তৰ, *s.* দেৱতাৰ নামে দিয়া মাটি আদি, an endowment of a temple.
দেস, *s.* প্রিথিবিৰ এক খণ্ড, এক ৰজাৰ অধিন হোআ ঠাই, a country, a province, a region.
দেসাচাৰ, *s.* দেসৰ নিতি, a custom prevalent in a country.
দেসাধিকাৰ, *s.* দেসৰ গৰাকি, ৰজা, the governor of a country.
দেসান্তৰ, *s.* অন্য দেস, দেসৰ আঁতৰ, a foreign country; *a.* foreign.
দেসি, *a.* দেসৰ, এৰে দেসৰ, of a country, of one's own country.
দেসে দেসে, *ad.* প্রতি দেসে, in every country, everywhere.
দেহ, *s.* দেহা, সৰিল, কাই, গা, the body, stature.
দেহপ্রান, *s.* জিৱ সৰিল, বৰ মৰমৰ, soul and body, a term of affection.
দেহি, *a.* দেহ জুক্ত, আয়ু, পুতৌ কৰা মাত, corporeal, relating to the body; *interj.* an exclamation of sorrow or affection.
দেহিঐ, *interj.* দুখ বা মৰমত মতা, পুতৌ কৰা মাত, an exclamation of affection or fondness.
দেহিখানি, দেহিডুখৰি, } *a.* আপোনাৰ সৰিল জেন দেখা, অতি মৰমৰ মাত, like to one's own flesh, very dear.
দৈ, *s.* গোট মৰা গাখিৰ, থমা, দধি, পাটি দৈৰ চোঁচ, curdled milk, splints of a certain tree from which a kind of fine mat is made.
দৈকলা, *s.* চৰাই এবিধ, a species of fish bird.
দৈত্য, *s.* অসুৰ, দানৱ, a demon, a fiend.
দৈৱ, *s.* অদ্রিষ্ট, ভাগ্য, কঁপাল, ইশ্বৰিয়, fate, consequences of the actions of a former birth, providence; *a.* providential, divine.
দৈৱকি, *s.* বসু দেৱৰ ভাৰ্জা, ক্রিস্নৰ মাক, Krishnoo's mother.
দৈৱকিনন্দন, *s.* শ্রীক্রিস্ন, গোপাল, Krishnoo; *lit.* the son of Doiwoki.
দৈৱগ্য, *s.* গনক, জোতিসিয়া, a fortune teller, an astrologer.
দৈৱঘটনা, *s.* কঁপালে কৰোআ, বাসনাৰে হোআ কৰম, a providential circumstance, a fortuitous event.

দৈবজোগ, *s.* কঁপালৰ ফেৰ, ইশ্বৰৰ ইচা, a fortuitous or providential combination of circumstances.

দৈবজোগে, *ad.* হঠাতে, অকস্মাতে, অজস্রে, এনেই, accidentally, unexpectedly, providentially, by chance.

দৈবাত, *ad.* অকস্মাত, হঠাত, suddenly.

দৈবাধিন, *a.* ইশ্বৰাধিন, ভাগ্যাধিন, subject to providence or fate.

দৈয়নদিয়া, *s.* বিবাহৰ দিনা পুআ দৰা কন্যাৰ গালত পানেৰে দৈ সনা তিৰোতাৰ আচাৰ বিসেস, the ceremony of rubbing curdled milk on the faces of the bride and bridegroom on the morning of the wedding day.

দৈয়া, *a.* গোট মৰা, থমা, দৈ হোআ, thick, curdled, coagulated.

দোঅনিয়া, *a.* আন ভাসা মাতিব জনা, দোভাসিয়া, speaking two languages; *s.* an interpreter.

দোআ, *a.* দুবেলি কৰা বা হোআ, ধান কটা, twice; *s.* reaping.

দোআন, *s.* অন্য জাতৰ ভাসা, মাত, speech, a foreign language.

দোআ ভজা, *a.* দুবেলি ভজা, twice roasted, applied to rice twice parched called *seera.*

দোআল, *s.* চকি মুৰ্হা আদিত বেঁতেৰে বৈ দিয়া, বিসেস কামত দুগুনকৈ কাঁবি খটোআ, cane work, as in the seats of chairs &c.

দোঁআই, *v.* চপৰাই, নমাই, to bow, to bend, to nod.

দোঁআৰ, *s.* নদিএ এৰা সুঁতি, তাঁতৰ মুৰ, the deserted channel of a river, the last end of a web of cloth.

দোঁওআ, *s.* মোটোকাই চপৰোওআ, the act of bowing, bending down.

দোকমোক, *s.* সন্ধ্যা, ৰাতি পুআই পুআই অহা, নোকনোকালি, twilight.

দোকান, *s.* বেপাৰৰ ঠাই, পহাৰ, বজাৰ, a retail shop, a bazaar.

দোকানি, *s.* দোকান দিয়া মানুহ, বেপাৰি, a retailer, a shop-keeper.

দোকোলটাঁকি, *v.* চাদি পৰি, গৰা বুৰি, to have an even surface, as of a country overflowed with water.

দোকোলদাকাল, *a.* পানিৰে তল জোআ, submerged, inundated.

দোকোঁহলগা, *s.* ঠেহ লগা, ওফোন্দ পতা, pouting, thrusting out the lips in sullenness.

দোজিবা, *s.* আল জিবা, the *uvula* or soft palate.

দোডোৰা, *s.* দুডাল গুনাৰে বাজনা, a two stringed musical instrument.

দোদোৰা, *a.* চোঁচোৰা খাই চাল জোআ, bruised, scraped.

দোধোৰমোৰ, *s.* চাইটিয়া কাঠিৰ মোৰ, বিবেচনা থিৰ কৰিব নোঅৰা, a kind of braid; indecision, hesitation.

দোন, *s.* পাঁচ সেৰিয়া জোখৰ পাত্র, a measure holding five seers.
দোপদৰ, *s.* আসাম ৰজাৰ ঘৰ ফুকনৰ বোধৰ চৰা বা কচাৰি ঘৰ, আচামৰ এক প্রদেস, a council chamber, a court-house.
দোপ দি, } *v.* চাঙ্গ আদিত উঠি তললৈ হেচা মাৰি, to press
দোপ মাৰি, } downward.
দোপনি, *s.* গোবোআৰ দোপ, পানিৰ ওপৰৰ ভৰি দিলে নোসোমোআ দলনি, a pressing down; water overgrown with grass.
দোমাহি, *s.* সঁকৰাতি, বিহু, a day on which the sun passes from one sign of the zodiac to another, a hindoo festival held on three of these days.
দামোজা, *a.* দুটাৰ মাজ, midway, between.
দোৰোল, *s.* তৰপ, কাপৰৰ জাঁপ, মোকোট, a fold, a thickness.
দোৰোলাই, *v.* জাঁপি, মোকোটাই, দুতৰপ কৰি, to fold.
দোৰ্ঘোৰ, *a.* অতি ভয়ানক, অতি, বৰ, fearful, frightful, gloomy, very, great.
দোৰ্পতি, *s.* তাঁতৰ ৰাঁচ থুউআ সঙ্গুলি বা কাঁক, a contrivance for holding the reed of a loom which separates the threads of the warp.
দোলন, *s.* ওলোত উঠি বা আৰি ইফাল সিফাললৈ লৰা, oscillation.
দোলপাৰ, *s.* হুলস্থূল, তোলপাৰ, confusion, tumult, disorder.
দোলা, *s.* মানুহ তুলি মানুহে বৈ নিয়া কাঠৰ আসিৰ স্থান বিসেস, খাটলা, a palkee, a litter.
দোলাই, *v.* ইফাললৈ সিফাললৈ লৰাই, চাৰি দাঁতিত চপ্তাপ দিয়া কাপৰ. to cause to oscillate or swing back and forth.
দোলা পৰা, *a.* মাজ খাল পৰা, sunken in the middle, concave.
দোলা ভাৰি, *s.* দোলা ভাৰ বোআ, দুলিয়া, a dooly bearer.
দোলাসৰিয়া, *s.* ৰজাৰ দিনৰ টেকেলাৰ খেল বিসেস, a class of orderlies in the days of the Assam Kings.
দোস, *s.* অপৰাধ, পাপ, জগৰ, চিনু, দাই, guilt, fault, crime, offence.
দোসগ্রস্ত, *a.* পাপ বা অপৰাধত পৰা, জগৰিয়া, guilty, criminal.
দোসাদোস, *s.* দোস নির্দোস, good and evil, crimination and acquittal.
দোসাদোস গ্যান, *s.* ভাল বেয়াৰ বোধ, the conscience, the moral sense or faculty that approves or condemns actions.
দোসি, *a.* পাপি, জগৰিয়া, অপৰাধি, sinful, faulty, criminal, guilty.
দোহন, *s.* গাখিৰ খিৰোআ, দোহা, milking with the hand.
দোহমতি, *s.* ঘৈনিয়েকৰ বায়েকৰ গৈয়েক, husband of wife's eldest sister.
দোহোৰা, *s.* দুতৰপ, ডাঙ্গৰ নাৱৰ মাজ ভাগ, the middle part of a large boat.

দোহোৰাই, *ad.* দুবেলি, দুনাই, পুনৰাই, repeatedly, twice, double.
দৌল, *s.* মঠ মন্দিৰ, দল, a temple.
দৌলত, *s.* সৰহ সম্পত্তি, wealth, opulence, riches.
দ্ৰব্য, *s.* বস্তু, বেহানি, সামগ্ৰি, a thing, a substance, goods, property.
দ্ৰব্যজাত, *s.* দ্ৰব্য বস্তু, বস্তু বেহানি, property in general.
দ্ৰৱ, *s.* জোল, ৰস, গলা, liquefaction, fusion, solution.
দ্ৰৱিত, *a.* জোল হৈ জোআ, পমি জোআ, গলিত, melted, dissolved, fluid.
দ্ৰাখ্যা, *s.* ফল বিসেস, লতা পনিয়ল, কিচ্মিচ, a grape, a raisin.
দ্ৰাখ্যালতা, *s.* দ্ৰাখ্যাৰ গচ, a grape vine.
দ্ৰিঢ, *a.* সকত, টান, অলৰ, স্বৰুপ, নিচই, firm, stable, substantial.
দ্ৰিঢকৈ, *ad.* স্বৰুপকৈ, নিচইকৈ, লৰ নোহোআকৈ, certainly, truly &c.
দ্ৰিঢবাক্য, *s.* স্বৰুপ বা ঠিক কথা, an asservation, an assurance.
দ্ৰিষ্টান্ত, *s.* উপমা, সাধু কথা, পটন্তৰ, a similitude, a parable, a figure.
দ্ৰিষ্টি, *s.* দেখা, নিৰিখ্যন, দৰ্সন, sight, vision, perception.
দ্ৰিষ্টি গোচৰ, *a.* চকুৰ আগত, সাখ্যাত, জিমানলৈ দেখি, in sight, in view, within seeing distance.
দ্ৰিষ্টিপাত, *s.* চকু পৰা, দেখা, চোআ, seeing, perceiving by sight.
দ্ৰিস্য, *a.* দেখা পোআ, seen, visible, perceptible.
দ্ৰুত, *a.* সিঘ্ৰ, খৰ, লৰালৰি, বেগ, swift, fleet, speedy, quick.
দ্ৰুতগতি, *s.* বেগাই জোআ, খৰকৈ জোআ, fleetness, swiftness.
দ্ৰোন, *s.* এবিধ বন ফুল, দোৰোন, দোন, দুৰ্জোধন ৰজাৰ আচাৰ্জ্য এজন, a species of wild flower.
দ্ৰোহ, *s.* অপকাৰ, হিংসা, অহিত, mischief, injury, spite, malice, treason.
দ্ৰোহি, *a.* হিংসক, অহিত কাৰি, mischievous treasonous; *s.* a traitor.
দ্বাপৰ, *s.* চাৰি জুগৰ ত্ৰিতিয় জুগ, the third *Jug* or age of the world, comprising according to hindoo chronology 864,000 years.
দ্বাৰাই, দোআৰাই, } *prep.* হতুআই, হেতুকে, by, with, through, by means of.

## ধ

ধ, ধকাৰ, the aspirated dental *d*, pronounced as *dh* in *Goodhope.*
ধংস, ধংসন, } *s.* নস্ট, বিনাস, চুনচাত, destruction, ruin, devastation; with কৰি, to destroy &c.
ধংসক, *a.* নস্ট কৰোঁতা, উপদ্ৰৱি, দংসি, ruinous, destructive, destroying.
ধঁতুৰা, *s.* এবিধ বন গচ বা তাৰ ফুল, the thorn apple.
ধঁতুৰাপহিয়া, ধঁতুৰাফুলিয়া, } *a.* ধঁতুৰাৰ ফুলৰ আক্ৰিতিৰে, shaped like the petals of the above flower.

ধঁপাত, *s.* ধোঁআপাত, tobacco.

ধক্ধক্করে, *ad.* ভক্ভক করে, চক্চক্ করে, উজল রূপে, কেবল বগা, with a white shining appearance.

ধক্ধকিয়া, *a.* বৰ, অতিসই বগা, ভক্ভকিয়া, very, very white, shining.

ধজ, *s.* নিচান, সিমাত মৰা খুঁটা, স্তম্ভ, a banner, a boundary, a pillar.

ধজাকটাবিধতা, *s.* লোকৰ কথা বা বনত হাত দিওঁতা, বৰ অধিকাৰ দেখুউআ, meddling with the affairs of others.

ধদুআ, *a.* অকামিলা, বতুআ, উপপতি, useless, unworthy, unfit.

ধন, *s.* বিত, অৰ্থ, টকা, wealth, property, riches, money.

ধনঞ্জই, *s.* অৰ্জুন, ধন জই কৰা, বৰ ডাঙ্গৰ, an epithet of Orjun; *lit.* one who conquers wealth; *a.* large, great.

ধনন্তৰি, *s.* দেৱতাৰ বেজ, the fabled physician of the gods, produced from the churning of the ocean.

ধনপতি, *s.* কুবেৰ, ধনি, Kuver, the god of wealth; *a.* rich, wealthy.

ধনৱন্ত, } *a.* ধনি, অৰ্থি, আঢ্যৱান, চহকি, rich, wealthy, opulent.
ধনবান, }

ধনহিন, *a.* নিধনি, কঙ্গাল, দৰিদ্ৰ, poor, indigent, poverty-stricken.

ধনাধিকাৰ, *s.* ধনপতি, ধনৰ গৰাকি, a title or right to property or having a title or right.

ধনাৰ্জন, *s.* ধন পোআ, ধন অৰ্জা, লাভ, the acquisition of wealth, gain.

ধনি, *a.* চহকি, সবদ, opulent, rich; *s.* a sound, an echo.

ধনিষ্টা, *s.* তেইচ নখ্যত্ৰ, লেস, কনিকা, according to hindoo astronomy the twenty third stellar mansion; *a.* very little, small.

ধনু, *s.* ধেনু, কাঁৰ বা বাটলু গুটি মৰা স্বতন, a bow, an instrument used also for cleaning cotton.

ধনুআ, *a.* ধনৰ, ধন লগা, costing money, bought or sold for money.

ধনুটঙ্কাৰ, *s.* ধেনু জোঁৰৰ সব্দ, the twang of a bowstring.

ধনুৰাসি, *s.* নৱম ৰাসি, the sign Sagitarius.

ধনুৰ্গুন, *s.* ধেনুৰ জৰি, জোঁৰ, the string of a bow.

ধনুৰ্ধৰ, *s.* ধনু লৈ ফুৰোঁতা, bearing a bow, an archer, a bowman.

ধন্য, *a.* ধইন, কৈল্যান জুক্ত, পৰম সুখি, ভাগ্যৱান, প্ৰসংসিত, happy, blessed, praiseworthy, praised.

ধন্যধন্য, *interj.* প্ৰসংসা কৰা মাত, well done!

ধন্যবাদ, *s.* প্ৰসংসা, গুনবৰ্নন, স্তুতি কৰা, thanksgiving, praise, applause, thanks; with কৰি, to give thanks, to praise.

ধপচালি, *s.* খচি থকা, দপ্দপনি, ভইক, annoyance, threatening.

ধপ্ধপাই, *v.* ডেউকা আদিৰে কোবাই, বুকু কপি, to flap, to fly, to flutter or palpitate.

ধপালনি, *s.* গালি, নিন্দা, loud abusive talk, scolding.

ধমক, *s.* ডাবি, ফোৰোহনি, a threat, scolding, chiding.

ধমধমনি, *s.* জুই আদিৰ সব্দ, খুন্দাখাই কঁপি উঠা সবদ, a roaring sound.

ধম্ধমাই, *v.* জুই পানিএ বৰ সবদ কৰি, দুম্দুমাই, বুকু কঁপাই, to roar as fire, water, or a tempest, to tremble, to palpitate.

ধম্ধমিয়া, *a.* বৰকৈ জুই উঠা, ধমধমাই থকা, roaring as of a fire or a storm or a current, or of rapid beating, or of footsteps.

ধম্ধমোআ, *s.* খুন্দা খাই কঁপি সব্দ হোআ, the act of roaring &c.

ধমনা, *a.* গুৰ আদি পগোআত লিকটা হৈ টান মৰা, কাঠ আদি ডাঙৰে থকা, stringy, ropy, as a glutinous substance.

ধমাধম,<br>ধুমাধুম, } *a.* বেগাবেগি, কোবাকুবি, বৰকৈ, bustle, speed, hurry; with কৈ, *ad.* speedily &c.

ধৰ, *s.* সিমা. ভেঁটা, আলি, নিয়ম, an embankment, a boundary, a rule.

ধৰনি, *s.* প্রিথিবি, চাঙ্গৰ গৰ ধৰা খাম, তেজ বিস ৰখা বান্ধনি, the earth, a beam or support of a superstructure, a ligature bound around any member of the body to arrest the flow of blood or the spread of poison.

ধৰপাই, *ad.* বেগতিলে, চোঁতকৰে উঠা, suddenly, quickly, (applied to rising or starting suddenly as from sleep.)

ধৰফৰ, *s.* ডেওপাৰনি, খৰমৰ, floundering, struggling, writhing.

ধৰম,<br>ধর্ম, } *s.* পুন্য কৰম, ইশ্বৰক ভক্তি আৰাধনা কৰা, ন্যাই, পবিত্র, সুধ, merit, any system of faith or worship, religion, justice.

ধৰমি,<br>ধর্মি, } *a.* ধৰম কৰা, সাধু, পুন্যৱন্ত, ধর্মিষ্ট, virtuous, religious, pious, just, righteous, godly, honest.

ধৰা, *a.* ধৰি ৰখা, প্রিথিবি, holding or containing, held, seized, caught; *s.* the act of seizing &c., the earth.

ধৰাই, *v.* হস্তগত কৰাই, অস্ত্র আদি ঘঁহাই চোকা কৰি, to seize or cause to be seized, to make sharp.

ধৰাধৰ, *s.* পর্বত, বিষ্ণুৰ এক নাম, কুর্ম ৰুপে প্রিথিবি ধৰা, an epithet of Vishnoo, *lit.* the holder of the earth.

ধৰাধৰি, *s.* ইটে সিটেক ধৰা, holding or seizing one another.

ধৰাবন্ধা, *a.* ঠিক, নিচই, প্রমানিক, certain, fixed, indubitable.

ধৰি, *v.* হস্ত গত কৰি, ৰাখি, আৰম্ভ কৰি, to seize, to hold, to contain, to begin, to undertake.

ধৰুআ, *a.* ধাৰ থকা, ৰিন লগা, involved in debt; *s.* a debtor.

ধৰোআ, *a.* অস্ত্র আদিৰ ধাৰ বা চোক তোলা, তিখ্ন্‌ কৰা, হস্তগত কৰোআ, whetted, sharpened, seized, caught.

ধৰোওআ, *s.* লোকৰ হতুআই ধৰা, অস্ত্রাদিৰ ধাৰ তোলোওআ, the causing to be seized or to be sharpened.

ধৰ্ম্মত, } *ad.* স্বৰুপত, জথাৰ্থত, in fact, truly.
ধৰমত, }

ধৰ্ম্মপালন, *s.* ধৰম ৰখা, ধৰম আচৰন, the observance or practice of the duties of religion.

ধৰ্ম্মৰখ্যক, *s.* ধৰম ৰাখোতা, গুৰু, a religious teacher.

ধৰ্ম্মৱন্ত, *a.* ধৰমি, পুন্যৱান, pious, religious, virtuous, just.

ধৰ্ম্মসাস্ত্র, *s.* ধৰম পুথি, বাইবেল, the holy scriptures, the Bible; the body of hindoo law.

ধৰ্ম্মৱন্ত, } *a.* পুন্যৱান, ধৰ্ম্মি, পুন্য কৰোঁতা, pious, religious, virtuous, just.
ধৰ্ম্মসিল, }

ধৰ্ম্মাত্মা, *s.* পবিত্র আত্মা, সুধ, সাধু, the Holy Spirit, a holy person.

ধৰ্ম্মাধৰ্ম্ম, *s.* পাপ পুন্য, religion and irreligion, merit and demerit.

ধৰ্ম্মাৱতাৰ, *s.* ধৰম অৱতাৰ, য়িচু খ্রিষ্ট, an incarnation of justice or religion, Jesus Christ the true Incarnation.

ধৰ্ম্মি, } *a.* ধৰমত থকা, সাধু, ধৰ্ম্মৱন্ত, pious, godly, just, righteous,
ধৰ্ম্মিষ্ট, } honest.

ধৰ্ম্মা, *s.* গাত ধৰা, লগ্না, a laying hold of, possession by an evil spirit.

ধল, *s.* বাৰ্হনি পানি, বগা, a flood, a freshet, *a.* white.

ধহমহ, } *s.* ডাবি, ভই দেখুআ, খৰখেদা, নৰিয়াৰ উথাল, scolding,
ধহমহনি, } storming, fuming, hurrying.

ধাই, *s.* ধাইমাক, লৰা তোলা মাক, উপমাতা, a wet nurse, a foster mother.

ধাউতি, *s.* ধাউনি, ভাবনি, চিন্তা, আসা, anxiety, solicitude, earnest desire or expectation.

ধাঁৱেধৰা, *s.* কেঁচুআই টোপনিত হঁহা বা কন্দা, the smiling or crying of an infant in sleep.

ধাতা, *s.* বিধতা, প্রতিপালক, ব্রহ্মা, a nourisher, a protector, an epithet of Brahma, providence.

ধাতু, *s.* তাম আদি, বাত, পিত, কফ, তেজ আদি সবিলৰ মুল, জিৱ, নিশ্বাস, ক্রিয়া বাচকৰ মুল, a metal, an elementary or primary substance, the breath, life, a verbal root.

ধাতুৱা, *a.* বিচুৰ্ত্তি হোআ, ভই লগা, frightened, panic-stricken.

ধাতুময়, *a.* ধাতুৰে, ধাতুৰ, metalic.

ধাদহি, } *a.* ধামনি, লুধুমি, সকত গাৰে তিৰি, অকামিলা তিৰি,
ধাদুমি, } corpulent. (fem.)

ধান, *s.* ধান্য, সস্য বিসেস, paddy or unhusked rice, grain in general.

ধাননি, *s.* ধানৰ পথাৰ, ধান থকা পথাৰ, a rice field.

ধাম, *s.* চাঙ্গৰ গৰ ধৰা ধৰনি, বসতি, থান, a beam, a support, a dwelling place, an abode.

ধামখুমিয়া, *a.* নৈৰ বৰ সোঁতত দ বাম হোআ, alternately deep and shallow, applied to a rapid current over an uneven surface.

ধামধুম, *s.* খতি নোহোআকৈ কৰা, hurry, bustle, confusion, tumult.

ধামনি, *a.* see ধাদহি,

ধাৰ, *s.* অস্ত্ৰৰ চোক বা কাটোন, সোঁত, ৰিন, the edge of a sharp instrument, a current, a debt.

ধাৰন, *s.* ধৰা, পিন্ধা, জোগ আদি ৰখা, a holding, having or sustaining, germinating, conceiving; with কৰি, to take hold of.

ধাৰা, *s.* ৰিতি, নিতি, চলিত আচাৰ, বাকি দিয়া সোঁতা, a custom, usage, habit, fashion, a stream.

ধাৰ্ম্মিক, *a.* ধৰমি, পৰমাৰ্থিক, সাধু, religious, virtuous, pious, just, upright.

ধিউআ, *a.* মনত লাগি থকা, ধিয়ান কৰা, fixed in mind; *s.* meditation.

ধিকাৰ, *s.* নিন্দা, গালি সপনি, বিকৰ্থনা, reproach, abuse, contempt.

ধিঙ্গ, *s.* এবিধ মানুহ বা জাত, a class or caste of people.

ধিঙ্গজোৰা, *a.* বন নকৰি থিয়ৈ থকা, standing idle.

ধিত্ৰাজ, *s.* এবিধ চৰাই, বনৰিয়া ৰাজ হাঁহ, a kind of bird, the wild goose.

ধিতিঙ্গা, } *a.* বনত অভ্যাস নোহোআ, এলেহুআ, not inured to work,
ধিতিঙ্গালি, } lazy.

ধিধিয়াই, *v.* চিন্তি, গুনি ভাবি, to be anxious or solicitous.

ধিপ্ধিপাই, *v.* ধপধপাই, বুকু কঁপি, to beat, to throb, to palpitate.

ধিপিংধিপিং, *s.* বুকু আদি ধপ্ধপোআ, a heaving of the breast, palpitation, a throbbing.

ধিমাই, *v.* কমাই, সান্ত হৈ, to abate, to lessen, (as of heat or wind.)

ধিমিকধামাক, *s.* জুই আদিৰ অলপ পহৰ উঠা, a glimmering, a flickering.

ধিমিকিধিমিকি, *ad.* অলপ অলপ উসাহ থকা, shortly, faintly, (applied to breathing.)

ধিয়াই, *v.* ধ্যান কৰি, চিন্তি, ভাবি, to meditate, to reflect, to contemplate.

ধিয়ান, *s.* ধ্যান, চিন্তন, ভাবনি, জোগ কৰা, meditation, reflection.

ধিৰ, *a.* সান্ত, গম্ভিৰ, steady, grave, serious, solemn.

ধিৰে, *ad.* লাহে লাহে, ধিৰেৰে, গহিনকৈ, cautiously, slowly, steadily.
ধুআই, *v.* ধৌত কৰাই, পখলাই, to wash, to cleanse, also causative.
ধুঁআখুলিয়া, } *a.* পালেই ভাঙ্গি খোআ, হাতত একো নথকা, spending
ধুতপতলিয়া, } as fast as obtained; *i. e.* wasteful, prodigal.
ধুই, *v.* পখালি, স্নান কৰি, ধৌত কৰি, to wash, to cleanse, to purify.
ধুঁঅলি, } *a.* ধুঁআময়, ধুঁআধুঁই হোআ, কোআমোআ, দুৰলৈ
ধুঁঅলিকুঁঅলি, } এন্ধাৰ দেখা, smoky, hazy, foggy, obscure.
ধুতৰুঁপলিয়া, *a.* দুৰ্কপলিয়া, সাঁখিনা, luckless, ill fated.
ধুতি, *s.* চুৰিয়া, পুৰুসৰ অধোবস্ত্র, সুচি হৈ থকা, a waistcloth; *a.* washed.
ধুন, *s.* বিভুসন, সোভন, পেঁচ, বেস, decoration, dress, finery, display.
ধুনকৰা, } *s.* বিভুসিত হৈ, পেঁচ মৰা, the making a show or display.
ধুনমৰা, }
ধুনা, *s.* তুলা আদি মুকলি কৰা, এঁঠা এবিধ, ধনুকৈ কোবোআ, separating cotton fibres with the bow.
ধুনাএঁঠা, *s.* এবিধ গচৰ এঁঠা, a valuable resin obtained from the *Dhuna* tree, incense.
ধুনাধুন, } *a.* তুলা ধুনাৰ দৰে, আঁহ ওলোআ, তুলাতুল, beaten to
ধুনাময়, } pieces, like cotton by the bow.
ধুনি, *v.* ধেনুৰে তুলা মুকলি কৰি, ধনুকৈ কোবাই, to beat cotton with the bow.
ধুনিজোআ, *s.* বৰ বেগেৰে জোআ, the act of going quickly.
ধুনিনিয়া, *s.* মৰিয়াই বেগাই নিয়া, taking or driving away quickly.
ধুনিয়া, *a.* সুঅনি, সোভিত, of fine appearance, showy, gaudy.
ধুন্দা, *s.* আসঙ্কা, সন্দেহ, জলকা, doubt, mistrust, suspicion, depression.
ধুন্দুলি, *s.* এবিধ লতাৰ পাচলি গুটি, a species of the gourd.
ধুন্ধুপাল, *s.* ডেও পাৰনি, a storming about, fretting.
ধুপ, *s.* পুজাত লগা সুগন্ধ বস্তু, incense, resin, a fragrant taper.
ধুপকৰে, *ad.* গধুৰকৈ, গহিন্কৈ সবদ উঠা, heavily, applied to falling.
ধুপধুপাই, *v.* ধুপধুপ সব্দ কৰি, to make a sound as of heavy footsteps or of any thing falling.
ধুপা, *a.* ডেৱা, অলপ ডেই জোআ, scorched, browned, as in cooking.
ধুপাৎপাৎ, *a.* ভাগি চিগি একো নথকা, scattered, pillaged, laid waste.
ধুপাধাৰ, *s.* ধুপ লগোআ পাত্র, a censer, a vessel for burning incense.
ধুপালনি, *s.* ডেও পাৰনি, গোৰোহনি, a stamping, running about with a heavy step.
ধুপিঁ, *v.* বদত ডেৱাৰ নিচিনা হৈ ঘনে উসাহ লোআ, বা জুইত ডেই, to pant, to scorch.

ধুপিয়া, *s.* ধুপ সাজোঁতা, a person who prepares an aromatic taper.
ধুপুৰাই, *ad.* হুৰুসকৈ, বেগতে, quickly.
ধুপুৰি, *s.* ধুমুৰি, কোনোবা খন, কোনোবা দুৰৈ ঠাই, somewhere, at some unknown place or country.
ধুপুহ, *s.* বৰকৈ পৰাৰ সব্দ, the sound of heavily falling.
ধুবাং, *a.* হাত ভৰি মেলি নৰলাকৈ পৰি থকা, lying at full length with the limbs extended.
ধুবাংজুৰি, *v.* হাত ভৰি মেলি নৰলাকৈ পৰি, to lie as above.
ধুম, *s.* কাঠৰ বৰ হাঁতুৰি, a heavy beetle or mallet.
ধুমকলা, *a.* অতি ঘোৰ কলা, very black.
ধুমকলা, *a.* অতি কান কলা, নিচেই নুসুনা, বৰ কলা, very deaf.
ধুমকেতু, *s.* আকাসত চলা জুই বা পহৰ, উল্কা, a meteor, a luminous body floating in the atmosphere.
ধুম্‌খুলি, *s.* চনমুৰ, ডেও পাৰনি, irritation, worrying, bustling about.
ধুম্‌ধুমনি, *s.* ঢোল আদি বজোআৰ সব্দ, the sonnd of beating, as of drums.
ধুমাখুন্দা, } *a.* অতি টান, বৰ, অতিসই, severe, heavy, driving, pressing,
ধুমাজই, } as of rain or urgent work.
ধুমাধুম, *ad.* নিজিৰোআকৈ, বেগাবেগি, quickly, rapidly, hastily.
ধুমুহা, *s.* বৰ বতাহ বৰখুন, a tempest, a storm of wind.
ধুম্র, *a.* ধুঁআ বৰনিয়া, of a smoky or purple color; smoke.
ধুৰা, *s.* গিত পদৰ প্রথম সুৰ বিসেস, introductory stanza of a song.
ধুৰ্ত্ত, *a.* টেঙ্গৰ, দুষ্ট, wily, knavish, subtle, crafty, sly.
ধুৰ্ত্তালি, *s.* টেঙ্গৰালি, দুষ্টালি, slyness, craftiness, subtilty.
ধুলা, } *s.* কেবল গুৰি মাটি বা বালি, পুষ্প ৰেনু dust, the pollen of a
ধুলি, } flower.
ধুলামই, } *a.* ধুলিয়বি, ধুলিৰে ঢকা, ধুলিৰ নিচিনা, চাহ হোআ, dusty,
ধুলিমই, } covered with dust, like dust; *i. e.* powdered, pulverized.
ধুলিয়া, *s.* ঘাত দিয়া গুৰি দৰব, any powdered medicine applied to a sore.
ধুলিয়া উফি, *s.* মুৰৰ সামান্য উফি. scurf, dandruff.
ধুলিয়াসাঠ, *s.* অম্বুবাচিৰ পুৰ্বে তিন দিন বৰখুন দিয়া, a slight rain that often falls just before the three ritually unclean days in the month of Ahar.
ধেঁতোৰ, *s.* ইকৰাৰ গেৰেলা থোৰ, sprouts of *Ikora* or small reed.
ধেনা, *s.* সাহ নথকা গুটি, গৰু আদিৰ জিবাৰ ৰোগ, an imperfect nut, a disease of cattle.
ধেনু, *s.* ধনু, মাইকি গৰু, a bow, a cow.

ধেনুপতিয়া, *s.* ধেনু পতা মানুহ, one who sets the bow for a wild beast.
ধেনু মজা, *s.* এবিধ বিহলঙ্গনি বন, ধেনু জোঁৰ যঁহি টনটনিয়া কৰা, a species of wild plant.
ধেন্দেলা, *a.* চকু ফুটা গালিৰ মাত, blind, a term of abuse.
ধেমালি, *s.* ৰঙ্গ, ওমলা, খেলা, play, sport, pastime; with কৰি, to play &c.
ধেমেলাধেমেলি, *a.* ইটে সিটে ৰঙ্গ কৰা, playing together.
ধেমেলিয়া, *a.* ৰঙ্গুআল, কৌতুকিয়া, sportive, playful, jocose.
ধৈয়াল, *a.* নিধক, নিলাজ, নির্গত, shameless, abominable.
ধৈর্য্য, *s.* সহন, সান্ত, থিৰে থকা, constancy, firmness, patience, endurance, steadfastness, composure; with ধৰি, to endure &c.
ধোআ, *a.* ধৌত কৰা, পখলা, washed, cleansed.
ধোআমুলা, *a.* নিকা, ধুই অনা, উবাব কৰা, clean, clear, pure, washed, cleared out; *i. e.* nothing left.
ধোঁআ, *s.* জুইৰ ভাপ বিশেস, ধুম্র, smoke.
ধোঁআকোঁআ, see ধুঁঅলি কুঁঅলি,
ধোন্দাল, *s.* বৰ ফই, জৰি, ফোঁপাল, a large rope, a cable.
ধোন্দোলা *a.* মাজেদি বহল বিন্ধা থকা, ফোঁপোলা, hollow, tubular.
ধোব, *s.* কাপৰৰ নিকা গুন, whiteness, cleanness.
ধোবা, *s.* ধুবি, কাপৰ ধোআ মানুহ, a washerman, a *dhoba.*
ধোবানি, *s.* ধুবুনি, ধোবাৰ তিৰোতা, a washerwoman.
ধৌচিৰা, *a.* দুফাল হৈ ফটা, চিটাচিট হৈ ফটা, rent, split into parts.
ধৌত, *a.* ধোআ, বগা, মলি নথকা কৰা, washed, purified, white.
ধোধোকৰে, *ad.* নিচেই বগা, বৰ বগা, very white or clean.
ধ্যান, *s.* ধিয়ান, চিন্তন, ভাবন, meditation, religious contemplation, reflection, thought; with কৰি, to meditate &c.
ধ্যানি, *a.* ধ্যান কৰোঁতা, meditative, contemplative, thoughtful.
ধ্রুব,*a.* থিৰ, নিচই, উত্তৰ কেন্দ্রত থকা এটা তৰা, fixed, permanent, stable, certain, sure; with তৰা *s.* the polar star, the north pole.
ধ্বংস, *s.* নষ্ট, চুনচাত, destruction, ruin.
ধ্বংসক, } *a.* নষ্ট কৰোঁতা, উপদ্রুবি, destructive, ruinous.
ধ্বংসি, }

## ন

ন, নকাৰ, নতুন, নৱম সংখ্যা, কথাৰ আগত থাকিলে নিসেধ বা ওলোটা অর্থ বুজাই, জেনে নহই, নকৰি. This letter is pronounced like the letter *n*, in *tent.* In composition it has the force of *un, in, not,* and often takes a vowel to euphonize with the

vowel of the word to which it is joined; as দি, to give; নিদি, not to give; আনি, to bring, নানি, not to bring; উঠি, to ascend; নুঠি, not to ascend &c.

নক্চা, *s.* আৰ্জা, পট, আৰ্হি, a picture, a portrait, a model, a map, a plan.

নকটা, *a.* গোটা হৈ থকা, চেদ নকৰা uncut, undissevered, undivided.

নকঁৰলা, *a.* আশিৰে থকা, untrimmed, unpruned.

নকঁৰা, *a.* পৰলিয়া, আকাঁৰি, uncleaned, unpounded, (as of rice.)

নকল, *s.* প্ৰতি ৰুপ, আৰ্হিৰে লিখা, a copy, an imitation, a transcript.

নকা, *a.* নাকেৰে, নাক থকা, having a nose.

নকুল, *s.* নেউল, পাণ্ডুৰ এক ভাই, an ichneumon, (Viveria Ichneumon;) one of the five Pandoo princes.

নকুসক, *a.* দুখ সুয় সহিব নোঅৰা, unable to endure fatigue, effeminate.

নকৈ, *ad.* নতুনকৈ, দুনাই, newly, recently, a second time.

নখ, *s.* আঙ্গুলিৰ মুৰৰ চোকা ভাগ, পৰ্বতৰ কেৱল দাঁতি, a toe or finger nail, a claw, a talon.

নখচুকা, *s.* নখৰ চুকত হোআ এবিধ ৰোগ, a whitlow.

নখ্যত্ৰ, *s.* তৰা, চন্দ্ৰৰ ২৭ ভাৰ্জ্যা, a star, a constellation, a stellar mansion.

নখ্যত্ৰপতি, *s.* চন্দ্ৰ, জোন, the moon.

নগনা, *a.* নেলেখা, মান্য নকৰা, uncounted, disesteemed, disregarded.

নগৰ, *s.* ৰাজধানি, ৰজা থকা ঠাই, জিলা, পুৰ, পুৰি, a town, a city.

নগৰা, *s.* ভাৰপাচি আদিত লগোআ জৰি, বা কনাৰি, a rattan ring or loop.

নগৰিচন, *s.* নগৰধংসন, নাস, উপদ্ৰুণ্ড, the destruction of a city, devastation, ruin.

নগৰিয়া, } *a.* নগৰত থকা, নগৰ নিবাসি, dwelling in a city; *s.* a
নগৰুআ, } citizen.

নগা, *s.* পৰ্বতিয়া জাতি বিসেস, a Naga, a race inhabitating the mountains south-eastward of Assam.

নগাটেঙ্গা, *s.* এবিধ টেঙ্গা, a species of lemon.

নগাঢাৰি, *s.* বাঁহৰ সজা ঢাৰি, a kind of large bamboo mat.

নগামাকো, *s.* নগাৰ এবিধ কাপৰ, a kind of Naga cloth.

নগুৰসাস্তি, *s.* উগ্ৰসাস্তি, বৰ সাস্তি, extreme punishment or suffering.

নঘটা, *a.* সিধি নোহোআ, নফলিউআ, নহৰা, unaccomplished, unsuccessful, unconquered.

নঘৰিয়া, *a.* নকৈ আহি ঘৰ সাজি লোআ, newly residing in a place.

নঙ্গলা, *s.* দুআৰ মুখৰ সলখাৰ্মাৰি, a bar of a gateway or passage.

নচা, *a.* নাচি থকা, আঙ্গিভঙ্গি কৰা, dancing, skipping; *s.* a dance.

নচুউআ, *s.* নাচ কৰোওআ, the causing to dance.
নজনা, *a.* অজনা, অবোধ, ভু নোপোআ, ignorant, unknown, unacquainted; *s.* the not being aware of, ignorance.
নটলা, *a.* মন নকৰা, বিবেচনা নকৰা, ভালকৈ নেদেখা, inattentive, without discrimination, perception or proper understanding.
নটা, *a.* নাটনি হোআ, নোজোৰা, ন গোট, insufficient, wanting, nine.
নটি, } *s.* নাচনি, বেস্যা তিৰি, a dancing girl, a prostitute, a harlot, a strumpet.
নটিনি, }
নটুআ, *s.* নচা লৰা, a dancing boy.
নতি, *s.* স্তুতি, প্রনাম, নমস্কাৰ, obeisance, prostration, humility.
নতুন, *a.* ন, নকৈ হোআ, নবিন, new, fresh.
নতুনকৈ, *ad.* নকৈ, পুনৰাই, newly, lately, recently, renewedly.
নতুবা, *ad.* নাইবা, অথবা, জদি নহই, otherwise, if not, or else.
নথা, *s.* খুঁটাৰ কানে সৈতে মাৰলি বন্ধা, নাথনি দিয়া, the binding of a *maroli* or transverse timber to the shoulder of a post; *a.* bound.
নথৈ, *ad.* নোথোআকৈ, সেস নেৰাকৈ, without stint, entirely; *v*, not to place or put down.
নথৈভক্তি, *s.* বাঁকি নথকাকৈ কৰা ভক্তি, entire devotion, loving with the whole heart.
নদ, *s.* ব্রহ্মপুত্র আদি মতা নৈ, a river; (personified as male.)
নদনবদন, *a.* সকলো বিধৰ সম্পত্তিৰে বৰ্হা, বাহুল্য, possessed of abundance.
নদি, *s.* গঙ্গা জমুনা আদি নৈ, a river, *fem.* of নদ, as the Ganges &c.
নদিয়া, *s.* মাটিৰ চৰিয়া, a kind of large earthen dish.
নদিয়াল, *s.* ডোম, মাচ মৰা জাতি, a Doom, the fisherman caste.
ননন্দ, } *s.* ননদ, গিৰিএকৰ ভনিএক, a husband's younger sister.
ননন্দি, }
ননা, *a.* অনা নোহোআ, not brought; with কৈ, *ad.* without bringing.
নন্দন. *s.* পুত্র, পুতেক, a son.
নন্দিনি, *s.* জি, কন্যা, দুহিত্রি, দুহিতা, a daughter.
নন্দেক, *s.* গিৰিএকৰ ভনিএক, see ননন্দ,
নপকা, *a.* কেঁচা, পকা নোহোআ, green, unripe.
নপৰিয়া, *a.* নৰিয়া, ৰুগিয়া, sick, unwell; as a substantive, sickness.
নপুংসক, *s.* মতা বা তিৰোতা নোহোআ, লেহেতিয়া, অঙ্গহিন, খাহি কৰা পুৰুস, a eunuch, a hermaphrodite; *a.* destitute of virility, neuter.
নফলিয়াই, *v.* সিদ্ধি নহৈ, গুন নধৰি, নঘটি, not to come pass, to be ineffectual.

নবাব, } s. বাদস্যাৰ মন্ত্রি বিসেস, a nabob, a viceroy.
নেবাব, }

নবিন, a. নতুন, ন, হবৰ অলপ দিন হোআ, new, fresh, modern, novel.

নভগানিচিগা, } a. গোটা, লিকটা, whole, unbroken, tough, flexi-
নভঙ্গানিচিঙ্গা, } ble, not brittle.

নমনা, a. অমান্য কৰা, হেলা কৰা, মনিব নোঅৰা, disobedient, regardless, indistinct, imperceptible.

নমস্কাৰ, s. সেৱা, প্রনাম, a bow, a salutation, obeisance.

নমস্য, a. সেৱা বা প্রনামৰ জোগ্য, honorable, worthy of respect or salutation, reverend.

নমাই, v. তললৈ আনি, চপৰাই, দোঁআই, to take down, to lower.

নমোআ, s. তললৈ অনা, চাপৰোআ, দোঁওআ, causative of the above.

নম্র, a. নৰম, অহঙ্কাৰ নথকা, মৃদু, কোমল, সেও হোআ, humble, lowly, meek, gentle, mild, forbearing, yielding, forgiving.

নয়ন, s. চকু, নেত্র, আখি, লোচন, the eye.

নৰ, s. মানুহ, পুৰস, জন, a man, a male, mankind.

নৰক, } s. পাপৰ ফল ভোগা ঠাই, hell, one of the sixty four infer-
নৰ্ক, } nal regions of the hindoo books.

নৰকনি, s. গোকাটনি, অসুচি ঠাই, any filthy detestable place.

নৰকি, } a. নৰকত থকা, পাপি, অধৰ্ম্মি, hellish, infernal, wicked,
নৰ্কি, } impious.

নৰনি, s. নখ কটা সৰু অস্ত্র, খনিকৰৰ নিচেই সৰু বটালি, an instrument for cutting the nails, engravers, tools.

নৰনিপতিয়া, a. ঠেক পাতেৰে, সৰু চেপেটা, very thin and narrow like the above.

নৰপতি, s. ৰজা, নৃপতি, a king, *lit.* Lord of men.

নৰবলি, s. মানুহ বলি, a human sacrifice.

নৰমেধ, s. আগৰ কালৰ জজ্ঞ বিসেস, a festival of former days.

নৰলোক, s. ইহলোক, মৰ্ত্ত্য লোক, ভূলোক, মানুহৰ ঠাই, the world inhabited by men.

নৰসিংহ, s. বিষ্ণুৰ চতুৰ্থ অৱতাৰ, the fourth incarnation of Vishnoo, in shape half man and half lion.

নৰা, s. দাই এৰা ধান গচৰ গুৰি, এজাত মানুহ, stubble, a race of people in upper Assam.

নৰাতগৰ, s. এবিধ ফুলৰ নাম, a species of flower.

নৰাধম, a. দুষ্ট স্বভাৱৰ মানুহ, অজোগ্য, depraved, wicked, low, mean.

নৰানি, *s.* নৰা থকা ঠাই, নৰা জাতিৰ মাইকি, a field of stubble.
নৰাবগৰি, *s.* এবিধ গুটি, ফল বিসেস, a species of plum.
নৰিয়া, *a.* ৰুগিয়া, জৰ বিয়াধি আদি, sick, ill; *s.* sickness, disease.
নৰিয়া পৰিয়া, নৰিয়া পাৰসিয়া, } *s.* অপাই, অমঙ্গল, বিঘিনি, বিয়াপাৰ, ৰুগি নিৰুগি, affliction, calamity, suffering, disease.
নৰেন্দ্ৰ, *s.* নৰৰ ইন্দ্ৰ, অৰ্থাত ৰজা, প্ৰজাপতি, a king, a sovereign.
নৰ্ভৰ, *a.* লেটিপেটি, মিহলি, ভ্ৰুষ্ট, mixed up promiscuously, corrupted by mingling, (applied to caste.)
নল, *s.* এবিধ ফোঁপাল ত্ৰিন, পুৰ্বৰ এক ৰজা, a reed; the name of a king.
নলকচু, *s.* এবিধ দিঘলিয়া কচু, an edible root of the arum class.
নলগা, *a.* গোট নধৰা, আলগতিয়া, অপ্ৰয়োজনিয়, fruitless, disunited, disconnected, unnecessary.
নলটেঙ্গা, *s.* মৰ্মতি টেঙ্গাৰ লতা, a species of acid vine.
নলনি, *s.* নলৰ হাবি, a patch of reed jungle.
নলৰৰা, *s.* এবিধ পাঁচ নখিয়া গাহৰি, a species of wild animal.
নলৰা, *a.* থিৰে থকা, অলৰ, unshaken, immovable, fixed, firm, stable.
নলা, *s.* পানি জোআ বিন্ধা, দিঘল ফোঁপোলা পাত্ৰ, a drain, a tube.
নলি, *s.* সৰু দিঘলিয়া ফোঁপোলা মাৰি নেল, a tube, the trachea.
নলিচা, *s.* ধুঁআখোআৰ মাৰি, the upright tube of the *hooka.*
নৱম, *a.* নৱ সংখ্যা পুৰক, the ninth.
নৱমি, *s.* চন্দ্ৰৰ নৱম দিন, তিথি বিসেস, the ninth day of a lunar month.
নষ্ট, *a.* হানি, বেয়া, ভ্ৰুষ্ট, spoiled, destroyed, ruined, debauched, defiled, corrupted.
নহৰু, *s.* এবিধ মচলা, a garlic, (allium sativum.)
নাই, *ad.* নোহোআ, অভাও, নাস্তি, a negative, no, not; *s.* the navel.
নাইকিয়া, *s.* নথকা, নোহোআ, চুকুউআ, none, nothing, non-existence, extinction, death.
নাইপিয়া, *s.* জেঠিৰ দৰে বগাই ফুৰা এবিধ জন্তু, a species of lizzard.
নাইবা, *conj.* নতুবা, আন প্ৰকাৰ, or, otherwise.
নাও, *s.* নৌকা, নাম, খ্যাতি, a boat, a name, renown.
নাওনিমিত, *a.* এফেৰিমান, অতি অলপ, very little, in name only.
নাওবৈচা, *s.* নাও বোআ মানুহ, খেল এখন, the king's oarsmen.
নাওৰা, *s.* দুই ঘৰৰ মাজত দিয়া পানি ধৰা জতন, an eaves' spout.
নাক, *s.* নাসিকা, ঘ্ৰানেন্দ্ৰিয়, the nose.
নাকটি, *s.* নাকৰ ডিলা, the cartilage of the nose.
নাকডেওনা, *s.* নাকৰ ওপৰ ভাগ, the bridge of the nose.

নাকনি কাননি, *s.* বেবুজ দি ধৰা, কামত দুখ পোআ, vexation, trouble, bewilderment.

নাকি, *s.* নাকত লগোআ জৰি, a cord passed through the cartilage of the nose.

নাকিসলি, *s.* তাঁতৰ ব সলি, a part of a native loom.

নাগ, *s.* সাপ, হাঁতি, পাতালৰ কল্পিত উপদেৱতা, a hydra, a dragon, a serpent, fabulous demigods inhabitating the under world.

নাগতি, *s.* বৰ ক্লেস, নানা সাস্তি, নানা অৱস্থা, suffering, affliction, trouble; with কৰি, to trouble, to afflict, to vex.

নাগপাস, *s.* কল্পিত অস্ত্র বিসেস, হিন্দু মতে দেৱতাই বন্ধা সাপৰ জৰি, a fabulous magical noose or lasso used to entangle an enemy.

নাগফেনা, *s.* এবিধ কাঁইট গচ, সাপৰ ফেঁট, a species of cactus.

নাগ মাটি, }
নাগৰ গু, } *s.* আকৰত থকা এবিধ কলা মাটি, কৈলা মাটি, stone or fossil coal.

নাগেৰা, *s.* বাদ্য এবিধ, a kettle drum.

নাগলি, *s.* ম্লেচ জাতি, a barbarian, *i. e.* without caste.

নাগলোক, *s.* পাতাল পুৰ, an appellation of the hindoo infernal regions, *lit.* the world of hydras and serpents.

নাগিনি, *s.* নগাৰ তিৰোতা, সৰ্পিনি, a Naga woman, a female serpent.

নাগেস্বৰ, *s.* নাহৰ ফুল, the flower of the *nahor* tree.

নাঙ্গট, }
নাঙ্গটা, } *a.* উলঙ্গট, বিবস্ত্র, bare, naked.

নাঙ্গল, *s.* হাল বোআ জতন, a plough.

নাচন, }
নাচোন, } *s.* নচা, অঙ্গি ভঙ্গি কৰা, নাচ, dancing, a dance, frisking about.

নাচনি, *s.* তাঁতৰ সঁজুলি, নৰ্ত্তকি, নচা তিৰি, নাচি থকা, a species of ant, a pulley in a native loom, a female dancer.

নাচনিয়াৰ, *a.* নাচিব জনা, skilled in dancing.

নাচি, }
নাচিবাগি, } *v.* নাচন কৰি, অঙ্গি ভঙ্গি কৰি, to dance.

নাজিৰ, *s.* টেকেলাৰ গৰাকি, a sheriff, an officer over peons.

নাট, *s.* নৰ্ত্তন, ভাও, a dance, a pantomime, a drama.

নাটক, *s.* নটুআ, ভাও দেখাওতা, a dancer, an actor.

নাটনি, *s.* নটা, অকুলন, চুটা, insufficiency, inadequacy, want, lack.

নাটপাৰ, *s.* এবিধ পাৰ চৰাই, a species of dove.

নাতি, *s.* পুতেক জিএকৰ পুত্র, a grandson.

নাতিনি, *s.* পুত্তেক জিএকৰ জিএক, a grand-daughter.
নাতিপুতি, *s.* নাতিৰ পৰিনাতি, নাতিৰ নাতি. a great grandson.
নাথ, *s.* প্ৰভু, গৰাকি, স্বামি, a lord, a master, a husband, a protector.
নাথনি, *s.* খুঁটাৰ কানত মাৰলিৰে দিয়া বান্ধ, নথা, the binding of a beam or transverse timber to the post on which it rests.
নাদ, *s.* কুপ, পানি থকা দ পাঁত, গর্জন আদি সব্দ বিসেস, a well, a reservoir, a sound, a loud call, a roar, a bellow.
নাদনি, *s.* এবিধ মাচ, a species of fish.
নাদুৰি, *v.* সাঁতুৰি, পানিত সাঁতোৰ মেলি, to swim, to play about in water.
নাদোৰা, *s.* সাঁতোৰা, সাঁতুৰি ৰঙ্গ কৰা, frolicking in water.
নান্কাৰ, *s.* ৰজাই দিয়া নিষ্কৰ ভুমি, rent free land.
নানা, *a.* অনেক, বহু বিধ, বিবিধ, of many kinds, various.
নান্নৎনৱস্ত্ৰৎ, *a.* অতি দুখিয়া হোআ, ভাত কাপৰ নাইকিয়া, afflicted, wretched, poverty-stricken.
নানাৰুপ, *a.* বহু ৰুপ, অনেক প্ৰকাৰ, various, diverse, multiform.
নানার্থ, *a.* অনেক প্ৰকাৰ অর্থ, of diverse meanings.
নানি, *v.* নৈ নাহি. the negative of আনি to bring, *i. e.* not to bring.
নাপিত, *s.* মুৰ খুৰুউআ মানুহ, নট, a barber.
নাভি, *s.* নাই, the navel, the centre of a circle.
নাভিপদ্ম, *s.* ব্ৰহ্মাৰ জনম হোআ পদ্ম, the fabulous lily from which Brahma is said to have sprung.
নাম, *s.* নাও, খ্যাতি, ইস্বৰৰ গুন, তল, a name, honor, an appellation of a deity, a noun in grammar; *a.* inferior.
নামত, *prep.* তলত, চাপৰত, beneath, below.
নামতি, *s.* নাম লগোআ তিৰি, a female chorister.
নামনাচ, *a.* তাতকৈ সৰু বা চাপৰ, তল, short, a little less, inferior.
নামনি, *s.* উজনিৰ নাম বা ভাটি. পিথান, পর্বতৰ গুৰিৰ ঠাই, a lower part; as a lowland, the foot of a bed, the base of a mountain.
নামি, *v.* তললৈ গৈ, চাপৰ হৈ, to come down, to descend.
নামুআই, *v.* আমনি নেলাগি, মন গৈ, not to be satiated or disgusted.
নায়ক, *s.* অধিকাৰ, গৰাকি, a leader, a guide, a conductor.
নাৰ, *s.* এবিধ সৰু মাচ, a species of fish; (pronounced naro.)
নাৰ *a.* নষ্ট, বেয়া হোআ, spoiled, rendered useless.
নাৰদ, *s.* ব্ৰহ্মাৰ পুত্ৰ এজন, মুনি, the name of a celebrated hindoo sage who caused strife among the gods by tale-bearing.
নাৰদিয়া, *a.* নাৰদৰ দৰে চলা, টুটকিয়া, like Narod in tattling.

নাৰায়ন, *s.* বিষ্ণু, জলসাই, Vishnoo, *lit.* he who slept on the water.

নাৰায়নি, *s.* গোসানি, লক্ষ্মি, Lokhmi, wife of Vishnoo.

নাৰি, *s.* তিৰোতা, আঁত, হাত ভৰিৰ ঙেজি, *fem,* of নৰ, a woman, a female, the entrails, the pulse.

নাৰিকল, *s.* এবিধ গুটি, the cocoanut.

নাল, *s.* অস্ত্র আদিৰ হাতেৰে ধৰা ভাগ, a handle, a haft.

নালিয়া, *a.* নালৰ দৰে দিঘল, গা নাইকিয়া, long and slender.

নাৱৰিয়া, *s.* নাৱৰ মানুহ, a boatman.

নাস, } *s.* নষ্ট, ঢুকুআ, মৰন, destruction, ruin, annihilation, death.
নাসন, }

নাসক, *a.* নাস কৰোঁতা, ruinous, destructive.

নাসিকা, *s.* নাক, the nose.

নাস্তি, *a.* নাই, নোহোআ, not, not existing.

নাস্তিক, *a.* ইশ্বৰ বা পৰলোক আচে বুলি বিশ্বাস নকৰা, ধৰম সাস্ত্র নমনা, sceptical, atheistical; *s.* an atheist, an infidel, a sceptic.

নাস্রুতনাভুত, *a.* কেতিয়াও নুসুনা নজনা, unknown, unheard of.

নাহক, *a.* মিচা, অকাৰন, false, without cause.

নাহি, *v.* আগমন্ নকৰি, নাই, not to come; *ad.* নাই, not, (poetic.)

নি, *v.* লৈ গৈ, কথাৰ আগত থাকিলে নিসেধ বা নথকাক বুজাই, চেনে নিসিদ্ধ, নিলাজ, to take; as a prefix it implies absence or separation, as নিলাজ, shameless, নিলগ, absent.

নিওআ, *s.* নিয়াই থকা, ঢুকুউআ, the taking away, consuming; preceeded by দিন or কাল, the spending of time.

নিওঁতা, *s.* নিয়া জন, লৈ জাওঁতা, one who takes away.

নিঃ, *a.* নিহ, see নিচ,

নিকট্‌কট, } *a.* কাপ খাই ধৰা, লৰচৰ নোহোআ, বৰ কিৰ্পিন, closely
নিকপ্‌কপ, } fitting, fast, firm, penurious.

নিকটৰিয়া, *a.* কটাৰি নোহোআ, কষ্টকৈ সুদা লোন ভাত খোআ, নিৰস, *lit.* without a knife for cutting; hence, with খোআ, eating plain rice and salt, poor.

নিকটাই, } *v.* বখলিয়াই, চাল গুচাই, to remove the skin, peel
নিকোটাই, } or bark; with দাঁত, to show the teeth, as in laughing.

নিকটি, *v.* চাল গুচি বা এৰাই, to peel off, as skin or bark.

নিকপটিয়া, *a.* অকপটিয়া, সৰল, উদাৰ, sincere, guileless, frank.

নিকৰ, } *s.* চাল বিসেস, বাকলি, চোকোৰা, the skin, peel, bark.
নিকল, }

নিকৰি, *s.* পানি মৰলৰ গুটি, চোকোৰা, the seed of a species of aquatic plant, a scab.

নিকৰুআ, *a.* কঠিন কৰি খোআ, কষ্ট ৰূপে খোআ, eating sparingly or with discomfort.

নিকা, *a.* মলি নথকা, বগা, clean, pure, white.

নিকা কৰা, *a.* মলি গুচুউআ, সুধ বা বগা কৰা, purified, cleansed, refined, clarified; *s.* the act of purifying &c.

নিকাৰ, *s.* দুখ, জিয়াতু, কষ্ট, injury, suffering, torment.

নিকাহি, *s.* বাহিৰ্থকা চতি আদিৰ মুৰ, দাউৰি, a projection, an overhanging point.

নিখৰ্চি, *ad.* সমুলি, একো নথকাকৈ, completely, entirely.

নিখৰ্ব, *s.* ১০০ বৃন্দ, সংখ্যা বিসেস, a million million.

নিখন, *a.* একে আগি, নিখুন, entire, without defect, faultless, perfect.

নিখুন্দ, *a.* ঠাই নোহোআকৈ হেঁচি ভৰোআ, crammed full, pressed closely.

নিগনি, *s.* সৰু জন্তু এবিধ, a mouse.

নিগনি কুন্দা, *s.* নিগনি মৰা জন্ত্ৰ, a mouse trap.

নিগম, *s.* পৌৰানিক সাস্ত্ৰ বিসেস, a portion of the Purânas.

নিগৰি, *v.* জৰি, জৰি বগ ভাগ বেলেগ হৈ, to ooze out, to drip.

নিগাজি, *a.* আচুট, খবিচ, স্বৰূপ, real, genuine, true, exact.

নিগুঢ়, *a.* বুজিবলৈ টান, গুপুত, গম্ভিৰ, abstruse, obscure, profound.

নিগ্ৰহ, *s.* অতি কঠিন বা নিৰ্দয়া ৰূপে আচৰা, severity, harshness, rigorous treatment; with কৰি, to treat harshly &c.

নিঘাত বচন, *s.* অতি কুবচন, বা অসহনিয় মাত, cross angry speech.

নিঘুন, নিঘুনিয়া, } *a.* ঘুন নথকা, চিদ্ৰ নথকা, সৰু, sound, perfect, whole.

নিচ, *a.* কু, দুষ্ট, অধম, নিহ, low, mean, vile, disreputable.

নিচই, নিচৈ, } *a.* স্বৰূপ, সত্য, ঠিক, true, certain, exact.

নিচইকৈ, নিচয়ে, } *ad.* স্বৰূপকৈ, সত্য ৰূপে, truly, certainly, exactly.

নিচটি, *a.* একে আগি, গাৰি নিদিয়া, alike, of uniform texture.

নিচলা, *a.* খিনোআ, নিৰ্ধনি, দৰিদ্ৰ, emaciated, enfeebled, poor.

নিচলা পিচলা, *a.* সমুলি উদঙ্গ, without covering, naked.

নিচলিয়া, *a.* নিচ কাম কৰি ফুৰা, দুৰ্জন, mean, low, vicious, debased.

নিচাই, *v.* ঘৰৰ খেৰ বখলিয়াই, to remove the thatch of a roof.

নিচাও, *s.* আহোমৰ ৰৰ বাপেকৰ সম্বন্ধ, a father's elder brother; (ahom.)

নিচাঙ্গ, *s.* চাঙ্গ ঘৰৰ বাহিৰে মুকলি আগচাঙ্গ, an open or uncovered portion of a *sang* or raised floor of a house.

নিচাটু, *a.* অপেক্ষা নকৰা, independent, not having respect of persons.

নিচান, *s.* চিন, ধ্বজ, পতকা, a flag, a standard, a banner.

নিচিদ্র, *a.* চিদ্র নথকা, অসুধ নকৰা, faultless, pure, without holes; with কৈ, *ad.* faultlessly, unceasingly.

নিচিনা, *a.* সদ্রিস, দৰে, স্বৰুপ, নেদেখা নজনা, similar, like, analogous; accented on the second syllable unacquainted, unknown.

নিচিনাকৈ, *ad.* সদ্রিসে, দৰে, ৰুপে, নেদেখা নজনাকৈ, in the same manner &c.

নিচিন্তি, *v.* চিন্তা নকৰি, নেভাবি, to be thoughtless or free from anxiety.

নিচুকা, *s.* সৰু খৰাহি, সান্ত হোআ, a small basket for washing rice; *a.* assuaged, appeased, soothed.

নিচুকাই, *v.* সান্ত কৰাই, কান্দন এৰুআই, to assuage another's grief, to soothe, to comfort.

নিচুকি, *v.* সান্তি হৈ, কান্দন এৰি, to be comforted, to cease crying.

নিচুৰিয়া, *a.* সন্তান নোহোআ অৱস্থা বিসেস, without offspring.

নিচেই, *ad.* সমুলি, অতি, বৰ, completely, very, entirely.

নিচোআ, *s.* ঘৰৰ চালৰ খেৰ বখলিউআ, removing the thatch from a roof.

নিজ, নিজা, *a.* আপোন, স্ব, one's own, innate.

নিজগৰি, নিজগৰিয়া, *a.* জগৰ নথকা, আজৰি হোআ, faultless, free, at leisure.

নিজঞ্জাল, *a.* জঞ্জাল নথকা, নিৰোল, free from confusion, disorder, trouble or care.

নিজনি, *a.* ফট্‌ফটিয়া, নির্ম্মল, clear, limpid, transparent.

নিজম, *s.* নিটাল, মনে মনে থকা, keeping silent; with দি, to be silent &c.

নিজৰনি, *s.* জৰনিৰ পানি, an oozing or dropping.

নিজৰা, *s.* ঘামি ঘামি বোআ, oozing, percolating.

নিজৰি, *v.* ঘামি, জৰি, বৈ, to ooze, to drop, to percolate, to perspire.

নিজাৰ পৰা, *s.* ফুল সৰা, উবাৰ হোআ, এঁটোআ, the falling or closing up of the petals of a flower.

নিজুক্ত, *a.* নিজোজিত, কামত পতা, appointed, authorized.

নিজুত, *s.* দহ লাখ, a million.

নিজোজক, *s.* নিজোজন কৰোঁতা, one who appoints or ordains.

নিজোজন, *s.* নিজুক্ত কৰা, পতা, the act of ordaining or appointing; with কৰি, to ordain, to appoint.

নিয়োজিত, *a.* নিজোজন হোআ, appointed, authorized, ordained.
নিটহটহ, *a.* see, নিকটকট, বৰ টান
নিটালমৰা, *s.* নিজম দিয়া, মনে মনে থকা, silence, taciturnity; *a.* silent &c.
নিচালে পৰা, *s.* চিত হৈ পৰা, দিঘলদি পৰা, চৌবাঙ্গিদি পৰা, falling suddenly senseless.
নিত, *ad.* নিতৌ, সদাই, daily, continually, constantly.
নিতি, *s.* ৰিতি, সদাচাৰ, নিয়াই, good behaviour, moral conduct, morality.
নিতি কথা, *s.* হিত উপদেস, সজ বুধি দিয়া কথা, a moral tale a discourse on ethics.
নিতুলি, *ad.* সঘনে, খতি নকৰাকৈ, সদাই, constantly, without cessation.
নিতৌ, *ad.* দিনৌ, প্রতিদিন, daily.
নিত্য, *a.* নিতে, ওৰেও, সদাই, continual, perpetual, eternal.
নিত্যানন্দ, *a.* সদানন্দ, সদাই আনন্দ, ever joyful, ever happy.
নিদান, *s.* আদি কাৰন, এক বৈদ্য সাস্ত্র, দুখ বা আপদ, cause, the name of a medical treatise; with কাল, a time of suffering or calamity.
নিদাৰুন, *a.* মৰম হিন, কাঠ চিত, নির্দয়া, harsh, cruel, merciless.
নিদ্রা, *s.* টোপনি, ঘুমটি, সয়ন, sleep, slumber, drowsiness.
নিদ্রালু, *a.* টোপনি গধূৰা, এলেহুআ, sleepy, lethargic, slothful.
নিদ্রিত, *a.* টোপনিত থকা, ভৰ ঘুমটি অহা, asleep, slumbering.
নিধক, *a.* নিলাজ, নির্গত, shameless, (a term of abuse.)
নিধকালি, *s.* নির্গতালি, নিলাজ কাম কৰা, shamelessness.
নিধনি, } *a.* ধন নাইকিয়া, কঙ্গাল, দৰিদ্র, poor, indigent, needy.
নির্ধনি, }
নিধৰুআ, *a.* ধাৰ নথকা, without debt, not indebted.
নিধাতু, *a.* কান্দি ঠৰ হোআ, নিৰুস্বাস, উধাতু, out of breath, as from violent crying or flight.
নিধি, *s.* ভঁৰাল, সম্পতি, আধাৰ, সমুদ্র, a treasury, wealth, a receptacle, the ocean.
নিনাও, *a.* নাম নথকা, without a name.
নিন্দক, } *s.* নিন্দা কৰা, নিন্দা কৰোঁতা, reproaching, reviling, blaming, a reviler, a blasphemer.
নিন্দকি, }
নিন্দনিয়, *a.* নিন্দাৰ জোগ্য, নিন্দা কৰিব লগা, নিহ, blameworthy, contemptible, despicable.
নিন্দা, *s.* তিৰস্কাৰ, গৰিহনা, বিকর্থনা, reproach, slander, abuse.
নিন্দাবিতণ্ডা, *s.* নানা ৰুপ গালি সপনি, all manner of abuse.
নিন্দি, *v.* নিন্দা কৰি, গৰিহনা কৰি, to abuse, to reproach, to revile.

নিন্দিত, *a.* নিন্দা পোআ, গৰিহিত, অধম, despised, reviled, low.
নিপাত, *s.* নাস, তললৈ পৰা, a falling down, overthrow, ruin.
নিপানি, *a.* পানি নথকা, বা নিদিয়া, dry, tight, not leaky.
নিপুন, *a.* পাৰ্গত, পটু, eminent, skilful, expert, able.
নিপোটল, *a.* আগে গুৰিএ সমান, পুৰ, of uniform size throughout the whole length, plump.
নিফুট, *a.* অহফুট, অতি গুপুত, লুকুআ, concealed, hidden.
নিবন্ধ, } নিবন্ধন, } *s.* নিয়ম, কথা বন্ধা, প্ৰতিগ্যা, an agreement, a voluntary obligation or vow.
নিবাৰন, *s.* হাক, বাধা, নিসেধ, prohibition, hindrance, resistance.
নিবাস, *s.* ঘৰ, থকা ঠাই, a dwelling, a residence; with কৰি, to dwell.
নিবাসি, *a.* বাস কৰোঁতা, থাকোঁতা, residing; *s.* an inhabitant &c.
নিবিৰ, *a.* ঘোৰ, অযাধ্য গহিৰ, dense, thick, impenetrable.
নিবেদন, *s.* জনোআ, গোচৰ, প্ৰাৰ্থনা, মিনতি, a representation, a petition, a request, a prayer.
নিবেদিত, *a.* নিবেদন কৰা, প্ৰাৰ্থিত, উচৰগ কৰা, made known, requested, asked for, given, offered in sacrifice.
নিবোকবোক, see নিমাও মাও, নমতা,
নিবোকা, *a.* নমতা, নোবোলা, silent, taciturn, reserved.
নিব্ৰিত্তি, *s.* গুচা, শান্ত, এৰা, a cessation, a leaving off.
নিভঁজুআ, } নিভাঁজ, } *a.* ভাঁজ নথকা, সুধ, পোন, unmixed, unalloyed, straight.
নিম, *s.* তিতা গছ এবিধ, the Nim tita tree, (Melia Agadirachta.)
নিমজ, *a.* সিতল, মিহি, খহটা নোহোআ, smooth, of even surface.
নিমন্ত্ৰন, *s.* আহ্বান, মতা, আমন্ত্ৰন, an invitation, a call, a summons.
নিমন্ত্ৰিত, *a.* আমন্ত্ৰিত, মতা, called, invited.
নিমৰমিয়াল, } নিৰ্মৰমিয়াল, } *a.* নিৰ্দয়া, ক্ৰিপাহিন, মৰম নোহোআ, unmerciful, unkind, pitiless, hard-hearted.
নিমাওমাও, *a.* নিবোকবোক, মাত নাইকিয়া, silent and solitary.
নিমাত, *a.* মাত নথকা, অবাক, speechless, silent.
নিমাতি, *s.* এবিধ চৰাই, a species of bird.
নিমাখিত, *a.* দুখিয়া, দৰিদ্ৰ, অকল সৰিয়া, poor, lonely, solitary.
নিমিত্ত, *s.* কাৰন, হেতু, নিদান, a reason a cause, a motive.
নিমিত্তে, *a.* কাৰনে, হেতুকে, অৰ্থে, for, for the sake of, for the purpose of, on account of.
নিমিস, *s.* চকুৰ প্ৰচাৰৰ সমান খন্তেক, the twinkling of an eye, a moment.

নিমিসতে, *ad.* তিলেকতে, মুহূৰ্তকতে, চকুৰ প্ৰচাৰতে, in a moment, quickly.

নিগুআ, *a.* নিবোকা, আসই নোপোআ, পেট বুধিয়া, covert, deep, designing, specious.

নিগুআকৈ, *ad.* কোনেও ভু নোপোআকৈ, covertly, secretly.

নিমুৰমুৰা, *a.* ঠাল টেঙ্গুলি ন থকা, লঠা মুৰা, without stem or support, hence friendless, forlorn, helpless.

নিয়তি, *s.* ফেঁচা, an owl.

নিয়ম, *s.* নিৰ্বন্ধ, বিধি, ৰিতি, মত, প্ৰতিগ্যা, a covenant, a stipulation, a law, a regulation, a rule, an agreement.

নিয়মকৈ, *ad.* নিয়ম ৰুপে, জোখাকৈ, according to rule or custom.

নিয়ম পত্ৰ, *s.* নিয়ম লিখা কাকত, a written agreement, a treaty.

নিয়মিত, *a.* নিৰুপিত, ঠিক, stipulated, fixed, appointed, settled.

নিয়ৰ, *s.* হিম, dew.

নিয়ৰভঙ্গা, *s.* আঁঠুৰ তল ভাগ, পছ আদিৰ আগ চেউৰাৰ মাজ ডোখৰ, *lit.* breaking the dew, applied to any part of the body that sweeps the dew.

নিয়া, *a.* লৈ জোআ, লোআ, taken a way; *s.* the act of taking.

নিয়াই, *v.* লোকৰ দ্বাৰাই নি, স্থানান্তৰ কৰি, স্বৰুপ, ন্যাই, to take away; *s.* justice, righteousness; *a.* right, just, true.

নিয়াৰি, *s.* ধাতু পিটা ঠকুৰা বিসেস, আৰ নথকা, an anvil, straight, perfect.

নিৰ, *particle.* কথাৰ লগত জোগ হলে নোহোআ বুজাই, পানি, used only in composition to express privation, absence, or negation; the final ৰ, is changed into স, or চ, according to the initial letter of the word to which it is prefixed; *s.* water.

নিৰঞ্জন, *a.* নিৰ্মল, তেজোময়, পুন্য, পৰম ইশ্বৰ, untinged, unstained, pure.

নিৰন্তৰ, *a.* সদা, অবিচেদ, without interval, incessant.

নিৰপৰাধ, *s.* অপৰাধ হিন, নিৰ্দোস, innocence, freedom from fault.

নিৰপৰাধি, *a.* নিৰ্দুসি, নিজগৰিয়া, guiltless, innocent.

নিৰৰ্থ, } *a.* প্ৰয়োজন নথকা, অকামিলা, অসাৰ্থক, মিচা, useless, to
নিৰৰ্থক, } no purpose, profitless, without meaning.

নিৰল, *a.* থিৰ, লৰচৰ নকৰা, জঞ্জাল নথকা, fixed, immovable.

নিৰস, *a.* সুকান, জৰ্জৰিয়া, অস্বাদ, dry, without juice, insipid.

নিৰসা, *a.* আসা নাইকিয়া, hopeless, dejected, despairing.

নিৰস্ত্ৰ, *a.* অস্ত্ৰ হিন, সুদা হাত, without weapons, empty handed.

নিৰহঙ্কাৰ, *s.* অহঙ্কাৰ নথকা, নম্ৰ মন, humility, lowliness of mind.

নিৰহঙ্কাৰি, *a.* অহঙ্কাৰ নকৰা, নম্ৰ, poor in spirit, humble, lowly.

নিৰহনিপানি, *a.* ৰস পম নথকা, কিৰ্পিন, একে কথিয়া, without moisture.
নিৰহাই, *v.* নিৰহ কৰি, পানি নথকা কৰি, to deprive of water or moisture, to pour off water from a substance.
নিৰহোআ, *s.* ৰস নাইকিয়া কৰা, জৰ্জৰিয়া কৰা, the pouring off of water.
নিৰাই, *v.* সাক আদিৰ বন গুচাই, চিকোনাই, to weed, to root out.
নিৰাকাৰ, *a.* আকাৰ সুন্য, নিৰাক্ৰিতি, without form, incorporeal.
নিৰানন্দ, *s.* সোক, বিসাদ, বিমন, sadness, dejection, sorrow.
নিৰাপদ, *a.* আপদ হিন, সুকলম, নিৰ্বিঘিনি, secure, safe; *s.* security &c.
নিৰাময়, *a.* ৰোগ নথকা, free from sickness or disease.
নিৰাস, *a.* আসা নথকা, hopeless, despairing.
নিৰাস্রই, *a.* ডঙ্গুআ, আস্রই হিন, without refuge or help, unprotected, helpless, defenceless.
নিৰাহাৰ, *s.* লঘোন, ব্ৰত, abstinence from food, fasting.
নিৰিখ, *s.* চলিত দৰ ভাও বা নিয়ম, a fixed rate or price.
নিৰিখ্যন, *s.* চোআ, দেখা, a looking, seeing, observing.
নিৰুউআ, *s.* সাক ধান আদি গচোওআ, weeding or causing to be weeded.
নিৰুগি, নিৰুগিয়া, *a.* ৰোগ নাইকিয়া, সুস্থ, in health, well.
নিৰুত্তৰ, *a.* উত্তৰ দিব নোআৰা, অবাক, নিমাত, unanswerable, speechless.
নিৰুদ্ধ, নিৰোধ, *a.* বন্ধা, ভেঁটা, ৰোধ কৰা, obstructed, hindered, restrained.
নিৰুপন, *a.* সজা, থিৰ কৰা, পতা, a planning, arranging, settling or determining, the laying down of a rule or precept.
নিৰুপম, *a.* অনুপম, উপমা হিন, incomparable, matchless.
নিৰুপাই, *a.* অনুপাই, উপাই ৰহিত, বিবুধি, remediless, helpless.
নিৰুপিত, *a.* থিৰ কৰা, নিচই কৰা, settled, fixed, appointed.
নিৰুস্বাস, *a.* উসাহ বন্ধ, ধাতু নাইকিয়া, out of breath, stifled.
নিৰোআ, *a.* গচোআ, ধান আদি চিকোনোআ, weeded.
নিৰোল, *a.* হাই উৰুমি নোহোআ, hushed, still, quiet.
নিৰ্গত, *a.* নিলাজ, shameless.
নিৰ্গতালি, *s.* নিলাজ কৰম কৰা, shamelessness.
নিৰ্গুন, *a.* গুন ৰহিত, অকামিলা, destitute of properties, worthless.
নিৰ্জান, *a.* লোক সুন্য, অৰন্য, secluded, solitary, uninhabited.
নিৰ্জু, *a.* সান্ত, জাতি, চেঁচা, খঙ্গাল নোহোআ, calm, placid, cool.
নিৰ্দয়া, *s.* দয়া হিন, নিমৰম, cruelty, hardheartedness.
নিৰ্দুসি, *a.* নিজগৰিয়া, নিৰপৰাধি, innocent, blameless, faultless.

নির্দোস, *v.* দোস হিন, নিৰপৰাধ, innocence, freedom from fault.
নির্বন্ধ, see নিবন্ধ,
নিবল, *s.* দুর্বল, সক্তি হিন, weakness, feebleness, impotence.
নির্বলি, *a.* দুর্বলি, আসকতিয়া, খিন, weak, feeble, impotent.
নির্বান, *s.* নুমুআ, হিন্দু মতে ইশ্বৰত লই জোআ মুক্তি, extinction, extinguishment as of a lamp or fire; the hindoo doctrine of the total emancipation of the individual soul from matter, and its re-absorption into the divine essence; *a.* blown out &c.
নির্বিকাৰ, *a.* সদাই একে দৰে থকা, immovable, without change.
নির্বিঘিনি, *a.* নিৰাপদ, secure, without impediment or difficulty.
নির্বিঘিনিএ, *ad.* বিঘিনি নোহোআকৈ, কুসলে, securely, safely.
নির্বিৰুধি, *a.* নির্বিৰোধ, মিলেৰে থকা, peaceable, free from strife.
নির্বিৰোধে, *ad.* মিলেৰে, কন্দল নোহোআকৈ, peaceably, quietly.
নির্বিহ, *s.* এবিধ ঔসধি গুটি, a species of medicinal fruit.
নির্বুধি, } *a.* বুধি হিন, অগ্যানি, অজলা, silly, foolish, dull, imbe-
নির্বোধ, } cile; *s.* imbecility, folly.
নির্ভই, *a.* নিসংসই, সাহিয়াল, বুকু ডাঠ, bold, fearless, undaunted.
নির্ভুল, *a.* ভুল নোহোআ, সুধ, নেপাহৰা, without error or mistake.
নির্মল, *a.* মল নাইকিয়া, নিকা, সুধ, pure, clear, transparent, cloudless.
নির্মান, *s.* সজা, কৰা, গৰ্হা, formation, making or fabricating.
নির্মালি, } *s.* দেৱতাক দিয়া পুস্পাদি, বা মালা, a garland &c. offered
নির্মাল্য, } to an idol, and returned by a priest to his disciples.
নির্মিত, *a.* নির্মান কৰা, সজা, কৰা, made, formed, built.
নিল, *s.* ৰম গচ, এবিধ কলা বৰন, indigo.
নিলকণ্ঠ, *s.* সদাসিৱ, মৰা চৰাই, তিতা ঔসধ বিসেস, blue throated, an appellation of Hoda Hiwo, a peacock, a bitter medicine.
নিলকান্ত, *s.* নিল মনি, বাখৰ বিসেস, a kind of bead, a sapphire.
নিলগ, *a.* আঁতৰ, বেলেগ, দুৰৈ, absent, distant, far off, remote.
নিলগাই, *v.* দুৰ কৰি, আঁতৰাই, to separate, to remove, to put away.
নিলগা নিলগি, *a.* আঁতৰা আঁতৰি, separate, remote from each other.
নিলগিয়া, *a.* দূৰৈ, পৰ, সমন্ধ নথকা, distant, separate, unrelated.
নিলগে, *ad.* বেলেগে, আঁতৰে, আলেঙ্গে, separately, remotely, apart.
নিলগোআ, *s.* দুৰ কৰা, আঁতৰোআ, a removing, a separating.
নিলাজ, *a.* লাজ নাইকিয়া, নিধক, shameless, impudent, immodest.
নিলাজি, *s.* লাজ নাইকিয়া তিৰি, এবিধ বন ফুল বা তাৰ গচ, an immodest woman, the sensitive plant.

নিলাম, *s.* see লিলাম,

নিসংসই, *a.* সংসই নকৰা, নিৰ্ভই, indubitable, clear, certain, fearless.

নিসকতিয়া, *a.* সক্তি হিন, আসকতিয়া, দুৰ্বলি, weak, feeble, infirm.

নিসঙ্গ, } *a.* অকলসৰিয়া, লগ সঙ্গ নথকা, solitary, alone, without
নিসঙ্গি, } society.

নিসত, *a.* ৰস নথকা, খৰাঙ্গ, বিৰস, dry, parched.

নিসনি, *s.* তপত ভাতৰ পানি, rice gruel.

নিসন্তান, *a.* সন্তান হিন, নিচুৰিয়া, childless, without offspring.

নিসন্ধি, *a.* সুন্য নথকা, ঠাহ মৰা, গঞ্জ, without interstices, closely packed.

নিসমৰ, *s.* মনে মনে থকা, নিজম দিয়া, the keeping silent, quiet or unresisting, passiveness.

নিসা, *s.* ৰাতি, ৰজনি, সৰ্বৰি, হালধি, night, turmeric.

নিসাকৰ, *s.* চন্দ্ৰ, জোন, the moon.

নিসাপতি, *s.* জোন, চন্দ্ৰমা, নিসাকৰ, the queen of night, the moon.

নিসাৰসাৰ, *a.* ঘোৰ টোপনিত অচেতন বা সঁহাৰি নোপোআ, উমান নাইকিয়া, locked in sleep, unconscious, indifferent.

নিসালমুআ, *a.* কাৰো মুখলৈ নেচাই চোকা মাত মতা, speaking without regard to person or rank, impudent.

নিসেধ, *s.* হাক, বাধা, prohibition, restriction.

নিস্কৰ, *a.* খাজনা দিব নলগিয়া, নানকাৰ, not taxable, rent free.

নিস্কৰ্মা, } *a.* অকৰ্মা, অপাত্ৰ, একো কামৰ জোগ্য নোহোআ, worthless,
নিস্কৰ্মি, } undeserving, useless.

নিস্ঠ, *a.* দ্রিঢ, নিচই, ঠিক, সত্য, fixed, certain, true.

নিস্ঠা, *s.* দ্রিঢ ভক্তি, স্রদ্ধা, steadiness, adherence to belief &c.

নিষ্ঠুৰ, *a.* নিদাৰুন, নিমৰমিয়াল, merciless, cruel, harsh, fierce.

নিস্তাৰ, } *s.* ৰখ্যা, মুক্তি, তৰনি, পাৰ হোআ, salvation, deliverance,
নিস্তাৰন, } rescue, preservation.

নিস্তাৰক, *a.* ৰাখোঁতা, উধাৰ কৰোঁতা, delivering; *s.* a deliverer.

নিস্তাৰ কৰ্তা, *s.* ত্ৰান কৰ্তা, মুক্তি দাতা, a saviour, a deliverer.

নিস্তাৰি, *v.* মুক্তি দি, উধাৰি, to save, to rescue.

নিস্পতি, *s.* সমাপ্ত কৰা, মুৰ পেলোআ, a finishing, a decision, the final settlement or disposition of a matter.

নিস্পাপি, *a.* নিৰ্দুসি, পাপ নথকা, without sin, guiltless, innocent.

নিস্প্ৰয়োজন, *a.* অকাৰন, নিৰৰ্থক, নলগা, to no purpose, needless.

নিস্পৃহা, *a.* অনিচা, আস্তিক নথকা, apathetic, without desire, disinterested; *s.* indifference, apathy, disinterestedness.

নিস্ফল, *a.* বিফল, অনৰ্থক, মুদা, গোট নধৰা. fruitless, ineffectual.

নিহপালি দিয়া, *a.* সকলোএ ঘোৰ নিদ্রাত পৰা, নির্জ্জন পৰা. locked in sleep; an hour of the night when none keep awake.

নিহালি, *s.* কঁথা, তুলা আদিৰে কৰা জাৰ কাপৰ বিসেস, a quilted cloth.

নু, *ad.* a particle, used in composition with verbs to express negation, corresponding to *un* in English; see ন.

নুইকৰা, *a.* আসৈ মতা, denied, falsified, made ineffectual; *s.* the act of denying or rendering futile.

নুইনাইকৰা, *a.* সমূলি আসৈ কৰা, wholly denying, falsifying.

নুকুটা, *a.* গোটেই থকা, কুটা নহই, not cut fine, not minced.

নুখুউআ, *a.* ভোজন নকৰোআ, নলগোআ, unfed, not fitted or joined.

নুজুৰাই, *v.* জুৰ নকৰি, সান্ত নকৰি, not to cool, satisfy or refresh.

নুতি, *s.* সৰু আই, খহু বিসেস, the chicken pox.

নুনি, *s.* পাটপলুএ খোআ গচ এবিধ, the silk mulberry.

নুনুমাই, *v.* জলি থাকি, to be unquenched.

নুনুমুআ, *a.* জলি থকা, মাৰ নোমোআ, unquenched, unquenchable.

নুন্য, } *a.* ডাকৰ, কম, deficient, less, defective, wanting.
নুান, }

নুন্যাধিক, *a.* বৰ্হা টুটা, কম বেচ, more or less.

নুফুটা, *a.* বিন্ধা নোহোআ, অপ্রকাস, পস্টকৈ মাত নোলোআ, unpierced, unbored; indistinct, inarticulate.

নুফুলা, *a.* ফুল আদিএ পাহ নেমেলা, unblown, not opened, as a flower bud.

নুবুজা, *a.* নজনা, অৰ্থৰ ভু নোপোআ, নিৰ্বোধ, not understood, unperceived, slow of apprehension, dull.

নুমলিয়া, *a.* সেসতিয়া, পাচতিয়া. youngest, last of all, very small.

নুমাই, *v.* জুই আদি লোপ হৈ, নিৰ্বান হৈ, to go out, (as a fire or light.)

নুমুআ, *a.* নুমাই জোআ, লোপ হোআ, blown out, extinguished.

নুমুআই, *v.* জুই নাইকিয়া কৰি, নিৰ্বান কৰি, লোপ কৰি, to put out, to extinguish, to blot out, to destroy.

নুমুউআ, *s.* নিৰ্বান কৰা, লোপ কৰা, putting out, quenching &c.

নুৰা, *s.* মেৰোআ বস্তু, মেৰ দি বন্ধা মুঠা, উৰি নুকুৰা, a scroll, a roll, any thing rolled up; not flown.

নুৰানুৰ, *a.* অনেক নুৰা, in rolls or bundles.

নুৰি, *v.* উৰাও নকৰি, সৰু নুৰা, not to fly; *s.* a small roll.

নুৰিয়াই, *v.* নুৰা বান্ধি, মেৰাই, to roll up, to wind.

নুৰিওআ, *s.* নুৰা বন্ধা, the act of rolling or winding up.

নুৰিয়ানুৰি, *a.* পকোআপকি, intertwined, twisted together.
নৰুচা, *a.* ইচা নোজোআ, খাবৰ মন নোজোআ, disinclined, averse.
নুলটি, *v.* নুভতি, ঘুৰি নাহি, not to return.
নুলিয়াই, *v.* বাহিৰ নকৰি, প্ৰকাস ন কৰি, not to bring out or expose.
নুলুকাই, *v.* নেঢাকি, গুপুত নকৰি, not to conceal.
নুসুজা, *a.* দুৰ্গুন কৰা, ধাৰৰ ধন নিদিয়া, noxious, indebted, unpaid.
নুসুধি, *v.* সোধ পোচ নকৰি, not to enquire or investigate.
নুসুনা, *a.* কানত নপৰা, নমনা, unheard of, unheeded.
নুসুনি, *s.* কানত নপৰি, নেমানি, not to hear or heed.
নুহুনুহিয়া, *a.* নোহনোহাই থকা, দুখত কেঁকোআ, moaning, uttering a low stifled groan.
নুহুইকি, *v.* পাচলৈ নগৈ, নুলটি, not to turn back.
নে, অব্যই সব্দ, সোধা বা নকৰাক বুজাই, a particle used interrogatively or negatively in composition with verbs.
নেউচি, *v.* নেওচা দি, ঠেঙ্গৰ তলে সৰকাই, to treat as despicable.
নেউঠি, *v.* কপাহৰ গুটি গুচাই, to separate cotton from the seed.
নেউল, *s.* নেল, এবিধ জন্তু, an ichneumon or mangoose.
নেওগ, *s.* বিসয়া বিসেস, in former days a superintendent of tekelas.
নেওচন, } *s.* ডেওআ, ঠেঙ্গৰ তলে সৰকাই পেলোআ, the act of stepping
নেওচা, } over or treating as despicable.
নেওচনিখোআ, *a.* চদকা খোআ, গৰিহা খোআ, despised, abused.
নেওঠনি, *s.* কপাহৰ গুটি গুচুআ জন্ত্ৰ, জঁতৰি, a native instrument for cleaning cotton from the seed.
নেওঠা, *s.* নেওঠনিৰে কপাহৰ গুটি গুচুউআ, the separating &c. as above.
নেওতা, *s.* অঙ্কৰ গননা, the Multiplication Table.
নেকনেকনি, *s.* বৰ বৰখুন আদিৰ সব্দ, any pattering sound, as of rain.
নেকনেকাই, *v.* নেকনেক সব্দ কৰি, to patter, as falling rain.
নেকনেকিয়া, *a.* নেকনেক সব্দ উঠা, গধুৰ ভাৰ, having a pattering sound.
নেকেৰা, *s.* এবিধ লাহি ধান, a species of paddy.
নেকেহ, *s.* পেলাই দিয়া সব্দ, থেকেচা খোআ সব্দ, the noise of falling or of throwing down violently.
নেকেহ কৰে, *ad.* ধুপুৰ কৰে, নেকেহ সব্দকৈ, with a heavy sound.
নেকেহা, *a.* সকত, ডাঙ্গৰ, গধুৰ, stout, heavy.
নেগুৰ, *s.* নেজ, জন্তু আদিৰ পাচৰ ওলমি থকা ভাগ, সেস ভাগ, ফাঁন্দ, the tail of an animal; the hinder part.
নেগুৰিয়া, *a.* নেগুৰ থকা, পোক এবিধ, having a tail: *s.* an insect.

নেগেলা, *a.* জিয়া, ডকডকিয়া, নপচা, not putrid, fresh.

নেঘেৰঘেৰ, *a.* অনেক, সৰহ, বহুত, ঢেৰ, much, abundant, plenty.

নেঘেৰি, *s.* সৰু চৰাই এবিধ, a species of small bird.

নেঘেৰিখোপা, *s.* তুলি বন্ধা খোপা, hair bound in a knot on the top of the head.

নেচা, *s.* সুতাৰ ভাগ বা খান্দি, a skein or hank of thread.

নেচাই, *v.* দৰ্শন নকৰি, বিবেচনা নকৰি, not to see or consider; *ad.* without consideration, carelessly.

নেচানেচ, *a.* অনেক নেচা, ঠাই ঠাই, in skeins or hanks.

নেচিয়া, *a.* নেচাৰে থকা, belonging to a skein.

নেচিয়াই, *v.* নেচা কৰি, to wind into skeins.

নেচেল, *a.* see চেলো, সিদ্ধি নোহোআ মাহ,

নেচোআ, *s.* সুতাৰ নেচা কৰা, the winding of thread into skeins.

নেজ, *s.* see নেগুৰ, a tail.

নেজাল, *a.* নেজেৰে, নেজ থকা, having a tail.

নেজাইনুপুআই, *a.* অতি দিঘল বা পলম হোআ, যেন নপৰা, seeming never to come to an end, as a road or a long night.

নেজানি, *v.* নুবুজি ভু নেপাই, not to know or understand.

নেজাল তৰা, *s.* নেজ লগা তৰা বিশেষ, a comet.

নেটাই, *v.* সমাপ্ত নকৰি, মুৰ নেপেলাই, not to finish.

নেটোআ, *s.* শেষ নকৰা, অন্ত নেপেলোআ, বাঁকি থকা, non completion; *a.* unfinished, incomplete.

নেত্ৰ, *s.* চকু, আখি, the eye.

নেত্ৰজল, *s.* চকুৰ পানি, লোতক, tears, *lit.* the water of the eye.

নেথনি, } *s.* দুখ বেদনাত উলাহ লোআ মাত, কেঁকনি, a grunt, a groan,
নেথপৰা, } a moan.

নেথাই, *v.* নেথ পাৰি, কেঁকাই, তলি নেপাই, to groan, to breathe hard, not to touch bottom.

নেথাকি, *v.* থিতি নহৈ, নৰৈ, not to remain.

নেথোআ, *s.* কেঁকোআ, নেথ পৰা, তলি নোপোআ, a grunting or groaning, the not touching bottom.

নেদেখা, *a.* কনা, দৰ্শন নকৰা, অচিনাকি, blind, unseen, unacquainted.

নেদেখাই, } *v.* দৰ্শন নকৰাই, নিচিনাই, নিশিকাই, not to explain,
নেদেখুআই, } shew, point out or teach.

নেপাই, *v.* নোপোআ হৈ, অনুচিত, নিসেধ কৰা মাত, not to obtain; used also as a term of interdiction, unlawful, improper.

নেপাহৰা, *a.* ভুল নোহোআ, মনত থকা, not forgotten, remembered.
নেপুৰ, *s.* ভৰিৰ অলঙ্কাৰ, a tinkling ornament worn around the ancles.
নেফানেফ, *a.* ফাঁহ ফাঁহ বা থান থান, disarranged, as the hair &c.
নেমুটেঙ্গা, *s.* এবিধ টেঙ্গা, a species of acid fruit, the lime.
নেমেলা, *a.* মুকলি নকৰা, বান্ধত থকা, not loosed, bound.
নেৰা, *a.* এৰি নিদিয়া, ধৰি থকা, unyielding, holding on; with কৈ, *ad.* unceasingly, incessantly.
নেৰানেপেৰাকৈ *ad.* খতি নোহোআকৈ, continuously, without ceasing.
নেৰি, *v.* এৰি নিদি, ধৰি থাকি, not to cease or leave.
নেৰিয়া, *s.* এবিধ মাচ, a species of fish.
নেৰোঁতা, *s.* এৰি নিদিওঁতা, ৰাখোঁতা, a keeping, a holding on.
নেৰোপানি, *a.* নেপাই নেৰা, কেবেনা কুটা, persevering, persistent.
নেলি, } নেলু, } *s.* ডিঙ্গিৰ নলা, টেঁটু, the trachea or wind pipe.
নেলিয়াকটাৰি, *s.* নালেৰে সৰু কটাৰি, a kind of small knife.
নেলুকা, *s.* এবিধ গোন্ধোআ গচ, a species of the cinnamon tree.
নেলেখা, *s.* লেখ নকৰা, আখৰ নিদিয়া, unnumbered, uncounted, not reckoned, unwritten.
নেহা, *s.* চেনেহ, বেথা, প্রিতি, love, affection, regard.
নৈ, *s.* নদি, বহল সোঁতা, a river.
নৈদাঁতি, *s.* নৈৰ কোস বা পাৰ, the river's edge.
নৈবেদ্য, *s.* দেবুতাৰ আগত দিয়া খাদ্য দ্রব্য, an oblation, an offering.
নৈৰিত, *s.* দখিন পচিমৰ মাজ কোনা, the south west.
নো, *ad.* অব্যই সব্দ, নোহোআ নথকাক বুজাই, an indeclinable particle, no, not; it is also used to express a slight degree of surprise or inquiry, see ন.
নোঅৰা, *a.* অপাৰগ, সমর্থ নোহোআ, unable, incompetent.
নোআই, *v.* মাহ হালধিৰে কন্যা দৰাক গা ধুআই, to perform the ceremony of rubbing the bride and bridegroom with turmeric and the flour of pulse preparatory to marriage.
নোআইতোলনি, *s.* পুস্পোত্সৱ বিবাহ, প্রথম ৰিতুস্নানৰ বিয়া, a hindoo ceremony on a daughter's reaching the age of puberty.
নোআৰি, *v.* অসমর্থ হৈ, নোঅৰা হৈ, to be unable or incompetent.
নোক্নোকালি, *s.* ৰাতি পুআই অহা সময়, the early dawn.
নোকোআ, *a.* কথন নকৰা, নোবোলা, নমতাকৈ থকা, untold, unsaid.
নোকোৰা, *s.* খহু আদিৰ চোকোৰা, কোৰ নমৰা, a scab; *a.* unhoed.

নোকোহা, *s.* সকত, সুদুৰ পুদুৰ, পুষ্ট, stout, large, fat.
নোখোআ, *a.* ভোজন নকৰা, কাপ খাই নধৰা, uneaten, not fitted together.
নোখোজা, *a.* জাঘা নকৰা, ইচা নোজোআ, unsought, unasked.
নোচোআ, *a.* দৰ্সন নকৰা, নেদেখা, পৰ্স নকৰ', unseen, untouched.
নোজোকাই, *v.* খঙ্গ নোতোলাই, not to vex or tease.
নোজোখা, *a.* জোখ নকৰা, আজোখ, unmeasured, unweighed.
নোজোৰা, *a.* অকুলন, নাটনি হোআ, insufficient.
নোট, *s.* ধনৰ সলনি চলা কাগজ, a currency note, a bank note.
নোদোকা, *a.* সকত, নোকোহা, stout, corpulent.
নোদোৰপোদোৰ, *a.* মঙ্গহাল, বৰ পুষ্ট, পোহ তোলা, not lean, fleshy, fat.
নোধোআ, *a.* অধৌত, নপখলা, unwashed, unclean.
নোপোআ, *a.* অপ্ৰাপ্তি, অনুচিত, unobtained, unobtainable, improper.
নোভতা, *a.* উভতি নহ', পালটন নোহোআ, not turned back, not reversed.
নোম, *s.* লোম, গাৰ সৰু সৰু চুলি, hair of the body, nap.
নোমল, *a.* সবাতকৈ সৰু, সেহত হোআ, least, born or produced last.
নোমসিয়ৰা, *s.* খঙ্গ ভই আদিত গাৰ নোম খিয় হোআ, horripilation, a bristling of the hairs of the head or body from terror &c.
নোমাল, *a.* সৰহ নোম থকা, hairy, shaggy.
নোলাই, *v.* বাহিৰ নহৈ, not to come out or appear.
নোলোআ, *a.* বাহিৰ নোহোআ, গ্ৰহন নকৰা, not appearing, not taken.
নোহ্নোহাই, *v.* ঠোহ ঠোহাই, অসন্তোস ভাও দেখাই, to whimper, to whine.
নোহোআ, *s.* নাইকিয়া, নথকা, মিচা, non-existence, absence, negation.
নোহোআনোপজা, *a.* অসম্ভাবিক, আচৰিত, unknown and unproduced, *i. e.* unusual, strange, unique.
নৌ, *ad.* নাই হোআ, অলপ বাঁকি থকা, not, not yet.
নৌকা, *s.* see নাও, a boat.
ন্যাই, *s.* নিয়াই, উচিত. সৰূপ, যথাৰ্থ, right, justice, equity, logic.
ন্যাইসাস্ত্ৰ, *s.* তৰ্ক সাস্ত্ৰ, সুবিচাৰ কৰা বিদ্যাৰ পুথি, a treatise on logic.
নৃপতি, *s.* নৰপতি, ৰজা, a king, a sovereign.

## প

প, পকাৰ, this letter has the sound of the English *p* in *pin*.
পইচা, *s.* তামৰ মুদ্ৰা বা মোহৰ, চৰতিয়াৰ চাৰি ভাগৰ এভাগ, a copper coin, the fourth of an anna, pice, change.
পইজাৰ, *s.* জোতা, a shoe, a slipper.
পইৰা, *s.* দাঁতি, কোস, পাত্ৰ আদিৰ তলিৰ কান, the outer edge of anything, the base or foot of a hill.

পইৰাদিয়া, *s.* বোকাত ধান সিঁচা, খুৰা দিয়া, the casting of seed into a prepared muddy soil.

পঁইতা, *s.* পানি দি থোআ ভাত, cooked rice mixed with water.

পঁইতাচোৰা, *s.* পতঙ্গ বিসেস, a cockroach.

পইতালিচ, *a.* দুকুৰি পাঁচ, forty five.

পঁইত্রিচ, *a.* একুৰি পোন্ধৰ, thirty five.

পঁচা, *s.* পাঁচি দিয়া, মাচ আদি খোঁচা জতন, sending, deputing, appointing, a fish spear; *a.* appointed &c.

পঁজাল, *s.* উমান, সঁহাৰি, গম, an intimation, a conception, an idea.

পঁজালি, *v.* জোঙ্গালি, to sharpen to a point.

পয়া, *s.* নিচেই কেঁচুআ লৰা চোআলিৰ গা সুকাই জোআ ৰোগ, a wasting disease peculiar to infants.

পকটিয়াই, *v.* ঘূৰাই পকাই, লুটিয়াই বগৰাই, চোবাই বা মোহাৰি, to turn round and round, as a cud in the mouth, or as grain beaten out by trampling.

পক, *s.* পকা, সম্পুৰ্ন হোআ, ripeness, maturity, suppuration.

পকধৰা, *a.* পকনি উঠা, পকিব খোজা, beginning to ripen, mature, &c.

পকনি, *s.* পকোআ দ্ৰব্য, anything producing suppuration, ripeness, maturity.

পকৰা, *s.* আফু আদিৰ কেঁকুৰি বা ঢোপা ফুল, a capsule or seed vessel.

পকা, *a.* কেঁচা নোহোআ, নিপুন, ripe, soft, mature, turned gray or of a ripe color.

পকাই, *v.* পাক দি, ঘূৰাই, মেৰাই, পকিবলৈ দি, বাটি, to twist, to wind or whirl about, to cause to ripen or suppurate.

পকাইজকাই, *ad.* ঘূৰাই পকাই, মেৰাই ঘূৰাই, in a zigzag manner; *v.* to go a zigzag course, to make frequent turns.

পকাখৰিচা, *s.* বাঁহ গাজৰ কৰা টেঙ্গা, a pickle made from the tender shoots of the bamboo.

পকি, *v.* পক ধৰি, চুলি আদি বগা পৰি, ইটাৰে সজা ঘৰ আদি, to suppurate, to ripen, to turn gray; *s.* brick and mortar work.

পকিজঁকি, *a.* গুটি আদি সমুলি পকা, খঙ্গত বৰকৈ ৰঙ্গা হৈ উঠা, thoroughly ripe, burning with rage.

পকিয়া, *a.* পাক থকা, having short turns or curves, curled.

পকিয়াপকি, } *a.* অনেক পাক থকা, বেঁকাবেঁকি, twisted, curved,
পকোআপকি, } zigzag, circuitous.

পকোআ, *a.* পাক দিয়া, বটা, twisted; *s.* the act of twisting.

পকোআজকোআ, *s.* ঘুৰি পকি ফুৰা, আওপাক সোঁপাকে গাঠি খোআ, wandering about this way and that.

পখ, *s.* see পস, মাহৰ আধা ভাগ,

পখৰা, *a.* কেইবা বৰনিয়া, ৰোগ বিসেস, কুঠিয়া, spotted, leprous.

পখৰাচিতৰা, *a.* নানা বৰনিয়া, চিত্র বিচিত্র, pie-bald, variegated,

পখৰু, *s.* তামোল গামোচাৰ তলিচা, তৎ, অসম ৰজাৰ দিনত পিন্ধা পাগুৰি বিসেস, a cloth used for carrying tamul pan and accompaniments, a kind of turban.

পখলা, *a.* ধোআ, পানিৰে নিকা কৰা, washed, rinsed, cleansed.

পখালি, *v.* ধুই, প্রখ্যালন কৰি, to wash, to cleanse, to rinse.

পখি, *s.* চৰাই, উৰনিয়া জন্তু, পক্ষি, a bird, a fowl.

পখিওআ, *s.* পাখি গুচুওআ, চুলি আদি পাহ পাহ কৰা, plucking the feathers of a bird.

পখিয়াপখি, *s.* চুলিয়া চুলি, খুঁটিয়াখুঁটি, চুলি আদি আঁজোৰা, striking with the wings in fighting, quarreling, wrangling.

পখিৰাজ, *s.* গৰুড় পখি, চোকা, বেগি, Goruna, the regent of birds, on which Krishnoo is mounted; *a.* sharp, cutting, quick.

পখিলা, *s.* পোক পৰুৱ উৰি ফুৰা পতঙ্গ, a butterfly.

পখ্য, *s.* মাহৰ এফাল দিন, পখা, ফাল, ফলিয়া, ৰোগৰ হিত বস্তু, the half of a lunar month, a wing, side, party.

পখ্যপাত, *s.* এটাৰ ফলিয়া হোআ, এফলিয়া, favoritism, partiality &c.

পখ্যপাতি, *a.* এটাৰ ফালে ভৰ দিয়া, partial, leaning to, hostile.

পগলা, *a.* বলিয়া, উন্মত, বাতুল, সিৱৰ এক নাম, crazy, mad, intoxicated, an epithet of Hiwo.

পগাই, *v.* সিজাই, ধাতু আদি জোল কৰি, to boil, to cook, to melt.

পগোআ, *a.* তপতোআ, ধাতু আদি জোল কৰা, boiled, melted, refined.

পঘা, *s.* গৰু বন্ধা ডোল, rope for binding cattle.

পঘাগুনঠি, *s.* পঘাৰ আগৰ গাঁঠি, এবিধ মোৰ, the knot of a slip-noose

পঙ্ক, *s.* বোকা, mud, mire.

পঙ্কজ, *s.* পদুম, কমল, *lit.* sprung from mud, the lotus.

পচতিয়া, *s.* ঔসধ গচ এবিধ, a species of medicinal plant.

পচৰঙ্গি, *s.* চেঁকেৰি ৰজাৰ ডাঠ কাপৰ এবিধ, a kind of coarse silk cloth.

পচলা, *s.* খাবলৈ কটা সৰু কলা পুলি, the tender shoots of the plantain tree when used as an article of food.

পচা, *a.* গেলা, পুৰনি হৈ জাহ জোআ, এৰিয়া আদি তাঁতৰ তাহোন, rotten, putrid, corrupt, tainted, a sizing used in weaving silk.

পচাই, *v.* গেলাই, গুটি আদি গজিবলৈ পুতি থৈ, to rot, to sprout, to plant seeds for germination and transplanting.

পচি, *v.* গেলি, জহি, to rot, to putrify.

পচিম, *s.* বেলি মাৰ জোআ দিস, the west; *a.* west, westerly.

পচিমিয়া, *a.* পচিম ফালৰ, হিন্দুস্থানৰ, western.

পচোআ, *a.* গেলোআ, গজোআ, rotted, planted.

পচোআবতাহ, *s.* পচিমৰ বতাহ, a westerly wind, also a wind blowing up stream.

পজা, *s.* অতি সৰু ঘৰ, বহা, a temporary hut, a shanty.

পজালি, *s.* গাজ, কন, a germ.

পজালিগেলা, *s.* কন গেলা, গাজ মৰা, destruction of the germ or vital part; *a.* having a decayed or rotten germ.

পঞ্চ, *a.* পাঁচ, five.

পঞ্চকোনিয়া, *a.* পাঁচ চুকিয়া, পাচ কুনিয়া, pentagonal.

পঞ্চতত্ত্ব, } *s.* প্রিথিবি, বায়ু, আকাস, জল, অগ্নি, in hindoo science
পঞ্চভুত, } the five primary elements; *viz.* earth, air, ether, water, fire.

পঞ্চতপা, *s.* ৰদত চাৰি কুৰা জুইৰ মাজত কৰা হিন্দুৰ এক তপ বিসেস, a religious penance which consists in sitting in the hot sun, with four fires around and within reach.

পঞ্চদস, *a.* পোন্ধৰ, fifteen.

পঞ্চদসি, *s.* পুৰ্নিমা বা আমাবাস্যা, the fifteenth lunar day.

পঞ্চম, *a.* পাঁচ সংখ্যক, the fifth.

পঞ্চমি, *s.* তিথি বিসেস, চন্দ্ৰৰ পাঁচ দিন, the fifth day of the lunar increase or decrease.

পঞ্চানন, *s.* পাঁচ মুখিয়া, সিৱ, সিংহ, *lit.* five faced, Hiwo, a lion.

পঞ্চাম্রিত, *s.* ঘিঁউ, চেনি, মৌ, দুগ্ধ, দৈ, the five sweets, *viz.* ghee, sugar, honey, curds, and milk.

পঞ্চাইত, *s.* চালিচ, মেল, বিচাৰ কৰিবলৈ বহা পাঁচ জন মেলুআই, a jury consisting of five persons for arbitration.

পঞ্জিকা, *s.* পাঁজি, তিথি বাৰৰ পুথি, an almanac, a calendar.

পট, *s.* নক্চা, ৰুপ, চবি, আকাৰ, a picture, a likeness.

পটন্তৰ, *s.* দ্রিস্টান্ত, উপমা, জোজোনা, a comparison, simile, parable.

পট্পট্কৰে, *ad.* বেগত বেগে, গোটেই ওলাই থকা, quickly, readily, fluently.

পটা, *s.* মচলা আদি বটা চঁটিয়া সিল, খাজনালৈ মাটি আদি দিয়া পত্ৰ, a curry stone, a lease of land.

পটাগুটি, *s.* মচলা বটা সিলৰ গুটি, the muller used with a curry stone.

পটাগুটিয়া, *a.* পটা গুটিৰ নিচিনা, like a muller, applied to a species of mango, also to a disease of the bowels.

পটি, *s.* সোন ৰুপৰ গুনাৰ পাৰি, দোকানি আদি থকা ঠাই, সৰু বাট, gold or silver lace, a border, a quarter or division in a market occupied by one class of traders, a foot path.

পটিয়া, *s.* পাটি সজিয়া, হিন্দুৰ জাত বিসেস, a people who braid mats.

পটু, *a.* পাৰ্গত, নিপুন, সকলো জনা, পণ্ডিত, clever, expert, able.

পটুআ, *s.* কটা কলা গচ, a layer of the plantain stalk.

পটেশ্বৰি, *s.* ৰানি, ৰজাৰ প্ৰধান ঘৈনি, a queen, a king's consort.

পঠাই, *v.* পাচি, জাবলৈ দি, চলাই, to send, to depute.

পঠোআ, *a.* প্ৰেৰন কৰা, পঁচা, চলোআ, sent; *s.* the act of sending.

পণ্ডিত, } *s.* সিখ্যক, সাস্ত্ৰ জনা, বিদ্যাৱন্ত, গ্যানি, অধ্যাপক, a teacher,
পঁৰিত, } a learned man, a scholar; *a.* learned, accomplished.

পণ্ডিতালি, *s.* গ্যান বিদ্যাৰ গুন থকা, learning, erudition, scholarship; with ভাও দেখুআ, a pretence or show of knowledge.

পতঙ্গ, *s.* উৰি ফুৰা ফৰিঙ্গ আদি পোক, a winged insect.

পতঙ্গপৰা, *a.* সাং হোআ, সেস হোআ, ওৰ পৰা, completed, ended.

পতন, *s.* পৰা, গুচা, a falling, dropping, descent.

পতনুআ, *a.* কৰ্কৰ্তনিয়া, সাহ পুৰ নোহোআ ধান আদি, blasted, immature.

পতলা, *s.* দুবোৰে ভৰা পাত, বহুত, পাত ভৰা, *lit.* a leaf full, *i. e.* as much as a leaf used for a plate will hold; a large quantity.

পতহা, *s.* পাতল পাতল চকলা, a slice, a thin piece.

পতহিয়াই, *v.* তামোল আদি পাতলকৈ চকলিয়াই, to cut in thin slices.

পতা, *s.* ভৰিৰ তলুআ, সোন আদিৰ পাতল পাত, নিজুক্ত কৰা, জুগুত কৰা, আৰম্ভন কৰা, the sole of the human foot, also a webbed foot, gold leaf, appointing to office, appointed, set up.

পতাই, *v.* থতাই, থুআই, নিজুক্ত কৰাই, জুগুত কৰাই, to place, to appoint, to induct, to set, (as a stone in a ring.)

পতান, *s.* সাহ নথকা ধান, chaff, blasted or immature grain.

পতি, *s.* ঘৈপ, স্বামি, গিৰিহঁত, অধিকাৰ, প্ৰতি, a husband, a lord, a master, an owner; *a.* each, every.

পতিউআ, *a.* বিশ্বাস কৰা, সঁচা মনা, believed, regarded as true.

পতিত, *a.* পৰা, ভ্ৰষ্ট হোআ, জাত জোআ, চন পৰা, fallen, fallen from virtue, depraved, abandoned, outcast, lying waste or fallow.

পতিতপাৱন, *s.* পতিতক সুচি কৰা, পাপিক মুক্তি কৰোঁতা ইশ্বৰ, purifying the sinful or fallen, saving sinners.

পতিব্রতা, *s.* স্বামিত ভক্তি থকা স্ত্রি, সতি, a wife devoted to her husband.
পতিয়াই, *v.* বিশ্বাস কৰি, সঞ্চাত কৰি, মানি, to believe, to give credence.
পতিহা, *s.* প্ৰত্যাস, ভাৰসা, hope, expectation.
পতিহিন, *a.* অৰখ্যাক, বিধৱা, স্বামি হিন, widowed; *s.* a widow.
পতুআ, *a.* সৰহ পাত থকা, abounding with leaves, having leaves without fruit, (applied mostly to grain.)
পতোআ, *s.* থাপন কৰোআ, the causing to be appointed.
পতোআৰ, *s.* পানিৰ বেগ বখা বেৰ, a break-water.
পত্নি, *s.* ভাৰ্য্যা, ঘৈনি, বিবাহিতা স্ত্রি, a wife, the mistress of a house.
পত্র, *s.* কাকত, চিঠি, পাত, a letter, an epistle, a leaf, a blade of grass.
পত্রবাহক, *s.* কাকত নিওঁতা, ডাকোআই, a letter carrier, a postman.
পথ, *s.* বাট, আলি, আচৰন, a path, a road, a way, a course of conduct.
পথদৰ্সক, *s.* বাট দেখাওঁতা, গ্যান দিওঁতা, গুৰু, a guide, a leader, a teacher.
পথৰুআ, *s.* পথাৰত থকা বা তাত বন কৰা লোক, laborers in the field.
পথলিয়া, *ad.* পথালি, across, horizontaly; with কৈ, crosswise.
পথাৰ, *s.* খেতি কৰা ঠাই, a cultivated field.
পথালি, *s.* পুতল, বহল, প্ৰস্থ, breadth, width, diameter; *a.* broad &c.
পথালিকোমোৰা, *s.* এবিধ লতাৰ মুল, a vine whose root is medicinal.
পথালিকোলা, *s.* কোলাত পথালিকৈ লোআ, the carrying anything horizontally in the arms.
পথালিচকুআ, *a.* মানুহ, নৰজাতি, mankind, *lit.* having horizontal eyes, a term applied to man in contra-distinction to beasts.
পথিক, *s.* পথুক, বাটৰুআ, জাত্রিক, a traveller, a passenger.
পদ, *s.* ভৰি, পয়াৰ, শ্লোক, ৰাব বা বিসই, লিঙ্গ বা ধাতু, a foot, a step, a metrical measure, a verse, an office or employment.
পদকিয়া, *s.* জগৰিয়া, জাৰ নামে গোচৰ কৰে, an adversary, a defendant.
পদজল, *s.* চৰনোদক, গুৰু আদিৰ ভৰি ধুউআ পানি, water in which a gooroo's foot has been washed.
পদতল, *s.* ভৰিৰ তল, অধিন, the sole of the foot, subjection.
পদপ্রমান, *s.* চিন বান, প্ৰমান, সাখি, evidence, positive proof.
পদবি, *s.* উপাধি, উপনাম, a title, a surname, a patronymic.
পদা, *s.* বায়ু এৰা, পাদ মৰা, the breaking of wind backwards.
পদাঘাত, *s* লাথি, গোৰ মৰা, a kick.
পদাঙ্গুলি, *s.* ভৰিৰ আঙ্গুলি, a toe.
পদাতিক, *s.* সেনা, ভৰিৰে চলা চিপাহি, a foot soldier, infantry.
পদাপৰুআ, *s.* এবিধ পোক, a species of insect.

পদাপাল, *a.* ভত হেৰোআ, disconcerted, loss of presence of mind.
পদাৰ্থ, *s.* বস্তু, দ্ৰব্য, কথা বা পদৰ অৰ্থ, a thing, substance, property, matter, essence, quality, the meaning of a word &c.
পদাৰ্থবিদ্যা, *s.* সিষ্টি বস্তুৰ গুন আদিৰ বিদ্যা, the science of natural philosophy.
পদাৰ্পন, *s.* খোজ দিয়া, appointment to office, installation.
পদিনা, *s.* সুগন্ধি সাক এবিধ, spearmint.
পদুম, *s.* পদ্ম, কমল, the water lily, the lotus.
পদুমনলা, *s.* ৰোগ বিসেস, a disease of the bowels.
পদুমনি, *s.* পদুম হৈ থকা ঠাই, a patch of water lilies.
পদুলি, *s.* ঘৰলৈ সোমাই জোআ বাট, a path leading to a house.
পদেপদে, *ad.* খোজে খোজে, step by step, at every step.
পদ্ম, *s.* পদুম, a lotus.
পদ্মনাভ, *s.* বিষ্নুৰ এক নাম, *lit.* born from a lotus; Vishnoo.
পদ্মমুখি, *a.* পদ্মৰ নিচিনা সুন্দৰি, beautiful as the lotus.
পদ্মৰাগ, *s.* উত্তম ৰত্নৰ এবিধ, a ruby.
পদ্মিনি, *s.* সুন্দৰি স্ত্ৰি, সুলখ্যনি, a very beautiful woman.
পদ্য, *s.* see কবিতা, পদ, poetry.
পনক, *s.* পিঁয়াজ, মূল বিসেস, an onion.
পনিয়া, *a.* সেৰেকা, পানি দিয়া, চোটোআ, watery, thin, diluted.
পনিয়াল, *s.* এবিধ সোআদ গুটি, a kind of fruit.
পন্থ, *s.* see পথ, a path.
পপিয়া, *a.* পাপি, অধৰ্ম্মি, দুসি, sinful, wicked.
পপিয়া তৰা, *s.* আকাসৰ পৰা পৰা জুই বিসেস, a meteor.
পবা, *s.* আঙ্গুলিৰ পাবত হোআ ৰোগ, a disease of the fingers and toes.
পবাল, পবালি, } *a.* পাব থকা, পাবেৰে, having joints.
পবিত্ৰ, *a.* সুচি, সুধ, নিৰ্ম্মল, holy, pure, clean.
পম, *s.* সিহৰি, আলু আদিৰ মূলত লগা চাকলিয়া সিপা, the fibrous roots of a bulbous plant, hence, *fig.* a clue, a guide.
পমা, *s.* এবিধ গচ, পমি জোআ, দ্ৰৱ হোআ, a species of the toon tree valuable for timber; *a.* melted.
পমাই, *v.* জোল কৰি, দ্ৰৱ কৰি, to cause to melt, to dissolve.
পমি, *v.* জোল হৈ, খ্যই হৈ, দ্ৰৱ হৈ, to melt, to dissolve.
পমুআ, *a.* পামত থকা, পামৰ খেতিয়ক, temporarily cultivating; *s.* a temporary settler or cultivator.

পমোআ, *a.* জোল কৰা, দ্ৰৱ কৰা, melted, dissolved.

পয়াৰ, *s.* পদ, চন্দ, শ্লোক, metre, verse consisting of two lines.

পৰ, *a.* আন, নিলগিয়া, বেলা, প্ৰহৰ, other, another, after; *s.* a stranger, the fourth part of a day or night.

পৰকাল, *s.* ভৱিস্যত কাল, সিহলোক, another world, a future state.

পৰঙ্গনা, *s.* ঢেকেৰিৰ গাঁও বা মহল, a district, the Dhekeri country.

পৰঙ্গিজাল, *s.* মাচ মৰা জাল এবিধ, a kind of fish-net.

পৰচাঁয়া, *s.* লোকৰ চাঁ, ভুত প্ৰেত আদিৰ দ্ৰিস্টি, a ghost, an apparition.

পৰচেস্টা, *s.* ভুত আদিৰ দোস, an offence against an evil spirit.

পৰজন্ম, *s.* সি জনম, পৰকাল, the next birth.

পৰজাত, *a.* আনৰ পৰা হোআ, born of another, fostered by a stranger, adopted.

পৰত্ৰ, } *ad.* পাচে, পৰস্তে, আগলৈ, afterwards, bye and bye.
পৰত্ৰে, }

পৰদি, *v.* সাৰে থাকি ৰাখি, সাৱধানে থাকি, to watch, to be vigilant.

পৰদুখ, *s.* লোকৰ দুখ, another's sufferings.

পৰদেস, *s.* বিদেস, অন্য দেস, another country.

পৰ দেসি, *a.* বিদেসি, আন দেসৰ, of another country; *s.* a foreigner.

পৰ দ্ৰোহি, *a.* লোকৰ অনিস্ট কৰোঁতা, হিংসক, injurious to others.

পৰ পুৰুস, *s.* আন মানুহ, উপপতি, another man, a stranger, a gallant, a paramour.

পৰৱ, *s.* see পৰ্ব,

পৰম, *a.* অতি ভাল, উত্তম, প্ৰধান, chief, best, excellent, supreme.

পৰমগতি, *s.* সজ গতি, মুক্তি, the obtaining of heaven.

পৰমগ্যান, *s.* ইস্বৰ বিসয়ক গিয়ান, ধৰম গিয়ান, divine knowledge.

পৰম পুৰুস, *s.* ইস্বৰ, God, the most excellent.

পৰমব্ৰহ্ম, *s.* পৰম ইস্বৰ, the supreme being.

পৰমাত্মা, *s.* ব্ৰহ্ম, ইস্বৰ, God, the supreme spirit.

পৰমানু, *s.* সৰু সৰু কনিকা, ধুলি পৰিমান, an atom, a particle of matter.

পৰমান্ন, *s.* গাখিৰেৰে সিজোআ ভাত, পায়স, rice boiled with milk.

পৰমায়ু, *s.* আয়ুস, জিয়াই থকা কাল, a life time, an age; preceeded by অনন্ত, eternal life, endless happiness.

পৰমাৰ্থ, *s.* অতি উত্তম বিসই, স্বৰুপ অৰ্থ, ইস্বৰ বিসয়ক গ্যান, সত্য, the chief good, an excellent or spiritual object.

পৰমাৰ্থিক, *a.* ধাৰ্মিক, ইস্বৰ পৰায়ন, সুধ, সত্য, spiritual, holy, excellent, true, religious.

পৰম ইস্বৰ, *s.* পৰম ব্ৰহ্ম, ইস্বৰ, the Supreme Being.

পৰলা, *s.* বৰ্ন বিসেস, বগা কলা মিস্ৰু বৰন, an iron gray color.

পৰলি, *s.* মৰা পৰলি, খেৰ আদিৰে বন্ধা চালি, a layer of thatch used as a cover or screen.

পৰলিয়া, *a.* আকাঁৰি, মলি থকা চাউল, uncleaned, (as rice.)

পৰলোক, *s.* নিহলোক, পৰকাল, the world to come.

পৰসু, *s.* কুঠাৰ, a battle axe, a hatchet.

পৰশুৰাম, *s.* বিষ্ণুৰ এক অৱতাৰ, the sixth incarnation of Vishnoo.

পৰন্তে, *ad.* পাচে, আগলৈ, পৰে, hereafter, bye and bye.

পৰস্ত্ৰি, *s.* পৰৰ তিৰি, আনৰ ভাৰ্জা, another's wife.

পৰস্পৰ, *a.* ইটে সিটে, উভই, reciprocal, mutual, both.

পৰস্পৰে, *ad.* ইএ সিএ, উভয়ে, reciprocally, mutually.

পৰস্ৰি, *s.* লোকৰ সম্পত্তি বা ঐশ্বৰ্জ্য, another's prosperity.

পৰাহ, *s.* দুদিনৰ আগ বা পাচ, পৰ্সুই, the day before yesterday, the day after tomorrow.

পৰা, *a.* সমৰ্থ হোআ, পাৰগ, পতিত হোআ, তললৈ সৰা, পাৰি অনা, able, competent; spread down, fallen; *prep.* from, out of.

পৰাক্ৰম, *s.* বল, শক্তি, খ্যমতা, might, power, strength, valor.

পৰাক্ৰমি, *s.* বলি, শক্তিমন্ত, খ্যমতা থকা, mighty, powerful.

পৰাঙ্মুখ, *s.* পাচ মুখ, হেঁাহোক, লাজ হোআ, with averted face.

পৰাজই, *s.* হৰা, ঘটা, defeat, discomfiture, a repulse.

পৰাজিত, *a.* পৰাজই হোআ, overcome, defeated, repulsed.

পৰাধিন, *a.* পৰৰ অধিন, তলপিয়া, dependent, subject to.

পৰামৰ্স, *s.* আলচ, বিবেচনা, মন্ত্ৰনা, advice, counsel, a plan.

পৰায়ন, *s.* কোনো বিসয়ত লাগি ধৰা, ৰত হোআ, devotedness, attachment, zeal; used in *comp.* as ইস্বৰ পৰায়ন, devoted to God.

পৰাৰ্দ্ধ, *s.* সংখ্যা বিসেস, দুভাগৰ সেস ভাগ, a hundred thousand billions.

পৰাল, *s.* ধান বনা বা খুন্দা, কাপৰ আদি খচি বা দুখ দি বল মৰা, removing the husks of grain by pounding.

পৰালি, *s.* নইন, খ্যতি, হানি, loss, waste, diminution.

পৰাস্ত, *a.* হৰা, ঘটা, পৰাজিত, defeated, overthrown, conquered.

পৰি, *v.* পতিত হৈ, তললৈ সৰি, উপসৰ্গ বিসেস, to lie or fall down, to empty into, to drop.

পৰিকৰ, *s.* আল পৈচান ধৰোঁতা, আল ধৰা, লগুআ বা বন্দি, *lit.* a surrounding or enveloping, hence, a train, a retinue, an attendant, a servant.

পৰিখা, } *s.* প্ৰমান বুজা, বিচাৰ, a trial, a temptation, an ordeal,
পৰিখ্যা, } assaying; with কৰি, to tempt, to prove, to assay.

পৰিখ্যিত, *s.* আগৰ কালৰ এজন ৰজাৰ নাম, পোৰোহিত, name of an ancient king, a priest; *a.* tried, brought to the test, tempted.

পৰিচই, *s.* চিনা জনা, acquaintance, knowledge, an introduction.

পৰিচাৰ্জ্য, *s.* আল পৈচান, service, attendance.

পৰিচাৰক, *a.* দাস, আলধৰা, লগুআ, পৰিচৰ্জা কৰা, attending upon; *s.* a servant, an attendant, a follower.

পৰিচেদ, *s.* চেদ, সিমা, বিভাগ, a limit, a boundary, a section of a book, a space in writing.

পৰিত্যাগ, *s.* এৰা, ত্যাগ কৰা, abandonment, relinquishment.

পৰিতুষ্ট, *a.* সন্তোস, সদই, ভাল পোআ, pleased, satisfied, contented.

পৰিত্ৰাতা, *s.* নিস্তাৰক, উধাৰক, ত্ৰানকৰ্ত্তা, a saviour, a liberator.

পৰিত্ৰান, *s.* নিস্তাৰ, উধাৰ, ৰখ্যা, salvation, deliverance.

পৰিত্ৰিপ্ত, *a.* ত্ৰিপ্তি হোআ, satiated, satisfied.

পৰিধান, *s.* পিন্ধা, কাপৰ আদি গাত লোআ, the putting on of clothing, attire, ornaments &c.

পৰিধি, *s.* মেৰৰ মাজ জোখ, হিন্দুৰ হোম কুণ্ডৰ জুই খোঁচৰা কাঠৰ মাৰি, the circumference of a circle.

পৰিনাতি, } *s.* নাতিৰ নাতি, a great grandchild.
পৰিনাতিনি, }

পৰিপক্ক, *a.* ভালকৈ পকা, সিজা, পাৰ্গত, thoroughly ripe or cooked.

পৰিপাটি, *a.* আঁত লগা, ধাৰা মতে, আৰ নথকা উত্তম, regular, methodical, neat, tidy; with কৈ, *ad.* regularly, neatly.

পৰিপুৰ্ন, *a.* সম্পুৰ্ন, ভৰা, পুৰ, filled, replete, complete, full.

পৰিবেষ্টন, *s.* বেৰি ধৰ', মেৰাই থকা, a surrounding or encircling.

পৰিমান, *s.* জোখ, টিকা, প্ৰমান, measure, capacity, proof.

পৰিমানি, *a.* প্ৰমান পোআ, প্ৰমানিক, proven, evident, authentic.

পৰিমিত, *a.* নিয়মিত, জোখ বা টিকাৰ, measured, defined, limited, moderate, temperate.

পৰিয়া, *s.* পৰ দিয়া মানুহ, প্ৰহৰি, চকিয়াল, পৰত থকা, বেলি বা পৰ হোআ, used in *comp.* as এপৰিয়া, one side, দুপৰিআ, noon.

পৰিয়াল, *s.* ঘৰৰ লৰা তিৰোতা আদি, a family and relatives.

পৰিসোধ, *s.* ধাৰ সুজা, প্ৰতিকাৰ, the payment of a debt, retaliation &c.

পৰিস্কাৰ, *a.* নিকা, নিৰ্মল, সুধ, পৰিপাটি, clean, pure, neat; *s.* purity &c.

পৰিস্কিত, *a.* নিকা কৰা, সুধ বা নিৰ্মল কৰা, সোভিত, cleansed, purified.

পৰিস্ৰম, *s.* দুখ, ক্লেস, জতন, toil, exertion, labor, effort.
পৰিস্ৰমি, *a.* দুখ কাৰি, laborious, painstaking, industrious.
পৰিস্ৰান্ত, *a.* দুখ পোআ, স্ৰান্ত, ভাগৰ লগা, wearied, fatigued, tired.
পৰিহৰা, *a.* এৰা, তিয়াগ কৰা, left, deserted, abandoned.
পৰিহৰি, *v.* এৰি, ত্যাগি, to abandon, to leave.
পৰুআ, *s.* পিপৰা, সৰু কিট বিসেস, an emmet, an ant.
পৰুআই পোআ, *s.* বাট নেপাই ঘুৰি পকি ফুৰি থকা, বাটৰ ভু হেৰোআ, wandering about, losing the way, perplexity.
পৰেক, *s.* নিৰ্দ্ধাৰিত কাল, এপৰ, তিনি ঘণ্টা বা দিনৰ চাৰি ভাগৰ এভাগ, the fourth part of a day or night.
পৰেকিয়া, *a.* এপৰ হোআ, pertaining to the above.
পৰোপকাৰ, *s.* লোকৰ উপকাৰ, assistance given to others.
পৰে পকাৰি, *a.* পৰক উপকাৰ কৰোঁতা, helpful to others, useful.
পৰ্ব, *s.* উত্চৱ, পৰব, তিথি বিসেস, পুথিৰ খণ্ড, a festival, a feast, a chapter, a section.
পৰ্বত, *s.* গিৰি, অচল, সিলাময়ি ওখ ভুমি, a mountain.
পৰ্বতিয়া, *a.* পৰ্বতত থকা, of or from a mountain; *s.* a mountainer.
পৰ্বাস, *s.* প্ৰবাস, আপোন ঘৰ এৰি আন ঠাইত থকা, a temporary residence away from home, a lodging.
পৰ্স, } পৰ্সন, } *s.* চোআ, স্পৰ্স, হাতেৰে ধৰা, the act of touching, feeling or handling; *a.* touched, felt.
পৰ্সি, *v.* পৰ্স কৰি, চুই, to touch, to feel, to handle.
পৰ্হাই, *s.* see পৰাহি,
পৰ্হা, *s.* পাঠ কৰা, পাঠ সিকা, reading, reciting; *a.* read, recited.
পৰ্হাই, } পৰ্হুআই, } *v.* পাঠ কৰাই, আখৰ মতাই, সিকাই, to teach, to instruct, to cause to read.
পৰ্হাসালি, *s.* স্কুল ঘৰ, চাত্ৰ সালি, বিদ্যালয়, a school, a school house, a seminary, a college.
পৰ্হি, *v.* পাঠ কৰি, আখৰ মাতি, to read, to repeat, to study.
পৰ্হিদোলা, *s.* চেকৰ খুউআ এবিধ দোলা, a kind of light palkee.
পৰ্হুআ, *s.* সিখ্যক, অধ্যাপক, ওজা, চাত্ৰ, a teacher, an instructor.
পল, *s.* মাচ মৰা জতন, (pron. *polo*,) a contrivance for catching fish.
পল, *s.* ডণ্ডৰ সাঠি ভাগৰ এভাগ, a period of 24 seconds or the 60th part of a *dond*.
পলম, *s.* বেলি, গহৰি, বিলম্ব, delay, procrastination.
পলমে, *ad.* বেলিকৈ, পাচেকৈ, leisurely, slowly.

পলৰিয়া, *s.* পলাই জোআ, পলাওঁত', a fugitive, a runaway, a deserter.
পলস, *s.* নৈয়ে পেলোআ কোমল বোকা, কাঠৰ সাৰৰ ওপৰ ভাগ, soft mud, the soft sappy part of wood.
পলসুআ, *a.* পলস থকা, পলসৰ নিচিনা, soft, sappy, miry, muddy.
পলা, *s.* তেল পেৰা বেঁতৰ পাত্র, চেতেৰি, a braided rattan hoop used in an oil press.
পলা, *a.* পোহা, পালন কৰা, আগ্যা মনা, reared, brought up, preserved, obeyed; *s.* the act of rearing, obeying &c.
পলাই, *v.* চোৰাঙ্গকৈ গুচি গৈ, to run away, to flee, abscond.
পলাইপত্রং দিয়া, *s.* পলাই ফাঁট মৰা, fleeing away out of reach.
পলাউৰি, *s.* পলাই জোআ তিৰি, পলাই ফুৰঁতি, a female fugitive.
পলায়ন, *s.* পলাই জোআ, flight, desertion.
পলাস, *s.* এবিধ কাঠ ফুলৰ গচ, a species of tree and its flower.
পলিয়া, *a.* পালত থকা, belonging to a relay.
পলু, *s.* এৰি মুগা আদিৰ পোক, a silk worm.
পলুআই, *v.* মানুহ আদিক চোৰাঙ্গকৈ নি বা নিয়াই, to cause to abscond, to entice away.
পলে পলে, *ad.* খ্যনে খ্যনে, momentarily, constantly.
পলোআ, *a.* পলাই জোআ, লুকাই থকা, fled, absconded.
পলৌ, *a.* অথিৰ, তৰল, wavering, fickle, unsteady, unsettled.
পল্টন, *s.* সেনাৰ সংখ্যা, চিপাহিৰ লয়ন, a regiment or company of soldiers, soldiers' lines or barracks.
পস, *s.* পখ, মাহৰ একাল, the half of a lunar month, a fortnight.
পসপৰা, *s.* পোক্ষৰ দিন জোআ, the lapse of a fortnight.
পসি, *v.* পৰি, সৰনাগত হৈ, to touch the feet as an act of worship.
পসু, *s.* see পশু, an animal.
পসুপতি, *s.* সিংহ, সিৱৰ এক নাম, a lion, an epithet of Hiwo.
পহৰ, *s.* দিপ্তি, প্রকাস, গ্যান, light, illumination, knowledge.
পহৰা, *a.* মনত নথকা, ভুম হোআ, পাহৰা, পৰ দিয়া, forgotten, mistaken; *s.* forgetfulness, a mistake, the keeping watch.
পহৰোআ, *s.* ভুলুআ, মনৰ পৰা গুচুউআ, পহৰ কৰা, deceiving, causing to forget or mistake, lighting up; *a.* deceived.
পহলঙ্গি, *s.* এবিধ দিঘল হিলৈ, a kind of long native gun.
পহাৰ, *s.* পোহাৰিৰ বজাৰ, দোকান, a retail shop.
পহাৰি, *s.* পোহাৰি, বনিয়ানি, a woman who keeps a retail shop.
পহিয়া, *a.* পাহ থকা, having petals like a flower.

পছু, *s.* হৰিনা আদি চাৰি ঠেঙ্গিয়া জন্তু, পসু, a deer, a quadruped.

পছুমৰিয়া, *s.* পছু মাৰোঁতা, বেয়াধ, a hunter.

পাই, *v.* প্ৰাপ্তি হৈ, লাভ কৰি, কৰিবৰ উচিত, পইচাৰ তিনি ভাগৰ এভাগ. to get, to find, to obtain, to arrive at; ought, proper, probable; *s.* the third part of a pice.

পাইক, *s.* ভাঁৰি, হজুআ, বনুআ, কুলি, a cooly, a laborer.

পাউৰি, *s.* মাচ মৰা জতন, a bamboo fish trap.

পাঁওনা, } *a.* পাব লগিয়া, due; *s.* pecuniary claim, debt.
পাঁওনি, }

পাঁওকৰা, *s.* টেঁপা বিসেস, a species of wild cat.

পাঁচ, *a.* পঞ্চ. পাঁচৰ সংখ্যা, five.

পাঁচনি, *s.* দুত বিসেস, কটকি, খ্ৰিস্টৰ মত ঘোসনা কৰোঁতা, one sent, a messenger, an embassador, an apostle.

পাঁচি, *v.* পঠাই, মাটিৰ দিঘলিয়া চিটা, to send forth; *s.* a strip of land.

পাজৰা, *s.* কোন, দাঁতি, the edge or side.

পাঁজি, *s.* পঞ্জিকা, তিথি বাৰ চোৱা পুথি, বটা তুলা, পতা হুল, an almanac, a calendar, a roll of cotton for spinning, a pointed bamboo stuck in the ground as a defence from attack.

পাঁজি কটা, *s.* উঁতৰত সুতা কটা, the spinning of cotton rolls.

পাঁঠা, *s.* মতা চাগ, a ram, a he-goat.

পাতি, *s.* খেল বিসেস, নোৰ, খলি, সাৰি, a game, (fox and geese,) a drain, a drill for planting.

পাক, *s.* মোচৰ, কৰাই ঘুৰিয়া, ঘুকআ, আঁৰ বা চিনু, a bend in a river, an eddy, a turn, a circular wrench, a twist, an unexpected turn in events, a fault. a crook, an obstruction.

পাকখোআ, *a.* পকোআ, মেৰ খোআ, কৰাই ঘুৰিয়া ধৰা, kinked, twisted, turned, whirled, obstructed.

পাকঘুৰনি, *s.* ঘুৰ ঘুৰনি vertigo, a whirling round and round.

পাকচক্ৰ, *s.* বুধি, ফান্দ, চাক নৈয়া, deceit, collusion, a cabal, an eddy, a whirlpool, a circular motion.

পাকতে, *ad.* ঘুৰি জাওঁতেই, বেগতে, while turning round, quickly.

পাকদি, *v.* ঘুৰাই, পকাই, মোচোৰা মাৰি, to turn, twist.

পাকপৰা, *a.* পাকপতা, চাকনৈয়া, ঘুৰি থকা, curved, turned, whirled about.

পাকভোঁহৰ, *s.* বিন্ধনা বিসেস, পকাই বিন্ধা জতন, an auger, a gimlet.

পাকমৰা, *s.* ঘুৰি অহা, পকোআ, the going and returning.

পাকমাৰি, *v.* ঘুৰি আহি, বেগতে, to go and return; *ad.* quickly.

পাকৰি, *s.* সুতলাহি, a spindle full of thread.

পাকেপতি, | পাকে পাকে, } *ad.* ঘনে পতি, বাৰে বাৰে, continually, repeatedly.

পাকৈটোঁৰা, *s.* বৰ ঠোটেৰে চৰাই এবিধ, দ্রোনকাক, a species of crow.

পাখি, *s.* চৰাইৰ সৰু বৰ পখা, মাচৰ পাখি, a feather, a wing, a pinion, a plume, the fins of a fish.

পাখি মৰিয়া, *s.* চৰাই মৰিয়াৰ এক খেল, a fowler, a class of people.

পাগ, *s.* পাগুৰি, তাপ, ভাত আদি ৰন্ধা, লো আদি তপতাই জুগুত কৰা, a turban, the act of cooking food or of tempering iron.

পাগটুন, *s.* কেঁচুআৰ জিবা ভেঁকুৰা ৰোগ, a disease of children, canker in the mouth.

পাগধৰা, *a.* সিজাই বা তপতাই জোখত ৰখা, cooked, tempered.

পাগমাৰি, *s.* তাৰু, ভাত লৰোআ মাৰি, a ladle, a stirabout.

পাগল, *a.* বলিয়া, পগলা, মতলিয়া, crazy, insane, drunk.

পাগলগা, *a.* ৰন্ধা আদি ভাল হোআ, well cooked or tempered.

পাগলি, *s.* বাউলি, বাতুলি, *fem.* of পাগল, which see.

পাগসালি, *s.* চৰু মলা আদি পোৰা ঠাই, a potter's kiln, a furnace.

পাগি, *v.* পগাই, আওটি, সিজাই, to bake, to temper, to cook.

পাগুৰি, *s.* পাগ, মুৰত বন্ধা কাপৰ, a turban.

পাগুলি, *v.* ঘাঁহ আদি চোবাই গুৰি কৰা, to chew the cud, to ruminate.

পাঙ্গপতা, *s.* মিচা কথাৰ চাঙ্গ পতা, মিচাই কথা সজা, building air castles, indulging in vain speculations, suspecting, scheming.

পাঙ্গি, *v.* অনুমানে ভাবি, চোভা মানি, to imagine, to fancy, to plan.

পাচ, *s.* পিচ, সেস, পিঠি ফাল, the hind part, the rear; *a.* last, &c.

পাচখালি, *a.* পাচ সুদা, ধন নথকা, having nothing left in hand.

পাচত, *ad.* পিচত, সেসত, মুৰকত, afterwards, at last.

পাচতিয়া, *a.* পাচত হোআ, নুমলিয়া, সেহুআ, last, after, the youngest.

পাচদিনা, *ad.* কালি, আনাকা দিনা, an after day, afterwards.

পাচধৰা, *s.* আলধৰা, পাচত ফুৰা, লগ ধৰা, সাও বিসেস, a helper, an attendant; a curse.

পাচপৰা, *s.* পিচ হোআ, সেসত থকা, falling behind.

পাচবেলা, *s.* বিয়লি বেলা, the afternoon, an after period.

পাচবেলি, *ad.* আকৌ, ঘুৰি, দোআবাৰ, again, a last time.

পাচলি, *s.* খাৰধি, সাক আদি, esculent vegetables.

পাচলুটি, *s.* পিঠি ফাল, পিচ ফাল, the rear, the backside.

পাচি, *s.* বাঁহ আদিৰ কাঠিৰে বোআ পাত্র, a basket.

পাচুআই, *v.* পাচ পেলাই, হোঁহোকাই, to leave in the rear, to put back, to cause to stand back.

পাচে, } *ad.* পিচে, অন্তত, আগলৈ, behind, afterwards, after, subsequently.
পাচেটৈক,

পাচে পাচে, *ad.* লগে লগে, পিচে পিচে, close behind, after.

পাজৰি, *s.* দাঁতি, কোস, the edge, the margin.

পাজুৰি, *s.* চৌপট খেলৰ লেখ বিসেস, a game resembling dice.

পাট, *s.* কাঠৰ পাতল চেপেটা চলা. এবিধ পলুৰ সুতা, a board, the silk of the mulberry silk worm.

পাটপটম্বৰ, *s.* পাট সুতাৰ কাপৰ, silk woven from the above.

পাট নগৰ, *s.* কাঠৰ পাট আদিৰে সজা ৰজাৰ ঘাহৰ, সৰু নগৰ, a temporary residence of the king.

পাটনাদ, *s.* মাটিৰ পাট খুউআ বা পকি কৰা নাদ, a walled up well.

পাটপলু, *s.* পাট সুতা দিয়া পোক, the mulberry silk worm.

পাটৰানি, *s.* ৰজাৰ প্ৰধান ঘৈনি, পটেশ্বৰি, a queen consort.

পাটলি, } *s.* মেখেলা আদিৰ দিয়া দাঁতি, a broad hem in the bottom of a garment.
পাটুলি,

পাটি, *s.* আসন বিসেস, মজ্যাত পৰা মিহলি চাবি, a kind of fine mat.

পাটিচৰা, *s.* পাটি দিয়া আসন বিসেস, a sitting mat.

পাটিদৈ, *s.* পাটি সজা ত্ৰিন, grass of which the above is made.

পাটিসোন্দা, *s.* এবিধ গচ, a species of tree.

পাটুআ, *s.* দ্ৰিষ্টান্ত, উপমা, an illustration, an example, a comparison.

পাটোআৰি, *s.* চেকেৰিৰ দিসয়াৰ কাকতি, a collector of revenue.

পাটোন পৰা, *s.* লোকৰ উপমা দিয়া, a comparison of any two things.

পাঠ, *s.* পৰ্হা, অধ্যয়ন, এবেলি পৰ্হোআৰ ভাগ, a reading, a perusal.

পাঠক, *s.* জি পাঠ কৰে, পাঠ কৰোঁতা, a reader.

পাঠকৰা, *s.* পৰ্হা, পুথি আদি মতা, a reading, a recital, a lesson.

পাঠবৰ্হোআ, *a.* কথা বৰ্হোআ, enlarged, exaggerated; *s.* adding to a text or lesson, exaggeration.

পাঠসালি, *s.* see পৰ্হাসালি, a school house.

পাঠান, *s.* মচলমানৰ এক জাত, a mahomedan sect.

পাণ্ডৱ, *s.* পাণ্ডু ৰজাৰ পুত্ৰ, the descendents of Pandoo Raja.

পাণ্ডা, *s.* দেৱালয়ৰ পুজাৰি, an attendant or priest of an idol temple.

পাণ্ডু, *s.* কুৰু বংসৰ ৰজা, বগা হালধিয়া মিহলি বৰন, the name of an ancient king of Hostinapur or Delhi; father of the Pandowa princes; *s.* pale.

পাণ্ডুৰোগ, *s.* সোথ ৰোগ, the dropsy.

পাত, *s.* বৃিখ্য আদিৰ পত্ৰ, পৰা, a leaf of a tree or book; *a.* falling, fallen.

পাতক, } *s.* পাপ, অধৰম, অপৰাধ, sin, guilt, crime.
পাতেক, }

পাতকি, *a.* পাপি, অপৰাধি, কুকৰ্ম্মি, sinful, guilty, criminal.

পাতত দিয়া, *a.* পাতেৰে মেৰাই পোৰা, rolled in a leaf for roasting.

পাতন, *s.* পতা, থাপন, founding, contriving, arranging.

পাতমুচি, *s.* এবিধ সৰু চৰাই, a species of bird.

পাতল, } *a.* লঘু, পনিয়া, পিৰপিৰিয়া, সেৰেঙা, গোট গোট, not heavy,
পাতলা, } light, thin in texture, diluted, separate, widely apart.

পাতলালি, *s.* পাতল ভাও, চুলুঙ্গ পৰ্কিতি, shallowness, fickleness, lightness.

পাতলিয়া, *a.* পাতল হোআ, thin, sparse.

পাতলকৈ, *ad.* সেৰেঙাকৈ, এটা এটাকৈ, thinly, sparsely.

পাতসিয়া, *s.* এবিধ নিচেই সৰু চৰাই, a species of bird.

পাতাল, } *s.* মাটিৰ তল, ৰসাতল, নাগ লোক, one of the seven hindoo
পতাল, } hells and the abode of the *nags* or serpents.

পাতালগাজনি, *s.* পতালৰ পৰা উঠা গুমগুমনি, any deep rumbling sound, like that preceeding an earthquake.

পাতাল ফুটা, *a.* প্ৰিথিবিৰ তলিলৈকে ফুটা, অতি দ, অনেক দিনিয়া, চহকি, deep, unfathomable, of long standing wealth and position.

পাতি, *v.* থাপন কৰি, নিজুক্ত কৰি, থিৰ কৰি, কৰিবলৈ জুগুত কৰি, চেপেটা সাল, to set up, to found, to establish, to appoint, to prepare to do, to hold out the hand to receive anything, to set (as a trap,) to bare or expose any part of the body; *s.* a small wooden wedge.

পাতিকাউৰি, *s.* সৰু বিধ কাউৰি, the common crow.

পাতিহাঁহ, *s.* পোহনিয়া সৰু বিধ হাঁহ, a duck.

পাত্ৰ, *s.* কাঁহি বাটি আদি জিহেৰে বস্তু অনা নিয়া কৰে বা জিহত থই, পাচি আদি, a vessel, a receptacle; *a.* fit, competent, worthy.

পাথৰ, *s.* জাবন আদি সিল, a flint.

পাদ, *s.* পদ, চৰন, বায়ু এৰা, শ্লোক্ আদিৰ চাৰি ভাগৰ এভাগ, a foot, breaking wind.

পাদজ, *a.* সুদ্ৰ জাতি, produced from the feet, as the lowest of the four castes are said to have sprung from Brahma's feet.

পাদপদ্ম, *s.* চৰন কমল, স্তুতি বা মান্যৰ মাত, a lotus foot, a term of endearment or flattery.

পাদসেৱা, *s.* চৰন সেৱা, ভৰিত ধৰা, touching the feet of another in salutation or in token of respect.

পাদুকা, *s.* খৰম, জোতা, a sandal, a shoe, a slipper.

পাদোদক, *s.* চৰনোদক, water in which a gooroo has dipped his foot.

পাদ্য, *s.* ভৰি ধুবলৈ দিয়া পানি আদি, water to wash the feet.

পান, *s.* পি খোআ, ধাতু পাত্র জোৰোআ সুহগাৰে মিহলি ধাতু, কানি আৰু পান ভাজি কৰা বস্তু, এবিধ লতাৰ পাত, the act of drinking; a composition used in brazing; a preparation of betel leaf and opium for smoking; the betel leaf.

পানকটা, *a.* পাহ কটা, notched, truncated.

পানকৰা, *s.* ভাজি আফিঙ্গেৰে টিকিৰা কৰা, পিয়া, the preparing the betel leaf and opium for smoking; the act of drinking.

পানপাত্র, *s.* বাটি, পান কৰা পাত্র, পিয়লা, a cup, a drinking vessel.

পানা, *s.* বহু মুলিয়া কজলা সিল বিসেস, a precious stone, an emerald.

পানি, *s.* জল, উদক, water.

পানিকাউৰি, *s.* এবিধ পানিত থকা চৰাই, a species of fish bird.

পানিকঁআ, *a.* পানিত পৰি গেলা, putrid.

পানিগচা, *s.* গচৰ দৰে উঠা মেঘ, banks of clouds low in the horizon.

পানিচৰোআ, *a.* অলঙ্কাৰ আদিত রূপ সোন জোল কৰি লগোআ, gilt, gilded; *s.* gilding.

পানিচাময়ি, *s.* সৰু আই, an eruptive disease resembling measles.

পানিচোআ, *s.* বৰ সৌচ আদি কৰা, alvine and urinary evacuations.

পানিজোলা, *s.* জুই আদিৰ দোআৰাই বহা টো, a blister.

পানিপাচ, *s.* ঘৰৰ চালৰ দাঁতি, the lower part of a roof, the eaves.

পানিপিয়া, *s.* পানি খোআ, এবিধ চৰাই, পানিত গেলা, the act of drinking; a species of bird; *a.* putrid.

পানিপেতা, *a.* কেঁচুআ, অতি সৰু কোমল লৰা, infantile, tender.

পানিপোতা, *s.* পিৰালিৰ দাঁতি, চালৰ পানি পৰা ঠাই, the ground under the eaves where the water falls.

পানিমঙ্গলি, *s.* পানিৰ এক ভূতুনিৰ নাম, an imaginary water spirit said to cause sickness and lameness.

পানিময়ি, *s.* এবিধ টেঙ্গা, a species of plant.

পানিলগা, *s.* জল দোস, কফৰ পিৰা, a cold, taking cold.

পানিসৰাধ, *s.* বচৰি কৰা সৰাধ, the annual ceremony of pouring out water and offering the funeral cake to the manes of deceased ancestors.

পানোআই, *s.* কানি পান খোআ জন, an opium smoker.
পানধোআ, *s.* পাত্র বিসেস, a round metalic dish.
পাপ, *s.* ইস্বৰৰ আগ্যা ভঙ্গা, দোস, কুকৰ্ম্ম, sin, guilt, crime, wickedness.
পাপগ্রস্ত, *a.* পাপত পৰা, পতিত, fallen, involved in sin.
পাপগ্রহ, *s.* ৰিস্ট গ্রহ, কুগ্রহ, an inauspicious planet.
পাপাত্মা, *s.* দুস্ট, চইতান, a wicked disposition, a devil, Satan.
পাপি, } *a.* অধৰ্ম্মি, পাতকি, নৰ্কি, wicked, sinful, depraved.
পাপিষ্ট,
পাব্, *s.* দুই গাঁঠিৰ মাজ ভাগ, the part between two joints.
পাভ, *s.* বাকলি হিন সৰু মাচ্ এবিধ, (pronounced *pabho*,) a small fish.
পাভটি, *s.* খুঁটা পুতি সজা সৰু চাঙ্গ, a small shelf or platform.
পাম, *s.* দূৰৈৰ খেত, খাত, a farm, an outlying cultivation.
পামৰ, *a.* নিচ, অধম, অগ্যানি, mean, vile, sinful, unworthy, ignorant.
পায়স, *s.* গাখিৰত সিজোআ ভাত, পৰমান, পাহ, rice boiled in milk.
পাৰ, *s.* নৈৰ গৰাৰ গুৰি, দাঁতি, সিমা, নিস্তাৰ, a river bank, a border, an edge, a shore, a crossing over.
পাৰ, *s.* পোহনিয়া সৰু চৰাই এবিধ, (pronounced *paro*,) a dove.
পাৰ কৰা, *s.* নৈৰ সিপাৰলৈ নিয়া, নিস্তাৰ কৰা, crossing over, deliverance.
পাৰ ধৰা, *s.* দাঁতি উঠি পৰা, the healing up of the sides of a sore.
পাৰলি, *s.* এবিধ গচ, পৰলা বৰনেৰে মাইকি গচ্ আদি, a species of tree.
পাৰসৱ, *s.* সুদিৰনিত বামুনৰ হোআ লৰা, the child of a sudra mother by a bramin father.
পাৰা, *s.* ৰস, ধাতু বিসেস, quicksilver.
পাৰি, *v.* সমৰ্থ হৈ, ওখৰ পৰা ৰিখ্য আদিৰ গুটি চিঙ্গি, চাৰি পাটি মেলি, কাপৰৰ দাতি, to be able; to gather fruit, to spread down; *s.* a line or row, as the teeth; with দি, to cross over.
পাৰিজাত, *s.* দৈবিক ফুল, স্বৰগৰ ফুল, a fabled flower in the hindoo paradise.
পাৰিসদ, *s.* দেৱতাৰ লগত থকা অনুচৰ, an attendant of the gods.
পাৰেমানে, *ad.* সক্তিএ আঁটে মানে, সাধ্য মানে, as much as possible, to the extent of one's ability.
পাৰ্গত, *a.* নিপুন, চোকহ, পৰা, learned, skilful, accomplished.
পাৰ্চি, *s.* এক দেস বা ভাসা, Persia, a Persian.
পাৰ্বতি, *s.* দুৰ্গা, উমা, হিমালইৰ জিএক, a name of Doorga.
পাল, *s.* জাক, কোনো বিসয়ত গাই পতি পৰা ভাগ, নাৱত বতাহ ধৰা কাপৰ, a flock, a herd, a drove, a turn in rotation, a sail.

পালক, *s.* পালন কৰোতা, ৰখ্যক, a preserver, keeper, protector.

পাল্কি, *s.* এবিধ দোলা, জান বিসেস, a palankeen, a kind of sedan.

পালজ্বৰ, *s.* পালপাতি উঠা জ্বৰ, এৰৈকয়া আদি জ্বৰ, intermittent fever.

পালটন, *s.* উলটি অহা, ঘূৰা, the act of turning or coming back; preceeded by মন, repentance, reformation.

পালটাই, *v.* ঘূৰাই, ওভোতাই, ওলোটাই, to turn another person about; preceeded by মন, to reform.

পালটি, *v.* উলটি, উভতি, ঘূৰি, to turn, to return.

পালন, *s.* পোহা, আগ্যা পলা, খাবলৈ পিন্ধিবলৈ দিয়া, the act of keeping, preserving, cherishing, obeying.

পালন কৰ্ত্তা, *s.* পালোঁতা, প্ৰতিপাল কৰোঁতা, a nourisher, a supporter.

পাল্পত্তা, } *s.* কাম বা সমই ভাগ কৰা, doing in turn or by rotation.
পাল্বঁটা, }

পাল্পাঁচনি, *s.* ভাগে ভাগে কাম আদিত পঠিওআ, sending by turns &c.

পালেপালে, *ad.* এটাৰ পাচত এটাকৈ, ভাগে ভাগে, in succession.

পাল সুঁটুআ, *s.* পাল মৰা, the completion of a task.

পালি, *v.* পোহ পাল কৰি, আগ্যা মানি, ওস্তা আদিৰ তলে কাম কৰা লোক, ৰখিয়া, সময়ে সময়ে দৰৱ খোআৰ ভাগ, to nourish, to obey; *s.* a learner under a mechanic, a dose of medicine, a keeper, a tender.

পালিকঠিয়া, *s.* তিন দিনিয়া তোলা কঠিয়া, the rice plant pulled ready for transplanting.

পালি পহৰি, *s.* পাল পাতি পৰ দিয়া লোক, one who watches in turn.

পালেঙ্গ, *s.* সাক এবিধ, সোআ খাট বিসেস, the beet root, a bedstead.

পাৱন, *a.* পবিত্ৰ কৰোঁতা, purifying, cleansing.

পাসটি, *s.* পাখটি, চৌপট খেলৰ মাৰি, dice.

পাসণ্ড, *a.* ধৰম ভ্ৰুস্ট, পাপিস্ট, ইস্বৰ বা ধৰম আদি নিন্দক, heretical, impious, blasphemous.

পাসা, *s.* চৌপট আদি খেল, gambling.

পাহ, *s.* দিঘল চুলিৰ কোসত ৰখা চুঁটি চুলি, ফুলৰ পাহি, চন্দ্ৰ তাপ আদিৰ পাহ, পায়স, a row of short hair left around the unshaved crown, the petals of a flower, the notched border of an awning, rice boiled with milk, dice.

পাহকটা, *s.* পান কটা, পথৰুআ আলিৰ দাঁতি সমানকৈ কটা, carving, sculpture, smoothing the edges of a road or ridge.

পাহজাল, *s.* এবিধ মাচ মৰা জাল, a kind of large fishing net.

পাহপাহ, *a.* পাত পাত, ডাল ডাল, সিসুতি, scattered about.
পাহমেলা, *s.* পাত মেলা, ভালকৈ ফুলা, the opening of a flower.
পাহৰন, *s.* মনত ভুলা, সোঁৱৰন নথকা, forgetfulness.
পাহৰা, *a.* ভুলা, মনত নথকা, বিস্মৰন হোআ, forgotten, forgetful.
পাহৰি, *v.* ভুলি, ভ্ৰম হৈ, মনত নেথাকি, to forget, to mistake.
পাহৰোআ, *s.* ভুল কৰোআ, ভ্ৰম কৰোআ, causing to forget.
পাহি, *s.* see পাহ.
পাহুআল, *a.* ওখই ডাঙ্গৰে দেখিবলৈ ভাল, tall, well proportioned.
পি, *v.* পান কৰি, to drink, to suck.
পিউআ, *s.* পিবলৈ দিয়া, পান কৰোআ, causing to drink or suck.
পিঁয়াজ, *s.* পনৰু, মচলা বিসেস, an onion.
পিঁয়াপি দি, *v.* এটা এটা হৈ পলাই, to scatter, to disperse.
পিক, *s.* তামোল খাই পেলোআ থুই, কুলি চৰাই, tamul saliva.
পিকদান, } *s.* পিক পেলোআ পাত্ৰ, a spittoon.
পিকবান,
পিকাই, *v.* পিক পেলাই, to eject tamul saliva.
পিকো, *s.* উত্তম বিধ চাহ, the finest quality of tea, Pekoe.
পিঙ্গ, *s.* মহা অপৰাধিৰ প্ৰান দণ্ড কৰা সুল বিসেস, a sharp pointed instrument formerly used for impaling criminals.
পিঙ্গদিয়া, *s.* সুলত দিয়া, জোঙ্গত দিয়া, transfixing with the above.
পিচ, *a.* পাচ, পিঠি ফাল, after, behind.
পিচত, *ad.* পাচত, মুৰকত, হৈ হৈ, afterwards.
পিচফাল, *s.* পাচ লুটি, পিঠিৰ ফাল, the hinder part, the rear.
পিচল, *a.* লেতকেতিয়া, তুকতুকিয়া, slippery; with খাই *v.* to slip.
পিচলি, *v.* পিচল খাই, ভৰি চুঁচৰি, to slip, to slide.
পিচ্লোআ, *s.* পাচত জোআ, লগ ধৰা, সাও বিসেস, going behind, overtaking; a curse.
পিচলোআ, *a.* পিচল খুউআ, slipped, sliding from under.
পিচে, *ad.* পাচে, সেসে, afterwards.
পিজলি, *s.* ওকনিৰ সৰু পোআলি, পিজলা, a newly hatched louse.
পিঁজালি, *v.* জোঙ্গালি, আগলৈ সৰু কৰি, to sharpen to a point.
পিট, *s.* পানিৰ ওপৰত ডাঠকৈ হোআ বন, আঁট, ঘন, aquatic grass; thickness, compactness.
পিটখোআ, *a.* আট খোআ, ডাঠ হোআ, close, beaten together.
পিটন, *s.* মৰিওআ, হাঁতুৰিৰে কোবোআ, pounding, beating.
পিটনি, *s.* পিট থকা ঠাই, ডাঠ দলনি, water covered with vegetation.

পিটা, *a.* হাতুৰিৰে কোবোআ, মৰা, pounded down, or compacted..
পিটি, *v.* হাঁতুৰিৰে খুন্দি, মাৰি, to pound, to beat.
পিটিউআ, *s.* তৰাৰ বৌখা ফুলিউআ বা মুকলি কৰা, preparing the outer section of the *tora* plant for making cordage.
পিটিকা, *a.* আঙ্গুলিৰে হেঁচা, টিপা মৰা, pinched, pressed, shampooed.
পিটিকি, *v.* আঙ্গুলিৰে টিপি, to press with the fingers, to shampoo.
পিটিকোআ, *s.* লোকৰ হতুআই টিপোআ, pinching, pressing.
পিঠা, *s.* পিঠাগুৰি আদিৰে কৰা খোআ দ্ৰব্য, bread, a loaf.
পিঠাগুৰি, *s.* চাউল ঘেঁহু আদিৰ গুৰি, flour, meal.
পিঠাগুৰিয়া, *a.* ফহ্‌ফহিয়া, পিঠা গুৰিৰ দৰে মিহি, fine like flour, mealy.
পিঠাপনা, *s.* অনেক বিধ সুস্বাদু ভজা পিঠা, cakes and sweetmeats.
পিঠি, *s.* লুটি, গাৰ পাচ ভাগ, পুথিৰ পাত আদিৰ এফাল, the back, a page.
পিঠি দিয়া, *s.* পাচ দিয়া, আওকান কৰা, *lit.* giving the back; hence disregard, neglect, inattention.
পিঠিয়া, *s.* এবিধ সকত মাচ, ভাৰ পাচিৰ ঢাকনি, পিঠিৰ টৈ, a species of fish, a kind of basket cover.
পিঠিয়াপিঠি, *a.* দুয়ো দুইৰ ফাললৈ পিঠি দিয়া, বিৰোধা বিৰুধি, *lit.* back to back, mutually hostile.
পিণ্ড, } *s.* মৰাৰ নিমিত্তে দান কৰা অন্নাদিৰ লাৰু, a funeral cake offer-
পিৰ, } ed to the dead by the nearest relatives.
পিণ্ডদান, *s.* পিৰ দিয়া, offering the above.
পিত, *s.* আহাৰ জিন নিউআ হালধিয়া পানি, সাহ, হালধিয়া বৰ্ন, মৰিলৰ ধাতু বিসেস, gall, bile, courage; *a.* yellow.
পিত্‌কোস, *s.* পিতৰ ভঁৰাল, the gall duct.
পিতপিতাই, *v.* চাৰিও ফালে বিচাৰি, to make thorough search.
পিতল, *s.* ধাতু বিসেস, brass.
পিতলি, *a.* পিতলৰ সজা, brazen.
পিতলুআ, *a.* পিতল থকা, পিতলময়, mixed with brass.
পিতা, *s.* বোপাই, পিত্রি, a father.
পিতাদেউ, *s.* বোপাই, বাপেকৰ সম্বোধন, respectful address of a father.
পিতামহ, *s.* ককা, বাপেকৰ বাপেক, a paternal grandfather.
পিতামহি, *s.* বাপেকৰ মাক, বুৰিআই, a paternal grandmother.
পিত্রি, *s.* see পিতা, a father.
পিত্রিকৰ্ম, *s.* স্রাধ আদি কৰম, funeral rites for deceased ancestors.
পিত্রিধন, *s.* পৈত্রিক ধন, বাপেকৰ সম্পত্তি, ancestral property.
পিত্রিধৰ্ম, *s.* কৌলিক ধৰ্ম, বাপেকৰ ধৰম, ancestral religion.

পিত্রিপুৰুস, *s.* উপৰি পুৰুস, ancestors.

পিত্রিবন্ধু, পিত্রিবান্ধব, *s.* বাপেকৰ মিত্র, বাপেকৰ মাতুল আদি, a paternal relative.

পিত্রিলোক, *s.* মৰা পিত্রি সকলৰ স্থান, the abode of departed spirits.

পিত্রিহিন, *s.* বাপেক মৰা যাউৰা, fatherless.

পিন্ধন, পিন্ধা, *s.* কাপৰ আদি গাত লোআ, বেস কৰা, the putting on of apparel.

পিন্ধি, *v.* কাপৰ আদি লৈ, ভুসিত হৈ, to dress, to put on attire.

পিপৰা, *s.* সৰু পৰুআ, any small insect.

পিপলি, *s.* এবিধ লতাৰ গচ বা গুটি, a kind of long pepper.

পিপলিয়া, *v.* পিপলিৰ নিচিনা, অস্ত্রৰ ধাৰৰ খুৰখুৰিয়া, long and slender, rough, uneven, as the edge of tools.

পিপা, *s.* পানি আদি থোআ কাঠৰ পাত্র, a cask, a barrel &c.

পিপাসা, *s.* পিয়াহ, ত্রিস্না, thirst.

পিপাসি, *a.* পিয়াহ লগা জন, thirsty.

পিয়ন, *s.* দামুৰি আদিএ পিয়া, sucking, (applied to animals.)

পিয়নচৰা, *a.* গৰু আদিৰ পোআলিএ পিবলৈ এৰা, weaned, (as above.)

পিয়ল, *s.* মাটি জোখ, লেখ কৰা, the measurement of land for taxation.

পিয়া, *s.* পান কৰা, পিয়াহ নেৰা, drinking, sucking.

পিয়াই, *v.* পিয়াহ দি, দুই বস্তুৰ মুৰ দিঘলিয়াকৈ জোৰাই বা সুমুআই, to nurse, to give suck; to join two things by lapping.

পিয়াহ, *s.* তন, আধাৰ, স্তন, ত্রিসাঁ, the breast, the udder, thirst.

পিয়াহ লগা, *a.* পান কৰিবলৈ ইচা হোআ, ত্রিসাঁতুৰ হাবিয়াহ কৰা, thirsty, having intense desire.

পিৰঠি, *s.* পিৰ্কটি, চকুৰ আচাদন, the eyelid.

পিৰা, *s.* কাঠৰ বহা আসন, ৰোগ, বেদনা আদিৰ দুখ, জন্তুৰ কাটি নিয়া গোটা ঠেঙ্গ বা তপিনা, a bench, a stool, pain, distress, bodily suffering, a quarter of meat.

পিৰালি, *s.* ঘৰৰ ভেঁটিৰ বাহিৰ ভাগ, the outer edge of the embankment of a house.

পিৰি, *v.* পিৰা কৰি, নাৱৰ পথালি ডাঙ্গ, গচৰ সিপাই সৈতে কাটি তোলা ভেঁটি, to pain, to ache; *s.* the cross beam of a boat; earth taken up with the roots of a plant in transplanting.

পিৰিকপাৰাক, *s.* অলপ অলপকৈ চকু মেলা, জুইৰ ধিমিকধামাক, rapidly winking, the flickering of a flame.

পিৰিকা, *s.* এবিধ ফুল, a species of flower.

পিৰিকাপিৰিক, *s.* অলপ অলপকৈ চকু টিপুআ, winking at each other.
পিৰিকোআ, *s.* চকু পচৰা, চকু টিপোআ, winking.
পিৰিত, *a.* পিৰাজুক্ত, কগিয়া, pained, afflicted, distressed.
পিৰিতি, *s.* প্রিতি, প্রেম, মৰম, স্নেহ, love, affection, esteem, regard.
পিৰ্কটি, } *s.* চকুৰ পিৰঠিৰ নোম থকা ভাগ, the eye lashes, the corner of the eye.
পিৰকটি, }
পিৰ্পিৰকৈ, *ad.* পৰুআৰ দৰে বগাই জোআ, অতি পাতল, moving like an ant very lighty; *a.* thin, applied only to texture.
পিৰ্পিৰোআ, *s.* পৰুআ আদিএ গাত বগোআৰ দৰে লগা, crawling or moving lightly, (as an insect.)
পিল্পিলিয়া, *a.* গা নাইকিয়া, কঁকিলা সৰুিয়া, slender, slim.
পিলিকা বন, *s.* খোঁচৰ বন, জোঁট বন, slow, intricate or perplexing work.
পিলিকি, *v.* লাহে লাহে কৰি, to work lazily, to linger, to saunter.
পিলিকি থকা, *s.* একেটা বনতে লাগি থকা, loitering at work.
পিলৌপিলৌ, *a.* বিচৌবিচৈ, পোক আদি অধিক হোআ, numerous, in great numbers.
পিসাঁচ, *s.* ভুত, প্রেত আদি, a demon, a fiend, an imp.
পিসাঁচি, *s.* ভুতুনি, পেৰেতনি, *fem.* of the above.
পিহনা, *s.* দৰৱ আদি পিহা শিলটো পাত্র বিসেস, a stone for grinding paints, a grater for nutmegs &c.
পিহা, *a.* ঘঁহা, ground with the above stone, the act of &c.
পিহি, *v.* ঘঁহি, to grind or rub as above.
পুঅতিয়া নিসা, *s.* নিচেই সেস নিসা, the darkness just before dawn.
পুআ, *s.* প্রভাত, প্রাতঃ, অৰুনউদই, the dawn of day.
পুআই, *v.* প্রভাত হৈ, দিন হৈ, জুইৰ তাপ লৈ, অতি পুআতে, to dawn, to grow light; preceded by জুই, to warm one's self by the fire; emphatic form of পুআ, the very early dawn.
পুউআ, *s.* জুইৰ তাপ লোআ, warming or causing to warm by the fire.
পুং, মতা, পুৰুস, নৰ, লোন আদিৰ ভুমুক, a particle used in *comp.* denoting man, male, masculine.
পুংলিঙ্গ, *s.* পুৰুসৰ চিন, ব্যাকৰনৰ মতে পুৰুস বাচক সব্দ, the penis; in *gram.* the masculine gender.
পুংসক্তি, *s.* পুৰুসালি গুন, পুৰুসৰ সক্তি, virility.
পুঁজ, *s.* খহু আদিৰ গেলা ৰস, pus, purulent matter.
পুকিয়া, *a.* পোকে খৰা, কেনাই খোআ, worm-eaten, bored by insects.
পুখুৰি, *s.* পানি থকা জলাধাৰ, জলাসই, a tank, a reservoir of water.

পুঙ্গ, *s.* ভুমুক, উহ, a fountain, a spring.

পুঙ্গ উলিউআ, *s.* সঁচাই মিচাই কথা বহাই কোআ, উহ উলিউআ, exaggeration.

পুঙ্গা, *s.* বৰশিত বান্ধি দিয়া কুঁহিলা বা পাখি আদি, মাচ এবিধ, a float to a fish line, a species of fish.

পূজক, *s.* পূজা কৰোঁতা, a worshiper, one who makes a *puja.*

পূজনিয়, *a.* পূজা কৰিব লগা, আদৰনিয়, সেৱনিয়, worthy of worship, reverenced, hallowed.

পূজা, *s.* সেৱা অৰ্চ্চনা, সন্মান, worship, adoration, homage.

পূজাৰি, *s.* পূজা কৰা বামুন, an officiating priest, a worshiper.

পুঠি, *s.* সৰু মাচ এবিধ, a species of small fish.

পুত, *s.* see পুত্ৰ, son.

পুতলা, } *s.* ওমলা মুৰ্ত্তি, প্ৰতিমা, a doll, a puppet, a small image,
পুতলিকা, } an idol.

পুতাই, *s.* পুতেকলৈ অতি মৰমৰ মাত, a term of endearment addressed to a son.

পুতি, *v.* গাঁত পুৰ কৰি, মাটিৰে ঢাকি, মৈদাম দি, to fill up, to bury.

পুতি থোআ, *a.* পোতা, গাঁত পুৰ কৰি থোআ, মাটিৰে ঢাকি থোআ, মৈদাম বন্ধা, buried, interred.

পুতুখোআ, } *a.* পুতেকৰ মুৰে গালি পৰা, পুতেকৰ মুৰ খোআ, a term
পুতুমুৰখোআ, } of abuse; (*lit.* eater of your son's head) merciless, without natural affection &c.

পুতেক, *s.* সন্তান, লৰা, পুত্ৰ, a son.

পুতৌ, *s.* চেনেহ বা মৰম দেখুউআ মাত, affectionate language used in fondling or caressing.

পুতৌ কৰা, *s.* মৰম কৰা, উপকাৰ কৰা, showing affection or respect.

পুত্ৰ, *s.* see পুতেক, a son.

পুত্ৰপৌত্ৰাদি, *a.* পুতেক নাতিএক আদি, posterity, descendents.

পুত্ৰি, *s.* জি, দুহিত্ৰি, কন্যা, চোআলি, a daughter.

পুথাও, *s.* ককাক, আহোমৰ বাপেকৰ বাপেক, a grandfather, (Ahom.)

পুথি, *s.* সাস্ত্ৰ, কিতাপ, গ্ৰন্থ, a book, a shaster.

পুনঃ, } *ad.* পুনৰাই, দুনাই, আকও, আৰুবাৰ, again, repeatedly.
পুনচ, }

পুনৰ্চবিয়া, *s.* নোআইতোলনি বিয়া, কন্যাকাল হোআ, a second marriage; *a.* marriageable.

পুনৰউঠান, *s.* পুনৰ বাৰ উঠা, মৰনৰ পৰা উঠা, the resurrection.

পুনৰবাৰ, } *ad.* পুন বাই, আকৌ, দুনাই, মুৰি, a second time, again,
পুনৰপি, } repeatedly.

পুনৰুক্তি, *s.* পুনবাই কোআ, দুনাই মাত লগোআ, repetition, tautology.

পুনৰ্জনম, *s.* দুতিয় জনম, নতুন জনম, a second birth, regeneration.

পুনৰ্বসু, *s.* নখ্যত্র বিসেস, the seventh lunar asterism.

পুনি, *s.* পানিত হৈ ওপঙ্গি থকা বন বিসেস a species of aquatic plant.

পুনৌনৌআ, *s.* বনবিয়া সাক এবিধ, a species of medicinal plant.

পুন্য, *s.* পুইন, ধৰম, সজ কৰম, religious merit.

পুন্যকৰ্ত্তা, *s.* পুন্য কৰম কৰোঁতা, one who performs meritorious actions, one who sanctifies or makes righteous.

পুন্যভুমি, *s.* তিৰ্থ স্থান, a sacred place or place of pilgrimage.

পুন্যৱন্ত, } *a.* ধৰমি, সাধু, পুন্য থকা বা কৰা, righteous, having re-
পুন্যৱান, } ligious merit.

পুৰ, *a.* ভৰা, চপ্‌চপিয়া, পুস্ট, সম্পুৰ্ন, সিধি, নগৰ, full, plump, fleshy, fulfilled, come to pass; *s.* a town, a city.

পুৰঠ, } *a.* পৈনত, পুৰ, আপঁইতা নোহোআ, mature, complete, ripe.
পুৰঠি, }

পুৰন, *s.* অঙ্ক বৃদ্ধি কৰা গননা, পুৰ কৰা, multiplication, the act of filling.

পৰনি, *a.* অনেক দিনিয়া, পুৰাতনিয়া, old, ancient.

পুৰনিআৰনি, *a.* অতি পুৰনি, very old, (applied mostly to grain.)

পুৰন্দৰ, *s.* ইন্দ্ৰ, Indra, also the name of the last king of Assam.

পুৰ্‌পুৰকৰে, *ad.* বাধা বা কঠিন নোহোআকৈ লাহে লাহে, without hindrance or difficulty.

পুৰা, *s.* তিন দোন পৰিমান, চাৰি হাল্চা মাটি, সম্পুৰ্ন, পুৰন কৰা, a measure containing fifteen seers, a measure of land; *a.* multiplied.

পুৰাই, *v.* পুৰ কৰি, সম্পুৰ্ন কৰি, সিধি কৰি, to fill, to accomplish.

পুৰাকল, *s.* এবিধ কল, a species of plantain.

পুৰাকুঁহিয়াৰ, *s.* ডাঙৰ বিধ কুঁহিয়াৰ, a species of sugar cane.

পুৰাতন, } *a.* আগৰ কলিয়া, প্ৰাচিন, পুৰনি, old, ancient.
পুৰাতনিয়া, }

পুৰাতন কথা, *s.* আগৰ কালৰ কথা, ইতিহাস, a legend, a tradition.

পুৰান, *s.* ব্যাসে কৰা অঠৈৰ সাস্ত্ৰ বিসেস, ইতিহাস, a class of books treating of hindoo mythology and history.

পুৰাৰি, *s.* সিৱ, মহাদেও, an epithet of Hiwo.

পুৰাপুৰ, *a.* বিস্তৰ, অনেক, সৰহ, plentiful, abundant, overflowing.

পুৰি, *v.* দাহ কৰি, বমৰমাই, নগৰ, to consume with fire, to burn; *s.* a town, a city.

পুৰিয়া, *a.* এপুৰা ধৰা, সেন্দুৰৰ টোপ্লোলা বিসেস, holding a *pura* or fifteen seers.

পুৰুস, *s.* মানুহ, পুমান, a man, a male, a person, an individual; in hindoo philosophy the word is used for the embodied spirit, the human soul; a generation, as তিনি, পুৰুস, three generations, ওপৰ পুৰুস, former generations.

পুৰুসানুক্রমে, *ad.* পুৰুস ক্রমে, পুৰুসৰ পৰা পুৰুসলৈ, in lineal succession, from father to son.

পুৰুসাৰ্থ, *s.* চেষ্টা, কাৰবাৰ, উপাই, জতন, exertion, labour, efforts, pains.

পুৰুসালি, *s.* সাহ, পুৰুসৰ গুন, সাহিয়াল, courage, manliness; *a.* valiant.

পুৰুসিয়া, *a.* জুগমিয়া, অনেক দিনিয়া, ancient, of many generations.

পুৰুসে পুৰুসে, *ad.* পুৰুসানুক্রমে, from generation to generation.

পুৰুসোত্তম, *s.* উত্তম পুৰুস, বিষ্ণুৰ এক নাম, an eminent man, a title of Vishnoo.

পুৰৈ, *s.* লতা পাচলি বিসেস, a species of esculent plant.

পুৰৈয়া, *a.* পকা পুৰৈ গুটিৰ বৰনিয়া, চালৰ ৰোগ বিসেস, of a reddish color, like the seeds of the above; *s.* a cutaneous disease.

পুৰ্ন, *a.* পুৰ, ভৰা, সিধি, full, complete, filled, perfected.

পুৰ্নঅৱতাৰ, *s.* ভগৱন্তৰ প্রধান অৱতাৰ, ভাগৱতৰ মতে ক্রিস্ন অৱতাৰ, a chief incarnation, generally applied to Khrisnoo in the Bhagawat, in other shasters it is applied to Ram, and to a *Nor King.*

পুৰ্নচন্দ্র, *s.* পুৰ্নিমাৰ জোন, the full moon.

পুৰ্নপাত্র, *s.* ভৰা পাত্র, জোখৰ বৰ ভোজনি, a full vessel.

পুৰ্নব্রহ্ম, *s.* পৰম ইশ্বৰ, পৰম ব্রহ্ম, the all perfect, God.

পুৰ্নিমা, পুনিমা, } *s.* পুৰ্নমাসি, জোন পুৰ হোআ তিথি, the day of the full moon.

পুৰ্ব, *s.* আদি, আগ, আগৰ, প্রথম, the beginning; *a.* former, preceding, prior, anterior.

পুৰ্বকলিয়া, *a.* আগৰ কালৰ, ancient, former.

পুৰ্বকাল, *s.* আগৰ কাল, ভুত কাল, former times, the past.

পুৰ্বদিন, *s.* আগ দিন, জোআ দিন, কালি, the preceding day, yesterday.

পুৰ্বদিস, *s.* পুব ফাল, সুৰ্জ ওলোআ কাল, the east.

পুৰ্বপুৰুস, *s.* আদি পুৰুস, উপৰি পুৰুস, forefathers, first parents, progenitors, ancestors.

পূৰ্বফল্গুনি, *s.* নখ্যত্র বিসেস, the eleventh stellar mansion in the hindoo zodiac.

পূৰ্বভাদ্রপদ, *s.* নখ্যত্র বিসেস, the twenty fifth stellar mansion.

পূৰ্বাপৰ, *a.* আগৰ পৰা পাচলৈ, আগ আৰু পাচ, preceding and following, before and after, in regular order.

পূৰ্বসাঢা, *s.* নখ্যত্র বিসেস, the twentieth stellar mansion.

পূৰ্বাহ্ন, *s.* আগ বেলা, পুআ বেলা, the morning or early part of the day.

পূৰ্বে, *ad.* আগে, আগেয়ে, আদিতে, প্রথমতে, formerly, anciently, at first.

পূৰ্বোক্ত, *a.* আগেয়ে কোআ, আদিতে কোআ, previously spoken.

পূলকি, *v.* সুলকি, এৰাই, to loosen, to untie, to break loose.

পুলকিত, *a.* হৰ্ষিত, আনন্দিত, উল্লাসিত, ৰোমাঞ্চিত, overjoyed, delighted.

পুলি, *s.* গছিবৰ অলপ দিন হোআ গচ আদি, a plant, a seedling.

পুলুকা, *a.* সুৰ সোলোকা, লুকুআ, broken away, unloosed; with যাবি, to slip away.

পুলুকামৰা, *s.* কাম আদিৰ পৰা মনে মনে গুচি জোআ, the act of slipping away slyly.

পুলুঙপালাঙ, } *s.* ইফাল সিফাললৈ চোআ বা জোআ, looking this way
পুলুকপালাক, } and that.

পুস্ট, *a.* পুৰ, মঙহাল, পোহ তোলা, fat, fleshy, well fed, fattened.

পুস্তক, *s.* পুথি, কিতাপ, গ্রন্থ, সাস্ত্র, a book.

পুস্প, s. ফুল, স্ত্রিৰ ৰিতু, a flower, a blossom, the menstrual flux.

পুস্পবাৰি, *s.* ফুলৰ পানি, ফুলৰ মধু, water scented with flowers, the honey of flowers.

পুস্পোদ্যান, *s.* ফুলনি বাৰি, a flower garden.

পুস্পমালা, *s.* ফুলৰ মালা, বা চাকি, a string of flowers, a garland.

পুস্পৰেনু, *s.* ফুলৰ কেসৰৰ ধূলি, the pollen of flowers.

পুস্পৱতি, *a.* চুআ হোআ, ৰিতুমতি, menstruous.

পুস্পোত্সৱ, *s.* নোআই তোলনি বিয়া, the ceremony performed on reaching maidenhood.

পুস্যা, *s.* নখ্যত্র বিসেস, the eighth stellar mansion.

পুহ, *s.* নৱম মাহ, *Puh* the ninth Assamese month, comprising parts of December and January.

পুহনবিয়া, *s.* গৰ্ভ সংস্কাৰ কৰা বিয়া, a ceremony performed on conception.

পুহি, *v.* প্রতিপাল কৰি, to feed, to nourish, to support, to rear.

পুহিয়া, *a.* পুহ মাহত হোআ, belonging to the month of *Puh*.

পেঁচ, *s.* ঠেহ, ধুন, পাক থকা গজাল বিসেস, sulkiness, pouting, a screw.

পেঁচপতা, } s. ঠেহ পতা, ৰোঁহ পতা, ওফোন্দ লগা, the act of sulk-
পেঁচলগা, } ing or pouting.

পেঁপা, s. বাদ্য এবিধ, a kind of wind instrument.

পেঁপাবলা, a. বেগতে বৰ্হা, কোমল, সলা বলা, of rapid growth, tender.

পেঁপুআ, s. বিচুৰ্তি, বিগ্যান, বিতত, বিমোহ, surprise, astonishment.

পেঁপুআ খোআ, a. বিচুৰ্তি হোআ, তত হেৰোআ, filled with surprise.

পেঙ্গ, a. see কেপ, a thorn &c. in the ground.

পেঙ্গা, } a. খোৰা বিসেস, অলপকৈ খোৰাই জোআ, halt, lame,
পেঙ্গুৰা, } crippled.

পেঙ্গুৰি, s. খোৰাই ফুৰা তিৰি, a lame woman.

পেঙ্গেলিয়াই, v. উলাই কৰি, নিন্দা বা খেনি কৰি, to mock, to deride.

পেঙ্গেলাপেঙ্গেলি, s. পৰস্পৰে কৰা উলাই, mutually mocking or deriding.

পেট, s. উদৰ, গৰ্ভ, মন, আসই, the belly, the abdomen; *fig.* the mind, the secret feelings.

পেটকামোৰনি, s. পেটৰ বিস, a griping pain in the bowels.

পেটকুৰুচিয়া, } a. পেটত অনেক কথা ৰাখি থোআ, কপটিয়া, hypo-
পেটকেৰুনিয়া, } critical, insincere, holding a grudge.

পেটগাজনি, } s. পেটৰ সব্দ, গোৰ্গোৰনি, a rumbling of the bowels.
পেটগোঁজৰনি, }

পেটপোহা, s. উদৰ প্ৰতিপাল কৰা, working for mere subsistence.

পেটবোআ, s. পেট চলা, a purging of the bowels.

পেটা, a. পেট থকা, হেঁচা বা গচকাত চেপেটা হোআ, having a belly, flattened by pressure.

পেটাউঠা, } a. চেপেটা হোআ, পেটেকা তোলা, crushed, jammed.
পেটাতোলা, }

পেটাজৰি, s. ঘোঁৰা আদিৰ পেটত বন্ধা জৰি, a girth, a belly band.

পেটাৰি, s. বেঁতৰ জঁপা বিসেস, a kind of clothes basket.

পেটাল, a. বৰ পেট থকা, গেৰেলা, corpulent, pot-bellied.

পেটু, s. মাচ আদিৰ নাৰি বা ভুঁৰু, the entrails.

পেটুআ, a. see পেটাল, corpulent.

পেটুলি, a. পেট ডাঙ্গৰ তিৰি, গেৰেলি, গৰ্ভিনি, fem. of the above.

পেটেকা, a. চেপেটা, পেটু ওলোআ, crushed, jammed, flattened.

পেনপেনাই, v. কেনকেনাই, লৰাই নেৰাকৈ কান্দি, to make a low monotonous sound as of a child crying.

পেনপেনিয়া, a. থিৰ থিৰিয়া, নিসনিৰে থকা, পানি আদিৰে উথলা, পেন-পেনাই থকা, continuous, (as of rain) soft, slushy.

পেনাই পেনাই খোআ, *s.* লাহে লাহে খোআ, পিলিকি পিলিকি খোআ, the eating slowly or daintily.

পেনেৰা, *a.* কন্দুৰা, পেনপেনাই থকা, babyish, peevish.

পেনেৰি, *s.* কান্দুৰি, নেহ নেহাই থকা ছোআলি, fem. of the above.

পেনোআ, *s.* পেনপেনাই থকা, উঁউকৈ কান্দি থকা, low continuous crying, whimpering.

পেৰা, *s.* বস্তু আদি থোআ কাঠৰ দৰ পাত্র, সৰিয়হ আদি জাম্রৰে চেপা, a box, a chest, the act of grinding in a mill; *a.* ground.

পেৰাখাট, *s.* মানুহ শোআ দৰ পেৰা, a chest bed on wheels.

পেৰি, *v.* জাম্রৰে চেপি, to express a fluid by grinding or pressing.

পেৰুচৰাই, *s.* এবিধ বিলাতি পোহনিয়া পখি, a turkey.

পেৰেক, *s.* বোকা আদিত খোজ দিয়াৰ সব্দ, a splashing sound.

পেৰেকাপেৰেক, *a.* কেনেকা কেনেক, muddy, splashy.

পেৰেঙ্গ, } *s.* মৰা মানুহৰ গ দিয়া চাং বিসেস, অপৰাধিৰ প্রান দণ্ডৰ
পেৰেঙ্গনি, } জন্ত্র, খ্রিস্টৰ ধৰমৰ চিন; a cross; an instrument of torture on which notorious malefactors were put to death.

পেৰোআৰি, *s.* দোলা আদিত আৰ দিয়া কাপৰ, a sedan curtain.

পের্পেৰাই, *v.* ঘনে কৈ বা কান্দি, ফেনফেনাই, to make a monotonous sound, to repeat a thing over and over.

পের্পেৰিয়া, *a.* বোকা জেন কোমল, ঘনেকৈ থকা, soft, muddy.

পেলনি জোআ, } *a.* পেলাব লগা, নষ্ট হোআ, worthless, fit to be
পেলনিয়া, } thrown away.

পেলাই, *v.* অপ্রয়োজনিয় বস্তু ত্যাগ কৰি, হাত আদিৰ পৰা পতন কৰাই, কথাৰ লগত জোগ হলে এঁটোআক বুজাই, to throw, to cast down or away; it is often compounded with other verbs expressing the idea of completely doing, as চাই পেলাই, বহ পেলাই.

পেলু, *s.* পেটৰ ভিতৰত থকা দিঘল পোক এবিধ, an intestinal worm.

পেলুআ, *a.* পেলুৰ নিচিনা ডাঙ্গৰ, like the above worm, hence coarse, (applied to thread.)

পেলোআ, *a.* পতন কৰা, cast off, thrown away.

পেহা, } *s.* বাপেকৰ ভনিএকৰ পতি, a paternal uncle.
পেহাক, }

পেহি, } *s.* বাপেকৰ ভনি, বা ভনিএক, a paternal aunt.
পেহিয়েক, }

পৈ, } *s.* স্বামি, পতি, গিৰিএক, a husband.
পৈএক, }

পৈত্রিক, *a.* পিতা পিতামহৰ, অনেক পুৰুষিয়া, paternal, ancestral.

পৈত্রিক ধন, *s.* বাপেক ককাকৰ ধন সম্পত্তি, ancestral property.

পৈত্রিক ভুমি, *s.* বাপেক ককাকৰ মাটি, ancestral land.

পৈনত, *a.* আপঁইতা নোহোআ, পুৰট, পাৰ্গত, full grown, mature, perfect, accomplished.

পৈয়াঁতি, *a.* পৈএক থকা, গিৰিএক লগা, having a husband; sometimes used in abuse.

পৈশাচিক, *a.* ভুত পিশাচ আদিৰ সম্পৰ্কিয়, fiendish, demoniacal.

পো, *s.* পুত্র, সন্তান, লৰা, a son.

পোঅন জিৱন, *s.* পো জি, লৰালুৰি, sons and daughters.

পোআ, *a.* প্রাপ্ত, সেৰৰ চাৰি ভাগৰ এভাগ, বা কুৰি টকাৰ ভৰ, found, obtained; *s.* an acquisition, the fourth part of a seer.

পোআপুই, *ad.* পাঁও পাঁও হোআ, ওচৰ চপা, just about to reach a place or obtain a desired object.

পোআল, *s.* মনি বিসেস, প্রবাল, coral.

পোআলি, *a.* সৰু লৰা, দামুৰি আদি, young, small; *s.* the young of men and animals.

পোআ, *s.* কথোপকথনত পুতেকক বুজুআ মাত, a son, (*i.e.* of the person addressed.)

পোঁআতি, *a.* পোআলি থকা, সন্তান জনমোআ, having issue.

পোঁতকৰে, *ad.* বেগতে, সিঘ্রে, চোঁতকৰে, quickly, at once.

পোক, *s.* কিট, পাখি আদি নথকা জন্তু বিসেস, a worm.

পোকৰ, *s.* মল দ্বাৰ, গিদা, the anus.

পোকৰটনা, *s.* লেঙটি, কপনি, সৰু চুৰিয়া, a narrow waistcloth.

পোকৰে পোকৰে, *ad.* পিচে পিচে, গিদে গিদে, one after another, close behind.

পোকা, *a.* পোকে ধৰা, কেৰুনিয়া, worm-eaten.

পোটক, *s.* সোঁট, প্রতিফল, retaliation, reward or punishment.

পোটপোটনি, *s.* ভোটভোটনি, a rumbling of the bowels.

পোটোকা, *s.* খুঁন্দা আদিত পৰা খাল, a dent, a dimple.

পোত, *s.* খুঁটা আদিৰ মাটিৰ তলত সোমোআ ভাগ, the part of a foundation wall or post that is under ground.

পোতন, *s.* মাটিৰ তলত থোআ, the laying a foundation or the burying anything in the ground.

পোতনি, *s.* পঁইতা ভাতৰ পানি, the water of stale rice.

পোতা, *a.* পুতি থোআ, পোতত থকা, interred, buried; *s.* a burial.

পোতাসাল, *s.* বন্দিশাল, ফাটক, a prison.

পোন, *a.* প্ৰথম, বেঁকা নোহোআ, সৰল, সলসলিয়া, ঠাক, কুৰি গণ্ডা, straight, plain, sincere, four twenties or eighty.

পোনতে, *ad.* আদিতে, প্ৰথমতে, at first.

পোনৰ, *s.* আদিৰ, প্ৰথমৰ, the first, the preceding, the former.

পোনা, *s.* মাচৰ পোআলি, পো জিক মতা মৰমৰ মাত, young fish, small fry.

পোনাই, *v.* পোন কৰি, থিয় কৰি, to straighten.

পোনেই, *ad.* আৰ নোহোআকৈ, প্ৰথমেই, directly, straightway, at once.

পোনেপোনে, *ad.* দিঘে দিঘে, বেকা নোহোআকৈ, প্ৰথমে, খপৰাই, straightforward, at once, at first.

পোনোআ, *s.* বেঁকা বা ভাঁজ গুচুআ, পোন কৰা, the straightening of anything crooked.

পোন্দাই, *v.* কোন্দোআকৈ ধৰি, চকু ঘোপা কৰি, to frown.

পোন্দোআপুন্দিকৈ, *ad.* চকু ঘোপাকৈ, কোন্দোআ কুন্দিকৈ, frowningly, with an angry countenance.

পোস্ক, *s.* চুৰিয়াৰ আগ বা পাচ খোচনি, the end of a waistcloth that is tucked in behind.

পোন্ধৰ, *a.* দহ আৰু পাঁচ, fifteen.

পোৰন, পোৰনি, } *s.* গাত তাপ ধৰা, ৰমৰমনি, জ্বলা, a burning or conflagration, an inflamation.

পোৰা, *a.* জুইত দিয়া, দাহ কৰা, চেঙচেঙ ভকুভকোআ, ৰমৰমোআ, burnt, roasted, scorched, broiled, pungent.

পোৰানি, *s.* জুয়ে পোৰা ঠাই বা হাবি, a burnt jungle.

পোৰাপিঙলা, *s.* এবিধ খজু, a kind of cutaneous disease.

পোৰোক কৰে, *ad.* বেগতে, মুহুৰ্ত্তে, quickly, easily.

পোৰোলালতি, *s.* লতা বিশেষ, কোৰোলালতি, পটোলৰ গচ বা গুটি, a cucurbitaceous plant, the Tricosanthes divisa.

পোৰোহিত, *s.* জাজক, দহা কাজ আদি কৰোআ জন, a priest.

পোৰ্পোৰকৰে, *ad.* বাধা বা নোধ পোচ নোহোআকৈ, খটা নধৰি, চৰ্চ্চৰ কৰে, at will, without obstruction.

পোলা, *s.* বেৰৰ চুক বা দুআৰ মুখত বন্ধা মুঠা, আটি, কোঁচা, reeds bound over the corners or at the doors of a reed partition.

পোলাকটা, *s.* ঘৰৰ চুক বা দুআৰ মুখৰ আটি কটা, চোৰ, one who cuts the above, hence a thief.

পোলাপোল, *s.* আটি আটি, মুঠামুঠ, কোচাকোঁচ, many bundles, an abundance, a large quantity.

পোলোঙ্গা, *a.* পোন, ঠাল ঠেঙ্গুলি নথকা দিঘল, লেঙ্গলেঙ্গিয়া, erect, straight, tall, (applied to trees.)

পোলোঙ্গাপোলোঙ্গ, *a.* সলসলিয়া, চকু দাঙ্গি চোআ, straight, and without a branch; with কৈ, *ad.* applied only to gazing about with the head elevated.

পোহতোলা, *a.* পুষ্ট কৰা, well fed, fattened.

পোহদিয়া, *s.* আগৰ লগতে নকৈ বৰ্হাই দিয়া, daily, the adding of new milk to old curds.

পোহধৰা, *a.* পুৰ হৈ পৰা, মঙ্গহ ধৰা, fat, fleshy.

পোহন, *s.* প্ৰতিপাল কৰা, cherishing, feeding, maintaining.

পোহন পালন, } *s.* প্ৰতিপাল, খুউআ পিন্ধোআ, দিঘল ডাঙ্গৰ কৰা,
পোহপাল, } rearing or supporting.

পোহনিয়া, *a.* ঘৰচিয়া, ঘৰত পোহা জন্তু আদি, tame, domesticated.

পোহা, *a.* প্ৰতিপাল কৰা, ঘৰচিয়া, হাতৰ ঠেলা, not wild, tamed, a handful.

পোহাৰ, *s.* বজাৰ, দোকান, a market, a shop.

পোহাৰি, *s.* পোহাৰ দিয়া তিৰি, বনিয়ানি, a market woman.

পৌত্ৰ, *s.* নাতি, a grandson.

পৌত্ৰি, *s.* নাতিনি, a granddaughter.

পৌৰানিক, *a.* পুৰানৰ, পুৰনি, ancient, relating to or founded on the purans; *s.* a mythologist.

প্ৰ, *prep.* উপসৰ্গ বিসেস, আন কথাৰ লগত জোগ হলে ওপৰ, অতিসই, বৰ, আদি বুজাই, an inseparable preposition, expressing intensity or excellence; it is sometimes used in the sense of former, fore.

প্ৰকট, *a.* কৰিবলৈ টান, সকলোএ জনা, difficult of accomplishment, evident, notorious.

প্ৰকৰন, *s.* আধ্যা, পুথিৰ চেদ, প্ৰস্তাও, a chapter or section of a book, a topic of discussion.

প্ৰকাণ্ড, *a.* বৰ সকত, ডাঙ্গৰ, ভয়ানক, lofty, large, stupendous, gigantic.

প্ৰকাৰ, *s.* বিধ, ভাও, ৰুপ, সদিস, a sort, kind, method, manner.

প্ৰকাৰান্তৰ, *a.* আন ৰুপ, আন ভাও, of another sort, dissimilar, different.

প্ৰকাস, *s.* পহৰ, ৰশ্মি, প্ৰচাৰ, ওলোআ, বেকত, light, lustre, a disclosure, a revelation, a manifestation; with কৰি, to reveal, to publish.

প্ৰকাসক, *s.* প্ৰকাস কৰোঁতা, দিপ্তি কৰোত, প্ৰচাৰক, a publisher, an expounder.

প্ৰকাসন, *s.* প্ৰকাস কৰা, পহৰ দিয়া, ব্যক্ত কৰা, প্ৰচাৰ কৰা, a manifestation, a showing or publishing.

প্ৰকাসনিয়, } *a.* প্ৰকাস কৰিব লগা, প্ৰকাসিবৰ জোগ্য, worthy of being
প্ৰকাস্য, } shown or revealed.

প্ৰকাসৰূপে, *ad.* সকলোএ জনাকৈ, ব্যক্তকৈ, openly, publicly.

প্ৰকাসি, *v.* প্ৰকাস কৰি, দিপ্তি কৰি, প্ৰচাৰ কৰি, to shine, to show, to reveal, to publish abroad.

প্ৰকাসিত, *a.* প্ৰকাস হোৱা, পহৰ হোৱা, প্ৰচাৰিত, disclosed, revealed, published, proclaimed.

প্ৰক্ৰিতি, *s.* স্বভাও, পৰ্কিতি, সক্তি, স্ত্ৰি, original and unformed matter, accounted in the hindoo books as the passive or female principle from which the world arose; nature, disposition.

প্ৰখ্যাত, *a.* জনা সুনা, প্ৰসিদ্ধ, celebrated, renowned, famed.

প্ৰখ্যালন, *s.* ধোৱন, পখালন, washing or cleansing, expiation.

প্ৰখ্যেপ, *s.* পেলোৱা, casting forth, propelling.

প্ৰচণ্ড, *a.* ভয়ামিয়া, অতি বৰ বা ভয়ানক, terrible, violent, dreadful.

প্ৰচণ্ডপ্ৰতাপ, *s.* বৰ মহিমা, অতি তেজস্বি, excessive glory or effulgence.

প্ৰচণ্ড প্ৰতাপি, *a.* অতি মহিমাৱন্ত, all glorious.

প্ৰচণ্ডমূৰ্ত্তি, *s.* ভয়ানক ৰূপ, দেখিলে ভই লগা, a terrible visage or aspect.

প্ৰচলিত, *a.* চলি থকা, প্ৰসিদ্ধ, চলাচল, in popular use, prevalent, current.

প্ৰচাৰ, *s.* ঘোসনা, কিৰ্ত্তন, চকুৰ টিপ, the act of publishing, proclaiming or preaching; with চকু, the twinkling of an eye.

প্ৰচাৰক, *s.* ঘোসক, কিৰ্ত্তন কৰোঁতা, a proclaimer, a preacher.

প্ৰচুৰ, *a.* অনেক, বহুত, ওগাইবহ, much, plentiful, abundant.

প্ৰজ্বলিত, *a.* বৰকৈ জ্বলি উঠা, প্ৰকাসিত, enkindled, blazing, public.

প্ৰজা, *s.* ৰজাৰ অধিনৰ মানুহ, ৰাজ্য, লোক সমূহ, সন্তিসন্ততি, a subject, a dependent, a people, offspring, progeny.

প্ৰজাপতি, *s.* ব্ৰহ্মা, ৰজা, Brahma considered as the sire of all, a king, a sovereign.

প্ৰজাপালক, *s.* প্ৰজাক চলাওঁতা বা পালোঁতা, ৰজা, a king, a sovereign.

প্ৰতাপ, *s.* প্ৰভাও, মহিমা, splendor, dignity, glory, majesty.

প্ৰতাপি, *a.* তেজস্বি, মহিমাৱন্ত, ঐশ্বৰ্য্যৱন্ত, glorious, dignified, splendid.

প্ৰতি, *prep.* উপসৰ্গ বিসেস, লৈ বা ফালে, সনদি, প্ৰত্যেক, as an inseparable preposition it generally expresses reflected or reiterated action, corresponding with the Latin *re.* as ধ্বনি, sound, প্ৰতি ধ্বনি, reverberation; *a.* each, every.

প্ৰতিকাৰ, *s.* প্ৰতিফল, পোটক তোলা, a requital, retribution, reward.

প্ৰতিখ্যন, *ad.* ঘনে পতি, বেলিএ বেলিএ, বাট চোৱা, অপেখ্যা কৰা, constantly, without intermission, expectation.

প্ৰতিগমন, *s.* পুনৰাই জোৱা, বাৰম্বাৰ গমন, the going again.

প্ৰতিগ্যা, *s.* অঙ্গিকাৰ, সঙ্কল্প, a promise, an agreement.

প্ৰতিগ্যাপত্ৰ, *s.* অঙ্গিকাৰ পত্ৰ, a written agreement, a promissory note.

প্ৰতিচাঁয়া, *s.* প্ৰতিমুৰ্ত্তি, চাঁ, প্ৰতিবিম্ব, reflected image, an exact likeness.

প্ৰতিজন, *s.* গাইপতি, এক এক জন, each one, every one.

প্ৰতিতি, *s.* বিশ্বাস, প্ৰত্যই, স্বৰূপ মনা, faith, evidence, belief.

প্ৰতিদান, *s.* দানৰ সলনি দান, pay, reward, recompense.

প্ৰতিদিন, *ad.* দিনে দিনে, নিতৌ, নিত নিত, দিনৌ, daily, every day.

প্ৰতিধ্বনি, *s.* সবদৰ পাচত সবদ উঠা, ধনি উঠা, an echo, a reverberation.

প্ৰতিনিধি, *s.* সলনি, বদলি, অন্যৰ মুখে নিজুক্ত, a representative, a substitute, a deputy, a proxy.

প্ৰতিপত, } *s.* তিথি বিসেস, চন্দ্ৰকলাৰ প্ৰথম দিন, the first day of the
প্ৰতিপদ, } moon's increase or wane.

প্ৰতিপাল, *s.* পোহনপালন, cherishing or providing.

প্ৰতিপালক, *s.* পোহপাল কৰোঁতা, পোহোঁতা a protector, a guardian.

প্ৰতিফল, *s.* সমুচিত ফল বা লাভ, প্ৰতিকাৰ, পোটক তোলা, retribution, retaliation, revenge, reward; with দি, to punish, to reward.

প্ৰতিবচন, } *s.* উত্তৰ, সমিধান, সিধান্ত, সমিচাৰ, an answer, a reply.
প্ৰতিবাক্য, }

প্ৰতিবাদ, *s.* বিবাদৰ উত্তৰ, litigation, an answer to a charge.

প্ৰতিবাদি, *s.* পদকিয়া, বা উত্তৰ দিয়া জন, a defendent, a respondent.

প্ৰতিবাসি, *s.* চুবুৰিয়া, ওচৰ ঘৰিয়া বা গাঁৱা, ওচৰিয়া, a neighbor; *a.* neighboring.

প্ৰতিবিম্ব, *s.* চাঁ, প্ৰতিমুৰ্ত্তি, a reflected image, a picture, an exact likeness.

প্ৰতিমা, *s.* দেৱমুৰ্ত্তি, পুতলা, মুৰ্ত্তি, an idol, an image, a picture.

প্ৰতিমুৰ্ত্তি, } *s.* তদ্ৰুপ আকাৰ, চবি, a resemblance, an exact like-
প্ৰতিৰূপ, } ness, an image.

প্ৰতিষ্ঠা, *s.* গৌৰব, প্ৰসংসা, সুচি কৰা, praise, commendation, renown.

প্ৰতিহিংসা, *s.* হিংসাৰ সলনি হিংসা, revenge, retaliation.

প্ৰত্যই, *s.* বিশ্বাস, সঞ্চাত, পতিওৱা, faith, belief, confidence, trust.

প্ৰত্যখ্য, *a.* চকুৰ আগত থকা, দেখি থকা, visible, evident, clear, plain.

প্ৰত্যখ্যপ্ৰমান, *s.* দেখা প্ৰমান, স্বৰূপ প্ৰমান, the evidence of the senses; *a.* self evident.

প্রত্যঙ্গ, *s.* সৰিলৰ প্ৰতিঅঙ্গ, সৰু সৰু অঙ্গ, the extremities or smaller members of the body.

প্রত্যাসা, *s.* আসা, ভাৰসা, মন লাগি থকা, hope, expectation, confidence.

প্রত্যুত্তৰ, *s.* সমিচাৰ, পুনৰ উত্তৰ, an answer, a reply.

প্রত্যুপকাৰ, *s.* উপকাৰৰ সলনি উপকাৰ, a return of kindness.

প্রত্যুস, *s.* পুভাত, অতি ৰাতি পুআ, the early morning dawn.

প্রত্যেক, *a.* প্ৰতিজন, গাইপতি, every one, each, individually.

প্রথম, *a.* আদি, আগ, প্ৰধান, বৰ, এৰুৰ সংখ্যা, first, chief, principal.

প্রথমতে, } *ad.* পোনেই, আদিতে, firstly, in the first place, at first,
প্রথমে, } in the beginning.

প্রদর্সন, *s.* see দৰ্সন,

প্রদান, *s.* দান, অৰ্পন, দিয়া, the act of giving or surrendering.

প্রদিপ, *s.* চাকি, বন্তি, সলা, a lamp, a lantern, a light.

প্রদেস, *s.* দেসৰ এভাগ, চহৰ, এক খণ্ড, a district, a province, a region.

প্রধান, *a.* স্ৰেষ্ঠ, বৰ, ডাঙৰ, ঘাই, chief, principal, pre-eminent, prime.

প্রনই, *s.* প্ৰেম, মৰম, প্ৰিত, আদৰ, affection, kindness, regard.

প্রনতি, } *s.* সেৱা, ভক্তিৰে মুৰ দোঁওআ, নমস্কাৰ, চালাম, salutation,
প্রনাম, } worship.

প্রনামি, *v.* প্ৰনাম কৰি, সেৱা কৰি, to salute, to worship; *s.* a salutation gift.

প্রনিপাত, *s.* সেৱা, অষ্টাঙ্গ প্ৰনাম, worship, prostration, salutation.

প্রপিতামহ, *s.* ককাকৰ বাপেক, আজোককাক, a paternal great grandfather.

প্রপিতামহি, *s.* ককাকৰ মাক, আজো বুৰিমাক, a paternal great grandmother.

প্রপৌত্ৰ, *s.* পৰিনাতি, a great grandson.

প্রপৌত্ৰি, *s.* পৰিনাতিনি, a great granddaughter.

প্রফুল, *a.* ফুলা, মুকলি, সন্তুষ্ট, হৰ্সিত, expanded, blooming, cheerful, gay, smiling, glad.

প্রফুলিত, *a.* মুকলি হোআ, আনন্দিত, হৰ্সিত, in blossom, expanded, gay, cheerful, prosperous.

প্রবঞ্চনা, *s.* ফাঁকি, চল, ভাণ্ডনা, fraud, cheating, imposture, deception.

প্রবন্ধ, *s.* চেষ্টা, উপাই, জতন, পুৰুসাৰ্থ, continuous effort, striving, laboring.

প্রবৰ্ত্তন, } *s.* আচৰন, জিবিকাৰ উপাই, a course of conduct, a
প্রবৰ্ত্তনি, } means of living.

প্রবৰ্ত্তি, *v.* আচৰি, চলি, জিবিকাৰ উলিয়াই, to pursue a course of conduct, to subsist.

প্রবল, *a.* বৰ বল, সক্তিমান, বৰ্হা, strong, powerful, mighty, prevalent.

প্রবাল, *s.* পোআল মনি, coral.

প্রবাস, *s.* পৰবাস, বিদেসত বা পৰৰ ঘৰত থকা, a temporary residence away from home.

প্রবাসি, *s.* পৰবসুআ, বিদেসি, আলহি, a guest, a sojourner.

প্রবেস, *s.* ভিতৰলৈ জোআ, সোমোআ, আহি পোআ, entrance, penetration, engaging in a pursuit.

প্রবোধ, *s.* ভাল গ্যান, চেতন, বুজুআ, a conviction, an awakening, vigilance; with দি, to arouse, to call the attention, to excite.

প্রবোধদিয়া, *s.* গ্যান দিয়া, সিকোআ বুজুআ, চেতনা কৰা, the act of awakening, convincing &c.

প্রভা, *s.* দিপ্তি, কিৰন, ৰশ্মি, কান্তি, light, splendor, radiance, lustre.

প্রভাও, *s.* প্রতাপ, মহিমা, পৰাক্রম, majesty, dignity, honor, power.

প্রভাকৰ, *a.* দিপ্তি দিওঁতা, সুর্জ, বেলি, giving light, hence; *s.* the sun.

প্রভাত, *s.* কেৱল পুআ, অৰুনোদই, উসাকাল, morning, day break, dawn.

প্রভু, *s.* ইস্বৰ, অধিকাৰ, গৰাকি, Lord, God, a master, a governor.

প্রভেদ, *s.* see ভেদ,

প্রভৃতি, *ad.* আদি কৰি, et cetera, and the like, and so forth.

প্রমাতামহি, *s.* মাকৰ বুৰিমাক, আজোবুৰিমাক, a maternal great grandmother.

প্রমাদ, *s.* আপদ, বিপদ, trouble, an evil, calamity, misfortune.

প্রমান, *s.* সাখি, পৰিমান, পৰিখ্যা, নিচই বুজা, চিন, evidence, proof, testimony, authority for an opinion, a mark of distinction.

প্রমানিক, *a.* পৰিমানি, প্রমান পোআ, স্বৰূপ, substantiated, having proof, founded on evidence.

প্রমুখাত, *ad.* আৰ তাৰ মুখৰ পৰা, orally, by word of mouth.

প্রমোদ, *s.* আনন্দ, হর্স, আহলাদ, joy, delight, rapture.

প্রয়াগ, *s.* তির্থ বিসেস, a place of pilgrimage at the junction of two or more sacred rivers, as of the Jumuna and Ganges.

প্রয়াস, *s.* জতন, স্রম, দুখ, ইচা, exertion, diligence, labour, earnest desire.

প্রয়াসি, *a.* স্রমি, দুখকাৰি, আকাঙ্খি, laborious, diligent.

প্রয়োজন, *a.* আৱস্যক, সকাম, লগা, need, necessity, use.

প্রয়োজনিয়, *s.* লাগতিয়াল, আৱস্যক হোআ, সকামৰ, উচিত, needful, necessary, proper, fit.

প্রলই, পলইকাল, *s.* কল্পান্ত, স্রিষ্টিৰ নাস, ধ্বংস, অন্তকাল, অতিসই দুখ, the end of a *kolpo*, or the destruction of the world, universal dissolution, death, calamity.

প্ৰসৱ, *s.* গৰ্ভিনিৰ সন্তান জনম, parturition, child birth.

প্ৰসংসনিয়, *a.* প্ৰসংসাৰ জোগ্য, সুখ্যাতিৰ্পাত্ৰ, commendable, praiseworthy.

প্ৰসংসা, *s.* সলগা, গুন বৰ্ননা, জসস্যা, praise, eulogy, applause, flattery.

প্ৰসঙ্গ, *s.* প্ৰস্তাৱ, কথন মথন, নাম কিৰ্ত্তন, a topic, a subject, discourse, a kind of worship with cymbals.

প্ৰসন্ন, *a.* সন্তুস্ট, দয়াজুক্ত, সদই, pleased, favorable, propitious, kind.

প্ৰসস্ত, *a.* উত্তম, অতি ভাল, excellent, good.

প্ৰসাদ, *s.* অনুগ্ৰহ, গুৰুএ খাই এৰা বা দেৱতাৰ আগত থোআ দ্ৰব্য, favour, food offered to an idol, the leavings of a gooroo's meal.

প্ৰসিদ্ধ, *a.* প্ৰখ্যাত, সকলোএ জনা বুজা, previously mentioned, famous, celebrated, well known.

প্ৰসুতা, } *s.* সন্তান পোআ তিৰিৰ ৰোগ বিসেস, a lying in woman;
প্ৰসুতী, } a disease incident to parturition.

প্ৰস্তৰ, *s.* সিল, a stone, a rock.

প্ৰস্তাও, } *s.* প্ৰসঙ্গ, বিৃত্তান্ত, উক্তি, a subject, a topic of conversation,
প্ৰস্তাৱ, } an occasion, an opportunity.

প্ৰস্তাবিত, *a.* কথিত, কোআ, প্ৰসঙ্গ কৰা, related, mentioned, told.

প্ৰস্তুত, *a.* জুগুত, থিৰ, সাস্টস, prepared, ready, prompt.

প্ৰস্থ, *a.* পথালি জোখ, বহল, পোহা, wide, broad; *s.* width, breadth.

প্ৰস্থান, *s.* গমন, গুচি জোআ, departure, a setting out.

প্ৰশ্ন, *s.* জিগ্যাসা, সোধা, a question, an interrogation, a query.

প্ৰশ্নোত্তৰ, *s.* জিগ্যাসাৰ উত্তৰ, সোধা মেলা, questions and answers, a catechism.

প্ৰশ্বাস, *s.* এৰা উসাহ, respiration.

প্ৰহৰ, *s.* দিন ৰাতিৰ আঠ ভাগৰ এভাগ, পৰ, তিনি ঘন্টা, an eighth part of a day or three hours, a watch.

প্ৰহৰি, *s.* পৰিয়া, চকিদাৰ, a watchman, a sentry, a sentinel.

প্ৰহাৰ, *s.* আঘাত, মাৰ, কোব, a blow, a stroke, a beating, a flogging.

প্ৰহাৰি, *v.* প্ৰহাৰ কৰি, মাৰি, to strike, to flog.

প্ৰহেলিকা, *s.* সাঁথৰ, দ্ৰিস্টান্ত, a puzzle, an enigma, a riddle.

প্ৰহ্লাদ, *s.* বিস্নুৰ পৰম ভক্ত দৈত্য এজন, a notorious demon of hindoo mythology.

প্ৰাই, *ad.* অলপ কম, অলপ বাকি থকা, নিচিনা, a little short, almost, nearly, like to.

প্ৰাক্তন, *s.* কঁপাল, ভাগ্য, বাসনা, অদ্ৰিস্ট, resulting from acts supposed to have been committed during a former birth; destiny, fate.

প্ৰাক্ৰিত, *a.* প্ৰাকিত, নিচ, অধম, সামান্য, low, common, vulgar.

প্ৰাচিত, } *s.* পৰাচিত, পাপনাসক কৰম, পুনৰ সুচি হোআ বা কৰাৰ
প্ৰায়চিত্ত, } উপাই, atonement, expiation, penance.

প্ৰাচিন, *a.* পুৰনি, আগৰ, বহু দিনিয়া, former, ancient, olden.

প্ৰাতস, } *s.* পুআ, পুভাত, the dawn, the early morning.
প্ৰাতঃকাল, }

প্ৰান, *s.* জিব, আত্মা, নিশ্বাস, ধাতু, বায়ু, life, breath, spirit, vitality.

প্ৰানঘাতক, } *s.* প্ৰান মাৰোঁতা, প্ৰান বধি, a murderer; *a.* destructive,
প্ৰানঘাতকি, } fatal to life, murderous.

প্ৰানত্যাগ, *s.* জিব এৰা, মৰা, ধাতু জোআ, the relinquishing of life, death.

প্ৰানদণ্ড, *s.* প্ৰান মৰা, capital punishment.

প্ৰাননাথ, *s.* প্ৰভু, পতি, স্বামি, *lit.* lord of my life; a husband, an expression of endearment.

প্ৰানপন, *s.* প্ৰান উচৰ্গা, প্ৰান থাকে মানে পৰিস্ৰম কৰা, hazarding life on an undertaking, puting forth the greatest effort.

প্ৰানপ্ৰতিষ্ঠা, *s.* প্ৰতিমা আদিক জিব দিয়া, the pretended endowing of an idol with life.

প্ৰানপ্ৰিয়, *a.* প্ৰানৰ সম স্নেহ পাত্ৰ, প্ৰিয়তম, dear as life, beloved.

প্ৰানবস্তু, *s.* জিৱ পদাৰ্থ, animated matter.

প্ৰানবায়ু, *s.* সৰিলত থকা বায়ু বিসেস, the breath of life.

প্ৰান বিজোগ, *s.* সৰিলৰ পৰা প্ৰান বেলেগ হোআ, মৰন, death, the departure of life.

প্ৰানসম, *a.* প্ৰান তুল্য, দেহিভুখৰি, অতি মৰমৰ, dear as life, beloved.

প্ৰানহত্যা, *s.* জিব বধ, প্ৰান মৰা, the taking of life, murder.

প্ৰানহিংসা, *s.* প্ৰানৰ অহিত চিন্তা, প্ৰান বধিবলৈ চিন্তা, mortal hate, murderous intent.

প্ৰানাধিক, *a.* বৰ মৰমৰ, প্ৰানতকৈ অধিক, more than life.

প্ৰানান্ত, *s.* প্ৰানৰ সেস, মৰন, the end of life, death.

প্ৰানি, *a.* জিবন্ত, জিব থকা, মনুস্য আদি, living, alive; *s.* a living creature.

প্ৰাপ্ত, *a.* পোআ, লাভ হোআ, found, gained, acquired, earned.

প্ৰাপ্তি, *s.* পৰাপতি, লাভ, উতপন, পাব লগা, gain, profit, a sum due.

প্ৰাৰ্থনা, *s.* নিবেদন, মাগন, মিনতি, কাবৌ, a prayer, a request, a petition, a supplication, worship.

প্ৰাৰ্থনিয়, *a.* নিবেদন কৰিব লগা, প্ৰাৰ্থনা কৰাৰ জোগ্য, worthy or proper to be asked for.

প্ৰাৰ্থি, *v.* প্ৰাৰ্থনা কৰি, to pray, to make supplication, to worship.

প্রার্থিত, *a.* প্রার্থনা করা, খোজা, নিবেদিত, asked for, solicited, prayed for.
প্রিতি, *s.* পিরিতি, স্নেহ, ভক্তি, প্রেম, love, affection, regard.
প্রিথক, *a.* বেলেগ, ভিন, ভাগ ভাগ, separate, divided.
প্রিথকাই, *v.* বেলেগাই, আঁতরাই, to separate.
প্রিথিবি, *s.* ভূলোক, ভূমণ্ডল, ভূমি, the earth, the world.
প্রিথু, *s.* আগর এজন রজার নাম, an ancient king celebrated as having first taught men to cultivate the earth.
প্রিয়, *a.* স্নেহ পাত্র, মরমর, স্বামি, dear, beloved; fem. প্রিয়া.
প্রিয়তম, *a.* প্রিয়তকৈ প্রিয়, বর মরমর, স্বামি, dearly beloved; *s.* a husband.
প্রিয়তমা, *a.* ভার্জ্যা, অতি প্রেম পাত্রি, fem. of the above; *s.* a wife.
প্রিয়পাত্র, *a.* স্নেহর জোগ্য, worthy of affection.
প্রিয়বাক্য, *s.* মরমর কথা, সোআদ মাত, loving words.
প্রিয়বাদি, প্রিয়ভাসি, } *a.* মরমিয়াল কথা কঁওতা, of pleasant speech.
প্রিয়ালাপ, *s.* মরমেরে কথা বাত্রা হোআ, agreeable conversation.
প্রেত, *s.* মরা, পিসাঁচ বিসেস, a ghost, a spectre, an apparition, a goblin.
প্রেতকর্ম, *s.* মরার দস কর্মাদি, কাজ দহা আদি, ceremonies for the dead intended to deliver them from evil spirits.
প্রেতনদি, *s.* বৈতরনি, মরি আত্মাই পার হোআ নদি, the river of Hell, or the hindoo styx.
প্রেতপতি, *s.* ভূতর রজা, জমরাজ, Jom the fabled regent of death.
প্রেতাকার, *a.* প্রেতর দরে, সুতা নিচিনা, কুরুপ, ghastly, hideous.
প্রেম, *s.* চেনেহ, মরম, প্রিতি, love, tenderness, affection.
প্রেমসূত্র, *s.* প্রেমর জরি, মরমর বন্ধন, the bond of affection.
প্রেমাগ্নি, *s.* মরমর জুই, জলন্ত প্রেম, the flame of love.
প্রেমাসক্ত, *a.* প্রেমত রতি হোআ, affectionately attached or devoted to.
প্রৌঢ়িক, *a.* সকলোএ জনা, প্রকাস. open, published.
প্লখ্য, প্লখ্যদ্বিপ, } *s.* জরি গচ, সাত দিপর এক দিপ, a kind of tree, one of the seven circular oceans of hindoo cosmogony.
প্লাবন, *s.* বান পানি, তল জোআ, an inundation, a flood.
প্লাবিত, *a.* বুরা, তল জোআ, deluged, overflowed, submerged.

ফ

ফ, ফকার, is the aspirate of প, and is pronounced like *ph* in *loophole.* It is often pronounced like the letter *f* in *fate.*
ফই, *s.* মেজু, সকত ডাঙ্গরকৈ রটা ডোল, a cable, a large rope.
ফইদা, *s.* আয়ম, ভেম, অহঙ্কার, লাভ, affectation, pride, advantage.

ফঁপৰা, } *a.* ফাঁপৰে ধৰা, খহটা, তেলকুৰ নথঁহা, scurfy, rough to
ফঁপৰিয়া, } the touch.

ফঁহিয়াই, *v.* দিঘলকৈ চিৰাচিৰ কৰি, চিটিয়াই, to split into strips.

ফঁহিওআ, *s.* সৰু সৰুকৈ চিটাচিট কৰা, the act of splitting into strips.

ফক্‌ফকিয়া, *a.* মিচাতে বক্‌বকাই ফুৰা, ভক্‌ভকিয়া, নিকা, boastful, braggart, snowy white.

ফকৰা, *s.* জোজোনা, চলবুধি, an enigma; with পতা, intrigue, plotting.

ফকাম, *s.* পানিপাচত দিয়া চতি, a brace in a roof extending from an outer to an inner post; pride, arrogance; with জুৰি, *v.* to be filled with pride.

ফকিৰ, *s.* সন্যাসি বিসেস, মচলমানৰ বৰাগি, a mendicant, a hermit.

ফঙ্গফঙ্গিয়া, *a.* ভালকৈ পহৰ হোআ, ফৰকাল, day light, not cloudy.

ফচ্‌ফচিয়া, *a.* বালি অঁহিয়া, এঁঠা ৰহিত, crumbling at the touch, mealy.

ফচৰাই, *ad.* সিদ্ধে চিগা বা ভগা, suddenly, applied to the sound of anything bursting, breaking or piercing.

ফচল্ল, *a.* অকামিলা, ফুচুৰি, worthless.

ফচৌ, *s.* মানৰ কাপৰ এবিধ, a kind of Burmese silk cloth.

ফচৌচৌআ, *s.* ফুচুৰি কথা কোআ, মিচা, অসাৰ, a flashing in the pan; *a.* vain, futile, empty.

ফটকা, *s.* তুলাপাতেৰে মেৰাই কৰা খাৰৰ বাজি এবিধ, a fire cracker.

ফট্‌ফটিয়া, *a.* নির্মল, ফটিকৰ নিচিনা, জলি থকা, clear, transparent, crystal.

ফটৰ, *s.* ফুটা বা চিগাৰ সৰু সব্দ, the sound of snapping or bursting.

ফটা, *a.* দুফাল হোআ, ফাট মেলা, চিৰাচিৰ, split, cracked, rent, torn.

ফটাকানি, *s.* চিৰা কানি, কাপৰৰ চিগা ডোখৰ, rags, shreds, tatters.

ফটাচটা, } *a.* ফাটি ডোখৰ ডোখৰ হোআ, চিগা ভগা, অনেক ঠাইত
ফটাচিটা, } ফটা, torn to rags, tattered.

ফটিক, *s.* আৰ্চিৰ নিচিনা বগা বস্তু এবিধ, a crystal, quartz.

ফটিকা, *s.* সুৰা, মদ, spirituous liquor.

ফটুয়াই, *s.* ভৰিৰ ফটা ৰোগ এবিধ, a disease of the feet.

ফনা, *s.* সাপৰ ফেঁট, আলু আদিৰ ঠেঙ্গুলি, the hood of the cobra, a branch root or tuber.

ফনি, *s.* চুলি মেলোআ জতন, সাপ, a comb, a serpent.

ফনিউআ, *s.* মুৰ আঁচোৰা, মুৰ মেলোআ, combing; *a.* combed.

ফনিয়াই, *v.* চুলি আঁচুৰি, মুৰ মেলাই, to comb the hair.

ফনিস্বৰ, *s.* বাসুকি, প্ৰধান নাগ, Bahuki, *lit.* the king of serpents, the fabulous serpent Bahuki.

ফন্দ, *s.* চল, টেঙ্গৰৰ বুদ্ধি, a snare, an artifice, stratagem, trickery.

ফন্দন, *s.* গাৰ মঙ্গহ লৰা, a twitching of the muscles.

ফন্দি, *a.* বুধিয়ক, টেঙ্গৰ, চতুৰ, cunning, intriguing, trickish.

ফন্দিয়ক, } *a.* বুধিয়ক, টেঙ্গৰ, সিয়ান, full of evil devices, crafty, cunning.
ফন্দিয়াৰ, }

ফন্দিয়া, *s.* সিৰ কোঁচাই নিয়া ৰোগ, cramp, involuntary contraction of the muscles.

ফৰ, *s.* নিঘল বাৰু বিসেস, a leathern shield.

ফৰকাল, *a.* নিৰ্মল, পানি ৰোকা নথকা, মনত আসঙ্কা নথকা, clear, pellucid, satisfied.

ফৰমা, *s.* ধান এবিধ, a species of paddy.

ফৰিঙ্গ, *s.* উৰি ফুৰা পতঙ্গ বিসেস, a locust, a grasshopper.

ফৰিঙ্গতি, *s.* মাহ সৰিয়হ আহুধান আদি হোআ বাম মাটি, land not subject to inundation.

ফৰ্ফৰাই, *v.* চেৰ্চেৰাই, অলপ পোৰনি ধৰি, to feel a smarting, twinging or burning sensation.

ফৰ্ফৰিয়া, *a.* পানি নাইকিয়া হোআ সুকান ঠাই, চৰ্চৰিয়া, dry.

ফৰ্ফৰোআ, *s.* জলা বা চেৰ্চেৰোআ, অলপ পোৰনি ধৰা, a twinging &c.

ফৰ্মুটি, *s.* দলি মাৰি পঠিওআ মাৰি, a stick or club thrown from the hand.

ফৰ্মুটিউআ, *s.* ফৰ্মুটি মৰা, pelting with clubs or sticks.

ফৰ্মুটিয়াই, *v.* ফৰ্মুটি মাৰি, মাৰি দলিয়াই, to pelt as above.

ফল, *s.* গছৰ গুটি, লাভ, প্ৰতিকাৰ, গুন, fruit, produce, gain, profit, reward, consequence, result; with ধৰি, to bear fruit, to produce.

ফলঙ্গ, } *a.* মুকলি, আৰ নাইকিয়া, open, unshaded.
ফলংলঙ্গ, }

ফলদায়ক, *a.* ফল দিওঁতা, fruitful, profitable.

ফলৱতি, *a.* গুটি লগা, লাগনি, productive, advantageous.

ফলৱন্ত, } *a.* গুটি ধৰা, গোট লগা, bearing fruit.
ফলৱান, }

ফলা, *s.* অ আ, ক খ আদিৰ ভাগ, চিটাচিট কৰা, ফালি পেলোআ, a compound letter; *a.* split, cracked, cleft, torn.

ফলাচিৰা, *a.* see ফটাচিটা, ফালি চিৰি পেলোআ, ragged.

ফলাফল, *s.* লাভ অলাভ, উতপন হানি, loss or gain, failure or success, advantage or disadvantage.

ফলাহাৰ, *s.* গুটি আদি ভোজন কৰা, vegetable diet.

ফলি, *s.* ফলি গটিৰে লিখা কাঠৰ পাট, সোনাৰিৰ গুনা টনা জতন, চিলট, a blackboard, a slate.

ফলিউআ, *s.* ফলা, চিটাচিট কৰোআ, সিধি হোআ, ঘটা, splitting or tearing into strips, the coming to pass; *a.* split, happened.

ফলিক. *a.* গোমোঠাবা চেকা নোহোআ দেখিবলৈ সুঅনি, clean, pure, white.

ফলিগুটি, *s.* ফলিত লিখা মাটিৰ গুটি, চিলটৰ পেঞ্চিল, a slate pencil, any thing used for marking on a blackboard.

ফলিতমৰা, *s.* সাঁচত চাব আদি কটা, তামৰ ফলিত বা পত্রত লিখা, marked, engraved.

ফলিতা, *s.* ফল, সমাজিকৰ অর্থ, a result, the interpretation of a dream.

ফলিন, *a.* গুটি লগা, ভকন, fruitful, advantageous.

ফলিয়া, *a.* ফাল ফাল হোআ, চেপেটা, কহিয়া, পখ্য, কাম্বুলি মাচ, flat, split, belonging to a side or party, partial.

ফলিয়াই, *v.* ফালি, ফাল ফাল কৰি, সিধি হৈ, to split into strips, to bring to pass.

ফলোআ, *s.* ফাল ফাল কৰোআ, splitting or causing to be split.

ফল্গুতচও, *s.* ফাঁকুআ, হলি, দৌল জাত্রা, the *holi* festival, *fakua.*

ফহ্ফহিয়া, *a.* বালি জেন, ফচ্ফচিয়া, soft, mealy.

ফাঁওচফাঁওচ, *s.* সাপ আদিৰ ফোঁপাওৰিৰ সব্দ, a hissing sound.

ফাঁক, *s.* অস্ত্র আদি সুমাই থোআ ডাব বা মোট, a sheath, a scabbard.

ফাঁকটি, *s.* ফাঁকি, চল, ভাও জোৰা, an illusion, fraud, imposition, deceit, a trick.

ফাঁকি, *s.* গিত বা শ্লোক আদিৰ ভাগ, চল, a couplet or verse in poetry, imposition, deception, trickery.

ফাঁকুআ, *s.* see ফল্গুতচও.

ফাঁট, *s.* নগৰ বা দেসৰ সিমাৰ দুআৰ বিসেস, a kind of police station of the Assam king.

ফাঁট মৰা, *a.* বুজ বাজ নোপোআকৈ লুকুআ, নিফুট মৰা, effaced, hidden, without sign or trace.

ফাটৌআল, *s.* চকিয়াল, ফাঁটৰ নিজোজিত মানুহ বিসেস, a watch or policeman connected with the above.

ফাপৰ, *s.* গাৰ চাল চিগি খৰলা হোআ ৰোগ, a disease resembling the scurvy.

ফাঁপি, *v.* ঔসধ আদিএ গুন ধৰি, to take effect (as medicine.)

ফাঁহ, } *s.* ফঁচি, চিপ ডোল, খোৰোচা জৰি, a rope with a slip
ফাঁহি, } noose, a hangman's rope.

ফাঁহিদিয়া, *s.* ডিঙ্গিত ডোল লগাই প্রান দণ্ড কৰা, death by hanging.

ফাকড়েমা, *s.* এবিধ গচ, কথাৰ চল, a species of tree, equivocation.

ফাগুন, *s.* একাদস মাহ, the name of a month, containing part of February and March.

ফাগুনিয়া, *a.* ফাগুনত হোআ, born or produced in the above month.

ফাঙ্গ, *s.* মিচাকে সচা ৰুপে কোআ বা কৰা, pretence, show, pretext; with মাৰি, or দি, to pretend, to feign.

ফাঙ্গফুঙ্গ, *a.* ফাকিফুকা, ফাচাঙ্গফুচুঙ্গ, মিচামিচি, pretended, feigned, unreal.

ফাচফুচ, ফাচাঙ্গফুচুঙ্গ, } *a.* মিচামিচি, অকামিলা, deceptive, false, worthless; *s.* mere pretence.

ফাট, *s.* আঁচ, আঁক, চিৰ, বেঁহ মেলা, a split, a crack, a fissure, an opening.

ফাটক, *s.* কইদসাল, পোতাসাল, বন্দিসাল, a prison.

ফাটকিয়াল, *s.* বন্দিয়াৰ, ফাটকত থোআ লোক, a prisoner.

ফাটি, *v.* ফাট মেলি, দুফাল হৈ, ফাটি চিটি, to crack, to split, to rive.

ফাতিহা, *s.* গপ অহঙ্কাৰ বিসেস, গণ্ডলিকা, মই বৰ বুলি ফুৰা, haughtiness, self conceit.

ফানটি, *s.* ভৰিত পিন্ধা চাল বা কাঠৰ জতন, a kind of sandal.

ফানফান, *a.* ঠাই ঠাই, ডাল ডাল, গোট গোট, scattered, dispersed.

ফানুচ, *s.* এবিধ চাকি লগোআ পাত্র, the globe or shade of a lamp.

ফান্দ, *s.* খোবোচা জৰি, চৰাই আদি ধৰা জতন, মাচ আদিৰ নেজ, চল, বুধি, snare, a trap, the tail of a fish, the bushy part of the a tail of animals.

ফান্দনি, *s.* কলাফুলৰ তল ভাগ, the lower part of the leg.

ফান্দি, *s.* বনৰিয়া হাঁতিত ফান্দ লগাওঁতা, ওফন্দি, an elephant trapper; *v.* to swell, to bulge out, to inflate.

ফাল, *s.* নাঙ্গলৰ মুখত দিয়া লো বা বাহ আদিৰ চেপেটা জোঙ্গ, দিস, পখ্য, a plough share, a part, side, direction.

ফালফাল, *ad.* এফাল এফাল, চটা চঁটা, in halves, in strips.

ফালৰিমাৰি, *v.* আঁতৰি, দুৰ হৈ, to keep at a distance, to stand aloof.

ফালি, *v.* চিটা চিট কৰি, দুফাল কৰি, to split, to divide.

ফিকা, *s.* নৈৰ টান পানিৰ কোব পৰা গৰা, কথাৰ কোব, a place in a river's bank against which the current beats violently.

ফিকি, *v.* খঙ্গত উজৰি, ওফন্দি, to rouse up in anger; to swell.

ফিঙ্গফিঙ্গকৰে, *ad.* পানি তেজ আদি বিন্ধাই দি অতি বেগেৰে জোআ, in spirts, rapidly flowing, (as in blood letting.)

ফিঙ্গফিঙ্গিয়া, } *a.* বেগতে খঙ্গ উঠা, quick tempered.
ফিংফিয়া,

ফিচ্ফিচিয়া, *a.* বৰ পুৰনি বা পচা হোআ, চুলেই ফটা, easily torn, rotten, old, (applied to cloth.)

ফিচা, *s.* মাচৰ ফান্দ ভাগ, the lower part of a fish.

ফিচাহিনি, *s.* দেখিবলৈ বেয়া স্ত্রি, গেন্থেলি, ভুতুনি বিসেস, a ill favoured woman, (a term of abuse.)

ফিচিকা, *a.* মাজে মাজে অলপ অলপ ফটা, মিচিকিয়া হাঁহি, well worn, torn here and there, smiles.

ফিচিকাফিচিকি, *s.* পিতিঙ্গা পিতিঙ্গি, ইটে সিটে মুখলৈ চাই কৰা হাস্য, the exchanging of mutual glances and smiles.

ফিতাহি, *s.* see ফাতিহা.

ফিন্দাই, *v.* ওফোন্দাই, উঠঙ্গাই, to swell, to inflate, to bulge out.

ফিফিকৰে, *ad.* ফিঙ্গফিঙ্গ কৰে, বৰ বেগেৰে, quickly, at once, (applied to the rising of anger.)

ফিৰিঙ্গটি, *s.* জুইআঙ্গনি, অগ্নিকনা, a spark of fire.

ফিৰিঙ্গি, *s.* ইউৰোপৰ বা আমেৰিকাৰ ইঙ্গৰাজি লোক, a foreigner, applied in Assam to Europeans.

ফিৰ্ফিৰিয়া, *a.* ৰিৰৰিৰিয়া, অলপকৈ দিয়া বতাহ, very light, (as wind.)

ফু, } *s.* মুখৰ বতাহ, মুখেৰে দিয়া বতাহ, a puff, a sudden emission
ফুই, } of breath from the mouth.

ফুআই, } *v.* মুখেৰে বতাহ দি, to puff, to blow.
ফুমাৰি,

ফুউআ, *s.* জুই আদিত মুখেৰে বতাহ দিয়া, the act of blowing &c.

ফুঁহুৰি, *s.* মিচাকৈ কোআ, আসোঁআহ, an excuse, a pretence.

ফুঁহুৰিউগাৰ, *s.* পেট উথহি ওপৰলৈ উঠা বায়ু, অজিনৰ জলা উগাৰ, flatulence, an eructation of wind.

ফুঁহুৰিতৰঙ্গাই, *v.* আসোঁআহ উলিয়াই, to make an excuse.

ফুকন, *s.* ৰজা ঘৰৰ প্রধান বিসই বিসেস, a officer of state under the Assam Kings.

ফুকলিয়া, *a.* কেঁচুআ, নিচেই সৰু, infantine, very small.

ফুকাই, } *v.* জনমাই, ওপজাই, প্রসও কৰি, to bring forth young.
ফুকুআই,

ফুকুউআ, *s.* ওপজোআ, জনমোআ, brought forth.

ফুঙ্গফুঙ্গকৰে, *a.* খুৰখুৰ কৰে, পতানৰ দৰে নিচেই পাতল, light like chaff.

ফুচ্ফুচাই, *v.* মনে মনে কৈ, কানে কানে কৈ, to whisper.

ফুচ্ফুচিয়া, *a.* মনে মনে কোআ, কানে কানে কোআ, whispered, spoken in the ear.

ফুচ্ফুচুআ, *v.* কানে কানে কথা কোআ, whispering.

ফুচুঙ্গ, } *a.* পাতল, চুলুঙ্গ, vain, light, trifling.
ফুচুৰি, }

ফুট, *s.* কঁঠাল আদিৰ কোঁহ, উতল, বুজ, বিন্দু, the pulp of fruit, a boiling, an intimation, a dot.

ফুটকলা, *s.* এবিধ বনৰিয়া গচ বা গুটি, এবিধ পানিত গজা বনৰ গুটি, a species of jungle plant.

ফুট্গধূলি, *s.* সন্ধ্যা ভাগ, অলপ ৰাতি, the early evening.

ফুট্চাই, *s.* তুঁহ পতানৰ পোৰা চাই, the ashes of chaff.

ফুটনি, *s.* লেখ বুজত কম, ওকনিৰ কনি, ৰোগ বিশেষ, a default in an account, a nit.

ফুটনিবিন্ধনি, *s.* খোঁচনি বিন্ধনি, a sharp piercing pain.

ফুট্ফাট, *s.* বাত্ৰাবিত, ভুভা, বুজ বাজ, a report, a trace, an intimation.

ফুট্ফুটিয়া, *a.* অনেক ফুট থকা, শৰীৰ অনেক চিন থকা, freckled, spotted, pitted with pox.

ফুট্মনিয়াৰ, *a.* সতৰ্ক, বুধিয়ক, চৈতৰ, quick of understanding, discriminating, sharp, quick, cunning.

ফুটলোআ, *s.* পোআলি জগিবলৈ কনিত বিন্ধা লোআ, বুজ লোআ, the chipping of an egg in hatching, the ascertaining the truth.

ফুটা, *a.* বিন্ধা হোআ, ফুটি ওলোআ, মৰম উঠা, মাত ওলোআ, কোঁহ, বিন্ধা, pierced, broken, burst; *s.* the pulp of fruit.

ফুটাই, *v.* বিন্ধা কৰি, উলিয়াই, প্ৰকাশ কৰি, to pierce, to open; preceded by মাত, to speak out distinctly.

ফুটাফুট, *a.* কোঁহাকোঁহ, অনেক ফুটা, divided into several pulps.

ফুটি, *v.* বিন্ধি বা বিন্ধা ওলাই, ফুল আদি মকলি হৈ, প্ৰকাশ হৈ, to burst, to open, to expand, to become generally known.

ফুটিখাৰনি, *s.* সুদা খাৰনি, চৰা খাৰনি, simple ley or alkaline salt used as salt in seasoning food.

ফুটিয়াই, *v.* কোঁহ উলিয়াই, to take out the pulp of fruit.

ফুটুআ, *s.* বিন্ধা দিয়া, piercing, bursting; *a.* pierced, bored, burst.

ফুটুআই, *v.* বিন্ধা দি, জুই দি মৰম কৰাই, the causative of ফুটাই.

ফুটুকা, *s.* এবিধ সৰু গচ, ফুটফুট থকা, a flowering shrub; *a.* spotted.

ফুটুকাফুটুক, } *a.* বঙ্গা বগা অনেক ফুট থকা, নানা বৰনিয়া, of various
ফুটুকাফুটুকি, } colours, variegated.

ফুটুকিয়া, *a.* ফুটুকা হোআ, ফুটুকা থকা, spotted.

ফুতি, *s.* কটাৰি ডাব আদিত মৰা ভুঁহ গজাল বিসেস, ধান খোআ পতঙ্গ, a washer or head of a rivet, a weevil or small insect destructive to grain.

ফুৰনি, *s.* মুৰ ফুৰুউআ ৰোগ, বায়ু ৰোগ, giddiness, vertigo.

ফুৰা, *s.* ভ্ৰমন কৰা, ফুৰি থকা, the act of walking, going.

ফুৰাই, *v.* ঘুৰাই, ভ্ৰমাই, to turn, to lead about; preceded by হাত to stroke or make passes with the hand.

ফুৰি, ফুৰিচাকি, } *v.* খোজ কাৰ্হি, ভ্ৰমন কৰি, বাটকুৰি বাই, to walk, to travel, to roam about.

ফুৰুআ, *s.* ভ্ৰমন কৰোআ, the causing to walk or lead about.

ফুৰুলিমৰা, *s.* একেবাৰে মখাই হাই মৰা, a simultaneous yell or whoop.

ফুৰুহা, *s.* এবিধ বন গচ, কোমোৰা আদিৰ ওপৰত পৰা বগা বৰন. a wild plant, a white mildew that gathers on the surface of the pumpkin &c.

ফুৰুহি, *s.* থুৰুহি, নিমিস, খন্তেক, মিচা আসোআঁহ, a short time, an excuse.

ফুৰ্ফুৰকৰে, *ad.* অলপ অলপকৈ সুগন্ধ কৰা বা পোৱা, fragrantly.

ফুল, *s.* গচৰ পুস্প, মাচৰ কল, কাপৰত তোলা ফুলৰ আৰ্হি, a flower, a blossom, the gills of a fish, a woven figure in cloth.

ফুলকটা, *a.* পত্ৰাদিত ফুল তোলা, নকচা কটা, carved, engraved.

ফুলচতি, *s.* বৰ চতিৰ ওপৰত দিয়া সৰু চতি, an upper beam in a roof.

ফুলতি, *s.* কাপৰত ফুল তুলিব জনা তিৰি, a woman who inserts a flowered border in cloth.

ফুলন, *s.* ফুলা, ফুল মেলা, flowering, blossoming.

ফুলনি, *s.* ফুলৰ বাৰি, ফুলৰ গচ থকা ঠাই, a flower garden, a patch of flowers.

ফুল্পৰা, *s.* চকুৰ মনি বগা হোআ ৰোগ, মনি বগা পৰা, a cataract or film on the eye; *a.* having a film.

ফুলবচা, *s.* তাঁতত ফুল দিয়া, weaving a flowered border in a cloth.

ফুলৰি, *s.* ফুল নসৰা ধান আদি, grain in the flower.

ফুলা, *a.* ফল মেলা, কলি আদি ফুটি মুকলি হোআ, blossomed.

ফুলাই, *v.* ফুল মেলাই, ফুল ধৰাই, to open or spread out, to blossom.

ফুলি, *v.* পাহ মেলি, ফুল ধৰি, জক্মকাই, to flower, to bloom.

ফুলিপৰা, *a.* ফুল আদিৰ ভালকৈ পাহ মেলা, প্ৰফুলিত হোআ, blossomed, expanded, in full bloom.

ফুলুউআ, *s.* ফুল মেলোআ, ফুল ধৰোআ, the causing to open, bloom &c.

ফেঁউ, *s.* ফেৰুআৰ মাত, the cry of the *Ferua*, an animal said by some to be very like or identical with the jackal.

ফেঁকুৰা, *s.* উচুপি উচুপি কন্দা, sobbing, suppressed crying.

ফেঁকুৰ, *v.* উচুপি উচুপি কান্দি, to sob.

ফেঁচকুৰি, *s.* চকুৰ মলি, morbid secretions of the eye.

ফেঁচা, *s.* নিয়তি চৰাই, a species of owl.

ফেঁচামুআ, *a.* ফেঁচাৰ নিচিনা মুখ হোআ, বেয়ামুআ, owl faced, ill-favored.

ফেঁচু, *s.* এবিধ কলা চৰাই, ফেঁচু চৰাই, a species of blackbird.

ফেঁচুলুকা, *s.* এবিধ চৰাই, a species of bird, (Tardus Emeria.)

ফেঁট, *s.* সাপৰ কুলা, ফেনা, the hood of a serpent.

ফেঁটতোলা, *s.* সাপে কুলা মেলা, সাপে খঙেৰে মূৰ দঙা, the expanding of the abore.

ফেঁটা, *a.* ভৰিৰ আঙুলি পথালিএ মোটোকা খোআ, having the large toe widely separated from the others.

ফেঁটাই, *v.* উচটাই, ধৰিবলৈ পঠিয়াই, সাহ দিয়াই, to set on, to stimulate, to urge forward.

ফেঁটি, *s.* অলপ বস্তুক তুচ্ছ কপে কোআ মাত, জুগিৰ সাপ খোআ ঝঁপা, a term used to express disparagement or contempt.

ফেঁটিগোম, } *s.* বিনাল সাপ এবিধ, the cobra de capello.
ফেটিসাপ, }

ফেঁচটাআ, *s.* সাহ দিয়া, ধৰিবলৈ সিকাই পঠিওআ, setting on, urging.

ফেঁপেৰি, *s.* সাহ দেখুআ, গেঙেৰি, defiance.

ফেঁপেৰিপতা, *s.* সাহ দেখুআই ধৰা, গেঙেৰি দিয়া, bidding defiance.

ফেঁহু, *s.* দামুৰি জগিলে জন নোপবোঁতে খিবোআ গাখিৰ, the first milking of a cow or any milch animal.

ফেকাম, *s.* see. ফকাম, বজাৰ এবিধ আৰ কাপৰ.

ফেকামজোৰা, *s.* গপ মাৰি থকা, ভেম জোৰা, filled with pride, arrogant.

ফেচ্‌ফেচিয়া, *a.* see, ফিচ্‌ফিচিয়া.

ফেচুআল, *s.* এবিধ খেল, a class of day laborers in former days.

ফেচেকা, *a.* পানি মাৰ জোআ তামোল, ভালকৈ দুৰা নোহোআ তামোল, soft, (applied only to half ripe betelnuts.)

ফেচেৰকৰে, } *ad.* বেগাই, পুৰ্ব্বন কাপৰ আদি হঠাত ফটা, without
ফেচেৰাই, } hindrance, readily.

ফেচেলাফেচেলি, *s.* চুপতাচুপতি, মুখ জুঁজুউআ, bantering, joking.

ফেটেঙ্গা, *a.* ভেতলেঙ্গা, flattened out like the hood of a snake.

ফেটেঙ্গাফেটেঙ্গ, *a.* ফেৰেকাফেৰেক, ঠেঙ্গ বহলাই খোজ কৰ্হা, standing or walking with the legs far apart.

ফেত্‌লেঙ্গা, *a.* মেলাহি, মুকলি, flattened out, broad and shallow.

ফেদফেদাই, } *v.* অনৰ্থক ৰূপে বহু কথা কৈ, to talk incoherently, to
ফেন্‌ফেনাই, } babble.

ফেদফেদিয়া, *a.* মলিৰে পূৰ হোৱা, আগ গুৰি নোহোৱাকৈ কৈ কৈ থকা, roily, dirty, incoherent.

ফেদা, *s.* মলি, গাৰ মল, filth, dirt, excretions.

ফেদুআ, *a.* মলিন, লেতেৰা, অসুন্দৰি, filthy, dirty, disagreeable.

ফেদেলা, *a.* জবৰা, কাম ভালকৈ কৰিব নজনা, লেতেৰা, unskilled in ordinary work, slovenly, disorderly.

ফেদেলি, *a.* লেতেৰি, গেহেলি, আলাগি, *fem.* of the above; *s.* a slattern.

ফেদেলি পুৰান, *s.* আগ গুৰি নাইকিয়া মিচা গপ, ফেদফেদোআ, talking at random, idle chit chat.

ফেন, *s.* জোল বস্তুৰ ওপৰত উঠা ফুট্‌ফুটিয়া মলি, foam, froth, scum.

ফেনকুটিয়াই, *v.* ফেন্‌ফেনাই, অধিককৈ কথা কৈ, to foam, to babble.

ফেন্‌ফেনিয়া, *a.* ফেন ওলাই থকা, ফেনেৰে, foamy, frothy.

ফেনা, *s.* সাপৰ ফেঁট, এদা আদিৰ বাহিঁ জোআ চেপেটা ঠেঙ্গুলি, the hood of a snake, a branch tuber.

ফেনাই, *v.* ফেন উঠি, to cause to foam or froth.

ফেনাধৰা, *s.* ঠেঙ্গুলি মেলা, sprouting, throwing out tubers.

ফেনি, *s.* এবিধ সোআদ পিঠা, a kind of leavened cake.

ফেনেকা, *a.* হাত বা ভৰিৰে খচা, বৰকৈ মোহৰা, mixed, incorporated.

ফেনেকি, *v.* খচি, জোল কৰি, মোহাৰি, to mix, to incorporate.

ফেনেফোতকাৰ, *s.* নদিত ফেন উঠি বৰকৈ পানি বহা, the swelling and foaming of a rapid flood.

ফেনোআ, *a.* ফেন উঠা, frothy, rising in scum.

ফেপা, *a.* অলপ দিনতে ডাঙ্গৰ হোআ, কোমল, of rapid growth, tender.

ফেপুআ, *a.* ভেঁকুৰা, ফেকুন্দা, mouldy, mildewed.

ফেৰ, *s.* জোখত বহা টুটা, ভেম, প্ৰবল, পেঁচ, মেখেলা চোলা আদিৰ তলৰ বেৰ বা ঘেৰ, equality, affectation, show of pride, a haughty air, the width of a garment at the bottom.

ফেৰধৰা, *s.* সস্যাদি প্ৰবল হৈ গা দিয়া, জোৰ মৰা, the putting forth of new foliage.

ফেৰপতা, *s.* গপ মাৰি তুল্য হব খোজা, ভেম ধৰা, the putting on of airs, affectation.

ফেৰমৰা, *s.* তুল আদিৰ জোখ সমান কৰা, balancing of a pair of scales.

ফেৰা, } *s.* অব্যয় সবদ, নাম, বা সংখ্যাৰ পিচত জোগ হলে অলপ
ফেৰি, } বুজাই, a particle joined with a noun or numeral (see এফেৰা,) to express a little or very small quantity.

ফেৰিয়া, *a.* তেলৰ জোখ বিসেস, ফেৰ থকা, জোখত কম বেচ থকা, uneven, (applied to the two sides of a balance.)

ফেৰিয়াফেৰি, *s.* গপিয়াগপি, হিংসাহিংসি, হাঙ্কি বাগি, emulation, rivalry, disagreement.

ফেৰুআ, *s.* জন্তু এবিধ, the *Ferua*, see ফেঁউ,

ফেবেকা, *a.* ঠেঙ্গ বহলাই খোজ কৰা, bandy-legged.

ফেবেকাকোলা, *s.* থিয় হৈ লৰা ঠেঙ্গ বহলাই কাসত লোআ, the seat astride the hip on which native children are carried.

ফেবেকাফেবেক, *s.* হাঁহৰ দৰে খোঁজ কৰা, হেঁকেবাহেঁকেব, having a waddling gait.

ফেবেঙ্গনি, *s.* গচৰ দুই ডালৰ জোৰা, a crotch, a fork of a tree.

ফেকেটা, *s.* ভৰি বহলাই মেলা, a striding, walking with long steps.

ফেৰ্ফৰ কৰে, *ad.* একে বাহে বতাহ দি থকা বা জ্বলকিয়া আদিৰ পোৰনিএ ধৰা, continuously, steadily, (applied only to the blowing of wind and to a burning sensation.)

ফেৰ্ফেৰিয়া, *a.* সোমোটৈ বা নেবাটৈ বতাহ দি থকা, continuous, blowing steadily.

ফেলাই, *s.* ভাত খোআ বান, মাটিৰ মুখ বহল পাত্ৰ, মেলাহি চক এবিধ, a kind of cooking vessel.

ফেলেঙ্গা, *a.* see ফেটলেঙ্গা,

ফেহুজালি দিয়া, *s.* পুবে বেলু দিয়া, বাতি পুউআ সময়, the early dawn, *lit.* the time of the first notes of the *Fehu* bird.

ফৈদ, *s.* বঙ্গহ, গোত্ৰ, পৰিয়াল আদিৰ ভাগ, খেল, a family, a clan, a tribe of people.

ফৈদিয়া, *a.* ফৈদৰে থকা, খেলৰ, বঙ্গহিয়া, belonging to a class or tribe.

ফোঁট, *s.* কঁপালৰ তিলক, a hindoo sectarian frontal mark.

ফোঁটা, } *a.* ফোঁট লোআ, কঁপালত ফোঁট থকা, marked on the fore-
ফোঁটাল, } head.

ফোঁপ, *s.* বিন্ধা, ভিতৰ সুদা, ফুটা, a cavity, a hollow.

ফোঁপনি, *s.* ঘনে কৰা নিশ্বাস, ভই বা ভাগৰ পোআত বেগে লোআ উসাহ, panting, rapid breathing.

ফোঁপাই, *v.* খৰকৈ উসাহ লৈ, to pant for breath.

ফোঁপাউৰি, *s.* সাপ আদিৰ গোঁজৰনি, a hissing sound, (as of a serpent.)
ফোঁপাত, *s.* এবিধ খজুউআ বিন, a species of nettle.
ফোঁপাল, } *a.* বিন্ধা থকা, মাজ ফেঁপোলা, spongy, soft and porous,
ফেঁপালি, } hollow.
ফেঁপোলা, *a.* বিন্ধা হোআ, ভোমোলা, বোন্দা, hollow, spongy, porous.
ফোঁহা, } *s.* সৰু সৰু খহু, ব্ৰুন, a pimple, a blotch.
ফেঁহোৰা, }
ফোঁহাই, *v.* ফোঁহামেলি, সৰু সৰু খহু হৈ, to break out in pimples or blotches.
ফোঁচ, *s.* বতাহ আদি বেগাই ওলোআ সব্দ, a sound of hissing or of hard breathing.
ফোচ্‌ফোচাই, *v.* ফোচ ফোচ কৰি, সাপে গুজৰি, to make a hissing sound.
ফোচোকা, *s.* হিলৈ আদিত লাহেকৈ উঠা সব্দ, ঠেহেৰ কৰে উঠা সব্দ, an explosive sound (as of ignited gunpowder.)
ফোচোৰ, *s.* গাঁঠি আদি লাহেকৈ সোলোকোআত উঠা সব্দ, ভাপ লাগি ফুটাত উঠা সব্দ, any low snapping sound as of a tight cord &c.
ফোৰ, *s.* প্ৰথমে ৰখাই লোআ সিয়নি, slightly tacking together, basting.
ফোৰমৰা, *s.* সিয়া, সিয়নি মৰা, sewing, stitching.
ফোৰোহনি, *s.* গৰু মহ আদিএ নাকেৰে কৰা সব্দ, a snorting, snuffing sound made by cattle.
ফৌজ, *s.* সৈন্য সমূহ, troops, soldiers, an army.
ফৌফৌআ, *a.* নিৰস, গুৰি হৈ জোআ, dry, powdered.
ফৌফৌকৰে, *ad.* পিঠা গুৰিৰ দৰে সুকান, like flour, mealy.

ব

ব, বকাৰ, গৰুৰ কান্ধ বা গল্ধন, তাঁতৰ সুতা তোলা পকোআ জৰু, This letter is pronounced like *b* in *but*; at the end of words it becomes *w*, and is written with a mark underneath, thus ৱ as সিৱ Hiwo, not *Sib*, or is changed into ও, স্বভাও, not *swobhab* as in Bengali; *s.* the neck of an ox, the cord that connects the treadles with the upper part of a loom.
বই, *s.* ব্যই, চুকুআ, টকা আদিৰ ভগন, খৰচ, expenditure, outlay, a wasting, diminution.
বইনা, *s.* বাউনা, চুঁটি চাপৰ, নিয়মিত ৰূপে মুল্য দিবলৈ আগেয়ে দি ৰখোআ অলপ ধন, বহনি, a dwarf, earnest money, a pledge.
বইনাকৰা, *s.* নিয়মিত ৰূপে মুল্য দিবলৈ আগ বাৰ্হি অলপ ধন দি ৰখা, বহনি কৰা, the giving a pledge, or money to bind a bargain.

বওঁতা, *s.* কাপৰ বা কাঠি আদি বোৱা জন, সস্য সিচোঁতা, ভাৰ আদি লওঁতা, weaving, braiding, bearing a load, the sowing of seed, a weaver, a sower.

বংদিয়া, *s.* নাল খুউআ, কথাত জোৰা দি কোৱা, the inserting a handle into the end of a spear, chisel, or other instrument; hence, *fig.* enlarging, expatiating, exaggerating.

বংনাল, *s.* জাঁঠি বলম আদিৰ নাল, কুৰা, the handle of a spear.

বংস, *s.* গোত্র, ফৈদ, বংশজ, বাঁহ, race, lineage, stock, family, a bamboo.

বংসলোচন, *s.* বাঁহৰ ভিতৰত হোৱা বগা বস্তু, the manna of bamboos, an earthy concretion of a milk white color, found in the hollow of bamboos, and used by the natives in medicine.

বংসাৱলি, *s.* বংসানুক্রম লিখা, পুথি a genealogy, a pedigree.

বংসি, *s.* বাঁহি, মুৰুলি, a flute, a pipe, a fife, a whistle.

বংসিধৰ, *s.* মুৰুলিধাৰি, শ্রীকৃষ্ণ, Krishnoo; *lit.* the flute player.

বংসিয়, *a.* গোত্রজ, কুলৰ, lineal, relating to a family.

বঁকিয়া, *s.* বঙ্গিয়া, পথাৰৰ বৰ আলি, a path through a rice field.

বঁজা, *a.* কেতিয়াও গুটি নলগা, নিচেই সন্ততি নোহোৱা, without fruit, barren, impotent.

বঁটা, *s.* পুৰস্কাৰ, ৰজা আদিএ সন্তোষ পাই দিয়া দ্রব্য বস্তু, ধন বস্তুৰ ভাগ ভাগ কৰা, a reward, a gift, a dividing into shares.

বঁটাই, *v.* ভাগ ভাগ কৰাই, to divide, to apportion.

বঁটাবঁটি, *s.* ভাগ কৰা কৰি, ভগিয়া ভগি, a mutual sharing or dividing.

বঁটোৱা, *s.* ভাগ ভাগ কৰোৱা, the causing to be divided &c.

বঁতি, *a.* বৈ থকা, সোঁত থকা, flowing, not stagnant.

বঁতিওআ, *s.* বাঁতি অহা, বান্তি কৰা, vomiting, retching.

বঁতিয়াই, *v.* বান্তি কৰি, বাঁতি আহি, to vomit.

বঁৰলা, *s.* তিৰোতা মৰা মতা, a widower.

বঁৰিয়া, *s.* সুত কুল, বামুনৰ কুল হোৱা জন, one of the mixed or degraded castes among the hindoos.

বঁহিয়া, *a.* বাহি হোআ, ধোৱা মাহ আদি, old, stale, having an old look.

বকটিয়াই, *v.* চাল চেলাই, বখলিয়াই, to remove the skin, to peel.

বকটু, *s.* বাঁহ বা বেঁতৰ বুকু বা ভিতৰ ভাগ, the inner part of the rattan or bamboo.

বকনি, *s.* বহু কথা কোৱা, বলকনি, বেৰেকনি, talkativeness, garrulity.

বক্বকাই, *v.* বেক্বেকাই, বহু কথা কৈ, বলকি, বৰকৈ উতলি, to talk much, to prate, to bubble, (as boiling water.)

বকবকোআ, *s.* কথা টৈকৈক থকা, বেক্‌বেকোআ, বৰ্‌কৈ উতলা, babbling, a babbler, a bubbling up.

বকৰানি, *s.* হাবি জাবৰনি, চুআ পেল্লোআ ঠাই, a jungly or filthy place.

বকলা, *s.* সাঁচি গচৰ চাল, the bark of the *Hansi* tree, used for writing.

বকহাবকহ, *a.* বখলাবখল, সোআদ নোহোআ, coarse grained and without sweetness.

বকা, *a.* বাকি দিয়া, ঢলা, poured out, spilled.

বকুল, *s.* এবিধ সুগন্ধি ফুলৰ গচ, a species of tree that bears a fragrant flower, (Mimusopo Elengi.)

বকোআ, *s.* ঢলোআ, the causing to be poured out or spilled.

বক্তা, *s.* কওঁতা, কথকি, a speaker, one fluent in speech.

বখনা, *s.* ব্যাখ্যা কৰা, কথা উলিয়াই বহুলকৈ কোআ, commenting, expatiating, speaking disparagingly of others.

বখনাবখনি, *s.* ইটে সিটে ব্যাখ্যা কৰা, oral argument or disputation.

বখলা, *s.* ডোখৰ, ভাগ, চপৰা, বখুআ, চঁটা, a lump, a flake, a clot.

বখলাবখল, *a.* চপৰাচপৰ, ডোখৰ ডোখৰ, খমলাখমল, lumpy, flaky &c.

বখলিউআ, *a.* চেলোওআ, চাল বাকলি আদি গুচুউআ, ওপৰৰ গুচাই সাৰ ভাগ উলিয়াই, the act of peeling or stripping off.

বখলিয়াই, *v.* চেলাই, বাকলি গুচাই, নিকোটাই, to peel, to remove the skin or covering.

বখানি, *v.* ব্যাখ্যা কৰি, কথা কৈ বা উলিয়াই, to comment upon, to applaud, expatiate.

বখিয়া, *s.* সিয়নি এবিধ, backstitching, (in sewing.)

বখুআ, *s.* বোখা, বখলা, পটুআৰ চঁটা, the fibrous covering of plants, the outer leaves of palms.

বগলি, *s.* মাচ খোআ বগা চৰাই এবিধ, a paddy bird, a heron.

বগডিঙ্গিয়া, *a.* বগলিৰ দৰে দিঘল ডিঙ্গিয়া, long necked like the heron.

বগপঞ্চক, *s.* কাতিৰ সুক্ল পখ্যৰ একাদসিৰ পৰা পাচ দিনিয়া পৰ্ব, a festival held from the eleventh of *Kati*, during which fish, flesh, and sexual intercourse are prohibited.

বগৰা, *a.* বাগৰি ফুৰা, লোকৰ ঘৰে ঘৰে থকা, নিন্দাৰ মাত, rolling, wandering about, frequently changing quarters or employment.

বগৰাই, *v.* মাটিত পথালিকৈ ঘুৰাই, বাগৰ মৰাই, লুটিয়াই, to roll, to toss about from side to side as in pain.

বগৰি, *s.* সৰু টেঙ্গা গুটি, ফল বিসেস, a peach, a plum, (applied to several kinds of fruit.)

বগৰোআ, *s.* বগৰাই নিয়া, লুটিয়ালুটি কৰোআ, rolling or tumbling about.

বগল, *s.* কামলতি, মোনা বিসেস, the arm pit, a sleeve gusset, a kind of small bag carried under the arm.

বগা, *a.* সুকুলা, ধৱল, ধৌত্মনি, নিকা, বৰন এবিধ, white, clean; *fem.* বগি.

বগাই, *v.* বুকুৰে চুঁচৰি, গচ আদিত পৰুআ আদি ফুৰি, to crawl, to creep, to climb.

বগামাটি, *s.* ধল মাটি, খৰি মাটি, chalk.

বগিতাম, *s.* টিন, tin.

বগিয়াবগি, *s.* বাগি দিয়াদি, হাঙ্গিয়াহাঙ্গি, ইটে সিটে হাঙ্গি ধৰাধৰি, contention, strife, rivalry.

বগুআবাই, *v.* হাত ভৰিএৰে ফুৰি, to crawl, to creep on all fours.

বগুআবোআ, *s.* হাত ভৰিএৰে ফুৰা, crawling, creeping.

বগোআ, *s.* বুকুৰে বাট বুলা, বগাই ফুৰা, crawling, climbing.

বঙ্গলা, *s.* চাহাব লোকৰ ঘৰ, বঙ্গাল দেসি দ্ৰব্য, a bungalow, the country or people &c. of Bengal.

বঙ্গহ, *s.* গোত্ৰ, সতি সন্ততি, বংস, a generation, descendants, a family.

বঙ্গাল, *s.* বঙ্গ দেস বা তাৰ লোক, Bengal, the country or people.

বঙ্গালি, *s.* বঙ্গাল দেসৰ, a Bengali, relating to Bengal.

বঙ্গিয়া, *s.* see বঁকিয়া.

বচ, *s.* ঔসধি ত্ৰিন এবিধ, তামোলৰ পোক, the Orris root; an insect injurious to young betelnuts.

বচন, *s.* কথা, বাক্য, সাস্ত্ৰৰ শ্লোক বা পদ, a word, a dictum, a passage in a sacred book or in a code of laws.

বচৰ, *s.* বাৰ মাহ, সঁক, সম্বত্চৰ, সাল, a year.

বচৰউদানি, } *ad.* প্ৰতি বচৰে, বচৰি বচৰি, yearly, year by year.
বচৰচালে, }

বচৰবন্ধিয়া, } *a.* প্ৰতি বা গোটেই বচেৰেকত হোআ বা থকা, annual,
বচৰিবন্ধিয়া, } yearly.

বচৰবিয়নি, } *a.* বচৰে বচৰে পোআলি জগোআ মাইকি, producing
বৰসিবিয়নি, } young yearly.

বচৰি, } *ad.* বচৰ চালে, প্ৰতি বচৰে, বচৰ উদানে, annually.
বচৰি বচৰি, }

বচৰিয়া, *a.* বচৰত হোআ, বচৰ সম্বন্ধিয়, of one year, relating to a year.

বচা, *a.* বাচ বা দেয়া গুচুউআ, মিহলি নথকা, অচম দেসৰ এক চহৰ, মাচ এবিধ, মাচ আদি কুটা, ভাল বেয়া আদি ভাগ ভাগ কৰা, sorted, classified; *s.* a class of people, a species of fish.

বচাই, *v.* বাচ গুচুআই, মাচৰ পেট্‌ আদি গুচুআই, causative of বাচি.

ব চিগা, *a.* জুঁৱলি লোআত গৰুৰ কান্ধত ঘঁহনি খাই ঘা লগা, having a galled neck, (as of oxen.)

বচেধৰা, *a.* তামোলত পোকে ধৰা, worm eaten, applied to betelnuts.

বচেৰেক, *s.* এবচৰ, one year.

বচেৰেকিয়া, *s.* প্ৰতি বচৰত হোআ, এবচৰিয়া, a yearling; *a.* of one year.

বচোআল, *s.* বৰুআ ফুকন আদিএ কঁকালত পিন্ধা অচমিয়া চুৰিয়া বিসেস, a garment resembling a waistcloth, formerly worn by the Assamese nobility.

বজবজাই, *v.* বেজ বেজাই, মুখ আদিত চোকা বস্তুএ ধৰি, to have a sharp pungent taste.

বজৰিয়া, *s.* গুটি থকা সৰু আঠিয়া কল এবিধ, a species of plantain.

বজৰুআ, *a.* বজাৰৰ, বজাৰত থকা, বজাৰৰ সমন্ধিয়, belonging to a bazaar; *s.* a shop keeper.

বজা, *s.* বাদ্য আদিৰ সদ্দ উঠা, the sounding of a musical instrument.

বজাই, *v.* বাজনাৰ সদ্দ কৰাই, ঢোল আদি কোবাই, to sound, to play on a musical instrument.

বজাৰ, *s.* বেচা কিনা ঠাই, দোকান, পহাৰ, a bazaar, a market place.

বজাৰি, *s.* বজৰুআ, বেপাৰি, দোকানি, one who trades in a market.

বজাল, *s.* এবিধ বনৰিয়া সৰু বাঁহ, a species of small bamboo.

বজুআ, *a.* বাজৰ, বাহিৰৰ, আলগা, outside, relating to the outside.

বজোআ, *s.* বাদ্য কৰা, a performer on a musical instrument.

বজোআই, *v.* বাদ্য কৰাই, the causative of বজাই, which see.

বজোআৰ, *s.* পানিৰ আস্ফালৰ সদ্দ, the roaring of waves.

বজ্ৰ, *s.* ইন্দ্ৰৰ অস্ত্ৰ বিসেস, বিদুলিৰ সিল, চৰগ, a thunderbolt.

বজ্ৰপাত, *s.* বজ্ৰ পৰা, চৰগ পৰা, the fall of a thunderbolt.

বজ্ৰপানি, *s.* বজ হাতত থকা জন, ইন্দ্ৰ, কিৰ্পিন, কঠিন, a hard miser, an epithet of Indra; *lit.* the holder of the lightning.

বজমই, *a.* বৰ টান, কট্‌কটিয়া, সিলৰ নিচিনা, hard.

বজ্ৰলেপ, *a.* গাঁঠি আদি সোলোকাবলৈ বৰ টান হোআ, নেৰানেপেৰা, hard, tight, difficult to unloose, (applied to a knot or fastening.)

বজাঘাত, *s.* বজ মৰা, বজ্ৰৰ কোব, *lit.* the striking of a thunderbolt, hence sudden calamity &c.

বঞ্চনা, *s.* আসা দি নিৰসা কৰা, চল, deceit, fraud, imposition.

বঞ্চি, *v.* চল কৰি, আসা গুচাই, কাল নিয়াই, to deceive, to cheat, to delude, to impose upon; preceded by দিন, to spend time.

বঞ্চিত, *a.* নিৰসা হোআ বা কৰা, disappointed, cheated, deceived.

বট, *s.* বৰ গচ, the Indian fig tree, (Ficus Indica.)

বটা, *s.* তামোলৰ পাত্ৰ, পিহা, ডোল আদিত পাক দিয়া, a betel box, a quail; *a.* ground, powdered, twisted, (as a rope.)

বটালি, *s.* কাঠ খোলা অস্ত্ৰ, a chisel.

বটি, *v.* পিহি, ডোল আদি পকাই, to grind by rubbing on a stone, to mix, to twist.

বটিয়া, *s.* সৰুকৈ বটা জৰি, এবিধ সৰু মাচ, thread, a species of small fish.

বটিয়াই, *v.* মুখ আদিত আঙ্গুলি সুমুআই, to thrust the finger into any thing hollow or deep.

বটু, *s.* বামুন, ব্ৰহ্মচাৰি, চুঁটি বাপু, an officiating brahmin.

বটুআ, *s.* তামোল আদি সোআ মোনা, a small bag.

বটোআই, *v.* পিহোআই, ডোল পকোআই, the causative of বটি.

বঠা, *s.* নাও বোআ কাঠৰ অস্ত্ৰ, ডাঁৰ, an oar.

বঠাপতিয়া, *a.* বঠাৰ আকৃতিৰে, oar shaped.

বঠি, *s.* ধুপ খুঁচি দিয়া ঠকুৰা, মৈদাৰ নাল, গৰ্হ, আকৃতি, a censor, the foot piece of an instrument for cutting fish; shape, form.

বঠিদিয়া, *s.* কাঠ চঁচাত চেও চেওকৈ কুবিয়াই সোআ, ফলাত সাল মৰা, the scoring of timber preparatory to hewing, the inserting a wedge as in splitting timber.

বতৰ, *s.* কাল, শস্য আদিৰ বিসেস বিসেস সময়, a season, a particular time or period as of fruit, rain or heat &c; weather.

বতৰকালি, *s.* খেতিৰ দিন, the season for cultivating.

বতৰদগা, *s.* বৰষুন এবা, the lifting of the clouds, *i. e.* clear weather.

বতা, *s.* ত্ৰিন বিসেস, নভঙ্গা মাটি, ভগাক ভাল কৰা, coarse grass, uncultivated land, repairing anything broken, a kind of small bird.

বতানি, *s.* বৰতানি, বতা থকা ঠাই, হাবিয়নি, a patch of coarse jungle.

বতাহ, *s.* বায়ু, wind, air.

বতাহি, *a.* সদাই বেগে ফুৰঁতি, *fem.* unstable, light like wind.

বত্তিসা, *a.* বত্ৰিচ, একুৰি বাৰ, thirty two.

বদন, *s.* মুখ, আকৃতি, face, countenance, look, expression, visage.

বদিয়া, *a.* বাদত পৰা, দুসি, charged with crime, accused.

বদিয়াৰ, *s.* বাদি, বাদত পৰা জন, a person accused.

বদুআ, *a.* বেয়া, মোৰা, ডাঠ, bad, dull, blunt.

বধ, *s.* প্ৰান মৰা, জিৱ নাস কৰা, হত্যা, the taking of life, murder; with কৰি, to kill, to murder.

বধলোআ, *s.* প্রান হত্যা কৰা, বধ কৰ', taking life, killing &c.
বধা, *a.* বাধা, হাক দিয়া, প্রান মৰা, forbidden, slain, murdered.
বধাবধি, *s.* প্রান মৰামৰি, mutual slaughter.
বধি, *s.* বধ কৰোঁতা, বধ ভাগি, a murderer; *v.* to slay, to kill.
বন, *s.* ত্রিন, হাবি, কাম, বেবসাই, কাজ, grass, jungle, business, work.
বনচৰ, *a.* হাবিত থকা জন্তু, বনৰিয়া, haunting or roaming the forest.
বননি, *s.* হাবিয়নি, বন থকা ঠাই, a wilderness, a jungle, a forest.
বনপতি, *s.* বনৰজা, বাঘ, the king of the forest, the tiger.
বনবাৰি, *s.* কাম কাজ, work, business, employment of all kinds.
বনবাস, *s.* হাবিত থকা, a residence in a forest.
বনবাসি, *a.* তপসি, হাবিত নিবাস কৰোঁতা, residing in a forest; *s.* a hermit, an anchorite.
বনবোন্দা, *s.* বনৰিয়া মেকুৰি, a wild cat.
বনমলা, } *s.* শ্রী ক্রিষ্ণৰ মালা, গচ এবিধ, a garland worn by Krishnoo,
বনমালা, } hence his epithet বনমালি, the wearer of the garland.
বনমানুহ, *s.* বৰ বান্দৰ বিসেস, হাবিৰ মানুহ, the ourang outang &c.
বনমালি, *s.* শ্রী ক্রিষ্ণ, a name of Krishnoo.
বনৰি, *s.* নটিনি, বেস্যা স্ত্রি, an adulteress, (a term of abuse.)
বনৰিয়া, *a.* হাবিয়লিয়া, হাবিত থকা, ঘৰচিয়া নোহোআ, wild, jungly.
বনৰৌ, *s.* এবিধ বৌমাচ বাকলিয়া পহু, কেয়টাই পহু, a species of land animal with scales like a *Roc* fish.
বনলগোআ, *s.* গৰুক হাল বাবলৈ সিকোআ, breaking cattle to plough.
বনহালধি, *s.* কেঁতুৰি, a plant resembling the turmeric.
বনা, *s.* ধান আদি খুন্দি চাউল উলিওআ, the pounding out of rice.
বনাই, *v.* ভ্রমি, ফুৰি থাকি, ধান খুন্দাই, সাজি, to roam, to wander about, to pound out rice, to build, to make, to construct.
বনাগ্নি, *s.* হাবিৰ জুই, a jungle fire.
বনি, *s.* কাৰনি, হেতু, লেচু, a cause, a reason.
বনিক, } *s.* বেপাৰি, দোকানি, মুদৈ, a merchant, a banker.
বনিয়া, }
বনিয়াই, *v.* বান লগাই, মাজে মাজে সম জোখেৰে পাতলাই, মাজে মাজে পকি বা চিঙ্গি, to thin out (as grain,) to ripen or turn gray here and there.
বনিলোআ, *s.* কাৰন লোআ, লেচু লোআ, the making an excuse.
বনুআ, *a.* বন কৰা জন, বন কৰি থকা, বনত নিপুন, industrious.
বনৌসধি, *s.* হাবিৰ ঔসধ, বন দৰব, a vegetable medicine.

বন্তি, *s.* চাকি, প্রদিপ, সলা, a lamp, a light.

বন্দন, }
বন্দনা, } *s.* সেৱা, নমস্কাৰ, salutation, worship.

বন্দনিয়, *a.* সেৱা কৰিব লগা, পুজ্য, worthy of homage or worship.

বন্দি, *s.* গোলাম, দাস, ভৃত্য, a slave, a dependent.

বন্দিকৰা, *a.* কইদ ৰখা, বন্ধন কৰা, bound, imprisoned.

বন্দিবেটি, *s.* গোলাম বান্দি, দাস দাসি, slaves, male and female.

বন্দিহোআ, *s.* কেৱাৰ কৰা, গোলাম খটা, servitude, slavery.

বন্দিয়াৰ, *s.* কইদি, জুধত ধৰি অনা লোক, a prisoner, a captive, a prisoner of war.

বন্দিসাল, *s.* কইদ সাল, ফাটক, পোতা সাল, a prison, a dungeon.

বন্ধ, }
বন্ধন, } *s.* বান্ধ, আটক, নিৰোধ, the act of binding, fastening, confining, shutting up; a tie, a bond.

বন্ধা, *a.* বান্ধ দিয়া, আলি বা ভেঁটি তোলা, বন্ধোআ, ভেঁটা দিয়া, bound, confined, fastened; *s.* voluntary servitude.

বন্ধাই, *v.* বান্ধ দিয়াই, কপ সোন আদি লগাই, দমৰাৰ কনি খুন্দাই, আলি বা ভেঁটি তোলাই, to cause to be tied or bound; to set (as a precious stone;) to plate, to gild, to emasculate by pounding the testicles, to raise a road or embankment.

বন্ধু, *s.* মিত্তিৰ, সখি আদি, সুহৃদ, ইষ্ট, প্রিয়, a friend, an associate.

বন্ধুআ, *s.* টকা ধাৰে লৈ সুতত হোআ মানুহ আদি, বন্ধা, a person pledged to serve another until able to pay an amount obligated without interest; voluntary servitude.

বন্ধোআ, *a.* বান্ধ দিউআ, দমৰা গৰুৰ অণ্ডকোস খুন্দা, পাত্ৰাদিত কপ সোন লগোআ, আলি আদি তোলোআ, set, plated, gilded, emasculated, raised as a road or foundation.

বন্ধ্যা, *a.* সন্তান নোহোআ, বাঁজি, barren, childless.

বপা, }
বপাদেও, } *s.* ডদুৰ লৰাক মান্য কপে মৰমেৰে মতা সম্বোধন, a vocative, a respectful address to a small boy.

বপুৰা, }
বপুৰা পুতাই, } *s.* মৰমতৈ কোআ মাত, a vocative expressing pity or affection.

বমগোলা, *s.* এবিধ বৰ হিলৈৰ গুলি, a cannon ball, a bombshell.

বয়স, }
বহ, } *s.* বছৰ, জিৱন কাল, age, a period of life.

বয়সিয়া, }
বহখোআ, } *a.* বয়স পোআ, অনেক বছৰ হোআ, of age, mature, aged.

বৰ, *a.* ডাঙ্গৰ, অতি, প্ৰধান, জেষ্ঠ, দৰা, আসিৰ্বাদ, গচ এবিধ, great, eminent, first born; *s.* a bridegroom, a blessing, a boon granted by a deity; the Indian figtree.

বৰউফি, *s.* খজুৰ দৰে মুৰত ঘা লাগি জোআ ৰোগ, the scald head, a disease of the scalp.

বৰকথিয়া, *a.* গপেৰে কথা কোঅ, ওআইডাঙ্গ মৰা, saucy, impertinent.

বৰকাপৰ, *s.* ডাঙ্গৰি সুতাৰ দুতৰপিয়া কাপৰ, a coarse cloth shawl.

বৰ কাঁহ, *s.* কাঁহৰ বাদ্য এবিধ, a gong, a brass metal plate used as a bell.

বৰকৈ, *ad.* ডাঙ্গৰকৈ, অতিকৈ, টানকৈ, greatly, exceedingly, unusually.

বৰখা, *s.* বৰখুন দিয়া, বিৃষ্টি হোআ, the falling of rain or hail.

বৰখাই, *v.* বৰখুন দিয়াই, বৰ্সাই, to cause to rain or hail.

বৰখি, *s.* মাচ ধৰা জন্ত্ৰ, বৰখুন দি, a fish hook; *v.* to rain.

বৰখিডাঁৰি, *s.* বৰখি অৰা মাৰি, a fishing rod.

বৰখুন, } *s.* বিৃষ্টি, মেঘৰ পানি পৰা, rain; with দি, or আনি, to rain.
বৰসুন, }

বৰগলা, *s.* এবিধ বৰ মাচ, বাহু মাচ, a species of fish.

বৰঙ্গনি, *s.* ৰাজ্যৰ মাজত নিয়মিত ৰুপে তোলা ধন আদি, money raised by assessment.

বৰঙ্গা, } *s.* এবিধ খেৰ, a kind of thatch.
বৰতা, }

বৰচা, *s.* চুলি লগা জাঠি বিসেস, a spear, a javelin, a lance.

বৰজনা, *s.* জেঠাল, গিৰিএকৰ ককায়েক, a husband's elder brother.

বৰ জি, *s.* প্ৰথম জিএক, বৰ জনি, চোআলি, an elder daughter.

বৰটি, *s.* চালৰ জৰি, ডাঙ্গৰটি, a leathern strap.

বৰটোকোলা, *s.* এবিধ বৰ চৰাই, a species of gigantic crane.

বৰঢাক, *s.* ঢোলৰ নিচিনা বৰ বাদ্য এবিধ, a kind of large drum.

বৰত, *s.* বৃত, লঘোন, fasting, a fast.

বৰতমানি, *s.* এবিধ উত্তম কলৰ নাম, a species of plantain.

বৰতি, *a.* বৰতিয়া, বৰাই দেখুআ, মোআমৰিয়াৰ বৃতি এবিধ, one who fasts; a parade of superiority or show of authority, a headman or priest of the Moamoria Muttucks.

বৰতিয়া, *a.* বৃতে থকা, লঘোনিয়া, fasting, one who fasts.

বৰ দিয়া, *s.* আসিৰ্বাদ কৰা, the bestowing of a blessing.

বৰদোআ, *s.* বটদুৱা, শ্ৰীসঙ্কৰে পতা এক থান, এবিধ সৰু মাচ, a famous religious establishment of the *Maha Puruhia* sect near Nowgong, a species of fish.

বৰন, *s.* বগা কলা আদি বিধ বিধ বৰ্ন, a color.

বৰ্নিয়া, *a.* বৰন থকা, বৰনৰ, colored; relating to an order.

বৰপাত্ৰ, *s.* অসম ৰজাৰ প্ৰধান বিসই এখন, ডাঙৰ পাত্ৰ, a title of honor bestowed in the days of the Assam kings.

বৰ্মা, *s.* বৰ বাপেকৰ ঘৈনিএক, the wife of a father's elder brother.

বৰমহা, } *a.* বাঁহ কাঠ আদি ভেঁকুৰা, mildewed.
বৰমোহা, }

বৰল, *s.* এবিধ বিসাল পতঙ্গ, a hornet.

বৰলিয়া, *s.* কাঠ খোআ পোক এবিধ, a boring insect that infests timber.

বৰসিবিয়নি, *s.* see বচৰবিয়নি,

বৰা, *s.* গাহৰি, অচম দেসৰ সক বিসই এখন, ধান এবিধ, বানিবলৈ খৰলিত দিয়া ধান, a boar, an inferior officer appointed by the Assam kings over twenty *peons*, a species of rice, paddy ready for pounding.

বৰাই, *v.* বুজাই, সিকাই, সম্মত কৰাই, মিল কৰাই, to persuade, to induce, to cause to consent; generally used with বুজাই.

বৰাগি, *s.* সন্যাসি বিসেস, টোকাবি আদি বাই ফুৰা লোক, a wandering religious mendicant, an ascetic.

বৰাচাউল, *s.* এবিধ এটা থকা চাউল, a species of rice.

বৰাজোৰা, *s.* ধান বানিবলৈ ধৰা, the cleaning of paddy from the husk.

বৰালি, *s.* এবিধ বাকলি নোহোআ ডাঙৰ মাচ, a species of fish.

বৰালিবকুআ, *s.* ঔসধি বন এবিধ, a species of medicinal plant.

বৰাহ, *s.* বৰা গাহৰি, বিষ্ণুৰ ত্ৰিতিয় অবতাৰ, a boar, in hindoo mythology, the third incarnation of Vishnoo in the form of a boar.

বৰাহু, *s.* এবিধ ঔসধি ত্ৰিন, a species of medicinal plant.

বৰি, *s.* দৰবৰ গুলি, বাৰ্কৰি মাটি, মিল বা বস কৰি, অধিন হৈ, a pill, a bolus, waste land; *v.* to acknowledge subjection to; *a.* subjugated, dependent.

বৰিয়নি, *s.* বাকবিয়নি, সহ নকৰা মাটি, fallow land, land grown up a second time to jungle.

বৰিস, *s.* হিন্দু মতে ভাৰত আদি প্ৰিথিবিৰ দিপ, বৰ্স, বচৰ, one of the hindoo mythological divisions of the earth; a year.

বৰুআ, *s.* বৰাই পতা পদ বিসেস, an honorary title, given to various officers by the Assam Kings.

বৰুন, *s.* জলৰ অধিকাৰ, এবিধ গচ, the Neptune of hindoo mythology; a species of tree.

বৰৈ, *s.* আৰি দিয়া সোন ৰূপ আদিৰ পাহি, a fringe of gold or silver to which small bells are often suspended.

বৰোআ, *a.* অধিন বা মিল কৰোআ, subjugated, on good terms.

বৰ্জন, *s.* অসুচি কৰা, পৰিত্যাগ কৰা, abandonment, exclusion, exemption, omission.

বৰ্জা, } অসুচি কৰা, নিষেধ কৰা, ত্যাগ কৰা, polluted, unclean,
বৰ্জিত, } cast out, left, rejected.

বৰ্জি, *v.* এৰি, বাচ কৰি, নিষেধ কৰি, to leave, to exclude, to except.

বৰ্ত্তমান, *a.* এতিয়া, সাখ্যাত, সাখ্যাত থকা, existing, present, extant.

বৰ্ন, *s.* বৰন, জাতি, আখৰ, color, hue, tint, a class, a caste, a tribe, a letter of the alphabet.

বৰ্ননা, *s.* গুন কথন, বিবৰন, a description, a relation, a narrative.

বৰ্নমালা, *s.* আখৰ সমুহ, ক, খ, আদি; বৰ্নাই, গুনাগুন কৰি, বৰ্ননা কৰি, the alphabet, *lit.* a garland or series of letters; *v.* to relate, to expatiate upon.

বৰ্ষ, *s.* see বৰিস,

বৰ্ষা, } *s.* see. বাৰিষা,
বৰ্ষাকাল, }

বৰ্হনি, *s.* ধান আদি বৰ্হাই দিয়া মাৰি, a rod used in pushing rice under the pestle of a foot pedal.

বৰ্হমথুৰি, *s.* এবিধ গচ বা তাৰ থোৰ, the spathe or stem of a jungle plant used sometimes with *tamul,* to blacken the teeth and lips.

বৰ্হা, *s.* বাৰ্হি জোআ, জোখতকৈ অধিক, ভাত আদি খাবলৈ উলিউআ, growing or increasing, lading out cooked rice; *a.* excessive, beyond proper bounds.

বৰ্হাই, *v.* অধিক কৰি, ডাঙ্গৰ কৰি, দিঘলাই, ভাত উলিওআই, to advance, to lengthen, to increase, to dish out rice from a cooking vessel.

বৰ্হাবৰ্হি, *s.* সাহেৰে কৰা গলিয়াগলি, পৰস্পৰ দন্দলৈ আগ বৰ্হা, mutually daring or defying one another.

বৰ্হিয়া, *a.* ভাল, উত্তম, বেচ, excellent, very good.

বৰ্হোআ, *s.* দিঘল ডাঙ্গৰ কৰোআ, অধিক কৰোআ, ভাত আদি উলিওআ, ধান আদি খুঁবলিলৈ হেঁচুকি দিয়া, causative of বৰ্হা, a lengthening out, advancing, increasing, growing &c.

বল, *s.* সক্তি, পৰাক্ৰম, সেনা, power, strength, ability, force, violence.

বলকনি, *s.* বক্বকনি, বল্বলনি, কৈ কৈ থকা কথা, volubility, idle prate, gabble.

বল কৰা, *s.* বলেৰে ধৰা, the act of forcing or compelling.
বলকি, *v.* বকি, খঙ্গেৰে কথা কৈ কৈ, to prate, to scold.
বলদ, } *s.* বস্তোআ হাল বোআ গৰু, an ox, a bullock.
বলধ, }
বলধা, *s.* অণ্ড কোসৰ ৰোগ, অণ্ড কোস ডাঙ্গৰ হোআ, a swelled testicle; *a.* having the above disease.
বলধি, *s.* বথ গাঁৱৰ টনা ডাঙ্গৰ বলদ এবিধ, an up country bullock.
বলৱন্ত, } *a.* বলি, সক্তিমান, পৰাক্ৰমি, strong, robust, powerful,
বলৱান, } vigorous.
বলা, *s.* সুতা বা লো আদি পিটি বা বল দি দিঘল কৰা, lengthening out by pounding or forging.
বলা, *v.* জোআ, জাবলৈ কোআ, জাবলৈ দিয়া, let us go, (imperative.)
বলাই, *v.* লো আদি দিঘলাই, বায়ু চলাই, to forge, to lengthen by pounding, to blow, to breeze.
বলাতকাৰ, *s.* বল কৰা, violence, rape, oppression.
বলি, *a.* বলৱন্ত, সক্তি থকা, লো আদি পিটি দিঘল কৰি, পূজাত কটা চাগ আদি, সুতলৰ ৰজা এজন, strong, powerful, mighty; *s.* a victim offered in sacrifice; the famous king *Boli*, who was tricked out of his dominions by the brahmin or Dwarf Incarnation; *v.* to lengthen by pounding or forging.
বলিকটিয়া, *s.* বলি কটা লোক, পূজাৰ চাগ আদি কটা মানুহ, one who slays a victim offered in sacrifice.
বলিমৰা, } *s.* আহোম মতৰ পূজাত বলি টঙ্গনিয়াই মৰা মানুহ, among
বলিমৰিয়া, } the Ahoms a man who slays the victim with a club.
বলিকৈ, *ad.* সৰহকৈ, বহাঁকৈ, ডাবিকৈ, plentifully, abundantly, powerfully.
বলিদান, *s.* বলি দিয়া, বলি উচৰগ কৰা, the offering a sacrifice or making an oblation.
বলিদানি, *a.* ৰবকৈ দিব পৰা, হাত মুকলি, bountiful, liberal.
বলিদিয়া, *a.* চাগ আদি কটা, offered in sacrifice.
বলিয়ৰা, *s.* এবিধ মাচ, a species of fish.
বলিয়া, *a.* পগলা, উম্মত, বাতুল, mad, crazy, deranged.
বলিয়ালি, *s.* পাগলালি, বাউল, mental derangement, craziness.
বলিষ্ট, *a.* বলজুক্ত, বৰ বলি, সক্তিমান, strong, powerful, able, vigorous.
বলুকা, *s.* নৈৰ চাপৰি, a sand bank.
বলোআ, *s.* বলি দিঘল কৰোআ, বতাহ আদি দিয়া বা অনা, forging, the blowing of the wind.

বস, *s.* দমন, আগ্যাৰ তল, অধিন, control, subjugation.

বস কৰা, *a.* দমন কৰা, অধিন কৰা, আগ্যাৰ তল কৰা, subjugated.

বসতি, *s.* বাস, থকা ঠাই, a residence, a dwelling place, an abode; with কৰি, to settle, to dwell.

বসন্ত, *s.* নুতি বা বৰ বিধ আই, খন্থ বিসেস, চত বহাগ মাহৰ ৰিতু, the measles, the small pox; the vernal season, from the middle of March to the middle of May.

বসন্তকাল, *s.* ফুল পাত আদি মেলা সময়, চত বহাগ, spring &c.

বসিষ্ঠ, s. মুনি বিসেস, এজন ৰিসি, the name of a famous sage.

বসু, *s.* ধ্রুবকে আদি কৰি হিন্দু মতে আঠ জন দেৱতা, আঠ সংখ্যা, a kind of demi-god of whom eight are enumerated, hence in the hindoo symbols this word stands for eight.

বসুদেৱ, *s.* শ্রীক্রিস্কৰ পিতি, Bahoodeo, the father of Krishnoo.

বসুমতি, *s.* বসুন্ধৰা, প্রিথিৱি, ভুমি, ধৰনি, মেদিনি, the earth.

বস্তু, *s.* দ্রব্য, বেহানি, সামগ্রি, পদার্থ, an article, a thing, materials, baggage, personal property or effects.

বস্ত্র, *s.* কাপৰ, বসন, clothing, raiment, apparel, a garment.

বহখোআ, *s.* কন্যা কাল নোহোআকৈ থকা, বয়স লোআ, beyond the usual period of puberty.

বহঁত *s.* ডেওআ গচৰ গুটি, a species of tree and its fruit.

বহতা, } *s.* খাতত বন কৰি মাটি খোআ লোক, বন্দি বিসেস, a settler
বহতিয়া, } on the land of another, a land tenant.

বহন, *s.* see বহা,

বহনা, *s.* মৰম, স্নেহ, সাদৰ, affection, love, esteem.

বহৰি, *s.* বৰ বিধ সেনৰ নাম, a species of hawk.

বহল, *a.* বিস্তির্ন, মুকলি, ফেতুলেঙ্গা, পথালি জোখ, broad, wide, spread out, extended; *s.* width, breadth.

বহলাই, *v.* বহল কৰি, বিস্তাৰি, অধিক কৰি, to widen, to spread out.

বহলোআ, *s.* বহল কৰা, the act of widening &c.

বহা, *s.* পজা আদি সৰু ঘৰ, বহি থকা, a hut, a shelter, a sitting.

বহাই, *v.* বহুআই, চাপৰাই, চৰু আদি আখাত দি, to seat, to lower, to place a cooking vessel over the fire.

বহাগ, *s.* হিন্দু মতে বচৰৰ প্রথম মাহ, the first hindoo month, embracing a part of April and May.

বহাগি, *s.* দোলা থোআ কেপ দিয়া মাৰি, বহাগত হোআ, a frame for supporting a palkee; produced in the month of Bohag.

বহি, *s.* লেখ বুজৰ পুথি, বুৰা পাতৰ কৰা চাহ, আসন আদিত থিতি হৈ, চাপৰ হৈ, an account book; *v.* to sit, to sink, to settle.

বহিখোআ, *s.* চতিৰ ওপৰত দিয়া ঠেকা, একো বন নকৰাকৈ খোআ, an upright support in a roof; eating the bread of idleness.

বহু, } বহুত, } *a.* অনেক, বিস্তৰ, সৰহ, ভালেমান, much, many, abundant, numerous.

বহুআ, *s.* কথা জোৰা দি কোআ মানুহ, অনেক ভাও ধৰা, an actor, one who makes sport; *a.* funny, comical, assuming many shapes.

বহুআই, *v.* আসন আদিত থিতি কৰাই, চপৰাই, to cause to sit down &c.

বহুউআ, *a.* বহুআই থোআ, চপৰোওআ, seated; *s.* the act of seating.

বহুতৰ, *a.* বিস্তৰ, অসিম, অনেক, many, much, numerous.

বহুদর্সি, *a.* বৰ গ্যানি, সুবিবেকি, বুধিমান লোক, observant, having forecast, experienced, circumspect, cautious, prudent.

বহুনা, *s.* নাৱৰ বা হাঁতিৰ গলধন, তাঁত বোআত বহা আসন, the prow of a boat; the neck of an elephant; the seat of a native loom.

বহুবচন, *s.* অনেকক বুজুআ মাত, (in *gram.*) the plural number.

বহু বিধ, *a.* অনেক প্রকাৰ, নানা ৰূপ, of many kinds, various.

বহুভাসি, *a.* কথকি, সৰহকৈ কৈ থকা, অনেক ভাসা জানোঁতা, garrulous, loquacious; knowing many languages.

বহুমুলিয়া, } বহুমুল্য, } *a.* অনেক টকাৰ, অতি উত্তম, বহু দামৰ, expensive, costly, of great value.

বহু ৰূপ, *a.* অনেক আকাৰ, নানা বিধ, of various shapes, multiform.

বহুল, *a.* বিস্তৰ, বহল, much, many, abundant, broad, wide.

বহোআ, *s.* চাপৰোআ, চৰু আদি আখাত পতা, the act of lowering anything or of placing a vessel on the fire.

বহ্নি, *s.* অগ্নি, জুই, অনল, fire or its mythological deity, *Ogni.*

বা, *conj.* অথচ, নতু, বতাহ, বতাহৰ জোৰ, either, or; *s.* wind.

বাই, *s.* বৰ ভনিএক, বঠা আদি মাৰি, হালেৰে চহাই, বাদ্য বজাই, বন কৰাই, an elder sister; *v.* to row, to plough, to play on an instrument of music, to cause to serve or work, to employ.

বাইক, *s.* see বাক্য,

বাইখন, *s.* ব্যাখ্যা, কথা উলিওআ, বর্ননা, comment.

বাইচ, *a.* একুৰি দুই, twenty two.

বাইটি, } বাইদেও, } *s.* জেষ্ট ভনিক আদৰেৰে মতা সম্বোধন, affectionate address of an elder sister.

বাইবটি, *v.* হাল বাই, চাহ কৰি, to mellow land by ploughing.

বাউঁশি, *s.* ঘৰৰ চালৰ দাঁতিৰ পৰলি, the first layer of thatch around the edge of a roof.

বাউল, *s.* বাতুল, বলিয়ালি, insanity, craziness.

বাউলা, *a.* বলিয়া, বাতুল, crazy, insane.

বাউলি, *a.* বলিয়া উঠা তিৰোতা, টৌ ধৰা লোৰ চেপেনা, *fem.* of the above; *s.* tongs for taking cooking vessels from the fire.

বাউহি, *s.* বাবিচনি, the upper part of the arm.

বাও, *s.* ধান এবিধ, খৰাহি পাচি আদিৰ মুখত বন্ধা কামি, a species of paddy; the rim or upper binding of a basket, &c.

বাওকনি, *s.* ঘাই নোহোআকৈ পৰা কনি, an imperfect egg.

বাওতলি, *s.* বাও ধানৰ মাটি, land sown with paddy.

বাওনা, *a.* কঁটিয়া, চুটিচাপৰ, ঘুটমুটিয়া, short, dwarfed; *s.* a pigmy, a dwarf, fem. বাওনি.

বাঁও, *s.* বাম, আওফাল, লেবেৰা, the left; with হাত, the left hand.

বাঁওকা, *s.* ধান অনা বিৰিয়া, an instrument or pole for carrying burdens on the shoulder.

বাঁওতা, *s.* হাল বঠা আদি বোআজন, বাদ্য বজাওঁতা, a ploughman, an oarsman, a performer on a musical instrument.

বাঁওফলিয়া, *s.* আওহতিয়া, বাঁও ফালৰ, on the left side.

বাঁওহতিয়া, *a.* বাঁওহাত চলা, লেবেৰা হতিয়া, left handed.

বাঁক, *s.* কল্পিত মাচ খোআ ভুত এবিধ, an imaginary evil water spirit.

বাঁকৰাজ, *s.* কাপ কাপ থকা সাপ এবিধ, a species of water snake.

বাঁকি, *s.* অৱসেস থকা, কম, সেস থকা, a remainder, a balance, deficiency, arrears.

বাঁকিয়া, *a.* বাঁকি থকা, লেঠা থকা, অসম্পুৰ্ন, wanting, lacking, deficient.

বাঁকুহি, *v.* বৰকৈ আঁচুৰি, to scratch.

বাঁজি, *a.* সন্তান নোহোআ মাইকি, barren.

বাঁজিফুল, *s.* গুটি নধৰা ফুল, a blossom that produces no fruit.

বাঁটি, *v.* ভাগ ভাগ কৰি, ভগিয়াই, to divide among several, to distribute.

বাঁতি, *s.* বান্ত, মুখে ওলোআ পিত পানি আদি, vomit, vomiting, matter ejected from the stomach.

বাঁহ, *s.* বাঁহ গচ, a bamboo.

বাঁহনি, *s.* বাঁহৰ বাৰি, অনেক বাহ থকা ঠাই, a bamboo grove.

বাঁহি, *s.* see বংসি, মুৰুলি.

বাক, *s.* বাক্য, বচন, a word, utterance, speech.

বাকচতুৰ, *a.* কথাৰ বৰ টেঙ্গৰ, shrewd &c. in speech.

বাকনি, *s.* ঔ টেঙ্গা আদিৰ বখলা, ঢাকনি, a flake or layer of certain kinds of fruit, a cover.

বাকপটু, *s.* কথকি, সজ বক্তা, *lit.* master of speech, eloquent, fluent.

বাকৰি, *a.* চাহ নকৰা, বৰি, বননি বা জাবৰনি, deserted, waste, grown up to grass jungle.

বাকৰিয়নি, *s.* জাবৰনি, হাবিয়নি, a patch of waste or deserted land.

বাকলি, *s.* মাচৰ খলপিয়া আবৰন, গচ আদিৰ ওপৰৰ চাল, the scales of a fish; a rind; an integument or covering of fruit.

বাকলিয়া, *a.* বাকলি থকা, বাকলিবে, having scales, husks &c.

বাকি, } *v.* ঢালি, পাত্র আদিৰ পৰা কাডিকৈ পেলাই, to pour out,
বাকিদি, } to spill, to empty.

বাকি দিয়া, *s.* বকা, ঢলা, the act of pouring, spilling &c.

বাক্য, *s.* কথা, বচন, বাক, a word, a saying, utterance, speech.

বাক্যালাপ, *s.* কথনমথন, কথোপকথন, conversation.

বাখৰ, *s.* ডালিমা পানা আদি বহু মুলিয়া উত্তম সিল, খাৰ দ্রব্য আদি, a generic name for several kinds of precious stones, also of several sorts of crystallized minerals used in medicine.

বাখৰপতা, } *a.* বাখৰ লগোৱা, ornamented or set with precious
বাখৰাম, } stones.

বাখৰু, *s.* গুটি ধানৰ ঘেৰ আদি, a barn, a storehouse.

বাখৰুআ, *a.* বাখৰ সম্বন্ধিয়, adorned with or relating to বাখৰ.

বাগতি, *s.* সাৰিবলৈ কথাৰে বাগি দিয়া, equivocation, a subterfuge to escape detection.

বাগৰ, *s.* লুটি খোআ, কাতিকুতা, a tumbling; a rolling from side to side; with খাই, and মাৰি, to roll, to tumble, to toss about.

বাগৰাবাগৰি, *s.* লুটিয়ালুটি, চেপ্লালুটি, a rolling, tumbling about.

বাগৰি, *v.* বাগৰ মাৰি, লুটি খাই, লোকৰ ঘৰে ঘৰে ফুৰি, to roll, to tumble, to turn over; with ফুৰি, to wander from house to house; to frequently change situations.

বাগি, *s.* ফুল এবিধ, বুধিৰে গা সৰা, হাঙ্গি, ফাল, a species of flower; a subterfuge, an artifice to escape detection, a side.

বাগিদিয়া, } *s.* মিচা মতা, লোকৰ গাত পেলোআ. গা সাৰি ফুৰা, evasion,
বাগিমৰা, } trickery, clearing one's self by implicating others.

বাগিধৰা, *s.* হাঙ্গি ধৰা, rivalry.

বাগিবুগা, see বাগি দিয়া,

বাগিয়াৰ, *a.* বাগি দিব জনা, ধূর্ত্ত, artful, trickish.

বাগিশ্বৰি, *s.* সৰস্বতি, an epithet of *Soroswoti,* called the godess of speech and eloquence.

বাঘ, *s.* এবিধ হিংসক জন্তু, ব্যাঘ্ৰ, a tiger; *fem.* বাঘিনি, a tigress.

বাঘআঁচোৰা, *s.* কাঁইট নাক এবিধ, a thorny shrub, (Pisonia Aculestia.)

বাঘচকা, *s.* দুই হাতৰ বৰ চাপৰ, a mode of punishment by striking with the palms of the hand joined together.

বাঘমকৰা, *s.* এবিধ বৰ মকৰা, a species of spider.

বাঘমৰিয়া, *s.* বাঘ মাৰি ফুৰা লোক, a tiger hunter.

বাঙ্গকৰা, *a.* খাৰ টেঙ্গা নিদিয়াকৈ সিজোআ আঞ্জা, বেয়া, কেলেহুআ, bad, useless, worthless, mean.

বাঙ্গপিটা, *s.* আপোনাৰ পিঠিত কোবাই ভাও দেখুউআ, self flagellation or the pretence of it, the person who practices it.

বাঙ্গবিঙ্গ, *s.* অৰ্থ নাইকিয়া কথা, বিঙ্গ বিঙ্গ বাঙ্গবাঙ্গ, jargon, gibberish.

বাঙ্গি, *s.* ডাকত দিয়া টোপোলা, ডাঙ্গৰ বিধ চিঁৰাল, a package carried by post, a species of melon.

বাচ, *s.* গন্ধ, মিহলি, scent, perfume, mixture of good and bad.

বাচক, *a.* কওঁতা, বুজুআ জন, expressive of, expressing.

বাচকবনিয়া, *a.* ভালতকৈ ভাল, বাচি লোআ, chosen, select, best.

বাচৰু, *s.* গৰু পোআলি, দামুৰি, a young calf.

বাচি, *v.* মিহলি গুচাই, মাচ আদিৰ বাকলি পেটু গুচাই, to pick out, to select, to clean.

বাচি লোআ, *s.* মনেৰে ভাল বিচাৰি লোআ, selected, chosen, picked.

বাজ, *s.* বাহিৰ, আলগা, সমন্ধ নথকা, প্ৰকাস, the outside; *a.* without, irrelevant, public, not secret.

বাজ কৰা, *a.* বাহিৰ কৰা, প্ৰকাস কৰা, shut out, excluded, divulged.

বাজনা, *s.* খোল মৃদং আদি বাদ্য, a musical instrument.

বাজবন, *s.* বাহিৰ কাম, উপৰুআ কাম, out-door work.

বাজি, *s.* টাটক বিদ্যা, বাদ্য আদিৰ সদ্দ উঠি, sleight of hand, legerdemain; *v.* to sound, as a musical instrument.

বাজিকৰ, *s.* টাটকিয়া, মায়া বিদ্যা কৰোঁতা, a conjurer, a magician, one who practices sleight of hand or legerdemain.

বাজু, বাজুবন্ধ, } *s.* বাহিচনিৰ অলঙ্কাৰ, an ornament worn on the arm.

বাজে, *prep.* বিনে, বাহিৰে, তাৰ উপৰি, without, apart, aside from.

বাজেবাজে, *ad.* বাহিৰে বাহিৰে, আলেঙ্গে আলেঙ্গে, নজনোআকৈ, outwardly, in outward appearance.

বাঞ্ছনিয়, *a.* আসা কৰা, ইচা থকা, desirable, to be wished for.
বাঞ্ছা, *s.* ইচা, আসা, মন, অভিলাস, desire, wish, will.
বাঞ্ছি, *s.* see বাঁহি, ইচা কৰি; *v.* to wish, to desire.
বাঞ্ছিত, *a.* অভিলসিত, আসা কৰা, কামনা কৰা, desired, pleasing.
বাট, *s.* আলি, পথ, বিন্ধা, a road, a way, a passage, a hole.
বাটচাই, *v.* বৈ থাকি, অপেখ্যা কৰি, to wait for, to expect.
বাটচোআ, *s.* বৈ থকা, অপেখ্যা কৰা, expectation, a looking or waiting for.
বাটবুলি, *v.* খোজ কাঢ়ি, গতি কৰি, to walk, to travel on foot.
বাটৰুআ, *s.* বাটে জোআ লোক, পথুক, a traveller, a passer by.
বাটলু, *s.* বিয়া নকৰাকৈ অনা তিৰোতা, চাপনি, a concubine.
বাটলু গুটি, *s.* ধেনু গুটি a small clay ball for shooting from a bow.
বাটি, *s.* ধাতুৰ পান পাত্ৰ, বাজহাৰৰ দুই দাঁতি, পিহি বা টেপা কৰি, পকাই, ববৈল তৰা তাঁত, তাঁতৰ বৰ নেচা, a drinking cup, the fleshy part attached to the spine; *v.* to grind on a stone.
বাটিকৰা, *s.* তাঁত তৰিববৈল সুতা মেলা, the process of warping thread.
বাটোআলি, *s.* বাটত থকা কল্পিত ভূতুনি বিসেস, an imaginary evil spirit said to infest high ways.
বাত, *s.* বতাহ, বায়ু, বিস ৰোগ এবিধ, air, wind, flatulence; with ৰোগ, rheumatism.
বাতৰা, বাতৰি, *s.* সম্বাদ, বাত্ৰা, ভু, বাৰ্ত্তা, news, information, intelligence.
বাতাচা, *a.* চেনিৰ মিঠৈ বিসেস, a kind of sweetmeat.
বাতি, *s.* বন্তি, চাকি, ভগাক ভাল কৰি, a lamp, a light, a candle; *v.* to mend, to repair.
বাতুল, *a.* বলিয়া, উম্মত, পগলা, mad, insane, foolish, crazy.
বাত্ৰা, *s.* see বাতৰা, news.
বাদ, *s.* বাক্যৰ জুৰ, কলঙ্ক, অপজস, দুৰ্নাম, a word, a dispute, a stain, a stigma, a bad name, a reproach.
বাদকৰা, *s.* তৰ্ক কৰা, কথাৰ জুঁজ কৰা, reasoning, argumentation.
বাদবিচাৰ, *s.* তৰ্কবিতৰ্ক, সঁচা মিচাৰ বিবেচনা, an investigation, an enquiry.
বাদবিতণ্ডা, *s.* অপবাদ দি গালি পৰা, বিকৰ্থনা, a reproach, vilification.
বাদবিবাদ, *s.* উতৰাউতৰি, a controversy, a dispute, altercation.
বাদল, *a.* মেদা, দগধা, সৰপা, ভাৱৰ, lazy, slow, indolent; *s.* a cloud.
বাদাম, *s.* এবিধ ফল, an almond.
বাদি, *s.* গুচবিয়া, কৰ্ত্তা, a complainant, a plaintiff; *a.* speaking, pleading.

বাদু, *s.* কঠাল আদিৰ ভিতৰৰ কোমল বাকলি, the covering of the pulp of fruit.

বাদুলি, *s.* ৰাতি উৰি ফুৰা জন্তু এবিধ, a bat; a general term used for the vampire &c.

বাদুলিচাকি, *s.* অনেক চাকিএৰে ওলোমাই থোআ দিপাধাৰ, a chandelier, a branched frame or support for holding many lights.

বাদুলিসঁচাৰ, *s.* বৰ তলা এবিধ, a padlock.

বাদ্য, *s.* ঢোল আদি বাজনা, an instrument of music or its music.

বাদ্যভণ্ড, *s.* নানা বিধ বাজনা, a concert of instrumental music, musical harmony.

বাধক, *a.* নিবাৰক, হাক দিওঁতা, কৰিব নিদিয়া, obstructive; *s.* one who prevents, forbids or obstructs.

বাধা, *s.* নিবাৰন, হাক, নিসেধ, hindrance, prevention, obstruction; with কৰিব, to hinder, to forbid &c.

বান, *s.* নৈৰ ঢল, চাম, বিধ, মাচ ধৰা জতন, কাঁৰ, পাচৰ সংখ্যা, a flood, an inundation, an even texture, a contrivance for catching fish, a dart, an arrow; this word is used figuratively for five.

বানচ, *s.* বেচ, মুল্য, বাব, hire, pay, price.

বানবাটি, *s.* খুঁৰা লগা বাটি, a brass vessel with feet attached.

বানবাৰিখা, } *s.* ভৰ বৰ্সাকাল, the season of floods.
বানবাৰিসা, }

বাণ্ডা, *s.* হাঁতিৰ ঠেঙ্গ বন্ধা জতন, a fetter for the feet of elephants.

বানাত, *s.* বানত, নোমৰ কাপৰ এবিধ, broadcloth, woollen cloth.

বানাৰচ, *s.* বাৰানসি, কাসি খেত্র, the sacred city of Benares, *Kahi.*

বানি, *s.* কথা, বাক্য, তাঁতৰ পথালি, নৌকাৰ দাঁতি, ধান খুন্দি, a voice, a saying, an utterance, a breadth of cloth, the sides of a boat, to clean rice from the husk.

বানিজ্য, *s.* বেপাৰ, বেহা, দোকান দিয়া, trade, traffic, commerce, barter.

বানিসুতা, *s.* তাতত বোআ পথালি সুতা, the woof of cloth.

বানেবানে, *ad.* বিধে বিধে, চামে চামে, ভাগে ভাগে, in successive stages.

বান্দৰ, *s.* বানৰ, a monkey.

বান্দৰালি, *a.* বানৰৰ নিচিনা কৰা, বান্দৰৰ স্বভাও ধৰা, apish, monkeyish.

বান্দৰি, *s.* মাইকি বান্দৰ, তাঁত সালৰ নাচনি ধৰা, *fem.* of বান্দৰ, the female monkey, a pulley in a native loom.

বান্দৰকেঁকোআ, } *s.* গা খজুউআ এবিধ লতাৰ গুটি, a species of nettle.
বান্দৰচেঙ্গা, }

বান্দরবিটলিয়া, *s.* বান্দরর নিচিনা স্বভাও, নিন্দিত মাত, apish, monkeyish.
বান্দি, *s.* দাসি, বেটি, a female slave.
বান্দিমোহর, *s.* বান্দিএ মবোআ বাহিন লেখা এবিধ রূপ, an Assamese coin stamped by a maid servant.
বান্ধ, | বান্ধনি, } *s.* বন্ধন, গাঁঠি, a binding, a fastening, a tie.
বান্ধ, | বান্ধব, } *s.* বন্ধু, ইষ্ট সম্বন্ধিয় মাত, মিতির কুটুম, a friend, an ally, a relation.
বান্ধকানি, *a.* কৰাচ্য, কিৰ্পিন, দিব খাব নোঅরা, tight, penurious, stingy.
বান্ধনি, *s.* বান্ধ, গাঁঠি, ধৰনি, a binding, a ligature, an incantation.
বান্ধি, *v.* বান্ধ দি, বন্ধন কৰি, to bind, to fasten, to tie.
বাপ, *s.* পিত্রি, বোপাই, সুদ্রু আদি মহন্তর সম্বোধন, a father; a title given to several classes of priests.
বাপ ভাই, *s.* সমস্তুআক মতা সম্বোধন, fathers and brethren, a term used in addressing a promiscuous multitude.
বাপতিসাহোন, *s.* বাপেকর মাটি বাৰি আদি বস্তু, hereditary property.
বাপা, *s.* স্নেহ মানেযবে মতা সম্বোধন, an affectionate address to children.
বাপু, *s.* পিতা বা বামুনর সম্বোধন, father; respectful address of a father or of a brahmin.
বাপুটি, *s.* see বাপা, এজন বামুনর সম্বোধন,
বাপুদেউ, *s.* বামুনক মানেযবে মতা সম্বোধন, a term of respectful address.
বাপেক, *s.* বাপেকি, পিতাক, a father.
বাপেকে, | বাপেবে, } *s.* তাবি দিয়া মাত, বাপেক, a father or as a father; a word used in threatening, meaning I will beat you as your father did or without restraint; an ejaculation of surprise &c.
বাব, *s.* বিসই, পদ, বেচ, কাৰন, business, office, wages, a cause.
বাবকটা, *a.* কাঠ বা গচ আদিত কাটি চিন দিয়া, marked; *s.* the placing of a mark, a tally.
বাবতি, *s.* চুপতি, মুখ জুকোআ, বাদানুবাদ, a controversy, dispute, mutual retort.
বাবতে, *ad.* হেতুকে, কাৰনে, on account of, because of.
বা-ববখুন, *s.* বতাহ ববখুন, rain and wind.
বাবৰি, *s.* এবিধ সাক, a species of edible plant.
বাবাকৰ্হা, *s.* সুমত মুখ মেলি কোঁপোআ, a puffing or panting.
বাবাৰ্তা, | বাবাত্রা, } *s.* বুজ বাজ, ভুভা, সমাচাৰ, information, report.

বাবিচনি, *s.* কাসলতিৰ ওপৰ পাচ ভাগ, the shoulder blade.

বাবিৰিঙ্গ, *s.* এবিধ ঔসধি গচৰ গুটি, a species of medicinal plant.

বাবু, *s.* ভদ্র লোকৰ সম্বোধন বিসেস, a native gentleman, a respectful address equivalent to Sir, Esquire.

বাবুলিকটা, } *a.* চুলি চুঁটিকৈ ৰখা, having the hair cut short.
বাবুলৰখা, }

বাম, *a.* তৰ, তৰাঙ্গ, বাওঁ, তল নোজোআ মাটি, shallow; *s.* land not overflowed, land in distinction from water, the left side.

বামগঁতিয়া, *a.* বাম ঠাইত থকা বা হোআ, not subject to inundation.

বামন, *s.* বিষ্ণুৰ পঞ্চম অৱতাৰ, বটু, বাওনা, the fifth incarnation of Vishnoo as a dwarf.

বামাৰলি, *s.* ঘূৰ্ন বায়ু, বতাহৰ পাক বিসেস, a whirlwind.

বামি, *s.* এবিধ দিঘল মাচ, a species of fish.

বামুন, *s.* ব্রাহ্মন, দ্বিজ, বিপ্র, a brahmin; *lit.* twice-born.

বামুনভেঁকোলা, *s.* কপালত ফোঁট থকা বৰ বেঙ্গ, a species of large frog, so called from having a spot on the forehead.

বামুনি, *s.* বামুনৰ তিৰোতা, ব্রাহ্মন কুলৰ স্ত্রি, a woman of the brahmin caste, or the wife of a brahmin.

বামুনিয়া, *a.* বামুনৰ সম্পৰ্কিয়, বামুনৰ ধৰমত চলা, relating to the brahminical caste.

বায়ঙ্গ, *a.* বেলেগ, আঁতৰ, ইয়াৰ বাজ, separate, distinct, disconnected.

বায়ন, *s.* মৃদং খোল আদি বজোআ বা সিকাওঁতা জন, a player on a musical instrument.

বায়ু, *s.* বতাহ, পৱন, মুৰ ফুৰনি ৰোগ, air, wind, *Bayu,* the wind god or guardian deity of the N. W. quarter; hypochondria.

বায়ুআ, *a.* বায়ু ৰুগিয়া, hypochondriacal, troubled with flatulence.

বায়ুকোন, *s.* উত্তৰ পচিমৰ মাজ দিস, the northwest quarter.

বায়ুপুত্র, *s.* হনুমন্ত, ভিম, an epithet of Honuman and Bhim.

বাৰ, *s.* দিন, বেলি, বেৰ, নাৱৰ কান, দ্বাদস, ৰবি আদি সাত দিন, a day of the week; a time or occasion; a partition in a house or boat; as two syllables it is the numeral twelve.

বাৰটা, *s.* বেৰ আদিৰ তলত দিয়া বাঁহ বা চেপেটা কাঠ, a support on which a partition rests.

বাৰন, *s.* see খণ্ডন, নিসেধ কৰা, বাধা, a hindrance.

বাৰবাৰ, } *ad.* ঘনে ঘনে, বেলিএ বেলিএ, সদাই, পুনঃ পুনঃ, again and
বাৰম্বাৰ, } again, repeatedly.

বাৰনসি, *s.* see কাসি, বানাৰস, Benares.

বাৰি, *s.* চাপ বা জেওৰা দিয়া সম্যাদিৰ ঠাই, জল, সৰু মাৰি, a compound, a garden, water, a staff, a stick.

বাৰিঅলিয়া, *a.* বাৰিত হোআ, বাৰিৰ সম্বন্ধিয়, relating to or produced in a garden.

বাৰিক, *s.* গাৱৰ টেকেলা বিসেস, the head man of a village.

বাৰিখা, } *s.* বৰ্সাকাল, the rainy season.
বাৰিসা,

বাৰিচোআ, *s.* বাৰিত বন কৰা লোক, মালি, a gardener.

বাৰু, *s.* ঢাল, সৰুগা মাত, স্বিকাৰ পোআ মাত, a shield; *ad.* very well, well done; *a.* good, excellent, nice, well.

বাৰুঅতি, *s.* বাৰু খেলাৰ জনা লোক, অচম ৰজাৰ এখেল মানুহ, the bearer of a shield; a class of former Assamese soldiers.

বাৰুনি, *s.* চত মাহৰ ক্রিস্ণা ত্রয়োদসিত গঙ্গা স্নানৰ তিথি বিসেস, a bathing festival in the month of *Soot*

বাৰেপতি, *ad.* ঘনে পতি, বাৰম্বাৰ, সঘনে, every time.

বাৰেবাৰে, *ad.* বেলিএ বেলিএ, repeatedly, often, over and over.

বাৰেমতৰা, *s.* স্বৰ স্তুক কৰা আখৰ, বানান, spelling, orthography.

বাৰ্ত্তা, *s.* বাতৰা, বাত্রা, news, intelligence, information.

বাৰ্সিক, *a.* বচৰেকত হোআ, বচৰ উদানি, annual.

বাৰ্হন, *s.* বৰ্হা, growing or increasing.

বাৰ্হনি, *s.* ঠাই সঁৰা জাডন, বাৰ্হি অহা, a broom, growth, an increase; with পানি, a rise of water, a flood.

বাৰ্হি, *v.* ডাঙ্গৰ বা অধিক হৈ, খাবলৈ পাত্রত ভাত আদি উলিয়াই, ধনৰ সুত, to grow, to increase, to rise as a flood, to serve up food; *s.* interest on money.

বাৰ্হৈ, *s.* কাঠৰ বন কৰিব জনা মানুহ, a carpenter.

বাৰ্হৈটোকা, *s.* এবিধ চৰাই, কিৰ্পিনালিকৈ নিজে আটাই বন কৰি ফুৰা মানুহ. a woodpecker, a penurious person.

বালক, } *s.* অজ্ঞান লৰা, চাৱাল, ফৰুলিয়া লৰা, a small child not
বালেক, come to years of understanding.

বালগোপাল, *s.* ক্রিস্ণৰ লৰা কালৰ নাম, epithet of Krishnoo as a child.

বালি, *s.* বালুকা, হিন্দু মতে পুৰ্ব কালৰ এজন বানৰৰ ৰজা, sand, gravel, grit, the name of a monkey chief, the son of Indra and brother of Hugriwo.

বালিঅঁহিয়া, *a.* মাটি আদি বালিৰ নিচিনা হোআ, sandy, like sand.

বালিচন্দা, *s.* ধাতু বিসেস, the mineral talc.

বালিচৰি, *s.* বঙ্গালৰ বালেশ্বৰ নগৰত কৰা বুটা দিয়া এবিধ উত্তম পাট-কাপৰ, a kind of flowered silk cloth.

বালিচাহি, *s.* অতি খুদ্ৰ কিট এবিধ, a small stinging insect.

বালিমাহি, *s.* খঞ্জৰিত পখি, এবিধ সৰু চৰাই, a species of bird.

বালিয়া, *a.* see বালি অহিয়া.

বাস, *s.* থকা ঠাই, কাপৰৰ দহি, বস্ত্ৰ, a habitation, a dwelling.

বাসনা, *s.* কঁপাল, ভাগ্য, দসা, গতি, destiny, fate, condition, portion.

বাসনাবন্ধিয়া, *a.* কপালত ঘটা, কঁপালেৰে হোআ, according to fate, fated.

বাসৱ, *s.* ইন্দ্ৰ, পুৰন্দৰ, an epithet of Indra.

বাসি, *s.* বাস কৰা, থাকোঁতা, বাহি, dwelling, residing; used in *comp.* as বনবাসি, living in a forest.

বাসুকি, *s.* সাপৰ ৰজাৰ নাম, এক্কন নাগ, Bahuki, the king of serpents used as a cord by the *Ohurs* in churning the ocean.

বাসুদেৱ, *s.* বসুদেৱৰ পুত্ৰ, শ্ৰীক্ৰিষ্ণ, a name of Krishnoo.

বাস্তৱত, } *ad.* স্বৰূপত, স্বধৰ্মত, সঁচাকৈ, নিচয়ে, truly, really, in fact.
বাস্তৱিক, }

বাস্প, *s.* see ভাপ, steam &c.

বাহ, *s.* চৰাই আদিএ সাজি লোআ ঘৰ বা ঠাই, জাক, গুটিৰ ওপৰৰ কাঠ বাকলি, a nest, a temporary stopping place, a drove, a multitude, a brood, a litter, the shell of a nut.

বাহক, *s.* তিতা ফুলৰ গছ, ভাৰ বওঁতা, a medicinal plant; a carrier.

বাহন, *s.* উঠি ফুৰা জতন, হাঁতি ঘোঁৰা আদি, জান, a vehicle, a conveyance, any means of transit.

বাহবন্ধা, *a.* গোট খোআ, গুটিৰ ওপৰত কাঠ বাকলি হোআ, collected in a mass, enclosed in a shell or covering.

বাহৰ, *s.* ৰজা বা গোসাঁইৰ প্ৰবাসত থাকিবলৈ কৰা সৰহিয়া ঘৰ, a temporary house or stopping place for a king or priest.

বাহি, *a.* ন নোহোআ, আগ দিনা জগুত কৰা বস্তু, পৰ্য্যুসিত, not fresh, stale, withered, of the preceding day.

বাহিগা, *s.* সেই দিনা নোধোআ গা, আগ দিনাই ধোআ গা, the body bathed on the preceding day.

বাহিনি, *s.* সংখ্যা বিসেস, সৈন্য সমুহ, বহু সংখ্যা, a legion, an army, a body of troops, a great multitude.

বাহিৰ, *s.* বাজ, ভিতৰ নহই, প্ৰকাস, outside; *a.* without, extended, open, not concealed; with হৈ, *v.* to come forth, to proceed from.

বাহিৰা, *a.* বাজৰ, আলগতিয়া, বজুআ, outside, distinct, separate.

বাহিৰে, *ad.* বাজে, উপৰি, বিনে, besides, aside from, except.

বাহু, *s.* হস্তমুল, বৰ মাচ এবিধ, বাবিচনি, the arm, a species of fish.

বাহু-দাঙ্গি-কোআ, *s.* সাহ দি কোআ, উৰ্দ্ধবাহু হৈ কোআ, the raising of the arm in solemn asseveration.

বাহুবল, *s.* হাতৰ বল, পৰাক্ৰম, the strength of the arm, might, power.

বাহুবলি, *a.* সক্তিমন্ত, পৰাক্ৰমি, strong, powerful, mighty.

বাহুমুল, *s.* কান্দলাতিৰ ওপৰ ভাগ, হাতৰ গুৰি, বাবিচনি, the shoulder joint, the arm pit.

বাহুল্য, *s.* বিস্তৰ, অধিক, অনেক, abundance, plenty, variety, multiplicity; *a.* abundant &c. with ৰূপে or কৈ, *ad.* plentifully &c.

বি, *prep.* উপসৰ্গ বিসেস, কথাৰ আগত হলে উত্তম আৰু বিপৰিত বুজাই, জথা উত্তম, বিসিষ্ট; বিপৰিত. বিয়োগ; inseparable preposition, denoting variety, distinction, separation, division, equivalent to *un*, *di*, *dis*, &c. in English.

বিংসতি, *s.* কুৰি, বুৰি, twenty, a score.

বিকৰ্চনা, *s.* ঘিন, খাবৌল বেয়া পোআ, dislike, hate, aversion.

বিকটা, *a.* দেখিলে ভই লগা, বেঙ্কেৰামুআ, মুখ ভেঙ্গুৰা, অকটা, hideous, distorted, frightful, disagreeable to the taste.

বিকটাই, *v.* মুখ ভেঙ্গুৰাই, to distort the countenance, to make grimaces.

বিকটামুআ, *s.* ভেঙ্গুৰা মুআ, ভয়ানক মূৰ্ত্তি, a monster; *a.* having hideous features.

বিকণ্ডআ, *a.* বেচিবলৈ কৰা, বেচিব লগিয়া, saleable, ready for sale.

বিকৰ্থনা, *s.* নিন্দা, বিগতি, গালি বিসেস, abuse, reviling.

বিকল, *a.* দুখ পোআ, দুৰ্বল, চিন্তা জুক্ত, আপদ, বৈলৈ বৈথৈ, troubled, agitated, decayed, impaired.

বিকা, *a.* বেচা, বিক্ৰই কৰা, sold; *s.* the act of selling.

বিকাই, *v.* বেচাই, সকলোতে দুৰ্গুন প্ৰকাস কৰি, to sell, to traduce openly, to expose.

বিকাৰ, *s.* আন ৰূপ, স্বভাৱৰ সলনি কৰা, জ্বৰ, ৰোগ আদি প্ৰবল হোআৰ দুখ, change, deterioration, alteration.

বিক্ৰই, *s.* বেচা, a sale.

বিক্ৰমাদিত্য, *s.* আগৰ কালৰ এজন হিন্দু ৰজাৰ নাম, the name of a former hindoo sovereign.

বিক্ৰিত, *a.* বেয়া ৰূপ, আভঁজা, কুৰূপ, ill-shaped, distorted; *s.* alteration, deterioration, distortion.

বিস, *s.* খহু আদিৰ বেদনা, সৰিলৰ দুখ বিসেস, pain, distress, ache.
বিখোআ, *s.* বিসোআ, বিসে ধৰা, বেদনা কৰা, paining, aching, distress.
বিখ্যাত, *a.* প্ৰখ্যাত, প্ৰকাস হোআ, সকলোএ জনা, named, called, denominated, renowned.
বিগতি, *s.* নিন্দা, ইতিকিঙ্গ, বিকৰ্থনা, reviling, abuse, reproach; with কৰি, *v.* to revile &c.
বিগৰ্হি, *a.* আগৰ্হি, চন্দ গৰ্হ নোহোআ, আলাগি, নিন্দনিয়, ill-shaped, deformed, ugly, despicable.
বিগুল, *s.* চিপাহিৰ বাদ্য বিসেস, ৰনসিঙ্গা, a bugle, a trumpet.
বিগ্য, বিজ্ঞ, *a.* পণ্ডিত, গ্যানি, সুবুধি, wise, learned, skilled, experienced.
বিগ্যাত, *a.* জনা, গ্যাত হোআ, বিদিত, known, understood.
বিগ্যান, *s.* তত হেৰোআ, গ্যান চেতন ৰহিত, মুৰ্চিত, the loss of presence of mind, perplexity, unconsciousness, insensibility.
বিগ্যানি, *a.* অগ্যানি, অতি মুৰ্খ, ignorant, senseless, foolish, deranged.
বিগ্ৰহ, *s.* ৰন, জুধ, সমৰ, war, strife, contest.
বিঘা, *s.* মাটিৰ পাঁচ কঠা পৰিমান, এস লোচা, হালচা, nearly half an acre (in land measure.)
বিঘাত, বিঘাতন, *s.* হানি, মৰা, হিংসা, an impediment, a hindrance, injury, hurt, destruction, murder.
বিঘাতবচন, *s.* দুৰ্বচন, বৰ গালি, abusive language.
বিঘিনি, *s.* আপদ, বিপদ, অপাই, an obstacle, an impediment, an obstruction, a hindrance, an offence; with কৰি, to offend; with কৰাই, to cause to offend.
বিচখ্যন, *a.* উত্তম, সুন্দৰ, good, beautiful.
বিচনি, *s.* বা দিয়া জতন, ব্যজন, a fan.
বিচ্‌বচ্‌, বিচৌবিচৌ, *ad.* দম দম, অনেক অনেক, in scores, very many.
বিচৰা, *a.* বিচাৰ কৰা, বুজ লোআ, inquired after, sought.
বিচৰাই, *v.* বিচাৰ কৰাই, to cause to be sought.
বিচৰোআ, *s.* বিচাৰ কৰোআ, the causing to be sought.
বিচল, *a.* আচল, অকাৰু, কঠিন, difficult, intricate, uncurrent.
বিচা, *s.* সুঙ্গ লগা পোক বিসেস, বিচনিৰে বতাহ দিয়া, a caterpillar; the act of fanning.
বিচাট, *s.* বেজাৰ, বিসাদ, বিৰক্তি, sadness, dejection, offence.
বিচাট লগা, *a.* বেজাৰ লগা, বিৰক্তি হোআ, offended, dispirited, dejected.

বিচাৰ, *s.* সোধ, বিবেচনা, বুজ বাজ, deliberation, consideration, enquiry, an investigation, a trial.

বিচাৰকৰ্ত্তা, *s.* সোধাৰু, সোধকৰ্ত্তা, an investigator, an arbitrator, a judge, a magistrate.

বিচাৰখোঁচাৰ, *s.* বুজবাজ, ভুভা, a thorough investigation, a strict search or enquiry.

বিচাৰথান, *s.* সোধৰ ঠাই, কচাৰি ঘৰ আদি, a place of trial, a tribunal, a court house.

বিচাৰদিন, *s.* সোধৰ দিন, সোধ পোচৰ দিন, a day of trial &c.

বিচাৰপৰ, *s.* সোধ পোচ, ভুভটং, বুজবাজ, an enquiry, an investigation, deliberation.

বিচা ৰাশি, *s.* অষ্টম ৰাশি, the sign Scorpio.

বিচাৰি, *v.* বিচাৰ কৰি, বিবেচনা কৰি, বুজ লৈ, পাবলৈ ফুৰি, to seek, to enquire, to investigate, to search for.

বিচি, *v.* বিচনিৰে বা দি, to fan.

বিচিত্ৰ, *a.* উত্তম, সুন্দৰ, অনেক ফুল জালি থকা, নানা বৰনিয়া, excellent, beautiful, variegated, handsome, spotted.

বিচুকৰম, *s.* see বিশ্বকৰ্ম,

বিচুৰ্ত্তি, *s.* বিস্মই, চুৰ্ত্তি হেৰোৱা, utter astonishment, wonder.

বিচেষ্টা, *a.* বিভত, উত্ৰাৱল, বিগ্যান, চুৰ্ত্তিভঙ্গ হোৱা, surprised, elated, overjoyed, discomposed.

বিজ, *s.* বিৰ্য্য, গঁচ, কন, গুটি, কঠিয়া, seed, fruit, semen virile.

বিজাতবিয়া, }
বিজতুআ, } *a.* জাত এৰা, চেকেৰা, জহৰা, বিজড়িয়া, mongrel, bastard, out of caste, base-born, hybrid.

বিজবিজাই, *v.* গজড়িৰে চিটচিটাই, to itch, to tingle, to feel a crawling sensation.

বিজমৰা, *a.* বল মৰা, কন মৰা, without the power of procreation, impotent.

বিজয়াদসমি, *s.* দুৰ্গোতচৱ পূজাৰ দসমি তিথি, the tenth day of *Ahin* or *Kati*, when the image of Doorga is thrown into the river.

বিজল, *a.* লেতকেতিয়া, পিচল, ডেমডেউকা, glutinous, viscid, slimy, slippery; *s.* viscidity, slime, gluten.

বিজাই, *v.* বিজল হৈ, to be slippery or slimy, to exude slime.

বিজুতি, *a.* জুতি নোহোৱা, আজোখা, ভাল ন লগা, disproportioned, out of order, not according to taste.

বিজুলি, *s.* বিদুলি, মেঘত ওলোৱা জিলিকনিৰ চমক, lightning.

বিজুলিবাঁহ, *s.* এবিধ সৰু বাঁহ, a species of bamboo.

বিজোখা, *a.* আজোখা, সমান জোখ নোহোৱা, out of measure, disproportionate, of unequal length.

বিজোগ, *s.* বেলেগ, প্রিথক, মবন, a separation, a disunion.

বিজোৰ, *a.* জোৰ নোহোৱা, হালেই সমান নোহোৱা, এটিয়া, odd or uneven, ill matched, mis-mated or without a mate.

বিটলিয়া, *a.* বৰিয়া বিসেস, নিহ, অধম, বামুনক পৰা গালি, vile, abominable, a term used in abusing brahmins.

বিট্‌লোন, *s.* এবিধ কলা লোন, a kind of black rock salt.

বিটালি, *s.* *fem.* of বিটলিয়া, which see.

বিঠিক, *a.* অঠিক, অনিচই, অজতন, not exact, incorrect, irregular; *s.* inexactness, inequality, irregularity.

বিত, *s.* ধন, সম্পতি, wealth, property, substance.

বিতচকু, *s.* চকুৰ উপকাৰি দৰ্সনৰ জতন, দিপ চকু, a pair of spectacles.

বিতণ্ডা, *s.* নিন্দা, গালি, বিকর্থনা, vilification, abuse, calumny.

বিতত, *a.* তত নোহোৱা, ভেও পৰা, ধৌৰ্জ এৰা, careless, unconscious, restless, disconcerted.

বিতৰন, *s.* দান কৰা, বিলাই দিয়া, alms giving, distribution of charity, a donation, a gift.

বিতল, *s.* পতাল বিসেস, in hindoo cosmogony the second of the infernal regions.

বিতসগুন, *s.* বৰ জাতি সগুন, a large species of vulture.

বিতুস্ট, *a.* অসন্তুস্ট, বেয়া পোৱা, dissatisfied, displeased.

বিতোপন, *a.* সুন্দৰ, উত্তম, বৰ ভাল, beautiful, excellent.

বিধ্বস্না, *a.* একো নথকা, বিধৰি, সুদা, empty, stripped of every thing.

বিদৰা, *a.* ফটা, আঁচ মেলা, দুচিটা হোৱা, বহল হৈ জোৱা, rent, torn &c.

বিদৰি, *v.* ফাটি, আঁচ মেলি, দুফাল হৈ, to tear, to rend, to lacerate.

বিদা, *s.* বিদ্যা, ওমলা বিসেস,

বিদাই, *s.* জোআৰ অনুমতি, a farewell, an adieu, a ceremony of departure; with দি, to dismiss, to give leave of absence; with লৈ, to take leave.

বিদাৰন, *s.* ফলা, চিৰা, the causing to break, lacerate, tear or rend.

বিদাৰি, *v.* ফালি, চিৰি, দুফাল কৰি, উজাৰি, ভেদি, to cause to tear &c. causative of বিদৰি; with মন, to break the heart.

বিদিত, *a.* প্রকাসিত, জনা, গ্যাত থকা, known, understood, revealed.

বিদিস, *s.* দিসৰ মাজৰ চুক, an intermediate point of the compass.

বিদ্যুল, *s.* see বিজুলি, lightning.

বিদুলিচমক, s. বিজুলিৰ পৰা ওলোৱা কান্তি, a flash of lightning.
বিদুলিয়াই, v. বিজুলিয়াই, বিদুলি মাৰি, to lighten, to flash.
বিদেস, s. পৰদেস, a foreign country, another country.
বিদেসি, s. পৰদেসি, আন দেসি, a foreigner; a. of another country.
বিদ্যা, s. বিদা, লিখা পৰ্হা আদি গুন, বেৱসাই, গ্যান, learning, science, knowledge, art, profession.
বিদ্যালই, s. পৰ্হা সালি, চাত্তৰ সালি, a school, a college, a seminary.
বিদ্যাৱন্ত, a. পণ্ডিত, লিখা পৰ্হা আদি গুন থকা, wise, learned, literary.
বিদ্যাহিন, a. বিদ্যা নথকা, চহা, ignorant, unlearned.
বিদ্ৰুপ, s. বিগতি, নিন্দা, অহিত, হিংসা, ridicule, mimicry, mockery.
বিদ্ৰুহি, a. ৰজা আদিৰ দ্ৰোহ আচৰা জন, rebellious, hostile, malicious.
বিদ্ৰোহ, s. হিংসা, দ্ৰোহ, rebellion, hostility, hatred, spite.
বিধ, s. প্ৰকাৰ, ৰাগ, চাম, ভাগ, ভাও, class, kind, sort.
বিধতা, s. সৃজন কৰ্তা, ব্ৰহ্মা, Brahma, God as the universal law-giver, Providence.
বিধবিধ, } a. নানাম প্ৰকাৰ, অনেক বিধ, বিবিধ, various, of different
বিবিধ, } kinds.
বিধৰম, s. বিধৰ্ম, অধৰম, পাপ, দুৰাচাৰ, apostasy, heterodoxy.
বিধৰমি, } a. অধৰমি, দুৰাচাৰি, ধৰমৰ বিপৰিত আচৰা জন, apostate,
বিধৰ্মি, } heretical, deviating from the rules of a sect or caste.
বিধৰি, a. বস্ত্ৰ গাত নথকা, বিবস্ত্ৰ, naked, bare, unclothed.
বিধৱা, s. বাঁৰি, গিৰিএক মৰা তিৰি, a widow; a. without a husband.
বিধান, s. দিহা, আগ্যা, বেৱস্থা, বিধি, আইন, a statute, a law, a decree.
বিধানপণ্ডিত, s. আইন বিধি জনা, a lawyer, a person versed in law.
বিধি, s. বেৱস্থা, দিহা, নিয়ম, পূজা আদিৰ পুথি, বিধতা, a law, a precept, an ordinance, a formula; providence, fate, destiny, luck.
বিধিমতে, } ad. বিধিৰ দৰে, নিয়মিত ৰূপে, according to precept or
বিধিয়তে, } law.
বিধূতি, a. ধূতি নোহোৱা, ৰজস্বলা, অসুচি বিসেস, ceremonially unclean, polluted, menstruous.
বিন, s. এডলিয়া গুনাৰে বা ঘোঁৰাৰ ফান্দ আদিৰে সজা সৰু বাজনা এবিধ, a single stringed musical instrument.
বিনই, } s. কাকুতি, মিনতি, কাবৌ কোকালি, humble entreaty, sup-
বিনতি, } plication.
বিনচ কৰা, s. গৰ্ভপাত কৰা, জন্তু আদিএ কাল পূৰ নৌ হওতে পোআলি জন্মোৱা, abortion, premature birth.

বিননি, *s.* গুন বর্নাই কন্দা, বিলাপ, lamentation, wailing.
বিনন্দ, } *a.* অতি ভাল, উত্তম, সুন্দৰ, superior, nice, fine, excellent.
বিনন্দিয়া, }
বিনন্দবিলাস, *s.* অময়া সুখ, অনেক প্রকাৰ সুখ, নানা প্রকাৰ অতি উত্তম, perfect happiness, ecstasy, bliss.
বিন্‌বিনাই, *v.* বিল্‌বিলাই, সৰহিয়া পোক ওলাই সোমাই থকা, to go in and out in swarms; (applied mostly to worms and insects.)
বিনষ্ট, *a.* নাস, ধ্বংস, ঢুকুউআ, perished, destroyed, ruined, lost.
বিনা, *s.* বিন, বাদ্য এবিধ, নোহোআকৈ, নোহোআত, the Indian lute; except, without, beside.
বিনাই, *v.* গুন বর্নাই কান্দি, বিলাপ কৰি, to lament, to wail.
বিনাদুসি, *a.* নির্দুসি, নিজগৰিয়া, দাই দোস নথকা, faultless, guiltless.
বিনাদোস, *s.* অনাদোস, অপৰাধ নোহোআ, innocence, guiltlessness.
বিনামুল্যে, } *ad.* এনেই, ধন বা বেচ নিদিয়াকৈ, freely, without price.
বিনামোলে, }
বিনাস, *s.* নষ্ট, ধ্বংস, উচন, নাস, destruction, ruin, utter loss.
বিনাসক, *a.* নষ্টকাৰক, নাস কৰোঁতা, মাৰোঁতা, destructive, ruinous.
বিনাসি, *a.* নষ্ট কৰা বা হোআ, ঢুকাই, সাং কৰি, সংহাৰি, বিনষ্ট কৰি, perishable, destructible; *v.* to destroy.
বিনাসুই, *a.* নিৰাসুই, অকলসৰিয়া, without refuge, unprotected.
নিৰাসুমে, *ad.* দুখ নোহোআকৈ, অপ্রয়াসে, সুচলে, easily, without effort.
বিনে, *ad.* বাজে, বাহিৰে, উপৰি, except, aside from, without.
বিনৈ, *s.* ধানৰ গচৰ নিচিনা এবিধ ত্রিন, বিনুঐ, a species of the tare or darnel that grows among grain and resembles it.
বিনোআ, *s.* বিলাপ কৰা, সুঁঅৰি সুঁঅৰি কন্দা, wailing, lamentation.
বিন্দু, *s.* অনুস্বাৰ, জোল বস্তুৰ টোপা বা কনিকা, বির্জ্য, the nasal sign (ঁ, ) a dot, a point, a very little, a drop, seed, semen.
বিন্দুসাৰ, *s.* মুত্রৰ ৰোগ এবিধ, বির্জ্যপাত ৰোগ, a disease of the urinary organs, gonorrhœa.
বিন্দ্রাবন, *s.* see ব্রিন্দাবন, ক্রিষ্ণে গৰু ৰখা ঠাই,
বিন্ধন, *s.* বিন্ধা, ফুটুআ, boring, piercing or perforating anything.
বিন্ধনা, *s.* বিন্ধা দিয়া অস্ত্র, ভোঁহৰ, any piercing or boring instrument.
বিন্ধনিফুটনি, *s.* সৰিলত খোঁচা বিন্ধা ৰোগ, cutting, griping pains.
বিন্ধা, *s.* জলঙ্গা, ফুটা, খোঁচা, বাট থকা, আছু ধান পাতলোআজতন, a hole, an opening, a perforation, an instrument for thinning out a field of grain.

বিন্ধাই, *v.* বিন্ধা কৰাই, ফুটাই, বিন্ধাৰে ধান পাতলাই, to cause to bore, to perforate, to pierce, to thin out grain as above.

বিন্ধা মৰা, *s.* বাট মৰা, ফুটা মৰা, the closing up of an opening; *a.* closed, stopped up.

বিন্ধি, *v.* ফুটি, বিন্ধা দি, হুল আদি সোমাই, to bore, to perforate, to sting.

বিন্ধোআ, *a.* বিন্ধা দিয়া, ফুটুআ, বিন্ধাৰে ধানৰ গচ পাতলোআ, perforated, thinned out, (as grain:) *s.* the causing to be thinned.

বিপক্ষ, *s.* সত্রু, প্রতিবাদি, বিৰুধি, an enemy, an adversary; *a.* hostile.

বিপত্তি, } *s.* আপদ, প্রমাদ, দুখ, calamity, misfortune, adversity,
বিপদ, } suffering.

বিপৰিত, *a.* বেলেগ, আন ৰুপ, ভিন, ওভোতা, উত্তম, opposite, reverse, contradictory, delicious.

বিপল, *s.* পলৰ তিনি কুৰি ভাগৰ এভাগ, a second of time.

বিপাক, *s.* হব নলগা ঘটনা, দৈবাত ঘটনা, লেঠা, বাধা, embarrassment, an unexpected result or difficulty.

বিপ্র, *s.* বামুন, a Brahmin.

বিফল, *a.* গোট নধৰা, অনর্থক, নিস্ফল, fruitless, barren, useless.

বিফলে, *ad.* সিধি নোহোআকৈ, অনর্থকৈ, fruitlessly, ineffectually.

বিবৰন, *s.* বিত্তান্ত, আখ্যান, বৰন গুচা, কান্তি গুচা, a description, a history, a detail, an account; *a.* pale, changed in color, blushing.

বিবস, *a.* বিতত্ত, বিগ্যান, বিচুর্তি, disconcerted, confused, distracted.

বিবাদ, *s.* দন্দ বা কথাৰ জুধ, a dispute, a quarrel, wrangling, a broil.

বিবাদি, *a.* দন্দুৱা, বিবাদ কৰা, quarrelsome, contentious, litigious.

বিবাহ, *s.* বিয়া, a marriage, a wedding; with দি, to give in marriage; with কৰি, to marry.

বিবাহিত, *a.* বিয়া কৰোআ, বেইতা, married, wedded.

বিবিধ, *a.* নানা প্রকাৰ, অনেক বিধ, of different kinds, various, manifold.

বিবিয়নি, *s.* টোপনি আদিত ভুম কোআ, incoherent talk.

বিবিয়াই, *s* টোপনিত বা নবিয়াত ভুম বলকি, to talk incoherently, (as in sleep or delirium.)

বিবুধি, *a.* বুধি হেৰোআ, নিৰুপাই, at one's wit's end, without expedient.

বিবেচক, *a.* বিবেচনা কৰোঁতা, বিচাৰ কৰি চোআ, enquiring, discriminating, reflective, thoughtful, considerate.

বিবেচনা, *s.* গ্যান ৰুপে বিচাৰ কৰা, আলোচনা, discrimination, reflection.

বিভও, *s.* সম্পত্তি, ধন ঐশ্বর্জ্য, বিভুতি, substance, property, wealth, power, dignity.

বিভগ, *a.* বেলেগ, প্ৰিথক, আঁতৰ, separate, apart, removed.
বিভঙ্গ, *s.* অতি সিঘ্ৰে পলোআ, পিঁয়াপি দিয়া, হাত ভৰি নৰলোআকৈ মৰাৰ দৰে পৰি থকা, sudden or hasty flight or dispersion.
বিভাগ, *s.* ভাগ, অংস, a sub-division, a share, a lot, a part.
বিভিচাৰ, *s.* বেস্যা গমন, লুম্পট কৰম, অবিচাৰ, fornication, adultery &c.
বিভিচাৰি, *a.* বেস্যালি, লুম্পট, দুষ্ট, lecherous, adulterous, unchaste, lewd.
বিভিসন, *s.* লঙ্কা দিপৰ ৰজা, ৰাৱনৰ ভায়েক, Bibihon, the famous king of Ceylon, brother of Rawon;—mentioned in the Ramayan.
বিভুতি, *s.* সম্পতি, ঐশ্বৰ্জ্য, wealth, power, majesty, glory.
বিভুতিমান, *a.* জোৰন্তাৰ, চহকি, ঐশ্বৰ্জ্যসালি, rich, opulent, majestic, &c.
বিভুসন, *s.* ভুসন, সাজ, অলঙ্কাৰ আদি, decoration, ornament, jewels.
বিভুসিত, *a.* পিন্ধি উৰি ধুনিয়া হোআ, ভুসিত, decorated, adorned.
বিভ্ৰম, *s.* ভুল, বলিয়ালি কথা, an error, a mistake, a whim, caprice.
বিমন, *a.* নিৰানন্দ, বেজাৰমুআ, মন মৰা, sad, downcast, perplexed.
বিমান, *s.* দেৱতাৰ ৰথ, a self-moving car or chariot of a god.
বিমুখ, *a.* মুখ ঘুৰুআ, প্ৰসন্ন নোহোআ, having the face averted; averse, unfavorable.
বিমুচ্ছিত, *a.* বিগ্যান, মুৰ্চ্ছাগত, ভত হেৰোআ, unconscious, insensible, fallen into a swoon or trance.
বিমোচন, *s.* see মোচন,
বিমোৰ, *a.* আদি অন্ত নোপোআ, নিৰুপাই, বিবুধি, without beginning or end, helpless, perplexed, involved in doubt or difficulty.
বিম্ব, } *s.* প্ৰতিমুৰ্ত্তি, চাঁয়া, জলফুট, পানিজোলা, a reflected image, a
বিম্বু, } shadow, a bubble.
বিম্বাসবেগে, *ad.* বৰ বেগে, very swiftly.
বিম্মিসা, *s.* পৰামৰ্স, বিবেচনা, বিচাৰ, consideration, investigation.
বিয়ন, *s.* পোআলি দিয়া, প্ৰসও কৰা, parturition, birth.
বিয়নি, *s.* পুতেক বা জিএকৰ দুই সাহুএকৰ সম্বোধন, a son's or daughter's mother in law.
বিয়পা, } *a.* পানিৰ দৰে বৈ জোআ, ৰটি ফুটা, running, spreading;
বিয়লা, } (as ink on paper or a report.)
বিয়াপি, } *v.* পানিৰ দৰে বৈ, মুকলি হৈ, ৰটি ফুটি, to spread, to run,
বিয়লি, } to be generally known.
বিয়থ, *a.* বেথা, নিস্ফল, ব্যৰ্থ, vain, useless, inefficient.
বিয়লিবেলা, *s.* ভাটি বেলা, আবেলি বেলা, তিনি পৰিয়া সময়, the afternoon, generally reckoned from three o'clock P. M.

বিয়লি মাহ, *s.* তেল সানি বাকলি গুচুউআ মাহ, pulse cleaned from the husk by the application of oil before pounding.

বিয়া, *s.* বিবাহ, marriage.

বিয়াকৰন, *s.* ভাসা মুধকৈ লিখা আৰু কোআৰ বিদ্যা, ব্যাকৰন, the science of grammar; analysis or taking to pieces.

বিয়াকুল, *a.* ব্যাকুল, আতুৰ, বিহ্বল, perturbed, perplexed, troubled, confused, disquieted, excited, distressed.

বিয়াধ, *s.* ব্যাধ, চৰাই পছু মৰিয়া, a hunter, a fowler.

বিয়াধি, বিয়াপাৰ, } *s.* ব্যাধি, কুঠ আদি ৰোগ, a disease, (applied mostly to cutaneous diseases.

বিয়াপক, *a.* ব্যাপক, ভৰি থকা, pervading, penetrating, diffusive, extending over the whole of a thing.

বিয়াপি, *v.* ব্যাপি, ব্যাপ্ত হৈ, সকলোতে ভৰি, প্ৰচলিত হৈ, to diffuse, to spread, to pervade.

বিয়৾, *s.* পুতেক বা জিএক দুয়োবো সম্বন্ধৰ সম্বোধন, a son's or daughter's father in law.

বিয়ৈবাঁজি, *a.* দুই এক সন্তান পাই আৰু সন্তান নোহোআ তিৰি, barren after the first or second child.

বিৰ, *s.* যুধাৰু, বৰ বলি, বৰ পৰাক্ৰমি, চুলি কোঁচা কোঁচাকৈ কালি এফনি চোআ, সাপ আদিৰ মেৰ, a warrior, a champion, a hero; a parting of the hair, a coil.

বিৰকতি, বিৰক্তি, } *s.* বেজাৰ, আমনি, অসন্তোস, disgust, aversion, dissatisfaction.

বিৰত, *a.* শ্যান্ত হোআ, আসক্তি গুচা, ceased, relinquished, having lost desire for.

বিৰতি, *s.* ইচা গুচা, নিবৃত্তি, loss of desire, cessation.

বিৰ দিয়া, *s.* চুলি আদি দুভাগকৈ ফালি দিয়া, the act of parting the hair or of making a way through a crowd of people.

বিৰবন্ধা, *s.* মেৰ বন্ধা, a coil, (as of a serpent.)

বিৰল, *a.* নিৰ্জান, অকলসৰ, গোপন, alone, private, apart.

বিৰালি, *s.* মেকুৰি, a cat.

বিৰস, *a.* চোহোঙ্গা, নিৰস, বিবৰন, insipid, nauseous, dry, pale.

বিৰহ, *s.* বেলেগ, আঁতৰ, bereavement, loneliness, separation, absence, (especially of lovers, as used in amatory songs.)

বিৰহিনি, *s.* স্বামি লগত নথকা তিৰি, গিৰিএক আঁতৰ হৈ থকা, a woman separated from her husband or lover.

বিৰা, *s.* পানৰ খিলা বা ফাল, ধান কৰ্হিওআ বেঁকা কান মাৰি, পানিত থকা ভূত এবিধ, a single betel leaf.

বিৰাজৰা, *s.* এবিধ ডাঙ্গৰ জৰা টেঙ্গা, a species of acid fruit.

বিৰাভঁজিয়া, *a.* বেঁকা, কেঁকোৰা, curved, bent, crooked.

বিৰি, *s.* মাদলি, অলঙ্কাৰ বিসেস, a neck ornament.

বিৰিঙ্গ, *s.* এবিধ গচ, a species of tree.

বিৰিঙ্গা, *s.* বিৰিনা, এবিধ জোপোহা ত্রিন, অলপকৈ ঘামি ওলোআ, a species of grass, oozing, percolating, dropping.

বিৰিঙ্গি, *v.* অলপকৈ ঘামি ওলাই, to ooze, to percolate, to drop.

বিৰিয়া, *s.* বেঁত আদিৰ পকোআ আধাৰি, ধান কৰ্হিওআ বাঁওকা, a coil of some soft substance used as a support for the round bottom of earthern vessel; a splint of bamboo used for carrying burdens on the shoulder.

বিৰিয়াপতা, *s.* সাপ আদিএ মেৰ পতা, বিৰ বন্ধা, the act of coiling.

বিৰূপ, *a.* কুৰূপ, আগৰ্হি, deformed, ill shapen, uncomely.

বিৰোধ, *s.* সত্রুভাও, অহিত, অমিল, disagreement, dissension, quarrel, hostility, animosity, opposition.

বির্জ্য, *s.* see বিজ, পৰাক্রম,

বিৰ্তিয়াল, *s.* সোন ৰুপ আদিৰ কাম কৰা হাৰি, a low class of artisans in metals.

বিল, *s.* বন্ধ খাই থকা বহল দ পানি, সৰোবৰ বিসেস, a lake, a pond.

বিলগ, *a.* নিলগ, প্রিথক, বেলেগ, not in contact, separate, parted.

বিলগোআ, *s.* নিলগোআ, প্রিথক কৰা, আঁতৰোআ, the act of separating.

বিলনিয়াৰ, *s.* বিলাই দিওঁতা, দেউৰি, one who allots, or distributes.

বিলম, } *s.* বেলি, গহৰি, পলম, delay, procrastination, a putting off.
বিলম্ব, }

বিলাই, *v.* বাঁটি দি, গাইপতি দি, দুৰ্গতি, দুৰ্দসা, বিলৈ, to apportion, to distribute; *s.* a portion, fate, condition.

বিলাত, *s.* ইংলণ্ড আৰু আমেৰিকা আদি চাহাব লোকৰ দেস, বেপাৰি লোকে বস্তু দি লগোআ মুল্য ধন, any foreign country, mostly applied to England, Europe and America.

বিলাতি, *a.* বিলাত দেসত হোআ বা থকা, ইংলণ্ড আদি দেসৰ, foreign &c.

বিলাতি আলু, *s.* এবিধ ঘুৰনিয়া আলু, the potatoe, ( solanum tuberosum. )

বিলাপ, *s.* বিননি, গুন বৰ্নাই কন্দা, a wailing, a lamentation.

বিলাস, } *s.* ৰঙ্গ ধেমালি, লিলা, লাহ, enjoyment, sport, pastime, wantonness.
বিলাহ, }

বিলাহি বেঙ্গেনা, *s.* বিলাত দেসৰ এবিধ বেঙ্গেনা, the tomato.
বিলৈ, *s.* বিলাই, দুখ, বিপত্তি, ill condition, destitution, want.
বিলোআ, *s.* বিলাই দিয়া, the act of distributing.
বিষ্টা, *s.* পেটৰ মল, গু, dung, excrements, ordure, anything worthless.
বিষ্ণু, *s.* ক্রিষ্ণৰ এক নাম, নাৰায়ন, Vishnoo, the second person in the hindoo triad in the character of a preserver.
বিষ্ণুপদি, *s.* গঙ্গা, সংক্রান্তি বিসেস, the Ganges, so called from having sprung from Vishnoo's foot; the sun's entrance into the signs Taurus, Leo, Scorpio, and Aquarius.
বিস, *s.* খজু আদিৰ বেদনা, পিৰা বিসেস, বিহ, pain, venom, poison.
বিসই, *s.* পদ, সংসাৰিক সুখ, বাদ, কাৰন, প্রসঙ্গ, wealth, worldly or sensual pleasure, a subject, an affair, a matter.
বিসইভোগ, *s.* সংসাৰিক সুখ ভোগ, the enjoyment of worldly pleasure.
বিসম, *a.* সম নোহোআ, বেয়া, মন্দ, bad, unwholesome, hurtful, unlike.
বিসয়া, *s.* বিসই থকা, খাজনা আদি তোলা লোক, the holding an office. a collector of revenue, a mouzadar.
বিসয়ে, *ad.* কথাতে, কাৰনে, অর্থে, concerning, respecting.
বিসর্গ, *s.* দুই বিন্দু, (:) সোড়সস্বৰ, the character (:).
বিসাই, *v.* বিখাই, বেদনা কৰি, বিস উঠি, to ache, to pain.
বিসাদ, *s.* বেজাৰ, সোক, অসন্তোস, sadness, dejection, distress.
বিসাল, *a.* বিস থকা, বৰ বিসেৰে, poisonous, venomous.
বিসালি, *a.* বিসে ধৰা, বিসৰ, poisoned.
বিসিস্ট, *a.* উত্তম, বৰ ভাল, সন্ত, বিচখ্যান, excellent, eminent, superior.
বিসুব, *s.* দিন ৰাতি সমকাল, সংক্রান্তি বিসেস, the equinox or the intersection of the equator and the ecliptic.
বিসুব ৰেখা, *s.* প্রিথিবিৰ মধ্য ৰেখা, the equinoctial line.
বিসেস, *s.* ভেদ, ভিন, আন এক বিধ, উত্তম, a distinction, a difference, a peculiarity; *a.* peculiar, particular, excellent.
বিসেসকৈ, *ad.* ভালকৈ, আৰু অধিক্কৈ, ভেদকৈ, especially, particularly.
বিসেসত, *ad.* স্বৰূপত, বাস্তৱত, truly, in reality.
বিসেসন, *s.* গুন বাচক সব্দ, উপাধি, a distinction, an epithet, a predicate, an adjective, a qualifying word or sentence.
বিসোআ, *a.* বিখোআ, বিসে ধৰা, aching, paining.
বিস্তৰ, *a.* অনেক, বহুত, অসংখ্যা, abundant, ample, much, many.
বিস্তাৰ, *s.* বহল, বাহুল্য, প্রকাস, extension, width, breadth, a speaking out, a making public, spreading abroad.

বিস্তাৰি, *v.* বহলাই, মেলি, বাহুল্য কৰি, to enlarge, to spread abroad.
বিস্মই, *s.* আচৰিত, তবধ, surprise, astonishment, wonder.
বিস্মৰন, *s.* পাহৰন, ভুল, ভ্ৰম, forgetfulness, oblivion.
বিস্ৰাম, *s.* জিৰনি, সঁতোআ, বোআ, rest, repose, relaxation.
বিস্ৰামবাৰ, *s.* জিৰোআ দিন, ৰবিবাৰ, দেওবাৰ, the day of rest, Sunday.
বিস্ব, *s.* জগত, ব্ৰহ্মাণ্ড, সংসাৰ, সকলো, the world, the universe, everything; *a.* all, universal, entire.
বিস্বকৰ্ম্ম, *s.* বিচুকৰম, দেৱতাৰ খনিকৰ, a fabulous architect of the gods.
বিস্বনাথ, *s.* সিৱৰ এক নাম, *lit.* lord of the universe, an epithet of Hiwo.
বিস্বাদ, *a.* সোআদ নোহোআ, চোহচুহিয়া, insipid, without flavor.
বিস্বাস, *s.* স্বৰূপ মনা, সঞ্চাত, প্ৰত্যই, faith, trust, confidence, belief.
বিস্বাসঘাতকি, বিস্বাসঘাতি, *a.* অবিস্বাসি, অসঞ্চাতি, treacherous, betraying confidence; *s.* a traitor, treachery, breach of faith.
বিস্বাসি, *a.* বিস্বাসৰ জোগ্য, সঞ্চাত কৰা, স্বৰূপ, সত্যবাদি, faithful, trustworthy, honest.
বিহ, *s.* বিস, হলাহল, প্ৰান নাসক বস্তু এবিধ, poison, venom.
বিহকটি, *a.* অতি তিতা, আকটা, very bitter, distasteful.
বিহন, *a.* নাইকিয়া, অভাও, বিহিন, destitute, bereft.
বিহফোঁহোৰা, *s.* বৰ বিসেৰে খহু এবিধ, a boil, a carbuncle, a tumor.
বিহবাঁহ, *s.* এবিধ বিসাল বাঁহ, a species of bamboo.
বিহমনা, *s.* এবিধ বনৰিয়া গচ বা তাৰ গুটি, a species of tree and its nut.
বিহলঙ্গনি, *s.* এবিধ বনৰিয়া দৰব সাক, a species of fern.
বিহা, *s.* কুৰি বা চৌবিচ গোটৰ সংখ্যা, অপৰাধৰ দণ্ড আগ্যা দিয়া, a score; the act of passing a sentence or of imposing a fine.
বিহাই, *v.* পানিত বিহ দি, কথা বহুলকৈ বৰ্নাই, to poison the water for the purpose of catching fish; to enlarge, to expatiate.
বিহান, *s.* প্ৰভাত, পুআ, the dawn, the early morning.
বিহানে, *ad.* পুআই, প্ৰভাতে, সোনকালে, at dawn, early.
বিহাৰ, *s.* স্ত্ৰিসম্ভোগ, ধেমালি, খেলা, ৰঙ্গ আনন্দ, কেলি, play, sport, pastime, recreation.
বিহি, *v.* অপৰাধৰ দণ্ড আগ্যা দি, to decide according to law, to fine, to pass sentence upon.
বিহিত, *a.* উচিত, কৰিব লগা, fit, proper, legitimate, right.
বিহিন, *a.* see হিন, নাইকিয়া হোআ,
বিহু, *s.* চত, কাতি আৰু মাঘ মাহৰ সংক্ৰান্তি, পৰ্ব্ব, an Assamese festival of which there are three each year, the *Bihoo.*

বিহুআ, *a.* বিহুৰ সমন্ধিয়, চৰাই এবিধ, relating to the *Bihoo.*

বিহোআ, *s.* বিল্ আদিত বিহ দিয়া, কথা কৈকৈ প্ৰকাস কৰা, the poisoning a stream or pond for catching fish.

বুকু, *s.* হিয়া, বিদই, মন, মাচৰ পেটু বিসেস, the breast, the bosom; *fig.* the mind.

বুকুআ, *a.* বকুৰ পৰিমান, বুকলৈকে, breast-deep, up to the breast.

বুকুচোলা, *s.* কঁকাললৈ পৰা চুঁটি হাতেৰে চোলা এবিধ, a kind of jacket.

বুকুবৰি, *s.* বুকু চোলাৰ বুকুৰ কাপৰ, ৰনত পিন্ধা বুকুৰ সাজ, the breast piece of a native jacket, a breastplate.

বুজ, *s.* গ্যান, তত, বিচাৰ, ভূ, understanding, apprehension, an idea.

বুজন, } *a.* ডেঙৰ, ডাঙৰ, খুঁটি খাব পৰা, গ্যান হোআ, come to
বুজনিয়া, } years of understanding, intelligent, grown.

বুজনি, *s.* কথা বুজুআ, সিকনি, information, instruction, direction.

বুজপোআ, *a.* ভূ পোআ, জনা, having knowledge of a matter, known.

বুজবাজ, *s.* ভূভা, বাৰ্ত্তাবিত, উআদিহ, definite information, full knowledge.

বুজবিচাৰ, *s.* বুজ লোআ, চোআ চিন্তা, বিবেচনা, investigation, enquiry.

বুজা, *a.* ভূ পোআ, জনা, গ্যাত হোআ, known, understood.

বুজাই, *v.* বোধ দি, গ্যান সিকাই, to explain, to point out, to show.

বুজাবুজি, *s.* জনোআ জনি, ইটে সিটে বিজুআ, a mutual understanding.

বুজি, *v.* বুজ কৰি, জানি, বিবেচনা কৰি, to know, to understand, to infer, to suppose, to imagine.

বুজিবাজি, } *ad.* বুজ বাজ কৰি, চাই চিন্তি, সাৱধানে, understandingly,
বুজিমুজি, } warily.

বুজুআ, *s.* গ্যান দিয়া, জনোআ, বিজুআ, the act of explaining &c.

বুট, *s.* বঙালি মাহ এবিধ, a species of pulse, (Cicer Arietimum.)

বুটলি, *v.* এটা এটাকৈ তুলি, to pick up, to gather.

বুটা, *s.* কাপৰত দিয়া গুটি ফুল, figures of embroidered cloth.

বুটা দিয়া, *s.* গুনাৰ বা সুতাৰ গুটি ফুল থকা, embroidery; *a.* embroidered.

বুটি, *a.* চুঁটি, খই গৈ ভোতোহা হোআ, blunt, short, worn short.

বুধ, *s.* চতুৰ্থ গ্ৰহ, বিষ্ণুৰ নৱম অৱতাৰ, the planet Mercury, a sage of the Budhist sect; the ninth incarnation of Vishnoo.

বুধবাৰ, *s.* চতুৰ্থ বাৰ, Wednesday.

বুধি, *s.* গ্যান, বোধ, চল, উপাই, understanding, genius, judgment, sagacity, contrivance, means.

বুধিমন্ত, } *a.* বুধি জনা, গ্যানি, ডেঙৰ, ফন্দিয়ক, wise, sagacious,
বুধিয়ক, } learned, inventive.

বুবুআই, *v.* অব্যক্ত ৰূপে কথাৰ আগ উলিয়াই, to speak indistinctly or in a low voice, to divulge imperfectly.

বুবু-বাবা, *s.* গুপুত কথা লোকে অলপকৈ কোআকুই কৰা, the talking over a vague report secretly.

বুৰ, *s.* জোবোৰা, ডুব, পানিৰ তলত সোমোআ, immersion, baptism, a submerging, dipping, plunging, diving.

বুৰঞ্জি, *s.* ৰজা আদিৰ আগৰ কালৰ ইতিহাস, a history, a record.

বুৰ দিয়া, } *s.* পানিত ডুব দিয়া, জোবোৰা মৰা, গা ধোআ, the act of
বুৰ মৰা, } dipping, plunging or baptizing; *a.* immersed &c.

বুৰ দিয়াই, *v.* বুৰ মৰাই, জোবোৰা মৰাই, to dip, to immerse, to plunge, to baptize.

বুৰা, *a.* পানিত তল জোআ, বৃধ, বয়সিয়া, পৈনত, submerged; aged, mature, ripe; *s.* an old man; *a.* old.

বুৰা আঙ্গুলি, *s.* বৃদ্ধাঙ্গুলি, মাই আঙ্গুলি, the thumb.

বুৰাই, *v.* পানিত তল নিয়াই, জুবুৰিয়াই, to submerge, to overflow, to dip.

বুৰা গোহাই, *s.* অচম ৰজাৰ তিন জন ডাঙ্গৰিয়াৰ লগৰ এজনৰ পদ, the prime minister of the Assam kings.

বুৰামুআ, *a.* বুৰাৰ মুখৰ নিচিনা মুখ হোআ, having an old look.

বুৰি, *s.* বয়সিয়া তিৰি, পাঁচ অঁৰা, কুৰি, তল নৈগ, an old woman, five gundas or twenty cowries; *v.* to submerge, to overflow; *a.* old.

বুৰি আই, } *s.* পিতা মহি, মাতা মহি, বুৰি তিৰোতাৰ সম্বোধন, a grand-
বুৰিমাক, } mother, a term used in addressing an old woman.

বুৰিওআ, *s.* ডুব দিয়া, বুৰ মৰা, the act of diving or submerging.

বুৰিয়াই, *v.* বুৰ মাৰি, to dive.

বুৰুউআ, *a.* পানিত তল নিউআ, জুবুৰিউআ, submerged, overflowed, immersed; *s.* the act of immersing &c.

বুৰুলি খেৰ, *s.* চালৰ পুৰনি খেৰ, old thatch of a former roof.

বুৰ্বুৰনি, *s.* মুখে উলিউআ ফেন, পানিৰ তলৰ পৰা উঠা ঘন ফুট, froth, foam; with কৰি to froth, to foam at the mouth.

বৰ্বুৰিয়া, *a.* ফুটফুটিয়া ঘন ফুট উঠা, bubbling, covered with bubbles.

বুলন, } *s.* খোজ, গমনৰ গতি, walk, gait, pace.
বলনি, }

বলনি কাপৰ, *s.* ভিতৰ ঠাইত ৰজা জাবলৈ বাটত পাৰি দিয়া কাপৰ, a rug or carpet spread on a path for a king.

বুলনি ঘৰ, } *s.* ইটো ঘৰৰ পৰা সিটো ঘৰলৈ জোআ সৰু ঘৰ, a small
বলনি চৰা, } house or covered pathway connecting two houses.

বুলা, *a.* খোজ কৰা, ফুৰা, চলা, trodden, walked, passed over.

বুলাই, *v.* খোজ কৰাই, চলাই, গাত হাত ফুৰাই, খেলৰ গুটি আদি লৰাই দি, to cause to move or pass, to make passes over the body with the hand.

বুলি, *v.* কৈ, খোজ কাঢ়ি, to speak, to move.

বুলিয়া, *a.* বোল দিয়া, বৰন লগোৱা, colored, dyed.

বুলুউৱা, *s.* চলোৱা, হাত ফুৰুউৱা, the act of moving or passing from one place to another, making passes with the hand, touching the keys or strings of a musical instrument.

বেই, *s.* বিবাহত দৰা কন্যাক নোওৱা ধুউৱা কাৰৈ বা কলাপুলিৰ খুঁটা দি কাপৰেৰে সজা টুপ ঘৰ বিসেস, a place for the ceremony of bathing the bride and bridegroom at marriage.

বেইতা, *a.* বিবাহিত, বিয়া কৰা, married, wedded.

বেইবেইতা, *a.* বিবাহিতা, বিয়া কৰোৱা তিৰোতা, *fem.* of the above.

বেঁও, *s.* টাৰ, আঠ হাত পৰিমান, দুই হাত মেলাৰ জোখ, a measure of distance equal to 12 feet.

বেঁওআ, *s.* তিকত হোৱা ৰোগ, নাঙ্গলৰ ফাল খুউৱা পাতি, কঠ আদি বোৱা ফলিয়া বাঁচ, দুই হাত মেলাত জি পৰিমান, চাৰি হাত, a tumor in the groin, a bubo; a wedge to a plough; a rod in a native loom; a measure of above four cubits or the length of the two arms extended.

বেঁওচনিয়া, *a.* একতিয়া, turned aside from a direct course.

বেঁকা, } *a.* পোন নোহোৱা, আৰ থকা, ভঁজিয়া, crooked, curved,
বেঁকোৰা, } bent.

বেঁকাবেঁকি, } *a.* ভেঙ্গুৰা ভেঙ্গুৰি, কেঁকোৰা কেকুৰি, having sev-
বেঁকোৰাবেঁকুৰি, } eral curves or bends.

বেঁকামুআ, *a.* ভেঙ্গুৰা মুখেৰে, wry-faced.

বেঁত, *s.* লেজাই জাতি আদি বেত্র, এবিধ জকৰ লতা বিসেস, cane, rattan.

বেঁতনি, *s.* সৰহকৈ বেঁত গজা ঠাই, a cane brake or thicket.

বেঁত মেলা, *s.* ফাট মেলা, মুকলি হোৱা, মুখ মেলা, an opening, yawning.

বেকত, *s.* ব্যক্ত, বিদিত, প্রকাস, expressed, made known.

বেকবেকাই, *v.* কেৰ্কেৰাই, অনেক কথা কৈ, to prate, to talk much.

বেকেটাবেকেটি, *a.* মুখ ইকটা সিকটা কৰা, astringent, bitter.

বেগ, *s.* সিঘ্র গতি, খৰ, সোঁত, velocity, speed, swiftness, force.

বেগত, *s.* বুৰা আৰু মাজ আঙ্গুলি দিঘলকৈ মেলাৰ জোখ, বাৰ আঙ্গুল পৰিমান, a span, nine inches.

বেগতিয়া, *a.* বেগত পৰিমানৰ, a *begot* or span in breadth, brief.

বেগতিলে, } *ad.* সিঘ্রে, খৰকৈ, ততালিকে, quickly, speedily.
বেগতে, }

বেগ ধৰা, *s.* খৰকৈ জোআ, সিঘ্র কৰা, the doing or moving rapidly impetuosity, eagerness.

বেগৱন্ত, } *a.* বেগি, খৰোতৰ, swift, active, impetuous.
বেগৱান, }

বেগাই, *ad.* খৰ কৰি, সিঘ্রে, বেগতে, quickly, rapidly.

বেগাবেগি, *a.* লৰালৰি, খৰখেদা, quick, rapid.

বেগি, *a.* বেগেৰে, বেগৱন্ত, খৰ, কোবাল, swift, rapid, impetuous.

বেঙ, *s.* ভেঁকুলি, ভেক, a frog.

বেঙা, *s.* ঠেঙ দিঘলাই দি খোজ কৰা, ঢুকি পাবলৈ ভৰিৰ গোৰোআ দাঙি থিয় হোআ, মাচ এবিধ, striding, standing on tiptoe, a species of fish; with মেলি, to stride, to stand on tiptoe.

বেঙেটি, *s.* গৰু আদিৰ খুঁৰাৰ পাচ ফালৰ জুৰিয়া নখ, the two hindmost claws of beasts that part the hoof.

বেঙেনা, *s.* এবিধ পাচলি, a *brinjal,* the eggplant.

বেঙেনাবুলিয়া, *a.* বেঙেনা বৰনিয়া, কজলা বৰনৰ, purple.

বেচ, *s.* বানাচ, মুল্য, বাব, ভেৰোন, ফল, উত্তম, ভাল, বাহু, price, hire, rent, wages, a reward; *a.* good excellent; *interj.* well done! sometimes used in derision.

বেচ খোআ, *s.* কাম কৰি ধন লোআ, a hireling, one who serves for wages; *a.* hireling, mercenary.

বেচা, *s.* বিক্রই কৰা, বিকা, a sale; *a.* sold.

বেচাই, *v.* বিকাই, to cause to be sold.

বেচা কিনা, *s.* ক্রই বিক্রই, sale and purchase.

বেচি, *v.* বিক্রই কৰি, বিকি, বৰ্হা, অধিক, to sell; *a.* excessive, more.

বেচু, *s.* কঁকাল আদিত হোআ ৰোগ, চকলিয়া ঘা বিসেস, a kind of rheum or skin disease.

বেচোআই, *s.* বেচ খোআ বা পোআ মানুহ, working for wages.

বেজ, *s.* বৈদ্য, চিকিত্চক, ঔসধ জনা, a doctor of medicine, a physician.

বেজকচু, *s.* এবিধ খজুউআ বিহ কচু, a species of wild *kosu.*

বেজবৰুআ, *s.* প্রধান বৈদ্য, বেজৰ বিসয়া বিসেস, a head medical officer of the Assam king's.

বেজবেজ কৰে, *ad.* বেজেৰাৰ দৰে, বৰ চোকাকৈ, with a smarting, biting sensation, acrimoniously.

বেজবেজিয়া, *a.* চোকা গুন থকা, বেজেৰা লগা, বেজবেজ কৰে ধৰা, sharp, corrosive, smarting, acrimonious.

বেজাৰ, *s.* বিৰকতি, অসন্তোস, বেয়া পোআ, displeasure; with লগা, out of humor, displeased.

বেজালি, *a.* বেজৰ সম্বন্ধিয়, ঔসধিয়, বৈদ্য সাস্ত্ৰ বিসেস, relating to medical science.

বেজালি পুথি, *s.* ঔসধ মন্ত্ৰ আদিৰ পুথি, a medical treatise.

বেজি, *a.* কাপৰ সিয়া লো পিতলৰ সলা, a needle for sewing.

বেজিনি, *s.* বেজৰ তিৰোতা, দৰৰ জনা তিৰি, a female physician, a midwife.

বেজেৰা, *a.* বেজবেজিয়া, চোকা, সুনি বেজাৰ লগা, sharp, biting, cutting, pungent, irritating.

বেজেৰাবেজেৰি, *s.* কেটেৰা কেটেৰি, কেটেৰ জেঙ্গৰ, crossness, snappishness, tartness.

বেটি, *s.* দাসি, আল ধৰা তিৰি, a female servant or slave, a handmaid.

বেটু, *s.* ফুল আদিৰ গৰিৰ চুপহি, পাত্ৰৰ চুলা বিসেস, লাখুটিৰ মুৰত খুউআ টেমি, the calyx of a flower, the metal head of a cane.

বেটুআ, *s.* বেটু থকা, having the above calyx or metal head.

বেতাল, } *s.* ভুত ভুতুনি আদি, বৰ টটাটিঙ্গ, 'অঘাইত', an evil spirit;
বেতালি, } (a term of abuse.)

বেতি, *s.* এবিধ বনৰিয়া বাঁহ, a species of wild bamboo.

বেতেৰি, *s.* তেল পেৰা পলা, a braided rattan hoop for expressing oil.

বেতেৰিচোবোআ, *s.* একে কথাকে কৈ কৈ থকা, আউল নমৰা কথা, repeating again and again.

বেতেৰিবেৰিয়া, *a.* পলাবৰিয়া, আও পকিয়া, একে কথাতে লাগি থকা, firm, unyielding, like the বেতেৰি, which see.

বেথা, *s.* মৰম, চেনেহ, আস্তিক, love, affection.

বেথা লগা, *a.* স্নেহ লগা, মৰম লগা, বাটুআ, dear, beloved, esteemed.

বেদ, *s.* হিন্দুৰ প্ৰধান চাৰি খন আদি সাস্ত্ৰ, the generic appellation of the hindoo sacred writings, a Veda; science.

বেদনা, *s.* বিস, পিৰা, দুখ, pain, distress, bodily suffering.

বেদব্যাস, *s.* মুনি বিসেস, an epithet of the sage Byah, which see.

বেদাঙ্গ, *s.* ব্যাকৰন আদি বেদৰ চই অঙ্গ, a supplementary portion of the Vedas treating of the sciences.

বেদাচাৰ, *s.* বেদৰ আচৰন, the practice enjoined by the Vedas.

বেদান্ত, *s.* এক সাস্ত্ৰৰ নাম, বেদৰ সাৰ কথাৰ পুথি, *lit.* the scope or substance of the Vedas, a treatise on the above.

বেদান্তিক, *s.* বেদান্তৰ পণ্ডিত, a follower of the Vedas.

বেদি, *s.* জজ্ঞ আদিৰ ভেঁটি, an altar, a mound, a platform.

বেপাৰ, *s.* বেহা, বানিজ্য, কিনা বিকা, trade, traffic, commerce.

বেপাৰি, বেপেৰুআ, } *s.* বেহেৰুআ, দোকানি, মুদৈ, a trader.

বেবানি, *s.* গৰু আদিৰ হেম্বেলনি, the bleating or lowing of animals.

বেবাই, *v.* গৰু আদিএ বে বে কৰি, হেম্বেলিয়াই, to bellow, to bleat.

বেবুআ, *s.* পেঁপুআ, তত হেৰোআ, অজলা, the act of bellowing, the loss of self possession.

বেবেৰিবাঙ্গ, *a.* আঙ্গবাঙ্গ, অমিল, আউলিয়া, contrary to right or custom, discordant.

বেমেজালি, *s.* অনেক কাম একে বেলিএ পৰা, জাঙ্গুল খাই ধৰা, perplexity, embarassment, as by the pressure of work or business.

বেমেলি, *a.* মিহলি, সিসুতি, গোট গোট হোআ, mixed, scattered about.

বেয়া, *a.* অধম, কুচিত, অভদ্ৰ, কু, বিসম, bad, evil, inferior.

বেৰ, *s.* বাৰ, ঘৰ আদিৰ আবৰন, মেৰ, দুই হাতৰ আঁকোআল, a partition or side of a house, girth or circumference, as much as can be compassed by the arms.

বেৰটা, *s.* বাৰটা, বেৰৰ তলত দিয়া চঁটিয়া গৰ বা বাঁহ, the board or bamboo on which an upright partition rests.

বেৰা, *a.* বেৰ দিয়া, লো পিতলৰে সজা কাঁহিৰ তলত দিয়া জতন বিসেস, enclosed, surrounded; *s.* a metal tripod.

বেৰাই, *v.* মেৰাই, বেৰ দিয়াই, to surround or enclose.

বেৰি, *s.* লোৰ সিকলি, অস্ত্ৰৰ নালৰ আঙ্গঠি, বেৰ দি, জেওৰা দি, চাৰিও ফালে আগচি, an iron chain, a ferule or flat ring around the handle of an instrument; *v.* to surround, to enclose.

বেৰি ধৰা, *a.* মেৰাই ধৰা, আবৰি ধৰা, surrounded, encircled &c.

বেৰিয়া, *a.* একলিয়া হৈ গজা দাঁত, irregular, one sided, applied to teeth.

বেৰোআ, *a.* বেৰ দিয়া, আৰ দিয়া, enclosed, surrounded &c.

বেৰ্বেৰকৰে, বেৰ্বেৰিয়া, } *a.* পানি পৰি কুমলি থকাৰ দৰে, ভেৰ্ভেৰিয়া, soft, yielding like mud.

বেৰ্হা, *s.* বেৰা, কাঁহি তুলি থোআ জতন, a support for a metal plate.

বেল, *s.* শ্ৰীফল, একবিধ গচ বা তাৰ গুটি, the baal or wood-apple (Argle Marmelos.)

বেলবেলাই, *v.* অনৰ্থক কথা কৈ, চেলচেলাই, ফেদফেদাই, to talk nonsense.

বেল্বেলিয়া, *a.* বেলবেলাই থকা, চেলচেলিয়া, foolish, nonsensical.

বেলা, *s.* বেলি, পৰ, আহোম ডাঙ্গৰিয়াৰ ভৰি ধোআ সোন ৰূপ আদি ধাতুৰ পাত্ৰ, নিৰুপিত কাল, time, the time of day, a kind of silver or golden vessel, a particular time.

বেলি, *s.* সুৰ্য্য, সময়, কাল, বাৰ, the sun, time, a time, a turn.

বেলি থাল, *s.* গোটোম কাঁহি বিসেস, ঘুৰনিয়া থাল এবিধ, a kind of brass platter.

বেলি ফুল, *s.* পুআতে সুৰ্য্যলৈ মুকৈ ফুলি সুৰ্য্যৰ লগে লগে পাক লৈ গতি কৰা ফুল এবিধ, the sunflower.

বেলিএপতি, } *ad.* বাৰে বাৰে, ঘনে ঘনে, every time, repeatedly, time and again.
বেলিএবেলিএ, }

বেলেগ, *a.* প্ৰিথক, আঁতৰ, নিলগ, separate, apart, distant.

বেলেগতিয়া, *a.* বেলেগে থকা, কেইবা পুৰুসৰ অন্তৰ হোআ বঙ্গহ, distant; applied also to remote relationship.

বেলেগাই, *v.* বেলেগ কৰি, প্ৰিথকাই, আঁতৰাই, to separate, to remove.

বেলেগে, *ad.* বেলেগকৈ, আঁতৰে, নিলগে, separately, apart, singly.

বেলেগোআ, *s.* নিলগোআ, প্ৰিথক কৰা, the act of separating or removing; *a.* separated, removed.

বেৱসাই, *s.* কাম কাজ, ব্ৰিতি, a profession, a trade, an occupation.

বেৱস্থা, *s.* বিধি, বিধান, a rule, a statute, an established usage or custom.

বেৱহাৰ, *s.* আচৰন, ৰিতি, custom, usage, practice, intercourse, conduct, general behaviour.

বেস, *s.* ভূসন, ভাও, চদ্ম, dress, garb; with ধৰি, to assume a guise.

বেসধৰা, } *a.* ভাও ধৰা, চদ্ম কৰা, disguised; *s.* a disguise.
বেসধাৰি, }

বেস্যা, *s.* নটি, বাজহি, বিভিচাৰি লোক, a harlot, a prostitute, a courtezan; *a.* adulterous, corrupt.

বেস্যাগমন, *s.* বেস্যা হৰন, prostitution, whoredom, adultery.

বেস্যালই, *s.* নট সাল, a house of ill fame, a brothel.

বেস্যালি, *a.* বেস্যা কামত খেল কৰি ফুৰা, whorish, unchaste, adulterous, lewd; *s.* an adulterer or adulteress, a whoremonger.

বেহা, *s.* বেপাৰ, বানিজ্য, বেচা কিনা, trade, commerce.

বেহাই, *s.* বেহা কৰি, বেচি কিনি, to traffic, to trade.

বেহানি, *s.* দ্ৰব্য, বস্তু, সামগ্ৰি, things, goods, an article.

বেহি, *s.* তেল আদি টেকেলিৰ পৰা অনা জতন, a small oil ladle.

বেহু, *s.* সৈন্যে ৰনত পতা চক্ৰ বিসেস, জুধলৈ পতা সৈন্যৰ দল, a phalanx, a line of soldiers drawn up in battle array.

বেহেৰুআ, *s.* বেপেৰুআ, বেপাৰি, মুদৈ, a trader, a merchant.
বেহেলা, *s.* গানত বজোআ জন্ত্ৰ বিসেস, a violin, fiddle.
বেহোআ, *s.* বেচা কিনা, বেহা কৰা, merchandise, trade, buying and selling.
বৈ, *v.* কৰ্হিয়াই, সোঁত ধৰি, গুটি আদি সিঁচি, বন কৰি, কাপৰ চাৰি আদি নিৰ্মান কৰি, to bear, to flow, to sow, to work or serve, to weave, to braid.
বৈকুণ্ঠ, *s.* স্বৰ্গ, বিষ্ণুৰ ধাম, the hindoo paradise of Krishnoo.
বৈখান, *s.* see বাইখান,
বৈগুন, *s.* দুৰ্গুন, বেয়া, an evil quality; *a.* worthless, pernicious.
বৈচৰ, *a.* হাল বোআ, working in the yoke; *s.* a working ox.
বৈচা, *s.* নাৱৰ বঠা মৰা লোক, নাৱৰিয়া, বাৰ, a boatman, a sailor, a time, a turn.
বৈতৰনি, *s.* হিন্দুৰ সাস্ত্ৰ মতে নৰ্ক নদি, the hindoo Styx or river of hell.
বৈদ, *s.* see বেজ, বৈদ্য, a physician.
বৈদিক, *a.* বেদৰ সম্বন্ধিয়, Vedantic, pertaining to the Vedas.
বৈদুৰ্জ্য, *s.* এবিধ বহু মুল্য সিল, মনি বিসেস, a gem, the onyx stone.
বৈনাই, *s.* ভনিএকৰ গিৰিএক, a younger sister's husband.
বৈৰি, *s.* সত্ৰু, অৰি, বিপখ্য, an enemy, a foe, an adversary, hostility.
বৈষ্ণৱ, *s.* বিষ্ণুৰ ভকত বিসেস, a votary, a worshiper of Vishnoo.
বৈস্য, *s.* হিন্দুৰ ত্ৰিতিয় জাত, the third hindoo caste, the trading and agricultural class.
বোঅনি, *s.* কাপৰ আদি বোআৰ বেচ, weaving; pay for weaving.
বোআ, *s.* বৈ জোআ, সিঁচা, বন কৰা, বজোআ, কাপৰ আদি নিৰ্মান কৰা, flowing, sowing, ploughing, carrying, weaving, braiding, playing on an instrument.
বোআই, *v.* বৰলৈ দি, সোঁত ধৰাই, চলাই, বজোআই, causative of বৈ,
বোআৰি, *s.* পুতেক ভায়েকৰ ঘৈনিএক, a daughter in law; a younger brother's wife.
বোকনি, *s.* জোলোঙ্গা, a small bag worn under the arm.
বোক্‌বোক্ কৰে, *a.* সোআদ নোহোআ, অস্বাদ বিসেস, unpleasant to the taste.
বোক্‌বোকাই, *v.* মুখত খোআ বস্তু লৈ কথা কৈ, মোক্‌মোকাই, to mumble, to mutter, to speak indistinctly.
বোকা, *s.* জোল্‌জ্‌লিয়া মাটি, পঙ্ক, mud, mire, clay.
বোকা দিয়া, *s.* কঠিয়া ৰুব পৰাকৈ বোকা কৰা, বোৰ দিয়া, the ploughing of wet land for the transplanting of rice.

বোকোচা, *s.* পিঠিত তুলি নিয়া টোপোলা আদি, বোৱা, a pack or burden carried on the back.

বোকোচা লোআ, *s.* পিঠিত তুলি লোআ, carrying on the back.

বোজা, *s.* মুৰত বৈ অনা টোপোলা আদি, a load, a burden.

বোটলা, *s.* হাতেৰে তুলি লোআ, বুটলি থোআ, the act of gathering or picking up; *a.* gathered, picked up.

বোদবোদ, *s.* নমতা নোবোলাকৈ থকা, বোধ ৰুপ ধৰা, taciturnity, reserve.

বোদবোদিয়া, } *a.* নমতা নোবোলা, অবাক হোআ, taciturn, reserved.
বোদৰুপ, }

বোধ, *s.* গ্যান, বুজ, অনুমান, knowledge, intellect, understanding, an opinion, an idea, an inference.

বোধগম্য, *a.* বুজিব পৰা, গমি পোআ, comprehensible.

বোন্দা, *s.* মতা মেকুৰি, a male cat.

বোন্দোৰা, *a.* চুঁটি, নবৰ্হা, জুপুৰা, short, stinted, dwarfed.

বোপা, *s.* লৰা আদিক মৰমেৰে মতা মাত, affectionate address of a boy.

বোপাই, *s.* পিতা, আপদেও, লৰাক মৰমেৰে মতা, আচৰিত মনা মাত, father, familiar address of a child; an exclamation of surprise.

বোপা ককা, *s.* পিত্রি পিতামহ, ancestors, progenitors.

বোপাদেও, *s.* লৰাক মৰম আদৰেৰে মতা মাত, a respectful address of the sons of the nobility.

বোবা, *a.* মাতিব নোআৰা, অবাক, dumb, speechless.

বোবোৰা, } *a.* নিসন্ধিকৈ ফোঁহা হোআ, দললা বন্ধা, ফুট ফুট হৈ উখহা,
বোবোলা, } pimpled, blotched, pitted.

বোবোৰাবোবোৰ, } *a.* অনেক ঠাইত বোবোৰা হোআ, দললাদলল, covered with pimples or blotches.
বোবোলাবোবোল, }

বোৰ, *affix.* বহু বচন বুজুআ পৰবৰ্তি সব্দ, a plural termination.

বোবোকা, *a.* টোপোৰা টোপোৰ হোঁআ, উখহাৰ দৰে মঙহ উঠা, ভোভোৰা; টেমুনা, pimpled, pitted, blotched.

বোবোকাবোবোক, *a.* গোট গাই টেমুনাৰ দৰে হোআ, covered with risings or excrescences on the surface of the body.

বোল, *s.* ৰবন, বচন, কথা, মাত, a color, speech, a saying, an utterance.

বোল দিয়া, *s.* ৰবন লগোআ বা খুউআ, বোলোআ, the act of coloring &c.

বোলবচন, } *s.* গালি সপনি, কথা বাত্রা, abuse, speech, conversa-
বোলমাত, } tion.

বোলা, *a.* কোআ, এবিধ কাঠ, said, spoken; *s.* a species of tree.

বোলাই, *v.* ৰবন খুআই, ব্রিধি হৈ, to dye, to color, to do in excess.

বোলোআ, *a.* বৰন লগোআ, বৰন খুউআ, বৰ্হা, colored, dyed, increased.

বৌ, *s.* ককাএকৰ ঘৈনিএক, ভাল লোকৰ মাকৰ সম্বোধন, an elder brother's wife.

বৌখ', }
বৌলা, } *s.* কচু আদিৰ পাত মেলা ঠাৰি, বা বখলা, the sheath or outer covering of the sprout of a *Kosu* plant or of a palm.

বৌধ, *s.* একো নমনা, নাস্তিক, a Budhist.

বৌধাচাৰ, *s.* বুধৰ আচৰন, বৌধ মত, Budhism.

ব্যই, *s.* see বই, wasted &c.

ব্যক্ত, *a.* প্ৰকাস, জনা, বেকত, বিদিত, made known, revealed, manifest.

ব্যতিক্ৰম, *s.* ক্ৰমৰ বাহিৰ, বিপৰিত মত, বিতিক্ৰম, inversion, contrariety, deviation, variation.

ব্যাকৰন, *s.* see বিয়াকৰন, সব্দ সাস্ত্ৰ.

ব্যাধি, *s.* see বিয়াধি, a disease &c.

ব্যাস, *s.* মুনি বিসেস, বেদৰ পথালি জোখ, Byah, the name of a celebrated sage the reputed compiler of the Vedas and Purans and author of the Mahabharat; the diameter of a circle, width.

ব্ৰজ, *s.* মথুৰাৰ চাৰিও ফালত থকা দেস, ব্ৰিন্দাবন আদি ক্ৰিষ্ণৰ লিলাৰ থান, গকুল, the district about Agra and Mathura, the scene of Krishnoo's sports.

ব্ৰজনাথ, }
ব্ৰজমোহন, } *s.* ক্ৰিষ্ণৰ এক নাম, an epithet of Krishnoo.

ব্ৰত, *s.* বৰত, উপবাস, সাস্ত্ৰৰ নিয়মেৰে কৰা লঘোন, a vow, a voluntary penance; any supposed meritorious act of devotion.

বৃহ্ম, *s.* পৰম ইস্বৰ, নিৰাকাৰ আত্মা, Brahm, the divine source and essence of the universe, or the Deity divested of quality, action and attribute; when in action he is masculine, and is termed Brahma, which see.

বৃহ্মকুণ্ড, *s.* বৃহ্মপুত্ৰ নদি ওলোআ ঠাই, তিৰ্থ বিসেস, a sacred spring, said in the shasters to be the source of the Brahmaputra.

বৃহ্মগ্যান, *s.* এক আত্মা বোধ কৰা জ্ঞান, the belief that the soul is identical with the Creator, the knowledge of the all pervading Brahm; a supposed attainment of knowledge which causes all distinctions to cease and all things to be alike.

বৃহ্মগ্যানি, *a.* বৃহ্ম গ্যান থকা, ইস্বৰক জানোঁতা, having the knowledge of the soul as one with Brahm &c.

বৃহ্মচাৰি, *s.* এবিধ সন্যাসি, an ascetic, a religious student.

ব্রহ্মডিম, } s. জগত, ব্রহ্মাণ্ড, the mundane egg of the hindoo shasters;
ব্রহ্মডিম্ব, } the universe.

ব্রহ্মপুত্র, s. ব্রহ্ম কুণ্ডৰ পৰা ওলোআ বৰ নৈ, ব্রহ্মাৰ পুত্র, the Brahmaputra.

ব্রহ্মবিচাৰ, s. সত্য বা সুক্ষ্ম বিচাৰ, a just decision, strict investigation.

ব্রহ্মৰন্ধ্ৰ, s. ব্ৰহ্ম তালু, মুৰৰ তালু, the crown of the head.

ব্রহ্মলোক, s. ব্রহ্মা থকা ঠাই, স্বৰ্গ বিসেস, the heaven of Brahma.

ব্রহ্মস্রিস্টি, s. সংসাৰ, জগত, the universe, the world.

ব্রহ্মা, s. সৃজন কৰ্ত্তা, বিধতা, Brahma, the first of the hindoo triad or Brahm in action, the Creator.

ব্রহ্মাণ্ড, s. ব্ৰহ্মৰ ডিম্ব, জগত, বিশ্ব, Brahma's mundane egg, the universe.

ব্রাহ্মন, s. বামুন, সৰ্ম্মা, a Brahmin.

ব্রাহ্মনি, s. বামুনি, বামুনৰ স্ত্রি, *fem.* of the above.

বৃক্ষ, s. গচ, তৰু, বিৰিখ, a tree, a shrub, a plant.

বৃত্তান্ত, s. বিবৰন, আখ্যান, ঘটি জোআ কথা, বৰ্ননা, a history, a narration, a relation.

বৃত্তি, s. বিৰ্ত্তি, জিবিকাৰ উপাই, কাম কাজ, a livelihood, a profession, an occupation, business.

বৃধ, s. বুঢ়া, আলৰ, aged.

বৃধকাল, s. বুঢ়াকাল, বৃধ অৱস্থা, the period of old age.

বৃধি, s. বৰ্ঢ়া, অধিক হৈ জোআ, increase, growth, enlargement, extension.

বৃন্দ, a. দহ অৰ্বুদ, অনেক, a thousand millions, many.

বৃন্দা, s. ক্রিষ্ণৰ এজনা তিৰোতা, তুলসি, the Basil plant, considered sacred by the hindoos.

বৃন্দাবন, s. ক্রিষ্ণৰ লিলাৰ থান, তিৰ্থ বিসেস, the name of the place where Krishnoo sported with the milkmaids.

বৃষ্টি, s. বৰসুন, rain; with আনি, or পৰি, to rain.

বৃস, s. ভতৰা, দুডিয় ৰাসি, a bull, the sign Taurus.

বৃহত, a. মহত, ডাঙ্গৰ, সকত, immense, large, great, important.

বৃহস্পতি, s. পঞ্চম গ্রহ, দেৱ গুৰু, the planet Jupiter.

বৃহস্পতিবাৰ, s. পঞ্চম বাৰ, গুৰু বাৰ, Thursday.

বৃথা, a. অনৰ্থক, মিচা, অকাৰন, বিয়ৰ্থ, useless, futile, in vain.

ভ

ভ, ভকাৰ, this letter is the aspirate of ব, and is pronounced like *bh* in *cob-house.*

ভই, s. ত্ৰাস, ডৰ, সংসই, fear, apprehension, alarm, terror.

ভংভঙ্গিয়া, a. অৰপটিয়া, সৰল, পেটত কথা নৰখা, outspoken, frank.

ভঁজ, *s.* চন্দ, পট, ৰূপ, symmetry, form, appearance.
ভঁজিয়া, *a.* বেঁকা, টেৰা, ভেঙ্গুৰা, crooked, bent, curved, distorted.
ভঁজোআ, *a.* মিহলি দিয়া, মিস্রিত, ভুঁজ খুওআ, adulterated, alloyed.
ভঁৰলুআ, *a.* ভঁৰাল সম্বন্ধিয়, relating to a storehouse or granary.
ভঁৰা, *s.* ভাণ্ডনা কৰা, মিচা মতা, the act of deceiving, cheating &c.
ভঁৰাল, *s.* ধন ধান আদি থোআ ঘৰ, a storehouse, granary, treasury.
ভঁৰালি, *s.* ভঁৰাল আদিৰ বস্তু ৰাখোঁতা বা তাৰ ভাৰ লোআ জন, a store keeper, a treasurer, one in charge of a godown.
ভকত, *s.* ভক্ত, সেৱক, উপাসক, ইশ্বৰ আৰাধনা কৰোঁতা, সম্বোধন বিসেস, a worshiper, a person devoted to the duties of religion; a term of familiar address among equals.
ভকতালি, *s.* ভকতৰ ভাও, devotedness, or the pretence of it.
ভকতি, *s.* see ভক্তি.
ভকতিয়া, *a.* ভকত বা ভক্তি সম্বন্ধিয়, relating to worship &c.
ভক্‌ভক্‌ কৰে, *ad.* ধক্‌ধক্‌ কৰে, অতিসই ৰূপে (বগা বা নিকা,) exceedingly, very; applied to things white, bright, or glittering.
ভক্‌ভকনি, *s.* চেং চেঙ্গনি, জুই আদিৰ পোৰনি, a burning or smarting.
ভক্‌ভকাই, *v.* উজ্জল হৈ, ধকধকাই, চেঙ্গচেঙ্গাই, ভমভমাই, to glitter, to glisten, to smart (as a burn;) to throb.
ভক্‌ভকিয়া, *a.* উদাৰ, সৰল, নিকা, নির্ম্মল, simple, frank, guileless, undefiled, clean, pure, shining.
ভকৰা মাত, *s.* লন্দন নোহোআ মাত, গেজেৰা, কটুআ কথা, a harsh, rough, angry tone or language.
ভকুআ, ভকুআটেপা, } *s.* বৰ্গলা মাচৰ পোআলি, the young of *Borgola* fish.
ভক্তি, *s.* ভকতি, অনুৰাগ, স্রদ্ধা, সেৱা, attachment, devotedness to God, homage, veneration, worship.
ভক্তিভাৱে, *ad.* ভকতি ভাৱে, স্রদ্ধা ৰূপে, আদৰেৰে, মান্যেৰে, reverently, devoutly, with confidence.
ভখ্য, *a.* খাব পোআ, খাদ্য, খোআ, fit to be eaten, eatable, edible.
ভখ্যন, *s.* খোআ, ভোজন, a meal, a repast, the act of eating.
ভগন, *s.* খৰচ, ঢুকুআ, নষ্ট, ৰাজ বিভ্ৰাট, কোনো আপদত স্থান এৰা, expense, expenditure, political revolution, a removal, a retreat.
ভগনিয়াৰ, *a.* ভাগি- জোআ, আপদত আপোন ঠাই এৰা, fugitive, emigrant, fleeing from place to place.
ভগৱতি, *s.* ইস্বৰি, দুৰ্গা, পাৰ্বতি, a goddess, Durga, Parboti.

ভগৱান, *s.* ইশ্বৰ, God.

ভগা, *a.* গোট গোট হোআ, ভগ্ন হোআ, খৰচ হোআ, broken, expended.

ভগাই, } *v.* ভাগ কৰি, বাটি, অংস কৰি, to divide, to apportion,
ভগিয়াই, } to distribute.

ভগাচিগা, *a.* ডোখৰাডুখৰি, খুঁকুৰা, ভগ্ন, broken to pieces; *s.* broken pieces, a break, a rent.

ভগিনি, *s.* বাএক বা ভনিএক, a sister, whether older or younger.

ভগিয়া, *a.* ভাগ সমন্ধিয়, relating to a portion.

ভগিয়াৰ, *s.* ভাগি, অংসি, জুঁটিয়াৰ, a sharer, a partner.

ভগিৰথ, *s.* এজন দিলিপ ৰজাৰ পুত্ৰ, a king celebrated in hindoo mythology as having by austere devotions brought the river Ganges from heaven.

ভগোআ, *s.* ভাগ কৰা, বঁটোআ, dividing or causing to be divided.

ভগ্ন, *a.* see. ভগা,

ভঙ্গ, *s.* ভগা, গুচা, হৰা, a breaking, an interruption, a defeat.

ভঙ্গা, *s.* ভগ্ন কৰা, খৰচ কৰা, breaking or expending; *a.* broken, expended, spent.

ভঙ্গাই, *v.* ভঙ্গোআই, ভগন কৰাই, সৰু ধন সলাই, কথা দি উচটাই, to cause to break, exchange or expend; to coax, to entice away.

ভঙ্গি, *s.* গাৰ ভাঁজ, ভাও, gait, gesture, attitude.

ভঙ্গিতা, *s.* গিত পদৰ চেদ, গিতৰ চেও, the close of a hymn or stanza or of a musical strain.

ভঙ্গুআ, *s.* ভাঙ খোআ লোক, a smoker of hemp.

ভঙ্গোআ, *s.* ভগন কৰোআ, সৰু ধন সলোআ, উচটোআ, হানি বা ভগ্ন কৰোআ, the causing to be broken, expended, or enticed &c.

ভচৰ, } *s.* see ফটৰ, বেগতে চিগা বা ভগাৰ সব্দ, the sound of sud-
ভটৰ, } den breaking.

ভচ্ভচ্ কৰে, } *ad.* ভট্ভট্ কৰে, বেগতে, suddenly, hastily, inconsid-
ভচৰাই, } erately, at once, with a sudden snapping sound.

ভচি, *s.* জোখৰ কম পুৰাই দিয়া দ্ৰব্য, anything given to make up a deficiency in weight.

ভজন, } *s.* সেৱা, উপাসনা, worship, adoration, service.
ভজনা, }

ভজা, *s.* ভজন কৰা, সেৱা কৰা, তেল আদি দি বা সুকানে খোলাত সিজোআ, worshiping, adoring; *a.* fried, roasted, broiled, baked.

ভজাই, *v.* ভজোআই, ভজন কৰাই, সিস্য কৰাই, তপত পানিত চেঁচা পানি

মিহলাই, to cause to worship, to introduce into a religion; to reduce the temperature of hot water by the addition of cold.

ভজি, *v.* সেৱা কৰি, উপাসনা কৰি, সুৱন লৈ, to worship, to adore.

ভটঙ্গ, *s.* পানিত অকস্মাত পৰা বা উঠাৰ সব্দ, টভঙ্গ, the sound of plunging or of suddenly rising from the water.

ভটঙ্গভাটাঙ্গ, *s.* অব্যক্ত সবদ বিসেস, মিচামিচি, a muttering or continuous unintelligable sound.

ভট্‌ভট্‌, *s.* ডোল ফই আদি বেগতে চিগাৰ সব্দ, the noise of suddenly snapping asunder as of a cord or rope.

ভট্‌ভটিয়া, *a.* ভচ্‌ভচিয়া, ঠন্‌ঠন্‌ কৰে চিগা, easily broken, brittle.

ভটা, *s.* টাংগুটি, খেলৰ মাৰি, a baton used in a game of cricket.

ভটাগুটি, *s.* টাংগুটি, এবিধ খেলৰ দ্রব্য, a small wooden ball for do.

ভটিওআ, *s.* ভাটিলৈ জোআ, পচিমলৈ জোআ, the going down stream or in a westerly direction.

ভটিমা, *s.* ইশ্বৰ ভজনাৰ স্তব বিসেস, সঙ্কৰে কৰা হিন্দুৰ এক পুথিৰ নাম, a hymn of praise to God, the title of a book or hymn.

ভটিয়নি, *s.* নৈ বৈ জোআ ফাল, নামনি, down stream.

ভটিয়াই, *v.* ভাটিলৈ গৈ, পচিমলৈ গৈ, to go down stream or in a westerly direction.

ভট্টাচার্য্য, *s.* প্রধান পণ্ডিত, পণ্ডিতৰ উপাধি বিসেস, an eminent scholar, a philosopher.

ভতৰা, *s.* সাঁৰ, নৱষ্কোআ গৰু, a bull.

ভতাই, *v.* তাঁতৰ সুতাত মাৰ খুআই, to size thread for weaving.

ভতিজা, *s.* ককাএকৰ বা ভাএকৰ পুতেক, a brother's son, a nephew.

ভতুআ, *a.* ভাত ভাৰি, অকামিলা, ভাতৰ চাউল, এবিধ সাক, *lit.* rice eating, *i. e.* knowing how to eat but not to work; useless; with চাউল, rice for cooking; a species of wild vegetable.

ভতোআ, *a.* সুতাত মাৰ দিয়া, sized, (as thread for weaving.)

ভদৰ্কলি, *s.* চৰাই এবিধ, a species of bird.

ভদিয়া, *a.* ভাদৰ, ভাদু মাহত হোআ, belonging to the month Bhado, or parts of August and September.

ভদ্র, *a.* উত্তম, ভাল, সজ, good, respectable, honorable, estimable, virtuous.

ভদ্রাক্ষ্য, *s.* এবিধ গচ বা তাৰ গুটি, a species of tree the seeds of which are used in making rosaries.

ভন্‌ভন্‌, *s.* মাখি আদিৰ ভোনভোন সব্দ, a buzzing or humming sound.

ভন্‌ভনাই, *v.* গুনগুনাই, ভোন্‌ভোনাই, to buzz, to hum.

ভনা, *a.* ৰচনা কৰা, বোলা, composed, written, uttered.

ভনি, *s.* কনিষ্ট ভগিনি, ৰচনা কৰি, বুলি, a younger sister; *v.* to compose, to utter.

ভনিজোঁআই, *s.* মাইকি মানুহৰ ভনিএকৰ গিৰিএক, a woman's younger sister's husband.

ভনিতা, *s.* পদ ৰচনা কৰোঁতাৰ নাম, পদ আদিৰ চেদ, the name of an author or composer.

ভবা, *s.* চিন্তা কৰা, গমা, গুনা, the act of thinking; *a.* thought of &c.

ভবিস্যত, *a.* আগলৈ হোআ, অহা কাল, future; *s.* futurity, the future; in *gram.* the future tense.

ভবিস্যতৱক্তা, *s.* আগলৈ হব লগা কথা কওঁতা, a seer, a prophet.

ভমক, *s.* জুই বা মানুহৰ খঙ আদি বেগতে উঠা, the sudden rising of anger, fire, &c. irritability, hastiness of temper.

ভমক কৰে, } ভমকাই, } *ad.* অকস্মাত, বেগতে, হঠাত, ভাঁউহকৈ, suddenly, unexpectedly, quickly.

ভমভমনি, *s.* জুই আদিৰ পোৰনি ডেঁৰনি, a smarting or burning sensation.

ভম্‌ভমাই, *v.* তাপত পুৰি ডেই, to feel a burning sensation.

ভয়ঙ্কৰ, *a.* ভয়ানক, ভয়জনক, বিহুত, frightful, terrific, dreadful.

ভয়াই, *interj.* দুখত পৰাত মৰমৰ আস্তিক বুজুআ মাত, a vocative expressing pity or affection.

ভয়াতুৰ, *a.* সাহ নাইকিয়া, ডৰপদুৰা, ত্ৰাস লগা, ভয়েৰে আতুৰ হোআ, timid, fearful, cowardly.

ভয়ানক, *a.* see ভয়ঙ্কৰ.

ভয়াম, *s.* ভৈয়াম, পৰ্ব্বতৰ গুৰিৰ সম থল, a plain, a valley.

ভৰ, *s.* গধুৰৰ পৰিমান, ভাৰ, পুৰ, হেঁচা, weight, fullness, pressure.

ভৰক, } ভৰকনি, } *s.* ভাবুকি, ডাবি, মিচা গপ, a threat, a menace, a vain boast; with মাৰি, to threaten, to boast, to vaunt.

ভৰন, *s.* বায়ুৰ ঔসধ বিসেস, a kind of cooling lotion.

ভৰনি, *s.* দুতিয় নখ্যত্ৰ, মিচাতে ধন আদি বই হোআ, আখালভাঁৰ, the second lunar mansion; a filling up, the making up of a deficiency, damage or loss.

ভৰপুৰ, *s.* পৰিপুৰ্ন, সম্পুৰ্ন, completely filled, brimful.

ভৰম, *s.* লাজ, ধৈৰ্য্য, self possession, dignity, self respect.

ভৰা, *a.* পুৰ হোআ, চপ্‌চপিয়া, full, filled; *s.* a filling.

ভৰাই, *v.* সুমাই, পুৰ কৰাই, অখালভাৰ কৰাই, পুৰাই, to thrust into, to cause to fill, to cause to make up a loss or deficiency.

ভৰি, *s.* পদ, চৰন, নুমাই, পুৰ কৰি, ভৰনি কৰি, the foot; *v.* to put in, to fill, to make up a loss or deficiency.

ভৰি পৰা, *a.* পুৰ হোআ, ওপচ হোআ, চপচপিয়া, জুৰি পৰা, filled to overflowing, running over.

ভৰুন, *s.* ভৰপুৰ, সম্পুৰ্ন ভৰা, full, complete, loaded or covered with fruit or leaves; full as a house with people or children.

ভৰোআ, *s.* সুমুআ পুৰুআ, ভৰনি কৰোআ, the act of filling or of causing to be filled with or of making up a deficiency.

ভল্ভলনি, *s.* ৰৰকৈ কোআ কথা, loud boisterous talk.

ভল্ভলিয়া, *a.* see. ভংভঙ্গিয়া,

ভল্ভলোআ, *s.* কথা কওঁতে ৰৰকৈ কোআ, talking in a boisterous manner.

ভলা, *a.* তাপ আদিত মেচ লোআ, ডকা গচ এবিধ, warped, turned or twisted by heat; a kind of tree.

ভলুকা, *s.* বাঁহ এবিধ, a species of bamboo.

ভব, *s.* সংসাৰ, সিব, the world, an epithet of Hiwo.

ভস্ম, *s.* ভচম, চাই, ashes.

ভসম উঠা, *a.* ৰৰকৈ গেলা, উৱলি জোআ, বৰ পচা, rotten, putrid.

ভস্মিক্রিত, *a.* চাই কৰা, ভস্ম কৰা, burnt, reduced to ashes.

ভাই, *s.* কনিষ্ট সহোদৰ, ভ্রাতা, সমনিয়াৰ সম্বোধন, a younger brother; familiar address among friends.

ভাইপো, *s.* বঙ্গহ পৰিয়াল, ভায়েকৰ পুতেক, ভতিজাক, family relatives, a brother's son.

ভাই বোআৰি, *s.* ভাএকৰ ঘৈনি, the wife of a younger brother.

ভাইভনি, *s.* একে মাকৰ লৰা চোআলি, ভাত্রি ভগিনি, a brother and sister by the sáme mother.

ভাও, *s.* মুল্য, দৰ, ভঙ্গি, বেস, চল, বাদি, স্বভাও, price, value, attitude, gesture, pretence, natural disposition.

ভাওনা, *s.* চো পিন্ধি ভাও দেখুউআ উত্চও, নাট ক্রিয়া, a masquerade, a dramatic performance.

ভঁাউৰি, *s.* মুগা কটা জন্ত্রৰ কঁৰাসলিত সুমুআ দিঘল খিলা বিসেস, a wheel for spinning the *Muga* silk.

ভাঁকৰা, *a.* ভতুআ, অপাত্র, নিস্কৰ্ম্মা, অকামিলা, useless, worthless, unskillful; *fem.* ভাঁকৰি.

ভাঁকুতকুতনি, *s.* কাসলতিত হাতেৰে কৰা সুৰসুৰনি, tittilation, the sensation felt when tickled.

ভাঁকুতকুতাই, *v.* সুৰসুৰাই, গাত হাতেৰে লুৰফুৰাই, to tittilate, to tickle.

ভাঁজ, *s.* মিহলি, বেঁকা, মেচ, an admixture or adulteration, an alloy, a crook or deformity; with দি, to alloy, and with হৈল, to be bent, curved or deformed.

ভাটৌ, *s.* সুকপক্ষি, a parrot.

ভাঁৰি, *v.* ভাওনা কৰি, ভাও কৰি, আমৈ মাতি, to deceive, to dissemble; with কোআ, *a.* deceitful; *s.* a deceiver, an impostor.

ভাকিভুকা, *s.* ভুআ দিয়া, ফাঁকিফুকা, deception, dissimulation, pretence.

ভাগ, *s.* অংস, খণ্ড, a part, a share, a portion.

ভাগ কৰা, *a.* অংস কৰা, ভাগ বঁটা, বঁটা, divided, shared.

ভাগতি, *a.* ভাগৱত সাস্ত্র কোআ মানুহ, versed in the Bhagowot.

ভাগৰ, *s.* স্রান্তি, দুখ, স্রম, অৱসৰ, fatigue, weariness; with লাগে, to be wearied or fatigued.

ভাগৰি, *v.* স্রান্ত হৈ, ভাগৰ পাই, to tire, to be wearied or fatigued.

ভাগৰাই, *v.* স্রান্ত কৰাই, ভাগৰ লগাই, causative of the above.

ভাগৰুআ, *a.* ভাগৰ লগা, স্রান্ত হোআ, tired, wearied, fatigued, exhausted.

ভাগৱত, *s.* হিন্দু লোকৰ এক প্ৰধান সাস্ত্র, one of the hindoo shasters.

ভাগি, *v.* ভগন হৈ, নিজ ঠাই এৰি অন্য ঠাইলৈ গৈ, পলাই, অংসি, to break, to flee, to retreat; *s.* a partner, a sharer, a shareholder.

ভাগিন, *s.* বায়েক বা ভনিয়েকৰ পুতেক, a sister's son.

ভাগিনি, *s.* বায়েক বা ভনিয়েকৰ জিয়েক, a sister's daughter.

ভাগিৰথি, *s.* গঙ্গা, a name of the Ganges, from king Bhagiroth.

ভাগ্য, *s.* কঁপাল, দসা, দৈৱ, বাসনা, a lot, portion, chance, luck &c.

ভাগ্যৱন্ত, ভাগ্যৱান, } *a.* সুভগিয়া, সুখিয়া, ধন্য, fortunate, lucky, prosperous, blessed, happy.

ভাঙ্গ, *s.* এবিধ বাগিয়াল গচ, the Indian hemp, (Cannabis Sativa.)

ভাঙ্গনি, *s.* ভাঙ্গ থকা ঠাই, ধন ভঙ্গা তিৰি, a patch of the above; *a.* extravagant, (spoken of a woman.)

ভাঙ্গনিয়াৰ, *a.* খৰচ কৰিব পৰা মানুহ, সৰহকৈ ধন ভাঙ্গি থকা লোক, কথা দি উচটোআ, extravagant, wasteful; causing alienation.

ভাঙ্গি, *v.* বই কৰি, নষ্ট কৰি, খুঁকুৰা কৰি, ভগন কৰি, নাও আদি খোলা কেকোঁৰা হাতোআঁহ, to expend, to destroy, to break; *s.* a kind of curved adz used in excavating boats &c.

ভাঙ্গিচিঙ্গি, *v.* খণ্ড খণ্ড কৰি, to break in pieces, to destroy, to waste.

ভাঙ্গোন, *s.* মাচ এবিধ, a species of fish.

ভাজনি, *s.* ভাজিব জনা তিৰি, ভাজতি, a woman who understands the art of baking, frying &c.

ভাজি, *v.* সুদাকৈ বা তেলেৰে পানি নিদিয়াকৈ সিজাই, to fry, to parch, to roast.

ভাটি, *a.* নামনি, পশ্চিম, down stream, western.

ভাটি বেলা. *s.* বিয়লি বেলা, আবেলি বেলা, the afternoon.

ভাণ্ড, *s.* পাত্র, a receptacle, a vessel, a pot, a cup.

ভাণ্ডক, *a.* ভাণ্ডনা কৰা, ভাঁৰি কোআ, ভুআ দিয়া, deceitful, artful.

ভাণ্ডনা, *s.* ভঁৰা, ফাঁকি, চল, deceit, deception, artifice.

ভাণ্ডি, *v.* ভাঁৰি, ভাণ্ডনা কৰি, to deceive, to dissemble.

ভাত, *s.* সিজোআ চাউল, অন্ন, cooked rice, food.

ভাতকাপৰিয়া, *a.* ভাত কাপৰলৈ চাকৰ খটা, working for food and clothes.

ভাতকেৰেলা, *s.* মিঠা কেৰেলা, এবিধ লতাৰ গুটি,পাচলি, an edible vegetable.

ভাতঘিলা, *a.* এবিধ ঔসধি গচ, a species of medicinal tree.

ভাততিতা, *s.* এবিধ তিতা গুটি, a bitter fruit, (edible.)

ভাতভাৰি, *a.* ভতুআ, অপাত্র, অকামিলা, doing nothing but eating.

ভাতি, *s.* সোনাৰি সাল আদিৰ জুই ফুউআ জন্ত্র বিসেস, a smith's bellows.

ভাত্রি, *s.* ভাই ককাই, সহোদৰ, একে বাপেকৰ পুতেক, a brother.

ভাদ, *s.* হিন্দু মতে পঞ্চম মাহ, the month Bhado, (August—September.)

ভাপ, *s.* বাস্প, তাপত পানিৰ পৰা উঠা ধুঁআ, vapor, steam.

ভাপ জাহাজ, *s.* ভাপেৰে চলোআ কল জাহাজ, a steamer, a steamship.

ভাপত দিয়া, *a.* ভাপত সিজোআ, cooked or heated by steam.

ভাব, *s.* চিন্তা, গুননি, অর্থ, অভিপ্রাই, thought, care, anxiety, meaning, sentiment, purpose.

ভাবনা, ভাবনি, } *s.* চিন্তনি, গুননি, thought, care, anxiety.

ভাবৰ, ভাবৰি, } *s.* জাবৰ, কুটাকাটি আদি, refuse, sweepings, rubbish, trash, litter.

ভাবলি, *s.* জহা ধান এবিধ, a species of paddy.

ভাবি, *v.* চিন্তি, গমি, গুনি, to think, to consider, to suppose, to infer.

ভাবিচিন্তি, *v.* বৰকৈ চিন্তা কৰি, গুনি ভাবি, চাই চিন্তি, to be anxious or wary, to do cautiously or understandingly.

ভাৱিত, *a.* চিন্তিত, গুননি ধৰা, anxious, thoughtful.

ভাবুকি, *s.* ডাবি বিসেস, ধমক, হাঁতি খেদা ভঁৰৰ আগত বন্ধা জোঁৰ, a threat, a menace; a torch attached to a long pole used in driving wild elephants.

ভাবুৰি, *a.* একাজি, ভাকৰি, বনবাৰি একো নজনা তিৰি, ignorant or unskillful at work, a term of reproach applied only to women.

ভায়া, *s.* ভাই সমনিয়া মানুহৰ সম্বোধন, brother, (vocative.)
ভাৰ, *s.* কান মাৰিত দুফালে বন্ধা বস্তু, ভৰ, হেঁচা, a burden, a load, a heavy charge or responsibility.
ভাৰত, *s.* হিন্দুৰ এক পুৰাতন ইতিহাস সাস্ত্ৰ, মহা ভাৰত, the famous Sanscrit epic poem usually called the Mahabharat.
ভাৰতবৰিস, } *s.* হিন্দুস্থান, জম্বুদিপৰ এক খণ্ড, India proper, Hin-
ভাৰতবৰ্স, } doostan, from king Bharot whose patrimony it was.
ভাৰসা, *s.* আসা, বাঞ্চা, পতিহা, hope, anticipation, trust, confidence.
ভাৰস্ত, *s.* ভাৰত বৰ্স, জগত, Hindoostan, ignorantly the known world.
ভাৰি, *s.* ভাৰ বোআ মানুহ, a burden bearer.
ভাৰ্য্যা, *s.* বিয়া কৰোআ তিৰোতা, ঘৈনি, a wife.
ভাল, *a.* উত্তম, সু, চিকন, বাক, বেচ, good, excellent, respectable, nice; with হৈ, *v.* to be in health, with কৰি, to amend in health to repair anything; with কৈ, *ad.* well, thoroughly, nicely.
ভালৰি, *a.* ভাল হোআ, মিল হোআ, সন্তুৰ্থি, restored, reconciled, received back into favor; with বোলাই, to gain favor &c.
ভালুক, *s.* বনৰিয়া হিংসক জন্তু এবিধ, বিশ্য, a bear.
ভালেটি, *a.* অনেকটি, বহুত, সৰহ, several, many.
ভালেতো, } *conj.* তাতেহে, সেই কাৰনেহে, therefore, for that reason,
ভালেহে,' } in consequence of.
ভালে দিন, *s.* অনেক দিন, বহু দিন, many days, a long time.
ভালেভালে, *ad.* বেয়া নৌহওঁতেই, কথমপি, কোনো মতে, while in good condition, barely, in some way.
ভালেমান, *a.* অনেক, বহুত, বিস্তৰ, much, many, abundant.
ভাৱৰিয়া, *s.* উভাৰ মৰা, an actor, one who wears a mask.
ভাস, *s.* নিতি, আচাৰ বিচাৰ, custom, observance, usage.
ভাসা, *s.* দেসৰ চলিত মাত, মোআন, a language, tongue, dialect.
ভাস্কৰ, *s.* সুৰ্য্য, বেলি, the sun.
ভিকহু, *a.* কঙ্গাল, দুখিয়া, দৰিদ্ৰ, poor, indigent, needy.
ভিখাচন, *s.* সেস উপাই, উপাই, a last means or resource; with ভাগি, to lose or expend the last means or resources.
ভিখাৰি, } *s.* মগনিয়াৰ, খোজনিয়াৰ, a mendicant, a beggar.
ভিখুক, }
ভিখ্যা, *s.* দান, মাগন, alms, anything given in charity.
ভিজা, *a.* তিতা, জেকা, wet, moist, damp.
ভিজি, *v.* তিতি, জেকি, to wet, to moisten, to make damp.

ভিণ্ডাকাৰ, *a.* উখহা, ওফন্দা, ভিম্‌কাৰ, swollen, puffed out.

ভিত, *a.* ভই পোআ, ডৰোআ, সঙ্কাজুক্ত, frightened, alarmed, afraid, terrified.

ভিতৰ, *s.* মাজ ঠাই, অন্তৰ, মাজ, অভ্যন্তৰ, the middle; *a.* inside &c.

ভিতৰি, *a.* গপুতে, অপ্রকাসে, মনে মনে, তলে তলে, secretly, privately.

ভিতৰুআল, *a.* লাগতিয়াল, ভিতৰত থকা বা ফুৰা, ভিতৰ সমন্ধিয়, having free access to or relating to the inside of a house; hence trusted, confided in.

ভিতৰে ভিতৰে, *ad.* মাজে মাজে, আঁতে আঁতে, পেটে পেটে, through the middle, within, secretly, privately.

ভিন, *a.* বেলেগ, প্রিথক, একে নোহোআ, different, separate, distinct.

ভিনিহি, *s.* বাএকৰ গিৰিএক, an elder sister's husband.

ভিনে ভিনে, *ad.* বেলেগে বেলেগে, প্রিথকে প্রিথকে, separately, singly.

ভিম, *s.* পাচ পাণ্ডৱৰ দ্বিতিয় জন, কুঁহিয়াৰ সালৰ চেপা জতন, ভয়ানক, the second of the five Pandoo princes, mentioned in the Mahabharat; a roller in a native sugar mill.

ভিমকলা, *s.* আহিয়া কলা এবিধ, a species of large plantain.

ভিমটোকা, *s.* ভালকৈ বান্ধ নোলোআ গৰু, an imperfectly emasculated ox.

ভিমদল, } *a.* বৰকৈ উখহা, বৰকৈ ওফন্দা, bulging, much swollen.
ভিমদলে, }

ভিমৰাজ, *s.* মানুহৰ মাত লোআ এবিধ কলা চৰাই, এবিধ ঔসধিয় বন, the *Bhimraj*, a species of singing bird; a medicinal plant.

ভিৰ, *s.* ভৰ, হেঁচা, দো, pressure, a bend, a curve; with খাই, or লৈ, to bend, to curve.

ভিৰখোআ, *a.* হলা, দো খোআ, bent, bowed, curved.

ভিৰাই, *v.* দোঁআই, হলাই, ঘোৰাই, দুটা মহৰ ভৰি একে লগে জুঁটি, to bend, to curve; to bind the two feet of two buffaloes together.

ভিৰাই লৰ মাৰি, *v.* উভতি বৰকৈ লৰ মাৰি, to run rapidly, to flee back, to retrace one's steps.

ভিৰাল, *a.* পুৰ হোআ, সকত আৰু গধুৰ, filled out, plump and heavy.

ভিৰি, *a.* অকামিলা, কামৰ নোহোআ, মোহৰ নমৰা ৰুপ, useless, unserviceable; with ৰুপ, uncoined silver.

ভিৰোআ, *s.* দোঁওআ, ভিৰ খুঁউআ, causing to bend &c. see ভিৰাই.

ভিস্ম, *s.* কুৰু পাণ্ডৱৰ ককাক, Bhismo, the grandfather of the five Pandoo princes, famous in the Mahabharat.

ভিস্মপৰ্ব, *s.* মহা ভাৰতৰ সষ্ট পৰ্ব, the sixth volume of the Mahabharat.

ভু, *s.* প্রিথিবি, বুজ, বোধ, গ্যান, চুর্তি, the earth, understanding, knowledge, information, conception, consciousness.

ভুআ, *s.* ফাঁকি, চল, ভাকিভুকা, deceit, deception.

ভুআ দি, *v.* চল কৰি, ফাঁকি দি, ভুলাই, to deceive, to impose upon.

ভুঁই, *s.* ভুমি, বোকা দিয়া কৃপিত মাটি, land, soil prepared for rice.

ভুঁইকপ, *s.* ভুমি কম্প, প্রিথিবি লৰা, an earthquake.

ভুঁইথোৰা, *s.* মাটি ফুটি ওলোআ সকত গজালি, a large sprout from the earth.

ভুঁইয়া, *s.* উত্তৰ কোলৰ আগ কালৰ ৰাজবংসিয় প্রধান লোক বিসেস, a former privileged class of the Assamese nobility.

ভুঁইলতা, *s.* কেঁচু, an earth worm.

ভুঁৰ, *s.* উটুআই অনা জাপে জাপে বন্ধা বাঁহ কাঠ আদি, কলপটুআ আদিৰে সজা নৈ পাৰ হোআ জতন, a raft, a float.

ভুঁৰু, *s.* পেটত আহাৰ আদি গোট খাই থকা ডাঙ্গৰ নাৰি বিসেস, the paunch, the belly.

ভুঁহৰি, *v.* ফুটি, প্রকাস হৈ, to break and flow out, (as a swelling;) *fig.* to become public.

ভুকনি, *s.* কুকুৰ আদিৰ মাত, the barking of a dog.

ভুকি, *v.* কুকুৰে ৰাও কৰি, বৌবৌআই, to bark.

ভুকু, *s.* মুঠিএৰে কৰা প্রহাৰ, a blow with the fist.

ভুকুআই, *v.* ভুকু মাৰি, মুঠিৰে মাৰি, to strike with the fist.

ভুগি, *v.* ভোগ কৰি, ভুঞ্জি, সুখি, ভোগ কৰোঁতা, to enjoy, to suffer.

ভুগোল, *s.* প্রিথিবি মণ্ডল, the earth, the terrestrial globe.

ভুগোল বিদ্যা, *s.* প্রিথিবিৰ বিবৰনৰ বিদ্যা, the science of geography.

ভুচম্পা, *s.* মাটিতে ফুলা ফুল এবিধ, a species of flower.

ভুচৰ, *a.* মাটিত ফুৰোঁতা, terrestrial, moving on land; *s.* a land animal.

ভুজ, *s.* বাহু, হস্ত, হাত, মাটিৰ অন্ত ভাগৰ পৰিমান, the hand, the arm, in mathematics the lines that bound a plane figure.

ভুজঙ্গ, *s.* কথাৰ নাল, সৰ্প, an expletive or word not necessary to the sense but used merely to fill up the measure; a serpent.

ভুজপত্র, *s.* এবিধ গচৰ চালৰ পাত, the bark of a tree used as a substitute for paper in writing.

ভুজাই, ভুঞ্জাই, *v.* ভোজন কৰাই, খুআই, দুখ সুখ ভোগ কৰাই, to feed, to entertain, (as a guest,) to give pleasure or pain to another.

ভুঞ্জি, *v.* ভোগ কৰি, খাই, ভুগি, to enjoy or suffer, to experience &c.

ভুটকুৰা, *a.* কঁটিয়া, চুঁটি, ঘিটিৰা, short, dwarfed, stinted in growth.

ভুটিয়া, *a.* ভোট দেসৰ বা তাৰ মানুহৰ সম্বন্ধিয়, relating to Bhootan or its people.

ভুটুঙ্গাই, *ad.* অকস্মাত, বেগাই, suddenly, unexpectedly.

ভুত, *s.* পিসাঁচ, চইতান, প্রেত, জোআ কাল, হৈ জোআ, an evil spirit, a devil, Satan, a ghost, a goblin; past time, the past.

ভুতমুলা, *s.* ঔসধিয় সাক এবিধ, an edible and medicinal vegetable.

ভুতল, *s.* প্রিথিবি, ভু, the earth, the ground.

ভুতিয়া, *a.* ভুত সম্বন্ধিয়, relating to evil spirits.

ভুতুনি, *s.* ভুতৰ তিৰোতা, পিসাঁচি, *fem.* of ভুত, which see.

ভুতে পোআ, *a.* ভুতে ধৰা, ভুতগ্রস্ত, possessed by an evil spirit, demoniacal.

ভুধৰ, *s.* প্রিথিবি ধৰোঁতা, পর্ব্বত, a mountain; (*lit.* sustaining the earth.)

ভুনভুন, } *s.* মাখি আদিৰ সব্দ, গুনগুননি, a buzzing sound, a low murmur.
ভুনভুননি, }

ভুনভুনাই, *v.* মাখি আদিএ সব্দ কৰি, ভনভনাই, to buzz, to hum &c.

ভুপতি, *s.* ৰজা, নৃপতি, প্রিথিবিৰ অধিপতি, a king, a sovereign.

ভু পোআ, *s.* বুজ পোআ, সুনা, জনা, an understanding or knowledge.

ভুবন, *s.* ব্রহ্মাণ্ড, জগত, a sphere; one of three worlds, *viz.* heaven, earth, and the subterranean regions.

ভুবুৰিউআ, *s.* নোম সিঁয়ৰোওআ, ৰোমাঞ্চিত হোআ, a bristling up or the standing of the hair on end, horripilation.

ভুবুৰিয়াই, *v.* নোম সিঁয়ৰাই, ৰোমাঞ্চিত হৈ, to bristle up or stand erect, as the hair, from sudden fright &c.

ভু ভটঙ্গ, } *s.* বুজবাজ, বার্ত্তাবিত, information, news, intelligence.
ভুভা, }

ভুমণ্ডল, *s.* প্রিথিবি মণ্ডল, ভুগোল, the earth, the terrestrial globe.

ভুমি, *s.* প্রিথিবি, মাটি, থল, the earth, the ground, dry land.

ভুমিকম্প, *s.* ভুইকঁপ, প্রিথিবি কঁপা, an earthquake.

ভুমিকা, *s.* আভাস, গ্রন্থ আদিৰ বিগ্যাপনি, the preface to a book.

ভুমুক, *s.* পুঙ্গ, উহ, পানি আদি উহ লৈ ওলোআ, a fountain, a spring.

ভুমুকাভুমুকি, *s.* ভুমুকি মৰা, ঘনে ঘনে মুখ উলিয়াই চোআ, alternately hiding and showing the face.

ভুমুকি, *s.* হঠাত দর্সন দিয়া, suddenly appearing.

ভুমুকিয়াই, *v.* হঠাত দর্সন দি, ভুমুকি মাৰি, to appear suddenly.

ভুৰভং, *s.* কটাক্ষ, ভ্রুভঙ্গ, উম্ঘাম, *lit.* bending the eyebrows; *i. e.* turning the attention.

ভুৰভুৰাই, *v.* অব্যক্ত সব্দ কৰি কৈ, to speak in a low monotonous tone.

ভুৰভৰিয়া, *a.* ঝুৰঝুৰিয়া, কোমল, soft, friable, (applied mostly to soil;) low, indistinct, applied to the voice.

ভুৰা, *s.* গা সেকিবলৈ কাপৰ আদিৰ বন্ধা টোপোলা, ভৰুৰা, a bag of sand or a small bundle of cloth, used in applying heat or dry fomentations.

ভুৰামাচ, *s.* উঁৱিকনা আদি সৰু মাচ, very small fish, (collectively.)

ভুৰুক কৰে, } *ad.* পুৰুকাই, সিঘ্ৰে, quickly, hastily.
ভুৰুকাই, }

ভুৰুকা, *s.* মাটিৰ সৰু টেকেলি, টিপা, থুকু, a small earthen vessel.

ভুৰুকিয়াই, *v.* ভুলাই, উলমুলাই, চহ দি, to impose upon, to trick, to cheat.

ভুৰুলা, *a.* পেটুলা, পুষ্ট, ভুৰুহা পেটা, pot bellied; *fem.* ভুৰুলি.

ভুৰুহা পেট, *s.* অলপ ডাঙৰ পেট, a pot belly, enlarged abdomen.

ভুল, *s.* পাহৰা কথা, ভ্ৰম, সোঁত নোহোৱা থিৰ পানি, মলপ, a mistake, an error, a blunder; with পানি, still or standing water.

ভুলচুক, *s.* ভুল, a reduplication of ভুল; an oversight, a blunder.

ভুলা, *s.* পাহৰা, বিস্মৰন, ভ্ৰম হোআ, a mistake, forgetfulness, deception.

ভুলাই, *v.* ভুল কৰাই, চল কৰি, পাহৰাই, মোহ কৰাই, to deceive, to lead into error, to mislead, to dupe, to trick, to inveigle.

ভুলি, *v.* পাহৰি, বিস্মৰন হৈ, ভ্ৰম হৈ, মোহ হৈ, to forget, to mistake, to lose consciousness, to be misled or infatuated.

ভুলুআ, *s.* পাহৰোআ, মোহ কৰোআ, ভ্ৰম জনমোআ, the causing to mistake, to be duped or infatuated; *a.* mistaken.

ভুলুঙভালাঙ, *s.* পুলুঙপালাঙ, কামত মন নিদি ঘনে ইফাল সিফাললৈ থকা, looking this way and that, the doing anything listlessly or carelessly.

ভুলোক, *s.* মৰ্ত্য লোক, ইহলোক, the earth, the habitation of men.

ভুষন, *s.* অলঙ্কাৰ বেস, সাজ, ornament, decoration, embellishment.

ভুসিত, *a.* অলঙ্কিত, সুভিত, সজোআ, decorated, embellished, adorned.

ভেউ, *s.* কুকুৰে ভুকা মাত, বৰ মাচ এবিধ, the bark of a dog; a species of fish.

ভেঁকুৰা, *a.* সেমেকি ফুলা, ভেকুন্দা, উসুমা, mouldy.

ভেঁকুৰা লগা, *a.* অকামিলা হৈ পৰি থকা, mouldy; hence disused.

ভেঁকুৰি, *v.* উসুমি, ভেঁকুৰা লাগি, এবিধ তিতা সৰু গচ, to mould, to mildew.

ভেঁকুৰি গুটি, *s.* এবিধ তিতা সৰু গুটি, a bitter medicinal seed.

ভেঁকুলি, *s.* খহু লগা এবিধ ভেকু, বেঙ, a toad; (improperly a frog.)

ভেঁকুলিয়া, } *s.* গৰু আদিৰ ডিঙিৰ বেগ এবিধ, a disease of the throat peculiar to cattle.
ভেঁকোল, }

ভেঁকো, *a.* একো নজনা মানুহ, ভেবা, হেবাং, stupid, dull, ignorant, foolish.
ভেঁকোভাওনা, *s.* মিচামিচিকৈ কৰা কাম, doing in mere pretence.
ভেঁকোলা, *s.* বেঙ্গ, ভেঁকুলি, a frog.
ভেঁজা, *s.* আওজা, হেঁচা, আসুই, তাঁতৰ হৈয়া সমান কৰা উপাই, a leaning against, a reclining, downward pressure, a prop, a refuge; making even the deficient side of a warp in weaving.
ভেঁট, *s.* জলৰ পুস্প এবিধ, a species of aquatic plant and its flower.
ভেঁটা, *s.* ধৰ, পানি, ৰখা আলি, সাখ্যাত কৰোতে বস্তু দিয়া, দর্সন পোআ, বেৰা, a dam or embankment to confine water, enclosing or surrounding; *a.* dammed up, introduced &c.
ভেঁটাই, *v.* সাখ্যাত কৰাই, বেৰাই, ধৰ বন্ধাই, বনৰিয়া ফুল এবিধ, to introduce to a superior, to enclose, to surround, to dam up, to hedge up a way; *s.* a species of wild flower.
ভেঁটি, *v.* ভেঁটা দি, সাখ্যাত কৰি, বেদি, সাখ্যাত কৰাত বা সিধি পাবলৈ দিয়া ধন বস্তু, to enclose, to dam or hedge up, to give a present or bribe, to introduce one's self to a superior; *s.* an altar, a raised bed of earth, a bribe, an offering made on visiting or saluting a superior.
ভেঁটি খাই, *v.* সিধি কৰিবলৈ বস্তু লৈ, to take a bribe.
ভেঁটি দিয়া, *s.* সিধি পাবলৈ বস্তু দিয়া, the giving of a bribe.
ভেঁটুআ, *a.* ভেটিৰ লগা, ভেঁটা, intended for a bribe.
ভেঁটোআ, *v.* আগ কৰোআ, লগ পোওআ, ভেঁটাই দিয়া, to bring forward, to introduce.
ভেৎকৰে, *ad.* অকস্মাতে বা বেগতে ভেলেক কৰে, দুর্গন্ধ উঠা, suddenly; applied to stench or to the crying of a child.
ভেঁৰি, *s.* বাদ্য বিসেস, a kind of trumpet.
ভেকভেক্ কৰে, *ad.* বৰকৈ, খেল্খেল্ কৰে হঁহা, boisterously, violently, loudly, applied to laughter.
ভেকাহি, *s.* হুঁকি, ডাবি, গেজেৰা, angry retort, snappishness, crossness.
ভেঙ্গুচালি, *s.* খেনি, পেঙ্গলাই, উপহাস, buffoonery, jesting, mocking.
ভেঙ্গুৰা, *a.* বেঁকা, ভাঁজ থকা, হেঁকেৰা, crooked, curved, bent.
ভেঙ্গুৰাভেঙ্গুৰি, *a.* বেঁকাবেকি, having several curves, very crooked.
ভেঙ্গুৰিয়া, *a.* see ভেঙ্গুৰা
ভেচ্ভেচিয়া, *a.* অসাৰ, নিস্ফল, মিচা, without foundation, (applied to a report,) fruitless, vain.
ভেচেলি, *s.* মাচ এবিধ, a species of fish.

ভেজাই, *v.* পানি আদিৰে মাজলৈকে তিতাই বা সৰকাই, তপত পানিত চেঁচা পানি মিহলাই, দ্ৰব্যত আন বস্তু ভাঁজ দি, to cause to be thoroughly saturated, to temper hot water by adding cold.

ভেজি, *v.* ভিজি, তিতি, পানি আদিৰে ভেদি, to wet, to soak, to saturate.

ভেট্‌ভেটিয়া, *a.* বৰকৈ কোমলা, ভেটেঙ্গা, পানি সোমাই ওফোন্দা, নিস্তেজ, উশহাৰ দৰে হোৱা, soft, saturated, swollen by moisture, pale, flaccid.

ভেটেঙ্গা, *a.* see, ভেট্‌ভেটিয়া.

ভেদ, *s.* ভিন, প্ৰিথক, বেলেগ, পেট বোৱা, separation, distinction, difference, dissimilarity; a purging by stool.

ভেদাভেদ, *s.* অৰ্থ সংগ্যাৰে প্ৰকাস কৰি, ভেদ আৰু অভেদ, ভিন অভিন, মিল অমিল, agreement and disagreement, differences.

ভেদি, *v.* ভেজি, মাজলৈকে সোমাই, সৰকি, to penetrate, to pierce.

ভেদেলি লতা, } *s.* এবিধ ঔসধিয় লতা, a species of medicinal vine.
ভেদাই লতা,

ভেনভেননি, *s.* বৰ মাখি আদিৰ কোনকোননি মাত, any buzzing sound.

ভেনভেনাই, *v.* মাখি আদিএ কোনকোনাই, to buzz.

ভেবৰ, } *s.* উতলত উঠা মলি, ভেৰ, গেদেৰি, the froth or scum that
ভেবেৰ, } rises on the surface of heated liquors.

ভেবা, } *a.* আজলা, একো নজনা, ভূ নেপাই মুখলৈ চাই থকা, ভূ হে-
ভেবুআ, } ৰোৱা, dull, stupid, in a maze.

ভেম, *s.* গপ, অহঙ্কাৰ, আয়স, pride, arrogance, affectation, conceit.

ভেমেচাভেমেচি, *a.* বেঁকাবেঁকি, হেঁটামেচা, bent, having several curves.

ভেৰ, *s.* see ভেবেৰ.

ভেৰনি, *s.* হেৱনি, গেবেৰুনি, সৰহ ভেৰ থকা ঠাই, a morass, a fen, a filthy place.

ভেৰাউলি, *s.* see ভেৰোন.

ভেৰাকুটি, *s.* ভুৰকুটি, ধেমালিত স্বাও ধৰা, jocosity, mirthfulness.

ভেৰাকুটিয়া, *a.* ধেমেলিয়া, কুটি কথা কোৱা, jocose, playful.

ভেৰেহা, *a.* আটিল নোহোৱা, ঢিলা, soft, flabby, flaccid.

ভেৰোন, *s.* নাও ঘৰ আদিৰ মাসিক বেচ, hire, rent.

ভেৰোনিয়া, *a.* ভেৰোনে দিয়া, ভেৰোন লগা, hired, rented.

ভের্ভেৰ কৰে, } *a* ভেবেৰৰ দৰে, গেলা, বোকাৰ দৰে, soft, rotten, pu-
ভের্ভেৰিয়া, } trid, slushy, marshy.

ভের্মেঠিয়াই, *v.* একে কথাকে বিৰোধ ভাৱে বাৰে বাৰে কৈ থাকি, ঠেহেৰা ঠেহেৰি কৰি, to speak in an angry fault finding manner, to grumble, to complain.

ভেল, *s.* জিব্‌ন থকা সৰিল, মৰা স, the dead human body.

ভেলেউ, *s.* গচ এবিধ, a species of tree.

ভেলেক কৰে, *ad.* বেগতে নাকত লগা দুৰ্গন্ধ, লৰাই হঁহা, with offensive smell; also spoken of the silly laughter of children.

ভেলভেল কৰে, *ad.* বৰকৈ নাকত লগা দুৰ্গন্ধ, with a disagreeable smell.

ভেলেকা, *a.* মুখ মেলি চাই থকা, আজলা, ভেবা, foolish, stupid, dull.

ভেলেকি, ভেলেকি বান, *s.* ইন্দ্ৰজালিক মায়া, খেতৰ সাইধ্য, magic, jugglery, sleight of hand.

ভেলেকি মৰা, *s.* ইন্দ্ৰজালি মায়া কৰা, খেঁতৰ সাইধ্য কৰা, the practice of the above, a juggler.

ভেলেঙ্গ, ভেলেঙ্গা, *a.* কথা কব নজনা, ভেবুআ, foolish, ignorant, stupid.

ভেলেঙ্গি, *s.* সৰ পহু এবিধ, a species of deer.

ভেস, *s.* see বেস.

ভেহ, *s.* কাঠ এবিধ, a species of tree.

ভৈয়াই, *interj.* দেহিঐ, সোকত মৰমেৰে মতা বা আচৰিত মনা, a vocative expressing sorrow, affection or suffering.

ভো, *a.* বৰ, অতি, great, eminent.

ভোঁত্‌কৰে, *ad.* অকস্মাতে, বেগতে, quickly, at once.

ভোঁভোঁআই, ভোঁভোঁকৰে, *ad.* খঙ্গত গোগোআই, অতি বেগে, বেয়া গোন্ধকৈ, with a humming sound, swiftly; with a bad smell.

ভোঁহৰ, *s.* বিন্ধনা, লোৰ সলা, বিন্ধা দিয়া জতন, an awl, a drill, a punch.

ভোঁহৰা, *a.* গাঁৰ আদি ফুটা, প্ৰকাস হোআ, pierced or opened, as a swelling; become public, spread abroad.

ভোঁহাৰি, *v.* বিন্ধি, ফুটাই, প্ৰকাস কৰি, to pierce, to make public.

ভোক, *s.* খাবৰ ইচা, খুধা, ৰুচি, hunger, appetite; with চৰি, to pass the usual time of eating or to suffer from hunger; with লাগি, to be hungry.

ভোগ, *s.* আস্বাদ, খোআ, দুখ সুখ আদি ভুঞ্জন, দেৱতাৰ আগত দিয়া পায়স আদি, eating, enjoying, possessing; enjoyment, suffering; an offering of cooked food to the gods; with কৰি, to undergo, to enjoy, to suffer.

ভোগজৰা, *s.* নলা' লগা জল পাত্ৰ বিসেস, তাওকিন, a kind of water vessel having a spout.

ভোগজিৰা, *s.* আঞ্জাৰ এক মচলা, সুগন্ধ গুটি এবিধ, an aromatic seed, cummin seed.

ভোগমঠিয়া, *a.* মকত, লোঠোঙ্গা, stout, corpulent, large.
ভোগবোআতি, *s.* অতি উত্তম কপিত মাটি, a fertile soil for rice.
ভোগৱতি, *s.* পাতালি গঙ্গা, the fabled Ganges of the infernal regions.
ভোগাই, *v.* ভোগ কৰি, সুখ কৰি, ভুঞ্জি, to enjoy, to suffer, to undergo.
ভোগালি, *a.* সুখ ভোগ থকা, সকলো বস্তুৰ ঠাই, happy, prosperous; *s.* a place of plenty.
ভোগোআ, *a.* সুখ ভোগ কৰা, ভুঞ্জা, possessed of plenty or happiness.
ভোচক্র, *s.* ডাঙ্গৰ সভা, বৰ মেল, a large assembly; *lit.* a large circle.
ভোচভোচ কৰে, *ad.* see ভচভচ কৰে.
ভোচোৰাই, *ad.* অকস্মাতে, বেগতে ভগা বা নষ্ট হোআ, suddenly; applied to the breaking of earthen vessels.
ভোজ, *s.* বিসেস সকামে নিমন্ত্রিত লোকৰ ভোজন, a banquet, a feast.
ভোজন, *s.* খোআ, আহাৰ কৰা, the act of feasting, a feast, a repast.
ভোজন পান, *s.* খোআ পিয়া, eating and drinking.
ভোজনি, *s.* বিসেস সকামত দান কৰা চাউল মাহ আদি ভোজনৰ বস্তু, a voluntary religious offering of food.
ভোট, *s.* অচম দেসৰ উত্তৰত থকা এক দেস আৰু জাতি, Bhootan, the Bhootanese.
ভোটএৰা, *s.* বঙ্গালি এৰা, a species of the castor oil plant.
ভোটভোটনি, *s.* নাৰিৰ গাজনি সব্দ, খঙ্গত অব্যক্ত ৰূপে হৈ থকা, a rumbling sound of the bowels.
ভোটভোটাই, *v.* অব্যক্ত সব্দ কৰি, গোৰগোৰাই, to rumble as above.
ভোটমৰা, *a.* সাক এবিধ, a hemp the leaves of which are edible.
ভোটমৰিচ, *s.* এবিধ মকত জলকিয়া, a species of large red pepper.
ভোটা, *s.* ডাঙ্গৰ চাকি, বৰ আৰিয়া, a large lamp, a torch used in hunting at night.
ভোটাতৰা, *s.* বৰ তৰা, চাইউঁৰিয়া মকত তৰা, a large star, Venus, the evening star.
ভোটোঙ্গ, ভোটোঙ্গটোঙ্গ, } *a.* সুৱনি নোহোআ, লোঠোঙ্গা, অসুৱনি ডাঙ্গৰ, ugly, coarse, large.
ভোটোঙ্গাভোটোঙ্গ, *a.* বৰ বৰ এঠোটা, লোঠোঙ্গালোঠোঙ্গ, thick, clumpy.
ভোত্ভোত্ কৰে, *ad.* বেলিএপতি, বাৰে বাৰে, again and again, repeatedly.
ভোতা, *a.* জোঙ্গ বা ধাৰ নথকা হোআ, ভোতোহা, blunt, dull.
ভোট তাল, *s.* কাঁহৰ এবিধ বৰ তাল, a kind of cymbal.
ভোতোৰা, *a.* মকত, ডাঙ্গৰ, নোকোহা, large, stout, stubbed.
ভোতোহা, *a.* see ভোতা, blunt, not sharp.

ভোদা, *a.* আজলা, ভেবা, foolish, simple, not sharp or discerning.

ভোপণ্ডিত, *s.* বৰ পণ্ডিত, a great pundit, a philosopher.

ভোবোকাৰ, } *a.* নোমাল, জপোঁপোঁআ, নোম সিঁয়ৰি থকা, having a heavy beard or long bushy hair, hirsute.
ভোবোৰা, }

ভোবোলা, *s.* খাহি নকৰা সৰহ নোমেৰে বৰ চাগ, a ram.

ভোম, *s.* চকুৰ পিৰিকটিৰ নোম, the eye lashes.

ভোমৰতি, *s.* গচ এবিধ, a species of tree.

ভোমালি, *v.* সৰকাই, বহলকৈ বিন্ধা কৰি, to transfix, to pierce through.

ভোমোৰা, *s.* উৰি ফুৰা পতঙ্গ এবিধ, এবিধ গচ আৰু গুটি, the large black bee; a species of tree the seeds of which are medicinal.

ভোমোলা, *a.* বৰ বিন্ধা হোআ, ইফালে সিফালে সৰকা, উদাৰ, pierced through, sincere, frank.

ভোম্ভোৰনি, *s.* ভোৰভোৰ সব্দ, গোৰগোৰনি, গোদগোদনি, a rumbling, a murmuring, muttering.

ভোৰ্ভোৰাই, *v.* মুখৰ ভিতৰত গোৰগোৰাই, to grumble, to mutter.

ভোল, *s.* এবিধ পাচলি গুটি, মোহ, মগন, an edible vegetable; forgetfulness, infatuation, delusion, fascination.

ভোলা, *s.* এবিধ গচ আৰু গুটি, অন্যাই নজনা সাধু বিসেস, a species of tree and its seed.

ভোলাভাঁটো, *s.* এবিধ উত্তম ভাটো, a species of parrot.

ভোলানাথ, *s.* সদাসিৱ, দেখিবলৈ সুআনি পুৰুষ, an epithet of Hiwo.

ভোলোঙ্গা, *a.* জেয়ে জিহকে কই তাকে সুনা, তনু, সেৰেঙ্গা, credulous, simple, easily deceived, of loose texture, thin, wide apart.

ভৌভৌআই, *v.* ভৌভৌ কৰি, ভুকি, বৰকৈ জ্বৰ আদিৰ তাপ উঠি, বা পুৰি, to bark, (as a dog;) to burn as with fever.

ভ্ৰম, *s.* ভুল, পাহৰন, বাউল, a blunder, an error, forgetfulness, a mistake, a delusion.

ভ্ৰমন, *s.* ফুৰা, গমন, a roaming or wandering about.

ভ্ৰমি, *v.* ফুৰি, গমন কৰি, to travel, to roam, to wander.

ভ্ৰষ্ট, *a.* নষ্ট, পতিত, fallen, degraded, depraved, corrupted.

ভ্ৰষ্টা, *a.* বিভিচাৰিনি তিৰোতা, বেস্যা স্ত্ৰি, *fem.* of the above; unchaste, fallen from virtue; *s.* an adulteress or unchaste woman.

ভ্ৰাতা, } *a.* ভাই, সহোদৰ, a general term for brother or cousin.
ভ্ৰাত্ৰি, }

ভ্ৰান্তি, *s.* ভ্ৰম, পাহৰন, a mistake, a delusion, an error, a going astray.

ভ্ৰিত্য, *s.* দাস, বন্দি, সেৱক, কিঙ্কৰ, a servant, a dependent, a slave.

ভ্রূর, *s.* পিৰঠিৰ ওপৰৰ নোম, চেলাউৰি, the eye brows.
ভ্রূভঙ্গ, *s.* কটাক্ষ, a frown, an angry glance, a scowl.

ম

ম, মকাৰ, this letter is pronounced like the English *m*.

মই, *pron.* আপুনি, স্বয়ং, কথাৰ সেমত জোগ হলে স্বৰূপ বা নিচিনা বুজাই, এটা দানৰ, I myself; used also as an affix to nouns by which they become adjectives, as দায়া, *mercy*, দায়ামই, *merciful*; *s.* the fabled artificer of the Danobs or demons.

মইনা, *s.* চৰাই এবিধ, a species of singing bird, the *moina*.

মইমত, *a.* আপোন মতেৰে প্রবর্ত্তী, পৰাধিন নোহোআ, মতগর্ব্বি, self-willed, obstinate, perverse, headstrong.

মইমতালি, *s.* হুমঠালি, মতগর্ব্বালি, দম্ভালি, self conceit, obstinacy &c.

মকটিয়া, *s.* কঁটিয়া ভলুকা বাঁহ এবিধ, বৰকৈ পাগুলি থকা, খোআ বস্তু ভালকৈ নিডিডা, a species of bamboo.

মকমকনি, *s.* বকবকনি, ফকফকনি, গোঁজৰনি, a grumbling or threatening.

মকমকাই, *v.* বকবকাই, ফকফকাই, to grumble, to threaten.

মকৰ, *s.* এবিধ জল জন্তু, মগৰ, দসম ৰাশি, a fabulous marine animal variously represented; with ৰাশি, the sign Capricorn.

মকৰকুণ্ডল, *s.* কানৰ ভুসন বিসেস, a kind of ear ornament.

মকৰা, *s.* এবিধ জাল তৰোঁতা পোক, a spider.

মকৰা জাল, *s.* মকৰাই পতা জাল, a cobweb, a spider's web.

মকাল, *s.* বাঁহ এবিধ, a species of bamboo.

মকুআ, *a.* আধাখুন্দা, মিহি নোহোআ, half pounded, coarse, ( as rice. )

মখনা, *s.* সৰু দাঁতিয়া হাঁতি এবিধ, a species of large elephant with short tusks.

মখমল, *s.* এবিধ কাপৰ, velvet.

মখা, *s.* জাক, বাহ, দল, একে ঠাইতে গোট খাই থকা, থমা, a word used in composition with nouns as an affix, meaning a herd, a flock, a drove, a collection, a multitude.

মগ, *s.* আৰাকান দেসৰ এক জাতি, বগা কুঁহিয়াৰ এবিধ, a *Mugh*, a tribe of people in Arracan; a species of sugar cane.

মগজু, *s.* হাৰৰ ভিতৰৰ ঘিঁউ, কঠ আদিৰ সিয়া দাঁতি, marrow; the selvedge of a cloth or mat.

মগন, } *s.* কথা ভাবি তবধ হোআ, তল জোআ, বুৰা, মজা, immersion, a
মগ্ন, } sinking; *a.* immersed, sunk, overwhelmed, wholly absorbed in or devoted to.

মগনিয়াৰ, *s.* খোজনিয়াৰ, ভিখাৰি, a beggar, a mendicant.

মগৰ, *s.* সাগৰৰ ভিহত জন্তু এবিধ, an imaginary sea monster.

মগৰমুৰি, *a.* মগৰৰ মুৰ থকা, ornamented with the head of the *Mogor.*

মগু, *s.* এবিধ মাহ, a species of legumnous plant.

মঘা, *s.* অঘৈয়া জোঙ্গ, দসম নক্ষত্র, চাৰি সিৰিয়া চোআ আদিৰ গদা, a pointed stub or stump of a reed; the tenth lunar asterism; a flat bludgeon.

মঘুআ, *s.* কলডিলৰ বথুআ, মাঘ মাহত হোআ, a layer of the flower of the plantain; relating or belonging to the month of *Magh.*

মঙ্গল, *s.* ত্রিতিয় গ্রহ বা বাৰ, কুসল, কৈল্যান, সুভাসুভ গননা, the planet Mars; Tuesday; prosperity, happiness, a calculation for ascertaining future events; divination, with চাই, to calculate future events, to divine.

মঙ্গলতি, *s.* মঙ্গল চোআ মানুহ, one who practices divination.

মঙ্গলমৰা, *s.* চাই ঠেঙ্গিয়া জন্তুএ মাটিত আঁচোৰা, the pawing or scratching of the ground by quadrupeds.

মঙ্গহ, *s.* মাংস, flesh, meat.

মঙ্গহাল, মঙ্গহিয়াল, } *a.* পুষ্ট, নোদোকা, fat, stout, fleshy.

মচত, *ad.* গৰ্ভত, জগতত, কেতিয়াও, (*lit.* in the womb or germ,) hence, in existence.

মচন্দৰি, *s.* এবিধ দৰৱ সাক, পানিত আৰু মাচত থকা ভূত বিসেস, a medicinal vine, a fabulous water demon.

মচমচ্ কৰে, *ad.* চনচন কৰে, পাত আদি ভগা বা চোবোআৰ সবদৰ দৰে, with a crackling sound, (as when chewing anything crisp.)

মচমচিয়া, *a.* চনচনিয়া, চনকা, brittle, easily broken, dry, crisp.

মচৰমচকুটি, *s.* জগতৰ সকলো দৰৱ, বিবিধ ঔসধ, medicine in general, every known remedy.

মচলমান, *s.* জবন, মহম্মদৰ সেৱক, গৰিয়া জাত, a Mussulman.

মচলা, *s.* সুগন্ধি বস্তু, বাখৰ, spice, drugs.

মচা, *s.* লিপা, মাৰ্জন কৰা, পানি আদি টোকা, the act of wiping, plastering, smearing; *a.* wiped, smeared, plastered.

মচাকোচা, *a.* লিপা পোচা, আঁতোআ পিঁতোআ, cleaned and plastered over.

মচি, *v.* লিপি, মাৰ্জন কৰি, টুকি, to wipe, to smear, to plaster.

মচিদ, *s.* মচলমানৰ নাম ঘৰ, a musjid or mosque, a Mussulman place of worship.

মচুআ, *a.* মাচৰ সম্বন্ধিয়, relating to fish.

মচুৰ মাহ, *s.* এবিধ ৰঙ্গা মাহ, a species of red pulse or lentil.

মচোআই, *v.* মচাই, টোকাই, লিপাই, the causative of মচি, which see.

মচোআগোম, *s.* এবিধ কলা সাপ, a species of black venomous serpent.

মজ, *s.* গচ এবিধ, a species of tree.

মজৰা, *s.* এবিধ কুঁহিয়াৰ, আৰু এজাত খাগৰি, a species of sugar cane, a kind of jungle reed.

মজলিয়া, *a.* ৰব সৰু দুইবো মাজৰ, মধ্যমিয়া, middling, moderate, medium.

মজা, *s.* ঘঁহা, তল জোআ, মোহ জোআ, a rubbing, sinking, an overwhelming, fascinating; *a.* rubbed, overwhelmed, engrossed, absorbed, captivated, fascinated.

মজাই, *v.* ঘঁহাই, তল নিয়াই, মোহ নিয়াই, causative of the above.

মজাঠি, *s.* ৰঙ্গা ৰবনিয়া লতা এবিধ, the Indian madder.

মজাঠিবুলিয়া, *a.* মজাঠিৰে বোলোআ, মজাঠিৰ বোলৰ নিচিনা, dyed with the Indian madder or resembling the color.

মজামজিকৈ, *ad.* মাজে মাজে, মাজে সময়ে, কেতিয়াবা কেতিয়াবা, now and then, occasionally.

মজাবলি, *s.* বিসাল পৰুআ এবিধ, a kind of venomous insect.

মজি, *v.* মগ্ন হৈ, বুৰি, মোহ গৈ, to submerge, to sink, to be mentally absorbed in or wholly devoted to.

মজিন্দাৰ, *s.* আগৰ ৰজাৰ দিনৰ বিসই এথন, a head writer or accountant of the old Assam kings.

মজিয়া, *s.* ভাত খোআ ঠাই, ঘৰৰ মাজ ঠাই, a dining room, the middle apartment of a house.

মজুআ, *a.* see, মজলিয়া.

মটক, *s.* মোআমৰিয়া, মৰান, Muttuck, a district in upper Assam.

মট্মট, } মটমটনি, } *s.* কোনো দ্রব্য মোটোকোআত উঠা সব্দ, কোনো কথা কৰিম বুলি ৰবকৈ থকা, a crackling sound.

মট্মট কৰে, *ad.* বেগতে ভগাৰ সব্দ, টন্টন্ কৰে, with a dry crackling sound.

মট্মটাই, *v.* মট্মট্ সব্দ কৰি, to make a crackling sound.

মট্মটিয়া, *a.* মট্মট্ সব্দ থকা, টন্টনিয়া, নুকান, having a crackling sound.

মটৰকৰে, } মটৰাই, } *ad.* ঠনৰাই, ভগা চিগাত মটৰ সব্দকৈ, with the sound of snapping or breaking.

মটৰ মাহ, *s.* এবিধ মাহ, peas.

মটহা, *a.* লন্দন নোহোআ, মটঙ্গা, সৰুট, ঠৰঙ্গা, coarse, large, stout, stiff, unbending.

মটিয়া, *a.* মাটির নিচিনা, like earth, mixed with earth.

মঠ, *s.* দল, মন্দির, গপ, ঠেহ, গ, a temple, a monastery, a pagoda; with জুরি or ধরি; *v.* to be sulky, sullen, morose or obstinate.

মঠসা, *a.* মটহা, সকত, এবিধ ধান, stout, rough, coarse; *s.* a species of paddy.

মঠলামঠলি, *s.* গপিয়াগপি, ঠেলিয়াঠেলি, ভের্মেঠিয়াভের্মেঠি, a mutual bickering, disdain or abuse.

মঠলিয়াই, *v.* গপাই, ভের্মেঠিয়াই, to bicker, to speak angrily &c.

মঠা, *a.* খহকা, মিহি নোহোআ, মাঠনি আদিরে নিমজ করা, coarse, rude, not gentle; smoothed.

মঠাডাঙ্গ, *s.* ধান এবিধ, a species of paddy.

মঠালনি, *s.* দন্দত অহঙ্কারকৈ কোআ কথা, গপালনি, the act of defying or speaking disdainfully.

মঠালি, *v.* কোবাই বা চাঁচি সমান কৰি, গপিয়াই, ভের্মেঠিয়াই, to smooth, to plane, to defy.

মঠিয়া, *s.* মাটির গাগরি, বর ডেগ, a large earthen jar.

মণ্ড, *s.* মাঁর, ভাত আদির রস বা জোল, starch, rice gruel.

মণ্ডল, *s.* সূর্জ চন্দ্রর বাহিরে হোআ রশ্মির বের, মরল, গোল, চক্র, ভেঁটিত গুরিয়েরে লিখা সুভ সুচক চক্র বিসেস, a circle, an orb, a sphere, a disc, a halo, a small circle marked on the ground in a dwelling on which offerings are made to the gods.

মণ্ডলাকার, } *a.* ঘূরনিয়া, গোলাক্রিতি, spherical, round, globular.
মণ্ডলাক্রিতি, }

মণ্ডলি, *s.* ঘূরনিয়াকৈ বহা সমাজ, স্কুল, সমুহ, খ্রিষ্ট ধর্মর সভার সাধারন নাম, *lit.* sitting in a circle, hence, an assembly, a church &c.

মণ্ডা, *s.* চেনি আদিরে করা মিঠৈ বিসেস, a kind of sweetmeat.

মত, *s.* আসই, মন, বিত্তি, আচার, ধরম পথ, রূপ, নিচিনা, a disposition of the mind, a particular sentiment or belief, a way, a sect; subjoined to other words it means, like, similar.

মতগজ, *a.* সকত, ডাঙ্গর, stout, large.

মতগর্ব, *s.* অহঙ্কার, মইমতালি, self conceit, self will.

মতর, } *s.* ঔসধ বিসেস, আহুদি, a charm or medicine given to bewitch or to gain the affections.
মতরা, }

মতরি, *s.* আহুদি করোঁতা, হারামি, one who administers the above.

মতলিয়া, *a.* মদ আদির রাগিএ ধরা, মতোআল, পগলা, drunk, intoxicated, as with strong drink or hemp.

মৎস্য, *s.* মাচ, বিষ্ণুৰ প্ৰথম অৱতাৰ, a fish, the incarnation of Vishnoo in the form of a fish.

মতা, *s.* পুৰুষ, কোআ, নিমন্ত্ৰন কৰা, খেমা খোজা, a male; the act of calling, inviting, or of begging pardon; *a.* male, called, invited.

ম-তা, *s.* গন্ধক আদি বাখৰেৰে কৰা জুইৰ খেমালি, a kind of fire works.

মতাই, *v.* বোলাই, নিমন্ত্ৰন কৰাই, খেমা খোজাই, to cause to call, to invite, to beg pardon.

মতি, *s.* মন, বুধি, আসই, ইচা, mind, understanding, disposition, desires, inclination.

মতোআল, *a.* see মতলিয়া.

মথন, *s.* মথা, মাখন কৰিবলৈ গাখিৰ আদি ঘোটা, stirring, churning.

মথনি, *a.* মথন সমন্ধিয়, জিহেৰে মথে, relating to the above; with মাৰি, a churning stick.

মথা, *s.* মথন কৰা, গাখিৰ আদি ঘোঁটা, the act of churning; *a.* churned.

মথাউৰি, } *s.* বাৰ্ইনি পানি ভেটাব কাৰন নৈৰ দাঁতিৰ ওখ আলি, ধৰ, an
মথাৰি, } embankment.

মথি, *v.* মথন কৰি, ঘোল কৰি, to churn.

মথুৰা, *s.* তিৰ্থ বিশেষ, কৃষ্ন জন্মাৰ নগৰ, *Mathura*, a town celebrated as the birth place of Krishnoo.

মদ, *s.* ভাত আদিৰে কৰা বাগিয়াল বস্তু, সুৰা, চেৰাপ, কটকা, arrack, spirituous liquor.

মদন, *s.* কামদেউ, কাম, the name of the hindoo Cupid; lust.

মদনা, *s.* পৰ্বতিয়া ভাঁটৌ এবিধ, a species of parrot.

মদপি, *s.* মদাহি, সুৰা পান কৰোঁতা, a drinker of arrack, a drunkard.

মদকআ, *a.* মদাৰ কাঠৰ দৰে কোমল বা বৰন, soft, wood without heart.

মদাৰ, *s.* মন্দাৰ বিৰিখ, the coral tree; (Erythrina Fulgens.)

মদাহি, *s.* see মদপি, a drunkard.

মধা, *s.* মুঠা, পোলা, a large bundle, an armful, (as of wood &c.)

মধামধে, *ad.* পোলা পোলে, আকোআলে আকোআলে, bundle after bundle; in bundles.

মধু, *s.* মৌ মাখিৰ ৰস, মৌ, honey; *a.* sweet, melodious.

মধুনা, *s.* কলা গচৰ মাজৰ সাৰ ডোখৰ, the heart of the plantain tree.

মধুপৰ্ক, *s.* উচৰ্গা কৰিবলৈ গোটোআ গাখিৰ মৌ আদি, a religious offering of milk and honey.

মধুমই, *a.* মৌৰ দৰে সোআদ, মৌ জেন, sweet; honied, mellifluous.

মধুৰ, *a.* সোআদ, মিঠা, সুললিত, sweet, luscious, pleasant.

মধুৰিয়াম, *s.* এবিধ গুটি আৰু তাৰ গচ, the guava tree and its fruit.

মধ্য, *s.* মাজ, অন্তৰ, ভিতৰ, সংখ্যা বিসেস, the middle, an interval, the centre; *a.* intermediate, medium, central, ten thousand billions.

মধ্যম, *a.* মজলিয়া, মাজিও, middling, intermediate, central.

মধ্যস্থ, *a.* মাজত থকা, একলিয়া নোহোআ, সমজুআ, standing between, intervening; *s.* a mediator, an umpire.

মধ্যাহ্ন, *s.* দুপৰ বেলা, দিনৰ তিনি ভাগৰ মাজৰ ভাগ, noon, midday.

মন, *s.* মতি, চিত, দোসাদোস গ্যান, ইচা, আসই, the mind, the heart, the conscience, desire; with কৰি or দি; *v.* to give the attention; with গৈ, to wish or desire; with পৰি or বাহিঁ, to be contented; with পাই, to know or understand another's heart or inner feelings; with পুৰি, to sympathize with another's distress; with লাগি, to be attached to another.

মনস্থ, *a.* মনত থকা, ইচা, বাঞ্চা, *lit.* situated in the mind; desired, wished for; *s.* a desire, wish, design, intention.

মনা, *s.* গা পাতি লোআ, আদৰ কৰা, মান্য বা আগ্যা পালন কৰা, সুজা, চকুৰে তৰ্কা, বাধা, a regarding, reverencing; acclimation, clearness of perception, interdiction.

মনাই, *v.* মান কৰাই, the causative of মানি, which see.

মনাকচু, *s.* বৰকৈ খজুউআ এবিধ বনৰিয়া কচু, a species of wild Kosu.

মনি, *v.* তৰ্কি, নিৰিখন কৰি, মুকুতা পোআল আদি ডিঙ্গিৰ অলঙ্কাৰ, চকুৰ মাজৰ পুতলা, to discern by looking attentively; *s.* a gem, a pearl, a bead or string of beads; the pupil of the eye.

মনিঅৰি, *s.* সুআগমনি ধান, এবিধ চৰাই, a kind of paddy, a species of small bird.

মনিকুট, *s.* নাম ঘৰৰ মুৰত সজা পূজা ঘৰ, a small house attached to a *namghor*, where the idols are worshiped.

মনিচ, *s.* মনুস্য, মানুহ, man, mankind.

মনিচাল, *s.* হাইঠা গুটি বা তাৰ গচ, a species of tree and its fruit.

মনিজৰু, *s.* মনি সিয়া বটিয়া, তাঁতৰ সৰু জৰি এবিধ, a string for beads; the cords attached to the pedals of a native loom.

মনিপুৰ, *s.* অসম দেসৰ দখিন ফালৰ এক দেস, the country of Munnipoor.

মনিপুৰিয়া, *a.* মনিপুৰ দেসৰ, মনিপুৰৰ, of or belonging to Munnipoor; Munnipooria.

মনিৰাজ, *s.* ফুল এবিধ, a species of flower.

মনু, *s.* হিন্দুর এক ধর্ম শাস্ত্র, স্বায়ম্ভুব আদি চৌধ্য জন মুনি বিসেস, Monu, the famous hindoo legislator and the supposed revealer of the Indian code of laws; a Monu or president of the universe of which there are said to be fourteen in every kolpo or interval from creation to creation.

মনুস্য, *s.* see মনিচ, man, the human race.

মন্থর, *s.* কলা প্রকার, a species of plantain.

মনেমনে, *ad.* গুপুতে গুপুতে, নিস্তব্ধে, secretly, privately, quietly &c.

মনোআ, *s.* বনবিয়া তিতা সাক এবিধ, মান করোআ, a kind of bitter wild vegetable; the causing to observe or regard.

মনোনিত, *a.* বাচি লোআ, গ্রাহ্য করা, elected, chosen, approved, wished for, acceptable.

মনোমই, *a.* ইচামই, মনর দরে, according to desire or wish; mental.

মনোরথ, *s.* মনর কামনা, ইচা, desire; *lit.* a vehicle of the mind.

মনোরম, *a.* মন লগা, মনোহর, সুন্দর, agreeable, lovely, pleasing, beautiful.

মনোহর, *a.* মন মোহা, মন হরা, ravishing, charming, captivating.

মন্ত্র, *s.* দেবতা আরাধনার গুপ্ত বাক্য, জরাফুঁকা আদি গুন, a mystical formula of invocation to the gods, an incantation, a spell, &c.

মন্ত্র করা, *s.* জরাফুঁকা করা, গুন বাক্য মতা, pronouncing an incantation, the use of magic or enchantment.

মন্ত্রি, *s.* আলচ কর্তা, ফন্দিয়ক, রজার প্রধান পাত্র, counsellor, adviser, the king's prime minister.

মন্দ, *a.* বেয়া, কু, bad, evil, vile.

মন্দর, *s.* মন্দরাচল, মথনি পর্বত, the fabulous mountain *Mondor*, with which the ocean is said to have been churned by the *Ohurs*, in order to recover the sacred things lost by the deluge.

মন্দার, *s.* see মদার.

মন্দির, *s.* দেৱালই, মঠ, ইশ্বর সেৱা করা থান, ঘর, a temple, a shrine, a place of worship.

মন্বন্তর, *s.* এক জন মনুর ভোগর দিন, ৭১ মহা জুগ, in hindoo chronology, a period of time consisting of 71 *jugs* of the gods or 306,-720, 000 years of mortals; fourteen *monwontos* constitute a *kolpo* or a period of creation and destruction.

মম, *s.* মৌ সিটা, beeswax; with বাত্তি, a wax candle.

ম-ম করে, *ad.* মহমহকরে, সুগন্ধকৈ, fragrantly, sweetly.

মমত, *s.* চেনেহ, মরম, দায়া, affection, compassion, pity.

মৰমৰা, *a.* মলমলিয়া, সুগন্ধি, ভালৰি, fragrant, favored, esteemed.

মঁয়ুৰ, *s.* মৰা চৰাই, the peacock.

মৰক, *s.* মাৰি, মাউৰ, জহনি আদি, ভূগাত বা চোবোআত উঠা সন্দ, mortality, plague, pestilence, contagion, an epidemic; the sound of sudden breaking or of crushing with the teeth.

মৰকত, *s.* বহু মুলিয়া মনি এবিধ, an emerald.

মৰকিয়া, *s.* লোকৰ গৰুৰে দুদিন হাল বাই এদিন পাল নিয়া হালোআ, ploughing two days for the use of a pair of bullocks one day.

মৰকুচিয়া, *s.* এবিধ লৰা মৰা খেহৰ, an imaginary evil spirit said to destroy little children.

মৰকুটা, *s.* খেৰ কঠিয়া আদিৰ গুৰিত থকা জাবৰ, refuse straw, thatch &c.

মৰগ, *s.* মহঙ্গা, টান দৰ, scarcity, dearness, high price.

মৰগিয়া, *s.* মহঙ্গা, টান দৰৰ, high-priced, costly, dear, scarce.

মৰঙ্গ, *s.* সৌচৰ ঘৰ, ভৰি হাত ধোআ ঘৰ, a privy, a necessary.

মৰঙ্গ চোআ, *s.* ৰজাৰ হাৰি, মেটোৰ, a mehter or sweeper.

মৰন, *s.* মিত্যু, মৰা, প্রান বিজোগ, death, demise.

মৰনএদা, *s.* এবিধ ঔসধি এদা, a species of ginger.

মৰনা, *s.* গৰু মঁহ আদিৰে খলাত মাৰিবলৈ পতা ধান আদি, the treading out of grain by cattle.

মৰপা, *s.* লো আদি ঘহা জতন, ও বিসেস, a kind of file or rasp.

মৰা ভাও জোৰা, *s.* মৰাৰ দৰে পৰি থকা, সতঙ্গ জোৰা, a state of insensibility or the pretence of it.

মৰম, *s.* চেনেহ, বেথা, মমত, affection, tenderness, compassion, sympathy.

মৰমৰাই, *v.* সুকান বস্ত ভগাত বা ভজা বস্ত চোবোআত সন্দ উঠি, to make a rustling or crackling sound.

মৰ্মৰিয়া, *a.* খৰ্খৰিয়া, সুকান, মৰ্মৰ্ সবদ থকা, very dry, having a rustling or crackling sound.

মৰমিয়াল, *a.* চেনেহ কৰা জন, দয়ালু, মৰম থকা, affectionate, kind.

মৰল, *s.* চন্দ্র সুর্জৰ মেৰৰ বাহিৰে পতা ঘুৰনিয়া চাঁয়া বা মণ্ডল, a halo, a circle around the sun or moon.

মৰলিয়া, *s.* এবিধ সাক আৰু এবিধ গচ, a species of edible vegetable.

মৰলি সাপ, *s.* এবিধ সাপ, a species of snake.

মৰলিপাক, *s.* মৰলি সাপৰ নিচিনা পাক, a coil, a winding or tortuous motion like that of the above snake.

মৰসন, } *s.* খেমা কৰা, দোস তিয়াগ কৰা, সহা, forgiveness, forbearance, enduraee.
মৰসা, }

মৰসি, *v.* খেমা কৰি, দোস এৰি, সহি, to forgive, to forbear, to endure.

মৰহা, *a.* জির্ন হোআ, সুকান, পচা বিসেস, old, dried up, shriveled, faded.

মৰহি, *v.* জির্ন হৈ, সুকাই, নিৰস হৈ, to dry up, to wither, to fade.

মৰা, *s.* মৈৰা চৰাই, এবিধ বৰ মতা হাঁতি, ঘৰৰ চালৰ দুই মুধে দিয়া কাঁৰৰ পোলা খেৰ, a peacock, a species of elephant; a tuft of thatch bound on the ends of the ridge of a house.

মৰা, *a.* মিৃত্যু হোআ, বধ কৰা, প্ৰহাৰ কৰা, সস্যাদিৰ গুটি সৰোআ, dead, beaten, struck, thrashed, killed; *s.* the act of beating &c.

মৰাই, *v.* ধান আদিৰ গুটি সৰাই, প্ৰহাৰ কৰাই, বধ কৰাই, to cause to be threshed or trodden out as of grain, to cause to beat or kill.

মৰান, *s.* মটক বা মোআমৰিয়া লোক, the *Muttuck* district and its people.

মৰাপাট, *s.* মৰা গচৰ চালৰ সুতা বিসেস, hemp, jute, (Corchorus Olitorious.)

মৰামৰি, *s.* কিলাকিলি, মৰিয়ামৰি, টঙনাটঙনি, a mutual striking back and forth, a scuffle.

মৰামু, *s.* মৰাৰ মুৰ নিতান কৰা কাল, উত্তৰ পুবৰ মাজ দিস, the point of the compass, (N. E.) towards which the head of a corpse is laid.

মৰামুআ, *a.* মৰা মুকৈ থকা, pertaining to the N. E. as above.

মৰাৰ পেৰা, *s.* মৰা স থোআ পেৰা, মৰনৰ পেৰা, a coffin.

মৰি, *v.* মিৃত্যু হৈ, to die, to be extinct.

ম-ৰি, *s.* এবিধ টেঙা, এবিধ পেঁপা, a species of citron, a kind of trumpet.

মৰিনি, *v.* হাবি মাটি কাটি থৈ, হাবি মাটি মাৰি থৈ, to cut jungle preparatory to planting the following year.

মৰিচ, *s.* see জলকিয়া.

মৰিচা, *s.* এবিধ খোআ সাক, কাঁহ পিতলৰ মামৰ বিসেস, a species of edible vegetable, verdigris.

মৰিয়া, *s.* পিতল গঢ়োঁতা এক জাত মানুহ, a class of braziers.

মৰিয়াই, *v.* টঙনিয়াই, কোবাই, to beat, to strike, to cause to be beaten.

মৰিয়ানি, *s.* মৰিয়াৰ তিৰোতা, *fem.* of মৰিয়া, which see.

মৰিয়ামৰি, *s.* see মৰামৰি.

মৰিসালি, *s.* মৰা পোতা বা পোৰা ঠাই, সামনসালি, a graveyard, a burial ground, a cemetery.

মৰুভুমি, s. উখৰা মাটি, জল নথকা ঠাই, a dry sterile soil, a sandy desert.

মৰুআ, a. মাৰ নকৰ্হা, এবিধ সুগন্ধি ফুল, sized, unwashed; s. a species of fragrant flower.

মৰোআ, s. প্ৰহাৰ কৰোওআ, বধ কৰোআ, ধান আদিৰ গুটি সৰোআ, the causing to beat, kill, thresh; a. beaten, killed &c.

মৰ্কটিয়া মাহ, s. বেয়া মাহ, অধিক নৰিয়াৰ মাহ, the sickly months.

মৰ্জতা, } s. মান, মৰ্জদা, আদৰ, সন্মান, ভাল নাম, honor, reputation,
মৰ্জাত, } respect, esteem.

মৰ্জতালি, s. মান মৰ্জদা কৰা বা থকা, respectability; a. respectable, estimable, honorable.

মৰ্ত্য, s. নৰ, মনুস্য, মৰন থকা, ম্রিত্যুৰ অধিন, a mortal, a man; a. earthly, mortal, dying.

মৰ্ত্যলোক, s. প্রিথিবি, মনুস্য লোক, ইহলোক, the earth, the abode of mortals, mankind.

মৰ্দন, s. মোহৰা, মোচৰা, পিহা, ঘঁহা, দমন, the act of grinding, rubbing or pounding, a trampling, a subduing.

মৰ্মৰ, s. এবিধ বহু মুল্য সিল, সুকান বস্ত ভঙ্গাত বা চোবোআত উঠা সবদ, marble, any crackling or rustling sound.

মৰ্মস্থান, s. অলপ আঘাতত্তে প্রান মৰা ঠাই, কোমল ঠাই, any vital part.

মৰ্সন, s. see মৰসন.

মৰ্সি, v. see মৰসি.

মল, s. মলি, টাটৰি, ওখল, ফলৰ সৰু কলি, dirt, filth, excrements, ordure, a fruit germ.

মলথু, } s. চালনিৰ উপৰচৰিয়া চাউল, coarse rice that remains in
মলসু, } the sieve after sifting.

মলঙ্গিৰি, a. বৰ, ডাঙ্গৰ, অতি সকত, large, stout.

মলঙ্গা, a. ভেঁকুন্দা, উখুমা, গাপ উঠি গোন্ধোআ, ঘমা, mildewed, fermented, mouldy.

মলঙ্গি, v. উখুমি, গাপ উঠি, ঘামি, to ferment, to sweat, to mildew.

মলচা, a. মচা, টোকা, rubbed, wiped.

মলচি, v. মচি, টুকি, to rub, to wipe.

মলপ, s. নৈৰ ভুল পানি, থিৰ পানি, still or standing water.

মলম, s. ঔসধিয় লেপ, ঘা আদিত লিপি দিয়া ঔসধ, a salve, a plaster.

মলমল্ কৰে, ad. অতি সুগন্ধ ৰূপে, চিকন ৰূপে, fragrantly, smoothly.

মলমলিয়া, a. সুগন্ধি, fragrant.

মলমাস, s. বৰ্হা মাহ, an intercalary month.

মলয়া, s. অতি ওপৰ গগন, সুগন্ধি কাঠ বিসেস, the upper regions of space; with চন্দন, sandal wood.

মলয়াচল, s. ভাৰত বৰ্ষৰ মলয়া নামেৰে এটা পৰ্ব্বত, the *Malay* mountains answering to the western Ghats of India.

মলহা, s. এবিধ কুঁহিয়াৰ, নদিৰ কোসত থকা এবিধ সকত খাগৰি, a species of sugar cane, a kind of large jungle reed that grows near water.

মলা, s. মোহৰা, ঘঁহা, সৰু চৰু, ফুল মনি আদিৰ গঁথা মালা, the dissolving of a substance by maceration, a small earthen vessel, a chaplet, a garland, a wreath, a rosary.

মলাচৰু, s. সৰু চৰু, কঠনিয়া মলা, চৰু আৰু মলা, an earthen vessel larger than the above.

মলাজপা, s. মলা গুটিৰে নাম বা মন্ত্র জপ কৰা, the repetition of the names of the deities on a rosary.

মলামনি, s. সোন পোৱাল আদিৰে গঁথা দিঘলকৈ ডিঙিত পিন্ধা মনি, a necklace of beads.

মলামুআ, a. মলা যেন মুখ থকা, বহল মুখিয়া, broad faced, like the *mola.*

মলি, s. ওখল, টাটৰি, মল, ঘঁহি নিকা কৰি, হঁপাতত গুৰ সানি, dirt, filth of the body; *v.* to rub, to press, to squeeze, to dissolve by maceration.

মলিন, a. টাটৰি ৰখা, মলি যুক্ত, ফেদুআ, বিবৰন, dirty, filthy, faded.

মলিয়া, s. মলাগঁথা বা ফুল চিঙ্গি অনা লোক, one who prepares garlands.

মলিয়াই, v. আম আদিৰ ফুল কলি ধৰি, to set, (as young fruit.)

মলুআ, s. ঢোল খোলৰ মুখৰ গোঁঠনি, মহৰাল, গাল মুখ ধৰা, a peculiar kind of binding used in securing the ends of a native drum; *a.* fleshy, having a full face.

মসিমুৰ, a. মহিমুৰ, চুৰ্নিক্রিত, চুৰ্ন্নৈ, চুৰ্নায়মান, broken to atoms.

মস্তক, s. মুৰ, সিৰ, মাথা, the head, the top.

মস্তক, } a. সকত, বৰ ডাঙ্গৰ, large, stout, gigantic.
মস্তুং, }

মস্তুল, s. নাৱৰ পাল তৰা খুঁটা, a mast.

মহ, s. মহিষ, a buffalo.

মহ, s. তেজ খোআ পতঙ্গ এবিধ, a musquito.

মহখুঁটি, s. মহ ৰখা ঠাই, a place where buffaloes are kept.

মহগুআল, s. মহ ৰখিয়া, a keeper of buffaloes.

মহঙ্গ, s. ডুখৰিয়া লোনৰ এক হাট বিসেস, a class of people.

মহঙ্গা, *s.* see মৰগ.

মহঙ্গিয়া, *a.* মৰগিয়া, মহঙ্গৰ লোক বা বস্তু, dear, scarce; relating to the above class of people.

মহটিয়াই, *v.* জপটিয়াই, পকাই মোহাৰি, to trample down and destroy cultivation.

মহত, *a.* বৰ, ডাঙ্গৰ, মহা, উত্তম, প্ৰধান, great, important, chief, noble.

মহতালি, *s.* ডাঙ্গৰৰ ভাৱত কৰা কেৰামতালি, দম্ভালি, a show of greatness, display, ostentation.

মহন্ত, *s.* মহাজন, ধৰ্মাচাৰ্য্য, গোসাঁই, ডাঙ্গৰ, a religious teacher.

মহ্মহ্, *s.* গৰু আদিএ ঘাঁহ খোআৰ সব্দ, the sound of chewing.

মহ্মহ্ কৰে, *ad.* মহ্মহ্ সব্দকৈ, অতি সুগন্ধ ৰুপে, like the above sound; sweetly, fragantly.

মহম্মদ, *s.* মচলমানৰ ধৰম থাপন কৰোতা জন, Mahomet, the founder of the Mussulman religion.

মহৰি, *s.* কাকতি, লিখক, লিখাৰু, a writer, a scribe, a clerk.

মহল, *s.* পৰগনা, মৌজা, a district, a division of a province.

মহলা, *s.* প্ৰমান লোআ, বিদ্যাৰ পৰিক্ষা, আলচ, proof, trial, examination; with লৈ, to examine as of a school.

মহলা পতা, *s.* আলচ কৰা, counseling.

মহলিয়া, *s.* গাৱৰ পৰা বস্তু আনি দোকানিক বেচা বেপাৰি, মহলত থকা, a wholesale country trader; *a.* belonging to a মহল.

মহা, *a.* প্ৰধান, বৰ, মহত, সিকি, চাৰি অনা, এসিকিৰ ভৰ, মাহিএকৰ গিৰিএক, great, large, excellent; *s.* silver coin worth four annas, four annas in weight; the husband of a mother's younger sister.

মহাকাল, *s.* সিৱৰ নাম বিসেস, মৃত্যু, an epithet of Hiwo, death.

মহাকালি, *s.* স্যামা গোঁসানি, an epithet of Durga.

মহাজন, *s.* মহন্ত, সাধু, ডাঙ্গৰ বেপাৰি, an eminent saint, a religious teacher, a merchant, a money lender.

মহাজনিয়া, *a.* মহাজন সম্বন্ধিয়, relating to the above.

মহাত্মা, *s.* মহিমা, প্ৰভাও, পৰাক্ৰম, majesty, glory, divine power.

মহাতল, *s.* পাতাল বিসেস, one of the hindoo infernal regions.

মহাদেউ, *s.* ৰুদ্ৰ, সদাসিৱ, Hoda Hiwo.

মহা দেবি, *s.* পাৰ্ব্বতি, গোঁসানি, Parboti, wife of Hiwo.

মহান, *a.* প্ৰধান, স্ৰেষ্ঠ, মহত, grand, great, vast, important.

মহা নিদ্ৰা, *s.* মৰন, মৃত্যু, *lit.* the great sleep; death.

মহানিম, *s.* এবিধ তিতা গচ, নিম তিত', the *Nimtita* tree.
মহা নিসা, *s.* মাজ নিসা, মানিসা, ঘোৰ নিসা, the dead of night, midnight.
মহাপথ, *s.* ৰাজবাট, মিত্যু, a highway, death.
মহা পৰা, *a.* অলপ ভেঁকুৰা পৰা, বিবৰন পৰা, slightly mouldy or defaced.
মহা পাতক, } *s.* বৰ পাপ, হিন্দু মতে ব্ৰাহ্মন বধ আদি পাঁচ বিধ পাপ, a
মহা পাপ, } heinous offence, one of the five highest crimes.
মহা পাতকি, } *a.* পঞ্চম মহা পাপি, বৰ পাপি, guilty of the above.
মহা পাপি, }
মহাপুৰুস, *s.* সিদ্ধ লোক, শ্ৰী সঙ্কৰ দেৱ, শ্ৰী মাধ দেৱ, a saint, a great man, a nobleman; a title given to Shri Honkor and Madho Deo.
মহাপ্ৰলই, *s.* কল্পান্ত, চৌধভুবন নাস, জি প্ৰলয়ৰ পাচত একো নেথাকিব, বৰ আপদ, a dissolution of the world, occurring according to hindoo ideas, every 420,000,000 of years; also the great dissolution of the universe, commensurate with the life of Brahmá, when saints, gods, and Brahmá himself will melt away and vanish. (Wilson.)
মহাবিয়াধি, *s.* বৰ বিয়াপাৰ, কুষ্ঠ ৰোগ আদি, an incurable or mortal disease.
মহাবিসুব, *s.* বহাগৰ সংক্ৰান্তি, চত্ৰৰ বিহু, the day on which the sun passes from the last to the first sign of the zodiac.
মহাভূত, *s.* বৰ ভূত, প্ৰিথিবি, জল, আকাস, অগ্নি বায়ু, এই পঞ্চ ভূত, a primary element of which the hindoos reckon five; viz. earth, water, air, fire, ether.
মহামহিম, *a.* বৰ মহিমাযুক্ত, মান্যবান, most noble, illustrious &c.
মহামায়া, *s.* অসাৰ সংসাৰ, দুৰ্গা, worldly illusion, the vanity of the world; an epithet of Durga.
মহামাৰি, *s.* বৰ মৰক, মাউৰ, জহনি, ৰাজপিৰা, a pestilence, plague.
মহামূল্য, *a.* অতি মুল্য, বহু মুলিয়া, precious, costly, high priced.
মহাৰাজ, *s.* প্ৰধান ৰজা, সৰ্গদেও, a great king or sovereign; an address to royalty equivalent to "your majesty."
মহি, *s.* প্ৰিথিবি, the earth.
মহি, *s.* চিয়াহি, ধাতু আদি গলোৱা পাত্ৰ, ink, an earthen vessel used for fusing metals, a crucible.
মহিচুঙ্গা, *s.* মৈলাম, লিখিবলৈ ধৰি চিয়াহি থোৱা পাত্ৰ, an inkstand.
মহিপাল, *s.* ৰজা, প্ৰিথিবিক পালোঁতা জন, a king, a sovereign, *lit.* a preserver of the earth.

মহিমা, *s.* প্ৰভাও, ঐশ্বৰ্য্য, প্ৰতাপ, greatness, glory, majesty, dignity.

মহিয়া, *a.* সিকিটিয়া, মাহৰ সমন্বিয়, ৰুপৰ কমিস্যন, of the value of four annas; pertaining to a month.

মহিসি, *s.* ৰজাৰ ঘৈনি, কুঁঅৰি, পটেশ্বৰি, a queen consort.

মহুৰা, *s.* পালেঙ্গ আদিৰ বেৰত দিয়া কাঠৰ চুঙ্গা বিসেস, কাপৰ ববৰৈ ইকৰাৰ কাঠিত মেৰোআ সুতা, the rods of a bed railing; a quill or reed on which thread is wound for the shuttle in weaving.

মহেন্দ্ৰ, *s.* see ইন্দ্ৰ.

মহেস, *s.* সদাসিৱ, মহাদেৱ, an epithet of Hiwo.

মহেস্বৰি, *s.* দুৰ্গা, Durga.

মহোত্চও, *s.* প্ৰধান উতচও বা পৰ্ব, a great festival.

মাই, *s.* মোমায়েকৰ ঘৈনি, a maternal uncle's wife.

মাইকাঠি, *s.* জঁতৰৰ ঘিলাৰ মাজৰ বাৰি, মনি কাঠি, the axis or axle of a native spinning wheel.

মাইকি, *s.* তিৰি, স্ত্ৰি, মাক, a woman, a mother; *a.* female.

মাইকি পোআলি, *s.* মাক আৰু সন্তান, টকা বা মোহৰ আদি মৰা সাঁচ, a mother and her children, a die for stamping coin.

মাইগুটিয়া, *s.* এবিধ ধান, a species of paddy.

মাইগোম, *s.* এবিধ মিকিৰৰ ধান, a species of Mikir paddy.

মাইহাঙ্গ, *s.* ৰজা আদিএ ভাত খোআ সোন আদিৰ পাত্ৰ বিসেস, a kind of gold or silver plate used only by the king and his nobles.

মাউখ, *s.* বেলেগ নোহোআকৈ থকা পৰিয়াল আদি, a family group, a club.

মাউখপাতি, *v.* একে লগে থাকি, to dwell together.

মাউত, *s.* হাঁতি ৰখিয়া, an elephant driver.

মাউৰ, *s.* জহনি ৰোগ, মৰক, the cholera, pestilence.

মাউৰা, *s.* মাক বাপেক মৰা, পিত্ৰি মাত্ৰি হিন, an orphan, deprived of one or both parents; *a.* orphan, bereft.

মাংস, *s.* see মঙ্গহ.

মাকত, *s.* জাবৰাঙ্গৰ গচ, এবিধ ঔসধিয় গচ বা গুটি, a species of medicinal tree and its fruits.

মাকৰি, *s.* মাঘি সপ্তমি তিথি, a festival held on the seventh day of the moon's increase in the month of *Magh.*

মাকৰিঘিলা, *s.* ঔসধিয় সৰু ঘিলা এবিধ আৰু তাৰ গচ, a large climbing shrub and its seed, (Dalbergia Marginata.)

মাকো, *s.* তাঁতৰ মহুৰা ভৰাই থোআ কাঠৰ জতন, a weaver's shuttle.

মাখন, *s.* গাখিৰৰ মথা সৰ, butter.

মাখি, *s.* পতঙ্গ বিশেস, a fly.
মাখিঅতি, *s.* বিহুত গৰু কোবোআ এবিধ সৰু গচ, a tree the twigs of which are used to drive home the cows on the *Bihu* festival.
মাখিচাল, *s.* চালৰ ওপৰৰ পাতল চাল, the upper or scarf skin.
মাখমৌ, *s.* এবিধ সৰু মৌ, a species of small honey bee.
মাখুন্দি, *s.* মাইকি হাঁতি, a female elephant.
মাখোগলা, *a.* বৰ গলা, গোখোৰা গলা, having large cheeks.
মাগন, *s.* ভিখ্যা কৰা, খোজা, গোনোআ, begging, asking, soliciting.
মাগনি, *s.* খোজনিয়াৰ তিৰি, a female beggar.
মাগি, *s.* খুজি, ভিখ্যা কৰি, গোনাই, to beg, to ask, to solicit.
মাগোন, *s.* see মাগন.
মাঘ, *s.* হিন্দুৰ দসম মাহ, the tenth hindoo month, being parts of January – February.
মাঘিসপ্তমি, *s.* see মাকৰি, মাঘৰ সুক্লা সপ্তমি.
মাচ, *s.* মত্স্য, মিন, a fish.
মাচকঁইটা, *s.* পানৰ সলনি চালেৰে তামোল খোআ এবিধ গচ, a species of tree.
মাচতি, } *s.* মাচ ৰহিয়া, সৰহ মাচ ধৰিব পৰা, expert at fishing.
মাচতিয়াৰ, }
মাচমৰিয়া, *s.* মাচ মৰা লোক, জালোআই, a fisherman.
মাচুল, *s.* ভেটোন, দান, postage, fees, taxes.
মাজ, *s.* মধ্য, ভিতৰ, অন্তৰ, the middle. the centre, an interval; among, in the midst; *a.* intermediate, central, middle.
মাজডাঙ্গৰি, *a.* কঁকাল ডাঙৰ (তিৰি,) having a large waist, (*fem.*)
মাজতিয়া, *a.* মাজত হোআ, মাজুই, between, in the middle.
মাজপাচ, *s.* ঘৰৰ চালৰ তিনি ভাগৰ মাজ ভাগ, কুমৰ ভাগ, the middle portion of one side of a thatched roof.
মাজালি, *s.* মাজত থকা, মাজৰ ভাগ, a middle piece; *a.* middle.
মাজিউ, } *s.* মাজৰটো, মাজতিয়া, a middle or second one, (applied to
মাজু, } children in a family.)
মাজুলি, *s.* দুসুঁতি নৈৰ মাজত থকা চাপৰি, উপদিপ, an island.
মাজে মাজে, *ad.* মাজেদি, মধ্যে মধ্যে, মজামজিকৈ, কেতিয়াবা কেতিয়াবা, through the middle, now and then, sometimes.
মাজেমুধে, *ad.* আগ পাচ নেচাই, উৰমুধ নাইকিয়াকৈ, heedlessly, carelessly, without looking to the result.
মাটি, *s.* ভূমি, মৃত্তিকা, earth, soil, ground.

মাটিকঁঠাল, *s.* কেতেই কঁঠাল, the pine apple, and plant.

মাটিগাদ্রি, *s.* এবিধ খোআ সাক, কুকুৰা ঠৈঙ্গিয়া সাক, a species of edible vegetable.

মাটিফেঁটি, *s.* বিসাল সাপ এবিধ, a species of venomous snake.

মাটিমাহ, *s.* এবিধ কলা মাহ, a kind of pulse, (Phasulus Radiatus.)

মাটিমাহি, *s.* সৰু চৰাই এবিধ, অতি জাতি, a species of small bird, gentle, tame.

মাটোকটোকা, *s.* এবিধ লতা বিসেস, মাটুকটুকা, a species of medicinal vine.

মাটৌৰ, *s.* ঠানৌৰ, কোনো দ্ৰব্য ভগাত উঠা সব্দ, the sound of anything cracking or breaking.

মাঠ, *a.* জুৰ, মেদা, slow, indolent, inactive.

মাঠনি, *s.* নিমজ কৰা সৰু হাঁতুৰি, a smoothing hammer.

মাঠি, *s.* মাঠনিৰে সমান কৰি, নিমজ কৰি, এবিধ মাটিৰ গাগৰি, to smooth with the above hammer; *s.* a large earthen jar.

মাটুকটুকা, *s.* see মাটোকটোকা.

মাত, *s.* সব্দ, বচন, ভাসা, দোআন, sound, voice, language, speech; with মাৰি, to put to silence; with লগাই, to speak to; with ফুটি, to commence to articulate.

মাত কথা, } *s.* কথা বাৰ্তা, গালি সপনি, conversation, abuse; with খাই,
মাত বোল, } to receive abuse; with কৰি, to converse, to abuse.

মাতা, *s.* মাক, মাত্ৰি, জননি, আই, mother.

মাতামহ, *s.* মাকৰ বাপেক, ককাক, a maternal grandfather.

মাতামহি, *s.* মাকৰ মাক, বুৰিমাক, a maternal grandmother.

মাতি, *v.* বুলি, কৈ, ৰিঙ্গিয়াই, আহ্বান বা নিমন্ত্ৰন কৰি, খেমা মাগি, মাইকি, to speak, to invite, to call, to beg pardon; *a.* female.

মাতেমাতে, *ad.* কথাই কথাই, মুখে মুখে, গালিএ সপনিএ, word for word, abuse for abuse; tit for tat.

মাত্ৰ, } *ad.* মাথোন, কেৱল, তেতিয়াই, only, merely, as soon as, im-
মাত্ৰকে, } mediately.

মাত্ৰি, *s.* আই, মাতা, mother.

মাথা, *s.* মুৰা, মুৰ, সিৰ, the head.

মাথোন, *ad.* মাত্ৰ, কেৱল, only, merely.

মাদলি, *s.* বিৰি, মনিৰ মাজত থকা এবিধ ডাঙ্গৰ মনি বিসেস, a large bead or neck ornament, which with medicine enclosed is worn as a charm or amulet.

মাদুৰি, *s.* এবিধ নৈৰ চাপৰিত হোআ বন, a species of grass.
মাদৈ, *s.* ৰানি, ৰজাৰ কুঁঅৰি, a queen, a king's consort.
মাধ মাৰ, *s.* বৰ টাঙ্গোন, বৰ মাৰ, a mauling, a blow with a cudgel.
মাধৱ, *s.* ক্রিষ্ণৰ এক নাম, an epithet of Krishnoo.
মাধৈমালতি, *s.* এবিধ লতা আৰু তাৰ সুগন্ধি ফুল, a species of vine which bears a fragrant flower.
মান, *s.* সন্মান, মৰ্জ্জাত, বৰ্মা দেস বা তাৰ লোক, honor, respect, obedience; Burmah and its people.
মাননি, *s.* মান কৰি দিয়া বা আগ কৰা বস্তু, মানৰ তিৰি, regard, respect, the giving anything in token of respect or of religious homage; a Burmese woman.
মাননিয়, মাননিয়াৰ, *a.* মান্যৱন্ত, সম্ভ্রান্ত, মানিব লগা, respected, honored, binding, obligatory, entitled to respect.
মানন্তা, *s.* জি জনে মান কৰে বা কথা সুনে, মানোঁতা, the act of obeying, respecting &c. one who respects, venerates or obeys.
মানৱি, *a.* মনুস্য, মানুহ সমন্ধিয়, mortal, relating to man.
মানস, *s.* মনৰ চিন্তা, বা ভাব, ইচা, a thought, a wish, a volition.
মান সত্কাৰ, *s.* আদৰ সন্মান, মান মৰ্জ্জাত, respect, reverence, honor.
মানসিক, *a.* মনৰ সমন্ধিয়, মনত থকা, relating to the mind, mental, ideal, imaginary.
মানি, *v.* মান্য কৰি, আগ্যা পালি, সুনি, পটিয়াই, লগি, সমান জোখৰ, to esteem, to honor, to respect, to observe, to obey, to agree with, to suit; *a.* well proportioned, comely, fitting.
মানিক, *s.* পাথৰ তিখা আদিত উঠা ফিৰিঙ্গটি, বহু মুলিয়া বস্তু বিসেস, a spark of fire struck from iron or steel, a ruby.
মানিকিমধুৰি, *s.* এবিধ সৰু জহা ধান, a species of paddy.
মানিসা, *s.* মাজ নিসা, দুপৰ নিসা, midnight.
মানুহ, *s.* মনুস্য, নৰ, man, mankind.
মানুহমুআ, *a.* শিনোআত অলপ চিকন হোআ, অলপ চহকি হোআ, recovered from emaciation; having a competence.
মানুহালি, *s.* বৰ লোক জেন দেখুউআ, manliness or the affectation of it; a parade of wealth or greatness.
মান্তামান্তি, *s.* পৰস্পৰে সমত হোআ, মিল হোআ, mutual consent.
মান্তি, *s.* সৈমান, সমত, assent, agreement, willingness.
মান্য, *s.* আদৰ, মান, মৰ্জতা, honor, respectability.
মান্যৱতি, *a.* মান্য থকা বা কৰিব লগা স্ত্রি, (*fem.*) honorable, respectable.

মান্যৱন্ত, } *a.* আদৰনিয়, মান থকা বা কৰিব লগা, honored, venerated,
মান্যৱান, } worthy of respect.

মামৰ, *s.* লো আদিত ধৰা মল, rust, oxide of iron.

মামৰি, *s.* এবিধ চালৰ ৰোগ, a kind of cutaneous disease.

মামৈ, *s.* গেৰেকুআ তামোল, এবিধ সৰু বন তামোল, a species of wild betelnut.

মায়া, *s.* চদ্ম, ময়া, খেতৰ সাইধ, লোভ মোহ আদি, মৰম, প্ৰেম, illusion, magic, fascination, worldly illusion, affection, love.

মায়াজাল, *s.* লোভ মোহ আদিৰ বন্ধন, the net of worldly illusion.

মায়াপি, *a.* মায়া সম্বন্ধিয়, বাজিকৰ, হৰলুক, magical, worldly, illusive, fascinating; *s.* a magician, a juggler.

মাৰ, *s.* আঘাত, টাঙ্গান, মণ্ড, ভাতৰ নিসনি, মুঠি, জোৰ নাও, a blow, rice starch or gruel; with নাও, a raft made of two or more boats bound together.

মাৰ গৈ, *v.* অস্ত হৈ, নেদেখা হৈ, সুহি, সান্ত হৈ, to set, to disappear, to evaporate, to dry up, to become calm.

মাৰ জোআ, *s.* অস্ত জোআ, সুৰ্জ আদি বহা, সোহা, সান্ত হোআ, the setting of the heavenly bodies, evaporation; the subsiding of anger or of a tempest, cessation.

মাৰল, *s.* বৰ ঘৰৰ মুখৰ ঘৰ, তামুলি চৰা, a portico.

মাৰলি, *s.* খুঁটাৰ ওপৰত চাল ধৰা দিয়ল বাঁহ বা কাঠ, আও কাঠি গচ এবিধ, a transverse support of a roof resting on the posts of a building; a species of tree.

মাৰি, *v.* দলি কাঁৰ আদি নিলগলৈ খেপন কৰি, মৰিয়াই, জপাই, বধ কৰি, কাঁৰিয়াই, গুলিয়াই, বাৰি, জহনি, to beat, to strike, to shut, to kill, to shoot, to destroy; *s.* a rod, a stick, a mortal disease, as cholera.

মাৰিমৰক, *s.* জহনি আদি, cholera, a pestilence.

মাৰ্ঘাত, *s.* মৰন তুল্য আপদ, কষ্ট, বিপত্তি, a deadly blow, a fatal calamity.

মাৰ্ভাত, *s.* সুতা সিজোআত দিয়া আধা খুন্দা ধানৰ ভাত, broken rice or paddy boiled and used for sizing.

মাল, *s.* বাহু জুজাৰু, মল্ল, a wrestler, a boxer.

মালজুধ, *s.* মালে কৰা জুধ, wrestling, boxing.

মালতি, *s.* সুগন্ধি ফুল এবিধ, a species of fragrant flower.

মালভোগ, *s.* এবিধ ধান, কলা এবিধ, বনৰিয়া সাক বিসেস, a kind of paddy, also of plantain; an edible wild vegetable.

মালা, *s.* see মলা.

মালি, *s.* বাৰিচোৱা, ফুল তোলা বা গঁথা মানুহ, এবিধ মাচ, a gardener, a species of fish; *fem.* মালিনি, a woman who prepares garlands.

মালিহা, *s.* চহলা মহলা, মিচাই মঁচাই কথাৰ চাঙ্গ পতা, the art of dissembling, feigning or pretending; pretence, dissimulation.

মাহ, *s.* দুপখ, ডেৰ কুৰি দিনৰ সংখ্যা, মাটি মগু আদি ডাইল, গাৰ চালত থকা এবিধ টোপোৰা, a month; a general name for several kinds of pulse; a wart.

মাহনি, *s.* মাহতলি, মাহ বোৱা ঠাই, a field of pulse.

মাহি, *s.* মাকৰ ভনিএক, সতিনী মাক, a maternal aunt, a stepmother.

মাহিকটা, *s.* এবি মুগা আদিত মাখিৰ পোৱালি হোৱা, a small worm the egg of which is hatched in the cocoon.

মাহিলি, *ad.* মাহে মাহে, মাহে প্ৰতি, monthly.

মাহুদি লতা, *s.* এবিধ ঔষধৰ লতা, a species of medicinal tree.

মাহেকিয়া, *a.* এমহিয়া, এমাহ হোৱা, of one month, a month old.

মাহে মাহে, *ad.* প্ৰতি মাহে, মাহেপতি, every month, monthly.

মিকিৰ, *s.* পৰ্ব্বতিয়া জাতি বিশেষ, Mikir, a Hill Tribe on the southern border of the Nowgong District in Assam.

মিচলিয়া, } *s.* মিচা কথিয়া, অসত্যবাদি, a liar, an untruthful person.
মিচাবাদি,

মিচা, *a.* অসত্য, অযকপ, এবিধ কুঁজা মাচ, পকা বহিত জুৰুৰিউৱা কুহিয়াৰৰ মিঠা দ্ৰব্য বিশেষ, false, untrue; *s.* a species of fish; a kind of sweetmeat.

মিচাই, *ad.* অযকপটে, মিচামিচিকৈ, falsely, untruly.

মিচালি, *s.* মিচা কথা, অসত্য, a lie, a falsehood, an untruth.

মিচিকিয়াই, } *v.* অলপ হাস্য কৰি, মিলিক কৰে হাঁহি, to smile, to look
মিটিকিয়াই, } pleased.

মিচিকিয়া হাঁহি, *s.* মিলিকিয়া হাঁহি, a smile, a look of pleasure or of approbation.

মিচিমি, *s.* এক পৰ্ব্বতিয়া জাতি বিশেষ, Mishmee, a Tribe of mountain people on the N. E. border of Assam.

মিচিমি তিতা, *s.* এবিধ মিচিমি দেশৰ তিতা দৰৱ, a medicinal bitter herb found in the Mishmee hills, ***Mishmi Teeta.***

মিচিৰি, *s.* এবিধ চেনি বিশেষ, sugar candy.

মিজিঙ্গমাজাঙ্গ, *a.* মাহিমুহা, জুলুকজালাক, খৰপোচ নকৰা, slow motioned, slow paced, lazy, sluggish.

মিচিৰা, *a.* ঘিটিৰা, কঁটিয়, গা কৰিব নোৱৰা, short, below the average height or size, dwarfed.

মিটি, *v.* মিলি, to be reconciled, to make up, as a quarrel.

মিট্মিটনি, *s.* সুকান খাগৰি আদি ভঙ্গাৰ সবদ, a crackling sound.

মিট্মিটিয়া, *a.* মিট্মিট্ কৰে সব্দ উঠা, crackling, snapping.

মিঠা, *a.* মিস্ট, সোআদ, সুঅলা, লাৱন্য, সুস্বাদু, sweet, pleasant, agreeable; *s.* sweetness, suavity.

মিঠামৰা, *s.* এবিধ পাট সাক, লহকৰি মৰা, a species of the hemp the leaves of which are edible.

মিঠামৰি, *s.* সোআদ টেঙ্গা এবিধ, জুৰ, সান্ত, a species of fruit resembling the citron; *a.* cool, dispassionate.

মিঠৈ, *s.* গুৰ পিঠাগুৰি আদিৰ লারু, গুৰ, treacle, sweetmeats.

মিত্ কটাৰি, *s.* সৰু আগ জোঙ্গা কটাৰি, a small sharp pointed knife.

মিত্ দা, *s.* জোঙ্গা দা এবিধ, a large knife similar in shape to the above.

মিতা, *s.* একে নাম হোআত সম্বোধন বিসেস, সখিৰ নিচিনা, a familiar address equivalent to friend.

মিতিনি, *s.* মিতাৰ ঘৈনি, দুই তিৰিৰ মিতা, *fem.* of the above.

মিতিৰ, *s.* মিত্র, কুটুম, ইস্ট, a friend, a connexion.

মিতিৰালি, *s.* কুটুমালি, মিতিৰৰ ভাও, friendship.

মিত্র, *s.* see মিতিৰ.

মিত্রাখ্যৰ, *s.* পদ্যৰ প্রতি পদৰ সেসত থকা একে উচাৰনৰ আখৰ, rhythm, rhyme in poetry.

মিথুন, *s.* ত্রিতিয় ৰাসি, জঁজা, the sign Gemini, the Twins.

মিন, *s.* দ্বাদস ৰাসি, মাচ, the sign Pisces, the Fish.

মিনতি, *s.* বিনতি, কাকুতি, বিনই, a supplication, a request, a prayer, a petition.

মিনা, *s.* সোন ৰুপত ৰঙ্গ দিয়া কাঁচৰ নিচিনা দ্রব্য বিসেস, enamel.

মিনা কৰা, *a.* সোনৰ অলঙ্কাৰ আদিত মিনাৰে চিত্র বিচিত্র কৰা, enameled or the act of enameling.

মিৰমিৰ কৰে. *ad.* মিহ্মিহ্ কৰে, লাহে লাহে, slowly, gently, by degrees.

মিৰি, *s.* জাতি এবিধ, a tribe of people in upper Assam.

মিৰিঅনি, *s.* মিৰিৰ তিৰোতা, a female of the above Tribe.

মিৰিকা, *s.* এবিধ টেঙ্গা, ৰাঙ্গি বৌমাচ, a kind of acid fruit, a species of fish.

মিৰিমাহ, *s.* অৰ্হৰ মাহ, a kind of pulse, (Cytricus Cajau.)

মিল, *s.* একে হোআ, বিৰোধ নথকা, সংজোগ, সম প্রিতি, agreement, union, harmony, concord, contact, reconciliation.

মিলন, *s.* মিল হোআ, উপার্জন, উত্পন, পৰাপতি, coming into contact, union, being reconciled; acquisition, gain, profit.

মিলমিলাই, *v.* নিচলা অলপ চিকোন হৈ, গা পুৰ হৈ, to fill out, to recover.

মিলমিলিয়া, *a.* অলপ মঙহ বৰ্হা বা চিকোন হোআ, grown fleshy.

মিলা, *a.* মিল হোআ, পোআ, united, reconciled, obtained.

মিলাই, *v.* লগ পোআই, সংপ্রিতি কৰাই, ঘটাই, উপাৰ্জন কৰাই, to unite, to join, to reconcile, to bring to pass, to match, to acquire.

মিলাপ্রিতি, *s.* মিলি বা চেনেহেৰে থকা, peace, amity, concord, unity.

মিলি, *v.* লগ লাগি, মিল হৈ, ঘটি, পাই, to match, to agree to, to obtain, to happen.

মিলিককৰে, } *ad.* অলপ হাস্যৰে, মিচিকৰুৰে, smilingly, in a sim-
মিলিকিয়াই, } pering manner.

মিলেৰে, } *ad.* লগে ভাগে, চেনেহ প্রিতিৰে, with one accord,
মিলাপ্রিতিৰে, } affectionately.

মিষ্ট, *a.* see মিঠা.

মিস্র, *s.* মিহলি, a mixture, a compound; *a.* mixed.

মিস্রিত, *a.* মিহলি হোআ, সনা, লই হোআ, mixed, compounded, incorporated; with কৰি, to compound, to mix.

মিহলি, *a.* মিস্রিত, লেটিপেটি, mixed, mingled promiscuously.

মিহলাই, *v.* মিস্রিত কৰি, to mix, to throw together promiscuously.

মিহি, *a.* নিমজ, সিতল, খৰচিয়া নোহোআ, fine, smooth, minute.

মুই, *v.* গুৰি দ্রব্যত অলপ পানি আদি মানি, তামোল খোআত লগা মেলেঙি, to mix any powdered substance with water to the consistence of dough; *s.* vertigo caused by the excessive use of tamul pan.

মুকলি, *a.* উদঙ, আৰ বেৰ নথকা, বন্ধন নোহোআ, ফলঙ, loose, untied, open, uncovered, unenclosed.

মুকলিমুৰিয়া, *a.* উদঙ মুৰিয়া, স্বাধিন, স্বতন্ত্র, free, unrestrained.

মুকুট, *s.* মুৰৰ ভূষন, কিৰিটি, a crest, a crown, a diadem, a tiara.

মুকুটি, *s.* গালত মুঠিৰে মৰা খুন্দা, a blow with the fist on the cheek.

মুকুটিয়াই, *v.* মুকুটি মাৰি, to smite with the fist on the cheek.

মুকুতা, *s.* বহু মুলিয়া ৰত্ন বিসেস, a pearl.

মুকুতি, } *s.* পৰিত্রান, নিস্তাৰ, ৰখ্যা, উধাৰ, deliverance, freedom,
মুক্তি, } salvation, final beatitude or the deliverance of the soul from matter and from the necessity of successive births.

মুক্ত, *a.* মুকুত, উধাৰ পোআ, এৰোআ, saved, delivered &c.

মুক্তিদাতা, } *s.* মুকুতি দিওতা, ত্ৰান কৰ্ত্তা, a deliverer, a saviour.
মুক্তিদায়ক, }

মুক্তিয়াৰ, *s.* প্ৰতিনিধি, উকিল, an agent, an attorney, an overseer.

মুখ, *s.* বদন, আহাৰ আদি কৰা দুআৰ, আগ ফাল, নৈএ আন নৈ আদিত পৰা ঠাই, the mouth, the face, front, entrance or opening, a river's mouth; with কৰি, to look, to hold intercourse with; with চাই, to show partiality; with দি, to take sides in a quarrel or dispute; with বজাই, to join in a dispute; with লাগি, to be affected by an evil eye; with ভাঙ্গি, to remove the effects of the evil eye; with মাৰি, to put to silence; with মৰি, to be silenced.

মুখৰা, *a.* মুখাল, কটু মাত মাতোঁতা, টেঙ্গা মাত দিওঁতা, uncivil, abusive.

মুখা, *s.* সজা মুখ, ভাওনা আদিত মুখত পিন্ধা চো, a mask, a disguise.

মুখাগ্নি, *s.* মুকুৰি, মৰাৰ মুখত চিতাত টোওঁআ জুই, fire placed in the mouth of a corpse on the funeral pile.

মুখামুখি, *s.* পৰস্পৰে হোআ বাক্য বচন, সমুখাসমুখি, দেখাদেখি, an interview; with কৈ, face to face.

মুখাল, } *a.* প্ৰধান, বৰ মুৰিয়া, মুখ্য, chief, principal, head, leading,
মুখিয়াল, } prominent.

মুখি, *v.* মোখনি দি, মুখৰ বান্ধ দি, নিৰুত্তৰ কৰি, to give the first binding to the edge of braided work; to put to silence.

মুখিয়া, *a.* মুখ থকা, বৰকৈ সিজা (মুখ,) having a face; over cooked, applied to a silk cocoon that has been overboiled preparatory to spinning.

মুখেমুখে, *ad.* মুখামুখিকৈ, মুখেপতি, face to face; full to the brim; in every one's mouth.

মুখ্য, *a.* see মুখাল, প্ৰধান, chief, supreme.

মুগা, *s.* এবিধ পলু আৰু তাৰ বাহ, বৰন বিসেস, a *mooga* silk worm and its cocoon, *mooga* silk; a light brown color.

মুগাচুঙ্গিয়া, *s.* মুগাচোঙ্গত থকা মানুহ, মুগা ৰখিয়া, one who tends the *mooga* silk worm; *a.* relating to the above.

মুগাৰ মাহি, *s.* see মুগাৰ পৰা ওলোআ পোক.

মুগা সুতা, *s.* মুগাৰ বাহৰ পৰা কটা সুতা, the *mooga* thread.

মুগি, *a.* মুগা বৰনেৰে মাইকি, of the color of *mooga*, as a cow &c.

মুগ্ধ, *a.* see মূঢ়.

মুগুৰি, *s.* see মুখাগ্নি.

মূচকচ, s. অচেতন, মূৰ্চ্ছা, ঢৰমৰ, a swooning, fainting, loss of sensation.
মুচকি, v. মোকোটা খাই, পাক খাই, সাঁফি লবি, to turn, to sprain or dislocate a joint.
মচমুচিয়া, a. বেগতে ভাগি জোআ, brittle, frail, easily broken.
মুচৰি, v. মোহাৰি, মৰ্দন কৰি, পকাই, to wring, to wrench, to twist, to fasten the ends of ratans &c. by twisting together.
মুচি, s. কঁঠালৰ কলি, the bud or young fruit of the Jack tree.
মুচিপেলাই, } v. কঁঠালে কলি ধৰি, to set; ( applied only to the fruit
মুচিয়াই, } of the Jack tree. )
মুচিয়াৰ, s. চালৰ কাম কৰোঁতা, চৰ্ম্মকাৰ, a tanner, a shoemaker &c.
মুজা, } a. কুঁজা, বাৰ্হিৰে নোঅৰা, bored by insects, blighted, blasted.
মুজুৰা, }
মুটকি, v. মুচকি, মোটোকা খাই, to bend, to sprain, to dislocate.
মুটুকিয়া, a. দাঁতত বাজি জোআ, এধা সিজা ভাত আদি, এধা ফুটা, imperfectly cooked, small and slender.
মুঠ, s. মোট, গোট, থুপ, সংযোগ, the sum total, substance, amount.
মুঠতে, ad. থোপতে, থাওকতে, তেনেই, by wholesale, as a whole.
মুঠন, s. মুঠি মৰা এহাত, কুৰি আঙ্গুল পৰিমান, a measure of length from the elbow to the lower knuckle joint of the little finger.
মুঠনিয়া, a. মুঠন পৰিমিত, relating to the above measure.
মুঠা, s. কোঁচা, আটি, পোলা, a large bundle, as wood, thatch &c.
মুঠামুঠ, s. অনেক মুঠা, পোলাপোলা, কোচাকোঁচ, many bundles; with কৰি, to make up into bundles.
মুঠি, s. হাতৰ মুঠি, ধানৰ আটি, মুঠিৰ পৰিমান, তৰোআল আদিৰ নাল, the clenched fist, a handful of reaped grain, a handful; the hilt of a sword; with মাৰি, to clench the fist.
মুঠিয়াই, v. চুৰিয়া আদি থুৰিয়াই, মুঠি মাৰি মাৰি, গপিয়াই, to lay in folds or plaits; to squeeze into balls; to boast, to vaunt.
মুঠিমুঠি, a. আটি আটি, কোঁচাকোঁচ, অনেক, in handfuls, abundant.
মূঢ়, } a. নিৰ্বোধ, একো নজনা, মূৰ্খ, মুগধ, foolish, stupid, ignorant,
মূঢ়মতি, } clownish; s. a fool, an idiot.
মুণ্ড, s. মূৰ, সিৰ, মাথা, a head, a skull.
মুণ্ডমালা, s. মানুহৰ মূৰৰ সজা মালা, a garland of skulls.
মুত, s. সৰুপানি, খুদ্ৰ সৌচ, মূত্ৰ, urine.
মুতা, s. খুদ্ৰ সৌচ কৰা, সৰু পানি তোআ, the discharging of urine.
মুতি, v. খুদ্ৰ সৌচ কৰি, to urinate, to make water.

মুতুৰা, *a.* সঘনে মুতি থকা, খুদ্ৰ মোচ কৰি থকা, discharging urine excessively.

মত্ৰ, *s.* see মূত্ৰ.

মুথা, *s.* কঠ সজা এবিধ গোন্ধোৱা বন; a species of grass used for making mats, and the roots of which are fragrant.

মুদা, *s.* চকু আদি জপোৱা, বিন্ধা, বাট, the act of closing the eyes; an orifice, an opening.

মুদাই, *v.* চকু জাপ খুআই, ঢাকি ধৰি, to shut the eyes; to close, or cover, to be oppressed with sleep.

মুদামৰা, *s.* মুৰ মৰা, বিন্ধা মৰা, ওৰ পেলোৱা, the act of closing or shutting up; bringing to a final end.

মুদি, *v.* চকু জপাই, চকু জাপ খুআই, to close, to shut; *a.* closed &c.

মুদুআ, *s.* চকু জাপ খুউআ, shutting; *a.* closed &c.

মুদুআই, *v.* চকু জপোআই, the causative of মুদি.

মুদৈ, *s.* সাউদ, ডাঙ্গৰ বেহেৰুআ, সদাগৰ, বানিজ্য কৰা লোক, a merchant, a trader, a banker.

মুদগৰ, *s.* লোৰ টাঙ্গোন বিসেস, মুতিৰ নোঅৰা এবিধ ৰোগ, a mace, a weapon, a kind of urinary disease.

মুদ্ৰা, *s.* আঙ্গুলিৰ ভঙ্গি বিসেস, সোন ৰুপ আদিৰ মোহৰ, talking by gestures with the fingers; a coin, a stamp.

মুধ, } *s.* মুধা, দুই খন চালৰ মাজৰ দিঘল জোৰা, the ridge of the
মুধচ, } roof of a house.

মুধৰখুঁটা, *s.* ঘৰৰ মুধৰ মাৰলিত লগোআ খুঁটা, a post that sustains the ridge pole.

মুধৰমাৰলি, *s.* দিঘে ঘৰৰ মাজত দিয়া বাঁহ বা কাট, a ridge pole.

মুধা, *s.* see মুধ.

মুধাফুটা, *a.* খিয়াতিমন্ত, পুৰাতনিয়া, renowned, ancient, venerable.

মুনি, *s.* ব্যাস বসিস্ট আদি ৰিসি, তপসি, বাটৰ মুৰ, a hindoo sage or saint; an inspired writer, supposed to have obtained more or less of the divine nature by profound abstraction and meditation; an ascetic, a hermit or devotee; preceded by দুই বা তিনি, a place where two or three roads meet.

মুনিয়া, *a.* সৰু, সাহ পুৰ নোহোআ, মুজুৰা, মোনৰ ভৰ থকা, জাপিৰ টুপ আদিত লগোআ, ফটা কানিৰে সজা খুটি বিসেস, having an imperfect kernel; dwarfed; a maund in weight, a small ornament on the top of a *japi.*

মুনিচুনি, *s.* কেৱল গধূলি, সন্ধ্যা সময়, twilight, between daylight and dark, the evening twilight.

মুনিহ, *s.* মতা, পুৰুস, ধানৰ খেতত বেচৰৈ বন কৰা মানুহ, a man, a male, a laborer employed in transplanting rice or in harvesting; with দি, to assist in gathering in a harvest.

মুয়ে ধৰা, *s.* তামোল আদিএ মূৰত ধৰা, vertigo occasioned by the excessive use of tamul pan.

মুৰ, *s.* সিৰ, দাঁতি, সেস, the head, end, limit, boundary; with পৰি or মৰি, to be completed or ended.

মুৰকত, *ad.* সেসত, পাচত, finally, in conclusion, at last.

মুৰতকিয়া, *a.* মুৰ সমনিয়া, বৰ ডাঙৰ, *lit.* reaching up to the head; hence, *fig.* heavy, large, important, as applied to work &c.

মুৰঠি, *s.* এবিধ ডাঙৰ পুঠি মাচ, a species of carp, (Cyprinus Chrysoparius.)

মুৰ দোঁআই, *v.* মুৰ চপৰাই, প্ৰনাম কৰি, to bow the head, to salute.

মুৰ ফুৰনি, *s.* মুৰ ঘুৰুউআ বায়ু, অচন্দ্ৰাই, giddiness, vertigo.

মুৰমুৰিয়া, *a.* বেগতে ভগা, চন্চনিয়া, খৰ হোআ, brittle, easily broken.

মুৰা, } *s.* মুৰৰ লাওখোলা, a skull.
মুৰাকলি, }

মুৰামাংসি, *s.* গন্ধ দ্ৰব্য বিসেস, a kind of vegetable perfume.

মুৰামুৰি, *s.* চমুআচমু, ওচৰাওচৰি, সেস, nearness to completion, an impending crisis or event; *a.* near, adjacent, at hand.

মুৰাৰি, *s.* ক্ৰিস্নৰ এক নাম, মুৰ দানৱক মৰা জন, an epithet of Krishnoo; *lit.* the destroyer of the demon *Mur*.

মুৰিয়ল, *s.* বিয়াত দৰা কন্যাই মুৰত পিন্ধা কঁপালি বিসেস, মস্তক মালিকা, an ornament worn on the foreheads of the bridegroom and bride.

মুৰিয়লি, *s.* মাটিৰ মুৰ বা আগালি, waste land adjacent to pottah land, or the outer edge of a piece of land.

মুৰিয়া, *a.* মুৰ সমনিয়া, কঠা বা দোনৰ মুৰে মুৰে হোআ বা তাৰ আধা জোখ, হাঁতোআহ আদিৰ নাল, relating to the head; as high as the head, even full, (dry measure); *s.* an adz handle.

মুৰুলি, *s.* বাঁহি, বাদ্য বিসেস, a flute, a fife, a whistle.

মুৰেমুৰে, *ad.* কানে কানে, সমান জোখত কথমপি, কোনো মতে, টুটিএ টুটিএ, by exact measurement barely, in some way, scarcely.

মূৰ্খ, *a.* অপণ্ডিত, একো নজনা, stupid ignorant, foolish; *s.* a fool.

মুৰ্চ্চা, *s.* অচেতন, মূচ্কচ, syncope, fainting, a swoon, insensibility.

মুৰ্চ্চিত, *a.* মূচ্কচ, বিগ্যান হৈ পৰা, অচেতন হোআ, fainted, swooned.

মুৰ্জাই মুৰ্জাই, *ad.* বৰকৈ খটিয়াই, মুৰ্ভকুআই থাকি, অনেক বাৰ কৈ থাকি, repeatedly, as speaking, driving or urging to work.

মুৰ্ত্তি, *s.* আকাৰ, ৰূপ, প্ৰতিমা, form, shape, an idol, a statue, an image, a likeness, a resemblance.

মুৰ্ত্তিমন্ত, } *a.* আকাৰ থকা, সাকাৰ, বৰ পাৰ্গত, খঙত জলন্ত হোআ,
মুৰ্ত্তিমান, } embodied, having a visible or corporeal form, personified.

মুৰ্ফ্লা, *s.* বন এবিধ, a species of grass.

মুৰ্হা, *s.* কটা গচৰ গুৰি, এবিধ বেঁতৰ বাঁহৰ কৰা আসন, the stump of a tree, reed or bamboo; a stool made of bamboo and cane.

মুৰ্হানি, *s.* অনেক মুৰ্হা থকা ঠাই, a place abounding with stumps.

মুল, *s.* সিপা, আলু, গুৰি, আদি কাৰন, প্ৰধান, a root, origin, cause, source; *a.* principal, original.

মুল কাৰন, *s.* আদি কাৰন, the first cause.

মুল ধন, *s.* সুত পাবলৈ দিয়া ধন, আচল ধন, capital, stock in trade.

মুলা, *s.* আলু ধৰা এবিধ সাক, উনৈচ নক্ষত্ৰ, a raddish; the nineteenth stellar mansion.

মুলেমুলে, *ad.* মুল ধনৰ বা জোখৰ সমানে, অধিক নহৈ, at the original cost, without interest or gain.

মুল্য, *s.* বেচ, দৰ, ভাও, cost, price, value.

মুহি, *v.* মোহ কৰি, বঞ্চি, to charm, to captivate, to fascinate, to delude, to impose upon.

মুহিত, *a.* মোহ হোআ, বিহ্বল হোআ, deluded, charmed, infatuated &c.

মুহুৰ্ত্ত, } *s.* খেনেক, সোনকাল, দিনৰ পোন্ধৰ ভাগৰ এভাগ, a very
মুহুৰ্ত্তক, } short space of time.

মুহুৰ্ত্তে, } *ad.* সিঘ্ৰে, বেগতে, ততালিকে, quickly, in a very short
মহুৰ্ত্ততে, } space of time.

মুহুদি, *s.* ভোজনৰ পাচে মুখ সুধ কৰা তামোল আদি দ্ৰব্য, anything used to sweeten the breath after eating.

মেকাহি, *s.* এবিধ গচ আৰু তাৰ এঁঠা, a species of tree and its gum, from which a valuable varnish is made.

মেকুৰি, *s.* বিৰালি, a cat.

মেকুৰিথুজিআ, *s.* গা ধৰিবলৈ লৰাৰ গাত ধৰা চিন বিসেস, a dimple.

মেকুৰিচালি, *s.* এবিধ লতা আৰু তাৰ চাল, a species of vine and its bark, used sometimes as a substitute for tamul pan.

মেখেলা, *s.* তিৰোতাৰ অধোবস্ত্ৰ, চুঁটি কাপৰ, a narrow skirt worn by Assamese women.

মেগেলা, *s.* এবিধ পাটি বোআ বন, a species of grass used in making mats.

মেঘ, *s.* ডাৱৰ, জলধৰ, a cloud.

মেঘনাদ, }
মেঘৰগাজনি, } *s.* মেঘৰ গৰ্জন, ঢেৰেকনি, thunder.

মেঘবৰনিয়া, *a.* মেঘৰ বৰনেৰে, cloud colored, dark.

মেঘাই, *v.* মেঘ হৈ, ডাৱৰাই, to cloud up, to become cloudy.

মেঘোআ, *s.* মেঘ হোআ, ডাৱৰোআ, ওন্দোলাই পেলোআ, being overcast with clouds.

মেচ, *s.* বেঁা, ভাঁজ, মাজ তললৈ বহা, a bend, a crook, a curve; with খাই, or হৈ, to bend, as under a weight.

মেচ্‌মেচ্‌কৰে, *ad.* অতি কিটকিট কৰে কলা, অতিসই কলাক বুজুআ মাত, very, (applied to black.)

মেচ্‌মেচিয়া, *a.* মেচ্‌মেচ কৰে কলা হোআ, brittle; very black.

মেচা, *a.* মাজ বহা, বুকু উঠা, বিবা ভঁজিয়া, bent, bent backwards or downwards.

মেচাকি, *s.* গচ এজাত, জন্তু এবিধ, a species of tree; a species of wild animal; see মেচেকা.

মেচামেচি, *s.* হেঁটা মেচা, ভেমেচা ভেমেচি, curves, crooks, windings; *a.* curved, winding, curling.

মেচি, *s.* মেচা তিৰোতা, *fem.* of মেচা, having a curved spine.

মেচেকা, *s.* বনৰিয়া অঁকা বকা জন্তু এবিধ, a species of wild animal.

মেজ, *s.* বৰ টগা, ওখ পিৰা বিশেষ, a table.

মেজাঙ্কৰি, *v.* এবিধ মুগা বা সুতা, এজাত গচ, আদাকৰি গচ, a kind of silk; a species of tree.

মেজি, *s.* খেৰ কাঠ আদিৰ পতা দল, বিহুত পোৰা হাৰলি, a stack of wood, straw, or unthreshed grain; a pile of straw burnt as a festival amusement at the end of harvest.

মেট্‌মেট্‌কৰে, *ad.* নিওঁতে মেটেৰ সব্দকৈ জোআ, গধুৰ ৰূপেৰে, with a snapping cracking sound.

মেট্‌মেটিয়া, *a.* মেটেৰ মেটেৰ সবদ থকা, বৰ ভাৰ, having a snapping sound; with ভাৰ, a heavy burden.

মেট্‌মেটোআ, *s.* মেট মেট সব্দ কৰা, a crackling or creaking sound.

মেটা, *a.* see মেদা.

মেটুৰা, *s.* টেমুনা, এঠাইত হৱকৈ উখহা, a tumor, a swelling.

মেটুৰামেটুৰি, *s.* অনেক ঠাইত হোআ মেটুৰা, a collective noun, signifying several swellings or tumors.

মেটেকা, *s.* এবিধ পানিৰ বন, a species of aquatic grass.

মেটেকাতলি, } *s.* মেটেকা থকা ঠাই, a place abounding with the
মেটেকানি, } above.

মেটেৰ, *s.* টান বস্তু ভগাত উঠা সব্দ, the sound made by the breaking of a hard substance.

মেটেলি, *s.* মেৰতলি, মেখেলা বা চুৰিয়াৰ খোঁচোনা, তেলৰ কুপা আদিৰ ঠিলা, that part of the edge of a *mekhela* or *suriya* that is tucked in at the waist; the cork of an oil vessel.

মেটোৰমেটোৰ কৰে, *ad.* লাহে লাহে, ধিৰে ধিৰে, slowly, gently, lazily.

মেঠ, *s.* অধিক পাবৰ আসাৰে দিয়া তাকৰ ভেঁটি, অহুস্থা, a small present given with the hope of gaining some request, or of obtaining something of greater value in return; with পেলাই, to present the above; condition.

মেঠনি, *s.* হকত মেখেলা পিন্ধি তাৰ ওপৰত পথালিকৈ বিহা বন্ধা, a woman's skirt that is worn over the breast; with মাৰি, to wear the same.

মেঠনিয়াই, *v.* লেহেম কৰি, পলম কৰি কৰি, to delay, to loiter.

মেঠোন, *s.* এবিধ পৰ্বতিয়া বা বনৰিয়া সকত গৰু বিসেস, a species of wild mountain cow.

মেতৰ, *s.* গু কটা হাৰি, a scavenger, a sweeper, a *mehter.*

মেতৰনি, *s.* মেতৰৰ তিৰি, *fem.* of the above.

মেদ, *s.* মলি, গেদেৰি, lees, settlings, sediment, scum.

মেদানি, *s.* গে..নি, lees, sediment.

মেদমেদিয়া, *a.* গেদগেদিয়া, চেপা, slow, inactive, turbid, roiled; not well baked, (applied to pottery.)

মেদা, *a.* মাঠ, মেটা, চোকা নোহোআ, চেপা slow, inactive, dull, stupid.

মেদিনি, *s.* প্ৰিথিবি, ভুমি, the earth.

মেদেলা, *s.* সকত, পুষ্ট, বন এবিধ, stout, fat; with চহকি, very rich.

মেদেলি, *s.* তেলৰ গেদেৰি, the sediment of oil.

মেদেলুআ, *s.* এবিধ ত্ৰিন বিসেস, a species of grass.

মেধি, *s.* সিস্যৰ কৰ তোলা গোসাইৰ লোক, one who collects the annual taxes exacted by hindoo priests from their disciples.

মেনা, *s.* ওলোমা সিঙ্গিয়া মহ, a buffalo that has drooping horns.

মেনাই, *v.* see পেনাই.

মেনি, *s.* মেনাৰ স্ত্ৰি, the *fem.* of মেনা.

মেমেধু, *s.* ধনিয়া, গোক্কোআ সাক, the coriander plant and seed.

মেমেৰা, *a.* নিচলা, চেৰেলা, lean, spare, emaciated.

মেৰ, *s.* মেস, বেৰ, পাক, গুটি ধান আদি থোআ জতন, a sheep, the measure of girth, a twist, a receptacle for grain; with খাই, to roll or coil up.

মেৰখোআ, *a.* পাক খোআ, নুৰা বান্ধি থকা, tortuous, winding.

মেৰ চাগ, *s.* see মেস, a sheep.

মেৰচৰা, *s.* এবিধ ঘূৰনিয়া চাৰি, চক চৰা, a round sitting mat.

মেৰ পতা, *s.* বিৰ বন্ধা, বিৰ বান্ধি থকা, a coil or the act of coiling.

মেৰাই, } *v.* নুৰিয়াই, পকাই, চাৰিও ফালে বেৰি, to roll up, to
মেৰিয়াই, } encircle, to surround, to wrap around.

মেৰু, *s.* সুমেৰু পৰ্ব্বত, the famous mountain *Meru* of the shasters, which according to hindoo cosmogony forms the centre of the seven continents; in astronomy, the North Pole.

মেৰুদণ্ড, *s.* বাঙ্কহাৰ, the spine, the back bone.

মেৰুন, *s.* মেহুন, গাত হোআ বৰ টেঙ্না, a wen.

মেৰুনিয়া, *a.* মেৰুন থকা, মেহুনিয়া, having a wen.

মেৰেটামেৰেটি, *s.* গা ভাঙ্গিচিঙ্গি থকা, গা-মুৰি, the act of stretching the body, (as when weary.)

মেৰোআ, *a.* মেৰাই থোআ, নুৰিওআ, বেৰোআ, wound or wrapped around, enclosed, surrounded, encircled.

মেল, *s.* সোধপোচ কৰা সমাজ, পঞ্চাইত, a council, an assembly, a jury.

মেল কৰা, *s.* কথা পতা, পৰামৰ্শ কৰা, সোধ বিচাৰ, consultation, deliberation.

মেলনি, *s.* এৰি দিয়া, মুক্ত কৰা, বিদাই, release, friendly dismission.

মেল পতা, *s.* সোধপোচ কৰিবলৈ ধৰা, কথা বাত্ৰা হোআ, presenting a subject or appointing a council for deliberation and enquiry.

মেল মৰা, *s.* সোধা বা ভাক নিস্পত্তি কৰা, the closing of a council or the settlement of a question

মেলমেলিয়া, *a.* সেঙ্গসেঙ্গিয়া, লেম্লেমিয়া, delayed, put off, deferred.

মেলা, *a.* মুক্ত বা মুকলি কৰা, মেলি দিয়া, opened, loosed, unbound.

মেলানি, *s.* see মেলনি.

মেলামৰা, *s.* জাঠি আদি নিক্ষগলৈ মাৰি পঠিওআ, the act of hurling or casting from the hand as of a missile weapon.

মেলাহি, *a.* বহল, ফেহ্লেঙ্গ, broad and shallow.

মেলি, *v.* বন্ধন মুকলি কৰি, মোলোকাই, ঢিলাই, বহলাই, to spread out, to open, to loose, to untie, to stretch forth.

মেলুআই, } মেলুঐ, } *s.* মেল কৰি ফুৰা লোক, a member of a council.

মেলেচ, *s.* see ম্লেচ.

মেস, *s.* মেৰ চাগ, প্ৰথম ৰাসি, a sheep, a ram; the sign Aries.

মেহমেহিয়া, *a.* এলেহুআ, খৰতকিয়া নোহোআ, lazy, indolent, dull, inactive.

মেহুন, *s.* গচত হোআ টেমুনা, an excrescence on a tree or plant.

মেহুনিয়া, *a.* মেহুন থকা, having the above excrescence.

মৈ, *s.* চাহ মাটি সমান কৰা জতন, the native harrow.

মৈটকা, *s.* মৈত লগাই টনা হাঁকোটা থকা গুৰি ফলা বাঁহ, a bamboo pole split at one end, by which a harrow is drawn in muddy soil.

মৈটা, *s.* আখি থকা গোটা বাঁহৰ দিঘল জখলা বিসেস, a single bamboo used as a ladder, the knots serving as steps.

মৈথুন, *s.* স্ৰিঙ্গাৰ, ওৰ জোআ, copulation, coition.

মৈদা, *s.* মাচ সাক কুটা অস্ত্ৰ এবিধ, a kind of knife used for cutting fish and vegetables.

মৈদাম, *s.* মৰিসালিত সজা মাটিৰ দল, the mound of earth raised over a grave, a grave, a tomb, a sepulchre.

মৈদামনি, *s.* মৈদাম থকা ঠাই, a graveyard, a burial ground.

মৈয়াই, *v.* মৈৰে মাটি সমান কৰি, to level with the harrow.

মৈলাম, *s.* মহি চুঙ্গা, an inkstand.

মোআ, *s.* এবিধ সৰু মাচ, এবিধ আলুৰ নাম, a species of fish; a kind of sweet potato.

মোআৰ মৰা, *s.* আসা নথকা হোআ, ভিকাচন ভগা, the losing all hope, chance, means or resource.

মোআৰি, *a.* মোহৰ মৰা, ভিৰি নোহোআ, (ৰুপ বা সোন,) coined, (applied only to gold and silver.)

মোকমোকাই, *v.* বোক্‌বোকাই, মুখত ভাত আদিৰে কথা কৈ, to speak indistinctly, to mumble.

মোকৰ্দমা, *s.* গোচৰ, আদালতত কৰা দাই দোসৰ বিচাৰ, a law suit.

মোকল, *a.* মুকলি, clear, open, unenclosed.

মোকলফুৰা, *s.* সৌচ কৰা, বাহিৰ ফুৰা, evacuations by stool.

মোকোট, *s.* মোটোক, মোচোকা, জাপ, a bend, a fold.

মোকোটোআ, *s.* মোকোটাই থোআ, জাপি থোআ, bending or folding.

মোকোৰা, *s.* মুখ ভৰা গৰাহ, a large mouthful.

মোখনি, *s.* পাচি আদিৰ মূৰ নোসোলোকাকৈ বোআ বান্ধ, the tucking in the ends of splints to secure the edge of braided work.
মোখা, *s.* মূৰ মৰা, মোখনি বোআ, the binding or securing the edge of a mat or other braided work.
মোখোৰা, *s.* গৰুৰ মুখত দিয়া বেঁতৰ খাঙ্গ, a muzzle for oxen.
মোখ্য, *s.* নির্বান মুক্তি, নিস্তাৰ, প্রধান, মুখ্য, beatitude, final emancipation of the soul from matter; *a.* principal, chief.
মোচ, *s.* কল গচৰ অলপটৈক ওলোআ ডিল, গোঁফ, the flower bud of the plantain when it first sprouts from the tree, whiskers.
মোচন, *s.* মুক্তি, মৰ্দন, খণ্ডন, liberation, deliverance, forgiveness.
মোচৰা, *s.* মোহৰা, মৰ্দন কৰা, পকোআ, a wringing, twisting, squeezing.
মোচা, *a.* জোলা, কোঁচ খোআ, curled, contracted, applied only to thin substances, as the ear, paper, leaves of plants &c.
মোচোকা, *s.* মোটোকা, পাক, a bend, a sprain.
মোচোৰা, *s.* পাক মৰা গাঁঠি এবিধ, a knot made by twisting together the ends of a binding.
মোট, *s.* গোট, মুঠ, গাৰ চাল, কলপ, চালৰ মোনা, the sum total; a leathern bag or skin used for carrying water; the skin of the body considered as a case; the cast off skin of reptiles.
মোটমৰা, *a.* বৰ গহিন আৰু ডাঠ (হাবি,) dense, thick, impenetrable, as jungle, forest &c.
মোটাতোলা, *s.* খৰাহি চালনি আদিৰ বোআত চুকৰ কাঠি এৰি বোআ, the widening of a basket near the top.
মোটে, *ad.* মুঠে, সমুলি, সকলোমুলি, all together, in the whole, in all.
মোটোকা, *s.* see মোকোটা.
মোধ, *s.* লো বা তিখা দি পুৰনি কোৰ আদি বঢ়া, জোন দিয়া, a piece of iron or steel welded on an old implement to renew it.
মোধাই, *v.* জোন দিয়াই, পুৰনি অস্ত্ৰত লো তিখা খুআই, নতুন কৰাই, to renew an old or broken iron instrument, as above.
মোধোআ, *a.* মোধ দিয়া, পুৰনি কোৰ আদিৰ মুখত এডোখৰ জোৰা দিয়া, welded, renewed, repaired.
মোন, *s.* দকুৰি সেৰিয়া এক জোখ, আঠ দোন, a maund, 80 pounds.
মোনা, *s.* দিঘল জোলোঙ্গা বা বগল, a bag.
মোমাই, } *s.* মাতুল, মাকৰ ককায়েক বা ভায়েক, a maternal uncle.
মোমায়েক, }
মোমাসহুৰ, *s.* গিৰিয়েক বা ঘৈনিয়েকৰ মোমাইএক, an uncle by marriage.

মোৰ, *s.* ৰোগ বিসেস, আঁত গুৰি, নিজ়ৰ, a disease resembling cholera; the end of a thread or rope; the beginning or root of a matter; the pronoun *my*.

মোৰোকনি, *s.* মাচ আদিএ মৰা পাক, সোঁত পানিৰ উঠা চাক, a circular motion, as made by fish in water; a whirling or eddying.

মোল, *s.* মূল্য, গুন, value, intrinsic worth or excellence.

মোলাই, *v.* বস্তু বেপাৰলৈ দৰ ভাও কৰি, বেপাৰলৈ কিনি, to fix a price or valuation; to buy for resale.

মোলান, *a.* ম্লান, মলি, পদুমৰ আলু বিসেস, faded, pale, soiled, discolored, sad, downcast.

মোলোআ, *s.* মোলাই লোআ, বেপাৰলৈ কিনা, দৰ কৰা, the act of bartering, exchanging or fixing a price.

মোহ, *s.* মায়া, ভোল হোআ, মৰম, লোভ, fascination, enchantment, infatuation, delusion, natural affection, avarice; with যা, to be charmed; with লাগি, to desire, to covet.

মোহন, *s.* মোহ জোআ, মজা, fascination, &c. an epithet of Krishnoo.

মোহনি, *s.* মোহ কৰা এবিধ মন্ত্ৰ, a charm, an incantation.

মোহনিভাঙ্গ, *s.* উত্তম ভাঙ্গ এবিধ, a kind of hemp, strongly narcotic, used for smoking.

মোহৰ, *s.* চাব, চিন, সাঁচত মৰা ৰুপ সোন আদি, a seal, a stamp, a coin; with মাৰি, to seal, to stamp.

মোহৰা, *s.* ঘঁহা, হাতেৰে গুৰি কৰা, মোচৰা, মলা, a rubbing, dissolving a substance in a fluid by squeezing or maceration; pulverizing by rubbing in the hand.

মোহ লগা, *a.* মৰম লগা, অতি সুন্দৰ, desirable, lovely.

মোহা, *s.* মোহ কৰা, a yellowish brown color, infatuated, enchanted, captivated.

মোহাৰি, *v.* ঘঁহি, হাতেৰে গুৰি কৰি, মলি, to rub, to dissolve a substance in a fluid by squeezing or maceration, to pulverize by rubbing or wringing, to squeeze.

মোহিনি, *a.* মোহ নিওআ (স্ত্ৰি,) fascinating; *s.* a fascinating woman.

মৌ, *s.* মধু, মৌ জোল, অমৃত বিসেস, honey, the nectar of flowers, reckoned as one of the five sweets.

মৌআ নমা, *a.* উখহি সেতুআ নমা, উখহি ওলোমা, hanging down like a swarm of bees; applied only to a swelling.

মৌকোঁহ, *s.* মৌৰ বহ ঘৰা, a honey comb.

মৌজ, *s.* থূপ, জুম, বাগিএ ধৰি ঠৰ হৈ থকা, a multitude, an assemblage of people; stupor from opium &c.

মৌজা, *s.* পৰগনা, মহল, a division assigned to one native collector.

মৌজাদাৰ, *s.* মৌজাৰ প্ৰধান বিষয়া, তহিল্‌দাৰ, a revenue collector.

মৌজুলিয়া, *a.* মৌ জোলৰ নিচিনা, মৌ ৰসৰ বৰনিয়া, like honey.

মৌজোল, *s.* মৌৰ ৰস, মধু, honey.

মৌডিমৰু, *s.* এবিধ সোআদ ৰৰ ডিমৰু, a species of fig.

মৌপিয়া, *s.* এবিধ চৰাই, a species of bird.

মৌবিচনি, *s.* মৌৰ ৰহ ঘৰাৰ বাহিৰ ভাগ, a portion of honey comb.

মৌমাখি, *s.* মৌৰ মাখি, a honey bee.

মৌসৰালি, *s.* এবিধ পানিত হোআ বন, a kind of aquatic grass.

ম্ৰিগ, *s.* হৰিনা আদি পশু, a deer, a stag, an antelope.

ম্ৰিগনাভি, *s.* কস্তুৰি, গান্ধকলাই, the musk of a species of deer, musk.

ম্ৰিগয়া, *s.* পশু মৰা, চিকাৰ, hunting, the chase.

ম্ৰিগসিৰা, *s.* পঞ্চম নক্ষত্ৰ, the fifth mansion of the hindoo zodiac.

ম্ৰিত, ম্ৰিতক, } *a.* মৰা, পৰলোক হোআ, dead, deceased, defunct.

ম্ৰিতপ্ৰাই, *a.* মৰে মৰে হোআ, nearly dead, at the point of death.

ম্ৰিত্তিকা, *s.* মাটি, ভূমি, earth, soil, ground.

ম্ৰিত্যু, *s.* মৰন, প্ৰান বিজোগ, জম, death, bodily dissolution, decease, demise; *Jom*, the regent of death.

ম্ৰিত্যুঞ্জই, *s.* মৰনক জিনোঁতা, সিব, conqueror of death, Hiwo; in a nobler sense, Christ, who was the first that rose from the dead.

ম্ৰিদঙ্গ, *s.* এবিধ বাদ্য, মিৰ্দঙ্গ, an oval shaped drum, a tabor.

ম্ৰিদঙ্গিয়া, *a.* ম্ৰিদঙ্গ বজোআ, ম্ৰিদঙ্গৰ নিচিনা, a drummer on the above.

ম্ৰিদু, *a.* কোমল, মিহি, mild, gentle, soft.

ম্লান, *a.* see মোলান.

ম্লেচ, *a.* অনাচাৰি, অসভ্য, বেদাচাৰ নমনা, barbarian; *s.* any person heterodox as regards the hindoo faith; a barbarian.

য,

য, যকাৰ; এই আখৰ অসমিয়া ভাসাত (জ) নিচিনাকৈ মাতে; কিন্তু তাৰ তলত ফুট থাকিলে, (য়) ইয়, এই ৰূপে উচাৰন হই; জেনে, য়িৰুচালম, কায়স্থ, মায়া আদি; আন ব্যঞ্জনৰ লগত জোগ হলে (্য) এই ৰূপে লিখে; জেনে ধন্য, মান্য আদি. In Assamese this letter is usually pronounced like the soft or French *j*, and should therefore be written জ, but when written with,

a dot underneath, thus (য়) it becomes *y*. When য় is combined with a preceding consonant it takes the form(্য) and is commonly pronounced as if *i* were inserted before the consonant; as আগ্যা, *agya*, pronounced *aigya*; ধন্য, *dhonyo*, pronounced *dhoinyo*.

ৰ.

ৰ, ৰকাৰ, ৰব দিয়া, this letter is pronounced like the English *r*, in *real*; combined with a preceding consonant it is expressed by the mark ( ্ৰ ) placed underneath, as প্ৰিতি, love; when preceding a consonant it is expressed by the mark (র্) called *reph*, written over the consonant, thus পৰ্ব্বত, *porbot*, a mountain; the imperative of ৰৈ, to stand; with লগা, *a.* fixed in astonishment.

ৰইনা, *s.* কোৰ্হোনা, দতাল, চট পানিৰ বালি খন্দা জতন, a wooden implement used for deepening the channel of a river.

ৰকৰ, *s.* ৰকহ, নিগনিএ কাঠ আদি কুটাৰ সদ্দ, আচোৰোঁতে উঠা সদ্দ, any gnawing or scratching sound.

ৰকাৰ, *s.* ৰ আখৰ, the letter ৰ, or any character representing it.

ৰক্ত, *s.* তেজ, ৰুধিৰ, সোনিত, ৰঙ্গ, blood; *a.* red, crimson.

ৰক্তচন্দন, *s.* ৰঙ্গা চন্দন, red sandal wood.

ৰক্তময়, *v.* তেজৰ নিচিনা, তেজময়, bloody, like blood, crimson.

ৰক্তসাৰ, *s.* তেজসাৰ, a disease in which blood is discharged with urine; (Hamaturia.)

ৰখা, *s.* ৰক্ষা কৰা, থোআ, পালন কৰা, ৰাখি থোআ, চৰোআ, the act of keeping, preserving, tending; *a.* kept, preserved, tended.

ৰখাই, *v.* ৰক্ষা কৰাই, থোআই, পালন কৰাই, চৰোআই, to cause to keep, preserve or tend, to restrain.

ৰখি, *v.* ৰখ্যা কৰি, পালি, পহৰি দি, পৰ দি, বাট চাই, to guard, to keep, to tend, to wait for.

ৰখিয়া, *s.* ৰখি থকা জন, পৰিয়া, গৰু আদি চৰাওঁতা, a keeper, a watchman, a tender of cattle.

ৰখ্যক, *s.* ৰাখোতা, ৰখ্যা কৰ্ত্তা, a keeper, a preserver, a deliverer.

ৰখ্যা, *s.* নিস্তাৰ, তৰনি, পালন, আসুই, ৰাইখ, জিৰনি, preservation, protection, rescue, deliverance, relief, mitigation.

ৰগৰ, *s.* ঢোল খোল আদিৰ দৰনি, মনৰ বেগ, টক, মৌজ, ৰঙ্গ উচাহ বিসেস, the quick beating of a drum; elation, excitement.

ৰঘু, *s.* কদম্ব গচ, ৰামৰ ককাক, a species of tree, (Nauclea Cadamba;) a name of the grandfather of Ram.

ৰঘুমলা, *s.* গচৰ ডালত হোআ এবিধ জোপোহা গচ, a species of parasitic plant.

ৰঙ্গ, *s.* ৰহস্য, আনন্দ, হৰিস, ধেমালি, ৰৱন, joy, gladness, delight, mirth, fun; paint.

ৰঙ্গচঙ্গ, *s.* ৰচঙ্গা, নানা ৰৱন, gaudiness, gayety of color, showiness.

ৰঙ্গচঙ্গিয়া, *a.* চিত্ৰবিচিত্ৰ, নানা ৰৱন থকা, ৰঙ্গাৰচঙ্গা, gaudy, showy, gay, variegated.

ৰঙ্গচা, } *a.* অলপ ৰঙ্গা, of a reddish color.
ৰঙ্গচিয়া, }

ৰঙ্গচুআ, } *a.* অলপ ৰঙ্গা ৰৱনিয়া, of a light reddish color.
ৰঙ্গটুআ, }

ৰঙ্গবঙ্গিয়া, *a.* বিঙ্গবিঙ্গিয়া, অলপ ৰঙ্গা, of a dull or faded color.

ৰঙ্গৰুপ, *s.* ৰঙ্গ তামচা, আনন্দ, play, sport, merriment.

ৰঙ্গা, *a.* হেঙ্গুলিয়া, তেজৰ ৰৱনিয়া, red.

ৰঙ্গা আলু, *s.* এবিধ কেঁচাই খোআ আলু, গৰিয়া আলু, a species of red potato, (Convolvolus Batatas.)

ৰঙ্গাৰচঙ্গা, *a.* see ৰঙ্গচঙ্গিয়া.

ৰঙ্গালি, *a.* গোটেই ৰঙ্গা হোআ, ৰাঙ্গলি, জোনালি, red, reddish, illuminated, lighted up, as of many lamps or an extensive fire.

ৰঙ্গিযাল, } *a.* ধেমেলিয়া, ৰঙ্গ কৰি থকা, sportive, mirthful, jocund,
ৰঙ্গুআল, } playful, jolly.

ৰচকপচক, *s.* লচ্‌পচ, ৰমকজমককৈ ধুন মাৰি গা মেখুউআ, a vain, light or trifling manner.

ৰচকি, *a.* লচপচি, ধুন মাৰি গা মেলাই ফুৰঁতি, giddy, flaunting, vain, light-minded; *s.* a flirt, a coquette.

ৰচঙ্গা, *s.* see ৰঙ্গচঙ্গ.

ৰচত, *s.* ৰোজ, সৈন্য আদিলৈ গোটেআ সমল, daily rations, provisions in general for an army.

ৰচনা, *s.* নকৈ সাজি লিখা, literary composition, fabrication, orderly arrangement.

ৰচা, *s.* ফই, লেজু, ৰচনা কৰা, লিখা, a rope, a cable; *a.* composed, written, fabricated.

ৰচি, *s.* জৰি, ডোল, জক, ৰচনা কৰি, কথা গোটাই লিখি, ভনি, a rope, a cord, a string; *v.* to write, to compose, to fabricate.

ৰচিত, *s.* ধন আদি পোআৰ প্ৰমান পত্ৰ, a written receipt.

ৰজগুন, ৰজস, } *s.* ৰাজসিক গুন; তিনি প্ৰধান গুনৰ দুতিয় গুন, in hindoo philosophy the second of the three inherent natural qualities, active power, passion or activity.

ৰজত, *s.* ৰূপ, silver.

ৰজনজনা, *a.* জনাজাত, ৰৌচিক, প্ৰখ্যাত, সকলোএ জনা, known, made public, spread abroad.

ৰজস্বলা, *a.* চুআ হোআ, ৰিতুস্নান পোআ, menstruous.

ৰজা, *s.* ভুপতি, নৰেস্বৰ, চত্ৰধৰ, নৃপতি, a king, a monarch, a sovereign.

ৰজাই, *v.* সুআই, to dress or adorn another, decoration.

ৰজি, *v.* সুআই, মানিহৈ, মিলি, to conform to, to suit, to agree with, to be consistent with; *a.* suitable, fitting or appropriate.

ৰঞ্জন, *s.* আনন্দ দিওঁতা, ভাল লগা, pleasure, the giving of pleasure &c.

ৰঞ্জিত বঞ্জিত, *a.* মন ৰৰকৈ উত্ৰাৱল হোআ, overjoyed, transported.

ৰটনি, *s.* কেলকেলনি, বলকনি, the cawing of crows, garrulity.

ৰটা, *s.* কাউৰিএ কেলকেলোআ, বলকা, cawing, being garrulous.

ৰটি, *v.* কেলকেলাই, বকি, বলকি, to caw, to talk much, to babble.

ৰ-টি, *s.* চৰ্ক, ঘোসনা, সকলোতে প্ৰকাস, rumor, publicity, notoriety; with ফুটি, or উঠি, to become generally known.

ৰটোটো, *a.* আৰ বেৰ নথকা, মুকলি, টোটো, wide open, not inclosed &c.

ৰণ্ডভণ্ড, *s.* লণ্ডভণ্ড, নৰ্বাঙ্গ তৰ্বাঙ্গ, demolition, confusion, disorder.

ৰত, *a.* আসক্তি হোআ, আসক্ত, ৰতি হোআ, devoted to, delighted with, enamored.

ৰতন, *s.* see ৰত্ন.

ৰত্‌ৰতিয়া, *a.* ঘা আদিত তেজ ওলাওঁ ওলাওঁ হোআ, just ready to bleed; as of a bruise or wound.

ৰতি, *s.* আসক্তি, মন জোআ, আস্তিক, মৈথুন, ৰমন, attachment, regard, sexual intercourse, sensual enjoyment.

ৰতিয়া, *a.* এক ৰাতি পৰিমানৰ, of the weight of one *rati*, or about two grains Troy weight.

ৰত্ন, *s.* হিৰা আদি ৰহু মুলিয়া মনি, ৰতন, a gem, a jewel, a precious stone, anything valuable.

ৰত্নাকৰ, *s.* সাগৰ, ৰত্ন ওলোআ ঠাই, হিন্দু মতৰ এখন পুথি, a mine of jewels; the name of an Assamese book.

ৰত্নাৱলি, *s.* ৰত্নৰ মালা, হিন্দু মতৰ এখন পদ পুথি, a string of jewels, the title of an Assamese shaster.

ৰথ, *s.* গাঁৰি বিসেস, a carriage, a chariot, a car, a wheeled vehicle.
ৰথজাত্ৰা, *s.* জগন্নাথৰ ৰ থ টনা উছৱ, the festival of Juggernaut.
ৰথি, *s.* ৰথত উঠি ফুৰা বা ৰন কৰা লোক, a charioteer &c.
ৰদ, *s.* সুৰ্জ্যৰ কিৰন বা তাপ, solar heat, sunshine; with দি, to shine.
ৰদঘাই, *s.* ৰবকৈ ৰদ পৰা ঠাই, a hot sunny place.
ৰদাই, *v.* ৰদত দি, সুৰ্জ্যৰ তাপত সুকুআই, to sun; to dry in the sun.
ৰদআ, *a.* ৰদত দিয়া, সুৰ্জ্যৰ তাপত সুকুউআ, sunned; sunning &c.
ৰন, *s.* জুধ, বিগ্ৰহ, সমৰ, সংগ্ৰাম, war, battle, conflict, a fight, contest.
ৰনঘোঁৰা, *s.* হিলৈৰ মুখৰ ঘোঁৰা, the hammer of a gun-lock.
ৰনজেউতি, *s.* ৰনৰ উচাহ, the excitement or enthusiasm of battle.
ৰনসিঙ্গা, *s.* ৰনৰ বিগুল, a war trumpet, a bugle, a war conch.
ৰনুআ, *s.* ৰন কৰোঁতা, জুধাৰু, ৰন সমন্ধিয়, a soldier; *a.* relating to war.
ৰন্ধন, } *s.* সিদ্ধ কৰা, সিজোআ, the preparation of food, cookery.
ৰন্ধা,
ৰন্ধাই, *v.* সিজুআই, লোকৰ হতুআই সিদ্ধ কৰাই, to cause to cook &c.
ৰবি, *s.* সুৰ্জ্য, বেলি, the sun.
ৰবিবাৰ, *s.* দেওবাৰ, সপ্তাহৰ প্ৰথম বাৰ, *lit.* the sun's day or Sunday.
ৰভা, *s.* বৰ চালি, নইকে সজা অস্থেকিয়া সভা ঘৰ, এবিধ কচাৰি জাতি, a temporary house prepared with one roof.
ৰম, *s.* নিল বা তাৰ গচ, indigo or the plant.
ৰমকজমক, *a.* বিভুসিত, সোভিত, dressy, showy, wearing ornaments &c.
ৰমন, *s.* ক্ৰিডা, লিলা, sport, play, sensual pleasure.
ৰমনি, *s.* স্ত্ৰি, ভাৰ্জ্যা, কামিনি, তিৰোতা, a wife, a beautiful woman.
ৰম্‌ৰমনি, *s.* জালুক আদিৰ পোৰনি, the burning sensation or taste produced by spices and aromatic substances.
ৰম্‌ৰমাই, *v.* জলাৰ পোৰনিএ ধৰি, to feel the above.
ৰমলিয়াই, *v.* অধিক কাউৰিএ কা কা কৰি, ৰটি, to make a loud cawing sound, (as a flock of crows.)
ৰমাপুৰি, *a.* উত্তম মনোহৰ ঠাই, ভাল ঠাই, pleasant, agreeable, attractive; *s.* a delightful place.
ৰম্য, *a.* সুন্দৰ, মনোহৰ, agreeable, pleasing, charming, lovely.
ৰ-লগা, *a.* টক লগা, চাই ৰৈ থকা, fastened to a spot, enchanted.
ৰস, *s.* ৰহ, সত, জোল, সোআদ, ৬ অঙ্ক, এবিধ ধাতু বিসেস, juice, liquid, fluid, sap; taste, flavor, savor; carnal pleasure; literary taste or sentiment; used also for the numeral six.
ৰসাতল, *a.* পাতালৰ সপ্তম ভাগ, the lowest of the seven hindoo hells.

ৰসাল, } *a.* ৰহিয়া, ৰস থকা, সাৰুআ, juicy, savory, fertile, moist;
ৰসালি, } sentimental, full of feeling.

ৰসিক, *a.* ৰসযুক্ত, ৰসাল, sentimental, witty, jocose, amorous.

ৰশ্মি, *s.* কিৰন, জেউতি, দিপ্তি, brightness, effulgence, a ray of light, a sunbeam.

ৰহ, *s.* ৰস, juice, fluid.

ৰহখোআ, *s.* গৰু মহ আদিএ জাক ফুৰা, পথাৰ ফুৰা, the copulation of quadrupeds.

ৰহঘৰা, *s.* মৌৰ কোঁহ, বস্তুৰ প্ৰধান ঠাই, honey comb.

ৰহদিয়া, *a.* ভালকৈ পকা, ৰস ধৰা, fully ripe, juicy.

ৰহন, *s.* ৰঙন, ৰঙ্গ, আৰ্চিত লগোআ আস্তৰ, color, varnish, paint.

ৰহৰহ কৰে, } *a.* ৰস থকা, ৰসাল, অলপ টেঙ্গা থকা সোআদ, sweet
ৰহৰহিয়া, } and juicy, delicious, applied to fruit.

ৰহস্য, *s.* আনন্দ, ৰঙ্গ, ধেমালি, কৌতুক. pleasure, sport, fun, frolic, mirth.

ৰহা, *s.* ভোক চৰা, ৰোআ, a fainting or suffering from hunger; a remaining or coming to a stand; *a* faint, famished.

ৰহি, *v.* ৰহ দি, ৰৈ, ভোক চৰি, খাবলৈ নেপাই গা বেয়া কৰি, সৰিয়হ পেৰিবলৈ জুগুতোআ গুৰি, কুঁহিয়াৰৰ পেৰা ৰস, to ripen, to remain; to faint or suffer from hunger; *s.* mustard seed pounded ready for pressing; the expressed juice of sugar cane.

ৰহিত, *a.* নোহোআ, হিন, destitute of, without; used mostly in *comp.* as মৰন ৰহিত, *i. e.* without death, immortal.

ৰহিয়া, *a.* ৰহ থকা, ৰহ দিয়া, juicy, ripened.

ৰাইকহ, *s.* ৰাখ্যস, অতি খঁকুআ, বৰ খাবৈচ, a glutton.

ৰাইখ, *s.* ৰখ্যা, জিৰনি, protection, rescue, deliverance, relief, mitigation.

ৰাইজ, *s.* see ৰাজ্য.

ৰাইজাঁই, *s.* ভোক আদিৰ দুৰ্বলত গাৰ হেলেঙ্গপেলেঙ্গ, আচন্দ্ৰাই, faintness, vertigo, giddiness.

ৰাইডঙ্গিয়া, } *a.* ৰাইডাঙ্গৰ নিচিনা, সৰু দৈয়া এবিধ জাপি, এখেল
ৰাইডঙ্গিয়া জাপি, } মানুহ, relating to or like the *raidang* ratan; *s.* a kind of *japi* used instead of an umbrella; a class of people.

ৰাইডাঙ্গ, *s.* এবিধ ডাঙ্গৰ বেঁত, a species of large ratan.

ৰাইলা, *a.* চকু পোৰা, পৰৰ স্ৰি সহিব নোঅৰা, খিয়লিয়া, envious.

ৰাউচি, *s.* বৰ চিঁয়ৰ, বৰ ৰাও, এটাহ, a loud cry, a yell, a scream.

ৰাও, *s.* বৰ মাত, চিয়ঁৰ, কান্দন, a loud voice, shout or cry; with জুৰি or ৰাখি, to wail, to lament, to cry aloud.

ৰাওমূআ, *a.* কুলখ্যানিয়া, চকুৰ নামনিলৈকে ফোঁট বৈ অহা, (ঘোঁৰা গৰু আদি,) quarrelsome; having a bad mark or sign, (applied to cattle.)

ৰাওৰাও কৰে, *ad.* বৰ সবেদৰে, with a loud sound or as of many voices in concert, loudly.

ৰাঁচ, *s.* তাঁতৰ সুতা সুমাই বোআ বাঁহৰ জতন, the reed of a native loom.

ৰাঁচপাত, *s.* এবিধ বোলৰ ত্রিন, a species of grass used in dyeing red.

ৰাখি, *v.* ৰক্ষা কৰি, তাবি, পালি, থৈ, চৰাই, to keep, to preserve.

ৰাখোন, *s.* see ৰখা.

ৰাখ্যস, *s.* মানুহ আদি খোআ লোক, a cannibal, a gormandizer, a glutton, a monster.

ৰাখ্যসি, *s.* ৰাইকহনি, *fem.* of the above.

ৰাগ, *s.* গিতৰ সুৰ, স্বৰ, শং, a tune, a note or musical measure; with দি or তুলি, to pitch a tune or lead in singing.

ৰাগি, *s.* মদ আদি দ্রব্যৰ জ্বাল, ৰতি, আসক্তি, the intoxicating quality of spirituous liquors or drugs; attachment; with ধৰা, *a.* intoxicating, exciting.

ৰাগিয়াল, *a.* মদ কানি আদি ৰাগি ধৰা বস্তু খোআ লোক, ৰাগি থকা, মতলিয়া, addicted to the use of intoxicating drugs or spirits; intoxicating, stimulating.

ৰাঘৰৰালি, *s.* বৰ বৰালি মাচ, a species of fish, (Silurus Pilorius.)

ৰাঙ্গ, *s.* ধাতু বিসেস, তামোল খাওঁতে মুখত ধৰা বৰন, tin, pewter; the color of tamul spittle.

ৰাঙ্গকুকুৰ, *s.* এবিধ বনৰিয়া হিংসক কুকুৰ, a wolf, a wild dog.

ৰাঙ্গচালি, *a.* ৰঙ্গুআল, চনকচো, (স্ত্রি,) volatile, lively, fickle, (*fem.*)

ৰাঙ্গপতা, *s.* বৰন খুউআ অতি পাতল ৰাঙ্গ, tin-foil.

ৰাঙ্গবৈয়া, *ad.* পিৰ্পিৰ কৰে, ৰিঙ্গৰিঙ্গিয়া, পাতল, very, applied to thinness.

ৰাঙ্গল, *s.* এবিধ ৰঙ্গা ফুল, a species of red flower.

ৰাঙ্গলি, *a.* ৰঙ্গাবৰনিয়া, ৰঙ্গালি, red; illuminated, lighted up.

ৰাজ, *s.* ৰজা বা ৰাইজ, ৰজাৰ সম্বন্ধিয়, a prince, a king; *a.* royal, kingly; used generally in *comp.* with other nouns, as ধৰ্মৰাজ *i. e.* the king of justice, or the just king; ৰাজ কিৰিটি, the kingly crown; ৰাজ আগ্যা, a royal mandate &c.

ৰাজকৰ, *s.* ৰাজস্ব, খাজানা, revenue, tribute, taxes.

ৰাজকন্যা, } *s.* ৰজাৰ দুহিত্রি, আইদেও, a princess, a king's daughter.
ৰাজকুমাৰি, }

ৰাজকাৰ্য্য, *s.* ৰজাৰ কাম কাজ, the business of government &c.

ৰাজকিৰিটি, ৰাজমুকুট, *s.* ৰজাৰ মুৰৰ ভুসন, ৰাজ টুপি, a royal crown, a diadem.

ৰাজকুঁঅৰি, *s.* ৰাজাৰ ঘৈনি, মাদৈ, ৰাণি, a queen, a king's consort.

ৰাজকুমাৰ, ৰাজকোঁঅৰ, *s.* ৰজাৰ পুত্ৰ, a prince, a king's son.

ৰাজখোআ, *s.* অসম ৰজাই পতা এবিধ বিসয়া বিসেস, an office held under Assam kings.

ৰাজটিকা, *s.* ওখ মাটি, elevated table land.

ৰাজদণ্ড, *s.* ৰাজ ডঁৰ, ৰজাই কৰা সাস্তি, ৰজাৰ লাখুটি, a penalty or sentence according to law, a royal sceptre.

ৰাজদ্ৰোহ, *s.* ৰজাৰ বা ৰাজ্যৰ অহিত আচৰা, বিদ্ৰোহ, high treason, conspiracy against the king or government.

ৰাজদ্ৰোহি, *a.* ৰজাৰ অনিষ্ট-চিন্তক, ৰাজবিদ্ৰুহি, treasonous; *s.* a traitor.

ৰাজদুআৰ, *s.* ৰজাৰ দুআৰ, ৰাজ সভা, the king's gate, the royal levee.

ৰাজধৰ্ম্ম, *s.* ৰাজ নিতি, ৰজাৰ কৰিব লগা কৰ্ম্ম, the duties pertaining to the kingly office.

ৰাজধানি, *s.* ৰাজ নগৰ, ৰজা বাস কৰা ঠাই, a capital city or seat of government.

ৰাজনিতি, *s.* ৰাজ্য চলোআ বিধি, ৰাজ ধৰম, political science, royal ethics.

ৰাজপথ, ৰাজবাট, *s.* আলি বাট, ৰাজ আলি, a highway, a public road.

ৰাজপাট, *s.* ৰজাৰ গাদি, ৰাজ সিংহাসন, a royal throne.

ৰাজপিৰা, *s.* মাউৰ আদি ৰোগ, an epidemic, the cholera &c.

ৰাজপুৰি, *s.* ৰাজ নগৰ, a royal city.

ৰাজবংস, *s.* ৰজাৰ ফৈদ বা পৰিয়াল, a royal family or race.

ৰাজভগন, *s.* ৰাজ বিভ্ৰাট, দেস বিপ্লও, ৰজা ভগা, political revolution, the overthrow of a government.

ৰাজমন্ত্ৰি, *s.* ৰজাৰ প্ৰধান মন্ত্ৰি, a king's minister or adviser.

ৰাজমাও, *s.* ৰজাৰ মাক, a king's mother.

ৰাজ লখ্যন, *s.* ৰজাৰ চিন, a sign or insignia of royalty.

ৰাজসভা, *s.* ৰজাৰ সোধৰ চৰা, ৰজাৰ মেল, a royal assembly, the king's privy council.

ৰাজসাসন, *s.* প্ৰজাপালন, kingly government, sway, rule, dominion.

ৰাজস্ব, *s.* ৰজাৰ ধন, ৰাজকৰ, খাজানা, government revenue, royal tribute.

ৰাজহ, *s.* see ৰাজ্য.

ৰাজহত্তহ, *s.* বাহিৰ লেঠা বা জেঙ্গা, public duties and obligations in distinction from private or domestic affairs.

ৰাজহাঁহ, *s.* ৰাজহংস, এবিধ বৰ হাঁহ, a goose.

ৰাজহাৰ, *s.* পিঠিৰ মাজ হাৰ, মেৰুদণ্ড, the back bone, the spine.

ৰাজহিত্তহি, *s.* বাহিৰ লেঠা বা জেঙ্গা, public duties and obligations.

ৰাজহুআ, *a.* ৰাজ্য সমন্বিয়, উমৈহতিয়া, appertaining to the people; in common.

ৰাজা, *s.* see ৰজা.

ৰাজাধিৰাজ, *s.* বৰ ৰজা, ৰজাবো ৰজা, a king of kings; an Emperor.

ৰাজাৱলি, *s.* ৰজাৰ নাম লিখা বংসাৱলি, ৰাজ ৱৰ্ণিষ্ঠ, a royal genealogy or pedigree.

ৰাজ্য, *s.* প্ৰজা সমুহ, সৰহিয়া লোক, a kingdom, the commonwealth, a nation, an administration, a community, the public, dominion, sway; with কৰি, to reign, to rule, to govern.

ৰাতি, *s.* নিসা, এক অনাৰ চই অংসৰ এক অংস পৰিমান, night; a goldsmith's weight equal to two grains Troy weight.

ৰাতিপুআ, *s.* পুআ বেলা, প্ৰাতস, প্ৰভাত, the morning twilight.

ৰাধা, ৰাধিকা, } *s.* ক্ৰিষ্ণৰ এজনা ভাৰ্য্যা, the favorite mistress of Krishnoo.

ৰানি, *s.* ৰজাৰ ঘৈনি, পটেশ্বৰি, মাইৰ, a queen, the wife of a king.

ৰান্ধনবাৰ্হন, ৰান্ধোনবাৰ্হোন, } *s.* ৰন্ধাবৰ্হা কৰম, the preparing and serving up of food.

ৰান্ধনি, *s.* চাঙ্গমাই, ৰান্ধোঁতা, ৰন্ধা, a cook; the act of cooking.

ৰান্ধনিসাল, *s.* আখল, পাক ঘৰ, ৰান্ধনি ঘৰ, a kitchen, a cook house.

ৰান্ধি, *v.* সিজাই, ভাত আদি উতলাই, to cook, to prepare food.

ৰাপ, *s.* চেষ্টা, ৰতি, সুস্থা, effort, application, attention, regard.

ৰা-ৰা, *s.* জঁজাল, উপচক্ৰ, উম্‌ঘাম, perplexity, care, anxiety, solicitude.

ৰামচন্দ্ৰ, *s.* বিষ্ণুৰ সপ্তম অৱতাৰ, দসৰথ ৰজাৰ এজন পুত্ৰ, the seventh incarnation of Vishnoo; a king of Oude, the hero of the Ramayan.

ৰামজখলা, *s.* এবিধ কেঁকোৰা বেঁকোৰা লতা, a species of vine.

ৰামতাল, *s.* বাঁহৰ দুজুৰিয়া তাল, a rude cymbal made of bamboo.

ৰামতুলসি, *s.* এবিধ সুগন্ধি তুলসি, a variety of the basil plant, (Ocymum Gratissimum.)

ৰামধেনু, *s.* মেঘ ধেনু, *lit.* Ram's bow, the rainbow.

ৰামনৱমি, *s.* ৰামৰ জন্ম তিথি, the birth day of Ram.

ৰামপাৰ, *s.* নৈৰ কোসত থকা এবিধ চৰাই, a species of bird.

ৰামায়ন, *s.* ৰাম অৱতাৰৰ মহা কাব্য পুথি, দন্দ খৰিয়াল, the Ramayan, a famous poem which treats of the birth &c. of Ram.

ৰাৱন, *s.* লঙ্কাৰ পতি, দসানন, ৰাখ্যসৰ ৰজা এজন, *Rawon*, an ancient king of Ceylon or *Longka.*

ৰাস, *s.* গোপিনিৰ সহিত ক্রিষ্ণৰ বিহাৰ, কসা, কম, the lewd gambols of Krishnoo with the milkmaids; deficiency, decrease.

ৰা-সলা, *s.* এবিধ মাচ, এবিধ সাপ, a species of fish; a kind of snake.

ৰাসি, *s.* মেস বৃস আদি ১২ ৰাসি, a sign of the zodiac.

ৰাসিচক্র, *s.* ৰাসি মণ্ডল, the zodiac.

ৰাহি, *s.* বৃধি, অধিক, মিল, প্রিতি, আই, বর্হা, abundance, succession, income, agreement; *a.* continuous, abundant.

ৰাহিয়াল, *a.* সৰহ হোআ, বর্হা, সাঁচতিয়াৰ, prosperous, increasing.

ৰাহু, *s.* অস্টম গ্রহ, the eighth planet of hindoo Astronomy; in mythology a *Doityo* or demon, with the tail of a dragon, whose head Krishnoo cut off; but being immortal the head and body retained their separate existence, and being translated to the stellar sphere became the author of eclipses, by endeavoring to swallow the sun and moon.

ৰাহুগ্রস্ত, *s.* ৰাহুএ ধৰা, চন্দ্রৰ গ্রহন লগা, *lit.* seized by Rahu; eclipsed.

ৰাহুগ্রাস, *s.* ৰাহুএ গিলা, গ্রহন, an eclipse of the sun or moon.

ৰিক, *s.* হিন্দুৰ প্রথম বেদ, the first of the four Veds.

ৰিকাপি, *s.* ধুআখোআ থোআ পাত, বৈঠক, a support for the *hooka.*

ৰিঙ, } ৰিঙি, } *s.* চিয়ঁৰ, এটাহ, উকি, a loud call, a scream, a yell, an outcry; with মাৰি or ধৰি, to call out, to scream, to yell.

ৰিঙৰিঙিয়া, *a.* পাতল, পিৰ্পিৰিয়া, light, thin, spare, sparse.

ৰিঙাৰোআ, *s.* কোৰ্হাল, চিয়ৰা চিয়ৰি, এৰাও, ইটে সিটে ৰিঙোআ, an outcry, an uproar, a call.

ৰিঙিউআ, *s.* চিয়ঁৰা, এটাহ পাৰি মতা, a call, crying aloud.

ৰিঙিয়াই, *v.* চিয়ঁৰি মাতি, এটেহিয়াই, উকিয়াই, to call out, to cry aloud.

ৰিজাই, *v.* মিলাই, তুলনা কৰি, to compare, to estimate a thing by comparing it to or with another, to liken.

ৰিজু, *a.* মিলি পৰা, সমান, equal, corresponding, alike.

ৰিঠা, *s.* মাচ এবিধ, a species of fish, (Columba Indica.)

ৰিত, } ৰিতি, } *s.* নিয়ম, নিতি, আচাৰ, custom, method, an established usage or observance.

ৰিতু, *s.* বসন্ত আদি চই কাল, ৰজস্বলা হোআ, a season, any one of the six seasons into which the hindoos divide the year; menstruation.

ৰিতুস্নান, *s.* চাইদিনিয়া মূৰ গা ধোআ, চুৰ নোঅৰা হোআ, monthly ablution at the menstrual period.

ৰিদই, *s.* বুকু, হিয়া, মন, চিত, the breast, the heart, the affections.

ৰিন, *s.* ধাৰ, কৰ্জ্যা, a loan, a debt.

ৰিনচোৰা, *a.* দৰিদ্ৰ, অতি দুখিয়া, poor, indigent, destitute.

ৰিনিৰিনি, } *a.* অলপ অলপকৈ, কিঞ্চিত ৰূপে, (দূৰ দৃষ্টি,) in-
ৰিনিকিৰিনিকি, } distinctly, imperfectly; (of seeing at a distance.)

ৰিপু, *s.* সত্ৰু, বৈৰি, a foe, an enemy.

ৰিপুআ, *s.* চৰিয়া, চৰাঙ্গচোআ, গুপ্তচৰ, a spy, a secret informer, an emissary; with মেলি, to send a spy.

ৰিৰ্ৰিৰনি, *s.* অলপকৈ বলোআ (বতাহ,) a gentle breeze, a light wind.

ৰিৰ্ৰিৰাই, *v.* অলপ অলপ বতাহ বলাই, to breeze, to blow gently.

ৰিসি, *s.* মুনি, তপসি, a saint, a sage, an ascetic.

ৰিহা, *s.* তিৰোতাৰ গাত মেৰাই লোআ ওপৰ কাপৰ, মৰাপাটৰ নিচিনা সুতাৰ গচ এবিধ, a light scarf worn by women; a species of hemp from which superior cordage is made.

ৰুআ, *s.* ঘৰৰ চালৰ থিয় বাঁহ আদি, the rafters of a roof.

ৰুই, *v.* ৰোপন কৰি, গুঁজি, পুতি, থাপন কৰি, to plant, to set in the ground, to set, to fix, to place.

ৰুকি, *v.* ঘুঁকি, চুঁচি চুঁচি গুচাই, খজুআই, to gouge, dig or scoop out; to scrape.

ৰুকুনি, } *s.* ক্ৰিষ্ণৰ এজনা ভাৰ্য্যা, an epithet of the goddess Lokhmee.
ৰুক্মিনি, }

ৰুগ্না, } *a.* কম, তাকৰ, চুটাপৰা, wanting, deficient; *s.* deficiency.
ৰুসা, }

ৰুগিয়া, *a.* ৰোগ থকা, কুৰিয়া, নৰিয়া, diseased, sick, ill.

ৰুচনি, } *s.* অতিসই প্ৰিতি, মন জোআ, ভাল লগা, a liking, a relish,
ৰুচি, } hunger, appetite, desire, taste.

ৰুজিয়া, *a.* ৰোজৰ সমন্ধিয়, ৰোজ খোআ, relating to daily provisions.

ৰুটি, *s.* পিঠা বিসেস, bread.

ৰুদ্ৰ, *s.* সিৱ, মহাদেৱ, সংহাৰক, an epithet of Hiwo; *a.* furious, wrathful.

ৰুদ্ৰমূৰ্ত্তি, *s.* ক্ৰোধ মূৰ্ত্তি, সিৱৰ ভয়ানক মূৰ্ত্তি, Moha Deo or Rudro, in his terrific form; applied also to a furious person.

ৰুদ্ৰাক্ষ, *s.* মলা গাঁথা এবিধ গচৰ গুটি, a seed used in making rosaries.
ৰুধিৰ, *s.* তেজ, সোনিত, blood.
ৰুন, *s.* পাৰ কুপৌ আদিৰ মাত, the cooing of doves or pigeons.
ৰুন্‌জুন, *s.* জুন্‌জুন জানজান সব্দ, a tinkling or clattering sound.
ৰুন্দিখুন্দি, *ad.* দৰনিকৈ, বৰকৈ, অতিসই ৰূপে, luxuriously, voluptuously, as of eating to satiety.
ৰূপ, *s.* ৰজত, টকা, আক্ৰিতি, সোভা, নিচিনা, silver, a coin, a rupee; shape, form, mode, manner; in composition, as the last member of a word, like, resembling; with ধৰি, to assume a form, to become incarnate; with মাৰি, to coin money.
ৰূপতা, *s.* এবিধ সৰু মাচ, a species of small fish.
ৰূপৱতি, *a.* স্বন্দৰি, মুঅনি, ৰূপহি, *fem.* elegant, beautiful, handsome, having a beautiful form or figure.
ৰূপহ, *a.* সুন্দৰ, বিত্তোপন, চিকোন, beautiful, good, nice.
ৰূপহি, *a.* ৰূপৱতি, সুন্দৰি, মুঅনি, বাও ধান এবিধ, *fem.* of the above; *s.* a species of paddy.
ৰুপিত *a.* সালিতলি, ৰোআতি, ৰোপন কৰা, planted; *s.* rice land.
ৰূপুআলি, *a.* ৰূপৰ, ৰূপেৰে কৰা, ৰূপালি, made of silver.
ৰূপে, *affix.* ক্ৰিয়া বিসেসনৰ পৰবৰ্ত্তি সবদ, দৰে, ভাৱে, নিচিনাকৈ, an adverbial affix signifying in this manner, thus.
ৰুৰুঅনি, *s.* সোঁত পানিৰ খলকনিৰ সব্দ, the roaring sound of water.
ৰেওআ, *s.* অলঙ্কাৰত গুনাৰে ঘনকৈ পতা সিৰ বা গুটি, বালি চটৰ সিৰ বা খাপ, filigree work, a sand shingle.
ৰেওআ পতা, *a.* অলঙ্কাৰত ঘনকৈ গুনা টনা বা সিৰ পতা, ornamented with filigree work.
ৰেক্‌ৰেকাই, *v.* টেক্‌টেকাই, বলকি, ৰেকৰেকাই, to talk in a loud and boisterous manner.
ৰেখা, *s.* আঁক, আঁচ, চিন, a line, a mark, a streak, a stripe; in Geography, lines of Latitude and Longitude.
ৰেঘ, *s.* এবিধ জাল, a kind of large fishing net.
ৰেঘা, *s.* কঁপালত লোআ পথালি ফোঁট, চিন, আঁচ, a hindoo sectarian frontal mark, a line, a mark.
ৰেঙ্গৰেঙ্গকৰে, *ad.* কুকুৰে ভুকা মাতৰ দৰে, ইফালে সিফালে দেখা সেৰেঙ্গা, the barking of a dog, a harsh voice.
ৰেঙ্গৰেঙ্গি, *a.* কুকুৰৰ দৰে হাই কৰা (স্ত্ৰি), having a harsh voice, *fem.*
ৰেঙ্গৰেঙ্গিয়া, *a.* সেৰেঙ্গা, তনু, of loose texture, having interstices.

বেঙ্গাই, *v.* জোৰা নেথাই, ডাৱৰৰ মাজত অলপকৈ বদ ওলাই, to be separate or not joined, to shine out dimly.

বেঙ্গোআ, *s.* অলপকৈ বদ দিয়া, মাজে মাজে বেঙ্গা হোআ, a partial or occasional shining of the sun, sparseness, looseness.

বেনু, *s.* কনিকা, বিন্দু, বালি পৰিমান, a grain a particle, an atom.

বেন্দা, *s.* কাঠ নিমজ কৰা এবিধ জন্ত্র, a carpenter's plane.

বেপ, *s.* অস্ত্র আদিৰ ধাৰেৰে মৰা ঘঁহা, দা কটাৰিৰে মৰা ঘহা, a downward and drawing stroke with a cutting instrument.

বেপনি, *s.* ঘনে বেপি থকা, অস্ত্ৰাদিৰ ঘঁহনি, কথা চোবোআ, the act of drawing an instrument back and forth with a downward pressure as a fiddle bow; saying the same thing over and over.

বেপা, *a.* অস্ত্র আদিৰে ঘঁহি থকা, drawn back and forth &c.

বেপি, *v.* অস্ত্র আদিৰ ধাৰেৰে ঘঁহি, একে কথাকে কৈ থাকি, to draw back and forth with a downward pressure; to say the same thing over and over.

বেফ, *s.* ব্যঞ্জনৰ ওপৰত লিখা ৰ ফলাৰ এই ( ́ ) চিন, the symbol ( ́ ) for ৰ, placed over another letter.

বেৱতি, *s.* শেস নক্ষত্ৰ, ২৭ নক্ষত্ৰ, the last lunar asterism.

বেবাৰ, *s.* এবিধ বৰ টেঙ্গা, the pumalo or shaddock ; ( Citrus Accumana.)

বৈ, *v.* থাকি, গমন নকৰি, খমকি, বাট চাই, to stop, to wait, to remain, to come to a stand, to expect.

বৈবৈ, *ad.* প্ৰচুৰ ৰূপে, অধিক্যৈক, plentifully, abundantly.

বৈয়ত, *a.* কাটি চিকি মুকলি কৰা, সুথিল, cleared, as a path &c.

বোঅনি, *s.* কঠিয়া বোআ তিৰি, a woman who transplants rice.

বোআ, *s.* বোপন কৰা, পোতা, থোক নেমেলা বোআ ধানৰ গচ, বৈ থকা, থকা, the act of planting, waiting, stopping; corn in the blade; *a.* planted; left, (as a remainder.)

বোওআ, *s.* বোপন কৰোআ, গচ আদি পোতোআ, causing to be planted or fixed.

বোকনি, } *s.* নাৰিকল আদি বোকা জন্ত্র, an instrument for scraping
বোকোনা, } cocoanut pulp.

বোকা, *s.* কৰি থকা, ঘোঁকা, gouging, digging, scooping or scraping out.

বোগ, *s.* নৰিয়া, ব্যাধি, disease, illness, sickness, distemper.

বোচোকা, *s.* অলপ ঘা, অলপ চিনু, a slight wound, blemish or defect.

বোজ, *s.* সাঁজ, নিত্য আহাৰ, সিধা, daily provision; with ধৰি, to supply with daily provisions.

ৰোজা, *s.* গৰিয়াৰ ব্ৰত, a mussulman fast.

ৰোন্দা, *s.* বিন্ধা, ধোন্দ, a hole, a perforation, an opening in a sore &c.

ৰোম, *s.* গাৰ নোম, the hair of the body.

ৰোমাঞ্চ, *s.* গাৰ নোম সিঁয়ৰা, গাৰ নোমি ভোবোৰা হোআ, horripilation, a bristling of the hair.

ৰোল, *s.* হাই, কোৰ্হাল, এৰাও, a noisé, tumult, confusion.

ৰোস, *s.* সন্মান, আবুৰ, খং, coolness, reserve, dignity of manner, anger, passion.

ৰোঁহ, *s.* ঠেহ, গপ, ওফোন্দা, sullenness, pouting, resentment.

ৰোহিনি, *s.* চতুৰ্থ নক্ষত্ৰ, the fourth lunar asterism.

ৰৌ, *s.* এবিধ বৰ মাচ, a species of fish, (Cyprimus Denticulatus.)

ৰৌআচৌআ, ৰৌজালৰৌজাল, } *s.* দন্দ খৰিয়াল, হাই, উৰুমি, quarreling, contention, noisy dispute.

ৰৌৰৌ, *s.* কুকুৰৰ ভুকনি, নৰক বিসেস, the bark of a dog, one of the hindoo hells.

ৰৌৰৌআই, *v.* ৰৌৰৌকৰে ভুকি, খঙ্গৰে ৰৰকৈ বলকি, to make a loud noise, as of a dog barking or of angry dispute.

## ল

ল, লকাৰ, লবলৈ কোআ, this letter corresponds with the English *l*; the imperative of লৈ, to take.

লই, *s.* লিন, একে হোআ, মিল জোআ, dissolution, absorption, a solution, a mingling or melting together.

লইখ কৰি, *v.* লখ্য কৰি, চাই থাকি, দ্রিষ্টি কৰি, কটাখ্য কৰি, গম লৈ, to see, to observe, to notice, to discriminate.

লইলস্কৰ, *s.* লালিগিৰা, বন্দি বেটি, পৰিচাৰক, camp followers, attendants, domestics.

লক্লক্কৰে, *ad.* সিঘ্ৰ সিঘ্ৰ, বেগাই, (বাৰ্হি অহা,) rapidly, quickly; (applied only to growth and increase.)

লক্লকনি, *s.* হেপাহ, অতি ইচা, লোভ, পাবলৈ বা কৰিবলৈ বৰ উচাহ, a craving, a strong desire, an ardent wish, covetousness.

লক্লকাই, *v.* ৰৰকৈ লোভ কৰি, ইচা কৈ, মন বাৰ্হি, to desire greatly, to covet, to be bold and grasping.

লকচা, *s.* এবিধ ত্রিন, a species of coarse grass.

লকচি, *s.* বাঁহৰ কোমল আচাৰি, a young bamboo shoot or twig.

লকৰথকৰ, *a.* থকৰবকৰ, অথিৰ, tottering, trembling, unsteady.

লকৰপকৰ, *a.* সোলোক ঢোলোক, লৰকফৰক, loose, unsteady, not firm.

লখ, *s.* সঁচ, মুল, কঠিয়া, seed for planting, origin.

লখাই, লক্ষ্মন, } *s.* বাম চন্দ্রব একজন ভায়েক, a brother of Ram Sondro.

লখিমি, লক্ষ্মি, } *s.* বিষ্ণুৰ প্ৰধান ভাৰ্য্যা, সম্পতি দিওঁতা দেবি, ধান, the wife of Vishnoo, the goddess of wealth; grain, substance.

লখিমি অনা, *s.* পথাবৰ ধান দাই সেস মুঠি অনা, the bringing from the harvest field the last bundle of grain of the season.

লখ্য, *a.* লাখ, এস হেজাব, দ্রিষ্টি, অনুমান, a *lac*, one hundred thousand; a view, an inference.

লখ্যন, *s.* চিন, ভাল বেয়াব নিদৰ্সন, স্বভাও, a mark, a sign, a token, an indication of a good or evil disposition.

লখ্যবিলখ্য, *a.* অসংখ্য, অলেখ, লাখবিলাখ, countless, innumerable.

লগ, *s.* জোগ, মিল, সঙ্গ, contact, conjunction, union; with পাই, to overtake, to meet; with ধৰি or লৈ, to follow after.

লগতিলৈ, *ad.* বেগতে, সিঘ্রে, তুৰন্তে, quickly, speedily, instantly.

লগনিখৰি, *s.* প্ৰথমে জুই লগোআ সুকান খৰি, kindling wood.

লগনিয়াৰ, *a.* টুটকিয়া, লোকৰ কথা লোকত লগোআ জন, নাৰদিয়া, whispering, backbiting; *s.* a slanderer, a tale bearer.

লগৰিয়া, *s.* সঙ্গি, একে লগে থকা বা ফুৰা, সমনিয়া, a companion, an associate.

লগলগাই, *v.* লগেৰে থৈ, একে লগ কৰি, to place together, to unite.

লগা, *a.* লাগনি, ফল ধৰা, লাগি থকা, প্ৰয়োজনিয়, জামিন, bearing fruit, adhering, needful; *s.* a surety, security, bail.

লগাই, *v.* খুআই, জোগ কৰাই, ফল ধৰাই, মিলাই, লোকৰ বিৰোধে কথা কৈ, to fasten, to cause to touch, to bring into contact.

লগাই ভৰাই, *v.* লোকৰ কথা লোকত কৈ, টুটকালি কৰি, to slander, to talk in a backbiting manner.

লগাভগা, *a.* সম্বন্ধিয়া, জাতি কুটুম্বৰ সমন্ধ থকা, related or connected; *s.* a connection, a relation.

লগালগি, *a.* ওচৰাউচৰি, চমুআচমু, adjoining, near to each other, adjacent; *s.* nearness, contiguity; with কৈ, *ad.* at hand.

লগি, *s.* নাৱৰ চৰি, গৰ্ভত সন্তান মেৰোআ জাল, গৰু আদিৰ জল, a bamboo pole used in propelling boats; the placenta or after-birth.

লগিয়া, *suffix.* ধাতুৰ প্ৰত্যই বিসেস, ক্ৰিয়াৰ পিচত জোগ হলে আৱস্যক বা লগা বুজাই, a participial suffix, used after verbs in the future tense to imply necessity or obligation, as মই জাব লগিয়া, I must go.

লগিয়ালগি, *a.* see লগালগি.

লগুআ, *s.* আলধৰা, লিগিৰা, লিটিকাই, a personal attendant.

লগুআলি, *s.* লগুআৰ কাম, personal service or attendance.

লগুন, *s.* বামুনে পিন্ধা নগুনিয়া সুতা, জজ্ঞ সুত্ৰ, the brahminical sacred thread, worn by the higher classes of hindoos.

লগুনগাঁঠি, *s.* বিবাহত দৰা কন্যাক লগ্ন কৰা গাঁঠি থকা কাপৰ, the marriage knot.

লগুন দিয়নি, *s.* বামুনৰ লৰাক লগুন দিয়া কৰম, the ceremony of investing a person with the brahminical thread.

লগোআ, *s.* সংজোগ কৰা, মিলোআ, খুঁউআ, লোকৰ অহিতে কথা কোআ, the act of joining, uniting, touching, fastening, backbiting or of tale bearing; *a.* joined, fastened.

লগোআভঙ্গোআ, *s.* লোকৰ কথা আত তাত কৈ ফুৰা, slandering, backbiting, mischief making.

লগ্ন, *a.* লগা, মিল হোআ, জোগ হোআ, ৰাসিৰ উদই, adjoining, touching, joined, united; *s.* a junction, the time between the rising of a sign of the zodiac above the horizon and its being completely above it.

লঘন, } *s.* অনাহাৰ, উপবাস, ব্ৰত, fasting, abstinence from food.
লঘোন, }

লঘু, *a.* পাতল, গধুৰ নোহোআ, অমান্য, light, not heavy, unimportant, trifling, trivial; with কৰি, to disesteem, to disregard; with পাই, to feel light or relieved of bodily or mental suffering.

লঘোনিয়া, *s.* অনাহাৰি, উপবাসি, বৰতিয়া, one who fasts.

লঙ্কা, *s.* সিংহল দিপ, ৰাৱনৰ দেস, the island of Ceylon or *Lonka*; in mythology, a famous city, the capital of Rawon.

লঙ্গ, *s.* মচলা বিসেস, এবিধ ফুল আৰু তাৰ গচ, the clove tree and its fruit; a fragrant flowering plant, (Eugenia Caryophillatas.)

লঙ্ঘন, *s.* উলঙ্ঘন, ডেওআ, অতিক্ৰম কৰা, আগ্যা ভঙ্গা, লঘোন, the going beyond a limit, a stepping over; the transgressing of a law.

লচ্পচ্কৈ, *ad.* ৰচকপচককৈ, ধুন মাৰি ইফাল সিফালকৈ, in a bustling hurried manner; with joyful haste.

লচ্পচাই, *v.* চড়্বড়াই, তজ্বজাই, বেগে ইফাল সিফালকৈ ফুৰি, to bustle about, to run about restlessly here and there.

লচৰাই, *ad.* বেগতে, সিঘ্ৰে, খপৰাই, quickly, hastily.

লজুআ, *a.* লাজ থকা, লাজকুৰিয়া, bashful, modest, retiring.

লজ্জা, *s.* চৰম, লাজ, shame, bashfulness, modesty.

লঞ্চনা, *s.* লাজ কৰা, অপমান, লঘু কৰা, abuse, reproach, disgrace.

লগ্ন, *a.* লান, সলগ্ন, একে লগ, united, connected, in contact.

লট্ঘট, *s.* ঘট্মট, টনা আঁজোৰা, the act of pulling or shaking about.

লট্ঘটাই, *v.* টানি আঁজুৰি, ঘট্মটাই, to pull about, to vex, to trouble.

লট্‌২পট্‌২, *a.* লৰি থকা, টলঙ্গভলঙ্গ, ওলোমধোলোম, swinging, dangling, shaking about.

লট্পটাই, *v.* জিবা লট্পট্ কৰি, লট্পটিত খুৰ সনাই, দুষ্টালি কৰি, to mumble, to roll the tongue in chewing as one who has no teeth, to act with levity or wantonness, to strop a razor.

লট্পটি, *s.* খুৰ ধৰোআ চাল, দুষ্টা তিৰি, a razor strop, an unchaste woman.

লটপটিয়া, *a.* জিবা লট্পটাই থকা, দুষ্টালি কৰা, rolling about the tongue, unsteady, unchaste.

লট্পটোআ, *s.* জিবা লৰোআ, চালত খুৰ ঘঁহা, দুষ্টালি কৰা, the act of mumbling or of stropping a razor, wanton behaviour.

লটিকা, *s.* ভঁৰালৰ বেৰৰ বাহিৰ ফালে বন্ধা সঁৰাহ বা খিয় গোজ, the palisades in a partition, fence or railing.

লটিঘটি, *s.* see লট্ঘট্.

লঠ২ঠ২, *a.* গাত কাপৰ নাইকিয়া, উদঙ্গ, সুদা, destitute of clothing, naked, empty handed.

লঠঙ্গা, *a.* ডাঙ্গৰ, সকত, large, stout.

লঠঙ্গালঠঙ্গ, *a.* সক বস্তুৰ ডাঙ্গৰ, সকত সকত, coarse grained, stout.

লঠৰা, *a.* পাখি চুলি আদি নথকা, destitute of hair or feathers, bald.

লঠৰিয়া, *a.* চপনিয়া, গভিয়া, অকলসৰিয়া, working for food and clothes, living at the house of another in hopes of marriage &c.

লঠা, }
লঠানুঠা, } *a.* গচৰ পাত নাইকিয়া হোআ, টকলা, without foliage or grass, bare.

লঠিয়া, *s.* তলে দি সুমাই ঠেলা দিয়া মাৰি, গুৰি টিঙ্গত বঠাবে দিয়া উচাল, চাৰ দিয়া, a lever, a pry, propelling a boat with the steering oar, using the end of the boat as a fulcrum.

লঠৌবৰা, *s.* টাঙ্গোন বৰা নামে এবিধ ধান, a species of paddy.

লণ্ডভণ্ড, *s.* লাঙ্গলাঙ্গ থাঙ্গথাঙ্গ, বণ্ডভণ্ড, নৰ্দাঙ্গভৰ্দাঙ্গ, confusion, disorder, ruin, overthrow; with কৈ, *ad.* scattered about in disorder.

লতা, *s.* বগাই জোআ ত্ৰিন বিসেস, a vine, a climbing plant, a creeper.

লতাআমাৰি, *s.* এবিধ গচ, a species of valuable timber tree.

লতাকোবাই, *v.* লতাৰ দৰে বগাই যৈ, to creep, to twine, (as a vine,) to spread or increase, to overspread, to run in all directions.

লতাচাল, *s.* মঙ্গহৰ ওপৰৰ মাজ চাল, the under skin or cutis.

লতাজৰি, *s.* এবিধ গচ, গচৰ ওপৰত গজা এবিধ জৰি গচ, a species of tree, (Ficus Infectoria?)

লতানি, *s.* বহু লতা থকা ঠাই, a place abounding in vines.

লতাপতা, *s.* লাটপাট, অলপিয়া দ্ৰব্য, অলপ সম্বন্ধ লগা, things of trifling value, odds and ends; *a.* remotely related.

লতাপনিয়াল, *s.* হাবিৰ এবিধ দ্ৰাখ্যা লতা বা গুটি, a grape vine and its fruit; with ৰস, wine, with খেতি, a vineyard.

লতামাকৰি, *s.* গচত উঠা বাঘ এবিধ, a wild animal resembling the panther.

লতাসিৰ, *s.* গাৰ সৰু সৰু লেটেকা সিৰ, the small veins and muscles of the body.

লতি, *s.* কানৰ তল কোস, the lobe or lower part of the ear.

লতিয়া, *a.* মাটিত লতা বগাই জোআ, creeping on the ground as a vine; applied particularly to a species of the betel vine.

লথিয়াই, *v.* লাথি মাৰি, to kick.

লদা, } *s.* সান্দহ আদিত গোট বন্ধা চপৰা, a lump, a solidified mass.
লদি, }

লদালদ, *s.* চপৰাচপৰ, লনালন, in lumps, lumpy.

লনা, *s.* দিঘল জোঁটা, ওলোমা থোপা, a long bunch or cluster.

লনালন, *s.* থোপাথোপ, জোঁটাজোঁট, hanging in clusters or bunches.

লনি, *a.* মানি, সুঅনি, ভাল, well proportioned, comely.

লন্দন, *a.* কোমল, তুলাতুল্য, soft, tender.

লপ্লপ কৰে, *ad.* খৰকৈ মুখ লৰোআৰ দৰে, with a mumbling sound or a rapid indistinct utterance.

লপলপাই, *v.* খৰকৈ মুখ লৰাই, (কোআ বা খোআ,) to mumble, to talk rapidly and indistinctly.

লপলপিয়া, *a.* লপলপাই থকা, সঁচাই মিচাই বহু কথা কৈ থকা, mumbling, talkative, prating.

লপা, *a.* লাপুঙ্গ, সোলা, দাত নাইকিয়া, মিচা কথা কোআ, toothless, false, prating, speaking regardless of truth.

লপাথপা, *s.* অলপকৈ মৰা হাতৰ চাপৰ, a light blow with the open hand, a slap.

লফা সাক, *s.* এবিধ খোআ সাক, a species of edible vegetable.

লভি, *v.* পাই, প্ৰাপ্ত হৈ, লাভ কৰি, to get, to gain, to acquire.

লভ্য, *a.* পাব লগিয়া, লাভ, পৰাপতি, obtainable; *s.* gain, profit.

লম্‌লমিয়া, *a.* বহুকৈ ওলমা, hanging down, pendent.

লম্পট, *a.* see লুম্পট.

লম্ভা, *s.* ধৰ্ম্মা, ধৰা, the act of possessing, (as evil spirits.)

লম্ভি, *v.* ধৰ্ম্মি, ধৰি, to possess, (as evil spirits.)

লয়ন, *s.* চিপাহিৰ পটি, সাৰি, the English word "*line*" Indianized, applied to barracks or rows of houses for soldier or coolies.

লয়লাস, *s.* ধূনপেঁচ, লাহলোটন, লাহবিলাহ, diversion, pastime.

লৰ, *s.* বেগাই জোৱা গমন, বেলেগ, ভিন ভাও, running, swiftness; difference, changeableness, instability; *a.* swift of foot, different, unlike, altered, changed, unstable; with দি or মাৰি, to run, to flee, to speed.

লৰকফৰক, *a.* ঢিলা সোলোকা, অথিৰঅদিৰ, ইফাল সিফাল, loose, not firm, unsteady, not exact, irregular.

লৰঙ্গফৰঙ্গ, *a.* লটঙ্গপটঙ্গ, dangling, swaying to and fro, shaking about, turning this way, and that.

লৰচৰ, *s.* কাণ্ডিকুৰা, উঠামেলা, moving about.

লৰনি, *s.* লাৰনি, কৰাই পিঠাগুৰি আদি লৰোৱা হতন, a number of small splints bound together, used in stirring grain &c. while parching.

লৰফৰ, *s.* ধৰফৰ, চট্‌ফট, ইফাল সিফাললৈ লৰা, a tossing or turning from side to side, a flouncing struggling or springing about.

লৰ্‌ফৰাই, *v.* ধৰ্‌ফৰাই, চট্‌ফটাই, to toss, to struggle or spring about.

লৰ্‌লৰাই, *v.* দন্‌দনাই, পিৰপিৰাই, একনি আদিএ মূৰত বগাই, to creep, to crawl.

লৰা, *s.* লৰ মৰা, জোকাৰ খোৱা, মাঁতিৰে নথকা, অথিৰ, গেলা, সললি হোৱা, the act of running, shaking, trembling &c; *a.* unsteady; slightly putrid, changed.

লৰা, *s.* পুত্ৰ, পো, বালক, a boy, a son.

লৰাই, *v.* জোকাৰ খুআই, টাক আদিৰে লুটিয়াই বগৰাই, সলনি কৰি, ঠাই আদি সলাই, to shake, to stir or move about, to alter, to change.

লৰাইচৰাই, *v.* দাঙ্গি মেলি, লুটিয়াই বগৰাই, নৰিয়াৰ আলপৈচান ধৰি, to move about, to turn over, *fig.* to wait upon the sick.

লৰাজম, *s.* বেগতে মাৰি নিয়া কাল, হঠাৎ লিক মৰন, *lit.* the swiftly pursuing *Jom*; sudden death.

লৰাতকৰা, } *a.* খৰ্খেদা, লৰালৰি, ততাতৈয়া, quick, rapid; with কৈ,
লৰাধপৰা, } quickly, rapidly.

লৰাদামুৰি, *s.* see লৰালুৰি.

লৰামাইকি, *s.* সন্তান জন্মা তিৰোতা, a mother.

লৰালৰি, *a.* see লৰাতকৰা.

লৰালুৰি, *s.* লৰা দামুৰি, সতি সন্ততি, the children of a family male and female.

লৰি, *v.* লৰ মাৰি, জোকাৰ খাই, কপি, অথিৰ হৈ, সলনি হৈ, গতি এৰি, গেলি, to run, to shake, to tremble, to change, (as the mind or features, or as fish in the first stage of putrifaction)

লৰিঅলি, *s.* এবিধ সৰু চৰাই, পানিঘোৰা, a species of bird.

লৰুঅলি, *s.* এবিধ সৰু মাচ, a species of fish.

লৰুআই, *v.* লৰ মৰাই, বেগাই খেদি নিয়াই, to cause to run, to drive with speed.

লৰুউআ, *s.* লৰ মৰোওআ, লৰ দিওআ, the causing to run; *a.* rapidly driven, chased away.

লৰোআ, *s.* লৰাই দিয়া, জোকৰা, কঁপোআ, ট্ৰাকুৰে লুটিয়াই দিয়া, সলোআ, the act of changing, shaking, trembling, turning or stirring about; *a.* changed, shaken, moved about.

লৰ্কচা, *s.* কাপৰেৰে চাঙ্গি কৰি মানুহ আদি অনা ভাৰ, a person carried in a cloth as a load on men's shoulders.

লৰ্বাঙ্গতৰ্বাঙ্গ, *s.* see লণ্ডভণ্ড.

লৰ্লৰিয়া, *a.* বৰ বুঢা, আলৰ aged, stricken in years.

ললমজলম, *a.* জলমজটম, কোঁচাকোঁচে ওলমি থকা, slovenly in dress.

ললাট, *s.* কঁপাল, দুখ, ক্লেস, জাতনা, fate, destiny, distress, affliction.

ললাটি, *a.* ললাট ভুঞ্জা, দুখ পোআ, দুখিত, distressed, afflicted.

ললিতং, *a.* সিজাত বা খুন্দাত জোল উঠা, লন্দন, টেপাটেপ, reduced to jelly, (as by beating;) tender, (by boiling.)

লৱকুস, *s.* সিতাৰ জঁজা দুই পুত্ৰৰ নাম, the twin sons of Sita.

লৱন, *s.* লোন, salt.

লৱনসাগৰ, *s.* লোন সাগৰ, হিন্দু মতে প্ৰথম সাগৰ, the salt ocean, the first of the seven circular oceans of the hindoo shasters.

লস, *s.* see লখ.

লহকবি, *s.* এবিধ মৰা সাক, a species of hemp the leaves of which are edible.

লহঙ্গপহঙ্গ, *a.* পাহুআল, দিঘল ডাঙ্গৰ, tall, stout and well proportioned.

লহন, *s*, চহ, উচটনি, মিচা আসা, false inducements, flattery.

লহপহ কৰে, *ad.* হল্ফল্ কৰে, লহ্লহ্ কৰে, বেগতে, (বৰ্হী,) rapidly, (applied only to growth.)

লহ্পহিয়া, *a.* হল্ফলিয়া, লাক আদি বেগতে বৰ্হী, flourishing, increasing, rapidly growing.

লহৰ্পহৰ, *a.* মত্হাল, লুদুৰপদুৰ, fat, plump, full.

লহ্লহ্ কৰে, *ad.* see লহপহ্ কৰে.

লা, *s.* লা পৰুআই তোলা এঁটা, lac, stick lac.

লাই, *s.* লোকৰ পৰা পোআ সাহ, আসই, মন, মৰম, প্ৰধান, লাক এবিধ, boldness from the example or influence of others; *a.* principal, chief, first.

লাইখুঁটা, *s.* ঘৰৰ প্ৰধান খুঁটা, প্ৰথমে পোতা খুঁটা, a principal post in a house, and set in the ground first.

লাইজাবৰি, *s.* এবিধ ঔসধিয় লাক; a species of medicinal plant.

লাইজুলিয়া, *a.* কলাপতিয়া বৰনৰ নিচিনা, greenish.

লাই পাই, *v.* সাহ পাই, আসই পাই, মৰম পাই, to take courage, to be emboldened by influence or example; to find favor, to be indulged.

লাই পাত, } *s.* এবিধ লাক, a species of vegetable or greens.
লাইলাক, }

লাই পো, *s.* অতি চেনেহৰ পো, a favored or indulged son.

লাই পোআ, *a.* মৰম বা সাহ পোআ, encouraged by indulgence or by example.

লাইলঠিয়া, *a.* অকলসৰিয়, সঙ্গ নাইকিয়া, alone, only one, solitary.

লাইলেচাই, *a.* কেৱল দুটা, only two; (applied to things.)

লাউ, } *s.* এবিধ লতাৰ ফল আৰু তাৰ গচ, a pumpkin plant and its
লাও, } fruit.

লাউলাউ কৰে, *ad.* অতি বেগে, (বাৰ্হি জোৰা,) rapidly, as of growth.

লাওখোলা, *s.* সুকান লাউৰ খোলা, মুৰৰ খোলা, a gourd shell, the skull.

লাওলোআ, *a.* অতি দুখিয়া, লাউত বাজে অন্য পাত্ৰ লবৰ বল নথকা, very poor, destitute, *lit.* (having only a gourd shell.)

লাওডুবি, *s.* এবিধ ধান, a species of paddy.

লাওপতা, *s.* এবিধ সৰু মাচ, a species of small fish.

লাকটিপাকটি, *s.* লথ্পথু, লাবভাব, odds and ends, things of little value.

লাকপাক, *a.* কোনো প্ৰকাৰে আৰম্পি থোআ, done in the rough, slightly done, unreliable, unsatisfactory.

লাকিলুক, *s.* লাটিপুটি, লৰাৰ খেমালিৰ দৰে কৰা, childish play, trifling or playing at work.

লাকেপাকে, *ad.* সাতেসোতৰে, মিচাই সঁচাই, কোনো প্ৰকাৰে, in some way, by some means, in some manner, after a fashion.

লাখ, *a.* লক্ষ্য, এস হেজাৰ, one hundred thousand, a *lac.*

লাখবিলাখ, *a.* লাখলাখ, অসংখ্য, বহুত, অনেক, thousands upon thousands, innumerable.

লাখৰবাখৰ, *a.* গা নচুৱা, গাত তত নাইকিয়া জন, brisk, lively, restless.

লাখুটি, *s.* হাতত লোৱা মাৰি, সৰু টোকোন, a staff, a walking stick.

লাগতিয়া, } *a.* প্ৰয়োজনিয়, লগা, ভালৰি, খাটনিয়াৰ, necessary,
লাগতিয়াল, } needful; *s.* a favourite.

লাগনি, *a.* লগা, গুটি ধৰা, বেগতে জুই লগা, bearing, producing fruit, readily burning.

লাগনিখৰি, *s.* জুই লগোৱা সুকান বাঁহ আদিৰ খৰি, dry fuel.

লাগবান্ধ, *s.* চন্দ গৰ্হ, আগগুৰি, নিয়ম ৰূপ, মিল, symmetry, relation, connection, order.

লাগি, *v.* কাঁৰ আদি গাত পৰি, কামোৰ খাই, সংজোগ হৈ, গুটি ধৰি, গিৰিএকে ভাল দেখা, to hit, to strike, to adhere, to stick, to unite, to bear fruit; *a.* pleasing, fitting, favorite.

লাগিভাগি, *ad.* লা-ঢো কৰি, বন আদিত সহাই দি, in concert, together, mutually aiding.

লাঙ্গ, *s.* দুৱাৰ মৰা সলখা, হাঁতি সালৰ সলখা মাৰি, bars in a gateway or in a pen used for confining wild animals.

লাঙ্গচিঙ্গ, *s.* হাঁতিৰ আঁকুহি, গজাখোঁহ, an iron goad for driving elephants.

লাঙ্গনিপাঙ্গনি, *s.* লাচনি পাঁচনি, খুচুৰিয়া বন, light domestic work.

লাঙ্গপাঙ্গ, *a.* লৰক ফৰক, লাক্পাক্, done in the rough or slightly.

লাঙ্গপাত, *s.* হাঁতি বন্দি কৰা সলখা দিয়া সাল, a pen for confining wild elephants.

লাঙ্গফা, *s.* বেৰত পথালিকৈ দিয়া পাট বা সঁৰাহ, a horizontal support to a partition.

লাঙ্গলাঙ্গ থাঙ্গথাঙ্গ, *a.* লণ্ডভণ্ড, ডালডাল, separated, scattered about.

লাঙ্গি, *s.* এবিধ মাচ ধৰা দিঘল জাল, a kind of fish net.

লাচ, *s.* ভাৰৰ বিৰিয়া বা ধান আদিৰ খোৱা দোঁ, খোজত হাত লেচোৱা, a bending as of ripened grain or of a pole under a burden; the swinging of the hands in walking; with খাই, to bend.

লাচখোৱা, *a.* দোঁ খাই জোৱা, ভিৰ খোৱা, bent, curved, bowed over.

লাচনিপাঁচনি, *s.* see লাঙ্গনিপাঙ্গনি.

লাচিবাচি, *v.* লাবি চাবি, ভালবো ভালটো বিচাবি, to pick out the best, to cull; *ad.* by selection or choice.

লাচিম, *s.* এবিধ মাচ, a species of fish.

লাচো, *s.* এবিধ জাতি কচু, the hill *Kosu*, (a species of Arum.)

লাজ, *s.* লজ্জা, চৰম, অপমান, shame, modesty, shyness, disgrace.

লাজ কথা, *s.* অবাচ্য কথা, নিলাজ কথা, বেয়া মাত, obscence language.

লাজকাজ, }
লাজবিজ, } *s.* লাজ চৰম, ধৈৰ্য্য মৰ্য্যাত, modesty, self respect.

লাজকুৰিয়া, *a.* চৰম থকা, বৰ লাজ কৰা, bashful, modest, shy.

লাঞ্ছনা, *s.* see লঞ্ছনা.

লাঞ্জ, *s.* নেজ, দণ্ড, লালি, সলগ্ন, a tail; *a.* continuous, consecutive.

লাট, *a.* লান, সলগ্ন, পাট সুতাৰ জোঁথা continuous, unbroken; *s.* the tow or coarse part of Silk.

লাটকাঁচি, *s.* এবিধ বন শাক, a species of wild esculent plant.

লাটপাট, *s.* লাকটি পাকটি, লাব ভাব, খুঁচুৰিয়া বস্তু, things of little worth, odds and ends.

লাটবি, *s.* মুগা সুতাৰ বাচ বা জোঁথা, the refuse or tow of Mooga silk.

লাটিপুটি, *s.* লাফিলুকা, লৰা দামুৰিএ কৰা খেমালি বিশেষ, childish play, frolic.

লাটিম, }
লাটুম, } *s.* লৰাৰ ওমলা কাঠৰ বস্তু, a spinning top.

লাটুমা, *a.* লাফ বন্ধা, লাটুমৰ দৰে গোট বন্ধা, *lit.* like a top, hence, lumpy, coagulated.

লাটুমালাটুম, *ad.* লাফ লাফ, চপৰা চপৰে, in lumps, in clots.

লাটুৰি, *s.* টাকুৰিত কাটিবলৈ মাৰিত ভৰাই লোৱা এৰি, a distaff for spinning the refuse silk of a cocoon.

লাঠক, *a.* মুৰত চুলি নথকা, টকলা, bald; *fem.* লাঠৰি.

লাঠি, *s.* লাথুটি, দণ্ড, a walking stick.

লা-টো কৰি, *v.* হাত উজান দি, বনত সহাই দি, to render slight assistance.

লাওসুমি, *s.* বঁৰলা, নিৰাসুমি, a bachelor; without wife or children.

লাতুৰমনি, *s.* এবিধ লতাৰ গুটি আৰু গচ, এক ৰাতিৰ জোখ লোৱা গুটি এবিধ, the seed of the Abrus, used as a weight by goldsmiths.

লাথি, *s.* পিচলৈ মৰা ভৰিৰ প্ৰহাৰ, a kick backward.

লাদ, *s.* জন্তুৰ বিষ্টা, হাঁতিত অনা বোজা, animal ordure; a load or burden carried by an elephant.

লাদি, *v.* জন্তুএ মল তিয়াগ কৰি, হাতিত বোজা দি, to void excrement; to put a load or burden on an elephant.

লান, *a.* লেথেৰি, লাট, continuous, successive, unbroken.

লানি, *s.* শালি, সাৰি, লেথেৰি, জোঁটা, জোকা, a line, a row, a range; a joining, a hanging down in clusters.

লা-পৰুআ, *s.* লা উত্পন কৰা এবিধ পৰুআ, the lac insect, (Cocus Ficus.)

লাপুঙ্গ, *a.* দাঁত নাইকিয়া, সোলা, লপা, toothless.

লাফ, *s.* জাঁপ, ডেও, ওপৰলৈ উঠা জাঁপ, a jump, a bound, a leap.

লাভ, *s.* উত্পন, প্ৰাপ্তি, পৰাপতি, পাউনি, profit, gain, advantage; with খাই, to acquire gain unjustly; with পাই, to gain.

লাবভাৰ, } *s.* see লাকটি পাকটি.
লামলাকটি, }

লাৰি, } *v.* লৰাই চৰাই, লিৰিকি বিদাৰি, চুই মেলি, to move about,
লাৰিচাৰি, } to stir together; the latter form used adverbially.

লাৰিবাঙ্গ, *a.* আলাইবাদু, অপাত্ৰ, অকামিলা, good for nothing, useless.

লাৰু, *s.* গুৰ পিঠা গুৰি আদিৰে বন্ধা মিঠৈ, a kind of sweetmeat.

লাৰু লাৰু, *a.* অনেক লাৰু, দমাদম, (জোক পোক আদি,) in heaps, plentiful, in swarms, as of insects or maggots.

লাহঁনি, *s.* পানি সিঁচা বাঁহৰ নাল খুঁউআ জতন এবিধ, a basket with a handle used for baling water.

লাল, *s.* লেলাউটি, মুখৰ বোআ পানি, slaver, spittle running from the mouth, drivel.

লালকাল, *a.* তত নাইকিয়া, বিচেষ্টা, মৃত্য প্ৰাই, insensible, unable to move, almost dead.

লালটি, *s.* see লাল.

লালনা, *s.* আস্তিক, সদাই আলাপ কৰি থকা, affection, friendship.

লালবিজ, *s.* লালটি, জন্তু আদিৰ বিৰ্জ্য, phlegm, the white of an egg, semen.

লালি, *s.* খাজুৰ আদিৰ পগোআ ৰস, জুলিয়া গুৰ, সাৰি, লানি, লেথেৰি, treacle, molasses; a line, a row, a joining or tying together.

লা-লিগিৰা, *s.* see বৰ লোকৰ লইলস্কৰ.

লালুক, } *s.* ভেঁকুলিৰ পোআলি বিসেস, a tadpole, a frog in its
লালুকি, } first stage from the spawn.

লালুঙ্গ, *s.* অসম দেসত থকা এক জাতি, *Lalung*, a tribe of people.

লালৈ, *s.* মনি বিসেস, a precious stone (probably the chalcedony.)

লালৈভাদৈ, *s.* সঙ্খ আদিৰ অলপ মুল্যৰ মনি, small porcelain beads

লালোঅা, *s.* কচোঅা সিঙ্গৰা মাচ, a species of shrimp.

লাৱন্য, *s.* সৌন্দর্য্য, কোমল, স্নিগ্ধ, সুঅলা, *lit.* saltness; loveliness, amiability; *a.* soft, tender, gentle, amiable.

লাসবেস, *a.* see লইলাস.

লাহ, *s.* ধুন্ পেঁচ, গাৰ জুতি, show, parade, ostentation.

লাহতি, *a.* ধুনিয়া, গা চাই লাহ কৰা তিৰি, ostentatious, vain.

লাহন, *s.* চাৰি ঘৰিয়া আহোমৰ এখেল, সম্পতি বিসেস, one of the four leading classes among the old Ahoms.

লাহৰি, *s.* চেনেহি, মৰমৰ মাত, a particle expressing endearment.

লাহি, *a.* সৰু, গা পাতল, লেহুকা, thin, slender, flexible.

লাহি ধান, *s.* জহা আদি আগেয়ে পকা সৰু বিধ ধান, a general name for several kinds of fine paddy.

লাহেকৈ, } *ad.* ধিৰে ধিৰে, অলপকৈ, গম নোপোআকৈ, slowly, by
লাহেলাহে, } degrees, quietly.

লিকচৌ, *s.* ৰজাৰ হুকুম মতে বিসয়াৰ ঘৰত খটা পাইক, a class of laborers whose services were given by the Assam king to his officers for a longer or shorter period.

লিকটা, *a.* চিকটা, লেকেটা, ৰৰৰ এঁঠাৰ দৰে নিচিগা নভগা, tough, elastic, not easily broken.

লিকলিকিয়া, *a.* লিহলিহিয়া, গা নাইকিয়া, সিলসিলিয়া, long and slender, applied to reeds and bamboos.

লিখক, } *s.* লিখিব জনা, লিখোঁতা, মহৰি কাকতি, a writer, a scribe,
লিখাক, } a secretary, a clerk.

লিখা, *s.* আখৰ দিয়া, চিত্ৰ কৰা, a writing, the act of writing or painting; *a.* written, painted.

লিখাই, *v.* লোকৰ হতুআই আখৰ দিয়াই বা চিত্ৰ কৰাই, to cause to be written or painted.

লিখি, *v.* আখৰ দি, চিত্ৰ কৰি, to write, to paint.

লিগিৰা, *s.* প্ৰধান লোকৰ আল পৈচান ধৰা লোক, আলধৰা, a house servant or personal attendant of the king and nobility.

লিগিৰি, *s.* প্ৰধান লোকৰ আলধৰা তিৰি, *fem.* of the above.

লিঙ্গ, *s.* পুৰুসৰ চিহ্ন, ব্যাকৰন মতে সব্দৰ জাতি, the penis or male organ of generation; in gram. the gender of a noun.

লিঙ্গলিঙ্গিয়া, *a.* দিঘল আৰু গা সৰু, long and thin, sparse, (applied only to hair and vegetation.)

লিটিকৰি, *a.* সৰু কঁটিয়া, বামুনৰ লগুআ বিসেস, very small, stinted,

লিটিকা, *s.* ভঁৰালৰ বাহিৰ বেৰত দিয়া থিয় ফলিয়া বাঁহ আদি, the upright outer supports of the sides of a granary.

লিতা, *a.* লাহি, পুষ্ট নোহোআ, thin, lean, slender.

লিন, *a.* লই হোআ, মিল হোআ, absorbed, commingled, dissolved.

লিপা, *a.* মচা, মাটি আদি সনা, লেও দিয়া, wiped, smeared, plastered.

লিপাপোচা, *a.* মচা সৰা, অঁতোআ পিতোআ, swept and plastered over.

লিপি, *v.* মচি, মাটি আদি সানি, লেও দি, to wipe, to smear, to plaster.

লিপিচ, *a.* লেচু, চেলু, চিদ্ৰ, an occasion, a chance, a fault.

লিপিত, } *a.* খাই ধৰা, সমান হৈ লাগি ধৰা, মিল হৈ ধৰা, joined,
লিপ্ত, } united, in close contact, adhering.

লিৰিকি, *v.* ঘনে ঘনে চুই লাৰি, to turn over and over in the hand, to fumble about in search of anything.

লিলা, *s.* খেমালি, ক্রিডা, বিলাস, play, sport, pastime, dalliance.

লিলাম, *s.* অনেক জনৰ মাজত বস্তুৰ দৰ বৰ্হাই বৰ্হাই বেচা, an auction sale.

লিলিয়নি, *s.* জোক সাপ আদিৰ গাৰ বা জিবাৰ জোকাৰনি, the tortuous motion of reptiles.

লিলিয়াই, *v.* জোক আদিএ গা বা জিবা লৰাই, to move as above.

লিহ্লিহিয়া, } *a.* see লিক্লিকিয়া.
লিহিৰিপতিয়া, }

লিহিৰিখোপা, *s.* ওলোমাই বন্ধা খোপা, a particular mode of knotting the hair low in the neck.

লুইত, *s.* বৰ নদি, ব্ৰহ্মপুত্ৰ, a name of a portion of the Brahmaputra.

লুকাই, *v.* আৰ হৈ, নেদেখা হৈ, গোপন কৰি, to hide, to secrete.

লুকুমাই, *s.* বন্দি লৰা বিসেস, a slave boy.

লুকাভুকা, } *s.* লৰাৰ খেমালি বিসেস, the child's play of hide and seek.
লুকালুকি, }

লুকাভুমুকা, *s.* এবাৰ মুখ দেখা দি এবাৰ লুকুউআ, the play of bo-peep.

লুকিনাবেঙ্গা, *s.* গৰ্ভ নাবেঙ্গা, এবিধ পেটত হোআ খহু, internal boils &c.

লুকুআ, *s.* গোপন কৰা, আৰ কৰা, নেদেখুঁআ, the act of hiding or secreting; *a.* hidden, secreted, concealed.

লুকুআই, *v.* গোপন কৰি, আৰ কৰি, to hide or conceal anything.

লুখুৰাসন, *s.* চাৰিঘৰিয়া আহোমৰ এখেল, one of the four principal divisions of people among the Ahoms.

লুঙ্গলুঙ্গ কৰে, *ad.* অকলে, মনে মনে ফুৰি, stealthily, quietly, noiselessly.

লুঙ্গলুঙ্গাই, *v.* মনে মনে বিচাৰি ফুৰি, লুৰ্লুৰাই, to search for stealthily or quietly; *ad.* stealthily, quietly.

লুঙলুঙিয়া, *a.* চোৰৰ দৰে মনে মনে বিচাৰি ফুৰা বা কৰা, noiseless, sly, stealthy, wily, insidious.

লুচুৰ কৰে, } *ad.* বেগতে, খপৰাই, at once, without waiting.
লুচুৰাই, }

লুট্‌পুটাই, *v.* see লটপটাই.

লুটি, *s.* ফাল, কাতি, বাগৰ, side, direction, a turning over or about; with খাই, to turn over.

লুটিয়াই, *v.* বগৰাই, তল ওপৰ কৰি, ওভোতাই, উবুৰিয়াই, to turn over, to upset, to turn about or upside down.

লুটিয়ালুটি, *s.* বগৰাবাগৰি, ইকাতি সিকাতি, a turning from side to side; with কৈ, *ad.* from side to side.

লুটিসুটি, *ad.* কাবৌকোঁকালিকৈ, বৰকৈ খাটিলুটি, importunately, with earnest entreaty.

লুটুঙপুটুঙ, *a.* টুলুঙভুটুং, কাতিকুতা কৰা, অকলসৰ, অসোভা, rolling about, ( as a boat. )

লুঠুঙঠুঙিয়া, *a.* অকলসৰিয়া, কেও নাইকিয়া, নিৰাশ্ৰই, alone, solitary, unprotected, shelterless.

লুতুৰিপুতুৰি, } *a.* বোকাৰে লেটিপেটি হোৱা, daubed, muddy, draggled;
লুতুৰপুতুৰ, } *s.* the act of draggling or trailing in the mud.

লুতুৰা, *a.* ভাল বিচাৰি ফুৰা বা খোৱা ঘনে ঘনে খাই অভ্যাস হোৱা, dainty, squeamish, luxurious in habits or in eating.

লুথুৰি, *s.* পানিত সিজোৱা পিঠাগুৰি, rice flour gruel.

লুথুৰি পাভ, *s.* এবিধ পাভ মাচ, a species of fish.

লুদুৰপুদুৰ, *a.* পুষ্ট, থোলোকা নোদোকা, fat, stout, fleshy.

লুনিয়া, *a.* লোন যুক্ত, salt, saline.

লুপ্ত, *a.* লোপ হোৱা, গুচা, নাইকিয়া হোৱা, disappeared, disused, obsolete, vanished, extinct, gone out.

লুভি, } *a.* লোভ থকা, পৰৰ দ্ৰব্য আদি পাবলৈ অতি ইচা কৰা,
লুভিয়া, } covetous, avaricious, grasping, *fem.* লুভুনি.

লুম্পট, *a.* বেস্যা, পাপ কৰ্মত ৰতি থকা, lascivious, lewd, lustful; *s.* a libertine, lewdness, lasciviousness.

লুৰি, *v.* ডকা দি, কাৰ্হি, খৰি বিচাৰি, মক খাল, লোৰ, to pillage, to rob, to plunder; to gather firewood; *s.* a small drain, a drill for planting seed.

লুকুকা, *a.* লোকৰ দ্ৰব্যাদি চুই বিচাৰি ফুৰা, intrusive, meddlesome, officious; *s.* the act of meddling, intruding &c.

লুকুকি, *v.* অনুমতি বিনা লোকৰ দ্ৰব্যাদি চাই বিচাৰি, to meddle, to intrude, to be officious.

লুকুমা, *a.* সৰু, ধান আদি বাৰ্হিব নোঅৰা, সামান্য, small, dwarfed, stinted in growth, inferior, ordinary.

লুবুঙ্গলুবুঙ্গ, *a.* কেও কিচু নথকা, অকলসৰিয়া, destitute and friendless.

লুলুৰাই, *ad.* see লৰ্লৰাই.

লুলুৰিয়া, *a.* লৰ্লৰিয়া, aged, infirm.

লুহিয়া, *s.* এবিধ ত্ৰিন, লোহোৰা, লোৰ পাত্ৰ বিসেস, a species of grass, an iron pot.

লুহিয়ানি, *s.* লুহিয়া বন গজা ঠাই, a place abounding in the above grass.

লেই, *s.* কঁৰাল দিবলৈ সিজোআ আটা, paste.

লেইলেই চেইচেই, *Interj.* বৰ ঘিন বুজুআ মাত, চেই চেই লেই লেই, a word expressing the utmost contempt disgust or detestation; begone! for shame.

লেউলেউআ, *a.* জুলিয়া, লেপলেপিয়া, of the consistence of thin gruel.

লেউসেউ, *a.* লেতুসেতু, ঠৰঙ্গা নোহোআ, জেনি নিয়া তেনি জোআ, flexible, pliant.

লেও, *s.* লেপ, টৌ আদিত বাহিৰে দিয়া বোকা, any substance used for smearing or plastering, (as lime for whitewash.)

লেওআ কঠিয়া, *s.* বোকা কৰি পৰা কঠিয়া, paddy that is sown for transplanting in wet soil.

লেক্লেকাই, *v.* কেৰ্কেৰাই, কেল্কেলাই, to talk at random, to prate.

লেক্লেকিয়া, *s.* লেকলেকাই থকা, সঁচাই মিচাই কৈ থকা, the act of prating or talking at random; *a.* prating, babbling.

লেকাত, *s.* কোনো কামত লাগি থকাত পোআ দুখ, ক্লেস, suffering or exhaustion from any long continued exertion.

লেকাত লগা, *a.* স্ৰমতে ক্লান্ত হোআ, exhausted, prostrated by fatigue.

লেকাম, *s.* ঘোঁৰাৰ মুখত দি চলোআ জতন, a bridle.

লেকেচি, *s.* এচৰা, বাঁহৰ জেঙ্গ, a bamboo twig.

লেকেচিয়া, *a.* ডেৰেচিয়া, ভালকৈ পুৰঠ নোহোআ, imperfectly ripened.

লেকেচিয়াই, *v.* টেঙ্গুচিয়াই, অলপকৈ খোৰাই, to limp, to halt in walking.

লেকেটা, *a.* লিকটা, চিকটা, tough, tenacious.

লেকেটিয়া, *a.* লেকাত ভুঞ্জা, নিচিগা নভগা, নেৰানেপেৰা, long enduring, tenacious, persistent.

লেখ, *s.* গননা, সংখ্যা, an account.

লেখক, *s.* লেখাৰু, লেখ কৰোঁতা, a scribe, an accountant.

লেখনি, *s.* কাপ, কলম, খনিকৰৰ চিত্ৰ কৰা তুলি, a pen, a pencil, a hair pencil or brush for drawing.

লেখা, *s.* সংখ্যা কৰা, গননা কৰা, লিখা, a reckoning, a counting; *a.* counted, reckoned.

লেখাই, *v.* গননা কৰাই, সংখ্যা কৰাই, to cause to be reckoned &c.

লেখাজোখা, *s.* লেখ বুজ কৰা, the making up of an account &c.

লেখি, *v.* লেখ কৰি, গনি, ওকনিৰ কনি, to number, to count, to reckon; *s.* a louse nit.

লেখিয়া, *a.* সদ্ৰিস, তুল্য, নিচিনা, like, similar, thus.

লেগাম, *s.* see লেকাম.

লেঙ্গ, *s.* এবিধ ৰোগ, a kind of pulmonary disease, consumption.

লেঙ্গগুটি, *s.* লেঙ্গে ধৰাৰ দৰে টান বনত খিন বা দুৰ্বল হোআ, suffering or emaciation from hard work.

লেঙ্গচেঙ্গিয়া, *a.* গা নচুউআ, গা চোআ, ফিহুপিলিঙ্গা, foppish, vain.

লেঙ্গটি, *s.* কপিং, পোকৰ টনা, a very narrow waistcloth.

লেঙ্গপেঙ্গ কৰে, } *ad.* দিঘল কপে লেঙ্গাকৈ, কেঁকৰেঁক কৰে, in length,
লেঙ্গলেঙ্গ কৰে, } in height; (of anything long and slender.)

লেঙ্গপেঙ্গিয়া, } *a.* দিঘল, ওখ, কেঁকৰেঁকিয়া, লেঙ্গা, long, tall, spindling.
লেঙ্গলেঙ্গিয়া, }

লেঙ্গা, } *a.* লেঙ্গলেঙ্গিয়া, দিঘল ওখ, (গচৰ দৰে,) long, tall, (applied
লেঙ্গি, } only to trees, &c.)

লেঙ্গেৰপেঙ্গেৰ, *s.* লেনপেন, লেঙ্গেৰালেঙ্গেৰি, কুকুৰ আদিৰ চেনেহ, fondness, a fawning manner, (as of dogs.)

লেঙ্গেৰা, *a.* খোৰা, ভৰি ভগা, পেঙ্গেৰা, lame, halt, crippled, *fem.* লেঙ্গেৰি.

লেঙ্গেৰালেঙ্গেৰি, *s.* লেঙ্গেৰপেঙ্গেৰ, the act of fawning or cringing.

লেচকেচ, *s.* লেঠা, আহুকাল, জঞ্জাল, মুখ চুপতি বিসেস, embarrassment, difficulty, perplexity, trouble.

লেচা, *s.* লেচেৰা, কোচা, a bunch, a hank, a tress.

লেচাই, *v.* ফুৰোত হাত জোকাবি, লৰাই, to swing, as the arms in walking, to shake, as a burden carried on a pole.

লেচাৰি, *s.* পদৰ চন্দ বিসেস, হাত জোকাৰি, a poetic measure or metre; *v.* to swing the arms in walking.

লেচালেচ, *s.* কোচাকোচ, চিৰাচিৰ, bunches &c. *ad.* in bunches.

লেচিয়া ধান, *s.* আধা সুকান ধান, half dried paddy.

লেচিয়া ভাৰ, *s.* একালে গধুৰ একালে পাতল ভাৰ, একলিয়া হোআ ভাৰ, a burden carried with a pole unequally.

লেচু, *s.* কাৰণি, চল, চিদ্র, দাই দোস, chance, means, fault, offence.
লেচেৰা, *s.* see লেচা.
লেচেৰা মাহ, *s.* এবিধ লতা আৰু তাৰ চেঁই, a species of bean.
লেচেৰি, *s.* চেঁই ধান পিটিয়াই বন্ধা মুঠি, এডাল এডালকৈ বোটলা ধান, the gleanings of a rice field; a bundle of the heads of grain.
লেচোআ, *s.* হাত আদি জোকাৰি জোআ, the swinging of the hands in walking or the springing of a pole in carrying a load.
লেজাই, *s.* মাটিত বগোআ এবিধ বেঁত, a species of ratan.
লেজু, *s.* দিঘল ডোল, ৰচি, a long rope or cord.
লেজুআ, *a.* গুৰ আদি এঁঠা থকা বস্তু টানিলে লেজুৰ দৰে দিঘল হৈ জোআ, stringy, ropy.
লেট, } *s.* গা আদিত বোকা আদি সনা, daub, plaster, mud; with লৈ,
লেটি, } to daub one self, to wallow in the mud.
লেট্‌পেট, *a.* see লেটিপেটি.
লেটপেটাই, *v.* বোকা আদি সানি, মিহলাই, to daub, to draggle &c.
লেটা, *s.* মুগা আদিৰ বাহৰ ভিতৰত থকা পোক, পোকৰ ত্রিতিয় অৱস্থা, the chrysalis of the silk worm.
লেটাই, *v.* লেটিপেটি কৰি, মিহলাই, চুৰিয়া আদি মাটিত চোঁচোঁৰাই, লেটাইত সুতা লৈ, সুতা লোআ জতন, to bedaub, to draggle, to reel thread preparatory to warping; *s.* a kind of reel.
লেটাকুন্দাই, *v.* মুগা আদিএ লেটা টান বান্ধি, *lit.* to form a cocoon, hence to surround one's self with perplexities and difficulties.
লেটাগুটি, *s.* এবিধ তিতা লতা আৰু তাৰ গুটি, a species of vine and its fruit, medicinal.
লেটিপেটি, *a.* লেট্‌পেট, লুতুৰি পুতুৰি, daubed, draggled, mixed up.
লেটিয়াই, *v.* লেট খুআই, মিহলাই, the causative of লেটাই.
লেটিয়ালেটি, *s.* সনাসনি, মিহলোআ মিহলি, a mutual daubing, a mixing up of different things together.
লেটেকা, *a.* লিকটা, tough, not easily broken.
লেটেকু, *s.* এবিধ খোআ গুটি, a species of acid fruit.
লেটেকুআ, *s.* গৰু মহ আদিৰ এবিধ চকুৰ ৰোগ, a disease of the eyes peculiar to animals.
লেটেঙ্গপেটেঙ্গ, } *a.* see লেঙ্গপেঙ্গিয়া.
লেটেঙ্গা, }
লেটোআ, *s.* সনা, বোকাত বাগৰা, মিহলোআ, লেটাইত সুতা লোআ, the act of daubing, mixing or of rolling thread; *a.* besmeared &c.

লেঠা, *s.* উত্তৰ, জঞ্জাল, জেঙ্গা, চিদ্ৰ, difficulty, embarassment, fault.

লেঠিয়াই, *v.* নাম নধৰাকৈ লোকৰ গালৈ দাই দোস ঠেলিয়াই, to throw blame on another by hint or innuendo.

লেঠিয়ালেঠি, *s.* ঠেলিয়া ঠেলি, ইটোএ সিটোৰ গালৈ দোস পেলোআ, a mutual recrimination or shifting of blame.

লেচেয়ালগা, *a.* বিলম হৈ থকা, laid aside for a season, delayed.

লেচ্কেচকৰে, } *a.* পিচল, বিজলুআ, sticky, slimy, viscid.
লেচ্কেচিয়া, }

লেতুসেতু, *a.* সেউসেউআ, ঠৰঙ্গা নোহোআ, জেনি নিএ তেনি নিব পৰা, flexible, pliable, easily bent.

লেতেৰপেতেৰ, *s.* সান মিহলি, লেথেৰগোবৰ, খেহেটাখেহেটি, a blending or mixing, uncleanliness, untidiness, disorder.

লেতেৰা, *a.* খেহেটা, ফেদেলা, জেগেলা, untidy, slovenly, disorderly.

লেতেৰি, *s.* ফেদেলি, খেহেটি, *fem.* of the above.

লেথেৰি, *s.* লানি, সৰগ, সাৰি, a row, a line; with লাগি, to form into a line or row.

লেদ্লেদ্কৰে, *ad.* বৰ বা অতিসই, (গধূৰ,) very, applied only to weight.

লেদ্লেদিয়া, *a.* গধূৰ, heavy, weighty.

লেদেনা, *s.* মল মুত্ৰাদি, আল পৈচান, filth, excrements of the body.

লেদেনা উকটি, *v.* নৰিয়া আদিক আল পৈচান ধৰি, to minister to the sick.

লেধা, *a.* মেটা, মেদা, গধূৰ, heavy, sluggish, slow motioned.

লেধাইসামুক, *s.* এবিধ সামুক, a species of shell.

লেধেমা, *a.* লেধা, গধূৰ, লেদলেদিয়া, ponderous, heavy, weighty.

লেন, *s.* কোঁকালি, সাদৰ লগোআ, importunity, teasing, importuning.

লেনপেন, *s.* see লেঙ্গেৰ পেঙ্গেৰ.

লেনিয়াই, *v.* কোঁকালি কৰি, মৰম লগাই, আদৰ লগাই, to tease, to importune, to flatter in order to obtain a favor.

লেপ, *s.* সঁৰাহ, ঘন, নিহালি, a pair of tongs or pincers; *a.* thick, dense.

লেপ খাই, *v.* লিপিত খাই, থেপ্ খাই, to be closely joined, or united.

লেপ্ খোআ, *s.* লিপিত খোআ, থেপ খোআ, closely joined or united.

লেপ্থেপ, *a.* বৰ ঘন, গাত গা লগা, dense, thick, in close contact.

লেপ্লেপিয়া, *a.* বোকা জেন, লেউলেউয়া, জুলিয়া, of soft consistency, easily compressed, moist.

লেপেঙ্গালেপেঙ্গ খোজ, *s.* হলঙ্গা হলঙ্গ খোজ, দিঘল খোজ, a stride.

লেপেটখাই, } *v.* লাগি ধৰি, জেপেটি ধৰি, to stick or adhere close-
লেপেটিখাই, } ly together.

লেপেটা, *s.* আঁঠু আৰু তপিনা পেলাই বহা, sitting with the feet curled up.
লেপেটিয়া, *a.* ফেতলেঙ্গা ভৰি বা খোজ, খামোচে পোআ, নেবানেপেৰা, flat footed, compressed.
লেফাফা, *s.* চিঠিৰ খাম, an envelope.
লেব্‌লেবাই, *v.* লেবাৰ দৰে কথা কৈ, to lisp, to articulate imperfectly.
লেবা, *a.* খোতা, ভালকৈ কথা কব নজনা বা নোঅৰা, having an imperfect articulation.
লে-বাই, *v.* জুই বা লতা বগাই, to creep, to spread, as a vine or fire.
লেহেৰা, } *a.* বাঁও হতিয়া, ঢেৰেৰা, left-handed.
লেহেৰাহতিয়া, }
লেমলেমিয়া, *a.* সেৎসেঙ্গিয়া, পৰি থকা, লেটেয়া লগা, left for a time, delayed, put off.
লেৰা, *s.* কেঁচুৰ দৰে দিঘল, এমেৰা, সিয়া মনিৰ এডাল, one of several united strings of beads.
লেৰুআ ওঁঠ, *s.* ডাঙ্গৰ ওঁঠ, prominent lips.
লেৰেলা, *a.* জঁই পৰা, সুকাই জোআ, wilted, withered, dried up.
লেৰেলি, *v.* জঁই পৰি, সুকাই বিবৰন পৰি, to wither, to wilt, to fade.
লেনপেল, *a.* চেদ ভেদ নাইকিয়া, খতিখন নোহোআ, বেমেলি, mixed, without cessation or interruption, without order, scattered.
লেলাই, *v.* জিবা উলিয়াই সেহাই, লেলাউটি উলিয়াই, to loll, to drool.
লেলাউটি, *s.* লালটি, মুখৰ লাল বিজ, saliva, spittle, drivel.
লেলি, *s.* লালি, লেথেৰি, সাৰি, a range, a row, a line.
লেলিলেথেৰি, *s.* নিচিগা দিঘল সাৰি, a long unbroken line or row.
লেলেইকঁহুআ, *s.* এজাতি কঁহুআ বন, a species of grass.
লেলেটিয়া, *a.* ললাট ভুঞ্জি থকা, ক্লেসি, suffering long, distressed.
লেলোআ, *s.* লেলাউটি ওলোআ, সেহোআ, the act of drooling or lolling.
লেস, *s.* ধনিষ্টা, বিন্দু, অলপ, কিঞ্চিত, কিচু, a minute particle, an atom.
লেহু, *s.* এবিধ বন, a species of grass.
লেহুকা, *a.* লাহি, পাতল, বেগতে ভিৰ খোআ, সকত বা দ্রিঢ নোহোআ, thin, flexible, yielding to pressure.
লেহেতি, *s.* বাঁহৰ পানি সিঁচা জতন এবিধ, বনৰিয়া এবিধ সাক, the triangular shaped baling basket, a species of wild vegetable.
লেহেতিয়া, *s.* প্রাই তিৰোতাৰ দৰে চলা পুৰুস, a hermaphrodite, a eunuch.
লেহেম, *s.* বেলি, পলম, খৰতকিয়া নোহোআ, জুৰ, procrastination, delay.
লেহেৰা, *a.* অসমৰ্থক, দুৰ্বল, অপাৰক, incompetent, weak, inefficient.
লেহোআ, *s.* লাহ কৰা, ধুন কৰি জোআ, a swaggering or pompous gait.

লৈ, *v.* গ্ৰহন কৰি, নি, to take; *affix.* to, unto; *emph.* লৈকে.
লৈলৈ-থৈথৈ, *s.* বৰ দুৰ্গতি, বিপত্তি, নানা আপদ, misfortune, calamity.
লো, *s.* লোহা, চকুৰ পানি, নেত্ৰ জল, লোতক, iron; a tear, tears.
লোআ, *s.* লোৰ সিকলি, গ্ৰহন কৰা, নিয়া, an iron fetter or chain; the act of taking; *a.* taken, received, accepted.
লোআই, *v.* পিঠা গুৰি ভাজি, চকুৰ পানি ওলাই, গ্ৰহন কৰোআই, to brown flour, to shed tears, to cause to take, to persuade.
লোআচুৰ, *s.* কমাৰ সালৰ লোৰ ভেৰ, the dross of iron.
লোআৰ, *s.* চল, তেগ, লোতৰ, a chance, a favourable opportunity.
লোআলি, *a.* লোযুক্ত, লোৰে কৰা, iron, made of iron.
লোওআ পিঠাগুৰি, *s.* ভজা পিঠা গুৰি, browned rice flour.
লোক, *s.* আন জন, জগত, ভুবন, another person, people, a world.
লোকপাল, *s.* ৰজা, ইন্দ্ৰাদি দস দিগপাল, a sovereign, a king.
লোকান্তৰ, *s.* পৰকাল, মৰন, another world, death.
লোকাপাৰ, *s.* এজাত পাৰ, কানৰ ভুসন বিসেস, a species of pigeon, a kind of ear ornament worn by men.
লোকালোক, *s.* হিন্দু মতে সাত সাগৰৰ বাহিৰে মেৰাই থকা পৰ্বত, প্ৰিথিবিৰ সিমা, অন্ধকাৰ, according to hindoo cosmography, a mountainous belt surrounding the seven circular oceans and forming the boundary of the world; darkness, obscurity.
লোঙ্গ, *s.* লোৰ, খাৱৈ, ঠেক হোলা, a deep ditch, a low place.
লোঙ্গাই, *v.* লোঙ্গ খানি, সৰু খাৱৈ খানি, to dig a drain or deep hollow.
লোচা, *s.* দিঘে পথালিএ এঁটাৰ পৰিমিত মাটি, 'a measure of land eight cubits square.
লোটসোট, *a.* কোঁচ খাই পৰা, নম্ৰ হৈ পৰা, subdued, humbled.
লোটা, *s.* পানি খোআ পাত্ৰ বিসেস, a metal drinking vessel.
লোঠোঙ্গা, *a.* see লঠঙ্গা.
লোতক, *s.* চকুৰ পানি, লো, a tear, tears.
লোতকোতিয়া, *a.* see লেতকেতিয়া.
লোতৰ, *s.* চল, আলম, কাৰন, a chance, an opportunity, a cause.
লোথোপথোপ, *a.* বৰ মঙ্গহাল, পুষ্ট, very fat, fleshy, plump.
লোদোৰপোদোৰ, লোদোৰা, } *a.* মঙ্গহাল, নোদোৰপোদোৰ, stout, corpulent.
লোধোমধোম, লোধোমা, } *a.* গা ডাঙ্গৰ, লোকৰ লগত আসাকৈ লাগি থকা, corpulent; hanging on in hope of obtaining some favor.
লোন, *s.* লৱন, নিমখ, salt.

লোনা, *a.* লুনিয়া, লোন সনা, লোনৰ সোআদ থকা, salt, saline, briny.

লোপ, *s.* বিনাস, নাস, অদ্রিস্য হোআ, a lapse or disappearance, discontinuance, erasure, abrogation, rescinding.

লোপথোপ, *a.* see লোথোপথোপ.

লো-পৰিখ্যা, *s.* লো তপতাই, হাতত দি দসি নিৰ্দ্দসিৰ প্ৰমান চোআ, the testing of an accused person's guilt or innocence by the application of a hot iron to the hand.

লোভ, *s.* পৰৰ ধন আদিলৈ ইচা, covetousness; with লাগি, to covet.

লোভি, *a.* লুভিয়া, লোভ কৰোঁতা, covetous, greedy of gain, grasping.

লোৰ, *s.* খলি, পানি জাবলৈ খনা দিঘল খাল, a small drain or outlet.

লোৰা, *s.* লুৰি অনা, ডকা দি অনা, খৰি বোটলা, a pillaging or robbing, the picking up of firewood.

লোৰোকাই, *v.* লুকুকি ফুৰাই, খানি ফুৰাই, ছুকুকিয়াই, to cause to be stirred up, searched for or investigated.

লোলা, *a.* ঢিলা, কাপ খাই ন ধৰা, loose, not fitting closely.

লোলাসোলা, *a.* see লৰকফৰক.

লোহা, *s.* লো, iron.

লোহাজাৰন, *s.* লোৰ ভস্ম, লোৰ চাই, ঔসধ বিসেস, a medicinal preparation of iron.

লোহামই, *a.* লোৰ নিচিনা, বৰ টান, কেটকেট কৰে টান, hard like iron, iron.

লোহোৰপোহোৰ, } *a.* লোদোৰপদোৰ, মঙ্গহাল, fleshy, corpulent.
লোহোৰালোহোৰ,

লোহোৰা, *s.* লোৰ পাঁত্ৰ বিসেস, কেৰাহি, a small iron cooking vessel.

লৌআ-লপা, *a.* চতৰ বতৰ, হৰকতৰক, deceitful, untruthful.

লৌকিক, *a.* চলিত, দেসত চলা, ধিকাৰ, হাঁহিয়াত, popular, commonly received or practiced, vulgar.

লৌলৌকৰে, *ad.* লহলহ কৰে, বৰকৈ, ( বৰ্হা, ) quickly, rapidly; (applied mostly to growth and the rise of water. )

স

শ, ষ, স, এই তিনি আখৰৰ উচাৰন অসমিয়া ভাসাত একে হোআত কেৱল স ৰখাৰ প্ৰয়োজন। ষ, স, অন্য ব্যঞ্জনৰ লগত জোগ হলে চ ৰূপে উচাৰিত হই; জেনে কষ্ট, সাস্ত্ৰ, সিস্য, আদি। সৰ ওপৰত ৰেফ দিলে স ৰূপে উচাৰিত হই; জেনে, দৰ্সন আদি। মৰা দেহা, পাঁচ কুৰি. The pronunciation of these three letters being one and the same in Assamese, the latter character স, *h*, need only be used. When combined with another conso-

nant it has the sound of *s*, as সাস্ত্র, *hastro*, scripture; সিস্য, *hiskyo*, disciple. The character reph (ˊ) over the স, does not change it to *s*, as দর্সন, *dorhon*, sight; *s.* a carcass, a dead body; *a.* a hundred; with গুন, a hundred fold; reduplicated it means many hundreds, manifold, very many.

সইকিয়া, *s.* এস কাবিব ওপবব বিসয়া, an officer over a hundred men.

সইধে, *ad.* এতিয়া, সম্প্ৰতি, now, presently.

সইন, *s.* সৈন্য, বনুআ সমুহ, a soldier, an army.

সইলাখ, *a.* নিচিনা, সেই ৰুপ, সদ্রিস, like, similar, analagous.

সং, *prep.* সৈতে, সহিত, ক্রিয়া পদ আদিৰ আগত জোগ হোআ উপসগ বিসেস, with, along with, together; used chiefly as a prefix to verbs and verbal derivatives.

সংক্রান্তি, *s.* দোমাহি, সুর্জ্য এক বাসিৰ পৰা আন বাসিলৈ জোআ দিন, the last day of the month; in astronomy the day on which the sun passes from one sign of the zodiac to another.

সংখ, *s.* সাগৰৰ সামুক বিসেস, এস খৰ্ব, a conch shell, used for libations or as a blowing horn; *a.* an hundred billions.

সংখ্যেপ, *a.* বাহুল্য নোহোআ, মুঠ, brief, short, concise, laconic; *s.* an abridgement, an abstract, a compendium.

সংখ্যেপে, *ad.* অলপকৈ, মুঠতে, বাহুল্য নোহোআকৈ, briefly, in a word.

সংখ্যা, *s.* লেখ, হিচাপ, গননা, অঙ্ক, a number, a reckoning, a quantity, a numerical figure.

সংগ্রাম, *s.* জুঁজ, ৰন, বিগ্রহ, fighting, conflict, war.

সংজুক্ত, *a.* লগা, সলগ্ন, মিলা, conjoined, united to, connected with.

সংজোগ, *s.* লগ, মিল, জোৰা, connection, contact, union, junction.

সংসই, *s.* আসঙ্কা, খুদুঅনি, ডই, doubt, uncertainty, fear, hesitation.

সংসৰ্গ, *s.* লগ, মিল, সঙ্গ, সহবাস কৰা, মৈথুন, union, junction, intercourse, cohabitation.

সংসাৰ, *s.* জগত, ভাৰত্ত, বিসই, গ্রিহস্থি, the world, the mundane or present state of existence, worldly concerns.

সংসাৰি, } *a.* সংসাৰ সমন্ধিয়, pertaining to or engaged in worldly
সংসাৰিক, } affairs, worldly, secular.

সংসোধন, *s.* সুধ কৰা, অসুধ বচা, a cleansing or clearing of defects, a revising, correction.

সংস্কাৰ, *s.* ওপজাৰে পৰা বিবাহ আদিত কৰা কৰম, সুধ কৰা, any purificatory rite, any ceremony of initiation or of marriage.

সংস্কৃত, *s.* হিন্দু লোকৰ মুল সাস্ত্ৰৰ আদি ভাসা, Sanscrit, the sacred and ancient language of the hindoos.

সংস্কৃতিয়া, *a.* সংস্কৃতৰ, সংস্কৃত ভাসা জনা, Sanscrit, learned in do.

সংহৰি, *v.* বিনাস কৰি, উচন কৰি, বধ কৰি, to destroy, to ruin, to kill.

সংহাৰ, *s.* বিনাস, ধ্বংস, প্ৰলই, destruction, ruin, devastation, used especially in reference to the end of the world at the expiration of a *kolpo.*

সঁক, *s.* অঙ্ক, বচৰৰ সংখ্যা, a numerical figure, an era or a year of any era.

সঁকচুৰ, *s.* আঁকবাঁক থকা এবিধ সাপ, a species of snake.

সঁকা সাঁকিনি, *s.* এবিধ আপদিয়া চুঁটি সাপ, a kind of snake considered to be of ill omen if seen only.

সঁখ, *s.* সাগৰৰ সামুক বিসেস, সংখ, a conch shell.

সঁখিনা, *a.* হুতাসিনিয়া, কুলখ্যনিয়া, খুঁআখুলিয়া, luckless, ill-fated, unfortunate, wasteful, prodigal.

সঁচ, *s.* কঠিয়া, গুটি, জাত, seed for germination, race, offspring.

সঁচেই, *ad.* see সঞ্চেই, মুলেই.

সঁচতো, *ad.* মচতো, গৰ্ভতো, in embryo, in the germ.

সঁচা, *a.* স্বৰুপ, গোটাই থোআ, সঞ্চিত, সৌচ কৰি পানি লোআ, true, stored, accumulated; *s.* accumulation, alvine ablution.

সঁচাৰ, *s.* পেৰা আদি বন্ধ কৰা জতন, তলা, a lock, a bolt or any similar fastening; with কাঠি, a key.

সঁচাসঁচি, *a.* অতি স্বৰুপ, ঠিক, সত্য, true, exact, certain; *s.* certainty, truth.

সঁচি, *v.* সৌচ কৰি পানি লৈ, to perform alvine ablution.

সঁচুআ, *a.* সঁচৰ, সঁচৰ থোআ, kept for seed, produced from seed, of legitimate birth.

সঁজাত, *s.* বিশ্বাস, পতিয়ন, সঞ্জাত, trust, confidence, belief, credence.

সঁজাতি, *s.* কোনো কথাৰ প্ৰমান বুজিবলৈ পঠোআ বিশ্বাসি মানুহ, a confidential person sent to ascertain the facts of a case.

সঁজাল, *s.* টৈন, জুগুত, উমান, a revival to freshness, (as a plant,) secret conversation or plotting.

সঁজালি, *v.* চিকুন হৈ, to be renewed in flesh after sickness, to rekindle, to renew a fire.

সঁজুলি, *s.* আহিলা, কাম আদি কৰা জতন বা উপাই, সামগ্ৰি, an implement, a tool, a utensil, furniture.

সঁতাই, *v.* জুৰাই, সান্ত হৈ, জিৰাই, বিস্ৰাম কৰি, to cool, to tranquilize, to rest, to take one's ease; *ad.* leisurely.

সঁতোআ, *s.* জ্ব কৰা, জিৰোআ, বিস্রাম কৰা, the act of resting or of doing anything leisurely; *a.* cooled, rested, refreshed.

সঁফুৰা, *s.* কাঠ আদিৰ সাঁফৰ মৰা টেমা, জমৰ এক দুতৰ নাম, a kind of betel box; an inferior angel of Jom, the regent of death.

সঁৰা, *s.* বাৰ্হনি আদিৰে জাবৰ গুচুউআ, সমস্ত পতিত হোআ মতা, the act of sweeping; a man degraded in caste by an unlawful marriage; *a.* swept.

সঁৰাসাঁৰি, } *s.* সমস্ত পতিত হোআ লোক, a class of people degraded
সঁৰাসুঁৰি, } by marrying contrary to the hindoo law of affinity.

সঁৰাহ, *s.* চেপেনা, লেপ, জুৰিয়া কামি, a pair of pincers; the two long narrow splints of bamboo used in securing the top of a fence.

সঁহাৰি, *s.* গম, উমান, আটকাল, পজাল, a surmise, an intimation, a conception of the mind.

সকত, *a.* ডাঙৰ, ডিহত, পুষ্ট, দিঢ, টান, large, strong, stout, fat, firm.

সকতৈকে, *ad.* ডাঙৰকৈ, টানকৈ, largely, firmly, strongly.

সকল, *a.* আটাই, গোটেই, সমুদাই, সমস্থ, all, whole, entire.

সকাম, *s.* বেহসাই, কাম কাজ, প্রয়োজন, business, work, personal concern, affair, necessity.

সকাহ, *s.* আহৰি, আজৰি, সাস্তা, সাম, বতৰ দশা, leisure, rest, interval, cessation from rain, alleviation of pain.

সকিয়াই, *v.* কোনো কার্জ কৰিবলৈ জাননি দি, হানি বা বেজাৰ পোআত লোকৰ আগত ডাবি দি, to forewarn, to give notice, to threaten before witnesses.

সক্তি, *s.* সকতি, বল, সামৰ্থ, জো, power, strength, might, ability.

সক্তিমন্ত, } *a.* বৰ সক্তি থকা, পৰাক্রমি, বলবন্ত, strong, powerful,
সক্তিমান, } valiant.

সক্তিহিন, *a.* দুর্বলি, নির্বলি, অপাৰক, weak, feeble, impotent.

সখি, *s.* সমস্ত বিসেস, বন্ধু, ইষ্ট, মিত্র, an intimate friend, a companion, an associate; with বান্ধি, to form a friendship.

সখিঅতি, *s.* এবিধ চৰাই, a species of bird.

সগৰ, *s.* সুর্জ্য বংসৰ এজনা ৰজা, the name of a fabled king of Oude who is said to have had 60,000 sons.

সগর্ভা, *a.* গাভিনি, গা নৰিয়া, গা পৰসিয়া, pregnant, with child.

সগুন, *s.* মৰা স খোআ চৰাই এবিধ, এস গুন, a carrion bird, a vulture, *fem.* সগুনি; a hundred times.

সগুনি লতা, *s.* আমৈ লতা, a species of vine, (medicinal.)

সগোত্র, } s. একে গোত্র, a kinsman.
সগোত্রি, }

সঘন, a. অতি ঘন, close together, thick, impervious.

সঘনে, ad. ঘনে ঘনে, বেলিএ বেলিএ, বাৰম্বাৰ, frequently, repeatedly.

সঙ্কট, s. আপদ, বিপদ, ঠেক, misfortune, calamity, danger, a strait.

সঙ্কৰ, s. মহাদেও, সদাসিৱ, মহাপুৰুসিয়া মত উলিওআ জন, a name of Hoda Hiwo; *Shree Honkor*, the founder of the *Maha Puruhia* sect.

সঙ্কল্প, s. মনৰ কামনা, ইশ্বৰলৈ কৰা প্ৰতিগ্যা, intention, will, volition, a religious vow.

সঙ্কা, s. সংসই, ভই, আসঙ্কা, fear, danger, suspicion, doubt, mistrust.

সঙ্কেত, s. ঠাৱ, ইঙ্গিত, চিয়াৰ, a signal, an allusion, an intimation, a hint, a nod, a wink.

সঙ্গ, } s. লগ, সংসৰ্গ, জোগ, মিল হোআ, association, company, intercourse, society, junction, union.
সঙ্গতি, }

সঙ্গি, s. লগৰিয়া, সহাই, সাৰথি, a companion, an associate, an attendant.

সঙ্ঘৰি, v. see সংহৰি.

সচকিত, a. ততোআৰ, সাৱধান, cautious, vigilant, watchful, wary.

সচঙ্গ, s. সৰন, ভকত হোআ, the rite of initiation into the hindoo religion.

সচি, s. ইন্দ্ৰৰ ভাৰ্জ্যা, the wife of Indra.

সচিপতি, s. ইন্দ্ৰ, Indra.

সচেতন, a. চেতন থকা, সাৰ পোআ, সজাগৰ, living, animate, vigilant.

সজ, a. ভাল, বাৰু, সুধ, সদ, উত্তম, good, well, pure, excellent, select.

সজকৈ, } ad. ভাল ৰুপে, বাৰুকৈ, সুধ ৰুপে, well, in a suitable manner.
সজ ৰুপে, }

সজৰথি, a. ভালৰি, ভাল বোলোআ, restored to favor or esteem.

সজা, a. কৰা, নিৰ্ম্মান কৰা, পোহনিয়া চৰাইৰ বাহ, দেহা, made, constructed; s. the act of making &c.; a bird's cage or coop.

সজাই, v. জতাই, নিৰ্ম্মান কৰাই, ভুসিত কৰি, গৰু খুন্দি, কজুঐ বেপাৰি, to cause to be made or constructed; to dress or adorn another, to prepare or get ready, to destroy virility by pounding the testicles; s. a traveling trader, a pedlar.

সজা কথা, s. মিচা কথা, মনেৰে পাতি কোআ কথা, a fabrication.

সজাগৰ, a. সাৰে থকা, সঁহাৰি লৈ থকা, watchful, vigilant.

সজাপৰা, s. কাঠ বাঁহ আদিৰ বন, handicraft or workmanship in wood·

সজে সজে, *ad.* ভালে ভালে, বেয়া নোহোৱাকৈ, in good order or condition, while well off.

সজোআ, *s.* পিন্ধোআ, ধুন মৰোআ, কৰোআ, গড় বন্ধোআ, the act of dressing or adorning another, the causing to be made &c.; the destruction of virility by pounding the testicles.

সজোআ পৰোআ, *s.* জুগুতাই থোআ, পিন্ধুআ উকআ, ভূষিত কৰা, the act of making ready, garnishing or preparing; *a.* garnished &c.

সজোত, *s.* হবিচ, a fasting, a fast.

সজ্যা, *s.* সোআ তুলি পাটি আদি, চাৰি পাটি, a native bed, a sleeping mat.

সঞ্চই, *ad.* সঁচা, stored away, collected, kept.

সঞ্চেই, *ad.* মুঠেই, সমুলি, completely, entirely.

সঞ্জাত, *s.* সঁজাত, প্ৰত্যই, স্বৰূপ মনা, trust, belief, confidence.

সঞ্জাতি, *s.* see সঁজাতি.

সট, *s.* এবিধ ঔসধৰ বন, a species of plant from which an alkaline seasoning for food is prepared.

সটকাই, } *ad.* বেগতে, হঠাত, গিৰিসাই, quickly, hastily without delay,
সটৰাই, } at once.

সটখাৰ, *s.* সটৰ চাই, the alkali produced from the above plant.

সট্‌বট, *s.* চুপচুপ চাপচাপ, মুখেৰে ভালৰি বোলোআ, সেসবেলনি, flattery, adulation, cajolery, obsequiousness.

সট্‌বটাই, *v.* সেস্‌বেলাই, সঠামিত্ৰ কৰি, মুখেৰ মিত্ৰতা দেখাই, to flatter, to cajole, to be obsequious.

সঠ, *a.* দুষ্ট, খল, deceitful, insincere, knavish.

সঠামিত্ৰ, *s.* দুষ্ট বন্ধু, মুখৰ মিতিৰ, a false or pretended friend.

সঠিক, *a.* নিচই, স্বৰূপ, exact, true, certain.

সঠিককৈ, *ad.* নিচয়ে, স্বৰূপকৈ, ঠিককৈ, exactly, truly, certainly.

সঠুআ, *a.* সাঁঠৰ, সাঁঠত হোআ, pertaining to or produced in the three days of the month *Ahar*, supposed by the hindoos to be unclean.

সত, *s.* মন, ইচা, ৰস, চন্দন কাঠৰ পৰা কৰা সুগন্ধি তেল বিসেস, পাঁচ কুৰি, wish, desire, essence, juice or moisture, a perfume extracted from the sandal wood; *a.* one hundred.

সত্‌কাৰ, *s.* আদৰ, সন্মান, respect, honor, civility, politeness.

সতঙ্গজোৰা, *s.* মিচাই চৌৰাঙ্গি দিয়া, ধৰাং জোৰা, ভাও জোৰা, the feigning of physical inability or prostration.

সত্‌চিদানন্দ, *s.* পৰম ব্ৰহ্ম, an epithet of Deity, *lit.* he who is the source of being and happiness.

সতভিসা, *s.* চৌবিচ নখ্যত্র, the twenty fourth lunar mansion in the hindoo zodiac.

সত্বত্, *s.* see সেল্সেলনি.

সত্মুল, *s.* এক ঔসধি গচৰ সিপা, আৰু তাৰ গচ, a species of medicinal plant and its root.

সতৰি, *a.* তিনি কুৰি দহ, কথকি তিৰি, seventy; *s.* a talkative woman.

সত্সতাই, *v.* ভালৰি বোলাই, বৰকৈ কৈ, to prate, to be garulous.

সতসৰ্বস, } *s.* গৰাকিৰ সকলো খিনি বস্তু, one's whole property or en-
সতসৰ্বহ, } tire possessions.

সতা, *s.* খাৰনি সৰোআ জতন, an earthen leach for making lye.

সতি, *s.* পতিব্রতা, স্বামিৰ লগত চিতাত পোৰা তিৰি, a wife devoted to her husband during life, and who burns with him on the funeral pile; with হৈগ, to burn on the funeral pile.

সতিনি, } *s.* সপত্নি, গিৰিয়েকৰ আন তিৰোতা, one of the several
সতিয়ৈ, } wives of one husband.

সতিনিমাৰি, *s.* জঁতৰৰ বটীয়া ধৰা মাৰি, a stick in a native wheel band.

সতিনিয়াহ, *s.* সতিনিৰ পৰস্পৰ হিংসা খিয়াল, animosity or ill feeling between the wives of the same husband.

সতিসন্ততি, *s.* লৰা লুৰি, সন্তান, পো জি, offspring, children, progeny, descendants.

সত্ৰুৰালি, *s.* সক্ৰৰ ভাও, হিংসা, সক্ৰআলি, enmity, hostility.

সত্য, *a.* স্বৰূপ, সঁচা, true, real, certain.

সত্য কৰা, *s.* সপত কৰা, ধৰম চিয়াই কোআ, the act of affirming on oath, an asservation.

সত্য জুগ, *s.* হিন্দু মতে চাৰি জুগৰ প্রথম জুগ, the first of the four hindoo ages of the world, comprising 1,728,000 years.

সত্য বাদি, *a.* স্বৰূপ কথা কওতা, মিচা নোকোআ, speaking the truth, truthful, veracious.

সত্য সেৱা, *s.* সত্য নাৰায়ন, বিষ্ণুৰ পূজা বিসেস, a religious ceremony in honor of Vishnoo.

সত্যে, *ad.* স্বৰূপে, নিস্টৈকে; স্বধৰ্মতে সপত কৰা, দৃঢ় প্রতিগ্যা, verily, truly; *s.* a term of asseveration, an oath.

সত্র, *s.* সাধু মহাজন আদিৰ ধৰম প্রবৰ্তোআ বাস কৰা থান, the head quarters of any leading hindoo priest and his attendants.

সত্রাধিকাৰ, *s.* সত্ৰৰ গৰাকি, অধিকাৰ মহন্ত, a head priest of the above.

সত্রিয়া, *a.* সত্ৰৰ, সত্র সমন্ধিয়, of or relating to a *hotro.*

সত্ৰু, *s.* অৰি, বৈৰি, বিৰোধ কৰোঁতা, an enemy, a foe, an adversary.
সত্ত্ব, *s.* প্ৰক্ৰিতিৰ তিনি গনৰ আদি গুন, the first of the three inherent qualities of matter; (see গুন.)
সদ, *a.* ভাল, উত্তম, সজ, good, excellent.
সদই, *a.* দায়ালু, মৰমিয়াল, ক্ৰিপালু, kind, merciful, compassionate.
সদগতি, *s.* সজগতি, উধাৰ পোআ, a virtuous life, prosperity, bliss.
সদৰ, *s.* ৰাজধানি, the place where government is administered.
সদৰআমিন, *s.* দেওআনি বিচাৰ কৰা এক বিসয়া বিসেস, the judge or chief native officer of a sudder station.
সদৰি, *a.* প্ৰকাসিত, জনা সুনা, সদৰত থকা, public, known, dwelling in or belonging to a sudder station.
সদাই, } *ad.* সৰ্বদাই, নিতৌ, ওৰেও, always, continually, perpetually,
সদাকাল, } constantly.
সদাগৰ, *s.* সাউদ, সুদৈ, a traveling merchant, a trader.
সদাচাৰ, *s.* সজ আচাৰ, সুকৰ্ম, সাধু ব্যেৱহাৰ, good conduct &c.
সদাচাৰি, *a.* সজ আচৰন কৰোঁতা, সুকৰ্মি, well conducted.
সদানন্দ, *a.* সৰ্বত্ৰে সুখি, সদাই আনন্দিত, ever-joyful.
সদাসৰ্বদাই, *ad.* ওৰেও কাল, সৰ্বতিকাল, সদাই, always, continually.
সদাসিব, *s.* মহেস, মহাদেও, an epithet of Hiwo; *lit.* always prosperous.
সদৌ, *a.* সকলো, আটাই, all, the whole, entire.
সদ্যহ, } *ad.* সম্প্ৰতি, এতিয়া, now, at present.
সদ্যো, }
সদ্দ্ৰিস, *a.* নিচিনা, সইলাখ, তুল্য, like, similar, resembling; *s.* likeness.
সধলিক, *a.* সকলোএ জনা, প্ৰজ্বলিত, generally known, spread abroad.
সধৱা, *s.* আয়তি, গিৰিএক থকা তিৰোতা, a woman having a husband.
সধা, *a.* সাধনা কৰা, সিধি কৰা, সিকা, ধাৰৰ পাৰ লগিয়া ধন আদি খোজা, asked for, desired, accomplished, instructed, demanded.
সধাই, *v.* সাধনা কৰাই, সিধি কৰাই, সিকাই, লোকৰ হতুআই পাৰ লগিয়া ধাৰ খোজাই, to ask, to accomplish, to teach, to break in, as oxen &c.; to demand through a second person.
সধোআ, *s.* সাধন কৰোআ, সিধি কৰোআ, সিকোআ, ধাৰ খোজোআ, the act of asking, accomplishing &c. through another.
সন, *s.* এবিধ গচ আৰু তাৰ চালৰ কৰা সুতা, the Bengali hemp plant and its flax; (Crotolaria Juncea.)
সনসনাই, *v.* মুগা আদিএ খোআত বা বগোআত সব্দ উঠি, to make a rustling sound as of silk worms among leaves.

সনাতন, *a.* অবিনাসি, সদাই থকা, ইশ্বৰৰ এক নাম, eternal, everlasting, an attribute of Deity.

সনা-পিটিকা, *a.* আঙ্গুলিৰে টিপা আৰু মিহলোআ, bruised and mixed, as the ingredients of sauce condiment.

সনাহি, *s.* পোক বিসেস, সোঁআহি, বেগতে খাই চুকাওঁতা, a species of worm; *a.* consumed, wasted.

সনি, *s.* সপ্তম গ্ৰহ, the planet Saturn.

সনিবৰিয়া, *a.* সনিবাৰে হোআ, produced on or relating to Saturday.

সনিবাৰ, *s.* সপ্তম বাৰ, সনি গ্ৰহৰ দিন, Saturday.

সনোআ, *s.* সানত দিয়া, ধৰোআ, মিহলোআ, ঘঁহোআ, the act of whetting or sharpening, mixing smearing; *a.* sharpened, mixed, smeared.

সন্ত, *a.* সাধু, ধৰমি, good, virtuous.

সন্ততি, সন্তান, } *s.* লৰালুৰি, সতিসন্ততি, পো জি, a child, children, offspring, progeny.

সন্তাপ, *s.* সোক, খেদ, মনৰ দুখ, anguish, sorrow, remorse, woe.

সন্তাপি, *a.* সন্তাপেৰে দুখিত, সোক পোআ, filled with anguish, distressed.

সন্তুষ্ট, *a.* তুষ্ট, ত্রিপ্ত, হৰ্সিত, satisfied, pleased, gratified, delighted.

সন্তোস, *s.* তুষ্টি, ত্রিপ্তি, হৰ্স, আনন্দ, satisfaction, gratification, contentment, cheerfulness, pleasure.

সন্দিকৈ, *s.* চাৰিঘৰিয়া আহোমৰ এখেল, one of the four principal classes of the old *Ahoms.*

সন্দেস, *s.* চেনা চেনি আদিৰ মিঠৈ বিসেস, a kind of sweetmeat.

সন্দেহ, *s.* আসঙ্কা, খুঁকুৰি, সংসই, hesitation, doubt, mistrust.

সন্ধি, *s.* মিলন, জোৰা, সুৰুঙ্গা, আখৰৰ সংজোগ, a junction, a joint, a fissure, an interstice, the permutation of letters.

সন্ধিয়া, *s.* গধুলি, গধুলা, সাঁজ লগা, evening, twilight.

সন্ধ্যা, *s.* গধুলি, পুআ দুপৰিয়া আৰু গধুলি কৰা বামুনৰ উপাসনা বিসেস, the twilight; a religious ceremony to be performed by brahmins morning, noon and evening.

সন্মত, সন্মতি, } *s.* অনুমতি, মন, assent, agreement in opinion; *a.* acquiescent, willing.

সন্মান, *s.* মান, আদৰ, সত্কাৰ, respect, veneration, honor.

সন্যাসি, *s.* সইনাসি, তপসি, জোগি, ফকিৰ, a religious mendicant.

সপত, *s.* ধৰ্ম চিয়াই কোআ, সত্য অঙ্গিকাৰ, an oath, asseveration; with খাই, to swear, to take an oath.

সপতা, *s.* দা কটাৰি আদিৰ ফাট, a flaw in the blade of an instrument.
সপতাসপতি, *s.* পৰস্পৰ সপত দিয়াদি, a mutual declaration upon oath.
সপনি, *s.* গালি, সাও, abusive language, reviling, cursing.
সপৰিবাৰে, *ad.* পৰিয়ালে সমনিতে, with all one's family and attendants.
সপ্‌সপ কৰে, *ad.* সমসম কৰে, সোপাসোপকৈ, thickly, (like drops of mist or rain.)
সপ্‌সপিয়া, *a.* সম্‌সমিয়া, ডাঠকৈ হিম আদি পৰা, thickly falling, thick.
সপা, *s.* গালি পৰা, সাও দিয়া, abusing, cursing; *a.* abused, reviled.
সপি, *v.* গালি পাৰি, to abuse, to revile.
সপিণ্ড, *s.* সাত পুৰুসৰ ভিতৰত থকা বংস, a kinsman to the seventh generation in descent from a common ancestor.
সপিণ্ডি, *s.* বছেৰেকিয়া, বছৰৰ মুৰত কৰা প্ৰেত স্ৰাদ্ধ বিসেস, a ceremony performed on the first anniversary after death by the relatives of the deceased.
সপোন, *s.* সমাজিক, স্বপ্ন, a dream, a vision.
সপ্ত, *a.* সাত, seven.
সপ্তম, *a.* সাত সংখ্যা পুৰক অঙ্ক, the seventh.
সপ্তমি, *s.* চন্দ্ৰৰ সপ্তম কলা, হিন্দুৰ তিথি বিসেস, the seventh day of the lunar wane or increase.
সপ্তাহ, *s.* সাদিন, a week, seven days.
সপ্তাহিক, *a.* সাদিনিয়া, weekly, of seven days.
সপ্ৰমান, সপ্ৰমানিক, } *a.* প্ৰমান গুলাই থকা, having proof, self evident, authentic.
সফল, *a.* সাৰ্থক, ফল ধৰা, সাফুল, effectual, advantageous, successful.
সব, *a.* সকল, আটাই, মৰা দেহ, the whole, all; *s.* a dead body.
সবংসে, *ad.* বংসে সৈতে, বংস সমনিতে, with one's family or tribe.
সবদ, সব্দ, } *s.* ধনি, মাত, কথা, বাক্য, ব্যাকৰন মতে সংগ্যা অৰ্থাত নাম, a sound, a noise, a roar, a voice, a word; a noun.
সবদিয়াল, *a.* খিতপিয়া, বগৰি, famous, renowned, celebrated.
সব সৰু, *a.* কনিষ্ঠ, সকলোতকৈ সৰু, smallest, least of all, youngest.
সবহুআ, *a.* সবাহৰ, সভা সমন্ধিয়, belonging or relating to an assembly.
সবাহ, *s.* সমুহ লোকে কৰা হৰি কিৰ্তন, public worship.
সভা, *s.* সমাজ, মেল, an assembly, a society, an association, a club.
সভাপতি, *s.* সমাজৰ অধিকাৰ, the president or chairman of do. do.
সভাসদ, *s.* সমজুআ, মেলুআই, সভাৰ লোক, a member of an assembly or society, a courtier.

সভ্য, *a.* সভাৰ জোগ্য, সিষ্ট, ভ্ , civilized, polite, polished.
সম, *a.* সমান, একে, তুল্য, level, equal, like, similar.
সময়, *s.* বেলা, খেন, কাল, নিয়মিত পৰ, time, period, leisure.
সমজুআ, *a.* সমাজৰ সমন্ধিয়, দুইৰ মাজত হৈ মিল কৰোঁতা, belonging to an assembly; *s.* a mediator, a reconciler.
সমনিতে, *ad.* সৈতে, লগে, in accordance with, with.
সমনিয়া, *a.* সমান বয়সিয়া, সমান স্রেনিৰ, equal in age or rank.
সমন্ধ, *s.* সম্পর্ক, লগা ভগা, ব্যাকৰনৰ মতে সষ্টি কাৰক, affiliation, connection, relation; (in *gram.*) the possessive case.
সমন্ধি, } *a.* সম্পর্ক থকা, সমন্ধ লগা, related to, connected with,
সমন্ধিয়, } belonging to.
সমৰ, *s.* জুঁজ, সংগ্রাম, ৰন, conflict, battle, war.
সমৰৰ-সঁজ, *s.* জুদ্ধৰ অস্ত্র, লাগতিয়াল বস্তু, a weapon, any implement.
সমর্থ, *s.* সক্তি, সাধ্য, জো, কৰিব পৰা, সমৰথ, ability, sufficiency, strength; *a.* able, sufficient, adequate, capable.
সমর্পন, *s.* সোধোআ, making over, dedicating or committing to another.
সমল, *s.* সামগ্রি, খোআ দ্রব্য, goods, provisions, eatables.
সমলিয়া, *s.* সমল জোগাওঁতা, one who supplies provisions.
সমসম কৰে, *ad.* সৰু স্বল্প ঘন টোপাকৈ পৰাৰ দৰে, in small drops, as dew or mist.
সমস্ত, *a.* সকলো, আটাই, গোটেই, সমুদাই, all, the whole, entire.
সমাগম, *s.* দেখা দেখি, অহা জোআ, an interview, a meeting, a coming and going, a concourse.
সমাচাৰ, *s.* বার্তা, ভু, সম্বাদ, news, intelligence, tidings.
সমাজ, *s.* see সভা, an assembly &c.
সমাজিক, *s.* see সপোন, a dream, a vision.
সমাদৰ, *s.* আদৰ, সন্মান, veneration, respect, honor, reverence.
সমান, *a.* তুল্য, একে, বৰ্হা টুটা নোহোআ, খলাবমা নোহোআ, like to, uniform, equal, level, even.
সমাপত, } *a.* ওৰ পৰা, সেস হোআ, অন্ত কৰা, concluded, ended,
সমাপ্ত, } finished, completed.
সমাপন, } *s.* সেস, অন্ত, ওৰ পৰা, সাঙ্গ, ইতি, end, completion, a
সমাপ্তি, } finishing, finis.
সমাৰ, *s.* দিঘে পথালিএ দুইবাৰ হাল বোআ, a second or cross ploughing.
সমাৰ বাই, } *v.* দিঘে পথালিএ হাল বাই, to cross plough.
সমাৰি, }

সমাস, *s.* অনেকটি পদ গোটাই একে কৰা, the forming of compound words or sentences, a compound.

সমিচাৰ, } *s.* উত্তৰ, সিধান্ত, an answer, a reply.
সমিধান, }

সমিধ, *s.* এবিধ জজ্জত লগা গচ, a species of thorny tree the wood of which is used as fuel in offering sacrifices.

সমিপ, *s.* ওচৰ, চমু, nearness, vicinity, contiguity, proximity; *a.* proximate, near, contiguous.

সমুখ, *s.* মুখৰ আগ, সাখ্যাত, আগ ফাল, presence, front, opposite.

সমুখে, *prep.* সাখ্যাতে, before, in presence of, opposite, over against.

সমুখাসমুখি, *s.* মুখামুখি, পৰস্পৰ দেখাদেখি, a personal interview; with কৈ, *ad.* face to face.

সমুচিত, *a.* জোগ্য, উপজুক্ত, উচিত, fit, right, proper, suitable, appropriate.

সমুদাই, *a.* see সমস্ত, the whole &c.

সমুদ্র, *s.* সাগৰ, the sea, the ocean.

সমুলক্ষে, *ad.* মুলে সৈতে, তেনেই, আটাইখিনি, (*lit.* with the root,) wholly, entirely.

সমুলি, *a.* আটাই, সমস্ত, সকলো, গোটেই, তেনেই, সমুলক্ষে, all, the whole; *ad.* root and branch, completely, wholly, entirely.

সমুহ, *s.* অনেক, থুপ, বহুত লোকৰ জুম, a multitude, a crowd; *a.* many &c.

সম্পত্তি, *s.* ধন বস্তু, ঐশ্বর্জ্য, বিভও, wealth, property, substance.

সম্পদ, *s.* সুখ, সুভ, সুখৰ কাল, happiness, prosperity, affluence.

সম্পর্ক, *s.* see সমন্ধ.

সম্পাদক, *s.* সমাপ্ত কৰোঁতা, কার্জ সিধি কৰোঁতা, সমাপন কৰা, effecting, completing, or managing; an editor, a manager.

সম্পুর্ন, *a.* পৰিপুর্ন, ভৰপুৰ, পুৰ হোআ, সিধি হোআ, full, filled, complete, perfect, finished.

সম্প্রতি, *ad.* এতিয়া, সইদে, আজি কালি, now, at present, now a days.

সম্প্রদান, *s.* দান, অর্পন, চোআলি দিয়া, ব্যাকৰনৰ মতে চতুর্থিৰ বিভক্তি, bestowing, giving in marriage; the dative in grammar.

সম্বত্চৰ, *s.* বচৰ, বৰিস, a full year.

সম্বাদ, *s.* see বাত্রা.

সম্বোধন, *s.* সোধনপোচন, ব্যাকৰন মতে অস্টম কাৰক, a mode of address, the vocative case in grammar.

সম্ভও, *s.* হবৰ জোগ্য, হব পৰা, বিভুতি, ঐশ্বর্জ্য, probability, possibility, livelihood, wealth, means, resource.

সম্ভাৱ, } s. হব ঘটিব বুলি জনা বা ভবা, the deeming a thing pos-
সম্ভাৱনা, } sible or probable.

সম্ভাৰ, s. see সম্বল.

সম্ভোগ, s. খোআ, ভুঞ্জা, মৈথুন, enjoyment, possession, sexual intercourse.

সয়ন, s. সোআ, নিদ্রা কৰা, ঘুমটি, lying down, reclining, sleeping.

সয়ম্বৰা, s. ৰজাৰ জিএ নিজে পতি বৰা, সঁইদৰা বচা, the ceremony of choosing a husband as was formerly practiced by the daughters of the kings.

সয়ম্বৰা-সাল, s. সয়ম্বৰা পতা ঠাই বা সভা, the house where the above ceremony was performed.

সৰ, s. কাঁৰ, সুৰুকিয়া বাট, পটি, গাখিৰৰ চামনি, এবিধ পহু, an arrow, a foot path, the cream of milk, a species of deer.

সৰই, s. সাস্থা, আপোনাৰ বন লোকক দি জিৰোআ, হাত উজান, relief from labor or responsibility, leisure, assistance, help.

সৰকনা, s. ভৰিত বওকৈ ফটুআই মেলা আঁক, cracks in the feet.

সৰকা, s. সৰকি জোআ, ইফালে সোমাই সিফালে ওলোআ, the act of passing through, going between, or transfixing; *a.* pierced &c.

সৰকাই, *v.* ইফালে সুমুআই সিফালে উলিয়াই, causative of do.

সৰকি, *v.* ইফালৰ পৰা সিফালে ওলাই, to pass through, to go between, to transfix, to pierce through and through.

সৰঙ্গাল, *a.* সেৰেঙ্গা, বিন্ধা থকা, having interstices or holes.

সৰত, s. ৰিতু বিসেস, আহিন কাতি, September and October.

সৰতকান জোৰা, *a.* আওকান কৰা, নুসুনা ভাও ধৰি থকা, ধুৰাং জোৰা, turning a deaf ear or pretending not to hear.

সৰধুআ, *a.* সৰাধৰ সমন্ধিয়, সৰাধৰ, relating to a *Shradh* or funeral.

সৰন, s. আস্রই, ভকত হোআ, সপত দি বা সুবিচাৰৰ কাৰন কৰা এৰাও, সুৰনাৰ পৰা বেৰতিলৈকে ৬ নক্ষত্ৰৰ কাল, an asylum, a refuge, protection, the taking the initiatory step to becoming a disciple, a exclamation or appeal for justice or protection, a period of six days in every month when hindoos are prohibited from building &c.

সৰন-খেৰ, s. ঘৰ চোআ সুকান ন খেৰ, new dry thatch.

সৰন দিয়া, s. ৰজা বা গুৰুৰ নাম লৈ সপত বা দোহাই দিয়া, appealing or calling for justice or swearing in the name of the king or *gooroo*.

সৰন লোআ, s. ভকত হোআ, গুৰু ভজা, becoming a disciple; the act of worshiping a *gooroo*.

সৰনাগত, } *a.* আসুই কৰা, সৰনে পসা, having taken refuge or
সৰনাপন, } become a disciple.

সৰনিয়া, *a.* সেৱকিয়া, আসুই লৈ থকা, discipled, having become a worshiper; *s.* a disciple, a worshiper.

সৰনে পসা, *s.* আসুই কৰা, the act of taking refuge &c.

সৰপা, *s.* এলেহুআ, বনলৈ ভই কৰা, ধোদা, lazy, slothful, indolent.

সৰপালি, *s.* এলেহুআ, ধিতিঙ্গালি, laziness, slothfulness, indolence.

সৰব্ ন, *a.* নিচেই নতুন, গোটাই ন, quite new, brand new.

সৰবজ্ঞান, } *a.* সকলো জনা, সৰ্ব্বজ্ঞ, omniscient, all-wise.
সৰ্ব্বজ্ঞান. }

সৰব বহি, *a.* সকলোৰে লগত মিলিব পৰা, conciliating, agreeable to all, popular.

সৰ্ব্বহ, *s.* সকলো সম্পতি, সৰ্ব্বস্ব, one's entire possessions.

সৰল, *s.* এবিধ সুগন্ধি গচ, পোন, ভঙ্গভঙ্গিয়া, উদাৰ, a species of pine tree; (Pinus Longifolia) *a.* straightforward, simple, frank.

সৰস্বতি, *s.* বাগ দেবি, the goddess of speech and eloquence, said to have invented the sanskrit language.

সৰহ, } *a.* বহুত, বিস্তৰ, অনেক, অধিক, much, plentiful, abund-
সৰহিয়া, } ant, many.

সৰা, *s.* গুটি আদি এৰাই তললৈ পৰা, চালনি আদিৰ পৰা সৰকি পৰা, সত্ৰু আৰু দাই আদিৰ পৰা বখ্যা পোআ, সোটা বা বাৰ্হনিৰে জাবৰ আদি গুচুউআ, পানিত মাচে ওলাই ফান্দ মাৰি জোআ, dropping off, escaping from an enemy or from evil; the sudden descent of fish from the surface of the water.

সৰাই, *v.* গুটি আদি এৰুআই তললৈ পেলাই, বখ্যা পোআই, চঁগি, to cause to fall off or to escape; *s.* a kind of stand or tray.

সৰাধ, *s.* স্ৰাদ্ধ, funeral obsequies made to deceased ancestors.

সৰাপোচা, *a.* অঁতোআ পিতোআ, মচাকোঁচা, cleared and swept.

সৰাল, *s.* চৰাইৰ ন পাখি গজিবলৈ পুৰনি পাখি সৰা, the shedding of the feathers of birds; with দি, to moult.

সৰালি, *s.* হাঁহৰ নিচিনা পানিৰ চৰাই এবিধ, a species of water fowl.

সৰি, *v.* এৰাই, তললৈ পৰি, to become detached and fall.

সৰিবৰি, *a.* সদ্রিস, নিচিনা, অনেক, অশই অবই, like, abundant.

সৰিয়হ, *s.* তেল পেৰা গুটি এবিধ আৰু তাৰ গচ, সৰ্ষপ, the mustard plant and seed.

সৰিল, *s.* দেহা, কাই, তনু, গা, the physical frame, the human body.

সৰু, *a.* ক্ষুদ্ৰ, একন মান, কনিষ্ট, সামান্য, small, little, minute, younger.
সৰুআই, *v.* ৰখ্যা পোআই, চিঙ্গি তললৈ পেলোআই, নুতি পানি চামৰি, সৰু বিধ বসন্ত, to cause to escape or to fall; *s.* the chicken pox.
সৰু-মানিমুনি, *s.* এবিধ ঔসধিয় বনৰিয়া সাক, a species of wild vegetable.
সৰু-মালভোগ, *s.* এবিধ লাহি ধান, a species of paddy.
সৰু-সালি, *s.* এবিধ বৰ ধান, a species of paddy.
সৰৈ, *s.* এবিধ সুকাঠি গচ, কাঠ, a species of tree and its timber.
সৰোআ, *s.* গুটি আদি একআই, তললৈ পেলোআ, জাহ দিয়া, the causing to become detached and to fall, as ripe fruit; filtering, leaching or sifting; *a.* dropped off, filtered, leached, sifted.
সৰোবৰ, *s.* বিল, জলাসই বিসেস, a lake, an inland sea.
সৰ্গদেও, *s.* স্বৰ্গৰ দেৱতা, অচম ৰজাৰ সম্বোধন, *lit.* Lord of heaven, address of the Assam kings, equivalent to "your majesty."
সৰ্গৰিয়া, *a.* সৰ্মৰিয়া, সুগৰি, আসোআঁহ নথকা, complete, perfect, wanting nothing.
সৰ্প, *s.* see সাপ.
সৰ্ব, *pro.* সকলোকে বুজুআ সৰ্ব নাম সব্দ, all, the whole.
সৰ্বকাল, *s.* সদা কাল, সদাই, all times, all seasons.
সৰ্বখ্যন, *ad.* ওৰেও, দিনৌ, সদাই, at all times, perpetually, always.
সৰ্বগ্য, সৰ্বগ্যানি, *a.* সৱৰজান, omniscient, all wise.
সৰ্বচাক, *a.* সৰ্বত্ৰ প্ৰচাৰ হোআ, সকলোতে চলা, মন্ত্ৰ বিসেস, known to all, public; *s.* a kind of charm or incantation.
সৰ্বতিকাল, *s.* ওৰেও কাল, বাৰেওটি কাল, all time, forever.
সৰ্বত্ৰ, সৰ্বত্ৰে, *ad.* সকলো ঠাইতে, চাৰিও পোনে, every where, all around.
সৰ্বদা, সৰ্বদাই, *ad.* নিতৌ, দিনৌ, সদাসৰ্বদা, সদাই, every day, perpetually.
সৰ্বনাম, *s.* ব্যাকৰনৰ মতে আমি তুমি আদি সব্দ, a pronoun.
সৰ্বনাস, *s.* সকলো খ্যই, সমুলি নষ্ট, total destruction, ruin.
সৰ্বব্যাপক, সৰ্বব্যাপি, *a.* সকলো থানে জুৰি থকা, omnipresent, all-pervading, universal.
সৰ্বসক্তিমান, *a.* সকলো সক্তি থকা, সকলো কৰিব পৰা, all-powerful, almighty, omnipotent.
সৰ্বস্ব, *s.* see সৰ্তসৰ্বহ.

সৰ্বাঙ্গ, *s.* সৰিলৰ সকলো অঙ্গ প্ৰত্যঙ্গ, গোটেই গা, the whole body, every member of the body.

সৰ্বোত্তম, *a.* সকলোতকৈ উত্তম, অতি ভাল, supremely good, best.

সৰ্বোপৰি *a.* সকলোৰে ওপৰ, সকলোতকৈ প্ৰধান, above all, supreme.

সৰ্সৰ, *s.* সব্দ বিসেস, সুকান দ্ৰব্যৰ ওপৰত বগোআত উঠা সবদ, a rustling sound.

সৰ্সৰ কৰে, *ad.* ঠহ নধৰাকৈ, অতি বেগেৰে, সাওসাও কৰে, (অহা জোআ,) without hesitation or difficulty, readily.

সৰ্সৰাই, *v.* খৰ্খৰাই, সুকান দ্ৰব্যৰ ওপৰত কিট পতঙ্গাদি বগোআত সব্দ উঠি, to make a rustling sound.

সৰ্সৰিয়া, *a.* সৰ্গৰিয়া, ভালকৈ মুখত অহা, অনৰ্গল, fluent, glib, flippant.

সল, *s.* মাচ এবিধ, a species of fish.

সলথ, *s.* এবিধ কাঠৰ নাম, a species of tree and its timber.

সলখা, *s.* নঙ্গলা, ডাঙ্গ, সাল, the bar of a gate, door or window, a shaft, a pin or fastening.

সলগা, *s.* কথা কোআত হই হই বা বাক বোলা, প্ৰসংসা কৰা, ভাল বোলা, assenting, commending, praising.

সলগাই, *v.* ভাল বোলোআই, প্ৰসংসা কৰাই, causative of সলাগি.

সলগোআ, *s.* ভাল বোলোওআ, the causing to be praised or commended.

সলগ্ন, *a.* একে লগ, সংযুক্ত, united, joined, connected, adhered.

সলঠাৰি, *s.* সলৰ পোআলি, the young of the *Hol* fish.

সলনাসলনি, *s.* সলোআসলি, সালসলনি, mutual exchange, barter, a swop.

সলনি, *s.* এটাৰ মুৰে আন এটা, প্ৰতিনিধি, a substitute, an agent, a deputy, a change; with কৰি, to change, to alter, to substitute; with কপে, in the place of, instead of.

সলমাৰি, *s.* গৰুৰ ডিঙ্গিত দিয়া জুঁঅলিৰ থিয় মাৰি, the bows or pins of a native ox yoke.

সলমুটুকিয়া, *s.* আধা কুটিয়া ভাত, half cooked, (applied only to rice.)

সলসলিয়া, *a.* পোন, পোলোঙ্গা, আঁৰ কেঁকোৰা নথকা, long and slender, straight, not obstructed.

সলা, *s.* লো বাঁহ আদিৰ মুৰ জোঙ্গা সৰু সলি, নাল খুউআত লা আদি দিয়া, লা লগোআ, সাল মৰা, বত্তি, an iron or bamboo spike or pin, a spindle; the act of varnishing with lac; the fastening a handle with lac; the wick of a lamp; *a.* fastened with lac, as a handle or as the bottom piece of a brass vessel.

সলাই, *v.* সলনি কৰিব, লা লগাই বা সাল মৰাই, to exchange, to substitute, to cause to be overlaid with lac, to secure by lac or by a peg or wedge, as of a handle or the bottom piece of brass vessels.

সলাকানি, *s.* বৰ্ত্তি, সলিতা, সিহাকানি, a lamp wick.

সলাগ, *s.* উপকাৰ মনা, গুন লোআ, gratitude, thankfulness, acknowledgement of favors received; with লৈ, to express gratitude.

সলাগি, *v.* প্ৰসংসি, ভাল বুলি, গুন বখানি, to commend, to thank.

সলা-বলা, *a.* পেঁপা বলা, পুৰঠি নোহোআ, কোমল বয়সিয়া, আধা সিজা ভাত, sprouted, swollen, (as a bud,); *s.* half cooked rice.

সলাল, *a.* টেঙ্গৰ, ধুৰ্ত্তং, cunning, crafty, artful.

সলাসল, *a.* নভগা নিচিগা গোট গোট, whole, unbroken, as rice.

সলি, *v.* বৰনৰ ওপৰত লা ঘঁহি, বাঁহ আদিৰ চঁচা গোটা মাৰি, to apply lac varnish; *s.* a roundly shaved splint of bamboo &c.

সলিতা, *s.* চাকিৰ সলাকানি, the wick of a lamp.

সলিয়া, *a.* সালৰ সমন্ধিয়, হাবিত বা গচত থকা এবিধ ডাঙ্গৰ এন্দুৰ, belonging or pertaining to an instrument or machine (see সাল,); *s.* a species of rat.

সলিসিয়ান, *a.* বুজন, জনা সুনা, টেঙ্গৰ, arrived at years of understanding, knowing, discerning.

সলোআ, *s.* সলনি কৰা, এটাৰ মুৰে আন এটা লোআ বা দিয়া, the act of exchanging or bartering; *a.* exchanged, bartered.

সৱ, *s.* স, মৰা দেহা, a dead body, a carcass, a corpse.

সষ্টম, *a.* see সাষ্টম.

সষ্ঠি, *s.* চন্দ্ৰৰ সষ্ঠ কলাৰ দিন, ভাৰ, the sixth day of the moon's wane or increase; charge, responsibility, trust.

সসাঙ্গ, *s.* সাৰসেস, সমুলি নষ্ট, ভোলাও, an utter end, destruction.

সসি, *s.* চন্দ্ৰ, জোন, the moon.

সস্তা, } *a.* লঘু, সাম, সাইজ, সৰই, জিৰনি, light, alleviated, cheap; *s.*
সাস্তা, } comfort, relief, alleviation.

সস্য, } *s.* খেতিৰ উত্পন হোআ দ্ৰব্য, anything produced by tilling
সহ, } the ground, as crops or fruit; grain, harvest.

সহংকাৰ, *s.* see সংস্কাৰ.

সহজ, *s.* অভ্যাসত হোআ, সুচল, চলন, স্বভাও, ease, facility or skill acquired by practice, habit.

সহজে, *ad.* অনায়াসে, সুগম ৰুপে, easily, with facility, from habit.

সহন, *s.* দুখ কষ্ট আদি ভোগ কৰি থকা, দাই দোষ বাৰে বাৰে এৰি থকা, patience, forbearance, endurance, long suffering.

সহৰ্জলা, *s.* লোটা আদিৰ সৰু ছিন্ত্ৰ, a small hole or perforation.

সহস্ৰ, *a.* হেজাৰ, দহ স, one thousand.

সহা, *s.* এবিধ পহু, সহন কৰা, a hare; the act of forbearing, endurance.

সহাই, *s.* সাহসুই, উপকাৰ, সাৰথি, assistance, help, an assistant &c.

সহাকনিয়া, *a.* সহা পহুএ কান পতাৰ দৰে বেগতে শুনা, অলপতে সাৰ পোআ, quick of hearing, easily awakened.

সহি, *v.* সৈ, সহন কৰি, to bear, to forbear, to suffer, to endure.

সহিত, *prep.* সৈতে, লগে, with, together with.

সহুৰ, *s.* গিৰিএক বা ঘৈনিএকৰ বাপেক, a father in law whether of the wife or husband.

সহোদৰ, *s.* একে মাত্ৰিৰ পৰা ওপজা, সোদৰ, স্বগৰ্ভি ভাই ভনি, one of two or more born of the same mother.

সা, *s.* মুখ মুকলিকৈ মৰা ফুঁ, a forcible expiration of breath.

সাউদ, *s.* মুদৈ, সদাগৰ, a wholesale trader, a banker, a merchant.

সাও, *s.* সাপ, পৰৰ অনুভৈল বোলা বাক্য বা প্ৰাৰ্থনা, a curse, a malediction, an imprecation.

সাওন, *s.* স্ৰাৱন, বচৰৰ চতুৰ্থ মাহ, *Haun*, the fourth hindoo month, corresponding to parts of July and August.

সাও-সপনি, *s.* সাও দি পৰা গালি, cursing and reviling.

সাওসাও কৰে, *ad.* বেগেৰে, সৰ্সৰকৈ, (জোআ,) rapidly, smoothly, as of crawling or gliding along.

সাং, *s.* নাস, খাগ্ৰাঙ্গ, অন্ত, destruction, end, conclusion, termination.

সাঁও, *s.* পেটৰ আম, খৰে ধৰাৰ মল, mucous matter.

সাঁও-পৰা, *s.* খৰে ধৰা, dysentery or bloody flux.

সাঁও-বৰনিয়া, *a.* সাঁও বৰনৰ, অতি কলা বা বগা নোহোআ মধ্যম বৰ্ন, dark, (applied only to the complexion.)

সাঁকি, *s.* সাঁফি, জোৰা, a joint of the body.

সাঁকিনি, } *a.* হুতাসিনি, ধুত কঁপালি, উতপাতিক সাপ এবিধ, *fem.* un-
সাঁখিনি, } lucky, unfortunate; *s.* a woman in whose hands nothing prospers; a hag, the female of the *Hoksur* snake.

সাঁকো, *s.* জান আদিত পাৰ হবলৈ দিয়া গৰ আদি, a foot bridge.

সাঁকোআ মাৰি, *s.* হেতা মাৰি, সাঁকো পাৰ হওঁতে ধৰা মাৰি, জঁতৰৰ মাজত দিয়া চেপেটা মাৰি, a hand rail for a bridge, the lower piece of a native spinning wheel.

সাঁচ, *s.* চিন, চাব, চলা জন্ত্ৰ, a sign, a mark, a blot, a scar, a mould for casting; with বান্ধি, to make a mark, stain or scar.

সাঁচতি, *s.* সাঁচিব পৰা তিৰোতা, a provident woman.

সাঁচতিয়াৰ, *a.* সাঁচি থোআ, সঞ্চিত, hoarded, accumulated, laid up.

সাচতিয়াৰ, সাঁচন্তিয়াৰ, } *s.* সাঁচোঁতা, সঞ্চই কৰোতা, ধন ৰাখিব পৰা মানুহ, one who can accumulate, a provident man.

সাঁচৰাখ *s.* সঁচা, সঞ্চই, frugality, economy in expenditure.

সাঁচি, *v.* সঞ্চই কৰি, সামৰি থৈ, আগৰ চন্দনৰ গচ, to collect, to hoard, to accumulate, to lay up; *s.* a species of tree.

সাঁচি-পাত, *s.* সাঁচি চালৰ পুথিৰ পাত, the bark of the above tree, used as a substitute for paper in copying the shasters &c.

সাঁচেকাটে, সাঁচেৰে, } *ad.* চিনে চাবে, একে চিনেই, *lit.* with mark and seal, hence undisturbed, (as a house or other property left for a season by the owner.)

সাঁচোন, *s.* সঁচা, সামৰন, সামৰি থোআ, acquisition; *a.* acquired.

সাঁজ, *s.* সন্ধ্যা, মুনিচুনি বেলা, দিনৰ এবেলাৰ আহাৰ, evening twilight, one meal, food for one repast.

সাজোঁ, *a.* নতুন, বাহি নোহোআ, হিন্দু মতে গধলি গা নোধোআ, fresh, not stale, having the body unwashed at the evening meal.

সাঁঠুআ, *a.* সাঁঠৰ সমন্ধিয়, সাঁঠ কৰা বা সাঁঠৰ, produced in or relating to the three unclean days in the month of Ahar.

সাঁত, *a.* সান্ত, চেঁচা, জুৰ, cool, calm, quiet, tranquil, dispassionate.

সাঁতি, *s.* সান্তি, জিৰনি, tranquility, calmness, peace, rest, quiet.

সাঁতুৰি, *v.* নাদুৰি, পানিত হাত ভৰিএৰে আওডালি উটি ফুৰি, to swim.

সাঁতোৰ, *s.* পানিত হাত ভৰিএৰে আওডালি ওপঙ্গি ফুৰা, the act of swimming; with মেলি, *v.* to swim.

সাঁফৰ, *s.* ঢাকনি, আচ্ছাদন বিসেস, a cover, a lid.

সাঁফল, *a.* সিধি, ফল ধৰা, সাৰ্থক, efficacious, effectual, fruitful.

সাঁফি, *s.* হাৰৰ জোৰা, a joint of the body.

সাঁৰ, *s.* নুখুন্দাকৈ এৰি দিয়া ভতৰা গৰু, a bull let loose to roam without a keeper; *a.* free, unrestrained; with মেলি, to turn out, to roam without a keeper.

সাঁৰ-চেলেকা, *s.* চকৰৰ নিচিনা পাক খোআ কপালৰ দাঁতিৰ চুলি, a cowlic or reversed tuft of hair on the human forehead.

সাঁৰি, *v.* বাৰ্হনি আদিৰে জাবৰ গুচাই, সঁৰাৰ স্ত্ৰিলিঙ্গ, to sweep; *s.* a woman degraded in caste by unlawful marriage.

সাঁৰিয়া, *s.* নিমন্ত্ৰনত সুদাই পথাৰত বনকৈ দিয়া লোক, volunteer laborers for gathering in the harvest.

সাক, *s.* লাই লফা আদি আঞ্জা খোৱা ত্ৰিন বিসেস, edible vegetables.

সাকাৰ, *a.* আকাৰ থকা, দেহজুক্ত, embodied, having shape or form.

সাখি, *s,* প্ৰমান, দেখা মানুহ, আগত চাই থকা, evidence, testimony, proof, a witness.

সাখ্যাত, *s.* ভেঁট, দৰ্সন, দেখা দেখি, presence, interview, a visit.

সাখ্যাতে, *ad.* দেখাতে, আগতে, সমুখে, in the presence of, in sight, manifestly, evidently.

সাগৰ, *s.* সমুদ্ৰ, সংখ্যা বিসেস, the sea, the ocean, one hundred billions.

সাগৰসালি, } *s.* সুকুৰি সালি, এবিধ সালি ধান, a species of paddy.
সাগৰসেনি, }

সাগৰ্চেনি, *s.* এবিধ কলা, a species of plantain.

সাগৰ্ফেনা, *s.* নাগফেনা, এবিধ কাঁইটিয়া গচ, a species of cactus.

সাগৰ্স্কাস, *a.* সাগৰৰ নিচিনা, বৰ গহিন, broad, expansive, deep.

সাগ্ৰাম, *a.* ওৰে, গোটেই, (দিন,) the whole, entire, livelong.

সাঙ্গ, *s.* see সাং.

সাঙ্গিভাৰ, *s.* একে কান মাৰিতে দুটাই দুফালে লোৱা ভাৰ, a burden suspended from a pole and carried on the shoulders as above.

সাঙ্গিয়া, *a.* সাঙ্গিকৈ নিব পৰা, সাঙ্গিৰ সম্বন্ধিয়, capable of being carried as above; of or belonging to do. do.

সাঙ্গুৰি, *v.* দুটাক একে লগে জুঁটি, to tie loosely together, as cattle.

সাঙ্গেপাঙ্গে, *ad.* আগৰ পৰা গুৰিলৈ, আদ্যোপান্তে, completely, entirely, wholly, from beginning to end.

সাঙ্গোৰ, *s.* জোঁট, লগ, দুটাক জুঁটি দিয়া বান্ধ, union, a joining, a yoking or tying together.

সাঙ্গোৰা, *s.* সাঙ্গুৰি থোৱা, জোঁটা, দুটাক লগ লগাই বন্ধা, the act of yoking or tying together; *a.* yoked, joined, tied together.

সাঙ্গোৰা সাঙ্গুৰি, *s.* জোঁটাসালি সঙ্গ, পৰস্পৰে সাঙ্গোৰা, intimacy, intercourse, associating.

সাজ, *s.* একে বেলিএ পিন্ধা চোলা চুৰিয়া আদি কাপৰ, বৰাহত দিয়া দ্ৰব্য, a suit of wearing apparel; things offered in sacrifice.

সাজি, *v.* নিৰ্মান কৰি, সখি বিসেস, নগা লোকৰ সম্বোধন, to make, to construct, to build; *s.* a term used in Upper Assam in addressing *Nagas.*

সাজি কোৱা, *a.* মনেৰে পাতি কোৱা, invented, false.

সাজি-পাৰি, *v.* পিন্ধিউৰি, কাঠি কামিৰ বন কৰি, to be attired or in readiness, to finish a piece of bamboo work.

সাজুক, *a.* জোখত হোআ, of exact measure or proportion.

সাজৈত, *a.* চৌকচ, পাকৈত, নিপুন, able, clever, skillful.

সাট, } সাঁট, } *s.* হিন্দু মতে প্রিথিবি অসুচি হোআ দিন, অম্বুবাচি, the name given to three days in the month of *Ahar*, from the seventh to the tenth, in which the earth is supposed to be menstruous, during which time all agricultural labor is prohibited.

সাঠি, *a.* তিনি কুৰি, sixty.

সাত, *a.* সপ্ত, seven.

সাতপাচ, *s.* আগ পাচ, আগ গুৰি, ই সি, the beginning and end; all sides of a matter.

সাত পুৰুসিয়া, } সাতামপুৰুসিয়া, } *a.* অনেক পুৰুসিয়া, সপ্তম পুৰুসিয়া, ancient, of seven generations.

সাতসত্তৰ, *a.* তিনি কুৰি সোতেৰ, sixty seven.

সাতসতুৰু } সাতসত্ৰু, } *s.* অজাত সত্ৰু, বৰ বৈৰি, a mortal enemy, a deadly foe.

সাতসৰি হাৰ, *s.* সাত মেৰিয়া হাৰ, a necklace of precious stones consisting of seven strings.

সাতাইচ, *a.* একুৰি সাত, twenty seven.

সাতাল, *s.* সাত তাল, সাত খাপ, seven stories or steps one above another.

সাতালপতাল, *s.* সাত পতাল, the seven lower regions.

সাতান্ন, *a.* দুকুৰি সোতেৰ, fifty seven.

সাতেপাচে, } সাতেসোতৰে, } *ad.* লাটেপাটে, ইএ সিএ সৈতে, with trifling affairs, with this and that.

সাঁথৰ *s.* সাধু কথা, কুট কথা, ফকৰা বিসেস, a riddle, an enigma.

সাদৰ; *s.* বেথা, মৰম, আদৰ, affection, esteem, veneration.

সাদৰাসাদৰি, *s.* চেনেহাচেনেহি, পৰস্পৰে মৰম কৰা, mutual affection or esteem.

সাদৰি, *a.* মুখ ৰহি, মৰমিয়াল, আদৰ মৰম কৰি, (*fem.*) gracious, tender hearted, benignant, pleasing; *v.* to be kind hearted &c.

সাদিন, *a.* সাত দিন, সপ্তাহ, seven days, a week.

সাদিনিয়া, *a.* সাত দিনৰ, সাত দিন হোআ, of seven days, seven days old.

সাধক, *a.* সিধি কৰোঁতা, সিদ্ধ লোক, সাধনা কৰোঁতা, effectual, accomplished; *s.* a worshiper, one who obtains an object through acts of devotion.

সাধনা, *s.* আৰাধনা, বাঞ্চা, entreaty, solicitation, worship, the accomplishing or effecting of a desired object.

সাধনি, } *s.* মৌজাদাৰৰ তলে খাজনা সধা বিসয়া, a tax collector
সাধনিদাৰ, } under a mouzadar.

সাধাৰন, *a.* ইতৰ, সামান্য, মজলিয়া, সকলোতে চলা, common, general, usual, ordinary.

সাধি, *v.* সিধি কৰি, আৰাধি, বাঞ্চা কৰি, ধাৰে দিয়া ধন বস্তু খুজি, to perform, to accomplish, to worship, to ask for, to demand.

সাধু, *a.* ধৰমি, সন্ত, উত্তম, সজ, righteous, good, pious, honest.

সাধু কথা, *s.* উপকথা, ইতিহাস, সজা কথা, a fable, a story, an allegory.

সাধ্য, *a.* সাধিব পৰা, সক্তি, সামৰ্থ, accomplishable, possible, able; *s.* strength, power, ability, possibility.

সাধ্য মানে, *ad.* পাৰেমানে, সক্তি বা উপাই থাকে মানে, as much as possible, to the best of one's ability.

সান, *s.* দা কটাৰি ধৰোআ সিলৰ জতন, a grindstone; with দি, to sharpen by grinding.

সান বালি, *s.* ৰৰ ফুটিয়া বালি, coarse sand.

সানমিহলি, *a.* খৰ মিহলি, লেটিপেটি, mixed, blended or jumbled together.

সানি, *v.* মিহলাই, ঘঁহি, লগাই, to mix, to blend, to smear, to anoint.

সান্ত, *a.* সাঁতি, জুৰ, থিৰ, মাৰ জোআ, calm, tranquil, peaceful, appeased, soothed, allayed.

সান্তনা, *s.* আস্বাস, চেঁচনি, সোক আদিত দুখনিৰে সান্ত কৰা, comfort, consolation; with কৰোঁতা, a comforter.

সান্তি, *s.* সাঁতি, বিস্ৰাম, মন্ত্ৰ গাই তুলসি আদিৰে মৰা পানিৰ চিটা, পতিব্ৰতা, (স্ত্ৰি,) peace, tranquility, rest; sprinkling holy water as a purifying rite; *a.* chaste. (*fem.*)

সান্তি কৰম, *s.* মঙ্গলৰ নিমিতে কৰা পুজা হোম আদি, propitiatory rites for the averting of evil or the obtaining of good.

সান্তি বিয়া, *s.* পাচ বিয়া, পুনচ বিয়া, the final ceremony of marriage on reaching the age of puberty.

সান্তিয়নি, *s.* সান্তি কৰা পানি, holy water.

সান্দহ, *s.* ভজা চাউলৰ লদা বাখি খুন্দা কৰাই, the coarse flour of parched rice.

সান্দহুয়া, *a.* সান্দহৰ, made of parched rice flour.

সান্দি, } *s.* মাজ, ঘোকট ঠাই, জাঁজ, midst, a place inaccessible or
সান্ধি, } very difficult of access.

সাপ, *s.* সৰ্প, সাও, a snake, a curse, a malediction, an imprecation.

সাপি, *v.* সাও দি, to curse.

সাবট, *s.* আঁকোআল, আলিঙ্গন, a clasping, embracing or hugging; with মাৰি, to embrace, to clasp, to hug.

সাবটা, *s.* আঁকোআল মাৰি ধৰা, আলিঙ্গন কৰা, কোৰা, the act of embracing &c.; a perpendicular support to a partition; *a.* clasped, hugged.

সাবটাসাবটি, *s.* পৰস্পৰে আলিঙ্গন কৰা, mutual embrace.

সাবটি ধৰি, *v.* আঁকোআল মাৰি, to clasp, to embrace, to hug.

সাম, *a.* সান্ত্বা, সাম্য, লঘু, তিনিটা বেদ, alleviated, lightened, subsiding, as of disease; with কাটি, to subside, to be alleviated; *s.* the third of the Veds.

সামগ্রি, *s.* বস্তু বেহানি, সমল, দ্রব্য, articles, goods, materials, provisions, things.

সামৰথ, *a.* সামৰ্থ, জোৰন্তাৰ, চহকি, সক্তি, able, rich, wealthy; *s.* ability, power, wealth.

সামৰন, *s.* সামৰি থোআ, সুমাই থোআ, the act of keeping or laying aside; *a.* reserved, kept, laid aside for future use.

সামৰা, *s.* সামৰি থোআ, জাপি থোআ, মাৰ জোআ, a keeping, a laying up, a drying up, shutting up as a flower.

সামৰি, *v.* সুমাই, সাঁচি, মাৰ গৈ, to put inside, to lay up, to hoard, to put back in its proper place, to dry up.

সামাইন, } *a.* সাধাৰন, ইতৰ, নিহ, প্রাক্রিত, common, low, vulgar,
সামান্য, } inferior, ordinary.

সামুক, *s.* পানিৰ জন্তু বিসেস, a shell, a snail.

সামুকভঙ্গা, *s.* সামুক খোআ এবিধ চৰাই, a species of heron.

সামুকিয়া, *s.* এবিধ ভৰিৰ ৰোগ, বেঁতেৰে দিয়া গাঁঠি এবিধ, a disease of the bottom of the feet; a kind of knot.

সাম্ফল, *a.* see সাঁফল.

সাৰ, *s.* ঘাই, মুঠ, গচৰ মাজৰ টান ভাগ, এবিধ মুত্র ৰোগ, গোবৰ আদি, চেতন, the essence or essential part, quintessence; the heart of a tree; a disease of the urinary organs; manure, sensation, wakefulness, vigilance; *a.* awake, radical, essential.

সাৰকাপৰ, *s.* চোআলিৰ মাকক বিয়াত দিয়া কাপৰ, cloth given at marriage by the bridegroom or his parents to the mother of the bride.

সাৰথি, *s.* ৰথ চলাওঁতা, সহাই, পিচ ধৰা, a coachman, a helper, an assistant, a co-laborer.

সাৰধাৰ, *s.* গতি, আগ গুৰি, স্বভাৱ চৰিত্ৰ, the particulars of a matter, way or manner, usage, attributes of character.

সাৰ পাই, *v.* জাগি, চেতন পাই, টোপনি ভাগি, to wake from sleep, to arouse from indifference.

সাৰ পোআ, *s.* টোপনি ভগা, চেতন পোআ, the act of awaking from sleep; *a.* awake.

সাৰি, *v.* ৰখ্যা পৰি, মাচে পানিৰ ওপৰলৈ ওলাই, লাগি, সোমনি, তিৰোতাৰ এখনিয়া কাপৰ, to escape, to rise to the surface as fish; *s.* a range, a row, a line; with পাতি, to place in a row &c.

সাৰি জোআ, *s.* হাতৰ পৰা পলাই জোআ, ৰখ্যা পাই জোআ, মুকু হোআ, the act of escaping; *a.* escaped.

সাৰুআ, *a.* সাৰ বা মজ্জা থকা, সাৰৰ, rich, fertile, durable or pertaining to the heart (as of timber.)

সাৰেঙ্গ, *s.* এবিধ চৰাই, বিষ্ণুৰ ধেনু, a crane; the bow of Vishnoo.

সাৰে থকা, *s.* জাগি থকা, সাৰ পাই থকা, উজাগৰ, wakefulness, vigilance, watchfulness; *a.* watchful, wakeful, vigilant.

সাৰোল, *ad.* অতি বেগে, বিম্বাসবেগে, very swiftly, with velocity.

সাৰোপ, *s.* জুলিয়া বস্ত খোআত বা বেত আদিৰে কোবোআত উঠা সব্দ, the noise of sipping or drawing liquids into the mouth by suction; the concussion of the air in whisking a ratan &c.

সাৰ্গত, *a.* সাৰোগত, নিচই, ঠিক, থিৰ, certain, positive, exact, true.

সাৰ্থক, *a.* সাফল, সিধ, অৰ্থজুক্ত, to the purpose, effectual, profitable.

সাল, *s.* মুখ চেপেটা কাঠ বাঁহৰ পাতি, জন্ত্ৰ, সিপ্প কাম আদি কৰা বা ঘোঁৰা আদি বন্ধা ঠাই, এবিধ মাচ, এবিধ গচ বা কাঠ, a wooden wedge or pin, a machine, an engine, a workshop, a place where a machine is set up; a valuable timber tree; a species of fish; used also in composition, as বন্দিসাল, *a prison*, ঘোৰা সাল, *a stable*, কমাৰ সাল, *a blacksmith's shop* &c.

সালকঠিয়া, *a.* গোটা সজিয়া, পোলোঙ্গা, সাল কাঠৰ, well proportioned, comely, good looking.

সালগ্ৰাম, *s.* গণ্ডকিত হোআ সিলৰ বিষ্ণু মুৰ্তি বিসেস, the *Halogram* or sacred stone, said by the hindoos to represent Vishnoo.

সালচকুআ, *a.* সকলো চিনিব বুজিব পৰা, of quick observation, sagacious.

সালপতি, *s.* বাই ভনি দুয়োবো পতিব সমন্ধ, mutual address of the husbands of an elder and younger sister.

সালমইনা, *s.* মুখৰ ফোঁহা এবিধ, a small pimple.

সাল মাৰি, *v.* পাতি খুআই, সালি, টাহি, to wedge, to pierce, to transfix.

সাল-মাৰি-ধৰা, *s.* বুকুএ পিঠিএ খোঁচ মৰা বেদনা, সালি ধৰা, sharp cutting pains in the chest or bowels.

সালসলনি, *s.* সলনাসলনি, পাল পাতি, exchange, working in turn.

সালি, *s.* ধান এবিধ, লা আদিৰে নালত অস্ত্ৰাদি খুআই, সাল মাৰি, টাহি, কোনো কথাৰ সেসত জোগ হলে ঠাই বুজাই, জেনে, মৰি-সালি, a species of paddy, a place; *v.* to wedge or pin, to transfix, to fasten a handle with lac.

সালিকবি, } *s.* এজাত সৰু চৰাই, the *Halika* or mina, a well known
সালিকা, } bird, (Turdus Halika.)

সালিতলি, *s.* ৰুপিত দ মাটি, ৰোআতি, a field of rice land.

সালেকটা, *a.* নতুন, সালৰ পৰা নকৈ উলিওআ, (কাপৰ) new, just from the loom.

সাৱধান, *a.* সাষ্টম, ততোআৰ, তত, careful, cautious, prudent, wary; *s.* care, caution, &c. with হৈ, to take heed, to beware.

সাৱসেস, *s.* সম্পুৰ্ন, সেস, বা বাঁকি নথকা, completion, end.

সাষ্টম, *a.* সষ্টম, জুগুত, থিৰ, সাৱধান, ready, prepared, alert, wary.

সাসন, *s.* বস কৰা, দমন, প্ৰজা পালন, subjection, control, government.

সাসনসাল, *s.* মৰিসালি, a place for burial or for burning the dead.

সাসনসালি, } *s.* মৰিসালিত থকা ভত বিসেস, name of a fabulous
সাসোনসালি, } evil spirit supposed to reside in burial places.

সাসোন, *s.* see সাহোন.

সাস্তা, *a.* see সস্তা.

সাস্তি, *s.* দণ্ড, ডঁৰ, জাতনা, জিয়াতু, punishment, distress, torment.

সাস্ত্ৰ, *s.* গ্ৰন্থ, বেদ পুৰান আদি পুথি, a sacred writing or book of authority on religion, art, or science; scripture.

সাস্ত্ৰসমস্ত্ৰকৈ, *ad.* জেনে তেনেকৈ, কোনো মতে, in some way or other some how, by some means.

সাস্ত্ৰিয়, *a.* সাস্ত্ৰৰ, সাস্ত্ৰ সমন্ধিয়, relating to a sacred book or code of law; legal, scriptural.

সাহ, *s.* মজ্জা, সাৰ, গুটি আদিৰ মাজৰ কোমল ভাগ, পিত, নিৰ্ভই, the marrow, pith, the kernel or meat of fruit; pluck, courage, boldness, intrepidity, confidence, assurance.

সাহায্য, *s.* সহাই, উপকাৰ, লাগি ধৰি, assistance, help, aid.
সাহিয়াল, *a.* সাহ থকা, পিতাল, নির্ভই, bold, valiant, courageous.
সাহু, } *s.* গিৰিএক বা ঘৈনিএকৰ মাক, a mother in law.
সাহুএক, }
সাহুঅতি, *a.* সাহুৰ সম্বন্ধ, under or relating to a mother in law.
সাহোন, *s.* সম্পতি, সাসোন, property, substance, wealth.
সি, *pron.* ত্রিতিয় পুৰুসৰ এক বচন, সেই, বেজিৰে গুঁঠি, সিয়নি মাৰি, the pronoun he, that person or thing; *v.* to sew, to stitch.
সিংখাপ, *s.* সোন ৰুপৰ গুনাৰে বোআ এবিধ পাট কাপৰ, a kind of cloth ornamented with gold and silver tinsel.
সিংহ, *s.* পসুৰাজ, কেসৰি, পঞ্চম ৰাসি, ৰজাৰ নামৰ পদবি বিসেস, a lion; the sign Leo; used also as a title expressing valor &c.
সিংহদুআৰ, *s.* সিংহ সাজি থোআ দুআৰ, a gateway surmounted by a sculptured lion; a royal gate, a main entrance.
সিংহনাদ, *s.* সিংহৰ গৰ্জন, the roar of a lion.
সিংহাসন, *s.* সিংহ দি সজা ৰাজ আসন, a throne, a royal seat supported by sculptured lions.
সিঁচনি, *s.* পানি সিঁচা পাত্র, সিঁচা, a kind of scoop for baling water, the baling out of water.
সিঁচা, *s.* চটিওআ, গোট গোটকৈ পেলোআ, বোআ, পানি গুচুউআ, the act of sprinkling, scattering, sowing broad cast, or of baling water; *a.* sprinkled, sown, baled.
সিঁচি, *v.* চটিয়াই, বৈ, গোট গোটকৈ পেলাই, পানি গুচাই, to sprinkle, to scatter, to sow broadcast, to bale.
সিঁত কৰে, *ad.* see সোঁত কৰে.
সিঁয়ৰাই, *v.* লোম থিয় কৰি, মুখ বিকটাই, to horripilate or bristle up; to sneer, to make up faces, to show contempt by look.
সিঁয়ৰি, *v.* লোম থিয় হৈ, লোম ভুৰুৰিয়াই, জঁকি, জিকৃমিকাই, to make a wry face, to mock, to sneer, to ridicule.
সিঁয়ৰোআ, *s.* সিঁয়ৰাই থকা, মুখ বিকটোআ, horripilation, grimace, the act of showing contempt by look.
সিঁয়াৰি, *v.* ভেঙ্গুচিয়াই, মুখ বিকটাই উপহাস কৰি, to make up faces in mockery or derision.
সিকটাই, *v.* মুখ বিকটাই, to make a wry or distorted face, to sneer.
সিকটোআ, *s.* মুখ বিকটোআ, মুখ ইকটা সিকটা কৰা, the distorting of the face, sneering.

সিকনি, *s.* সিখ্যা, বুজনি, উপদেস, instruction, advice, teaching.

সিকৰ, *s.* কুমাৰ মাটিৰ গৰ্ভাৱতি তিৰিএ খাবলৈ কৰা খোলা বিসেস, a cake of baked potter's clay, eaten by Assamese women during pregnancy.

সিকলি, *s.* জিঁজিঁৰি, লোআ, a chain, a fetter, a shackle.

সিকা, *s.* সিখ্যা কৰা, অভ্যাস কৰা, the act of learning or receiving instruction; *a.* taught, instructed.

সিকাই, *v.* সিখ্যা দি, বুজনি দি, সধাই, to instruct, to teach, to train.

সিকি, *s.* চাৰি অনা, মহা, সিখ্যা কৰি, অভ্যাস কৰি, বুজি, four annas, the fourth part of a rupee; to learn, to learn by experience.

সিকিটিয়া, *a.* মহিয়া, চাৰি অনিয়া, four annas in price.

সিকিয়া, *s.* জৰিৰ কৰা ভাৰ নিয়া জতন, আঁকাজি বিসেস, a contrivance made of rope for carrying burdens suspended from a pole.

সিকিয়াবাউকি, } *s.* সিকিয়াত লগাই ভাৰ অনা কান মাৰি, a piece of
সিকিয়াবাঁওকা, } split bamboo from which the above is suspended.

সিকোআ, *s.* সিখ্যা কৰোআ, অভ্যাস কৰোআ, উপদেস দিয়া, বুজুআ, the act of teaching, instructing or training.

সিকোআই, *v.* লোকৰ দ্বাৰাই সিকাই, to cause to be taught or trained.

সিখক, } *s.* পণ্ডিত, অধ্যাপক, ওজা, সিখ্যা দিওঁতা, a teacher, an
সিখ্যক, } instructor, a schoolmaster, a preceptor, an adviser.

সিখা, *s.* ব্ৰাহ্মন আদিৰ চুলিত বন্ধা গাঁঠি বিসেস, জুইৰ আগ, a knotted tuft of hair, worn on the crown of the head by brahmins and some other castes; a flame of fire.

সিখ্যকিনি, *s.* সিখ্যকৰ ভাৰ্য্যা, অধ্যাপকনি, সিকাওঁতা তিৰি, a female teacher, a preceptress.

সিখ্যা, *s.* see সিকনি.

সিখ্যা গুৰু, *s.* অধ্যাপক, উপদেস লোআত পূজা আদি সিকোআ গুৰু, a tutor, an instructor.

সিঘ্ৰ, *a.* খৰ, বেগি, rapid, quick, speedy.

সিঘ্ৰে, *ad.* তুৰন্তে, বেগাই, খৰকৈ, quickly, soon, speedily, hastily.

সিঙ্গ, *s.* গৰু মহ আদিৰ মুৰত গজা জোঙ্গা অস্ত্ৰ বিসেস, বিসাল, a horn.

সিঙ্গৰা. *s.* মাচ এবিধ, a species of shrimp.

সিঙ্গৰামুৰিয়া, *a.* খিঙ্গখিঙ্গিয়া, অলপতে খঙ্গ উঠা, সিঙ্গৰাৰ দৰে মুৰ থকা, irritable, cross, having a head like a shrimp.

সিঙ্গৰি, *s.* এবিধ গচ, পানিৰ লতা বিসেস, a species of tree, an esculent plant and its fruit.

সিঙ্গরি ঘৰ, *s.* সিঙ্গরি কাঠেৰে সজা অসম ৰজা অভিসেক হোআ ঘৰ, a temporary structure in which the Assam kings received coronation.
সিঙ্গা, *s.* মহৰ সিঙ্গৰ সজা বাদ্য বিসেস, তেজ কটা জতন, a buffalo horn used as a cupping instrument or for blowing.
সিঙ্গাপাত, *s.* এবিধ বনৰিয়া ঔসধি বন, a species of medicinal plant.
সিঙ্গাল, } *a.* সিঙ্গ থকা, ডাঙ্গৰ সিঙ্গিয়া, horned, having large horns.
সিঙ্গিয়া, }
সিঙ্গি, *s.* বিসাল মাচ এবিধ, a species of fish, ( Silurus Pungentissimus. )
সিঙ্গিমূৰি, *s.* এবিধ বিহ, আৰু তাৰ গচ, হাতৰ আঙ্গুলিৰ ৰোগ বিসেস, a species of poisonous plant; a felon or malignant whitlow.
সিঙ্গিমূৰি জোৰা, *s.* এটাৰ মুৰ খুলি আনটৰ মুৰ খুউআ জোৰা, কঁতৰা জোৰা, a joining made by dovetailing.
সিচৰতি, } *a.* চেৰেলি বেৰেলি, গোট খানে হোআ, scattered about,
সিচৰি, } dispersed.
সিজা, *a.* সিদ্ধ হোআ, ৰন্ধা, cooked, experienced, mature.
সিজাই, *v.* ৰান্ধি, পাক কৰি, to cook, to prepare food for eating.
সিজি, *v.* সিজা হৈ, কোমল হৈ, to become soft by cooking.
সিজু, *s.* এবিধ চাৰি সিৰিয়া কাঁইট গচ, a species of cactus.
সিজোআ, *s.* ৰন্ধা, সিজাই থোআ, cookery; *a.* cooked.
সিটা, *s.* ৰস চেপি লোআ জাবৰ, refuse fibre from which the juice or oil has been expressed.
সিত, *s.* জাৰ, cold; with কাল, the cold season, winter.
সিতগুৰি, *s.* নিচেই মিহি গুৰি, খৰচিয়া ন থকা, an impalpable powder.
সিতল, *a.* নিমজ, চেঁচা, smooth, cool.
সিতলা, *s.* বসন্ত আদি ৰোগ ময় কৰঁতি কল্পিত দেবি, the goddess supposed to preside over small pox and kindred diseases.
সিতলি, *s.* চাল আদিত পথালিকৈ পৰা কামি, the pieces of split bamboo placed lengthways over the rafters of a roof.
সিতলিয়া, *s.* পানৰ ৰোগ বিসেস, a disease of the betel leaf and vine.
সিতা, *s.* ৰামচন্দ্ৰৰ ভাৰ্য্যা, জানকি, নাঙ্গলৰ সিৰলু, *Hita*, the wife of Ram.
সিতা তেল, *s.* মাটিৰ পৰা ওলোআ এবিধ তেল, earth oil, petroleum.
সিতান, *s.* মুৰৰ গাঁৰু থকা ফাল, the head of a bed or sleeping place.
সিদিনাই, } *ad.* দুই তিনি দিনৰ আগেই বা পিচৰ, সেই দিনাই,
সিদিনাসোনেই, } on that day, the other day.
সিধ, *a.* সাঁফল, হৈ জোআ, ৰন্ধা, সিজা, accomplished, finished, fulfilled, cooked.

সিধা, } s. ভোজনি, আলহি আদিক খাবলৈ দিয়া সমল, a general
সিধাপাতি, } term for provisions supplied to ong one outside the family.

সিধান্ত, s. উত্তৰ, সমিচাৰ, an answer, a reply, a decision or settlement of a question, a logical conclusion.

সিধি, s. ফলোদই, সাফল হোআ, পূৰ্ন হোআ, completion, success, fulfillment, accomplishment; with কৰি, to fulfil.

সিধিফলা, s. অ আ আদি স্বৰ ফলা, a vowel, the vowels.

সিন্ধি, s. চোৰে ঘৰত সোমাবলৈ বেৰৰ তলে খন্দা বাট, a breach or hole in a wall made by burglars.

সিন্ধি দি, v. চোৰে ঘৰত সোমাবলৈ বেৰৰ তলে গাঁত খানি, to make a breach in a wall as above.

সিন্ধি সৰকা, s. সিন্ধিএদি সৰকা, চোৰক গালি পৰা মাত, *lit.* crawling through a breach, a thief; a burglar, (used as a term of abuse.)

সিন্ধু, s. সমুদ্ৰ, হিন্দুস্থানৰ পচিম সিমাৰ এক নদি, the Indian Ocean, the river Indus.

সিপৰিয়া, a. সিপাৰত থকা, belonging to the other side.

সিপা, s. সিয়া, বৃখ্যাদিৰ আলু, আদি কাৰন, a root, origin, cause.

সিপাই, v. সিপা মেলি, সিয়াই, to take root, to become established.

সিপাৰ, s. নৈ আদিৰ আন পাৰ, the farther or opposite side.

সিপিনি, s. ভালকৈ বব কাটিব জনা তিৰি, কাজি, কাপৰ বোআ তিৰি, a woman skillful in weaving, spinning &c.

সিপিনে, } ad. আন পোনে, আন ফালে, সিফালে, yonder, on the
সিপোনে, } other side.

সিপুৰি, s. সিহপুৰি, পৰকাল, the next world, an after state of existence.

সিপোআ, a. সিপা মেলা, সিপা ধৰা, rooted; s. taking root.

সিফাল, ad. আন ফাল, সিলুটি, in that direction, on that side.

সিবাই, ad. সিবেলি, আন বাৰ, another time, next time.

সিবিলাক, pro. তেওঁবিলাক, আনবিলাক, they, others.

সিবেলি, ad. আন বেলি, সিবাৰ, another time.

সিবোৰ, pro. সেইবোৰ, সেইবিলাক, (বস্তু বা মানুহ,) they, these.

সিমনা, s. see সিমা.

সিমলু, s. তুলাৰ গচ এবিধ, the cotton tree; (Bombax Heptaphylla.)

সিমলু কলা, s. সিমলু গচৰ গুটি, the cotton pod of the above.

সিমলু তুলা, s. সিমলু গচৰ কলৰ তুলা, the cotton of the *Himolu* tree.

সিম্সিম্ কৰে, ad. থিৰ্থিৰ কৰে, হিম পৰাৰ দৰে, lightly falling like dew or mist.

সিম্‌সিমিয়া, *a.* থিৰ্থিৰিয়া, হিমৰ দৰে পৰা, light, misty, (applied to rain.)

সিমা, *s.* হদ, অন্ত, মুৰ, দুভাগ মাটিৰ মাজ চিন, boundary, limit, end, border, frontier, a landmark.

সিমান, *a.* তিমান, সেই সমান, so much, the correlative of জিমান.

সিমা মুৰিঅলি, *a.* সিমাৰ ওচৰত থকা, adjoining another's boundary.

সিয়নি, *s.* বেজি বটিয়াৰে দিয়া গোঁঠনি, জোৰা বিসেস, sewing, a stitch.

সিয়া, *s.* বেজি মৰা, সিপা, the act of sewing, a root; *a.* sewed.

সিয়াই, *v.* সিয়নি দিয়াই, সিপা ধৰি, to cause to be sewed, to take root.

সিয়ান, *a.* চৈঙৰ, চৈধৰ, চতুৰ, artful, cunning, sly, knowing.

সিয়াল, *s.* সৃগাল, a jackal, a fox.

সিয়ালকটাহি, *s.* সিয়ালৰ মুতৰ গোন্ধ, odor of the urine of canine animals.

সিয়াল গলা, *a.* সিয়ালৰ গালৰ দৰে ওফোন্দা গলা, গালৰ ৰোগ বিসেস, having prominent cheeks like the jackal.

সিয়াল নেজিয়া, *s.* এবিধ বন, সিয়ালৰ নেজৰ দৰে, a species of grass.

সিৰ, *s.* মুৰ, সৰিলৰ তেজ চলা নলা বা নাৰি, জোৰা ধৰা সুত, চতি পাত্ৰ আদিত উঠা সিৰ বা ধাৰ, the head, a nerve, sinew, tendon, bloodvessel, vein, artery, the pulse; the corner or sharp edge of a board, timber &c.

সিৰফটা, *a.* থিলথিয়া, কেলেহুআ নোহোআ, long settled in a place, not dependent on others.

সিৰলু, *s.* নাঙল বোআত হোআ সোৰ, a furrow made by ploughing.

সিৰলুআ, *a.* হালবাই নমৈওআকৈ থোআ, ploughed but not harrowed.

সিৰ্সিৰাই, *v.* সিৰ জোকাৰ খাই, জিৰ্জিৰাই, জঁকি, to shiver, to be agitated or suddenly angry.

সিৰা, *s.* ৰোগ বিসেস, সিৰত হোআ বেদনা, a kind of muscular disease.

সিৰামুৰি, *s.* সিৰ টানি ধৰা, an involuntary contraction of the muscles.

সিৰিক কৰে, } *ad.* অকস্মাত (সিৰ লৰি,) সৰিলৰ মাজে হোআ জাৰৰ
সিৰিকাই, } জোকাৰ বিসেস, suddenly twinging, (of muscles.)

সিৰিকিয়াই, *v.* পেট আম্বোৰ পাম্বোৰ কৰি মুখৰ পানি ওলাই, to eructate acid matter from the stomach.

সিৰিপ, *s.* এচাৰিৰে কোব মৰাত উঠা সবদ, the sound produced by the concussion of the air in striking with a whip &c.

সিৰিপনি, *s.* চেকনি, সৰু এচাৰি, a switch, a small whip.

সিৰোধাৰ্জ্য, *a.* সিৰত তুলি লব লগা, *lit.* placing on the head in token of respect; worthy to be respected, obeyed or regarded.

সিল, *s.* পাথৰ, সিলা, a rock, a stone, a hail stone.

সিলকোমোৰা, *s.* এবিধ দিঘল কোমোৰা, a species of gourd.
সিল গুটি, *s.* সৰু সিল, a small stone, a pebble.
সিলনি, *s.* সিল থকা ঠাই, a stony or rocky place; *a.* stony, rocky.
সিল্‌সিলিয়া, *a.* দিঘলিয়া, আচাৰিৰ নিচিনা আগলৈ সৰু হৈ জোআ, long, slender and tapering like a switch.
সিলা, *s.* see সিল.
সিলাকটিয়া, সিলাকুটি, *s.* সিলৰ কৰম কৰা লোক, a stone cutter, a stone mason.
সিলাধমনা, *s.* এবিধ ৰোগ, a kernel or hard concretion in the flesh.
সিলাব্রিষ্টি, *s.* সিল পৰা বৰষুন, a hail storm.
সিলিখা, *s.* হৰিতকি, ঔসধিয় গচ বা গুটি এবিধ, a species of myrobalan; the tree and its fruit.
সিলিখামনি, *s.* সিলিখাৰ আৰ্জাৰে মনি বিসেস, চিপাত মনি, a kind of bead resembling the seed of the above tree.
সিল্পকৰম, *s.* চিত্ৰ আদি কৰা বন, a work of art, handicraft.
সিল্প বিদ্যা, *s.* সজা পৰা বিদ্যা, চিত্ৰ আদি কৰা বিদ্যা, the mechanical arts, handicraft, trades.
সিৱ, *s.* মহাদেও, মহেস, হৰ, *Hiwo* or *Moheswor*, the destroyer; the third in the hindoo triad.
সিৱৰাত্রি, *s.* ফাগুনৰ ক্রিষ্ণ চতুৰ্দসি তিথি, the night of the fourteenth day of the moon's wane, in the month *Fagun* sacred to *Hiwo*.
সিৱলিঙ্গ, *s.* মাটি আদিৰ সজা সিৱ, সিৱৰ চিন বিসেস, the phallus representation of Hiwo, extensively worshiped by the hindoos.
সিৱলোক, *s.* কৈলাস, সিৱৰ থান, *Koilah* the heaven of *Hiwo*.
সিৱা, *s.* দুৰ্গা, সদাসিৱৰ ভাৰ্জা, পাৰ্বতি, Durga, Parboti, the wife of Hiwo.
সিসিয়নি, *s.* পানি উতলিবলৈ ধৰাত উঠা সবদ, the simmering sound of water when near the boiling point.
সিসিয়াই, *v.* সিসিয়নি আহি, জাৰ লাগি, to make the above sound; to shiver, as with cold.
সিসু, *s.* সৰু লৰা চোআলি, an infant, a child under eight years.
সিসুপাল, *s.* এবিধ জামু কলিয়া উত্তম পাটৰ বিহা, ক্রিষ্ণে বধ কৰা ৰজা এজন, a kind of silk fabric, an ancient king slain by Krishnoo.
সিষ্ট, *a.* ভদ্ৰ, সন্ত, সজ আচৰন কৰোঁতা, polite, well behaved, mannerly.
সিষ্টাচাৰ, *s.* উত্তম আচাৰ, politeness, civility, good manners, etiquette.
সিস্য, *s.* চাত্ৰ, সিচ, সেৱকিয়া, ভকত, a pupil, disciple or worshiper

সিহ, *s.* এবিধ কোমল ধাতু বিসেস, lead.
সিহঁত, *pron.* সিহেঁতৰ, they, (inferior.)
সিহৰি, *s.* সৰু সিপা, চাকনৈয়া সিপা, পম, a branch of a bulbous root.
সিহা, *s.* সলাকাঠি, সিপা, a lamp wick.
সিহু, *s.* জল জন্তু বিসেস, সুহু, a fresh water porpoise.
সু, *a.* উপসর্গ, সব্দৰ আদিত জোগ হলে সুভ, ভাল, উত্তম, সহজ বুজাই, an inseparable prefix meaning excellence, ease or facility; *a.* good, excellent, easy, agreeable, fine, handsome.
সুঅগা, *s.* উপধাতু বিসেস, borax.
সুঅদি, *a.* অলপ সোআদ, sweetish, slightly flavored.
সুঅনি, *a.* গন্ধিত, দেখনিয়াৰ, টগিত, দেখিবলৈ ভাল, handsome, beautiful, comely, pretty.
সুঅলা, *a.* অতি সুন্দৰ, ভাল, সুতি লগা, লন্দন, excellent, pleasing.
সুআই, *v.* সয়ন কৰাই, টোপনি অনাই, মানি বা সুন্দৰ দেখাই, to put to sleep, to be becoming or appropriate.
সুআগচবি, *v.* ধুন জেউতি বাহিঁ, ৰূপ সুন্দৰ হৈ, ক্রমে প্রেম বা খাটনি বাহিঁ, to improve in looks; to grow beautiful.
সুআগি, *a.* সুভাগি, লাগি, (স্ত্রি,) beloved; a beloved wife or woman.
সুআগুৰি তোলা, *s.* দৰাক দেখুআই পানি তোলা, a ceremony of dipping up water from a river, performed by the mothers of the bride and bridegroom on the departure of the latter from his father's house, and also on his arrival at the house of the bride.
সুই, *v.* নিদ্রা কৰি, সয়ন কৰি, কাতি হৈ পৰি থাকি, to sleep, to recline.
সুইন, *a.* সুন্য, সুদা, বিন্দু, আকাস, void, empty, vacant; *s.* a cipher, the atmosphere, empty space, a vacuum.
সুউআ, *s.* সুআই থোআ, সয়ন কৰোআ, সুঅনি হৈ ধৰা, the act of putting to sleep; *a.* put to sleep.
সুঁঅৰি, *v.* মনত পৰি, সুমৰি, to recollect, to remember, to recall.
সুঁই, *s.* চৰ্চৰনি, থুঁই, a strangling or choking from rapid swallowing.
সুঁতি, *s.* ধাৰ, নৈৰ সৰু সোঁতা, a small branch or arm of a river.
সুঁৰ, *s.* হাঁতিৰ নাক, এবিধ সাক আদি নষ্ট কৰা পোক, a proboscis, an elephant's trunk; a species of destructive caterpillar.
সুঁৰি, *s.* হিন্দুৰ এবিধ হিন জাত বিসেস, a low caste of hindoos.
সুঁহৰি, *s.* বোআৰি খটা কাল, subjection to the control of a father and mother in law.

সুক, } *s.* ব্যাসৰ পুত্ৰেক, এজনা মুনি, the celebrated hindoo sage
সুকদেও, } *Huk* and son of *Byah.*

সুকটি, *s.* সুকান মাচ, dried fish.

সুকনি, *s.* ঘা বা খছু সুকুআ, ঘা আদি সুকুআ দৰব, the healing or drying up of a sore, any medicine used for the above purpose.

সুকলতি, *s.* এবিধ ঔসধৰ গচ, a species of medicinal tree.

সুকলম, *a.* নিৰ্ব্বিঘ্ন, অকন্টক, আপদ বিঘিনি নোহোআ, secure, without difficulty or obstruction, prosperous; *s.* security, freedom from care, danger or anxiety.

সুকলমে, *ad.* নিৰ্ব্বিঘ্নে, ভালেৰে, safely, easily, without difficulty.

সুকাই, *v.* নিৰস হৈ, নিসত হৈ, খিনাই, ধান আদি বদত দি, to become dry, to become lean or emaciated.

সুকাঠি, *a.* সাৰুআ, সজ, (কাঠ,) good, sound, (applied to timber.)

সুকাঠিয়ক, *a.* অতি নিপুন ভাও দেখুউআ, very expert, wise or skilled, (used by way of ridicule or abuse.)

সুকান, *a.* নিৰস, কেঁচা নোহোআ, খিন, dry, dried up, lean, emaciated; *fem.* সুকানি.

সুকানি হৰা, *s.* গা সুকাই জোআ হৰা কৰম, a *muntro* or incantation supposed to occasion emaciation of body.

সুকি, } *a.* নিজা, আপোনাৰ, স্বতন্ত্ৰ, one's own, separate; with কৈ,
সুকিয়া, } separately.

সুকিয়াসুকি, *ad.* গাইপতি সুকিয়া হোআ, separately, belonging to each.

সুকুআ, *s.* নিৰস কৰা, সুকাই জোআ, সুকান হোআ, the causing to be dried; *a.* dried.

সুকুআই, *v.* সুকাবলৈ দি, সুকান কৰি, নিৰস কৰি, to cause to dry.

সুকুউআ, *s.* সুকুআই থোআ, নিৰস কৰা, the causing to be dried.

সুকুমল, *a.* বৰ কোমল, স্নিগ্ধ, very soft, tender, delicate, bland.

সুকুৰ, *s.* সষ্ঠ গ্ৰহ, সুক্ৰ, the planet Venus.

সুকুৰবৰিয়া, *a.* সুকুৰ বাৰে হোআ, produced or born on Friday.

সুকুৰ বাৰ, *s.* সপ্তাহৰ সষ্ঠ বাৰ, সুক্ৰবাৰ, Friday, the planet *Hukur's* day.

সুকুলা, } *a.* বগা, ধলা, সুক্লা, white, whiteness; *fem.* সুকুলি.
সুক্ল, }

সুক্ৰ, *s.* see সুকুৰ.

সুক্লপখ্য, *s.* চন্দ্ৰ ব্ৰিধিৰ কাল, the fortnight of the moon's increase.

সুখ, *s.* দুখ নোহোআ, সুভাগ্য, সম্পদ, happiness, contentment, enjoyment.

সুখভোগ, *s.* সুখ ভুঞ্জা, আনন্দ কৰা, the enjoyment of happiness.

সুখি, } *a.* সুখত থকা, চহকি, ভাগ্যৱন্ত, বৰ লোক, আনন্দিত, rich,
সুখিয়া, } opulent, happy, joyful.

সুখিয়াতি, } *s.* সুজস, প্ৰসংসা, সকলোএ ভাল বোলা, fame, celebrity,
সুখ্যাতি, } renown; *a.* celebrated, famous, renowned.

সুখে সাধ্যে, *ad.* সুখে সান্তিএ, বিনা দুখে, ভালে কালে, happily, contentedly.

সূক্ষ্ম, *a.* অতি খুদ্ৰ, নিচেই সৰু, খুঁদখুদ, fine, minute, delicate.

সুগতি, *s.* সজ গতি, মুক্তি, a happy state, final emancipation.

সুগন্ধ, *s.* সুঘ্ৰান, ভাল গোন্ধ, মল্মল্ কৰে, fragrance, perfume, odor, scent.

সুগন্ধি, *a.* সুঘ্ৰান থকা, মল্মলিয়া, fragrant, aromatic, sweet scented.

সুগম, *a.* জাবলৈ বা কৰিবলৈ ভাল, উজু, অনায়াস, সুচল, easy, accessible, facile; *s.* ease, facility, convenience.

সুগৰি, *a.* আঁসোআঁহ নথকা, ভালকৈ কৰা, নিজগৰি, faultless, well executed, applied to work; with কৈ, satisfactorily, well done.

সুগৰি পহু, *s.* এবিধ সৰু পহু, a species of short horned deer.

সুগৰ্হি, } *a.* বৰ সুঅনি, ঠগিত, দেখিবলৈ সুন্দৰ, সুঠান, beautiful,
সুগৰ্হিত, } handsome, good looking.

সুগিয়া, *a.* সোগ কৰি থকা, সোক কৰা, downcast, dejected, of sad countenance; *fem.* সুগুনি, a woman of sad countenance.

সুগুন, *s.* সজ গুন, সুজস, প্ৰসংসা, a good quality, praise.

সুগ্ৰিৱ, *s.* ৰাম চন্দ্ৰৰ সহাই হোআ এটা বান্দৰৰ ৰজা, *Hugriwo*, the name of a monkey king and ally of Ramsondro, when he fought with Rawon, king of Ceylon.

সুঘ্ৰান, *s.* see সুগন্ধ.

সুঙ্গ, *s.* জোঙ্গা বস্তুৰ আগ ভাগ, বিচাৰ বা ধান আদিৰ নোম, কথাৰ উআ, a prickle, a point, a sting, a bristle, the beards of grain, a slight intimation.

সুঙ্গ পোআ, *a.* কথাৰ অলপ বুজ পোআ, having an intimation.

সুঙ্গ লগা, *a.* সুঙ্গ থকা, prickly, bearded.

সুঙ্গসুঙ্গাই, *v.* বিজবিজাই, গাত সুঙ্গ পৰি খজুআই, to feel an itching or pri cking sensation.

সুঙ্গসুঙ্গিয়া, *s.* লতা বিসেস, a species of wild vine.

সুঙ্ঘা, *s.* ঘ্ৰান কৰা, গোন্ধ লোআ, the act of smelling; smell.

সুঙ্ঘাই, } *v.* গোন্ধ লোআই, ঘ্ৰান কৰাই, to cause to smell.
সুঙ্ঘুআই, }

সুঙ্ঘ, *v.* ঘ্ৰান লৈ, চৰাইৰ গাৰ ওকনি, to smell, to inhale by the nose; *s.* vermin that infest fowls.

সুক, } s. ব্যাসৰ পুত্ৰেক, এজনা মুনি, the celebrated hindoo sage
সুকদেও, } *Huk* and son of *Byah.*

সুকটি, s. সুকান মাচ, dried fish.

সুকনি, s. ঘা বা খছু সুকুআ, ঘা আদি সুকুআ দৰব, the healing or drying up of a sore, any medicine used for the above purpose.

সুক্‌লতি, s. এবিধ ঔসধৰ গচ, a species of medicinal tree.

সুকলম, a. নিৰ্বিঘ্ন, অকন্টক, আপদ বিঘিনি নোহোআ, secure, without difficulty or obstruction, prosperous; s. security, freedom from care, danger or anxiety.

সুকলমে, ad. নিৰ্বিঘ্নে, ভালেৰে, safely, easily, without difficulty.

সুকাই, v. নিৰস হৈ, নিসত হৈ, খিনাই, ধান আদি বদত দি, to become dry, to become lean or emaciated.

সুকাঠি, a. সাৰুআ, সজ, (কাঠ,) good, sound, (applied to timber.)

সুকাঠিয়ক, a. অতি নিপুন ভাও দেখুউআ, very expert, wise or skilled, (used by way of ridicule or abuse.)

সুকান, a. নিৰস, কেঁচা নোহোআ, খিন, dry, dried up, lean, emaciated; *fem.* সুকানি.

সুকানি হৰা, s. গা সুকাই জোআ হৰা কৰম, a *muntro* or incantation supposed to occasion emaciation of body.

সুকি, } a. নিজা, আপোনাৰ, স্বতন্ত্ৰ, one's own, separate; with কৈ,
সুকিয়া, } separately.

সুকিয়াসুকি, ad. গাইপতি সুকিয়া হোআ, separately, belonging to each.

সুকুআ, s. নিৰস কৰা, সুকাই জোআ, সুকান হোআ, the causing to be dried; a. dried.

সুকুআই, v. সুকাবলৈ দি, সুকান কৰি, নিৰস কৰি, to cause to dry.

সুকুউআ, s. সুকুআই থোআ, নিৰস কৰা, the causing to be dried.

সুকুমল, a. বৰ কোমল, মিদু, very soft, tender, delicate, bland.

সুকুৰ, s. সষ্ঠ গ্ৰহ, সুক্ৰ, the planet Venus.

সুকুৰবৰিয়া, a. সুকুৰ বাৰে হোআ, produced or born on Friday.

সুকুৰ বাৰ, s. সপ্তাহৰ সষ্ঠ বাৰ, সুক্ৰবাৰ, Friday, the planet *Hukur's* day.

সুকুলা, } a. বগা, ধলা, সুক্লা, white, whiteness; *fem.* সুকুলি.
সুক্ল, }

সুক্ৰ, s. see সুকুৰ.

সুক্লপখ্য, s. চন্দ্ৰ বৃিধিৰ কাল, the fortnight of the moon's increase.

সুখ, s. দুখ নোহোআ, সুভাগ্য, সম্পদ, happiness, contentment, enjoyment.

সুখভোগ, s. সুখ ভুঞ্জা, আনন্দ কৰা, the enjoyment of happiness.

সুখি, সুখিয়া, *a.* সুখত থকা, চহকি, ভাগ্যবন্ত, বৰ লোক, আনন্দিত, rich, opulent, happy, joyful.

সুখিয়াতি, সুখ্যাতি, *s.* সুজস, প্ৰসংসা, সকলোএ ভাল বোলা, fame, celebrity, renown; *a.* celebrated, famous, renowned.

সুখে সাধ্যে, *ad.* সুখে সান্তিএ, বিনা দুখে, ভালে কালে, happily, contentedly.

সুক্ষ্ম, *a.* অতি খুদ্ৰ, নিচেই সৰু, খুদখুদ, fine, minute, delicate.

সুগতি, *s.* সজ গতি, মুক্তি, a happy state, final emancipation.

সুগন্ধ, *s.* সুঘ্ৰান, ভালগোন্ধ, মলমল্ কৰে, fragrance, perfume, odor, scent.

সুগন্ধি, *a.* সুঘ্ৰান থকা, মলমলিয়া, fragrant, aromatic, sweet scented.

সুগম, *a.* জাবলৈ বা কৰিবলৈ ভাল, উজু, অনায়াস, সুচল, easy, accessible, facile; *s.* ease, facility, convenience.

সুগৰি, *a.* আসোঁআহ নথকা, ভালকৈ কৰা, নিজগৰি, faultless, well executed, applied to work; with কৈ, satisfactorily, well done.

সুগৰি পহু, *s.* এবিধ সৰু পহু, a species of short horned deer.

সুগৰ্হি, সুগৰ্হিত, *a.* বৰ সুঅনি, ঠগিত, দেখিবলৈ সুন্দৰ, সুঠান, beautiful, handsome, good looking.

সুগিয়া, *a.* সোগ কৰি থকা, সোক কৰা, downcast, dejected, of sad countenance; *fem.* সুগুনি, a woman of sad countenance.

সুগুন, *s.* সজ গুন, সুজস, প্ৰসংসা, a good quality, praise.

সুগ্ৰিৱ, *s.* ৰাম চন্দ্ৰৰ সহাই হোআ এটা বান্দৰৰ ৰজা, *Hugriwo*, the name of a monkey king and ally of Ramsondro, when he fought with Rawon, king of Ceylon.

সুঘ্ৰান, *s.* see সুগন্ধ.

সুঙ্গ, *s.* জোঙ্গা বস্তুৰ আগ ভাগ, বিচাৰ বা ধান আদিৰ নোম, কথাৰ উআ, a prickle, a point, a sting, a bristle, the beards of grain, a slight intimation.

সুঙ্গ পোআ, *a.* কথাৰ অলপ বুজ পোআ, having an intimation.

সুঙ্গ লগা, *a.* সুঙ্গ থকা, prickly, bearded.

সুঙ্গসুঙ্গাই, *v.* বিজবিজাই, গাত সুঙ্গ পৰি খজুআই, to feel an itching or pri cking sensation.

সুঙ্গসুঙ্গিয়া, *s.* লতা বিসেস, a species of wild vine.

সুঙ্গা, *s.* ঘ্ৰান কৰা, গোন্ধ লোআ, the act of smelling; smell.

সুঙ্গাই, সুঙ্গুআই, *v.* গোন্ধ লোআই, ঘ্ৰান কৰাই, to cause to smell.

সুঙ্গি, *v.* ঘ্ৰান লৈ, চৰাইৰ গাৰ ওকনি, to smell, to inhale by the nose; *s.* vermin that infest fowls.

সুধা, *s.* অমৃত, অমিয়া, nectar, ambrosia.

সুধি, *v.* প্রশ্ন কৰি, বুজ লৈ, অসৌচ আদিৰ অন্তত সুধ হোআ দিন, to ask, to enquire; *s.* ceremonial purification after a birth or death.

সুনা, *a.* স্রৱন কৰা, আগ্যা মনা, সুকুষা, heard, obeyed; *s.* the act of hearing or obeying; a hole, a perforation.

সুনাই, *v.* স্রৱন কৰাই, সুনাকৈ কৈ, to cause to hear, to proclaim.

সুনাভনা, *a.* ভুভা পোআ, সুনা কৰা, heard and known.

সুনি, *v.* স্রৱন কৰি, ফুল এবিধ, to hear, to listen, to obey; *s.* a species of flower.

সুনুউআ, *s.* স্রৱন কৰোআ, মনোআ, the causing to hear; proclaiming.

সুনুআই, *v.* লোকৰ হতুআই সুনাই, to cause to hear.

সুন্দৰ, *a.* সোভন, সুঅনি, দেখিবলৈ ভাল, beautiful, handsome, elegant.

সুন্দৰি, *a.* ৰূপৱতি, দিপলিপ, *fem.* of the above; *s.* a beautiful woman.

সুপকাৰ, *s.* চাঙ্গমাই, ৰান্ধনি, a cook, a butler, (often used in ridicule.)

সুপথ, *s.* সজ পথ, ধৰ্ম বাট, a good road, a virtuous course of conduct.

সুপসুপিয়া, *a.* সোপোকাসোপোক, কোমল, soft, (as cotton,) spongy.

সুপি, *a.* সোপা, আটাইখিনি, all, the whole; used as a particle after nouns signifying the whole of anything that remains.

সুবচন, *s.* সজ কথা, ভাল মাত, good language, eloquence.

সুবৰ্ন, *s.* সোন, gold.

সুবৰ্নমই, *a.* সোনামই, সোনেৰে সজা, golden, made of gold.

সুবিয়া, *a.* সোৰে ধৰা, সোথৰুগিয়া, dropsical.

সুবুধি, *s.* উতম বুধি, সজ আলচ, a good understanding.

সুবুধিয়ক, *a.* গ্যানি, সুবুধি থকা, wise, intelligent, well informed, sensible.

সুবেস, *a.* অতি ভাল, চিকোন, excellent, very fine.

সুভ, *a.* ভাল, মঙ্গল, কৈল্যান, good, happy, auspicious, favorable; *s.* good, happiness, good fortune, welfare, prosperity, luck.

সুভখ্যন, *s.* ভাল সমই, সজ খেন, a favorable or happy moment.

সুভগা, *a.* ভাগ্যৱতি, লাগি, favored; *s.* a beloved wife.

সুভজাত্ৰা, *s.* বিঘিনি নোহোআ জাত্ৰা, a prosperous journey.

সুভবাত্ৰা, *s.* সুসম্বাদ, প্ৰভু য়িচু খ্ৰিষ্টৰ দ্বাৰাই জগতৰ পৰিত্ৰানৰ সম্বাদ, good tidings, the Gospel or news of salvation by Jesus Christ.

সুভবানি, *s.* সুবাক্য, সজ কথা, an auspicious or good word.

সুভাগ্য, *s.* সজ বাসনা, good fortune, prosperity, happiness.

সুভাসুভ, *a.* ভাল বেয়া, সুভঅসুভ, good or bad, auspicious or inauspicious.

সুমতি, *s.* সজমতি, সুগ্যানি, excellence of disposition; *a.* well disposed.

সুমথিৰা, *s.* টেঙ্গা এবিধ, an orange.

সুমৰি, *v.* সোঁৱৰন কৰি, to recollect, to remember.

সুমাই, } *v.* প্ৰবেস কৰাই, ভিতৰত থৈ, সামৰি, ভৰাই, to cause to enter, to introduce, to put into, to fill or thrust into.
সুমুআই, }

সুমুওআ, *s.* ভিতৰত থোআ, সামৰা, the entering or causing to enter.

সুমেৰু, *s.* মেৰু গিৰি, উত্তৰকেন্দ্ৰ, the fabulous *Mount Meru,* the centre of seven circular continents; the north pole.

সুৰ, *s.* দেৱতা, স্বৰ, গিতৰ জাত বা ৰাগ, a hindoo demigod; a tune in music; with টানি, to sing in tune.

সুৰসুৰ কৰে, *ad.* বাধা নোহোআকৈ, পুৰ্ব্ব কৰে, সুগমে, easily, readily.

সুৰসুৰাই, *v.* ভাঁকুতকুতাই, গাত হাত দিলে কুতকুতনি উঠি, to feel a tickling sensation, to tickle.

সুৰসুৰিয়া, *a.* অকস্টে চলাব পৰা, ঠহ নধৰা, দমন হোআ, ঘোৰ খোআ, subdued, brought under control, broken in, (as cattle.)

সুৰা, *a.* মদ ফটিকা আদি, spirituous liquors.

সুৰাসুৰ, *s.* দেৱতা আৰু অসুৰ, demigods and demons.

সুৰি, *v.* পানিৰ দল বন আদি গুচাই, জাতি বিসেস, to clear away aqatic grass from the surface of water.

সুৰুককৰে, *a.* গম নোপোআকৈ, বেগতে, without being observed, quickly.

সুৰুকা মৰা, *s.* গা দেখুআই মনে মনে গুচি জোআ, পুলুকা মৰা, সোৰোকা মৰা, the slipping away unobserved; preceded by পাচ, the holding back from any work or project.

সুৰুকিয়া, *a.* সৰু, ঠেক, সৰকি জাব পৰা, narrow, (as of a road.)

সুৰুঙ্গা, *s.* জলঙ্গা, বিন্ধা, সুনা, a hole, an opening, a perforation, a crack, a fissure.

সুৰুজ, *s.* see সুৰ্জ্য.

সুৰুজকঁপালি, *s.* এবিধ মুৰ কামোৰনি ৰোগ, a headache that comes and goes with the sun.

সুৰুজমুখিয়া, *a.* বেলিমুআ, ওপৰ মুখিয়া, turned towards the sun.

সুৰ্জ্য, *s.* বেলি, ৰবি, the sun.

সুৰ্জ্যকান্ত, *s.* এবিধ মনি, a kind of precious stone, probably the jasper.

সুৰ্জ্যকান্তি, *s.* সুৰ্জ্যৰ দিপিতি, এবিধ ফুল, sunshine, a species of flower.

সুৰ্জ্যগ্ৰহন, *s.* সুৰ্জ্যক চাঁয়াই ঢকা, ৰাহু গ্ৰাস, an eclipse of the sun.

সুৰ্জ্যতাপ, *s.* বেলিৰ তাপ, ৰদ, the heat of the sun.

সুৰ্জ্যমণ্ডল, *s.* সুৰ্জ্যৰ গোলাকাৰ খণ্ড, the orb or disc of the sun.

সুৰ্জ্যৰশ্মি, *s.* সুৰ্জ্যৰ প্ৰকাস, কিৰন, a sunbeam.

সুৰ্য্যাস্ত, *s.* বেলি মাৰ জোআ, sunset.
সুৰ্য্যোদই, *s.* অৰুনউদই, বেলি ওলোআ, sunrise.
সুতি, *s.* চেষ্টাতকুল, আহৰি, consciousness, self-possession, leisure.
সুৰ্তিসাঁতি, *s.* তত্গুৰি, চেষ্টা বুধি, leisure and repose, self-possession.
সুৰ্পতিবান, *a.* সৰস্বতিবান, খৰকৈ কব পৰা, of ready speech, fluent.
সুল, *s.* হুল, সেল, পেটৰ ৰোগ বিসেস, পিঙ্গ, a sharp thorn, a kind of spear; a colic or any sharp cutting pain; a sharp stake on which criminals were formerly impaled.
সুলকি, *v.* মুকলি হৈ, গাঁঠি আদি খহি, পুলকি, to be unbound or loosened.
সুলখ্যন, *s.* ভাল চিন, সজ লখ্যন, সুচৰিত্ৰ, a good sign or distinguishing mark.
সুলখ্যনিয়া, *a.* সুলখ্যন থকা, having auspicious omens, ominous of good.
সুলভ, সুলভ্য, } *a.* সুম নোহোআকৈ পাব পৰা, মৰগ নোহোআ, easily obtained or procurable, easy, feasible.
সুললিত, *a.* মধুৰ, সুনিবলৈ ভাল লগা, sweet, melodious, musical.
সুলসুলিয়া, *a.* জুলিয়া, লেউলেউআ, of soft consistency.
সুলা, *s.* ঘনে হগা ৰোগ, a chronic looseness of the bowels.
সুলা হগুৰা, *s.* সুলা ৰুগিয়া, a person having the above disease.
সুলি, *a.* লাপৰি, দাঁত নাইকিয়া তিৰি, toothless; *s.* a toothless woman.
সুসি, *v.* see সুহি.
সুসিতল, *a.* বৰ চেঁচা, বৰ নিমজ, very cool, very smooth.
সুস্থা, *a.* ৰোগ নাইকিয়া, নিৰোগি, স্বস্থ, healthy, well, in good condition.
সুস্থিৰ, *a.* থিৰ, চঞ্চল নোহোআ, সুথিল, firm, stable, steady, settled.
সুসি, *a.* সুঅনি, দেখিবলৈ ভাল, good looking, comely.
সুস্ৰুসা, *s.* পৰিচৰ্য্যা, আলপৈচান, চেষ্টা, service, attendance; with কৰি, to wait upon, to render personal service.
সুহি, *v.* সুসি, ৰস টানি, সুকাই, to suck, to draw into the mouth, to dry up, to evaporate, to absorb.
সুহু, *s.* see সিহু.
সুহুৰি, *s.* সুদা মুখৰ বাজনা বিসেস, a whistling sound made by the mouth.
সুহুৰিয়াই, *v.* সুহুৰি মাৰি, to whistle.
সুহৃদ, *s.* পৰম মিত্ৰ, বন্ধু, ইষ্ট, সখি আদি, a friend, an intimate companion.
সেই, *pron.* সাখ্যাত বা দূৰৈত থকা কথা বুজুআ সৰ্ব নাম বিসেস, সেও দি, that, even that, that person or thing; *v.* to apply heat.
সেইয়া, *ad.* সৌআ, yonder, there, in sight.
সেউজিয়া, *a.* প্ৰাই কজলা বৰনিয়া, of purple color.

সেউতি, *s.* এবিধ সুগন্ধি ফুল, species of fragrant flower.

সেও, *s.* জুই বা তপত বালি আদিৰে দিয়া বা লোআ তাপ, উভ নোহোআ, নম্র, the heat of fire when applied either directly or by heated substances; *a.* too slanting or oblique, as the handle of an implement; subdued.

সেওতা, *s.* নাৱৰ পানি সিঁচা জতন এবিধ, তিৰোতাৰ চুলি দুফাল কৰা চিন বিসেস, a bamboo scoop for baling water from a boat, the parting of the hair on the head.

সেওলা, *a.* বৰ সেও বা এচলিয়া, কাতি, very slanting or oblique.

সেংসেং কৰে, সেংসেঙিয়া., } *a.* চেঁচা, সেঙেটা, পাতল, without warmth, as of a thin cloth, cool.

সেঁওতা, *s.* দুভাগ চুলিৰ মাজৰ ৰেখা, the middle parting of the hair.

সেকসেক কৰে, সেক্‌সেকিয়া, } *a.* কোমল, আপঁইতা, (বাঁহ কাঠ আদি,) immature, soft, (applied mostly to wood.)

সেকা, *s.* সেও দিয়া, দুখ, কষ্ট, the act of warming by the fire, or of applying heat; distress, trouble, suffering.

সেকি, *v.* সেই, তাপ দি, to warm, to heat before the fire, to roast, to receive heat from the application of any heated substance.

সেকেটা, *s.* see চোটোকা.

সেঙুন, *s.* নাকে দি ওলোআ পানি, mucous discharge from the nose.

সেঙুনিয়া, *a.* সেঙুন কেন, এবিধ গচ, snotty; *s.* a species of tree.

সেঙেটা, *a.* জাৰত ঠেৰেঙা লগা; চেঁচা পৰা, benumbed or stiff from cold.

সেঙেটাসেঙেটি, *s.* জাৰত গাৰ সেঙেটা, being pinched with cold.

সেজা, *s.* হনা, পানিৰ প্রধান ধাৰ, নৈ আদিএ নকৈ লোআ বাট, the main current of a river; a new channel or path.

সেত, *a.* বগা, ধল, white, whitish.

সেত-কপৰা, *s.* ঔসধিয় তিন বিসেস, a species of grass used as a febrifuge.

সেতকুপৌ, *s.* এবিধ বগা কুপৌ, a species of white dove.

সেতভেদালি, *s.* ঔসধিয় লতা বিসেস, a species of medicinal vine.

সেত্‌সেত্‌ কৰে, *a.* নিস্তেজ ৰূপে, চেল্‌চেল্‌ কৰে, pale, wan, sickly.

সেত্‌সেতিয়া, সেতা, } *a.* নিস্তেজ, তেজ কুৰ নোহোআ বগা, pale, wan, of bloodless appearance.

সেতাসেৰেলুআ, *a.* সোৰা সেৰেলুআ, সেত্‌সেত্‌ কৰে বগা, pale, wan.

সেতু, *s.* আলি, সাঁকো, ধৰ, ধাতু বিসেস, a dam, a dike, a bridge, a metalic amalgam.

সেতুআ, *s.* ভৰিৰ পতা উখহা ৰোগ, a disease of the soles on the feet.

সেতুবন্ধ, *s.* আলি বন্ধা, সমুদ্ৰৰ মাজে দি শ্ৰীৰামে বন্ধা সেতু বা আলি, the ridge of rocks extending from the southern extremity of the Coromandel coast towards the island of Ceylon, said to have been formed by ***Honuman*** at the command of Ram as a bridge for his forces to go against ***Rawan.***

সেন, *s.* এবিধ চৰাই, a kite, a bird of prey of the hawk kind.

সেনচোআ, *s.* ৰজাৰ আগত সেন মেলি ৰঙ্গ দেখুউআ এখেল মানুহ, a class of people employed to train kites for the king.

সেনা, *s.* সৈন্য, চিপাহি, বনুআ, জুধাৰু an army, a soldier, a warrior.

সেনাপতি, *s.* সৈন্যৰ অধিকাৰ, a military commander, a general.

সেনি, *s.* লতা বা থোকৰ সৰু ডাল, the stem of fruit or grain.

সেন্দুৰ, *s.* সিন্দুৰ, তিৰোতাই ফোঁট লোআ ৰঙ্গা গুৰি এবিধ, vermillion.

সেন্দুৰি, *a.* ৰঙ্গা; সেন্দুৰৰ নিচিনা, red, like vermillion.

সেন্দুৰিপমা, *s.* অতি ৰঙ্গা, এবিধ পমা গচ, a species of Poma or Toon tree, *(* Cedrela Toona. *)*

সেন্দুৰিয়া, *a.* সেন্দুৰৰ দৰে ৰঙ্গা, deep red.

সেন্দুৰিয়াবৰল, *s.* এবিধ বৰল, a kind of wasp.

সেপ, *s.* থুই, থু, মুখৰ ওলোআ পানি, saliva, spittle.

সেপঢোকা, *a.* থুই গিলা, কিৰ্পিন, লুভিয়া, swallowing the spittle, used by way of abuse to mean, grasping, niggardly &c.

সেমেকা, *a.* অলপ জেকা, গাপ ধৰা, damp, moist.

সেমেকাই, *v.* অলপকৈ জেকাই, গাপ ধৰাই, to dampen, to moisten.

সেমেকোআ, *s.* অলপকৈ জেকোআ, গপোআ, the act of dampening &c.

সেমেকি, *v.* জেকি, গাপ লাগি, to be damp or moist.

সেমেনাসেমেনি, *s.* লাজত পৰি মুখ ইফাল সিফাল কৰা, the turning of the face this way and that from shame or timidity.

সেয়ে, *pron.* সেইটোএই, that very person or thing, the emphatic of সি.

সেৰ, *s.* চাৰি কুৰি টকা পৰিমানৰ জোখ, দিঘল হৈ পৰা, a seer, two pounds avordupois, equal in weight to 80 rupees; with হৈ, to fall prostrate.

সেৰজোৰা, *s.* সতঙ্গ জোৰা, সোটমোট হৈ পৰা, the falling prostrate, as in pretence of utter inability to work or bear a burden.

সেৰসেৰ্কৰে, *ad.* পানি জেন, সোআদ নাইকিয়া, without flavor.

সেৰসেৰিয়া, *a.* সেৰেকা, সোআদ নাইকিয়া, পনিয়া, insipid, tasteless.

সেৰা, *s.* ৰটা তুলাৰ পাজি, কোবত বন্ধা সাঁচ, a cotton roll for spinning; a ridge or protuberance as from the blow of a ratan.

সেৱাখৰি, *s.* গোটা ডাঙৰ খৰি, large unsplit fire-wood.

সেৱাসেৰ, *s.* অনেক সেৰা, কোবত বৰৈক সাঁচ বস্কা, having numerous scars or ridges.

সেৰিয়া, *a.* এসেৰ পৰিমানৰ, one seer in weight or measure.

সেৰুআ, *a.* তিৰিৰ বস্য, governed by the wife, henpecked.

সেৰেকা, *a.* see সেৰসেৰিয়া.

সেৰেঙ্গা, *a.* ডালডলিয়া, পাতল, তনু, loose in texture, not dense &c.

সেৰেপা, } *a.* ভালকৈ পাক নোখোআ, ঢিলাপকিয়া, এওঁআ পকিয়া,
সেৰেপাগুনিয়া, } slack twisted.

সেৰেলা, *a.* চেঁচা পৰা, উম নথকা, পানি পৰি থকাত সোটোৰা হোআ, benumbed by cold, wrinkled or contracted.

সের্ৰোআ, *s.* লে হোআ, পেট পেলাই চুঁচৰি জোআ, the act of crouching like a beast of prey.

সেল, *s.* দিঘল কুৰাত সূল লগোআ অস্ত্ৰ বিসেস, কাপৰৰ পাৰি, a pike, a long spear or javelin; an ornamented selvedge.

সেলসেলনি, *s.* সহৰত, চেলবেলনি, levity, frivolity, idle prate.

সেলসেলাই, *v.* চেলবেলাই, সতৰতাই, সঁচাই মিচাই বকি, to be light-minded or frivolous, to prate.

সেলসেলিয়া, *a.* see চেলবেলিয়া.

সেলাই, } *s.* পানিৰ তলত বা জেকা ঠাই আদিত হোআ বন বা মলি
সেলুআই, } বিসেস, moss, a species of lichen.

সেলুক, *s.* এজাত ভেঁট ফুলৰ আলু, the edible root of the ভেঁট, *bhent*, a species Lotus.

সেলুকিয়া, } *a.* সেলুকৰ দৰে কোমল হোআ, (তামোল,) soft by lying
সেলেকুআ, } in water, applied only to betelnuts.

সেলেক কৰে, *ad.* অকস্মাত দাঁত বাহিৰ কৰি, বেগতে দাঁত উলিয়াই, showing the teeth as in laughing.

সেলেকা দঁতা, *a.* সেৰেঙ্গা দঁতিয়া, গালিৰ মাত, having the teeth prominent and widely apart, (a term of abuse.)

সেলেঙ্গি, *s.* তামোলৰ মূই, giddiness caused by eating *tamul pan*.

সেৱক, } *s.* দাস, সিস্য, ভকত, উপাসক, কিঙ্কৰ, an attendant, a
সেৱকিয়া, } servant, a disciple, a worshiper.

সেৱা, *a.* আৰাধনা, ভজনা, উপাসনা, পূজা, অৰ্চনা, প্ৰনাম, worship, homage, adoration, salutation.

সেৱাচুৰ, *a.* ভক্তিহিন, destitute of veneration or devotedness to God; *s.* the neglect of divine worship.

সেৱালি, *s.* এবিধ ফুল, a species of fragrant flower.
সেৱি, *v.* সেৱা কৰি, ভজি, আৰাধি, to worship, to serve.
সেস, *s.* অন্ত, ওৰ, সিমা, পিচ, the end, conclusion, last, final.
সেসকাল, *s.* অন্তকাল, মৰনৰ কাল, the last time, the latter end, death.
সেসে, *ad.* পাচে, অন্তত, সেহত, মুৰকত, lastly, at last, finally, in conclusion.
সেহতিয়া, *a.* পাচতিয়া, সেহুআ, নুমলিয়া, last, after, youngest.
সেহনি, *s.* তলনি, ওপৰনি কটা দ্রব্য, a lower portion or remainder.
সেহাই, *v.* মুখত জলাই ধৰাত সা-সা-কৈ উসাহ লৈ, দুর্বলত মাত নুফুটাকৈ মাতি, to breathe forcibly with the mouth open, as when burnt with pepper; to speak in a low tone or whisper.
সেহু, *s.* দইন, হানি, loss, damage; with পেলাই, to cause damage &c.
সেহুআ, *a.* see সেহতিয়া.
সেহোআ, *s.* জলাৰ পোৰনিত মুখ মেলি ঘনে উসাহ লোআ, the breathing forcibly with open mouth, as from the burning of pepper.
সৈ, *s.* গাত লোআ, সহি, ইশ্বৰলৈ বস্তু আগ কৰি, acknowledgement, confession, agreement; *v.* to bear, to sustain; to set apart a religious offering; with কাঢ়ি or লৈ, to confess.
সৈতে, *prep.* সহিতে, লগে, with.
সৈন্য, *s.* see সইন.
সৈন্ধব, *s.* সন্ধ্যাক লোন, পর্বতিয়া এবিধ লোন, rock salt.
সৈমান, *a.* সহা, মান্তি হোআ, patient, forbearing; *s.* agreement, assent.
সৈয়া, *s.* ভাগি, ভাগিয়াৰ (ক-ৰি খেলত,) বৰ টান, (খেলৰ কনি,) অলপ হেকেৰা, a partner in a certain native game; *a.* hard, (applied only to eggs used in playing a game;) *a.* aslant, out of square.
সোঅন, } সোআ, } *s.* সয়ন কৰা, নিদ্রা কৰা, পৰি থকা, the act of sleeping or reclining.
সোঅনি ঘৰ *s.* সয়ন কৰা ঘৰ, a dormitory, a bedchamber.
সোআই, *ad.* জুৰাই, লাহে লাহে, সহিব পৰাকৈ, slowly, leisurely, as can be borne.
সোআদ, *a.* মিঠা, মধুৰ, স্বাদ ৰস, sweet, well flavored; *s.* sweetness, flavor, taste.
সোঁ, *a.* বাঁও ফালৰ সিফাল, দখিন, the right, in opposition to the left.
সোঁঅৰন, *s.* মনত পৰা, সুমৰন, recollection, remembrance, reminiscence.
সোঁঅৰনি, *s.* জন্ম পত্রিকা, সুমৰন কৰাই দিয়া, কোষ্ঠি আদি, a horoscope, a reminder, the recalling to mind.

সোঁঅৰা, *a.* মনত কৰা, স্মৰন কৰা, remembered, recollected, called to mind; *s.* the act of remembering &c.

সোঁঅৰাই, *v.* মনত পেলাই, স্মৰন কৰাই, to put in mind, to remind.

সোঁআহ, *s.* সিধান্ত, গোচৰ বা মেলৰ নিস্পত্তি দিয়া সিদ্ধান্ত, শ্যাতিৰ চিন বিসেস, a decision or final answer, the settlement of a question or matter of dispute.

সোঁট, *s.* প্ৰতিফল, উপকাৰ বা অপকাৰৰ বাবে উপকাৰ বা অপকাৰ কৰা, recompense, retaliation, the giving like for like.

সোঁট সোঁঅৰোআ, *s.* প্ৰতিফল দিয়া, আপাহ তোলা, the rendering of recompense, retaliating, taking revenge.

সোঁত, *s.* পানিৰ বেগ, স্ৰোত, নাকৰ সেঙ্গুন উলিউআত উঠা সবদ, a current, a stream, the noise made in snuffing and in blowing the nose

সোঁতা, *s.* বৰ নৈৰ সাখা, পানিৰ ধাৰ, the branch of a river, a creek.

সোঁ পাক, *s.* সোঁ হাতলৈ ঘূৰুউআ পাক, a turning or screwing to the right.

সোঁ ফাল, *s.* বাঁও ফালৰ আন ফাল, দখিন ফাল, the right side in opposition to the left side.

সোঁ বয়স, *s.* সম বয়স, মাজ বয়স, middle age.

সোঁ মাজ, *s.* ঠিক বা সম মাজ, the exact centre or middle.

সোঁ সৰিলে, *ad.* সৰিলে সৈতে, সসৰিলেৰে, with the whole body, in person, bodily.

সোঁ হাত, *s.* বাওঁ হাতৰ আন হাত, দখিন হাত, the right hand.

সোক, *s.* সন্তাপ, মনৰ দুখ, অনুতাপ, grief, sorrow or distress of mind, woe.

সোকাকুল, } *a.* সোকতে বিয়াকুল, সোকেৰে আতুৰ, overwhelmed with
সোকাতুৰ, } grief, exceedingly sorrowful.

সোকোতা, *s.* তিতা মৰাৰ সুকান পাত, the dried leaves of the hemp plant.

সোগ, *s.* অসন্তোস, বিতুষ্টি, আনৰ সমানে বা মনৰ ইচা মতে নোপোআত কৰা বেজাৰ, an offence taken, pique, umbrage.

সোগোনা, *a.* সুগিয়া, (বুঢ়া,) dissatisfied, woe-begone, a term of abuse applied to old men.

সোগোৰা চাউল, *s.* ভতুআ চাউল, rice suitable for boiling.

সোটমোট, *a.* মুচৰি সামৰি সোপা কৰা, crumpled, drawn into a heap, wrinkled.

সোটা, *s.* ধান খেৰ আদিৰে সজা বাৰ্হনি বিসেস, হাই সৰা জতন, a broom made of straw or thatch.

সোটোৰা, *a.* সোপোৰা, সুকাই সোটোৰা পৰ', লেৰেলা, wrinkled, shriveled, withered; *s.* a furrow or wrinkle.

সোতৰুগিয়া, *a.* সুবিয়া, dropsical.

সোতৰকচু, *s.* সোঁতত থকা কচুৰ নিচিনা দুৰ্ব্বলি, অলপ দুখতে সোটমোট খোআ, দুখ সহিব নোঅৰা, *lit.* carried to and fro like a *kosu* in a current; hence, vacillating, wavering, without endurance, soft, weak.

সোথ, *s.* গোটেই গা উখহা ৰোগ, a dropsical disease.

সোদৰ, *s.* একে মাকৰ পো বা জি, an own brother.

সোধ, *s.* মেল, বিচাৰ, a suit in law, investigation, inquiry.

সোধকৰ্ত্তা, *s.* সোধাৰু, বিচাৰ কৰোঁতা, a judge, one who investigates.

সোধন, *s.* সুধ কৰা, লিখা আদিৰ ভুল বাচি বা দুৰ্গুন গুচাই ভাল কৰা, সোধা, the correcting of a writing, emendation, inquiry.

সোধনপোচন, *s.* সোধপোচ, আলহি আদিক কৰা আদৰসাদৰ, a cordial welcome; the reception of a guest with demonstrations of affection and respect.

সোধা, *a.* বিচাৰ কৰা, প্ৰশ্ন কৰা, বুজ লোআ, investigated, inquired into, asked, questioned.

সোধাই, *v.* জিগ্যাসা কৰাই, বিচাৰ কৰাই, অৰ্পন কৰি, গতাই, to cause an investigation or inquiry to be made; to deposit, to make over or commit to the care of another.

সোধাৰু, *s.* সোধ কৰোঁতা, বিচাৰপতি, a judge, one who investigates.

সোধোআ, *a.* জিগ্যাসা কৰোআ, গতোআ, asked, made over, deposited.

সোধোওআ, *s.* সোধ কৰোআ, বিচাৰ কৰোআ, অৰ্পন কৰোআ, the causing to ask, investigate or make over.

সোন, *s.* সুবৰ্ন, স্বৰ্ন, হেম, gold.

সোনকমোআ, *s.* বালি ধুই সোন বিচৰা, the washing of sand for gold.

সোনকাল, *a.* সকাল, সিঘ্ৰ, early, soon, betimes.

সোনপৰুআ, *s.* এবিধ সোন বৰনৰ পোক, a species of insect the gold colored dorsal scales of which are worn as ornaments.

সোনপুৰ, *s.* সকলো বস্তু পোআ উতম ঠাই. এবিধ কচু, a species of *kosu.*

সোনসোনাই, *v.* কুনকুন্ কৰে কান্দি, to whine, to whimper.

সোনা, *s.* see সুবৰ্ন.

সোনাই, *s.* সন্তান আদিৰ প্ৰতি চেনেহৰ মাত, সোনামুআ, সোনৰ তুল্য, অতি প্ৰিয়, *lit.* precious gold, a term of affectionate address to children.

সোনাপুৰ, *a.* উত্তম, (বতৰ বা ঠাই,) pleasant, agreeable, (applied to the weather and to a place.)

সোনামুআ, *s.* সোনাই, মুখ দেখিলে মৰম লগা, *lit.* a golden face; a term of endearment.

সোনাৰি, *s.* সোন ৰুপৰ কাম কৰোঁতা, a goldsmith.

সোনাৰিগৰি, *a.* সুঅনি, দেখনিয়াৰ, handsome, beautiful, pretty.

সোনাৰু, *s.* এবিধ গচ, a species of tree.

সোনিত, *s.* তেজ, blood.

সোনোআল, *s.* সোন কমোআ খেল, a gold washer; a class of people in Upper Assam.

সোনোআলি, *a.* সোনৰ বন কৰা, সোন খটোআ, ornamented or overlaid with gold.

সোন্দা, *s.* এবিধ কল, a species of plantain.

সোন্দাই, *v.* ধুঁআ দি সুগন্ধি কৰি, to impregnate with smoke.

সোন্দোআ, *s.* ধুঁআ আদিৰ দ্বাৰাই সুগন্ধি কৰা, the act of the above; *a.* impregnated with smoke.

সোপা, *s.* ঠিলা, কাপৰ আদিৰে বাট মৰা, গোটোআ বস্তুৰ ভাগ, ভেঁটি, পৰৱৰ্ত্তি সব্দ, a heap, a lot, a parcel, a cork, a stopple; used also as an affix of quantity joined to nouns.

সোপাচিলা, *a.* অকামিলা, বন বাবিত টান নোহোআ, shiftless, inefficient, feeble.

সোপা মৰা, *a.* এপাহ মৰা, এলেহুআ, ঠিহা মৰা, lazy, indolent, idle; corked or closed with a stopper; *s.* the act of closing with a stopper.

সোপোৰাসোপোৰ, *a.* সোটোৰাসোটোৰ, সোপাসোপ হোআ, gathered or wrinkled up.

সোপোকা, *d.* সুপসুপিয়া, কোমল, soft, porous, spongy.

সোব, *s.* এবিধ গা উখহা বোগ, a kind of dropsy.

সোবা, *a.* সুবিয়া, সোবে ধৰা, dropsical.

সোবাসেৰেলুআ, *a.* see সেতাসেৰেলুআ.

সোভন, } *s.* জেউতি, দিপ্তি, কান্তি, সুঅনি, সুন্দৰ, brightness, splendor,
সোভা, } beauty, brilliancy; *a.* shining, splendid, pleasing to the sight.

সোভাকাৰ, *a.* সোভা কৰা, দিপ্তি কৰা, ৰূপবন্ত radiant, resplendent, bright, beautiful.

সোভিত, *a.* ভুসিত, সোভা কৰা, beautified, adorned, decorated.

সোম, *s.* চন্দ্ৰ, the moon.

সোমবৰিয়া, *a.* সোমবাৰ সমন্ধিয়, of or relating to Monday.
সোমবাৰ, *s.* সপ্তাহৰ দৃতিয় বাৰ, Monday.
সোমলতা, *s.* এবিধ লতা, the moon plant, (Asclepia Acida.)
সোমাই, *v.* প্ৰবেস কৰি, ভিতৰলৈ গৈ, to enter, to go in.
সোমোআ, *s.* প্ৰবেস কৰা, ভিতৰলৈ জোআ, entering or going in.
সোৰ, *s.* পটি, গৰখিয়াৰ এচাবিৰ খেল বিসেস. a narrow foot path in the jungle; a game played by cowherds with whips.
সোৰসোৰাই, *v.* অলপ কথাতে কান্দি, to cry at every little provocation.
সোৰসোৰোআ, *s.* সোৰসোৰাই কন্দা, the act of crying at everything.
সোৰোকা মৰা, *s.* see সুৰুকা মৰা.
সোৰোপা, *a.* এলেহুআ, ধোদা, সৰপা, lazy, indolent inactive.
সোৰোপালি, *s.* এলাহ, সৰপা জোৱা, হেলা, laziness, indolence, sloth.
সোল, *a.* সংখ্যা বিসেস, sixteen.
সোলা, *a.* দাঁত নাইকিয়া, লাপুঙ্গ, toothless.
সোলেঙ্গ. *s.* এবিধ টেঙ্গা, a species of citron.
সোলোক্টোলোক্, *a.* আটিল নোহোআ, ঢিলা সোলোকা, not tight, loosely bound.
সোলোকা, *a.* বান্ধ মুকলি হোআ, এৰোআ, loose, untied; *s.* the act of loosening or untying.
সোলোকাই, *v.* গাঁঠি আদি মোকলাই, মেলি, খহাই, to untie, to unbind, to loosen.
সোসোআনি, *s.* ফেৰ্ফেৰিয়া বতাহৰ সবদ, সোসো সবদ, any roaring or rushing sound, as of wind.
সোসোআই, *v.* সোসো সবদ কৰি, to make the above sound.
সোসোকৰে, *ad.* ফেৰ্ফেৰ কৰে. সোসো সবদকৈ, অতি বেগে জোআ সবদেৰে, with a roaring or rushing sound.
সোহনি, *s.* হোঁপা, সুহি নিয়া, ডাঙ্গৰ বিধ মহ, the act of sucking, evaporating or drying up; a species of large gnat.
সোহা, *a.* সুহি নিয়া, হোঁপা, dried up, evaporated; with মাৰি, to draw into the mouth by suction.
সোহাই, *ad.* বেগাই, গুমাই, quickly, speedily.
সোহালিকৈ, *ad.* জোলে পোতনিএ অধিককৈ, (খোআ) ওআইডাংকৈ, lavishly, greedily, vauntingly. boastingly.
সৌ, } *ad.* অলপ দুৰৈত সাখ্যাত থকা, সেইয়া, a particle denoting
সৌআ, } direction, in sight but distant, yon, yonder.
সৌকা, *s.* এবিধ বেঁত, a species of ratan; with মেলি, to make use

of an enchanted ratan to point out a thief &c.

সৌকাগোম, *s.* এবিধ গোম সাপ, a species of venemous snake.

সৌখিনিতে, } *ad.* সেই ঠাইতে, এই খিনিতে, there, in that place,
সৌখিন্তে, } yonder.

সৌচ, *s.* ভবি হাত ধোআ, মোকল ফুৱা, the natural evacuation of the bowels.

সৌজিয়া, *a.* see সেউজিয়া.

সৌপিনে, } *ad.* সৌফালে, yonder, in that place.
সৌপোনে, }

সৌমাৰপ্রিষ্ঠ, *s.* আচাম দেসৰ সংস্কৃত নাম, the name given in the *Puthis* to that part of Assam extending above Bishnauth.

স্তও, } *s.* স্তুতি, গুন বর্ণোআ, প্রসংসা, praise, eulogium, applause.
স্তুতি, }

স্তন, *s.* পিয়াহ, আধাৰ, the female breast, nourishment from the breast.

স্তম্ভ, *s.* খুঁটা, স্তম্ভ, a post, a pillar.

স্ত্রি, *s.* see তিৰি.

স্ত্রিলিঙ্গ, *s.* ব্যাকৰন মতে তিৰি বোধক সব্দ, *in gram.* the *fem.* gender.

স্থল, } *s.* see থল.
স্থান, }

স্নান, *s.* গা ধোআ, জল আদিৰে কৰা সৰিলৰ প্রখ্যালন, bathing, washing, ceremonial ablutions.

স্নানজাত্রা, *s.* জেঠৰ পূর্নিমাত জগন্নাথৰ মুর্ত্তিক স্নান কৰোআ উচ্চৱ, the annual bathing festival of Juggernaut.

স্নেহ, *s.* চেনেহ, মৰম, দায়া, নেহা, love, tenderness, affection.

স্নেহপাত্র, *a.* চেনেহৰ জোগ্য, মৰমৰ পাত্র, worthy of affection, loveable, amiable; *s.* an object of affection, a favorite.

স্পৃহা, *s.* হাবিয়াহ, হেপাহ, ইচা, প্রিহা, earnest desire, a longing, thirst.

স্ব, *a.* সুকিয়া, নিজা, আপোন, own, self, one's own.

স্বচন্দে, *ad.* আপোন ইচাৰে, সুগমে, at pleasure, at will, easily.

স্বজাতি, *a.* আপোন কুলিয়া, একে জাতৰ, of the same caste; *s.* a person of the same cast.

স্বতন্তৰ, } *a.* চতহ, তলপিয়া নোহোআ, স্বাধিন, free, independent,
স্বতন্ত্র, } unrestrained.

স্বদেস, *s.* আপোন দেস, one's own country.

স্বদেসি, *a.* আপোন দেসি, নিজ দেসৰ, of one's own country; *s.* a fellow countryman.

স্বধৰ্ম, *a.* নিয়াই, স্বৰূপ, সঁচা, নিজ ধৰ্ম, true, real, right; *s.* one's own religion.

স্বপ্ন, *s.* see সপোন.

স্বভাও, *s.* গতি, চৰিত্ৰ, প্ৰক্ৰিতি, পৰ্কিতি, nature, disposition, natural temper, propensity or quality.

স্বভাৱতে, *ad.* স্বৰূপতে, জনমতে, naturally, by nature, in reality.

স্বভাবিক, *a.* স্বভাৱতে হোআ, আপুনি হোআ, natural, inherent, innate.

স্বয়ং, *pron.* আপুনি, নিজ, self, own self, (indeclinable.)

স্বয়ম্বৰা, *s.* see সয়ম্বৰা.

স্বয়ম্ভু, *a.* নিজে হোআ, আপুনি উদ্ভও হোআ, self-existent, self-produced.

স্বৰ, *s.* অ আ আদি সিন্ধি ফলাৰ আখৰ, ধনি, মাত, সুৰ, a vowel, a sound, a voice, a note in music, a tune.

স্বৰগ, স্বৰ্গ, *s.* হিন্দুমতে ইন্দ্ৰপুৰি আদি, দেৱতা থকা ঠাই, ইশ্বৰৰ পবিত্ৰ আলই, the firmament, heaven, the habitation of God, of good angels, and of the blessed; the third hindoo heaven, called the paradise of Indro.

স্বৰ্গধাম, স্বৰ্গপুৰ, *s.* স্বৰগ থান, ইশ্বৰৰ পবিত্ৰ আলই, heaven, the dwelling place of God.

স্বৰ্গবানি, *s.* আকাশি বানি, দেৱ বানি, a heavenly voice or message.

স্বৰ্গাৰোহন, *s.* স্বৰগত উঠা, এখন অসমিয়া পদ পুথি, *lit.* the ascending to heaven; the title of an Assamese poem.

স্বৰ্গিয়, *a.* স্বৰগৰ, স্বৰগৰ সমন্ধিয়, heavenly, celestial, pertaining to heaven.

স্বৰ্গি ৰজা, *s.* ইন্দ্ৰ বংসি অসম ৰজা, *lit.* a celestial king; a title given to the Assam kings.

স্বৰ্গি হৈ, *v.* পৰলোক হৈ, to obtain the heavenly abode, to die, (applied only to a king)

স্বৰ্ন, *s.* সোন, সুবৰ্ন, gold.

স্বস্তি, *part.* আসিৰ্বাদ বচন, an indeclinable particle used in a benediction or blessing; hail, may good attend you.

স্বাদ, *s.* see সোআদ.

স্বাধিন, *a.* স্বতন্ত্ৰ, independent, free, uncontrolled.

স্বামি, *s.* অধিকাৰি, গৰাকি, গিৰিহঁত, পতি, গৈঁপএক, owner, lord, husband.

স্বাস, *s.* উসাহ, উদফাঁই ৰোগ, breath.

স্মৰন, *s.* সোঁঅৰন, recollection, remembrance, memory.

স্মিৃতি সাস্ত্ৰ, *s.* মনু আদি মুনিএ কৰা ব্যবস্থাৰ পুথি, *smriti* or the hindoo

code of law, as delivered originally by inspired legislators to their respective pupils and by them committed to writing.

স্যাম, *s.* ক্রিষ্ণ, কলা বা দুর্বার বরন, a dark blue; *a.* dark-colored.

স্যামা, *s.* কালি গোসাঁনি, Doorga, the black goddess Kali.

সৃজন, *s.* সৃষ্টি করা, সৃজা, প্রিথিবি নির্মান করা, the act of creating or producing out of nothing; creation.

সৃজন কর্তা, *s.* পরমেস্বর, সৃষ্টি করোঁতা, God, the creator of all things.

সৃজা, *s.* সৃষ্টি করা, নির্মান করা, creation; *a.* created, made.

সৃজি, *v.* সৃজন করি, to create, to make out of nothing.

স্রধা, *s.* চেনেহ, মরম, আস্থিক, love, affection, reverence, confidence.

স্রম, *s.* দুখ, পরিস্রম, জতন, fatigue, toil, labor, effort, exertion.

স্রমি, *a.* দুখকারি, বনুআ, জতনকারি, laborious, industrious, sedulous.

স্রবন, *s.* সুনা, the sense of hearing, audience, perception of sound.

স্রবনা, *s.* নখ্যত্র বিসেস, the twenty third lunar mansion of the hindoo zodiac.

স্রাদ্ধ, *s.* সরাধ, করম, solemn obsequies and offerings to the manes of deceased ancestors.

স্রান্ত, *a.* ভাগরুআ, ক্লান্ত, weary, fatigued, exhausted.

স্রাবন, *s.* see সাওন.

স্রি, *s.* লক্ষ্মি, সম্পতি, রূপ, স্ত্রিয়া মানুহর নামর আগত লিখা আখর, the goddess Lokhmi; fortune, luck, prosperity, beauty; as a prefix to a person's name it means honorable, renowned, illustrious.

স্রিযুক্ত, } স্রিযুত, } *a.* লক্ষ্মিযুক্ত, সুখি, মানাবন্ত, illustrious, excellent, eminent; a prefix used in writing the name of a superior or equal; *fem.* শ্রীযুক্তা or শ্রীযুতা.

স্রিফল, *s.* এবিধ বেল, a species of the Bael fruit or wood apple.

স্রিভাগবত, } স্রিমত ভাগবত, } *s.* হিন্দুর এক প্রধান সাস্ত্র, *the Bhagawat*, a hindoo shaster.

স্রিমতি, *a.* ভাগ্যবতি, স্রিযুতা, prosperous, illustrious, &c. (*fem.*)

স্রিমন্ত, *a.* ভাগ্যবন্ত, স্রিযুত, prosperous, lucky, fortunate.

স্রিমান, *a.* স্রিবিসিস্ট, ভাগ্যবান, illustrious, fortunate, an affix used in writing the names of inferiors or equals.

স্রিলস্রিযুক্ত, } স্রিলস্রিযুত, } *a.* অতি লক্ষ্মিযুক্ত, মহা ঐশ্বর্জবন্ত, ভদ্র, most excellent, most honorable &c. an honorary prefix to the names of eminent persons.

স্রিষ্টি, *s.* সংসাৰ, জগত সুজন, formation, creation, the world.
স্রুতি, *s.* বেদ, চুর্তি, the hindoo Veds.
স্রেনি, *s.* সাৰি, লানি, a row, a range, a rank, a class, a tier.
স্রেষ্ট, *a.* উত্তম, প্রধান, best, chief, prime, pre-eminent.
শ্লাঘ্য, *a.* সলাগৰ জোগ্য, প্রসংসনিয়, praiseworthy, laudable, deserving of applause.
শ্লোক, *s.* সংক্ষিপ্ত বাক্যৰ পদ, চোলোক, পদ্য, a stanza, a couplet, especially the epic stanza, consisting of two verses of sixteen syllables each.

হ

হ, হকাৰ, হবলৈ দিয়া, the last consonant of the alphabet; it is a simple aspirate and pronounced like the English *h* in *hand*; the imperative present of the verb হৈ, to be.
হই, *ad.* চকপ, নিচই, এবা, চকপ কথাত সলগা মাত, yes, truly, certainly, the indicative third person singular of হৈ, to be.
হওক, *ad.* হবলৈ কোআ, বাৰু, the imperative of হৈ, to be, often used adverbially for well, very well.
হংস, *s.* see হাঁহ.
হুঁই, *voc.* সামান্য তিৰোতাক মতা মাত, হুঁয়েৰা, a term of familiar address to woman of equal or inferior caste.
হুঁক, *affix.* আমি তুমি সব্দৰ ক্রিয়াৰ পিচত থকা বহু বচন বুজুআ মাত, a particle often affixed to the first and second persons of verbs to denote plurality, there being ordinarily no distinction in the form of the plural and singular; when affixed to the first person in the indicative mood it forms the first person of the imperative, as কৰোঁহুঁক, let us do it.
হুঁত, *affix.* বোৰ, বহু বচন বুজুআ পৰবর্ত্তি সব্দ, খিন, সুকাই জোআ, an affix joined to nouns and pronouns of the third person to express plurality, (inferior;) *a.* lean, thin in flesh.
হুঁয়ে, হুয়েৰা, } *voc.* see হুঁই.
হুঁহা, *s.* হাঁহি উঠা, হাস্য কৰা, নিন্দা কৰা, খেনি কৰা, laughter, ridicule.
হুঁহা-মতা, *s.* হাস্য আৰু কথা কোআ, পৰ পুৰুস বা স্রিৰে আয়াজাত কৰা, coquetry, flirtation, any undue familiarity with the wife or husband of another.
হুঁহুআই, *v.* হাঁহি তোলাই, to excite laughter.

হক, *a.* সঁচা, চৰুপ, true, right, just.

হক্‌হক, *s.* ৰৰকৈ হঁহাত বা বঁতিওআত উঠা সব্দ, the sound of violent laughter or of vomiting.

হক্‌হক্ কৰে, *ad.* ৰৰকৈ, হক্‌হক সব্দকৈ, (হঁহা বা বঁতিওআ,) violently, loudly, (applied to laughter or vomiting.)

হকাহুনা, *s.* অলপ দন্দ হাই, ঠোঁটামোজা, mutual contention, bickering, disputation.

হগা, *s.* সৌচ কৰা, মল তিয়াগ কৰা, ভৰি হাত ধোআ, the evacuation of the bowels.

হগুআই, *v.* ভৰি হাত ধোআই, সৌচ কৰাই, to cause the above.

হগুৰা, *a.* ঘনে হাগি থকা, having looseness of the bowels.

হজ, *s.* কাঁৰি হজুআৰ বন, ৰাজহৰ কাম, any manual labor performed for the public.

হজুআ, *s.* কাঁৰি, পাইক, হজ কৰা লোক, কুলি, public laborers, a class of people in the days of the Assam kings.

হজুআলি, *s.* হজুআৰ বেৱসাই, the office or work of the above laborers.

হটনি, *s.* গৰিহনা, নিন্দা, বেয়া বোলা, reproof, rebuke, reprehension.

হটা, *s.* গৰিহা কৰা, নিন্দা কৰা, পাচ হেঁাহেঁাকা, the act of rebuking or reproving, a retreating or going back.

হটাই, *v.* গৰিহনা কৰাই, পাচ হেঁাহেঁাকাই, to cause to be reproved, to cause to turn back.

হটি, *v.* গৰিহা কৰি, বেয়া বুলি, পাচ হুঁহকি, to rebuke, to reprove, to retreat, to move backward.

হটুআই, *v.* পাচুআই, হেঁাহেঁাকাই, to cause to retreat or move back.

হঠাত, } *ad.* অকস্মাত, ঘুপুৰাই, সটৰাই, suddenly, unexpectedly,
হঠাতকাৰে } immediately, forthwith.

হত, *a.* নষ্ট, বধ হোআ, destroyed, ruined, killed.

হতচিৰি, } *a.* স্রি নষ্ট হোআ, মৰিবলৈ নিয়া সাও, *lit.* bereft of beauty
হতস্রি, } and prosperity; a form of curse.

হতাই, *v.* হেতাই, হাতেৰে ভাৰ আদি উলাহি দি, to assist a person bearing a burden on the shoulder by raising the pole.

হতালিহতালি, *s.* see হঁহামতা.

হতাহতি, *s.* হাতে হাতে কৰা বন বা কিলাকিলি, hand to hand conflict or joint work.

হতিয়া, *a.* হাতৰ সমান জোখৰ, হাত থকা, of one cubit in length; having hands.

হতুআ, } *prep.* হাতেৰে, দোআৰাই, by the hand of, by, with,
হতুআই, } through, by means of.

হত্যা, *s.* অপঘাত, বধ, প্ৰান নাস কৰা, slaughter, murder, killing.

হদ, *s.* সিমা, ধৰ, boundary, limit.

হনা, *s.* নৈৰ সোঁতৰ খুন্দা, এফাললৈ চাল লোআ, হান মৰা, the dashing of the current of a stream against a bank, a leaning to one side; the act of piercing; *a.* pierced, speared.

হনিওআ, *s.* খোঁচোআ, হান মৰোআ, the causing to be pierced &c.

হনিয়াই, *v.* হনা লৈ, খুঁচি, হানি, to press or dash against, to pierce, to stab, to spear.

হনুমন্ত, } *s.* গাল পোৰা এবিধ বৰ বান্দৰ বিসেস, a black faced mon-
হনুমান, } key, *Honuman,* the fabled monkey chief, who assisted Ram in the conquest of Ceylon.

হন্তে, *prep.* নিমিত্তে, কাৰনে, হৈ, for, on account of, for the sake of.

হপহপ্ কৰে, *ad.* হাঁপোৰ হাঁপোৰ্ কৰে, সিঙ্গাই হোঁপাৰ দৰে, by suction.

হবলা, *ad.* ক্ৰিয়াৰ সেসত অনিচই বুজুআ পৰবৰ্ত্তি সব্দ, possibly, probably, used after a verb to denote possibility or probability. as গল হবলা, *i. e.* probably he is gone.

হবিস্য, *s.* মাচ মঙ্গহ নেখাই এক সন্ধ্যা খাই কৰা ব্ৰত, the eating of food considered sacred, that is of *aria* rice and *ghee,* once in twenty four hours during a shradh or season of mourning.

হমৰকৰে, } *ad.* চেৰেঙ্গ কৰে, অকস্মাত কোনো মৰমৰ বিসইলৈ মনত
হমৰাই, } পৰি, suddenly; applied to the recurrence of any painful recollection.

হমহমনি, *s.* বুকুৰ ধমধমনি, মনৰ পোৰনি, a painful recollection extreme anguish of mind.

হমহমাই, *v.* মন পুৰি, কোনো মৰমৰ বিসইলৈ মনত পৰি বেজাৰ পাই, to suffer anguish from any painful remembrance.

হৰ, *s.* সিৱ, মহা দেও, a name of Hoda Hiwo.

হৰকতৰক, *a.* লোআলপা, চতৰবতৰ, false, flattering, regardless of truth.

হৰন, *s.* অঙ্কৰ ভাগ কৰা, চুৰ বা ডকা দিয়া, ( in Arithmetic, ) division; theft, pillage, rage.

হৰবাৰ, *s.* উচিত মুল্য, the proper worth or value.

হৰমোহন, } *a.* অন্তৰ্ধান, মায়াপি হোআ, a vanishing or disappear-
হৰলক, } ing.

হৰা, *s.* হৰন কৰা, কুকৰ্ম্মা, ঘটা, নিজিকা, *(in Arithmetic,)* the act of dividing; the infliction of injury by drugs or incantations; *a.* defeated, divided.

হৰাকৰ্ম্মি, *s.* কুকৰমি, হাৰামি, হৰা কৰম কৰোঁতা, one who inflicts injury by incantations or drugs.

হৰি, *v.* হৰন কৰি, চুৰ বা ডকা দি, নাইকিয়া হৈ, অঙ্কৰ ভাগ কৰি, বিষ্ণুৰ এক নাম, to steal, to rob, to ravish, to disappear; (in Arithmetic,) to divide; *s.* *Hori*, an epithet of Vishnoo.

হৰিতকি, *s.* সিলিখা, a species of tree and its fruit, (medicinal Terminialia Chebula.)

হৰিদ্বাৰ, *s.* এক তিৰ্থৰ নাম, *Hurdwar*, a place of pilgrimage in Hindustan.

হৰিধ্বনি, *s.* হৈধ্বনি, আসিৰ্বাদৰ পাচে চিঁয়ৰি বোলা ইস্বৰৰ নাম, a simultaneous shout of the name of Hori.

হৰিন, } *s.* পছু এবিধ, মিগ, a buck, a deer.
হৰিনা, }

হৰিনি, *s.* মাইকি পছু, *fem.* of the above.

হৰিস, *s.* see হৰ্ষ.

হৰিসাদ-বিসাদ, *s.* ৰঙ্গ অসন্তোস, like or dislike.

হৰুআই, *v.* ঘটুআই, জই কৰাই, to cause defeat, to overcome.

হৰ্ষ, *s.* আনন্দ, ৰঙ্গ, হৰিস, joy, pleasure, delight, gladness.

হৰ্ষিত, *a.* হৰিস লগা, আনন্দিত, পুলকিত, glad, joyful, happy, delighted.

হলঙ্গহলঙ্গ কৰে, *ad.* দিঘলকৈ, (খোজ কাৰ্হি,) লেপেঙ্গালেপেঙ্গকৈ, with long strides or steps.

হলঙ্গি, *a.* পাছুআল, লহঙ্গি, (স্ত্রি,) tall and well proportioned. *fem.*

হলচা, *s.* মাটিৰ পুৰাৰ চাৰি ভাগৰ এভাগ, পাঁচ কোনা, in land measure one fourth of a *Poora*; 80 or 87 cubits square.

হলনিয়া, *a.* এচলিয়া, কতিয়া, একাষলৈ হলি থকা, aslant, oblique, aslope.

হল্‌ফল্‌ কৰে, *ad.* লহপহ কৰে, বেগতে, (বৰ্হা,) rapidly, vigorously, applied to growth.

হল্‌হলিয়া, *a.* ভলভলিয়া, অকপটিয়া, artless, frank, simple.

হলা, *a.* কাতি হোআ, চাল খোআ, বেৰ চকোআ আদিৰ খিয়কৈ বোআ মুঠি, slanting, leaning from the perpendicular; *s.* a bunch of reeds or split bamboo inserted into a braided partition &c.

হলাই, *v.* কাতি কৰি, চলাই, দোআই, ভিৰাই, to bend, to bow, to cast down, to prostrate.

হলাহল, *s.* কালকুট, বৰ বিহ, চলাচল, a deadly poison.

হলি, *v.* হালি, এঢ়লিয়া হৈ, কাতি হৈ, to incline from the perpendicular, to lean.

হলিগলি, *s.* মিলা প্ৰিতি, আয়াজাত, intimacy, familiarity, friendly intercourse.

হলিয়া, *a.* জুৰিয়া, হাল সমন্ধিয়, one of a pair, relating to a couple.

হলৌ, *s.* এবিধ কলা বান্দৰ, the *Holou*, a species of monkey.

হলৌচোলা, *s.* আঙ্গৰখা চোলা, অচমিয়া এবিধ দিঘল চোলা, a kind of long native coat.

হলৌহলৌকৰে, *ad.* পানিত দিঘল দিঘলকৈ, (খোজ কৰ্হা,) with long steps and a splashling sound as when walking in water.

হস্ত, *s.* see হাত.

হস্তগ্ৰহন, *s.* হাতত ধৰা, বিয়া, the taking of the hand, marriage.

হস্তি, *s.* see হাঁতি.

হস্তিদন্ত, *s.* হাঁতিৰ দাঁত, an elephant's tusk, ivory.

হস্তিনি, *s.* মাইকি হাঁতি, মাখুন্দি, a female elephant.

হহৈয়া, *s.* পানি ভগা, নৈয়ে নকৈ বৈ জোআ জান বা সোঁতা, the impetuous rush of an overflowing stream or newly formed channel.

হাই, *s.* এৰাও, চিয়ৰ, এটাহ, a noise, a scream, a yell, tumult.

হাইউৰুমি, *s.* চিঁয়ৰবাখৰ, কোৰ্হাল, the tumult of a crowd of people, uproar.

হাইচলাইচ, *s.* ৰঙ্গ ধেমালি, ডেকা কালৰ সুখ আনন্দ, merriment, sport, joviality, enjoyment.

হাইঠক, *s.* এবিধ হালধিয়া চৰাই, a species of bird, green-dove.

হাইঠা, *s.* see মনি চাল.

হাইতাল, *s.* হৰিতাল, হালধিয়া বৰনৰ ধাতু এবিধ, yellow arsenic, or pigment.

হাই হাই, *interj.* বিসাদ বুজুআ মাত, অস, alas! alas! oh!

হাউত্হাউত্, *s.* মনে বঁতিউআ আদিত উঠা হক্ হক্ সব্দ, the sound of belching or vomiting.

হাউত্হাউত্ কৰে, *ad.* হোলোকহোলোক কৰে, হক্হক কৰে, with the above sound.

হাউলি, *s.* টোল, বাৰি ঘৰ, হলি বা আউজি, a homestead, a house and grounds.

হাউহি, *s.* বাঘ আদিএ অকস্মাত ধৰিবলৈ মৰা চিয়ৰ, the growl of a tiger when seizing prey.

হা-হা, *interj.* বাধা বুজুআ মাত, take care! beware! an exclamation of warning or prohibition.

হাঁইফাঁই, *s.* ওপৰলৈ উসাহ টনা ৰোগ বিসেস, উদফাঁই, asthma, any chronic difficulty of breathing.

হাঁওৰনি, *s.* বাঘৰ চিয়ৰ, the cry of a tiger.

হাঁওফাঁও, *s.* বুকুৰ গুৰিৰ দুটা ৰঙা মঙহ বিসেস, উসাহ ঘৰ, the lungs.

হাঁওৰি মাৰি,<br>হাঁওৰিয়াই, } *v.* ডেডাউৰি মাৰি, বাঘ আদিৰ গেঙেৰি বিসেস, to cry as a tiger, to utter a loud out cry.

হাঁকালবিকাল, *s.* খাবলৈ পিন্ধিবলৈ নাটনি পৰাৰ দুখ, কষ্ট, the suffering and anxiety attending want.

হাঁকুটি, *s.* আঁকুহি, আগত কেৰেপিয়াকৈ বন্ধা ডাঁৰ, a hooked instrument for plucking or pulling down fruit &c.

হাঁকোটা, *s.* বস্তু অৰা চুঁটি আঁকুহি, a hook for suspending articles.

হাঁকোৰবাঁকোৰ, *s.* অতিসই হেপাহ, কচৰকামোৰ, a craving desire.

হাঁচটি, *s.* অচম ৰজাৰ ৰৰ তামুলিএ তামোল লৈ ফুৰুআ জতন, তামোল বন্ধা সৰু গামোচা, a small cloth used for holding Tamul Pan.

হাঁচি, *s.* অকস্মাত নাকৰ মাজে সবদকৈ বায়ু ওলোআ, a sneeze; with মাৰি, to sneeze.

হাঁতি, *s.* হস্তি, গজ, an elephant.

হাঁতিকেৰেলা, *s.* বনৰিয়া এবিধ জাঙৰ কেৰেলা, a wild vegetable.

হাঁতিখুঁতৰা, *s.* এবিধ কাঁইটিয়া বন সাক, a species of thorny vegetable.

হাঁতিদাঁত, *s.* হস্তি দন্ত, হাঁতিৰ দাঁত, an elephant's tusk, ivory.

হাঁতিনা, *s.* কমাৰ সালৰ জুই তোআ জন্ত্ৰ, a native blacksmith's bellows.

হাঁতিপটি, *s.* হাঁতি জোআ বাট, ঘন তবাৰ সাৰি বিসেস, আকাসৰ চিন এটা, a wild elephant path in the jungle; a line of stars, a constellation.

হাতিভেঁকুৰি, *s.* বৰ বিধ ভেঁকুৰি গচ, a species of thorny shrub.

হাঁতুৰি, *s.* লো বা কাঠ আদিৰ মৰিউআ জতন, a hammer.

হাঁতোআহ, *s.* সৰু চাঁচ, হাত চাঁচ বিসেস, a small adz.

হাঁতোৰা, *s.* বাঘ কাচ আদি জন্তুৰ আগ ঠেঙ, the fore paw of quadrupeds.

হাঁপোৰহাঁপোৰ কৰে, *ad.* see হপৰহপৰ কৰে.

হাঁফলু, *s.* পথাৰৰ ওখ ভেঁটি, উঁইচিলা, a knoll, a hillock, an ant hill.

হাঁফি, *ad.* সাহকৈ, সঙ্কা নোহোআকৈ, fearlessly, confidently, boldly.

হাঁফোলা, *s.* সাঁতোৰ মেলা, লৰাই কোলালৈ হাত মেলি জোআ, গাৰে জোআ বেগ, a throwing the body forward with arms extended.

হাঁকআ কুপৌ, *s.* ডাঙৰ বিধ কুপৌ চৰাই, a species of large dove.

হাঁহ, *s.* ৰাজহাঁহ আদি হংস, a goose, a gander, a duck, a drake.
হাঁহনি, *s.* see হাঁহি.
হাহাঁ, *interj* see হেহে.
হাহাঁ কাকা, *s.* দুখ, হাঁকাল বিকাল, খোৱা লোআৰ কষ্ট, poverty, destitution, want
হাহাঁকাৰ, *s.* বিসাদৰ ধনি, দুখ জাতনাত কৰা কোহাঁল, lamentation, wailing, a cry of distress.
হাঁহি, *v.* হাঁসি, হাস্য কৰি, আনন্দ কৰি, নিন্দি, খিখিয়াই, to laugh, to smile, to rejoice, to ridicule; *s.* laughter.
হাঁহিনি, *s.* মাইকি হাহ, হংসিনি, the feminine of হাঁহ, which see.
হাঁহিয়াত, *s.* লাজ, কুখ্যাতি, shame, ill fame, a bad reputation.
হাক, *s.* বাধা, নিসেধ, নিবাৰন, prohibition, a forbidding, remonstrance.
হাকুলবাকুল, *s.* see হাঁকাল বিকাল.
হাকোটপিকোট, *s.* আজোৰ পিজোৰ, a scrambling or struggling to obtain.
হাগনি, *s.* ঘনে সৌচ কৰি থকা, a looseness of the bowels, diarrhaea.
হাগি, *v.* মল তিয়াগ কৰি, সৌচ কৰি, ভৰি হাত ধুই, to evacuate the bowels.
হাঙদাঙ, *s.* ৰাখচাখ, নিলগৰ পৰা কৰা প্ৰতিপাল, an overlooking, superintending, oversight.
হাঙ্গি, *s.* ৰাগি, ভাগ ধৰা, হিঁয়াহ, rivalry, emulation, strife.
হাঙ্গিয়াহাঙ্গি, *s.* ৰগিয়াৰগি, অনিয়াঅনি, পৰস্পৰে ভাগ ধৰা, mutual contention, strife, rivalry.
হাজৰিকা, } *s.* হেজাৰ কাঁৰিৰ ওপৰত বিসয়া, an overseer or officer
হাজৰিকিয়া, } over a thousand.
হাজাৰি ঘোসা, *s.* নাম ঘোসা, মহা পুৰুসিয়া এক পুথিৰ নাম, a Maha Puruhia hastro; so called from its containing the thousand names of Vishnoo.
হাজো, *s.* কামৰূপৰ এখন দেৱালইৰ নাম, *Hazoo*; a hindoo shrine near Gowhatty.
হাট, *s.* নিয়মিত সময়ে কিনা বেচা কৰা ঠাই, a stated local market, a fair; with কৰি, to buy or sell in a market.
হাটখোআ, *s.* হাটৰ দান তোলা গৰাকি, an officer in a market who collects Government duties.
হাটবাট, *s.* হতালিবতালি, দিয়া লোআৰ আয়াজাত, intercourse, mutual exchange.

হাটকুআ, *a.* হাট সম্বন্ধিয়, হাটৰ, relating to a market or fair.

হাটি, *s.* চাতৰ আৰু ভকত আদিৰ থকা লানি ঘৰ, a line or row of houses attached to a religious establishment or school for the residence of the disciples or pupils.

হাটোআলি, *s.* হাটত থকা ভুতুনি বিশেষ, a female goblin said to haunt market places.

হাত, *s.* হস্ত, কৰ, চৌবিচ আঙ্গুল পৰিমান, the hand; one cubit or eighteen inches in length; with পাতি, to ask for, to select.

হাতকৰা, *s.* হাতলৈ অনা, একেবাৰে দুই হাতেৰে খোল আদি বজোআ, the act of taking in the hand; the beating a drum with both hands simultaneously.

হাতকেৰাই, *s.* এবিধ হাত দুটি বন্ধা লোৰ জতন, handcuffs.

হাত জোৰ, *s.* কৰজোৰ, কৃতাঞ্জলি, দুই হাত জোৰ কৰা, the joining the hands as in supplication or in the act of receiving anything from the hand of a superior.

হাত দিয়া, *s.* হাত লগোআ, পৰ্স কৰা, the giving the hand or the laying on of hands.

হাত ধৰা, *a.* খোঁচৰ, অলপকৈ খৰচ কৰা, হাতত ধৰা, difficult, requiring close application; economical in expenditure.

হাতনি, *a.* সদাই হাতৰ ওচৰত থকা, in frequent or constant use; always at hand.

হাতনিপেৰা, *s.* ধন আদি সদাই উলিয়াই সুমুআই থকা সৰু পেৰা, a small cash box for constant use.

হাত বুলাই, *v.* হাতেৰে চুই, চেঁচনি দি, ঝাতি কৰি, to stroke, to manipulate or make passes with the hand.

হাতবাউল, }
হাতবাউলি, } *s.* দুৰৈৰ পৰা মতাত হাতৰ মুদ্ৰা বিশেষ, the beckoning with the hand while calling to a person at a distance.

হাত মৰামৰি, *s.* ধৰুআই ধাৰ গাত লৈ সাখি কৰা, the acknowledgement of a debt or giving a pledge before witnesses.

হাত্‌সৰ, *a.* চোৰ স্বভাও থকা, light fingered, given to pilfering.

হাত সৰা, *s.* আপদ দুখ আদিৰ পৰা মুক্ত হোআ, the escaping from any danger or difficulty.

হাতালি, *a.* চেনৰ খেল বিশেষ, a game of toss and catch.

হাতেপতি, *ad.* প্ৰতি হাতে, in every hand.

হাতেলোতে ধৰা, *a.* চুৰ কৰোতেই বস্তুএ সৈতে ধৰা পৰা, caught in the act of stealing.

হাদাঙ্গ, } *a.* উদঙ্গ, ৰখিয়া নাইকিয়া, without a keeper or guardian
হাদাঙ্গি, } unkept, at large.

হাদাম, *a.* অনেক দল, দম, much, abundant, plentiful; *s.* a heap, a pile.

হাদুৰা, *s.* লগনিয়াৰ কথা বিচুআ, investigating a slanderous report.

হাদুৰাহাদুৰি, *s.* বুজ্আবুজি, ইটে সিটে কথা বিচুআ, the investigating a matter by confronting the parties.

হাদুৰি, *v.* see নাদুৰি.

হান. *s.* নৈৰ খোচ, দইন, a stab, a thrust, injury, loss.

হানি, *s.* দইন, খ্যতি, খুঁচি, ছুলেৰে বিন্ধি, টোআই, harm, loss, damage; *v.* to stab, to pierce.

হাবাঙ্গ, *a.* একো নজনা, ভেবা, অকাজভাগি, simple, stupid, dull of comprehension.

হাবাথৰি, *s.* অতি পৰিস্ৰমত বৰ ভাগৰ, exhaustion from great effort, fatigue; with খাই, to be fatigued or exhausted.

হাবাথৰিয়া, *a.* ক্লান্তিজুক্ত, বৰ ভাগৰুআ, wearied, fatigued, exhausted.

হাবি, } *s.* বননি, জাৰনি, অৰন্য, জাবৰনি, a jungle, a wilderness,
হাবিয়নি, } a place covered with litter.

হাবিয়লিয়া, *a.* হাবিত থকা, বনৰিয়া, wild, jungly, living in a jungle &c.

হাবিয়াল, *s.* এখেল মানুহ, a class of people.

হাবিয়াহ, *s.* হেপাহ, বৰ বাঞ্চা, স্পিহা, intense desire, a craving, a longing.

হাবুঙ্গিয়া, *s.* হাবুঙ্গত থকা লোক, a class of people.

হাবুৰুকা, *s.* পানি বন্ধ জোআ মাটিত থকা সৰু কেঁচু এবিধ, a kind of earth worm.

হাম্খুৰিখাই, *v.* তললৈ মুকৈ মুখ থেকেচা খাই পৰি, to fall heavily on the face.

হামবাও, } *s.* অতি প্ৰেমেৰে সোঁৱৰন কৰা, a fond recollection.
হামবাওকৰ্হা, }

হামহাম, *a.* see হাদাম.

হামাৰভাবে, *ad.* সৰহকৈ, দমকৈ, plentifully, abundantly.

হামাহি, *s.* গহৰি, হেলা, বেলি, পলম, tardiness, slowness, procrastination, delay.

হামি, *s.* টোপনি আদিৰ জালত মুখ আপুনি বহলকৈ মেল খোআ, জিম্ভন, a yawn, a gape.

হামিউআ, *s.* হামিয়াই থকা, হামি মৰা, the act of yawning or gaping.

হামিয়াই, *v.* হামি মাৰি, to yawn, to gape.

হামিৰ, *s.* এবিধ টেঙ্গা, a kind of acid fruit.
হামোকা, *a.* এচলিয়া, কাতি, aslant, leaning; with খাই, to lean.
হামোৰকামোৰকৈ, } *ad.* নেৰানেপেৰাকৈ, বেগাবেগিকৈ, তত্তাতৈয়াকৈ,
হামোৰধামোৰকৈ, } quickly, eagerly, earnestly.
হামোৰনি, *s.* পানিৰ পেট কামুৰিয়া, the whirling or eddying of a current.
হাৰ, *s.* অস্থি, ডিঙ্গিত পিন্ধা ৰূপ সোনৰ গোঁঠা মিকলি বিসেস, a bone; a gold or silver chain.
হাৰক, *s.* হাৰ্জ্য, অঙ্কক হৰা অঙ্ক, a divisor, ( in Arithmetic. )
হাৰকাটনৰ, *a.* আপোন আৰ্জনৰ, নিজে দুখ কৰি অৰ্জা, acquired or produced by personal labor.
হাৰখৰাহি, *a.* মঙ্গহ নাইকিয়া, নিচলদনতি, হাৰেচালে, emaciated, reduced to skin and bones.
হাৰগোঁঠনি, *s.* এবিধ চেলা গোঁঠনি, platting with five or seven strands
হাৰতখোআ, see নিচলা.
হাৰভাগি, *s.* লাউপতা মাচ, a species of fish.
হাৰমাল, *s.* এৰাব নোঅৰা লেঠা বা কৰম, কলগুহ, an unavoidable incumbrance, a dilemma.
হাৰলি, *s.* মেজি, মাঘৰ বিহুত পোৰা কাঠ বা নৰা আদিৰ দল, a stack or pile of wood or straw; a stack of straw and wood burned at the end of harvest.
হাৰামি, *s.* see হৰা কৰমি.
হাৰাসাস্তি, *s.* হাইৰাং, আধামাৰি, great weariness, fatigue, exhaustion, trouble, vexation; *a.* jaded, harassed, fatigued, much troubled.
হাৰি, *v.* ঘাটি, পৰাজই হৈ, হিন্দুৰ এক হিন জাত, to be defeated; *s.* a low hindoo caste.
হাৰি দি, *v.* গচৰ চাৰিও ফালে কাটি বা চাল গুচাই, to girdle a tree.
হাৰি মাৰি, *v.* দুই ঠেং জুটি, গোটা মাৰি, to fetter animals by binding the two feet together.
হাৰেচালে, *a.* হাৰ আৰু চাল মাত্ৰ, খিন, only skin and bones, emaciated.
হাৰ্জ্য, *s.* হাৰকেৰে হৰা অঙ্ক, a dividend, the number to be divided.
হাল, *s.* জোৰ, লগ লগা দুটা, গৰুৰে মাটি ভঙ্গা জতন, a pair, a plough; with বাই, to plough; with বোআ, ploughed or ploughing.
হালচা, *s.* see হলচা, বিঘা.
হালধি, *s.* এবিধ মচলা, হৰিদ্ৰা, turmeric.
হালপতা, *s.* খামোচা, চন্দুক আদিৰ চুকত মৰা লো পিতলৰ পতা, a corner piece or clamp of iron or brass.

হালি, *v.* হলি, বৰ নাৱৰ গুৰি পোনোআ জতন, to lean, to slant; *s.* a rudder, a helm.

হালিজালি, *s.* ইফালে সিফালে হলি, আউলিজাউলি, a swaying back and forth, a swaggering; used also adverbially.

হালিম, *s.* এবিধ জলা সাক, garden cress, (Lepidium Sativum.)

হালেহালে, *ad.* দুটা দুটাকৈ, জোৰজোৰকৈ, two and two, in pairs.

হালৈ, } *s.* সন্দেস আদি মিঠৈ কৰি বেচা বেপাৰি, a confectioner.
হালোআই, }

হালোআ, *a* হাল বোআ, হাল সমন্ধিয়, relating to a plough; *s.* a ploughman.

হালোআ চহা, *a.* চহৰিয়া, লিখা পৰ্হা নেজানি হাল বাই খোআ, মুৰ্খ, knowing only how to plough; unlearned, rustic.

হাৱলদাৰ, *s.* চিপাহিৰ এক পদ বিসেস, a Havildar or native sergeant.

হাৱৈ, *s.* ওপৰলৈ মাৰি পঠিওআ খাৰৰ খেল বিসেস, a kind of fire-works.

হাস্য, *s.* হঁহা, হাঁহি, laughter, ridicule.

হি, ক্রিয়াৰ সেসত জোগ হৈ অহা বুজাই, a contraction of the verb আহি, joined to verbs to express the act of coming prior to the act expressed by the verb to which it is joined, as খাবহি, he will come and eat.

হিং, *s.* এবিধ গচৰ এঁঠা, মচলা বিসেস, assafœtida.

হিংসক, *a.* খিয়লিয়া, হিংসাকুৰিয়া, হিংসা কৰোঁতা, malicious, injurious, hurtful.

হিংসা, *s.* খিয়াল, অসুয়া, বৈৰি ভাও, আখেজ, malice, hate, hurt, injury, spite.

হিংসাকুৰিয়া, *a.* see হিংসক.

হিঁচ্‌হিঁচ্‌, *voc.* গৰু আদিক মতা মাত, a word used in calling cattle.

হিঁহনি, *s.* হেঁচাহেঁচি, ঠিহনি, a crowd; with মাৰি, to crowd together.

হিঙ্গহিঙ্গ কিট্‌কিট, *s.* কেট্‌কেটনি, কেটেৰজেঙ্গৰ, continual fault finding, fretting, scolding.

হিঙ্গহিঙ্গিয়া, *a.* কেট্‌কেটোআ, জিঙ্গজিঙ্গাই থকা, fretful, fault finding &c.

হিঙ্গুল, *s.* ৰঙ্গা বৰনৰ ধাতু এবিধ, হেঙ্গুল, vermillion.

হিচ্‌হিচ, *a.* বহুত বহুত, দমাদম, much, abundant, many.

হিজল, *s.* এবিধ গচ, a species of tree.

হিটহিটনি, *s.* ঠেকা খাই উঠা অনেক সবদ, ছুট্‌ছুট্‌নি, a clashing sound.

হিত, *s.* উপকাৰ, সুভ, লাভ, সহাই, উপকাৰি, benefit, advantage, profit; *a.* beneficial, profitable, advantageous.

হিতকাৰি, } a. হিত কৰোঁতা, উপকাৰি, beneficial, advantageous; s.
হিতৈসি, } a benefactor.

হিতোপদেস, s. ভাল সিকনি, এখন সংস্কৃত সিখ্যাৰ পুথি, salutary advice, useful instruction; the title of a hindoo book on moral science.

হিন, a. নাইকিয়া, কম, নিহ, destitute, bereft, deprived of, low, mean; used in composition, as পিত্রি হিন, bereft of a father.

হিন্দি, s. হিন্দুস্থানৰ ভাসা, Hindee, the language of Hindustan proper.

হিন্দু, s. হেন্দু, বেদ মতে প্রবর্ত্তা লোক, a hindoo.

হিন্দুস্থান, s. ভাৰত বৰিস, হিন্দু লোকৰ থান, the country of the hindoos; Hindustan.

হিন্দুস্থানি, a. হিন্দুস্থানৰ সম্বন্ধিয়, belonging to Hindustan.

হিম, s. ড.ঠ নিয়ৰ, frost, snow, dew, mist, (a general term.)

হিমজু, s. হাঁতিৰ বির্জ্য, হস্তি বিন্দু, elephant semen.

হিমালই, s. ভাৰত বৰ্সৰ উত্তৰ সিমাৰ হিমজুক্ত পৰ্বত, the Himmalaya mountains.

হিয়া, s. বুকু, বিদই, মন, চিত্ত, the breast, the heart, the mind, the affections.

হিয়াজালি, s. বুকুৰ আমঠু, the fleshy portion of the breast.

হিয়াধাকুৰি, v. বেজাৰত বুকু ভুকুআই, হিয়াত চাপৰ মাৰি, to smite on the breast in token of grief.

হিয়ালিজিয়ালি, s. ইলনিবিলনি, হালিজালি (কন্দা,) a wailing and swaying to and fro of the body.

হিৰ, s. পাট বা মুগা কাটোতে ওলোআ আঁহ বা সুতা, a fibre, the threads of a cocoon; with দি, to unwind the threads of a cocoon in spinning silk.

হিৰন্য, s. সোনা, হেম, gold.

হিৰন্য কসিপু, s. পূৰ্ব কালৰ দুস্ট দৈত্য এজন, the name of a fabled gigantic demon, to destroy whom Vishnoo assumed the *Norohingho* incarnation.

হিৰন্যাখ্য, s. হিৰন্য কসিপুৰ ভায়েক, the brother of the above demon.

হিৰহিৰ, } s. হুৰহুৰনি, গির্গিৰনি, any roaring, rushing, rumbling
হিৰহিৰনি, } sound.

হিৰা, s. এবিধ উত্তম বাখৰ, চৰু গৰ্হা এজাতি চঁৰাল, a diamond; a low class of potters.

হিলৈ, s. গুলি মৰা অস্ত্র বিসেস, a gun; with মাৰি, to discharge a gun.

হিলৈখাৰ, s. কলাইখাৰ, হিলৈ মৰা খাৰ, বাৰুদ, gunpowder.

হিলৈগুটি, *s.* বৰ টান গুটি, হিলৈ মৰা সিহৰ সৰু সৰু গুটি, a bullet.

হিলৈদাৰি, *s.* চিপাহি, অচম ৰজাৰ হিলৈ মাৰোঁতা এখেল মানুহ, a soldier armed with a gun.

হিলৈ মৰা, *s.* হিলৈৰে গুলি মৰা আৰু সব্দ কৰা, the discharge of a gun.

হু, *interj.* উলাই বা ইতিকিঙ্গ কৰা মাত, an interjection expressive of contempt or derision.

হুআদুআ, *s.* হোলপাৰ, কন্দাকটা, confusion, hubbub, loud wailing or lamentation.

হুই, *s.* হাই, হৈ, a noise; *v.* to be.

হুঁ, *s.* মনৰ অতিসই খেদ বুজুআ মাত, হুমুনিয়াহ, a sigh, a stifled groan or expression of sorrow.

হুঁকৰি, *v.* গুঁজৰি, বলদ গৰু আদিএ চিয়ৰি, to growl, to bellow.

হুঁচৰিগোআ, *s.* চতৰ বিহুত ঢোল আদি লৈ ঘৰে ঘৰে আসির্বাদ কৈ নাম গোআ, the going in procession from house to house with singing and musical instruments during the three days of *Sut* Bihu.

হুঁটা, *a.* নোকোমলা, টান, কেঁচাসাল, আবুজন, not soft, hard, obstinate, self, willed.

হুঁটুঙ্গা, *a.* মাজ ওখ, highest in the middle.

হুঁটুঙ্গাহুঁটুঙ্গি, *a.* ওখ চাপৰ, অনেক খলাবমা থকা, undulating.

হুঁপি, *v.* চুহি ভিতৰলৈ উসাহ টানি নি, to suck, to draw into the mouth, to inhale.

হুঁহকি, *v.* পাচুআই; পিচলৈ গৈ, to move backward, to retrograde, to retreat.

হুকচকচ, *s.* বিতত, উথপথপ, খৰখেদা, bustle, hurry, haste.

হুক্‌হুক্ কৰে, *ad.* বৰকৈ, অতিসই ৰূপে, (কন্দা,) loudly, bitterly, excessively, (applied only to crying.)

হুকি, *s.* ভেকাহি, হঠাত খঙ্গেৰে মৰা গেজেৰা, angry retort, cross and cutting words.

হুকিউআ, *s.* ভেকাহি মৰা, গেজেৰা মৰা, the speaking crossly or snappishly.

হুকিয়াই, *v.* ভেকেহিয়াই, খঙ্গেৰে গেজেৰা মাৰি, to speak crossly &c.

হুকুম, *s.* আগ্যা, আদেস, বিধান, a verbal order or command.

হুকুমা, *s.* মাচ ধৰা জতন, এবিধ ডিঙ্গৰা, a contrivance for catching fish.

হুচ, *s.* বনৰ ভিৰ, অনেক কামৰ জঁজাল, a pressure of work, urgency of business.

হুজ, *s.* মানুহৰ জুম, দল, a multitude, a crowd or throng of people.

হুট্‌হুট, } s. টান বস্তু ইটে সিটে ঠেকা খোআত ভগাত বা ফুটাত
হুট্‌হুটনি, } উঠা অনেক সবদ, হুটুৰহুটুৰ, ঠালৌৰ ঠালৌৰ, the sound of beating or striking hard substances together; clangor, clash.

হুট্‌হুটাই, *v.* হুট্‌হুট্ সবদ কৰি, to clash, to strike against with noise.

হুটুৰ, *s.* এবেলি মৰাত ফুটাত বা ঠেকা খোআত উঠা সবদ, the sound of sudden striking breaking or clashing.

হুণ্ডি, *s.* ধন সলোআ পত্ৰ, a bill of exchange, a draft.

হুতাইতাই, *s.* see হুকচ্‌কচ্.

হুতাসন, *s.* জুই, অগ্নি, fire.

হুতাসিন, } *a.* কুলক্ষ্যনিয়া, গজনুৰা, দুৰ্কপলিয়া, unlucky, unfor-
হুতাসিনিয়া, } tunate, evil-omened.

হুদু, *s.* বৰ ফেঁচা এবিধ, a screech-owl.

হুন, *s.* দইন, হানি, failure, diminution, loss.

হুনু, *ad.* হেনো, (corruption of সুনোঁ, I hear,) used adverbially equivalent to the phrase "as report goes" or "they say."

হুমটালি, *s.* মইমতালি, মতগৰ্ব, obstinacy, self-will.

হুমহুম গিৰ্গিৰ, } *s.* মেঘৰ বৰ গাজনি, a roaring or thundering noise.
হুমহুমনি, }

হুমাজাপে, *ad.* একে লগে, অনেকে লগ হৈ, together, in concert.

হুমিওআ, *s.* প্ৰতিকাৰ কৰিবলৈ প্ৰকাসকৈ ডাবি দিয়া, কৰিবলৈ প্ৰতিগ্যা দিয়েস, the threatening of revenge.

হুমিয়াই, *v.* প্ৰতিকাৰ কৰিবলৈ প্ৰকাসকৈ ডাবি দি, to threaten retaliation or revenge.

হুমুনিয়াহ, *s.* দুখৰ নিস্বাস, হুঁ, a sigh, a long breath.

হুৰ, *interj.* হুহ, চৰাই খেদা মাত, a vocable used in frightening away birds; shoo!

হুৰলগা, *a.* জুম ভগা, ভাগি জোআ, scattered, dispersed, fleeing panic stricken.

হুৰা, *a.* বৰখুন নাইকিয়া, খৰাঙ্গ, খৰ, (বতৰ,) dry, arid, without rain.

হুৰাই, *v.* চৰাই আদিৰ জাক ভাঙ্গি, to frighten away birds.

হুৰাওৰাও, *s.* বৰকৈ কন্দা, ৰাওজুৰি কন্দা, a loud cry, lamentation.

হুৰাওৰাৰে, *ad.* বৰ এৰাৰেৰে, (কন্দা) loudly, vehemently, (applied to crying.)

হুৰামুৰা, *s.* কিলাকিলি, দন্দ হাই, কন্দল, an affray, uproar, confusion, tumult.

হৰি, *v.* ভাগৰি, to be wearied or fatigued.

হুৰিমাৰি, *v.* হাই দি লৰ মাৰি, to rush upon with a loud cry; *ad.* noisily, clamorously.

হুৰুআই, *v.* see হুৰাই.

হুৰুকা, *s.* খোঁচৰা, উজৰা, a stirring up, a loosening or scratching of the soil; *fig.* the investigating or stirring up of an old matter.

হুৰুকি, *v.* মাটি আদি খুঁচৰি, উজাৰি, to stir up, to investigate.

হুৰুখ, *s.* গিৰিঙ. ভাঙ্গৰ বস্তু পৰাত উঠা সব্দ, the sound of anything falling heavily.

হুৰ্দল, *s.* বলাত্কাৰ, জোটাপোটা, unjust force or coercion, violence, compulsion.

হুৰ্হুৰ, } *s.* see হিৰহিৰ.
হুৰ্হুৰনি,

হুৰ্হুৰাই, *v.* হুৰ্হুৰ কৰি, গিৰ্গিৰাই, to make a rumbling or roaring sound.

হুৰহুৰিয়া, *a.* অকপটিয়া, পেটত কথা নৰখা, ভঙ্গভঙ্গিয়া, frank, outspoken, unreserved.

হুল, } *s.* কাঁইট, জোঙ্গ, সুল, a thorn, a sting, a prickle, a sliver,
হুলা, a goad; with চাঁচি, to meditate injury or harm to another; with মাৰি, to pierce.

হুলথুল, } *s.* তোলপাৰ, গণ্ডগোল, হুৰামুৰা, confusion, tumult, up-
হুলস্থুল, roar, a hubbub.

হুলুকিওআ, *s.* জোল বস্তু উজৰা বা লৰোআ, পানি বা পোকে মুখ লৈ উহ দিয়া, the stirring of a liquid, the oozing out of a liquid.

হুলুকিয়াই, *v.* জোল বস্তু উজাৰি, পানি বা পোকে উহ দি, to stir up, (as a liquid;) to ooze out.

হুহলগা, *a.* see হুৰ লগা.

হুহু, } *s.* বৰকৈ উঠা জুইৰ সবদ, the roaring of fire.
হুহুঅনি,

হে, *interj.* বাধা বুজআ কথা, সম্বোধনৰ মাত, নিচই বুজআ পৰবৰ্ত্তি সবদ, a particle expressing prohibition; a vocative used in addressing equals; oh, oh you; when an affix it expresses the strongest certainty or emphasis.

হেঁকটি, *s.* বায়ু উঠি ভিঙ্গিত খুন্দা খোআ সব্দ, a hiccough.

হেঁকটিয়াই, *v.* হেঁকটি আহি, to hiccough.

হেঁকটিয়া, *s.* হিঁকটিয়া, ঘা আদি সুকাই কাঠ বান্ধি থকা চিন, এবিধ গচ, a callous, a scar, a species of tree; *a.* scarred, cauterized.

হেঁকটিয়া মাহ, *s.* এবিধ বনৰিয়া মাহ, a species of wild pulse.

হেঁকা, *s.* সেকা, সৰিলৰ বৰ ক্লেস, দুখ, great bodily suffering, distress.

হেঁকাই, *interj.* বৰ সন্তোস বুজআ কথা, হেঁকো, ভাল হল, an exclamation expressing great satisfaction equivalent to "very good," "just right."

হেঁকেচ্কেচ্, *s.* লেঠা, জেঙা, ভতৰ, ঐয়াহিয়া, perplexity, difficulty, trouble.

হেঁকেনা, } *a.* অলপ বেঁকা, কেঁচিয়া, চুকিয়াচুকি, out of square, oblique,
হেঁকেৰা, } not parallel, winding.

হেঁকেৰপেকেৰ, *a.* লৰৎফৰক, লৰচৰকৈ থকা, জোঁট, জেঙা, হেঁকেচকেচ, shaking about as anything loosely bound; *s.* difficulty, trouble, embarassment.

হেঁকেৰাহেঁকেৰ, *s.* ফেৰেকাফেৰেক, বেঁকাবেঁকি, a waddling gait, obliquity, crookedness.

হেঁকেৰাহেঁকেৰি, *a.* ফেৰেকা ফেৰেকি, টেহা, waddling, out of square.

হেঁকেহেঁকেকৈ, *ad.* ঘনে ঘনে মাতি, (খঙৰে কোআ মাত,) repeatedly calling; used only when irritated by being frequently spoken to.

হেঁকো, *interj.* see হেঁকাই.

হেঁচনি, *s.* জিহেৰে হেঁচা দিএ, হেচা মাৰি ধৰা বস্তু, a weight for pressing.

হেঁচা, *s.* ভৰ, তললৈ দিয়া ভিৰ, হেঁচোক ঠেলা, weight, downward or side pressure, a push, a shove.

হেঁচাঠেলা, } *s.* ঠেলাঠেলি, হিঁহনি, অনেক লোক গোট খোআত হোআ
হেঁচাহেঁচি, } ঠেকাঠেকি, a mutual pushing back and forth, swaying to and fro as of a dense crowd of people.

হেঁচি, *v.* হেঁচা দি, তললৈ ভৰ দি, ঠেলি, হেঁচুকি, to press, to push, to shove.

হেঁচুকি, *v.* ঠেলি, বলেৰে হেঁাহেঁকাই, to push, to shove.

হেচোক, } *s.* ঠেলা, হেঁচা, হেঁাহেঁাকোআ, a push, a shove.
হেঁচোকা, }

হেঁটমুৰিয়া, *a.* এচলিয়া মুৰ থকা, having an ill shaped or disproportionately large head.

হেঁটামেচা, *a.* পোটোকা পৰা, ভেমেচাভেমেচি, মেচামেচি, dented, of uneven surface.

হেঁটুলুকা, *s.* এবিধ চৰাই, a species of bird.

হেঁতা, *s.* কৰচলি, বস্তু উলিওআ বা কৰ্হা জতন, জঁতৰ আদিত ঘুৰুউআ মাৰি, a spoon, a ladle; the handle of a spinning wheel.

হেঁতেন, সম্ভব্য, ভুত কালৰ ক্রিয়াৰ পিচত থকা কথা, an affix used in

forming the subjunctive mood.

হেঁপা, *s.* মেকুৰিৰ নিচিনা বন জন্তু এবিধ, a species of wild cat.

হেঁপাইফোঁপাই, *ad.* ঘনে ফোঁপাই, হেলাইহেঁফাই, with palpitation or rapid breathing.

হেঁপোৰপিটা, *s.* মুখেৰে হেঁপোৰ হেঁপোৰকৈ পিঠিত কোবোআ, বনত বলে নোআৰি লাগি থকা, self flagellation accompanied at each stroke with a sound from the mouth resembling that made by the stroke of the whip; the tugging at a work that is beyond one's strength.

হেঁফনি, *s.* বাধা, ভাবি, a prohibition, a forbidding; with মাৰি, to forbid, to threaten.

হেঁহনি, *s.* ঘোঁৰাৰ মাত, the whinnying or neighing of a horse.

হেকহেকনি, *s.* খেচখেচনি, একে কথাকে ঘনে কোআ, the act of teasing, importuning, fault finding.

হেকহেকাই, *v.* খেচখেচাই, ঘনে কোনো কথা কৈ, to tease, to importune.

হেকান, *s.* উপকাৰ কৰি সোঁঅৰোআ, the taunting with, or frequently reminding a person of favor conferred; with পাৰি, to taunt.

হেঙ্গদাঙ্গ, *s.* ৰজাৰ হাত অস্ত্ৰ বিসেস, a small sword or rapier used by the Assam kings as an insignia of royalty.

হেঙ্গাজকাই, *s.* কুচুনি জকাই, এবিধ দিঘল জকাই, a long basket used for catching fish.

হেঙ্গাপুঙ্গা, *s.* এলাহ, মন নোজোআত হাঙ্গি ধৰি কৰা হেলা, a remissness or loitering at work.

হেঙ্গাৰ, *s.* গোঁজ মাৰি পথালিকৈ বাঁহ বান্ধি দিয়া জেওৰা বিসেস, a temporary fence made of whole bamboos hung on posts.

হেঙ্গাল, *s.* এবিধ দিঘল কুকুৰ, a species of dog.

হেঙ্গুল, *s.* ৰঙ্গা বৰনৰ ধাতু এবিধ, vermillion.

হেঙ্গুলিয়া, *s.* ৰঙ্গা, হেঙ্গুল বৰনৰ, red, like vermillion.

হেজাৰ, *a.* দহ স, সহস্ৰ, a thousand.

হেজাৰহেজাৰ, *a.* অনেক হেজাৰ, অতি সৰহ, many thousands, multitudinous.

হেজেৰিয়া, *a.* হেজাৰৰ, of a thousand, of the value of or containing one thousand.

হেতাই, *v.* ভাৰ আদিত হাতেৰে উলাহ দি, to ease a burden on the shoulder of another by raising it with the hand.

হেঁচাওপৰা, *s.* একেটা বস্তুকে কেইবাটায়ো লবলৈ ওপৰা ওপৰি কৰা, the scrambling of several persons for anything.

হেঁতামাৰি, *s.* সাঁকোত পাৰ হওঁতে ধৰি জোআ মাৰি, a hand rail of a bridge.

হেঁতিয়াই, *v.* মাচ আদি বিচাৰিবলৈ পানিত হাতেৰে খেপিয়াই, to feel for fish with the hand under water.

হেতু, *s.* কাৰন, নিমিত্ত, জইন, origin, cause, reason, motive.

হেতুকে, *ad.* কাৰনে, নিমিত্তে, জন্যে, wherefore, for, for the sake of.

হেতোআ, *s.* হাতেৰে ভাৰ আদি উলাহি দিয়া, the assisting in shifting or carrying a shoulder burden.

হেদাঙ্গি, } *a.* উদঙ্গকৈ মেলা, ৰখিয়া নাইকিয়া, free, loosed, without
হেদানি. } a keeper.

হেদাঁম, *a.* see হাদাম.

হেদালিকামোৰনি, *s.* প্রসৱৰ পাচৰ পেট কামোৰনি, after-pains.

হেদালিচাঙ্গ, *s.* কামিৰে সেৰেঙ্গাকৈ বোআ চাঙ্গ, a hanging bamboo shelf.

হেদালিচাল, *s.* কামিৰে সেৰেঙ্গাকৈ বোআ ঘৰৰ চাল, a roof in which the thatch is laid on braided bamboo splints instead of bamboo rafters.

হেন, *conj.* এনে, সদৃস, like, such, as.

হেনজানি, *conj.* এতেকে, ইয়াকে জানি, এই নিমিত্তে, therefore, so, for this reason, with this understanding.

হেন্তেন, *conj.* এনে তেনে, আমুক তামুক, so and so, this and that.

হেনে *conj.* see হেন.

হেন্দু, *s.* see হিন্দু.

হেন্দুলি, *v.* দোলন কৰি, চুলি, জুলি, to swing, to vibrate, to oscillate, to toss, (as waves.)

হেন্দোলনি, } *s.* দোলন, জুলি থকা হেলেপনি, oscillation, swaying,
হেন্দোলা, } vibration, dashing of waves.

হেন্দোলদোপ, *s.* দলদোপ, চুলেই লবা, তল ওপৰ হোআ, oscillation, vibration, a swaying to and fro.

হেপা, *s.* নিলগলৈ হাত মেলা, with মেলি, to stretch out the hand to reach.

হেপাহ, *s.* হুতাহ, হাবিয়াহ, ইচা, eager desire, craving, longing; with পলাই, to gratify a craving desire.

হেপিমুআ, *a.* চেপেটামুআ, thin faced.

হেপোৰতেপোৰ, *s.* হাঁকোট পিকোট, বলে নোঅবা কামত জুজি থকা, the striving to do beyond one's strength.

হেবাঙ্গ, *a.* ভেবা, আবাঙ্গ, বুধি হিন, stupid, simple, not quick of discernment.

হেবাথৰি, *s.* see হাবাথৰি.

হেবাবেবা, *s.* বিয়াকুল, চেষ্টা তৰ্কুল নোহোআ, trouble, perplexity, agitation of mind; with খাই, to be agitated.

হেমন্ত, *s.* ৰিতু বিসেস, আঘোন পুহ মাহ, the cold season; the two months Aghun and Puh, or about Nov. and Dec.

হেমাহি, *s.* হেলা, গা গধুৰ, খৰপোচ নোহোআ, slackness, dilatoriness, remissness.

হেম্বা, } *s.* গৰুৰ মাত, the voice of a bovine animal, a low.
হেম্বে, }

হেম্বেলনি, *s.* হেম্বা হেম্বা কৰা, the lowing of bovine animals.

হেম্বেলিয়াই, *v.* হেম্বে কৰি, গৰুএ মাতি, to low, (as cattle.)

হেৰ, } *interj.* সামান্যক মতা মাত, Hollo! used in calling to inferiors.
হেৰৌ, }

হেৰা, *interj.* মান্যেৰে সমানক মতা মাত, Hollo! used in calling to equals.

হেৰাই, *v.* নাইকিয়া হৈ, বিচাৰি নেপাই, to loose, to cease to have in possession.

হেৰাপাই, *v.* কোনো হেৰোআ বা বাটত পৰি থকা অস্বামিক বস্তু পাই, to find anything that has been lost.

হেৰাপোআ, *s.* কোনো হেৰোআ বা বাটত পৰি থকা অস্বামিক বস্তু পোআ, কোমল চাউলৰ ধান এবিধ, the finding anything that has been lost; a kind of rice eaten without cooking.

হেৰাসাস্তি, *s.* see হাৰাসাস্তি.

হেৰি, *ad.* কোনো বস্তুৰ নাম পাহৰাত বা মুখত নহাত কোআ মাত, a word equivalent to "what do you call it."

হে-ৰি, *interj.* মান্যেৰে মতা সম্বোধন, a term of familiar address to friends and superiors.

হেৰুআই, *v.* অন্যৰ দোআৰাই হেৰাই, to lose or cause to be lost.

হেৰেই, *interj.* আদৰ সাদৰেৰে মতা সম্বোধন, a vocative used in addressing elders or superiors.

হেৰেপনি, *a.* গেজেপনি, মোট মৰা (হাবি,) dense, interwoven as of jungle.

হেৰেপা, *a.* চেপেটা হৈ পৰা, জাপখাই পৰা, সেপেটা, prostrated, (as grass or grain.)

হেৰেমগৰিয়া, *a.* আওগৰিয়া, এচলিয়া, (মাটি,) sloping, applied only to land.

হেৰেমনি, *s.* see হেৰেপনি.

হেৰোআ, *s.* হেৰাই জোআ, the act of loosing; *a.* lost.

হের্পেটা, *a.* see হেৰেপা.

হেলচ, *s.* এবিধ টেঙ্গা গচ, আৰু তাৰ গুটি, a species of acid fruit and its tree.

হেলনিয়া, *a.* হলি থকা, একতিয়া, oblique, aslant.

হেলা, *s.* হেমাহি আওকান, অমান্য, disregard, indifference, trifling, neglect.

হেলাইহেঁফাই, *ad.* see হেঁপাইফেপাই.

হেলাওটা, হেলালেচাৰি, } *s.* এলাহ, মন দি নকৰা, idleness, indifference or loitering at work.

হেলাকৰা, *s.* অমান্য কৰা, উলাই কৰা, মন নিদিয়া, the act of trifling, disregarding, or of treating with incivility; *a.* disregarded &c.

হেলাৰাঙ্গে, *ad.* অনায়াসে, একো দুখ নোহোআকৈ, অব্যাহতে, without difficulty, readily, easily.

হেলেকলেক, হেলেকলেকিয়া, } *a.* সোলোক ঢোলোক, ভালকৈ খাই নধৰা, not firm, shaking, loosly bound.

হেলেঙ্গপেলেঙ্গ, *a.* ভোকত বা ভাগৰত গা বাইজাই কৰা, weak, trembling, exhausted by excessive fatigue or hunger.

হেলেপনি, *s.* পানিৰ আস্ফাল, হেন্দোলনি, the dashing of waves.

হেলেপিহেলেপি, *ad.* কোনো বনত বলে নোআৰি লাগি থাকি, with repeated and fruitless effort, vainly striving.

হেহে, *interj.* বাধা বুজুআ মাত, হাঁহাঁ, an exclamation of prohibition or warning, equivalent to "look out!" "take care!"

হৈ, *v.* হই, জমি, হাই, পৰবৰ্ত্তি সব্দ, জেনে মোৰ হৈ বা মোৰ সলনি, to be, to exist; *s.* a cry, a yell; instead of, in the place of.

হৈচ, *interj.* অনেকে একে বেলিএ টনাত মতা মাত, all together, a word used in pulling and hauling.

হৈগুদু, হৈগুদুগুদনি, } *s.* লৰাৰ খেমালি বিসেস, a kind of child's play.

হৈধনি, *s.* আসির্বাদৰ পাচে কৰা জইধনি, হৰিধনি, a loud invocation of the name of God; hosannah.

হৈয়া, *a.* see হেঁকেনা.

হোআ, *s.* হৈ জোআ, সিয়ালৰ মাত, being, existence, completion, the cry of a jackal; *a.* being completed.

হোআহুই, *ad.* হবলৈ অলপ থকা, approaching completion, nearly finished.

হোঁ, *voc.* সামান্যক দিব খোজা মাত, here, take it, have it.
হোঁকা, *s.* ধুঁআ খোআ, ধঁপাত খোআ জতন, a hubble bubble, a native smoking apparatus.
হোঁকোৰনি, *s.* বাঘ গৰু আদি জন্তুৰ চিঁঞৰনি, a roaring or bellowing as of wild beasts or cattle.
হোঁকোৰা, *s.* হুঁকৰি ফুৰা, bellowing &c. or above.
হোঁপা, *s.* সোহা, চোহা, ভিতৰলৈ উসাহ টানি নিয়া, a sucking or drawing into the mouth.
হোঁহোঁকা, *s.* পাচলৈ জোআ, হটা, a retrograding or going back.
হোঁহোঁকাই, *v.* পাচুআই, পাচলৈ নিয়াই, হটাই, to cause to turn back.
হোক্‌হোকনি, *s.* ভালুক বৰা গাহৰি আদিৰ গোজৰনি, the grunt of a hog.
হোক্‌হোকাই, *v.* বৰা গাহৰি আদিএ মাতি, to grunt (as a hog.)
হোচোঙ্গা, *a.* সকত, বৰ ডাঙ্গৰ দিঘল, tall and stout.
হোজা, *a.* পোনপটিয়া, ফাঁকিফুকা নজনা, হোলগোজ, artless, plain, unsuspecting, simple-hearted.
হোত্‌কৰে, *ad.* অকস্মাত, বেগতে, হাউতকৰে, (বকা বা পৰা,) suddenly, quickly, (as of pouring or falling.)
হোতা, *s.* হোম কৰা বামুন, a sacrificial priest.
হোপোৰ, *s.* হোঁপা মৰাত উঠা সবদ, the sound made in sucking &c.
হোম, *s.* জুইত ঘিঁউ ঢালি কৰা জ্ঞ, a burnt offering; the casting of clarified butter into the fire, as an offering to the gods, accompanied with incantations.
হোৰ, *s.* ভেৰভেৰিয়া বোকা, সেকেটা, অনেক কামৰ ভাৰ, হুঁচ, mire; revenge; pressure of work.
হোৰনি, *s.* ভেৰভেৰিয়া বোকাৰ ঠাই, ভেৰনি, a muddy or miry place.
হোৰা, *s.* নগা আদিএ বস্তু অনা জতন, a basket carried on the back.
হোৰাহোৰে, *ad.* বহুতকৈ, অধিককৈ, much, abundant.
হোৰোকা, *s.* খোঁচৰা, উজৰা, the act of stirring up or mellowing, (as of earth.)
হোৰোপা, *a.* মাজ খন তললৈ বহি জোআ, sunken in the middle, concave.
হোৰোস, *s.* পানি বা বোকাত পৰিলে উঠা সবদ, the sound made by plashing in mud or water.
হোৰোস কৰে, } *ad.* হোৰোস সবদেৰে হঠাৎ, অকস্মাত, with the above
হোৰোসাই, } sound, suddenly, unexpectedly.
হোৰোহা, *a.* ভেৰেহা, বৰ ডাঙ্গৰ (পেট,) large, corpulent.
হোলগোঁজ, *a.* see হোজা.

হোলা, *s.* পথাৰৰ দিঘল বহল খাল, a long deep hollow, a ravine.
হোলোক কৰে, *ad.* see হোতকৰে.
হোলোকনি, *s.* চলকনি, বতাহ বা অন্য দ্ৰব্যৰ দোআৰাই খুন্দা খাই উঠা, ঢৌ, the dashing of waves, spray.
হোলোঙ্গ, *a.* বৰ ডাঙ্গৰ, মলঙ্গগিৰি (ঘৰ নাও গচ আদি,) large, great, (applied to boats, houses, and trees.)
হোলোঙ্গা, *s.* দুই মূৰ জোঙ্গা বাঁহৰ কান মাৰি, a sharp pointed bamboo pole used in carrying cut grain &c. on the shoulder.
হোলোঙ্গাগোম, *s.* বৰ সাপ এবিধ, a species of large snake.
হোলোঙ্গামৰি, *s.* দিঘল টেঙ্গা এবিধ, a species of acid fruit.
হোহো, } *s.* বতাহৰ বৰ সবদ, the roar of a tempest.
হোহোঅনি, }
হোহোআই, *v.* হো-হো সবদ কৰি, to roar, (as wind.)
হৌহৌ, } *s.* পানি আদি বৰকৈ ওলোআ, the gushing or gurgling
হৌহৌঅনি, } of water &c.
হৌহৌআই, *v.* হৌহৌ কৰি, to gush forth, to bubble up as a spring.
হ্ৰস্ব, *a.* চুঁটি, চাপৰ, লঘু, short, low, grave, depressed in scale of sound.
হ্ৰস্ব ইকাৰ, *s.* চুঁটি বা প্ৰথম ইকাৰ জেনে (ি) the letter ই or its symbol (ি).
হ্ৰস্ব উকাৰ, *s.* চুঁটি বা প্ৰথম উকাৰ, জেনে, ( ু ) the letter উ or its symbol ( ু ).
হ্ৰাস, *s.* কম, হানি, shortness, diminishing.
হ্লদই, *s.* see বিদই.

ক্ষ,

ক্ষ, ক্ষকাৰ, this Sanskrit compound is composed of ক *k*, and ষ *sh*, but is pronounced খ্য *khy*, and in Assamese is often softened to খ, *kh*, as in the word অক্ষৰ *akkyor*, a letter; Assamese আখৰ *akhor*, or আইখৰ, *aikhor*. Hence this compound character is unnecessary in writing Assamese.

# APPENDIX.

## অ

অকাই পকাই, *ad.* পকাই জকাই, মেৰাই ঘূৰাই, evasively, circuitously.

অখিয়াই, *v.* থোকৰ পৰা আখি খহাই, আখি আখি কৰি, to separate the several clusters of a bunch of fruit.

অঘৈয়া, *a.* see এঘৈয়া.

অটিয়ামটিয়া, *s.* বেজেৰা বেজেৰি, কেটেৰ জেঙ্গৰ, crossness, uncivil or angry speech.

অনাই, *v.* অনোআই, লৈ অহাই, to cause to bring.

অনাজালে, *ad.* জুই আদিৰ তাপ বা পোৰনি নোহোআকৈ, without heat or pungency.

অনিয়াঅনি, *s.* see আওনাআওনি.

অপতিপাল, *s.* অপ্ৰতিপাল, আপডাল নকৰা, the being without a protector or nourisher.

অবেৰিয়া, *a.* see আওচলিয়া.

অৰিতি, *s.* অনাচাৰ, কুৰিতি, improper conduct or usage, lawlessness.

অৰ্পি, *v.* অৰ্পন কৰি, সোধাই দি, সমৰ্পি, to dedicate, to offer in sacrifice.

অসাইজ, *a.* খাবলৈ অশুচি, অখাদ্য, unfit for, interdicted, applied to food.

অহফুট, *v.* অচাৰ সঁচাৰ, গুপুত, ফুট নোপোআ, without trace or vestige, imperceptible.

## আ

আওকলিয়া, *a.* আঁকোআলে পোআ, বেয়া কালৰ, clasped or embraced in the arms, as in measurement; inauspicious, ill-omened.

আওখালি, *v.* ধুই, পখালি, to wash, to rinse.

আওটি, *v.* পগাই, জোল কৰি, to boil, to melt; applied only to milk and metals.

আওডালি, *v.* পানিত হাত ভৰি লৰাই, ধোআত কাপৰ আদি জোকাৰি, to paddle, to move anything back and forth in water, to strike out with hands and feet as in swimming.

আওহি, *v.* আওজি, পিঠিএৰে ভৰ দি, to lean against.

আঁটি, *v.* জুৰি, কুলাই, to suffice, to be enough.

আঁক্রোহ, *s.* মোহ, আকাঙখ্যা, avarice, niggardliness.

আগচা, } *s.* আগত থিয় হৈ জাব নিদিয়া, বাট ভেঁটা, the going
আগ ভেঁটা, } in front in order to stop or oppose.

আগৰ, *s.* বিৰিয়াত সুমুউআ চাবি ডলিয়া ডোল, পুৰ্বৰ, প্ৰথমৰ, তাহানিৰ,

a contrivance for carrying or hanging up earthen vessels; *a.* previous, former.

আগৰচন্দন, *s.* see অগৰু.

আগৰা, *s.* এবিধ বন সাক, বিৰিয়া, a species of edible wild vegetable; a circular wisp for the support of earthen vessels.

আগৰ্হি, *a.* অমুৰনি, আলাগি, ill shaped, ugly.

আগলতি পাত, } *s.* কলা পাতৰ আগ ভাগ, the upper portion of a
আগলি পাত, } plantain leaf.

আগলধা, *a.* ডিঙ্গিলৈকে হোআ, full to the neck; applied to water vessels.

আগলিকা, *s.* বাৰ্হি থকা, খাই এৰা, অৱসেস, a fragment; what is left after eating.

আগলৈ, *ad.* পিচলৈ, ভবিস্যতলৈ, মুৰকত, আগ ভাগলৈ, hereafter, eventually, in future.

আগামপুৰাম, *s.* আগৰ পাচৰ, (কথা বা আচৰন,) origin and subsequent history; full account from first to last.

আঠধতুআ, } *a.* কেইবা বিধ ধাতু মিহলোআ, composed of several
আদধতুআ, } metals mixed.

আঙ্গোৰপাঙ্গোৰ, *s.* see আঁওৰপাঁওৰ.

আপডাল, *s.* পোহপাল, প্ৰতিপাল, ৰাখন ঢাকন, nurture a caring for.

আপোনপেটা, *a.* কাকো নিদি আপুনি আটাই খিনি খোআ, greedy, voracious, avaricious.

আমনিয়াই, *v.* see আমুআই.

আম্বলি, *s.* গচৰ পাতত বাহ লোআ এবিধ ৰঙ্গা পৰুআ, a species of red ant.

আলটিয়া, *a.* এঁঠাৰে, sticky, clayey.

আলটিয়া মাটি, *s.* এঁঠাৰে মাটি, কুমাৰ মাটি, clay, potter's clay.

আলহি, *s.* অথিতি, অভ্যাগত, প্ৰবাসি, a guest, a visitor; with সোধা, to entertain a guest.

আসোধন, *s.* সোধ পোচ নকৰা, নোসোধা, the not asking, the not obtaining permission.

আহৰাই, *v.* আজৰাই, থলি উদঙ্গ কৰি, to finish up a work; to make empty.

আহৰোআ, *s.* see আজৰোআ.

আহি, *v.* উপস্থিত হৈ, ওচৰ চাপি, সাখ্যাত হৈ, to come, to arrive, to draw near

ই

ইটাখলি, *s.* ইটামাটি খনা ঠাই, a place where clay for brick is dug.

ইটাসালি, *s.* ইটা সজা ঠাই, a place for making brick.

উ

উক, *s.* দুরচা, ৰোগ আদি পুনৰাই বৰ্হা, a breaking forth afresh of pain or disease; used with দি, to break forth afresh.

উক্মুকাই, *v.* উক্মুকনিএ ধৰি, গপ্গপাই, to feel a burning suffocating sensation.

উখহি, *v.* ওফন্দি, ফিকি, to enlarge, to swell, to become turgid.

উঘাই, *v.* উঘাত সুতা লৈ বা মেৰাই, to wind thread on the *ughá*, a kind of reel.

উচটনি, *s.* মন বৰ্হা সিকনি, exciting or encouraging by words.

উচিত, *a.* বিহিত, ন্যাই, জোগ্য, কৰিব লগা, fit, proper, morally right, suitable.

উতল, *s.* থক্বক্, জুইৰ তাপত ধৰা উথাল, a bubbling or boiling up.

উতলাই, *v.* উতল ধৰাই, সিজাই, উচটাই, to cause to boil, to cook by boiling; to excite.

উপজাচি, *ad.* নোখোজাকৈ, নমতাকৈ, without asking or speaking.

উভা, *s.* ঘৰৰ খুঁটা পুতি চাল তোলা, মনেৰে কথা সজা, the planning or rearing of a superstructure; *fig.* contriving, scheming.

উমনি, *s.* পোআলি জগিবলৈ চৰাইএ কনিৰ ওপৰত বহি দিয়া তাপ বা উম, incubation, warmth.

উমাই, *v.* উমনি লৈ, জুইৰ তাপ লৈ, to sit on eggs for hatching; *fig.* to warm one's self by a fire.

উমাইউমাই, *ad.* লাহে লাহে, (জুই লগা,) slowly, gradually, as of a fire in kindling.

উমাজাল, *s.* অলপ তাপ, a gentle heat.

উসুআ, *a.* see উহুআ.

এ

এক বচন, *s.* ব্যাকৰন মতে এটাক বুজুউআ মাত, the singular number in Grammar.

একালিকৈ, *ad.* বৰকৈ, অতিসই ৰূপে, exceedingly, greatly, (applied to increase or diminution.)

এটকেনমেটকেন, *s.* খুচুঙ্গমুচুঙ্গ, হেলালেচাৰি, delay, loitering at work, busy about trifles.

এন্দুৰ, *s.* মাটিত থকা এবিধ জন্তু, a species of ground rat.

এন্দুৰিয়া, *s.* ৰোগ বিসেস, গাঁত হৈ জোআ ঘা, a kind of scrofulous disease.

এন্ধাৰ, *s.* অন্ধকাৰ, darkness, gloom; *fig.* ignorance, mental darkness; *a.* dark, obscure.

এন্ধাৰমুধাৰ, *s.* অন্ধকাৰ, darkness; a reduplicated form of expression.

এন্ধাৰ্মই, *a.* অন্ধকাৰ জুক্ত, দিশ্তি হিন, dark, obscure.

এন্ধেৰুআ, *s.* গাৰ চালৰ এবিধ ৰোগ, আধা পোৰা, (খৰি,) a disease of the skin; *a.* charred.

এৰাল, *s.* see আৰাল.

ও

ওপঙ্গা, *s.* ওপঙ্গি থকা, the act of floating or swimming; floated, borne on the surface.

ওপঙ্গাই, *v.* see উটুআই.

ক

কটলাকটল, *a.* দুখ লগোআ, ঠেহেৰা ঠেহেৰ, (মাত,) sharp, piercing, causing pain; applied to tone or language.

কটাহিক, } *s.* see কটাখ্য.
কটাহিত, }

কৰ্ফুল, *s.* কেৰু আদি সজা তেল বৰনিয়া এবিধ কাঁচ মাটি; তামোলত খোআ এবিধ সুগন্ধি গচৰ সিপা, a substance resembling amber of which beads and ear ornaments are made; a fragrant shrub, the root of which is eaten with tamul.

কলমৌ, *s.* পানিত বগোআ এবিধ বনৰিয়া সাক, a species of edible aquatic plant.

কাঁজি, *s.* সিজুআ ধানেৰে কৰা জুৰনি পানি, a cooling medicinal drink made of the water of boiled paddy fermented.

কাখবিৰলা, } *s.* কাসত হোআ গাঁৰ, a disease of the arm pit.
কাসবিৰলা, }

কাচিকুচা, *s.* আলমবিলম, গহৰি, dilly dallying, loitering.

কাচিউঁৰিয়া, *a.* কাচি উঁৰৰ নিচিনা; কাপৰৰ আঁচলত বোআ এবিধ ফুল, এবিধ বন, notched like the edge of a sickle; *s.* a kind of flower woven into the border of a cloth; a species of wild grass.

কাচোৰকামোৰ, *s.* see কচৰকামোৰ.

কাটি, *v.* চেদ কৰি, পাঁজি আদিৰ সুতা উলিয়াই, to cut; with সুতা, to spin, to draw out and twist into thread.

কাতিসোটা, *s.* কাতি মাহত দিয়া বৰখুন, three or four day's rain in the month of *Kati*, or the latter rain before harvest.

কালফুৰা, *s.* জমৰ এক দুতৰ নাম, one of the fabulous messengers of death; a co-laborer with সঁফুৰা, which see.

কালিন্দ্রি ভোমোৰা, *s.* এবিধ উতম ভোমোৰা, a species of black bee.

কুঁচুনি, *s.* কোঁচ জাতৰ তিৰোতা, a woman of the *Kuns* caste.

কুকুৰিপিটা, *s.* নানা বিধ গালি সপনিৰে দিয়া লাজ, indignity, shameful abuse.

কুচ্‌কুচ্‌কৰে, *ad.* নেৰাকৈ লাহে লাহে, (পেট কামোৰা,) unceasingly; applied mostly to the griping of the bowels.

কুটকুটকৰে, *ad.* অলপ অলপকৈ, (কুটা বা কামোৰা,) gently, continuously, as of gnawing or a steady pain.

কুমজেলুকা, }
কুমজেলুকুআ, } *s.* বিজল থকা এবিধ পোক, a species of mollusk or slug.

কুৰ্হ *s.* see ডুবি.

কুলাই, *v.* আঁটি, জুৰি, to suffice, to be abundant.

কুলুআ, *a.* জোৰা, অঁটা, sufficient, abundant.

কেট্‌কেটনি, *s.* খঙ্গেৰে কৈ থকা মাত, sharp angry speech, irritating language.

কেনুআ, }
কেনেকুআ, } *ad.* কি ৰূপ, কেনে, how? what manner or kind.

কেব্‌মেৰনি, *s.* see কেবমেৰ.

কেবমেৰাই, *v.* সাপ আদিএ কেব্‌মেৰ্ কৰি, to move in a tortuous manner, as of reptiles.

কেৰাহি, *s.* লোৰ এবিধ বন্ধা পাত্র, an iron cooking dish.

কেলপনিয়া, *a.* see কেলেহুআ.

কোঁহোৰা, *s.* see গজালি.

কোজোৰা, *s.* বিৰুচিনা, ঘিনঘান, aversion, dislike, repugnance.

কোদাল, *s.* see কোৰ.

কোনকোননি, *s.* মহৰ মাত, গোন্‌গোননি, a humming, buzzing sound, as of musquitoes.

কোন্‌কোনাই, *v.* কোন্‌কোন্ সব্দ কৰি, to buzz.

কৌপাত, *s.* টকৌৰ নিচিনা এবিধ গচ, a species of the fan palm.

খ

খটাই, *v.* খাটনি কৰাই, বন কৰাই, to employ in service, to cause to work.

খতাই, *v.* অলঙ্কাৰ আদিত সোন ৰুপ খুআই, লগাই, to set or inlay as a jewel; to apply as suitable to another.

খতোআ, *s.* অলঙ্কাৰ আদিত সোন বা ৰুপ খুউআ, লগোআ, the act of setting or inlaying or of applying, a saying or parable as suited to another; *a.* set, inlaid, applied to another.

খাঙ্গ, *s.* সৰু তোম বিসেস, a contrivance of loosely braided splints for holding or carrying small parcels or fruit.

খালৈভাঙ্গি, *s.* এবিধ সৰু মাচ, a species of small fish.

খিকিৰকিচিয়া, *a.* ডাঠত পৰি বাৰ্হিব নোআৰা, stinted in growth by the thickness of surrounding plants.

খিৰিঙ্গ, *s.* see খিৰিক.

খুঁতৰা, } *s.* এবিধ বনৰিয়া সাক, a species of wild edible plant.
খুঁতৰিয়া, }

খেৰেউখেটেউ, *a.* ওআহোআ, অতি সৰহ, অনেক, plentiful, very abundant.

গ

গঁঠা, *s.* গোঁঠা, গোঁঠনি দিয়া, মনি আদি সিয়া, a knitting or stringing together; *a.* knitted, strung together, in order, plaited.

গঁঠাই, *v.* গোঁঠনি দিয়াই, মনি সিয়াই, to cause to be knit, strung together or arranged in an orderly manner.

গঁৰল, *s.* see গৰল.

গঁৰলি, *s.* গঁৰল থকা তিৰি, a woman who has goitre.

গঁৰিয়লি, *a.* গাঁৰি পৰা বা থকা, (কাপৰ,) barred, woven with alternate rows of coarse and fine thread.

গঙ্গাটোপ, *s.* পেট ওফোন্দাই ডাঙ্গৰ কৰা পানিৰ এবিধ সৰু জন্তু, a kind of small water animal.

গঙ্ক, *s.* see গোঙ্ক.

গভিয়া, *a.* see ঘৰজিঁয়া.

গমিৰি, *s.* এবিধ ধানৰ নাম, a species of paddy.

গৰমুচি, *s.* see গৰৈমুচি.

গাঁথি, *v.* গোঁঠনি দি, মনি আদি সি, to knit, to string together, to plant.

গাভিনি, *a.* গৰ্ভ হোআ, (মাইকি জন্তু আদি,) with young; applied mostly to cattle.

গিয়ান, *s.* see গ্যান, knowledge, wisdom, &c.

গিয়ানি, *a.* see গ্যানি, having knowledge, wise, &c.

গুটিয়ামাৰি, *v.* জন্তুৰ দুই ঠেঙ্গ জুঁটি দি, হাৰি দি বা মাৰি, to fetter animals by tying two feet together.

গুলিয়ন, *a.* ববকৈ পকা বা সিজা, over-ripe or cooked to a jelly.

গেলাই, *v.* গেলিবলৈ দি, পচাই, এবিধ মাহ, to cause to rot; *s.* a species of pulse.

গোবৰখোঁচৰা, *s.* এবিধ সৰু চৰাই, a species of bird, the Hoopoe.

গোমচেঙ্গ, *s.* ফুল থকা এবিধ পাট কাপৰ, a kind of figured silk cloth.

গ্যান, *s.* বুজ, বোধ, বিদ্যা, চেতন, wisdom, understanding, knowledge, idea, sense; with দি, to instruct, to advise, to counsel; with পাই, to from a conception of, to obtain knowledge; with আহি, to come to one's self, to be conscious.

গ্যানক্রিত, *a.* জানি সুনি কৰা, knowingly or intentionally done.

গ্যানৱন্ত, গ্যানি, } *a.* সুবিবেকি, বুধিমন্ত, বিদ্যাৱন্ত, গিয়ান থকা, learned, wise, intelligent, knowing, clever, shrewd, sage.

গ্যানেন্দ্রিয়, *s.* বোধেন্দ্রিয় অর্থাত চকু, কান, নাক, জিবা, চাল, the organs of sensation; viz, smelling, tasting, hearing, seeing, feeling, to which is is often added thinking.

গ্যানোদই, *s.* গ্যান প্রকাস হোআ, গিয়ান ওলোআ, the rise or dawn of knowledge.

ঘ

ঘৰজিঁয়া, *s.* সহুৰেকৰ ঘৰত চোআলিলৈ চপা, গভিয়া, a son in law who lives in the house of his wife's father.

ঘুনুটিয়াই, *v.* ঘুবিপকি, এন্ধাৰত বাট বিচাবি, to grope about, to feel one's way in the dark.

ঘঁচি, *s.* ঘেঁচ, মনিৰ খন্দা, a division in a necklace of several strings.

ঘেঁটকালি, *v.* জোকাবি, ঘটমটাই, আমনি কৰি, to teaze, to harass, to vex, to annoy.

ঘেৰি, *v.* বেৰি, আবেৰি, to surround, to encircle.

চ

চক্‌মক্‌, *s.* উচাব, জিলিকনি, তিৰ্বিৰনি, a sudden start, as from sleep; glitter, twinkle.

চকুচৰহা, *s.* এবিধ পোক, পৰ স্রি দেখিব নোআৰা, a species of annoying insect; *fig.* used for an envious person.

চটিয়াই, *v.* চাটি মাৰি, সিঁচি, to splash, to dash water, to sprinkle.

চদ্ম, *s.* চল, ভাও, disguise, an assumed form, deception.

চম্ফল, *a.* see চঁফল.

চৰনি, *a.* চৰোআ, চৰাই ফুৰা, (পথাৰ,) pasturing, grazing.

চৰিয়াই, *v.* চৰ মাৰি, চৰাই, to smite on the cheek with the open palm.

চৰোআ, *s.* বৰ্হোআ, পথাৰত গৰু আদিক ঘাঁহ খুউআ, চৰ মৰা, excess in weight or measure; the driving to pasture; the smiting on the cheek; used as an adjective also.

চাৰখোল, } *s.* কঁকালৰ দুই দাঁতিৰ খোল, পানি কাস, the part of the
চাৰপেটা, } abdomen on both sides below the spurious ribs.

চাৰদিয়া, *s.* গুৰিয়ালে বঠাৰে লঠিয়া দিয়া, the propelling of a boat with the steering oar using the stern as a fulcrum.

চাৰুলিয়াসিপা, *s.* ডাঙৰ সিপাৰ পৰা ওলোআ সৰু সিপা, সিহৰি, a branch root.

চালিমাৰি, *s.* তাঁতৰ বান্দৰি ধৰা মাৰি, the pole from which a native loom is suspended when being worked.

চিকুনাই, *v.* see চিকনাই.

চিকৌ, *interj.* see চিহ.

চিগি, *v.* ডোল আদি দোডোখৰ হৈ, to part asunder, to break as of a cord or rope; applied to the drying up of a channel, the closing of an investigation, and the breaking off of a friendship.

চিলমিলকৈ, *ad.* অলপকৈ (টোপনি,) gently, applied to slumber.

চুকনি, *s.* বচৰেকলৈ খাজানা দি মাটি লোআৰ নিৰ্বন্ধ, the sub-renting land by an under tenant.

চুটিয়াধেনু, *s.* কাঁৰ্ফাই ধেনু, a crossbow, or bow placed athwart a stock.

চুবুৰি, *s.* অনেক ওচৰাওচৰিকৈ সজা ঘৰ, গাঁও বা টাঙনি, কুৰি, a cluster of houses built in near proximity.

চুহ, *interj.* কোনো জন্তু খেদোআ মাত, a vocative; Shoo!

চেওমনি, *s.* হাতৰ এবিধ অলঙ্কাৰ, a large bead used to unite the several strings of a broulet.

চেতলেঙা, *a.* see ফেতলেঙা.

চেৰালগা, *a.* চই নিচই হোআ, গতি লগা, থিৰ হোআ, settled, determined, finally disposed of.

চেৰেলিবেৰেলি, *a.* লাঙলাঙ, থানথান, গোটগোট, scattered about in disorder.

চেলঙপেতেঙ, *s.* see চেলমেঠ.

জ

জক্‌জক কৰে, *ad.* অতিসই ৰূপে, (হাৰ ওলোআ,) exceedingly; applied to extreme emaciation.

জগমোহন, *s.* দঁলৰ আগত সজা ঘৰ, ক্রিষ্ণৰ এক নাম, a brick building attached to the front of a temple; a name of Khrishnu.

জমক, *s.* জঁক, খঙ্গ, জাঁই, ওসধিয় দ্রব্য বিসেস, wrath, rage, frenzy; a medicinal substance.

জায়ত্রি, *s.* জাইফলৰ সুকান ফুল, the aril of the nutmeg, mace.

জাউতিজুগিয়া, *a.* see জুগমিয়া.

জাত্রা, *s.* ভ্রমন, ফুৰা, জোআ, a journey, travel, a march; preceded by তির্থ, a pilgrimage.

জাত্রিক, *s.* পথুক, বাটৰুআ, জাত্রা কৰোঁতা, a traveller, a pilgrim.

জাম্বুবন্ত, *s.* ৰামৰ এক সৈন্য, ৰিখ্য ৰাজ, *Jambuwonto*, one of Rám's famous monkey generals.

জাৰুআ, *a.* জাৰৰ সমন্ধিয়, জাৰ কালিৰ; relating to or produced in the cold season.

জাৱতে, *ad.* জিমান পৰলৈ, সেই পর্য্যন্তে, while, as long as, until.

জিঙ্জিঙ্ কৰে, *ad.* সৰহিয়াকৈ, (কাঁইট,) greatly, applied to any pricking sensation.

জিঙ্জিঙ্গিয়া, *a.* বহু কাঁইট থকা, জিঙ্জিঙ্গাই থকা, pricking, annoying, irritating.

জুঁটিয়াৰ, *s.* see ডগিয়াৰ.

জুগুতাই, *v.* জুগুত কৰি, জোজা কৰি, জতাই, to make ready, to prepare.

জুতি, *s.* সোআদ, খোআ বা কৰাত ভাল, flavor, taste; with চাই, to taste.

জুধ, *s.* see জুঁজ.

জেপেটা, *a.* জেপেটি ধৰা, এঁঠাই ধৰা জেৰা, adhesive, sticky.

জোঁট, *s.* আউল, সুতা আদিত লগা গাঁঠি, a snarl, a tangle.

জোঁটাপুটি, } *s.* হাতে হাতে কৰা জুঁজ, আঁজোৰাআঁজুৰি, a scuffle, a
জোঁটাপোটা, } tumultuous broil or fight.

জোৰস্তাৰ, *a.* চহকি, অথি, আড়ম্বৰ, rich, wealthy, opulent.

## ট

টকুৰা, *s.* see টাকুৰি.

ট-টকৰে, *ad.* উর্দ্ব কৰে, প্রকাস ৰুপে, brilliantly, with twinkling.

টাৰহ, *s.* হাক, বাধা, নিসেধ, refusal, denial, prohibition.

টাক, *s.* see পাগমাৰি.

টিকটিককৰে, *ad.* অতিসই ৰুপে, বৰকৈ, (ৰঙ্গা বা খঙ্গ উঠা,) very, exceedingly; applied to redness, and anger.

টুকৰিয়াই, *v.* টোকৰ মাৰি, এটা আঙ্গুলিৰে মাৰি, to snap or tap with the fingers.

টুটাই, *v.* তাকৰ কৰি, কমাই, to cause to reduce, lessen or diminish.
টুটি, *v.* কমি, তাকৰ হৈ, টট পৰি, to lessen or diminish; applied also to the drying up of a stream.
টেপকৰে, *ad.* একে গৰাহে, বেগতে, (খোআ বা গিলা,) at one mouthful, at once.
টেলাই নকৰা, *s.* কান নকৰা, মন নিদিয়া, আওকান কৰা, the not giving ear, utter indifference.
টোকাপৰুআ, *s.* এবিধ পৰুআৰ নাম, a species of ant.
টোপালি, *v.* আসা কৰি, to watch for anything; to hope for.

ঠ

ঠলামুৰিয়াই, *v.* ঠলামুৰি মাৰি, চপৰাৰ ওপৰত কোৰ আদিৰে কোবাই, to slap on the head, to break clods of earth by pounding.
ঠান, *s.* see গৰ্ত.
ঠালৌৰ, *s.* ডাল আদি ভগা বা ফুটাৰ সব্দ, মাটৌৰ, a sharp sudden sound, as of anything bursting or breaking.
ঠুনুকা, *a.* অলপতে ভগা (পাত্র আদি,) brittle, easily broken; applied to earthen or glass ware.
ঠেন্ঠেন্মেন্মেন, *s.* দোকদোকদাকদাক, জৰ উঠিবলৈ কৰা গা বেয়া, in disposition of body, slight disease or illness.
ঠেলেঙ্গাঠেলেঙ্গ, *a.* ডালডাল, গোটে গোটে থকা বা পৰা, scattered about in confusion, thrown down in disorder.

ড

ডবহা, *a.* ডাঠ, মঙ্গহাল, thick, stout, fleshy.
ডালডলিয়া, *a.* সেৰেঙ্গা, পাতল, of loose texture, not dense, applied to cloth or braiding of any kind.
ডিঙ্গডিঙ্গিয়া, *a.* see ডিঙ্গৰিয়া.
ডেওপাৰনি, *s.* ধুম্রধুপালনি, হায়োবিয়ো, uneasiness, restlessness, excitement.

ঢ

ঢলকুচিয়াই, *v.* মৰিবলৈ কাপকাপ কৰি বা উসাহ টানি, to gasp for breath as when dying.
ঢুকি, *v.* সেপ গিলি, to swallow one's spittle; with পাই, to reach.

ত

তচৰ, *s.* see জগৰ.
তবাজ, *a.* see টটাটিঙ্গা.
তৰপ এৰোআ, *s.* গাৰ চাল এৰাই জোআ, মোট এৰোআ, the shedding

of the skin of the body or the bark of a tree.

তৰাঙ্গ, *a.* হাম, তৰ, shallow, shoal.

তৰ্ধান, *s.* see চুৰ্ত্তি.

তেলকঁলা, } *a.* মজলিয়া ৰবনৰ কঁলা, (মানুহ আদি.) olive colored;
তেলকঁলিয়া, } applied only to complexion

তেলচিকটি, *s.* তেলৰ চেকা, an oil stain.

তোম, *s.* তথালেৰে সেৰেঙ্গাকৈ বোআ পাত্ৰ, a contrivance made of loosely braided splints, lined inside with straw for holding or carrying grain &c.

দ

দঙ্গদঙ্গকৈ, *ad.* দিঘলকৈ, (খোজ কৰ্হা) উদঙ্গে, with long strides; immodestly.

দৰদৰকৈ, *ad.* নৰলা নচৰাকৈ, firmly, steadily, unwaveringly.

দলদোপ-হেন্দোলদোপ্, *s.* দলনি আদিত ৰবকৈ খোআ জোকাৰ, বহু লোকৰ সমাগম, the wave-like motion of a bog when agitated; hence *fig.* the swaying to and fro of a large crowd of people.

দলমঁৰা, *s.* দলনিত থকা এবিধ সৰু চৰাই, a species of small fish-bird.

দিঘলতি, *s.* চতৰ বিহুত গৰুক জোৰাই গা ধুআবলৈ নিয়া এবিধ গচ, a species of tree the twigs of which are used in the religious ceremony of the Hindoo in washing their cattle at the *sut* Bihú.

দুবাপিৰ্হিয়া, *a.* দুবা কাচৰ পিঠিৰ দৰে মাজ ওখ হোআ, ছুটুঙ্গা, concave.

দোআই, } *ad.* পুনৰ্বাৰ, দুনাই, again, repeatedly.
দোআবাৰ, }

দোঁ, *s.* ভিৰ, মেচ, লাচ, a bowing, a bend; with খাই, to bend, to curve.

দোভাচলিয়া, *a.* দোজিৰিয়া, কথা সলাই কোআ মিচলিয়া, double tongued, not true to one's promise.

ধ

ধনিয়া, *s.* মেমেধুৰ গুটি বা গচ, coriander seed and the plant (coriandrum sativum.)

ধিঙপিলিঙ্গা, *s.* ধিতিঙ্গা হৈ ফুৰা ডেকা, a young man who struts idly about.

ধুমধুপালনি, *s.* see ডেওপাৰনি.

ধুলি, *a.* ১০০ পৰাৰ্দ্ধ সংখ্যা, ten billions.

ধোঁআখোআ, *s.* ধঁপাত খোআ জতন, হোঁকা, the *Huka* or smoking apparatus for drawing tobacco smoke through water.

ধোদ, } *a.* একো বন নকৰা, বহি খোআ, এলেহুআ, unemployed, idle,
ধোদা, } slothful.

ধোদাইলাঙ্গ, *a.* জোখতকৈ ডাঙ্গৰ, বৰ সকত, (ঘৰ বস্তু আদি,) of extraordinary size.

ধোদোঙ্গা, *a.* সকত, ডাঙ্গৰ (গা বা মানুহ,) stout, large; applied to the body.

ধোন্দ, *s.* গচৰ খোৰোঙ্গ, তলে দি পানি জোআ বাট, a cavity in a tree; a fissure.

ন

নাইচোৰোকা, *a.* ওপৰলৈ নাই ওলোআ, having a prominent navel.

নিখৰ্ব, *a.* ১০ খৰ্ব সংখ্যা, a hundred thousand millions.

নিগৰাই, *v.* এটোপা নোহোআ কৰি, to pour off liquid from a substance.

নিৰামিস, } *s.* হবিস্য, মাচ মঙ্গহ নেখাই মৃতকৰ নামে কৰা লঘোন, ab-
নিৰামুহি, } stinence from flesh during a *shrádh.*

নিৰামুহিয়া, *a.* নিৰামুহি সমন্ধিয়, pertaining to the above.

প

পংক্তি, } *s.* স্রেনি, সাৰি, পটি, a row, a line, a path; *fig.* a pre-
পঙ্গতি, } scribed course of action.

পতিপাল কৰি, *v.* আপডাল কৰি, পুহি পালি, to nourish, to provide or care for.

পাকৈত, *a.* see পাৰ্গত.

পানিমৰলি, *s.* see মৰলিয়া সাপ.

পিৰি উঠা, *a.* ভেঁটি উচান হোআ, সপৰিবাৰে মৰি ঢুকুআ, utterly removed or cut off, as of the death of a whole family.

পুংমৈথুন, *s.* পুৰুসে পুৰুসে কৰা মৈথুন, sodomy.

পুংমৈথুনি, *s.* পুংমৈথুন কৰোঁতা, a sodomite.

পুজি, *v.* পূজা কৰি, অৰ্চনা কৰি, to offer in sacrifice, to worship.

প্ৰমাথ, *s.* see পৰমাৰ্থ.

ফ

ফঁপা, *a.* ঔসধে গুন ধৰা, taken effect, as of medicine.

ফাইপোআ, *a.* see চাহ পোআ.

ফাঁকিফুকা, *s.* চল, প্ৰবঞ্চনা, trickery, deception, imposture.

ফাৰ, *s.* দিঘ পথালিৰ সম জোখ, an average (in land measure,) with মাৰি, to strike an average.

ফালেঙ্গি, *a.* ফাঁকি দিয়া, চল কৰা, (মানুহ,) deceptive, trickish.

ফিন্দ খোআ, *a.* ওফন্দি পৰা, টনটনিয়া হোআ, inflated, swollen; tensely

drawn, as a skin over a drum head.

ফুচুঙ্গচুঙ্গ, } a. মিচা, বিফল, ভেচভেচিয়া, vain, futile.
ফোচফাচ,

ফুটিয়া, a. ফুট থকা, কোঁহেৰে, pulpy.

ব

বনজালুক, s. এবিধ ঔসধিৰ বন, a species of medicinal plant.

বার্ত্তাবিত, } s. see বুজবাজ.
বাত্রাবিত,

বিক্রিঙ্গবাক্রাঙ্গ, a. চন্দ গৰ্হ নাইকিয়া, কুৰূপ, বেয়া, ill looking, ugly.

বিঙ্গবিঙ্গবাঙ্গবাঙ্গ, s. বুবুজা মাত বা দোআন, unintelligible talk, gabble, jargon.

বিঙ্গবিঙ্গাই, v. বিঙ্গবিঙ্গ বাঙ্গবাঙ্গ কৰি, to talk unintelligibly, to gabble.

বিজলিকপাহ, s. বেয়া কপাহ, বাচ কপাহ, refuse cotton.

বেজিয়াখোঁক, s. ডিঙ্গি দিঘলিয়া মাচ খোআ এবিধ চৰাই, a species of fish bird.

বেজিয়ানাৰ, s. এবিধ সৰু মাচ, a species of small fish.

বোন্দাকাঁহ, s. ভাঁজ থকা কাঁহ, an inferior kind of bell metal.

বোৰহদিয়া, s. see বোকা দিয়া.

ভ

ভঁৰলু, s. বৰ নৈৰ পৰা ওলোআ সৰু সুঁতি, a small inlet from a large stream.

ভালুকিভলুকা, s. ডাঙ্গৰ বিধ ভলুকা বাঁহ, a species of large bamboo.

ভোকোৰা মাত, s. খঙ্গৰ কুচিত গালি, vile abuse.

ভোলোকাভোলোক, s. ভোৰোলা চাগলিৰ গাৰ গোন্ধ, the animal fetor of male goats.

ম

মগা, s. মাগন কৰা, দান খোজা, to beg, to ask alms.

মধক, s. মৌৰ কোঁহ, বহ ঘৰা, honey comb bee bread.

মৰগেক্সেলা, } a. মৰা প্রাই হৈ খিনোআ, wasted away, emaciated.
মৰচেৰেলা,

মৰিঅতি, a. ইকৰা আদি আপুনি সুকাই থকা, dead and dry as of wood and reeds.

মেজেঙ্গা, s. এবিধ সাক, a species of edible plant.

মেটোৰমেটোৰ, s. খোজ কাঢ়োঁতে ভৰিত উঠা সদ, a snapping noise of the ancle joints when walking.

মেনেকা, a. ধিৰ, মেটা, জুৰ, পাৰ্বতিৰ নাক, placid, serene; s. name

of the mother of Parboti.

মেৰ্মেৰ্কৰে, *ad.* ডাল আদি ভগাত বহু পৰলৈ উঠা সব্দ, with the noise of sudden breaking.

মেৰ্মেৰাই, *v.* মেৰ্মেৰ্ কৰ্, to make a breaking, crashing sound, as of the falling of a tree or heavy branch.

মেৰোক্মেদোক্, *a.* see ঠেঠৈন্ন্ মেন্মেন্.

মেলেকা, *a.* আঞ্জা আদিৰ পাগ নলগা, not well seasoned, unsavory.

মোটা, *s.* ৰাঁচ আদিত দিয়া সয়েকিয়া চিন, a mark on a weaving reed placed at every on hundred splints.

মৌপিয়া, *s.* সৰু চৰাই এবিধ, a species of small bird.

ৰ

ৰদকাঁচলি, *s.* ৰদ পৰা ঠাই, a sunny place.

ল

লাকলঙ্গিয়া, *a.* ৰজাৰ এবিধ খেলৰ, (মানুহ,) belonging to the *Laklong khel*, a division of people in the days of the Assam kings.

লাংখালিংখি, *s.* ই সি, লাকটি পাকটি, odds and ends.

লিঙ্গলিঙ্গনি, *s.* জোক আদিৰ গতি, লিলিয়নি, the tortuous motion of reptiles in crawling.

লিতকিত কৰে, *ad.* see লেতকেত কৰে.

লিৰিকালিৰিক, *a.* সৰু সৰু, (মাচ আদি,) very small, applied to fish and reptiles.

লুটুমটুমা, } *a.* লাটুম জেন ঘুৰনিয়া, round like a top.
লুটুমা, }

স

সঁচলিয়া, *a.* সত্যবাদি, সঁচা কোআ, truthful, mostly coupled with মিচলিয়া, and used in language of abuse.

সনা, *a.* মিহলি কৰা, লেটপেটোআ, ঘঁহা, mixed, smeared.

সনাই, *v.* মিহলাই, লেটপেটোআই, ঘঁহাই, সানত দিয়াই, to cause to be mixed, smeared or ground.

সয়েকিয়া, *a.* এসৰ, relating or belonging to a hundred.

সষ্ঠ, *a.* চই সংখ্যা পূৰক অঙ্ক, sixth.

সসোসিন, *a.* নিপুন, পার্গত, ভালকৈ জনা, skilled, accomplished, expert.

সহজোগি, *a.* একে লগে, একে আলচেৰে, all together of one accord.

সাউত্কৰে, *ad.* বেগতে, চোঁত কৰে, suddenly, with a rush or spirit.

সাওপাট, *s.* সৃজা বস্তুলৈ ইস্বৰৰ নিয়ম, ইস্বৰৰ কোনো আচৰিত কথা প্রকাস পালে দেখা লোকে সাওপাট বোলে, a law of nature, natural

instinct.

সাঙ্গি, *a.* একে ডাল কান মাৰিব দুমুৰে দুটাই লোআ, borne by a pole resting on the shoulders of two persons.

সিৰিয়া, *a.* সিৰ পতা বা থকা, cornered, having angles or corners.

সোঁৰৰ, *s.* ৰঙ্গা পাতেৰে এবিধ বৰ গচ, a species of the Indian fig tree.

হ

হুঁছআবেচা, *s.* চালৰ মুৰৰ বেচা, the last layer of thatch before covering the ridge.

হটঙ্গা, *a.* দিঘল ডাঙ্গৰ, very tall and large.

হটঙ্গাহটঙ্গ, *a.* সকত ডাঙ্গৰ, টঙ্গনাটিঙ্গন, ( হাৰ, ) brawny, large boned.

হব্হব্টক্টক্, *a.* সদাই আনন্দেৰে থকা, ever joyful, serene, placid.

হবৌহথৌ, *a.* see গেৰেউগেথেউ.

হাঁচিয়তি, } *s.* এবিধ ঔসধিয় বন, a species of medicinal plant.
হাঁচিয়া, }

হায়োবিয়ো, *s.* পৰৰ দুখ বা সুখ দেখি কৰা ডেওপাৰনি, excitement at witnessing another's adversity or good fortune.

হালধিয়া, *a.* হালধিৰ বৰনিয়া, yellow.

হেজেৰিয়া, *a.* হেজাৰৰ সমন্ধিয়, relating to a thousand.

হেনাহুঁচা, *a.* চলতিৰ দৰে নোহোআ, (মাত, ) corrupt, incorrect, applied to accent or pronunciation.

# ERRATA AND EMENDATIONS.

## অ

অ, is also used as a vocative; as অ বোপাই, O father!

অঁকিউআ, *a.* add to the Eng. def. *s.* the act of striping, marking &c.

অকরুনা, *a.* for কঠিন মন, read কঠিন মন হোআ.

অকুটিল, *a.* for অকপট, read অকপটি.

অক্রম, for *a.* read *s.*

অখাদ্য, *a.* omit বেহানি, in the Assamese def.

অচৰ্ধা, *s.* omit আমনি.

অগ্লৈকণ্ঠে, for *s.* read *ad.* Substitute for Eng. def. through the whole mouth and throat.

অতপালি, *s.* omit কবোঁতা.

অতি অলপ, for *ad.* read *a.*

অথনি, *ad.* for previous, read previously.

অথালিপথালি, *a.* for length and breadth, read transverse, across; with কৈ, *ad.* transversely, irregularly.

অনাআভুআ, for *ad.* read *a.*

অনিয়ম, add to the Eng. def. *s.* irregularity, lawlessness.

অন্তৰত, *ad.* add, at a distance from, separate from.

অপ্রিয়, *a.* for মৰম বেথা নাইকিয়া, read মৰম বেথা নলগা.

অফলাঅফলি, for *ad.* read *s.*

অবৈয়াল, *a.* add, unaccustomed to bear a burden.

অবিতি, *a.* read অবৃিতি, and add নচহা, খেতি নকৰা, uncultivated, waste.

অভিষ্ট, *a.* omit অভিৰুচি.

অর্ঘ, *s.* omit আসা এৰা.

অর্ধ, *a.* omit the comma between সমানে, and এফাল.

অলম, *ad.* read *s.* see আলম, and the Eng. def.

অৱস্য, *a.* for ঠিক কথা, read ঠিক.

অসঞ্চাৰ, for *s.* read *a.* add, not to be seen or found, very scarce.

অসন্তুষ্ট, *a.* for বেজাৰ, read বেজাৰ পোআ.

অহর্নিস, *ad.* read অহর্নিসে, and খন্তিখন নাইকিয়াকৈ.

অহোপুৰুসাৰ্থ, *ad.* read অহো পুৰুসার্থে.

## আ

আইচদেউতা, *s.* read আইচু দেউতা.

আওঘটনা, *s.* for দুঘটনা, read দুৰ্ঘটনা.

আওহোআ, *s.* for আওহাই, read আওহাই খোআ.

আঁচুউআ, *s.* for আচমন কৰা, read আচমন কৰোআ.

আঁচুৰিপিঁচুৰি, *v.* for আঁচোৰা, read আঁচোৰ মাৰি, used also adverbially.

আঁচুৰি, *v.* for আঁচোৰা, read আচোৰ মাৰি, for মুৰ ফনিউআ, read ফনিয়াই.

আহু, *s.* read আঁহু.

পাহুচোঙ্গাই, *v.* for আঁহু চপৰাই মান কৰা, read মানেঃৰে আঁহু চপৰাই.

আঁহিয়া, *a.* for গোৰু, read গোৰ্কোআ.

আকচা, for *s.* read *a.* for আকোৰ্গোজা, read আঁকোৰ্গোজা.

আগ কৰি, *v.* for সাখ্যাত কৰা আদি, read কৰি.

আগচি ধৰি, *v.* for ভেটি ধৰা, read ভেঁটি ধৰি, for জাব নিদিয়া, read জাব নিদি.

আগবৰ্হাই, *v.* read আগ বৰ্হাই থৈ বা আনি, আগ ভাগ কৰি.

আগালি, *s.* add the top or upper portion of a shrub, branch, tree &c.

আচৰাআচাৰি, *v.* for ঠেকেচা ঠেকেচি, read থেকেচা থেকেচি.

আচাৰ, *s.* আস্ফাল, a slap, a stroke, a forcible dash.

আচাৰখাই, *v.* read for def. পিচলাখাই, and লেটামুৰি খাই.

আজৰিয়া, for *ad.* read *a.*

আজিকালি, for *ad.* read *s.*

আটিমুটি, for *v.* read *s.* gesticulation, speaking by signs.

আতুলি, for *v.* read *s.* retching, gagging.

আপ্লাবন, for *a.* read *s.*

আমনিউআ, for *v.* read *s.* the being satiated, surfeited, disgusted &c.

আমন্ত্ৰিত, for *s.* read *a.*

আমুআই, *v.* for আমনিউআ আদি, read আমনিয়াই, অনিচা হৈ, বিৰক্তি লাগি.

আমোদ, *s.* হস, read হৰ্স.

আমোলাই, *v.* for বিসান লগা, read বিসান লাগি, for নিৰাস দেখুআ. read নিৰাস দেখুআই.

আয়তন, for *a.* read *s.*

আৰনিপুৰনি, for *s.* read *a.*

আৰুবেলিলৈ, for *s.* read *ad.*

আবৈয়া, *a.* omit মুদাই.

আলধৰা, *s.* for কিঙ্কৰ, spell কিঙ্কৰ.

আলাসতে, for *s.* read *ad.* মাটিত নলগা, read মাটিত নলগাকৈ.

আলৈপালৈ, *s.* for বন্ধ, read বন্ধু.
আসাৰচাৰেক, *a.* a comma omitted after গোটাচাৰেক.
আস্বাসবিস্বাস, *s.* omit পতিউআ.
আসুমি, *a.* omit the comma between the words আসুম, and সম্বন্ধিয়া.
আহোমবগৰি, *s.* omit the comma after আহম.
আহ্নিক, *a.* omit the comma after দিনে দিনে.

ই

ইচ, *interj.* omit the comma after উপলক্ষ্যে.
ইন্দ্ৰায়ুধ্য, *s.* read ইন্দ্ৰায়ুধ.

উ ঊ

উখলমাখল, for *ad.* read *s.* bustle, hurry, haste.
উধাই, *v.* for গঁপাই, read গপাই, to boast, to vaunt.
উপগৰু, *s.* read উপগুৰু.
উভ, *a.* for থিয় ঘৰ, read থিয়.
উম, for *a.* read *s.* warmth, gentle heat as of the body.
উৰিপুৰি, *v.* alter the Assamese def. to থানথিত নাইকিয়াকৈ ফুৰি.
উৰ্বৰা, *a.* omit মাটি, and substitute, fertile, arable.
উলমুলাই, *v.* for মনত ৰঙ্গ লগোআ আদি, read মনত ৰঙ্গ লগাই, চুকচুকাই.
উলাই, for *v.* read *s.* and substitute the Eng. def. for detraction, reviling, the treating with disregard or contempt.

এ

এইলেখিয়া, for *ad.* read *a.* often written এইলিখিয়া.
এঁকাল, *s.* for আকাল, read আঁকাল.
এঁটাহ, *s.* for চিয়ৰ, read চিয়ঁৰ.
এঠাই, *v.* read এঁঠাই, for আঁঠা লগোআ, read আঁঠা লগাই, কঁৱাল দি.
একান্ত, *a.* omit সৰ্ব্বদাই, add fixed, undivided as of the mind.
একোটা, *a.* omit এটা.
এচাল, *s.* read one quarter, one direction, এচালে, *ad.* in one quarter &c.
এনেতেনে, *ad.* omit the comma between এইৰূপ, সেই ৰূপ.
এফাল, *a.* for দুভাগ, read দুভাগৰ এভাগ.
এয়েই, *pron.* for এয়েই, read ইয়েই.
এহতিয়া, for *ad.* read *a.*

ও

ওদাইদাৰি, *s.* a comma omitted between গৰাকি, and কৰ্ত্তা.
ওনা, *s.* add to Eng. def. as much rice as is parched or pounded at once.

ঔ

ঔ, add to the Eng. def. an interjection of calling, ho! what!

ক

কঁকিলাদাঁৰ, *s.* read কঁকিলা দাৰ.

কঁপালি, *a.* add সুভাগ্য, fortunate.

কঁপি, *v.* for কঁপ, in def. কম্পি.

কৰিয়া, *s.* read কঁৰিয়া.

কচ্‌কচনি, *s.* add irritation, an itching sensation.

কঠাকঠ, *a.* add very many, abundant.

কতুৰা, *ad.* read কঁতুৰাত, for কঁতৰা, read কঁতৰাত.

কনিকনি, *a.* read কনিকৰি.

কমনিয়াই, *v.* in the Assamese def. for ফুৰা, হোআ, লগা, read ফুৰি, হৈ, লাগি.

কৰপ, *s.* add filth, squalor.

কঁৰ্হাৰ, *ad.* for, from what place, read of what place.

কৰ্হাৰকোনোবা, for *ad.* read *s.* *i.e.* somebody of some unknown place.

কৰ্হোআ, *s.* omit the second Eng. def.

কলকৰান, *s.* omit the comma after মাঁফৰ.

কম্প, *s.* for Brohmo, in the Eng. def. read Brahmá.

কলি, *s.* add to the Eng. def. a knob; also দিঘল তিনি চুকিয়া কানি, a gusset.

কৰচ, *s.* read কৱচ.

কাঁচি, *v.* for আঁক দি কটা, read আঁক দি কাটি, add *a.* not well curdled, applied to milk curds.

কাটলুআ, *a.* read কাঁটলুআ.

কাক্‌ৰা, for *ad.* read *pron.* the Accusative of কোনবা, somebody.

কাঠকঠুআ, *a.* omit the last Eng. def.

কানসমনিয়া, for *v.* read *a.*

কানি, *s.* add কনা তিৰোতা, a blind woman.

কানিয়া, for *v.* read *a.*

কুঁহুম, *s.* read কুহুম.

কেনি, কেনিও, কেনিবা, these three words are adverbs.

কৈ, *v.* add, কথন কৰি, বুলি.

কোকানলে, *s.* read কোকানল.

কোটি, for *v.* read *a.*

ক্রিস্ক, *s.* for কলা, read কঁলা.

খ

খগজা, for *s.* read *a*; for অনভ্যাস, read অনভ্যাসি.

খদখদিয়া, for *ad.* read *a.*

খনি, *s.* used also as an affix, expressing diminution or affection, as মুখ খনি, dear little face.

খৰচি, *a.* for ব্যই, read ব্যই কৰা.

খৰম, *s.* omit the comma between কাঠৰ and পাদুকা.

খৰলিয়া, for *s.* read *a.*

খর্ব, for *v.* read *a.*

খাকৰ, খাকৰু, খাৰি, read thus, খাকৰ, খাঁকৰু, খাৰি.

খাস্কৰি, *s.* read খান্দৰি, and omit the last Assamese def.

খাপ, *s.* omit the last Eng. def.

খাৰুআ, *s.* add হালপতা, a thin piece of metal.

খিচিৰাই, for *v.* read *ad.*

খিৰসাগৰ, *s.* for hindoo, read Hindoo, (capital H.) and so throughout the book.

খুকুন্দা, *s.* read খুকুন্দা.

খুকুৰা, *a.* read খুঁকুৰা.

খুঁচি, for *s.* read *v.*

খুজি, *v.* for জাম্নাকৰ, read জাম্না কৰি.

খেকাউৰি, খেকাৰ, খেকেটিয়া, খেতৰ, খেতৰসাইজ, খেতৰি, these six words are without the nasal sign.

খেলকৰ, *s.* add, the turning a matter over in the mind, forecaste.

খোক, খোকাপতা, খোচৰ, these three words are without the nasal sign, and খোঁচৰ is an adjective.

খোহা, *s.* omit the comma between জোৰা and দিয়া.

গ

গ, add to the Eng. *s.* haughtiness, contempt, scorn.

গকাৰ, *s.* for গবন, read গ বর্ন.

গচকা, *a.* for খোজ পৰ, read খোজ পৰা.

গচোআ, *a.* add made over, or *s.* the making over to another at a fixed valuation.

গণ্ড, *s.* for গঁৰল, read গৰল.

গনপতি, *s.* omit the first Eng. def.

গপাই, *v.* omit আবুৰকৈ.

গপি, *v.* for বিবেচনা কাৰি, read বিবেচনা কৰি.

গমগমিয়া, *a.* for ভয়ঙ্কৰ, read ঘোৰ.
গহন, *a.* for নিৰিভবন, read নিবিৰ বন.
গহ্বৰ, *s.* for গম্ভিৰৰ, read গম্ভিৰ; for পৰ্ব্বতৰৰ গুহা, read পৰ্ব্বতৰ গুহা.
গাধ, *s.* omit ভাৱি.
গুৱা, *s.* read গুআ.
গুচি, *s.* add নষ্ট হৈ, বেয়া হৈ, to be spoiled, to become bad.
গুচুআ, *a.* add spoiled, become bad.
গুটিভঁৰাল, *s.* for গটি read গুটি.
গুৰা, *s.* add any powdered or pulverized substance.
গেঙেৰি, *s.* read, the act of snarling or showing the teeth.
গেলোৱা, *s.* read গেলোআ; for গেলিবলৈ, read গেলিবলৈ দিয়া.
গোগোঁআই, *v.* read গোঁগোআই.
গোৰাচিপাহি, গোসানি, গোহাই, these three words lack the nasal mark.
গো, *s.* for মূৰ্খ, নজন, read মূৰ্খ, নজনা.
গোখুঁৰা, *s.* read গোখুৰা.
গোজিৰা, *s.* for palate, read uvula or soft palate.
গোটখাই, *v.* for একে লগেই, read একে লগ হৈ.
গোলা, *s.* omit the last two Eng. def.
গোৰচনা, *s.* read গোৰোচনা.
গোলাপিজাম, *s.* for ঘানেৰে, read ঘ্ৰানেৰে.
গৌৰ, *s.* omit the comma after হালধিয়া.
গ্ৰহশান্তি, *s.* read worship designed to propitiate the planets.

ঘ

ঘচাল, *s.* omit the comma after টৈগ.
ঘটা, *a.* add overcome, defeated, conquered.
ঘটাই, *v.* for হৰুআই, read হঁৰুআই, and add to defeat, to conquer.
ঘণ্টা, *s.* add a comma after বিসেস.
ঘাটি, *s.* add *v.* to be defeated.
ঘাটোআল, *s.* misprinted, আটোআল.
ঘৰন, and ঘৰনিয়া, read ঘূৰন, ঘূৰনিয়া.
ঘোঁচ, *s.* read ঘেঁচ.
ঘেচাল, *s.* read ঘেঁচাল.
ঘোসক, *s.* for দোস দিওতা, read ঘোসনা কৰোঁতা.
ঘৃত, *s.* add ghee.

চ

চই, *a.* omit আসক্ক.

চঁক, চঁক ধৰা, চঁক, of these three words omit the last, connecting its Eng. def. with the second word used as an adjective.
চচা, *a.* lacks the nasal sign. ँ
চঁয়া, *s.* add an illusion.
চক, *s.* omit the comma after ভৰোআ.
চকুপোৰা, *s.* for চকু চহৰা, read চকু চৰহা.
চতুৰ. *a.* read shrewd, cunning, sharp.
চতুৰালি, for *a.* read *s.* shrewdness, sharpness, cunning.
চপা, *a.* add approached; *s.* the act of approaching.
চমৰা, *s.* omit the ँ over গোঁৰাই, also the comma after সুকুআ.
চায়া, *s.* for চাৰ নিচিনা, read চাঁৰ নিচিনা.
চাকি, *v.* add চাকনি আদিত সৰুআই, সুধ কৰি, চেই.
চাকৈ, *ad.* misprinted চাগৈ.
চাটিফুটি, *s.* read restlessness, tossing about, inquietude.
চাৰ, *s.* add তেল পেৰা তল কাঠ, বহুনা, the lower part of an oil press.
চিটিকা, *s.* add a bounding or flying off.
চিপ, *s.* for খোআ, read সোআ.
চিয়া, *s.* omit the Assamese আগ সৰু.
চিৰিকা, *a.* for খদ, read খুদ.
চুকমিয়া, read চুকনিয়া; for *s.* read *a.*
চুচুকচামাকৈ, for *a.* read *ad.*
চুঁটি, *a.* add *s.* speed, applied to quadrupeds.
চেচনি, *s.* read চেঁচনি.
চেঁকুৰিয়া, for *v.* read *a.*
চেচেৰাপোৰা, *a.* read চেঁচেঁৰা পোৰা.
চেপেনা, *s.* omit the comma between চেপা মাৰি ধৰা, and যন্ত্ৰ.
চেফেৰা, *a.* omit the last Assamese def.
চেলমেঠ, *s.* for সাতি, read সাঁতি.
চোঁচা, *s.* for চচি নিয়া, read চুঁচি নিয়া.
চোঁচামাৰি, *v.* for অতি সিঘ্ৰে, read অতি সিঘ্ৰে ৈগ বা আহি.
চোতালবাঘ, *s.* read চোঁতাল বাঘ.
চোৰৰ, *s.* read চোঁৰৰ; for চুৰবি, read চুঁৰবি.
চোঙাই, *v.* a comma omitted after বান্ধি; for দি থকা read দি থাকি.
চৌ, for, ফেটোআ, read ফেঁটোআ, used also in setting on dogs.

জ

জইন, for *ad.* read *s.*

জইঘঁটা লৰা, for *s*. read *a*.

জকাল, জকিউআ, জটিয়া, জতৰি, জতৰিফেটি, জঁপিয়াই, these six words are printed without the nasal sign ँ.

জগোআ, *s*. read, the act of awaking or causing to awake.

জজমান, *s*. for জি জজনে কৰাই, read জি জজন কৰাই.

জৰা, *s*. omit old age in the Eng. def.

জৰি, *s*. add *v*. নিজৰি, টোপাটোপে পৰি, to ooze, to percolate, to drip.

জহোআ, *a*. add egotistical, self conceited, boastful.

জাঁও, omit জাৰ খোজা.

জাঁটলি, *a*. for কুটকৰা, read কুটক্ৰা.

জাপ, জাপতজাপে, জাপ মাৰি, these three words require the nasal.

জাগ, *s*. add the application of smoke to ripen fruit or drive away musquitoes.

জান্, *s*. add the knee.

জ্কলিজ্পৰি, for *s*. read *a*.

জোৰা, *s*. add to the Assamese জোৰ.

ঞ

ঞ, read ঞ.

ট

টাৰ, *s*. টাৰি *s*. read টাঁৰ, টাঁৰি.

টিকটিকাই, *v*. substitute in the Assamese def. জেঠিএ বা সক মাৰিবে টিক্টিক সব্দ কৰি,

টেঙ্চিয়াই, *v*. add to halt.

টেটোনটামন, *a*. for টেধৰ, read ঠেধৰ.

টোটোৰা, *a*. for সেৰেলা, read লেৰেলা.

টোপ, *s*. omit the comma that divides the Assamese def.

ঠ

ঠাকঠিক, *a*. for নিয়মত, read নিয়মিত.

ঠুটি, *s*. omit the comma between নিচেই and দাঁতি.

ঠোটা, *s*. for ঠোঁটত নিয়া, read জিবা চুঁটি, বা মাত দোবোল নোখোআ.

ঢ

ঢ, in Assamese def. omit the comma between জোখা and জোখ.

ঢপলা, *a*. omit দন্দত মৰা চাপৰ.

ঢলখাই, *ad*. for আটাইবোৰ read জাকে জাকে.

ঢলাই, for *a*. read *v*.

ঢলি, for *a*. read *v*. substitute for Eng. def. to lean, to incline.
ঢেঁৰা, *s*. for the last Assamese and Eng. definition read ঢেপা, আটিল নোহোআ, flabby, flaccid.
ঢেলাচকুআ, *a*. for Assamese def. read চকুৰ বগা ভাগ ডাঙ্গৰ হোআ.
ঢোৰা, *s*. omit the last Assamese def.
ঢোপোকা, for *s*. read *a*.
ঢৌঢৌকৰে, *ad*. for Assamese def. read বৰকৈ আৰ বেৰ ন থকা.

ত

তথাপি, *ad*. misprinted for তত্রাপি.
তত্ত্বগ্যান, *s*. substitute for Eng. def. the knowledge of first principles.
তদপি, for *ad*. read *conj*.
তনু, *s*. as an adjective read thin, not close together.
তৰঙ্গনি, *a*. omit পানি, in Assamese def.
তৰা, *s*. add a species of plant, deliverance, escape.
তলা, *s*. add সঁচাৰ, to Assamese def.
তলাতল, *s*. add to the Assamese def. হিন্দু মতে ত্রিতিয় নৰক.
তালমৰি, *v*. omit the last two Eng. def.
তাহাতে, for *a*. read *ad*.
তিতাফল, *s*. omit comma after medicinal.
তিলক, *s*. for an mark read a mark; omit the last two Eng. def.
তুতুআই, *v*. for দিম দিম বুলি নিদিয়া, read দিম_দিম বুলি নিদি.
ত্রিপ্তি, *s*. for তুষ্ট, read তুষ্টি.

থ

থমকি, *v*. for বৈবৈ, read বৈ থাকি.
থাক, *s*. omit the last three Assamese def
থাপি, *v*. add to pat, to make compact.
থেকেৰনেকেৰ, *ad*. read থেকেৰ্নেকৰ্কৈ.
থেৰেহা, *a*. add unsettled, as of an investigation.
থোৰ, *s*. omit the comma after থুৰিউআ, in Assamese def.
থোহমোহ, for *s*. read *a*.

দ

দতাল, in Assamese def. omit ডাঙ্গৰ.
দখিনা, *s*. for কম প্রতিস্টা কৰা দান, read কর্ম প্রতিষ্ঠা কৰা দান.
দখিনিয়া, for *s*. read *a*.
দণ্ডনিয়, দণ্ডার্হ, } *a*. omit the comma between শাস্তিৰ and. জোগ্য.

দন্তা, *a.* enclose আখৰ in brackets.

দন্দবান্দ, } *s.* for থোটা মোজা, read ঠোঁটামোজা.
দন্দাবন্দা, }

দনা, for *a.* read *s.*

দমলাদমলি, for *s.* read *a.* for Eng. def. read having numerous blotches or swellings.

দৰমহা, *s.* for মাহিলা, read মাহিলি.

দলমাদলমি, for *ad.* read *a.*

দলিয়াদলি, *v.* read দলিয়াদলি কৰি.

দসমাংস, for *a.* read *s.*

দসা, *s.* omit last Assamese def. কাপৰৰ দহি.

দাউনি, *s.* omit female in Eng. def.

দানসাগৰ, for *a.* read *s.* for the two first Eng. def. read a kind of Hindoo alms-giving.

দিঢ়া, *a.* omit the last two Assamese def.

দুধাৰ, for. *a.* read *s.*

দুৰৰি, *s.* add to the Assamese এবিধ ধান.

দুজই, *a.* read দুৰ্জই, in def. for দুৰ ডাঙ্গৰ, read বৰ ডাঙ্গৰ.

দোলাই, *v.* omit the last Assamese def.

দ্রুত, *v.* for Assamese def. for বেগ, read বেগি.

দ্রোন, *s.* omit দোন, add Drun, a sage of King Durjudhon.

ধ

ধনুআ, *a.* add to the Eng. *s.* a paramour.

ধমাধম, } for *a.* read *s.* omit বৰকৈ.
ধুমাধুম, }

ধৰম, } *s.* add *a.* holy, sacred.
ধৰ্ম, }

ধুনা, *s.* omit এঁঠা এবিধ, add to Eng. *a.* soundly beaten.

ধুনি, *v.* add to Eng. to beat severely.

ধুপুৰি, *s.* omit at in the last Eng. def.

ধুমাধুম, omit the word. see ধমাধম.

ধুম্র, *a.* for ধুআবৰনিয়া, read ধোঁআ বৰনিয়া.

ধেমেলাধেমেলি, for *a.* read s.

ধুৰুব, *a.* read ধ্রুব.

ন

ন, add to Eng. def. new, nine.

নখ, *s.* add the spur of a mountain.
নৰানি, *s.* add a woman of the Nora race.
নাগ, *s.* omit হাঁতি, in Assamese def.
নাচনি, *s.* add এবিধ পৰুআ.
নাৰি, *s.* for *fem.* of লৰ, read fem. of নৰ.
নিচিদ্, *a.* for অসুধ নকৰা, read খতি নকৰা, add unceasing.
নিচুৰিয়া, *a.* enclose অৱস্থা বিসেস, in brackets.
নিজাৰপৰা, *s.* omit উবাৰ হোআ, এঁটোআ.
নিবিৰ, *a.* for অঘাধ্য, read অঘাইত, for গম্ভিৰ, read মোট মৰা.
নিয়াৰি, *s.* for আৰ নথকা, read আঁৰ নথকা.
নিৰঞ্জন, *a.* omit the last three Assamese def.
নিৰহনিপানি, *a.* add *fig.* applied to a miserly person.
নিৰুপন, for *a.* read *s.*
নিৰ্দোস, for *v.* read *s.*
নিৰ্বিকাৰ, *a.* for immovable, read immutable, uniform.
নিসা, *s.* omit হালধি, and the Eng. def. turmeric.
নেকনেকিয়া, *a.* for গধুৰ ভাৰ, read গধুৰ, heavy applied to a burden or to rain.
নেচেল, for *a.* read *ad.*

## প

পইৰাদিয়া, *s.* for খুৰা দিয়া, read পাত্রাদিৰ তলিৰ কান লগোআ, the affixing a base.
পয়া, *s.* lacks the nasal sign.
পকা, *a.* add চুলিআদি বগা পৰা.
পথ্য, *s.* add *a.* wholesome, salutary; omit বস্তু.
পটুআ, *s.* for Assamese def. read কটা কলা গচৰ বথুআ.
পদ, *s.* add in gram. an inflected word, an article of property.
পদাৰ্থবিদ্যা, *s.* for সিষ্টি read সৃষ্টি.
পদাৰ্পন, *s.* for খোজ দিয়া, read খোজ দিয়া, add কৰমত নিজুক্ত কৰা.
পদ্ম, *s.* add সংখ্যা বিসেস, ten billions.
পৰা, *a.* add plucked or picked off, as fruit from a tree.
পৰাৰ্দ্ধ, for *s.* read *a.* omit the second Assamese def.
পৰিখিত, *s.* for পোৰোহিত, read পৰিখ্যা পোআ বা কৰা, omit priest.
পৰিতুষ্ট, *a.* for সন্তোস, read সন্তুষ্ট.
পৰিধি, *s.* omit the last Assamese def.
পৰিপক্ক, *a.* add mature, accomplished.

পহৰিয়া, *s.* add a watchman, a sentinel.

পৰিস্কিত, *a.* read পৰিস্কিত.

পৰেপকাৰি, *a.* read পৰোপকাৰি.

পাকৈটোঁৰা, *s.* cut out দোন কাক, substitute for Eng. def. the Hornbill.

পাগুলি, *v.* alter Assamese def. to খোআ ঘাঁহ আদি পেটৰ পৰা উলিয়াই চোবাই.

পাচধৰা, *s.* omit সাও বিসেস, and the Eng. def. a curse.

পাণ্ডু, *s.* before the last Eng. meaning for *s.* read *a.*

পাত্ৰ, *s.* add ৰজাৰ মন্ত্ৰি বিসেস, জোগ্য, a minister of state.

পাৰলি, *s.* add a dark grey color.

পাৰি, *v.* add to the Assamese def. সাৰি.

পাহ, *s.* omit the last Eng. def. dice.

পাহকটা, *s.* for carving, sculpture, read the notching of a border.

পিক, *s.* omit the last Assamese def. কুলি চৰাই.

পিপলিয়া, for *v.* read *a.*

পিপাসি, *a.* omit জন.

পিয়ল, *s.* add to the Eng. enrolment.

পিয়াহ, *s.* for ত্ৰিসাঁ read ত্ৰিসা.

পিয়াহলগা, *a.* for ত্ৰিসাঁতুৰ, read ত্ৰিসাতুৰ.

পিৰ্কতি, *s.* for last Eng. def. read the edge of the eyelids.

পুং, omit লোন আদিৰ ভুমুক, (see পুঙ্গ.)

পুত্ৰপৌত্ৰাদি, for *a.* read *s.*

পুন্য, *s.* add righteousness.

পুন্যকৰ্ত্তা, *s.* add পুন্যবস্তু কৰাওঁতা.

পুৰা, *s.* add *a.* full, complete, entire.

পুৰন্দৰ, *s.* add অসম দেসৰ সেস ৰজাৰ নাম.

পুৰ্পুৰকৰে, *ad.* omit লাহে লাহে.

পুৰিয়া, *a.* add *s.* a small packet of vermillion, medicine &c.

পুকস, *s.* in Eng. def. for ওপৰ পুকস, read উপৰি পুকা.

পুৰ্নঅৱতাৰ, *s.* in Eng. def. for a Nor King, read Nor Hingho.

পুলুকা, *a.* omit লুকুআ, add ডোল আদিৰ বন্ধনৰ পৰা এৰোআ.

পস্পোদ্যান, *s.* read পুস্পোদ্যান.

পেঁপুআ, *s.* for বিমোহ, read বিমোৰ.

পেটা, *a.* add used in *comp*; as দিঘল পেটা, long bellied, আপোন পেটা, greedy.

পেন্‌পেনিয়া, *a.* omit পানি আদিৰ উথলা, add whimpering.
পৈত্রিক, *a.* omit অনেক পুৰুসিয়া.
পোআ, *s.* read পোঁআ.
পোকৰটনা, *s.* for কপঙ্গ, read কপিঙ্গ.
পোন, *a.* omit প্রথম.
পোনা, *s.* add a term of affectionate address to very small children.
পোর্পোৰকৰে, *ad.* omit চৰ্চৰ, কৰে.
পোলা, *s.* add a bundle; for কোঁচা, read কোচা.
পোহদিয়া, *s.* alter Assamese def. to পুৰনি দৈ গাখিৰত এঁওআ গাখিৰ দি থকা; and omit daily in Eng. def.
প্রতিখ্যন, *ad.* omit the last two Assamese def. and the last Eng. def.
প্রতিষ্ঠা, *s.* add consecration ( as of an image. )
প্রত্যখ্যপ্রমান, *s.* for the last Eng. def. read, self evidence.
প্রদেস, *s.* omit এক খণ্ড.
প্রবল, *a.* for বৰ বল read বৰ বলি.
প্রবেস, *s.* omit আহি পোআ.
প্রসুতা, *s.* omit the first Eng. def.
প্রস্তাও, add বেলা বা সময়.
প্রস্থ, *a.* omit পোহা.
প্রিয়, *a.* omit স্বামি.
প্রেতনদি, *s.* for hindoo styx, read Hindoo Styx.

ফ

ফইদা, *s.* omit লাভ, and its Eng. def. advantage.
ফঙ্গ্‌ফঙ্গিয়া, *a.* for daylight, read, clear, translucid.
ফা, *s.* omit আলু আদিৰ ঠেঙ্গুলি, and its Eng. def. a root branch.
ফাঁকৰ, *s.* omit the first Bahuki in Eng. def.
ফর্ফৰিয়া, *a.* for সকান ঠাই, read সুকান.
ফর্ফৰোআ, *s.* for চেৰ্চেৰোআ, read চেকচেকোআ.
ফলি, *s.* add an instrument through which wire is drawn.
ফলিয়া, *a.* omit কান্ধুলি মাচ.
ফিচাহিনি, for a ill-favored woman, read an ill-favored woman.
ফুকুউআ, for *s.* read *a.*
ফুটা, *a.* add a perforation.
ফেঁটি, omit the last Assamese def.
ফেকাম, *s.* add a cloth screen or partition.
ফেকামজোৰা, for *s.* read *a.*

ফেচেকা, *a.* in Assamese def. insert তামোল, in brackets.
ফেটেঙ্গা, *a.* for ভেতলেঙ্গ, read ফেতলেঙ্গা.
ফেৰিয়া, *a.* omit the first Assamese def.

ব

বঁহিয়া, *a.* add to the Assamese def. হাঁখকুআ পৰা.
বখলা, *s.* add a slab.
বঙ্গলা, *s.* omit the last Assamese and Eng. def.
বচৰ, *s.* omit সাল.
বচা, *a.* for অচম দেসৰএক চহৰ, read কাঁবিৰ এখেন মানুহ, omit the last Assamese def.
বচোআল, *s.* in Assamese def. for চুৰিয়া read মেখা, in Eng. def. for waist cloth read skirt.
বজ্রপানি, *s.* for বজ, read বজ্র, cut out কির্পিন, কঠিন, and its Eng. def. a hard miser.
বজ্রময়, *a.* read বজ্রময়.
বজাঘাত, *s.* read বজ্রাঘাত. for বজ মৰা read বজ্র মৰা.
বটা, *s.* add সৰু চৰাই এবিধ, a quail.
বনুআ, *a.* for বন কৰা জন, read বন কৰা, laborious.
বৰজি, *s.* omit comma between জনি and চোআলি.
বৰটি, *s.* cut out ডাঙ্গৰ টি, and write বৰটি, with a circumflex over the ব.
বৰ্নমালা, *s.* } these two words are printed together by mistake.
বৰ্নাই, *v.* }
বল, *s.* omit সেনা.
বসুদেৱ, *s.* for Bahoodeo read Bohudeu.
বহখোআ, for *s.* read *a.*
বহুদৰ্সি, *a.* omit লোক.
বাউলি, *a.* for বলিয়া উঠা ডিবোতা, read বলিয়া উঠা, (ডিবোতা.)
বাঁকি, *s.* omit থকা.
বাঁজি, *a.* insert মাইকি, in brackets.
বাকচতুৰ, *a.* omit &c. in Eng. def.
বাঙ্গকৰা, *a.* omit আশ্বা.
বাঞ্চনিয়, *a.* for last Eng. def. read wished for.
বাটি, *s.* add *v.* to twist (as of a cord.)
বান, *s.* for পাচৰ সংখ্যা, read পাচৰ সংখ্যা.
বানি সুতা, *s.* for তাতত বোআ, read তাঁতত বোআ.

বাপুটি, *s.* omit এজন বামুনৰ সম্বোধন.
বাপুদেউ, *s.* add to Eng. def. used to brahmin only.
বাপেক, } *s.* omit the def. an ejaculation of surprise.
বাপেৰে,
বাপ, *s.* for the two last Assamese def. read পিণ্ড দিয়া কাপৰৰ দহি. Eng. def. thread from the fringe of a cloth, given at a shradh, in honor of the dead.
বাহৰ, *s.* omit সৰ্হিয়া.
বাহি, *a.* omit বস্তু, in the second Assamese def.
বাহিগা, *s.* for সেই দিনা নোধোআ গা, read নোধোআ গা.
বিক্রিত, *a.* omit the last three Eng. def.
বিজোগ, *s.* add preceded by প্রান, death, dissolution.
বিদা, *s.* used for বিদায়, which see.
বিনন্দবিলাস, *s.* omit the last Assamese def.
বিন্‌বিনাই, *v.* omit থকা, in Assamese def.
বিনাসি, *a.* omit চুকাই.
বিভঙ্গ, omit হাত ভৰি নৰলোআকৈ মৰাৰ দৰে পৰি থকা.
বিয়থ, *a.* read বিয়ৰ্থ.
বিয়েঁবাজি, *a.* omit তিৰি, and write মাইকি in brackets.
বিৰ, *s.* for চুলি কোঁচা কোঁচ্‌কৈ ফালি ওকনি চোআ, read চুলি আদিক দুভাগকৈ ফালি বাট উলিউআ, add, a division or parting, applied to the hair, to dense jungle, or to a crowd of people.
বিৰা, *s.* add, a pointed splint of bamboo for carrying unthreshed grain, an imaginary water demon.
বিলাত, *s.* omit the last Assamese def.
বিহুআ, *a.* add, a species of bird.
বুকু, *s.* omit the last Assamese def.
বৰ্বুৰিয়া, বলনি, বলনি কাপৰ, বলনি ঘৰ, বলনি চঁৰা, these five words are misprints for বুৰ্বুৰিয়া, বুলনি, বুলনি কাপৰ, বুলনি ঘৰ, বুলনি চৰা.
বলি, *v.* read বুলি, for খোজ কাৰ্হি, read খোজকাৰ্হি.
বেঙ্গা, *s.* add মাত ফুটাই কব নোআৰা, unable to articulate.
বেদান্তিক, *s.* for Eng. read Vedantic.
বোলাই, *v.* for to do in excess, read, to be in excess.
বৌ, *s.* for মাকৰ তিৰোতাৰ, addressed often to respectable women.
বৌধ, *s.* for Assamese def. read বুধ সাস্ত্র মনা লোক, a Boodh.

ভ

ভিম, *s.* for পাচ পাওৰৰ, পাচ পাওৰৰ, add very large, used in *comp.* as ভিমকল, ভিম দলৈ.

ভুৰা, *s.* omit ভুবুৰা.

ভেঁটি *v.* add ঘৰ আদিত ওখকৈ তোলা মাটি.

ভেত্‌কৰে, *ad.* read ভেঁত্‌ কৰে.

ভেকভেককৰে, *ad.* insert ইহ্‌া, in brackets.

ভেজাই, *v.* omit the last Assamese def.

ভেলেক্‌কৰে, *ad.* for Assamese def. read বেগতে, অকস্মাতে, (গোস্কে.অ,)

ভেল্‌ভেল্‌কৰে, *ad.* for Assamese def. read বৰকৈ, বেয়াকৈ, (দুর্গে.ক্ষ উট.)

ভেলেঙ্গি, *s.* for Assamese def. read মাইকি সৰ পছু.

ভোটা, *s.* add পুৰিবলৈ সজা কেঁচা ইটাৰ দল, a pile of unburnt brick.

ভোটাতৰা, *s.* add সুক্ৰ গ্ৰহ, also the morning star.

ভোলা, *s.* omit the last Assamese def.

ম

মন, *s.* in Eng. def. for পৰি or বাৰ্হি, read পৰি or বহি.

মনু, *s.* for the first Assamese def. read হিন্দু ব্যবস্থাৰ সাস্ত্র বক্তা মুনি এজন.

মলি, *s.* add to mix treacle and tobacco for smoking, to scour.

মঙ্গহ, *s.* for Eng. def. read, a *hath* where Naga salt is sold.

মাজতিয়া, *a.* for মাজুই, read মাজু.

মান্যৱতি, *a.* স্ত্রি, shut up in brackets.

মাৰ, *s.* omit মুঠ.

মেজাঙ্কৰি, for *v.* read *s.*

মেঠ, *s.* omit অৱস্থা, condition.

মোচ, *s.* omit গোঁফ, which is Bengali.

ৰ

ৰথজাত্রা, *s.* for Juggernaut, read Jagannath.

ৰহঘৰা, *s.* omit the last Assamese def.

ৰাজদুআৰ, *s.* for the royal levee, read a royal levee.

ৰামায়ন, *s.* add to the Eng. def. contention, discord.

ল

লতাসিৰ, *s.* omit লেটেকা.

লৰা, *s.* লঁৰা, with circumflex.

লাই, *s.* omit সাক এবিধ, see লাইসাক.

লেচকেচ, *s.* omit the last Assamese def.

লেপ, *s.* omit নিহালি.

স

সগুন, *s.* omit এসগুন, and the Eng.

সতৰি, *a.* omit কথকি তিৰি, and its Eng. a talkative woman.

সতিনিমাৰি, *s.* read for Eng. def. a stick to steady the band of a wheel.

সহ, *a.* omit মৰা দেহ, and Eng. def. a dead body.

সৰালি, *s.* for foul, read fowl.

সাঙ্গিভাৱ, *s.* in Eng. def. omit the words as above.

সাদিন, for *a.* read *s.*

সাৰি, *v.* omit the last Assamese def.

সিঙ্গ, *s.* omit ৰিসাল.

সিৰফটা, *a.* read, সিৰফুটা.

সিহৰি, *s.* for চাকনৈয়া সিপা, read চাকলিয়া সিপা.

সুগন্ধ, *s.* omit মলমল্ কৰে, which is *ad.*

সুচামৰা, *s.* omit খহু আদিত খোচ মৰা.

সুনি, *v.* add আগ্যা মানি.

সেওতা, *s.* omit the last def. in Assamese and Eng. see সেঁওতা.

সৌমাৰপ্ৰিষ্ঠ, *s.* for Bishnauth read Bishnath.

স্নানজাত্ৰা, *s.* for Juggernaut read Jagannath.

স্বাস, *s.* omit last Assamese def.

হ

হৰন, *s.* for rage, read rape.

হৰমোহন, } *a.* read হৰ মোহন.
হৰলক, } হৰলুক.

হলাই, *v.* for দোআই, read দোঁআই.

হলৌ, *s.* for কলা, read কঁলা, with circumflex.

হলৌহলৌকৰে, *ad.* for খোজ কৰ্হা, read খোজ কৰ্হা.

হাই, *s.* for চিয়ৰ, read চিঁয়ৰ.

হাউলি, *s.* add to lean, to incline from a perpendicular.

হাঁওঁৰিমাৰি, *v.* omit the last Assamese def.

হানি, *s.* omit টোআই.

হিলৈগুটি, *s.* read হিলৈ মৰা গুলি.

হেঁতেন, omit the comma after সম্ভব্য.

হেপোৰতেপোৰ, *s.* for জুজি থকা, read জুঁজি থকা.

হৈ, *v.* for হই, read হুই.

হোঁকোৰা, *s.* for or above, read, as above.

YC114687